موسوعة الأحاديث النبوية
HadeethEnc.com

جمعية الدعوة
وتوعية الجاليات بالربوة

جمعية خدمة المحتوى
الإسلامي باللغات

# হাদীছ বিশ্বকোষৰ পৰা নিৰ্বাচিত কিছুমান হাদীছ।

المنتقى من موسوعة الأحاديث النبوية

آسامي
অসমীয়া




HadeethEnc.com

# المنتقى

من

# موسوعة الأحاديث النبوية

اللغة الأسامية

إعداد القسم العلمي

جمعية خدمة المحتوى الإسلامي باللغات

جمعية الدعوة وتوعية الجاليات بالربوة

ح جمعية خدمة المحتوى الإسلامي باللغات ، ١٤٤٦هـ

جمعية خدمة المحتوى الإسلامي
المنتقى من موسوعة الأحاديث النبوية - آسامي. / جمعية خدمة المحتوى الإسلامي - ط١. .- الرياض ، ١٤٤٦هـ

٦٨٤ ص ؛ ..سم

رقم الإيداع: ١٤٤٦/١٠٠٤٦
ردمك: ٩٧٨-٦٠٣-٨٤٧٤-٦٥-٥

Partners in Implementation

Content Association | Rowad Translation | Rabwah Association | Byenah

This publication may be printed and disseminated by any means provided that the source is mentioned and no change is made to the text.

Tel : +966 50 244 7000
info@islamiccontent.org
Riyadh 13245-2836
www.islamiccontent.org

**(আৰম্ভ কৰিছোঁ) পৰম কৰুণাময় পৰম দয়ালু আল্লাহৰ নামত।**

## ভূমিকা

**সকলো ধৰণৰ প্ৰশংসা বিশ্বজগতৰ প্ৰতিপালক আল্লাহৰ বাবে। দৰূদ আৰু ছালাম বৰ্ষিত হওক আমাৰ প্ৰিয় নবী মুহাম্মদৰ ওপৰত, তেওঁৰ পৰিয়ালবৰ্গ আৰু চাহাবাসকলৰ ওপৰত, লগতে সেইসকল লোকৰ ওপৰত যিসকলে কিয়ামত পৰ্যন্ত তেওঁলোকৰ অনুসৰণ কৰিব। ইয়াৰ পিছতঃ**

**আল্লাহৰ কিতাবৰ পিছত মুছলিমসকলে আটাইতকৈ বেছি যিটো বস্তুক গুৰুত্ব দিব লাগে সেয়া হৈছে, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছ। অধ্যয়নৰ জৰিয়তে, চিন্তা-চৰ্চা আৰু গৱেষণাৰ জৰিয়তে, লগতে জ্ঞান অৰ্জন আৰু তাৰ প্ৰতি আমলৰ জৰিয়তে ইয়াৰ প্ৰতি গুৰুত্ব দিয়া উচিত।তেখেত আলাইহিচ্ছালাতু অচ্ছালামে কৈছেঃ"হে মানৱজাতি! মই তোমালোকৰ মাজত এনেকুৱা বস্তু এৰি থৈ গ'লোঁ, যদি তোমালোকে ইয়াক মজবুতভাৱে ধৰি ৰাখা তেন্তে কেতিয়াও তোমালোকে পথভ্ৰষ্ট নহ'বা। সেয়া হৈছেঃ আল্লাহৰ কিতাব আৰু তেওঁৰ নবীৰ হাদীছ।"(ইমাম মালিকে এই হাদীছটো বৰ্ণনা কৰিছে।)এইদৰে মহান আল্লাহে কৈছেঃৰাছুলে তোমালোকক যি দিয়ে সেয়া তোমালোকে গ্ৰহণ কৰা, আৰু যিটোৰ পৰা তেওঁ তোমালোকক নিষেধ কৰে তাৰ পৰা বিৰত থাকা।(ছুৰা আল-হাশ্বৰঃ ৭)সেয়ে জমঈয়্যত খিতমাতুল মুহতাৱা আল ইছলামী বিল্লুগাত আৰু জমঈয়্যতুদ দা'ৱাহ অতাওঈয়্যাতুল জালিয়াত বিৰ ৰাবৱাৰ যৌথ প্ৰচেষ্টাত হাদীছে নবৱীৰ এটা বিশ্বকোষ প্ৰস্তুত কৰা হৈছে, যিটোক ইতিমধ্যে বিভিন্ন ভাষাত অনুবাদ কৰা হৈছে।**

সৰ্বশক্তিমান আল্লাহে আমাক সেই বিশাল বিশ্বকোষৰ পৰা মুছলিমসকলৰ দ্বিনী আৰু দুনিয়াৱী ক্ষেত্ৰত প্ৰয়োজনীয় কিছুমান হাদীছ নিৰ্বাচন কৰাৰ সৌভাগ্য প্ৰদান কৰিছে, লগতে তাত সেই হাদীছবোৰৰ অৰ্থ, ব্যাখ্যা সহকাৰে স্পষ্ট বিৱৰণ আৰু কিছুমান উপকাৰী তথ্যও উল্লেখ কৰাৰ তাওফীক প্ৰদান কৰিছে। প্ৰস্তুতকৃত এই কিতাপখনক এই নামেৰে নামকৰণ কৰা হৈছেঃ«المنتقى من موسوعة الأحاديث النبوية» **হাদীছ বিশ্বকোষৰ পৰা নিৰ্বাচিত কিছুমান হাদীছ।বিশ্বৰ সকলো জীৱিত ভাষাতে ইয়াৰ অনুবাদৰ কাম অব্যাহত আছে, যাতে সকলোৱে ইয়াৰ দ্বাৰা উপকৃত হ'ব পাৰে, আৰু যাতে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছ সকলো ভাষাতে সহজলভ্য কৰিব পৰা যায়।**

**গতিকে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, তেওঁ যেন আমাৰ এই প্ৰচেষ্টা কবূল কৰে, আৰু একমাত্ৰ তেওঁৰ সন্তুষ্টি অৰ্জনৰ বাবে তেওঁ যেন ইয়াক বৰকতময় আমলৰ অন্তৰ্ভুক্ত কৰে। লগতে ইয়াৰ প্ৰস্তুতি, অনুবাদ আৰু**

**প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত যিসকলে সহায় কৰিছে, তেওঁলোক আটাইকে যেন ইয়াৰ উত্তম প্ৰতিদান দিয়ে।আল্লাহে আমাৰ প্ৰিয় নবী মুহাম্মদৰ ওপৰত দৰূদ আৰু ছালাম বৰ্ষণ কৰক।**

(1) – عن عمر بن الخطاب رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِنَّمَا الْأَعْمَالُ بِالنِّيَّةِ، وَإِنَّمَا لِامْرِئٍ مَا نَوَى، فَمَنْ كَانَتْ هِجْرَتُهُ إِلَى اللهِ وَرَسُولِهِ، فَهِجْرَتُهُ إِلَى اللهِ وَرَسُولِهِ، وَمَنْ كَانَتْ هِجْرَتُهُ لِدُنْيَا يُصِيبُهَا أَوِ امْرَأَةٍ يَتَزَوَّجُهَا، فَهِجْرَتُهُ إِلَى مَا هَاجَرَ إِلَيْهِ».

وفي لفظ للبخاري: «إِنَّمَا الْأَعْمَالُ بِالنِّيَّاتِ، وَإِنَّمَا لِكُلِّ امْرِئٍ مَا نَوَى». [صحيح] - [متفق عليه]

(1) – ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: “সকলো কামৰ ফলাফল নিৰ্ভৰ কৰে নিয়্যতৰ ওপৰত, আৰু মানুহে সেইটোৱেই পায়, যিটো সি নিয়্যত কৰিছে। এতেকে যি ব্যক্তিয়ে আল্লাহ আৰু তেওঁৰ ৰাছুলৰ বাবে হিজৰত কৰিছে, তাৰ হিজৰত আল্লাহ আৰু তেওঁৰ ৰাছুলৰ ফালেই হৈছে, আৰু যাৰ হিজৰত পৃথিৱী (পাৰ্থিৱ বস্তু) আহৰণ কৰাৰ বাবে অথবা কোনো নাৰীক বিবাহ কৰাৰ বাবে হৈছে, তাৰ হিজৰত সেইমতেই বিবেচিত হ’ব, যি উদ্দেশ্যত সি হিজৰত কৰিছে।” আনহাতে বুখাৰীৰ বাক্যত আছেঃ “সকলো কামৰ ফলাফল নিৰ্ভৰ কৰে নিয়্যতৰ ওপৰত, আৰু প্ৰত্যেক ব্যক্তিয়ে সেইটোৱেই পায়, যিটো সি নিয়্যত কৰিছে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্ট কৰিছে যে, প্ৰতিটো আমল নিয়্যত অনুযায়ীহে নিৰ্ভৰযোগ্য হয়। দৈনন্দিন জীৱনৰ সকলো কৰ্ম আৰু সকলো আমলৰ ক্ষেত্ৰতে এই বিধান প্ৰযোজ্য। গতিকে যদি কোনোবাই কোনো স্বাৰ্থ লাভৰ বাবে কোনো আমল কৰে তেন্তে তেওঁ সেই আমলৰ জৰিয়তে সেই স্বাৰ্থটোকে পাব, যি স্বাৰ্থত তেওঁ আমলটো কৰিছে, কোনো ছোৱাব নাপাব। আনহাতে যদি কোনোবাই কোনো আমল আল্লাহৰ নৈকট্য লাভ কৰাৰ উদ্দেশ্যে কৰে তেন্তে তেওঁ সেইটোৰ ছোৱাব পাব আৰু প্ৰতিদান লাভ কৰিব, যদিও সেইটো তাৰ কোনো অভ্যাসগত আমল হয়, যেনে- পানাহাৰ কৰা।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আমলৰ ক্ষেত্ৰত নিয়্যতৰ প্ৰভাৱ বুজাবলৈ এটা উদাহৰণ দিছে। তেখেতে কৈছেঃ যিয়ে প্ৰতিপালকৰ সন্তুষ্টি অৰ্জন কৰিবলৈ নিজৰ দেশ ত্যাগ কৰিব বা হিজৰত কৰিব, তেন্তে তাৰ সেই হিজৰতক গ্ৰহণযোগ্য হিজৰত হিচাপে মানি লোৱা হ'ব। লগতে সঠিক নিয়্যত পোষণ কৰাৰ বাবে তাক ইয়াৰ উত্তম প্ৰতিদানো দিয়া হ'ব। আনহাতে যিয়ে দুনিয়াৱী স্বাৰ্থ লাভৰ বাবে হিজৰত কৰিব, যেনে- ধন-সম্পদৰ আশাত, বা মৰ্যাদা লাভৰ আশাত, নাইবা ব্যৱসায়-বাণিজ্যৰ আশাত, অথবা বিবাহৰ উদ্দেশ্যে, তেন্তে তেওঁ সেই স্বাৰ্থই লাভ কৰিব যিটো স্বাৰ্থত তেওঁ হিজৰত কৰিছে। তাক কোনো ছোৱাব বা নেকী প্ৰদান কৰা নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইখলাছৰ প্ৰতি উৎসাহ প্ৰদান কৰা হৈছে। কাৰণ আল্লাহে কেৱল সেইটো আমলেই কবুল কৰে যিটোৰ দ্বাৰা তেওঁৰ সন্তুষ্টি আশা কৰা হয়।
2. যিবোৰ আমলৰ দ্বাৰা আল্লাহৰ নৈকট্য অৱলম্বন কৰা হয়, সেইবোৰ আমল যদি অভ্যাসগত হিচাপে কোনোবাই কৰে তেন্তে সি সেইটোৰ ছোৱাব নাপাব, যেতিয়ালৈকে সি আল্লাহৰ নৈকট্য কামনা নকৰিব তথা ছোৱাব কামনা নকৰিব।

(4560)

(2) – عَنْ عَائِشَةَ رضي الله عنها قَالَتْ: قَالَ رَسُولُ اللهِ صلى الله عليه وسلم: «مَنْ أَحْدَثَ فِي أَمْرِنَا هَذَا مَا لَيْسَ فِيهِ فَهُوَ رَدٌّ» متفق عليه.
ولمسلم: «مَنْ عَمِلَ عَمَلًا لَيْسَ عَلَيْهِ أَمْرُنَا فَهُوَ رَدٌّ». [صحيح] - [متفق عليه]

(2) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “যিয়ে আমাৰ চৰীয়তত এনেকুৱা কোনো নীতি প্ৰৱৰ্তন কৰিছে যিটো ইয়াৰ ভিতৰত নাই সেইটো অগ্ৰহণযোগ্য।" (মুত্তাফাক্ক আলাইহ) আৰু মুছলিমত আছে যে, "যিয়ে এনেকুৱা কোনো আমল কৰিছে যিটো আমাৰ চৰীয়তত নাই সেইটো প্ৰত্যাখ্যাত।” [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে দ্বীনৰ ভিতৰত নতুনত্বৰ সৃষ্টি কৰিব অথবা এনেকুৱা কোনো আমল কৰিব, কোৰআন হাদীছত যিটোৰ কোনো প্ৰমাণ নাই, সেই আমল আমলকাৰীৰ প্ৰতিয়ে দলিয়াই দিয়া হ'ব, আল্লাহৰ ওচৰত সেইটো গ্ৰহণযোগ্য নহ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইবাদত হৈছে কোৰআন আৰু হাদীছৰ দ্বাৰা সীমাবদ্ধ। গতিকে আমি আল্লাহৰ ইবাদত সেইদৰেই কৰোঁ যিদৰে কোৰআন আৰু হাদীছত বৰ্ণিত হৈছে, বিদআত তথা নতুনত্বৰৰ জৰিয়তে আমি ইবাদত নকৰোঁ।
2. দ্বীন যুক্তি আৰু পছন্দ-অপছন্দৰ ওপৰত ভিত্তি কৰি পালন কৰা নহয়। বৰং ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ অনুসৰণৰ জৰিয়তেহে পালন কৰা হয়।
3. এই হাদীছটো হৈছে দ্বীনৰ পৰিপূৰ্ণতাৰ প্ৰমাণ।

4. বিদআত হৈছে নতুনকৈ আৱিষ্কাৰ কৰা ধৰ্মীয় এনেকুৱা কোনো ইবাদত, কথা হওক বা কৰ্ম অথবা আক্বীদাহ, যিটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত তথা চাহাবাসকলৰ যুগত নাছিল।
5. এই হাদীছটো হৈছে ইছলামৰ এটা মৌলিক নীতি। অৰ্থাৎ আমলৰ মানদণ্ড নিৰ্ণায়ক হাদীছ। আল্লাহৰ উদ্দেশ্যে নকৰা আমলৰ ছোৱাব যিদৰে আমলকাৰীয়ে নাপায়, ঠিক সেইদৰে প্ৰত্যেক সেই আমল যিটো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰীয়ত মতে নহয়, সেই আমলো অগ্ৰহণযোগ্য তথা আমলকাৰীৰ প্ৰতি দলিয়াই দিয়া হ'ব।
6. ধৰ্মীয় ক্ষেত্ৰতহে নতুনত্বৰ সৃষ্টি কৰিবলৈ নিষেধ কৰা হৈছে, দুনিয়াৱী ক্ষেত্ৰত নহয়।

(4792)

(3) – عن عمر بن الخطاب رضي الله عنه قال: بَيْنَمَا نَحْنُ عِنْدَ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ ذَاتَ يَوْمٍ إِذْ طَلَعَ عَلَيْنَا رَجُلٌ شَدِيدُ بَيَاضِ الثِّيَابِ، شَدِيدُ سَوَادِ الشَّعَرِ، لَا يُرَى عَلَيْهِ أَثَرُ السَّفَرِ، وَلَا يَعْرِفُهُ مِنَّا أَحَدٌ، حَتَّى جَلَسَ إِلَى النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَأَسْنَدَ رُكْبَتَيْهِ إِلَى رُكْبَتَيْهِ، وَوَضَعَ كَفَّيْهِ عَلَى فَخِذَيْهِ، وَقَالَ: يَا مُحَمَّدُ، أَخْبِرْنِي عَنِ الْإِسْلَامِ، فَقَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**الْإِسْلَامُ أَنْ تَشْهَدَ أَنْ لَا إِلَهَ إِلَّا اللهُ، وَأَنَّ مُحَمَّدًا رَسُولُ اللهِ، وَتُقِيمَ الصَّلَاةَ، وَتُؤْتِيَ الزَّكَاةَ، وَتَصُومَ رَمَضَانَ، وَتَحُجَّ الْبَيْتَ إِنِ اسْتَطَعْتَ إِلَيْهِ سَبِيلًا**» قَالَ: صَدَقْتَ، قَالَ: فَعَجِبْنَا لَهُ، يَسْأَلُهُ وَيُصَدِّقُهُ، قَالَ: فَأَخْبِرْنِي عَنِ الْإِيمَانِ، قَالَ: «**أَنْ تُؤْمِنَ بِاللهِ، وَمَلَائِكَتِهِ، وَكُتُبِهِ، وَرُسُلِهِ، وَالْيَوْمِ الْآخِرِ، وَتُؤْمِنَ بِالْقَدَرِ خَيْرِهِ وَشَرِّهِ**» قَالَ: صَدَقْتَ، قَالَ: فَأَخْبِرْنِي عَنِ الْإِحْسَانِ، قَالَ: «**أَنْ تَعْبُدَ اللهَ كَأَنَّكَ تَرَاهُ، فَإِنْ لَمْ تَكُنْ تَرَاهُ فَإِنَّهُ يَرَاكَ**» قَالَ: فَأَخْبِرْنِي عَنِ السَّاعَةِ، قَالَ: «**مَا الْمَسْؤُولُ عَنْهَا بِأَعْلَمَ مِنَ السَّائِلِ**» قَالَ: فَأَخْبِرْنِي عَنْ أَمَارَتِهَا، قَالَ: «**أَنْ تَلِدَ الْأَمَةُ رَبَّتَهَا، وَأَنْ تَرَى الْحُفَاةَ الْعُرَاةَ الْعَالَةَ رِعَاءَ الشَّاءِ يَتَطَاوَلُونَ فِي الْبُنْيَانِ**» قَالَ: ثُمَّ انْطَلَقَ، فَلَبِثْتُ مَلِيًّا ثُمَّ قَالَ لِي: «**يَا عُمَرُ، أَتَدْرِي مَنِ السَّائِلُ؟**» قُلْتُ: اللهُ وَرَسُولُهُ أَعْلَمُ، قَالَ: «**فَإِنَّهُ جِبْرِيلُ، أَتَاكُمْ يُعَلِّمُكُمْ دِينَكُمْ**». [صحيح] - [رواه مسلم]

(3) – **ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আহিছে, তেওঁ কৈছেঃ এদিনাখন আমি ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামৰ ওচৰত বহি আছিলোঁ, ঠিক সেই সময়তে হঠাৎ এজন ব্যক্তি আমাৰ সন্মুখত আহি উপস্থিত হ'ল, যাৰ কাপোৰ আছিল অতিকৈ বগা, চুলিবোৰ আছিল ভীষণ ক'লা; তাৰ ওপৰত ভ্ৰমণৰ কোনো লক্ষণ পৰিলক্ষিত হোৱা নাছিল। আমাৰ মাজৰ কোনেও তেওঁক চিনিও পোৱা নাছিল। তেওঁ নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামৰ ওচৰত আহি বহিল, নিজৰ আঠু তেখেতৰ আঠুৰ লগত মিলাই নিজৰ হাত তেখেতৰ (অথবা নিজৰেই) উৰুত ৰাখি ক'লে: "হে মুহাম্মদ, মোক ইছলাম সম্পৰ্কে জ্ঞান দিয়ক"। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লে: "ইছলাম হৈছে- তুমি এই সাক্ষ্য দিয়া যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই আৰু মুহাম্মদ (চাল্লাল্লাহু 'আলাইহি অছাল্লাম) হৈছে আল্লাহৰ ৰাছুল, ছালাত প্ৰতিষ্ঠা কৰা, যাকাত আদায় কৰা, ৰমজান মাহৰ চওম পালন কৰা আৰু যদি সামৰ্থ থাকে তেন্তে আল্লাহৰ ঘৰৰ হজ্জ কৰা।" তেওঁ (লোকজনে) ক'লে: "আপুনি ঠিকেই কৈছে"। (বৰ্ণনাকাৰীয়ে কৈছে) আমি বিস্মিত হ'লোঁ, তেওঁ নিজেই তেখেতক প্ৰশ্ন কৰি আছে আকৌ নিজেই তেখেতৰ উত্তৰক সঠিক বুলি সমৰ্থন কৰি আছে। তাৰ পিছত তেওঁ ক'লে, "মোক ঈমান সম্পৰ্কে জ্ঞান দিয়ক"। তেখেতে (ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে) ক'লে: "সেয়া হৈছে এই যে- আল্লাহ, তেওঁৰ ফিৰিস্তা, তেওঁৰ কিতাবসমূহ, তেওঁৰ ৰাছুলসকল আৰু আখিৰাতৰ ওপৰত ঈমান পোষণ কৰা, লগতে তাকদীৰৰ (ভাগ্যৰ) ভাল-বেয়াৰ ওপৰত বিশ্বাস স্থাপন কৰা।" তেওঁ ক'লে: "আপুনি ঠিকেই কৈছে"। তাৰ পিছত ক'লে: "মোক ইহছান সম্পৰ্কে জ্ঞান দিয়ক"। তেখেতে ক'লে: "সেয়া হৈছে এই যে- তুমি এনেকৈ আল্লাহৰ ইবাদত কৰা যেনিবা তুমি আল্লাহক দেখি আছা, আৰু যদি তুমি তেওঁক দেখিবলৈ নোপোৱা (অথবা যদি এইটো কল্পনা কৰিব নোৱাৰা) তেন্তে তুমি জানি থোৱা তেওঁ নিশ্চয় তোমাক দেখি আছে"। তেওঁ ক'লে: "মোক কিয়ামত সম্পৰ্কে জ্ঞান দিয়ক"। তেখেতে ক'লে: "যাক প্ৰশ্ন কৰা হৈছে তেওঁ প্ৰশ্নকাৰীতকৈ বেছি**

একো নাজানে”। তেওঁ ক’লে: “তেন্তে তাৰ লক্ষণ সম্পৰ্কে জ্ঞান দিয়ক”। তেখেতে ক’লে: “সেয়া হৈছে এই যে- দাসীয়ে নিজৰ মালিকক জন্ম দিব, সম্পদ আৰু বস্ত্ৰহীন গৰখীয়াসকলেও ওখ ওখ অট্টালিকাকলৈ দম্ভ কৰিব”। এই কথোপকথনৰ পিছত সেই ব্যক্তিজন গুচি গ’ল, কিন্তু মই আৰু কিছুসময় বহি থাকিলোঁ। তেতিয়া তেখেতে (ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে) মোক ক’লে: “হে ওমৰ! প্ৰশ্নকাৰীজন কোন আছিল, আপুনি জানেনে? মই ক'লোঁ: “আল্লাহ আৰু তেওঁৰ ৰাছুলেহে অধিক ভালকৈ জানে”। তেখেতে ক’লে: “তেওঁ আছিল জিব্ৰীল (আলাইহিচ্ছালাম)। আপোনালোকক আপোনালোকৰ দ্বীন শিক্ষা দিবলৈ আপোনালোকৰ ওচৰলৈ আহিছিল।” [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে, চাহাবাসকলৰ সন্মুখত জিব্ৰীল আলাইহিচ্ছালাম মানুহৰ ৰূপত আহি উপস্থিত হ'ল, তেওঁৰ কাপোৰবোৰ আছিল অত্যন্ত শুভ্ৰ তথা বগা আৰু চুলিবোৰ আছিল অত্যন্ত ক'লা। কিন্তু তেওঁৰ ওপৰত ভ্ৰমণ কৰি অহাৰ কোনো চিন ছাপ নাছিল, ধুলি বালিও লগা নাছিল, চুলিবোৰো অপৰিপাটি নাছিল, পৰিধান কৰা কাপোৰখিনিতো কোনো ভ্ৰমণৰ প্ৰভাৱ নাছিল, আনহাতে উপস্থিত লোকসকলৰ কোনেও তেওঁক চিনি পোৱা নাছিল। তেওঁলোক নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰতে বহি আছিল। তেওঁ আহি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত ছাত্ৰৰ দৰে বহিলে, আৰু তেখেতক ইছলাম সম্পৰ্কে প্ৰশ্ন কৰিলে, তেখেতে উত্তৰত ইয়াৰ আৰকান কেইটা উল্লেখ কৰি ক'লে যে, শ্বাহাদাতাইনৰ স্বীকৃতি দিয়া, পাঁচ ওৱাক্ত নামাজ প্ৰতিষ্ঠা কৰা, জাকাত খোৱাৰ উপযুক্ত ব্যক্তিলৈ জাকাত আদায় কৰা, ৰমাজান মাহৰ ৰোজা পালন কৰা, সক্ষম ব্যক্তিয়ে ফৰজ হজ্জ পালন কৰা।

প্ৰশ্নকাৰীয়ে ক'লেঃ আপুনি ঠিকেই কৈছে, এই শুনি চাহাবাসকলে আশ্চৰ্য্য প্ৰকাশ কৰিলে। কাৰণ প্ৰশ্ন কৰাৰ সময়ত এনেকুৱা লাগিল

যেনিবা তেওঁ একো নাজানে, কিন্তু উত্তৰ শুনি উত্তৰক সঠিক বুলি কৈ সমৰ্থন কৰিছে।

ইয়াৰ পিছত তেওঁ ঈমান সম্পৰ্কে প্ৰশ্ন কৰিলে। তেখেতে উত্তৰত ঈমানৰ এই ছয়টা আৰকান উল্লেখ কৰিলে। আল্লাহৰ অস্তিত্ব আৰু তেওঁৰ গুণাৱলীসমূহৰ প্ৰতি ঈমান পোষণ কৰা, সকলো ক্ষেত্ৰতে তেওঁক একক বুলি স্বীকাৰ কৰা, যেনে- সৃষ্টি কৰাৰ ক্ষেত্ৰত, ইবাদত আদিৰ ক্ষেত্ৰত। এইদৰে ফিৰিস্তাসকলৰ প্ৰতি ঈমান পোষণ কৰা যিসকলক আল্লাহে নূৰেৰে সৃষ্টি কৰিছে, তেওঁলোক আল্লাহৰ সন্মানীয় বান্দা, তেওঁলোকে কেতিয়াও আল্লাহৰ অবাধ্যতা নকৰে, আল্লাহে যি আদেশ দিয়ে সেইটোৱে পালন কৰে। এইদৰে আল্লাহে ৰাছুলসকলৰ ওপৰত অৱতীৰ্ণ কৰা কিতাবসমূহৰ প্ৰতি ঈমান পোষণ কৰা। যেনে- কোৰআন, তাওৰাত, ইঞ্জীল আদি। এইদৰে ৰাছুলসকলৰ প্ৰতি ঈমান পোষণ কৰা, যিসকলে আল্লাহৰ ফালৰ পৰা লৈ অহা দ্বীন প্ৰচাৰ কৰিছিল। তেওঁলোকৰ মাজৰ অন্যতম হৈছে নূহ, ইব্ৰাহীম, মূছা আৰু ঈছা আলাইহিমুচ্ছালাম আৰু সৰ্বশেষ নবী তথা ৰাছুল মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম। এইদৰে অন্তিম দিৱসৰ প্ৰতি ঈমান পোষণ কৰা, মৃত্যুৰ পিছত হ'বলগীয়া কবৰৰ অৱস্থা আৰু বাৰঝাখী জিন্দেগী ইয়াৰেই অন্তৰ্ভুক্ত। কাৰণ মানুহক মৃত্যুৰ পিছত পুনৰুত্থিত কৰা হ'ব আৰু হিচাপ-নিকাচ লোৱা হ'ব, ইয়াৰ পিছত তাৰ ঠিকনা হ'ব জান্নাত অন্যথা জাহান্নাম। লগতে ঈমান ৰাখিব লাগিব যে, আল্লাহে তেওঁৰ জ্ঞান অনুযায়ী আৰু হিকমত অনুযায়ী প্ৰতিটো বস্তুৰে পূৰ্বেই ভাগ্য নিৰ্ধাৰণ কৰি ৰাখিছে তথা লিপিবদ্ধ কৰি ৰাখিছে। সেইমতেই প্ৰতিটো বস্তু সংঘটিত হয়। ইয়াৰ পিছত তেওঁ ইহছান সম্পৰ্কে প্ৰশ্ন কৰিলে। ইয়াৰ উত্তৰত তেখেতে কৈছে, ইহছান হৈছে আল্লাহৰ ইবাদত এনেকৈ কৰা যেনিবা তুমি আল্লাহক দেখি আছা। যদি এই অনুভৱ মনলৈ নাহে তেন্তে এইটো অনুভৱ কৰিবলৈ চেষ্টা কৰা যে, আল্লাহে তোমাক দেখি আছে। প্ৰথমটো হৈছে মুশ্বাহাদা, আৰু দ্বিতীয়টো হৈছে মুৰাক্বাবাহ, মুৰাক্বাবাতকৈ মুশ্বাহাদা উচ্চপৰ্যায়ৰ।

ইয়াৰ পিছত তেওঁ প্ৰশ্ন কৰিলে, কিয়ামত কেতিয়া সংঘটিত হ'ব? উত্তৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ কিয়ামতৰ সঠিক জ্ঞান আল্লাহে তেওঁৰ ইল্মৰ জৰিয়তে গোপন ৰাখিছে, কোনো সৃষ্টিয়েই সেই বিষয়ে অৱগত নহয়। প্ৰশ্নকাৰীয়েও নাজানে আৰু যাক প্ৰশ্ন কৰা হৈছে তেৰোঁ নাজানে।

ইয়াৰ পিছত তেওঁ কিয়ামতৰ আলামত সম্পৰ্কে প্ৰশ্ন কৰিলে। ইয়াৰ উত্তৰত তেখেতে কৈছে যে, ইয়াৰ অন্যতম আলামত হৈছে দাসী আৰু সিহঁতৰ সন্তানৰ সংখ্যা বৃদ্ধি হ'ব, আৰু সন্তান মাকৰ অবাধ্য হ'ব আনকি মাকৰ সৈতে দাসীৰ দৰে ব্যৱহাৰ কৰিব, এইদৰে দুখীয়া দৰিদ্ৰ ছাগলী চৰোৱা ব্যক্তিয়ে শেষ জামানাত ধন-সম্পদৰ ক্ষেত্ৰত প্ৰশস্ততা লাভ কৰিব, আৰু সিহঁতে নিজৰ অট্টালিকা আদিৰ সৌন্দৰ্য্য আৰু মজবুতিকলৈ অহংকাৰ কৰিব।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, প্ৰশ্নকাৰী ব্যক্তিজন আছিল জিব্ৰীল আলাইহিচ্ছালাম, তেওঁ চাহাবাসকলক দ্বীন সম্পৰ্কে জ্ঞান দিবলৈ আহিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এইটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম চৰিত্ৰৰ প্ৰমাণ যে, তেখেতে চাহাবাসকলৰ লগত একেলগে বহিছিল আৰু তেওঁলোকেও তেখেতৰ ওচৰত বহিছিল।

2. প্ৰশ্নকাৰীৰ প্ৰতি নমনীয়তা পোষণ কৰা আৰু তাক কাষত বহুৱাই লোৱা, যাতে প্ৰশ্নকাৰীয়ে কোনো ধৰণৰ ভয় আৰু দ্বিধা নোহোৱাকৈ প্ৰশ্ন কৰিব পাৰে।

3. শিক্ষকৰ লগত উত্তম শিষ্টাচাৰ অৱলম্বন কৰিব লাগে, যেনেকৈ জিব্ৰীল আলাইহিচ্ছালামে কৰিছে। কাৰণ, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত শিক্ষা গ্ৰহণ কৰিবলৈ ভদ্ৰলোকৰ দৰে বহিছিল।

4. ইছলামৰ আৰকান হৈছে পাঁচটা আৰু ঈমানৰ মৌলিক বিষয় হৈছে ছয়টা।
5. ইছলাম আৰু ঈমান একেলগে ব্যৱহাৰ হ'লে, ইছলামৰ দ্বাৰা বাহ্যিক বিষয়বোৰক বুজোৱা হয় আৰু ঈমানৰ দ্বাৰা গায়েবী বিষয়বোৰক বুজোৱা হয়।
6. এই কথাৰ প্ৰমাণ পোৱা গ'ল যে, দ্বীনৰ কেইবাটাও পৰ্যায় আছে। প্ৰথম পৰ্যায় হৈছে, ইছলাম, দ্বিতীয়টো হৈছে ঈমান আৰু তৃতীয়টো হৈছে ইহছান, আৰু এইটোৱে হৈছে সৰ্বোচ্চ পৰ্যায়।
7. প্ৰশ্ন কৰাৰ মূল কাৰণ হৈছে প্ৰশ্নকাৰীয়ে বিষয়টো নাজানে, কোনো বিষয়ে নজনাৰ কাৰণেই সচৰাচৰ মানুহে প্ৰশ্ন কৰে। কিন্তু তেওঁ প্ৰশ্ন কৰাৰ পিছত উত্তৰ শুনি সেইটোক আকৌ সত্যায়নো কৰিছিল, সেয়ে চাহাবাসকলে বিষয়টোক আশ্চৰ্য্য হিচাপে লৈছিল।
8. প্ৰথমে সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয়টো উল্লেখ কৰিব লাগে, তাৰ পাছত তাতকৈ কম গুৰুত্বপূৰ্ণ বিষয়টো উল্লেখ কৰিব লাগে। সেইকাৰণেই, তেখেতে ইছলামৰ ব্যাখ্যাত প্ৰথমে শ্বাহাদাতাইন আৰু ঈমানৰ ব্যাখ্যাত প্ৰথমে আল্লাহৰ প্ৰতি ঈমান পোষণ কৰাৰ বিষয়টো উল্লেখ কৰিছে।
9. কোনো বিষয়ে অৱগত থকাৰ পিছতো কোনো জ্ঞানী ব্যক্তিক এই উদ্দেশ্যত প্ৰশ্ন কৰা যে, যাতে উপস্থিত লোকসকলে বিষয়টো শিকিব পাৰে।
10. কিয়ামাতৰ জ্ঞান একমাত্ৰ আল্লাহৰ ওচৰতেই আছে।

(4563)

(4) – عَنْ عَبْدِ اللهِ بنِ عُمَر رضي الله عنهما قال: قال رسولُ الله صلى الله عليه وسلم: «**بُنِيَ الْإِسْلَامُ عَلَى خَمْسٍ: شَهَادَةِ أَنْ لَا إِلَهَ إِلَّا اللهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، وَإِقَامِ الصَّلَاةِ، وَإِيتَاءِ الزَّكَاةِ، وَحَجِّ الْبَيْتِ، وَصَوْمِ رَمَضَانَ**». [صحيح] - [متفق عليه]

(4) – আব্দুল্লাহ ইবনু ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ইছলামৰ ভিত্তি পাঁচটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত। এই কথাৰ সাক্ষ্য দিয়া যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম) হৈছে আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল। চালাত প্ৰতিষ্ঠা কৰা। যাকাত আদায় কৰা। বাইতুল্লাহৰ হজ্জ কৰা। ৰমাজান মাহৰ চিয়াম পালন কৰা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইছলামক এটা মজবুত স্থাপনাৰ সৈতে তুলনা কৰিছে, যিটো স্থাপনা পাঁচটা স্তম্ভৰ ওপৰত স্থাপিত। ইছলামৰ অন্যান্য বিধি-বিধানবোৰ হৈছে সেই স্থাপনাটোৰ পৰিপূৰক। সেই স্তম্ভসমূহৰ প্ৰথম স্তম্ভটো হৈছে, এই সাক্ষ্য দিয়া যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে তেওঁৰ ৰাছুল। এই দুটা মিলি এটাই ৰূকুন। এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। এই সাক্ষ্য দিয়াৰ সময়ত বান্দাই আল্লাহৰ একত্বক স্বীকাৰ কৰিব লাগিব আৰু এই কথা বিশ্বাস কৰিব লাগিব যে, একমাত্ৰ তেৱেঁই হৈছে ইবাদতৰ যোগ্য, লগতে সেইমতে আমলো কৰিব লাগিব। ইয়াৰ লগতে মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে মানিব লাগিব আৰু তেওঁৰ অনুসৰণ কৰিব লাগিব। দ্বিতীয় স্তম্ভ হৈছে নামাজ প্ৰতিষ্ঠা কৰা। অৰ্থাৎ দিনে ৰাতি পাঁচ ওৱাক্ত ফৰজ নামাজ ইয়াৰ চৰ্তসমূহ, ৰুকনসমূহ আৰু ওৱাজিবাত সহকাৰে আদায় কৰা। যেনে- ফজৰ, জোহৰ, আচৰ, মাগৰিব আৰু ঈশ্বা। তৃতীয় স্তম্ভ হৈছে, ফৰজ জাকাত প্ৰদান কৰা। এইটো হৈছে

আৰ্থিক ওৱাজিব ইবাদত, চৰীয়তে নিৰ্ধাৰণ কৰা এটা নিৰ্দিষ্ট পৰিমাণত উপনীত হ'লে সেই সম্পদৰ পৰা এটা নিৰ্দিষ্ট পৰিমাণৰ ধন হিতাধিকাৰীসকলক প্ৰদান কৰিব লাগে। চতুৰ্থ স্তম্ভ হৈছে হজ্জ। অৰ্থাৎ আল্লাহৰ ইবাদত কৰাৰ উদ্দেশ্যে মক্কালৈ গৈ হজ্জৰ যাৱতীয় নিয়ম-নীতি পালন কৰা। পঞ্চম স্তম্ভ হৈছে ৰমাজান মাহৰ ৰোজা ৰখা। অৰ্থাৎ আল্লাহৰ ইবাদতৰ নিয়্যতেৰে ফজৰ উদয় হোৱাৰ পিছৰ পৰা সূৰ্য অস্ত যোৱালৈকে পানাহাৰ আদি ৰোজা ভংগকাৰী বিষয়ৰ পৰা বিৰত থকা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. প্ৰথম স্তম্ভত দুটা বিষয়ত সাক্ষ্য প্ৰদান কৰিব লাগে, তাৰে যিকোনো এটাক বাদ দিলে আনটো শুদ্ধ নহ'ব। সেয়ে দুটা মিলি হৈছে এটা স্তম্ভ।
2. এই দুটা শ্বাহাদাত হৈছে দ্বীনৰ মৌলিক ভিত্তি। এই দুটা সাক্ষ্য নিদিয়াকৈ কোনো আমলেই গ্ৰহণযোগ্য নহয়।

(65000)

(5) – عَنْ مُعَاذٍ رَضِيَ اللَّهُ عَنْهُ، قَالَ: كُنْتُ رِدْفَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَلَى حِمَارٍ يُقَالُ لَهُ عُفَيْرٌ، فَقَالَ: «يَا مُعَاذُ، هَلْ تَدْرِي حَقَّ اللَّهِ عَلَى عِبَادِهِ، وَمَا حَقُّ العِبَادِ عَلَى اللَّهِ؟»، قُلْتُ: اللَّهُ وَرَسُولُهُ أَعْلَمُ، قَالَ: «فَإِنَّ حَقَّ اللَّهِ عَلَى العِبَادِ أَنْ يَعْبُدُوهُ وَلا يُشْرِكُوا بِهِ شَيْئًا، وَحَقَّ العِبَادِ عَلَى اللَّهِ أَنْ لا يُعَذِّبَ مَنْ لا يُشْرِكُ بِهِ شَيْئًا»، فَقُلْتُ: يَا رَسُولَ اللَّهِ أَفَلاَ أُبَشِّرُ بِهِ النَّاسَ؟ قَالَ: «لا تُبَشِّرْهُمْ، فَيَتَّكِلُوا».

[صحيح] - [متفق عليه]

(5) – মুআজ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এদিনাখন নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছফালে গাধৰ পিঠিত বহি আছিলোঁ, যাৰ নাম আছিল উফাইৰ। তেনেতে তেখেতে ক'লেঃ "হে মুআজ! তুমি জানানে বান্দাৰ ওপৰত আল্লাহৰ প্ৰাপ্য কি, আৰু আল্লাহৰ ওচৰত বান্দাৰ প্ৰাপ্য কি?" মই ক'লোঁঃ আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেতিয়া তেখেতে ক'লেঃ " বান্দাৰ ওপৰত আল্লাহৰ প্ৰাপ্য হৈছে, সিহঁতে যেন একমাত্ৰ তেওঁৰেই ইবাদত কৰে, তেওঁৰ সৈতে যেন আন কাকো অংশীদাৰ স্থাপন নকৰে। আনহাতে আল্লাহৰ ওচৰত বান্দাৰ প্ৰাপ্য হৈছে, তেওঁ যেন সেই ব্যক্তিক শাস্তি প্ৰদান নকৰে যিয়ে তেওঁৰ সৈতে আন কাকো অংশীদাৰ স্থাপন কৰা নাই।" এই শুনি মই ক'লোঁঃ হে আল্লাহৰ ৰাছুল! এই সুসংবাদটো মই মানুহক জনাই দিওঁ নেকি? তেখেতে ক'লেঃ "সিহঁতক এই সুসংবাদ নিদিবা, কাৰণ সিহঁতে ইয়াৰ ওপৰতে ভৰসা কৰি বহি থাকিব"। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বান্দাৰ ওপৰত থকা আল্লাহৰ হক আৰু আল্লাহৰ ওপৰত থকা বান্দাৰ হক সম্পৰ্কে স্পষ্টভাৱে বৰ্ণনা কৰিছে। এতেকে বান্দাৰ ওপৰত আল্লাহৰ হক হৈছে, সিহঁতে যেন একমাত্ৰ আল্লাহৰেই ইবাদত কৰে আৰু তেওঁৰ সৈতে আন কাকো যেন অংশীদাৰ স্থাপন নকৰে। আনহাতে আল্লাহৰ ওপৰত বান্দাৰ হক হৈছে, তেওঁ যেন তাওহীদ পন্থী লোকসকলক শাস্তি প্ৰদান নকৰে, অৰ্থাৎ

যিসকলে তেওঁৰ সৈতে আন কাকো অংশীদাৰ স্থাপন কৰা নাই। ইয়াৰ পিছত মুআজে ক'লেঃ হে আল্লাহৰ ৰাছুল! এই সুসংবাদটো মই মানুহক জনাই দিওঁনে, যাতে মানুহে আনন্দিত হয় আৰু এই অনুগ্ৰহক আশীৰ্বাদ হিচাপে গ্ৰহণ কৰে। কিন্তু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক বিষয়টো জনাবলৈ নিষেধ কৰিলে, এই আশংকাত যে হয়তো মানুহে ইয়াৰ ওপৰত ভৰসা কৰি আমল কৰা পৰিত্যাগ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত বান্দাৰ ওপৰত থকা আল্লাহৰ অত্যাৱশ্যকীয় হক সম্পৰ্কে বৰ্ণনা কৰা হৈছে, সেয়া হৈছে, সিহঁতে যেন তেওঁৰেই ইবাদত কৰে, তেওঁৰ সৈতে যেন আন কাকো অংশীদাৰ স্থাপন নকৰে।
2. হাদীছটোত আল্লাহৰ ওপৰত থকা বান্দাৰ হক সম্পৰ্কেও বৰ্ণনা কৰা হৈছে, যিটোক আল্লাহে তেওঁৰ নিয়ামত আৰু অনুগ্ৰহত নিজৰ ওপৰত অনিবাৰ্য কৰি লৈছে যে, তেওঁ সিহঁতক জান্নাতত প্ৰৱেশ কৰাব আৰু সিহঁতক শাস্তি প্ৰদান নকৰিব।
3. হাদীছটোত সেইসকল তাওহীদপন্থী লোকক ডাঙৰ সুসংবাদ দিয়া হৈছে, যিসকলে আল্লাহৰ সৈতে আন কাকো অংশীদাৰ স্থাপন নকৰে, তেওঁলোকৰ ঠিকনা হ'ব জান্নাত।
4. মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে এই হাদীছটো তেওঁৰ মৃত্যুৰ আগমুহূৰ্তত বৰ্ণনা কৰিছে, এই আশংকা কৰি যে, ইল্ম গোপন কৰাৰ গুনাহত যাতে তেওঁ নপৰে।
5. হাদীছটোৰ দ্বাৰা এইটো সতৰ্ক কৰা হৈছে যে, কিছুমান হাদীছ সাধাৰণ লোকক বৰ্ণনা কৰা উচিত নহয়, এই আশংকাত যে হয়তো সিহঁতে ইয়াৰ সঠিক অৰ্থ আহৰণ কৰিব নোৱাৰিব। কাৰণ এনেকুৱা বিষয়ৰ অধীনত কোনো আমল নাই আৰু চৰীয়তৰ ফালৰ পৰাও কোনো সীমাৰেখা নিৰ্ধাৰণ কৰা হোৱা নাই।

6. তাওহীদপন্থী লোকসকলৰ মাজৰ যিসকলে গুনাহ কৰিছে সিহঁতৰ বিষয়টো আল্লাহৰ ইচ্ছাৰ অধীনস্থ, তেওঁ ইচ্ছা কৰিলে সিহঁতক শাস্তি বিহিব পাৰে আৰু ইচ্ছা কৰিলে ক্ষমাও কৰিব পাৰে। তাৰ পিছত সিহঁতৰ শেষ ঠিকনা হ'ব জান্নাত।

(65007)

(6) – عن أنس بن مالك رضي الله عنه: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ وَمُعَاذٌ رَدِيفُهُ عَلَى الرَّحْلِ قَالَ: «**يَا مُعَاذُ بْنَ جَبَلٍ**»، قَالَ: لَبَّيْكَ يَا رَسُولَ اللهِ وَسَعْدَيْكَ، قَالَ: «**يَا مُعَاذُ**»، قَالَ: لَبَّيْكَ يَا رَسُولَ اللهِ وَسَعْدَيْكَ، ثَلَاثًا، قَالَ: «**مَا مِنْ أَحَدٍ يَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَأَنَّ مُحَمَّدًا رَسُولُ اللهِ صِدْقًا مِنْ قَلْبِهِ إِلَّا حَرَّمَهُ اللهُ عَلَى النَّارِ**»، قَالَ: يَا رَسُولَ اللهِ، أَفَلَا أُخْبِرُ بِهِ النَّاسَ فَيَسْتَبْشِرُوا؟ قَالَ: «**إِذًا يَتَّكِلُوا**». وَأَخْبَرَ بِهَا مُعَاذٌ عِنْدَ مَوْتِهِ تَأَثُّمًا. [صحيح] - [متفق عليه]

(6) – **আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ বাহনত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছফালে মুআজ ৰাদ্বিয়াল্লাহু আনহু বহি থকা অৱস্থাতে তেখেতে তেওঁক সুধিলেঃ হে মুআজ বিন জবল! তেওঁ ক'লেঃ উপস্থিত আছোঁ হে আল্লাহৰ ৰাছুল। তেখেতে তেওঁক আকৌ মাতিলে, হে মুআজ! তেওঁ ক'লেঃ উপস্থিত আছোঁ হে আল্লাহৰ ৰাছুল। এনেকৈ তিনিবাৰ মাতিলে। তাৰ পিছত তেখেতে ক'লেঃ "যিয়ে সঁচা অৰ্থত আন্তৰিকতাৰে এই কথাৰ সাক্ষ্য দিছে যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল, আল্লাহে তাক জাহান্নামৰ বাবে হাৰাম কৰি দিছে।" তেওঁ ক'লেঃ হে আল্লাহৰ ৰাছুল! মই এই কথাটো মানুহক জনাই দিওঁনে, যাতে সিহঁতে কথাটো শুনি আনন্দিত হয়। তেখেতে ক'লেঃ "তেতিয়া সিহঁতে এই কথাৰ ওপৰতে ভৰসা কৰি বহি থাকিব।" এই হাদীছটো মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে মৃত্যুৰ সময়ত বৰ্ণনা কৰি গৈছে, এই আশংকাত যে যাতে ইল্ম গোপন কৰাৰ গুনাহ নহয়।** [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

মুআজ বিন জবল ৰাদ্বিয়াল্লাহ আনহু বাহনত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছফালে বহি আছিল, সেই সময়তে তেখেতে তেওঁক মাতিলে: হে মুআজ! এনেকৈ তেওঁক তিনিবাৰ মাতিলে, তেখেতে

তেওঁক এনেকৈ বাৰে বাৰে নাম কাঢ়ি মাতাৰ উদ্দেশ্য আছিল তেওঁৰ মনোযোগ আকৰ্ষণ কৰা আৰু ক'বলগীয়া কথাটোৰ গুৰুত্ব বুজোৱা।

প্ৰত্যেক বাৰেই মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে এনেকৈ উত্তৰ দিছিল (لبيك يا رسول الله وسعديك) অৰ্থাৎ হে আল্লাহৰ ৰাছুল! মই উপস্থিত আছোঁ, আৰু আপোনাৰ আহ্বানত সঁহাৰি দিয়াটো মোৰ সৌভাগ্য।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক জনালে যে, যি ব্যক্তিয়েই আন্তৰিকতাৰে সঁচা অৰ্থত লা ইলাহা ইল্লাল্লাহৰ সাক্ষ্য দিব, অৰ্থাৎ এই সাক্ষ্য দিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল, যদি এই সাক্ষ্যৰ ওপৰত অটল থকা অৱস্থাতে তাৰ মৃত্যু হয় তেন্তে আল্লাহে তাক জাহান্নামৰ বাবে হাৰাম কৰিব দিব।

এই কথা শুনি মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা মানুহক জনাই দিয়াৰ অনুমতি বিচাৰিলে, যাতে মানুহে খবৰটো শুনি আনন্দিত হয়।

কিন্তু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আশংকা কৰিলে যে, হয়তো মানুহে ইয়াৰ ওপৰতে ভৰসা কৰি বহি থাকিব আৰু আমল কৰা বাদ দিব।

ফলত মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটো মৃত্যুৰ আগমুহুৰ্ত পৰ্যন্ত বৰ্ণনা কৰা নাছিল। কিন্তু মৃত্যুৰ আগত বৰ্ণনা কৰিছে, যাতে ইল্ম গোপন কৰাৰ গুনাহত জৰিত নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আৰোহণ কৰা বহনত মুআজক পিছফালে বহুৱাই লৈছিল, বিষয়টোৱে প্ৰমাণ কৰে যে তেখেতে অতি সহজ সৰল জীৱন-যাপন কৰিছিল।

2. হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এটা শিক্ষা পদ্ধতি স্পষ্ট হৈছে, য'ত তেখেতে মুআজ ৰাদ্বিয়াল্লাহু আনহুক কেইবাবাৰো মাতিছে তেওঁৰ মনোযোগ আকৰ্ষণ কৰিববলৈ আৰু ক'বলগীয়া কথাটোৰ গুৰুত্ব বুজাবলৈ।

3. আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল, এই কথাৰ সাক্ষ্য দিয়াৰ এটা অন্যতম চৰ্ত হৈছে সাক্ষ্যদানকাৰীয়ে পূৰ্ণ বিশ্বাসৰ সৈতে আন্তৰিকতাৰে সাক্ষ্য দিব লাগিব, য'ত মিছা কথা আৰু সন্দেহৰ কোনো অৱকাশ নাই।
4. তাওহীদত বিশ্বাসীসকল কেতিয়াও জাহান্নামত চিৰস্থায়ী নহ'ব। যদিও তেওঁলোক নিজৰ গুনাহৰ ফলত জাহান্নামত প্ৰৱেশ কৰে। গুনাহ অনুপাতে শাস্তি হোৱাৰ পিছত তেওঁলোকক জাহান্নামৰ পৰা উলিয়াই অনা হ'ব।
5. হাদীছটোত আন্তৰিকতাৰে সাক্ষ্য দিয়া ব্যক্তিৰ ফজীলত বৰ্ণিত হৈছে।
6. পৰিস্থিতি আৰু পৰিৱেশ অনুসাৰে কিছুমান হাদীছ বৰ্ণনা নকৰাটো বৈধ, যদি সেইটো বৰ্ণনা কৰিলে ক্ষতি হোৱাৰ আশংকা থাকে।

(10098)

(7) – عن طارق بن أشيم الأشجعي رضي الله عنه قال: سمعت رسول الله صلى الله عليه وسلم يقول: «مَنْ قَالَ: لَا إِلَهَ إِلَّا اللهُ، وَكَفَرَ بِمَا يُعْبَدُ مِنْ دُونِ اللهِ حَرُمَ مَالُهُ وَدَمُهُ، وَحِسَابُهُ عَلَى اللهِ».

[صحيح] - [رواه مسلم]

(7) – তাৰিক বিন আশ্বয়াম আল-আশ্বজায়ী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ যি ব্যক্তিয়ে লা ইলাহা ইল্লাল্লাহৰ স্বীকৃতি দিছে, লগতে আল্লাহৰ বাহিৰে যিবোৰৰ ইবাদত কৰা হয়, সেই সকলোবোৰক অস্বীকাৰ কৰিছে, সেই ব্যক্তিৰ ধন-সম্পদ আৰু তেজ আদি নিৰাপদ আৰু তাৰ হিচাপ-নিকাচ হৈছে আল্লাহৰ জিম্মাত। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যি ব্যক্তিয়ে (লা ইলাহা ইল্লাল্লাহ) বাক্য উচ্চাৰণ কৰিব তথা ইয়াৰ স্বীকৃতি দিব, অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই এই কথাৰ স্বীকৃতি দিব আৰু আল্লাহৰ বাহিৰে যিবোৰৰ ইবাদত কৰা হয় সেই সকলোবোৰক অস্বীকাৰ কৰিব, আনকি ইছলামৰ বাহিৰে আন সকলো ধৰ্মৰ পৰা নিজকে আঁতৰাই ৰাখিব, তেনেকুৱা ব্যক্তিৰ জান মাল আল্লাহে মুছলিমসকলৰ ওপৰত হাৰাম কৰি দিছে। আমি কেৱল প্ৰকাশ্য দিশটোকহে প্ৰাধান্য দিয়া উচিত। গতিকে সেই ব্যক্তিৰ সম্পদ জব্দ কৰা বা তাৰ ৰক্তপাত কৰা উচিত নহয়। আনহাতে যদি সেই ব্যক্তিজনে কোনো এনেকুৱা অপৰাধ কৰে যাৰ ফলত সি ইছলামিক বিধান অনুযায়ী মৃত্যুদণ্ডপ্ৰাপ্ত হয় তেন্তে সেইটো বিষয় সুকীয়া।

কিয়ামতৰ দিনা আল্লাহে তাৰ হিচাপ-নিকাচ গ্ৰহণ কৰিব, যদি সি স্বীকৃতি প্ৰদানত সত্যবাদী হয় তেন্তে ছোৱাব পাব, আনহাতে যদি মুনাফিক হয় তেন্তে শাস্তি পাব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলামত প্ৰৱেশ কৰাৰ প্ৰথম চৰ্ত হৈছে, মৌখিকভাৱে লা ইলাহা ইল্লাল্লাহৰ স্বীকৃতি দিয়া আৰু আল্লাহৰ বাহিৰে যিবোৰ উপাস্যৰ উপাসনা কৰা হয় সেই সকলোবোৰক অস্বীকাৰ কৰা।
2. লা ইলাহা ইল্লাল্লাহৰ মূল অৰ্থ হৈছে, আল্লাহৰ বাহিৰে সকলো বস্তুৰ উপাসনাক অস্বীকাৰ কৰা, মূৰ্তি প্ৰতিমা, কবৰ আদি যিয়েই নহওক কিয়, লগতে এককভাৱে আল্লাহৰ ইবাদত কৰা।
3. যিয়ে তাওহীদ স্বীকাৰ কৰিব আৰু প্ৰকাশ্যভাৱে ইছলামী চৰীয়তৰ বিধান পালন কৰিব, তাৰ পৰা হাত উঠাই লোৱা ওৱাজিব, কিন্তু সেই ব্যক্তিৰ দ্বাৰা যদি কোনো চৰীয়ত বিৰোধী কাম হয় তেন্তে সেইটো সুকীয়া বিষয়।
4. মুছলিমৰ ধন-সম্পদ, মান-সন্মান আৰু ৰক্তৰ সুৰক্ষা প্ৰদান কৰা হৈছে। কিন্তু অপৰাধৰ শাস্তিৰ বিষয়টো সুকীয়া।
5. পৃথিৱীত প্ৰকাশ্য আমলক ভিত্তি কৰি ফয়চালা লোৱা হ'ব, আনহাতে আখিৰাতত নিয়্যত আৰু উদ্দেশ্যক আগত ৰাখি ফয়চালা কৰা হ'ব।

(6765)

(8) – عَنْ جَابِرٍ رضي الله عنه قَالَ: أَتَى النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ رَجُلٌ فَقَالَ: يَا رَسُولَ اللهِ، مَا الْمُوجِبَتَانِ؟ فَقَالَ: «مَنْ مَاتَ لَا يُشْرِكُ بِاللهِ شَيْئًا دَخَلَ الْجَنَّةَ، وَمَنْ مَاتَ يُشْرِكُ بِاللهِ شَيْئًا دَخَلَ النَّارَ» [صحيح] - [رواه مسلم]

(8) – জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ এজন ব্যক্তি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! (জান্নাত আৰু জাহান্নামক) অনিবাৰ্য কৰিব পৰা বিষয় দুটা কি? তেখেতে ক'লেঃ "যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক নকৰাকৈ মৃত্যুবৰণ কৰিছে তেওঁ জান্নাতত প্ৰৱেশ কৰিব আৰু যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰি মৃত্যুবৰণ কৰিছে, সি জাহান্নামত প্ৰৱেশ কৰিব।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক দুটা বৈশিষ্ট্য সম্পৰ্কে সুধিলে, যিটোৰ এটা অৱলম্বন কৰিলে জান্নাত অনিবাৰ্য হৈ পৰে আৰু আনটো অৱলম্বন কৰিলে জাহান্নাম অনিবাৰ্য হয়। ইয়াৰ উত্তৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ যিটো বৈশিষ্ট্য অৱলম্বন কৰিলে জান্নাত অনিবাৰ্য হয় সেইটো হৈছে, মানুহ এজনৰ এনেকুৱা অৱস্থাত মৃত্যুবৰণ কৰা, যিজনে একমাত্ৰ আল্লাহৰেই ইবাদত কৰিছে আৰু তেওঁৰ সৈতে আন কাকো অংশীদাৰ স্থাপন কৰা নাই। আনহাতে যিটো বৈশিষ্ট্য অৱলম্বন কৰিলে জাহান্নাম অনিবাৰ্য হৈ পৰে, সেইটো হৈছে, যদি কোনো ব্যক্তিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰা অৱস্থাত মৃত্যুবৰণ কৰে (তেন্তে তাৰ বাবে জাহান্নাম অনিবাৰ্য হৈ পৰে), অৰ্থাৎ আল্লাহৰ উলুহিয়্যাত, ৰুবুবিয়্যাত আৰু আচমা ওৱা চিফাতত যদি আন কাকো সমকক্ষ স্থিৰ কৰি মৃত্যুবৰণ কৰে (তেন্তে তাৰ ওপৰত জাহান্নাম অনিবাৰ্য)।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত তাওহীদৰ গুৰুত্ব বৰ্ণিত হৈছে। যি ব্যক্তিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক নকৰাকৈ মুমিন অৱস্থাত মৃত্যুবৰণ কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।
2. লগতে শ্বিৰ্কৰ ভয়াৱহতা বৰ্ণিত হৈছে। কিয়নো যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰি মৃত্যুবৰণ কৰিব, সি জাহান্নামত প্ৰৱেশ কৰিব।
3. তাওহীদপন্থী লোকসকলৰ মাজৰ যিসকলে গুনাহ কৰিছে সিহঁতৰ বিষয়টো আল্লাহৰ ইচ্ছাৰ অধীনস্থ, তেওঁ ইচ্ছা কৰিলে সিহঁতক শাস্তি বিহিব পাৰে আৰু ইচ্ছা কৰিলে ক্ষমাও কৰিব পাৰে। তাৰ পিছত সিহঁতৰ শেষ ঠিকনা হ'ব জান্নাত।

(65008)

(9) – عَنْ عَبْدِ اللهِ بنِ مَسْعُودٍ رضي الله عنه قال: قَالَ النَّبِيُّ صلى الله عليه وسلم كَلِمَةً وَقُلْتُ أُخْرَى، قَالَ النَّبِيُّ صلى الله عليه وسلم: «مَنْ مَاتَ وَهُوَ يَدْعُو مِنْ دُونِ اللهِ نِدًّا دَخَلَ النَّارَ» وَقُلْتُ أَنَا: مَنْ مَاتَ وَهُوَ لَا يَدْعُو لِلهِ نِدًّا دَخَلَ الْجَنَّةَ. [صحيح] - [متفق عليه]

(9) – আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু-ৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা কথা কৈছে আৰু ময়ো এটা কথা কৈছোঁ। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “ যিয়ে এই অৱস্থাত মৃত্যুবৰণ কৰিব যে, সি আল্লাহৰ বাহিৰে আনক তেওঁৰ সমকক্ষ স্থিৰ কৰি আহ্বান কৰি আছিল, তেন্তে সি জাহান্নামত প্ৰৱেশ কৰিব।” ইয়াৰ পৰিপ্ৰেক্ষিতত মই কৈছোঁ, তেন্তে যিয়ে আল্লাহৰ বাহিৰে আন কাকো তেওঁৰ সমকক্ষ স্থিৰ কৰি আহ্বান কৰা নাই, সি নিশ্চয় জান্নাতত প্ৰৱেশ কৰিব।” [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা জনাইছে যে, যিয়ে এনেকুৱা কোনো কাম আনৰ উদ্দেশ্যে কৰিব যিটো একমাত্ৰ আল্লাহৰ বাবেই কৰা অনিবাৰ্য। উদাহৰণস্বৰূপে, আল্লাহৰ বাহিৰে আনৰ ওচৰত দুআ কৰা, বিপদৰ সময়ত আনৰ ওচৰত সহায় প্ৰাৰ্থনা কৰা, যিয়ে এই অৱস্থাত মৃত্যুবৰণ কৰিব সি জাহান্নামত প্ৰৱেশ কৰিব। ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৱে অতিৰিক্তভাৱে কৈছে যে, যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক নকৰাকৈ মৃত্যুবৰণ কৰিব, তাৰ ঠিকনা হ'ব জান্নাত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দুআও হৈছে এক প্ৰকাৰ ইবাদত, যিটো আল্লাহৰ বাহিৰে আন কাৰো ওচৰতেই কৰা বৈধ নহয়।

2. তাওহীদৰ ফজিলত, কাৰণ যিয়ে ইয়াৰ ওপৰত থাকি মৃত্যুবৰণ কৰিব সি জান্নাতত প্ৰৱেশ কৰিব। যদিও কিছুমান গুনাহৰ কাৰণে শাস্তি হ'ব পাৰে।
3. শ্বিৰ্কৰ পৰা সাৱধান কৰা হৈছে, কাৰণ যিয়ে ইয়াৰ ওপৰত মৃত্যুবৰণ কৰিব সি জাহান্নামত প্ৰৱেশ কৰিব।

(3419)

(10) – عَنِ ابْنِ عَبَّاسٍ رَضِيَ اللَّهُ عَنْهُمَا قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ لِمُعَاذِ بْنِ جَبَلٍ، حِينَ بَعَثَهُ إِلَى الْيَمَنِ: «إِنَّكَ سَتَأْتِي قَوْمًا أَهْلَ كِتَابٍ، فَإِذَا جِئْتَهُمْ فَادْعُهُمْ إِلَى أَنْ يَشْهَدُوا أَنْ لَا إِلَهَ إِلَّا اللهُ، وَأَنَّ مُحَمَّدًا رَسُولُ اللهِ، فَإِنْ هُمْ أَطَاعُوا لَكَ بِذَلِكَ، فَأَخْبِرْهُمْ أَنَّ اللهَ قَدْ فَرَضَ عَلَيْهِمْ خَمْسَ صَلَوَاتٍ فِي كُلِّ يَوْمٍ وَلَيْلَةٍ، فَإِنْ هُمْ أَطَاعُوا لَكَ بِذَلِكَ، فَأَخْبِرْهُمْ أَنَّ اللهَ قَدْ فَرَضَ عَلَيْهِمْ صَدَقَةً تُؤْخَذُ مِنْ أَغْنِيَائِهِمْ فَتُرَدُّ عَلَى فُقَرَائِهِمْ، فَإِنْ هُمْ أَطَاعُوا لَكَ بِذَلِكَ، فَإِيَّاكَ وَكَرَائِمَ أَمْوَالِهِمْ، وَاتَّقِ دَعْوَةَ الْمَظْلُومِ، فَإِنَّهُ لَيْسَ بَيْنَهُ وَبَيْنَ اللهِ حِجَابٌ». [صحيح] - [متفق عليه]

(10) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মুআজ ৰাদ্বিয়াল্লাহু আনহুক য়ামানলৈ প্ৰেৰণ কৰিছিল তেতিয়া তেওঁক কৈছিলঃ শুনা! তুমি আহলে কিতাবসকলৰ ওচৰলৈ অৰ্থাৎ ইয়াহুদী আৰু খৃষ্টানসকলৰ ওচৰলৈ গৈ আছা। গতিকে তুমি সিহঁতৰ ওচৰলৈ যোৱাৰ পিছত সিহঁতক প্ৰথমে এই কথাৰ সাক্ষ্য প্ৰদান কৰিবলৈ আহ্বান কৰিবা যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ প্ৰেৰিত ৰাছুল। যদি সিহঁতে তোমাৰ এই কথা মানি লয় তেন্তে তুমি সিহঁতক জনাই দিবা যে, আল্লাহে সিহঁতৰ ওপৰত দিনে ৰাতি পাঁচ ওৱাক্ত নামাজ ফৰজ কৰিছে। তোমাৰ এই কথাও যদি সিহঁতে মানি লয় তেন্তে তুমি সিহঁতক জনাই দিবা যে, আল্লাহে সিহঁতৰ সম্পদত জাকাত ফৰজ কৰিছে, যিটো সিহঁতৰ মাজৰ ধনীসকলৰ পৰা সংগ্ৰহ কৰি দুখীয়াসকলৰ মাজত বিতৰণ কৰা হ'ব। এইটোও যদি সিহঁতে মানি লয় তেন্তে সাৱধান! সিহঁতৰ উত্তম সম্পদ লোৱাৰ পৰা বিৰত থাকিবা। তথা তুমি নিজকে নিৰ্যাতিত লোকৰ অভিশাপৰ পৰা আঁতৰাই ৰাখিবা, কিয়নো সিহঁতৰ প্ৰাৰ্থনা আৰু আল্লাহৰ মাজত কোনো ধৰণৰ প্ৰতিবন্ধকতা নাথাকে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মুআজ বিন জাবাল ৰাদ্বিয়াল্লাহু আনহুক আল্লাহৰ প্ৰতি আহ্বানকাৰী হিচাপে তথা শিক্ষক হিচাপে য়ামানলৈ প্ৰেৰণ কৰিছিল, তেতিয়া তেখেতে তেওঁক এই কথা বৰ্ণনা কৰিছিল যে, তেওঁ খৃষ্টান সংখ্যাগৰিষ্ঠ ঠাইলৈ গৈ আছে, সেয়ে তেওঁ আগতীয়াকৈ তাৰ বাবে প্ৰস্তুতি লোৱা উচিত। তেওঁ সিহঁতক আহ্বান কৰাৰ ক্ষেত্ৰত যেন অধিক গুৰুত্বপূৰ্ণ বিষয়ক অগ্ৰাধিকাৰ দিয়ে। গতিকে প্ৰথমেই সিহঁতক আক্বীদাহ সংশোধন কৰিবলৈ আহ্বান কৰা উচিত। সেয়ে সিহঁতে যেন এই কথাৰ সাক্ষ্য দিয়ে যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল। কাৰণ ইয়াৰ দ্বাৰাইহে সিহঁতে ইছলামত প্ৰৱেশ কৰিব পাৰিব। যেতিয়া সিহঁতে এইটো মানি লব, তেতিয়া সিহঁতক নামাজ প্ৰতিষ্ঠা কৰিবলৈ আদেশ দিবা, কিয়নো তাওহীদৰ পিছত এইটোৱে হৈছে আটাইতকৈ ডাঙৰ ওৱাজিব বিষয়। যেতিয়া সিহঁতে নামাজ প্ৰতিষ্ঠা কৰিব, তেতিয়া সিহঁতৰ মাজৰ ধনীসকলক সিহঁতৰ ধন-সম্পদৰ জাকাত আদায় কৰিবলৈ নিৰ্দেশ দিবা, সিহঁতে যেন সেয়া দুখীয়া-দৰিদ্ৰসকলৰ মাজত বিলাই দিয়ে। ইয়াৰ পিছত তেখেতে তেওঁক উৎকৃষ্ট সম্পদ বাচি লবলৈ সতৰ্ক কৰিছে। কিয়নো অনিবাৰ্য হৈছে মধ্যম পন্থা। ইয়াৰ পিছত তেওঁক অন্যায়ৰ পৰা আঁতৰি থাকিবলৈ উপদেশ দিছে, যাতে তেওঁৰ বিৰুদ্ধে কোনো নিৰ্যাতিত ব্যক্তিয়ে বদ্দুআ নকৰে। কিয়নো নিৰ্যাতিত ব্যক্তিৰ দুআ নিশ্চিতভাৱে গ্ৰহণযোগ্য।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই এই কথাৰ সাক্ষ্য দিয়াৰ অৰ্থ হৈছে একমাত্ৰ আল্লাহৰেই ইবাদত কৰিব লাগে আৰু তেওঁৰ বাহিৰে অন্যান্য যিবোৰক উপাসনা কৰা হয় সেই সকলোবোৰক প্ৰত্যাখ্যান কৰিব লাগে।
2. মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল, এই কথাৰ সাক্ষ্য দিয়াৰ অৰ্থ হৈছে তেওঁৰ প্ৰতি ঈমান পোষণ কৰা,

আৰু তেওঁ যি লৈ প্ৰেৰিত হৈছে তাৰ প্ৰতি ঈমান পোষণ কৰা আৰু সমৰ্থন কৰা। লগতে এই কথা বিশ্বাস কৰা যে, তেওঁ হৈছে মানৱ জাতিৰ প্ৰতি প্ৰেৰিত সৰ্বশেষ ৰাছুল।

3. কোনো আলিমক সম্বোধন কৰা আৰু কোনো মূৰ্খ ব্যক্তিক সম্বোধন কৰাৰ মাজত আছে বহুত তফাৎ। সেয়ে তেখেতে মুআজক এই বুলি সতৰ্ক কৰিছে যে, তুমি যি ঠাইলৈ গৈ আছা তাৰ অধিবাসীসকল হৈছে আহলে কিতাব। (সেয়ে সিহঁতক সেইমতেই সম্বোধন কৰিবা)

4. প্ৰতিজন মুছলিমকে দ্বীন সম্পৰ্কে জ্ঞান অৰ্জন কৰিবলৈ গুৰুত্বাৰোপ কৰা হৈছে, যাতে সংশয়বাদীসকলৰ সংশয়ৰ পৰা ৰক্ষা পাব পাৰে। এইটো সম্ভৱ কেৱল জ্ঞান অৰ্জনৰ মাধ্যমতহে।

5. ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লাম প্ৰেৰিত হোৱাৰ পিছত ইয়াহুদী আৰু খৃষ্টানসকলৰ ধৰ্ম ৰহিত হৈছে। সিহঁতে ইছলামত প্ৰৱেশ নকৰাকৈ আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি ঈমান পোষণ নকৰাকৈ কিয়ামতৰ দিনা নাজাত পাব নোৱাৰে।

(3390)

(11) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّهُ قَالَ: قِيلَ: يَا رَسُولَ اللهِ، مَنْ أَسْعَدُ النَّاسِ بِشَفَاعَتِكَ يَوْمَ الْقِيَامَةِ؟ قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «لَقَدْ ظَنَنْتُ يَا أَبَا هُرَيْرَةَ أَنْ لَا يَسْأَلَنِي عَنْ هَذَا الْحَدِيثِ أَحَدٌ أَوَّلُ مِنْكَ؛ لِمَا رَأَيْتُ مِنْ حِرْصِكَ عَلَى الْحَدِيثِ، أَسْعَدُ النَّاسِ بِشَفَاعَتِي يَوْمَ الْقِيَامَةِ، مَنْ قَالَ لَا إِلَهَ إِلَّا اللهُ خَالِصًا مِنْ قَلْبِهِ أَوْ نَفْسِهِ»». [صحيح] - [رواه البخاري]

(11) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেখেতে কৈছেঃ প্ৰশ্ন কৰা হ'ল, হে আল্লাহৰ ৰাছুল! কিয়ামতৰ দিনা আপোনাৰ ছুপাৰিছ পোৱাৰ সৌভাগ্য কোনে কোনে লাভ কৰিব? ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ হে আবু হুৰাইৰাহ! হাদীছৰ প্ৰতি মই তোমাৰ আগ্ৰহ দেখিয়ে গম পাইছিলোঁ যে, এই বিষয়ে সৰ্বপ্ৰথম তুমিয়ে সুধিবা। শুনা, কিয়ামতৰ দিনা মোৰ ছুপাৰিছ পোৱাৰ সৌভাগ্য সেই ব্যক্তিয়ে লাভ কৰিব, যিয়ে নিষ্ঠা সহকাৰে আন্তৰিকতাৰে লা ইলাহা ইল্লাল্লাহক স্বীকাৰ কৰিব। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সংবাদ দিছে যে, কিয়ামতৰ দিনা তেখেতৰ ছুপাৰিছ পোৱাৰ সৌভাগ্য সেই ব্যক্তিয়ে লাভ কৰিব, যিয়ে নিষ্ঠা সহকাৰে আন্তৰিকতাৰে লা ইলাহা ইল্লাল্লাহক স্বীকাৰ কৰিব, অৰ্থাৎ এই কথাৰ সাক্ষ্য দিব আৰু মনে প্ৰাণে মানি লব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, লগতে যিয়ে শ্বিৰ্ক আৰু লোকক দেখুৱা আমলৰ পৰা বিৰত থাকিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা এই কথা প্ৰমাণিত হয় যে, আখিৰাতত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শ্বাফাআত বা ছুপাৰিছ কৰিব, আৰু এইটো হ'ব কেৱল মনে প্ৰাণে তাওহীদ স্বীকাৰ কৰা ব্যক্তিসকলৰ বাবে নিৰ্দিষ্ট।

2. তাওহীদ স্বীকাৰ কৰা লোকসকলৰ মাজৰ যিসকলৰ বিষয়ে জাহান্নামৰ ফয়চালা হৈছে, সিহঁতৰ ক্ষেত্ৰত তেখেতৰ শ্বাফাআতৰ অৰ্থ হৈছে, তেখেতে আল্লাহৰ ওচৰত অনুৰোধ কৰিব যে, আল্লাহে যেন সিহঁতক জাহান্নামত নিক্ষেপ নকৰে আৰু যিসকলে প্ৰৱেশ কৰিছে সিহঁতৰ ক্ষেত্ৰত শ্বাফাআতৰ অৰ্থ হৈছে আল্লাহে যেন সিহঁতক উলিয়াই আনে।
3. নিৰ্ভেজালভাৱে আল্লাহৰ তাওহীদ স্বীকাৰ কৰাৰ গুৰুত্ব, আৰু ইয়াৰ মহা প্ৰভাৱ।
4. লা ইলাহা ইল্লাল্লাহক অৰ্থ সহকাৰে জানি লৈ তাক বাস্তৱায়ন কৰা আৰু ইয়াৰ দাবী অনুসৰি আমল কৰা।
5. আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ ফজিলত আৰু জ্ঞান অৰ্জনৰ প্ৰতি থকা তেখেতৰ আগ্ৰহ হাদীছটোৰ দ্বাৰা স্পষ্ট।

(3414)

(12) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «الْإِيمَانُ بِضْعٌ وَسَبْعُونَ -أَوْ بِضْعٌ وَسِتُّونَ- شُعْبَةً، فَأَفْضَلُهَا قَوْلُ لَا إِلَهَ إِلَّا اللهُ، وَأَدْنَاهَا إِمَاطَةُ الْأَذَى عَنِ الطَّرِيقِ، وَالْحَيَاءُ شُعْبَةٌ مِنَ الْإِيمَانِ». [صحيح] - [متفق عليه]

(12) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ঈমানৰ সত্তৰতকৈও অধিক অথবা ষাঠিতকৈও অধিক শাখা-প্ৰশাখা আছে। তাৰে ভিতৰত সৰ্বশ্ৰেষ্ঠ শাখাটো হৈছে লা ইলা-হা ইল্লাল্লাহ কোৱা, আৰু সৰ্বনিম্ন শাখাটো হৈছে পথৰ পৰা কষ্টদায়ক বস্তু আঁতৰাই দিয়া। হায়া বা লাজো হৈছে ঈমানৰ এটা শাখা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, ঈমানৰ বহুতো শাখা-প্ৰশাখা আছে আৰু অনেক বৈশিষ্ট্য আছে। যাৰ মাজত আক্বীদাহ বা বিশ্বাস, লগতে কথা আৰু কৰ্ম আদিক সামৰি লোৱা হৈছে।

ঈমানৰ সৰ্বোচ্চ তথা সৰ্বোত্তম শাখাটো হৈছে লা ইলাহা ইল্লাল্লাহ কোৱা, ইয়াৰ অৰ্থ জনা আৰু সেইমতে আমল কৰা। অৰ্থাৎ এই কথাৰ স্বীকৃতি দিয়া যে,  আল্লাহ হৈছে একক তথা অদ্বিতীয়, একমাত্ৰ তেৱেঁই ইবাদতৰ উপযুক্ত, তেওঁৰ বাহিৰে কোনেও ইবাদতৰ যোগ্য নহয়।

ঈমানৰ সৰ্বনিম্ন শাখাটো হৈছে, মানুহক কষ্ট দিব পৰা প্ৰতিটো বস্তু ৰাস্তাৰ পৰা আঁতৰাই দিয়া।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, হায়া বা লাজো হৈছে ঈমানৰ এটা বৈশিষ্ট্য। এইটো এনেকুৱা এটা চৰিত্ৰ, যিয়ে মানুহক সৎকৰ্ম কৰিবলৈ উৎসাহিত কৰে আৰু বেয়া কৰ্মৰ পৰা বিৰত ৰাখে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ঈমানৰ কেইবাটাও স্তৰ আছে, এটাতকৈ আনটো উত্তম।
2. কথা, কৰ্ম আৰু বিশ্বাসৰ সমষ্টিয়ে হৈছে ঈমান।
3. হায়া হৈছে আল্লাহৰ পৰা প্ৰাপ্ত এটা নিয়ামত, ইয়াৰ উদ্দেশ্য হৈছেঃ আল্লাহে যেন আপোনাক সেই ঠাইত দেখা নাপায়, য'ত যাবলৈ তেওঁ আপোনাক নিষেধ কৰিছে। লগতে সেই ঠাইত যেন আপোনাক অনুপস্থিত নাপায়, য'ত যাবলৈ তেওঁ আপোনাক আদেশ কৰিছে।
4. সংখ্যা উল্লেখ কৰাৰ অৰ্থ এইটো নহয় যে, ইয়াৰ দ্বাৰা সীমাবদ্ধ কৰা বুজাইছে, বৰং ই ঈমান সম্পৰ্কীয় আমলৰ সংখ্যাগৰিষ্ঠতাৰ প্ৰতি ইংগিত দিয়ে, কাৰণ আৰববাসীসকলে কেতিয়াবা কোনো বস্তুৰ সংখ্যা উল্লেখ কৰিছিল, কিন্তু সেইটোৰ দ্বাৰা বাকী বিলাকক নস্যাৎ কৰা নাছিল।

(6468)

(13) – عَنْ عَبْدِ اللهِ بنِ مَسْعُودٍ رضي الله عنه قال: سَأَلْتُ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: أَيُّ الذَّنْبِ أَعْظَمُ عِنْدَ اللهِ؟ قَالَ: «أَنْ تَجْعَلَ لِلهِ نِدًّا وَهُوَ خَلَقَكَ» قُلْتُ: إِنَّ ذَلِكَ لَعَظِيمٌ، قُلْتُ: ثُمَّ أَيُّ؟ قَالَ: «وَأَنْ تَقْتُلَ وَلَدَكَ؛ تَخَافُ أَنْ يَطْعَمَ مَعَكَ» قُلْتُ: ثُمَّ أَيُّ؟ قَالَ: «أَنْ تُزَانِيَ حَلِيلَةَ جَارِكَ». [صحيح] - [متفق عليه]

(13) – আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু-ৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলোঁ, আল্লাহৰ দৃষ্টিত কোনটো গুনাহ আটাইতকৈ ডাঙৰ? তেখেতে ক'লেঃ "আল্লাহৰ সৈতে অংশীদাৰ স্থাপন কৰা; অথচ তেৱেঁই তোমাক সৃষ্টি কৰিছে।" মই ক'লোঁ- নিঃসন্দেহে এইটো এটা মাৰাত্মক গুনাহ। মই আকৌ ক'লোঁ, তাৰ পিছত কোনটো? তেখেতে ক'লেঃ "ভৰণ-পোষণৰ ভয়ত নিজৰ সন্তানক হত্যা কৰা।" মই আকৌ সুধিলোঁ ইয়াৰ পিছত কোনটো? তেখেতে ক'লে, "প্ৰতিৱেশীৰ স্ত্ৰীৰ সৈতে ব্যভিচাৰ কৰা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰা হ'ল যে, আটাইতকৈ ডাঙৰ গুনাহ কোনটো? তেতিয়া তেখেতে ক'লেঃ আটাইতকৈ ডাঙৰ গুনাহ হৈছে শ্বিৰ্কে আকবাৰ। শ্বিৰ্কে আকবাৰ হৈছে আল্লাহৰ উলুহিয়্যত, ৰুবুবিয়্যত আৰু আচমা অছিফাতত আনক সমকক্ষ স্থিৰ কৰা। তাওবা অবিহনে এই গুনাহ আল্লাহে কেতিয়াও ক্ষমা নকৰে। যদি তাওবা নকৰাকৈ এই গুনাহ কৰা ব্যক্তিয়ে মৃত্যুবৰণ কৰে তেন্তে সি চিৰস্থায়ী জাহান্নামী হ'ব। ইয়াৰ পিছৰ গুনাহটো হৈছে এই আশংকাত নিজৰ সন্তানক হত্যা কৰা যে, তাক ভৰণ-পোষণ দিব লাগিব, কাৰণ অন্যায়ভাৱে কোনো ব্যক্তিক হত্যা কৰা হাৰাম, বিশেষকৈ যদি নিহত ব্যক্তি হত্যাকাৰীৰ আত্মীয় হয় তেন্তে সেই গুনাহ আৰু অধিক ডাঙৰ হয়। এই কাৰণতো গুনাহৰ পৰিমাণ বৃদ্ধি হয় যে, যদি হত্যাকাৰীয়ে এই ভয়ত হত্যা কৰে যে, নিহত ব্যক্তিয়ে জীৱিকাত অংশীদাৰ হ'ব। ইয়াৰ

পিছৰ ডাঙৰ গুনাহটো হৈছে প্ৰতিৱেশীৰ ঘৈণীয়েকৰ সৈতে ব্যভিচাৰ কৰা। অৰ্থাৎ প্ৰতিৱেশীৰ পত্নীক প্ৰৱঞ্চনাৰ জালত আৱদ্ধ কৰাৰ চেষ্টা কৰা যাতে তাইৰ লগত জিনা কৰিব পাৰে আৰু তাইক বশৱৰ্তী কৰি লব পাৰে। ব্যভিচাৰ হাৰাম, কিন্তু যদি ব্যভিচাৰ প্ৰতিৱেশীৰ স্ত্ৰীৰ সৈতে হয় তেন্তে গুনাহৰ পৰিমাণ আৰু অধিক বৃদ্ধি হয়। কিয়নো চৰীয়তে প্ৰতিৱেশীৰ সৈতে ভাল ব্যৱহাৰ কৰাৰ নিৰ্দেশ দিছে তথা সদাচৰণ কৰিবলৈ আদেশ দিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যেনেকৈ ছোৱাবৰ ক্ষেত্ৰত নেক আমলসমূহৰ পাৰ্থক্য আছে, ঠিক তেনেকৈ ভয়াৱহতাৰ ক্ষেত্ৰতো গুনাহৰ পাৰ্থক্য আছে।
2. আটাইতকৈ ডাঙৰ গুনাহ হৈছে আল্লাহৰ লগত কৰা শ্বিৰ্ক। ইয়াৰ পিছত হৈছে ভৰণ-পোষণৰ ভয়ত সন্তানক হত্যা কৰা, তাৰ পিছত হৈছে প্ৰতিৱেশীৰ স্ত্ৰীৰ সৈতে জিনা কৰা।
3. জীৱিকাৰ দায়িত্ব হৈছে আল্লাহৰ হাতত, তেৱেঁই সকলো সৃষ্টিৰ জীৱিকাৰ দায়িত্বভাৰ লৈছে।
4. প্ৰতিৱেশীৰ অধিকাৰৰ গুৰুত্ব, অন্য কোনো ব্যক্তিক কষ্ট দিয়াৰ তুলনাত প্ৰতিৱেশীক দিয়া কষ্টৰ গুনাহ অধিক।
5. একমাত্ৰ সৃষ্টিকৰ্তাই হৈছে ইবাদতৰ উপযুক্ত, তেওঁৰ কোনো অংশীদাৰ নাই।

(5359)

(14) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «قَالَ اللهُ تَبَارَكَ وَتَعَالَى: أَنَا أَغْنَى الشُّرَكَاءِ عَنِ الشِّرْكِ، مَنْ عَمِلَ عَمَلًا أَشْرَكَ فِيهِ مَعِي غَيْرِي تَرَكْتُهُ وَشِرْكَهُ».

[صحيح] - [رواه مسلم]

(14) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মহান আল্লাহে কৈছেঃ মই সকলো অংশীদাৰৰ অংশীদাৰিত্ব [শ্বিৰ্ক]ৰ পৰা মুক্ত। যদি কোনোবাই এনেকুৱা কোনো আমল কৰে য'ত সি মোৰ সৈতে আন কাৰোবাক অংশীদাৰ কৰিছে, তেনেহ'লে মই তাক আৰু তাৰ শ্বিৰ্কক বৰ্জন কৰোঁ।

[ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহ তাআলাই কৈছেঃ নিশ্চয় তেওঁ অংশীদাৰকাৰীসকলৰ অংশীদাৰৰ পৰা সম্পূৰ্ণৰূপে মুক্ত। তেওঁ সকলো বস্তুৰ পৰা অমুখাপেক্ষী। মানুহে যেতিয়া কোনো নেক কাম কৰে আৰু সেই আমলত আল্লাহৰ লগত আনকো যদি চামিল কৰে তেন্তে আল্লাহে সেই আমলক পৰিত্যাগ কৰে আৰু সেইটো কবূল নকৰে, আৰু আমলকাৰীৰ পিনে সেই আমল দলিয়াই দিয়ে। গতিকে নিৰ্ভেজালভাৱে একমাত্ৰ আল্লাহৰ উদ্দেশ্যে আমল কৰিব লাগে। কাৰণ আল্লাহে নিৰ্ভেজাল আমলৰ বাহিৰে আন কোনো আমল গ্ৰহণ নকৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সকলো প্ৰকাৰৰ শ্বিৰ্কৰ পৰা আঁতৰি থকা উচিত। শ্বিৰ্ক হৈছে আমল কবুল হোৱাৰ প্ৰতিবন্ধক।
2. এইটো সদায় মনত ৰখা উচিত যে, মহান আল্লাহ তাআলা হৈছে অমুখাপেক্ষী। তেতিয়াহে নিৰ্ভেজাল তথা ইখলাচ সহকাৰে আমল কৰাত সহায়ক হ'ব।

(3342)

(15) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «كُلُّ أُمَّتِي يَدْخُلُونَ الْجَنَّةَ إِلَّا مَنْ أَبَى»، قَالُوا: يَا رَسُولَ اللهِ، وَمَنْ يَأْبَى؟ قَالَ: «مَنْ أَطَاعَنِي دَخَلَ الْجَنَّةَ، وَمَنْ عَصَانِي فَقَدْ أَبَى». [صحيح] - [رواه البخاري]

(15) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোৰ উম্মতৰ প্ৰতিজন ব্যক্তিয়ে জান্নাতত প্ৰৱেশ কৰিব, কেৱল সেই ব্যক্তিৰ বাহিৰে যিয়ে অস্বীকাৰ কৰিব", চাহাবাসকলে সুধিলে- হে আল্লাহৰ ৰাছুল, কোনে অস্বীকাৰ কৰিব? তেখেতে ক'লেঃ যিয়ে মোৰ অনুসৰণ কৰিব তেওঁ জান্নাতত প্ৰৱেশ কৰিব আৰু যিয়ে মোৰ অবাধ্যতা কৰিব, সেইজনহে দৰাচলতে অস্বীকাৰ কৰিব। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, তেখেতৰ উম্মতৰ প্ৰতিজন ব্যক্তিয়েই জান্নাতত প্ৰৱেশ কৰিব, কিন্তু সেই ব্যক্তিৰ বাহিৰে যিয়ে অস্বীকাৰ কৰিব।

চাহাবাসকলে সুধিলেঃ হে আল্লাহৰ ৰাছুল! কোনে অস্বীকাৰ কৰিব?

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে উত্তৰত ক'লেঃ যিয়ে ৰাছুলৰ আনুগত্য কৰিব তথা অনুসৰণ আৰু অনুকৰণ কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব। আনহাতে যিয়ে অবাধ্যতা কৰিব তথা চৰীয়তৰ আনুগত্য নকৰিব, সি দৰাচলতে নিজৰ পাপ কৰ্মৰ জৰিয়তে জান্নাতত প্ৰৱেশ কৰিবলৈ অস্বীকাৰ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰাছুলৰ আনুগত্য কৰা মানে আল্লাহৰ আনুগত্য কৰা, আৰু ৰাছুলৰ অবাধ্যতা কৰা মানে আল্লাহৰ অবাধ্যতা কৰা।

2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আনুগত্য হৈছে জান্নাতত প্ৰৱেশৰ কাৰণ, আৰু তেখেতৰ অবাধ্যতা হৈছে জাহান্নামত প্ৰৱেশৰ কাৰণ।
3. হাদীছটোত এই উম্মতৰ আনুগত্যশীল লোকসকলক সুসংবাদ প্ৰদান কৰা হৈছে যে, তেওঁলোক আটায়ে জান্নাতত প্ৰৱেশ কৰিব, কেৱল সেইসকল লোকৰ বাহিৰে যিসকলে আল্লাহ আৰু তেওঁৰ ৰাছুলৰ অবাধ্যতা কৰে।
4. উম্মতৰ প্ৰতি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম অত্যন্ত দয়ালু আছিল আৰু তেওঁলোকৰ হিদায়তৰ প্ৰতি তেখেত খুবেই আগ্ৰহী আছিল।

(4947)

(16) – عَنْ عُمَرَ بنِ الخَطَّابِ رَضِيَ اللَّهُ عَنْهُ قال: سَمِعْتُ النَّبِيَّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «لَا تُطْرُونِي كَمَا أَطْرَتِ النَّصَارَى ابْنَ مَرْيَمَ؛ فَإِنَّمَا أَنَا عَبْدُهُ، فَقُولُوا: عَبْدُ اللهِ وَرَسُولُهُ». [صحيح] - [رواه البخاري]

(16) – ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে মোৰ প্ৰশংসাত সীমালংঘন নকৰিবা, যিদৰে খৃষ্টানসকলে ঈছা ইবনে মৰিয়ম সম্পৰ্কে সীমালংঘন কৰিছিল। মই হৈছোঁ আল্লাহৰ বান্দা। গতিকে তোমালোকে মোক আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল বুলিহে কোৱা। [ছহীহ] - [(বুখাৰী)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ প্ৰশংসাত আৰু গুণাৱলীত সীমালংঘন কৰিবলৈ তথা চৰীয়তৰ সীমা অতিক্ৰম কৰিবলৈ নিষেধ কৰিছে, উদাহৰণস্বৰূপে আল্লাহৰ বাবে নিৰ্দিষ্ট কোনো গুণ বা কৰ্ম

তেখেতৰ বুলি দাবী কৰা, অথবা তেখেতে গায়েব জানে বুলি দাবী কৰা, নাইবা আল্লাহৰ সৈতে তেওঁকো প্ৰাৰ্থনা কৰা, যিদৰে খৃষ্টানসকলে ঈছা ইবনে মৰিয়মৰ সৈতে কৰিছিল। তাৰ পিছত তেখেতে বৰ্ণনা কৰিছে যে, তেখেত হৈছে আল্লাহৰ বান্দা। লগতে তেখেতে নিৰ্দেশ দিছে যে, আমি যেন তেখেতক আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল বুলিয়ে কওঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. প্ৰশংসা আৰু সন্মানৰ ক্ষেত্ৰত চৰীয়ত নিৰ্ধাৰিত সীমা উলংঘা কৰাৰ পৰা সতৰ্ক কৰা হৈছে, কাৰণ এইটো হৈছে শ্বিৰ্কত পতিত হোৱাৰ অন্যতম এটা মাধ্যম।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যিটো বিষয়ৰ পৰা সতৰ্ক কৰিছিল সেইটোৱে আজি এই উম্মতত সংঘটিত হোৱা পৰিলক্ষিত হৈছে। এতেকে কিছুমানে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ক্ষেত্ৰত সীমালংঘন কৰিছে আকৌ আন কিছুমানে আহলে বাইতৰ নামত সীমালংঘন কৰিছে, আৰু আন কিছুমানে অলী আউলিয়াৰ নামত সীমালংঘন কৰা পৰিলক্ষিত হৈছে। ফলত আটায়ে শ্বিৰ্কত লিপ্ত হৈছে।
3. ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নিজকে আল্লাহৰ বান্দা বুলি দাবী কৰিছে। এই কথা স্পষ্ট কৰিবলৈ যে, তেখেত হৈছে আল্লাহৰ দাস তথা আল্লাহৰ আনুগত্যশীল বান্দা, গতিকে আল্লাহৰ বাবে নিৰ্দিষ্ট কোনো গুণ বা বৈশিষ্ট্য তেখেতৰ ক্ষেত্ৰত প্ৰযোজ্য কৰাটো বৈধ নহয়।
4. এইদৰে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে নিজকে ৰাছুল বুলি উল্লেখ কৰিছে। এই কথা স্পষ্ট কৰিবলৈ যে, তেখেত হৈছে আল্লাহৰ ফালৰ পৰা প্ৰেৰিত ৰাছুল। গতিকে তেখেতক বিশ্বাস কৰা আৰু তেখেতৰ অনুসৰণ কৰা সকলোৰে বাবে অনিবাৰ্য।

(3406)

(17) – عن أنس رضي الله عنه قال: قال النبي صلى الله عليه وسلم: «لَا يُؤْمِنُ أَحَدُكُمْ حَتَّى أَكُونَ أَحَبَّ إِلَيْهِ مِنْ وَالِدِهِ وَوَلَدِهِ وَالنَّاسِ أَجْمَعِينَ». [صحيح] - [متفق عليه]

(17) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনেও তেতিয়ালৈকে প্ৰকৃত মুমিন হ'ব নোৱাৰিব যেতিয়ালৈকে তাৰ ওচৰত মই তাৰ সন্তান, তাৰ পিতা আৰু সকলো মানুহতকৈ অধিক প্ৰিয়পাত্ৰ নহওঁ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কোনো এজন মুছলিম ব্যক্তি তেতিয়াহে পৰিপূৰ্ণ ঈমান্দাৰ বুলি বিবেচিত হ'ব, যেতিয়া তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক তেওঁৰ পিতা-মাতা, সন্তান-সন্ততি আৰু সকলো মানুহতকৈ অধিক মুহাব্বত কৰিব। এই মুহাব্বতৰ দাবী হৈছে, তেখেতৰ আনুগত্য কৰা, তেখেতৰ পক্ষত থিয় হোৱা আৰু তেখেতৰ অবাধ্যতাৰ পৰা বিৰত থকা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা বুজা গ'ল যে, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামক মুহাব্বত কৰা অনিবাৰ্য। আনকি তেখেতক সকলো সৃষ্টিতকৈ অধিক মুহাব্বত কৰিব লাগিব।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামক পৰিপূৰ্ণ মুহাব্বত কৰাৰ অন্যতম এটা নিদৰ্শন হৈছে এই যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নতৰ পক্ষত থিয় হোৱা, আৰু ইয়াৰ সপক্ষে শাৰীৰিক আৰু আৰ্থিক সকলো প্ৰকাৰে সহায় কৰা।
3. নবী চাল্লাল্লাহু আলাইহি অছাল্লামক মুহাব্বত কৰাৰ অৰ্থ হৈছে, তেখেতে যি আদেশ দিছে সেইটো পালন কৰা আৰু তেখেতে যি যি

সংবাদ দিছে সেইবোৰ বিশ্বাস কৰা, লগতে তেখেতে যিবোৰ বিষয়ৰ পৰা নিষেধ কৰিছে সেইবোৰৰ পৰা আঁতৰি থকা, এইদৰে তেখেতৰ আনুগত্য আৰু বিদআত পৰিহাৰ কৰা।

4. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অধিকাৰ সকলো মানুহৰ অধিকাৰতকৈ অধিক গুৰুত্বপূৰ্ণ, কাৰণ তেখেতেই আমাক পথভ্ৰষ্টতাৰ পৰা হিদায়তৰ পথ দেখুৱাইছে আৰু জাহান্নামৰ পৰা মুক্তিৰ বাট দেখুৱাইছে আৰু জান্নাত লাভৰ সুযোগ কৰি দিছে।

(5953)

(18) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنِ النَّبِيِّ صلى الله عليه وسلم قَالَ: «دَعُونِي مَا تَرَكْتُكُمْ، إِنَّمَا هَلَكَ مَنْ كَانَ قَبْلَكُمْ بِسُؤَالِهِمْ وَاخْتِلَافِهِمْ عَلَى أَنْبِيَائِهِمْ، فَإِذَا نَهَيْتُكُمْ عَنْ شَيْءٍ فَاجْتَنِبُوهُ، وَإِذَا أَمَرْتُكُمْ بِأَمْرٍ فَأْتُوا مِنْهُ مَا اسْتَطَعْتُمْ». [صحيح] - [متفق عليه]

(18) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মই তোমালোকক যিটো বিষয় বৰ্ণনা নকৰাকৈ এৰি দিছোঁ, তেনেকুৱা বিষয়ৰ ক্ষেত্ৰত তোমালোকে মোকো এৰি দিয়া (অযথা প্ৰশ্ন নকৰিবা)। কাৰণ তোমালোকৰ পূৰ্বৱৰ্তীসকলে অযথা প্ৰশ্ন আৰু তেওঁলোকৰ নবীসকলৰ সৈতে মতভেদ কৰাৰ কাৰণে ধ্বংস হৈছে। যেতিয়া মই তোমালোকক কোনো বিষয়ৰ পৰা নিষেধ কৰোঁ তেতিয়া তোমালোকে সেইটোৰ পৰা বিৰত থাকিবা, আৰু মই যেতিয়া কোনো বিষয়ৰ আদেশ দিওঁ তেতিয়া তোমালোকে সেইটো কৰিবলৈ যথাসাধ্য চেষ্টা কৰিবা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, চৰীয়তৰ বিধি-বিধান হৈছে তিনি প্ৰকাৰ। ১- যিটোত তেখেতে মৌনতা অৱলম্বন কৰিছে। ২- নিষেধকৃত বিষয়। ৩- আদেশ।

১- যিটো বিষয়ত চৰীয়তে মৌনতা অৱলম্বন কৰিছেঃ অৰ্থাৎ যাৰ কোনো স্পষ্ট বিধি-বিধান নাই। এইটো মূলতে বাধ্যতামূলক নহয়। নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত কোনো বিষয়ে অধিক প্ৰশ্ন কৰিবলৈ এই আশংকাত নিষেধ কৰা হৈছিল, যাতে প্ৰশ্ন কৰা বিষয়টো ওৱাজিব হৈ নাযায় বা হাৰাম হৈ নাযায়। মহান আল্লাহে বান্দাসকলৰ প্ৰতি দয়া প্ৰদৰ্শন কৰি এইটো এৰি দিছে। কিন্তু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ মৃত্যুৰ পিছত প্ৰয়োজন অনুসৰি ফতোৱাৰ কাৰণে বা শিকিবলৈ প্ৰশ্ন কৰাত কোনো বাধা নাই, বৰং ইয়াৰ নিৰ্দেশ দিয়া হৈছে। কিন্তু এই হাদীছ অনুসৰি সেইবোৰ প্ৰশ্নৰ পৰা বিৰত থকা উচিত যিবোৰ প্ৰশ্ন উদ্দেশ্য প্ৰণোদিতভাৱে কাৰোবাক বিৰক্ত কৰিবলৈ বা হেও প্ৰতিপন্ন কৰিবলৈ কৰা হয়। কাৰণ বনী ইছৰাঈলে এনেকুৱা প্ৰশ্নৰ কাৰণেই ধ্বংস হৈছিল। উদাহৰণস্বৰূপে সিহঁতক যেতিয়া গৰু এটা জবেহ কৰিবলৈ কোৱা হৈছিল, তেতিয়া সিহঁতে আদেশ পালন কৰি যিকোনো এটা গৰু জবেহ কৰিলেই হ'লহেঁতেন, কিন্তু সিহঁতে তেনেকুৱা নকৰি বিষয়টোক কঠিন ওপৰত কঠিন কৰি লৈছিল।

দ্বিতীয়ঃ নিষেধকৃত বিষয়সমূহ। যিটো পৰিত্যাগ কৰিলে ছোৱাব পোৱা যায়, আৰু অৱলম্বন কৰিলে শাস্তিৰ সন্মুখীন হ'বলগীয়া হয়। গতিকে এনেকুৱা প্ৰতিটো বিষয়ৰ পৰা বিৰত থকা অনিবাৰ্য।

তৃতীয়ঃ আদেশকৃত বিধান। যিবোৰ পালন কৰিলে ছোৱাব পোৱা যায়, আৰু পৰিত্যাগ কৰিলে শাস্তিৰ সন্মুখীন হ'বলগীয়া হয়। গতিকে এইবোৰ কৰ্ম সাধ্যানুযায়ী কৰা জৰুৰী।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যিটো বেছি জৰুৰী তথা অধিক গুৰুত্বপূৰ্ণ সেইটোৰ প্ৰতি আমি মনোনিৱেশ কৰা উচিত। অপ্ৰয়োজনীয় প্ৰতিটো বিষয় আমি পৰিত্যাগ কৰা উচিত। লগতে যিটো হোৱা নাই তেনেকুৱা বিষয়ে প্ৰশ্ন কৰা উচিত নহয়।

2. এনেকুৱা প্ৰশ্নৰ পৰা নিষেধ কৰাৰ কাৰণ হৈছে, যাতে বিষয়বোৰত জটিলতা সৃষ্টি নহয়, তথা এনেকুৱা সন্দেহ সংশয় সৃষ্টি নহয়, যাৰ দ্বাৰা অধিক মতভেদ সৃষ্টি হ'ব।
3. সকলো প্ৰকাৰ নিষেধকৃত বিষয় পৰিত্যাগ কৰাৰ নিৰ্দেশ দিয়া হৈছে। কাৰণ পৰিত্যাগ কৰাত কোনো কষ্ট নাই। সেয়ে ইয়াৰ পৰা ব্যাপকভাৱে নিষেধ কৰা হৈছে।
4. এইদৰে নিৰ্দেশিত আমলবোৰ যথাসাধ্য কৰিবলৈ আদেশ দিয়া হৈছে। কিয়নো এইবোৰ পালন কৰাটো হৈছে কষ্টকৰ তথা কোনোবাই এইবোৰ পালন কৰাত অপাৰগ হ'ব পাৰে। সেয়ে সাধ্য অনুসৰি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।
5. অধিক প্ৰশ্ন কৰাটো নিষিদ্ধ কৰা হৈছে। উলামাসকলে প্ৰশ্নক দুইভাগত বিভক্ত কৰিছে। প্ৰথম: দ্বীনৰ প্ৰয়োজনীয় বিষয়সমূহ শিকিবলৈ প্ৰশ্ন কৰা, এইটো কৰাত কোনো বাধা নাই, চাহাবাসকলেও এনেকুৱাই প্ৰশ্ন কৰিছিল। আনহাতে দ্বিতীয় প্ৰকাৰটো হৈছে, কৃত্ৰিম তথা বিৰক্তিকৰ আৰু অহংকাৰবশতঃ কৰা প্ৰশ্ন, এই ধৰণৰ প্ৰশ্ন কৰাটো নিষিদ্ধ।
6. এই উম্মতক তেওঁলোকৰ নবীৰ বিৰোধিতা কৰিবলৈ নিষেধ কৰা হৈছে, যিদৰে পূৰ্বৱৰ্তী উম্মতসকলে কৰিছিল।
7. অযথা প্ৰশ্ন কৰা আৰু নবীসকলৰ সৈতে মতভেদ কৰাটো হৈছে ধ্বংসৰ কাৰণ। বিশেষকৈ সেইবোৰ বিষয়ত, যিবোৰ বিষয়ে পুংখানুপুংখ জনাটো সম্ভৱ নহয়। উদাহৰণস্বৰূপে গায়েব সম্পৰ্কীয় বিষয়বোৰ, যিবোৰৰ বিষয়ে আল্লাহৰ বাহিৰে আন কোনেও নাজানে। এইদৰে কিয়ামত সম্পৰ্কীয় বিষয়বোৰ।
8. প্ৰশ্নৰ জৰিয়তে কোনো বিষয়ক জটিলতাৰ ফালে ঠেলি দিবলৈ নিষেধ কৰা হৈছে। আওঝায়ী ৰাহিমাহুল্লাহে কৈছেঃ আল্লাহে যেতিয়া কোনো বান্দাক ইল্মৰ বৰকতৰ পৰা বঞ্চিত কৰিব বিচাৰে,

তেতিয়া তেওঁ তাৰ জিভাত ভুল-ভ্ৰান্তি নিক্ষেপ কৰে। মই এনেকুৱা লোকক দেখিছোঁ, সিহঁত খুবেই স্বল্পজ্ঞানী হয়। ইবনে অহাবে কৈছেঃ মই মালিক ৰাহিমাহুল্লাহক কোৱা শুনিছোঁ, তেখেতে কৈছেঃ ইল্মৰ ক্ষেত্ৰত কৰা মতানৈক্যই মানুহৰ অন্তৰৰ পৰা ইল্মৰ জ্যোতি কাঢ়ি নিয়ে।

(4295)

(19) – عن عبد الله بن عمرو رضي الله عنهما أن النبي صلى الله عليه وسلم قال: «بَلِّغُوا عَنِّي وَلَوْ آيَةً، وَحَدِّثُوا عَنْ بَنِي إِسْرَائِيلَ وَلَا حَرَجَ، وَمَنْ كَذَبَ عَلَيَّ مُتَعَمِّدًا فَلْيَتَبَوَّأْ مَقْعَدَهُ مِنَ النَّارِ».
[صحيح] - [رواه البخاري]

(19) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মোৰ ফালৰ পৰা পৌঁচাই দিয়া, সেয়া যদি এটা আয়াতো হয়, আৰু বনী ইছৰাঈলৰ পৰা বৰ্ণনা কৰা, ইয়াত কোনো দোষ নাই; কিন্তু যি ব্যক্তিয়ে ইচ্ছাকৃতভাৱে মোৰ বিষয়ে মিছা কথা ক'ব, সি যেনিবা জাহান্নামকেই নিজৰ ঠিকনা নিৰ্ধাৰিত কৰি ল'লে। [ছহীহ] - [বুখাৰী)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কোৰআন হাদীছৰ জ্ঞান প্ৰচাৰ কৰিবলৈ নিৰ্দেশ দিছে। পৰিমাণ যিমানেই কম নহওক কিয়, এটা আয়াত বা এটা হাদীছ হ'লেও কথা নাই। কিন্তু চৰ্ত হৈছে সেই বিষয়ে তেওঁ নিজে জনা হ'ব লাগিব আৰু তাৰ পিছতহে প্ৰচাৰ কৰিব। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, বনী ইছৰাঈলৰ পৰা সেইবোৰ ঘটনা বৰ্ণনা কৰাত কোনো অসুবিধা নাই যিবোৰ ঘটনা সিহঁতৰ সৈতে সংঘটিত হৈছে তথা যিবোৰৰ লগত আমাৰ চৰীয়তৰ কোনো অমিল নাই। ইয়াৰ পিছত তেখেতে মিছা কথাৰ পৰা সতৰ্ক কৰিছে,

এতেকে যিয়ে জানি বুজি তেখেতৰ বিষয়ে মিছা কথা ক'ব, সি যেন জাহান্নামত নিজৰ ঠিকনা বনাই লয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ চৰীয়তৰ প্ৰচাৰ প্ৰসাৰ কৰিবলৈ উৎসাহিত কৰা হৈছে। গতিকে প্ৰতিজন ব্যক্তিয়ে নিজৰ সাধ্যানুযায়ী আয়ত্ত কৰি তথা সেই বিষয়ে আতিগুৰি জানি লৈ প্ৰচাৰ কৰা উচিত, যদিও পৰিমাণত কম হওক।
2. চৰীয়তৰ জ্ঞান অৰ্জন কৰা ওৱাজিব। যাতে ছহীহ শুদ্ধভাৱে আল্লাহৰ ইবাদত কৰিব পাৰি আৰু সঠিকভাৱে চৰীয়তৰ বিধান প্ৰচাৰ কৰিব পাৰি।
3. এই কঠোৰ সতৰ্কবাণীৰ প্ৰতি লক্ষ্য ৰাখি যিকোনো হাদীছ প্ৰচাৰ প্ৰসাৰ কৰাৰ আগত তাৰ নিশ্চয়তা নিৰীক্ষণ কৰাটো অনিবাৰ্য।
4. কথা কোৱাৰ সময়ত সত্য কথা ক'বলৈ উৎসাহ প্ৰদান কৰা হৈছে আৰু সতৰ্কতা অৱলম্বন কৰাৰ প্ৰতি উৎসাহ প্ৰদান কৰা হৈছে। যাতে কোনো মিছা প্ৰচাৰত পতিত হ'বলগীয়া নহয়। বিশেষকৈ আল্লাহৰ চৰীয়তৰ ক্ষেত্ৰত।

(3686)

(20) – عن المقدام بن معدِيْكَرِب رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «أَلَا هَلْ عَسَى رَجُلٌ يَبْلُغُهُ الْحَدِيثُ عَنِّي وَهُوَ مُتَّكِئٌ عَلَى أَرِيكَتِهِ فَيَقُولُ: بَيْنَنَا وَبَيْنَكُمْ كِتَابُ اللهِ، فَمَا وَجَدْنَا فِيهِ حَلَالًا اسْتَحْلَلْنَاهُ، وَمَا وَجَدْنَا فِيهِ حَرَامًا حَرَّمْنَاهُ، وَإِنَّ مَا حَرَّمَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَمَا حَرَّمَ اللهُ». [صحيح] - [رواه أبو داود والترمذي وابن ماجه]

(20) – মিক্বদাম ইবনু মা‘দী কাৰিব ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: “সাৱধান! অনতিপলমে এনেকুৱা সময় আহিব যে, এজন ব্যাক্তিয়ে নিজৰ আসনত আউজি বহি থকা অৱস্থাত তাৰ ওচৰলৈ যেতিয়া কোনো হাদীছ গৈ পাব, তেতিয়া সি ক'ব: আমাৰ আৰু তোমালোকৰ মাজত আল্লাহৰ কিতাব আছে। গতিকে আমি তাত যি হালাল বুলি পাম সেইখিনিকে হালাল বুলি গণ্য কৰিম আৰু তাত যি হাৰাম বুলি পাম সেইখিনিকে হাৰাম বুলি গণ্য কৰিম। (সেই ব্যক্তিয়ে জানি থোৱা উচিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:) নিশ্চয় ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যি হাৰাম কৰিছে সেইখিনিও আল্লাহে হাৰাম কৰাৰ দৰেই।” [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, এনেকুৱা এটা সময় অচিৰেই আহিব যেতিয়া এক প্ৰকাৰ মানুহ এনেকুৱা হ'ব যে, নিজৰ আসনত বহি থকা অৱস্থাত সিহঁতৰ মাজৰ কাৰোবাৰ ওচৰলৈ হাদীছ গৈ পালে ক'ব যে, আমাৰ আৰু তোমালোকৰ মাজত দ্বীনি বিষয়বোৰ বিতংভাৱে ফয়চালা কৰিবলৈ কোৰআনেই যথেষ্ট। আমি তাত যি হালাল বুলি পাম, সেইটোৰ ওপৰতে আমল কৰিম আৰু তাত যি আমি হাৰাম বুলি পাম সেইটোৰ পৰাহে আমি বিৰত থাকিম। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, তেখেতে হাদীছৰ মাধ্যমত যিবোৰ বস্তু হাৰাম কৰিছে বা যিবোৰৰ পৰা নিষেধ

কৰিছে, বিধানৰ ক্ষেত্ৰত সেইবোৰো কোৰআনত আল্লাহে হাৰাম কৰা বিধানৰ দৰেই। কাৰণ তেখেত হৈছে আল্লাহৰ ফালৰ পৰা বাৰ্তাবাহক।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছকো মৰ্যাদা প্ৰদান কৰিব লাগিব যিদৰে কোৰআনক মৰ্যাদা প্ৰদান কৰা হয় আৰু তাৰ পৰা বিধান গ্ৰহণ কৰিব লাগিব।
2. ৰাছুলৰ আনুগত্য কৰা মানেই আল্লাহৰ আনুগত্য কৰা আৰু তেখেতৰ অবাধ্যতা কৰা মানেই আল্লাহৰ অবাধ্যতা কৰা।
3. হাদীছক প্ৰমাণ হিচাপে সাব্যস্ত কৰা আৰু যিয়ে হাদীছক অস্বীকাৰ কৰে অথবা নাকচ কৰে সেই ব্যক্তিৰ কথাক খণ্ডন কৰা।
4. যিয়ে হাদীছক বৰ্জন কৰি কোৰআন মনা বুলি দাবী কৰে, সি দৰাচলতে দুয়োটাকে পৰিত্যাগ কৰে আৰু সি কোৰআনৰ অনুসৰণৰ দাবীৰ ক্ষেত্ৰত মিছলীয়া।
5. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নুবুওৱতৰ সত্যতাৰ অন্যতম এটা প্ৰমাণ হৈছে এই যে, তেখেতে যিটো বস্তুৰ বিষয়ে সংবাদ দিছে যে এইটো ভৱিষ্যতত সংঘটিত হ'ব, সেইটো ঠিক সেইদৰেই সংঘটিত হৈছে যিদৰে তেখেতে সংবাদ দিছে।

(65005)

(21) – عن عائشة أم المؤمنين وعبد الله بن عباس رضي الله عنهما قالا: لَمَّا نَزَلَ بِرَسُولِ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ طَفِقَ يَطْرَحُ خَمِيصَةً لَهُ عَلَى وَجْهِهِ، فَإِذَا اغْتَمَّ بِهَا كَشَفَهَا عَنْ وَجْهِهِ، فَقَالَ وَهُوَ كَذَلِكَ: «لَعْنَةُ اللَّهِ عَلَى اليَهُودِ وَالنَّصَارَى، اتَّخَذُوا قُبُورَ أَنْبِيَائِهِمْ مَسَاجِدَ» يُحَذِّرُ مَا صَنَعُوا. [صحيح] - [متفق عليه]

(21) – **আঈশ্বা আৰু আব্দুল্লাহ ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাই** কৈছেঃ ৰাছুলুল্লাহু চাল্লাল্লাহু আলাইহি অছাল্লামে মৃত্যুৰ সময়ত বাৰে বাৰে নিজৰ চাদৰখনেৰে মুখমণ্ডল ঢাকি লৈছিল। কিন্তু যেতিয়াই তেখেতে অসুবিধা অনুভৱ কৰিছিল, তেতিয়াই সেইটো আঁতৰাই দিছিল। সেই অৱস্থাতে তেখেতে কৈছিল, ‘‘ইয়াহুদী, খৃষ্টানসকলৰ ওপৰত আল্লাহৰ অভিসম্পাত হওক, সিহঁতে নিজৰ নবীসকলৰ কবৰসমূহক উপাসনালয়ত পৰিণত কৰিছে।’’ ইয়াৰ দ্বাৰা তেখেতে সিহঁতৰ সেই কৰ্মৰ পৰা সতৰ্ক কৰিছে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহা আৰু ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাই জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ মৃত্যুৰ সময় তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে নিজৰ ওপৰত এখন চাদৰ টানি লৈছিল আৰু বাৰে বাৰে মুখমণ্ডল ঢাকি লৈছিল, মৃত্যু যন্ত্ৰণাত যেতিয়াই উশাহ লোৱাত অসুবিধা হৈছিল তেতিয়াই মুখমণ্ডলৰ পৰা চাদৰ আঁতৰাই দিছিল, এই কঠিন অৱস্থাতে তেখেতে কৈছেঃ ইয়াহুদী আৰু খৃষ্টানসকলৰ ওপৰত আল্লাহৰ অভিসম্পাত হওক, অৰ্থাৎ আল্লাহৰ ৰহমতৰ পৰা সিহঁত আঁতৰ হওক, কাৰণ সিহঁতে সিহঁতৰ নবীসকলৰ কবৰসমূহৰ ওপৰত মছজিদ নিৰ্মাণ কৰিছে। বিষয়টো যদি গম্ভীৰ নহ'লহেঁতেন তেন্তে তেখেতে কেতিয়াও এই অৱস্থাত উল্লেখ নকৰিলেহেঁতেন। এই কাৰণেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বিষয়টো উল্লেখ কৰি তেখেতৰ উম্মতক এনেকুৱা কৰ্মৰ পৰা সতৰ্ক

কৰিছে। কাৰণ এইটো হৈছে ইয়াহুদী আৰু খৃষ্টানসকলৰ কৰ্ম, লগতে আল্লাহৰ সৈতে কৰা শ্বিৰ্কৰ এটা মাধ্যম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী আৰু পূণ্যৱান লোকসকলৰ কবৰক মছজিদত পৰিণত কৰিবলৈ তথা তাত নামাজ পঢ়িবলৈ নিষেধ কৰা হৈছে। কিয়নো, এইটো হৈছে শ্বিৰ্কৰ এটা মাধ্যম।
2. তাওহীদৰ প্ৰতি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম অত্যন্ত মনোযোগী আছিল, আৰু কবৰৰ সন্মানৰ ক্ষেত্ৰত সীমালংঘনৰ বিষয়টোকলৈ খুবেই আশংকা কৰিছিল। কাৰণ এইটো হৈছে শ্বিৰ্কত পতিত কৰাৰ এটা মাধ্যম।
3. ইয়াহুদী, খ্ৰীষ্টান আৰু সিহঁতৰ দৰে যিসকলে কবৰৰ ওপৰত ঘৰ বনায় আৰু কবৰক মছজিদ বনাই লয়, সিহঁতৰ ওপৰত অভিশাপ কৰা বৈধ।
4. কবৰৰ ওপৰত নিৰ্মাণ কাৰ্য কৰাটো হৈছে ইয়াহুদী আৰু খৃষ্টানসকলৰ নীতি। হাদীছত সিহঁতৰ সাদৃশ্য গ্ৰহণৰ পৰা নিষেধ কৰা হৈছে।
5. কবৰৰ ওচৰত বা কবৰৰ সন্মুখত নামাজ পঢ়াটোৱে হৈছে তাক মছজিদত পৰিণত কৰাৰ অন্তৰ্ভুক্ত, যদিও তাত মছজিদ নিৰ্মাণ কৰা হওক বা নহওক।

(3330)

(22) – عن أبي هريرة رضي الله عنه عن النبي صلى الله عليه وسلم: «اللهُمَّ لَا تَجْعَلْ قَبْرِي وَثَنًا، لَعَنَ اللهُ قَوْمًا اتَّخَذُوا قُبُورَ أَنْبِيَائِهِمْ مَسَاجِدَ». [صحيح] - [رواه أحمد]

(22) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ হে আল্লাহ! মোৰ কবৰক তুমি মূৰ্তিত পৰিণত নকৰিবা। আল্লাহে সেই সম্প্ৰদায়ৰ প্ৰতি অভিশাপ কৰিছে, যিসকলে সিহঁতৰ নবীসকলৰ কবৰসমূহক মছজিদ বনাই লৈছে। [ছহীহ] - [(আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ ওচৰত দুআ কৰিছে যে, তেখেতৰ কবৰক যেন মূৰ্তিৰূপে ব্যৱহাৰ কৰা নহয়, মূৰ্তিক যিদৰে মানুহে সন্মান কৰি উপাসনা কৰে, তথা সন্মুখত ৰাখি ছাজদাহ কৰে। ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহে সেইসকল লোকক তেওঁৰ ৰহমতৰ পৰা দূৰ কৰিছে, যিসকলে নবীসকলৰ কবৰক মছজিদ বনাই লৈছে। কিয়নো কবৰক মছজিদত পৰিণত কৰাটো হৈছে তাৰ ইবাদত কৰা আৰু তাৰ প্ৰতি বিশ্বাস স্থাপন কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী আৰু পূণ্যৱান লোকসকলৰ কবৰৰ ক্ষেত্ৰত চৰীয়তৰ সীমা উলংঘা কৰা বিষয়টোৱে আল্লাহৰ বাহিৰে সেই কবৰসমূহক উপাসনা কৰাৰ বাট মুকলি কৰি দিয়ে। গতিকে শ্বিৰ্ক হ'ব পৰা সকলো মাধ্যমৰ পৰা সতৰ্ক থকা অনিবাৰ্য।
2. কোনো কবৰক সন্মান জনোৱাৰ উদ্দেশ্যে অথবা তাত ইবাদত কৰাৰ উদ্দেশ্য যোৱাটো কেতিয়াও বৈধ নহয়। যদিও সেই কবৰৰ অধিবাসীজন আল্লাহৰ যিমানেই নৈকট্যপ্ৰাপ্ত নহওক কিয়।

3. কবৰসমূহৰ ওপৰত মছজিদ নিৰ্মাণ কৰা হাৰাম।
4. কবৰৰ ওচৰত নামাজ আদায় কৰা হাৰাম, তাত মছজিদ থাকক বা নাথাকক। কেৱল সেই ব্যক্তিৰ জানাজা পঢ়িব পাৰি যাৰ জানাজা পঢ়া হোৱা নাছিল।

(3336)

(23) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «لَا تَجْعَلُوا بُيُوتَكُمْ قُبُورًا، وَلَا تَجْعَلُوا قَبْرِي عِيدًا، وَصَلُّوا عَلَيَّ؛ فَإِنَّ صَلَاتَكُمْ تَبْلُغُنِي حَيْثُ كُنْتُمْ». [حسن] - [رواه أبو داود]

(23) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে নিজৰ ঘৰবোৰক কবৰস্থানত পৰিণত নকৰিবা আৰু মোৰ কবৰকো মেলাৰ স্থল নবনাবা। তোমালোকে মোৰ ওপৰত দুৰূদ পাঠ কৰা। তোমালোকে য'তেই নাথাকা কিয় তোমালোকৰ দুৰূদ মোৰ ওচৰলৈ পৌঁচাই দিয়া হয়। [হাছান] - [(আবু দাঊদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰক নামাজ আদিৰ পৰা শূন্য ৰাখিবলৈ সতৰ্ক কৰিছে। ঘৰ যাতে কবৰস্থানত পৰিণত নহয়, কাৰণ কবৰস্থানত নামাজ পঢ়া নহয়। লগতে তেখেতে সঘনে কবৰ জিয়াৰত কৰিবলৈও বাৰণ কৰিছে, এইদৰে কবৰৰ ওচৰত অভ্যাসগতভাৱে একত্ৰিত হ'বলৈও নিষেধ কৰিছে, কাৰণ এইটো হৈছে শ্বিৰ্কত পতিত হোৱাৰ এটা মাধ্যম। ইয়াৰ বিপৰীতে তেখেতে পৃথিৱীৰ যিকোনো স্থানৰ পৰা তেখেতৰ ওপৰত বেছি বেছি দৰূদ আৰু ছালাম প্ৰেৰণ কৰাৰ নিৰ্দেশ দিছে। কিয়নো ওচৰত হওক বা দূৰত সমানেই তেখেতৰ ওচৰলৈ সেই দৰূদ আহি পায়। গতিকে দৰূদ পঢ়াৰ ছলনাৰে তেখেতৰ কবৰৰ ওচৰলৈ বাৰে বাৰে অহা যোৱা কৰাৰ কোনো প্ৰয়োজন নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ঘৰক আল্লাহৰ ইবাদতৰ পৰা শূন্য ৰাখিবলৈ নিষেধ কৰা হৈছে।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ জিয়াৰত কৰাৰ উদ্দেশ্যে ভ্ৰমণ কৰি যাবলৈ নিষেধ কৰা হৈছে। কাৰণ তেখেতে তেখেতৰ ওপৰত দৰূদ পঢ়িবলৈ নিৰ্দেশ দিছে, লগতে এই কথাও উল্লেখ কৰিছে যে, সেই দৰূদ মোলৈ পৌঁচাই দিয়া হয়। আনহাতে মছজিদে নবৱীত নামাজ পঢ়াৰ উদ্দেশ্যে ভ্ৰমণ কৰি যোৱাটো বৈধ।
3. ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰক কোনো বিশেষ সময়ত বিশেষ পদ্ধতিত বাৰে বাৰে জিয়াৰত কৰি মেলাত পৰিণত কৰাটো হাৰাম। ঠিক এইদৰে অন্যান্য কবৰৰ ক্ষেত্ৰতো এই একেই বিধান প্ৰযোজ্য।
4. মহান আল্লাহে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক এই সুবিধাৰ জৰিয়তে সুকীয়া মৰ্যাদা প্ৰদান কৰিছে যে, যিকোনো সময়ত যিকোনো স্থানৰ পৰাই তেখেতৰ ওপৰত দৰূদ পাঠ কৰিব পাৰি।
5. চাহাবাসকলে এই কথা ভালকৈয়ে জ্ঞাত আছিল যে, কবৰস্থানত নামাজ পঢ়া নিষিদ্ধ, সেইকাৰণেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক নিজৰ ঘৰখনক কবৰস্থানত পৰিণত কৰিবলৈ নিষেধ কৰিছে, য'ত নামাজ পঢ়া নহয়।

(3350)

(24) – عَنْ عَائِشَةَ أُمِّ المؤمنين رضي الله عنها: أَنَّ أُمَّ سَلَمَةَ ذَكَرَتْ لِرَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَنِيسَةً رَأَتْهَا بِأَرْضِ الْحَبَشَةِ، يُقَالُ لَهَا مَارِيَةُ، فَذَكَرَتْ لَهُ مَا رَأَتْ فِيهَا مِنَ الصُّوَرِ، فَقَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «أُولَئِكَ قَوْمٌ إِذَا مَاتَ فِيهِمُ الْعَبْدُ الصَّالِحُ، أَوِ الرَّجُلُ الصَّالِحُ، بَنَوْا عَلَى قَبْرِهِ مَسْجِدًا، وَصَوَّرُوا فِيهِ تِلْكَ الصُّوَرَ، أُولَئِكَ شِرَارُ الْخَلْقِ عِنْدَ اللهِ». [صحيح] - [متفق عليه]

(24) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, উম্মু ছালামাহ ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি হাবাশ্বাত দেখা ‘মাৰিয়া’ নামক এটা গীৰ্জাৰ কথা বৰ্ণনা কৰিলে আৰু তাত তেওঁ যিবোৰ ছবি দেখা পাইছিল সেইবোৰৰ কথাও উল্লেখ কৰিলে। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক’লে, “সিহঁত হৈছে এনেকুৱা এটা জাতি, সিহঁতৰ মাজৰ কোনোবা এজন পূণ্যৱান বান্দা অথবা পূণ্যৱান ব্যক্তি মৃত্যুবৰণ কৰিলে সিহঁতে তেওঁৰ কবৰৰ ওপৰত মছজিদ (ইবাদতৰ স্থান) নিৰ্মাণ কৰিছিল আৰু তাত এনেকুৱা চিত্ৰ অংকন কৰিছিল। আল্লাহৰ দৃষ্টিত সিহঁতেই হৈছে নিকৃষ্টতম সৃষ্টি”। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

উম্মুল মুমিনীন উম্মে ছালামা ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত বৰ্ণনা কৰিছে যে, তেওঁ যেতিয়া হাবাশ্বাত (আবিচিনিয়াত) আছিল, তেতিয়া তেওঁ মাৰিয়া নামক এটা গীৰ্জা ঘৰ দেখিছিল, য'ত বিভিন্ন ধৰণৰ প্ৰতিচ্ছবি, সাজ-সজ্জা আৰু চিত্ৰ আদি আছিল। সেইবোৰ দেখি তেওঁ আচৰিত হৈছিল। এইবোৰ শুনাৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে এইবোৰ চিত্ৰ ৰখাৰ কাৰণ বৰ্ণনা কৰিলে, তেখেতে ক'লেঃ তুমি যিবোৰ লোকৰ কথা কৈছা, সিহঁত হৈছে এনেকুৱা লোক, যিসকলৰ মাজৰ কোনো পূণ্যৱান লোক মৃত্যুবৰণ কৰিলে সিহঁতে তেওঁৰ কবৰৰ ওপৰত মছজিদ নিৰ্মাণ কৰে আৰু তাত ইবাদত কৰে, আৰু তেওঁৰ চিত্ৰ অংকন কৰি ওলমাই ৰাখে। লগতে তেখেতে এই কথাও স্পষ্ট কৰিছে যে, এনেকুৱা আচৰণ কৰা ব্যক্তিসকল

হৈছে আল্লাহৰ দৃষ্টিত আটাইতকৈ নিকৃষ্ট লোক। কাৰণ এনেকুৱা কৰ্মই মানুহক আল্লাহৰ সৈতে শ্বিৰ্ক কৰাৰ পথ দেখুৱায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কবৰৰ ওপৰত মছজিদ নিৰ্মাণ কৰা বা কবৰৰ ওচৰত নামাজ পঢ়া হাৰাম। এইদৰে মছজিদত মৃত ব্যক্তিক দাফন কৰাও হাৰাম। শ্বিৰ্কৰ দুৱাৰ বন্ধ কৰিবলৈ ইয়াক হাৰাম কৰা হৈছে।
2. কবৰৰ ওপৰত মছজিদ নিৰ্মাণ কৰা আৰু তাত চিত্ৰাংকন কৰা তথা ছবি আঁৰি থোৱা আদি হৈছে ইয়াহুদী আৰু খ্ৰীষ্টানসকলৰ কৰ্ম। গতিকে যিয়ে এনেকুৱা কাম কৰিব সি সিহঁতৰেই অন্তৰ্ভুক্ত হ'ব।
3. জীৱ-জন্তুৰ ছবি অংকন কৰা হাৰাম।
4. যিয়ে কবৰৰ ওপৰত মছজিদ নিৰ্মাণ কৰে আৰু তাত ছবি বা প্ৰতিকৃতি স্থাপন কৰে, সি হৈছে আল্লাহৰ সৃষ্টিৰ মাজত আটাইতকৈ নিকৃষ্ট সৃষ্টি।
5. ইছলামে তাওহীদৰ দিশটো সম্পূৰ্ণৰূপে সংৰক্ষণ কৰিছে। সেইকাৰণেই শ্বিৰ্কৰ পিনে লৈ যোৱা সকলো দুৱাৰ বন্ধ কৰি দিছে।
6. পূণ্যৱান লোকসকলৰ ক্ষেত্ৰত সীমালংঘন কৰিবলৈ নিষেধ কৰা হৈছে। কাৰণ এইটো হৈছে শ্বিৰ্কত পতিত হোৱাৰ অন্যতম এটা উপায়।

(10887)

(25) – عن جندب رضي الله عنه قال: سَمِعْتُ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَبْلَ أَنْ يَمُوتَ بِخَمْسٍ وَهُوَ يَقُولُ «إِنِّي أَبْرَأُ إِلَى اللهِ أَنْ يَكُونَ لِي مِنْكُمْ خَلِيلٌ فَإِنَّ اللهَ تَعَالَى قَدِ اتَّخَذَنِي خَلِيلًا كَمَا اتَّخَذَ إِبْرَاهِيمَ خَلِيلًا، وَلَوْ كُنْتُ مُتَّخِذًا مِنْ أُمَّتِي خَلِيلًا لَاتَّخَذْتُ أَبَا بَكْرٍ خَلِيلًا! أَلَا وَإِنَّ مَنْ كَانَ قَبْلَكُمْ كَانُوا يَتَّخِذُونَ قُبُورَ أَنْبِيَائِهِمْ وَصَالِحِيهِمْ مَسَاجِدَ، أَلَا فَلَا تَتَّخِذُوا الْقُبُورَ مَسَاجِدَ! إِنِّي أَنْهَاكُمْ عَنْ ذَلِكَ». [صحيح] - [رواه مسلم]

(25) – জুন্দুব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ “মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক তেখেতৰ মৃত্যুৰ পাঁচ দিন পূৰ্বে এই কথা কওঁতে শুনিছোঁ যে, “তোমালোকৰ মাজৰ কাৰোবাক খলীল হিচাপে গ্ৰহণ কৰাৰ পৰা মই আল্লাহৰ ওচৰত সম্পূৰ্ণৰূপে মুক্ত ঘোষণা কৰিলোঁ। কিয়নো আল্লাহ তাআলাই মোক খলীল হিচাপে গ্ৰহণ কৰিছে। যিদৰে তেওঁ ইব্ৰাহীম আলাইহিচ্ছালামক খলীল হিচাপে গ্ৰহণ কৰিছিল। আৰু যদি মই মোৰ উম্মতৰ মাজৰ পৰা কাৰোবাক খলীল হিচাপে গ্ৰহণ কৰিলোহেঁতেন তেন্তে নিশ্চয় আবু বকৰক খলীল হিচাপে গ্ৰহণ কৰিলোহেঁতেন। সাৱধান, তোমালোকৰ পূৰ্ববৰ্তী উম্মতবোৰে তেওঁলোকৰ নবীসকলৰ কবৰক মছজিদত পৰিণত কৰিছিল। সাৱধান, তোমালোকে কবৰক মছজিদত পৰিণত নকৰিবা। মই তোমালোকক এই কাম কৰিবলৈ বাৰে বাৰে নিষেধ কৰোঁ।” [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ ওচৰত থকা তেখেতৰ মৰ্যাদা সম্পৰ্কে সংবাদ দিছে। অৰ্থাৎ তেখেতে মুহাব্বতৰ সৰ্বোচ্চ পৰ্যায়ত উপনীত হৈছে, যিদৰে ইব্ৰাহীম আলাইহিচ্ছালাম উপনীত হৈছিল। সেয়ে তেখেতে আল্লাহৰ বাহিৰে আনক খলীল হিচাপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। কাৰণ তেখেতৰ অন্তৰ আল্লাহৰ মুহাব্বতেৰে আৰু তেওঁৰ প্ৰতি থকা সন্মান আৰু ভক্তিৰে ভৰি আছে। সেয়ে আল্লাহৰ বাহিৰে আনৰ বাবে তাত কোনো ঠাই নাই। মানুহৰ

মাজত যদি তেখেতৰ কোনো খলীল থাকিলহেঁতেন তেন্তে তেওঁ হ'লহেঁতেন আবু বকৰ ৰাদ্বিয়াল্লাহু আনহু। ইয়াৰ পিছত তেখেতে মুহাব্বতৰ বৈধ সীমাৰেখা অতিক্ৰম কৰিবলৈ সতৰ্ক কৰিছে। যিদৰে ইয়াহুদী আৰু খৃষ্টানসকলে সিহঁতৰ নবী আৰু পূণ্যৱান লোকসকলৰ কবৰক শ্বিৰ্কৰ আড্ডাত পৰিণত কৰিছিল, আল্লাহৰ বাহিৰে সিহঁতে সেইবোৰকে উপাসনা কৰিছিল, আৰু সেই কবৰসমূহৰ ওপৰত মছজিদ তথা উপাসনালয় নিৰ্মাণ কৰিছিল। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সিহঁতৰ দৰে এনেকুৱা কাম কৰিবলৈ নিষেধ কৰিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৰ মৰ্যাদা প্ৰস্ফুটিত হৈছে। তেওঁ আছিল চাহাবাসকলৰ মাজত সৰ্বোত্তম চাহাবী। লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ মৃত্যুৰ পিছত মানুহৰ মাজত খিলাফতৰ সৰ্বোচ্চ হকদাৰ।
2. কবৰৰ ওপৰত মছজিদ নিৰ্মাণ কৰাটো হৈছে পূৰ্বৱৰ্তী উম্মতসকলৰ এটা অন্যতম নিকৃষ্ট কৰ্ম।
3. কবৰসমূহক ইবাদতৰ স্থান বনোৱা হাৰাম, য'ত চালাত আদায় কৰা হয় বা যাৰ ফালে মুখ কৰি চালাত আদায় কৰা হয়। ইয়াৰ বাহিৰেও তাৰ ওপৰত মছজিদ নিৰ্মাণ কৰা বা গম্বুজ আদি নিৰ্মাণ কৰা হাৰাম। যাতে ইয়াৰ ফলত শ্বিৰ্কৰ মাজত পতিত হোৱাৰ সম্ভাৱনা নাথাকে।
4. শ্বিৰ্কৰ দুৱাৰ বন্ধ কৰাৰ উদ্দেশ্যে পূণ্যৱান লোকসকলৰ ক্ষেত্ৰত সীমালংঘন কৰিবলৈ সতৰ্ক কৰা হৈছে।
5. বিষয়টোৰ ভয়াৱহতা অনুমান কৰক যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মৃত্যুৰ পাঁচ দিন পূৰ্বেও বিষয়টো সম্পৰ্কে গুৰুত্ব সহকাৰে সতৰ্ক কৰিছে।

(26) – عن أبي الهيَّاج الأسدي قال: قَالَ لِي عَلِيُّ بْنُ أَبِي طَالِبٍ: أَلَا أَبْعَثُكَ عَلَى مَا بَعَثَنِي عَلَيْهِ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ؟ أَنْ لَا تَدَعَ تِمْثَالًا إِلَّا طَمَسْتَهُ، وَلَا قَبْرًا مُشْرِفًا إِلَّا سَوَّيْتَهُ. [صحيح] - [رواه مسلم]

(26) – আবুল হায়্যাজ আল-আছাদীয়ে কৈছেঃ মোক আলী ইবনে আবি তালিব ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ মই তোমাক সেই অভিযানলৈ নপঠিয়ামনে, যি অভিযানলৈ স্বয়ং নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোক প্ৰেৰণ কৰিছিল? তেখেতে মোক আদেশ দিছিল যে, তুমি য'তে কোনো প্ৰতিমা দেখিবা সেইটোক নিঃশেষ কৰিবা, আৰু য'তেই কোনো ওখ কবৰ দেখা পাবা, সেইটোক সমতল ভূমিত পৰিণত কৰিবা। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ চাহাবাসকলক এই নিৰ্দেশ প্ৰদান কৰি প্ৰেৰণ কৰিছিল যে, তেওঁলোকে যেন প্ৰতিটো প্ৰতিকৃতিকে ধ্বংস কৰে অস্তিত্বহীন কৰি দিয়ে, ইয়াত প্ৰতিকৃতিৰ দ্বাৰা প্ৰাণ থকা বস্তুৰ প্ৰতিকৃতিক বুজোৱা হৈছে, ছবি, প্ৰতিমা, ভাস্কৰ্য্য, মূৰ্তি ইত্যাদি।

আৰু প্ৰতিটো ওখ কবৰকে যেন সমতল কৰি দিয়ে, লগতে কবৰৰ ওপৰত থকা নিৰ্মাণাদিক যেন ভাঙি দিয়ে। বৈধ পৰিমাণতকৈ অধিক ওখ যাতে নাথাকে, অৰ্ধ ফুট পৰিমাণ ওখ ৰখাত কোনো অসুবিধা নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. প্ৰাণ থকা কোনো বস্তুৰেই চিত্ৰ অংকন কৰা তথা ছবি আঁকা হাৰাম। কাৰণ এইটো হৈছে শ্বিৰ্কৰ এটা মাধ্যম।
2. প্ৰশাসনিক ক্ষমতা অথবা শক্তি থকা ব্যক্তিয়ে হাতৰ দ্বাৰা অনৈতিক কৰ্ম বন্ধ কৰা উচিত।

3. অজ্ঞতাযুগৰ প্ৰতিটো প্ৰতীককে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নাইকীয়া কৰিবলৈ খুবেই আগ্ৰহী আছিল। যেনে- ছবি, প্ৰতিমা, ভাস্কৰ্য্য আৰু কবৰৰ ওপৰত থকা নিৰ্মাণ আদি।

(5934)

(27) – عَنْ عَبْدِ اللهِ بْنِ مَسعودٍ رضي الله عنه عن رَسولِ اللهِ صلى الله عليه وسلم قال: «الطِّيَرَةُ شِرْكٌ، الطِّيَرَةُ شِرْكٌ، الطِّيَرَةُ شِرْكٌ، -ثلاثًا-»، وَمَا مِنَّا إِلَّا، وَلَكِنَّ اللهَ عَزَّ وَجَلَّ يُذْهِبُهُ بِالتَّوَكُّلِ.
[صحيح] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(27) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "(পশু-পক্ষীক) অশুভ বুলি বিশ্বাস কৰা শ্বিৰ্ক। (পশু-পক্ষীক) অশুভ বুলি বিশ্বাস কৰা শ্বিৰ্ক। (পশু-পক্ষীক) অশুভ বুলি বিশ্বাস কৰা শ্বিৰ্ক। তিনিবাৰ কৈছে।" সাধাৰণতে আমাৰ মাজৰ প্ৰত্যেকৰে অন্তৰত অশুভ লক্ষণৰ ধাৰণা আহে, কিন্তু আল্লাহে তেওঁৰ ওপৰত কৰা ভৰসাৰ দ্বাৰা ইয়াক দূৰ কৰি দিয়ে। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শ্ৰৱণ কৰিব পৰা বা দৃশ্যমান কোনো বস্তু যেনে- চৰাই-চিৰিকটি, জীৱ-জন্তু, অক্ষম ব্যক্তি, কোনো সংখ্যা অথবা দিন আদিক অশুভ বুলি বিশ্বাস কৰিবলৈ সতৰ্ক কৰিছে। হাদীছটোত চৰাই-চিৰিকটিৰ বিষয়টো বিশেষকৈ উল্লেখ এইকাৰণে কৰিছে যে, অজ্ঞতা যুগত ইয়াক শুভ-অশুভ লক্ষণৰ বাবে ব্যাপকভাৱে ব্যৱহাৰ কৰিছিল। সেই সময়ৰ আৰবীয়ানসকলে যেতিয়া কোনো কাম আৰম্ভ কৰিছিল, যেনে- ভ্ৰমণ হওক অথবা ব্যৱসায়-বাণিজ্য আদি, তেতিয়া সিহঁতে এটা চৰাই উৰুৱাইছিল। যদি চৰাইটো সোঁফালে উৰিছিল তেতিয়া সেইটোক শুভ লক্ষণ বুলি গণ্য কৰিছিল। আনহাতে যদি বাওঁফালে উৰিছিল তেতিয়া ইয়াক অশুভ লক্ষণ বুলি গণ্য কৰি সেই

কৰিবলগীয়া কামটো বাতিল কৰিছিল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াক শ্বিৰ্ক বুলি কৈছে। শ্বিৰ্ক এইকাৰণে যে, কল্যাণ কঢ়িয়াই আনিব পৰা আৰু অকল্যাণ দূৰ কৰিব পৰা শক্তি আল্লাহৰ বাহিৰে আন কাৰো ওচৰত নাই। তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই।

বৰ্ণনাকাৰী ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৱে এই কথা উল্লেখ কৰিছে যে, কেতিয়াবা কেতিয়াবা মুছলমানৰ অন্তৰতো এনেকুৱা শুভ-অশুভ লক্ষণৰ কথা মনলৈ আহে, তেনে অৱস্থাত তেওঁ সঠিক পন্থা অৱলম্বন কৰাৰ লগতে আল্লাহৰ ওপৰত তাৱাক্কুল (ভৰসা) কৰি এনেকুৱা মনোভাৱ দূৰ কৰিব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অশুভ লক্ষণ বিশ্বাস কৰাটো হৈছে শ্বিৰ্ক। কিয়নো ইয়াৰ দ্বাৰা আল্লাহৰ বাহিৰে আনৰ সৈতে সম্পৰ্ক স্থাপন হয়।
2. গুৰুত্বপূৰ্ণ বিষয়সমূহ পুনৰাবৃত্তি কৰাৰ গুৰুত্ব। যাতে মনত ৰাখিবলৈ সহজ হয় আৰু অন্তৰত গাঁথি পৰে।
3. আল্লাহৰ ওপৰত তাৱাক্কুল বা ভৰসাৰ জৰিয়তে অশুভ লক্ষণ আদি অন্ধবিশ্বাসৰ পৰা ৰক্ষা পাব পাৰি।
4. হাদীছটোত কেৱল আল্লাহৰ ওপৰতে ভৰসা কৰিবলৈ আৰু তেওঁৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ নিৰ্দেশ দিছে।

(3383)

(28) – عن عمران بن حصين رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «لَيْسَ مِنَّا مَنْ تَطَيَّرَ أَوْ تُطُيِّرَ لَهُ، أَوْ تَكَهَّنَ أَوْ تُكُهِّنَ لَهُ، أَوْ سَحَرَ أَوْ سُحِرَ لَهُ، وَمَنْ عَقَدَ عُقْدَةً، وَمَنْ أَتَى كَاهِنًا فَصَدَّقَهُ بِمَا يَقُولُ فَقَدْ كَفَرَ بِمَا أُنْزِلَ عَلَى مُحَمَّدٍ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ». [حسن] - [رواه البزار]

(28) – ইমৰাণ ইবনে হুচাইন ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: সেই ব্যক্তি আমাৰ উম্মতৰ অন্তৰ্ভুক্ত নহয়, যিয়ে কু-লক্ষণ বিশ্বাস কৰে বা যাৰ বাবে কু-লক্ষণ গ্ৰহণ কৰা হয় অথবা যিয়ে ভৱিষ্যত গণনা কৰে বা যাৰ বাবে গণনা কৰা হয় অথবা যিয়ে যাদু কৰে বা যাৰ হৈ যাদু কৰা হয়, আৰু যিয়ে (মন্ত্ৰ পঢ়ি) গাঁঠিত ফুঁ দিয়ে। (জানি থোৱা!) যি ব্যক্তিয়ে কোনো ভৱিষ্যৎ গণনাকাৰীৰ ওচৰলৈ আহে আৰু সি যি কয় তাক বিশ্বাস কৰে, সেই ব্যক্তি দৰাচলতে মুহাম্মদৰ ওপৰত অৱতীৰ্ণ হোৱা কোৰআনক অস্বীকাৰ কৰে। [হাছান] - [(বাজ্জাৰ)]

**ব্যাখ্যা:**

কিছুমান কৰ্ম সম্পৰ্কে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, যিয়ে সেইবোৰ কৰিব, সি আমাৰ উম্মতৰ অন্তৰ্ভুক্ত নহয়। সেইবোৰ হৈছেঃ

প্ৰথমঃ "যিয়ে কু-লক্ষণ বিশ্বাস কৰে বা যাৰ বাবে কু-লক্ষণ গ্ৰহণ কৰা হয়"

এইটো হৈছে কোনো কাম আৰম্ভ কৰাৰ পূৰ্বে পাৰ চৰাই উৰুৱাই মঙ্গল অমঙ্গল গণনা কৰা, যেনে- ভ্ৰমণলৈ যোৱাৰ আগত নাইবা ব্যৱসায়-বাণিজ্য আৰম্ভ কৰাৰ আগত অথবা বেলেগ কোনো কাম আৰম্ভ কৰাৰ আগত। যদি চৰাইটো সোঁফালে উৰি যায় তেন্তে মঙ্গল হ'ব বুলি বিশ্বাস কৰি কাম আৰম্ভ কৰা আৰু বাওঁফালে উৰি গ'লে অমঙ্গল হ'ব বুলি বিশ্বাস কৰি কামৰ পৰা বিৰত থকা। এনেকুৱা কৰ্ম নিজেও কৰা বৈধ নহয় আৰু আনৰ বাবে কৰাও বৈধ নহয়। এই মঙ্গল-অমঙ্গল বা কু-লক্ষণ আদি কোনো ক্ষেত্ৰতে গ্ৰহণ কৰা বৈধ নহয়। শুনিব পৰা কোনো

বিষয় হওক বা দেখিব পৰা কোনো বিষয়, চৰাই-চিৰিকটি, জীৱ-জন্তু, বিশেষভাৱে সক্ষম লোকসকল, কোনো নম্বৰ অথবা কোনো দিন নাইবা আন কোনো বস্তু একোকে মঙ্গল-অমঙ্গল বুলি বিশ্বাস কৰা বৈধ নহয়।

দ্বিতীয়ঃ "যিয়ে ভৱিষ্যত গণনা কৰে বা যাৰ বাবে গণনা কৰা হয়"। অৰ্থাৎ যিয়ে তাৰকাৰাজিৰ সহায়ত গায়েবৰ ইল্ম থকা বুলি দাবী কৰে। অথবা যিয়ে এনে কোনো ব্যক্তিৰ ওচৰলৈ যায়, যিয়ে ভৱিষ্যৎ জানে বুলি দাবী কৰে, যেনে জ্যোতিষি আদি। সেই জ্যোতিষিয়ে যি কয় সি যদি সেয়া বিশ্বাস কৰে তেন্তে সি দৰাচলতে মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত অৱতীৰ্ণ হোৱা কোৰআনক অবিশ্বাস কৰে।

তৃতীয়ঃ "যিয়ে যাদু কৰে বা যাৰ হৈ যাদু কৰা হয়"। অৰ্থাৎ যিয়ে নিজে যাদু কৰে নাইবা যিয়ে কাৰোবাৰ হতোৱাই যাদু কৰায়, কোনো উপকাৰ সাধন কৰিবলৈ বা কাৰো ক্ষতি কৰিবলৈ, অথবা যিয়ে মন্ত্ৰ আদি পঢ়ি সূতাত ফুঁ দি গাঁঠি বান্ধে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ ওপৰত ভৰসা কৰা ওৱাজিব আৰু তেখেতে নিৰ্ধাৰণ কৰা ভাগ্য তথা তাক্বদীৰৰ প্ৰতি ঈমান পোষণ কৰা অনিবাৰ্য। পক্ষান্তৰে চৰাই উৰুৱাই মঙ্গল-অমঙ্গল বিশ্বাস কৰা, কোনো বস্তুক কু-লক্ষণ বুলি গণ্য কৰা, যাদু কৰা, ভৱিষ্যৎ গণনা কৰা আৰু জ্যোতিষিৰ ওচৰলৈ যোৱা আদি সকলো কৰ্মই হৈছে হাৰাম।

2. গায়েবৰ জ্ঞান থকা বুলি দাবী কৰাটো হৈছে শ্বিৰ্ক, আৰু এইটো হৈছে তাওহীদৰ পৰিপন্থী।

3. জ্যোতিষি আদিৰ ভৱিষ্যৎ বাণীক বিশ্বাস কৰা আৰু সিহঁতৰ ওচৰলৈ যোৱা হাৰাম। গ্ৰহ-নক্ষত্ৰক কেন্দ্ৰ কৰি কোৱা কথা, বাটি-পিয়লা আদি চালান কৰা, ৰাশিফল বিশ্বাস কৰা আদিও ইয়াৰেই অন্তৰ্ভুক্ত। আনকি জনাৰ উদ্দেশ্যেও এইবোৰ কৰা হাৰাম।

(5981)

(29) – عَنْ أَنَسِ بْنِ مَالِكٍ رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «**لَا عَدْوَى، وَلَا طِيَرَةَ، وَيُعْجِبُنِي الْفَأْلُ**» قَالَ قِيلَ: وَمَا الْفَأْلُ؟ قَالَ: «**الْكَلِمَةُ الطَّيِّبَةُ**». [صحيح] - [متفق عليه]

(29) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সংক্ৰামক কোনো বেমাৰ নাই, কোনো বস্তুক অশুভ বুলি ভবাও ঠিক নহয়। ফা'ল হৈছে মোৰ প্ৰিয়।" বৰ্ণনাকাৰীয়ে কৈছে, প্ৰশ্ন কৰা হ'লঃ ফা'ল কি? তেখেতে ক'লেঃ "উত্তম অৰ্থবোধক কথা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, জাহিলী যুগৰ লোকসকলে বিশ্বাস কৰিছিল যে, বেমাৰ-আজাৰ আল্লাহৰ নিৰ্ধাৰিত তাক্বদীৰ অবিহনেই ইজনৰ পৰা সিজনলৈ সংক্ৰমিত হয়। এইটো এটা অন্ধ বিশ্বাস। এইদৰে কোনো বস্তুক অশুভ বুলি বিশ্বাস কৰাও এটা অন্ধবিশ্বাস। সেইটো শুনিব পৰা কোনো কথাই হওক বা দেখিব পৰা কোনো বস্তু। যেনে- কোনো চৰাই-চিৰিকটি, জীৱ-জন্তু, বিশেষভাৱে সক্ষম কোনো লোক, কোনো নম্বৰ অথবা কোনো দিন আদি। হাদীছটোত তিয়াৰা শব্দটো বিশেষকৈ উল্লেখ এইকাৰণে কৰিছে যে, অজ্ঞতা যুগত ইয়াক শুভ-অশুভ লক্ষণৰ বাবে ব্যাপকভাৱে ব্যৱহাৰ কৰিছিল। সেই সময়ৰ আৰবীয়ানসকলে যেতিয়া কোনো কাম আৰম্ভ কৰিছিল, যেনে- ভ্ৰমণ হওক অথবা ব্যৱসায়-বাণিজ্য আদি, তেতিয়া সিহঁতে এটা চৰাই উৰুৱাইছিল। যদি চৰাইটো সোঁফালে উৰিছিল তেতিয়া সেইটোক শুভ লক্ষণ বুলি গণ্য কৰিছিল। আনহাতে যদি বাওঁফালে উৰিছিল তেতিয়া ইয়াক অশুভ লক্ষণ বুলি গণ্য কৰি সেই কৰিবলগীয়া কামটো বাতিল কৰিছিল। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, ফা'ল হৈছে মোৰ পছন্দনীয়। এইটো হৈছে প্ৰত্যেক

সেই কথা যিটো শুনিলে মানুহে আনন্দিত হয়, আৰু মহান আল্লাহৰ প্ৰতি ভাল ধাৰণা পোষণ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ ওপৰত ভৰসা কৰিব লাগে। কাৰণ কেৱল আল্লাহেই কল্যাণ প্ৰদান কৰে। তেওঁৰ বাহিৰে কোনেও অনিষ্টতা দূৰ কৰিব নোৱাৰে।
2. শুভ-অশুভ লক্ষণ বিশ্বাস কৰিবলৈ নিষেধ কৰিছে, অৰ্থাৎ এনেকুৱা অন্ধ বিশ্বাস পোষণ কৰিবলৈ নিষেধ কৰিছে যিটোৰ ওপৰত নিৰ্ভৰ কৰি মানুহে কামটো ভাল হ'বনে বেয়া হ'ব ফলাফল উলিয়ায়।
3. ফা'লটো নিষিদ্ধ তিয়াৰাৰ অন্তৰ্ভুক্ত নহয়। বৰং এইটো হৈছে আল্লাহৰ প্ৰতি ভাল ধাৰণা পোষণ কৰা।
4. আল্লাহে নিৰ্ধাৰণ কৰা তাক্বদীৰ অনুপাতেই সকলো বস্তু সংঘটিত হয়। তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই।

(3422)

(30) – عَنْ زَيْدِ بْنِ خَالِدٍ الجُهَنِيِّ رضي الله عنه أَنَّهُ قَالَ: صَلَّى لَنَا رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ صَلَاةَ الصُّبْحِ بِالْحُدَيْبِيَةِ عَلَى إِثْرِ سَمَاءٍ كَانَتْ مِنَ اللَّيْلَةِ، فَلَمَّا انْصَرَفَ أَقْبَلَ عَلَى النَّاسِ، فَقَالَ: «هَلْ تَدْرُونَ مَاذَا قَالَ رَبُّكُمْ؟» قَالُوا: اللهُ وَرَسُولُهُ أَعْلَمُ، قَالَ: «أَصْبَحَ مِنْ عِبَادِي مُؤْمِنٌ بِي وَكَافِرٌ، فَأَمَّا مَنْ قَالَ: مُطِرْنَا بِفَضْلِ اللهِ وَرَحْمَتِهِ، فَذَلِكَ مُؤْمِنٌ بِي وَكَافِرٌ بِالْكَوْكَبِ، وَأَمَّا مَنْ قَالَ: بِنَوْءِ كَذَا وَكَذَا، فَذَلِكَ كَافِرٌ بِي وَمُؤْمِنٌ بِالْكَوْكَبِ». [صحيح] - [متفق عليه]

(30) – ঝায়েদ ইবনে খালিদ আল-জুহানী ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ ৰাতি বৰষুণ হোৱাৰ পাছত হুদাইবিয়াত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আমাকলৈ ফজৰৰ চালাত আদায় কৰিলে। তেখেতে চালাত শেষ কৰি লোকসকলৰ ফালে মুখ কৰি বহিলে আৰু ক'লেঃ তোমালোকে জানানে তোমালোকৰ প্ৰতিপালকে কি কৈছে? তেওঁলোকে ক'লেঃ আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালকৈ জানে। তেখেতে ক'লেঃ (আল্লাহে কৈছে) "মোৰ কিছুমান বান্দাই মুমিন হৈ আৰু কিছুমান বান্দাই কাফিৰ হৈ প্ৰভাত কৰিছে।" এতেকে যিজন বান্দাই কৈছে যে, আল্লাহে তেওঁৰ দয়া আৰু অনুগ্ৰহত আমাৰ ওপৰত বৰষুণ দিছে, তেওঁ হৈছে মোৰ প্ৰতি বিশ্বাসী আৰু নক্ষত্ৰৰাজিৰ শক্তিক অস্বীকাৰকাৰী। আনহাতে যিয়ে কৈছে, অমুক অমুক নক্ষত্ৰৰ কাৰণে আজি বৰষুণ হৈছে, সেইজন হৈছে মোক অস্বীকাৰকাৰী আৰু নক্ষত্ৰৰাজিৰ প্ৰতি বিশ্বাসী। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত বৰ্ণিত হৈছে যে, হুদাইবিয়াত এদিনাখন ৰাতি বৰষুণ হোৱাৰ পাছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ফজৰৰ চালাত পঢ়াইছিল, হুদাইবিয়্যাহ হৈছে মক্কাৰ নিকটৱৰ্তী এটা অঞ্চল। তেখেতে চালাত শেষ কৰি ছালাম ফিৰাই লোকসকলৰ ফালে মুখ কৰিছিল, আৰু তেওঁলোকক সুধিছিল যে, তোমালোকে জানানে তোমালোকৰ সৰ্বশক্তিমান প্ৰতিপালকে কি কৈছে? তেওঁলোকে উত্তৰত কৈছিলঃ আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালকৈ জানে। ইয়াৰ পিছত তেখেতে

কৈছিলঃ আল্লাহে এই কথা স্পষ্ট কৰিছে যে, বৰষুণকলৈ মানুহ দুই ভাগত বিভক্ত। এক প্ৰকাৰ মানুহ আল্লাহৰ প্ৰতি বিশ্বাসী আৰু আন এক প্ৰকাৰৰ মানুহ আল্লাহৰ প্ৰতি অবিশ্বাসী। এতেকে যিসকলে কৈছে যে, আল্লাহৰ দয়া আৰু অনুগ্ৰহত আমাৰ ওপৰত বৰষুণ হৈছে, অৰ্থাৎ যিসকলে বৰষুণ অৱতীৰ্ণৰ বিষয়টোক আল্লাহৰ সৈতে সম্পৃক্ত কৰিছে, তেওঁলোক হৈছে মুমিন তথা আল্লাহৰ প্ৰতি বিশ্বাসী, যিজনে বিশ্বজগতক সৃষ্টি কৰিছে তথা যিজনে ইয়াক নিয়ন্ত্ৰণ কৰে। লগতে তেওঁলোকে নক্ষত্ৰৰাজিৰ ক্ষমতাক অস্বীকাৰ কৰে। আনহাতে যিয়ে এইদৰে কৈছে যে, অমুক অমুক নক্ষত্ৰৰ কাৰণে বৰষুণ হৈছে, সি হৈছে দৰাচলতে আল্লাহক অস্বীকাৰকাৰী আৰু নক্ষত্ৰৰ প্ৰতি বিশ্বাসী। বৰষুণ হোৱা নোহোৱা বিষয়টোক নক্ষত্ৰৰ সৈতে সম্পৃক্ত কৰাটো হৈছে কুফৰে আচগৰ বা সৰু কুফৰ। আল্লাহে ইয়াক চৰীয়তি কোনো কাৰণ হিচাপেও বৰ্ণনা কৰা নাই আৰু প্ৰাকৃতিক কাৰণ হিচাপেও উল্লেখ কৰা নাই। আনহাতে যিয়ে বৰষুণ আৰু প্ৰাকৃতিক ঘটনা আদিক নক্ষত্ৰৰ উঠা নুঠাৰ সৈতে সম্পৃক্ত কৰে, এই বিশ্বাস কৰি যে, এইবোৰ নক্ষত্ৰৰ কাৰণেই এইবোৰ সংঘটিত হয়, সি দৰাচলতে কুফৰে আকবৰ বা ডাঙৰ কুফৰ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বৰষুণ হোৱাৰ পাছত এই কথা কোৱা মুস্তাহাব তথা পছন্দনীয় যে, আল্লাহৰ দয়া আৰু অনুগ্ৰহত আমাৰ ওপৰত বৰষুণ হ'ল।
2. বৰষুণ আদিৰ দৰে কোনো নিয়ামতক যদি কোনোবাই নক্ষত্ৰৰ সৈতে সম্পৃক্ত কৰে তথা নক্ষত্ৰক এনেকুৱা নিয়ামতৰ সৃষ্টিকৰ্তা আৰু আৱিষ্কাৰক বুলি ভাবিছে তেন্তে সি কুফৰে আকবৰ বা ডাঙৰ কুফৰ কৰিছে। আনহাতে যদি কোনোবাই নক্ষত্ৰক বৰষুণ হোৱাৰ কাৰণ হিচাপে গণ্য কৰে তেন্তে সি কুফৰে আচগৰ বা সৰু কুফৰ কৰিছে, কিয়নো চৰীয়ত আৰু বাহ্যিক কোনো এটা কাৰণেই ইয়াৰ সৈতে জৰিত নহয়।

3. নিয়ামত বিলাকো কুফৰৰ কাৰণ হয়, যদি সেইবোৰক কোনোবাই অস্বীকাৰ কৰে। আনহাতে যদি কৃতজ্ঞতা প্ৰকাশ কৰা হয় তেন্তে ঈমান লাভৰ কাৰণ হয়।
4. এনেকুৱা কথা ক'বলৈ নিষেধ কৰা হৈছেঃ "অমুক তৰা দেখা দিয়াৰ ফলত বৰষুণ হৈছে", যদিও ইয়াৰ দ্বাৰা সময়ক বুজোৱা হওক, তথাপিও এনেকুৱা কথাৰ পৰা নিষেধ কৰা হৈছে, যাতে শ্বিৰ্কৰ দুৱাৰ সম্পূৰ্ণৰূপে বন্ধ হয়।
5. বিপদ-আপদৰ পৰা ৰক্ষা পোৱাৰ ক্ষেত্ৰত আৰু নিয়ামতৰ দ্বাৰা উপকৃত হোৱাৰ ক্ষেত্ৰতো আল্লাহৰ সৈতে আন্তৰিকভাৱে সম্পৰ্ক স্থাপন কৰা অনিবাৰ্য।

(65010)

(31) – عَنْ عُقْبَةَ بْنِ عَامِرٍ الْجُهَنِيِّ رضي الله عنه: أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ أَقْبَلَ إِلَيْهِ رَهْطٌ، فَبَايَعَ تِسْعَةً وَأَمْسَكَ عَنْ وَاحِدٍ، فَقَالُوا: يَا رَسُولَ اللهِ، بَايَعْتَ تِسْعَةً وَتَرَكْتَ هَذَا؟ قَالَ: «إِنَّ عَلَيْهِ تَمِيمَةً»، فَأَدْخَلَ يَدَهُ فَقَطَعَهَا، فَبَايَعَهُ، وَقَالَ: «مَنْ عَلَّقَ تَمِيمَةً فَقَدْ أَشْرَكَ». [حسن] - [رواه أحمد]

(31) – উকবা বিন আমিৰ আল-জুহানী -ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ এটা সঁজাতি দল আহিল, তেখেতে সিহঁতৰ মাজৰ ৯ জনৰ বাইআত গ্ৰহণ কৰিলে আৰু এজনৰ নকৰিলে। এই দেখি তেওঁলোকে ক'লেঃ হে আল্লাহৰ ৰাছুল! ন জনৰ পৰা আপুনি বাইআত গ্ৰহণ কৰিলে কিন্তু ইয়াক বাদ ৰাখিলে কিয়, তেখেতে ক'লেঃ "ই তাবিজ বান্ধি ৰাখিছে।" ইয়াৰ পিছত তেওঁ নিজ হাতেৰে সেয়া খুলি পেলালে আৰু তাৰ পিছত তেখেতে বাইআত গ্ৰহণ কৰিলে, আৰু ক'লেঃ "যিয়ে তাবিজ পিন্ধে সি শ্বিৰ্ক কৰে।" [হাছান] - [(আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ এটা জামাআত আহিল। তেওঁলোক সংখ্যাত আছিল দহজন। তাৰে মাজৰ ন জনৰ পৰা ইছলাম গ্ৰহণ আৰু তেখেতৰ অনুসৰণৰ বাইআত গ্ৰহণ কৰিলে। কিন্তু এজনৰ পৰা গ্ৰহণ নকৰিলে। যেতিয়া ইয়াৰ কাৰণ সম্পৰ্কে তেখেতক প্ৰশ্ন কৰা হ'ল, তেতিয়া তেখেতে ক'লেঃ ইয়াৰ শৰীৰত তাবীজ আছে। বিপদ-আপদ, বেমাৰ-আজাৰ, কুঃদৃষ্টি আদিৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে যি বস্তুৰে শৰীৰত ওলোমোৱা নহওক কিয়, সেইটোকে তামীমাহ বোলে। ইয়াৰ পিছত সেই ব্যক্তিজনে তাবীজটো ছিঙি পেলালে, তাৰ পিছতহে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাৰ বাইআত গ্ৰহণ কৰিলে। ইয়াৰ পিছত তেখেতে তাবীজৰ বিধান বৰ্ণনা কৰি ইয়াৰ পৰা সতৰ্ক কৰি ক'লেঃ "যিয়ে তাবীজ পিন্ধে সি শ্বিৰ্ক কৰে।"

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যিয়ে আল্লাহৰ বাহিৰে আনৰ ওপৰত ভৰসা কৰে, আল্লাহে তাৰ উদ্দেশ্যৰ বিপৰীতে কাম কৰে।
2. এই বিশ্বাস কৰি তাবীজ পিন্ধা যে, বেমাৰ-আজাৰ বিপদ-আপদ আদিৰ পৰা ৰক্ষা পোৱা যাব, তেন্তে সেইটো হ'ব শ্বিৰ্কে আচগৰ বা সৰু শ্বিৰ্ক। আনহাতে যদি কোনোবাই এই বিশ্বাস পোষণ কৰে যে, স্বয়ং এই তাবীজেই উপকাৰ কৰিব তথা ৰক্ষা কৰিব, তেন্তে সেইটো হ'ব শ্বিৰ্কে আকবাৰ বা ডাঙৰ শ্বিৰ্ক।

(6762)

(32) – عن عبد الله بن مسعود رضي الله عنه قال: سمعت رسول الله صلى الله عليه وسلم يقول: «إِنَّ الرُّقَى والتَمائِمَ والتِّوَلَةَ شِرْكٌ». [صحيح] - [رواه أبو داود وابن ماجه وأحمد]

(32) – আব্দুল্লাহ ইবনে মাছ'ঊদ ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছে: মন্ত্ৰ, তাৱিজ-কবজ, মন্ত্ৰ পঢ়ি গাঁঠি লগোৱা সূতা আদি সকলো হৈছে শ্বিৰ্কৰ অন্তৰ্ভুক্ত। [ছহীহ] - [(আবু দাঊদ,ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেইটামান বিষয় উল্লেখ কৰিছে যিবোৰ হৈছে শ্বিৰ্ক। যেনে-

প্ৰথমঃ (আৰবী শব্দ) আৰ-ৰুকা। এইটো হৈছে এনেকুৱা কিছুমান শ্বিৰ্কিয়্যা বাক্য, যিবোৰ বাক্যৰ দ্বাৰা অজ্ঞতাযুগৰ লোকসকলে মানুহক জৰাফুঁকা কৰি চিকিৎসা কৰিছিল।

দ্বিতীয়ঃ তাৱিজ-কবচ আদি। এইবোৰ হৈছে কুঃদৃষ্টি আদিৰ পৰা ৰক্ষা পাবলৈ শিশু আৰু জীৱ-জন্তুৰ শৰীৰত ওলোমাই দিয়া বস্তু।

তৃতীয়ঃ তিৱালাহ। এইটো হৈছে এনেকুৱা শ্বিৰ্কিয়্যাহ কবিৰাজি যিটোৰ দ্বাৰা পতি-পত্নীৰ যিকোনো এজনক প্ৰেমত আকৰ্ষিত কৰিবলৈ অৱলম্বন কৰা হয়।

এই সকলোবোৰ হৈছে শ্বিৰ্কিয়্যা কৰ্ম। কাৰণ এইবোৰক উপায় হিচাপে অৱলম্বন কৰা হয় কিন্তু প্ৰকৃততে এইবোৰ চৰীয়তৰ দলীলেৰে প্ৰমাণিত নহয়, আনকি প্ৰাকৃতিক কোনো অভিজ্ঞতাৰ দ্বাৰাও প্ৰমাণিত নহয়। আনহাতে চৰীয়তে নিৰ্ধাৰণ কৰা উপায় হৈছে, কোৰআন তিলাৱত কৰা, অথবা বাহ্যিক কোনো ঔষণ গ্ৰহণ কৰা, যিবোৰৰ কাৰ্যকাৰিতা প্ৰমাণিত। কিন্তু সেইবোৰকো কেৱল মাধ্যম হিচাপেহে বিশ্বাস কৰি ব্যৱহাৰ কৰা বৈধ। কাৰণ উপকাৰ আৰু অপকাৰৰ ক্ষমতা হৈছে একমাত্ৰ আল্লাহৰ হাতত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তাওহীদ আৰু আক্বীদাক সংৰক্ষণ কৰা হৈছে, সেইবোৰ বিষয়ৰ পৰা যিবোৰ বিষয়ে ইয়াক ক্ষতি কৰে।
2. তাৱীজ, কবচ, সূতা, কড়া আৰু শ্বিৰ্কিয়্যা বাক্যৰ দ্বাৰা জৰাফুঁকা কৰা আদি সকলো হাৰাম।
3. উক্ত তিনিটা বস্তুক যদি কোনোবাই ৰোগমুক্তিৰ অছীলা বুলি বিশ্বাস কৰে তেন্তে সেইটো হ'ব শ্বিৰ্কে আচগৰ বা সৰু শ্বিৰ্ক। কিয়নো চৰীয়তে এইবোৰক উপায় হিচাপে নিৰ্ধাৰণ কৰা নাই। আনহাতে যদি কোনোবাই স্বয়ং এইবোৰকে উপকাৰ বা ক্ষতিৰ উৎস হিচাপে গণ্য কৰে তেন্তে সেইটো হ'ব শ্বিৰ্কে আকবৰ বা ডাঙৰ শ্বিৰ্ক।
4. শ্বিৰ্কিয়্যা তথা হাৰাম উপায় অৱলম্বন কৰাৰ পৰা সতৰ্ক কৰা হৈছে।
5. মন্ত্ৰৰ দ্বাৰা জৰাফুঁকা, তাৱীজ-কবচ আদি নিষিদ্ধ, কিয়নো এইবোৰ হৈছে শ্বিৰ্ক। কিন্তু চৰীয়ত সন্মত উপায়েৰে জৰাফুঁকা কৰা বৈধ।

6. একমাত্ৰ আল্লাহৰ সৈতেই অন্তৰক সম্পৃক্ত ৰখা উচিত। ক্ষতি আৰু উপকাৰ তেওঁৰ পৰাই হয়, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। গতিকে আল্লাহৰ বাহিৰে আন কাৰো ফালৰ পৰা কল্যাণ আহিব নোৱাৰে। আনহাতে আল্লাহৰ বাহিৰে আন কোনোৱে অকল্যাণো দূৰ কৰিব নোৱাৰে।
7. এই তিনিটা চৰ্ত থাকিলেহে জৰাফুঁকা বৈধ হ'ব: ১) এই বিশ্বাস কৰা যে, এইটো হৈছে এটা মাধ্যম মাত্ৰ। আল্লাহৰ আদেশ অবিহনে এইবোৰে কোনো উপকাৰ কৰিব নোৱাৰে। ২) যিবোৰ বাক্যৰ জৰিয়তে জৰাফুঁকা কৰিব সেইবোৰ কোৰআনৰ আয়াত হ'ব লাগিব, নহ'লে আল্লাহৰ নাম তথা চিফাত (গুণবাচক নাম) হ'ব লাগিব, অথবা হাদীছত বৰ্ণিত কোনো দু'আহ নাইবা চৰীয়তসন্মত কোনো দু'আ হ'ব লাগিব। ৩) ইয়াৰ ভাষা বোধগম্য হ'ব লাগিব, পক্ষান্তৰে তাৱীজ বা যাদুবিদ্যাৰ অন্তৰ্ভুক্ত যাতে নহয়।

(5273)

(33) – عن بعض أزواج النبي صلى الله عليه وسلم عن النبي صلى الله عليه وسلم قال: «مَنْ أَتَى عَرَّافًا فَسَأَلَهُ عَنْ شَيْءٍ لَمْ تُقْبَلْ لَهُ صَلَاةٌ أَرْبَعِينَ لَيْلَةً». [صحيح] - [رواه مسلم]

(33) – নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কোনো এজনী স্ত্ৰীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰিছে, তেখেতে কৈছেঃ "যি ব্যক্তিয়ে গণকৰ ওচৰলৈ গৈ তাক কিবাকিবি সোধে আৰু সেই গণকৰ কথাক বিশ্বাস কৰে। চল্লিশ দিনলৈ সেই ব্যক্তিৰ চালাত (নামাজ) কবুল নহয়।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে গণক তথা ভৱিষ্যৎ বক্তা আদিৰ ওচৰলৈ যোৱাৰ পৰা সতৰ্ক কৰিছে। ভৱিষ্যৎ বক্তাৰ দ্বাৰা,

গণক, জ্যোতিষি আদিক বুজোৱা হৈছে, যিসকলে গ্ৰহ-নক্ষত্ৰ আৰু জ্যোতিষি বিদ্যাৰ সহায়ত গায়েব জনা বুলি দাবী কৰে। এইটো ইমান ভয়াৱহ গুনাহ যে, কেৱল অদৃশ্য জ্ঞান সম্পৰ্কে জানিবলৈ কিবা সুধিলে আল্লাহে চল্লিছ দিনৰ নামাজৰ ছোৱাব বাতিল কৰি দিয়ে। এইটোৱে হৈছে এই মহাপাপৰ শাস্তি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গণকগিৰি কৰা আৰু গণকৰ ওচৰলৈ যোৱা তথা অদৃশ্য সম্পৰ্কে সোধ-পোচ কৰা আদি হাৰাম।
2. কেতিয়াবা কেতিয়াবা গুনাহৰ কৰ্মৰ ফলত শাস্তি হিচাপে মানুহে সৎকৰ্মৰ ছোৱাবৰ পৰা বঞ্চিত হয়।
3. গ্ৰহ-নক্ষত্ৰক কেন্দ্ৰ কৰি কোৱা কথা, বাটি-পিয়লা আদি চালান কৰা, ৰাশিফল বিশ্বাস কৰা আদি সকলো এই হাদীছৰ অন্তৰ্ভুক্ত। আনকি জনাৰ উদ্দেশ্যেও এইবোৰ কৰা হাৰাম। কাৰণ এই সকলোবোৰ হৈছে জ্যোতিষি বিদ্যাৰ অন্তৰ্ভুক্ত আৰু সেইসকল লোকৰ কৰ্ম, যিসকলে গায়েব জানে বুলি দাবী কৰে।
4. হাদীছটোত উল্লেখিত শাস্তিটোৰ বিষয়ে চিন্তা কৰকচোন, কেৱল গণকৰ ওচৰলৈ গ'লেই যদি এই শাস্তি হয় তেন্তে স্বয়ং গণকৰ কি শাস্তি হ'ব পাৰে?
5. চল্লিছ দিনৰ নামাজ আদায় হ'ব কিন্তু কেৱল ছোৱাবৰ পৰা বঞ্চিত হ'ব। কিন্তু যদি কোনোবাই ছোৱাব নাপাব বুলি নামাজটোকেই পৰিত্যাগ কৰে তেন্তে সি আন এটা গুনাহত লিপ্ত হ'ব।

(5986)

(34) – عن ابْنِ عُمَرَ رضي الله عنهما أنه سَمِعَ رَجُلًا يَقُولُ: لَا وَالْكَعْبَةِ، فَقَالَ ابْنُ عُمَرَ: لَا يُحْلَفُ بِغَيْرِ اللَّهِ، فَإِنِّي سَمِعْتُ رَسُولَ اللَّهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «مَنْ حَلَفَ بِغَيْرِ اللهِ فَقَدْ كَفَرَ أَوْ أَشْرَكَ». [صحيح] - [رواه أبو داود والترمذي وأحمد]

(34) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ এজন ব্যক্তিক এইদৰে কোৱা শুনিলে যে, কা'বাৰ শপত। তৎক্ষণাত ইবনে ওমৰে ক'লেঃ আল্লাহৰ বাহিৰে আন কাৰো শপত খোৱা উচিত নহয়। কিয়নো মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ যি ব্যক্তিয়ে আল্লাহৰ বাহিৰে আনৰ নামত শপত কৰিছে, সি দৰাচলতে কুফৰী কৰিছে অথবা শ্বিৰ্ক কৰিছে। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

## ব্যাখ্যা:

হাদীছটোৰ জৰিয়তে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সংবাদ দিছে যে, যিয়ে আল্লাহৰ বাহিৰে তথা তেওঁৰ নাম আৰু গুণাৱলীৰ বাহিৰে আন কাৰো শপত কৰে, সি দৰাচলতে কুফৰী কৰে নাইবা শ্বিৰ্ক কৰে। কাৰণ শপত খোৱাৰ অৰ্থ হৈছে শপতকাৰীয়ে তাক অত্যন্ত তাজীম কৰে তথা খুবেই মহান বুলি গণ্য কৰে। পক্ষান্তৰে সৰ্বোচ্চ মহান সত্ত্বা তথা তাজীমৰ একমাত্ৰ হকদাৰ হৈছে আল্লাহ তাআলা। গতিকে আল্লাহৰ বাহিৰে তথা তেওঁৰ আচমা (নাম) অচ্ছিফাত (গুণাৱলী)ৰ বাহিৰে আন কাৰো নামত শপত খোৱা বৈধ নহয়। এই শপত হৈছে শ্বিৰ্কে আচগৰ বা সৰু শ্বিৰ্ক হিচাপে বিবেচিত। কিন্তু যদি কোনোবাই শপত খোৱা বস্তুটোক আল্লাহৰ সমান অথবা তাতকৈ বেছি সন্মান কৰে তেন্তে তেতিয়া সেইটো শ্বিৰ্কে আকবৰ বা ডাঙৰ শ্বিৰ্ক হিচাপে গণ্য হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. শপতৰ জৰিয়তে তাজীম বা সন্মান পোৱাৰ একমাত্ৰ অধিকাৰী হৈছে মহান আল্লাহ। সেয়ে আল্লাহৰ সত্ত্বা, তেওঁৰ সুন্দৰ সুন্দৰ নাম

আৰু তেওঁৰ গুণাৱলীৰ বাহিৰে আন কাৰো নামত শপত খোৱা বৈধ নহয়।

2. সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা মানুহক বাধা দিয়াৰ ক্ষেত্ৰত চাহাবাসকল খুবেই আগ্ৰহী আছিল। বিশেষকৈ যদি সেই অসৎকৰ্মটো হয় শ্বিৰ্ক অথবা কুফৰ সম্পৰ্কীয়, তেন্তে সেইটো আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰে।

(3359)

(35) – عَنْ بُرَيْدَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَنْ حَلَفَ بِالْأَمَانَةِ فَلَيْسَ مِنَّا». [صحيح] - [رواه أبو داود وأحمد]

(35) – বুৰাইদাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে আমানতৰ শপত খায় সি আমাৰ (উম্মতৰ) অন্তৰ্ভুক্ত নহয়।" [ছহীহ] - [(আবু দাঊদ, আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আমানতৰ শপত খাবলৈ নিষেধ কৰিছে তথা সতৰ্ক কৰিছে। যিয়ে এনেকুৱা কৰে সি আমাৰ অন্তৰ্ভুক্ত নহয় বুলি কৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ বাহিৰে আনৰ শপত খোৱা হাৰাম। উদাহৰণস্বৰূপে আমানতৰ শপত খোৱা। এনেকুৱা শপত হৈছে শ্বিৰ্কে আচগৰ।
2. আমানত বোলোঁতে ইয়াৰ ভিতৰত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক সামৰি লোৱা হয়, যেনে- আনুগত্য তথা আদেশ পালন, ইবাদত, আমানত তথা জামানত, ধনৰ লেনদেন আৰু নিৰাপত্তা আদি।

3. আল্লাহৰ শপত খালেহে শপত সাব্যস্ত হয়, অথবা তেওঁৰ কোনো নামৰ শপত, নাইবা কোনো গুণাৱলীৰ শপত খালেহে সেইটো শপত হিচাপে গ্ৰহণযোগ্য হয়।
4. খত্তাবীয়ে কৈছে: ইয়াত এইটো বুজা যায় যে, ইয়াক (আমানতৰ শপত খোৱাক) এই কাৰণে নিষেধ কৰা হৈছে, যিহেতু মানুহক আল্লাহৰ আৰু তেওঁৰ গুণসমূহৰ শপত খোৱাৰহে আদেশ দিয়া হৈছে। লগতে আমানত আল্লাহৰ কোনো গুণবাচক নাম নহয়, বৰং এইটো হৈছে আল্লাহৰ আদেশ আৰু তেওঁৰ ফৰজসমূহৰ অন্যতম এটা। সেইকাৰণে ইয়াক আল্লাহৰ নাম আৰু তেওঁৰ গুণাৱলীৰ সমপৰ্যায় কৰিবলৈ নিষেধ কৰা হৈছে।

(8964)

(36) – عَنْ أَبِي مُوسَى الأَشْعَرِيِّ رضي الله عنه قَالَ: أَتَيْتُ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِي رَهْطٍ مِنَ الأَشْعَرِيِّينَ أَسْتَحْمِلُهُ، فَقَالَ: «وَاللَّهِ لاَ أَحْمِلُكُمْ، مَا عِنْدِي مَا أَحْمِلُكُمْ» ثُمَّ لَبِثْنَا مَا شَاءَ اللَّهُ فَأُتِيَ بِإِبِلٍ، فَأَمَرَ لَنَا بِثَلاَثَةِ ذَوْدٍ، فَلَمَّا انْطَلَقْنَا قَالَ بَعْضُنَا لِبَعْضٍ: لاَ يُبَارِكُ اللَّهُ لَنَا، أَتَيْنَا رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ نَسْتَحْمِلُهُ فَحَلَفَ أَنْ لاَ يَحْمِلَنَا فَحَمَلَنَا، فَقَالَ أَبُو مُوسَى: فَأَتَيْنَا النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فَذَكَرْنَا ذَلِكَ لَهُ، فَقَالَ: «مَا أَنَا حَمَلْتُكُمْ، بَلِ اللَّهُ حَمَلَكُمْ، إِنِّي وَاللَّهِ -إِنْ شَاءَ اللَّهُ- لاَ أَحْلِفُ عَلَى يَمِينٍ، فَأَرَى غَيْرَهَا خَيْرًا مِنْهَا، إِلَّا كَفَّرْتُ عَنْ يَمِينِي، وَأَتَيْتُ الَّذِي هُوَ خَيْرٌ». [صحيح] - [متفق عليه]

(36) – আবু মুছা আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এবাৰ কিছুমান আশ্বআৰী লোকৰ সৈতে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ এটা বাহন বিচাৰি আহিলোঁ। তেখেতে ক'লেঃ "আল্লাহৰ শপত! মই তোমালোকক বাহন দিব নোৱাৰিম। কাৰণ, তোমালোকক বাহন হিচাপে দিবলৈ মোৰ ওচৰত একো নাই।" ইয়াৰ পিছত আল্লাহৰ ইচ্ছা অনুসৰি আমি কিছু সময় তাত অপেক্ষা কৰিলোঁ। ঠিক সেই সময়তে তেখেতৰ ওচৰলৈ কেইটামান উট অনা হ'ল। তেতিয়া তেখেতে আমাক তিনিটা উট দিবলৈ নিৰ্দেশ দিলে। আমি যেতিয়া উভতি আহিলোঁ তেতিয়া আমাৰ মাজৰ কিছুমানে পৰস্পৰে আলোচনা কৰি আছিল যে, আল্লাহে হয়তো আমাক বৰকত দান নকৰিব। কাৰণ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক বাহন দিব নোৱাৰিব বুলি শপত খাইছিল। ইয়াৰ পিছতো তেখেতে আমাক বাহন দিলে। আবূ মূছাই কৈছেঃ আমি আকৌ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ ঘূৰি আহিলোঁ আৰু এই বিষয়টো উল্লেখ কৰিলোঁ। তেতিয়া তেখেতে ক'লেঃ "মই তোমালোকক বাহন দিয়া নাই; বৰং আল্লাহে তোমালোকৰ বাবে বাহনৰ ব্যৱস্থা কৰিছে। আল্লাহৰ শপত! -ইন শ্বা আল্লাহ- মই যেতিয়া কোনো বিষয়ত শপত খাওঁ, কিন্তু যদি ইয়াৰ বিপৰীত বিষয়টোত মঙ্গল দেখা পাওঁ, তেতিয়া মই শপতৰ কাফফাৰা আদায় কৰি দিওঁ, লগতে যিটো কল্যাণকৰ সেইটোৱে বাস্তৱায়িত কৰোঁ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত আবু মুছা আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৱে জনাইছে যে, তেওঁ নিজৰ গোত্ৰৰ কিছুমান লোকৰ সৈতে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল। তেওঁলোক এইটো উদ্দেশ্য লৈ আহিছিল যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যাতে বাহন হিচাপে ব্যৱহাৰ কৰিবলৈ তেওঁলোকক উট প্ৰদান কৰে। যাতে তেওঁলোকে সহজে জিহাদত অংশ ল'ব পাৰে। এই প্ৰস্তাৱ শুনি তেখেতে শপত খাই ক'লে যে, মই তোমালোকক বাহন দিব নোৱাৰোঁ। কাৰণ বাহন হিচাপে দিবলৈ তেখেতৰ ওচৰত একো নাছিল। তেতিয়া তাত কিছু সময় অপেক্ষা কৰিলে, ঠিক সেই সময়তে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ তিনিটা উট অনা হ'ল, তেখেতে সেইবোৰ তেওঁলোকলৈ পঠিয়ালে। উট কেইটা পাই তেওঁলোকে ইজনে সিজনক ক'লেঃ এইবোৰ উটত কিজানি আল্লাহে আমাক বৰকত নিদিব। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দেখোন আমাক বাহন নিদিয়াৰ শপত খাইছিল। তেতিয়া তেওঁলোকে তেখেতৰ ওচৰলৈ আহি বিষয়টো সুধিলে। তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তোমালোকক বাহন প্ৰদান কৰিছে মহান আল্লাহে। কাৰণ তেৱেঁই তাওফীক প্ৰদানকাৰী আৰু জীৱিকাদাতা। কেৱল মোৰ হাতেৰেহে দিয়া গৈছে। ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহৰ শপত! ইন শ্বা আল্লাহ মই যেতিয়া কিবা কৰিবলৈ বা কিবা পৰিত্যাগ কৰিবলৈ শপত খাওঁ, তেতিয়া যদি বিপৰীত বিষয়টোত কল্যাণ দেখা পাওঁ তেন্তে মই সেই উত্তমটোহে কৰোঁ আৰু শপতৰ কাফ্‌ফাৰা আদায় কৰি দিওঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কোনো উদ্দেশ্য নোহোৱাকৈয়ে কেৱল সংবাদটোৰ গুৰুত্ব বুজাবলৈ শপত খোৱা বৈধ, যদি বিষয়টো ভৱিষ্যতৰ সৈতে সম্পৃক্ত হয়।

2. শপতৰ পিছত ইন শ্বা আল্লাহ বুলি কৈ শপতক পৃথক কৰা বৈধ। আনহাতে শপতৰ সৈতে পৃথক কৰিবলৈ কোৱা কথাষাৰৰ উদ্দেশ্য যদি বেলেগ হয় যদিও একেলগে কোৱা হৈছে তেন্তে সেই শপত ভংগ কৰিলেও কোনো কাফ্ফাৰা নাই।
3. যদি বিপৰীত বিষয়টোত কল্যাণ থাকে তেনে অৱস্থাত শপত ভংগ কৰিবলৈ উৎসাহিত কৰা হৈছে, আৰু শপতৰ কাফ্ফাৰা আদায় কৰিবলৈ কোৱা হৈছে।

(2961)

(37) – عَنْ حُذَيْفَةَ رضي الله عنه أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لَا تَقُولُوا: مَا شَاءَ اللهُ وَشَاءَ فُلَانٌ، وَلَكِنْ قُولُوا: مَا شَاءَ اللهُ ثُمَّ شَاءَ فُلَانٌ». [صحيح بمجموع طرقه] - [ رواه أبو داود والنسائي في الكبرى وأحمد]

(37) – হুজাইফাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে এনেকৈ নক'বা যে, 'আল্লাহে যি বিচাৰে আৰু অমুকে যি বিচাৰে'; বৰং এনেকৈ কোৱা, 'আল্লাহে যি বিচাৰিছে তাৰ পিছত অমুকে যি বিচাৰিছে'।" [সকলো তথ্যসূত্ৰ অনুযায়ী ছহীহ] - [(আবু দাঊদ, নাছায়ী ফিল কুবৰা আৰু আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে কোনো মুছলিমে যেন এনেকৈ নকয় যে, "আল্লাহে যি বিচাৰে আৰু অমুকে যি বিচাৰে।" অথবা, "আল্লাহে আৰু অমুকে যি বিচাৰে।" এইদৰে ক'বলৈ এই কাৰণে নিষেধ কৰিছে যে, আল্লাহৰ ইচ্ছা আৰু ইৰাদা হৈছে ব্যাপক, এই ক্ষেত্ৰত তেওঁৰ কোনো অংশীদাৰ নাই। আনহাতে ইয়াত যদি "আৰু" শব্দটো ব্যৱহাৰ কৰা হয় তেন্তে ইয়াৰ দ্বাৰা এইটো বুজায় যে, আল্লাহৰ অংশীদাৰ আছে তথা উভয়ৰ মাজত কোনো পাৰ্থক্য নাই। সেয়ে এনেকৈ ক'ব লাগে যে, "আল্লাহে যি বিচাৰে, তাৰ পিছত অমুকে যি বিচাৰে।" এতেকে

"আৰু"ৰ ঠাইত "তাৰ পিছত" শব্দ ব্যৱহাৰ কৰিলে বান্দাৰ ইচ্ছা আল্লাহৰ ইচ্ছাৰ অধীনস্থ বুলি প্ৰমাণিত হ'ব। পক্ষান্তৰে 'আৰু' ব্যৱহাৰ কৰিলে সেইটো নুবুজায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. "আল্লাহে যি বিচাৰে আৰু আপুনি যি বিচাৰে", এই কথা বা এই ধৰণৰ অন্য যিকোনো কথা য'ত আল্লাহৰ সৈতে "আৰু" শব্দ ব্যৱহাৰ কৰি বান্দাৰ কথা কোৱা হৈছে, তেনেকুৱা কথা কোৱা হাৰাম। কাৰণ এইটো হৈছে কথাৰ মাধ্যমত কৰা শ্বিৰ্ক।
2. "আল্লাহে যি বিচাৰে আৰু তাৰ পিছত আপুনি যি বিচাৰে", এনেকুৱা কথা য'ত আল্লাহৰ সৈতে বান্দা সম্পৰ্কীয় কোনো বিষয়ক যুক্ত কৰিবলৈ "তাৰ পিছত" শব্দ ব্যৱহাৰ হৈছে তেনেকুৱা কথা কোৱাত কোনো অসুবিধা নাই।
3. হাদীছটোৰ দ্বাৰা প্ৰমাণিত হ'ল যে, আল্লাহৰ ইচ্ছা শক্তি আছে আৰু বান্দাৰো ইচ্ছা শক্তি আছে। লগতে এই কথাও স্পষ্ট কৰা হৈছে যে, বান্দাৰ ইচ্ছা হৈছে আল্লাহৰ ইচ্ছাৰ অধীনস্থ।
4. আল্লাহৰ ইচ্ছাত বান্দাক অংশীদাৰ কৰিবলৈ নিষেধ কৰা হৈছে, যদিও শাব্দিক অংশীদাৰেই নহওক কিয়।
5. যদি কোনোবাই এই বিশ্বাস কৰে যে, বান্দাৰ ইচ্ছাও সৰ্বশক্তিমান আল্লাহৰ ইচ্ছাৰ দৰেই অসীম তথা ব্যাপক, অথবা বান্দাৰ ওচৰত আল্লাহৰ ইচ্ছাতকৈ স্বতন্ত্ৰ কোনো ইচ্ছাশক্তি আছে, তেন্তে এইটো হ'ব শ্বিৰ্কে আকবাৰ। আনহাতে যদি আল্লাহৰ ইচ্ছাতকৈ স্বতন্ত্ৰ কিন্তু কম বুলি বিশ্বাস কৰে তেন্তে সেইটো হ'ব শ্বিৰ্কে আচগাৰ।

(3352)

(38) – عَنْ مَحْمُودِ بْنِ لَبِيدٍ رضي الله عنه أَنَّ رَسُولَ اللَّهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِنَّ أَخْوَفَ مَا أَخَافُ عَلَيْكُمُ الشِّرْكُ الْأَصْغَرُ» قَالُوا: وَمَا الشِّرْكُ الْأَصْغَرُ يَا رَسُولَ اللهِ؟ قَالَ: «الرِّيَاءُ، يَقُولُ اللهُ عز وجل لَهُمْ يَوْمَ الْقِيَامَةِ إِذَا جُزِيَ النَّاسُ بِأَعْمَالِهِمْ: اذْهَبُوا إِلَى الَّذِينَ كُنْتُمْ تُرَاؤُونَ فِي الدُّنْيَا، فَانْظُرُوا هَلْ تَجِدُونَ عِنْدَهُمْ جَزَاءً؟». [حسن] - [رواه أحمد]

(38) – মাহমূদ বিন লাবীদ ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: “মই তেমালোকৰ ওপৰত যিটো বিষয়ক আটাইতকৈ বেছি ভয় কৰোঁ সেইটো হৈছে সৰু শ্বিৰ্ক।" উপস্থিত লোকসকলে ক'লেঃ হে আল্লাহৰ ৰাছুল! সৰু শ্বিৰ্ক আকৌ কি? তেখেতে ক'লেঃ "সেইটো হৈছে ৰিয়া (লোকক দেখুৱাবলৈ কৰা আমল)। কিয়ামতৰ দিনা যেতিয়া মানুহক সিহঁতৰ আমলৰ প্ৰতিফল প্ৰদান কৰা হ'ব তেতিয়া সিহঁতক আল্লাহে ক'বঃ যোৱা তোমালোকে সিহঁতৰ ওচৰলৈ যোৱা যিসকলক দেখুৱাবলৈ তোমালোকে আমল কৰিছিলা, গৈ চোৱাচোন সিহঁতৰ ওচৰত তোমালোকে কিবা প্ৰতিদান পোৱানে নাই?” [হাছান] - [(আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, তেখেতে উম্মতৰ প্ৰতি যিটো বিষয়কলৈ আটাইতকৈ বেছি আশংকা কৰিছে সেইটো হৈছে সৰু শ্বিৰ্ক, অৰ্থাৎ ৰিয়া বা লোকক দেখুৱাবলৈ কৰা আমল। ইয়াৰ পিছত তেখেতে উল্লেখ কৰিছে যে, লোকক দেখুৱাবলৈ কৰা আমলৰ গৰাকীসকলক কিয়ামতৰ দিনা শাস্তি স্বৰূপে কোৱা হ'ব যে, তোমালোকে যিসকল লোকক দেখুৱাবলৈ আমল কৰিছিলা আজি সিহঁতৰ ওচৰলৈ গৈ প্ৰতিদান বিচৰাগৈ, সিহঁতে তোমালোকক সেইবোৰ আমলৰ প্ৰতিদান দিব পাৰিবনে?

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. একমাত্র আল্লাহৰ উদ্দেশ্যে ইখলাচৰ সৈতে তথা নিষ্ঠা সহকাৰে আমল কৰা অনিবাৰ্য, লগতে ৰিয়াৰ পৰা সাৱধান থকা অপৰিহাৰ্য।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লাম উম্মতৰ প্ৰতি অত্যন্ত দয়ালু আছিল, তেওঁলোকৰ হিদায়ত আৰু কল্যাণৰ প্ৰতি তেখেত খুবেই আগ্ৰহী আছিল।
3. চাহাবাসকল হৈছে পূণ্যৱানসকলৰ প্ৰতিনিধি, তেওঁলোকৰ প্ৰতি আশংকা কৰি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যদি এনেকৈ সম্বোধন কৰিছে, তেন্তে আজিৰ মুছলমানসকলৰ প্ৰতি ইয়াৰ আশংকা আৰু অধিক হোৱাটোৱে স্বাভাৱিক।

(3381)

(39) – عَنْ أَبِي ذَرٍّ رَضِيَ اللَّهُ عَنْهُ أَنَّهُ سَمِعَ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «لاَ يَرْمِي رَجُلٌ رَجُلًا بِالفُسُوقِ، وَلاَ يَرْمِيهِ بِالكُفْرِ، إِلَّا ارْتَدَّتْ عَلَيْهِ، إِنْ لَمْ يَكُنْ صَاحِبُهُ كَذَلِكَ». [صحيح] - [متفق عليه]

(39) – আবু জৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ "কোনেও যেন কাকো ফাছিক্ব বুলি গালি নিদিয়ে অথবা কুফৰৰ অপবাদ নিদিয়ে। কাৰণ এই বৈশিষ্ট্য যদি তাৰ ভিতৰত নাথাকে তেন্তে সেই অপবাদ দিয়া ব্যক্তিলৈ সেইটো উভতি আহে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত সতৰ্ক কৰিছে যে, কোনেও যেন কাৰোবাক এই বুলি নামাতে যে, হে ফাছিক্ব অথবা হে কাফিৰ। কাৰণ সি যি নামেৰে তাক মাতিছে, সেইটো যদি তাৰ মাজত নাথাকে তেন্তে সেইটো সেই ব্যক্তিলৈ উভতি আহিব যিয়ে এনেকুৱা

নামেৰে মাতিছে। কিন্তু যদি এই বৈশিষ্ট্য সেই ব্যক্তিৰ মাজত থাকে তেন্তে সেইটো উভতি নাহিব, কাৰণ সি সত্য কথাই কৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চৰীয়তিভাৱে প্ৰমাণিত নোহোৱাকৈ কাৰোবাক ফাছিক্ব বা কুফৰৰ অপবাদ দিয়া হাৰাম।
2. মানুহৰ ওপৰত যিকোনো ৰায়দানৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰা আৰু তথ্য পৰীক্ষা কৰি কোৱা অনিবাৰ্য্য।
3. ইবনু দাক্বীকুল ঈদে কৈছেঃ এইটো এটা কঠিন সতৰ্কবাণী, যিয়ে কোনো এজন মুছলিমক কাফিৰ বুলি অপবাদ দিয়ে, অথচ সি কাফিৰ নহয়। এইটো এটা ডাঙৰ সমস্যা।
4. ইবনে হাজাৰ আল-আছক্বলানীয়ে কৈছে: কাকো 'ফাছিক' বুলি কোৱাৰ অৰ্থ এইটো নহয় যে তেওঁ সঁচাকৈ ফাছিক বা কাফিৰ। কিন্তু ইয়াৰ অৰ্থ এইটোও নহয় যে এনে কথা কোৱা ব্যক্তি গুনাহগাৰ নহয়। এই ক্ষেত্ৰত দুটা দিশ আছে: যদি তেওঁ এই কথা উপদেশৰ উদ্দেশ্যে কয় বা আনক সেই ব্যক্তিৰ অৱস্থাৰ পৰা সতৰ্ক কৰাৰ বাবে কয়, তেন্তে এইটো বৈধ। কিন্তু যদি তেওঁৰ উদ্দেশ্য সেই ব্যক্তিক বদনাম কৰা, অপমান কৰা, বা কষ্ট দিয়া হয়, তেন্তে এইটো হাৰাম। কাৰণ চৰীয়তি বিধান মতে, সেই ব্যক্তিৰ ভুল-ক্ৰটি গোপন ৰখা আৰু উত্তম পন্থাৰে তাক বুজাই দিয়া প্ৰয়োজন। যিহেতু ইয়াত নম্ৰতা আৰু ভদ্ৰতাৰ সৈতে সমাধান কৰাৰ উপায় আছে, তেনেক্ষেত্ৰত কঠোৰতা অৱলম্বন কৰা বৈধ নহয়। কাৰণ কঠোৰ মনোভাৱে সাধাৰণতে মানুহক সেই পাপত আৱদ্ধ কৰি ৰাখিবলৈ সুযোগ দিয়ে, বিশেষকৈ যেতিয়া হুকুম দিয়া ব্যক্তি গৰাকী, সেই ব্যক্তিৰ তুলনাত তলৰ পৰ্যায়ৰ হয়।

(8883)

(40) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**اثْنَتَانِ فِي النَّاسِ هُمَا بِهِمْ كُفْرٌ: الطَّعْنُ فِي النَّسَبِ، وَالنِّيَاحَةُ عَلَى الْمَيِّتِ**». [صحيح] - [رواه مسلم]

(40) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মানুহৰ মাজত পোৱা দুটা বস্তু কুফৰ হিচাপে বিবেচিতঃ বংশীয় ক্ষেত্ৰত কটাক্ষ কৰা, আৰু মৃত ব্যক্তিকলৈ বিলাপ কৰা।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মানুহৰ মাজত থকা দুটা স্বভাৱ সম্পৰ্কে উল্লেখ কৰিছে যে, সেই দুটা হৈছে কুফৰী আমল, তথা অজ্ঞতা যুগৰ চৰিত্ৰ। সেয়া হৈছেঃ

প্ৰথমঃ মানুহৰ বংশ গোত্ৰক হেও প্ৰতিপন্ন কৰা আৰু কটাক্ষ কৰা, লগতে বংশকলৈ অহংকাৰ কৰা।

দ্বিতীয়ঃ ভাগ্যৰ ওপৰত অসন্তুষ্ট হৈ বিপদ-আপদৰ সময়ত বিলাপ কৰা, অথবা তীব্ৰ শোকত কাপোৰ ফালি পেলোৱা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহৰ প্ৰতি অহংকাৰ নকৰিবলৈ আৰু বিনম্ৰতা অৱলম্বন কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. অসন্তুষ্ট নোহোৱাকৈ বিপদ-আপদত ধৈৰ্য্য ধাৰণ কৰা ওৱাজিব।
3. এইবোৰ কৰ্ম হৈছে সৰু কুফৰৰ অন্তৰ্ভুক্ত। ইয়াৰ ফলত ব্যক্তি কাফিৰ হৈ মিল্লাতৰ পৰা বহিষ্কৃত নহয়, যেতিয়ালৈকে সি ডাঙৰ কুফৰ নকৰিব।
4. ইছলামে প্ৰত্যেক এনেকুৱা বিষয়ৰ পৰা নিষেধ কৰিছে, যাৰ ফলত মুছলিমসকলৰ মাজত বিভেদ সৃষ্টি হয়, যেনে- কাৰোবাৰ বংশক কটাক্ষ কৰা আদি।

(6361)

(41) – عن أبي مَرْثَدٍ الغَنَوِيِّ رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «لَا تَجْلِسُوا عَلَى الْقُبُورِ، وَلَا تُصَلُّوا إِلَيْهَا». [صحيح] - [رواه مسلم]

(41) – আবু মাৰছাদ আল-গানাৱী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ কবৰৰ ওপৰত নবহিবা আৰু কবৰৰ ফালে মুখ কৰি নামাজ নপঢ়িবা। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কবৰৰ ওপৰত বহিবলৈ নিষেধ কৰিছে।

এইদৰে কবৰৰ ফালে মুখ কৰি নামাজ পঢ়িবলৈও নিষেধ কৰিছে, কাৰণ এইটো হৈছে শ্বিৰ্কত লিপ্ত হোৱাৰ অন্যতম এটা মাধ্যম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কবৰস্থানত অথবা কবৰসমূহৰ মাজত নাইবা কবৰৰ ফালে মুখ কৰি নামাজ পঢ়িবলৈ নিষেধ কৰা হৈছে। কিন্তু জানাজাৰ নামাজ এই নিষেধাজ্ঞাৰ অন্তৰ্ভুক্ত নহয়। এইটো হাদীছৰ দ্বাৰা প্ৰমাণিত।
2. শ্বিৰ্কৰ দুৱাৰ বন্ধ কৰাৰ উদ্দেশ্যে কবৰৰ ফালে মুখ কৰি নামাজ পঢ়িবলৈ নিষিদ্ধ কৰা হৈছে।
3. ইছলামে কবৰ সম্পৰ্কে অতিৰঞ্জিত কৰিবলৈ নিষেধ কৰিছে, লগতে কবৰক অপমান কৰিবলৈও নিষেধ কৰিছে। গতিকে এই ক্ষেত্ৰত সীমালংঘন কৰাও ঠিক নহয় আৰু অৱহেলা কৰাও ঠিক নহয়।

4. মুছলিমৰ সন্মান মৃত্যুৰ পিছতো অৱশিষ্ট থাকে। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছত কৈছেঃ "মৃত ব্যক্তিৰ হাড় ভঙাটো জীৱিত ব্যক্তিৰ হাড় ভঙাৰ দৰেই সমান।"

(10647)

(42) – عَنْ أَبِي طَلْحَةَ رَضِيَ اللَّهُ عَنْهُ عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لاَ تَدْخُلُ المَلاَئِكَةُ بَيْتًا فِيهِ كَلْبٌ وَلاَ صُورَةٌ». [صحيح] - [متفق عليه]

(42) – আবু ত্বালহা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ (ৰহমতৰ) ফিৰিস্তা সেই ঘৰত প্ৰৱেশ নকৰে, যি ঘৰত কুকুৰ আৰু (জীৱ-জন্তুৰ) ছবি আছে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, ৰহমতৰ ফিৰিস্তা সেই ঘৰত প্ৰৱেশ নকৰে, যি ঘৰত কুকুৰ আছে আৰু কোনো প্ৰাণীৰ ছবি আছে। ইয়াৰ কাৰণ হৈছে জীৱ-জন্তুৰ ছবি অংকন কৰাটো হৈছে এটা ভয়াৱহ গুনাহ। কাৰণ এইটো হৈছে আল্লাহৰ সৃষ্টিৰ অনুকৰণ, আৰু শ্বিৰ্কত পতিত হোৱাৰ অন্যতম এটা উপায়। আনকি কিছুমান ক্ষেত্ৰত আল্লাহৰ বাহিৰে এইবোৰক পূজা পাঠো কৰা হয়। কুকুৰ থকা ঘৰত ৰহমতৰ ফিৰিস্তা নহাৰ কাৰণ হৈছে, কুকুৰে বেছিভাগ অপৱিত্ৰ বস্তু ভক্ষণ। সেয়ে কিছুমানে কুকুৰক চয়তান বুলি মাতে। ফিৰিস্তা হৈছে চয়তানৰ পৰিপন্থী। কুকুৰৰ পৰা বেয়া গোন্ধ আহে, আৰু ফিৰিস্তাসকলে বেয়া গোন্ধক অপছন্দ কৰে, সেইকাৰণে কুকুৰ ৰাখিবলৈ নিষেধ কৰা হৈছে। সেয়ে কুকুৰ পোহা ব্যক্তিয়ে ৰহমতৰ ফিৰিস্তাৰ পৰা বঞ্চিত হয়, তাৰ ঘৰত ৰহমতৰ ফিৰিস্তা প্ৰৱেশ নকৰে। তাত ফিৰিস্তাসকলে দুআ নকৰে, তাৰ বাবে ক্ষমা প্ৰাৰ্থনা নকৰে, তাৰ ওপৰত আৰু তাৰ ঘৰত বৰকত নিদিয়ে আৰু চয়তানৰ অনিষ্টৰ পৰা দূৰ নকৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কুকুৰ পোহ পাল কৰা হাৰাম, কিন্তু বিশেষ প্ৰয়োজনত ৰাখিব পাৰে, যেনে- চিকাৰ কৰিবলৈ, অথবা ঘৰচীয়া জন্তুৰ জাকক সুৰক্ষা দিবলৈ আৰু খেতিৰ কামত ব্যৱহাৰ কৰিবলৈ।
2. ছবি ৰখাটো হৈছে এটা মহা পাপ, ইয়াৰ ফলত ৰহমতৰ ফিৰিস্তা আঁতৰি যায়। এনেকুৱা ছবি ঘৰত থাকিলে সেই ঘৰ ৰহমতৰ পৰা বঞ্চিত হয়। উদাহৰণস্বৰূপে কুকুৰ।
3. ঘৰত কুকুৰ আৰু জীৱ-জন্তুৰ ছবি থাকিলে ফিৰিস্তা প্ৰৱেশ নকৰে, ইয়াৰ দ্বাৰা ৰহমতৰ ফিৰিস্তাক বুজোৱা হৈছে। আনহাতে যিসকল ফিৰিস্তাক নিৰ্দিষ্ট দায়িত্ব দিয়া হৈছে, যেনে- মৃত্যুৰ ফিৰিস্তা আদি, তেওঁলোকে প্ৰত্যেক ঘৰতে প্ৰৱেশ কৰে।
4. দেৱাল আদিত প্ৰাণীৰ ছবি আঁৰি থোৱা হাৰাম।
5. খাত্তাবী ৰাহিমাহুল্লাহে কৈছেঃ যি ঘৰত কুকুৰ আৰু প্ৰাণীৰ ছবি থাকে তাত ফিৰিস্তা প্ৰৱেশ নকৰে, কাৰণ কুকুৰ আৰু প্ৰাণীৰ ছবি ৰখা হাৰাম। কিন্তু যিটো হাৰাম নহয় যেনে- চিকাৰী কুকুৰ, খেতিত ব্যৱহাৰ কৰা কুকুৰ, ঘৰচীয়া জন্তুৰ চোৱাচিতা কৰা কুকুৰ আৰু এনেকুৱা ছবি যিটো কাৰ্পেট আৰু গাৰু আদিত ব্যৱহাৰ হয় তাত কোনো অসুবিধা নাই। ইয়াৰ ফলত ফিৰিস্তাসকলৰ প্ৰৱেশত কোনো বাধা নাই।

(8950)

(43) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لَا تَصْحَبُ الْمَلَائِكَةُ رُفْقَةً فِيهَا كَلْبٌ وَلَا جَرَسٌ». [صحيح] - [رواه مسلم]

(43) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "(ৰহমতৰ) ফিৰিস্তাহ সেই ভ্ৰমণকাৰী দলৰ সৈতে নাথাকে যিসকলৰ লগত কুকুৰ আৰু ঘণ্টা থাকে।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, ৰহমতৰ ফিৰিস্তা সেইসকল ভ্ৰমণকাৰী লোকৰ সৈতে নাথাকে যিসকলে ভ্ৰমণকালত নিজৰ সৈতে কুকুৰ আৰু ঘণ্টা লৈ যায়। ঘণ্টা সিহঁতে সিহঁতৰ লগত থকা জন্তুবোৰৰ ডিঙিত ওলমাই দিয়ে যাতে খোঁজকাঢ়িলে শব্দ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কুকুৰ ৰাখিবলৈ তথা পালিবলৈ নিষেধ কৰা হৈছে। আনহাতে চিকাৰ কৰাৰ বাবে বা পহৰাৰ বাবে কুকুৰ ৰখাত কোনো বাধা নাই।
2. এই সময়ত কেৱল ৰহমতৰ ফিৰিস্তাহে লগত নাথাকে। আনহাতে সংৰক্ষণকাৰী ফিৰিস্তাসকলে কেতিয়াও বান্দাৰ লগ নেৰে, স্ব-স্থানতে হওক বা ভ্ৰমণ অৱস্থাতে হওক।
3. ঘণ্টা নিষেধ কৰাৰ কাৰণ হৈছে, ঘণ্টা হৈছে চয়তানৰ এটা বাধ্যযন্ত্ৰ। লগতে ইয়াৰ সৈতে খ্ৰীষ্টানসকলৰ ঘণ্টাৰ সাদৃশ্য আছে।
4. প্ৰতিজন মুছলিমে এনেকুৱা সকলো কামৰ পৰা নিজকে আঁতৰাই ৰখা উচিত যিটো কৰিলে ফিৰিস্তাসকল আঁতৰি যায়।

(8951)

(44) – عَن أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**يَأْتِي الشَّيْطَانُ أَحَدَكُمْ فَيَقُولُ: مَنْ خَلَقَ كَذَا؟ مَنْ خَلَقَ كَذَا؟ حَتَّى يَقُولَ: مَنْ خَلَقَ رَبَّكَ؟ فَإِذَا بَلَغَهُ فَلْيَسْتَعِذْ بِاللَّهِ وَلْيَنْتَهِ**». [صحيح] - [متفق عليه]

(44) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ চয়তান তোমালোকৰ ওচৰলৈ আহি কুমন্ত্ৰণা দি কয় যে, এইটো কোনে সৃষ্টি কৰিছে? সেইটো কোনে সৃষ্টি কৰিছে? অৱশেষত কয় যে, তোমাৰ প্ৰতিপালকক কোনে সৃষ্টি কৰিছে? যদি এনেকুৱা কোনো কথা কাৰো মনত উদ্ভৱ হয় তেন্তে সি আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰা উচিত, আৰু এনেকুৱা চিন্তাৰ পৰা বিৰত থকা উচিত। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মুমিনৰ অন্তৰত চয়তানে দিয়া কুমন্ত্ৰণাৰ উপকাৰী চিকিৎসা হৈছে জ্ঞানীসকলৰ ওচৰত সোধ-পোচ কৰা। চয়তানে কুমন্ত্ৰণা দি কয়ঃ এইটো কোনে সৃষ্টি কৰিছে? সেইটো কোনে সৃষ্টি কৰিছে? আকাশ কোনে সৃষ্টি কৰিছে? পৃথিৱী কোনে সৃষ্টি কৰিছে? দ্বীন, ফিতৰত আৰু বিবেক অনুসৰি এজন মুমিন ব্যক্তিয়ে ইয়াৰ উত্তৰ দিয়ে যে, এইবোৰক আল্লাহে সৃষ্টি কৰিছে। কিন্তু চয়তানে এইখিনিতে পিছ নেৰে, বৰং আৰু এখোঁজ আগুৱাই গৈ কয়ঃ তোমাৰ প্ৰতিপালকক কোনে সৃষ্টি কৰিছে? মুমিন ব্যক্তিয়ে এনেকুৱা কুমন্ত্ৰণাক তিনিটা উপায়েৰে মুকাবিলা কৰে।

আল্লাহৰ প্ৰতি দৃঢ় ঈমান পোষণ কৰি।

ইয়াৰ পিছত চয়তানৰ কুমন্ত্ৰণাৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰি।

লগতে এনেকুৱা কুমন্ত্ৰণা মনত অহাৰ লগে লগে সেইটোক তৎক্ষণাত বন্ধ কৰি দিয়াৰ মাধ্যমেৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চয়তানৰ কুমন্ত্ৰণা আৰু ইয়াৰ ক্ষয়-ক্ষতিৰ পৰা আঁতৰি থাকিবলৈ কোৱা হৈছে, লগতে এনেকুৱা চিন্তা মনলৈ অহাৰ লগে লগে সেইটো বন্ধ কৰাৰ নিৰ্দেশনা দিয়া হৈছে। লগতে এনেকুৱা চিন্তা ধাৰাক দূৰ কৰিবলৈ আল্লাহৰ ওচৰত মিনতি কৰাৰ কথা কোৱা হৈছে।
2. মানুহৰ মনত চৰীয়ত বিৰোধী যি অছৱাছাই সৃষ্টি হয় সেইটোৱে হৈছে চয়তানৰ কুমন্ত্ৰণা।
3. আল্লাহৰ সত্ত্বা সম্পৰ্কে চিন্তা চৰ্চা কৰিবলৈ নিষেধ কৰা হৈছে। বৰং তেওঁৰ সৃষ্টিজগত আৰু তেওঁৰ নিদৰ্শনসমূহকলৈ চিন্তা চৰ্চা কৰিবলৈহে উৎসাহিত কৰা হৈছে।

(65013)

(45) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «إِنَّ اللَّهَ قَالَ: مَنْ عَادَى لِي وَلِيًّا فَقَدْ آذَنْتُهُ بِالحَرْبِ، وَمَا تَقَرَّبَ إِلَيَّ عَبْدِي بِشَيْءٍ أَحَبَّ إِلَيَّ مِمَّا افْتَرَضْتُ عَلَيْهِ، وَمَا يَزَالُ عَبْدِي يَتَقَرَّبُ إِلَيَّ بِالنَّوَافِلِ حَتَّى أُحِبَّهُ، فَإِذَا أَحْبَبْتُهُ: كُنْتُ سَمْعَهُ الَّذِي يَسْمَعُ بِهِ، وَبَصَرَهُ الَّذِي يُبْصِرُ بِهِ، وَيَدَهُ الَّتِي يَبْطِشُ بِهَا، وَرِجْلَهُ الَّتِي يَمْشِي بِهَا، وَإِنْ سَأَلَنِي لَأُعْطِيَنَّهُ، وَلَئِنِ اسْتَعَاذَنِي لَأُعِيذَنَّهُ، وَمَا تَرَدَّدْتُ عَنْ شَيْءٍ أَنَا فَاعِلُهُ تَرَدُّدِي عَنْ نَفْسِ المُؤْمِنِ، يَكْرَهُ المَوْتَ وَأَنَا أَكْرَهُ مَسَاءَتَهُ». [صحيح] - [رواه البخاري]

(45) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মহান আল্লাহে কৈছেঃ যিয়ে মোৰ অলীৰ সৈতে শত্ৰুতা পোষণ কৰিব, মই তাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছোঁ। মোৰ বান্দাই মোৰ নৈকট্য লাভ কৰিবলৈ যি যি কৰে, তাৰ ভিতৰত আটাইতকৈ মোৰ প্ৰিয় কামবোৰ হৈছে সেইবোৰ, যিবোৰ মই তাৰ ওপৰত ফৰজ কৰিছোঁ। মোৰ বান্দাই নফল আমলৰ দ্বাৰা মোৰ নৈকট্য লাভ কৰাৰ প্ৰয়াস কৰিয়ে থাকে, অৱশেষত মই তাক মুহাব্বত কৰোঁ। যেতিয়া মই তাক মুহাব্বত কৰিবলৈ লওঁ, তেতিয়া মই তাৰ কাণ হৈ যাওঁ, যাৰ দ্বাৰা সি শুনে। চকু হৈ যাওঁ, যাৰ দ্বাৰা সি দেখা পায়। হাত হৈ যাওঁ, যাৰ দ্বাৰা সি ধৰে। ভৰি হৈ যাওঁ, যাৰ দ্বাৰা সি খোজকাঢ়ে। যেতিয়া সি মোৰ ওচৰত কিবা বিচাৰে, মই তাক নিশ্চয় প্ৰদান কৰোঁ। এইদৰে কোনো বস্তুৰ পৰা মোৰ ওচৰত আশ্ৰয় বিচাৰে, অৱশ্যেই মই তাক আশ্ৰয় প্ৰদান কৰোঁ। মই বেলেগ কোনো কামতে কেতিয়াও দ্বিধাবোধ নকৰোঁ কিন্তু মুমিনৰ প্ৰাণ হৰণত কৰাত মই দ্বিধাবোধ কৰোঁ। সি মৃত্যুক অপছন্দ কৰে আৰু মই তাক কষ্ট দিবলৈ অপছন্দ কৰোঁ।" [ছহীহ] - [(বুখাৰী)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, হাদীছে কুদছীত মহান আল্লাহে কৈছেঃ যিয়ে মোৰ কোনো প্ৰিয়জনক ৰাগান্বিত কৰিব তথা

তেওঁৰ সৈতে শত্ৰুতা পোষণ কৰিব, তাৰ বিৰুদ্ধে মই মোৰ শত্ৰুতা আৰু যুদ্ধ ঘোষণা কৰিছোঁ।

অলী হৈছেঃ পৰহেজগাৰ মুমিন ব্যক্তি। বান্দা ঈমান আৰু তাক্বৱাৰ ক্ষেত্ৰত যিমান গভীৰতা লাভ কৰিব, তেওঁ আল্লাহৰ সিমানেই প্ৰিয়পাত্ৰ হ'ব। মুছলিমে আল্লাহৰ নৈকট্য অৱলম্বন কৰিবলৈ প্ৰয়াস কৰা সকলো আমলৰ ভিতৰত আল্লাহৰ দৃষ্টিত আটাইতকৈ প্ৰিয় আমলটো হৈছে তেওঁ ফৰজ কৰা নেক আমলসমূহ পালন কৰা আৰু তেওঁৰ নিষেধকৃত বস্তুবোৰৰ পৰা আঁতৰি থকা। ফৰজৰ লগতে নফলসমূহ নিয়মিতভাৱে আদায় কৰি যিয়ে আাল্লাহৰ নৈকট্য অন্বেষণ কৰে, তাক আল্লাহে মুহাব্বত কৰে। যেতিয়া আল্লাহে তাক মুহাব্বত কৰে, তেতিয়া তাৰ চাৰিটা অংগক আল্লাহে গুনাহৰ পৰা সুৰক্ষিত ৰাখে।

শ্ৰৱণশক্তিক সঠিকভাৱে পৰিচালিত কৰে, ফলত তেওঁ কেৱল সেই কথাই শুনে যিটোৰ দ্বাৰা আল্লাহ সন্তুষ্ট হয়।

তেওঁৰ দৃষ্টিশক্তিক সঠিকভাৱে পৰিচালিত কৰে, ফলত তেওঁ কেৱল সেইটোৱে দেখে যিটোক আল্লাহে পছন্দ কৰে আৰু সন্তুষ্ট হয়।

তাৰ হাতক সঠিকভাৱে পৰিচালিত কৰে, ফলত তেওঁ কেৱল সেই কামেই কৰে যিটোৰ দ্বাৰা আল্লাহ সন্তুষ্ট হয়।

তাৰ ভৰিক সঠিকভাৱে পৰিচালিত কৰে, ফলত তেওঁ কেৱল সেই কামৰ বাবেই খোজকাঢ়ে যিটোক আল্লাহে পছন্দ কৰে, কল্যাণৰ বাহিৰে বেলেগ কোনো কাম কৰিবলৈ চেষ্টা নকৰে।

ইয়াৰ ওপৰিও তেওঁ যদি আল্লাহৰ ওচৰত কিবা বিচাৰে তেন্তে আল্লাহে তেওঁক সেইটো প্ৰদান কৰে। ফলত তেওঁৰ দুআ কবূল কৰা হয়। এইদৰে যেতিয়া তেওঁ আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰে, তেতিয়া আল্লাহে তেওঁক হিফাজত কৰে আৰু আশ্ৰয় দিয়ে যিটোৰ পৰা তেওঁ আশ্ৰয় বিচাৰে।

ইয়াৰ পিছত মহান আল্লাহে কৈছেঃ মই বেলেগ কোনো কামতে দ্বিধাবোধ নকৰোঁ, কেৱল মুমিনৰ প্ৰাণ হৰণ কৰাৰ সময়ত তাৰ প্ৰতি

পুতৌ জন্মে সেয়ে দ্বিধাবোধ কৰোঁ। কাৰণ মুমিনে মৃত্যু যন্ত্ৰণাক অপছন্দ কৰে। ইপিনে আল্লাহে মুমিনক কষ্ট দিবলৈ অপছন্দ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটোক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ প্ৰতিপালকৰ পৰা বৰ্ণনা কৰিছে, এনেকুৱা হাদীছক হাদীছে কুদছী বা হাদীছে ইলাহী বোলে। যি হাদীছৰ শব্দ আৰু অৰ্থ আল্লাহৰ পৰা অৱতীৰ্ণ। কিন্তু ইয়াৰ ভিতৰত কোৰআনৰ কোনো বিশেষত্ব নাই, যিবোৰ বিশেষত্ব একমাত্ৰ কোৰআনৰ বাবেই নিৰ্দিষ্ট। যেনে- কোৰআন তিলাৱত কৰিলে ছোৱাব পোৱা যায়, পৱিত্ৰ হৈ স্পৰ্শ কৰিব লাগে, কোৰআনৰ দ্বাৰা প্ৰত্যাহ্বান জনোৱা হৈছে, লগতে কোৰআনৰ মাজত আছে বহুতো অলৌকিকতা, ইত্যাদি।
2. হাদীছটোত আল্লাহৰ অলীসকলক কষ্ট দিবলৈ নিষেধ কৰা হৈছে, আৰু তেওঁলোকক মুহাব্বত কৰিবলৈ উৎসাহিত কৰা হৈছে। লগতে তেওঁলোকৰ মৰ্যাদাক স্বীকাৰ কৰিবলৈ কৈছে।
3. আল্লাহৰ শত্ৰুসকলৰ সৈতে বিদ্বেষ পোষণ কৰিবলৈ নিৰ্দেশ দিছে আৰু সিহঁতৰ সৈতে বন্ধুত্ব ৰাখিবলৈ নিষেধ কৰিছে।
4. আল্লাহৰ চৰীয়ত অনুসৰণ নকৰাকৈ যিয়ে নিজকে আল্লাহৰ অলী বুলি দাবী কৰে, সি হৈছে চৰম মিছলীয়া।
5. ওৱাজিবসমূহ পালন কৰিলে আৰু হাৰাম কামৰ পৰা বিৰত থাকিলেহে আল্লাহৰ ৱিলায়ত লাভ হয়।
6. ওৱাজিবসমূহ পালন কৰিলে  আৰু হাৰাম কামৰ পৰা বিৰত থাকিলে আল্লাহে দুআ কবূল কৰে আৰু তাক মুহাব্বত কৰে।
7. অলীসকলৰ সন্মান আৰু তেওঁলোকৰ সুউচ্চ মৰ্যাদাৰ প্ৰতি ইংগিত কৰা হৈছে।

(6337)

(46) – عن العِرْباضِ بن سارِيَةَ رضي الله عنه قال: قام فينا رسول الله صلى الله عليه وسلم ذات يوم، فوَعَظَنا مَوعظةً بليغةً وَجِلتْ منها القلوبُ، وذَرَفتْ منها العيونُ، فقيل: يا رسول الله، وعظتَنَا موعظةَ مُودِّعٍ فاعهد إلينا بعهد. فقال: «**عليكم بتقوى الله، والسمع والطاعة، وإن عبدًا حبشيًّا، وسترون من بعدي اختلافًا شديدًا، فعليكم بسنتي وسنة الخلفاء الراشدين المهديين، عَضُّوا عليها بالنواجِذ، وإياكم والأمور المحدثات، فإن كل بدعة ضلالة**». [صحيح] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(46) – ইৰবাজ বিন ছাৰিয়া ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এদিনাখন ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম আমাৰ মাজত থিয় হৈ গাম্ভীৰ্যপূৰ্ণ হৃদয়গ্ৰাহী ভাষণ দিলে, যাৰ ফলত অন্তৰ কঁপি উঠিল আৰু চকুত চকুলো আহি গ'ল। এজনে সুধিলে, হে আল্লাহৰ ৰাছুল! এই ভাষণ দেখোন বিদায়ী ভাষণৰ নিচিনা। গতিকে আমাক কিবা উপদেশ দিয়ক। তেখেতে ক'লেঃ "মই তোমালোকক আল্লাহৰ তাক্বৱা অৱলম্বন কৰিবলৈ আৰু (নেতৃবৃন্দৰ) কথা শুনিবলৈ আৰু মানিবলৈ উপদেশ দিলোঁ, যদিও তেওঁ (সেই নেতা) হাবশ্বী ক্ৰীতদাসে নহওক কিয়। মোৰ (মৃত্যুৰ) পিছত তোমালোকে অত্যন্ত মতভেদ দেখিবলৈ পাবা। গতিকে সেই সময়ত তোমালোকে মোৰ ছুন্নতক আৰু মোৰ খুলাফায়ে ৰাশ্বিদীনৰ ছুন্নতক মজবুতভাৱে ধাৰণ কৰি তাৰ ওপৰত অবিচল থাকিবা। তোমালোকে এইবোৰ ছুন্নতক দাঁতেৰে খামুচি ধৰাৰ দৰে খামুচি ধৰিবা, লগতে (দ্বীনৰ ক্ষেত্ৰত) নতুনত্বৰৰ পৰা বিৰত থাকিবা, কাৰণ প্ৰত্যেক বিদআতেই হৈছে পথভ্ৰষ্টতা।" [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক সম্বোধন কৰি এটা গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰিলে, ফলত চাহাবাসকলৰ অন্তৰ ভীত-সন্ত্ৰস্থ

হৈ পৰিল আৰু চকু অশ্ৰুসিক্ত হৈ পৰিল। তেওঁলোকে ক'লেঃ হে আল্লাহৰ ৰাছুল! এইটো যেনিবা বিদায়ী ভাষণ, দৰাচলতে তেওঁলোকে ভাষণৰ গুৰুত্ব বুজি এই কথাষাৰ কৈছিল। সেয়ে তেওঁলোকে উপদেশ বিচাৰি আবেদন কৰিলে যাতে তেখেতৰ (মৃত্যুৰ) পিছত সেইমতে জীৱন-যাপন কৰিব পাৰে। তেখেতে ক'লেঃ মই তোমালোকক সৰ্বশক্তিমান আল্লাহৰ তাক্বৱা অৱলম্বন কৰিববৈলে উপদেশ দিওঁ। এই তাক্বৱা অৰ্জন হ'ব তেওঁৰ ওৱাজিবাতসমূহ পালন কৰিলে আৰু তেওঁৰ নিষেধকৃত বস্তুসমূহৰ পৰা বিৰত থাকিলে। শ্ৰৱণ কৰা আৰু আনুগত্য কৰা, অৰ্থাৎ শাসকসকলৰ। যদি কোনো ক্ৰীতদাসেও তোমালোকৰ ওপৰত শাসন কৰে বা ৰাজত্ব কৰে অৰ্থাৎ তোমালোকৰ মাজৰ নিম্ন মানৰ ব্যক্তিও যদি তোমালোকৰ আমীৰ হয় তথাপিও তোমালোকে তেওঁৰ আনুগত্য কৰাত দ্বিধাবোধ নকৰিবা আৰু তেওঁৰ কথা মানি চলিবা, যাতে ফিতনা-ফাছাদ সৃষ্টি নহয়। কাৰণ মোৰ পিছত তোমালোকৰ মাজৰ যিসকলে জীয়াই থাকিব তেওঁলোকে অত্যন্ত মতভেদ দেখিববৈলে পাব। এইখিনি কথা কোৱাৰ পিছত তেখেতে সেই মতভেদৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায়ো বৰ্ণনা কৰিছে। অৰ্থাৎ তেখেতৰ আৰু খুলাফায়ে ৰাশ্বিদীনৰ ছুন্নতক খামুচি ধৰি ৰাখিববৈলে নিৰ্দেশ দিছে। খুলাফায়ে ৰাশ্বিদীন অৰ্থাৎ আবু বকৰ চিদ্দীক্ব, ওমৰ ইবনুল খাত্তাব, উছমান বিন আফ্ফান, আলী ইবনে আবি তালিব ৰাদ্বিয়াল্লাহু আনহুম আজমাঈন। আনকি পেষক দাঁতেৰে সেই ছুন্নতক মজবুতভাৱে ধাৰণ কৰাৰ নিৰ্দেশনা দিছে। লগতে তেখেতে তেওঁলোকক ধৰ্মীয় ক্ষেত্ৰত নতুনত্বৰ (বিদআত)ৰ পৰা সাৱধান কৰিছে। কিয়নো ধৰ্মীয় ক্ষেত্ৰত সকলো প্ৰকাৰ বিদআতেই হৈছে পথভ্ৰষ্টতা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ছুন্নতক মজবুতভাৱে ধাৰণ কৰা আৰু ইয়াক অনুসৰণ কৰাৰ গুৰুত্ব।
2. ওৱাজ নচীহতৰ প্ৰতি মনোযোগ দিয়া আৰু অন্তৰ কোমল হোৱা।

3. তেখেতৰ মৃত্যুৰ পিছত চাৰি খুলাফায়ে ৰাশ্বিদীনৰ অনুসৰণ কৰাৰ নিৰ্দেশ দিছে। তেওঁলোক হৈছে, আবু বকৰ, ওমৰ, উছমান আৰু আলী ৰাদ্বিয়াল্লাহু আনহুম।
4. ধৰ্মত নতুনত্বৰ সৃষ্টি কৰিবলৈ নিষেধ কৰিছে। কাৰণ ধৰ্মীয় প্ৰতিটো বিদআতেই হৈছে পথভ্ৰষ্টতা।
5. গুনাহ ব্যতীত আমীৰৰ সকলো নিৰ্দেশনা মানি চলিবলৈ গুৰুত্বাৰোপ কৰিছে।
6. সকলো সময়তে আৰু সকলো অৱস্থাতে সৰ্বশক্তিমান আল্লাহৰ তাক্বৱা অৱলম্বন কৰিবলৈ গুৰুত্ব প্ৰদান কৰিছে।
7. এই উম্মতত ইখতিলাফ হোৱাটো নিশ্চিত, কিন্তু ইখতিলাফৰ সময়ত ছুন্নতে ৰাছুল আৰু খুলাফায়ে ৰাশ্বিদীনৰ ছুন্নতৰ প্ৰতি প্ৰত্যাৱৰ্তন কৰা অনিবাৰ্য।

(65057)

(47) – عن أبي هريرة رضي الله عنه عن النبي صلى الله عليه وسلم أنه قال: «مَنْ خَرَجَ مِنَ الطَّاعَةِ، وَفَارَقَ الْجَمَاعَةَ فَمَاتَ، مَاتَ مِيتَةً جَاهِلِيَّةً، وَمَنْ قَاتَلَ تَحْتَ رَايَةٍ عِمِّيَّةٍ، يَغْضَبُ لِعَصَبَةٍ، أَوْ يَدْعُو إِلَى عَصَبَةٍ، أَوْ يَنْصُرُ عَصَبَةً، فَقُتِلَ، فَقِتْلَةٌ جَاهِلِيَّةٌ، وَمَنْ خَرَجَ عَلَى أُمَّتِي، يَضْرِبُ بَرَّهَا وَفَاجِرَهَا، وَلَا يَتَحَاشَى مِنْ مُؤْمِنِهَا، وَلَا يَفِي لِذِي عَهْدٍ عَهْدَهُ، فَلَيْسَ مِنِّي وَلَسْتُ مِنْهُ». [صحيح] - [رواه مسلم]

(47) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, “যি ব্যক্তি আনুগত্যৰ পৰা ওলাই গৈছে আৰু জামাতৰ পৰা বিচ্ছিন্ন হৈ মৃত্যুবৰণ কৰিছে, সি প্ৰকৃততে জাহিলি অৱস্থাত মৃত্যুবৰণ কৰিছে। এইদৰে যি ব্যক্তিয়ে অন্ধভক্তিৰ পতাকাৰ তলত গোড়ামীৰ বশৱৰ্তী হৈ জাতিগত কাৰণত যুদ্ধ কৰে অথবা জাতীয়তাবাদৰ পিনে আহ্বান কৰে অথবা জাতীয়তাক সহায় কৰা অৱস্থাত নিহত হয়, সেই ব্যক্তিয়েও জাহিলি মৃত্যুবৰণ কৰে। এইদৰে যি ব্যক্তিয়ে মোৰ উম্মতৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰে আৰু তেওঁলোকৰ মাজৰ ভাল বেয়া সকলো লোককে হত্যা কৰে, মুমিন ব্যক্তিৰ প্ৰতিও কোনো ভ্ৰূক্ষেপ নকৰে আৰু প্ৰতিশ্ৰুতি দিয়া লোকৰ প্ৰতিশ্ৰুতিও পূৰণ নকৰে। সি মোৰ অন্তৰ্ভুক্ত নহয় আৰু তাৰ লগত মোৰো কোনো সম্পৰ্ক নাই”। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, যিয়ে ৰাষ্ট্ৰপ্ৰধানৰ আনুগত্যৰ পৰা ওলাই যাব তথা সৰ্বসন্মতিক্ৰমে ৰাষ্ট্ৰনেতাৰ বাইআত গ্ৰহণ কৰা ইছলামিক জামাত ত্যাগ কৰিব, যদি এনেকুৱা ব্যক্তিৰ সেই অৱস্থাতে মৃত্যু হয় অৰ্থাৎ জামাত পৰিত্যাগ কৰা অৱস্থাত তথা আনুগত্য নকৰা অৱস্থাত মৃত্যু হয় তেন্তে সি জাহেলী অৱস্থাত মৃত্যুবৰণ কৰিলে, কাৰণ জাহেলী যুগত লোকসকলে আমীৰৰ আনুগত্য কৰা নাছিল আৰু জামাতবদ্ধও নাছিল, বৰং সিহঁত বিভিন্ন

ফিৰ্কা আৰু শিবিৰত গোট খাইছিল, যিসকলে ইজনে সিজনৰ সৈতে যুদ্ধ কৰিছিল।

. এইদৰে যি ব্যক্তিয়ে এনেকুৱা পতাকাৰ নেতৃত্বত যুদ্ধ কৰে য'ত সত্য অসত্যৰ মাজত কোনো পাৰ্থক্য নাই, অৰ্থাৎ যিয়ে কেৱল জাতীয়তাবাদ বা বংশৰ কাৰণে ক্ৰোধ প্ৰদৰ্শন কৰে, দ্বীন আৰু সত্যৰ কাৰণে নহয়। ফলত সি নিজৰ চাহিদা পূৰণৰ বাবে তথা আক্ৰোশ দমন কৰিবলৈ সঁচা মিছা পাৰ্থক্য নকৰাকৈ যুদ্ধ কৰে। এই অৱস্থাতে যদি সি নিহত হয় তেন্তে সি জাহেলী অৱস্থাত মৃত্যুবৰণ কৰিব।

এইদৰে যিয়ে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ উম্মতৰ পৰা বিদ্ৰোহ কৰি উম্মতৰ ভাল বেয়া লোকসকলক হত্যা কৰে, কোনে কি কৰে তাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰে, আনকি মুমিন ব্যক্তিক হত্যা কৰাৰ ক্ষেত্ৰতো অকণো কুণ্ঠাবোধ নকৰে আৰু ইয়াৰ শাস্তিৰ পৰাও ভয় নকৰে। এইদৰে অংগীকাৰ কৰা লোকসকলৰ সৈতে অংগীকাৰো পূৰণ নকৰে, এইটো হৈছে কাবীৰাহ গুনাহ তথা মহা পাপ। গতিকে যিয়েই এনেকুৱা কাম কৰিব সিয়েই এই কঠিন সতৰ্কবাণীৰ আওতাত পৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ অবাধ্যতা নকৰাকৈ শাসকৰ আনুগত্য কৰা ওৱাজিব।
2. এই হাদীছটোত কঠিন সতৰ্কবাণী আছে সেই ব্যক্তিৰ বাবে যিয়ে মুছলিমসকলৰ পৰা ওলাই যায় আৰু ইমামৰ আনুগত্যক নসাৎ কৰে আৰু মুছলিমসকলৰ জামাত ত্যাগ কৰে। যদি সেই ব্যক্তি এই অৱস্থাতে মৃত্যুবৰণ কৰে তেন্তে সি জাহিলি অৱস্থাত মৃত্যুবৰণ কৰিব।
3. হাদীছটোত জাতীয়তাবাদৰ পক্ষ অৱলম্বন কৰি যুদ্ধ কৰিবলৈ নিষেধ কৰা হৈছে।
4. অংগীকাৰ তথা প্ৰতিশ্ৰুতি পূৰণ কৰা ওৱাজিব।

5. আনুগত্য কৰা আৰু জামাতবদ্ধ হৈ থকাৰ মাজত আছে অসংখ্য কল্যাণ, নিৰাপত্তা, শান্তি তথা অৱস্থাৰ সংশোধন।
6. ইয়াৰ দ্বাৰা জাহেলী যুগৰ অৱস্থাৰ সাদৃশ্য গ্ৰহণ কৰিবলৈ নিষেধ কৰা হৈছে।
7. মুছলিমসকলৰ জামাতক মজবুতভাৱে ধাৰণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

(58218)

(48) – عن مَعقِلِ بن يَسار المُزَنِيِّ رضي الله عنه قال: إني سمعت رسول الله صلى الله عليه وسلم يقول: «مَا مِنْ عَبْدٍ يَسْتَرْعِيهِ اللهُ رَعِيَّةً، يَمُوتُ يَوْمَ يَمُوتُ وَهُوَ غَاشٌّ لِرَعِيَّتِهِ، إِلَّا حَرَّمَ اللهُ عَلَيْهِ الْجَنَّةَ». [صحيح] - [متفق عليه]

(48) – মা'কিল বিন এছাৰ আল-মুঝানী ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে মই ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামৰ শুনিছোঁ তেখেতে কৈছেঃ "যিজন বান্দাক আল্লাহে জন সাধাৰণৰ ওপৰত কৰ্তৃত্ব অৰ্পন কৰে; কিন্তু সি মৃত্যুৰ সময়ত প্ৰজাৰ প্ৰতি প্ৰতাৰণা কৰা অৱস্থাত মৃত্যুবৰণ কৰে, তেনেকুৱা ব্যক্তিৰ বাবে আল্লাহে জান্নাত হাৰাম কৰি দিছে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, প্ৰতিজন দায়িত্বশীল ব্যক্তি, যাক মানুহৰ দায়িত্ব অৰ্পন কৰা হৈছে, সেয়া ৰাষ্ট্ৰৰ দায়িত্ব হওক বা নিজৰ পৰিয়ালৰ দায়িত্ব, যদি সি নিজৰ দায়িত্বত গাফিলতি কৰে আৰু প্ৰতাৰণা কৰে তথা সিহঁতৰ প্ৰতি শুভাকাংক্ষী নহয়, তেন্তে সি দ্বীন আৰু দুনিয়া উভয় অধিকাৰ খৰ্ব কৰে, আৰু সি কঠোৰ শাস্তিৰ যোগ্য হৈ পৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই শাস্তিৰ সতৰ্কবাণী কেৱল ৰাষ্ট্ৰ প্ৰধান আৰু তেওঁৰ প্ৰতিনিধিসকলৰ বাবেই নিৰ্দিষ্ট নহয়; বৰং আল্লাহে যি ব্যক্তিকেই জনগণৰ দায়িত্বভাৰ অৰ্পন কৰে, সেই সকলো লোকেই ইয়াৰ অন্তৰ্ভুক্ত।
2. গতিকে যিয়েই মুছলিমসকলৰ দায়িত্বভাৰ গ্ৰহণ কৰিব, তেৱেঁই তেওঁলোকৰ শুভাকাংক্ষী হোৱাটো অনিবাৰ্য। তেওঁলোকৰ আমানত সঠিকভাৱে আদায় কৰিবলৈ চেষ্টা কৰা আৰু খিয়ানত তথা বিশ্বাসঘাতকতা কৰাৰ পৰা সাৱধান হোৱা উচিত।
3. সাধাৰণ বা বিশেষ, সৰু বা ডাঙৰ ৰাজহুৱা যিকোনো ধৰণৰ দায়িত্বভাৰ গ্ৰহণ কৰাটো হৈছে এটা গুৰু দায়িত্ব।

(5335)

(49) – عَنْ أُمِّ سَلَمَةَ أُمِّ المُؤمنين رضي الله عنها: أَنَّ رَسُولَ اللهِ صلى الله عليه وسلم قَالَ: «سَتَكُونُ أُمَرَاءُ فَتَعْرِفُونَ وَتُنْكِرُونَ، فَمَنْ عَرَفَ بَرِئَ، وَمَنْ أَنْكَرَ سَلِمَ، وَلَكِنْ مَنْ رَضِيَ وَتَابَعَ» قَالُوا: أَفَلَا نُقَاتِلُهُمْ؟ قَالَ: «لَا، مَا صَلَّوْا». [صحيح] - [رواه مسلم]

(49) – উম্মে ছালামাহ উম্মুল মুমিনীন -ৰাদ্বিয়াল্লাহু আনহা-ৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “অদূৰ ভৱিষ্যতত তোমালোকৰ ওপৰত এনেকুৱা শাসকবৃন্দ নিয়োগ কৰা হ’ব, যিসকলৰ (কিছুমান কাম) তোমালোকে ভাল দেখিবলৈ পাবা আৰু (কিছুমান কাম) গৰ্হিত দেখিবলৈ পাবা। এতেকে যিয়ে (সিহঁতৰ গৰ্হিত কৰ্মক) ঘৃণা কৰিব, তেওঁ দায়মুক্ত হৈ যাব, আৰু যিয়ে আপত্তি তথা প্ৰতিবাদ জনাব, সেই ব্যক্তিও পৰিত্ৰাণ পাই যাব। কিন্তু যিয়ে (এইবোৰ কৰ্মত) সন্মত হ’ব আৰু সিহঁতক অনুসৰণ কৰিব (সি ধ্বংস হৈ যাব)।” চাহাবাসকলে ক’লেঃ আমি সিহঁতৰ বিৰুদ্ধে যুদ্ধ নকৰিমনে?’ তেখেতে ক’লেঃ “নহয়; যেতিয়ালৈকে সিহঁতে চালাত কায়েম কৰিব।” [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আমাৰ ওপৰত এনেকুৱা শাসকে শাসন চলাব, যিসকলৰ কিছুমান কাম ভাল হ'ব অৰ্থাৎ চৰীয়ত সন্মত, আৰু কিছুমান হ'ব অসৎ অৰ্থাৎ চৰীয়ত বিৰোধী। এতেকে সিহঁতৰ বেয়া কামবোৰক খণ্ডন কৰাৰ যাৰ ক্ষমতা নাই তেওঁ যদি অন্তৰেৰে সেইবোৰক ঘৃণা কৰে তেন্তে তেওঁ নিফাক আৰু গুনাহৰ পৰা দায়মুক্ত হৈ যাব। এইদৰে যাৰ ওচৰত হাত আৰু মুখৰ দ্বাৰা সেইবোৰৰ প্ৰতিবাদ কৰাৰ ক্ষমতা আছে আৰু তেওঁ যদি সেই ক্ষমতাৰ সদ্ব্যৱহাৰ কৰে তেন্তে তেৰোঁ গুনাহৰ পৰা ৰক্ষা পাব আৰু সিহঁতৰ এই পাপকৰ্মত লিপ্ত হোৱাৰ পৰা সুৰক্ষিত থাকিব। আনহাতে যিয়ে সিহঁতক সমৰ্থন কৰিব আৰু সিহঁতৰ অনুসৰণ কৰিব, সি সিহঁতৰ দৰেই ধ্বংস হ'ব।

ইয়াৰ পিছত চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলেঃ এনেকুৱা বৈশিষ্ট্য থকা শাসকৰ বিৰুদ্ধে আমি যুদ্ধ নকৰিমনে? এই কথা শুনি তেখেতে তেওঁলোকক নিষেধ কৰিলে আৰু ক'লেঃ নহয়, সিহঁতৰ লগত তেতিয়ালৈকে যুদ্ধ নকৰিবা যেতিয়ালৈকে সিহঁতে নামাজ পঢ়িব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নুবুওৱতৰ অন্যতম এটা প্ৰমাণ হৈছে এই যে, তেখেতে ভৱিষ্যতে হ'বলগীয়া কিছুমান এনেকুৱা ঘটনাৰ সংবাদ দিছে যিবোৰ পৰৱৰ্তী সময়ত ঠিক সেইদৰেই সংঘটিত হৈছে যিদৰে তেখেতে জনাইছিল।
2. অসৎকৰ্মক সমৰ্থন কৰা আৰু তাত অংশ গ্ৰহণ কৰা বৈধ নহয়। বৰং সেইবোৰক খণ্ডন কৰা অনিবাৰ্য।
3. যদি শাসকসকল চৰীয়ত বিৰোধী কামত লিপ্ত হয় তেন্তে সেই ক্ষেত্ৰত সিহঁতৰ অনুসৰণ কৰা বৈধ নহয়।
4. মুছলিম শাসকৰ বিৰুদ্ধে বিদ্ৰোহ কৰা বৈধ নহয়। কাৰণ ইয়াৰ ফলত বিপৰ্যয় সৃষ্টি হ'ব, ৰক্ত প্ৰবাহিত হ'ব আৰু শান্তি তথা নিৰাপত্তাহীনতাই বিৰাজ কৰিব। গতিকে তেনে ক্ষেত্ৰত পাপিষ্ঠ শাসকক সহ্য কৰাটোৱে শ্ৰেয়, আনকি এনেক্ষেত্ৰত ধৈৰ্য্য ধাৰণ কৰাটোৱে হৈছে অধিক উত্তম।
5. নামাজৰ গুৰুত্ব অধিক। কাৰণ এইটো হৈছে কুফৰ আৰু ইছলামৰ মাজত পাৰ্থক্যকাৰী প্ৰাচীৰ।

(3481)

(50) – عَنِ ابْنِ مَسْعُودٍ رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «سَتَكُونُ أَثَرَةٌ وَأُمُورٌ تُنْكِرُونَهَا» قَالُوا: يَا رَسُولَ اللَّهِ فَمَا تَأْمُرُنَا؟ قَالَ: «تُؤَدُّونَ الحَقَّ الَّذِي عَلَيْكُمْ، وَتَسْأَلُونَ اللَّهَ الَّذِي لَكُمْ». [صحيح] - [متفق عليه]

(50) – ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "অনাগত সময়ত প্ৰাধান্য দিয়াৰ ক্ষেত্ৰত অন্যায় কৰা হ'ব আৰু এনেকুৱা কিছুমান বিষয় সন্মুখলৈ আহিব যিবোৰক তোমালোকে অপছন্দ কৰিবা।" তেওঁলোকে ক'লেঃ হে আল্লাহৰ ৰাছুল! তেনেকুৱা পৰিস্থিতি সম্পৰ্কে আপুনি আমাক কি উপদেশ দিয়ে? তেখেতে ক'লেঃ "তোমালোকে নিজৰ দায়িত্ব পালন কৰিবা আৰু নিজৰ অধিকাৰ আল্লাহৰ ওচৰত বিচাৰিবা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইংগিত কৰিছে যে, অনাগত সময়ত এনেকুৱা লোকে মুছলিমসকলৰ ওপৰত শাসন কৰিব যিসকলে মুছলিমসকলৰ ধন-সম্পত্তি নিজৰ ইচ্ছামতে ব্যয় কৰিব আৰু মুছলিমসকলক তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব। লগতে সিহঁতে ধৰ্ম সম্পৰ্কীয় এনেকুৱা কিছুমান কাম কৰিব, যিবোৰ তোমালোকে অপছন্দ কৰিবা। এই কথা শুনি চাহাবাসকলে তেখেতক সুধিলেঃ এনেকুৱা পৰিস্থিতিত আমি কি কৰা উচিত? ইয়াৰ উত্তৰত তেখেতে ক'লে যে, ৰাজহুৱা সম্পত্তিক সিহঁতৰ নিজৰ ইচ্ছা মতে ব্যয় কৰা কাৰ্য্যত ক্ষুণ্ণ হৈ তোমালোকে নিজৰ দায়িত্ব পালনত অৱহেলা নকৰিবা অৰ্থাৎ সিহঁতৰ নিৰ্দেশনা পালনত গা এৰা নিদিবা। বৰং তোমালোকে ধৈৰ্য্য ধাৰণ কৰিবা আৰু সিহঁতৰ কথা মানিবা, সিহঁতৰ সৈতে বিবাদ নকৰিবা। নিজৰ অধিকাৰ আল্লাহৰ ওচৰত বিচাৰিবা। লগতে আল্লাহৰ ওচৰত দুআ কৰিবা আল্লাহে যেন সিহঁতক সংশোধন কৰে আৰু সিহঁতৰ অনিষ্টতাৰ পৰা তোমালোকক ৰক্ষা কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটো হৈছে মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ নুবুওৱতৰ অন্যতম এটা গুৰুত্বপূৰ্ণ প্ৰমাণ। কাৰণ ইয়াত তেখেতে তেখেতৰ উম্মতত হ'বলগীয়া এনেকুৱা এটা বিষয় সম্পৰ্কে সংবাদ দিছে যিটো পৰৱৰ্তী সময়ত সেইদৰেই সন্মুখলৈ আহিছে।
2. কোনো ব্যক্তিৰ ওপৰত আহিবলগীয়া বিপদ সম্পৰ্কে কোনোবাই অৱগত থাকিলে তাক সেই বিষয়ে জনাই দিয়া উচিত। যাতে তেওঁ সেই বিষয়ে প্ৰস্তুত থাকিব পাৰে আৰু সেই বিপদ দেখা দিলে ধৈৰ্য্য ধৰিব পাৰে আৰু ছোৱাব কামনা কৰিব পাৰে।
3. ফিতনা আৰু মতভেদৰ পৰা ওলোৱাৰ উপায় হৈছে কোৰআন আৰু হাদীছক মজবুতভাৱে ধাৰণ কৰা।
4. উত্তম পন্থাৰে শাসকসকলৰ কথা মানিবলৈ উৎসাহিত কৰা হৈছে। লগতে সিহঁতে অত্যাচাৰ কৰিলেও সিহঁতৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ নিষেধ কৰিছে।
5. ফিতনাৰ সময়ত বিশেষকৈ ছুন্নতৰ অনুসৰণ কৰিব লাগে আৰু হিকমত অনুযায়ী পদক্ষেপ লব লাগে।
6. মানুহে নিজৰ কৰ্তব্য পালনত কেতিয়াও অৱহেলা কৰা উচিত নহয়। যদিও তাৰ ওপৰত কিছু পৰিমাণ অত্যাচাৰ হয়।
7. এই হাদীছটোত এই নীতিৰ প্ৰমাণ পোৱা যায় যে, যদি দুটা বেয়া কৰ্মৰ সন্মুখীন হয় তেন্তে কম পৰিমাণ গুনাহৰ বিষয়টো গ্ৰহণ কৰিব লাগে। এইদৰে যদি দুটা ক্ষতিকৰ বিষয় থাকে তেন্তে তাৰ পৰা সদায় কম ক্ষতিকৰ বিষয়টোক চয়ন কৰিব লাগে।

(3156)

(51) – عَنْ عَبْدِ اللَّهِ بنِ عُمرَ رَضِيَ اللَّهُ عَنْهُما أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «**كُلُّكُمْ رَاعٍ فَمَسْئُولٌ عَنْ رَعِيَّتِهِ، فَالأَمِيرُ الَّذِي عَلَى النَّاسِ رَاعٍ وَهُوَ مَسْئُولٌ عَنْهُمْ، وَالرَّجُلُ رَاعٍ عَلَى أَهْلِ بَيْتِهِ وَهُوَ مَسْئُولٌ عَنْهُمْ، وَالمَرْأَةُ رَاعِيَةٌ عَلَى بَيْتِ بَعْلِهَا وَوَلَدِهِ وَهِيَ مَسْئُولَةٌ عَنْهُمْ، وَالعَبْدُ رَاعٍ عَلَى مَالِ سَيِّدِهِ وَهُوَ مَسْئُولٌ عَنْهُ، أَلاَ فَكُلُّكُمْ رَاعٍ وَكُلُّكُمْ مَسْئُولٌ عَنْ رَعِيَّتِهِ**». [صحيح] - [متفق عليه]

(51) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ প্ৰত্যেকেই দায়িত্বশীল। গতিকে প্ৰত্যেককে তাৰ অধীনস্থ লোকসকলৰ বিষয়ে প্ৰশ্ন কৰা হ'ব। যেনে- মানুহৰ ওপৰত শাসন চলোৱা শাসক হৈছে এজন দায়িত্বশীল ব্যক্তি, তাক তাৰ দায়িত্ব সম্পৰ্কে প্ৰশ্ন কৰা হ'ব। পুৰুষ হৈছে পৰিয়ালৰ প্ৰতি দায়িত্বশীল, তাক নিজৰ পৰিয়ালৰ দায়িত্ব সম্পৰ্কে সোধ-পোচ কৰা হ'ব। এইদৰে নাৰী হৈছে স্বামীৰ ঘৰৰ আৰু তাৰ সন্তানসকলৰ প্ৰতি দায়িত্বশীল, তাইক সেই সম্পৰ্কে সোধ-পোচ কৰা হ'ব। এইদৰে দাস হৈছে তাৰ মালিকৰ সম্পদ ৰক্ষাৰ দায়িত্বত নিয়োজিত, তাক সেই দায়িত্ব সম্পৰ্কে সোধ-পোচ কৰা হ'ব। জানি থোৱা! তোমালোক প্ৰত্যেকেই দায়িত্বশীল, গতিকে তোমালোকৰ প্ৰত্যেককে নিজ নিজ দায়িত্ব সম্পৰ্কে সোধ-পোচ কৰা হ'ব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, সমাজৰ প্ৰতিজন মুছলিম ব্যক্তিয়েই হৈছে দায়িত্বশীল। প্ৰত্যেকেই নিজৰ নিজৰ দায়িত্ব পালন কৰা উচিত। গতিকে ইমাম আৰু শাসক হৈছে আল্লাহে প্ৰদান কৰা দায়িত্বৰ প্ৰতি দায়বদ্ধ। সেয়ে তেওঁলোকৰ ওপৰত আছে চৰীয়তৰ হিফাজতৰ দায়িত্ব, প্ৰতিবেশীৰ সুৰক্ষাৰ দায়িত্ব, শত্ৰুৰ বিৰুদ্ধে মুকাবিলা কৰাৰ দায়িত্ব, আৰু জনসাধাৰণৰ অধিকাৰ যাতে খৰ্ব নহয় সেই দায়িত্ব। এইদৰে পুৰুষৰ ওপৰত আছে পৰিয়াল পৰিচালনা আৰু সিহঁতৰ ভৰণ-পোষণৰ দায়িত্ব, সিহঁতৰ সৈতে ভাল ব্যৱহাৰ কৰা আৰু সিহঁতক শিক্ষা তথা শিষ্টাচাৰ শিকোৱাৰ দায়িত্ব। এইদৰে নাৰী হৈছে তাইৰ স্বামীৰ ঘৰ

আৰু সন্তানসকলক লালন-পালন কৰাৰ দায়িত্বত নিয়োজিত, তাইক সেই বিষয়ে প্ৰশ্ন কৰা হ'ব। দাস অথবা কৰ্মচাৰীসকল হৈছে নিজৰ মালিকৰ ধন-সম্পদ বা তাক দিয়া দায়িত্বৰ প্ৰতি দায়বদ্ধ। তাক সেই বিষয়ে সোধ-পোচ কৰা হ'ব। প্ৰত্যেকেই নিজ নিজ দায়িত্বৰ প্ৰতি দায়বদ্ধ। সেয়ে প্ৰত্যেককে নিজ নিজ দায়িত্ব পালন সম্পৰ্কে জবাবদিহি কৰা হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুছলিম সমাজৰ দায়িত্ব ব্যাপক। প্ৰত্যেকৰে নিজৰ নিজৰ ক্ষমতা আৰু ব্যক্তি অনুপাতে বেলেগে বেলেগ দায়িত্ব আছে।
2. নাৰীসকলৰ দায়িত্ব খুবেই গুৰুত্বপূৰ্ণ। কাৰণ নাৰী হৈছে স্বামীৰ ঘৰৰ গুৰু দায়িত্বত নিয়োজিত, সন্তান লালন পালনৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা অতুলনীয়।

(5819)

(52) – عن عائشة رضي الله عنها قالت: سمعتُ من رسول الله صلى الله عليه وسلم يقول في بيتي هذا: «اللَّهُمَّ مَنْ وَلِيَ مِنْ أَمْرِ أُمَّتِي شَيْئًا فَشَقَّ عَلَيْهِمْ فَاشْقُقْ عَلَيْهِ، وَمَنْ وَلِيَ مِنْ أَمْرِ أُمَّتِي شَيْئًا فَرَفَقَ بِهِمْ فَارْفُقْ بِهِ». [صحيح] - [رواه مسلم]

(52) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, মই মোৰ এই ঘৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামক কওঁতে শুনিছোঁ, তেখেতে কৈছেঃ “হে আল্লাহ! মোৰ উম্মতৰ যি ব্যক্তিয়ে কোনো ধৰণৰ কৰ্তৃত্ব লাভ কৰাৰ পিছত মানুহৰ প্ৰতি ৰূঢ় আচৰণ কৰিব, তুমিও তাৰ প্ৰতি ৰূঢ় আচৰণ কৰিবা। আনহাতে মোৰ উম্মতৰ যি ব্যক্তিয়ে কোনো দায়িত্ব লাভ কৰাৰ পিছত মানুহৰ সৈতে নম্ৰ আচৰণ কৰিব, তুমিও তাৰ প্ৰতি নম্ৰতা দেখুৱাবা আৰু সদয় হ'বা।” [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে সেইসকল লোকৰ বিৰুদ্ধে বদ্দুআ কৰিছে, যিসকলে মুছলিমসকলৰ কোনো বিষয়ৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত তেওঁলোকৰ প্ৰতি ৰূঢ় আচৰণ কৰে তথা তেওঁলোকৰ ওপৰত কঠোৰতা অৱলম্বন কৰে, সেই দায়িত্ব সৰু হওক বা ডাঙৰ, ৰাষ্ট্ৰীয় সাধাৰণ দায়িত্ব হওক বা আংশিক কোনো দায়িত্ব। তেখেতে বদ্দুআ কৰি কৈছে যে, আল্লাহে যেন সিহঁতৰ প্ৰতিও সমপৰ্যায়ৰ কঠোৰতা অৱলম্বন কৰে তথা সেই অনুপাতেই যেন সিহঁতক প্ৰতিফল দিয়ে।

আনহাতে যিসকলে দায়িত্ব লাভ কৰাৰ পিছত নম্ৰতা অৱলম্বন কৰিব তথা তেওঁলোকৰ সৈতে কোমল আচৰণ কৰিব আৰু তেওঁলোকৰ কামবোৰক সহজ কৰিব, আল্লাহেও তেওঁলোকৰ প্ৰতি কোমল হ'ব আৰু তেওঁলোকৰ যাৱতীয় কাম সহজ কৰি দিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যিয়ে মুছলিমসকলৰ দায়িত্বভাৰ গ্ৰহণ কৰিব, তেওঁৰ উচিত তেওঁ যেন অধীনস্থ লোকসকলৰ প্ৰতি নম্ৰতা অৱলম্বন কৰে।
2. কৰ্ম অনুযায়ীয়ে বিনিময় প্ৰদান কৰা হয়।
3. কোমলতা আৰু কঠোৰতাৰ মাপকাঠি হৈছে যিটো কোৰআন আৰু ছুন্নাহ বিৰোধী নহয়।

(5330)

(53) – عن تميم الداري رضي الله عنه أن النبي صلى الله عليه وسلم قال: «الدِّينُ النَّصِيحَةُ» قُلْنَا: لِمَنْ؟ قَالَ: «لِلهِ وَلِكِتَابِهِ وَلِرَسُولِهِ وَلِأَئِمَّةِ الْمُسْلِمِينَ وَعَامَّتِهِمْ». [صحيح] - [رواه مسلم]

(53) – তামীম আত-দাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "দ্বীন হৈছে শুভ কামনাৰ নাম।" আমি প্ৰশ্ন কৰিলোঁ: কাৰ বাবে? তেখেতে ক'লে: "আল্লাহৰ বাবে, তেওঁৰ কিতাবৰ বাবে, তেওঁৰ ৰাছুলৰ বাবে, মুছলিমসকলৰ নেতৃবৃন্দৰ বাবে আৰু সকলো মুছলিমৰ বাবে।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা জনাইছে যে, দ্বীন হৈছে ইখলাচ আৰু সততাৰ ওপৰত প্ৰতিষ্ঠিত। সেয়ে আল্লাহে যিদৰে অনিবাৰ্য কৰিছে সেইদৰেই পৰিপূৰ্ণৰূপে পালন কৰা জৰুৰী, কোনো ধৰণৰ ত্ৰুটি আৰু প্ৰৱঞ্চনা নকৰাকৈ।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সোধা হ'ল, শুভকামনা কাৰ বাবে? তেখেতে ক'লেঃ

প্ৰথমঃ শুভকামনা হৈছে মহান আল্লাহৰ বাবে, অৰ্থাৎ নিৰ্ভেজালভাৱে তেওঁৰ ইবাদত কৰা আৰু তেওঁৰ সৈতে আন কাকো অংশীদাৰ নকৰা। এইদৰে তেওঁৰ ৰূবুবিয়্যত, উলুহিয়্যত আৰু আচমা

অচিফাতৰ প্ৰতি ঈমান পোষণ কৰা আৰু তেওঁৰ নিৰ্দেশনাক গুৰুত্ব দিয়া আৰু তেওঁৰ প্ৰতি ঈমান আনিবলৈ মানুহক আহ্বান কৰা।

দ্বিতীয়ঃ তেওঁৰ পৱিত্ৰ গ্ৰন্থ আল-কোৰআনুল কাৰীমৰ বাবে শুভকামনা পোষণ কৰা। অৰ্থাৎ এই বিশ্বাস পোষণ কৰা যে, এইখন হৈছে মহান আল্লাহৰ বাণী আৰু তেওঁৰ সৰ্বশেষ গ্ৰন্থ, লগতে এইখনে পূৰ্বৱৰ্তী সকলো চৰীয়তক ৰহিত কৰিছে। আমি ইয়াক সন্মান কৰোঁ আৰু যথাযথভাৱে ইয়াৰ তিলাৱত কৰোঁ। ইয়াত থকা মুহকাম আয়াতসমূহৰ ওপৰত আমি আমল কৰোঁ আৰু মুতাশ্বাবিহ আয়াতসমূহক আমি গ্ৰহণ কৰোঁ, আৰু আমি ইয়াৰ বিষয়ে মানুহে কৰা অপব্যাখ্যাক খণ্ডন কৰোঁ, লগতে ইয়াৰ মাজত থকা বিভিন্ন উপদেশ আমি মানি চলোঁ আৰু ইয়াৰ জ্ঞানসমূহ প্ৰচাৰ কৰোঁ আৰু ইয়াৰ প্ৰতি মানুহক আহ্বান কৰোঁ।

তৃতীয়ঃ শুভকামনা হৈছে ৰাছুল মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাবে। অৰ্থাৎ আমি এই বিশ্বাস পোষণ কৰিব লাগিব যে, তেখেত হৈছে সৰ্বশেষ ৰাছুল, লগতে তেখেতে যি লৈ আহিছে তাৰ প্ৰতিও আমি বিশ্বাস কৰিব লাগিব, তেখেতৰ আদেশ মানি চলিব লাগিব, তেখেতে যি নিষেধ কৰিছে তাৰ পৰা আঁতৰি থাকিব লাগিব, লগতে একমাত্ৰ সেই পদ্ধতিতেই আমি আল্লাহৰ ইবাদত কৰিব লাগিব যিটো তেখেতে দেখুৱাইছে। তেখেতক সন্মান কৰিব লাগিব, তেখেতৰ বাৰ্তা প্ৰচাৰ কৰিব লাগিব আৰু তেখেতৰ চৰীয়ত প্ৰসাৰ কৰিব লাগিব, আৰু তেখেতৰ প্ৰতি যি যি আৰোপ কৰা হৈছে সেইবোৰক অস্বীকাৰ কৰি খণ্ডন কৰিব লাগিব।

চতুৰ্থঃ মুছলিম নেতৃবৃন্দৰ বাবে কল্যাণ কামনা কৰা। অৰ্থাৎ তেওঁলোকক সত্যৰ পথত সহায় কৰা, ক্ষমতাৰ ক্ষেত্ৰত তেওঁলোকৰ সৈতে বিবাদ নকৰা, লগতে আল্লাহৰ আনুগত্য অনুসৰি তেওঁলোকে দিয়া প্ৰতিটো আদেশ মানি চলিব লাগিব।

পঞ্চমঃ শুভকামনা হৈছে মুছলিমসকলৰ বাবে। তেওঁলোকক উপকাৰ কৰাৰ মাধ্যমত আৰু এহছানৰ প্ৰতি আহ্বান কৰাৰ মাধ্যমত, তেওঁলোকক বিভিন্ন ক্ষতিৰ পৰা ৰক্ষা কৰাৰ মাধ্যমত, তেওঁলোকৰ বাবে

কল্যাণ পছন্দ কৰাৰ মাধ্যমত আৰু তেওঁলোকক নেক কামত আৰু তাক্বৱাৰ কামত সহায় কৰাৰ মাধ্যমত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সকলোৰে প্ৰতি শুভকামনা পোষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।
2. দ্বীনৰ মাজত শুভকামনাৰ গুৰুত্ব অধিক।
3. আক্বীদাহ বা বিশ্বাস, কথা আৰু কৰ্মৰ সমষ্টিৰ নামেই হৈছে দ্বীন।
4. নছীহত বা শুভকামনাৰ দ্বাৰা বুজোৱা হৈছে যে, যাক উপদেশ দিয়া হৈছে তাৰ প্ৰতি আপোনাৰ অন্তৰ প্ৰৱঞ্চনা আদিৰ পৰা পৱিত্ৰ হ'ব লাগিব আৰু তাৰ কাৰণে কল্যাণ কামনা কৰিব লাগিব।
5. ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দিয়া প্ৰশিক্ষণৰ সৌন্দৰ্য। কিয়নো তেখেতে প্ৰথমে সংক্ষেপে উল্লেখ কৰিছে আৰু তাৰ পিছত বিস্তাৰিতভাৱে বৰ্ণনা কৰিছে।
6. সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয়ৰ দ্বাৰা আৰম্ভ কৰা উচিত, তাৰ পিছত তাতকৈ যিটো কম গুৰুত্বপূৰ্ণ সেইটো বিষয় উল্লেখ কৰা উচিত। যেনে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰথমে আল্লাহ, তাৰ পিছত তেওঁৰ ৰাছুল (চাল্লাল্লাহু আলাইহি অছাল্লাম), তাৰ পিছত মুছলিম শাসক আৰু তাৰ পিছত তেখেতে সাধাৰণ জনগণৰ কল্যাণ কামনা কৰাৰ কথা উল্লেখ কৰিছে।

(4309)

(54) – عَنْ عَائِشَةَ رَضِيَ اللهُ عَنْهَا قَالَتْ: تَلَا رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ هَذِهِ الْآيَةَ: {هُوَ الَّذِي أَنْزَلَ عَلَيْكَ الْكِتَابَ مِنْهُ آيَاتٌ مُحْكَمَاتٌ هُنَّ أُمُّ الْكِتَابِ وَأُخَرُ مُتَشَابِهَاتٌ فَأَمَّا الَّذِينَ فِي قُلُوبِهِمْ زَيْغٌ فَيَتَّبِعُونَ مَا تَشَابَهَ مِنْهُ ابْتِغَاءَ الْفِتْنَةِ وَابْتِغَاءَ تَأْوِيلِهِ، وَمَا يَعْلَمُ تَأْوِيلَهُ إِلَّا اللَّهُ، وَالرَّاسِخُونَ فِي الْعِلْمِ يَقُولُونَ آمَنَّا بِهِ كُلٌّ مِنْ عِنْدِ رَبِّنَا وَمَا يَذَّكَّرُ إِلَّا أُولُو الْأَلْبَابِ} [آل عمران: 7]. قَالَتْ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**فَإِذَا رَأَيْتِ الَّذِينَ يَتَّبِعُونَ مَا تَشَابَهَ مِنْهُ فَأُولَئِكَ الَّذِينَ سَمَّى اللهُ، فَاحْذَرُوهُمْ**». [صحيح] - [متفق عليه]

(54) – আয়িশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে (ছুৰা আলে ইমৰাণৰ) এই আয়াতটো তিলাৱত কৰিলে, অৰ্থঃ তেৱেঁই তোমাৰ প্ৰতি এই কিতাব (কোৰআন) অৱতীৰ্ণ কৰিছে যাৰ কিছুমান আয়াত ‘মুহকাম’(সুস্পষ্ট, দ্ব্যৰ্থহীন), সেইবোৰেই হৈছে কিতাবৰ মূল; আৰু আন কিছুমান হৈছে মুতাশ্বাবিহ, এতেকে যিসকলৰ অন্তৰত বক্ৰতা আছে কেৱল সিহঁতেই ফিতনা আৰু ভুল ব্যাখ্যাৰ উদ্দেশ্যে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে। অথচ আল্লাহৰ বাহিৰে আন কোনেও ইয়াৰ ব্যাখ্যা নাজানে; আৰু যিসকল জ্ঞানত সুগভীৰ তেওঁলোকে কয়, ‘আমি এইবোৰৰ প্ৰতি ঈমান পোষণ কৰোঁ, এই সকলোবোৰ আমাৰ প্ৰতিপালকৰ তৰফৰ পৰাই আহিছে’; দৰাচলতে জ্ঞান-বুদ্ধিসম্পন্ন লোকৰ বাহিৰে আন কোনেও উপদেশ গ্ৰহণ নকৰে। (আলে ইমৰাণঃ ৭) আয়িশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছে যে, ইয়াৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যদি তুমি এনেকুৱা কোনো লোকক দেখা পোৱা যিয়ে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে, তেন্তে জানি লবা, সিহঁতৰ কথাই এই আয়াতত কোৱা হৈছে, সিহঁতৰ পৰা সতৰ্ক থাকিবা। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এই আয়াতটো তিলাৱত কৰিলেঃ

هُوَ الَّذِي أَنْزَلَ عَلَيْكَ الْكِتَابَ مِنْهُ آيَاتٌ مُحْكَمَاتٌ هُنَّ أُمُّ الْكِتَابِ وَأُخَرُ مُتَشَابِهَاتٌ فَأَمَّا الَّذِينَ فِي قُلُوبِهِمْ زَيْغٌ فَيَتَّبِعُونَ مَا تَشَابَهَ مِنْهُ ابْتِغَاءَ الْفِتْنَةِ وَابْتِغَاءَ تَأْوِيلِهِ وَمَا يَعْلَمُ تَأْوِيلَهُ إِلَّا اللَّهُ وَالرَّاسِخُونَ فِي الْعِلْمِ يَقُولُونَ آمَنَّا بِهِ كُلٌّ مِنْ عِنْدِ رَبِّنَا وَمَا يَذَّكَّرُ إِلَّا أُولُو الْأَلْبَابِ} অৰ্থঃ তেৱেঁই তোমাৰ প্ৰতি এই কিতাব (কোৰআন) অৱতীৰ্ণ কৰিছে যাৰ কিছুমান আয়াত ‘মুহকাম’(সুস্পষ্ট, দ্ব্যৰ্থহীন), সেইবোৰেই হৈছে কিতাবৰ মূল; আৰু আন কিছুমান হৈছে মুতাশ্বাবিহ, এতেকে যিসকলৰ অন্তৰত বক্ৰতা আছে কেৱল সিহঁতেই ফিতনা আৰু ভুল ব্যাখ্যাৰ উদ্দেশ্যে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে। অথচ আল্লাহৰ বাহিৰে আন কোনেও ইয়াৰ ব্যাখ্যা নাজানে; আৰু যিসকল জ্ঞানত সুগভীৰ তেওঁলোকে কয়, ‘আমি এইবোৰৰ প্ৰতি ঈমান পোষণ কৰোঁ, এই সকলোবোৰ আমাৰ প্ৰতিপালকৰ তৰফৰ পৰাই আহিছে’; দৰাচলতে জ্ঞান-বুদ্ধিসম্পন্ন লোকৰ বাহিৰে আন কোনেও উপদেশ গ্ৰহণ নকৰে।

এই আয়াতত মহান আল্লাহে অৱগত কৰাইছে যে, তেৱেঁই নবীৰ ওপৰত কোৰআন অৱতীৰ্ণ কৰিছে, য'ত এনেকুৱা আয়াত আছে যিবোৰে স্পষ্টৰূপে অৰ্থ প্ৰকাশ কৰে, যিবোৰৰ দ্বাৰা সহজেই বিধান বুজি পোৱা যায়, যিবোৰ আয়াতৰ অৰ্থত কোনো আসোৱাহ নাই। সেইবোৰেই হৈছে কিতাবৰ মূল তথা উৎস। মতানৈক্যৰ সময়ত সেইবোৰৰ প্ৰতিয়ে প্ৰত্যাৱৰ্তন কৰাৰ নিৰ্দেশ দিয়া হৈছে। আনহাতে আন কিছুমান আয়াত আছে যিবোৰৰ অধিক অৰ্থ থকাৰ কাৰণে কিছুমান লোকৰ ওচৰত আসোৱাহ লাগে। অথবা বেলেগ আয়াতৰ সৈতে অৰ্থত বৈপৰীত্য থকা বুলি ভাবে। এইসমূহ আয়াতৰ ক্ষেত্ৰত মানুহে কিদৰে অৱস্থান কৰে সেই কথা উল্লেখ কৰি আল্লাহে কৈছে, যিসকলৰ অন্তৰত বক্ৰতা আছে সিহঁতে স্পষ্ট আয়াতসমূহক এৰি মুতাশ্বাবিহ আয়াতসমূহকলৈ নিজৰ ইচ্ছামতে ব্যাখ্যা কৰে। যিবোৰৰ দ্বাৰা সিহঁতে মানুহক গোমৰাহ কৰে তথা পথভ্ৰষ্ট কৰে। কিন্তু গভীৰ জ্ঞানীসকলে ভালদৰেই জানে যে এইবোৰ হৈছে মুতাশ্বাবিহ আয়াত। সেয়ে তেওঁলোকে মুহকাম আয়াতসমূহক অগ্ৰাধিকাৰ দিয়ে। আৰু এইবোৰ আয়াত সম্পৰ্কে তেওঁলোকে ঈমান পোষণ কৰে যে এইবোৰ হৈছে আল্লাহৰ ফালৰ পৰা

অৱতীৰ্ণ। গতিকে আল্লাহৰ আয়াতত কোনো বৈপৰীত্য নাই। সুস্থ বিবেক সম্পন্ন লোকসকলেহে এই কথা বুজি পায় তথা ইয়াৰ পৰা শিক্ষা লয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উম্মুল মুমিনীন আয়িশ্বাহ ৰাদ্বিয়াল্লাহু আনহাক কৈছেঃ তুমি যদি কোনো এনেকুৱা লোকক দেখা পোৱা, যিয়ে মুতাশ্বাবিহ আয়াতৰ অনুসৰণ কৰে তেন্তে জানিবা সিহঁতৰ কথাই এই আয়াতত কোৱা হৈছে {فأما الذين في قلوبهم زيغ} গতিকে সিহঁতৰ পৰা সতৰ্ক থাকিবা আৰু সিহঁতৰ কথা নুশুনিবা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কোৰআনৰ সেইবোৰ আয়াতক মুহাকাম আয়াত বুলি কোৱা হয়, যিবোৰ আয়াতৰ ভাৱাৰ্থ স্পষ্ট আৰু সহজেই বুজিব পাৰি। আনহাতে মুতাশ্বাবিহ আয়াত সেইসমূহক কোৱা হয়, যিবোৰ আয়াতৰ একাধিক অৰ্থ আছে তথা যিবোৰ জানিবলৈ চিন্তা-চৰ্চা তথা গৱেষণাৰ প্ৰয়োজন।
2. বক্ৰপন্থী আৰু বিদআতপন্থীৰ পৰা সতৰ্ক কৰা হৈছে, যিসকলে মানুহৰ মাজত জটিল বিষয়বোৰ উত্থাপন কৰি সংশয়ত পেলায় তথা মানুহক বিপথে পৰিচালিত কৰে।
3. আয়াতৰ শেষত মহান আল্লাহে কৈছেঃ {وما يذكر إلا أولو الألباب} অৰ্থঃ দৰাচলতে জ্ঞান-বুদ্ধিসম্পন্ন লোকৰ বাহিৰে আন কোনেও উপদেশ গ্ৰহণ নকৰে। ইয়াৰ দ্বাৰা আল্লাহে বক্ৰপথ অৱলম্বনকাৰীসকলক নসাৎ কৰিছে আৰু উচ্চ জ্ঞানসম্পন্ন লোকসকলৰ প্ৰশংসা কৰিছে, অৰ্থাৎ এইটো বুজাইছে যে, যিসকলে শিক্ষা নলয় তথা উপদেশ গ্ৰহণ নকৰে আৰু যিসকলে নিজৰ প্ৰবৃত্তিৰ অনুসৰণ কৰে সিহঁত জ্ঞান-বুদ্ধিসম্পন্ন লোক নহয়।
4. মুতাশ্বাবিহাতৰ অনুসৰণ হৈছে বিভ্ৰান্ত হোৱাৰ অন্যতম কাৰণ।

5. যিবোৰ আয়াতৰ অৰ্থ আসোঁৱাহযুক্ত তথা সহজে বুজিব নোৱাৰি সেইবোৰ আয়াতৰ বিপৰীতে মুহকাম তথা স্পষ্ট আয়াতৰ প্ৰতি মনোযোগ প্ৰদান কৰা জৰুৰী।

6. মহান আল্লাহে কোৰআনৰ কিছুমান আয়াতক মুহকাম আৰু কিছুমান আয়াতক মুতাশ্বাবিহ হিচাপে ৰাখিছে, যাতে ইয়াৰ দ্বাৰা আহলে ঈমান আৰু গোমৰাহ তথা বিভ্ৰান্ত লোকসকলক পাৰ্থক্য কৰিব পৰা যায়।

7. কোৰআনত মুতাশ্বাবিহ আয়াত থকাৰ অন্যতম আৰু এটা কাৰণ হৈছে, উলামাসকলক আন আন লোকৰ ওপৰত প্ৰাধান্য দিয়া। বিবেকক তাৰ ত্ৰুটি সম্পৰ্কে অৱগত কৰা, যাতে নিজৰ অক্ষমতাক স্বীকাৰ কৰি প্ৰতিপালকৰ ওচৰত নতমস্তক হ'ব পাৰে।

8. গভীৰ জ্ঞান অৰ্জন কৰা আৰু সেই ক্ষেত্ৰত অটল থকাৰ গুৰুত্ব।

9. { وما يعلم تأويله إلا الله والراسخون في العلم } অথচ আল্লাহৰ বাহিৰে আন কোনেও ইয়াৰ ব্যাখ্যা নাজানে; আনহাতে যিসকল জ্ঞানত সুগভীৰ, এই সম্পৰ্কে তাফছীৰবিদসকলৰ দুটা অভিমত আছে, এই আয়াতত আল্লাহ শব্দত অকফ কৰিলে তাৱীলৰ অৰ্থ হ'ব, যি বিষয়ৰ প্ৰকৃত জ্ঞান আল্লাহৰ বাহিৰে আন কোনেও নাজানে, আৰু সেইটো জনাৰ কোনো উপায়ো নাই, যেনে- ৰূহ, ক্বিয়ামত যিবোৰৰ প্ৰকৃত জ্ঞান আল্লাহে গোপন ৰাখিছে, তেওঁৰ বাহিৰে আন কোনেও নাজানে, আৰু গভীৰ জ্ঞানী লোকসকলে ইয়াৰ প্ৰতি ঈমান পোষণ কৰে আৰু ইয়াৰ বাস্তৱতাক আল্লাহৰ ওপৰত এৰি দিয়ে, ফলত তেওঁলোক বিভ্ৰান্ত হোৱাৰ পৰা নিৰাপদ থাকে। আনহাতে যদি আয়াতটোত থকা আল্লাহ শব্দত অকফ কৰা নহয়, তেতিয়া তাৱীলৰ অৰ্থ হ'ব, তাফছীৰ, আৱিষ্কাৰ, বিস্তাৰিত বৰ্ণনা আদি। অৰ্থাৎ এনেকুৱা বিষয়, যি বিষয়ে আল্লাহ অৱগত, লগতে জ্ঞানীসকলেও অৱগত। ফলত তেওঁলোকে বিষয়টোৰ প্ৰতি ঈমান পোষণ কৰে আৰু মুহকাম আয়াতৰ প্ৰতি প্ৰত্যাৱৰ্তন কৰে।

(65062)

(55) – عن أبي سعيد الخُدْرِيِّ رضي الله عنه قال: سمعت رسول الله صلى الله عليه وسلم يقول:
«مَنْ رَأَى مِنْكُمْ مُنْكَرًا فَلْيُغَيِّرْهُ بِيَدِهِ، فَإِنْ لَمْ يَسْتَطِعْ فَبِلِسَانِهِ، فَإِنْ لَمْ يَسْتَطِعْ فَبِقَلْبِهِ، وَذَلِكَ أَضْعَفُ الْإِيمَانِ». [صحيح] - [رواه مسلم]

(55) – আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ, তেখেতে কৈছেঃ “তোমালোকৰ মাজৰ যিয়ে কোনো অন্যায় দেখা পাইছে, সি যেন নিজৰ হাতৰ দ্বাৰা সেইটোক পৰিবৰ্তন কৰে, যদি এইটো কৰিব নোৱাৰে তেন্তে জিভাৰ দ্বাৰা অৰ্থাৎ মৌখিকভাৱে যেন বাধা দিয়ে, আৰু যদি সি এইটোও কৰিব নোৱাৰে তেন্তে সি অন্তৰৰ দ্বাৰা ইয়াক পৰিবৰ্তন (কৰাৰ পৰিকল্পনা) কৰা উচিত। এইটো হৈছে ঈমানৰ সৰ্বনিম্ন স্তৰ।” [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সক্ষম অনুযায়ী মুনকাৰ তথা অন্যায়ক প্ৰতিহত কৰাৰ নিৰ্দেশ দিছে। আল্লাহ আৰু তেওঁৰ ৰাছুলে নিষেধ কৰা প্ৰতিটো বস্তুৱে হৈছে মুনকাৰ। যদি কোনো ব্যক্তিয়ে মুনকাৰ দেখা পায়, তেন্তে সেইটোক হাতৰ দ্বাৰা বাধা দিয়াটো তাৰ ওপৰত অনিবাৰ্য হৈ পৰে, যদি তেওঁ ইয়াৰ বাবে সক্ষম। যদি হাতৰ দ্বাৰা নোৱাৰে তেন্তে মৌখিকভাৱে সেইটোক বাধা দিয়া উচিত, অৰ্থাৎ অন্যায়ত লিপ্ত ব্যক্তিক বিৰত ৰখা উচিত, সেই কৰ্মৰ ক্ষতি সম্পৰ্কে তাক অৱগত কৰোৱা উচিত আৰু ইয়াৰ পৰিবৰ্তে তাক ভাল কামৰ প্ৰতি নিৰ্দেশনা দিয়া উচিত। এইটো পৰ্যায়তো যদি ব্যৰ্থ হয়, তেন্তে অন্তৰৰ দ্বাৰা সেইটোক পৰিবৰ্তন তথা বাধা প্ৰদানৰ পৰিকল্পনা কৰা উচিত, অৰ্থাৎ অন্তৰেৰে সেইটোক ঘৃণা কৰা উচিত আৰু এইটো সংকল্প লোৱা উচিত যে, যদি সেইটোক বাধা দিবলৈ সমক্ষ হয় তেন্তে নিশ্চয় বাধা প্ৰদান

কৰিব। অন্তৰৰ দ্বাৰা ঘৃণা কৰা বা পৰিবৰ্তন কৰাৰ পৰিকল্পনা কৰাটো হৈছে মুনকাৰক বাধা প্ৰদান কৰাৰ ক্ষেত্ৰত ঈমানৰ সৰ্বনিম্ন পৰ্যায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটো হৈছে অন্যায়ক প্ৰতিহত কৰাৰ স্তৰসমূহৰ ক্ষেত্ৰত এটা মূলনীতি।
2. পৰ্যায় অনুসৰি মুনকাৰক বাধা প্ৰদান কৰা উচিত, নিজৰ নিজৰ ক্ষমতা আৰু শক্তি অনুসাৰে।
3. মুনকাৰ বা অন্যায়ৰ পৰা মানুহক বিৰত ৰখা বিষয়টো হৈছে ইছলামৰ এটা গুৰুত্বপূৰ্ণ বিষয়, যিটো দায়িত্বৰ পৰা কোনেও সাৰি নাযায়, এই দায়িত্ব প্ৰতিজন মুছলিমকে অৰ্পন কৰা হৈছে নিজৰ নিজৰ ক্ষমতা অনুসৰি।
4. সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা বিৰত ৰখাটো হৈছে ঈমানৰ এটা বৈশিষ্ট্য। ঈমান বৃদ্ধিও হয় আৰু হ্ৰাসো হয়।
5. অন্যায়ক প্ৰতিহত কৰাৰ চৰ্ত হৈছে, বাধা প্ৰদান কৰা কামটো যে মুনকাৰ, সেইটো জনা হ'ব লাগিব।
6. মুনকাৰক বাধা দিয়াৰ আৰু এটা চৰ্ত হৈছে এই যে, কোনো মুনকাৰ বা অন্যায়ক বাধা দিবলৈ গৈ তাতকৈ ডাঙৰ অন্যায় যাতে নহয়।
7. মুনকাৰক বাধা প্ৰদান কৰাৰ কিছুমান নিয়ম-কানূন আছে, প্ৰতিজন মুছলিমে সেইবোৰ শিকি লোৱা উচিত।
8. অন্যায়ক প্ৰতিহত কৰিবলৈ চৰীয়তি নিয়ম নীতি জনা আৰু সুক্ষ্ম জ্ঞান তথা দক্ষতা থকাটো প্ৰয়োজন।
9. অন্তৰেৰে ঘৃণা নকৰাটো হৈছে দুৰ্বল ঈমানৰ পৰিচয়।

(65001)

(56) – عَنِ النُّعْمَانِ بْنِ بَشِيرٍ رَضِيَ اللَّهُ عَنْهُمَا عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «مَثَلُ القَائِمِ عَلَى حُدُودِ اللَّهِ وَالوَاقِعِ فِيهَا، كَمَثَلِ قَوْمٍ اسْتَهَمُوا عَلَى سَفِينَةٍ، فَأَصَابَ بَعْضُهُمْ أَعْلاَهَا وَبَعْضُهُمْ أَسْفَلَهَا، فَكَانَ الَّذِينَ فِي أَسْفَلِهَا إِذَا اسْتَقَوْا مِنَ المَاءِ مَرُّوا عَلَى مَنْ فَوْقَهُمْ، فَقَالُوا: لَوْ أَنَّا خَرَقْنَا فِي نَصِيبِنَا خَرْقًا وَلَمْ نُؤْذِ مَنْ فَوْقَنَا، فَإِنْ يَتْرُكُوهُمْ وَمَا أَرَادُوا هَلَكُوا جَمِيعًا، وَإِنْ أَخَذُوا عَلَى أَيْدِيهِمْ نَجَوْا، وَنَجَوْا جَمِيعًا». [صحيح] - [رواه البخاري]

(56) – নু'মান বিন বাশ্বীৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহে নিৰ্ধাৰণ কৰা সীমাৰেখাৰ ভিতৰত অৱস্থানকাৰী (অৰ্থাৎ সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধকাৰী) আৰু তেওঁৰ সীমাৰেখা উলংঘাকাৰী (অৰ্থাৎ সৎকৰ্মৰ আদেশ নিদিয়া আৰু অসৎকৰ্মৰ পৰা বাধা নিদিয়া) ব্যক্তিৰ উদাহৰণ হৈছে সেইসকল লোকৰ দৰে যিসকলে এখন (দুইমহলীয়া) জাহাজত উঠিলে, আসন নিৰ্বাচন কৰিবলৈ সিহঁতে লটাৰি কৰিলে। ফলত কিছুমানে ওপৰত ঠাই পালে আৰু কিছুমানে তলত। তলৰ লোকসকলে পানী লবলগীয়া হ'লে ওপৰত যাবলগীয়া হৈছিল। সেয়ে সিহঁতে চিন্তা কৰিলে যে, আমি যদি তলতে এখন ফুটা কৰি লওঁ তেন্তে আৰু ওপৰত যাবলগীয়াও নহ'ব আৰু সিহঁতক কষ্ট দিয়াও নহ'ব। এতেকে এই পৰিস্থিতিত ওপৰৰ লোকসকলে যদি তলৰ লোকসকলক বাধা নিদিয়ে তেন্তে নিশ্চিতভাৱে সকলোৱে ডুবি ধ্বংস হ'ব। আনহাতে যদি ওপৰৰ লোকসকলে তলৰ লোকসকলক এই কাম কৰিবলৈ বাধা দিয়ে তেন্তে সিহঁতেও ৰক্ষা পাব আৰু বাকী লোকসকলে সুৰক্ষিত থাকিব। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা উদাহৰণ দিছে, সেইসকল লোকৰ বাবে যিসকলে আল্লাহে নিৰ্ধাৰণ কৰা সীমাৰেখাৰ ভিতৰত অৱস্থান কৰে, আল্লাহৰ আদেশ পালন কৰে, মানুহক সৎকৰ্মৰ

আদেশ দিয়ে আৰু অসৎকৰ্মৰ পৰা নিষেধ কৰে, পক্ষান্তৰে সেইসকল লোকৰ বাবে যিসকলে আল্লাহে নিৰ্ধাৰণ কৰা সীমাৰেখা উলংঘা কৰে, সৎকৰ্ম পৰিত্যাগ কৰে আৰু অসৎকৰ্মত লিপ্ত থাকে, সমাজত ইয়াৰ কি প্ৰভাৱ পৰে তাৰ এটা উত্তম উদাহৰণ দি তেখেতে কৈছে, ইহঁতৰ উদাহৰণ হৈছে সেইসকল লোকৰ দৰে যিসকলে এখন দুমহলীয়া জাহাজত আৰোহণ কৰিলে। সিহঁতে নিজৰ মাজত লটাৰি কৰি নিৰ্ধাৰণ কৰিলে যে, কোনে ওপৰত বহিব আৰু কোনে তলত। ফলত কিছুমানে ওপৰত আসন পালে আৰু আন কিছুমানে পালে তলত। কিন্তু তলত থকা লোকলকলৰ যেতিয়া পানীৰ প্ৰয়োজন হৈছিল, তেতিয়া তেওঁলোকে ওপৰত যাবলগীয়া হৈছিল। সেয়ে তলত থকা লোকসকলে চিন্তা কৰিলে যে, আমি যদি তলতে এখন ফুটা কৰি লওঁ তেন্তে দেখোন আৰু ওপৰত যাবলগীয়া নহ'ব আৰু সিহঁতক কষ্ট দিয়াও নহ'ব। এতেকে এনেকুৱা পৰিস্থিতিত ওপৰত থকা লোকসকলে যদি তলৰ লোকসকলক এই কামত বাধা নিদিয়ে তেন্তে সকলোৱে ধ্বংস হ'ব। আনহাতে যদি ওপৰৰ লোকসকলে তলৰ লোকসকলক বাধা দিয়ে তেন্তে ওপৰৰ আৰু তলৰ সকলো লোকেই ৰক্ষা পাব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সমাজক সুৰক্ষিত ৰাখিবলৈ আৰু মুক্তিৰ পথত অটল থাকিবলৈ সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধ কৰাৰ গুৰুত্ব অধিক।
2. শিক্ষা প্ৰদানৰ অন্যতম এটা উপায় হৈছে উদাহৰণৰ দ্বাৰা বুজাই দিয়া। ইয়াৰ দ্বাৰা অস্পষ্ট বিষয়ক স্পষ্টভাৱে বুজাব পাৰি।
3. অন্যায় কাম ঘটি থকা দেখিও তাক নিন্দা নকৰাটো ইমানেই বেয়া যে, ইয়াৰ ফলত সমগ্ৰ সমাজেই ক্ষতিগ্ৰস্ত হয়।
4. অসৎকৰ্মত লিপ্ত ব্যক্তিক অসৎকৰ্ম কৰাৰ সুযোগ দিয়াটোৱে হৈছে সমাজ ধ্বংসৰ অন্যতম কাৰণ।

5. বেয়া কাম সঠিক নিয়্যতেৰে কৰিলেও সেই কামটো সঠিক হৈ নাযায়।
6. মুছলিম সমাজক সংশোধন কৰাৰ দায়িত্ব সকলোৰে, এয়া কোনো এজন ব্যক্তিৰ ওপৰত নিৰ্ভৰ নকৰে।
7. কিছুমান বিশেষ লোকৰ গুনাহৰ শাস্তি সকলোৱে ভোগ কৰিব লাগিব পাৰে, যদি সিহঁতক সেইবোৰ গুনাহৰ পৰা বাধা প্ৰদান কৰা নহয়।
8. অসৎকৰ্মকাৰী লোকসকলে নিজৰ অসৎকৰ্মক সমাজৰ বাবে কল্যাণকৰ বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰে, যিদৰে মুনাফিকসকলে কৰে।

(3341)

(57) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «مَنْ دَعَا إِلَى هُدًى كَانَ لَهُ مِنَ الْأَجْرِ مِثْلُ أُجُورِ مَنْ تَبِعَهُ، لَا يَنْقُصُ ذَلِكَ مِنْ أُجُورِهِمْ شَيْئًا، وَمَنْ دَعَا إِلَى ضَلَالَةٍ كَانَ عَلَيْهِ مِنَ الْإِثْمِ مِثْلُ آثَامِ مَنْ تَبِعَهُ، لَا يَنْقُصُ ذَلِكَ مِنْ آثَامِهِمْ شَيْئًا». [صحيح] - [رواه مسلم]

(57) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “যিয়ে কোনো হিদায়তৰ প্ৰতি আহ্বান কৰিব, তেওঁ সেই ব্যক্তিৰ সমানেই ছোৱাব পাব, যিয়ে ইয়াৰ ওপৰত আমল কৰিব। ইয়াৰ ফলত সিহঁতৰ কোনো ছোৱাব হ্ৰাস নহ'ব। আনহাতে যি ব্যক্তিয়ে কোনো ভ্ৰষ্টতাৰ ফালে আহ্বান কৰিব, সি সেই ব্যক্তিৰ সমানেই গুনাহৰ অধিকাৰী হ'ব, যিয়ে ইয়াৰ ওপৰত আমল কৰিব। কিন্তু সিহঁতৰ গুনাহৰ পৰিমাণ হ্ৰাস নহ'ব।” [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, যিয়ে নিজৰ কথা আৰু কৰ্মৰ দ্বাৰা মানুহক সত্য তথা কল্যাণৰ পথ দেখুৱাব, তেওঁ সেই পথত পৰিচালিত লোকসকলৰ সমপৰিমাণ ছোৱাব লাভ কৰিব আৰু তেওঁলোকৰ ছোৱাবো হ্ৰাস নহ'ব। ইয়াৰ বিপৰীতে যিয়ে নিজৰ কথা আৰু কৰ্মৰ দ্বাৰা মানুহক কোনো বেয়া কৰ্ম, গুনাহ তথা হাৰাম পথ দেখুৱাব, সি সেই পথত পৰিচালিত হোৱা লোকসকলৰ সমপৰিমাণ গুনাহৰ অধিকাৰী হ'ব, লগতে অনুসাৰীসকলৰ গুনাহো কম কৰা নহ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সৎপথৰ প্ৰতি আহ্বান কৰাৰ গুৰুত্ব, কাম সৰু হওক বা ডাঙৰ। আহ্বানকাৰীয়ে আমলকাৰীসকলৰ সমপৰিমান ছোৱাব অতিৰিক্তভাৱে লাভ কৰিব। এইটো হৈছে বান্দাসকলৰ প্ৰতি আল্লাহৰ এটা মহান অনুগ্ৰহ তথা দয়া।

2. পথভ্ৰষ্টতাৰ প্ৰতি আহ্বান কৰাৰ ভয়ংকৰ পৰিণতি, বিভ্ৰান্তিৰ পৰিমাণ কম হওক বা বেছি। আনকি আহ্বানকাৰীয়েও আমলকাৰীৰ সমানে গুনাহৰ অধিকাৰী হ'ব।

3. মানুহে আমল অনুসৰিয়ে প্ৰতিফল লাভ কৰে। গতিকে যিয়ে কল্যাণৰ পিনে কাৰোবাক আহ্বান কৰিব, সি তাৰ ওপৰত আমল কৰি যিমান ছোৱাব পাব, সেই পৰিমাণ ছোৱাব আহ্বানকাৰীয়েও পাব। এইদৰে যিয়ে কাৰোবাক বেয়া কামৰ প্ৰতি আহ্বান কৰিব, সি তাৰ ওপৰত আমল কৰি যিমান গুনাহ পাব, আহ্বানকাৰীয়েও সেই পৰিমাণ গুনাহৰ অধিকাৰী হ'ব।

4. প্ৰতিজন মুছলিম ব্যক্তিয়ে সদায় সাৱধান থকা উচিত যে, সি যেন প্ৰকাশ্যভাৱে এনেকুৱা কোনো গুনাহ নকৰে, যিটো দেখি আনেও কৰিব। কাৰণ তাক দেখি যিয়েই সেই গুনাহ কৰিব, তাৰ গুনাহৰ সমানেই সিও গুনাহৰ অধিকাৰী হ'ব, যদিও সি তাক সেই গুনাহ কৰিবলৈ উৎসাহিত কৰা নাই।

(3373)

(58) – عن أبي مسعود الأنصاري رضي الله عنه قال: جَاءَ رَجُلٌ إِلَى النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فَقَالَ: إِنِّي أُبْدِعَ بِي فَاحْمِلْنِي، فَقَالَ: «مَا عِنْدِي»، فَقَالَ رَجُلٌ: يَا رَسُولَ اللهِ، أَنَا أَدُلُّهُ عَلَى مَنْ يَحْمِلُهُ، فَقَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَنْ دَلَّ عَلَى خَيْرٍ فَلَهُ مِثْلُ أَجْرِ فَاعِلِهِ». [صحيح] - [رواه مسلم]

(58) – আবু মাছঊদ আল-আনচাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এজন ব্যক্তি নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লে, মোৰ বাহন ধ্বংস হৈ গৈছে, আপুনি মোক এটি বাহন প্ৰদান কৰক। তেখেতে ক'লে: "মোৰ ওচৰত তেনেকুৱা একো নাই।" তেতিয়া আন এজন ব্যক্তিয়ে ক'লে, হে আল্লাহৰ ৰাছুল! মই এওঁক এনেকুৱা এজন ব্যক্তিৰ সন্ধান দিব পাৰোঁ যিয়ে এওঁক বাহন যোগান ধৰিব পাৰিব। এই কথা শুনি ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামে ক'লে: "যিয়ে কল্যাণৰ কামত কাৰোবাক পথ দেখুৱায়, তেওঁ সিমানেই ছোৱাব লাভ কৰিব, যিমানখিনি ছোৱাব আমলকাৰীয়ে পাব।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

এজন ব্যক্তি নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামৰ ওচৰত উপস্থিত হৈ ক'লে, মোৰ বাহন ধ্বংস হৈছে। গতিকে পৰিবহণৰ বাবে আপুনি মোক এটি পশু দিয়ক, যিটোক মই বাহন হিচাপে ব্যৱহাৰ কৰি মোৰ গন্তব্য স্থানলৈ যাব পাৰোঁ। নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে অপাৰগতা প্ৰকাশ কৰি ক'লে যে, তেখেতৰ ওচৰত এনেকুৱা কোনো বাহন নাই যিটোক সি পৰিবহণ হিচাপে ব্যৱহাৰ কৰিব পাৰিব। তেতিয়া উপস্থিত এজন ব্যক্তিয়ে ক'লে, হে আল্লাহৰ ৰাছুল! মই এওঁক এনেকুৱা এজন ব্যক্তিৰ সন্ধান দিব পাৰোঁ, যিয়ে এওঁক বাহন যোগান ধৰিব পাৰিব। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামে সেই ব্যক্তিজনক এই কথা জনালে যে, তেৱোঁ দানকাৰী ব্যক্তিৰ সমানেই ছোৱাব লাভ কৰিব, কাৰণ তেওঁ এজন অভাৱী ব্যক্তিক তাৰ প্ৰয়োজন পূৰণৰ সন্ধান দিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কল্যাণকৰ বিষয়ৰ সন্ধান দিবলৈ উৎসাহিত কৰা হৈছে।
2. হাদীছটোত সৎকৰ্ম কৰিবলৈ উৎসাহিত কৰা হৈছে, আৰু এইটো হৈছে মুছলিম সমাজৰ যৌথ দায়িত্বভাৰ গ্ৰহণ কৰা আৰু ইজনে সিজনৰ সম্পূৰকতাৰ অন্যতম কাৰণ।
3. মহান আল্লাহৰ অনুগ্ৰহ সুপ্ৰশস্ত হোৱাৰ প্ৰমাণ।
4. এই হাদীছটো হৈছে ব্যাপক মূলনীতি নিৰ্ধাৰণকাৰী এটা হাদীছ, সকলো প্ৰকাৰৰ কল্যাণকৰ কাম ইয়াৰ অন্তৰ্ভুক্ত।
5. যদি কোনো ব্যক্তিয়ে কোনো সহায়প্ৰাৰ্থীৰ অভাৱ পূৰণ কৰিবলৈ সক্ষম নহয়, তেন্তে তেওঁ এনেকুৱা কোনো ব্যক্তিৰ সংবাদ দিয়া উচিত যিয়ে তাৰ অভাৱ পূৰণ কৰিব পাৰিব।

(5354)

(59) – عَنْ سَهْلُ بْنُ سَعْدٍ رَضِيَ اللَّهُ عَنْهُ أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ يَوْمَ خَيْبَرَ: **«لَأُعْطِيَنَّ هَذِهِ الرَّايَةَ غَدًا رَجُلًا يَفْتَحُ اللَّهُ عَلَى يَدَيْهِ، يُحِبُّ اللَّهَ وَرَسُولَهُ وَيُحِبُّهُ اللَّهُ وَرَسُولُهُ»**، قَالَ: فَبَاتَ النَّاسُ يَدُوكُونَ لَيْلَتَهُمْ أَيُّهُمْ يُعْطَاهَا، فَلَمَّا أَصْبَحَ النَّاسُ غَدَوْا عَلَى رَسُولِ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كُلُّهُمْ يَرْجُو أَنْ يُعْطَاهَا، فَقَالَ: **«أَيْنَ عَلِيُّ بْنُ أَبِي طَالِبٍ؟»** فَقِيلَ: هُوَ يَا رَسُولَ اللَّهِ يَشْتَكِي عَيْنَيْهِ، قَالَ: **«فَأَرْسِلُوا إِلَيْهِ»**، فَأُتِيَ بِهِ فَبَصَقَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِي عَيْنَيْهِ وَدَعَا لَهُ، فَبَرَأَ حَتَّى كَأَنْ لَمْ يَكُنْ بِهِ وَجَعٌ، فَأَعْطَاهُ الرَّايَةَ، فَقَالَ عَلِيٌّ: يَا رَسُولَ اللَّهِ، أُقَاتِلُهُمْ حَتَّى يَكُونُوا مِثْلَنَا؟ فَقَالَ: **«انْفُذْ عَلَى رِسْلِكَ حَتَّى تَنْزِلَ بِسَاحَتِهِمْ، ثُمَّ ادْعُهُمْ إِلَى الإِسْلاَمِ، وَأَخْبِرْهُمْ بِمَا يَجِبُ عَلَيْهِمْ مِنْ حَقِّ اللَّهِ فِيهِ، فَوَاللَّهِ لَأَنْ يَهْدِيَ اللَّهُ بِكَ رَجُلًا وَاحِدًا، خَيْرٌ لَكَ مِنْ أَنْ يَكُونَ لَكَ حُمْرُ النَّعَمِ»**. [صحيح] - [ متفق عليه]

(59) – ছাহল বিন ছাআদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, খাইবৰৰ যুদ্ধৰ দিনা ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছিলঃ "কাইলৈ মই এই পতাকাখন এনে এজন ব্যক্তিৰ হাতত তুলি দিম, যাৰ যোগেদি আল্লাহে (খয়বৰৰ দুৰ্গ) জয় কৰিব। যিয়ে আল্লাহ আৰু তেওঁৰ ৰাছুলক ভালপায়, আনহাতে আল্লাহ আৰু তেওঁৰ ৰাছুলেও তেওঁক ভালপায়।" বৰ্ণনাকাৰীয়ে কৈছেঃ সেই ৰাতি লোকসকলে এই চিন্তাত ৰাতি অতিবাহিত কৰিছিল যে, কাক দিয়া হ'ব পতাকাখন। ৰাতিপুৱা হোৱাৰ লগে লগে চাহাবাসকলে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত আহি উপস্থিত হ'ল, প্ৰত্যেকেই কামনা কৰি আছিল যে, পতাকাখন তাকেই দিয়া হ'ব। এই অৱস্থাত তেখেতে ক'লেঃ "আলী ইবনু আবি তালিব ক'ত?" কোৱা হ'ল যে, হে আল্লাহৰ ৰাছুল! তেওঁৰ চকুৰ বেমাৰ হৈছে। তেখেতে ক'লেঃ "তেওঁক মাতি আনিবলৈ কাৰোবাক প্ৰেৰণ কৰা।" তেওঁক লৈ অনা হ'ল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ দুয়ো চকুত তেখেতৰ থু লগাই দিলে আৰু দুআ কৰিলে, ফলত তেওঁ সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিল, এনেকুৱা আৰোগ্য লাভ কৰিলে যে, চকুত যেনিবা কোনো বিষেই নাছিল। ইয়াৰ পিছত তেখেতে তেওঁক পতাকা অৰ্পন কৰিলে। পতাকা হাতত লৈ তেওঁ ক'লেঃ হে আল্লাহৰ ৰাছুল! মই সিহঁতৰ লগত তেতিয়ালৈকে যুদ্ধ কৰিম যেতিয়ালৈকে সিহঁত আমাৰ দৰে (মুছলিম) হৈ নাযায়। তেতিয়া তেখেতে ক'লেঃ "তুমি লাহে লাহে আগুৱাই যোৱা, যেতিয়া তুমি সিহঁতৰ চোতালতগৈ উপস্থিত হ'বা, তেতিয়া সিহঁতক ইছলামৰ পিনে আহ্বান কৰিবা আৰু সিহঁতৰ ওপৰত আল্লাহৰ যি অধিকাৰ আছে সেই সম্পৰ্কে সিহঁতক অৱগত কৰিবা। আল্লাহৰ শপত! তোমাৰ দ্বাৰা এজন লোকেও যদি ঈমান পোষণ কৰে তেন্তে সেয়া তোমাৰ বাবে ৰঙা উটতকৈও উত্তম।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক আগতীয়াকৈ সংবাদ দি কৈছিল যে, কাইলৈ ইয়াহুদীসকলৰ ওপৰত মুছলিমসকলে জয় লাভ কৰিব। এই বিজয় লাভ হ'ব এনেকুৱা এজন ব্যক্তিৰ জৰিয়তে যাক এই পতাকাখন অৰ্পন কৰা হ'ব, অৰ্থাৎ সেই পতাকা যিখন সেনাবাহিনীয়ে যুদ্ধত প্ৰতীক হিচাপে উত্তোলন কৰে। সেই ব্যক্তিজনৰ বৈশিষ্ট্য হৈছে এই যে, তেওঁ আল্লাহ আৰু তেওঁৰ ৰাছুলক ভাল পায়। আনহাতে আল্লাহ আৰু তেওঁৰ ৰাছুলেও তেওঁক ভাল পায়। এই শুনি চাহাবাসকলে কোৱাকুইকে ৰাতি অতিবাহিত কৰিলে যে কাক দিয়া হ'ব সেই পতাকা? কাৰণ এইটো হৈছে এটা মহা মৰ্যাদাৰ বিষয়। ৰাতিপুৱা হোৱাৰ লগে লগে চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত আহি গোট খালে, প্ৰত্যেকেই ভাবি আছিল এই মৰ্যাদা তেওঁহে লাভ কৰিব।

এনেতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আলী ইবনু আবি তালিব সম্পৰ্কে সুধিলে?

কোৱা হ'ল যে, তেওঁ অসুস্থ, চকুৰ বেমাৰ হৈছে।

এই শুনি তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক মাতি পঠোৱাৰ ব্যৱস্থা কৰিলে। তেওঁক মাতি অনা হ'ল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ বৰকতময় থু তেওঁৰ চকুত লগাই দিয়া হ'ল, আৰু তেখেতে দুআ কৰিলে, ফলত তেওঁ সেই বেমাৰৰ পৰা আৰোগ্য লাভ কৰিলে, এনেকুৱা আৰোগ্য লাভ কৰিলে যেনিবা তেওঁৰ চকুত কোনো বেমাৰেই নাছিল। ইয়াৰ পিছত তেখেতে তেওঁক পতাকা অৰ্পন কৰিলে। লগতে তেওঁক নিৰ্দেশ দিলে যে, লাহে লাহে আগুৱাই যাবা, যেতিয়া তুমি শত্ৰুসকলৰ দুৰ্গৰ ওচৰতগৈ উপস্থিত হ'বা তেতিয়া সিহঁতক ইছলাম গ্ৰহণ কৰিববলৈ আহ্বান কৰিবা। যদি সিহঁতে ইছলাম গ্ৰহণ কৰে তেন্তে সিহঁতক সেইবোৰ বিষয় জনাই দিবা যিবোৰ পালন কৰা সিহঁতৰ ওপৰত অনিবাৰ্য।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আলী ৰাদ্বিয়াল্লাহু আনহুক আল্লাহৰ পিনে আহ্বান কৰাৰ গুৰুত্ব বুজাই ক'লে যে, যদি এই

আহ্বানৰ ফলত কোনোবাই হিদায়ত লাভ কৰে তেন্তে এয়া তোমাৰ বাবে এটা ৰঙা উটতকৈও উত্তম, যিটোক আৰবীয়ানসকলে মহামূল্যৱান সম্পদ বুলি গণ্য কৰে। অৰ্থাৎ এনেকুৱা উটৰ মালিক হোৱাতকৈও উত্তম অথবা এনেকুৱা উট চাদাক্বাহ কৰাতকৈও উত্তম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা আলী ইবনু আবি তালিবৰ মৰ্যাদা প্ৰমাণিত হৈছে।
2. স্বয়ং ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে সাক্ষ্য দিছে যে, তেওঁ আল্লাহ আৰু তেওঁৰ ৰাছুলক ভাল পায়, আনহাতে আল্লাহ আৰু তেওঁৰ ৰাছুলেও তেওঁক ভাল পায়।
3. কল্যাণৰ প্ৰতি চাহাবাসকল খুবেই আগ্ৰহী আছিল, আৰু ইয়াৰ বাবে তেওঁলোকে প্ৰতিযোগিতা কৰিছিল।
4. যুদ্ধৰ সময়তো নিয়ম-নীতি পালন কৰা জৰুৰী। আনহাতে লম্ফ-জম্ফ কৰা তথা  অনৰ্থক চিঞৰ-বাখৰ পৰিত্যাগ কৰা উচিত, ইয়াৰ কোনো প্ৰয়োজন নাই।
5. ইয়াহুদীসকলৰ ওপৰত বিজয় লাভ কৰাৰ সংবাদটো হৈছে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নুবুওৱতৰ অন্যতম এটা প্ৰমাণ। আনহাতে তেখেতৰ হাতত আলী ইবনে আবি তালিবে চকুৰ বেমাৰৰ পৰা আৰোগ্য লাভ কৰা বিষয়টো সংঘটিত হৈছে আল্লাহৰ আদেশক্ৰমে।
6. জিহাদৰ অন্যতম এটা মহান উদ্দেশ্য হৈছে, যাতে মানুহে দলে দলে ইছলামত প্ৰৱেশ কৰে।
7. ইছলামৰ প্ৰতি আহ্বান ধীৰ স্থিৰে হোৱা উচিত। প্ৰথমে অমুছলিম ব্যক্তিক ইছলাম গ্ৰহণ কৰিবলৈ তথা শ্বাহাদাতাইনৰ সাক্ষ্য দিয়াৰ প্ৰতি আহ্বান কৰিব লাগে। এইটো গ্ৰহণ কৰিলেহে ইছলামৰ বাকী বাধ্যতামূলক বিধানসমূহৰ নিৰ্দেশ দিব লাগে।

8. হাদীছটোত ইছলামৰ প্ৰতি আহ্বানৰ গুৰুত্ব বৰ্ণিত হৈছে। ইয়াত আহ্বানকাৰী আৰু যাক আহ্বান কৰা হৈছে উভয়ৰে বাবে কল্যাণ আছে, যাক আহ্বান কৰা হৈছে তেওঁ হিদায়ত লাভ কৰিব পাৰে, আনহাতে আহ্বানকাৰীয়ে মহা প্ৰতিদান লাভ কৰিব।

(3409)

(60) – عن ابنِ عُمَرَ رضي الله عنهما قال: قال رسولُ الله صلَّى الله عليه وسلم: «مَن تَشَبَّهَ بِقَوْمٍ فَهُوَ مِنْهُمْ». [حسن] - [رواه أبو داود وأحمد]

(60) – ইবনে 'ওমৰ ৰাদ্বিয়াল্লাহু 'আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে বেলেগ কোনো সম্প্ৰদায়ৰ সাদৃশ্য গ্ৰহণ কৰিব, সি সিহঁতৰেই অন্তৰ্ভুক্ত বুলি গণ্য হ'ব। [হাছান] - [(আবু দাঊদ, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে এই হাদীছটোত সংবাদ দিছে যে, যি ব্যক্তিয়ে কোনো কাফিৰ অথবা ফাছিক নাইবা পূণ্যৱান কোনো সম্প্ৰদায়ৰ অনুসৰণ তথা অনুকৰণ কৰিব- অৰ্থাৎ সিহঁতৰ আক্বীদা অথবা ইবাদত নাইবা চাল-চলন ইত্যাদি বৈশিষ্ট্য ধাৰণ কৰিব, সি সিহঁতৰেই অন্তৰ্ভুক্ত বুলি বিবেচিত হ'ব। কিয়নো বাহ্যিক অনুসৰণ-অনুকৰণেই দৰাচলতে অভ্যন্তৰীণ তথা আন্তৰিক অনুসৰণ-অনুকৰণ কৰিবলৈ উৎসাহিত কৰে। নি:সন্দেহে কোনো সম্প্ৰদায়ৰ অনুসৰণ সিহঁতৰ প্ৰতি আকৃষ্ট হোৱাৰ পিছতহে কৰা হয়। কেতিয়াবা কেতিয়াবা সিহঁতৰ প্ৰতি ভালপোৱা আৰু সিহঁতক কৰা সন্মানে সিহঁতৰ ওচৰত শিৰ নত কৰায়। এইবোৰেই মানুহক সাদৃশ্য গ্ৰহণ কৰিবলৈ আকৃষ্ট কৰে, অৱশেষত অভ্যন্তৰীণ আৰু ইবাদতৰ ক্ষেত্ৰতো সাদৃশ্যতা গ্ৰহণ কৰে। এনেকুৱা সাদৃশ্য গ্ৰহণৰ পৰা আমি আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰিছোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কাফিৰ আৰু ফাছিকসকলৰ সাদৃশ্য গ্ৰহণৰ পৰা সতৰ্ক কৰা হৈছে।
2. সৎ তথা পূণ্যৱান লোকসকলৰ সাদৃশ্যতা গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ অনুসৰণ-অনুকৰণ কৰিবলৈ উৎসাহিত কৰা হৈছে।
3. বাহ্যিক অনুসৰণে অন্তৰত তাৰ প্ৰতি মুহাব্বত সৃষ্টি কৰে।
4. সাদৃশ্যতা গ্ৰহণ আৰু ইয়াৰ ধৰণ অনুযায়ী মানুহ কেতিয়াবা শাস্তিৰ উপযুক্ত হয় আৰু গুনাহগাৰ হয়।
5. কাফিৰসকলৰ ধৰ্ম আৰু সিহঁতৰ নিজস্ব কলা-কৃষ্টি তথা প্ৰথাৰ অনুসৰণ কৰা নিষিদ্ধ। কিন্তু উপৰোক্ত বিষয়বোৰৰ বাহিৰে বেলেগ কোনো ক্ষেত্ৰত সাদৃশ্যতা গ্ৰহণ কৰাত কোনো অসুবিধা নাই, যেনে- শিল্প তথা প্ৰযুক্তি বিদ্যা আদি সিহঁতৰ পৰা শিকা, এনেকুৱা অন্যান্য বিষয়বোৰ নিষেধাজ্ঞাৰ অন্তৰ্ভুক্ত নহয়।

(5353)

(61) – عن أبي هريرة رضي الله عنه أن النبيَّ صَلّى اللهُ عَلَيْهِ وسَلَّم قَالَ: «الرَّجُلُ عَلَى دِينِ خَلِيلِهِ، فَلْيَنْظُرْ أَحَدُكُم مَنْ يُخَالِلُ». [حسن] - [رواه أبو داود والترمذي وأحمد]

(61) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মানুহে নিজৰ বন্ধুৰ পথ অনুকৰণ কৰে। গতিকে তোমালোকৰ মাজৰ প্ৰত্যেকেই মনোযোগ দিয়া উচিত যে, সি কাক বন্ধুৰূপে গ্ৰহণ কৰিছে।" [হাছান] - [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

### ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, মানুহে তাৰ বন্ধুৰ তথা অন্তৰংগ সংগীৰ চৰিত্ৰ, অভ্যাস আদিৰ অনুকৰণ কৰে। এই বন্ধুত্বই তাৰ স্বভাৱ, চৰিত্ৰ আৰু চাল-চলনত প্ৰভাৱ পেলায়।

সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উত্তম লোকক বন্ধু হিচাপে চয়ন কৰিবলৈ নিৰ্দেশনা দিছে। কাৰণ এনেকুৱা বন্ধুৱে ঈমান, হিদায়ত আৰু কল্যাণৰ পথ দেখুৱাব, যিটো তাৰ বন্ধুৰ বাবে সহায়ক হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সৎ লোকৰ সংগ অৱলম্বন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এইদৰে অসৎ লোকৰ সংগ অৱলম্বন কৰিবলৈ নিষেধ কৰা হৈছে।
2. হাদীছটোত বন্ধুক নিৰ্দিষ্ট কৰা হৈছে, আত্মীয়ক নহয়। কাৰণ বন্ধুক আপুনি নিৰ্বাচন কৰিব পাৰে, আনহাতে আত্মীয়ক নিৰ্বাচন কৰিবলৈ আপোনাৰ কোনো ক্ষমতা নাই।
3. চাইচিতি সংগ অৱলম্বন কৰিব লাগে।
4. মুমিনসকলৰ সংগত থাকিলে মানুহৰ দ্বীন মজবুত হয়, আৰু ফাছিক্বসকলৰ সংগত থাকিলে দুৰ্বল হয়।

(3122)

(62) – عَنِ المُغِيرَةِ بْنِ شُعْبَةَ رَضِيَ اللَّهُ عَنْهُ عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لاَ يَزَالُ طَائِفَةٌ مِنْ أُمَّتِي ظَاهِرِينَ، حَتَّى يَأْتِيَهُمْ أَمْرُ اللَّهِ وَهُمْ ظَاهِرُونَ». [صحيح] - [متفق عليه]

(62) – মুগীৰাহ বিন শ্‌বুবাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোৰ উম্মতৰ এটা দল সদায় বিজয়ী থাকিব, অৱশেষত আল্লাহৰ নিৰ্দেশ (কিয়ামত) আহি পৰিব আৰু তেওঁলোক বিজয়ী অৱস্থাতে থাকিব।" [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মোৰ উম্মতৰ এটা দল সদায় মানুহৰ ওপৰত বিজয়ী হৈ থাকিব, শত্ৰুসকলক

পৰাস্ত কৰিব, তেওঁলোকৰ এই ধাৰাবাহিকতা কিয়ামত পৰ্যন্ত থাকিব, অৱশেষত শেষ জামানাত কিয়ামতৰ পূৰ্বে আল্লাহে তেওঁলোকৰ প্ৰাণ হৰণ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এইটো মহা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অন্যতম এটা মুজিঝা (অলৌকিকতা)। কাৰণ এই বৈশিষ্ট্য নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগৰ পৰা এতিয়ালৈকে অৱশিষ্ট আছে, লগতে তেতিয়ালৈকে অৱশিষ্ট থাকিব যেতিয়ালৈকে আল্লাহৰ নিৰ্দেশ আহি নপৰে, যিদৰে হাদীছটোত বৰ্ণিত হৈছে।
2. সত্যৰ ওপৰত আমল কৰাৰ আৰু ইয়াৰ ওপৰত অটল থকাৰ ফজীলত বৰ্ণিত হৈছে, লগতে এই ক্ষেত্ৰত উৎসাহিত কৰা হৈছে।
3. দ্বীন বা ধৰ্মই দুই ধৰণে জয় লাভ কৰে, এক প্ৰকাৰ হৈছে, যুক্তি-প্ৰমাণ আৰু স্পষ্টতাৰ জৰিয়তে, আৰু দ্বিতীয়টো হৈছে শক্তি আৰু ক্ষমতাৰ জৰিয়তে। যুক্তি প্ৰমাণৰ মাধ্যমত ধৰ্মই সদায় জয় লাভ কৰে। কাৰণ ইছলামৰ মূল যুক্তি প্ৰমাণ হৈছে কোৰআন, আৰু এই কোৰআন সকলো সময়তে আৰু সকলো ক্ষেত্ৰতে সদায় প্ৰভাৱিত। আনহাতে শক্তি সামৰ্থৰ জৰিয়তে লাভ কৰিব পৰা বিজয় নিৰ্ভৰ কৰে ঈমানৰ ওপৰত আৰু পৃথিৱীত থকা সিহঁতৰ ক্ষমতাৰ ওপৰত।

(65879)

(63) – عن تَميم الداري رضي الله عنه، قال: سمعتُ رسول الله صلى الله عليه وسلم يقول: «لَيَبْلُغَنَّ هَذَا الأَمْرُ مَا بَلَغَ اللَّيْلُ وَالنَّهَارُ، وَلَا يَتْرُكُ اللهُ بَيْتَ مَدَرٍ وَلَا وَبَرٍ إِلَّا أَدْخَلَهُ اللهُ هَذَا الدِّينَ، بِعِزِّ عَزِيزٍ أَوْ بِذُلِّ ذَلِيلٍ، عِزًّا يُعِزُّ اللهُ بِهِ الإِسْلَامَ، وَذُلًّا يُذِلُّ اللهُ بِهِ الكُفْرَ» وَكَانَ تَمِيمٌ الدَّارِيُّ يَقُولُ: قَدْ عَرَفْتُ ذَلِكَ فِي أَهْلِ بَيْتِي، لَقَدْ أَصَابَ مَنْ أَسْلَمَ مِنْهُمُ الْخَيْرُ وَالشَّرَفُ وَالْعِزُّ، وَلَقَدْ أَصَابَ مَنْ كَانَ مِنْهُمْ كَافِرًا الذُّلُّ وَالصَّغَارُ وَالْجِزْيَةُ. [صحيح] - [رواه أحمد]

(63) – তামীম আত-দাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "(মহান আল্লাহে) এই দ্বীনক প্ৰত্যেক সেই স্থানলৈ পৌঁচাই দিব, য'ত য'ত দিন আৰু ৰাতি হয়। মহান আল্লাহে কেচা পকা সকলো ঘৰতে এই দ্বীন প্ৰৱেশ কৰাব। গতিকে এই দ্বীনৰ দ্বাৰা সন্মানী ব্যক্তিক সন্মানিত কৰিব আৰু অসন্মানী ব্যক্তিক অপদস্থ কৰিব। যিয়ে ইছলাম গ্ৰহণ কৰিব, আল্লাহে তাক মৰ্যাদা প্ৰদান কৰিব, আৰু যিয়ে অস্বীকাৰ কৰিব তথা কুফৰী কৰিব, আল্লাহে তাক অপমানিত কৰিব।" তামীম আত-দাৰীয়ে কৈছেঃ এইটো মই মোৰ নিজৰ পৰিয়ালৰ মাজতে দেখিবলৈ পাইছোঁ। যিয়ে ইছলাম গ্ৰহণ কৰিছে, তেওঁ কল্যাণ, মান-সন্মান তথা মৰ্যাদা লাভ কৰিছে, আৰু যিসকলে কুফৰী কৰিছে, সিহঁত হীন অৱস্থাত অপমানিত হৈ কৰ আদায় দিবলগীয়া হৈছে। [ছহীহ] - [(আহমদ)]

**ব্যাখ্যা:**

হাদীছটোত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, এই দ্বীন পৃথিৱীৰ চুকে কোনে প্ৰসাৰিত হ'ব। দিন আৰু ৰাতিৰ আৱৰ্তন ঘটা প্ৰতিটো ঠাইতে এই দ্বীন প্ৰৱেশ কৰিব। গাওঁ, চহৰ, উপত্যকা, মৰুভূমি আদিত নিৰ্মিত প্ৰতিটো ঘৰতে আল্লাহে এই দ্বীন প্ৰৱেশ কৰাব। যিয়ে এই দ্বীন গ্ৰহণ কৰিব তথা ইয়াৰ প্ৰতি ঈমান পোষণ কৰিব, তেওঁ ইছলামৰ দ্বাৰা সন্মানিত হ'ব। আনহাতে যিয়ে অস্বীকাৰ কৰিব তথা কুফৰী কৰিব, সি অপমানিত হ'ব তথা অপদস্থ হ'ব।

ইয়াৰ পিছত চাহাবী তামীম আত-দাৰী ৰাদ্বিয়াল্লাহু আনহুৱে জনাইছে যে, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ এই হাদীছৰ প্ৰমাণ স্বয়ং তেওঁৰ পৰিয়ালতে পাইছে। তেওঁলোকৰ মাজৰ যিসকলে ঈমান আনিছিল, তেওঁলোকে কল্যাণ আৰু মান-মৰ্যাদা লাভ কৰিছিল। আনহাতে যিসকলে কুফৰী কৰিছিল সিহঁতে লাঞ্ছিত, অপমানিত হৈ মুছলিমসকলক কৰ প্ৰদান কৰিবলগীয়া হৈছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইয়াৰ দ্বাৰা মুছলিমসকলক সুসংবাদ দিয়া হৈছে যে, তেওঁলোকৰ দ্বীন গোটেই পৃথিৱীত প্ৰসাৰিত হ'ব।
2. মান-মৰ্যাদা ইছলাম আৰু মুছলিমৰ বাবে। আনহাতে আপমান আৰু লাঞ্ছনা কুফৰ আৰু কাফিৰৰ বাবে।
3. এইটো নুবুওৱতৰ প্ৰমাণসমূহৰ মাজৰ অন্যতম এটা প্ৰমাণ তথা প্ৰতীক। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যিদৰে সংবাদ দিছে, পৰৱৰ্তী সময়ত তেনেকৈয়ে বাস্তৱায়িত হৈছে।

(11220)

(64) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «بَدَأَ الْإِسْلَامُ غَرِيبًا، وَسَيَعُودُ كَمَا بَدَأَ غَرِيبًا، فَطُوبَى لِلْغُرَبَاءِ». [صحيح] - [رواه مسلم]

(64) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ইছলাম আৰম্ভণিত অপৰিচিত আছিল। অচিৰেই পুনৰ সেই অপৰিচিত অৱস্থালৈ উভতি যাব। এতেকে সেই অপৰিচিত অৱস্থাত যিসকলে ইছলামৰ ওপৰত অটল থাকিব, তেওঁলোকৰ বাবে আছে সুসংবাদ।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, ইছলামে আৰম্ভণিত অপৰিচিত অৱস্থাত আত্ম প্ৰকাশ কৰিছে, তেতিয়া মুছলিমসকলৰ সংখ্যা খুবেই তাকৰ আছিল। এইদৰে এটা সময় এনেকুৱা আহিব যেতিয়া পুনৰ সেই আগৰ অৱস্থালৈ ঘূৰি যাব। প্ৰকৃত মুছলিমৰ সংখ্যা তাকৰ হ'ব। এতেকে সেই সময়ত যিসকলে ইছলামী জীৱন যাপন কৰিব, তথা চৰীয়তি বিধি-বিধান ৰক্ষা কৰিব, তেওঁলোকৰ বাবে আছে সুসংবাদ তথা আনন্দদায়ক প্ৰতিদান।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত এই সংবাদ দিয়া হৈছে যে, ইছলাম চৌদিশে প্ৰচাৰ হোৱাৰ পিছত পুনৰ আগৰ অৱস্থালৈ ঘূৰি আহিব।
2. হাদীছটোত নবুওৱতৰ এটা আলামত নিহিত হৈ আছে। কাৰণ ইয়াত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ পিছত ভৱিষ্যতে হ'বলগীয়া এটা বিষয় সম্পৰ্কে সংবাদ দিছে, আৰু সেইটো পৰবৰ্তী সময়ত সেইদৰেই সংঘটিত হৈছে যিদৰে তেখেতে জনাইছে।

3. হাদীছটোত ইছলামৰ খাতিৰত নিজৰ বংশ পৰিয়াল আৰু দেশ ত্যাগ কৰি হিজৰত কৰাৰ ফজীলত বৰ্ণিত হৈছে। লগতে তাৰ বাবে আছে জান্নাতৰ প্ৰতিশ্ৰুতি।

4. গুৰাবা কোৱা হয় সেইসকল লোকক, যিসকলে সেই সময়ত সৎপথত অটল থাকে, যেতিয়া মানুহে বিভ্ৰান্তিৰ পথত দলে বলে পতিত হয়। লগতে মানুহে সৃষ্টি কৰা বিসংগতিবোৰক তেওঁলোকেই সংশোধন কৰে।

(66219)

(65) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنْ رَسُولِ اللهِ صلى الله عليه وسلم أنه قال: «وَالَّذِي نَفْسُ مُحَمَّدٍ بِيَدِهِ لَا يَسْمَعُ بِي أَحَدٌ مِنْ هَذِهِ الْأُمَّةِ يَهُودِيٌّ وَلَا نَصْرَانِيٌّ، ثُمَّ يَمُوتُ وَلَمْ يُؤْمِنْ بِالَّذِي أُرْسِلْتُ بِهِ إِلَّا كَانَ مِنْ أَصْحَابِ النَّارِ». [صحيح] - [رواه مسلم]

(65) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “সেই সত্ত্বাৰ শপত, যাৰ হাতত মুহাম্মদৰ জীৱন আছে, এই উম্মতৰ যি ব্যক্তিয়েই মোৰ বিষয়ে শুনিব সি ইয়াহুদী হওক অথবা খ্ৰীষ্টান, মোৰ আগমনৰ সংবাদ পোৱাৰ পিছতো যদি সি সেইবোৰ বিষয়ৰ প্ৰতি ঈমান পোষণ নকৰাকৈ মৃত্যুবৰণ কৰে যিবোৰ বিষয় প্ৰদান কৰি মোক প্ৰেৰণ কৰা হৈছে তেন্তে সি নিশ্চিতভাৱে জাহান্নামী হ'ব।” [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ শপত খাই কৈছে যে, এই উম্মতৰ যি ব্যক্তিয়েই তেখেতৰ বিষয়ে শুনিব, সি ইয়াহুদী হওক বা খ্ৰীষ্টান নাইবা আন কোনো ধৰ্মৰ, সেই ব্যক্তি যদি তেখেতৰ প্ৰতি ঈমান পোষণ নকৰাকৈয়ে মৃত্যুবৰণ কৰে তেন্তে সি চিৰস্থায়ীভাৱে জাহান্নামী হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ৰিছালত গোটেই বিশ্ববাসীৰ বাবে সমান, লগতে তেখেতৰ অনুসৰণ কৰা অনিবাৰ্য, কাৰণ তেখেতৰ চৰীয়তৰ দ্বাৰা অন্যান্য সকলো চৰীয়তকে ৰহিত কৰা হৈছে।
2. যিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক অস্বীকাৰ কৰিব, সি আন কোনো নবীৰ ওপৰত ঈমান পোষণ কৰাৰ দাবী কৰিলেও সেই দাবী ফলপ্ৰসূ নহ'ব। আল্লাহে সকলো নবীৰ ওপৰতে শান্তি বৰ্ষণ কৰক।
3. আনহাতে যি ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ বিষয়ে শুনা নাই, তথা যিয়ে ইছলামৰ দাৱাত পোৱাই নাই, তেনে ব্যক্তিৰ বিষয়টো সুকীয়া। এনেকুৱা ব্যক্তিৰ বিষয়টো আখিৰাতত আল্লাহৰ ওপৰতে নিৰ্ভৰ কৰিব।
4. ইছলামৰ দ্বাৰা উপকৃত হ'ব পাৰিব যদিও মৃত্যুৰ পূৰ্বে ঈমান পোষণ কৰে, তথা তীব্ৰ অসুস্থতাৰ সময়ত  ইছলাম গ্ৰহণ কৰে। কিন্তু প্ৰাণ ডিঙিলৈ গুচি অহাৰ পিছত ইছলাম গ্ৰহণ কৰিলে সেইটো কোনো কামত নাহিব।
5. অমুছলিমসকলৰ ধৰ্মৰ সংশোধন কৰিব লাগিব, উদাহৰণস্বৰূপে ইয়াহুদী আৰু খ্ৰীষ্টান ধৰ্মও হৈছে কুফৰ।
6. হাদীছটোত ইয়াহুদী আৰু খ্ৰীষ্টান ধৰ্মৰ নাম উল্লেখ কৰি অন্যান্য ধৰ্মৰ প্ৰতিও ইংগিত কৰিছে। কিয়নো এই দুটা আহলে কিতাব হোৱা সত্ত্বেও কোনো কামত নাহিব। এতেকে এই দুটা ধৰ্মৰ যদি এই অৱস্থা হয় তেন্তে যিবোৰ ধৰ্মৰ কোনো ঐশী কিতাবেই নাই সেইবোৰৰ কি অৱস্থা হ'ব। গতিকে প্ৰত্যেকেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ধৰ্মত প্ৰৱেশ কৰা অনিবাৰ্য আৰু তেখেতৰ অনুসৰণ কৰা অনিবাৰ্য।

(3272)

(66) – عَنْ ابْنِ عَبَّاسٍ رضي الله عنهما قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ غَدَاةَ الْعَقَبَةِ وَهُوَ عَلَى نَاقَتِهِ: «**الْقُطْ لِي حَصًى**» فَلَقَطْتُ لَهُ سَبْعَ حَصَيَاتٍ، هُنَّ حَصَى الْخَذْفِ، فَجَعَلَ يَنْفُضُهُنَّ فِي كَفِّهِ وَيَقُولُ: «**أَمْثَالَ هَؤُلَاءِ فَارْمُوا**» ثُمَّ قَالَ: «**أَيُّهَا النَّاسُ، إِيَّاكُمْ وَالْغُلُوَّ فِي الدِّينِ، فَإِنَّمَا أَهْلَكَ مَنْ كَانَ قَبْلَكُمْ الْغُلُوُّ فِي الدِّينِ**». [صحيح] - [رواه ابن ماجه والنسائي وأحمد]

(66) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে জামাৰাতুল আক্বাবাৰ দিনা পুৱাৰ ভাগত উটৰ পিঠিত আৰোহণ কৰি থকা অৱস্থাত কৈছিলঃ "মোৰ বাবে শিলগুটি সংগ্ৰহ কৰা।" ফলত মই তেখেতৰ বাবে সাতটা শিলগুটি সংগ্ৰহ কৰিলোঁ। যিবোৰ আকাৰত আছিল ক্ষুদ্ৰ। তেখেতে সেইবোৰ নিজৰ হাতৰ মাজত লৈ লাৰিচাৰি ক'লেঃ "এনেকুৱা ধৰণৰ শিলগুটি তোমালোকে নিক্ষেপ কৰিবা।" ইয়াৰ পিছত তেখেতে ক'লেঃ "হে মানৱজাতি! ধৰ্মীয় ক্ষেত্ৰত সীমালংঘনৰ পৰা বিৰত থাকিবা, কাৰণ তোমালোকৰ পূৰ্বে যিসকল লোক অতিবাহিত হৈছে, সিহঁত ধৰ্মীয় ক্ষেত্ৰত সীমালংঘন কৰাৰ ফলতেই ধ্বংস হৈছে।" [ছহীহ] - [(ইবনে মাজাহ, নাছায়ী, আহমদ)]

**ব্যাখ্যা:**

হাদীছটোত ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাই জনাইছে যে, বিদায়ী হজ্জত কুৰবানীৰ দিনা জামাৰাতুল আক্বাবাত শিলগুটি নিক্ষেপৰ সময়ত তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ লগত আছিল। তেখেতে তেওঁক শিলগুটি সংগ্ৰহ কৰি আনিবলৈ নিৰ্দেশ দিছিল। ফলত তেওঁ তেখেতৰ বাবে সাতটা শিলগুটি বিচাৰি আনিছিল। তাৰে মাজৰ এটা শিলগুটি বুটমাহৰ সমান আকাৰৰ আছিল। সেইটোক তেখেতে হাতৰ তালুত লাৰি চাই কৈছিলঃ এনেকুৱা আকাৰৰ শিলগুটি তোমালোকে নিক্ষেপ কৰিবা। ইয়াৰ পিছত তেখেতে সীমালংঘনৰ পৰা

সতৰ্ক কৰিছে তথা ধৰ্মীয় ক্ষেত্ৰত অতিৰঞ্জনৰ পৰা সাৱধান কৰিছে। কাৰণ পূৰ্বৱৰ্তী উম্মতৰ লোকসকল ধৰ্মীয় ক্ষেত্ৰত সীমালংঘন কৰাৰ ফলতেই ধ্বংস হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত ধৰ্মীয় ক্ষেত্ৰত সীমালংঘন কৰিবলৈ নিষেধ কৰা হৈছে। লগতে ইয়াৰ দুষ্পৰিণাম উল্লেখ কৰিছে আৰু কৈছে এইটোৱে হৈছে ধ্বংসৰ কাৰণ।
2. পূৰ্বৱৰ্তী উম্মতৰ পৰা শিক্ষা লোৱা উচিত, অৰ্থাৎ সিহঁতে যি ভুল কৰিছে তাৰ পৰা আঁতৰি থকা উচিত।
3. ছুন্নতৰ অনুসৰণ কৰিবলৈ উৎসাহিত কৰা হৈছে।

(3395)

(67) – عن عبد الله بن مسعود قال: قال رسول الله صلى الله عليه وسلم: «هَلَكَ الْمُتَنَطِّعُون» قالها ثلاثًا. [صحيح] - [رواه مسلم]

(67) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সীমালংঘনকাৰীসকল ধ্বংস হওক।" এই কথাষাৰ তেখেতে তিনিবাৰ কৈছে। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, দ্বীন আৰু দুনিয়া, কথা আৰু কৰ্ম আদি সকলো ক্ষেত্ৰতে হিদায়ত আৰু জ্ঞান অৰ্জন নকৰাৰ বিপৰীতে সীমালংঘন কৰাটো হৈছে ধ্বংসৰ কাৰণ। সীমালংঘন হৈছে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে লৈ অহা চৰীয়তৰ সীমাক কেৰেপ নকৰি অতিক্ৰম কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চৰমপন্থা তথা কঠোৰতা সকলো ক্ষেত্ৰতে হাৰাম, চৰীয়তে ইয়াৰ পৰা বিৰত থাকিবলৈ উৎসাহিত কৰিছে। বিশেষকৈ ইবাদত আৰু পূণ্যৱান লোকসকলৰ ক্ষেত্ৰত।
2. পৰিপূৰ্ণৰূপে ইবাদত পালন কৰাটো হৈছে প্ৰশংসনীয় বিষয়, কিন্তু এইটোও হ'ব লাগিব চৰীয়ত অনুসৰি।
3. গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে তাগিদ কৰা মুস্তাহাব। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত উক্ত কথাষাৰ তিনিবাৰ কৈছিল।
4. ইছলামৰ মহানুভৱতা আৰু ইয়াৰ সৰলতা।

(3420)

(68) – عَنْ عَدِيِّ بْنِ حَاتِمٍ عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «الْيَهُودُ مَغْضُوبٌ عَلَيْهِمْ، وَالنَّصَارَى ضُلَّالٌ». [صحيح] - [رواه الترمذي]

(68) – আদী বিন হাতিম ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ইয়াহুদী হৈছে সেইসকল লোক, যিসকলৰ ওপৰত আল্লাহৰ ক্ৰোধ তথা প্ৰকোপ অৱতীৰ্ণ হৈছে, আৰু খ্ৰীষ্টানসকল হৈছে পথভ্ৰষ্ট।" [ছহীহ] - [(তিৰমিজী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, ইয়াহুদী হৈছে এনেকুৱা সম্প্ৰদায় যিসকলৰ ওপৰত আল্লাহৰ ক্ৰোধ অৱতীৰ্ণ হৈছে। কাৰণ সিহঁতে সত্য জানিছিল কিন্তু সেইমতে আমল কৰা নাছিল। আনহাতে খ্ৰীষ্টানসকল হৈছে পথভ্ৰষ্ট লোক, যিসকলে ইল্ম নোহোৱাকৈ আমল কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গতিকে প্ৰকোপৰ সন্মুখীন হোৱা আৰু পথভ্ৰষ্ট হোৱা লোকসকলৰ পথৰ পৰা ৰক্ষা পোৱাৰ উপায় হৈছে ইল্ম অনুসৰি আমল কৰা।
2. এই হাদীছটোৰ দ্বাৰা ইয়াহুদী আৰু খ্ৰীষ্টানসকলৰ পথত পৰিচালিত হোৱাৰ পৰা সতৰ্ক কৰা হৈছে। লগতে পোন পথক তথা ইছলামক অনিবাৰ্যৰূপে ধৰি ৰাখিবলৈ উৎসাহিত কৰা হৈছে।
3. ইয়াহুদী আৰু খ্ৰীষ্টান আটায়েই পথভ্ৰষ্ট আৰু প্ৰকোপৰ চিকাৰ হোৱা লোক। কিন্তু ইয়াহুদীসকলৰ বিশেষ বৈশিষ্ট্য হৈছে সিহঁতৰ ওপৰত আল্লাহৰ ক্ৰোধ অৱতীৰ্ণ হৈছে আৰু খ্ৰীষ্টানসকলৰ বিশেষ বৈশিষ্ট্য হৈছে যে, সিহঁত পথভ্ৰষ্ট।

(65061)

(69) – عَنْ عَبْدِ اللهِ بْنِ عَمْرِو بْنِ الْعَاصِ رضي الله عنهما قَالَ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «كَتَبَ اللهُ مَقَادِيرَ الْخَلَائِقِ قَبْلَ أَنْ يَخْلُقَ السَّمَاوَاتِ وَالْأَرْضَ بِخَمْسِينَ أَلْفَ سَنَةٍ، قَالَ: وَعَرْشُهُ عَلَى الْمَاءِ». [صحيح] - [رواه مسلم]

(69) – আব্দুল্লাহ ইবনু আমৰ ইবনিল আচ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ তেখেতে কৈছেঃ আল্লাহে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰাৰ পঞ্চাচ হাজাৰ বছৰ আগতেই সকলো সৃষ্টিৰ ভাগ্য লিখিছে। তেখেতে কৈছেঃ তেতিয়া আল্লাহৰ আৰচ আছিল পানীৰ ওপৰত। [ছহীহ] - [মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই সংবাদ দিছে যে, আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টিৰ পঞ্চাচ হাজাৰ বছৰ আগতেই আল্লাহে সকলো সৃষ্টিৰ ভাগ্য বিতংভাৱে লিপিবদ্ধ কৰিছে লাওহে মাহফুজত,

যেনে- সিহঁতৰ জীৱন, মৰণ, জীৱিকা আদি। মহান আল্লাহে যিটো ফয়চালা কৰিছে সেইমতেই সংঘটিত হৈ আছে। এতেকে সংঘটিত হ'বলগীয়া প্ৰতিটো বস্তুৱেই আল্লাহৰ সিদ্ধান্ত অনুযায়ী আৰু তেওঁৰ নিৰ্ধাৰণ অনুপাতে হয়। এতেকে বান্দাই যিটো লাভ কৰিছে সেইটো সি নোপোৱাৰ কোনো প্ৰশ্নই নুঠে, আৰু যিটো সি পোৱা নাই সেইটো সি নাপাবলগীয়াই আছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তাক্বদীৰ তথা ভাগ্যৰ প্ৰতি ঈমান পোষণ কৰা অনিবাৰ্য।
2. কদৰ কোৱা হয়ঃ আল্লাহে তেওঁৰ সৃষ্টিৰ সকলো বিষয় সম্পৰ্কে অৱগত, তথা সিহঁতৰ ইচ্ছা অনিচ্ছা আদি সকলো তথ্য তেওঁ লিপিবদ্ধ কৰি ৰাখিছে।
3. এই কথাৰ প্ৰতি ঈমান পোষণ কৰা যে, আল্লাহে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টিৰ পূৰ্বেই ভাগ্য লিপিবদ্ধ কৰিছে। এই ঈমানে সন্তুষ্টি আৰু আত্মসমৰ্পন কৰিবলৈ শিকায়।
4. আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টিৰ পূৰ্বে ৰহমানৰ আৰচ পানীৰ ওপৰত আছিল।

(65038)

(70) – عَنْ عَبْدِ اللَّهِ بْنِ مَسْعُودٍ رَضِيَ اللَّهُ عَنْهُ: حَدَّثَنَا رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ وَهُوَ الصَّادِقُ المَصْدُوقُ: «**أَنَّ خَلْقَ أَحَدِكُمْ يُجْمَعُ فِي بَطْنِ أُمِّهِ أَرْبَعِينَ يَوْمًا وَأَرْبَعِينَ لَيْلَةً، ثُمَّ يَكُونُ عَلَقَةً مِثْلَهُ، ثُمَّ يَكُونُ مُضْغَةً مِثْلَهُ، ثُمَّ يُبْعَثُ إِلَيْهِ المَلَكُ، فَيُؤْذَنُ بِأَرْبَعِ كَلِمَاتٍ، فَيَكْتُبُ: رِزْقَهُ وَأَجَلَهُ وَعَمَلَهُ وَشَقِيٌّ أَمْ سَعِيدٌ، ثُمَّ يَنْفُخُ فِيهِ الرُّوحَ، فَإِنَّ أَحَدَكُمْ لَيَعْمَلُ بِعَمَلِ أَهْلِ الجَنَّةِ حَتَّى لاَ يَكُونُ بَيْنَهَا وَبَيْنَهُ إِلَّا ذِرَاعٌ، فَيَسْبِقُ عَلَيْهِ الكِتَابُ، فَيَعْمَلُ بِعَمَلِ أَهْلِ النَّارِ فَيَدْخُلُ النَّارَ، وَإِنَّ أَحَدَكُمْ لَيَعْمَلُ بِعَمَلِ أَهْلِ النَّارِ حَتَّى مَا يَكُونُ بَيْنَهَا وَبَيْنَهُ إِلَّا ذِرَاعٌ، فَيَسْبِقُ عَلَيْهِ الكِتَابُ، فَيَعْمَلُ عَمَلَ أَهْلِ الجَنَّةِ فَيَدْخُلُهَا**». [صحيح] - [متفق عليه]

(70) – আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু-ৰ পৰা বৰ্ণিতঃ তেওঁ কৈছে আমাক ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামে হাদীছ বৰ্ণনা কৰিছে— যিজন সত্যবাদী আৰু যাৰ কথাক সত্য বুলি মানি লোৱা হয়— তেখেতে আমাক কৈছে: মাতৃগৰ্ভত তোমালোকৰ সৃষ্টি চল্লিশ দিন আৰু চল্লিশ ৰাতিলৈকে শুক্ৰৰূপে জমা হোৱাৰ মাধ্যমত আৰম্ভ হয়, পৰৱৰ্তী চল্লিশ দিন জমাট বন্ধা ৰক্তপিণ্ড হিচাপে থাকে, তাৰ পিছৰ চল্লিশ দিন মাংসপিণ্ড ৰূপে থাকে, তাৰ পিছত তাৰ ওচৰলৈ এজন ফিৰিস্তা প্ৰেৰণ কৰা হয়। সেই ফিৰিস্তাক চাৰিটা কথা লিখিবলৈ নিৰ্দেশ দিয়া হয়। ফলত তেওঁ তাৰ জীৱিকা, বয়স, কৰ্ম আৰু সি সৌভাগ্যৱান হ'ব নে দুৰ্ভগীয়া হ'ব সেইটো লিখি দিয়ে। ইয়াৰ পিছত তেওঁ তাৰ মাজত ৰূহ প্ৰৱেশ কৰায়। এতেকে তোমালোকৰ মাজৰ কোনোবাই জান্নাতবাসীৰ দৰে কাম কৰে - আনকি তাৰ আৰু জান্নাতৰ মাজত কেৱল এক হাত পৰিমাণ ব্যৱধান থাকে, এনে অৱস্থাত তাৰ (ভাগ্যৰ) লিখনে তাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, ফলত সি জাহান্নামীসকলৰ দৰে কাম কৰা আৰম্ভ কৰে আৰু ইয়াৰ ফলত সি তাত প্ৰৱেশ কৰে। এইদৰে তোমালোকৰ মাজৰ কোনোবাই জাহান্নামীসকলৰ দৰে কাম কৰে- আনকি তাৰ আৰু জাহান্নামৰ মাজত মাত্ৰ এক হাত পৰিমাণ ব্যৱধান থাকে, এনে অৱস্থাত তাৰ (ভাগ্যৰ) লিখনে তাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, ফলত সি জান্নাতবাসীসকলৰ দৰে কাম কৰা আৰম্ভ কৰে আৰু সি তাত প্ৰৱেশ কৰে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক হাদীছ বৰ্ণনা কৰিছে, তেখেত হৈছে সত্যবাদী, লগতে তেখেত সত্যবাদী হিচাপে স্বীকৃত, সত্যবাদী হিচাপে আল্লাহে তেখেতক স্বীকৃতি দিছে। তেখেতে কৈছেঃ তোমালোকৰ সৃষ্টিৰ প্ৰথম অৱস্থা একত্ৰিত ৰূপত থাকে। অৰ্থাৎ পুৰুষ এজনে যেতিয়া স্ত্ৰীৰ সৈতে সহবাসত মিলিত হয়, তেতিয়া সেই বিক্ষিপ্ত বীৰ্য নাৰীৰ ৰেহেমত

নুতফা আকাৰত ৰখা হয়। ইয়াৰ পিছত দ্বিতীয় চল্লিশ দিনলৈকে জমাট বন্ধা তেজ বা ৰক্তপিণ্ড হিচাপে থাকে। ইয়াৰ পিছত তৃতীয় চল্লিশ দিনলৈকে মুজগাহ হিচাপে বা মাংসপিণ্ড হিচাপে থাকে। এই তৃতীয় চল্লিশ দিন পাৰ হোৱাৰ পিছত  আল্লাহে তাৰ ওচৰলৈ এজন ফিৰিস্তা প্ৰেৰণ কৰে, তেওঁ তাৰ মাজত ৰূহ ফুঁ মাৰি দিয়ে বা প্ৰাণ সঞ্চাৰ কৰে। আৰু সেই ফিৰিস্তাজনক চাৰিটা বিষয় লিখিবলৈ নিৰ্দেশ দিয়া হয়, সেয়া হৈছেঃ তাৰ জীৱিকা, অৰ্থাৎ সি জীৱনত কিমান নিয়ামত অৰ্জন কৰিব তথা কিমান পৰিমাণ উপাৰ্জন কৰিব সেয়া লিখি দিয়ে। এইদৰে তাৰ বয়স লিখি দিয়া হয়, অৰ্থাৎ পৃথিৱীত কিমান দিনলৈ জীৱিত থাকিব সেয়া লিখি দিয়া হয়। এইদৰে সি কি কৰ্ম কৰিব সেইটোও লিখি দিয়ে। লগতে সৌভাগ্যৱান হ'ব নে দুৰ্ভগীয়া হ'ব সেই কথাও লিপিবদ্ধ কৰে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শপত খাই কৈছে যে, কোনোবাই জান্নাতীসকলৰ দৰে আমল কৰে অৰ্থাৎ নেক আমল কৰে আৰু মানুহৰ দৃষ্টিত তেওঁ এজন পূণ্যৱান মানুহ হিচাপে পৰিগণিত হয়। আনকি সি ধাৰাবাহিকভাৱে এনেকৈ নেক আমল কৰি থাকে, অৱশেষত তাৰ আৰু জান্নাতৰ মাজত যেতিয়া এক হাত পৰিমাণ ব্যৱধান থাকে, তেতিয়া তাৰ ওপৰত ভাগ্যৰ লিখনে প্ৰাধান্য লাভ কৰে যিটো তাৰ ভাগ্যত লিখা হৈছে, ফলত তেতিয়া সি জাহান্নামীসকলৰ দৰে আমল কৰা আৰম্ভ কৰে আৰু সেই কৰ্মৰ ওপৰতেই তাক মোহৰ মাৰি দিয়া হয়, সেয়ে সি জাহান্নামত প্ৰৱেশ কৰে। কাৰণ আমল কবূল হোৱাৰ চৰ্ত হৈছে, সেই পথত অবিচল থকা আৰু গতিপথ পৰিবৰ্তন নকৰা। আন এক প্ৰকাৰ ব্যক্তি হৈছে যিয়ে জাহান্নামীসকলৰ দৰে আমল কৰে, অৱশেষত তেওঁ জাহান্নামত প্ৰৱেশ কৰাৰ উপক্ৰম হয় অৰ্থাৎ তেওঁৰ আৰু জাহান্নামৰ মাজত মাত্ৰ এক হাত পৰিমাণ ব্যৱধান থাকে। তেতিয়া তেওঁৰ ওপৰত ভাগ্যৰ লিখনে প্ৰাধান্য লাভ কৰে যিটো তেওঁৰ ভাগ্যত লিখা হৈছিল। ফলত তেওঁ জান্নাতীসকলৰ দৰে আমল কৰা আৰম্ভ কৰে আৰু অৱশেষত জান্নাতত প্ৰৱেশ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কৰ্মৰ শেষ পৰিণতি সেইফালেই গতি কৰে যিটো পূৰ্বেই নিৰ্ধাৰণ কৰা হৈছে তথা তাক্বদীৰত লিপিবদ্ধ হৈছে।
2. আমল দেখি প্ৰৱঞ্চনাৰ চিকাৰ হোৱাৰ পৰা সতৰ্ক কৰা হৈছে, কাৰণ (জীৱনৰ) সৰ্বশেষ আমলেই হৈছে আচল আমল।

(65037)

(71) – عن ابن مسعود رضي الله عنه قال: قال النبي صلى الله عليه وسلم: «الْجَنَّةُ أَقْرَبُ إِلَى أَحَدِكُمْ مِنْ شِرَاكِ نَعْلِهِ، وَالنَّارُ مِثْلُ ذَلِكَ». [صحيح] - [رواه البخاري]

(71) – ইবনে মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ জান্নাত হৈছে তোমালোকৰ জুতাৰ ফিতাতকৈও অধিক নিকটৱৰ্তী আৰু জাহান্নামো সিমানেই নিকটৱৰ্তী। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, জান্নাত আৰু জাহান্নাম হৈছে মানুহৰ নিচেই ওচৰত, জুতাৰ ফিতাতকৈও ওচৰত, যিদৰে জুতাৰ ফিতা ভৰিৰ ওপৰি ভাগত থাকে। এতেকে যিয়ে আল্লাহৰ সন্তুষ্টি অৰ্জনৰ উদ্দেশ্যে আল্লাহৰ আনুগত্য কৰিব তেওঁ জান্নাতত প্ৰৱেশ কৰিব, আনহাতে যিয়ে গুনাহত লিপ্ত হ'ব সি জাহান্নামত প্ৰৱেশ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কল্যাণকৰ কাম কৰিবলৈ উৎসাহ দিয়া হৈছে যদিও সেয়া পৰিমাণত কম হওক। পক্ষান্তৰে বেয়া কৰ্মৰ পৰা সতৰ্ক কৰা হৈছে যদিও সেয়া পৰিমাণত কম হওক।

2. প্ৰতিজন মুছলিমে আশা আৰু ভয়ৰ সমন্বয় ৰাখি জীৱন-যাপন কৰা উচিত। লগতে নিৰাপদ থাকিবলৈ তথা সত্যৰ ওপৰত অবিচল থাকিবলৈ সদায় আল্লাহৰ ওচৰত দুআ কৰা উচিত, যাতে অৱস্থা পৰিবৰ্তন হ'লে প্ৰৱঞ্চিত নহয়।

(3581)

(72) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «حُجِبَتِ النَّارُ بِالشَّهَوَاتِ، وَحُجِبَتِ الْجَنَّةُ بِالْمَكَارِهِ». [صحيح] - [رواه البخاري]

(72) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ জাহান্নাম হৈছে প্ৰবৃত্তিৰে পৰিবেষ্টিত, আৰু জান্নাত হৈছে দুখ-কষ্টৰে পৰিবেষ্টিত। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, জাহান্নামক মনে বিচৰা আকৰ্ষণীয় হাৰাম কামেৰে আৰু ওৱাজিব কৰ্মক অৱহেলা কৰা আদি বিষয়েৰে পৰিবেষ্টন কৰি ৰখা হৈছে। গতিকে যিয়ে প্ৰবৃত্তিৰ ইচ্ছাৰ অনুসৰণ কৰিব, সি জাহান্নামত প্ৰৱেশ কৰিব। আনহাতে জান্নাতক মনে নিবিচৰা কৰ্মৰে পৰিবেষ্টন কৰি ৰখা হৈছে। যেনে- বিধি-বিধান পালন কৰা, হাৰাম কাম বৰ্জন কৰা আৰু ধৈৰ্য্য ধাৰণ কৰা আদি কামেৰে। যদি কোনোবাই সহ্য কৰে আৰু মনৰ সৈতে সংগ্ৰাম কৰি এইবোৰ কৰ্ম পালন কৰে তেন্তে তেওঁ জান্নাতত প্ৰৱেশ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গুনাহৰ কৰ্মত পতিত হোৱাৰ অন্যতম এটা কাৰণ হৈছে এই যে, চয়তানে মানুহক বেয়া তথা অসৎকৰ্মবোৰ সু-সজ্জিত কৰি দেখুৱায়, যাৰ ফলত নফছে ইয়াক ভাল বুলি দেখি সেইপিনে ধাৱিত হয়।

2. হাৰাম চাহিদাৰ পৰা আঁতৰি থাকিবলৈ নিৰ্দেশ দিয়া হৈছে, কাৰণ সেইটো হৈছে জাহান্নামত যোৱাৰ পথ। আনহাতে দুখ-কষ্ট আৰু বিপদত ধৈৰ্য্য ধাৰণ কৰিব লাগে, কাৰণ এইটো হৈছে জান্নাতত যোৱাৰ পথ।
3. ইবাদতৰ ক্ষেত্ৰত নফছৰ সৈতে সংগ্ৰাম কৰাৰ ফজিলত, লগতে দুখ-কষ্ট আৰু নেক কামক আগুৰি ৰখা কঠিন সমস্যাসমূহত ধৈৰ্য্য ধাৰণ কৰাৰ গুৰুত্ব।

(3702)

(73) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنْ رَسُولِ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لَمَّا خَلَقَ اللَّهُ الْجَنَّةَ وَالنَّارَ أَرْسَلَ جِبْرِيلَ عَلَيْهِ السَّلَامُ إِلَى الْجَنَّةِ، فَقَالَ: انْظُرْ إِلَيْهَا وَإِلَى مَا أَعْدَدْتُ لِأَهْلِهَا فِيهَا. فَنَظَرَ إِلَيْهَا فَرَجَعَ، فَقَالَ: وَعِزَّتِكَ لَا يَسْمَعُ بِهَا أَحَدٌ إِلَّا دَخَلَهَا. فَأَمَرَ بِهَا فَحُفَّتْ بِالْمَكَارِهِ، فَقَالَ: اذْهَبْ إِلَيْهَا فَانْظُرْ إِلَيْهَا وَإِلَى مَا أَعْدَدْتُ لِأَهْلِهَا فِيهَا. فَنَظَرَ إِلَيْهَا، فَإِذَا هِيَ قَدْ حُفَّتْ بِالْمَكَارِهِ، فَقَالَ: وَعِزَّتِكَ لَقَدْ خَشِيتُ أَنْ لَا يَدْخُلَهَا أَحَدٌ. قَالَ: اذْهَبْ فَانْظُرْ إِلَى النَّارِ وَإِلَى مَا أَعْدَدْتُ لِأَهْلِهَا فِيهَا. فَنَظَرَ إِلَيْهَا فَإِذَا هِيَ يَرْكَبُ بَعْضُهَا بَعْضًا، فَرَجَعَ فَقَالَ: وَعِزَّتِكَ لَا يَدْخُلُهَا أَحَدٌ. فَأَمَرَ بِهَا فَحُفَّتْ بِالشَّهَوَاتِ، فَقَالَ: ارْجِعْ فَانْظُرْ إِلَيْهَا. فَنَظَرَ إِلَيْهَا فَإِذَا هِيَ قَدْ حُفَّتْ بِالشَّهَوَاتِ، فَرَجَعَ وَقَالَ: وَعِزَّتِكَ لَقَدْ خَشِيتُ أَنْ لَا يَنْجُوَ مِنْهَا أَحَدٌ إِلَّا دَخَلَهَا». [حسن] - [رواه أبو داود والترمذي والنسائي]

(73) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহে যেতিয়া জান্নাত আৰু জাহান্নাম সৃষ্টি কৰিলে তেতিয়া তেওঁ জিব্ৰীল আলাইহিচ্ছালামক প্ৰেৰণ কৰি ক'লেঃ তুমি গৈ চাই আহাচোন, মই জান্নাতৰ অধিবাসীসকলৰ বাবে কি কি প্ৰস্তুত কৰিছোঁ। তেওঁ গৈ চাই আহিলে আৰু আহি ক'লেঃ আপোনাৰ সন্মানৰ শপত! যিয়েই ইয়াৰ বিষয়ে শুনিব সিয়েই ইয়াত প্ৰৱেশ কৰাৰ চেষ্টা কৰিব। ইয়াৰ পিছত আল্লাহে আদেশ কৰিলে, ফলত জান্নাতক দুখ-কষ্টমূলক বস্তুৱে পৰিবেষ্টন কৰা হ'ল। ইয়াৰ পিছত আল্লাহে আকৌ জিব্ৰীলক নিৰ্দেশ দিলে যে, তুমি আকৌ যোৱা, আৰু চাই আহাগৈ যে, জান্নাতীসকলৰ বাবে মই কি কি প্ৰস্তুত কৰিছোঁ। তেতিয়া তেওঁ গৈ দেখিলে যে, জান্নাতক দুখ-কষ্ট বিপদ-আপদ আদিৰে পৰিবেষ্টন কৰা হৈছে। তেওঁ আল্লাহৰ ওচৰলৈ ঘূৰি আহি ক'লেঃ আপোনাৰ সন্মানৰ শপত! মোৰ ভয় হয়, এতিয়া ইয়াত কোনেও প্ৰৱেশ কৰিব নোৱাৰিব। ইয়াৰ পিছত আল্লাহে তেওঁক ক'লেঃ তুমি এতিয়া জাহান্নাম চাই আহাগৈ, তাত মই জাহান্নামীসকলৰ বাবে কি কি প্ৰস্তুত কৰিছোঁ এবাৰ চাই আহাচোন। তেওঁ তাতগৈ দেখা পালে যে, জাহান্নামৰ এটা অংশই যেনিবা আনটো অংশক গ্ৰাস কৰি আছে। এই দেখি তেওঁ ঘূৰি আহি ক'লেঃ আপোনাৰ সন্মানৰ শপত! ইয়াত দেখোন কোনেও প্ৰৱেশ নকৰিব। ইয়াৰ পিছত আল্লাহৰ নিৰ্দেশত জাহান্নামক লোভ-লালসা আৰু প্ৰবৃত্তিৰ চাহিদা আদিৰ দ্বাৰা পৰিবেষ্টন কৰি দিয়া হ'ল। ইয়াৰ পিছত আল্লাহে তেওঁক ক'লেঃ এতিয়া আকৌ গৈ চাই আহাচোন। তেওঁ তালৈ আকৌ গ'ল আৰু চাই আহি ক'লেঃ আপোনাৰ সন্মানৰ শপত! মোৰ ধাৰণা মতে এতিয়া দেখোন কোনেও ইয়াৰ পৰা ৰক্ষা নাপাব। সকলোৱে দেখোন প্ৰৱেশ কৰিব। [হাছান] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা জনাইছে যে, আল্লাহে যেতিয়া জান্নাত আৰু জাহান্নাম সৃষ্টি কৰিছে, তেতিয়া তেওঁ

জিব্ৰীল আলাইহিচ্ছালামক মাতি কৈছিলঃ তুমি জান্নাতলৈ গৈ চাই আহাচোন, এই কথা শুনি তেওঁ আদেশ পালন কৰি তালৈ গ'ল আৰু চাইচিতি উভতি আহিল। তাৰ পৰা আহি জিব্ৰীলে ক'লেঃ হে মোৰ প্ৰতিপালক! আপোনাৰ সন্মানৰ শপত! ইয়াৰ মাজত থকা নিয়ামত তথা সা-সুবিধা আৰু কল্যাণ সম্পৰ্কে যিয়েই শুনিব, সিয়েই ইয়াত প্ৰৱেশ কৰিবলৈ যত্ন কৰিব আৰু ইয়াৰ বাবে যথাসাধ্য আমল কৰিব। ইয়াৰ পিছত আল্লাহে জান্নাতক বিভিন্ন ধৰণৰ বিপদ-আপদ আৰু কঠিন পৰিস্থিতি আদিৰ দ্বাৰা লগতে তেওঁৰ নিৰ্দেশ পালন আৰু নিষেধকৃত বস্তু আদিৰ পৰা বিৰত থকা কামেৰে পৰিবেষ্টন কৰি দিলে। এতেকে যিয়েই তাত প্ৰৱেশ কৰিব বিচাৰিব, তেওঁ এইবোৰ পৰীক্ষা অতিক্ৰম কৰিহে প্ৰৱেশ কৰিব লাগিব। ইয়াৰ পিছত আল্লাহে বিপদ-আপদ, দুখ-কষ্ট আদিৰে জান্নাতক পৰিবেষ্টন কৰাৰ পিছত জিব্ৰীলক ক'লেঃ হে জিব্ৰীল! তুমি এতিয়াগৈ চাই আহাচোন। তাৰ পিছত তেওঁ পুনৰ গৈ চাই আহি ক'লেঃ হে মোৰ প্ৰতিপালক! আপোনাৰ সন্মানৰ শপত খাই কৈছোঁ, জান্নাতৰ পথত যি বিপদ-আপদ আৰু দুখ-কষ্ট তথা ইয়াৰ যি দুৰ্গম পথ দেখা পালোঁ, মোৰ আশংকা হৈছে ইয়াত দেখোন কোনেও প্ৰৱেশ কৰিব নোৱাৰিব। এইদৰে যেতিয়া আল্লাহে জাহান্নাম সৃষ্টি কৰিছে, তেতিয়া তেওঁ জিব্ৰীলক মাতি কৈছিলঃ হে জিব্ৰীল! তুমি গৈ চাই আহাচোন, ফলত তেওঁ গ'ল আৰু ভালকৈ দেখিলে। ইয়াৰ পিছত তেওঁ আহি ক'লেঃ হে মোৰ প্ৰতিপালক! আপোনাৰ সন্মানৰ শপত! ইয়াৰ মাজত থকা শাস্তি কষ্ট আৰু দুৰাৱস্থা সম্পৰ্কে যদি কোনোবাই শুনে তেন্তে সি কেতিয়াও তাত প্ৰৱেশ কৰিব নিবিচাৰিব, লগতে কেনেকৈ ইয়াৰ পৰা আঁতৰি থাকিব পাৰি সি সেইটো অৱলম্বন কৰিব। ইয়াৰ পিছত আল্লাহে জাহান্নামক পৰিবেষ্টন কৰিলে, লগতে লোভ-লালসা আৰু প্ৰবৃত্তিৰ চাহিদা আদিৰে এই পথক আকৰ্ষণীয় কৰি তুলিলে, তাৰ পিছত জিব্ৰীলক ক'লেঃ হে জিব্ৰীল! তুমি পুনৰ গৈ চাই আহাচোন। ইয়াৰ পিছত জিব্ৰীল পুনৰ চাবলৈ গ'ল আৰু চাইচিতি আহি ক'লেঃ হে মোৰ প্ৰতিপালক! আপোনাৰ সন্মানৰ শপত! মোৰ ভয় হয় তথা মই আশংকা কৰোঁ যে, এতিয়া

কোনেও ইয়াৰ পৰা ৰক্ষা নাপাব, যিদৰে ইয়াৰ চাৰিওফালে প্ৰবৃত্তিৰ চাহিদা আৰু লোভ-লালসা তথা আকৰ্ষণীয় বস্তুৰে পৰিবেষ্টন কৰা হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই বিষয়ে ঈমান পোষণ কৰিব লাগিব যে, জান্নাত আৰু জাহান্নাম এতিয়াও বিদ্যমান আছে।
2. আল্লাহ আৰু তেওঁৰ ৰাছুলে গায়েব সম্পৰ্কীয় দিয়া প্ৰতিটো বিষয়তে ঈমান পোষণ কৰা ওৱাজিব।
3. দুখ-কষ্ট আৰু বিপদ-আপদত ধৈৰ্য্য ধাৰণ কৰাৰ গুৰুত্ব, কাৰণ এইটো হৈছে জান্নাতৰ পথ।
4. হাৰাম বস্তুৰ পৰা আঁতৰি থকাৰ গুৰুত্ব। কাৰণ এইটো হৈছে জাহান্নামৰ পথ।
5. জান্নাতক দুখ-কষ্টৰে আৰু জাহান্নামক প্ৰবৃত্তিৰ চাহিদা আদিৰে পৰিবেষ্টন কৰিছে। পাৰ্থিৱ জীৱনত ইয়াৰ দ্বাৰা পৰীক্ষা কৰা হয়।
6. জান্নাতৰ পথ বৰ কঠিন আৰু দুৰ্গম। ইয়াৰ বাবে ঈমানৰ সৈতে ধৈৰ্য্য আৰু কষ্টৰ প্ৰয়োজন। আনহাতে জাহান্নামৰ পথ লোভ-লালসা আৰু আকৰ্ষণীয় বিষয়ৰ দ্বাৰা পৰিপূৰ্ণ কৰি ৰখা হৈছে।

(65034)

(74) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «نَارُكُمْ جُزْءٌ مِنْ سَبْعِينَ جُزْءًا مِنْ نَارِ جَهَنَّمَ»، قِيلَ: يَا رَسُولَ اللَّهِ، إِنْ كَانَتْ لَكَافِيَةً. قَالَ: «فُضِّلَتْ عَلَيْهِنَّ بِتِسْعَةٍ وَسِتِّينَ جُزْءًا كُلُّهُنَّ مِثْلُ حَرِّهَا». [صحيح] - [متفق عليه]

(74) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকৰ জুই জাহান্নামৰ জুইৰ তুলনাত সত্তৰ ভাগৰ এভাগহে মাত্ৰ। কোৱা হ'লঃ হে আল্লাহৰ ৰাছুল! শাস্তি বিহিবলৈ দেখোন পৃথিৱীৰ এই জুয়েই যথেষ্ট আছিল। তেখেতে ক'লেঃ পৃথিৱীৰ জুইতকৈ জাহান্নামৰ জুইৰ তাপমাত্ৰা ৬৯ গুণ বৃদ্ধি কৰা হৈছে, প্ৰতিটো অংশতে ইয়াৰ সমপৰিমাণ উত্তাপ আছে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, জাহান্নামৰ জুইৰ তুলনাত পৃথিৱীৰ জুই হৈছে সত্তৰ ভাগৰ এভাগ মাত্ৰ। গতিকে আখিৰাতৰ জুই পৃথিৱীৰ জুইতকৈ ৬৯ গুণ অধিক উত্তাপ সম্পন্ন হ'ব। জাহান্নামৰ প্ৰতিটো অংশতে একে সমান উত্তাপ বিৰাজ কৰিব। এই কথা শুনি প্ৰশ্ন কৰা হ'লঃ হে আল্লাহৰ ৰাছুল! জাহান্নামীসকলক শাস্তি বিহিবলৈ দেখোন পৃথিৱীৰ জুয়েই যথেষ্ট আছিল। তেখেতে কৈছেঃ জাহান্নামৰ জুইক পৃথিৱীৰ জুইতকৈ ৬৯ গুণ বেছি প্ৰাধান্য দিয়া হৈছে। সেয়ে প্ৰতিটো ঠাইতে ইয়াৰ উত্তাপ একে সমান থাকিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা জাহান্নামৰ পৰা সতৰ্ক কৰা হৈছে, যাতে মানুহে সেইবোৰ কৰ্মৰ পৰা বিৰত থাকে যিবোৰ কৰ্ম কৰিলে মানুহ জাহান্নামী হয়।

2. হাদীছটোত জাহান্নামৰ জুইৰ ভয়াৱহতা আৰু ইয়াৰ শাস্তিৰ কথা উল্লেখ কৰিছে, লগতে ইয়াৰ প্ৰচণ্ড উত্তাপৰ বিষয়টো উল্লেখিত হৈছে।

(65036)

(75) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: سَمِعْتُ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «يَقْبِضُ اللَّهُ الأَرْضَ، وَيَطْوِي السَّمَوَاتِ بِيَمِينِهِ، ثُمَّ يَقُولُ: أَنَا المَلِكُ، أَيْنَ مُلُوكُ الأَرْضِ». [صحيح] - [متفق عليه]

(75) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "আল্লাহে পৃথিৱীক নিজৰ মুঠিৰ ভিতৰত লব আৰু আকাশমণ্ডলক নিজৰ সোঁ হাতত মেৰিয়াই লৈ ক'বঃ ময়েই ৰাজাধিৰাজ। পৃথিৱীৰ শাসকসকল ক'ত?" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, ক্বিয়ামতৰ দিনা আল্লাহে পৃথিৱীক নিজৰ মুঠিত আৱদ্ধ কৰি লব, আৰু আকাশমণ্ডলক নিজৰ সোঁ হাতত এটাৰ ওপৰত এটাক ৰাখি মেৰিয়াই লব, আৰু সেইবোৰক ধ্বংস কৰি দিব। তাৰ পিছত তেওঁ ক'বঃ ময়েই ৰাজাধিৰাজ, পৃথিৱীৰ বাদশ্বাহসকল আজি ক'ত?

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইয়াৰ দ্বাৰা এই কথা স্মৰণ কৰোৱা হৈছে যে, আল্লাহৰ ৰাজত্ব চিৰস্থায়ী। পক্ষান্তৰে সকলোৰে ৰাজত্ব ক্ষণস্থায়ী।
2. লগতে এই কথা বুজোৱা হৈছে যে, আল্লাহ মহা প্ৰতাপশালী, সৰ্বশক্তিমান, অধিকাৰ আৰু ক্ষমতাৰ ক্ষেত্ৰত তেওঁ স্বয়ংসম্পূৰ্ণ তথা পূৰ্ণাংগ ৰাজত্বৰ অধিকাৰী।

(65028)

(76) – عَنْ عَائِشَةَ أُمِّ المُؤمنينَ رضي الله عنها قَالَتْ: دَخَلَ عَلَيَّ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، وَقَدْ سَتَرْتُ سَهْوَةً لِي بِقِرَامٍ فِيهِ تَمَاثِيلُ، فَلَمَّا رَآهُ هَتَكَهُ وَتَلَوَّنَ وَجْهُهُ وَقَالَ: «يَا عَائِشَةُ، أَشَدُّ النَّاسِ عَذَابًا عِنْدَ اللهِ يَوْمَ الْقِيَامَةِ الَّذِينَ يُضَاهُونَ بِخَلْقِ اللهِ» قَالَتْ عَائِشَةُ: «فَقَطَعْنَاهُ فَجَعَلْنَا مِنْهُ وِسَادَةً أَوْ وِسَادَتَيْنِ». [صحيح] - [متفق عليه]

(76) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম মোৰ ওচৰলৈ আহিল, তেতিয়া মোৰ তাত এটা ত্বাক (shelf) আছিল যিটোক মই পৰ্দাৰে আবৃত কৰি ৰাখিছিলোঁ, সেই পৰ্দাত কিছুমান চিত্ৰ আছিল। তেখেতে সেইটো দেখা পাই ছিঙি পেলালে, আৰু তেখেতৰ মুখমণ্ডল ৰঙা পৰি গ'ল। তেখেতে ক'লেঃ "হে আঈশ্বা! কিয়ামতৰ দিনা সিহঁতে কঠিন শাস্তি ভোগ কৰিব, যিসকলে আল্লাহৰ সৃষ্টিৰ সাদৃশ্য প্ৰদৰ্শনত লিপ্ত হয়।" আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ "এইটো শুনাৰ পিছত মই সেই পৰ্দা ফালি এখন অথবা দুখন গাৰু বনাই লৈছিলোঁ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰত প্ৰৱেশ কৰিলে আৰু আঈশ্বাৰ তাত এটা সৰু শ্বেল্ফ দেখা পালে য'ত তেওঁ বস্তু বাহিনী ৰাখিছিল, সেইটোক তেওঁ কাপোৰেৰে আবৃত কৰি ৰাখিছিল যিটোত জীৱ-জন্তুৰ চিত্ৰ আছিল। সেয়া দেখি খঙতে তেখেতৰ মুখমণ্ডলৰ ৰং সলনি হৈ পৰিছিল আৰু তেখেতে সেইটোক আঁতৰাই পেলাইছিল আৰু কৈছিলঃ কিয়ামতৰ দিনা সেইসকল লোকক কঠিন শাস্তি বিহা হ'ব যিসকলে চিত্ৰ অংকন কৰি আল্লাহৰ সৃষ্টিৰ সাদৃশ্য প্ৰদৰ্শন কৰে। আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ ইয়াৰ পিছত আমি সেইটোক ফালি এখন বা দুখন গাৰু বনাই লৈছিলোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চৰীয়ত বিৰোধী কোনো কাম দেখাৰ লগে লগে বাধা দিয়া উচিত, পলম কৰিব নালাগে। যাতে ইয়াৰ ফলত কোনো ডাঙৰ ক্ষতি নহয়।
2. কিয়ামতৰ দিনা গুনাহ অনুপাতে শাস্তিৰ ক্ষেত্ৰতো পাৰ্থক্য হ'ব।
3. জীৱ-জন্তুৰ ছবি অংকন কৰাটো হৈছে কাবীৰাহ গুনাহ।
4. আল্লাহৰ সৃষ্টিৰ সাদৃশ্যতা প্ৰদৰ্শনৰ উদ্দেশ্যে ছবি অংকন কৰা হাৰাম। যদিও ছবি অংকনকাৰীৰ উদ্দেশ্য সাদৃশ্যতা হওক বা নহওক।
5. চৰীয়ত হিফাজতৰ প্ৰতি তেওঁলোক খুবেই আগ্ৰহী আছিল, হাৰামৰ কথা শুনাৰ লগে লগে নিজৰ সম্পদ সংৰক্ষণ কৰা পাত্ৰটোৰ প্ৰতিও ভ্ৰুক্ষেপ কৰা নাছিল।
6. জীৱ-জন্তুৰ ছবি অংকন কৰিবলৈ নিষেধ কৰা হৈছে। যি ধৰণৰেই নহওক কিয়। যদিও সি পেছাদাৰীয়ে নহওক কিয়।

(5931)

(77) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «وَالَّذِي نَفْسِي بِيَدِهِ، لَيُوشِكَنَّ أَنْ يَنْزِلَ فِيكُمُ ابْنُ مَرْيَمَ حَكَمًا مُقْسِطًا، فَيَكْسِرَ الصَّلِيبَ، وَيَقْتُلَ الخِنْزِيرَ، وَيَضَعَ الجِزْيَةَ، وَيَفِيضَ المَالُ حَتَّى لاَ يَقْبَلَهُ أَحَدٌ». [صحيح] - [متفق عليه]

(77) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সেই সত্ত্বাৰ শপত, যাৰ হাতত মোৰ প্ৰাণ আছে। অচিৰেই তোমালোকৰ মাজলৈ (ঈছা) ইবনে মৰিয়ম ন্যায়পৰায়ণ শাসক হিচাপে অৱতৰণ কৰিব। তেওঁ আহি ক্ৰচ ভাঙি পেলাব, গাহৰি বধ কৰিব, কৰ নিঃশেষ কৰিব। সম্পদৰ প্ৰাচুৰ্যতা ইমান বাঢ়িব যে, কোনেও সেয়া গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰিব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শপত খাই কৈছে যে, অচিৰেই ঈছা ইবনে মৰিয়ম আলাইহিচ্ছাম অৱতৰণ কৰিব, আৰু মানুহৰ মাজত তেওঁ চৰীয়তে মুহাম্মদী মুতাবিক ন্যায়ৰ সৈতে শাসন কৰিব। লগতে তেওঁ, সেই ক্ৰচ ভাঙি পেলাব যিটোক খ্ৰীষ্টানসকলে সন্মান কৰে। ঈছা আলাইহিচ্ছালামে গাহৰি বধ কৰিব। কৰ নিঃশেষ কৰিব আৰু সকলো লোককে ইছলাম গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব। সেই সময়ত ধন-সম্পদ ইমানেই বৃদ্ধি পাব যে, কোনেও সেয়া গ্ৰহণ কৰিবলৈ ইচ্ছুক নহ'ব। কাৰণ তেতিয়া সকলোৰে হাতত অধিক পৰিমান সম্পদ থাকিব, বৰকত আৰু কল্যাণ অবিৰামভাৱে অৱতৰণ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা এই কথা প্ৰমাণিত যে, শেষ জামানাত ঈছা আলাইহিচ্ছালাম অৱতৰণ কৰিব। তেওঁৰ অৱতৰণ হৈছে ক্বিয়ামতৰ এটা ডাঙৰ নিদৰ্শন।

2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰীয়তক কোনো বিধানেই ৰহিত কৰিব নোৱাৰিব।
3. শেষ জামানাত সম্পদত অতিমাত্রা বৰকত নাজিল হ'ব, আনকি সম্পদৰ পৰা মানুহৰ ইচ্ছা নাইকীয়া হৈ যাব।
4. হাদীছটোত এই সুসংবাদ দিয়া হৈছে যে, দ্বীনে ইছলাম অৱশিষ্ট থাকিব, আৰু শেষ জামানাত ঈছা আলাইহিচ্ছালাম এই চৰীয়ত মতেই শাসন কৰিব।

(65025)

(78) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ لِعَمِّهِ: «قُلْ: لَا إِلَهَ إِلَّا اللهُ، أَشْهَدُ لَكَ بِهَا يَوْمَ الْقِيَامَةِ»، قَالَ: لَوْلَا أَنْ تُعَيِّرَنِي قُرَيْشٌ، يَقُولُونَ: إِنَّمَا حَمَلَهُ عَلَى ذَلِكَ الْجَزَعُ لَأَقْرَرْتُ بِهَا عَيْنَكَ. فَأَنْزَلَ اللهُ: {إِنَّكَ لا تَهْدِي مَنْ أَحْبَبْتَ وَلَكِنَّ اللهَ يَهْدِي مَنْ يَشَاءُ} [القصص: 56].  [صحيح] - [رواه مسلم]

(78) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ খুৰাক ক'লেঃ আপুনি লা ইলা-হা ইল্লাল্লাহৰ স্বীকাৰোক্তি দিয়ক, ক্বিয়ামতৰ দিনা মই আপোনাৰ সপক্ষে ইয়াৰ সাক্ষী দিম। তেওঁ কৈছেঃ কুৰাইশ্বসকলে যদি এই কথা কৈ মোক নিন্দা নকৰিলেহেঁতেন যে, আবু তালিব ভয়তে এই কথা স্বীকাৰ কৰিছে, তেন্তে নিশ্চয় মই ইয়াক স্বীকাৰ কৰি তোমাৰ চকু জুৰ পেলালোহেঁতেন। ইয়াৰ পিছত আল্লাহে এই আয়াত অৱতীৰ্ণ কৰিলেঃ {إِنَّكَ لا تَهْدِي مَنْ أَحْبَبْتَ وَلَكِنَّ اللهَ يَهْدِي مَنْ يَشَاءُ} [القصص: 56] নিশ্চয় তুমি যাক ভালপোৱা ইচ্ছা কৰিলেই তাক সৎপথত আনিব নোৱাৰিবা। বৰং আল্লাহে যাক ইচ্ছা কৰে তাকহে সৎপথ দেখুৱায়। (ছুৰা ক্বাচাচঃ ৫৬)
[ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

আবু তালিব মৃত্যুশয্যাত থকা অৱস্থাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক লা ইলা-হা ইল্লাল্লাহ স্বীকাৰ কৰিবলৈ ক'লে, যাতে ক্বিয়ামতৰ দিনা তেখেতে তেওঁৰ সপক্ষে ছুপাৰিছ কৰিব পাৰে, আৰু তেওঁ ইছলাম গ্ৰহণ কৰা বুলি সাক্ষ্য দিব পাৰে। কিন্তু কুৰাইশ্বে তেওঁক গালি পাৰিব বা নিন্দা কৰিব বুলি ভয়তে তেওঁ ইয়াক স্বীকাৰ নকৰিলে। সিহঁতে তেওঁৰ বিষয়ে ক'ব যে, মৃত্যুৰ ভয়ত দুৰ্বল হৈ ইছলাম গ্ৰহণ কৰিছে। লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ক'লে যে, যদি এই আশংকা নাথাকিলহেঁতেন তেন্তে নিশ্চয় মই ইয়াৰ স্বীকাৰোক্তি প্ৰদান কৰি তোমাৰ অন্তৰক আনন্দিত কৰিলোঁহেঁতেন আৰু তোমাৰ আশা পূৰণ কৰিলোঁহেঁতেন। ইয়াৰ পিছত আল্লাহে আয়াত অৱতীৰ্ণ কৰি

সকলোকে অৱগত কৰালে যে, হিদায়তৰ তাওফীক আপোনাৰ হাতত নাই। বৰং এইটো একমাত্ৰ আল্লাহৰ হাততহে আছে, তেওঁ যাক ইচ্ছা কৰে তাকহে হিদায়ত দিয়ে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেৱল পথ দেখুৱায় তথা বিতংভাৱে বৰ্ণনা কৰি চিৰাতে মুস্তাক্বীমৰ প্ৰতি আহ্বান কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহৰ কথাক ভয় কৰি সত্যক অৱজ্ঞা কৰা ঠিক নহয়।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ দায়িত্ব হৈছে কেৱল পথ দেখুৱা, সত্যপথ স্পষ্ট কৰা। হিদায়তৰ তাওফীক দিয়াৰ ক্ষমতা তেওঁৰ হাতত নাই।
3. ইছলামৰ প্ৰতি আহ্বান কৰাৰ উদ্দেশ্যে অসুস্থ বেমাৰী কাফিৰক সাক্ষাৎ কৰিবলৈ যোৱা বৈধ।
4. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মানুহক আল্লাহৰ প্ৰতি আহ্বান কৰিবলৈ সদায় আগ্ৰহী আছিল।

(65069)

(79) – عَنْ عَبْدِ اللَّهِ بْنِ عَمْرٍو رضي الله عنهما قَالَ: قالَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «حَوْضِي مَسِيرَةُ شَهْرٍ، مَاؤُهُ أَبْيَضُ مِنَ اللَّبَنِ، وَرِيحُهُ أَطْيَبُ مِنَ المِسْكِ، وَكِيزَانُهُ كَنُجُومِ السَّمَاءِ، مَنْ شَرِبَ مِنْهَا فَلاَ يَظْمَأُ أَبَدًا». [صحيح] - [متفق عليه]

(79) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মোৰ হাউজৰ দৈৰ্ঘ্য এমাহ সময় অতিক্ৰমৰ সমান। ইয়াৰ পানী গাখীৰতকৈও বগা, আৰু ইয়াৰ সুগন্ধি মুশ্বকতকৈও উত্তম, লগতে ইয়াত থকা পান পাত্ৰবোৰ হ'ব আকাশৰ তৰাৰ নিচিনা। যিয়ে ইয়াৰ পৰা এবাৰ সেৱন কৰিব তেওঁ দ্বিতীয়বাৰ কেতিয়াও তৃষ্ণাৰ্ত নহ'ব। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কিয়ামতৰ দিনা তেখেতক হাউজ প্ৰদান কৰা হ'ব। যাৰ দৈৰ্ঘ্য আৰু প্ৰশস্ত হ'ব এমাহ পথ অতিক্ৰম কৰাৰ সমান। সেই হাউজৰ পানী গাখীৰতকৈও বগা হ'ব। আৰু সেই পানীৰ সুগন্ধি মিচকতকৈও উত্তম হ'ব। আৰু তাত আকাশৰ তৰা সদৃশ পান পাত্ৰ থাকিব। সেইবোৰ পানপাত্ৰৰ জৰিয়তে যিয়ে সেই হাউজৰ পৰা এবাৰ পানী খাব, তেওঁ কেতিয়াও তৃষ্ণাৰ্ত নহ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাউজত বৃহৎ আকাৰত পানী ভৰ্তি থাকিব, কিয়ামতৰ দিনা তেখেতৰ উম্মতৰ মুমিনসকল তাতগৈ উপস্থিত হ'ব।
2. যিয়ে সেই হাউজৰ পৰা পানী খোৱাৰ সৌভাগ্য লাভ কৰিব, সেই ব্যক্তিয়ে এনেকুৱা নিয়ামত লাভ কৰিব যে, তেওঁ কেতিয়াও তৃষ্ণাৰ্ত নহ'ব।

(65030)

(80) – عَنْ أَبِي سَعِيدٍ الخُدْرِيِّ رَضِيَ اللَّهُ عَنْهُ قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**يُؤْتَى بِالْمَوْتِ كَهَيْئَةِ كَبْشٍ أَمْلَحَ، فَيُنَادِي مُنَادٍ: يَا أَهْلَ الجَنَّةِ، فَيَشْرَئِبُّونَ وَيَنْظُرُونَ، فَيَقُولُ: هَلْ تَعْرِفُونَ هَذَا؟ فَيَقُولُونَ: نَعَمْ، هَذَا المَوْتُ، وَكُلُّهُمْ قَدْ رَآهُ، ثُمَّ يُنَادِي: يَا أَهْلَ النَّارِ، فَيَشْرَئِبُّونَ وَيَنْظُرُونَ، فَيَقُولُ: وهَلْ تَعْرِفُونَ هَذَا؟ فَيَقُولُونَ: نَعَمْ، هَذَا المَوْتُ، وَكُلُّهُمْ قَدْ رَآهُ، فَيُذْبَحُ ثُمَّ يَقُولُ: يَا أَهْلَ الجَنَّةِ خُلُودٌ فَلاَ مَوْتَ، وَيَا أَهْلَ النَّارِ خُلُودٌ فَلاَ مَوْتَ، ثُمَّ قَرَأَ: {وَأَنْذِرْهُمْ يَوْمَ الحَسْرَةِ إِذْ قُضِيَ الأَمْرُ وَهُمْ فِي غَفْلَةٍ} [مريم: 39]، وَهَؤُلاَءِ فِي غَفْلَةٍ أَهْلُ الدُّنْيَا {وَهُمْ لاَ يُؤْمِنُونَ} [مريم: 39]**». [صحيح] - [متفق عليه]

(৪০) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ক্বিয়ামতৰ দিনা মৃত্যুক ধূসৰ বা ধোঁৱা বৰণীয়া এটা ভেড়াৰ আকৃতিত অনা হ'ব। তেতিয়া এজন সম্বোধনকাৰীয়ে মাতি ক'বঃ হে জান্নাতৰ অধিবাসীসকল! এই আহ্বান শুনি তেওঁলোকে মূৰ তুলি মনোযোগ সহকাৰে চাব। তেতিয়া আহ্বানকাৰীয়ে ক'বঃ তোমালোকে ইয়াক চিনি পোৱানে? তেওঁলোকে ক'বঃ হয়, এওঁৱেইতো মৃত্যু। তেওঁলোক সকলোৱে ইয়াক দেখা পাইছিল। ইয়াৰ পিছত সেই আহ্বানকাৰীয়ে মাতি ক'বঃ হে জাহান্নামৰ অধিবাসীসকল! তেতিয়া জাহান্নামৰ অধিবাসীসকলে মূৰ দাঙি সেইফালে মনোনিৱেশ কৰিব। তেতিয়া তেওঁ ক'বঃ তোমালোকে ইয়াক চিনি পোৱানে? সিহঁতে ক'বঃ হয়, এওঁ হৈছে মৃত্যু। সিহঁত সকলোৱে ইয়াক দেখি আহিছে। ইয়াৰ পিছত (সকলোৰে সন্মুখত) তাক জবেহ কৰা হ'ব। ইয়াৰ পিছত তেওঁ ক'বঃ হে জান্নাতৰ অধিবাসীসকল! (আজিৰ পৰা) তোমালোক চিৰস্থায়ী, তোমালোকৰ কোনো মৃত্যু নাই, আৰু হে জাহান্নামৰ অধিবাসীসকল! তোমালোকেও চিৰকাল ইয়াতেই থাকিব লাগিব, ইয়াত কোনো মৃত্যু নাই। (এইখিনি কথা কোৱাৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে) পাঠ কৰিলেঃ অৰ্থ- (হে ৰাছুল!) তুমি সিহঁতক পৰিতাপৰ দিন সম্পৰ্কে সতৰ্ক কৰি দিয়া, যিদিনা সকলো সিদ্ধান্ত চূড়ান্ত হৈ যাব। অথচ (এতিয়া) সিহঁতে উদাসীনতাত বিভোৰ হৈ আছে। (ছুৰা মাৰয়ামঃ ৩৯) অৰ্থাৎ পৃথিৱীবাসী এতিয়া অমনোযোগী হৈ আছে, সিহঁতে ঈমান পোষণ নকৰে। (ছুৰা মাৰয়ামঃ ৩৯) **[ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]**

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, কিয়ামতৰ দিনা মৃত্যুক এটা ক'লা বগা মিশ্ৰিত ভেড়াৰ ৰূপত অনা হ'ব। তেতিয়া ঘোষণা কৰা হ'ব, হে জান্নাতীসকল! এই ঘোষণা শুনাৰ পিছত তেওঁলোকে ঘাৰ দাঙি মূৰ তুলি সেইপিনে চাব। তেওঁলোকক কোৱা হ'বঃ

ইয়াক তোমালোকে চিনি পোৱানে? তেওঁলোকে ক'বঃ হয়, ই হৈছে মৃত্যু। তেওঁলোক সকলোৱে ইয়াক দেখি আহিছে আৰু ভালকৈয়ে চিনি পায়। ইয়াৰ পিছত এজন ঘোষণাকাৰীয়ে ঘোষণা কৰিবঃ হে জাহান্নামৰ অধিবাসীসকল! এই ঘোষণা শুনি সিহঁতে ঘাৰ দাঙি মূৰ তুলি চাব, আৰু তেওঁলোকে ঘোষণাকাৰীৰ প্ৰতি মনোযোগ দিব। ঘোষণাকাৰীয়ে ক'বঃ তোমালোকে ইয়াক চিনি পোৱানে? সিহঁতে ক'বঃ হয় চিনি পাওঁ, ই হৈছে মৃত্যু। সিহঁতেও ইয়াক দেখি আহিছে। ইয়াৰ পিছত তাক জবেহ কৰা হ'ব, আৰু ঘোষণাকাৰীয়ে ঘোষণা কৰি ক'বঃ হে জান্নাতৰ অধিবাসীসকল! চিৰকাল ইয়াত থাকিব লাগিব, ইয়াত কোনো মৃত্যু নাই। আৰু হে জাহান্নামৰ অধিবাসীসকল! তোমালোকেও তাত চিৰকাল থাকিব লাগিব, তাত কোনো মৃত্যু নাই। ইয়াৰ উদ্দেশ্য হৈছে যাতে মুমিনসকলৰ নিয়ামত বৃদ্ধি পায়, আৰু কাফিৰসকলে শাস্তি ভোগ কৰে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই আয়াত তিলাৱত কৰিছিলঃ আৰু সিহঁতক পৰিতাপৰ দিন সম্পৰ্কে সতৰ্ক কৰি দিয়া, যেতিয়া সকলো সিদ্ধান্ত হৈ যাব। অথচ সিহঁত উদাসীনতাত বিভোৰ হৈ আছে আৰু সিহঁত ঈমান পোষণ নকৰে। এতেকে ক্বিয়ামতৰ দিনাই জান্নাতী আৰু জাহান্নামীসকলৰ মাজত ফয়চালা কৰি পৃথক কৰি দিয়া হ'ব। ইয়াৰ পিছত প্ৰত্যেকেই নিজৰ নিজৰ ঠিকনাত চিৰস্থায়ী হিচাপে থাকিব। এতেকে ভুল জীৱন-যাপন কৰা ব্যক্তিয়ে সেইদিনা আফচোচ কৰিব আৰু অনুতপ্ত হ'ব। কল্যাণৰ পথ গ্ৰহণ নকৰা পাপী ব্যক্তিয়ে হতাশাত ভূগিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আখিৰাতত মানুহৰ ঠিকনা চিৰস্থায়ী হ'ব, জান্নাত হওক বা জাহান্নাম।
2. ক্বিয়ামত দিৱসৰ ভয়াৱহতা সম্পৰ্কে সতৰ্ক কৰা হৈছে যে, সেই দিৱসটো হ'ব আফচোচ, পৰিতাপ আৰু অনুতপ্ত হোৱাৰ দিন।

3. হাদীছটোত ইংগিত কৰা হৈছে যে, জান্নাতীসকল সদায় আনন্দত থাকিব আৰু জাহান্নামীসকল সদায় দুশ্চিন্তাত থাকিব।

(65035)

(81) – عن عمر بن الخطاب رضي الله عنه قال: إنه سمع نبي الله صلى الله عليه وسلم يقول:
«لَو أَنَّكُمْ تَتَوَكَّلُونَ عَلَى اللهِ حَقَّ تَوَكُّلِهِ، لَرَزَقَكُمْ كَمَا يَرْزُقُ الطَّيْرَ، تَغْدُو خِمَاصًا وَتَرُوحُ بِطَانًا».
[صحيح] - [رواه الترمذي وابن ماجه وأحمد]

(81) – **ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ শুনিছে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে যদি যথাযথভাৱে আল্লাহ তা'আলাৰ ওপৰত তাৱাক্কুল কৰা তেন্তে তেওঁ তোমালোকক তেনেকৈয়ে জীৱিকা দান কৰিব যিদৰে চৰাই-চিৰিকটিক জীৱিকা দিয়ে। চৰাই-চিৰিকটিয়ে পুৱাৰ ভাগত খালী পেটত ওলাই যায় আৰু গধূলি উদৰ ভৰাই উভতি আহে।** [ছহীহ] - [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

এই হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক সকলো কৰ্মতে আল্লাহৰ ওপৰত তাৱাক্কুল (ভৰসা) কৰিবলৈ উৎসাহিত কৰিছে। তাৱাক্কুল হৈছে, দ্বীনি আৰু দুনিয়াৱী কামত কল্যাণ লাভ কৰাৰ বাবে আৰু অনিষ্ট দূৰ কৰাৰ বাবে আল্লাহ তা'আলাৰ ওপৰত নিৰ্ভৰ কৰা। কিয়নো, আল্লাহেই প্ৰদান কৰে, তেৱেঁই বঞ্চিত কৰে, ক্ষতি আৰু উপকাৰ তেওঁৰ ফালৰ পৰাই হয়। গতিকে আমি আল্লাহৰ ওপৰত সঠিকৰূপে ভৰসা কৰি এনেকুৱা উপায় অৱলম্বন কৰিব লাগে যাৰ দ্বাৰা উপকাৰ সাধন হ'ব আৰু বিপদ-আপদ দূৰ হ'ব। এতেকে যেতিয়া আমি এইটো কৰিম তেতিয়া আল্লাহে আমাক সেইদৰেই জীৱিকা দান কৰিব যিদৰে তেওঁ চৰাই-চিৰিকটি বিলাকক জীৱিকা দিয়ে। চৰাই-চিৰিকটিয়ে পুৱাৰ ভাগত খালী পেটত ওলাই যায় আৰু সন্ধিয়া উদৰ ভৰাই গুচি

আহে। চৰাই-চিৰিকটিৰ এই কৰ্মটো হৈছে কোনো ধৰণৰ সংকোচ আৰু অৱহেলা নকৰাকৈ জীৱিকা অৰ্জনৰ অন্যতম এটা উপায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তাৱাক্কুলৰ ফজিলত। তাৱাক্কুল হৈছে জীৱিকা উপাৰ্জনৰ মাধ্যমসমূহৰ অন্যতম এটা মাধ্যম।
2. উপায় অৱলম্বন কৰাটো তাৱাক্কুলৰ পৰিপন্থী নহয়। কাৰণ, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, প্ৰকৃত তাৱাক্কুল পুৱা গধূলি জীৱিকাৰ অনুসন্ধ্যানত ওলাই যোৱাৰ পৰিপন্থী নহয়।
3. চৰীয়তে অন্তৰৰ আমলৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰিছে। কাৰণ, তাৱাক্কুল হৈছে অন্তৰৰ আমল।
4. অকল উপায় অৱলম্বনৰ ওপৰত নিৰ্ভৰ কৰাটো হৈছে ধৰ্মীয় জ্ঞানৰ অভাৱ। আনহাতে উপায় অৱলম্বন ত্যাগ কৰাটো হৈছে বিবেকৰ অভাৱ।

(4721)

(82) – عَنِ ابْنِ عَبَّاسٍ رَضِيَ اللَّهُ عَنْهُمَا قَالَ: قَالَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «نِعْمَتَانِ مَغْبُونٌ فِيهِمَا كَثِيرٌ مِنَ النَّاسِ: الصِّحَّةُ وَالفَرَاغُ». [صحيح] - [رواه البخاري]

(82) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "এনেকুৱা দুটা নিয়ামত আছে, যি দুটা নিয়ামত সম্পৰ্কে বহুত মানুহেই অমনোযোগী হৈ আছে, (সেই নিয়ামত দুটা হৈছে) সুস্থতা আৰু অৱসৰ সময়।" [ছহীহ] - [বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত দুটা নিয়ামত সম্পৰ্কে সংবাদ দিছে যে, এই দুটা নিয়ামতৰ ক্ষেত্ৰত বেছি ভাগ লোকেই

ক্ষতিগ্ৰস্তৰ মাজত থাকে, কাৰণ সিহঁতে ইয়াৰ সদ্ব্যৱহাৰ নকৰে। যদি মানুহে সুস্থতা আৰু অৱসৰ সময় লাভ কৰে আৰু এই দুটা নিয়ামতক যদি সি আল্লাহৰ আনুগত্যমূলক কামত ব্যৱহাৰ নকৰে তেন্তে সি ক্ষতিগ্ৰস্ত হয়। এইটোৱে হৈছে অধিকাংশ লোকৰ অৱস্থা। আনহাতে যিয়ে এই দুটা নিয়ামত পাই ইয়াৰ সদ্ব্যৱহাৰ কৰে তথা ইবাদতত ব্যয় কৰে তেন্তে তেওঁ লাভৱান হয়। কিয়নো পৃথিৱী হৈছে আখিৰাতৰ খেতি। ইয়াত কৰা ব্যৱসায়ৰ ফলাফল আখিৰাত দেখিবলৈ পোৱা যাব। জানি থোৱা উচিত যে, অৱসৰ সময়ৰ পিছত আছে ব্যস্ততা আৰু সুস্থতাৰ পিছত আছে বেমাৰ-আজাৰ। আনহাতে যদি বৃদ্ধাৱস্থাই আহি যায়, তেন্তে (ধ্বংসৰ বাবে) এইটোৱে যথেষ্ট।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চৰীয়তৰ অনুগামী লোকক ব্যৱসায়ীৰ সৈতে তুলনা কৰা হৈছে। এইদৰে সুস্থতা আৰু অৱসৰ সময়ক তুলনা কৰা হৈছে মূলধনৰ সৈতে। এতেকে যিয়ে নিজৰ মূলধনক উত্তম তথা উপযুক্ত স্থানত ব্যৱহাৰ কৰিব, তেওঁ ব্যৱসায়ত লাভৱান হ'ব। আনহাতে যিয়ে মূলধন বিনষ্ট কৰিব সি ক্ষতিগ্ৰস্ত হ'ব আৰু অনুতপ্ত হ'ব।
2. ইবনুল খাঝিনে কৈছেঃ নিয়ামত সেইটোক কোৱা হয়, যিটোক মানুহে উপভোগ কৰে তথা যিটোৰ দ্বাৰা মানুহে আনন্দিত হয়। অঁকৰা বা বুৰ্বক হৈছে সেই ব্যক্তি যিয়ে অত্যাধিক দামত বস্তু ক্ৰয় কৰে অথবা আচল মূল্যতকৈ কম দৰত বস্তু বিক্ৰী কৰে। এতেকে যিজন ব্যক্তি শাৰীৰিকভাৱে সুস্থ আৰু দুনিয়াৱী ব্যস্ততাৰ পৰাও অৱসৰ পাইছে, তেনেকুৱা ব্যক্তিয়ে যদি নিজৰ আখিৰাত সংশোধন কৰাৰ প্ৰয়াস নকৰে তেন্তে সেই ব্যক্তি হৈছে এনেকুৱা বুৰ্বক যিয়ে নিজৰ ব্যৱসায়ত লোকচান কৰে।
3. আল্লাহৰ নৈকট্য অৱলম্বন কৰাৰ ক্ষেত্ৰত সুস্থতা আৰু অৱসৰ সময়ৰ জৰিয়তে উপকৃত হ'বলৈ আগ্ৰহী হোৱা উচিত। এই সুযোগ

পাৰ হোৱাৰ আগতে সেই সময়ছোৱাত নেক কৰ্ম বেছি বেছি কৰা উচিত।

4. আল্লাহে প্ৰদান কৰা নিয়ামত তেওঁৰ আনুগত্যত ব্যৱহাৰ কৰাটোৱে হৈছে তেওঁৰ কৃতজ্ঞতা প্ৰকাশ কৰা।

5. ক্বাজীয়ে আৰু আবু বকৰ ইবনুল আৰাবীয়ে কৈছেঃ এইক্ষেত্ৰত মতানৈক্য আছে যে, বান্দাসকলৰ ওপৰত থকা আল্লাহৰ প্ৰথম নিয়ামত কোনটো? কিছুমানে কৈছেঃ প্ৰথম নিয়ামত হৈছে ঈমান। আন কিছুমানে কৈছেঃ প্ৰথম নিয়ামত হৈছে জীৱন। আন কিছুমানে কৈছেঃ প্ৰথম নিয়ামত হৈছে সুস্বাস্থ্য তথা সুস্থতা। প্ৰথম মতটোৱে বেছি উপযুক্ত। কাৰণ এইটো হৈছে এটা পূৰ্ণাংগ ব্যাপক নিয়ামত। আনহাতে জীৱন আৰু সুস্বাস্থ্য হৈছে দুনিয়াৱী নিয়ামত। কাৰণ ঈমান নাথাকিলে এই দুটা প্ৰকৃত নিয়ামত হিচাপে গণ্য নহয়। এইকাৰণেই এই দুটা নিয়ামতৰ দ্বাৰা বেছিভাগ লোকেই উপকৃত নহয়, তথা লোকচানৰ সন্মুখীন হয়। এতেকে যিয়ে প্ৰবৃত্তিৰ কামনা বাসনাৰ প্ৰতি আসক্ত হৈ সেইফালে ধাৱিত হয় আৰু চৰীয়তৰ সীমাৰেখা লংঘন কৰে, নিয়মিতভাৱে ইবাদত পালন নকৰে, সি ক্ষতিগ্ৰস্ত হয়। এইদৰে যেতিয়া মানুহে অৱসৰি সময় কটায়, তেতিয়া তাৰ ওচৰত কোনো বাহানা নাথাকে, পক্ষান্তৰে ব্যস্ত মানুহৰ ওচৰত উত্থাপন কৰিব পৰা বাহানা থাকে। সেয়ে ব্যস্ত মানুহৰ তুলনাত খালী সময় পাৰ কৰা মানুহক জবাবদিহি কৰাৰ অধিক থল থাকে।

(5449)

(83) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «يُسَلِّمُ الرَّاكِبُ عَلَى المَاشِي، وَالمَاشِي عَلَى القَاعِدِ، وَالقَلِيلُ عَلَى الكَثِيرِ».
وَلِلْبُخَارِيِ: «يُسَلِّمُ الصَّغِيرُ عَلَى الكَبِيرِ، وَالمَارُّ عَلَى القَاعِدِ، وَالقَلِيلُ عَلَى الكَثِيرِ». [صحيح] - [متفق عليه]

(83) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আৰোহণকাৰী ব্যক্তিয়ে খোজকাঢ়ি যোৱা ব্যক্তিক, আৰু খোজকাঢ়ি যোৱা ব্যক্তিয়ে বহি থকা ব্যক্তিক আৰু কম সংখ্যকে বেছি সংখ্যকক ছালাম দিব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মানুহক ছালাম দিয়াৰ নিয়ম শিকাইছে, "আচ্ছালামু আলাইকুম অৰাহমাতুল্লাহি অবাৰাকাতুহ"। যাতে সৰুৱে ডাঙৰক ছালাম কৰে, আৰোহীয়ে খোজকাঢ়ি যোৱা ব্যক্তিক ছালাম কৰে আৰু খোজকাঢ়ি যোৱা ব্যক্তিয়ে বহি থকা ব্যক্তিক ছালাম কৰে, এইদৰে কম সংখ্যকে যাতে বেছি সংখ্যক লোকক ছালাম কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. উক্ত হাদীছ মুতাবিক ছালাম দিয়াটো হৈছে মুস্তাহাব। যদি খোজকাঢ়ি যোৱা ব্যক্তিয়ে আৰোহী ব্যক্তিক ছালাম কৰে তেন্তে সেইটো জায়েজ, কিন্তু হাদীছত দেখুৱাই দিয়া পদ্ধতিটো হৈছে উত্তম।
2. হাদীছত উল্লিখিত ধৰণে ছালাম প্ৰচাৰ কৰাটো হৈছে মুহাব্বত তথা মৰম-স্নেহ সৃষ্টি হোৱাৰ অন্যতম উপায়।
3. হাদীছত উল্লিখিত দুটা পক্ষ যদি সমান হয় তেন্তে সিহঁতৰ মাজৰ সেই পক্ষ উত্তম বুলি বিবেচিত হ'ব, যি পক্ষই প্ৰথমে ছালাম কৰিব।

4. এই চৰীয়ত হৈছে পূৰ্ণাংগ এটা চৰীয়ত, ইয়াত মানুহৰ প্ৰয়োজনীয় সকলো সমস্যাৰ সমাধান আছে।
5. হাদীছটোত ছালামৰ নিয়ম-নীতি শিকোৱা হৈছে, আৰু প্ৰত্যেককে তাৰ প্ৰাপ্য অধিকাৰ দিয়া হৈছে।

(4243)

(84) – عن أبي ذر رضي الله عنه: عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِيمَا رَوَى عَنِ اللهِ تَبَارَكَ وَتَعَالَى أَنَّهُ قَالَ: «يَا عِبَادِي إِنِّي حَرَّمْتُ الظُّلْمَ عَلَى نَفْسِي، وَجَعَلْتُهُ بَيْنَكُمْ مُحَرَّمًا، فَلَا تَظَالَمُوا، يَا عِبَادِي كُلُّكُمْ ضَالٌّ إِلَّا مَنْ هَدَيْتُهُ، فَاسْتَهْدُونِي أَهْدِكُمْ، يَا عِبَادِي كُلُّكُمْ جَائِعٌ إِلَّا مَنْ أَطْعَمْتُهُ، فَاسْتَطْعِمُونِي أُطْعِمْكُمْ، يَا عِبَادِي كُلُّكُمْ عَارٍ إِلَّا مَنْ كَسَوْتُهُ، فَاسْتَكْسُونِي أَكْسُكُمْ، يَا عِبَادِي إِنَّكُمْ تُخْطِئُونَ بِاللَّيْلِ وَالنَّهَارِ وَأَنَا أَغْفِرُ الذُّنُوبَ جَمِيعًا فَاسْتَغْفِرُونِي أَغْفِرْ لَكُمْ، يَا عِبَادِي إِنَّكُمْ لَنْ تَبْلُغُوا ضَرِّي فَتَضُرُّونِي، وَلَنْ تَبْلُغُوا نَفْعِي فَتَنْفَعُونِي، يَا عِبَادِي لَوْ أَنَّ أَوَّلَكُمْ وَآخِرَكُمْ وَإِنْسَكُمْ وَجِنَّكُمْ كَانُوا عَلَى أَتْقَى قَلْبِ رَجُلٍ وَاحِدٍ مِنْكُمْ مَا زَادَ ذَلِكَ فِي مُلْكِي شَيْئًا، يَا عِبَادِي لَوْ أَنَّ أَوَّلَكُمْ وَآخِرَكُمْ وَإِنْسَكُمْ وَجِنَّكُمْ كَانُوا عَلَى أَفْجَرِ قَلْبِ رَجُلٍ وَاحِدٍ مَا نَقَصَ ذَلِكَ مِنْ مُلْكِي شَيْئًا، يَا عِبَادِي لَوْ أَنَّ أَوَّلَكُمْ وَآخِرَكُمْ وَإِنْسَكُمْ وَجِنَّكُمْ قَامُوا فِي صَعِيدٍ وَاحِدٍ فَسَأَلُونِي فَأَعْطَيْتُ كُلَّ إِنْسَانٍ مَسْأَلَتَهُ مَا نَقَصَ ذَلِكَ مِمَّا عِنْدِي إِلَّا كَمَا يَنْقُصُ الْمِخْيَطُ إِذَا أُدْخِلَ الْبَحْرَ، يَا عِبَادِي إِنَّمَا هِيَ أَعْمَالُكُمْ أُحْصِيهَا لَكُمْ ثُمَّ أُوَفِّيكُمْ إِيَّاهَا، فَمَنْ وَجَدَ خَيْرًا فَلْيَحْمَدِ اللهَ، وَمَنْ وَجَدَ غَيْرَ ذَلِكَ فَلَا يَلُومَنَّ إِلَّا نَفْسَهُ». [صحيح] - [رواه مسلم]

(84) – আবু জৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আবু জৰ গিফাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ মহান প্ৰতিপালক আল্লাহৰ পৰা বৰ্ণনা কৰি কৈছে যে, মহান আল্লাহে কৈছে, "হে মোৰ বান্দাসকল! মই মোৰ ওপৰত অন্যায়-অত্যাচাৰক হাৰাম কৰি লৈছোঁ, আৰু তোমালোকৰ মাজতো ইয়াক হাৰাম কৰিছোঁ। গতিকে তোমালোকেও ইজনে সিজনক অন্যায় নকৰিবা। হে মোৰ বান্দাসকল! তোমালোক আটায়েই পথভ্ৰষ্ট; কিন্তু সেই ব্যক্তিৰ বাহিৰে যাক মই সঠিক পথ দেখুৱাইছোঁ (অৰ্থাৎ হিদায়ত প্ৰদান কৰিছোঁ)। গতিকে তোমালোকে মোৰ ওচৰত হিদায়ত কামনা কৰা, ময়ে তোমালোকক সঠিক পথ দেখুৱাম। হে মোৰ বান্দাসকল! তোমালোক সকলোৱে ক্ষুধাৰ্ত; কিন্তু সেই ব্যক্তিৰ বাহিৰে যাক মই পানাহাৰ কৰাওঁ। গতিকে তোমালোকে মোৰ ওচৰতেই পানাহাৰ বিচৰা, ময়ে তোমালোকক খুৱাম। হে মোৰ বান্দাসকল! তোমালোক সকলোৱে বস্ত্ৰহীন; কিন্তু সেই ব্যক্তিৰ বাহিৰে যাক মই বস্ত্ৰ দান কৰিছোঁ। গতিকে তোমালোকে মোৰ ওচৰত বস্ত্ৰ বিচৰা, মই তোমালোকক বস্ত্ৰদান কৰিম। হে মোৰ বান্দাসকল! তোমালোকে দিনে-ৰাতি পাপ কৰি থাকা আৰু ময়েই তোমালোকৰ সকলো পাপ ক্ষমা কৰি দিওঁ। গতিকে তোমালোকে কেৱল মোৰ ওচৰতেই ক্ষমা প্ৰাৰ্থনা কৰা, নিশ্চয় মই তোমালোকক ক্ষমা কৰি দিম। হে মোৰ বান্দাসকল! তোমালোকে কেতিয়াও মোৰ একো ক্ষতি কৰিব নোৱাৰা আৰু উপকাৰো কৰিব নোৱাৰা। হে মোৰ বান্দাসকল! যদি তোমালোকৰ মাজৰ প্ৰত্যেকেই প্ৰথমৰ পৰা শেষলৈকে, জ্বিন হওক অথবা মানুহ, তোমালোক সকলোৱে যদি তোমালোকৰ মাজৰ আটাইতকৈ মুত্তাক্বী ব্যক্তিৰ নিচিনা মুত্তাক্বী হৈ যোৱা, তথাপিও মোৰ ৰাজত্বৰ একো বৃদ্ধি নহ'ব। হে মোৰ বান্দাসকল! আনহাতে যদি তোমালোকৰ মাজৰ প্ৰত্যেকেই প্ৰথমৰ পৰা শেষলৈকে মানৱ আৰু জ্বিন সকলোৱে যদি তোমালোকৰ মাজৰ আটাইতকৈ ডাঙৰ পাপীৰ দৰে হৈ পৰে, তথাপিও এইটোৱে মোৰ ৰাজত্বৰ একো হ্ৰাস কৰিব নোৱাৰিব। হে মোৰ বান্দাসকল! যদি তোমালোকৰ প্ৰথম প্ৰজন্মৰ

পৰা শেষ প্ৰজন্মলৈকে মানৱ আৰু জ্বিন সকলোৱে মিলি এখন পথাৰত একত্ৰিত হৈ মোৰ ওচৰত প্ৰাৰ্থনা কৰা, আৰু মই যদি তোমালোকৰ প্ৰত্যেককে তাৰ বিচৰা বস্তুটো দান কৰোঁ, তথাপিও (এই দানে) মোৰ ওচৰত থকা ভাণ্ডাৰৰ কেৱল সেইখিনিয়ে হ্ৰাস কৰিবলৈ সক্ষম হ'ব, এটা বেজি সাগৰৰ পানীত ডুবালে সাগৰৰ পানীৰ পৰা যিমানখিনি হ্ৰাস হয়। হে মোৰ বান্দাসকল! নিশ্চয় মই তোমালোকৰ কৰ্মসমূহ হিচাপ কৰি ৰাখিছোঁ। এতেকে মই তোমালোকক ইয়াৰ পৰিপূৰ্ণ বিনিময় দান কৰিম। এতেকে যিয়ে কল্যাণ লাভ কৰিব, তেওঁ আল্লাহৰ প্ৰশংসা কৰা উচিত। আৰু যিয়ে ইয়াৰ বিপৰীতটো (অৰ্থাৎ অকল্যাণ) লাভ কৰিব, সি নিজকেই তিৰস্কাৰ কৰা উচিত।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, মহান আল্লাহে কৈছে, তেওঁ নিজৰ ওপৰত অন্যায়-অত্যাচাৰক হাৰাম কৰি লৈছে। লগতে তেওঁৰ বান্দাসকলৰ ওপৰতো হাৰাম কৰিছে, সিহঁতেও যেন কাৰো ওপৰত অন্যায় নকৰে। সত্য পথৰ পৰা সকলোৱে বিভ্ৰান্ত হৈ আছে, কেৱল সেইসকল লোকৰ বাহিৰে যিসকলক আল্লাহে হিদায়ত প্ৰদান কৰিছে তথা তাওফীক দান কৰিছে। এতেকে যিয়ে আল্লাহৰ ওচৰত হিদায়তৰ তাওফীক কামনা কৰিব, আল্লাহে তাক হিদায়তৰ তাওফীক দান কৰিব। সকলো ক্ষেত্ৰতে বান্দা আল্লাহৰ মুখাপেক্ষী, গতিকে যিয়ে নিজৰ প্ৰয়োজন পূৰণৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিব, আল্লাহে তাৰ প্ৰয়োজন পূৰণ কৰি দিব আৰু তাৰ বাবে তেৱেঁই যথেষ্ট। সিহঁতে দিনে ৰাতি আল্লাহৰ অবাধ্যতা কৰে, আনহাতে আল্লাহে সিহঁতৰ সেই গুনাহসমূহ গোপন কৰি ৰাখে, লগতে বান্দাই আল্লাহৰ ওচৰত মাগফিৰাত বিচাৰিলে আল্লাহে ক্ষমা কৰি দিয়ে। সিহঁতে আল্লাহৰ কোনো ক্ষতিও কৰিব নোৱাৰে আৰু উপকাৰো কৰিব নোৱাৰে। সিহঁত আটায়ে যদি সৰ্বোচ্চ মুত্তাক্বী পৰহেজগাৰ ব্যক্তিৰ দৰেও হৈ পৰে, তথাপিও সিহঁতৰ তাক্বৱাই আল্লাহৰ ৰাজত্বত একো বৃদ্ধি কৰিব নোৱাৰে।

আনহাতে সিহঁত সকলোৰে অন্তৰ যদি আটাইতকৈ নিকৃষ্ট ব্যক্তিৰ দৰেও হৈ পৰে, তথাপিও সিহঁতৰ পাপকৰ্মই তেওঁৰ ৰাজত্বৰ একো ক্ষতি কৰিব নোৱাৰে। কাৰণ সিহঁত হৈছে অতি দুৰ্বল, আল্লাহৰ মুখাপেক্ষী। সকলো সময়তে সকলো স্থানতে সিহঁত আল্লাহৰ মুখাপেক্ষী। পক্ষান্তৰে মহান আল্লাহ অমুখাপেক্ষী। জিন আৰু মানৱ প্ৰথমৰ পৰা শেষলৈকে সকলোৱে যদি এটা স্থানত একত্ৰিত হৈ নিজৰ নিজৰ প্ৰয়োজন পূৰণৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰে আৰু আল্লাহে সকলোৰে প্ৰাৰ্থনা কবূল কৰে, তথাপিও আল্লাহৰ ধন-ভাণ্ডাৰৰ পৰা একো হ্ৰাস নহ'ব, আনকি বেজী এডাল যদি সাগৰত ডুবাই তুলি অনা হয় আৰু তাত যিখিনি পানী লাগি থাকে সেইখিনিও হ্ৰাস নহয়। কাৰণ তেওঁ পৰিপূৰ্ণৰূপে অমুখাপেক্ষী।

মহান আল্লাহে বান্দাৰ আমল সংৰক্ষণ কৰি ৰাখে আৰু হিচাপ কৰি ৰাখে। ইয়াৰ পিছত কিয়ামতৰ দিনা তেওঁ সিহঁতক ইয়াৰ পৰিপূৰ্ণ প্ৰতিদান প্ৰদান কৰিব। যিয়ে সিদিনা নিজৰ কৰ্মৰ ভাল প্ৰতিদান লাভ কৰিব, তেওঁ আল্লাহৰ প্ৰশংসা কৰিব, কাৰণ তেৱেঁই তাক আনুগত্য কৰাৰ তাওফীক দান কৰিছিল। আনহাতে যিয়ে নিজৰ কৰ্মৰ বেয়া প্ৰতিফল লাভ কৰিব, সি নিজকে ভৰ্ৎসনা কৰিব, কাৰণ তাৰ বেয়া প্ৰবৃত্তিয়ে তাক ধ্বংসৰ পথ দেখুৱাইছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটোক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ প্ৰতিপালকৰ পৰা বৰ্ণনা কৰিছে, এনেকুৱা হাদীছক হাদীছে কুদছী বা হাদীছে ইলাহী বোলে। যি হাদীছৰ শব্দ আৰু অৰ্থ আল্লাহৰ পৰা অৱতীৰ্ণ। কিন্তু ইয়াৰ ভিতৰত কোৰআনৰ কোনো বিশেষত্ব নাই, যিবোৰ বিশেষত্ব একমাত্ৰ কোৰআনৰ বাবেই নিৰ্দিষ্ট। যেনে- কোৰআন তিলাৱত কৰিলে ছোৱাব পোৱা যায়, পৱিত্ৰ হৈ স্পৰ্শ কৰিব লাগে, কোৰআনৰ দ্বাৰা প্ৰত্যাহ্বান জনোৱা হৈছে, লগতে কোৰআনৰ মাজত আছে বহুতো অলৌকিকতা, ইত্যাদি।

2. বান্দাই যি জ্ঞান অৰ্জন কৰে অথবা হিদায়ত লাভ কৰে, সেই হিদায়ত আৰু শিক্ষা আল্লাহৰ পৰাই লাভ কৰে।

3. বান্দাই যি কল্যাণ অৰ্জন কৰে সেইটো আল্লাহৰেই অনুগ্ৰহ। আনহাতে বান্দাই  যি অকল্যাণৰ সন্মুখীন হয়, সেয়া সি নিজৰ দোষতে হয়।

4. যিয়ে সৎকৰ্ম কৰে, সি আল্লাহৰ তাওফীকতে কৰে আৰু ইয়াৰ প্ৰতিফলো আল্লাহৰ অনুগ্ৰহতে লাভ কৰিব, গতিকে প্ৰশংসা কেৱল আল্লাহৰেই। আনহাতে যিয়ে অসৎকৰ্ম কৰে, সি নিজকেই ভৰ্ৎসনা কৰিব।

(4810)

(85) – عَنْ جَابِرِ بْنِ عَبْدِ اللهِ رضي الله عنهما أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «اتَّقُوا الظُّلْمَ، فَإِنَّ الظُّلْمَ ظُلُمَاتٌ يَوْمَ الْقِيَامَةِ، وَاتَّقُوا الشُّحَّ، فَإِنَّ الشُّحَّ أَهْلَكَ مَنْ كَانَ قَبْلَكُمْ، حَمَلَهُمْ عَلَى أَنْ سَفَكُوا دِمَاءَهُمْ وَاسْتَحَلُّوا مَحَارِمَهُمْ». [صحيح] - [رواه مسلم]

(85) – জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে অন্যায়-অত্যাচাৰৰ পৰা বিৰত থাকা, কাৰণ কিয়ামতৰ দিনা অন্যায়-অত্যাচাৰ গভীৰ অন্ধকাৰৰূপে আগমন কৰিব। লগতে তোমালোকে কৃপণতা পৰিত্যাগ কৰা, কাৰণ কৃপণতাই তোমালোকৰ পূৰ্বৱৰ্তীসকলক ধ্বংস কৰিছে। সিহঁতক ইজনে সিজনৰ তেজ প্ৰবাহিত কৰিবলৈ আৰু হাৰামক হালাল বুলি গণ্য কৰিবলৈ উৎসাহিত কৰিছিল।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অন্যায়-অত্যাচাৰৰ পৰা সতৰ্ক কৰিছে। আনৰ প্ৰতিয়ে হওক বা নিজৰ প্ৰতি অথবা আল্লাহৰ অধিকাৰৰ ক্ষেত্ৰতে হওক। অৰ্থাৎ অধিকাৰীক অধিকাৰৰ পৰা বঞ্চিত

কৰা, কাৰণ কিয়ামতৰ দিনা এই অন্যায়-অত্যাচাৰ কঠিন ভয়াৱহ বিপদ তথা অন্ধকাৰৰূপে আগমন কৰিব। এইদৰে নবী চাল্লাল্লাহু অছাল্লামে কৃপণতাৰ পৰা নিষেধ কৰিছে। অৰ্থাৎ দুনিয়াৰ প্ৰতি মোহ থকাৰ কাৰণে আৰ্থিক অধিকাৰ আদায়ত অৱহেলা কৰা। এই ধৰণৰ অন্যায়ৰ ফলতেই আমাৰ পূৰ্বে অতিবাহিত হোৱা উম্মতসকল ধ্বংস হৈছে। যাৰ ফলত সিহঁতে ইজনে সিজনক হত্যা কৰিছিল, লগতে আল্লাহে যিটো বস্তুক হাৰাম কৰিছিল সেইটোক সিহঁতে হালাল বুলি গণ্য কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ধন-সম্পদ ব্যয় কৰা আৰু ভাতৃসকলক সান্ত্বনা দিয়াটো হৈছে মুহাব্বত আৰু সম্পৰ্ক ৰক্ষাৰ অন্যতম উপায়।
2. কৃপণতা আৰু ধন-সম্পদৰ লোভে মানুহক পাপকৰ্ম, অশ্লীলতা আৰু গুনাহৰ প্ৰতি ধাৱিত কৰে।
3. পূৰ্বৱৰ্তী উম্মতসমূহৰ ঘটনাৰ পৰা শিক্ষা লোৱা উচিত।

(5787)

(86) – عن أبي موسى رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِنَّ اللهَ لَيُمْلِي لِلظَّالِمِ، حَتَّى إِذَا أَخَذَهُ لَمْ يُفْلِتْهُ» قَالَ: ثُمَّ قَرَأَ: «{وَكَذَلِكَ أَخْذُ رَبِّكَ إِذَا أَخَذَ الْقُرَى وَهِيَ ظَالِمَةٌ إِنَّ أَخْذَهُ أَلِيمٌ شَدِيدٌ}[هود: 102]» [صحيح] - [متفق عليه]

(86) – আবূ মুছা আল-আশ্ব'আৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "নিশ্চয় আল্লাহে অন্যায়-অত্যাচাৰীক অৱকাশ দিয়ে। কিন্তু যেতিয়া কৰায়ত্ত কৰে তেতিয়া কোনো সুযোগ নিদিয়ে।" বৰ্ণনাকাৰীয়ে কৈছেঃ ইয়াৰ পিছত তেখেতে এই আয়াত তিলাৱত কৰিলেঃ অৰ্থ- যেতিয়া তোমাৰ প্ৰতিপালকে কোনো অন্যায়কাৰী জনপদক আক্ৰমণ কৰে তেতিয়া এইদৰেই আক্ৰমণ কৰে। নিঃসন্দেহে তেওঁৰ আক্ৰমণ অতি যন্ত্ৰণাদায়ক, মহাকঠিন। (ছুৰা হূদঃ ১০২) [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোৰ দ্বাৰা নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অন্যায়-অত্যাচাৰ, পাপকৰ্ম, শ্বিৰ্ক, মানুহৰ অধিকাৰ খৰ্ব কৰা আদি গুনাহৰ পৰা সতৰ্ক কৰিছে। কাৰণ আল্লাহে অন্যায়-অত্যাচাৰীক অৱকাশ দিয়ে, তাৰ ধন-সম্পদ আৰু আয়ুস বৃদ্ধি কৰি দিয়ে, তাক শাস্তি প্ৰদানত খৰধৰ নকৰে। কিন্তু তথাপিও যদি সি তাওবা নকৰে তেন্তে তাক এনেকৈ কৰায়ত্ত কৰে যে তাৰ পিছত আৰু তাক কোনো সুযোগ প্ৰদান নকৰে। কাৰণ সি অতিমাত্ৰা অন্যায় কৰিছে।

ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে এই আয়াতটো তিলাৱত কৰিছিল। (যেতিয়া তোমাৰ প্ৰতিপালকে কোনো অন্যায়কাৰী জনপদক আক্ৰমণ কৰে তেতিয়া এইদৰেই আক্ৰমণ কৰে। নিঃসন্দেহে তেওঁৰ আক্ৰমণ অতি যন্ত্ৰণাদায়ক, মহাকঠিন।) (ছুৰা হূদঃ ১০২)

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বিবেকৱান ব্যক্তিয়ে তাওবা কৰাত তৎপৰতা দেখুৱা উচিত। কাৰণ যদি অন্যায়-অত্যাচাৰত লিপ্ত থাকে তেন্তে সি আল্লাহৰ কৌশলৰ পৰা কেতিয়াও সাৰি যাব নোৱাৰে।
2. সৰ্বশক্তিমান আল্লাহে যালিমসকলক অৱকাশ দিয়ে আৰু সিহঁতক শাস্তি প্ৰদানত খৰখেদা নকৰে। এই কাৰণে যে, যদি সিহঁতে তাওবা নকৰে তেন্তে যাতে সিহঁতৰ শাস্তি বৃদ্ধি হয়।
3. অন্যায়-অত্যাচাৰ হৈছে উম্মতৰ ওপৰত আল্লাহৰ শাস্তি অহাৰ অন্যতম এটা কাৰণ।
4. যেতিয়া আল্লাহে কোনো জনবসতি ধ্বংস কৰে, তেতিয়া তাৰ মাজত পূণ্যৱান লোকো থাকিব পাৰে। কিয়ামতৰ দিনা তেওঁলোকে সেই অনুপাতেই প্ৰতিদান লাভ কৰিব যি অনুপাতে তেওঁলোকে সংশোধনৰ কাম কৰিছিল। শাস্তিৰ অন্তৰ্ভুক্ত হোৱাত তেওঁলোকৰ কোনো ক্ষতি নহ'ব।

(5811)

(87) – عن ابن عباس رضي الله عنهما عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِيمَا يَرْوِي عَنْ رَبِّهِ عَزَّ وَجَلَّ قَالَ: «إِنَّ اللهَ كَتَبَ الْحَسَنَاتِ وَالسَّيِّئَاتِ، ثُمَّ بَيَّنَ ذَلِكَ، فَمَنْ هَمَّ بِحَسَنَةٍ فَلَمْ يَعْمَلْهَا كَتَبَهَا اللهُ لَهُ عِنْدَهُ حَسَنَةً كَامِلَةً، فَإِنْ هُوَ هَمَّ بِهَا فَعَمِلَهَا كَتَبَهَا اللهُ لَهُ عِنْدَهُ عَشْرَ حَسَنَاتٍ إِلَى سَبْعِمِائَةِ ضِعْفٍ، إِلَى أَضْعَافٍ كَثِيرَةٍ، وَمَنْ هَمَّ بِسَيِّئَةٍ فَلَمْ يَعْمَلْهَا كَتَبَهَا اللهُ لَهُ عِنْدَهُ حَسَنَةً كَامِلَةً، فَإِنْ هُوَ هَمَّ بِهَا فَعَمِلَهَا كَتَبَهَا اللهُ لَهُ سَيِّئَةً وَاحِدَةً». [صحيح] - [متفق عليه]

(87) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত নবী চাল্লাল্লাহ আলাইহি অছাল্লামে সৰ্বশক্তিমান আল্লাহৰ পৰা বৰ্ণনা কৰি কৈছেঃ মহান আল্লাহে কৈছেঃ “নিশ্চয় আল্লাহে পাপ-পুণ্য লিপিবদ্ধ কৰি ৰাখিছে। ইয়াৰ পিছত তেওঁ ইয়াৰ ব্যাখ্যাও কৰি দিছে। যি ব্যক্তিয়ে কোনো নেকী কৰাৰ সংকল্প কৰিছে; কিন্তু সেইটোক কৰ্মত বাস্তৱায়িত কৰিব পৰা নাই, মহান আল্লাহে তাৰ বাবে (কেৱল নিয়ত কৰাৰ বিনিময়তে) এটি সম্পূৰ্ণ নেকী লিখি দিয়ে, আৰু যদি সি সেই সংকল্পটোক কৰ্মত পৰিণত কৰে, তেনেহ'লে আল্লাহে ইয়াৰ বিনিময়ত তাক দহৰ পৰা সাতশ গুণ পৰ্যন্ত; আনকি তাতকৈও অধিক গুণ বেছি নেকী লিখি দিয়ে। আনহাতে যদি কোনোবাই কোনো এটা পাপ কৰ্ম কৰাৰ সংকল্প কৰে; আৰু যদি সি সেইটোক কৰ্মত পৰিণত নকৰে, তেনেহ'লে আল্লাহে তাৰ বাবে এটা পূৰ্ণ নেকী লিখি দিয়ে। আনহাতে যদি সি সংকল্প কৰাৰ পিছত সেইটোক কৰ্মত পৰিণত কৰে, তেনেহ'লে আল্লাহে ইয়াৰ ফলত কেৱলমাত্ৰ এটাই পাপ লিপিবদ্ধ কৰে।” [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত এই কথা উল্লেখ কৰিছে যে, আল্লাহে গুনাহ আৰু নেকী পূৰ্বেই নিৰ্ধাৰণ কৰি ৰাখিছে, ইয়াৰ পিছত তেখেতে এই কথাও উল্লেখ কৰিছে যে, লিপিবদ্ধকাৰী ফিৰিস্তাদুজনে সেইবোৰক কেনেকৈ লিখিব।

এতেকে যিয়ে কোনো নেক কাম কৰাৰ ইচ্ছা কৰে তথা সংকল্প কৰে, লগে লগে ইয়াৰ বিনিময়ত এটা নেকী লিপিবদ্ধ কৰা হয়, যদিও সি সেই কামটো কৰা নাই। কিন্তু যদি সেই সংকল্পটোক কৰ্মত পৰিণত কৰে তেন্তে দহৰ পৰা সাতশ গুণ পৰ্যন্ত তাৰ নেকী বৃদ্ধি কৰা হয়, আনকি তাতকৈও অধিক। এই বৃদ্ধি তাৰ অন্তৰত থকা তাক্বৱা আৰু ইখলাচ তথা আনক উপকাৰ কৰা অনুপাতে বৃদ্ধি কৰা হয়।

এইদৰে যিয়ে কোনো গুনাহ কৰাৰ ইচ্ছা পোষণ কৰিব, তাৰ পিছত আল্লাহৰ কথা মনত পেলাই সি যদি সেই কামটোক পৰিত্যাগ কৰে, তেন্তে ইয়াৰ বিনিময়ত তাৰ বাবে এটা পৰিপূৰ্ণ নেকী লিখা হ'ব। কিন্তু যদি কোনো ব্যস্ততাৰ কাৰণে সেই ইচ্ছাক কৰ্মত পৰিণত কৰিব নোৱাৰে তেন্তে তাক ছোৱাব প্ৰদান কৰা নহয়, আনহাতে যদি কোনোবাই অপাৰগতাৰ কাৰণে কৰিব পৰা নাই তেন্তে বিষয়টো তাৰ নিয়্যতৰ ওপৰত নিৰ্ভৰ কৰিব। পক্ষান্তৰে যদি সি সেই ইচ্ছাক কৰ্মত পৰিণত কৰে তেন্তে ইয়াৰ বিনিময়ত তাৰ আমলনামাত কেৱল এটা গুনাহ লিখা হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ছোৱাব বৃদ্ধি কৰি আৰু গুনাহক হ্ৰাস কৰি মহান আল্লাহে এই উম্মতৰ প্ৰতি মহা অনুগ্ৰহ কৰিছে।
2. আমলৰ ক্ষেত্ৰত নিয়্যতৰ গুৰুত্ব আৰু ইয়াৰ প্ৰভাৱ।
3. সৰ্বশক্তিমান আল্লাহৰ এইটো এটা মহা অনুগ্ৰহ, দয়া আৰু কৃপা যে, তেওঁ সেই ব্যক্তিকো ছোৱাব প্ৰদান কৰে যিয়ে কেৱল নেক কৰ্ম কৰাৰ নিয়্যত কৰিছে কিন্তু এতিয়াও বাস্তৱায়ন কৰা নাই।

(4322)

(88) – عَنِ ابْنِ مَسْعُودٍ رَضِيَ اللَّهُ عَنْهُ، قَالَ: قَالَ رَجُلٌ: يَا رَسُولَ اللهِ، أَنُؤَاخَذُ بِمَا عَمِلْنَا فِي الْجَاهِلِيَّةِ؟ قَالَ: «مَنْ أَحْسَنَ فِي الْإِسْلَامِ لَمْ يُؤَاخَذْ بِمَا عَمِلَ فِي الْجَاهِلِيَّةِ، وَمَنْ أَسَاءَ فِي الْإِسْلَامِ أُخِذَ بِالْأَوَّلِ وَالْآخِرِ». [صحيح] - [متفق عليه]

(88) – ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এজন ব্যক্তিয়ে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলে, “হে আল্লাহৰ ৰাছুল! অজ্ঞতা যুগত আমি যিবোৰ পাপকৰ্ম কৰিছোঁ তাৰ বাবে আমাক জবাবদিহি কৰা হ’ব নেকি”? তেখেত (চাল্লাল্লাহু আলাইহি অছাল্লামে) ক’লেঃ “যিয়ে ইছলামত (প্ৰৱেশ কৰি) সৎকৰ্ম কৰিছে, অজ্ঞতা যুগত কৰা কৰ্ম সম্পৰ্কে তাক জবাবদিহি কৰা নহ’ব। আনহাতে যিয়ে ইছলামত (প্ৰৱেশ কৰি) অপকৰ্মত লিপ্ত হৈছে, তাক পূৰ্বৰ আৰু পৰৱৰ্তী সকলো গুনাহ সম্পৰ্কে জবাবদিহি কৰা হ’ব”। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইছলামত প্ৰৱেশ কৰাৰ গুৰুত্ব বৰ্ণনা কৰিছে। যিয়ে ইছলামত প্ৰৱেশ কৰি সত্যতাৰে নিষ্ঠা সহকাৰে ইছলাম পালন কৰিছে, অজ্ঞতা যুগত সি কৰি অহা গুনাহ সম্পৰ্কে তাক সোধ-পোচ কৰা নহ'ব। আনহাতে যিয়ে ইছলামত প্ৰৱেশ কৰি নিফাকত লিপ্ত হৈছে তথা দ্বীনৰ পৰা মুৰ্তাদ হৈছে, সেই ব্যক্তিক কুফৰত থকা অৱস্থাত কৰা আমল সম্পৰ্কে আৰু ইছলামত প্ৰৱেশ কৰাৰ পিছত যিবোৰ আমল কৰিছে সেই সম্পৰ্কেও সোধ-পোচ কৰা হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চাহাবাসকলে নিজৰ আমল সম্পৰ্কে বহুত গুৰুত্বশীল আছিল। সেইকাৰণে তেওঁলোকে অজ্ঞতা যুগত কৰা ভুলৰ বিষয়টোতো ভয় কৰিছিল।

2. ইছলামৰ ওপৰত অটল থকাৰ প্ৰতি উৎসাহিত কৰা হৈছে।
3. ইছলামত প্ৰৱেশ কৰাৰ অন্যতম এটা ফজিলত হৈছে এই যে, ইয়াৰ ফলত পূৰ্বৱৰ্তী সকলো গুনাহ মাফ হৈ যায়।
4. মুৰ্তাদ আৰু মুনাফিকসকলক সিহঁতৰ প্ৰতিটো আমল সম্পৰ্কে সোধ-পোচ কৰা হ'ব, যিবোৰ সিহঁতে অজ্ঞতা যুগত কৰিছে আৰু যিবোৰ সিহঁতে ইছলামত প্ৰৱেশ কৰাৰ পিছত কৰিছে।

(65002)

(89) – عَنِ ابْنِ عَبَّاسٍ رَضِيَ اللهُ عَنْهُمَا: أَنَّ نَاسًا مِنْ أَهْلِ الشِّرْكِ، كَانُوا قَدْ قَتَلُوا وَأَكْثَرُوا، وَزَنَوْا وَأَكْثَرُوا، فَأَتَوْا مُحَمَّدًا صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فَقَالُوا: إِنَّ الَّذِي تَقُولُ وَتَدْعُو إِلَيْهِ لَحَسَنٌ، لَوْ تُخْبِرُنَا أَنَّ لِمَا عَمِلْنَا كَفَّارَةً، فَنَزَلَ {وَالَّذِينَ لا يَدْعُونَ مَعَ اللهِ إِلَهًا آخَرَ وَلا يَقْتُلُونَ النَّفْسَ الَّتِي حَرَّمَ اللهُ إِلا بِالْحَقِّ وَلا يَزْنُونَ}[الفرقان: 68]، وَنَزَلَت: {قُلْ يَا عِبَادِيَ الَّذِينَ أَسْرَفُوا عَلَى أَنْفُسِهِمْ لا تَقْنَطُوا مِنْ رَحْمَةِ اللهِ} [الزمر: 53]. [صحيح] - [متفق عليه]

(89) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত কিছুমান মুশ্বৰিক ব্যক্তি অত্যাধিক হত্যাকাণ্ড আৰু অত্যাধিক ব্যভিচাৰত লিপ্ত আছিল, এটা সময়ত সিহঁতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লে যে, আপুনি যিবোৰ কথা কয় আৰু যিটোৰ প্ৰতি আপুনি আহ্বান কৰে সেইটো খুবেই উত্তম। গতিকে আপুনি যদি আমাক জনালেহেঁতেন যে, আমি যিবোৰ কৰ্ম কৰিছোঁ ইয়াৰ কিবা কাফ্ফাৰাহ বা প্ৰায়শ্চিত্য আছেনে? এই প্ৰেক্ষাপটত এই আয়াত অৱতীৰ্ণ হ'লঃ "আল্লাহৰ সত্যবাদী বান্দাই আল্লাহৰ লগত আন কোনো ইলাহক আহ্বান নকৰে; আৰু আল্লাহে যি প্ৰাণ হত্যা কৰিবলৈ নিষেধ কৰিছে, যথাৰ্থ কাৰণবিহীন তাক হত্যা নকৰে। তেওঁলোকে ব্যভিচাৰ নকৰে; যিয়ে এইবোৰ কৰিব সি (অৱশ্যে) শাস্তি ভোগ কৰিব।" (ছুৰা আল-ফুৰক্বানঃ ৬৮) লগতে এই আয়াত অৱতীৰ্ণ হ'লঃ "(সিহঁতক) জনাই দিয়ক, 'হে মোৰ বান্দাসকল! তোমালোকৰ মাজৰ যিসকলে নিজৰ ওপৰত অন্যায় কৰিছা, আল্লাহৰ অনুগ্ৰহৰ পৰা (কেতিয়াও) নিৰাশ নহ'বা, নিশ্চয় আল্লাহে সকলো পাপ ক্ষমা কৰি দিব। নিশ্চয় তেওঁ পৰম ক্ষমাশীল, পৰম দয়ালু'।" (ছুৰা ঝুমৰঃ ৫৩) [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

মুশ্বৰিকসকলৰ মাজৰ কিছুমান লোক নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল, যিসকলে অত্যাধিক হত্যা কৰিছিল আৰু ব্যভিচাৰত লিপ্ত আছিল। সিহঁতে তেখেতক ক'লেঃ আপুনি যি ইছলামৰ

প্ৰতি আহ্বান কৰে আৰু যিবোৰ শিক্ষা দিয়ে সেইবোৰ খুবেই সুন্দৰ। কিন্তু আমি যিবোৰ গুনাহত লিপ্ত হৈ আছোঁ তথা যিবোৰ শ্বিৰ্ক আৰু মহাপাপ আদি কৰিছোঁ, এইবোৰৰ কিবা প্ৰায়শ্চিত্য আছেনে?

এই ঘটনাৰ পৰিপ্ৰেক্ষিতত দুটা আয়াত অৱতীৰ্ণ হৈছিল, য'ত কোৱা হৈছে যে, মানুহৰ গুনাহ যিমানেই বেছি নহওক কিয় তথা যিমানেই ডাঙৰ নহওক কিয় তথাপিও আল্লাহে তাৰ তাওবা কবূল কৰিব। যদি এইটো সুবিধা নাথাকিলহেঁতেন তেন্তে সিহঁতে নিজৰ কুফৰ আৰু অন্যায়-অত্যাচাৰ অব্যাহত ৰাখিলহেঁতেন আৰু ইছলামত প্ৰৱেশ নকৰিলেহেঁতেন।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলামৰ গুৰুত্ব আৰু মহত্ত্ব, কাৰণ ইছলাম গ্ৰহণ কৰিলে পূৰ্বৰ সকলো গুনাহ মাফ হৈ যায়।
2. বান্দাসকলৰ প্ৰতি আল্লাহৰ ৰহমত, মাগফিৰাত, ক্ষমা তথা মাৰ্জনাৰ পৰিমাণ অসীম।
3. শ্বিৰ্ক হাৰাম, অন্যায়ভাৱে কাৰোবাক হত্যা কৰাও হাৰাম, যিনা বা ব্যভিচাৰ হাৰাম, আৰু এনেকুৱা গুনাহকাৰী ব্যক্তিক কঠোৰ সতৰ্কবাণী দিয়া হৈছে।
4. ইখলাচৰ সৈতে কৰা নিৰ্ভেজাল তাওবা আৰু নেক আমলৰ ফলত, সকলো প্ৰকাৰ কাবীৰাহ গুনাহ মাফ হৈ যায়, আল্লাহৰ সৈতে কৰা কুফৰীও ইয়াৰ দ্বাৰা মাফ হয়।
5. আল্লাহৰ ৰহমতৰ পৰা হতাশ হোৱা তথা নিৰাশ হোৱা হাৰাম।

(65071)

(90) – عَنْ حَكِيمِ بْنِ حِزَامٍ رَضِيَ اللَّهُ عَنْهُ، قَالَ: قُلْتُ: يَا رَسُولَ اللَّهِ، أَرَأَيْتَ أَشْيَاءَ كُنْتُ أَتَحَنَّثُ بِهَا فِي الجَاهِلِيَّةِ مِنْ صَدَقَةٍ أَوْ عَتَاقَةٍ، وَصِلَةِ رَحِمٍ، فَهَلْ فِيهَا مِنْ أَجْرٍ؟ فَقَالَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «أَسْلَمْتَ عَلَى مَا سَلَفَ مِنْ خَيْرٍ». [صحيح] - [متفق عليه]

(90) – হাকিম বিন হিঝাম -ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ক'লোঁঃ হে আল্লাহৰ ৰাছুল! মই ইছলাম গ্ৰহণ কৰাৰ পূৰ্বে (ছোৱাবৰ নিয়তেৰে) চাদাক্বাহ কৰিছিলোঁ, দাস মুক্ত কৰিছিলোঁ, আত্মীয়তাৰ সম্পৰ্ক অটুট ৰাখিছিলোঁ, গতিকে সেইবোৰৰ বাবে মই ছোৱাব পামনে? ইয়াৰ উত্তৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তুমি সেইবোৰ ভাল কাম কৰাৰ কাৰণেই ইছলাম গ্ৰহণ কৰিব পাৰিছা। (তুমি সেইবোৰ কামৰ ছোৱাব নিশ্চয় পাবা।) [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত এই কথা স্পষ্ট কৰিছে যে, যেতিয়া কোনো কাফিৰ ব্যক্তিয়ে ইছলাম গ্ৰহণ কৰে, সেই ব্যক্তিয়ে ইছলাম গ্ৰহণ কৰাৰ পূৰ্বে যিবোৰ নেক আমল কৰিছিল যেনে- চাদাক্বাহ-খয়ৰাত, দাস মুক্ত কৰা, আত্মীয়তাৰ বন্ধন ৰক্ষা কৰা আদি নেক আমলৰো ছোৱাব লাভ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা এই কথা বুজা গ'ল যে, কাফিৰ ব্যক্তিয়ে পাৰ্থিৱ জীৱনত যিবোৰ সৎকৰ্ম কৰে, আখিৰাতত তাক সেইবোৰৰ ছোৱাব দিয়া নহ'ব, যদি সি কুফৰ অৱস্থাতেই মৃত্যুবৰণ কৰে।

(65016)

(91) – عَنْ أَنَسِ بْنِ مَالِكٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «إِنَّ اللهَ لَا يَظْلِمُ مُؤْمِنًا حَسَنَةً، يُعْطَى بِهَا فِي الدُّنْيَا وَيُجْزَى بِهَا فِي الْآخِرَةِ، وَأَمَّا الْكَافِرُ فَيُطْعَمُ بِحَسَنَاتِ مَا عَمِلَ بِهَا لِلَّهِ فِي الدُّنْيَا، حَتَّى إِذَا أَفْضَى إِلَى الْآخِرَةِ، لَمْ تَكُنْ لَهُ حَسَنَةٌ يُجْزَى بِهَا». [صحيح] - [رواه مسلم]

(91) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: আল্লাহে মুমিন বান্দাসকলৰ প্ৰতি এটা ছোৱাবকলৈও অন্যায় নকৰিব। বৰং তেওঁ ইয়াৰ বিনিময় পৃথিৱীতো দান কৰিব আৰু আখিৰাততো প্ৰদান কৰিব। আনহাতে কাফিৰ ব্যক্তিয়ে পাৰ্থিৱ জীৱনত যি সৎকৰ্ম কৰে তাৰ প্ৰতিদান স্বৰূপে আল্লাহে তাক জীৱিকা প্ৰদান কৰে। ফলত আখিৰাতত তাক প্ৰতিদান দিব পৰা তাৰ ওচৰত কোনো সৎকৰ্মই অৱশিষ্ট নাথাকে। [ছহীহ] - [মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুমিন বান্দাসকলৰ ওপৰত থকা আল্লাহৰ মহান কৃপা সম্পৰ্কে আৰু কাফিৰসকলৰ প্ৰতি থকা ন্যায় পৰায়ণতা সম্পৰ্কে উল্লেখ কৰিছে। এতেকে মুমিন বান্দাৰ কোনো ছোৱাবকেই তেওঁ হ্ৰাস নকৰে, বৰং পাৰ্থিৱ জীৱনত আল্লাহৰ আনুগত্য কৰাৰ বাবে আল্লাহে তেওঁক সা-সুবিধা দান কৰে, লগতে আখিৰাতৰ বাবেও উত্তম প্ৰতিদান জমা কৰি থয়। আকৌ কেতিয়াবা সম্পূৰ্ণ প্ৰতিদান আখিৰাতৰ বাবে জমা কৰি ৰাখে। আনহাতে কাফিৰ ব্যক্তিয়ে পৃথিৱীত যিবোৰ সৎকৰ্ম কৰে, সেইবোৰৰ বিনিময় হিচাপে আল্লাহে তাক পাৰ্থিৱ জীৱনৰ সা-সুবিধাৰ দ্বাৰাই প্ৰতিদান দিয়ে। অৱশেষত যেতিয়া সি আখিৰাতত গৈ উপনীত হ'ব, তেতিয়া তাৰ ওচৰত প্ৰতিদান পাব পৰা কোনো সৎকৰ্মই অৱশিষ্ট নাথাকিব। কাৰণ নেক আমলৰ দ্বাৰা উভয় ঠাইতে উপকৃত হ'বলৈ হ'লে ব্যক্তিজন মুমিন হোৱাটো বাধ্যতামূলক।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা এই কথা বুজা গ'ল যে, কুফৰ অৱস্থাত মৃত্যুবৰণ কৰিলে কোনো আমলেই উপকাৰ সাধন নকৰে।

(65015)

(92) – عَنْ أَنَسِ بْنِ مَالِكٍ رضي الله عنه قَالَ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «قَالَ اللَّهُ تَبَارَكَ وَتَعَالَى: يَا ابْنَ آدَمَ إِنَّكَ مَا دَعَوْتَنِي وَرَجَوْتَنِي غَفَرْتُ لَكَ عَلَى مَا كَانَ فِيكَ وَلاَ أُبَالِي، يَا ابْنَ آدَمَ لَوْ بَلَغَتْ ذُنُوبُكَ عَنَانَ السَّمَاءِ ثُمَّ اسْتَغْفَرْتَنِي غَفَرْتُ لَكَ، وَلاَ أُبَالِي، يَا ابْنَ آدَمَ إِنَّكَ لَوْ أَتَيْتَنِي بِقُرَابِ الأَرْضِ خَطَايَا ثُمَّ لَقِيتَنِي لاَ تُشْرِكُ بِي شَيْئًا لأَتَيْتُكَ بِقُرَابِهَا مَغْفِرَةً». [حسن] - [رواه الترمذي]

(92) – আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "মহান আল্লাহে কৈছেঃ হে আদম সন্তান! যেতিয়াই তুমি মোক আহ্বান কৰিবা তথা মোৰ প্ৰতি আশা ৰাখিবা, তেতিয়াই মই তোমাক ক্ষমা কৰি দিম, তোমাৰ অৱস্থা যিটোৱে নহওক কিয়, সেইটোৰ প্ৰতি মই ভ্ৰূক্ষেপ নকৰোঁ। হে আদম সন্তান! তোমাৰ গুনাহ যদি আকাশলংঘী হয়, ইয়াৰ পিছতো যদি তুমি মোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা তেন্তে মই তোমাক ক্ষমা কৰি দিম। মই কোনো ভ্ৰূক্ষেপ নকৰোঁ। হে আদম সন্তান! তুমি যদি পৃথিৱীৰ সমান গুনাহ লৈ মোৰ ওচৰত এনেকুৱা অৱস্থাত উপস্থিত হোৱা যে, তুমি মোৰ সৈতে কাকো অংশীদাৰ স্থাপন কৰা নাই তেন্তে মই তোমাক সেই পৃথিৱীৰ সমানেই ক্ষমা দান কৰিম।" [হাছান] - [(তিৰমিজী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহে হাদীছে কুদছীত কৈছে যে, হে আদম সন্তান! তুমি যেতিয়ালৈকে মোক

আহ্বান কৰিবা আৰু মোৰ প্ৰতি আশা ৰাখিবা আৰু নিৰাশ নহ'বা, তেতিয়ালৈকে মই তোমাৰ গুনাহবোৰক ঢাকি ৰাখিম আৰু কোনো ভ্ৰূক্ষেপ নকৰাকৈয়ে ক্ষমা কৰি দিম। যদিও এই গুনাহ কোনো কাবীৰা গুনাহে নহওক কিয়। হে আদম সন্তান! তোমাৰ গুনাহেৰে যদি আকাশ আৰু পৃথিৱীৰ মাজত থকা মহাশূন্য ভৰি যায়, ইয়াৰ পিছতো যদি তুমি মোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা, তেন্তে মই তোমাৰ সকলো গুনাহ ক্ষমা কৰি দিম, গুনাহৰ আধিক্যৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰোঁ।

হে আদম সন্তান! তুমি যদি মৃত্যুৰ পিছত পৃথিৱীৰ সমান গুনাহ লৈ উপস্থিত হোৱা, আৰু তুমি যদি শ্বিৰ্ক নকৰা অৱস্থাত মৃত্যুবৰণ কৰি থাকা, তেন্তে মই তোমাৰ সেই পৃথিৱীৰ সমান গুনাহৰ পৰিবৰ্তে, সেই অনুপাতে ক্ষমা দান কৰিম। কাৰণ মই অসীম ক্ষমাশীল। মই শ্বিৰ্কৰ বাহিৰে সকলো গুনাহ ক্ষমা কৰি দিওঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মহান আল্লাহ পৰম দয়ালু, অসীম ক্ষমাশীল, অত্যন্ত অনুগ্ৰহশীল।
2. তাওহীদৰ ফজিলত, কাৰণ আল্লাহে তাওহীদপন্থীসকলৰ পাপকৰ্ম আৰু গুনাহ ক্ষমা কৰি দিব।
3. শ্বিৰ্কৰ ভয়াৱহতা, কাৰণ আল্লাহে মুশ্বৰিক ব্যক্তিক ক্ষমা নকৰে।
4. ইবনে ৰজব ৰাহিমাহুল্লাহে কৈছেঃ এই হাদীছটোত তিনিটা এনেকুৱা বিষয়ৰ কথা কোৱা হৈছে, যাৰ ফলত গুনাহ ক্ষমা হয়। প্ৰথমঃ আশাৰ সৈতে দুআ কৰা। দ্বিতীয়ঃ ক্ষমা প্ৰাৰ্থনা কৰা আৰু তাওবা কৰা। তৃতীয়ঃ তাওহীদৰ ওপৰত মৃত্যুবৰণ কৰা।
5. এই হাদীছটো হৈছে সেইবোৰ হাদীছৰ অন্তৰ্ভুক্ত, যিবোৰ হাদীছ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্বয়ং আল্লাহৰ পৰা বৰ্ণনা কৰিছে। এনেকুৱা হাদীছক হাদীছে কুদছী বা হাদীছে ইলাহী বুলি কোৱা হয়। এইবোৰ হাদীছৰ শব্দ আৰু অৰ্থ দুয়োটাই আল্লাহৰ পৰা বৰ্ণিত। কিন্তু এইবোৰৰ মাজত কোৰআনৰ কোনো বৈশিষ্ট্য নাই, যেনে-

কোৰআন তিলাৱত কৰিলে ছোৱাব পোৱা যায়, কোৰআন পঢ়িবলৈ পৱিত্ৰতা লাগে, এইদৰে কোৰআনৰ আয়াতৰ দ্বাৰা প্ৰত্যাহ্বান জনোৱা হৈছে আৰু কোৰআনৰ মাজত আছে অলৌকিকতা।

6. গুনাহ তিনি প্ৰকাৰৰঃ ১) আল্লাহৰ সৈতে শ্বিৰ্ক কৰা। এই গুনাহ আল্লাহে কেতিয়াও ক্ষমা নকৰে। সৰ্বশক্তিমান আল্লাহে কৈছেঃ যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰে আল্লাহে তাৰ ওপৰত জান্নাত হাৰাম কৰি দিছে। ২) বান্দাই নিজৰ প্ৰতি অন্যায় কৰা, অৰ্থাৎ মহান আল্লাহৰ অবাধ্যতা কৰি গুনাহ কৰা। মহান আল্লাহে ইচ্ছা কৰিলে এনেকুৱা গুনাহো ক্ষমা কৰি দিয়ে। ৩) এনেকুৱা গুনাহ যিটোত আল্লাহে হস্তক্ষেপ নকৰে। সেইটো হৈছে বান্দাই ইজনে সিজনৰ প্ৰতি অন্যায় কৰা। এনেকুৱা গুনাহৰ ক্ষেত্ৰত ক্ষতিপূৰণ অনিবাৰ্য।

(5456)

(93) – عن أبي هريرة رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فِيمَا يَحْكِي عَنْ رَبِّهِ عَزَّ وَجَلَّ، قَالَ: «أَذْنَبَ عَبْدٌ ذَنْبًا، فَقَالَ: اللَّهُمَّ اغْفِرْ لِي ذَنْبِي، فَقَالَ تَبَارَكَ وَتَعَالَى: أَذْنَبَ عَبْدِي ذَنْبًا، فَعَلِمَ أَنَّ لَهُ رَبًّا يَغْفِرُ الذَّنْبَ، وَيَأْخُذُ بِالذَّنْبِ، ثُمَّ عَادَ فَأَذْنَبَ، فَقَالَ: أَيْ رَبِّ اغْفِرْ لِي ذَنْبِي، فَقَالَ تَبَارَكَ وَتَعَالَى: عَبْدِي أَذْنَبَ ذَنْبًا، فَعَلِمَ أَنَّ لَهُ رَبًّا يَغْفِرُ الذَّنْبَ، وَيَأْخُذُ بِالذَّنْبِ، ثُمَّ عَادَ فَأَذْنَبَ، فَقَالَ: أَيْ رَبِّ اغْفِرْ لِي ذَنْبِي، فَقَالَ تَبَارَكَ وَتَعَالَى: أَذْنَبَ عَبْدِي ذَنْبًا، فَعَلِمَ أَنَّ لَهُ رَبًّا يَغْفِرُ الذَّنْبَ، وَيَأْخُذُ بِالذَّنْبِ، اعْمَلْ مَا شِئْتَ فَقَدْ غَفَرْتُ لَكَ». [صحيح] - [متفق عليه]

(93) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰিছে আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সৰ্বশক্তিমান প্ৰতিপালক আল্লাহৰ পৰা বৰ্ণনা কৰিছে যে, মহান আল্লাহে কৈছেঃ বান্দাই যেতিয়া কোনো গুনাহ কৰাৰ পিছত কয়, হে আল্লাহ! মোৰ গুনাহ ক্ষমা কৰি দিয়া। তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই এটা গুনাহ কৰিছে, ইয়াৰ পিছত তাৰ অনুভৱ হৈছে যে মোৰ প্ৰতিপালক আছে, যিয়ে গুনাহ ক্ষমা কৰে আৰু গুনাহৰ বাবে জবাবদিহিও কৰে। সেইজন বান্দাই পুনৰ গুনাহ কৰে আৰু আকৌ কয়ঃ হে মোৰ ৰব্ব! মোৰ গুনাহ ক্ষমা কৰি দিয়া। তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই এটা গুনাহ কৰিছে, ইয়াৰ পিছত তাৰ অনুভৱ হৈছে যে মোৰ প্ৰতিপালক আছে, যিয়ে গুনাহ ক্ষমা কৰে আৰু গুনাহৰ বাবে জবাবদিহিও কৰে। সেইজন বান্দাই পুনৰ গুনাহ কৰে আৰু আকৌ কয়ঃ হে মোৰ ৰব্ব! মোৰ গুনাহ ক্ষমা কৰি দিয়া। তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই এটা গুনাহ কৰিছে, ইয়াৰ পিছত তাৰ অনুভৱ হৈছে মোৰ প্ৰতিপালক আছে, যিয়ে গুনাহ ক্ষমা কৰে আৰু গুনাহৰ বাবে জবাবদিহিও কৰে। তেতিয়া মহান আল্লাহে কয়ঃ যোৱা যি ইচ্ছা কৰাগৈ, মই তোমাক ক্ষমা কৰি দিলোঁ। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ প্ৰতিপালকৰ পৰা বৰ্ণনা কৰি কৈছে যে, যেতিয়া বান্দাই কোনো গুনাহ কৰে আৰু তাৰ পিছত কয়ঃ হে আল্লাহ! মোৰ গুনাহ ক্ষমা কৰি দিয়া, তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই গুনাহ কৰিছে আৰু সি জানে যে, তাৰ এজন ৰব্ব আছে যিয়ে গুনাহ ক্ষমা কৰে। ফলত আল্লাহে তাৰ গুনাহ গোপন ৰাখে আৰু ক্ষমা কৰি দিয়ে নাইবা অনুৰূপ শাস্তি প্ৰদান কৰি তাক মাফ কৰি দিয়ে। সেইজন বান্দাই পুনৰ গুনাহ কৰে, আৰু আকৌ আল্লাহৰ শৰনাপন্ন হয় আৰু কয়ঃ হে আল্লাহ! মোৰ গুনাহ ক্ষমা কৰি দিয়া। তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই গুনাহ কৰিছে আৰু সি জানে যে, তাৰ এজন ৰব্ব আছে যিয়ে গুনাহ ক্ষমা কৰে। ফলত আল্লাহে তাৰ গুনাহ গোপন কৰি ৰাখে আৰু তাক ক্ষমা কৰি দিয়ে নাইবা অনুৰূপ শাস্তি প্ৰদান কৰে আৰু কয়ঃ মোৰ বান্দাক মই ক্ষমা কৰি দিলোঁ। সেইজন বান্দাই পুনৰ গুনাহ কৰে, আৰু আকৌ আল্লাহৰ শৰনাপন্ন হয় আৰু কয়ঃ হে আল্লাহ! মোৰ গুনাহ ক্ষমা কৰি দিয়া। তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই গুনাহ কৰিছে আৰু সি জানে যে, তাৰ এজন ৰব্ব আছে যিয়ে গুনাহ ক্ষমা কৰে। ফলত আল্লাহে তাৰ গুনাহ গোপন কৰি ৰাখে আৰু তাক ক্ষমা কৰি দিয়ে নাইবা অনুৰূপ শাস্তি প্ৰদান কৰে আৰু কয়ঃ মোৰ বান্দাক মই ক্ষমা কৰি দিলোঁ। গতিকে যেতিয়ালৈকে সি গুনাহ কৰাৰ পিছত অনুতপ্ত হ'ব আৰু গুনাহ নকৰাৰ সংকল্প লব কিন্তু প্ৰবৃত্তিৰ প্ৰৱঞ্চনাৰ চিকাৰ হোৱাৰ কাৰণে গুনাহত বাৰে বাৰে লিপ্ত হয় তেতিয়ালৈকে আল্লাহে তাক স্বাধীনতা প্ৰদান কৰিব যে, তুমি যি ইচ্ছা সেইটোৱে কৰা। এতেকে যেতিয়ালৈকে সি গুনাহ কৰি অনুতপ্ত হৈ তাওবা কৰিবময়ো তাক ক্ষমা কৰি যাম। কাৰণ তাওবাই পূৰ্বৱৰ্তী সকলো গুনাহ ক্ষমা কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বান্দাসকলৰ প্ৰতি মহান আল্লাহৰ এইটো অসীম ৰহমত যে, মানুহে যিমানেই গুনাহ নকৰক কিয়, যদি সি আন্তৰিকতাৰে তাওবা কৰে

আৰু আল্লাহৰ ফালে উভতি আহে, তেন্তে আল্লাহেও তাক ক্ষমা কৰি দিয়ে।

2. মুমিন বান্দাই সদায় আল্লাহৰ ক্ষমাৰ অনুসন্ধানত থাকে আৰু তেওঁৰ শাস্তিক ভয় কৰে, ফলত মুমিন ব্যক্তিয়ে তাওবা কৰাৰ ক্ষেত্ৰত পলম নকৰে আৰু গুনাহৰ ওপৰতো অটল নাথাকে।

3. সঠিক তাওবাৰ চৰ্তসমূহঃ গুনাহ পৰিত্যাগ কৰা, অনুতপ্ত হোৱা, আৰু পুনৰ গুনাহত লিপ্ত নোহোৱাৰ সংকল্প লোৱা। কিন্তু যদি গুনাহটো কোনো বান্দাৰ প্ৰতি অন্যায়-অত্যাচাৰ কৰা সম্পৰ্কীয় হয় যেনে- কাৰোবাৰ ধন-সম্পদ আত্মসাৎ কৰা, অথবা কাৰোবাৰ সন্মান হানি কৰা আৰু কাৰোবাক ক্ষতি কৰা তেন্তে চতুৰ্থ চৰ্ত হৈছেঃ যাৰ অধিকাৰ খৰ্ব কৰা হৈছে তাক তাৰ সেই অধিকাৰ ঘূৰাই দিয়া নাইবা মীমাংসা কৰা।

4. আল্লাহ সম্পৰ্কে জ্ঞান অৰ্জন কৰাৰ গুৰুত্ব, যাৰ ফলত বান্দা দ্বীনি বিষয় সম্পৰ্কে জ্ঞাত হয়। ফলত বান্দাই যেতিয়াই গুনাহ কৰে তেতিয়াই তাওবা কৰে। ফলত সি নিৰাশ নহয় আৰু গুনাহৰ ওপৰত অটলো নাথাকে।

(4817)

(94) – عن عَلِيٍّ قَالَ: إِنِّي كُنْتُ رَجُلًا إِذَا سَمِعْتُ مِنْ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ حَدِيثًا نَفَعَنِي اللهُ مِنْهُ بِمَا شَاءَ أَنْ يَنْفَعَنِي بِهِ، وَإِذَا حَدَّثَنِي رَجُلٌ مِنْ أَصْحَابِهِ اسْتَحْلَفْتُهُ، فَإِذَا حَلَفَ لِي صَدَّقْتُهُ، وَإِنَّهُ حَدَّثَنِي أَبُو بَكْرٍ، وَصَدَقَ أَبُو بَكْرٍ، قَالَ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «مَا مِنْ رَجُلٍ يُذْنِبُ ذَنْبًا، ثُمَّ يَقُومُ فَيَتَطَهَّرُ، ثُمَّ يُصَلِّي، ثُمَّ يَسْتَغْفِرُ اللهَ، إِلَّا غَفَرَ اللهُ لَهُ»، ثُمَّ قَرَأَ هَذِهِ الْآيَةَ: {وَالَّذِينَ إِذَا فَعَلُوا فَاحِشَةً أَوْ ظَلَمُوا أَنْفُسَهُمْ ذَكَرُوا اللهَ فَاسْتَغْفَرُوا لِذُنُوبِهِمْ} [آل عمران: 135]. [صحيح] - [رواه أبو داود والترمذي والنسائي في الكبرى وابن ماجه وأحمد]

(94) – মই এনেকুৱা এজন ব্যক্তি আছিলোঁ যে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা কোনো হাদীছ শুনিলে সেইটোৰ পৰা আল্লাহৰ ইচ্ছাত প্ৰভূত উপকৃত হৈছিলোঁ। আনহাতে যেতিয়া কোনো চাহাবীয়ে মোক হাদীছ বৰ্ণনা কৰিছিল, তেতিয়া মই তেওঁক শপত খাবলৈ কৈছিলোঁ, মোৰ কথাত তেওঁ শপত খালেহে মই তাৰ সত্যতা স্বীকাৰ কৰিছিলোঁ। এইদৰে আবু বকৰে মোৰ ওচৰত হাদীছ বৰ্ণনা কৰিছে, আৰু তেওঁ যি বৰ্ণনা কৰিছে সত্যই বৰ্ণনা কৰিছে। তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "যদি কোনো ব্যক্তিয়ে গুনাহ কৰাৰ পিছত পৱিত্ৰতা অৰ্জন কৰি নামাজ আদায় কৰে আৰু তাৰ পিছত আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে, তেন্তে আল্লাহে তাক ক্ষমা কৰি দিয়ে।" ইয়াৰ পিছত তেখেতে এই আয়াত তিলাৱত কৰিছেঃ {وَالَّذِينَ إِذَا فَعَلُوا فَاحِشَةً أَوْ ظَلَمُوا أَنْفُسَهُمْ ذَكَرُوا اللهَ فَاسْتَغْفَرُوا لِذُنُوبِهِمْ} আৰু যিসকলে কোনো অশ্লীল কাম কৰিলে বা নিজৰ প্ৰতি অন্যায় কৰিলে আল্লাহক স্মৰণ কৰে আৰু নিজৰ পাপ কাৰ্যৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰে। (আল্লাহে তেওঁলোকক ক্ষমা কৰি দিয়ে।) (ছুৰা আলে-ইমৰাণঃ ১৩৫) [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী ফিল কুবৰা, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কৈছে যে, বান্দাৰ দ্বাৰা যেতিয়া কোনো গুনাহ হৈ যায়, তেতিয়া তেওঁ যদি সুন্দৰকৈ অজু

কৰে আৰু তাৰ পিছত সেই গুনাহৰ পৰা তাওবাৰ নিয়্যত কৰি দুই ৰাকাত নামাজ পঢ়ে আৰু আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে, তেন্তে আল্লাহে তেওঁক ক্ষমা কৰি দিয়ে। এইখিনি কথা কোৱাৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই আয়াতটো তিলাৱত কৰিছিল। মহান আল্লাহে কৈছেঃ وَٱلَّذِينَ إِذَا فَعَلُواْ فَٰحِشَةً أَوۡ ظَلَمُوٓاْ أَنفُسَهُمۡ ذَكَرُواْ ٱللَّهَ فَٱسۡتَغۡفَرُواْ لِذُنُوبِهِمۡ وَمَن يَغۡفِرُ ٱلذُّنُوبَ إِلَّا ٱللَّهُ وَلَمۡ يُصِرُّواْ عَلَىٰ مَا فَعَلُواْ وَهُمۡ يَعۡلَمُونَ

আৰু যিসকলে কোনো অশ্লীল কাম কৰিলে বা নিজৰ প্ৰতি অন্যায় কৰিলে আল্লাহক স্মৰণ কৰে আৰু নিজৰ পাপ কাৰ্যৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰে। (তেওঁলোকে জানে যে) আল্লাহৰ বাহিৰে কোনে পাপ ক্ষমা কৰিব পাৰিব? আৰু তেওঁলোকে যিটো (গুনাহ) কৰি পেলাইছে সেইটো জানি বুজি পুনৰ কেতিয়াও নকৰে। (তেতিয়া আল্লাহে তেওঁলোকক ক্ষমা কৰি দিয়ে।) (ছুৰা আলে-ইমৰাণঃ ১৩৫)

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কেতিয়াবা কোনো গুনাহ হ'লে, নামাজ পঢ়ি ক্ষমা প্ৰাৰ্থনা কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. সৰ্বশক্তিমান আল্লাহ অসীম দয়ালু, পৰম ক্ষমাশীল, তেওঁ বান্দাৰ তাওবা তথা ক্ষমা প্ৰাৰ্থনা কবূল কৰে।

(65063)

(95) – عَنْ أَبِي مُوسَى رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «**إِنَّ اللهَ عَزَّ وَجَلَّ يَبْسُطُ يَدَهُ بِاللَّيْلِ لِيَتُوبَ مُسِيءُ النَّهَارِ، وَيَبْسُطُ يَدَهُ بِالنَّهَارِ لِيَتُوبَ مُسِيءُ اللَّيْلِ، حَتَّى تَطْلُعَ الشَّمْسُ مِنْ مَغْرِبِهَا**». [صحيح] - [رواه مسلم]

(95) – আবু মুছা ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সৰ্বশক্তিমান আল্লাহে ৰাতিত হাত প্ৰসাৰিত কৰে, যাতে দিনত গুনাহ কৰা ব্যক্তিসকলে ৰাতিত তাওবা কৰে। এইদৰে তেওঁ দিনত হাত প্ৰসাৰিত কৰে, যাতে ৰাতিত গুনাহ কৰা ব্যক্তিসকলে দিনত তাওবা কৰে। এই ধাৰাবাহিকতা তেতিয়ালৈকে চলিব, যেতিয়ালৈকে সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নহ'ব।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহে বান্দাৰ তাওবা কবূল কৰে। যদি বান্দাই দিনৰ পোহৰত কোনো গুনাহ কৰে আৰু ৰাতিত তাওবা কৰে তেন্তে আল্লাহে তাৰ তাওবা কবূল কৰে। এইদৰে যদি কোনোবাই ৰাতিত গুনাহ কৰি দিনত তাওবা কৰে, তেওঁ তাৰ তাওবাও কবূল কৰে। আনকি মহান আল্লাহে আনন্দিত হৈ বান্দাৰ তাওবা গ্ৰহণ কৰাৰ বাবে নিজৰ হাত প্ৰসাৰিত কৰে। এইদৰে তাওবাৰ দুৱাৰ সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নোহোৱালৈকে খোলা থাকিব, অৰ্থাৎ পৃথিৱীৰ অন্তিম সময় পৰ্যন্ত খোলা থাকিব। কিন্তু যেতিয়া পশ্চিম ফালৰ পৰা সূৰ্য্য উদয় হ'ব তেতিয়া তাওবাৰ দুৱাৰ বন্ধ হৈ যাব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তাওবাৰ দুৱাৰ খোলা থকা পৰ্যন্ত তাওবা গ্ৰহণৰ ধাৰাবাহিকতা অব্যাহত থাকিব। সূৰ্য্য পশ্চিমফালৰ পৰা উদয় হোৱাৰ লগে লগে এই দুৱাৰ বন্ধ হ'ব। এইদৰে মুমূৰ্ষ অৱস্থাৰ আগমুহূৰ্ত পৰ্যন্ত বান্দাৰ তাওবা গ্ৰহণ কৰা হয়। অৰ্থাৎ প্ৰাণ কণ্ঠাগত হোৱাৰ আগমুহূৰ্ত পৰ্যন্ত।

2. গুনাহৰ কাৰণে হতাশ তথা নিৰাশ হ'বলৈ নিষেধ কৰা হৈছে। কাৰণ আল্লাহৰ মাৰ্জনা তথা দয়া আৰু কৰুণা অতি প্ৰশস্ত, আৰু তাওবাৰ দুৱাৰো উন্মুক্ত।
3. তাওবাৰ চৰ্তসমূহঃ প্ৰথমঃ গুনাহ পৰিত্যাগ কৰাৰ সংকল্প কৰা। দ্বিতীয়ঃ হৈ যোৱা গুনাহৰ বাবে অনুতপ্ত হোৱা। তৃতীয়ঃ এই সংকল্প কৰা যে, মই দুনাই আৰু এই গুনাহত লিপ্ত নহওঁ। এই তিনিটা চৰ্ত হৈছে আল্লাহৰ অধিকাৰৰ সৈতে সম্পৃক্ত গুনাহৰ তাওবাৰ ক্ষেত্ৰত। আনহাতে গুনাহটো যদি বান্দাৰ অধিকাৰৰ সৈতে সম্পৃক্ত হয়। তেন্তে যেতিয়ালৈকে বান্দাৰ অধিকাৰ বান্দাক ঘূৰাই দিয়া নহ'ব অথবা অধিকাৰী ব্যক্তিয়ে অধিকাৰ খৰ্বকাৰী ব্যক্তিক ক্ষমা নকৰিব তেতিয়ালৈকে তাৰ তাওবা কবুল নহ'ব।

(4318)

(96) – عن أبي هريرة رضي الله عنه: أن رسول الله صلى الله عليه وسلم قال: «يَنْزِلُ رَبُّنَا تَبَارَكَ وَتَعَالَى كُلَّ لَيْلَةٍ إِلَى السَّمَاءِ الدُّنْيَا حِينَ يَبْقَى ثُلُثُ اللَّيْلِ الْآخِرُ، يَقُولُ: «مَنْ يَدْعُونِي فَأَسْتَجِيبَ لَهُ؟ مَنْ يَسْأَلُنِي فَأُعْطِيَهُ؟ مَنْ يَسْتَغْفِرُنِي فَأَغْفِرَ لَهُ؟». [صحيح] - [متفق عليه]

(96) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ৰাতিৰ শেষ তৃতীয়াংশ বাকী থাকোঁতে দৈনিক ৰাতি আমাৰ বৰকতময় মহান প্ৰতিপালকে পৃথিৱীৰ আকাশত অৱতৰণ কৰি কয়, আছেনে কোনোবা যিয়ে মোৰ ওচৰত দুআ কৰিব মই তাৰ দুআ কবূল কৰিম? যিয়ে মোৰ ওচৰত কিবা বিচাৰিব মই তাক দান কৰিম? আছেনে কোনোবা যিয়ে মোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিব মই তাক ক্ষমা কৰিম? [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মহান আল্লাহে প্ৰত্যেক ৰাতিৰ শেষ তৃতীয়াংশত পৃথিৱীৰ আকাশলৈ নামি আহে আৰু তেওঁৰ বান্দাসকলক দুআ কৰিবলৈ উৎসাহিত কৰে যে তেওঁ দুআকাৰীৰ দুআ কবূল কৰিবলৈ প্ৰস্তুত, লগতে সিহঁতক নিজৰ প্ৰয়োজন পূৰণৰ বাবে আবেদন কৰিবলৈ উৎসাহিত কৰি কয় যে, যিয়ে তেওঁৰ ওচৰত কিবা খুজিব, তেওঁ তাক প্ৰদান কৰিব। এইদৰে তেওঁ সিহঁতক গুনাহৰ পৰা ক্ষমা প্ৰাৰ্থনা কৰিবলৈ উৎসাহিত কৰি কয় যে, তেওঁ মুমিন বান্দাসকলক ক্ষমা কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰাতিৰ শেষ তৃতীয়াংশত নামাজ আৰু দুআ কৰাৰ তথা ক্ষমা প্ৰাৰ্থনা কৰাৰ গুৰুত্ব।
2. এই হাদীছ শুনাৰ পিছত প্ৰত্যেক ব্যক্তিয়ে দুআ কবূল হোৱা সময়ৰ সদ্ব্যৱহাৰ কৰা উচিত।

(10412)

(97) – عن النُّعمان بن بَشير رضي الله عنه قال: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ -وَأَهْوَى النُّعْمَانُ بِإِصْبَعَيْهِ إِلَى أُذُنَيْهِ-: «إِنَّ الْحَلَالَ بَيِّنٌ وَإِنَّ الْحَرَامَ بَيِّنٌ، وَبَيْنَهُمَا مُشْتَبِهَاتٌ لَا يَعْلَمُهُنَّ كَثِيرٌ مِنَ النَّاسِ، فَمَنِ اتَّقَى الشُّبُهَاتِ اسْتَبْرَأَ لِدِينِهِ وَعِرْضِهِ، وَمَنْ وَقَعَ فِي الشُّبُهَاتِ وَقَعَ فِي الْحَرَامِ، كَالرَّاعِي يَرْعَى حَوْلَ الْحِمَى يُوشِكُ أَنْ يَرْتَعَ فِيهِ، أَلَا وَإِنَّ لِكُلِّ مَلِكٍ حِمًى، أَلَا وَإِنَّ حِمَى اللهِ مَحَارِمُهُ، أَلَا وَإِنَّ فِي الْجَسَدِ مُضْغَةً، إِذَا صَلَحَتْ صَلَحَ الْجَسَدُ كُلُّهُ، وَإِذَا فَسَدَتْ فَسَدَ الْجَسَدُ كُلُّهُ، أَلَا وَهِيَ الْقَلْبُ». [صحيح] - [متفق عليه]

(97) – নু'মান বিন বাশ্বীৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ -(বৰ্ণনাকাৰীয়ে কৈছে, নুমানে এই হাদীছ বৰ্ণনা কৰাৰ সময়ত তেওঁৰ আঙুলি দুটাৰে তেওঁৰ কাণৰ প্ৰতি ইংগিত কৰিছিল অৰ্থাৎ মই নিজ কাণে শুনিছোঁ)-ঃ "হালাল স্পষ্ট আৰু হাৰামো স্পষ্ট, আৰু এই দুটাৰ মাজত আছে কিছুমান সন্দেহজনক বিষয়- যিবোৰ বহুতেই নাজানে। যি ব্যক্তিয়ে সেই সন্দেহজনক বিষয়সমূহৰ পৰা আঁতৰি থাকিব, সি তাৰ দ্বীন আৰু মৰ্যাদা ৰক্ষা কৰিব পাৰিব, আৰু যিয়ে সেই সন্দেহযুক্ত বিষয়সমূহত লিপ্ত হ'ব, সি হাৰামত লিপ্ত হ'ব। যেনে- ৰখীয়া এজনে যেতিয়া সংৰক্ষিত চাৰণভূমিৰ আশে-পাশে পশু চৰায়, তেতিয়া পশুবোৰ তাত সোমাই পৰাৰ আশংকা থাকে। জানি থোৱা, প্ৰত্যেক বাদশ্বাহৰেই একোটাকৈ সংৰক্ষিত এলেকা আছে, আৰু জানি থোৱা, আল্লাহৰ সংৰক্ষিত এলেকা হৈছে তেওঁৰ নিষিদ্ধ কৰ্মসমূহ। জানি থোৱা, শৰীৰত এটি মাংসৰ টুকুৰা আছে, সেইটো যেতিয়া ঠিক থাকে, গোটেই শৰীৰ ঠিক থাকে, আৰু সেইটো যেতিয়া বেয়া হৈ যায়, তেতিয়া গোটেই শৰীৰেই বেয়া হৈ যায়। সেই মাংসৰ টুকুৰাটো হৈছে 'হৃদপিণ্ড বা অন্তৰ'।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সকলো বস্তুৰ বাবে এটা সাধাৰণ নিয়ম উল্লেখ কৰিছে যে, চৰীয়তত সকলো বস্তুক তিনিটা ভাগত ভাগ কৰা হৈছে। হালাল স্পষ্ট আৰু হাৰামো স্পষ্ট আৰু ইয়াৰ মাজত আছে কিছুমান সন্দেহজনক বস্তু, যিবোৰৰ বিধান স্পষ্ট নহয়, যিবোৰ হালাল নে হাৰাম সেই বিষয়ে বহুতেই নাজানে।

গতিকে যিয়ে এইবোৰ সন্দেহযুক্ত বিষয়ৰ পৰা আঁতৰি থাকিব তেওঁ হাৰামত লিপ্ত হোৱাৰ পৰা সুৰক্ষিত থাকিব। আনকি মানুহৰ ককৰ্থনাৰ পৰাও সুৰক্ষিত থাকিব, কাৰণ এইবোৰত পতিত হ'লে বিভিন্নজনে বিভিন্ন কথাৰ জৰিয়তে তাক আঘাত কৰিব। আনহাতে যিয়ে এইবোৰ সন্দেহযুক্ত বিষয়ৰ পৰা আঁতৰি নাথাকিব, সি হয়তো হাৰামত লিপ্ত হ'ব নাইবা মানুহৰ ককৰ্থনাৰ সন্মুখীন হ'ব। এইদৰে ৰাছুলুল্লাল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে সন্দেহযুক্ত বিষয়ত লিপ্ত হোৱা ব্যক্তিৰ অৱস্থা সম্পৰ্কে এটা স্পষ্ট উদাহৰণ দিছে। যেনে- এজন গৰখীয়াই যদি কোনো সংৰক্ষিত এলেকাৰ ওচৰে পাঁজৰে নিজৰ পশুবোৰ চৰিবলৈ দিয়ে, তেন্তে তাৰ পশুবোৰ সেই সংৰক্ষিত এলেকাত সোমাই যোৱাৰ অধিক সম্ভাৱনা থাকে। ঠিক সেইদৰে যিয়ে সন্দেহযুক্ত কোনো বিষয়ত লিপ্ত থাকে সি হাৰামত লিপ্ত হোৱাৰ অধিক নিকটৱৰ্তী হয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, শৰীৰৰ ভিতৰত এটুকুৰা মাংসপিণ্ড আছে (অৰ্থাৎ হৃদপিণ্ড) যিটো ঠিক থাকিলে গোটেই শৰীৰেই ঠিক থাকে আৰু সেইটো বেয়া হ'লে গোটেই শৰীৰেই বেয়া হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সন্দেহযুক্ত বিষয়ৰ পৰা আঁতৰি থাকিবলৈ উৎসাহিত কৰা হৈছে, যাৰ বিধান স্পষ্ট নহয়।

(4314)

(98) – عَنْ أَبِي سَعِيدٍ الخُدْرِيِّ رَضِيَ اللَّهُ عَنْهُ قَالَ: قَالَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «لاَ تَسُبُّوا أَصْحَابِي، فَلَوْ أَنَّ أَحَدَكُمْ أَنْفَقَ مِثْلَ أُحُدٍ ذَهَبًا مَا بَلَغَ مُدَّ أَحَدِهِمْ، وَلاَ نَصِيفَهُ». [صحيح] - [متفق عليه]

(98) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মোৰ চাহাবাসকলক গালি নিদিবা। তোমালোকৰ মাজৰ যদি কোনোবাই উহুদ পৰ্বতৰ সমান সোণ দান কৰে, তথাপিও তেওঁলোকে দান কৰা এক মুদ অথবা আধা মুদৰো সমান হ'ব নোৱাৰে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলৰ প্ৰতি বেয়া ভাষা প্ৰয়োগ কৰিবলৈ নিষেধ কৰিছে। বিশেষকৈ প্ৰথম সময়ছোৱাত ঈমান পোষণ কৰা মুহাজিৰীন আৰু আনচাৰীসকলক। তেখেতে কৈছে, মানুহে যদি উহুদ পৰ্বতৰ সমান সোণ ব্যয় কৰে তথাপিও সেই চাহাবাসকলে দান কৰা এক মুদ অথবা অৰ্দ্ধেক মুদ খাদ্য বস্তুৰ ছোৱাবৰ সমানো নহ'ব। মুদ হৈছে এজন সাধাৰণ মানুহৰ দুয়ো হাত একত্ৰিত কৰা আয়তনৰ সমান। এই পাৰ্থক্যৰ কাৰণ হৈছে, তেওঁলোক অত্যন্ত ইখলাচৰ অধিকাৰী আছিল, নিয়্যতত সততা আছিল, তেওঁলোকে দান আৰু যুদ্ধৰ ক্ষেত্ৰত প্ৰতিযোগিতা কৰিছিল, মক্কা বিজয়ৰ পূৰ্বে তেওঁলোকে এনেকুৱা অৱস্থাত দান কৰিছিল, যেতিয়া বয়-বস্তু তেওঁলোকৰে বেছি প্ৰয়োজন আছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চাহাবাসকলক গালি দিয়া হাৰাম, আনকি এইটো হৈছে মহাপাপ।

(11000)

(99) – عن ابن عباس رضي الله عنهما قال: كُنْتُ خَلْفَ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَوْمًا، فَقَالَ: «يَا غُلَامُ، إِنِّي أُعَلِّمُكَ كَلِمَاتٍ، احْفَظِ اللهَ يَحْفَظْكَ، احْفَظِ اللهَ تَجِدْهُ تُجَاهَكَ، إِذَا سَأَلْتَ فَاسْأَلِ اللهَ، وَإِذَا اسْتَعَنْتَ فَاسْتَعِنْ بِاللهِ، وَاعْلَمْ أَنَّ الْأُمَّةَ لَوِ اجْتَمَعَتْ عَلَى أَنْ يَنْفَعُوكَ بِشَيْءٍ، لَمْ يَنْفَعُوكَ إِلَّا بِشَيْءٍ قَدْ كَتَبَهُ اللهُ لَكَ، وَلَوِ اجْتَمَعُوا عَلَى أَنْ يَضُرُّوكَ بِشَيْءٍ، لَمْ يَضُرُّوكَ إِلَّا بِشَيْءٍ قَدْ كَتَبَهُ اللهُ عَلَيْكَ، رُفِعَتِ الْأَقْلَامُ وَجَفَّتِ الصُّحُفُ». [صحيح] - [رواه الترمذي]

(99) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এদিনাখন ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছফালে বহি আছিলোঁ, তেনেতে তেখেতে ক'লেঃ "হে বালক! মই তোমাক কেইটিমান কথা শিকাম- আল্লাহৰ বিধি-বিধানবোৰ সংৰক্ষণ কৰিবা, তেনেহ'লে তেওঁ তোমাক ৰক্ষা কৰিব; আল্লাহক স্মৰণ কৰিবা, ফলত তেওঁক তোমাৰ সন্মুখতে পাবা। যেতিয়া কিবা বিচাৰিবা, তেতিয়া আল্লাহৰ ওচৰতেই বিচাৰিবা; যেতিয়া সহায় প্ৰাৰ্থনা বিচাৰিবা, তেতিয়া আল্লাহৰ ওচৰতেই সহায় বিচাৰিবা। জানি থোৱা, গোটেই মানুহে যদি তোমাৰ কোনো উপকাৰ কৰিব বিচাৰে, তথাপিও আল্লাহে তোমাৰ বাবে যি নিৰ্দিষ্ট কৰি দিছে, তাৰ বাহিৰে আন একো উপকাৰ কৰিব নোৱাৰিব। আৰু যদি গোটেই মানুহে তোমাৰ কোনো অনিষ্ট কৰিব বিচাৰে, তথাপিও আল্লাহে তোমাৰ বাবে যি নিৰ্দিষ্ট কৰি দিছে তাতকৈ বেছি সিহঁতে কোনো অনিষ্ট কৰিব নোৱাৰিব। কলম তুলি লোৱা হৈছে আৰু পৃষ্ঠা শুকাই গৈছে।" [ছহীহ] - [(তিৰমিজী)]

## ব্যাখ্যা:

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে, তেওঁ যেতিয়া সৰু আছিল সেই সময়ৰ কথা, তেওঁ এদিনাখন নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ লগত বাহনত আৰোহণ কৰি থকা অৱস্থাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ মই তোমাক কেইটিমান বিষয় শিকাম যিবোৰৰ দ্বাৰা আল্লাহে তোমাক উপকৃত কৰিব।

আল্লাহৰ আদেশ আৰু তেওঁৰ নিষেধাজ্ঞাবোৰ যথাযথভাৱে পালন কৰিবা, যাতে আল্লাহে তোমাক সদায় তেওঁৰ আনুগত্য আৰু নৈকট্যমূলক কৰ্মত পায়, আনহাতে তোমাক পাপকৰ্ম তথা গুনাহৰ কামত যাতে নাপায়। যদি তুমি এইটো কৰা তেন্তে ইয়াৰ ফলত আল্লাহে তোমাক দুনিয়া আৰু আখিৰাতৰ সকলো বিপদ-আপদৰ পৰা ৰক্ষা কৰিব, লগতে তোমাক সকলো কামতে সহায় কৰিব, তুমি য'তেই নাথাকা কিয়।

যদি তোমাৰ কিবা প্ৰয়োজন হয়, তেন্তে আল্লাহৰ ওচৰত খুজিবা, কাৰণ একমাত্ৰ তেৱেঁই প্ৰাৰ্থনাকাৰীৰ প্ৰাৰ্থনা কবূল কৰে।

আৰু যদি তোমাক সহায়ৰ প্ৰয়োজন হয় তেন্তে কেৱল আল্লাহৰ ওচৰতেই সহায় প্ৰাৰ্থনা কৰিবা।

লগতে তুমি চূড়ান্তৰূপে এই বিশ্বাস ৰাখিবা যে, গোটেই পৃথিৱীৰ মানুহ একত্ৰিত হৈ তোমাক উপকাৰ কৰিব বিচাৰিলেও বিন্দু পৰিমাণ তোমাৰ উপকাৰ কৰিব নোৱাৰে, কেৱল সেইখিনিৰ বাহিৰে যিখিনি আল্লাহে তোমাৰ ভাগ্যত লিখি ৰাখিছে। আনহাতে গোটেই পৃথিৱীবাসীয়ে মিলি তোমাৰ কোনো ক্ষতি কৰিব বিচাৰিলে তোমাক একো ক্ষতি কৰিব নোৱাৰিব, কেৱল সেইখিনিয়ে ক্ষতি কৰিব পাৰিব যিখিনি আল্লাহে তোমাৰ ভাগ্যত লিখি ৰাখিছে।

এই বিষয়টো সৰ্বশক্তিমান আল্লাহে তেওঁৰ জ্ঞান আৰু হিকমত অনুযায়ী পূৰ্বেই লিপিবদ্ধ কৰি ৰাখিছে, আল্লাহে লিপিবদ্ধ কৰা ভাগ্যত কোনো ধৰণৰ পৰিবৰ্তন নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সৰু ল'ৰা ছোৱালীবোৰক দ্বীনৰ মৌলিক বিষয়বোৰ যেনে- তাওহীদ, ইছলামিক শিষ্টাচাৰ আদি শিক্ষা দিব লাগে।
2. কৰ্ম অনুযায়ী বিনিময় প্ৰদান কৰা হয়।

3. আল্লাহৰ ওপৰত ভৰসা আৰু তাৱাক্কুল কৰাৰ নিৰ্দেশ দিয়া হৈছে, তেওঁৰ বাহিৰে আন কাৰো ওপৰত নহয়। তেওঁ অত্যন্ত উত্তম কৰ্মবিধায়ক।
4. ভাগ্যৰ প্ৰতি ঈমান পোষণ কৰা আৰু এই ক্ষেত্ৰত সন্তুষ্টি প্ৰকাশ কৰা। নিশ্চয় আল্লাহ সকলো বিষয়তে ক্ষমতাৱান।
5. যিয়ে আল্লাহৰ বিধি-বিধানক ভ্ৰূক্ষেপ নকৰে, নিশ্চয় আল্লাহেও তাক ভ্ৰূক্ষেপ নকৰে আৰু সুৰক্ষা প্ৰদান নকৰে।

(4811)

(100) – عَنْ سُفْيان بنِ عَبْدِ اللهِ الثَّقَفِيّ رضي الله عنه قال: قُلْتُ: يَا رَسُولَ اللهِ، قُلْ لِي فِي الْإِسْلَامِ قَوْلًا لَا أَسْأَلُ عَنْهُ أَحَدًا غَيْرَكَ، قَالَ: «قُلْ: آمَنْتُ بِاللهِ، ثُمَّ اسْتَقِمْ». [صحيح] - [رواه مسلم وأحمد]

(100) – ছুফিয়ান বিন আব্দুল্লাহ আচ-ছাক্বাফী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ক'লোঁ, হে আল্লাহৰ ৰাছুল! মোক ইছলামৰ এনেকুৱা এটা কথা শিকাই দিয়ক যিটো কথা মই যাতে আন কাকো সুধিবলগীয়া নহয়। তেখেতে ক'লেঃ "কোৱাঃ মই আল্লাহৰ ওপৰত ঈমান আনিলোঁ, তাৰ পিছত ইয়াৰ ওপৰতে প্ৰতিষ্ঠিত থাকিবা।" [ছহীহ] - [(মুছলিম, আহমদ)]

**ব্যাখ্যা:**

চাহাবী ছুফিয়ান বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত আবেদন কৰিলে যে, তেখেতে যাতে তেওঁক ইছলামৰ এনেকুৱা এটা গভীৰ অৰ্থপূৰ্ণ কথা শিকায় যিটোক তেওঁ খামুচি ধৰি ৰাখিব আৰু সেই বিষয়ে তেওঁ যেন আন কাকো প্ৰশ্ন কৰিবলগীয়া নহয়। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ তুমি কোৱা যে, মই আল্লাহৰ তাওহীদ (একত্ব)ক স্বীকাৰ কৰিলোঁ আৰু ঈমান

আনিলোঁ যে, তেৱেঁই মোৰ প্ৰতিপালক, তেৱেঁই মোৰ ইলাহ, তেৱেঁই মোৰ সৃষ্টিকৰ্তা আৰু তেৱেঁই মোৰ সত্য উপাস্য, তেওঁৰ কোনো অংশীদাৰ নাই। ইয়াৰ পিছত আল্লাহৰ আনুগত্যৰ ওপৰত অটল থাকা, অৰ্থাৎ আল্লাহে নিৰ্ধাৰণ কৰা বিধানসমূহ পালন কৰা আৰু তেওঁৰ নিষেধকৃত বিষয়সমূহৰ পৰা বিৰত থাকা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দ্বীনৰ মৌলিক বিষয় হৈছে আল্লাহৰ প্ৰতি ঈমান পোষণ কৰা, অৰ্থাৎ আল্লাহৰ ৰুবুবিয়্যত, উলুহিয়্যত আৰু আচমা অচ্ছিফাতৰ ওপৰত ঈমান পোষণ কৰা।
2. ঈমান পোষণ কৰাৰ পিছত সেই ঈমানৰ ওপৰত প্ৰতিষ্ঠিত থকাৰ গুৰুত্ব। ইবাদত কৰাৰ ক্ষেত্ৰত ধাৰাবাহিকতা বজায় ৰখা আৰু তাত অটল থকা অনিবাৰ্য।
3. আমল কবূল হোৱাৰ পূৰ্ব চৰ্ত হৈছে ঈমান। (ঈমান নোহোৱাকৈ আমল গ্ৰহণযোগ্য নহয়)
4. আক্বীদাৰ ক্ষেত্ৰত যিবোৰ বিষয়ৰ প্ৰতি ঈমান পোষণ কৰা অনিবাৰ্য, লগতে ইয়াৰ মৌলিক বিষয়বোৰো আল্লাহৰ প্ৰতি ঈমানৰেই অন্তৰ্ভুক্ত। এইদৰে অন্তৰৰ আমলসমূহ আৰু প্ৰকাশ্য-অপ্ৰকাশ্য সকলো দিশৰ পৰা আল্লাহৰ ওচৰত বশ্যতা স্বীকাৰ কৰা আৰু তেওঁৰ ওচৰত আত্মসমৰ্পন কৰাও ইয়াৰেই অন্তৰ্ভুক্ত।
5. ইস্তিকামাহ হৈছে ওৱাজিবাতসমূহৰ প্ৰতি আমল কৰা আৰু নিষেধকৃত বিষয়বোৰক পৰিত্যাগ কৰি এই পথত অটল থকা।

(65018)

(101) – عَنِ النُّعْمَانِ بْنِ بَشِيرٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَثَلُ الْمُؤْمِنِينَ فِي تَوَادِّهِمْ وَتَرَاحُمِهِمْ وَتَعَاطُفِهِمْ مَثَلُ الْجَسَدِ، إِذَا اشْتَكَى مِنْهُ عُضْوٌ تَدَاعَى لَهُ سَائِرُ الْجَسَدِ بِالسَّهَرِ وَالْحُمَّى». [صحيح] - [متفق عليه]

(101) – নু'মান বিন বাশ্বীৰ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "পাৰস্পৰিক সম্প্ৰীতি, দয়াদ্ৰতা আৰু সহমৰ্মিতাৰ ফালেৰে মুমিনসকলৰ উদাহৰণ হৈছে এটা শৰীৰৰ দৰে। শৰীৰৰ কোনো এটা অংগ যেতিয়া অসুস্থ হয়, তেতিয়া গোটেই শৰীৰ জ্বৰত কম্পমান হৈ অনিদ্ৰাত ভোগে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, দয়াদ্ৰতা, সহমৰ্মিতা, সহায়-সহযোগিতা, ক্ষয়-ক্ষতি আদিৰ ক্ষেত্ৰত মুছলিমসকলৰ অৱস্থা এটা শৰীৰৰ নিচিনা হোৱা উচিত। যিদৰে শৰীৰৰ এটা অংগ অসুস্থ হ'লে গোটেই শৰীৰে বিষ অনুভৱ কৰে তথা জ্বৰত কম্পমান হৈ অনিদ্ৰাত ৰাতি কটায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুছলিমসকলৰ অধিকাৰ সুৰক্ষিত কৰা উচিত। লগতে হাদীছটোত তেওঁলোকক সহায়-সহযোগিতা কৰিবলৈ, ইজনে সিজনৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. মুমিনসকলৰ মাজত মুহাব্বত আৰু সহায়-সহযোগিতাৰ শিষ্টাচাৰ থকা উচিত।

(4969)

(102) – عن عثمان بن عفان رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ تَوَضَّأَ فَأَحْسَنَ الْوُضُوءَ خَرَجَتْ خَطَايَاهُ مِنْ جَسَدِهِ حَتَّى تَخْرُجَ مِنْ تَحْتِ أَظْفَارِهِ». [صحيح] - [رواه مسلم]

(102) – উচমান বিন আফ্‌ফান ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: যিয়ে উত্তমৰূপে ভালকৈ অজু কৰে, তাৰ শৰীৰৰ পৰা পাপ সৰি পৰে৷ আনকি আঙুলিৰ নখৰ তলৰ পৰাও ওলাই আহে৷ [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে অজুৰ ছুন্নত তথা নিয়ম-নীতিৰ প্ৰতি মনোযোগ প্ৰদান কৰি অজু কৰে, ইয়াৰ ফলত তাৰ গুনাহসমূহ ক্ষমা হৈ যায় আৰু পাপকৰ্ম মচি দিয়া হয়। আনকি হাতৰ আৰু ভৰিৰ আঙুলিৰ নখৰ তলৰ পৰাও গুনাহ সৰি পৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অজুৰ নিয়ম-নীতি আৰু ইয়াৰ ছুন্নতসমূহ শিকিবলৈ তথা সেইমতে আমল কৰিবলৈ হাদীছটোত উৎসাহিত কৰা হৈছে।
2. হাদীছটোত অজুৰ ফজিলত বৰ্ণিত হৈছে যে, ইয়াৰ দ্বাৰা চাগীৰাহ তথা সৰু গুনাহসমূহ মাফ হৈ যায়। আনহাতে কাবীৰাহ গুনাহৰ বাবে তাওবা অনিবাৰ্য।
3. গুনাহ তেতিয়াহে সৰি পৰিব যেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দেখুৱাই দিয়া নিয়ম অনুসাৰে পৰিপূৰ্ণৰূপে অজু কৰা হ'ব।
4. এই হাদীছটোত গুনাহ ক্ষমা হোৱা সম্পৰ্কে যিটো কথা কোৱা হৈছে সেইটো কাবীৰাহ গুনাহ পৰিহাৰ কৰা আৰু তাৰ পৰা তওবা কৰাৰ সৈতে জড়িত। মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ

তোমালোকক যি নিষেধ কৰা হৈছে তাৰ মাজৰ পৰা যিবোৰ কবীৰা গুণাহ সেইবোৰৰ পৰা তোমালোকে যদি বিৰত থাকা তেন্তে আমি তোমালোকৰ সৰু-সুৰা পাপসমূহ ক্ষমা কৰি দিম আৰু তোমালোকক সন্মানজনক স্থানত প্ৰৱেশ কৰাম। (ছুৰা নিছাঃ ৩১)

(6263)

(103) – عَن أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: سَأَلَ رَجُلٌ رَسُولَ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ، فَقَالَ: يَا رَسُولَ اللهِ، إِنَّا نَرْكَبُ البَحْرَ، وَنَحْمِلُ مَعَنَا القَلِيلَ مِنَ الْمَاءِ، فَإِنْ تَوَضَّأْنَا بِهِ عَطِشْنَا، أَفَنَتَوَضَّأُ مِنَ الْبَحْرِ؟ فَقَالَ رَسُولُ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «هُوَ الطَّهُورُ مَاؤُهُ، الحِلُّ مَيْتَتُهُ». [صحيح] - [رواه أبو داود والترمذي والنسائي وابن ماجه وأحمد]

(103) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ এজন ব্যক্তিয়ে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰিলে যে, হে আল্লাহৰ ৰাছুল! আমি সাগৰীয় ভ্ৰমণত থাকোঁ, তেতিয়া আমাৰ সৈতে খুবেই কম পৰিমাণ পানী থাকে। যদি আমি সেই পানীৰে অজু কৰোঁ তেন্তে পিয়াহত থাকিবলগীয়া হয়, এনে ক্ষেত্ৰত আমি সাগৰৰ পানীৰে অজু কৰিব পাৰিমনে? তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "সাগৰৰ পানী পৱিত্ৰ আৰু ইয়াৰ মৃত প্ৰাণী হালাল।" [ছহীহ] - []

**ব্যাখ্যা:**

এজন চাহাবীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰিছিল যে, আমি মাছ মাৰিবলৈ অথবা ব্যৱসায় বাণিজ্যৰ বাবে নাইবা এই ধৰণৰ কোনো প্ৰয়োজনৰ বাবে যেতিয়া সাগৰত ভ্ৰমণ কৰোঁ, তেতিয়া আমাৰ সৈতে খোৱাৰ উপযুক্ত অতি কম পৰিমাণৰ পানী থাকে। সেই খোৱা পানীৰে যদি আমি অজু অথবা গোছল কৰোঁ তেন্তে আমাৰ পানী শেষ হৈ যাব আৰু খাবলৈ পানী নাপাম। এনে অৱস্থাত আমি সাগৰৰ পানীৰে অজু কৰিব পাৰিমনে?

তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সাগৰৰ পানী সম্পৰ্কে ক'লেঃ সাগৰৰ পানী নিজেও পৱিত্ৰ আৰু আনকো পৱিত্ৰ কৰিব পৰা গুণ আছে। গতিকে সেই পানীৰে অজু কৰাও বৈধ আৰু গোছল কৰাও বৈধ। লগতে সাগৰৰ মাছ আৰু বিভিন্ন প্ৰাণী ভক্ষণ কৰাও হালাল, যদিও সেয়া চিকাৰ নকৰাকৈ মৃত অৱস্থাত পোৱা যায়, আৰু মৃত অৱস্থাত পানীৰ ওপৰত ভাহি থাকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সাগৰীয় মৃত প্ৰাণী ভক্ষণ কৰা হালাল। ইয়াৰ দ্বাৰা সেইবোৰ প্ৰাণীক বুজোৱা হৈছে, যিবোৰ প্ৰাণী পানীৰ বাহিৰে বেলেগ ক'তো জীৱিত থাকিব নোৱাৰে।
2. প্ৰশ্নকাৰীক তাৰ প্ৰশ্নতকৈ অধিক উত্তৰ প্ৰদান কৰা হৈছে যাতে পৰিপূৰ্ণৰূপে উপকৃত হ'ব পাৰে।
3. যদি পানীৰ সোৱাদ, ৰং অথবা গোন্ধ কোনো পৱিত্ৰ বস্তুৰ দ্বাৰা পৰিবৰ্তন হয়, তেন্তে পানীৰ পৱিত্ৰতা বিনষ্ট নহয়। যেতিয়ালৈকে পানীৰ মূল গুণ বাকী থাকিব, যদিও নিমখীয়া হয় অথবা গৰম হয় নাইবা অধিক ঠাণ্ডা হয়।
4. সাগৰৰ পানীৰে সৰু বৰ সকলো প্ৰকাৰ অপৱিত্ৰতা দূৰ কৰিব পাৰি। লগতে শৰীৰ অথবা কাপোৰ নাইবা বেলেগ ক'ৰবাত লাগি থকা অপৱিত্ৰতাও দূৰ কৰিব পাৰি।

(8355)

(104) – عَنْ عَبْدِ اللَّهِ بْنِ عُمَرَ رضي الله عنهما قَالَ: سُئِلَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَنِ الْمَاءِ وَمَا يَنُوبُهُ مِنَ الدَّوَابِّ وَالسِّبَاعِ، فَقَالَ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «إِذَا كَانَ الْمَاءُ قُلَّتَيْنِ لَمْ يَحْمِلِ الْخَبَثَ». [صحيح] - [رواه أبو داود والترمذي والنسائي وابن ماجه وأحمد]

(104) – আব্দুল্লাহ বিন ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সেই পানী সম্পৰ্কে প্ৰশ্ন কৰা হ'ল, য'ত ঘৰচীয়া জন্তু আৰু বনৰীয়া জন্তুৱে আহি পানী খায় (যে তেনেকুৱা পানীৰ বিধান কি?) তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "যদি পানীৰ পৰিমাণ দুই কুল্লাহ হয় তেন্তে সেই পানী নাপাক নহয়।" [ছহীহ] - []

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সেই ঘাটৰ পানীৰ পৱিত্ৰতা সম্পৰ্কে প্ৰশ্ন কৰা হৈছিল, য'ত বিভিন্ন জীৱ জন্তুৱে তথা হিংস্ৰ প্ৰাণীয়ে পানী খায়। তেতিয়া তেখেতে কৈছিলঃ যদি পানীৰ পৰিমাণ দুটা ডাঙৰ পাত্ৰ তথা প্ৰায় ২১০ লিটাৰ পৰিমাণৰ হয় তেন্তে সেই পানী অপৱিত্ৰ নহয়। কিন্তু যদি কোনো অপৱিত্ৰ বস্তুৰ দ্বাৰা পানীৰ তিনিটা বৈশিষ্ট্যৰ যিকোনো এটা বৈশিষ্ট্য পৰিবৰ্তন হয়, যেনে- পানীৰ ৰং, সোৱাদ, অথবা গোন্ধ, তেন্তে সেই পানী অপৱিত্ৰ বুলি বিবেচিত হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যদি কোনো অপৱিত্ৰ বস্তুৰ দ্বাৰা পানীৰ এই তিনিটা বৈশিষ্ট্যৰ যিকোনো এটা বৈশিষ্ট্য পৰিবৰ্তন হয়, যেনে- পানীৰ ৰং, সোৱাদ আৰু গোন্ধ, তেন্তে সেই পানী অপৱিত্ৰ বুলি বিবেচিত হ'ব। হাদীছটোত পৰিবৰ্তনৰ কোনো নিৰ্দিষ্ট সীমা উল্লেখ নাই, পৰিবৰ্তনৰ উমান পোৱা গ'লেই সেইটো প্ৰযোজ্য।

2. উলামাসকল এই কথাত একমত যে, যদি কোনো অপৱিত্ৰ বস্তুৰ দ্বাৰা পানীৰ কোনো বৈশিষ্ট্য পৰিবৰ্তন হয়, সেয়া কম হওক বা বেছি তেন্তে সেই পানী অপৱিত্ৰ।

(8357)

(105) – عَنْ أَبِي أَيُّوبَ الأَنْصَارِيِّ رضي الله عنه أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِذَا أَتَيْتُمُ الغَائِطَ فَلاَ تَسْتَقْبِلُوا القِبْلَةَ، وَلاَ تَسْتَدْبِرُوهَا وَلَكِنْ شَرِّقُوا أَوْ غَرِّبُوا» قَالَ أَبُو أَيُّوبَ: فَقَدِمْنَا الشَّأْمَ فَوَجَدْنَا مَرَاحِيضَ بُنِيَتْ قِبَلَ القِبْلَةِ فَنَنْحَرِفُ، وَنَسْتَغْفِرُ اللَّهَ تَعَالَى. [صحيح] - [متفق عليه]

(105) – আবু আইয়্যুব আল-আনচাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যেতিয়া তোমালোকে প্ৰস্ৰাৱ-পায়খানা কৰিবা, তেতিয়া তোমালোকে কিবলামুখী নহ'বা আৰু কিবলাৰ ফালে পিঠিও নিদিবা। বৰং তোমালোকে পূৱ বা পশ্চিমফালে মুখ কৰি প্ৰস্ৰাৱ-পায়খানা কৰিবা।" আবু আইয়্যুব ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ আমি ছিৰিয়ালৈ আহি দেখিলোঁ, ইয়াৰ শৌচালয়সমূহ কিবলাৰ ফালে মুখ কৰি বনোৱা হৈছে। তেতিয়া আমি বেলেগ ফালে মুখ কৰি বহিছিলোঁ আৰু আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিলোঁ। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

প্ৰস্ৰাৱ-পায়খানা কৰাৰ সময়ত কিবলামুখী হৈ অৰ্থাৎ কা'বাৰ ফালে মুখ কৰি বহিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে, এইদৰে কিবলাৰ ফালে পিঠি দি বহিবলৈও নিষেধ কৰিছে। বৰং বেলেগ ফালে মুখ কৰি বহা উচিত। আনহাতে মদীনাবাসীৰ দৰে কিবলা যদি দক্ষিণফালে হয় তেন্তে পূৱ বা পশ্চিমফালে মুখ কৰি বহা উচিত। ইয়াৰ পিছত আবু আইয়্যুব ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে, তেওঁলোক যেতিয়া ছিৰিয়ালৈ গৈছিল, তেতিয়া তেওঁলোকে তাত দেখা পাইছিল যে, তাত থকা শৌচালয়সমূহ কিবলামুখীকৈ প্ৰস্তুত কৰা। তেতিয়া তেওঁলোকে তাত

বেলেগফালে মুখ কৰি বহিছিল। লগতে আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইয়াৰ হিকমত হৈছে কা'বা ঘৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা আৰু ইয়াক মৰ্যাদা দিয়া।
2. শৌচালয়ৰ পৰা ওলোৱাৰ পিছত ইস্তিগফাৰ কৰা উচিত।
3. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম শিক্ষাদান, কাৰণ তেখেতে নিষিদ্ধ বিষয়টো উল্লেখ কৰাৰ লগতে বৈধ পদ্ধতিও উল্লেখ কৰিছে।

(3078)

(106) – عَنْ أَبِي قَتَادَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «لَا يُمْسِكَنَّ أَحَدُكُمْ ذَكَرَهُ بِيَمِينِهِ وَهُوَ يَبُولُ، وَلَا يَتَمَسَّحْ مِنَ الْخَلَاءِ بِيَمِينِهِ، وَلَا يَتَنَفَّسْ فِي الْإِنَاءِ». [صحيح] - [متفق عليه]

(106) – আবূ কাতাদা ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "তোমালোকৰ মাজৰ কোনোবাই যেতিয়া প্ৰস্ৰাৱ কৰে, তেতিয়া তেওঁ যাতে সোঁহাতেৰে নিজৰ পুৰুষাংগ ধৰি নাথাকে। এইদৰে শৌচালয়ত যাতে সোঁহাতেৰে ময়লা পৰিষ্কাৰ নকৰে, আৰু পানী খোৱাৰ সময়ত যাতে পিয়লাৰ ভিতৰত উশাহ-নিশাহ নলয়।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেইটিমান শিষ্টাচাৰ উল্লেখ কৰিছেঃ ইয়াত তেখেতে প্ৰস্ৰাৱ কৰাৰ সময়ত সোঁহাতে পুৰুষাংগ ধৰি ৰাখিবলৈ নিষেধ কৰিছে। এইদৰে উভয় লজ্জাস্থানৰ ময়লা

সোঁহাতেৰে পৰিষ্কাৰ কৰিবলৈ নিষেধ কৰিছে। কাৰণ সোঁ হাত সন্মানজনক কামৰ বাবে প্ৰস্তুত কৰা হৈছে। এইদৰে তেখেতে পানী খোৱা অৱস্থাত সেই পাত্ৰত উশাহ-নিশাহ ল'বলৈ নিষেধ কৰিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত এই কথা স্পষ্ট হৈছে যে, ইছলামে শিষ্টাচাৰ আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাক অগ্ৰাধিকাৰ দিয়ে।
2. ময়লা-আৱৰ্জনাযুক্ত বস্তুক পৰিহাৰ কৰা উচিত। একান্ত বাধ্য অৱস্থাত বাওঁহাতেৰে সেয়া পৰিষ্কাৰ কৰা উচিত।
3. বাওঁ হাতৰ ওপৰত সোঁহাতক মৰ্যাদা দিয়া হৈছে।
4. ইছলামী চৰীয়ত পৰিপূৰ্ণ, আৰু ইয়াৰ ভিতৰত সকলো প্ৰকাৰ শিক্ষাক সামৰি লোৱা হৈছে।

(3079)

(107) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِذَا اسْتَيْقَظَ أَحَدُكُمْ مِنْ مَنَامِهِ فَلْيَسْتَنْثِرْ ثَلَاثَ مَرَّاتٍ، فَإِنَّ الشَّيْطَانَ يَبِيتُ عَلَى خَيَاشِيمِهِ». [صحيح] - [متفق عليه]

(107) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনোবাই যেতিয়া টোপনিৰ পৰা উঠে, তেতিয়া তেওঁ যেন তিনিবাৰ নিজৰ নাকত পানী সোমোৱাই দি নাক পৰিষ্কাৰ কৰে। কাৰণ চয়তানে তাৰ নাকৰ ভিতৰত ৰাতি অতিবাহিত কৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে টোপনিৰ পৰা উঠা ব্যক্তিক তিনিবাৰ নাক চাফ কৰিবলৈ উৎসাহিত কৰিছে। (الاستنثار), নাকৰ ভিতৰত পানী সোমোৱাই সেই পানী সজোৰে উলিয়াই অনাক

আৰবী ভাষাত ইস্তিনছাৰ বোলে। এইটো কৰিবলৈ নিৰ্দেশ দিয়াৰ কাৰণ হৈছে, নাকৰ ভিতৰত চয়তানে ৰাতি অতিবাহিত কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. টোপনিৰ পৰা উঠা প্ৰতিজন ব্যক্তিয়ে এইদৰে ইস্তিনছাৰ কৰি চয়তানৰ প্ৰভাৱ দূৰ কৰিব লাগে। আনহাতে যদি অজু কৰে তেন্তে ইস্তিনছাৰ কৰাটো আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰে।
2. ইস্তিনছাৰ হৈছে ইস্তিনশ্বাকৰ পূৰ্ণাংগ ৰূপ। ইস্তিনশ্বাক কোৱা হয় নাকৰ ভিতৰি ভাগ পৰিষ্কাৰ কৰা। পক্ষান্তৰে ইস্তিনছাৰ হৈছে পানীৰ সৈতে নাকৰ ময়লা উলিয়াই অনা।
3. হাদীছটোৰ "يَبِيتُ" শব্দৰ দ্বাৰা প্ৰমাণিত হয় যে, এইটো কেৱল ৰাতিৰ টোপনিৰ ক্ষেত্ৰতহে নিৰ্দিষ্ট। কাৰণ ৰাতিৰ টোপনিৰ ক্ষেত্ৰতহে এই শব্দটো ব্যৱহাৰ হয়। কাৰণ ৰাতিৰ টোপনি দীৰ্ঘ হয় আৰু গভীৰ হয়।
4. হাদীছটোৰ দ্বাৰা প্ৰমাণিত হয় যে, চয়তান মানুহৰ লগতে থাকে, তথাপিও মানুহে সেয়া উপলব্ধি কৰিব নোৱাৰে।

(8377)

(108) – عَنْ أَنَسٍ رضي الله عنه قَالَ: كَانَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَغْسِلُ، أَوْ كَانَ يَغْتَسِلُ، بِالصَّاعِ إِلَى خَمْسَةِ أَمْدَادٍ، وَيَتَوَضَّأُ بِالْمُدِّ. [صحيح] - [متفق عليه]

(108) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ "নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এক ছা'ৰ পৰা পাঁচ মুদ পৰ্যন্ত পানীৰে গোছল কৰিছিল আৰু তেখেতে অজু কৰিছিল এক মুদ পানীৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এক ছা'ৰ পৰা পাঁচ মুদ পৰ্যন্ত পানীৰে ফৰজ গোছল কৰিছিল, আৰু এক মুদ পানীৰে তেখেতে অজু কৰিছিল। চাৰি মুদ পৰিমাণক এক ছা বোলে, আনহাতে এক মুদ হৈছেঃ এজন সাধাৰণ মানুহৰ দুয়ো হাত এক লগ কৰি সেই আয়তনত যিমানখিনি বস্তু আহে তাক এক মুদ বোলে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অজু আৰু গোছলৰ সময়ত পানী যিমান পাৰে কমাই ব্যৱহাৰ কৰিব লাগে, উভৈনদী পানী থাকিলেও অপচয় কৰা উচিত নহয়।
2. প্ৰয়োজন অনুপাতে অজু আৰু গোছলৰ সময়ত পানী কমাই ব্যৱহাৰ কৰা মুস্তাহাব। এইটোৱে হৈছে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শ।
3. দৰাচলতে ইয়াৰ দ্বাৰা বুজোৱা হৈছে অজু আৰু গোছলৰ ক্ষেত্ৰত ছুন্নত আৰু অন্যান্য নীতি-নিয়ম পালন কৰি আৰু সময়ৰ প্ৰতি মনোযোগ দি পানীৰ অপচয় নকৰাকৈ পৰিপূৰ্ণৰূপে অজু আৰু গোছল কৰা।
4. বীৰ্য্য স্খলন অথবা যৌনমিলনৰ পিছৰ অৱস্থাক জানাবত বুলি কোৱা হয়। জানাবত বুলি এইকাৰণে নামকৰণ কৰা হৈছে যে,

(আৰবীত ইজতিনাব মানে বিৰত থকা, সেয়ে) যিয়ে এই অৱস্থাত থাকে তেওঁ পৱিত্ৰতা অৰ্জন নকৰালৈকে নামাজ আৰু অন্যান্য ইবাদত কৰিব নোৱাৰে (অৰ্থাৎ বিৰত থাকিব লাগে)।

5. ছা হৈছে এটা পৰিচিত পৰিমাপ। ইয়াৰ দ্বাৰা নবৱী ছাক বুজোৱা হৈছে। ইয়াৰ ওজন হৈছে ৪৮০ মিছকাল উন্নতমানৰ ঘেঁহুৰ সমান। লিটাৰ পাত্ৰ অনুসৰি তিনি লিটাৰ আয়তনৰ এটা পাত্ৰৰ সমান।

6. মুদ হৈছে চৰীয়তি পৰিমাপৰ একক। ইয়াৰ পৰিমাণ হৈছে এজন সাধাৰণ মানুহৰ দুয়ো হাত একেলগ কৰি প্ৰসাৰিত কৰি তাত যিমানখিনি বস্তু আহে সেইখিনিক এক মুদ বোলে। ফুকাহাসকল এই কথাত একমত যে, মুদ হৈছে এক ছা'ৰ চাৰি ভাগৰ এভাগ। গতিকে এক মুদ সমান ৭৫০ মিলি লিটাৰ।

(8387)

(109) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنِ النَّبِيِّ صلى الله عليه وسلم قَالَ: «لَا يَقْبَلُ اللهُ صَلَاةَ أَحَدِكُمْ إِذَا أَحْدَثَ حَتَّى يَتَوَضَّأَ». [صحيح] - [متفق عليه]

(109) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যদি বায়ু ওলায়, অজু নকৰালৈকে আল্লাহে তোমালোকৰ কাৰো চালাত কবূল নকৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, নামাজৰ শুদ্ধতাৰ বাবে চৰ্ত হৈছে তাহাৰাত বা পৱিত্ৰতা। গতিকে নামাজ পঢ়িব বিচৰা ব্যক্তিৰ বাবে অনিবাৰ্য হৈছে অজু কৰি লোৱা, যদিহে তাৰ অজু ভংগ হৈছে। উদাহৰণস্বৰূপে, শৌচ-প্ৰস্ৰাৱ কৰাৰ পিছত অজু কৰা অথবা টোপনিৰ পৰা উঠি অজু কৰা আদি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পৱিত্ৰতা অৰ্জন নকৰাকৈ নামাজ গ্ৰহণযোগ্য নহয়। হাদাছে আকবাৰৰ পৰা পৱিত্ৰতা অৰ্জন কৰিবলৈ গোছল কৰিব লাগে আৰু হাদাছে আচগাৰৰ পৰা পৱিত্ৰতা অৰ্জন কৰিবলৈ অজু কৰিব লাগে।
2. অজুৰ পদ্ধতি হৈছে, দুয়োখন হাত ভালকৈ ধুই এচলু পানী লৈ মুখত দিয়া আৰু সেই পানী মুখৰ ভিতৰত ভালকৈ ঘূৰাই কুলি কৰিব লাগে। এচলু পানীৰে নাক চাফ কৰিব লাগে অৰ্থাৎ নাকৰ ভিতৰত পানী টানি লৈ সেই পানী উলিয়াই দিব লাগে। ইয়াৰ পিছত তিনিবাৰ মুখমণ্ডল ধুব লাগে, তাৰ পিছত কিলাকুটিলৈকে তিনিবাৰ হাত ধুব লাগে। তাৰ পিছত সম্পূৰ্ণ মূৰ এবাৰ মছেহ কৰিব লাগে। অৱশেষত দুয়ো ভৰি সৰুগাঁঠিলৈকে তিনিবাৰ ধুব লাগে।

(3534)

(110) – عَنْ جَابِرٍ رضي الله عنه قال: أَخْبَرَنِي عُمَرُ بْنُ الْخَطَّابِ: أَنَّ رَجُلًا تَوَضَّأَ فَتَرَكَ مَوْضِعَ ظُفُرٍ عَلَى قَدَمِهِ فَأَبْصَرَهُ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فَقَالَ: «ارْجِعْ فَأَحْسِنْ وُضُوءَكَ» فَرَجَعَ، ثُمَّ صَلَّى.
[صحيح بشواهده] - [رواه مسلم]

(110) – জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মোক ওমৰ ইবনুল খাত্তাবে জনাইছে যে, এজনে অজু কৰিলে আৰু ভৰিত নখৰ সমান ঠাই নোধোৱাকৈ এৰিলে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেয়া দেখি ক'লেঃ "উভতি যোৱা আৰু ভালকৈ অজু কৰি আহা।" তাৰ পিছত সেই ব্যক্তিজন উভতি গ'ল আৰু (ভালকৈ অজু কৰি) আহি নামাজ পঢ়িলে। [অন্যান্য হাদীছৰ সমৰ্থনত ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এজন ব্যক্তিক অজু কৰা দেখিলে যে, সি ভৰি ধোৱাৰ সময়ত নখৰ সমান ঠাই এৰিছে, তাত পানীৰে জিকা নাছিল। সেয়া দেখি তেখেতে সেই নোধোৱা অংশখিনিৰ প্ৰতি ইংগিত কৰি ক'লেঃ যোৱা ভালকৈ অজু কৰি আহা, প্ৰতিটো অংগ পানীৰে ভালকৈ ধুই লবা। ইয়াৰ পিছত সেই ব্যক্তিজন উভতি গ'ল, আৰু পৰিপূৰ্ণৰূপে অজু কৰি আহি নামাজ পঢ়িলে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সৎকৰ্ম কৰিবলৈ ততাতৈয়া কৰা অনিবাৰ্য। নজনা ব্যক্তিক আৰু অমনোযোগী ব্যক্তিক সঠিক পথ দেখুৱা উচিত। বিশেষকৈ এনেকুৱা কোনো ভুলৰ ক্ষেত্ৰত, যাৰ ফলত ইবাদত বিনষ্ট হোৱাৰ আশংকা থাকে।
2. অজুৰ অংগবোৰ পৰিপূৰ্ণৰূপে ধোৱা ওৱাজিব। যিয়ে অজুৰ অংগৰ কোনো অংশ এৰিব -যদিও অকণমানে নহওক কিয়- তাৰ

অজু সঠিক নহ'ব। যদি ব্যৱধান বেছি হয় তেন্তে পুনৰ অজু কৰা জৰুৰী।

3. উত্তমভাৱে অজু কৰাৰ নিৰ্দেশ দিয়া হৈছে। অৰ্থাৎ চৰীয়তে দিয়া নিৰ্দেশনা অনুসৰি পৰিপূৰ্ণৰূপে সুন্দৰকৈ অজু কৰিব লাগে।
4. দুয়ো ভৰি হৈছে অজুৰ অংগসমূহৰ অন্তৰ্ভুক্ত। গতিকে ইয়াৰ ওপৰত মছেহ কৰিলে নহ'ব, বৰং ধোৱা অনিবাৰ্য।
5. একাধিক্ৰমে অজুৰ অংগবোৰ ধুব লাগে। পূৰ্বৱৰ্তী অংগ শুকোৱাৰ আগতেই পৰৱৰ্তী অংগ ধুব লাগে।
6. অজ্ঞতা আৰু ভুলৰ ফলত ওৱাজিব সাৰি নাযায়। বৰং গুনাহহে সাৰি যায়। সেয়ে এই ব্যক্তিজন যিয়ে ভালকৈ অজু কৰা নাছিল, তাক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এইটো কোৱা নাছিল যে, যি হৈছে হৈছে, দুনাই এনেকৈ নকৰিবা। বৰং তেখেতে তাক পুনৰ অজু কৰি আহিবলৈ নিৰ্দেশ দিছিল।

(8386)

(111) – عَنْ عَبْدِ اللهِ بْنِ عَمْرٍو رَضِيَ اللهُ عنهما قَالَ: رَجَعْنَا مَعَ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ مِنْ مَكَّةَ إِلَى الْمَدِينَةِ حَتَّى إِذَا كُنَّا بِمَاءٍ بِالطَّرِيقِ تَعَجَّلَ قَوْمٌ عِنْدَ الْعَصْرِ، فَتَوَضَّؤُوا وَهُمْ عِجَالٌ، فَانْتَهَيْنَا إِلَيْهِمْ وَأَعْقَابُهُمْ تَلُوحُ لَمْ يَمَسَّهَا الْمَاءُ فَقَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**وَيْلٌ لِلْأَعْقَابِ مِنَ النَّارِ أَسْبِغُوا الْوُضُوءَ**». [صحيح] - [متفق عليه]

(111) – **আব্দুল্লাহ ইবনে আমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আমি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে মক্কাৰ পৰা মদীনালৈ উভতি অহাৰ পথত এটি পানী থকা কুঁৱাৰ ওচৰত আহি উপস্থিত হ'লোঁ। আমাৰ মাজৰ কিছুমানে আচৰৰ সময়ত সোনকালে অজু কৰিবলৈ গ'ল আৰু খৰখেদাকৈ অজু কৰিলে, ঠিক সেই সময়তে আমিও সিহঁতৰ ওচৰত গৈ উপস্থিত হ'লোঁ। তাত গৈ দেখিলোঁ, খৰখেদাকৈ অজু কৰাৰ কাৰণে সিহঁতৰ কিছুমানৰ ভৰিৰ গোৰোহা জিকাই নাছিল। এই দেখি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "সৰ্বনাশ! তোমালোকে পৰিপূৰ্ণৰূপে অজু কৰা, ভৰিৰ গোৰোহা (নিজিকা)ৰ কাৰণেও জাহান্নামৰ শাস্তি আছে।"** [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম মক্কাৰ পৰা মদীনাৰ ছফৰত আছিল, তেখেতৰ সৈতে কিছুমান চাহাবাও আছিল। ভ্ৰমণকালত তেওঁলোকে পানীৰ এটা স্থান পালে। সেয়ে কিছুমান চাহাবাই আচৰৰ চালাতৰ কাৰণে অজু কৰাৰ উদ্দেশ্যে খৰধৰকৈ অজু কৰিবলৈ গ'ল। কিন্তু তেওঁলোকে খৰখেদাকৈ অজু কৰাৰ কাৰণে ভৰিৰ শেষৰ অংশখিনিত পানী ঢুকি পোৱা নাছিল। এই দেখি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ ভৰিৰ গোৰোহা ধোৱাৰ ক্ষেত্ৰত অৱহেলা কৰাৰ কাৰণেও জাহান্নামত শাস্তি আছে তথা ধ্বংস আছে। লগতে তেখেতে নিৰ্দেশ দিছে যে, তোমালোকে পৰিপূৰ্ণৰূপে অজু কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অজু কৰাৰ সময়ত দুয়ো ভৰি ভালকৈ ধোৱা অনিবাৰ্য। কাৰণ কেৱল মছেহ কৰাটো যদি বৈধ হ'লহেঁতেন তেন্তে গোৰোহাত পানী ঢুকি নোপোৱাৰ কাৰণে শাস্তিৰ সতৰ্কবাণী নিদিলেহেঁতেন।
2. ধুবলগীয়া অজুৰ অংগবোৰ ভালকৈ ধোৱা ওৱাজিব। যদি কোনোবাই ইয়াৰ সৰু এটা অংশ ইচ্ছাকৃতভাৱে হওক বা অনিচ্ছাকৃতভাৱে নোধোৱাকৈ এৰি দিয়ে যিটো ধোৱা ওৱাজিব তেন্তে তাৰ চালাত শুদ্ধ নহ'ব।
3. নজনা ব্যক্তিক শিকাই দিয়াৰ গুৰুত্ব।
4. ফৰজ বা ছুন্নত বিনষ্ট হোৱা দেখিলে আলিমৰ উচিত হৈছে উপযুক্ত পদ্ধতিৰে তাৰ প্ৰতিবাদ কৰা।
5. মুহাম্মদ ইছহাক্ব দেহলৱীয়ে কৈছেঃ সুন্দৰকৈ অজু কৰাৰ ধৰণ হৈছে তিনিটাঃ নূন্যতম এবাৰ ধোৱাটো হৈছে ফৰজ। ছুন্নত হৈছে তিনিবাৰকৈ ধোৱা। আনহাতে মুস্তাহাব হৈছে পৰ্যাপ্ত সময় লৈ তিনিবাৰ ধোৱাৰ লগতে ঘঁহি ঘঁহি ধোৱা।

(66392)

(112) – عن عَمْرُو بْنُ عَامِرٍ عَنْ أَنَس بن مالك قَالَ: كَانَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَتَوَضَّأُ عِنْدَ كُلِّ صَلَاةٍ، قُلْتُ: كَيْفَ كُنْتُمْ تَصْنَعُونَ؟ قَالَ: يُجْزِئُ أَحَدَنَا الْوُضُوءُ مَا لَمْ يُحْدِثْ. [صحيح] - [رواه البخاري]

(112) – আমৰ ইবনে আমিৰৰ পৰা বৰ্ণিত, আনাছ ইবনে মালিকে কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক নামাজৰ সময়তে অজু কৰিছিল। মই ক'লোঃ আপোনালোকে কি কৰিছিল? তেওঁ কৈছেঃ আমি অজু ভংগ নোহোৱালৈকে অজু কৰা নাছিলোঁ। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত কোৱা হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক ফৰজ নামাজৰ সময়তে অজু কৰিছিল, যদিও তেখেতৰ অজু ভংগ হোৱা নাছিল। এইটো তেখেতে ছোৱাব অৰ্জনৰ কাৰণে কৰিছিল।

যদি অজু থাকে তেন্তে এটা অজুৰে একাধিক ফৰজ নামাজ পঢ়াত কোনো বাধা নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পৰিপূৰ্ণতা অৰ্জন কৰিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক নামাজৰ সময়তে অজু কৰিছিল।
2. প্ৰত্যেক নামাজৰ সময়ত অজু কৰাটো মুস্তাহাব।
3. এটা অজুৰে একাধিক নামাজ আদায় কৰাটো বৈধ।

(65080)

(113) – عَنِ ابْنِ عَبَّاسٍ رضي الله عنهما قَالَ: تَوَضَّأَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ مَرَّةً مَرَّةً.
[صحيح] - [رواه البخاري]

(113) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অজু কৰাৰ সময়ত (অজুৰ অংগবোৰ) এবাৰ এবাৰকৈ ধুইছিল। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াবা অজু কৰাৰ সময়ত অজুৰ অংগবোৰ এবাৰ এবাৰকৈ ধুইছিল। উদাহৰণস্বৰূপে- মুখমণ্ডল- ইয়াৰ ভিতৰত কুলি কৰা আৰু নাক চাফ কৰাকো সামৰি লোৱা হৈছে- দুই হাত, দুই ভৰি আদিক এবাৰ এবাৰকৈ ধুইছিল। এইটো হৈছে ওৱাজিব পৰিমাণ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অজুৰ অংগবোৰ নূন্যতম এবাৰকৈ ধোৱা ওৱাজিব। ইয়াতকৈ অধিক ধোৱাটো মুস্তাহাব।
2. কেতিয়াবা কেতিয়াবা এবাৰ এবাৰকৈও ধুব পাৰি।
3. মূৰ মছেহ কৰাটো এবাৰেই যথেষ্ট।

(65081)

(114) – عَنْ عَبْدِ اللهِ بْنِ زَيْدٍ رضي الله عنه: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ تَوَضَّأَ مَرَّتَيْنِ مَرَّتَيْنِ. [صحيح] - [رواه البخاري]

(114) – আব্দুল্লাহ বিন ঝায়েদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, "নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অজু কৰাৰ সময়ত (অজুৰ অংগবোৰ) দুবাৰ দুবাৰকৈ ধুইছিল।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াবা কেতিয়াবা অজু কৰাৰ সময়ত অজুৰ অংগবোৰ দুবাৰ দুবাৰকৈ ধুইছিল। উদাহৰণস্বৰূপে- মুখমণ্ডল- ইয়াৰ ভিতৰত কুলি কৰা আৰু নাক চাফ কৰাকো সামৰি লোৱা হৈছে- দুই হাত, দুই ভৰি আদিক দুবাৰ দুবাৰকৈ ধুইছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অজুৰ অংগবোৰ নূন্যতম এবাৰকৈ ধোৱা ওৱাজিব। ইয়াতকৈ অধিক ধোৱাটো মুস্তাহাব।
2. কেতিয়াবা কেতিয়াবা অজুৰ অংগবোৰ দুবাৰ দুবাৰকৈও ধুব পাৰি।
3. মূৰ মছেহ কৰাটো এবাৰেই যথেষ্ট।

(65082)

(115) – عَنْ حُمْرَانَ مَوْلَى عُثْمَانَ بْنِ عَفَّانَ رضي الله عنه: أَنَّهُ رَأَى عُثْمَانَ بْنَ عَفَّانَ دَعَا بِوَضُوءٍ، فَأَفْرَغَ عَلَى يَدَيْهِ مِنْ إِنَائِهِ، فَغَسَلَهُمَا ثَلَاثَ مَرَّاتٍ، ثُمَّ أَدْخَلَ يَمِينَهُ فِي الْوَضُوءِ، ثُمَّ تَمَضْمَضَ وَاسْتَنْشَقَ وَاسْتَنْثَرَ، ثُمَّ غَسَلَ وَجْهَهُ ثَلَاثًا، وَيَدَيْهِ إِلَى الْمِرْفَقَيْنِ ثَلَاثًا، ثُمَّ مَسَحَ بِرَأْسِهِ، ثُمَّ غَسَلَ كُلَّ رِجْلٍ ثَلَاثًا، ثُمَّ قَالَ: رَأَيْتُ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَتَوَضَّأُ نَحْوَ وُضُوئِي هَذَا، وَقَالَ: «مَنْ تَوَضَّأَ نَحْوَ وُضُوئِي هَذَا ثُمَّ صَلَّى رَكْعَتَيْنِ لَا يُحَدِّثُ فِيهِمَا نَفْسَهُ غَفَرَ اللهُ لَهُ مَا تَقَدَّمَ مِنْ ذَنْبِهِ». [صحيح] - [متفق عليه]

(115) – উছমানৰ সঙ্গী হুমৰানৰ পৰা বৰ্ণিত। তেওঁ ‘উছমান ইবনে আফফান ৰাদ্বিয়াল্লাহু ‘আনহুক দেখিছে যে, তেওঁ পানী আনিবলৈ আদেশ দিলে আৰু সেই পানী তেওঁ দুয়ো হাতৰ তালুত তিনিবাৰ ঢালি দুয়ো হাত ধুই ল’লে। ইয়াৰ পিছত তেওঁ সোঁহাত পাত্ৰৰ ভিতৰত সোমাই দিলে। ইয়াৰ পিছত কুলি কৰিলে আৰু নাকত পানী দি নাক পৰিস্কাৰ কৰিলে। ইয়াৰ পিছত তেওঁ তিনিবাৰ মুখমণ্ডল ধুলে আৰু দুয়োহাত কিলাকুটিলৈকে তিনিবাৰ ধুলে। ইয়াৰ পিছত মূৰ মছেহ কৰিলে। তাৰ পিছত দুই ভৰি সৰুগাঁঠিলৈকে তিনিবাৰ ধুলে। ইয়াৰ পিছত তেওঁ ক’লেঃ মই আল্লাহৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক মোৰ এই উযুৰ দৰে উযু কৰা দেখিছোঁ। আৰু ক’লেঃ “যি ব্যক্তিয়ে মোৰ এই উযুৰ দৰে উযু কৰিব, আৰু তাৰ পিছত দুই ৰাক‘আত চালাত আদায় কৰিব, য’ত তেওঁ পৃথিৱীৰ প্ৰতি কোনো ধৰণৰ মনোযোগ নিদিব, তাৰ পূৰ্বৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হ’ব”। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত উছমান ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যিদৰে অজু কৰিছিল সেইদৰে অজু কৰি দেখুৱাইছে। বিতংভাৱে স্পষ্ট কৰিবলৈ তেখেতে এটা পাত্ৰত পানী আনিবলৈ দিলে, ইয়াৰ পিছত তেখেতে দুয়ো হাতত তিনিবাৰ পানী ঢালি ল'লে, ইয়াৰ পিছত তেখেতে সোঁ হাত পানীৰ পাত্ৰত সোমোৱাই দিলে আৰু এচলু

পানী লৈ মুখত দিলে আৰু সেই পানী মুখৰ ভিতৰত কিছু সময় ঘূৰাই কুলি কৰিলে। ইয়াৰ পিছত আৰু অলপ পানী লৈ নাকৰ ভিতৰত দিলে, আৰু সেই পানী উলিয়াই নাক পৰিস্কাৰ কৰিলে। ইয়াৰ পিছত তেখেতে তিনিবাৰ মুখমণ্ডল ধুই ল'লে। ইয়াৰ পিছত তেখেতে তিনিবাৰকৈ দুয়ো হাত কিলাকুটিলৈকে ধুই ল'লে। ইয়াৰ পিছত তেখেতে হাত পানীত তিয়াই সম্পূৰ্ণ মূৰ এবাৰ মছেহ কৰিলে। ইয়াৰ পিছত তেখেতে তিনিবাৰকৈ ভৰিৰ সৰুগাঁঠিলৈকে ধুই ল'লে।

তেওঁ অজু সম্পূৰ্ণ কৰি লোকসকলক জনাই ক'লে যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক এইদৰেই অজু কৰা দেখিছে। লগতে তেওঁ লোকসকলক এই সুসংবাদ দিলে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়ে তেখেতৰ এই অজুৰ দৰে অজু কৰি বিনয় সহকাৰে আল্লাহৰ সন্মুখত উপস্থিত মনে দুই ৰাকাত নামাজ পঢ়িব, তেন্তে আল্লাহে এই পৰিপূৰ্ণ অজু আৰু নিৰ্ভেজাল নামাজৰ বিনিময়ত তাৰ পূৰ্বৱৰ্তী গুনাহসমূহ ক্ষমা কৰি দিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. টোপনিৰ পৰা নুঠিলেও অজুৰ আৰম্ভণিত পাত্ৰৰ ভতিৰত হাত সোমোৱাই দিয়াৰ পূৰ্বে দুয়ো হাত ভালকৈ ধুই লোৱা মুস্তাহাব। আনহাতে যদি ৰাতিৰ টোপনিৰ পৰা সাৰ পায় তেন্তে দুয়ো হাত ধুই লোৱা ওৱাজিব।

2. শিক্ষকে বুজাবলৈ একেবাৰে সহজ পন্থা অৱলম্বন কৰা উচিত, যাতে ছাত্ৰসকলৰ ভালকৈ মনত থাকে। তাৰে অন্যতম এটা উপায় হৈছে কাৰ্যকৰী কৰি দেখুৱা।

3. নামাজত বাধা সৃষ্টি কৰিব পৰা দুনিয়াবী সকলো বিষয়ৰ পৰা মুচল্লীয়ে নিজকে মুক্ত কৰি লোৱা উচিত। কাৰণ পৰিপূৰ্ণৰূপে নামাজ পঢ়িবলৈ অন্তৰ উপস্থিত থকাটো বাঞ্চনীয়। অন্যথা বিভিন্ন

চিন্তাই নামাজত বিঘিনি সৃষ্টি কৰিব। গতিকে এই ক্ষেত্ৰত অন্তৰৰ সৈতে সংগ্ৰাম কৰা উচিত, ইয়াত অৱহেলা কৰা উচিত নহয়।

4. অজু কৰাৰ ক্ষেত্ৰত সোঁফালক প্ৰাধান্য দিয়া মুস্তাহাব।
5. কুলি কৰা, নাকত পানী দিয়া আৰু নাক চাফ কৰা, এই তিনিটা যথাক্ৰমে পালন কৰাৰ বৈধতা।
6. মুখমণ্ডল, দুয়ো হাত আৰু দুয়ো ভৰি তিনিবাৰকৈ ধোৱা মুস্তাহাব। কিন্তু নিম্নতম এবাৰ ধোৱা ওৱাজিব।
7. হাদীছটোত উল্লেখিত পদ্ধতি অনুযায়ী অজু কৰিলে আৰু দুই ৰাকাত নামাজ পঢ়িলে পূৰ্বৱৰ্তী গুনাহসমূহ মাফ হৈ যায়।
8. অজুৰ প্ৰতিটো অংগ ধোৱাৰ এটা সীমা আছে। মুখমণ্ডলৰ সীমা হৈছেঃ দৈৰ্ঘ্য হিচাপে মূৰৰ চুলি গজা ঠাইৰ পৰা দাড়ি গজা থুতুৰিৰ তললৈকে, আৰু প্ৰশস্ত হিচাপে সোঁ কাণৰ পৰা বাওঁ কাণলৈকে। হাতৰ সীমা হৈছেঃ আঙুলিৰ মূৰৰ পৰা কিলাকুটিৰ সংযোগলৈকে। মূৰৰ সীমা হৈছেঃ কপালৰ ফালে মূৰৰ চুলি গজা ঠাইৰ পৰা পিছফালে ঘাৰৰ ওপৰিভাগত মূৰৰ চুলিৰ শেষ সীমালৈকে। কাণ মছেহ কৰাটো হৈছে মূৰৰ অন্তৰ্ভুক্ত। ভৰিৰ সীমা হৈছেঃ ভৰিৰ সৰুগাঁঠিক সামৰিলৈ তলফালৰ গোটেইখিনি অংশ।

(3313)

(116) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِذَا تَوَضَّأَ أَحَدُكُمْ فَلْيَجْعَلْ فِي أَنْفِهِ ثُمَّ لِيَنْثُرْ، وَمَنِ اسْتَجْمَرَ فَلْيُوتِرْ، وَإِذَا اسْتَيْقَظَ أَحَدُكُمْ مِنْ نَوْمِهِ فَلْيَغْسِلْ يَدَهُ قَبْلَ أَنْ يُدْخِلَهَا فِي وَضُوئِهِ، فَإِنَّ أَحَدَكُمْ لاَ يَدْرِي أَيْنَ بَاتَتْ يَدُهُ».

ولفظ مسلم: «إِذَا اسْتَيْقَظَ أَحَدُكُمْ مِنْ نَوْمِهِ فَلَا يَغْمِسْ يَدَهُ فِي الْإِنَاءِ حَتَّى يَغْسِلَهَا ثَلَاثًا، فَإِنَّهُ لَا يَدْرِي أَيْنَ بَاتَتْ يَدُهُ». [صحيح] - [متفق عليه]

(116) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনোবাই যেতিয়া অজু কৰিবা তেতিয়া সি যেন নাকত পানী দি নাক চাফা কৰি লয়। এইদৰে যিয়ে ইস্তিনজাৰ বাবে ঢিলা কলুষ ব্যৱহাৰ কৰিব সি যেন বিযোৰ সংখ্যক ঢিলা কলুষ ব্যৱহাৰ কৰে। যেতিয়া তোমালোকৰ মাজৰ কোনোবাই টোপনিৰ পৰা উঠে, সি যেন হাত নোধোৱাকৈ অজুৰ পানীত হাত সোমাই নিদিয়ে। কাৰণ সি নাজানে ৰাতিত তাৰ হাতে কোন কোন ঠাইক স্পৰ্শ কৰিছে।" ছহীহ মুছলিমত আছে যে, "যেতিয়া তোমালোকে টোপনিৰ পৰা উঠিবা, তেতিয়া তোমালোকে নিজৰ হাত তিনিবাৰ ভালকৈ ধোৱাৰ পিছতহে কোনো পাত্ৰত হাত দিবা। কাৰণ সি নাজানে ৰাতিত তাৰ হাতে কোন কোন ঠাইক স্পৰ্শ কৰিছে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেইটামান বিধান বৰ্ণনা কৰিছে, যেনে- প্ৰথমঃ অজু কৰোঁতে উশাহত নাকৰ ভিতৰ ভাগলৈ পানী টানি লব লাগে আৰু নিশাহত সজোৰে সেই পানী উলিয়াই দিব লাগে। দ্বিতীয়ঃ পানী নথকা অৱস্থাত প্ৰস্ৰাৱ পায়খানা কৰাৰ পিছত কলুখ কৰিবলৈ বিযোৰ সংখ্যক নূন্যতম তিনিটা ঢিলা কলুষ ব্যৱহাৰ কৰিবলৈ নিৰ্দেশনা দিছে। তিনিটাতকৈ অধিকৰ কোনো সীমা নাই, যেতিয়ালৈকে সেই স্থান পৰিস্কাৰ নহয়। তৃতীয়ঃ টোপনিৰ পৰা উঠি হাত নোধোৱাকৈ পানীৰ পাত্ৰত হাত সোমাই দি অজু কৰিবলৈ নিষেধ কৰিছে, বৰং

আগতে ভালকৈ তিনিবাৰ হাত ধুই লব দিছে। কাৰণ সি নাজানে ৰাতিত তাৰ হাত ক'ত ক'ত গৈছিল। হয়তো অপৱিত্ৰতা স্পৰ্শ কৰিছে। নাইবা চয়তানে তাৰ লগত চয়তানী কৰি কিবা ক্ষতিকাৰক বস্তু লগাই দিছে যিটো মানুহৰ বাবে ক্ষতিকাৰক, অথবা পানী দোষিত কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অজুৰ সময়ত ইস্তিনশ্বাক্ব ওৱাজিব। অৰ্থাৎ নাকত পানী দিয়াৰ সময়ত উশাহত পানী নাকৰ ভিতৰ ভাগলৈ টানি লোৱাটো অনিবাৰ্য। এইদৰে ইস্তিনছাৰ কৰাও অনিবাৰ্যঃ অৰ্থাৎ নিশাহত সজোৰে সেই পানী উলিয়াই দিয়া অনিবাৰ্য।
2. বিযোৰ সংখ্যক ঢিলাৰে কলুখ কৰা মুস্তাহাব।
3. টোপনিৰ পৰা উঠি ভালকৈ তিনিবাৰ হাত ধুব লাগে।

(3033)

(117) – عَنِ ابْنِ عَبَّاسٍ رضي الله عنهما قَالَ: مَرَّ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ بِقَبْرَيْنِ، فَقَالَ: «إِنَّهُمَا لَيُعَذَّبَانِ، وَمَا يُعَذَّبَانِ فِي كَبِيرٍ، أَمَّا أَحَدُهُمَا فَكَانَ لاَ يَسْتَتِرُ مِنَ البَوْلِ، وَأَمَّا الآخَرُ فَكَانَ يَمْشِي بِالنَّمِيمَةِ» ثُمَّ أَخَذَ جَرِيدَةً رَطْبَةً، فَشَقَّهَا نِصْفَيْنِ، فَغَرَزَ فِي كُلِّ قَبْرٍ وَاحِدَةً، قَالُوا: يَا رَسُولَ اللَّهِ، لِمَ فَعَلْتَ هَذَا؟ قَالَ: «لَعَلَّهُ يُخَفِّفُ عَنْهُمَا مَا لَمْ يَيْبَسَا». [صحيح] - [متفق عليه]

(117) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লাম দুখন কবৰৰ ওচৰেৰে গৈ আছিল, তেনেতে তেখেতে ক'লেঃ "এই দুয়োখন কবৰৰ অধিবাসীৰ শাস্তি হৈ আছে। সেইটোও কোনো ডাঙৰ গুনাহৰ কাৰণে নহয়। এজনে প্ৰস্ৰাৱৰ ছিটাৰ পৰা নিজকে পৱিত্ৰ ৰখা নাছিল আৰু আনজনে খলুৱাগিৰি (চুগলখুৰী) কৰি ফুৰিছিল।" ইয়াৰ পিছত তেখেতে এডাল সতেজ (খেজুৰৰ) ডাল হাতত লৈ সেইটোক দুভাগ কৰিলে আৰু দুয়ো কবৰত এডালকৈ এডালকৈ পুতি দিলে। (উপস্থিত চাহাবাসকলে) সুধিলেঃ হে আল্লাহৰ ৰাছুল! আপুনি এইটো কিয় কৰিলে? তেখেতে ক'লেঃ "সম্ভৱতঃ এই ঠাৰিডাল শুকাই নোযোৱালৈকে সিহঁতৰ শাস্তি লাঘৱ কৰা হ'ব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুখন কবৰৰ ওচৰেৰে গৈ আছিল, তেনেতে তেখেতে ক'লেঃ এই দুয়োখন কবৰৰ অধিবাসীক শাস্তি বিহা হৈ আছে। সিহঁতক যিটো গুনাহৰ কাৰণে শাস্তি বিহা হৈছে সেইটো তোমালোকৰ দৃষ্টিত কোনো ডাঙৰ গুনাহ নহয়। অথচ আল্লাহৰ দৃষ্টিত সেইটো হৈছে ডাঙৰ গুনাহ। সিহঁতৰ মাজৰ এজনে যেতিয়া প্ৰস্ৰাৱ পায়খানা কৰিছিল তেতিয়া প্ৰস্ৰাৱৰ ছিটাৰ পৰা নিজৰ শৰীৰ আৰু কাপোৰক ৰক্ষা কৰা নাছিল। আৰু দ্বিতীয়জনে খলুৱাগিৰি বা চুগলখুৰী কৰি ফুৰিছিল। অৰ্থাৎ লোকৰ মাজত জগৰ লগাবলৈ বা ক্ষতি কৰিবলৈ ইজনৰ কথা সিজনক লগাই ফুৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চুগলখুৰী কৰা আৰু প্ৰস্ৰাৱৰ ছিটাৰ পৰা নিজকে হিফাজত নকৰাটো হৈছে এক প্ৰকাৰ কাবীৰাহ গুনাহ, তথা এইটো হৈছে কবৰত শাস্তি হোৱাৰ অন্যতম এটা কাৰণ।
2. মহান আল্লাহে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নুবুওৱতৰ প্ৰমাণ দেখুৱাবলৈ কিছুমান গায়েবী বিষয়ো উন্মুক্ত কৰিছে, যেনে- কবৰৰ শাস্তি।
3. খেজুৰ গছৰ ঠাৰি ফালি দুভাগ কৰি লগাই দিয়াৰ বিষয়টো কেৱল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাবেই নিৰ্দিষ্ট আছিল। কাৰণ কবৰৰ অধিবাসীৰ অৱস্থা সম্পৰ্কে আল্লাহে তেওঁক অৱগত কৰোৱাইছিল। গতিকে এই বিষয়টো আন কাৰো সৈতে কেতিয়াও তুলনা হ'ব নোৱাৰে, কিয়নো কবৰত থকা লোকৰ অৱস্থা সম্পৰ্কে কোনেও অৱগত নহয়।

(3010)

(118) – عَنْ أَنَسٍ رضي الله عنه قَالَ: كَانَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ إِذَا دَخَلَ الخَلَاءَ قَالَ: «اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الخُبُثِ وَالخَبَائِثِ». [صحيح] - [متفق عليه]

(118) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰস্ৰাৱ পায়খানা কৰিবলৈ যোৱাৰ সময়ত এই দুআ পাঠ কৰিছিলঃ (اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الخُبُثِ وَالخَبَائِثِ) আল্লাহুম্মা ইন্নী আউজুবিকা মিনাল খুবছি অল-খাবাইছ। অৰ্থাৎ "হে আল্লাহ! মই দুষ্ট পুৰুষ জিন আৰু অনিষ্টকাৰী নাৰী জিনৰ পৰা তোমাৰ আশ্ৰয় বিচাৰিছোঁ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰস্ৰাৱ-পায়খানা কৰিবলৈ যেতিয়া শৌচালয়ত প্ৰৱেশ কৰিছিল, তেতিয়া তেখেতে পুৰুষ আৰু নাৰী জিনৰ অনিষ্টৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিছিল। এই দুআটোত উল্লেখিত "الخبث" আৰু "الخبائث" ৰ ব্যাখ্যা অনিষ্টতা আৰু নাপাকী বুলিও কোৱা হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. শৌচালয়ত প্ৰৱেশ কৰাৰ সময়ত এই দুআটো পাঠ কৰা মুস্তাহাব।
2. ক্ষতিকৰ আৰু কষ্টদায়ক বস্তুৰ পৰা সুৰক্ষিত থাকিবলৈ সকলো সৃষ্টিয়ে আল্লাহৰ মুখাপেক্ষী।

(3150)

(119) – عَنْ عَائِشَةَ أُمِّ المؤْمنِينَ رَضِيَ اللهُ عنها: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَانَ إِذَا خَرَجَ مِنَ الغَائِطِ قَالَ: «غُفْرَانَكَ». [صحيح] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(119) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া শৌচালয়ৰ পৰা ওলাইছিল তেতিয়া কৈছিলঃ "গুফৰানাকা"। (হে আল্লাহ! মই তোমাৰ ওচৰত ক্ষমা বিচাৰোঁ)। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিজৰ প্ৰয়োজন পূৰণ কৰি যেতিয়া শৌচালয়ৰ পৰা বাহিৰ হৈছিল, তেতিয়া তেখেতে কৈছিলঃ হে আল্লাহ! মই তোমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. শৌচালয়ৰ পৰা ওলোৱাৰ পিছত "গুফৰানাকা" বুলি কোৱাটো মুস্তাহাব।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সকলো অৱস্থাতে আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল।
3. প্ৰস্ৰাৱ-পায়খানাৰ পৰা ওলাই আহি ক্ষমা প্ৰাৰ্থনা কৰাৰ এটা কাৰণ এই বুলি উল্লেখ কৰা হৈছে যে, মহান আল্লাহৰ বহুতো নিয়ামতৰ কৃতজ্ঞতা প্ৰকাশত আমাৰ দ্বাৰা অৱহেলা হয়, এইটোও এটা নিয়ামত যে, তেওঁ আমাৰ শৰীৰৰ এই ক্ষতিকৰ বস্তুবোৰ সহজে উলিয়াই দিলে, সেয়ে আমি তেওঁৰ মাগফিৰাত কামনা কৰোঁ যে, এই সময়ছোৱাত আমি তোমাক স্মৰণ কৰিব পৰা নাছিলোঁ।

(10046)

(120) – عن عائشة رضي الله عنها قالت: قال رسول الله صلى الله عليه وسلم: «السِّوَاكُ مَطْهَرَةٌ لِلْفَمِ، مَرْضَاةٌ لِلرَّبِّ». [صحيح] - [رواه النسائي وأحمد]

(120) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মিছওৱাক কৰাটো হৈছে মুখৰ পৱিত্ৰতা আৰু প্ৰতিপালকৰ সন্তুষ্টি লাভৰ উপায়। [ছহীহ] - [(নাছায়ী, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আৰাক গছৰ শিপাৰে দাঁত চাফ কৰিলে ময়লা আদিৰ পৰা মুখ পৰিস্কাৰ হয় আৰু দুৰ্গন্ধ দূৰ হয়। আৰু মিছৱাক কৰাটো হৈছে আল্লাহক সন্তুষ্টি কৰাৰ অন্যতম এটা উপায়। কাৰণ ইয়াৰ মাজত আছে আল্লাহৰ আনুগত্য আৰু তেওঁৰ আদেশ পালন। কিয়নো ইয়াৰ দ্বাৰা পৱিত্ৰতা অৰ্জন হয়, যি পৱিত্ৰতাক আল্লাহে ভাল পায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মিছৱাক কৰাৰ গুৰুত্ব। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ উম্মতক বেছি বেছি মিছৱাক কৰিবলৈ উৎসাহিত কৰিছে।
2. মিছৱাক কৰিবলৈ আৰাক গছৰ শিপা ব্যৱহাৰ কৰাটো উত্তম। ইয়াৰ বিপৰীতে পেষ্ট আৰু ব্ৰাশ্ব ব্যৱহাৰ কৰাত কোনো অসুবিধা নাই।

(3588)

(121) – عَنْ حُذَيْفَةَ رضي الله عنه قَالَ: كَانَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ إِذَا قَامَ مِنَ اللَّيْلِ يَشُوصُ فَاهُ بِالسِّوَاكِ. [صحيح] - [متفق عليه]

(121) – হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া ৰাতিত (তাহাজ্জুদৰ বাবে) উঠিছিল, তেতিয়া তেখেতে মিছৱাকেৰে মুখ চাফ কৰিছিল। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বেছিভাগ সময়তে মিছৱাক কৰিছিল আৰু ইয়াৰ নিৰ্দেশ দিছিল। লগতে কিছুমান সময়ত নিশ্চিতভাৱে মিছৱাক কৰিছিল, যেনে- ৰাতিত যেতিয়া (তাহাজ্জুদৰ বাবে) উঠিছিল, তেতিয়া তেখেতে মিছৱাকেৰে ঘঁহি ঘঁহি দাঁত চাফা কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰাতিৰ টোপনিৰ পিছত মিছৱাক কৰিবলৈ গুৰুত্ব প্ৰদান কৰা হৈছে। কাৰণ টোপনিৰ পিছত মুখৰ ঘ্ৰাণ পৰিৱৰ্তন হয় আৰু মিছৱাক হৈছে দাঁত পৰিষ্কাৰ কৰাৰ আহিলা।
2. উক্ত অৰ্থৰ দ্বাৰা এইটোও বুজা যায় যে, মুখৰ প্ৰতিটো দুৰ্গোন্ধৰ পৰা ৰক্ষা পোৱাৰ বাবে মিছৱাক কৰিবলৈ গুৰুত্ব প্ৰদান কৰা হৈছে।
3. সাধাৰণতে পৰিষ্কাৰ পৰিচ্ছন্নতা হৈছে চৰীয়তৰ নিৰ্দেশ, লগতে এইটো হৈছে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নত। লগতে এইটো হৈছে সুউচ্চ শিষ্টাচাৰ।
4. মুখত মিছৱাক কৰাৰ অৰ্থ হৈছে, দাঁত, দাঁতৰ আলুকে আদি কৰি জিভা পৰিষ্কাৰ কৰাটোও ইয়াৰে অন্তৰ্ভুক্ত।

5. মিছৱাক কোৱা হয় ঠাৰিৰ নিচিনা এক প্ৰকাৰ শিপা, যিটো আৰাক গছৰ শিপা কাটি বনোৱা হয়। দাঁত আৰু মুখ চাফ কৰিবলৈ এইটো ব্যৱহাৰ কৰা হয়। ইয়াৰ ফলত মুখৰ দুৰ্গোন্ধ দূৰ হয় আৰু মুখ পৰিষ্কাৰ হয়।

(3063)

(122) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لَوْلَا أَنْ أَشُقَّ عَلَى الْمُؤْمِنِينَ -أَوْ: عَلَى أُمَّتِي- لَأَمَرْتُهُمْ بِالسِّوَاكِ عِنْدَ كُلِّ صَلَاةٍ». [صحيح] - [متفق عليه]

(122) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যদি মুমিনসকলৰ ওপৰত - অথবা মোৰ উম্মতৰ ওপৰত- কষ্টকৰ নহ'লহেঁতেন তেন্তে মই তেওঁলোকক প্ৰত্যেক নামাজৰ সময়তে মিছৱাক কৰাৰ নিৰ্দেশ দিলোঁহেঁতেন।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মোৰ উম্মতৰ মুমিনসকলৰ ওপৰত কষ্টকৰ হ'ব বুলি যদি আশংকা নাথাকিলহেঁতেন তেন্তে প্ৰত্যেক নামাজৰ সময়তে মই তেওঁলোকক মিছৱাক কৰিবলৈ অনিবাৰ্য্য কৰি দিলোঁহেঁতেন।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লাম উম্মতৰ প্ৰতি অত্যন্ত দয়ালু আছিল আৰু তেওঁলোকৰ প্ৰতিটো কষ্টকলৈ চিন্তিা কৰিছিল।

2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতিটো আদেশ হৈছে ওৱাজিব, কেৱল সেইটোৰ বাহিৰে যিটো নফল হোৱাৰ ক্ষেত্ৰত প্ৰমাণ আছে।

3. মিছৱাক কৰা মুস্তাহাব, বিশেষকৈ নামাজৰ সময়ত মিছৱাক কৰা অধিক গুৰুত্বপূৰ্ণ।
4. ইবনু দাক্বীকুল ঈদে কৈছেঃ নামাজৰ সময়ত মিছৱাক কৰাটো মুস্তাহাব হোৱাৰ কাৰণ হৈছে, এইটো হৈছে আল্লাহৰ নৈকট্য অৱলম্বন কৰাৰ সময়। সেয়ে এই সময়ত পৰিষ্কাৰ-পৰিচ্ছন্ন হ'ব লাগে, যাতে ইবাদতৰ মৰ্যাদা প্ৰকাশ হয়।
5. হাদীছটোৰ ব্যাপক অৰ্থৰ ভিতৰত ৰোজাদাৰসকলৰ মিছৱাকো অন্তৰ্ভুক্ত, যদিও সূৰ্য্য ঢাল খোৱাৰ পিছত হয়, যেনে- জোহৰ আৰু আচৰৰ নামাজৰ সময়ত।

(3364)

(123) – عن أبي هريرة قال: قال رسول الله صلى الله عليه وسلم: «حَقٌّ عَلَى كُلِّ مُسْلِمٍ أَنْ يَغْتَسِلَ فِي كُلِّ سَبْعَةِ أَيَّامٍ يَوْمًا، يَغْسِلُ فِيهِ رَأْسَهُ وَجَسَدَهُ». [صحيح] - [متفق عليه]

(123) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহু চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ প্ৰতিজন মুছলিমৰ ওপৰতে সপ্তাহত নূন্যতম এদিন গোছল কৰা অনিবাৰ্য, সেই গোছলত মূৰ আৰু শৰীৰ ধুই লব লাগিব। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, প্ৰতিজন বুদ্ধিমান প্ৰাপ্তবয়স্ক মুছলিমৰ ওপৰতে সপ্তাহত নূন্যতম এদিন হ'লেও গোছল কৰা অনিবাৰ্য, যিদিনা তেওঁ পৱিত্ৰতা আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ উদ্দেশ্যে নিজৰ মূৰ আৰু গোটেই শৰীৰ ভালকৈ ধুই লব। এইটো জুমুআৰ দিন হ'লে বেছি উত্তম। অন্যান্য হাদীছৰ দ্বাৰা এইটোৱে বুজা যায়। আনহাতে জুমুআৰ দিনা নামাজৰ আগত গোছল কৰাটো হৈছে গুৰুত্বপূৰ্ণ মুস্তাহাব আমল। আনহাতে যদি কোনোবাই ওৱাজিব

দায়িত্ব পালন কৰি বৃহস্পতিবাৰে গোছল কৰি লয়, সেই সন্দৰ্ভত আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা এটা হাদীছ বৰ্ণিত হৈছে, তেওঁ কৈছে যে, "মানুহে নিজৰ কামখিনি নিজেই কৰিছিল, যেতিয়া তেওঁলোকে জুমুআৰ দিনা জুমুআৰ নামাজলৈ গৈছিল তেতিয়া তেওঁলোকে সেই অৱস্থাতে গৈছিল, তেতিয়া তেওঁলোকক কোৱা হৈছিলঃ যদি তোমালোকে গোছল কৰি ল'লাহেঁতেন।" অন্য এটা বৰ্ণনাত আছে যে, "তেওঁলোকৰ শৰীৰৰ পৰা ঘামৰ গোন্ধ ওলাইছিল।" কেৱল ঘামৰ কাৰণে যদি এইটো কোৱা হৈছিল তেন্তে অন্যান্য অৱস্থাৰ কাৰণেতো আৰু অধিক জৰুৰী।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলামে পৰিস্কাৰ-পৰিচ্ছন্নতা আৰু পৱিত্ৰতাৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিছে।
2. জুমুআৰ দিনা গোছল কৰাটো হৈছে গুৰুত্বপূৰ্ণ মুস্তাহাব আমল।
3. মূৰ ধোৱাৰ কথা উল্লেখ কৰা হৈছে, যদিও শৰীৰৰ ভিতৰতে এইটোও অন্তৰ্ভুক্ত, সুকীয়াকৈ উল্লেখ কৰাৰ অৰ্থ হৈছে ইয়াৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া।
4. যদি শৰীৰৰ পৰা দুৰ্গন্ধ ওলায়, যাৰ দ্বাৰা মানুহে কষ্ট পায় তেন্তে গোছল কৰা অনিবাৰ্য।
5. জুমুআৰ দিনা গোছল কৰিবলৈ বেছি গুৰুত্ব দিয়া হৈছে। কাৰণ এইটো হৈছে বিশেষ গুৰুত্বপূৰ্ণ দিন।

(65084)

(124) – عن أَبِي هريرة رضي الله عنه: سمعتُ النبِيّ صلى الله عليه وسلم يقول: «الفِطْرَةُ خمسٌ: الخِتَانُ والاستحدادُ وقصُّ الشَّارِبِ وتقليمُ الأظفارِ وَنَتْفُ الآبَاطِ». [صحيح] - [متفق عليه]

(124) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ফিতৰাত (অৰ্থাৎ মানুহৰ জন্মগত স্বভাৱ) হৈছে পাঁচটা: খাতনা কৰা; লজ্জাস্থানৰ নোম কাটি পৰিস্কাৰ কৰা; মোচ বা গোঁফ চুটি কৰা, নখ কটা; কাষলতিৰ নোম উঘালি পেলোৱা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দ্বীন ইছলামৰ পাঁচটা নীতি তথা ৰাছুলসকলৰ ছুন্নত বৰ্ণনা কৰিছে।

তাৰে প্ৰথমটো হৈছে, খাতনাহ কৰা। অৰ্থাৎ পুৰুষ লিংগৰ মূৰৰ অতিৰিক্ত ছাল কাটি পেলোৱা আৰু নাৰীসকলৰ লজ্জাস্থানৰ ভেদ কৰা ঠাইৰ ওপৰত থকা ছালৰ কিছু অংশ কাটি পেলোৱা।

দ্বিতীয়টো হৈছেঃ লজ্জাস্থানৰ আশে পাশে থকা নোম বা চুলিবোৰ খুৰাই পেলোৱা।

তৃতীয়টো হৈছে, মোচ বা গোঁফ চুটি কৰা। অৰ্থাৎ পুৰুষ মানুহৰ ওঠৰ ওপৰত গজা চুলিবোৰ চুটি কৰা, যাতে ওঠ দেখা যায়।

চতুৰ্থটো হৈছে, নখ কটা।

পঞ্চমটো হৈছে, কাষলতিৰ চুলি উঘালি পেলোৱা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰাছুলসকলৰ এই ছুন্নতবোৰক আল্লাহে ভাল পায় তথা পছন্দ কৰে, লগতে ইয়াৰ দ্বাৰা পৰিপূৰ্ণৰূপে পৰিস্কাৰ-পৰিচ্ছন্ন হ'বলৈ আৰু সৌন্দৰ্য অৱলম্বন কৰিবলৈ আহ্বান কৰে।
2. এইবোৰক নিয়মিত পালন কৰা উচিত, অৱহেলা কৰা অনুচিত।

3. এই স্বভাৱবোৰত দ্বীনি আৰু দুনিয়াবী উভয় জগতৰ উপকাৰিতা আছে, যেনে: সুন্দৰ আকৃতি, শৰীৰৰ পৰিস্কাৰ-পৰিচ্ছন্নতা, পৱিত্ৰতাৰ প্ৰতি সতৰ্কতা আৰু কাফিৰসকলৰ নিদৰ্শনৰ বিৰোধিতা, লগতে ইয়াৰ দ্বাৰা আল্লাহৰ আদেশ বাস্তৱায়ন হয়।
4. অন্যান্য হাদীছত এই পাঁচটাতকৈও অধিক স্বভাৱ বৰ্ণিত হৈছে। যেনে- দাড়ি দীঘল কৰা, মিছৱাক কৰা আদি।

(3144)

(125) – عَنْ عَلِيٍّ رضي الله عنه قَالَ: كُنْتُ رَجُلًا مَذَّاءً وَكُنْتُ أَسْتَحْيِي أَنْ أَسْأَلَ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ لِمَكَانِ ابْنَتِهِ فَأَمَرْتُ الْمِقْدَادَ بْنَ الْأَسْوَدِ فَسَأَلَهُ فَقَالَ: «يَغْسِلُ ذَكَرَهُ وَيَتَوَضَّأُ».
وَلِلْبُخَارِيِّ: فَقَالَ: «تَوَضَّأْ وَاغْسِلْ ذَكَرَكَ». [صحيح] - [متفق عليه]

(125) – আলী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ প্ৰাক-বীৰ্যপাত তৰল পদাৰ্থ সঘনাই নিৰ্গত হোৱা বেমাৰত মই আক্ৰান্ত আছিলোঁ। মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ জোঁৱাই হোৱাৰ কাৰণে বিষয়টো সম্পৰ্কে তেখেতক সুধিবলৈ লাজ কৰিছিলোঁ। সেয়ে মই মিক্বদাদ ইবনুল আছৱাদক এই বিষয়ে সুধিবলৈ ক'লোঁ, তেওঁ সোধাত তেখেতে ক'লেঃ "এনেকুৱা ব্যক্তিয়ে নিজৰ লজ্জাস্থান ধুই লব আৰু অজু কৰিব লাগিব।" বুখাৰীত এনেকৈ আছে যে, "অজু কৰা আৰু লজ্জাস্থান ধুই লবা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত আলী ৰাদ্বিয়াল্লাহু আনহুৱে সংবাদ দিছে যে, তেওঁৰ বেছিভাগ সময়তে মজী নিৰ্গত হৈছিল। মজী হৈছে এক প্ৰকাৰ তৰল আঠা জাতীয় বগা পদাৰ্থ, যিটো সাধাৰণতে স্ত্ৰী সম্ভোগৰ পূৰ্বে বা কামনা-বাসনামূলক কাৰ্য্যৰ সময়ত লজ্জাস্থানৰ পৰা ওলায়। এই পদাৰ্থ ওলালে কি কৰিব লাগে সেই বিষয়ে তেওঁ অৱগত নাছিল। কিন্তু এই বিষয়ে তেওঁ

নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিবলৈও টান পাইছিল। কাৰণ তেওঁ আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কন্যা ফাতিমা ৰাদ্বিয়াল্লাহু আনহাৰ স্বামী। সেয়ে তেওঁ মিক্বদাদ ইবনুল আছৱাদ ৰাদ্বিয়াল্লাহু আনহুক ক'লে যে, তেওঁ যেন নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বিষয়টো জানি আহে। ইয়াৰ উত্তৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, এনেকুৱা ব্যক্তিয়ে নিজৰ লজ্জাস্থান ভালকৈ ধুই লব, তাৰ পিছত অজু কৰিব লাগিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা আলী ৰাদ্বিয়াল্লাহু আনহুৰ ফজিলত বৰ্ণিত হৈছে। কাৰণ শ্বাৰয়ী বিধান জানিবলৈ হায়াও তেওঁক বাধা দিব পৰা নাই, আনৰ মাধ্যমত হ'লেও সঠিক বিধান জনাৰ প্ৰয়াস কৰিছে।
2. ফতোৱা সুধিবলৈ আনক প্ৰতিনিধি নিযুক্ত কৰা বৈধ।
3. প্ৰয়োজনত নিজৰ সেইবোৰ বিষয়ো আনৰ সৈতে ভাগবতৰা কৰা বৈধ, যিবোৰ কথা ক'বলৈ লাজ লাগে।
4. মজী নাপাক, সেয়ে কাপোৰত বা শৰীৰত লাগিলে ধোৱা ওৱাজিব।
5. মজী ওলালে অজু ভংগ হয়।
6. লজ্জাস্থানৰ লগতে অণ্ডকোশ ধোৱাটোও অনিবাৰ্য। এই বিষয়ে আন এটা হাদীছত উল্লেখ হৈছে।

(3348)

(126) – عَنْ عَائِشَةَ أُمِّ المؤمنين رضي الله عنها قَالَتْ: كَانَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ إِذَا اغْتَسَلَ مِنَ الجَنَابَةِ، غَسَلَ يَدَيْهِ، وَتَوَضَّأَ وُضُوءَهُ لِلصَّلاَةِ، ثُمَّ اغْتَسَلَ، ثُمَّ يُخَلِّلُ بِيَدِهِ شَعَرَهُ، حَتَّى إِذَا ظَنَّ أَنَّهُ قَدْ أَرْوَى بَشَرَتَهُ، أَفَاضَ عَلَيْهِ المَاءَ ثَلاَثَ مَرَّاتٍ، ثُمَّ غَسَلَ سَائِرَ جَسَدِهِ، وَقَالَتْ: كُنْتُ أَغْتَسِلُ أَنَا وَرَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ مِنْ إِنَاءٍ وَاحِدٍ، نَغْرِفُ مِنْهُ جَمِيعًا. [صحيح] - [رواه البخاري]

(126) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া জানাবাতৰ (ফৰজ) গোছল কৰিছিল, তেতিয়া তেখেতে প্ৰথমে ভালকৈ দুয়োখন হাত ধুইছিল। তাৰ পিছত নামাজৰ অজুৰ দৰে অজু কৰিছিল। তাৰ পিছত গোছল কৰিছিল। ইয়াৰ পিছত তেখেতে হাতেৰে চুলিবোৰ খিলাল কৰিছিল। যেতিয়া তেখেতে নিশ্চিত হৈছিল যে, পানী ছাল পৰ্যন্ত ঢুকি পাইছে তেতিয়া তেখেতে গোটেই শৰীৰত তিনিবাৰ পানী ঢালিছিল। তাৰ পিছত গোটেই শৰীৰত পানী ঢালিছিল। লগতে তেওঁ কৈছেঃ মই আৰু ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম একে পাত্ৰৰ পৰা পানীলৈ একেলগে গা ধুইছিলোঁ। [ছহীহ] - [(বুখাৰী)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জানাবতৰ গোছল কৰাৰ সময়ত প্ৰথমে দুয়োখন হাত ঘঁহি ঘঁহি ধুই লৈছিল। ইয়াৰ পিছত তেখেতে নামাজৰ অজুৰ দৰে অজু কৰিছিল। ইয়াৰ পিছত দুয়ো হাতেৰে মূৰৰ চুলিবোৰ খিলাল কৰিছিল। যেতিয়া তেখেতে নিশ্চিত হৈছিল যে, পানী ছালৰ গুৰিলৈকে ঢুকি পাইছে তেতিয়া তেখেতে মূৰত তিনিবাৰ পানী ঢালিছিল, ইয়াৰ পিছত গোটেই শৰীৰত পানী ঢালিছিল। এইখিনি বৰ্ণনা কৰাৰ পিছত আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ মই আৰু ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম এখন পাত্ৰৰ পৰাই পানীলৈ গোছল কৰিছিলোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গোছল দুই প্ৰকাৰঃ পৰ্যাপ্ত গোছল আৰু পৰিপূৰ্ণ গোছল। পৰ্যাপ্ত গোছল কোৱা হয়, কুলি আৰু নাক চাফ কৰি পৰিস্কাৰ পৰিচ্ছন্নতাৰ উদ্দেশ্যে গোটেই শৰীৰত পানী ঢালি গোছল কৰা। আনহাতে পৰিপূৰ্ণ গোছল হৈছে সেইদৰে গোছল কৰা, যিদৰে এই হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে গোছল কৰিছিল বুলি বৰ্ণিত হৈছে।

2. জানাবাত কোৱা হয় বীৰ্য স্খলিত হোৱা অৱস্থাক, যি উপায়েৰেই হওক। স্ত্ৰী সহবাসৰ কাৰণে হওক বা বেয়া সপোন দেখাৰ ফলত। আনহাতে স্ত্ৰীৰ সৈতে মিলন কৰাৰ পিছত বীৰ্যস্খলন নহ'লেও সেইটোক জানাবাত বুলি কোৱা হয়।

3. স্বামী স্ত্ৰীয়ে ইজনে সিজনৰ গোপন অংগত দৃষ্টিপাত কৰাত কোনো অসুবিধা নাই আৰু এইদৰে একে পাত্ৰৰ পৰা পানীলৈ একেলগে গোছল কৰাতো কোনো বাধা নাই।

(3316)

(127) – عَنْ عَمَّارِ بنِ ياسِرٍ رضي الله عنه قال: بَعَثَنِي رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِي حَاجَةٍ، فَأَجْنَبْتُ فَلَمْ أَجِدِ الْمَاءَ، فَتَمَرَّغْتُ فِي الصَّعِيدِ كَمَا تَمَرَّغُ الدَّابَّةُ ثُمَّ أَتَيْتُ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَذَكَرْتُ ذَلِكَ لَهُ فَقَالَ: «**إِنَّمَا كَانَ يَكْفِيكَ أَنْ تَقُولَ بِيَدَيْكَ هَكَذَا**» ثُمَّ ضَرَبَ بِيَدَيْهِ الْأَرْضَ ضَرْبَةً وَاحِدَةً، ثُمَّ مَسَحَ الشِّمَالَ عَلَى الْيَمِينِ، وَظَاهِرَ كَفَّيْهِ وَوَجْهَهُ. [صحيح] - [متفق عليه]

(127) – **আম্মাৰ বিন য়াছিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক কিবা কামত বাহিৰলৈ প্ৰেৰণ কৰিলে, (ভ্ৰমণ অৱস্থাতে) মোৰ ওপৰত গোছল ফৰজ হৈ পৰিল, কিন্তু পৱিত্ৰতা অৰ্জন কৰিবলৈ মই পানী বিচাৰি নাপালোঁ। ফলত মই মাটিত জন্তুৰ দৰে বাগৰি বাগৰি পৱিত্ৰতা অৰ্জনৰ চেষ্টা কৰিলোঁ। যেতিয়া মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিলোঁ তেতিয়া সেই বিষয়টো বৰ্ণনা কৰিলোঁ। তেখেতে ক'লেঃ "তুমি কেৱল নিজৰ দুই হাতেৰে এনেকৈ কৰিলেই যথেষ্ট আছিল।" তেখেতে দেখুৱাই দিবলৈ নিজৰ দুয়ো হাত মাটিত এবাৰ স্পৰ্শ কৰিলে, তাৰ পিছত ইটো হাতেৰে সিটো হাতৰ পৃষ্ঠভাগ মছেহ কৰিলে আৰু মুখমণ্ডল মছেহ কৰিলে।** [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

## ব্যাখ্যা:

এবাৰ আম্মাৰ বিন য়াছিৰ ৰাদ্বিয়াল্লাহু আনহুক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কিবা কামত ভ্ৰমণলৈ প্ৰেৰণ কৰিলে। তেওঁ সেই ভ্ৰমণতে জুনুবী হ'ল (অৰ্থাৎ তেওঁৰ ওপৰত গোছল ফৰজ হ'ল), বীৰ্য স্খলন হোৱাৰ ফলত। কিন্তু গোছল কৰিবলৈ তেওঁ পানী বিচাৰি নাপালে। গোছল ফৰজ হ'লে কেনেকৈ তায়াম্মুম কৰিব লাগে তেওঁ সেইটো জনা নাছিল। তেওঁ কেৱল অজু ভংগ হ'লে কৰিবলগীয়া তায়াম্মুমৰ বিধান সম্পৰ্কে অৱগত আছিল। গতিকে তেওঁ ইজতিহাদ কৰিলে যে, যিহেতু অজু ভংগ হোৱা অৱস্থাত তায়াম্মুম কৰিবলৈ কেৱল অজুৰ কেইটামান অংগ মছেহ কৰিব লাগে, তেনেহ'লে গোছল ফৰজ হ'লে হয়তো গোটেই শৰীৰত মাটি স্পৰ্শ কৰিব লাগিব। তেওঁ পানীৰ ওপৰত কিয়াছ কৰি

এইটো চিন্তা কৰিছিল। সেয়ে তেওঁ মাটিত বাগৰি বাগৰি শৰীৰত মাটি লগাইছিল আৰু তাৰ পিছত নামাজ পঢ়িছিল। ইয়াৰ পিছত তেওঁ যেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল, তেতিয়া তেখেতক সেই সম্পূৰ্ণ ঘটনা বিৱৰি ক'লে, যাতে তেওঁ জানিব পাৰে যে, সেইটো কৰা তেওঁৰ বাবে ঠিক হৈছে নে নাই? ঘটনা শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদাছে আচগাৰ (প্ৰস্ৰাৱ, পায়খানা আদি) আৰু হাদাছে আকবাৰ (গোছল ফৰজ হোৱা অৱস্থাৰ) পৰা পৱিত্ৰতা অৰ্জনৰ নিয়ম শিকাই দিলে যে, নিজৰ দুয়ো হাত মাটিত এবাৰ স্পৰ্শ কৰিব লাগে আৰু তাৰ পিছত ইটো হাতেৰে সিটো হাতৰ পৃষ্ঠভাগক মছেহ কৰিব লাগে আৰু মুখমণ্ডল মছেহ কৰিব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তায়াম্মুম কৰাৰ আগত পানী অনুসন্ধান কৰি চোৱাটো অনিবাৰ্য।
2. যদি পানী নাথাকে তেন্তে গোছল ফৰজ হ'লেও তায়াম্মুম কৰিব পাৰি।
3. অজুৰ পৰিবৰ্তে যিদৰে তায়াম্মুম কৰা হয়, গোছল ফৰজ হ'লেও সেইদৰেই তায়াম্মুম কৰিব লাগে।

(3461)

(128) – عَنْ المُغِيرَةِ رضي الله عنه قَالَ: كُنْتُ مَعَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِي سَفَرٍ، فَأَهْوَيْتُ لِأَنْزِعَ خُفَّيْهِ، فَقَالَ: «دَعْهُمَا، فَإِنِّي أَدْخَلْتُهُمَا طَاهِرَتَيْنِ» فَمَسَحَ عَلَيْهِمَا. [صحيح] - [متفق عليه]

(128) – মুগীৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এটা ভ্ৰমণত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ লগত আছিলোঁ। মই তেখেতৰ মোজা খুলিবলৈ হাত আগুৱাই দিলোঁ, তেতিয়া তেখেতে ক'লেঃ "ৰ'বা, মই এই দুখন অজু কৰি পিন্ধিছোঁ।" ইয়াৰ পিছত তেখেতে সেই মোজাৰ ওপৰত মছেহ কৰিলে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম কোনো এটা ভ্ৰমণত আছিল, সেই ভ্ৰমণতে তেখেতে অজু কৰাৰ সময়ত যেতিয়া ভৰি ধোৱাৰ পাল আহিল, তেতিয়া মুগীৰাহ বিন শ্‌বুবাই হাত আগবঢ়ালে তেখেতৰ মোজা খুলি দিবলৈ, যাতে তেখেতে ভৰি ধুব পাৰে। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ থৈ দিয়া নুখুলিবা, কাৰণ মই এই মোজা পিন্ধাৰ সময়ত অজু কৰি পিন্ধিছিলোঁ। ইয়াৰ পিছত তেখেতে ভৰি ধোৱাৰ পৰিবৰ্তে সেই মোজাৰ ওপৰতে মছেহ কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অজু কৰি মোজা পিন্ধিলে পুনৰ অজু কৰাৰ সময়ত সেই মোজাৰ ওপৰত মছেহ কৰিব পাৰি, এইটো চৰীয়ত সন্মত। কিন্তু যদি গোছল ওৱাজিব হয় তেন্তে মোজা খুলি ভৰি ধোৱাটো অনিবাৰ্য।
2. মছেহ কৰাৰ সময়ত ভৰি এবাৰ মছেহ কৰিলেই যথেষ্ট। হাতখন তিয়াই লৈ ভৰিৰ পৃষ্ঠভাগত মছেহ কৰিব লাগে, তলভাগত নহয়।
3. মছেহ কৰাৰ চৰ্ত হৈছে পিন্ধি থকা মোজাযোৰ পৰিপূৰ্ণ অজু কৰাৰ পিছত পিন্ধা হ'ব লাগিব। লগতে মোজাযোৰ পৱিত্ৰ হ'ব লাগিব আৰু ভৰিৰ যিখিনি অংশ ধোৱা ফৰজ সেইখিনি অংশক ঢাকি

ৰাখিব পৰা হ'ব লাগিব। এই মছেহ কেৱল হাদাছে আচগাৰ হ'লেহে কৰিব পাৰি, গোছল ওৱাজিব হ'লে মছেহ নচলিব। এইদৰে চৰীয়তে নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট সময়ৰ ভিতৰতেই হ'ব লাগিব আৰু সেই সময়সীমা হৈছে, মুক্কীমৰ বাবে এদিন এৰাতি, আৰু মুছাফিৰৰ বাবে তিনিদিন তিনিৰাতি।

4. মূল হৈছে চামৰাৰ মোজা, ইয়াৰ ওপৰতেই কিয়াছ কৰি প্ৰতিটো সেই মোজা ইয়াৰ অন্তৰ্ভুক্ত যিটোৱে ভৰিৰ পতাক সৰুগাঁঠিলৈকে ঢাকি ৰাখে। যেনে কাপোৰৰ মোজা আদি, সেইবোৰৰ ওপৰতো মছেহ কৰা জায়েজ।

5. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম চৰিত্ৰ আৰু তেখেতৰ সুন্দৰ শিক্ষা পদ্ধতিৰ উৎকৃষ্ট প্ৰমাণ যে, তেখেতে মুগীৰাক মোজা খুলি দিবলৈ নিষেধ কৰিলে, লগতে ইয়াৰ কাৰণো উল্লেখ কৰিলে যে, তেখেতে পৱিত্ৰ অৱস্থাত এই মোজাযোৰ পিন্ধিছে। যাতে মুগীৰা আশ্বস্ত হয় আৰু ইয়াৰ বিধানটোও গম পায়।

(3014)

(129) – عَنْ عَائِشَةَ أُمِّ المؤمنين رضي الله عنها أَنَّ فَاطِمَةَ بِنْتَ أَبِي حُبَيْشٍ سَأَلَتِ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَتْ: إِنِّي أُسْتَحَاضُ فَلاَ أَطْهُرُ، أَفَأَدَعُ الصَّلاَةَ؟ فَقَالَ: «لَا، إِنَّ ذَلِكِ عِرْقٌ، وَلَكِنْ دَعِي الصَّلاَةَ قَدْرَ الأَيَّامِ الَّتِي كُنْتِ تَحِيضِينَ فِيهَا، ثُمَّ اغْتَسِلِي وَصَلِّي». [صحيح] - [متفق عليه]

(129) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ দ্বাৰা বৰ্ণিত, ফাতিমা বিন্তে আবি হুবাইশ্বে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লে যে, মোৰ অতিমাত্ৰা ৰক্তক্ষৰণ হয়, পৱিত্ৰ হ'বই নোৱাৰোঁ। এনে অৱস্থাত মই নামাজ পৰিত্যাগ কৰিব পাৰিমনে? তেখেতে ক'লেঃ "নহয়, এইটো এটা সিৰাৰ তেজ। কেৱল সেই পৰিমাণ দিন নামাজ ত্যাগ কৰিবা যিমান পৰিমাণ দিন ইতিপূৰ্বে তোমাৰ হায়েজ হৈছিল। সেই কেইদিন পাৰ হোৱাৰ পিছত গোছল কৰিবা আৰু নামাজ পঢ়িবা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

ফাতিমা বিন্তে আবি হুবাইশ্ব ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলে যে, মোৰ ধাৰাবাহিকভাৱে ৰক্তক্ষৰণ হৈয়ে থাকে, বন্ধ হোৱাৰ নামেই নলয়। অৰ্থাৎ হায়েজৰ বাহিৰে অন্যান্য দিনতো ৰক্তক্ষৰণ হয়ে থাকে। গতিকে এইটোক মই হায়েজ হিচাপে মানি লৈ নামাজ ত্যাগ কৰিব পাৰিমনে? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাইক ক'লে যে, এইটো হায়েজ নহয়, ইস্তিহাজাৰ তেজ। এইটো হৈছে এক প্ৰকাৰ বেমাৰ, যিটো গৰ্ভাশয়ৰ সিৰা ফাটি যোৱাৰ ফলত ওলায়। গতিকে এইটো হায়েজৰ তেজ নহয়। এতেকে ইস্তিহাজা হোৱাৰ আগত যিটো সময়ত সাধাৰণতে তোমাৰ হায়েজ হৈছিল সেই সময়টো যেতিয়া আহিব তেতিয়া তুমি সেই পূৰ্বৱৰ্তী হায়েজ পৰিমাণ দিন গণনা কৰি সেই দিনবোৰত নামাজ ৰোজা ত্যাগ কৰিবা, কাৰণ হায়েজ অৱস্থাত এইবোৰ নিষেধ। যেতিয়া সেই পৰিমাণ দিন পাৰ হ'ব, তেতিয়া তুমি হায়েজৰ পৰা পৱিত্ৰ হোৱা বুলি বিবেচিত হ'বা। গতিকে তুমি তেজ

থকা ঠাইটো ভালকৈ ধুই ল'বা আৰু সম্পূৰ্ণ শৰীৰৰ পৰা নাপাকী দূৰ কৰাকৈ পৰিপূৰ্ণৰূপে গোছল কৰি ল'বা আৰু তাৰ পিছত নামাজ পঢ়িবা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হায়েজ শেষ হোৱাৰ পিছত নাৰীসকলৰ বাবে গোছল কৰা অনিবাৰ্য।
2. ইস্তিহাজাগ্ৰস্ত নাৰীৰ বাবে নামাজ পঢ়া অনিবাৰ্য।
3. হায়েজ হৈছে এক প্ৰকাৰ প্ৰাকৃতিক তেজস্ৰাৱ, যিটো এজনী প্ৰাপ্তবয়স্ক নাৰীৰ গৰ্ভাশয়ৰ পৰা লজ্জাস্থানৰ মাধ্যমত ওলাই আহে। এই তেজ নিৰ্দিষ্ট দিনত ওলায়।
4. ইস্তাহাজা হৈছে গৰ্ভাশয়ৰ নিম্নভাগৰ পৰা ওলোৱা এক প্ৰকাৰ অসাময়িক তেজস্ৰাৱ। এইটো গৰ্ভাশয়ৰ পৰা নোলায়।
5. হায়েজ আৰু ইস্তিহাজাৰ মাজৰ পাৰ্থক্যঃ হায়েজৰ তেজ ক'লা গাঢ় আৰু গোন্ধযুক্ত হয়, আনহাতে ইস্তিহাজাৰ তেজ হৈছে ক'লা, পাতল গোন্ধ নথকা তেজ।

(3029)

(130) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «إِذَا وَجَدَ أَحَدُكُمْ فِي بَطْنِهِ شَيْئًا، فَأَشْكَلَ عَلَيْهِ أَخَرَجَ مِنْهُ شَيْءٌ أَمْ لَا، فَلَا يَخْرُجَنَّ مِنَ الْمَسْجِدِ حَتَّى يَسْمَعَ صَوْتًا، أَوْ يَجِدَ رِيحًا». [صحيح] - [رواه مسلم]

(130) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যেতিয়া তোমালোকৰ মাজৰ কোনোবাই পেটৰ মাজত কিবা অনুভৱ কৰে, ইয়াৰ পিছত তাৰ মনত সন্দেহ হয় যে, কিবা ওলালেই নেকি। তেনেকুৱা ব্যক্তিয়ে কেতিয়াও মছজিদ ত্যাগ কৰা উচিত নহয়, যেতিয়ালৈকে সি কোনো শব্দ নুশুনিব অথবা গোন্ধ নাপাব।" [ছহীহ] - [মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, যদি কোনো মুচল্লীৰ পেটত কিবা অনুভৱ হোৱাৰ পিছত সি সন্দেহত পতিত হয় যে, কিবা ওলালেই নেকি? তেনেকুৱা ব্যক্তিয়ে কেৱলমাত্ৰ সন্দেহৰ বশৱৰ্তী হৈ নামাজ ভংগ কৰি পুনৰ অজু কৰাৰ প্ৰয়োজন নাই। কিন্তু হয়, যদি অজু ভংগ হৈছে বুলি সি নিশ্চিত হয় তেন্তে বিষয়টো সুকীয়া। অৰ্থাৎ যদি বায়ু ওলোৱাৰ শব্দ পায়, অথবা গোন্ধ পায়। কিয়নো সন্দেহৰ বশৱৰ্তী হৈ য়াক্বীনক নাকচ কৰিব নোৱাৰি। যিহেতু সি যে অজু কৰিছে এইটো নিশ্চিত, কিন্তু অজু ভংগ হৈছে নে নাই এইটোহে সন্দেহযুক্ত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটো হৈছে ইছলামৰ এটা মৌলিক বিষয়ৰ উৎস আৰু ফিকাহৰ এটা অন্যতম নীতি। সেয়া হৈছে এই যে, সন্দেহৰ বশৱৰ্তী হৈ কেতিয়াও য়াক্বীনক নাকচ কৰিব নোৱাৰি। মূল হৈছে পূৰ্বৱৰ্তী অৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত থকা, যেতিয়ালৈকে ইয়াৰ বিপৰীত কোনো বিষয় নিশ্চিত নহয়।

2. সন্দেহে কেতিয়াও পৱিত্ৰতাত প্ৰভাৱ পেলাব নোৱাৰে। সেয়ে মুচল্লীয়ে অজু ভংগ হোৱাৰ বিষয়ে নিশ্চিত নোহোৱালৈকে নিজৰ পৱিত্ৰতাৰ ওপৰতে নিশ্চিত থকা উচিত।

(65083)

(131) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: إِنَّ رَسُولَ اللهِ صلى الله عليه وسلم قَالَ: «إِذَا شَرِبَ الْكَلْبُ فِي إِنَاءِ أَحَدِكُمْ فَلْيَغْسِلْهُ سَبْعًا».

ولمسلم: «أولاهُنَّ بالتُّراب». [صحيح] - [متفق عليه]

(131) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ পাত্ৰৰ পৰা যদি কুকুৰে সেৱন কৰে তেন্তে সেই পাত্ৰটো সাতবাৰ ধুই ল'বা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

যদি কুকুৰে কোনো পাত্ৰত মুখ দিয়ে তেন্তে সেই পাত্ৰটোক সাতবাৰ ধুবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিৰ্দেশ দিছে। প্ৰথমে সেইটোক মাটিৰে ঘঁহিব দিছে, তাৰ পিছত পানীৰে ধুব লাগে। তেতিয়াহে পৰিপূৰ্ণৰূপে অপৱিত্ৰতাৰ পৰা আৰু অনিষ্টকৰ বীজাণুৰ পৰা পৰিষ্কাৰ হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কুকুৰৰ মুখৰ পানী অপৱিত্ৰ, ঘোৰ অপৱিত্ৰ।
2. কুকুৰে পাত্ৰ চেলেকিলেই অপৱিত্ৰ হৈ যায়, তাত থকা পানীও অপৱিত্ৰ হয়।

3. মাটিৰে  ঘঁহি সাতবাৰ ধুই পৰিষ্কাৰ কৰাটো হৈছে কেৱল কুকুৰে চেলেকাৰ সৈতে নিৰ্দিষ্ট। কিন্তু কুকুৰে প্ৰস্ৰাৱ কৰিলে বা কুকুৰৰ শৰীৰৰ অন্য কোনো অপৱিত্ৰতা এই পদ্ধতিৰে দূৰ নহয়।
4. মাটিৰে পাত্ৰটো পৰিষ্কাৰ কৰাৰ পদ্ধতি হৈছে, পাত্ৰটোত অকণমান পানী লৈ তাত মাটি দি ঘঁহি ঘঁহি পৰিষ্কাৰ কৰা।
5. সকলো প্ৰকাৰ কুকুৰ এই হাদীছৰ অন্তৰ্ভুক্ত। আনকি সেইবোৰ কুকুৰো ইয়াৰ অন্তৰ্ভুক্ত যিবোৰ লালন-পালন কৰাৰ অনুমতি চৰীয়তে প্ৰদান কৰিছে। যেনে- চিকাৰ কৰিবলৈ, পহৰা দিবলৈ ৰখা কুকুৰ, আৰু জীৱ-জন্তুৰ পালৰ সৈতে ৰখা কুকুৰ।
6. মাটিৰ সৈতে চাবোন শ্বেম্পু আদিৰ তুলনা নহয়। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মাটিৰে ঘঁহিবলৈ নিৰ্দেশ দিছে।

(3143)

(132) – عن عمر بن الخطاب رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِذَا قَالَ الْمُؤَذِّنُ: اللهُ أَكْبَرُ اللهُ أَكْبَرُ، فَقَالَ أَحَدُكُمْ: اللهُ أَكْبَرُ اللهُ أَكْبَرُ، ثُمَّ قَالَ: أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ، قَالَ: أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ، ثُمَّ قَالَ: أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللهِ، قَالَ: أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللهِ، ثُمَّ قَالَ: حَيَّ عَلَى الصَّلَاةِ، قَالَ: لَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللهِ، ثُمَّ قَالَ: حَيَّ عَلَى الْفَلَاحِ، قَالَ: لَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللهِ، ثُمَّ قَالَ: اللهُ أَكْبَرُ اللهُ أَكْبَرُ، قَالَ: اللهُ أَكْبَرُ اللهُ أَكْبَرُ، ثُمَّ قَالَ: لَا إِلَهَ إِلَّا اللهُ، قَالَ: لَا إِلَهَ إِلَّا اللهُ مِنْ قَلْبِهِ دَخَلَ الْجَنَّةَ». [صحيح] - [رواه مسلم]

(132) – **ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: যেতিয়া মুআজ্জিনে কয়ঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, তেতিয়া তোমালোকেও কোৱাঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ। ইয়াৰ পিছত যেতিয়া আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ কয়, তেতিয়া তোমালোকেও কোৱাঃ আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ। ইয়াৰ পিছত যেতিয়া আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ কয়, তেতিয়া তোমালোকেও কোৱাঃ আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ। ইয়াৰ পিছত যেতিয়া হাই আলাচ্ছালাহ কয়, তেতিয়া কোৱাঃ লা হাওলা অলা কুউৱাতা ইল্লা বিল্লাহ। ইয়াৰ পিছত যেতিয়া হাই আলাল ফালাহ কয়, তেতিয়াও কোৱাঃ লা হাওলা অলা কুউৱাতা ইল্লা বিল্লাহ। ইয়াৰ পিছত যেতিয়া আল্লাহু আকবাৰ, আল্লাহু আকবাৰ কয়, তেতিয়া তোমালোকেও কোৱাঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ। ইয়াৰ পিছত যেতিয়া লা ইলা-হা ইল্লাল্লাহ কয়, তেতিয়া তোমালোকেও কোৱাঃ লা ইলা-হা ইল্লাল্লাহ। যিয়ে আন্তৰিকতাৰে এই উত্তৰ প্ৰদান কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।** [ছহীহ] - [মুছলিম)]

**ব্যাখ্যা:**

আজান হৈছে মানুহক দিয়া এটা জাননী যে, নামাজৰ সময় হৈছে। আজানৰ শব্দবোৰত আক্বীদাৰ বিষয়খিনিকো সামৰি লোৱা হৈছে।

উক্ত হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, মুআজ্জিনে যিবোৰ বাক্য উচ্চাৰণ কৰে সেইবোৰ বাক্যৰ জৰিয়তেই আজানৰ উত্তৰ দিব লাগে। উদাহৰণস্বৰূপে মুআজ্জিনে যেতিয়া কয়ঃ "আল্লাহু আকবাৰ", তেতিয়া শ্ৰৱণকাৰীয়েও কোৱা উচিত "আল্লাহু আকবাৰ"। কেৱল হাই আলাচ্ছালাহ আৰু হাই আলাল ফালাহৰ উত্তৰত "লা হাওলা অলা কুউৱাতা ইল্লা বিল্লাহ" ক'ব লাগে।

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথাও উল্লেখ কৰিছে যে, যিয়ে আজানৰ উত্তৰ আন্তৰিকতাৰে দিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।

আজানৰ শব্দবোৰৰ অৰ্থঃ "আল্লাহু আকবাৰ"। অৰ্থাৎ সৰ্বশক্তিমান আল্লাহ আটাইতকৈ মহান, সৱাতোকৈ ডাঙৰ।

"আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ"। অৰ্থাৎ মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই।

"আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ"। অৰ্থাৎ মই আন্তৰিক আৰু মৌখিক স্বীকাৰোক্তি দিওঁ যে, মুহাম্মদ হৈছে আল্লাহৰ ৰাছুল। সৰ্বশক্তিমান আল্লাহে তেওঁক প্ৰেৰণ কৰিছে। তেখেতৰ আনুগত্য কৰা ওৱাজিব।

"হাই আলাচ্ছালাহ"। অৰ্থাৎ নামাজলৈ আহা। ইয়াৰ উত্তৰত শ্ৰৱণকাৰীয়ে ক'ব লাগেঃ "লা হাওলা অলা কুওৱাতা ইল্লা বিল্লাহ"। অৰ্থাৎ তেওঁৰ শক্তি অবিহনে আনুগত্যৰ পথত থকা বাধাৰ পৰা ৰক্ষা পোৱাৰ কোনো উপায় নাই, লগতে তেওঁৰ ক্ষমতা আৰু তাওফীক অবিহনে কোনো কাম কৰাৰো সামৰ্থ নাই।

"হাই আলাল ফালাহ"। অৰ্থাৎ সফলতাৰ ফালে আহা। সেয়া হৈছে জান্নাত লাভৰ সফলতা আৰু জাহান্নামৰ পৰা মুক্তি পোৱাৰ সফলতা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুআজ্জিনে যিবোৰ বাক্য কয় সেইবোৰ বাক্যৰ দ্বাৰাই উত্তৰ দিয়াৰ ফজিলত, কেৱল "হাই আলাচ্ছালাহ" আৰু "হাই আলাল ফালাহ"ৰ উত্তৰত ক'ব লাগে, "লা হাওলা অলা কুওৱাতা ইল্লা বিল্লাহ"।

(65086)

(133) – عَنْ عَبْدِ اللهِ بْنِ عَمْرِو بْنِ الْعَاصِ رضي الله عنهما أَنَّهُ سَمِعَ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «إِذَا سَمِعْتُمُ الْمُؤَذِّنَ فَقُولُوا مِثْلَ مَا يَقُولُ، ثُمَّ صَلُّوا عَلَيَّ، فَإِنَّهُ مَنْ صَلَّى عَلَيَّ صَلَاةً صَلَّى اللهُ عَلَيْهِ بِهَا عَشْرًا، ثُمَّ سَلُوا اللهَ لِيَ الْوَسِيلَةَ، فَإِنَّهَا مَنْزِلَةٌ فِي الْجَنَّةِ، لَا تَنْبَغِي إِلَّا لِعَبْدٍ مِنْ عِبَادِ اللهِ، وَأَرْجُو أَنْ أَكُونَ أَنَا هُوَ، فَمَنْ سَأَلَ لِيَ الْوَسِيلَةَ حَلَّتْ لَهُ الشَّفَاعَةُ». [صحيح] - [رواه مسلم]

(133) – আব্দুল্লাহ বিন আমৰ ইবনুল আচ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ তোমালোকে যেতিয়া মুআজ্জিনক আজান দিওঁতে শুনিবা, তেতিয়া মুআজ্জিনে যি যি কয় তোমালোকেও তাকেই ক'বা। ইয়াৰ পিছত মোৰ ওপৰত দৰূদ পাঠ কৰিবা। কাৰণ যিয়ে মোৰ ওপৰত এবাৰ দৰূদ পাঠ কৰে, তাৰ ওপৰত আল্লাহে দহটা ৰহমত অৱতীৰ্ণ কৰে। ইয়াৰ পিছত আল্লাহৰ ওচৰত তোমালোকে মোৰ বাবে অছীলাহ মাগিবা। অছীলাহ হৈছে জান্নাতৰ এটা বিশেষ স্থান, যিখন আল্লাহৰ কোনো এজন নেক বান্দাক দিয়া হ'ব। মই আশা কৰোঁ সেইজন ময়েই হম। যিয়ে মোৰ বাবে অছীলাহ মাগিব, তাৰ ওপৰত মোৰ শ্বাফাআত ওৱাজিব হৈ যাব। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, যিয়ে নামাজৰ আজান শুনিব, তেওঁ মুআজ্জিনৰ পিছে পিছে সেইখিনি কথাকে ক'ব লাগে যিখিনি কথা মুআজ্জিনে কয়, কেৱল হাই আলাচ্ছালাহ আৰু হাই আলাল ফালাহৰ বাহিৰে। কিয়নো ইয়াৰ পিছত "লা হাওলা অলা কুওৱাতা ইল্লা বিল্লাহ" ক'ব লাগে। আজান শেষ হোৱাৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত দৰূদ পঢ়িব লাগে। কাৰণ যিয়ে তেখেতৰ ওপৰত এবাৰ দৰূদ পাঠ কৰে, তাৰ ওপৰত

আল্লাহে দহটা ৰহমত বৰ্ষণ কৰে। এইদৰে বান্দাৰ প্ৰতি আল্লাহৰ চালাতৰ অৰ্থ হৈছে, আল্লাহে ফিৰিস্তাসকলৰ সন্মুখত বান্দাৰ প্ৰশংসা কৰে।

ইয়াৰ পিছত তেখেতে আল্লাহৰ ওচৰত তেখেতৰ বাবে অছীলাহ তলব কৰিবলৈ কৈছে। অছীলাহ হৈছে জান্নাতৰ এটা বিশেষ তথা সুউচ্চ স্থান। সেইখন কেৱলমাত্ৰ এজন বান্দাইহে লাভ কৰিব। তেখেতে কৈছে, আশা কৰোঁ সেইজন কিজানি ময়ে হম। এই কথাষাৰ তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে বিনয় সহকাৰে কৈছিল। কিয়নো সেই উচ্চ স্থান যদি কেৱল এজন বান্দাৰ বাবেই নিৰ্দিষ্ট হয়, তেন্তে সেইখন তেখেতৰ বাহিৰে আন কাৰো হ'বই নোৱাৰে, কাৰণ তেখেত হৈছে সকলো সৃষ্টিৰ মাজত সৰ্বোৎকৃষ্ট।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, যিয়ে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাবে অছীলাহ তলব কৰিব, তেওঁ তেখেতৰ শ্বাফাআত অৰ্জন কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আজানৰ উত্তৰ দিবলৈ উৎসাহিত কৰা হৈছে।
2. আজানৰ উত্তৰ দিয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি দৰূদ পাঠ কৰাৰ ফজিলত।
3. তেখেতৰ প্ৰতি দৰূদ পাঠ কৰাৰ পিছত তেখেতৰ বাবে অছীলাহ বিচাৰি দুআ কৰিবলৈ উৎসাহিত কৰা হৈছে।
4. অছীলাৰ অৰ্থ বৰ্ণনা কৰা হৈছে যে, এইখন হৈছে সুউচ্চ স্থান, যিখন কেৱলমাত্ৰ এজন বান্দাৰ বাবেই নিৰ্দিষ্ট।
5. ইয়াৰ দ্বাৰা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰো ফজিলত বৰ্ণিত হৈছে, কাৰণ এই সুউচ্চ স্থান তেখেতৰ বাবেই নিৰ্দিষ্ট ৰখা হৈছে।
6. যিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাবে অছীলাহ তলব কৰি প্ৰাৰ্থনা কৰে, তাৰ ওপৰত তেখেতৰ শ্বাফাআত ওৱাজিব হৈ যায়।

7. এইটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এক প্ৰকাৰ বিনয় যে, তেখেতে তেখেতৰ উম্মতিসকলক তেখেতৰ বাবে সেই সুউচ্চ স্থান বিচাৰি দুআ কৰিবলৈ নিৰ্দেশ দিছে। যদিও সেইখন তেখেতৰ বাবেই নিৰ্দিষ্ট কৰি ৰখা হৈছে।
8. আল্লাহৰ ফজল আৰু ৰহমত অপৰিসীম। সেয়ে প্ৰত্যেক নেকীৰ বিনিময় দহগুণ বৃদ্ধিকৈ প্ৰদান কৰে।

(65087)

(134) – عَنْ سَعْدِ بْنِ أَبِي وَقَّاصٍ رضي الله عنه عَنْ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ أَنَّهُ قَالَ: «مَنْ قَالَ حِينَ يَسْمَعُ الْمُؤَذِّنَ أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، رَضِيتُ بِاللهِ رَبًّا وَبِمُحَمَّدٍ رَسُولًا، وَبِالْإِسْلَامِ دِينًا، غُفِرَ لَهُ ذَنْبُهُ». [صحيح] - [رواه مسلم]

(134) – ছাআদ বিন আবি অক্কাচ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে মুআজ্জিনৰ আজান শুনি এই দুআটো পাঠ কৰে, তাৰ গুনাহ খাতা মাফ কৰি দিয়া হয়। أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، رَضِيتُ بِاللهِ رَبًّا وَبِمُحَمَّدٍ رَسُولًا، وَبِالْإِسْلَامِ دِينًا অৰ্থঃ মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই, আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল। মই সন্তুষ্ট হৈছোঁ আল্লাহক ৰব্ব হিচাপে পাই আৰু মুহাম্মদক নবী হিচাপে পাই, লগতে ইছলামক দ্বীন হিচাপে পাই।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কৈছে যে, যিয়ে মুআজ্জিনৰ আজান শুনি এই দুআ পাঠ কৰিবঃ "আশ্বহাদু আল লা ইলাহা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহু", ইয়াৰ ভাৱাৰ্থ হৈছে, মই পূৰ্ণ

বিশ্বাসৰ সৈতে সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁৰ বাহিৰে যিবোৰক উপাসনা কৰা হয় সেই সকলোবোৰ হৈছে বাতিল। "ওৱা আন্না মুহাম্মাদান আব্দুহু অৰাছুলুহ।" ইয়াৰ ভাৱাৰ্থ, মুহাম্মদ হৈছে এজন বান্দাহ, তেওঁক উপাসনা কৰা নাযাব। লগতে তেওঁ হৈছে এজন ৰাছুল, যাক অস্বীকাৰ কৰা নাযাব। "ৰাজীতু বিল্লাহি ৰাব্বান।" ইয়াৰ ভাৱাৰ্থ হৈছেঃ মই আল্লাহৰ ৰুবুবিয়্যত উলুহিয়্যত আছমা অচিফাত আদি স্বীকাৰ কৰিছোঁ, লগতে তেওঁক ৰব্ব হিচাপে পাই মই সন্তুষ্ট। "অবিমুহাম্মাদিন ৰাছুলান।" ইয়াৰ ভাৱাৰ্থ হৈছে, তেওঁক যি যি বিধান দিয়া হৈছে, যিটো আমালৈ তেওঁ পৌঁচাই দিছে, সেয়া পাই মই সন্তুষ্ট। "অবিল ইছলামি।" অৰ্থাৎ ইছলামৰ যাৱতীয় বিধি-বিধানৰ ওপৰত মই সন্তুষ্ট, আদেশমূলক হওক বা নিষেধমূলক। "দ্বীনান" অৰ্থাৎ দ্বীন হিচাপে পাই, বিশ্বাস আৰু পালন কৰি মই সন্তুষ্ট। "সেই ব্যক্তিৰ গুনাহসমূহ মাফ কৰি দিয়া হ'ব।" অৰ্থাৎ সৰু গুনাহবোৰ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আজান শুনি এই দুআটো পাঠ কৰিলে গুনাহ মাফ হয়।

(6272)

(135) – عَنْ جَابِرِ بْنِ عَبْدِ اللَّهِ رضي الله عنهما أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «مَنْ قَالَ حِينَ يَسْمَعُ النِّدَاءَ: اللَّهُمَّ رَبَّ هَذِهِ الدَّعْوَةِ التَّامَّةِ، وَالصَّلاَةِ القَائِمَةِ، آتِ مُحَمَّدًا الوَسِيلَةَ وَالفَضِيلَةَ، وَابْعَثْهُ مَقَامًا مَحْمُودًا الَّذِي وَعَدْتَهُ، حَلَّتْ لَهُ شَفَاعَتِي يَوْمَ القِيَامَةِ». [صحيح] - [رواه البخاري]

(135) – জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আজান শুনাৰ পিছত যিয়ে এই দুআ পাঠ কৰিবঃ اللَّهُمَّ رَبَّ هَذِهِ الدَّعْوَةِ التَّامَّةِ، وَالصَّلاَةِ القَائِمَةِ، آتِ مُحَمَّدًا الوَسِيلَةَ وَالفَضِيلَةَ، وَابْعَثْهُ مَقَامًا مَحْمُودًا الَّذِي وَعَدْتَهُ আল্লাহুম্মা ৰাব্বা হা-জিহিদ দা'ৱাতিত তা-ম্মাহ, অচ্ছালাতিল ক্বা-য়িমাহ, আ-তি মুহাম্মাদানিল অচীলাতা অল ফাজীলাহ। অবআছহু মাক্বা-মাম মাহমূদানিল লাজী ওৱা আত্তাহ। কিয়ামতৰ দিনা তাৰ বাবে মোৰ শ্বাফাআত ওৱাজিব হৈ পৰে।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, মুআজ্জিনে আজান দি শেষ কৰাৰ পিছত যিয়ে এই দুআটো পাঠ কৰিব, যাৰ অৰ্থ হৈছেঃ

হে আল্লাহ! এই পূৰ্ণাংগ (তাওহীদ আৰু ৰিছালতৰ) আহ্বান (অৰ্থাৎ আজান যিটোৰ দ্বাৰা মানুহক নামাজৰ পিনে আহ্বান কৰা হয়) আৰু প্ৰতিষ্ঠিত চালাতৰ প্ৰতিপালক। মুহাম্মদক অছীলাহ (জান্নাতৰ এটা সুউচ্চ স্থান, যিটো তেখেতৰ বাহিৰে আন কাকো দিয়া নহ'ব) আৰু ফজীলাহ (সকলো সৃষ্টিতকৈ অতিৰিক্ত মৰ্যাদা) প্ৰদান কৰা। লগতে তেখেতক মাকামে মাহমূদত (প্ৰশংসিত স্থানত) উপনীত কৰা, যাৰ প্ৰতিশ্ৰুতি তুমি তেখেতক দিছা (অৰ্থাৎ কিয়ামতৰ দিনা মহা শ্বাফাআতৰ অধিকাৰ)। কাৰণ মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ "আশা কৰা যায় তোমাৰ প্ৰতিপালকে তোমাক প্ৰতিষ্ঠিত কৰিব প্ৰশংসিত স্থানত।"

যিয়ে এই দুআ পাঠ কৰিব, কিয়ামতৰ দিনা তাৰ বাবে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ শ্বাফাআত ওৱাজিব হৈ পৰিব, তথা সেই ব্যক্তি শ্বাফাআতৰ উপযুক্ত হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুআজ্জিনৰ আজান শেষ হোৱাৰ পিছত এই দুআ পাঠ কৰিব লাগে। যিয়ে আজান শুনা নাই, তেওঁ ক'ব নালাগে।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ফজীলত যে, তেখেতক অছীলাহ আৰু ফজীলাহ, লগতে মাক্বামে মাহমূদ দান কৰা হ'ব। লগতে সৃষ্টিসকলৰ মাজত যেতিয়া ফয়চালা কৰা হ'ব তেতিয়া তেখেতক মহা শ্বাফাআত কৰাৰ অনুমতি প্ৰদান কৰা হ'ব।
3. ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ শ্বাফাআতৰ প্ৰমাণ। কাৰণ তেখেতে হাদীছটোত কৈছেঃ "কিয়ামতৰ দিনা তাৰ বাবে মোৰ শ্বাফাআত অনিবাৰ্য্য হৈ পৰিব।"
4. উম্মতৰ কাবীৰাহ গুনাহ কৰা ব্যক্তিসকলৰ হৈ তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে এই শ্বাফাআত কৰিব যাতে সিহঁতক জাহান্নামত প্ৰৱেশ কৰা নহয়, অথবা যিয়ে প্ৰৱেশ কৰিছে তাক উলিয়াই অনাৰ কাৰণে, নাইবা হিচাপ নোহোৱাকৈ জান্নাতত প্ৰৱেশ কৰাবলৈ বা যিয়ে জান্নাতত প্ৰৱেশ কৰিছে, তাৰ মৰ্যাদা উন্নীত কৰিবলৈ।
5. ত্বীবিয়ে কৈছে: আজানৰ শব্দ আৰম্ভণিৰ পৰা "মুহাম্মদাৰ ৰাছূলুল্লাহ" পৰ্যন্ত কথাখিনি হৈছে পূৰ্ণাংগ দাৱাত, আৰু "হাইয়া আলাচ্ছালাহ" হৈছে সেই প্ৰতিষ্ঠিত চালাত যাক "ইউক্বীমুনাচ্ছালাহ" (তেওঁলোকে নামাজ প্ৰতিষ্ঠা কৰে) বুলি উল্লেখ কৰা হৈছে। ইয়াত এইটোও সম্ভৱ যে, ইয়াত চালাতৰ অৰ্থ দুআও হ'ব পাৰে, আৰু "কায়িম"ৰ অৰ্থ হৈছে, এনেকুৱা কাম, যিটো সদায় নিয়মিতভাৱে কৰা হয়। এই দৃষ্টিকোণৰ পৰা "অচ্ছলাহ আল-

ক্বায়িমাহ, অৰ্থাৎ প্ৰতিষ্ঠিত চালাতৰ"  অৰ্থ হৈছে পূৰ্ণাংগ দাৱাতৰ স্পষ্ট বিৱৰণ। কিন্তু এইটোও সম্ভৱ যে, ইয়াত নামাজৰ দ্বাৰা, সেই পৰিচিত নামাজকে বুজোৱা হৈছে, যিটোৰ ফালে আহ্বান কৰি আজান দিয়া হৈছে। এইটোৱে বেছি স্পষ্ট।

6. মুহাল্লাবে কৈছেঃ হাদীছটোত নামাজৰ সময়ত দুআ কৰিবলৈ উৎসাহিত কৰা হৈছে। কাৰণ এই সময়ছোৱাত দুআ কবূল হোৱাৰ আশা বেছি থাকে।

(10635)

(136) – عَنْ أَنَسِ بْنِ مَالِكٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «الدُّعَاءُ لاَ يُرَدُّ بَيْنَ الأَذَانِ وَالإِقَامَةِ». [صحيح] - [رواه أبو داود والترمذي والنسائي]

(136) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "আজান আৰু ইক্বামতৰ মাজত কৰা দুআ প্ৰত্যাখ্যান কৰা নহয়।" [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত আজান আৰু ইক্বামতৰ মাজত কৰা দুআৰ ফজীলত উল্লেখ কৰিছে। কাৰণ এই সময়ত কৰা দুআ প্ৰত্যাখ্যান কৰা নহয় আৰু সোনকালে ইয়াৰ প্ৰতি সঁহাৰি দিয়া হয়। গতিকে এই সময়ছোৱাত বেছি বেছি দুআ কৰিব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই সময়ছোৱাৰ ফজীলত, দুআ কৰবলৈ এই সময়ছোৱা অত্যন্ত উপযুক্ত।

2. যদি দুআকাৰীয়ে দুআ কৰাৰ সকলো নিয়ম পালন কৰে, লগতে দুআ কৰাৰ ঠাই আৰু উত্তম সময়ত দুআ কৰে, এইদৰে আল্লাহৰ

অবাধ্যতাৰ পৰা বিৰত থাকে, সন্দেহ-সংশয়ৰ পৰা নিজকে আঁতৰাই ৰাখে আৰু আল্লাহৰ প্ৰতি ভাল ধাৰণা পোষণ কৰে, তেন্তে আল্লাহে বিচাৰিলে নিশ্চয় তাৰ দুআ কবূল হ'ব।

3. দুআ কবূল হোৱাৰ বিষয়ে মুনাৱী ৰাহিমাহুল্লাহে কৈছেঃ দুআৰ চৰ্তসমূহ, আৰকান আৰু আদাবসমূহ পালনৰ পিছতো যদি দুআ কবূল নহয়, তেন্তে নিজকেই ভৰ্ৎসনা কৰা উচিত, (কোৰণ ক'ৰবাত নহয় ক'ৰবাত নিজৰ ফালৰ পৰাই ত্ৰুটি হৈছে)।

4. দুআ কবুলৰ অৱস্থাঃ দুআ কৰিলে দুআ হয়তো লগে লগে কবুল হয়, নাইবা সেই অনুপাতে কোনো বিপদ দূৰ কৰি দিয়া হয়। অথবা সেইটো আখিৰাতৰ বাবে সঞ্চয় কৰি ৰখা হয়। এই প্ৰক্ৰিয়াটো হয় আল্লাহৰ হিকমত আৰু ৰহমত অনুসৰি।

(5479)

(137) – عن أبي هريرة رضي الله عنه قال: أَتَى النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ رَجُلٌ أَعْمَى، فَقَالَ: يَا رَسُولَ اللهِ، إِنَّهُ لَيْسَ لِي قَائِدٌ يَقُودُنِي إِلَى الْمَسْجِدِ، فَسَأَلَ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ أَنْ يُرَخِّصَ لَهُ فَيُصَلِّيَ فِي بَيْتِهِ، فَرَخَّصَ لَهُ، فَلَمَّا وَلَّى دَعَاهُ، فَقَالَ: «هَلْ تَسْمَعُ النِّدَاءَ بِالصَّلَاةِ؟» فَقَالَ: نَعَمْ، قَالَ: «فَأَجِبْ». [صحيح] - [رواه مسلم]

(137) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেখেতে কৈছেঃ এজন অন্ধ লোকে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি নিবেদন কৰিলে যে, হে আল্লাহৰ ৰাছুল! মোক মছজিদত লৈ আনিব পৰা কোনো মানুহ নাই। এতেকে সেই ব্যক্তিয়ে নিজৰ ঘৰত চালাত আদায় কৰিবলৈ আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত অনুমতি বিচাৰিলে। ফলত তেখেতেও তেওঁক অনুমতি প্ৰদান কৰিলে। কিন্তু যেতিয়া তেওঁ উভতি যাবলৈ ধৰিলে, তেতিয়া তেখেতে তেওঁক মাতি ক'লে, ‘‘তুমি আজান শুনা পোৱানে?’’ তেওঁ ক'লে, ‘হয়, শুনা পাওঁ।’ তেখেতে ক'লে, ‘‘তেনেহ'লে তুমি সঁহাৰি দিয়া।’’ [অৰ্থাৎ মছজিদলৈ আহি চালাত আদায় কৰা।] [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত উল্লেখ হৈছে যে, এজন দৃষ্টিহীন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! মোক সহায় কৰিব পৰা কোনো নাই, যিয়ে পাঁচ ওৱাক্ত নামাজৰ বাবে মোৰ হাতত ধৰি মোক মছজিদলৈ আনিব। সেয়ে তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত জামাতত নামাজ নপঢ়াৰ অনুমতি বিচাৰি আবেদন কৰিলে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামেও তেওঁ অনুমতি প্ৰদান কৰিলে। কিন্তু ব্যক্তিজন যেতিয়া উভতি যাব ধৰিলে তেতিয়া তেখেতে তেওঁক মাতি ক'লেঃ তুমি আজান শুনিব পাৰানে? তেওঁ ক'লেঃ হয়। এই কথা শুনি তেখেতে ক'লেঃ তেন্তে তুমি আজানৰ প্ৰতি সঁহাৰি প্ৰদান কৰি মছজিলৈ আহিব লাগিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জামাতত নামাজ পঢ়া ওৱাজিব। কিয়নো বাধ্যতামূলক তথা ওৱাজিব কামৰ বাবেহে অৱকাশৰ অনুমতি দিয়া হয়।
2. হাদীছটোত উল্লেখিত «فأجب» এই শব্দটোৰ দ্বাৰা বুজা যায় যে, আজান শুনিব পৰা প্ৰতিজন ব্যক্তিৰ বাবে জামাতত নামাজ আদায় কৰা ওৱাজিব। কাৰণ হুকুম বা আদেশ হৈছে ওৱাজিব হোৱাৰ প্ৰমাণ।

(11287)

(138) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّهُ سَمِعَ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «أَرَأَيْتُمْ لَوْ أَنَّ نَهَرًا بِبَابِ أَحَدِكُمْ يَغْتَسِلُ فِيهِ كُلَّ يَوْمٍ خَمْسًا، مَا تَقُولُ ذَلِكَ يُبْقِي مِنْ دَرَنِهِ؟» قَالُوا: لَا يُبْقِي مِنْ دَرَنِهِ شَيْئًا، قَالَ: «فَذَلِكَ مِثْلُ الصَّلَوَاتِ الخَمْسِ، يَمْحُو اللَّهُ بِهِ الخَطَايَا». [صحيح] - [متفق عليه]

(138) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ "কোৱাচোন! তোমালোকৰ কাৰোবাৰ ঘৰৰ সন্মুখত যদি এখন নদী থাকে আৰু সি যদি তাত দৈনিক পাঁচবাৰ গোছল কৰে, তেন্তে তাৰ শৰীৰত কোনো ময়লা থাকিবনে?" তেওঁলোকে ক'লে, তাৰ দেহত নিশ্চিতৰূপে কোনো ময়লা নাথাকিব। তেতিয়া তেখেতে ক'লেঃ "এইটোৱে হৈছে পাঁচ ওৱাক্ত নামাজৰ উদাহৰণ। ইয়াৰ মাধ্যমত আল্লাহে বান্দাৰ গুনাহসমূহ মচি দিয়ে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দিনে ৰাতি আদায় কৰা পাঁচ ওৱাক্ত নামাজক নদীত গোছল কৰাৰ সৈতে ৰিজাইছে, যিদৰে দৈনিক পাঁচবাৰ গোছল কৰিলে শৰীৰত কোনো ময়লা নাথাকে, ঠিক সেইদৰে

দৈনিক পাঁচ ওৱাক্ত নামাজ আদায় কৰিলে, বান্দাৰ সৰু গুনাহসমূহ মাফ হৈ যায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইয়াৰ ফলত কেৱল সৰু গুনাহবোৰহে মাফ হয়। আনহাতে ডাঙৰ গুনাহবোৰৰ বাবে তাওবা কৰা অনিবাৰ্য।
2. উক্ত হাদীছটোত পাঁচ ওৱাক্ত নামাজ, ইয়াৰ চৰ্তসমূহ, আৰকানসমূহ আৰু ওৱাজিবাতসমূহৰ লগতে ছুন্নতসমূহ সহকাৰে আদায় কৰাৰ ফজিলত বৰ্ণিত হৈছে।

(4968)

(139) – عَنْ عَبْدِ اللَّهِ بِن مَسْعُودٍ رضي الله عنه قَالَ: سَأَلْتُ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: أَيُّ العَمَلِ أَحَبُّ إِلَى اللَّهِ؟ قَالَ: «الصَّلاَةُ عَلَى وَقْتِهَا»، قَالَ: ثُمَّ أَيٌّ؟ قَالَ: «ثُمَّ بِرُّ الوَالِدَيْنِ» قَالَ: ثُمَّ أَيٌّ؟ قَالَ: «الجِهَادُ فِي سَبِيلِ اللَّهِ» قَالَ: حَدَّثَنِي بِهِنَّ، وَلَوِ اسْتَزَدْتُهُ لَزَادَنِي. [صحيح] - [متفق عليه]

(139) – আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু-ৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলোঁ- আল্লাহৰ দৃষ্টিত আটাইতকৈ পছন্দনীয় আমল কোনটো? তেখেতে ক'লেঃ "সময়মতে নামাজ আদায় কৰা।" তেওঁ ক'লেঃ ইয়াৰ পিছত কোনটো? তেখেতে ক'লেঃ "পিতৃ-মাতৃৰ সৈতে সদ্ব্যৱহাৰ কৰা।" তেওঁ ক'লেঃ তাৰ পিছত কোনটো? তেখেতে ক'লেঃ "আল্লাহৰ পথত জিহাদ কৰা।" তেওঁ কৈছেঃ তেখেতে মোক এইখিনি কথা কৈছে, মই যদি তেখেতক আৰু সুধিলোঁহেঁতেন তেন্তে তেখেতে আৰু ক'লেহেঁতেন। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সোধা হৈছে যে, আল্লাহৰ দৃষ্টিত আটাইতকৈ পছন্দনীয় আমল কোনটো? ইয়াৰ উত্তৰত তেখেতে কৈছেঃ চৰীয়তে নিৰ্ধাৰণ কৰা সময়ত ফৰজ নামাজসমূহ আদায় কৰা। ইয়াৰ পিছত হৈছে, পিতৃ-মাতৃৰ সৈতে সদ্ব্যৱহাৰ কৰা, তেওঁলোকৰ প্ৰাপ্য অধিকাৰ যথাযথভাৱে পালন কৰা, তেওঁলোকৰ অবাধ্যতা নকৰা। ইয়াৰ পিছত হৈছে আল্লাহৰ পতাকা সুউচ্চ ৰাখিবলৈ আল্লাহৰ পথত যুদ্ধ কৰা, তথা ইছলাম আৰু মুছলিমৰ হৈ প্ৰতিৰক্ষা কৰা আৰু ইছলামী নিদৰ্শনাৱলীৰ হিফাজত কৰা। এই প্ৰতিৰক্ষা সম্পদৰ দ্বাৰাও কৰিব লাগিব আৰু সশৰীৰেও কৰিব লাগিব।

ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ তেখেতে মোক এইবোৰ আমল সম্পৰ্কে জনাইছে। যদি মই পুনৰ ক'লোহেঁতেন যে, ইয়াৰ পিছত কোনটো? তেন্তে তেখেতে আৰু ক'লেহেঁতেন।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ পছন্দ অনুসৰি আমলৰ মাজতো স্তৰ আছে।
2. নেক আমলৰ স্তৰ অনুসৰি মুছলিমসকলক আমল কৰিবলৈ উৎসাহিত কৰা হৈছে।
3. আটাইতকৈ উত্তম আমল কোনটো, এই প্ৰশ্নটোৰ উত্তৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ব্যক্তি আৰু পৰিস্থিতি সাপেক্ষে বিভিন্নজনক বেলেগ বেলেগ উত্তৰ দিছে। যাৰ বাবে যিটো আমল বেছি উপকাৰী আছিল, তাৰ কাৰণে সেইটো আমলকে উত্তম বুলি কৈছিল।

(3365)

(140) – عَنْ عُثْمَانَ رضي الله عنه قَالَ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «مَا مِنَ امْرِئٍ مُسْلِمٍ تَحْضُرُهُ صَلَاةٌ مَكْتُوبَةٌ فَيُحْسِنُ وُضُوءَهَا وَخُشُوعَهَا وَرُكُوعَهَا، إِلَّا كَانَتْ كَفَّارَةً لِمَا قَبْلَهَا مِنَ الذُّنُوبِ، مَا لَمْ يُؤْتِ كَبِيرَةً، وَذَلِكَ الدَّهْرَ كُلَّهُ». [صحيح] - [رواه مسلم]

(140) – উছমান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "যিজন মুছলিমে ফৰজ নামাজৰ সময় হ'লে উত্তমভাৱে অজু কৰে, বিনয় আৰু ভয় সহকাৰে ৰুকূ কৰি চালাত আদায় কৰে, তাৰ এই আমল পূৰ্বৱৰ্তী গুনাহৰ কাফফাৰা হৈ যায়। যেতিয়ালৈকে সি কোনো কাবীৰাহ গুনাহ নকৰে। এইটো সদায় এনেকৈয়ে চলে।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, ফৰজ নামাজৰ সময় হোৱাৰ পিছত যিজন মুছলিমে সুন্দৰকৈ উত্তমভাৱে পৰিপূৰ্ণৰূপে অজু কৰে, আৰু তাৰ পিছত অন্তৰত ভয় আৰু

আশাৰে কিবলামুখী হৈ উপস্থিত মনেৰে আল্লাহৰ সন্মুখত থিয় হৈ নামাজ আদায় কৰে। লগতে নামাজৰ যাৱতীয় কৰ্ম পৰিপূৰ্ণৰূপে আদায় কৰে, তেন্তে তাৰ এই নামাজ পূৰ্বৱৰ্তী সকলো সৰু গুনাহৰ কাফফাৰা হৈ যায়। যদিহে সি কোনো কাবীৰাহ গুনাহ কৰা নাই। এইটো সকলো সময়তে আৰু প্ৰত্যেক নামাজৰ ক্ষেত্ৰতে প্ৰযোজ্য থাকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বান্দাৰ সেই নামাজ গুনাহৰ কাফফাৰাহ, যিটো নামাজ উত্তমভাৱে অজু কৰি আদায় কৰা হয়, লগতে ভয় আৰু আশাৰ সৈতে আল্লাহৰ সন্তুষ্টি অৰ্জনৰ উদ্দেশ্য পালন কৰা হয়।
2. ইবাদতৰ ক্ষেত্ৰত ধাৰাবাহিকতা বজায় ৰখাৰ গুৰুত্ব। এইটো হৈছে সৰু গুনাহ মাৰ্জনাৰ অন্যতম উপায়।
3. সুন্দৰভাৱে অজু কৰা আৰু খুশ্বু-খুজুৰ সৈতে উত্তমভাৱে নামাজ আদায় কৰাৰ ফজিলত।
4. সৰু গুনাহৰ পৰা মাৰ্জনা লাভৰ উদ্দেশ্যে ডাঙৰ গুনাহৰ পৰা বিৰত থকাৰ গুৰুত্ব।
5. কাবীৰাহ গুনাহ তাওবাহ অবিহনে মাফ নহয়।

(6254)

(141) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم كان يقول: «الصَّلَوَاتُ الْخَمْسُ، وَالْجُمُعَةُ إِلَى الْجُمُعَةِ، وَرَمَضَانُ إِلَى رَمَضَانَ، مُكَفِّرَاتٌ مَا بَيْنَهُنَّ إِذَا اجْتَنَبَ الْكَبَائِرَ».
[صحيح] - [رواه مسلم]

(141) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ পাঁচ ওৱাক্ত চালাত, এটা জুমু'আৰ পৰা আনটো জুমু'আ তথা এটা ৰামাজানৰ পৰা আনটো ৰামাজান, ইয়াৰ দ্বাৰা সেইবোৰ গুনাহৰ কাফফাৰা হয়, যিবোৰ ইয়াৰ মধ্যৱৰ্তী সময়ত হৈ থাকে, যদিহে কবীৰাহ গুনাহৰ পৰা বিৰত থকা হয়। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, দিনে ৰাতি পাঁচ ওৱাক্ত ফৰজ নামাজ পঢ়িলে আৰু প্ৰতি সপ্তাহত জুমাৰ চালাত আদায় কৰিলে, লগতে প্ৰতি বছৰ ৰমাজান মাহৰ ৰোজা ৰাখিলে, ইয়াৰ মধ্যৱৰ্তী সময়ছোৱাত যিবোৰ চাগীৰাহ বা সৰু গুনাহ হয় সেইবোৰ মাফ হৈ যায়, যদিহে ব্যক্তিজনে কাবীৰাহ বা ডাঙৰ গুনাহৰ পৰা বিৰত থাকে। আনহাতে ব্যভিচাৰ, মাদক দ্ৰব্য সেৱন আদিৰ দৰে কাবীৰাহ গুনাহবোৰ তাওবা নকৰাকৈ ক্ষমা নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গুনাহৰ শ্ৰেণী বিভাগ আছে, কিছুমান সৰু আৰু কিছুমান হৈছে ডাঙৰ।
2. ডাঙৰ গুনাহৰ পৰা আঁতৰি থাকিলেহে সৰু গুনাহবোৰ মাৰ্জিত হয়।
3. সেইবোৰ গুনাহক কাবীৰাহ গুনাহ বুলি কোৱা হয় যিবোৰ গুনাহৰ বাবে এই পৃথিৱীতেই শাস্তি নিৰ্ধাৰণ কৰা আছে, অথবা আখিৰাতত শাস্তি বা

4. তাৰ ওপৰত আল্লাহ অসন্তুষ্ট হ'ব বুলি সতৰ্কবাণী দিয়া হৈছে, নাইবা ভৰ্ৎসনা কৰা হৈছে অথবা কৰ্তাৰ প্ৰতি অভিশাপ কৰা হৈছে। যেনে- ব্যভিচাৰ, মাদক দ্ৰব্য সেৱন আদি।

(3591)

(142) – عَنْ أَنَسٍ رَضِيَ اللهُ عنه قَالَ: كَانَتْ عَامَّةُ وَصِيَّةِ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ حِينَ حَضَرَهُ الْمَوْتُ: «الصَّلَاةَ وَمَا مَلَكَتْ أَيْمَانُكُمْ، الصَّلَاةَ وَمَا مَلَكَتْ أَيْمَانُكُمْ»، حَتَّى جَعَلَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يُغَرْغِرُ بِهَا صَدْرُهُ، وَمَا يَكَادُ يُفِيضُ بِهَا لِسَانُهُ. [صحيح] - [رواه النسائي في السنن الكبرى وابن ماجه]

(142) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ মৃত্যুৰ সময়ত তেখেতৰ সাধাৰণ অচিয়ত আছিল এই যে, "নামাজ আদায় কৰিবা আৰু তোমালোকৰ অধিকাৰভুক্ত দাস-দাসীৰ সৈতে সদ্ব্যৱহাৰ কৰিবা। নামাজ আদায় কৰিবা আৰু তোমালোকৰ অধিকাৰভুক্ত দাস-দাসীৰ সৈতে সদ্ব্যৱহাৰ কৰিবা।" অৱশেষত তেখেতৰ শ্বাসকষ্ট আৰম্ভ হৈছিল, আৰু বাৰে বাৰে এই কথা কৈ আছিল, এটা সময়ত তেখেতৰ জিভা গোট খাই যোৱাৰ উপক্ৰম হৈছিল।" [ছহীহ] - []

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ মৃত্যুৰ সময়ত উম্মতৰ বাবে দিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ অচিয়তটো হৈছে, তোমালোকে নামাজক মজবুতভাৱে ধাৰণ কৰা, নিয়মিত নামাজ আদায় কৰা, নামাজৰ পৰা কেতিয়াও অৱহেলা নকৰিবা। লগতে তেখেতে এই উপদেশ দিছে যে, যিসকল দাস-দাসী আৰু কৰ্মচাৰী তোমালোকৰ অধীনত আছে, সিহঁতক সিহঁতৰ অধিকাৰ প্ৰদান কৰিবা, আৰু সিহঁতৰ সৈতে সদ্ব্যৱহাৰ কৰিবা। তেখেতে এইবোৰ কথা বাৰে বাৰে কৈ আছিল,

অৱশেষত তেখেতৰ প্ৰাণ কণ্ঠাগত হৈছিল আৰু শ্বাসকষ্ট আৰম্ভ হৈছিল আৰু জিভাৰে ভালকৈ উচ্চাৰণ কৰিব পৰা নাছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজৰ গুৰুত্ব অধিক, লগতে অধীনস্থ দাস-দাসীৰ অধিকাৰো অগ্ৰাধিকাৰপ্ৰাপ্ত। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ অন্তিম মূহুৰ্ততো এই উপদেশটো বাৰে বাৰে দি গৈছিল।
2. বান্দাসকলৰ ওপৰত আল্লাহৰ আটাইতকৈ ডাঙৰ অধিকাৰটো হৈছে নামাজ। এইদৰে সৃষ্টিৰ অধিকাৰৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ অধিকাৰটো হৈছে, বিশেষকৈ দুৰ্বলসকলৰ আৰু সেইসকল লোকৰ অধিকাৰ সোনকালে আদায় কৰিব লাগে যিসকল আমাৰ অধীনত থাকে, সন্তান সন্ততিৰ বাহিৰে।

(66359)

(143) – عن عمرو بن شُعيب عن أبيه عن جدِّه قال: قال رسولُ الله صلى الله عليه وسلم: «مُرُوا أولادكم بالصلاةِ وهم أبناءُ سبعِ سِنينَ، واضرِبوهم عليها وهم أبناءُ عَشرٍ، وفرِّقوا بينهم في المَضاجِعِ». [حسن] - [رواه أبو داود]

(143) – আমৰ বিন শ্বুআইবে তেওঁৰ পিতৃ (শ্বুআইব)ৰ পৰা আৰু তেওঁ শ্বুআইবৰ দাদা (আব্দুল্লাহ বিন আমৰ)ৰ পৰা বৰ্ণনা কৰিছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ সন্তানসকলৰ বয়স সাত বছৰ হ'লে সিহঁতক নামাজৰ শিক্ষা দিয়া, আৰু দহ বছৰ বয়সতো নামাজ নপঢ়িলে সিহঁতক প্ৰহাৰ কৰা। লগতে বিছনা পৃথক কৰি দিয়া।" [হাছান] - [(আবু দাঊদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, সন্তান, ল'ৰাই হওক বা ছোৱালী সাত বছৰ বয়স হোৱাৰ লগে লগে পিতৃয়ে সিহঁতক নামাজ পঢ়াৰ নিৰ্দেশ দিব লাগে, লগতে নামাজ আদায় কৰাৰ যাৱতীয় প্ৰয়োজনীয় বিষয়সমূহ শিকাব লাগে। আনহাতে দহ বছৰ বয়স হোৱাৰ পিছত নামাজত অৱহেলা কৰিলে বেত্ৰাঘাত কৰিব লাগে, আৰু বিছনা পৃথক কৰিব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. প্ৰাপ্তবয়স্ক হোৱাৰ আগতে সন্তানক দ্বীনৰ বিধি-বিধানসমূহ শিকাব লাগে, বিশেষকৈ নামাজৰ গুৰুত্বপূৰ্ণ বিধানসমূহ।
2. শাসনৰ উদ্দেশ্যে প্ৰহাৰ কৰিব লাগে, শাস্তি বিহাৰ উদ্দেশ্যে নহয়। গতিকে অৱস্থা অনুসৰি শাসন কৰিব লাগে।
3. চৰীয়তে মান-সন্মানো সংৰক্ষণ কৰিছে। লগতে প্ৰত্যেক সেই পথ বন্ধ কৰিছে, যি পথে মানুহক বিপথে পৰিচালিত কৰে।

(5272)

(144) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللهُ عنه سَمِعْتُ رَسُولَ اللهِ صلى الله عليه وسلم يَقُولُ: «قَالَ اللهُ تَعَالَى: قَسَمْتُ الصَّلَاةَ بَيْنِي وَبَيْنَ عَبْدِي نِصْفَيْنِ، وَلِعَبْدِي مَا سَأَلَ، فَإِذَا قَالَ الْعَبْدُ: {الْحَمْدُ لِلهِ رَبِّ الْعَالَمِينَ}، قَالَ اللهُ تَعَالَى: حَمِدَنِي عَبْدِي، وَإِذَا قَالَ: {الرَّحْمَنِ الرَّحِيمِ}، قَالَ اللهُ تَعَالَى: أَثْنَى عَلَيَّ عَبْدِي، وَإِذَا قَالَ: {مَالِكِ يَوْمِ الدِّينِ}، قَالَ: مَجَّدَنِي عَبْدِي، -وَقَالَ مَرَّةً: فَوَّضَ إِلَيَّ عَبْدِي-، فَإِذَا قَالَ: {إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِينُ}، قَالَ: هَذَا بَيْنِي وَبَيْنَ عَبْدِي وَلِعَبْدِي مَا سَأَلَ، فَإِذَا قَالَ: {اهْدِنَا الصِّرَاطَ الْمُسْتَقِيمَ، صِرَاطَ الَّذِينَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلا الضَّالِّينَ}، قَالَ: هَذَا لِعَبْدِي وَلِعَبْدِي مَا سَأَلَ». [صحيح] - [رواه مسلم]

(144) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "মহান আল্লাহে কৈছেঃ মই মোৰ আৰু মোৰ বান্দাৰ মাজত নামাজক দুই ভাগত ভাগ কৰি দিছোঁ। মোৰ বান্দাক সেইটোৱে প্ৰদান কৰিছোঁ যিটো সি বিচাৰে। বান্দাই যেতিয়া কয়ঃ (الْحَمْدُ لِلهِ رَبِّ الْعَالَمِينَ) তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই মোৰ প্ৰশংসা কৰিছে। এইদৰে যেতিয়া বান্দাই কয়ঃ (الرَّحْمَنِ الرَّحِيمِ) তেতিয়া মহান আল্লাহে কয়ঃ বান্দাই মোৰ গুণগান কৰি আছে। ইয়াৰ পিছত বান্দাই যেতিয়া কয়ঃ (مَالِكِ يَوْمِ الدِّينِ) তেতিয়া তেওঁ কয়ঃ বান্দাই মোক সন্মানেৰে ভূষিত কৰিছে। আৰু এবাৰ কয়ঃ বান্দাই মোৰ ওচৰত নিজকে সমৰ্পন কৰিছে। আৰু যেতিয়া বান্দাই কয়ঃ (إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِينُ) তেতিয়া তেওঁ কয়ঃ এইটো মোৰ আৰু মোৰ বান্দাৰ মাজতে সীমাবদ্ধ, বান্দাই যি বিচাৰে সেইটোৱে মই দিছোঁ। এইদৰে বান্দাই যেতিয়া কয়ঃ (اهْدِنَا الصِّرَاطَ الْمُسْتَقِيمَ، صِرَاطَ الَّذِينَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلا الضَّالِّينَ) তেতিয়া তেওঁ কয়ঃ এইটো কেৱল মোৰ বান্দাৰ বাবে, মোৰ বান্দাৰ বাবে সেইটোৱে আছে যিটো সি বিচাৰে।"
[ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহে হাদীছে কুদছীত কৈছেঃ নামাজত পঢ়িবলগীয়া ছুৰা ফাতিহাক মোৰ আৰু মোৰ বান্দাৰ মাজত মই দুভাগত বিভক্ত কৰি দিছোঁ। আধা হৈছে মোৰ বাবে আৰু আধা হৈছে মোৰ বান্দাৰ বাবে।

প্ৰথম অৰ্দ্ধেকত মহান আল্লাহৰ হাম্‌দ অ ছানা প্ৰশংসা গুণগান আৰু তেওঁৰ মৰ্যাদা আছে, আৰু এই কথা উল্লেখ আছে যে, তেওঁ ইয়াৰ উত্তম প্ৰতিদান দিব।

দ্বিতীয় অৰ্দ্ধেকত আছে, অনুনয় বিনয় আৰু দুআ, যিটো তেওঁ কবূল কৰে আৰু বান্দাই যি বিচাৰে সেইটোৱে মই প্ৰদান কৰোঁ।

এতেকে যেতিয়া মুচল্লীয়ে কয়ঃ (الحمد لله رب العالمين), তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই মোৰ প্ৰশংসা কৰিছে। এইদৰে যেতিয়া বান্দাই কয়ঃ (الرحمن الرحيم) তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই মোৰ গুণগান কৰিছে, তথা সৃষ্টিজগতৰ ওপৰত থকা মোৰ অনুগ্ৰহক স্বীকাৰ কৰিছে। ইয়াৰ পিছত বান্দাই যেতিয়া কয়ঃ (مالك يوم الدين) তেতিয়া মহান আল্লাহে কয়ঃ মোৰ বান্দাই মোক বিশাল সন্মানেৰে ভূষিত কৰিছে।

ইয়াৰ পিছত যেতিয়া কয়ঃ (إياك نعبد وإياك نستعين) তেতিয়া মহান আল্লাহে কয়ঃ এইটো মোৰ আৰু মোৰ বান্দাৰ মাজত বণ্টিত।

প্ৰথম অৰ্দ্ধেক এই আয়াত পৰ্যন্তঃ (إياك نعبد) ইয়াত এই কথা স্বীকাৰ কৰা হৈছে যে, একমাত্ৰ আল্লাহেই ইবাদতৰ যোগ্য আৰু তেৱেঁই ইবাদত কবূল কৰে। এই আয়াতৰ দ্বাৰাই প্ৰথম অৰ্দ্ধেক সমাপ্ত যিটো আল্লাহৰ বাবে নিৰ্দিষ্ট।

দ্বিতীয় অৰ্দ্ধেক যিটো বান্দাৰ বাবে নিৰ্দিষ্ট সেইটো ইয়াৰ পৰা আৰম্ভ হয়ঃ (وإياك نستعين) ইয়াৰ দ্বাৰা আল্লাহৰ ওচৰত সহায় প্ৰাৰ্থনা কৰা হয়, আৰু তেওঁ সহায়-সহযোগিতা কৰাৰ প্ৰতিশ্ৰুতিও দিছে।

আৰু যেতিয়া বান্দাই কয়ঃ (اهدنا الصراط المستقيم *صراط الذين أنعمت عليهم غير المغضوب عليهم ولا الضالين) তেতিয়া মহান আল্লাহে কয়ঃ এইটো হৈছে

মোৰ বান্দাৰ অনুনয় বিনয় আৰু দুআ, বান্দাই যি বিচাৰে সেইটোৱে মই দিম, মই তাৰ এই দুআ কবূল কৰিছোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ছুৰা আল-ফাতিহাৰ মহত্ত্ব, কাৰণ মহান আল্লাহে ইয়াক আচ্-ছালাহ নামেৰে নামকৰণ কৰিছে।
2. মহান আল্লাহে বান্দাসকলৰ প্ৰতি দিয়া গুৰুত্বৰ বৰ্ণনা। য'ত বান্দাই তেওঁৰ প্ৰশংসা গুনগাণ এইকাৰণে কৰে কাৰণ তেৱেঁই প্ৰশংসা আৰু গুণগানৰ যোগ্য, কিন্তু তথাপিও তেওঁ ইয়াৰ বিনিময়ত বান্দাক প্ৰত্যেক সেই বস্তু দিয়াৰ প্ৰতিশ্ৰুতি দিছে যিটো বান্দাই বিচাৰে।
3. এই ছুৰাটোত আল্লাহৰ প্ৰশংসা, কিয়ামতৰ স্মৰণ, আল্লাহৰ ওচৰত দুআ, নিৰ্ভেজাল ইবাদত, পোন পথৰ হিদায়ত বিচৰা আৰু বাতিল পন্থাৰ পৰা সতৰ্ক থকা আদি সকলো বিষয়কে সামৰি লোৱা হৈছে।
4. মুচল্লীয়ে নামাজত ছুৰা ফাতিহা তিলাৱত কৰাৰ সময়ত এই হাদীছটো মনত পেলোৱা উচিত, ইয়াৰ ফলত নামাজত খুশ্‌বু খুজু বৃদ্ধি হ'ব।

(65099)

(145) – عن بريدة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِنَّ الْعَهْدَ الَّذِي بَيْنَنَا وَبَيْنَهُمُ الصَّلَاةُ، فَمَنْ تَرَكَهَا فَقَدْ كَفَرَ». [صحيح] - [رواه الترمذي والنسائي وابن ماجه وأحمد]

(145) – বুৰাইদাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আমাৰ (মুছলিম) আৰু সিহঁতৰ (অমুছলিমৰ) মাজত (মুক্তিৰ) যি প্ৰতিশ্ৰুতি আছে, সেয়া হৈছে চালাত। এতেকে যিয়ে ইয়াক পৰিত্যাগ কৰে, সি কুফৰী কৰে। [ছহীহ] - [(তিৰমিজী, ইবনে মাজাহ, নাছায়ী, আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, মুছলিম আৰু অন্যান্য লোক যেনে- কাফিৰ মুনাফিক আদিৰ মাজত যি প্ৰতিশ্ৰুতি আছে সেইটো হৈছে নামাজ। যিয়ে এই নামাজ পৰিত্যাগ কৰে, সি কুফৰী কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজৰ মহত্ত্ব। কাৰণ এইটোৱে হৈছে মুমিন আৰু কাফিৰৰ মাজত পাৰ্থক্যকাৰী।
2. আভ্যন্তৰীণ অৱস্থাৰ পৰিবৰ্তে বাহ্যিক ইছলামিক বিধান পালনৰ প্ৰমাণ।

(65094)

(146) – عن جابرٍ رضي الله عنه قال: سمعت النبي صلى الله عليه وسلم يقول: «إِنَّ بَيْنَ الرَّجُلِ وَبَيْنَ الشِّرْكِ وَالْكُفْرِ تَرْكَ الصَّلَاةِ». [صحيح] - [رواه مسلم]

(146) – জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "বান্দা আৰু শ্বিৰ্ক তথা কুফৰৰ মাজত পাৰ্থক্য হৈছে চালাত পৰিত্যাগ কৰা।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ফৰজ নামাজ পৰিত্যাগ কৰাৰ পৰা সতৰ্ক কৰিছে। তেখেতে কৈছে যে, নামাজ পৰিত্যাগ কৰাটো হৈছে শ্বিৰ্ক আৰু কুফৰী কৰাৰ দৰে। নামাজ হৈছে ইছলামৰ দ্বিতীয় ৰুকন। ইছলামত ইয়াৰ গুৰুত্ব অধিক। যিয়ে ইয়াক অস্বীকাৰ কৰি পৰিত্যাগ কৰিব, মুছলিমসকলৰ ইজমা মতে সি হৈছে কাফিৰ। আনহাতে যিয়ে অৱহেলা কৰি পৰিত্যাগ কৰিব সি কুফৰী কৰিব। এই বিষয়ে চাহাবাসকলৰ পৰা ইজমা প্ৰমাণিত আছে। যদি ব্যক্তিয়ে কেতিয়াবা পঢ়ে আৰু কেতিয়াবা পৰিত্যাগ কৰে তেন্তে সি এই কঠোৰ সতৰ্কবাণীৰ অন্তৰ্ভুক্ত হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজৰ গুৰুত্ব অনুধাৱন কৰা আৰু ইয়াক সময় মতে আদায় কৰা অত্যন্ত জৰুৰী। কাৰণ এইটোৱে হৈছে ঈমান আৰু কুফৰৰ মাজত পাৰ্থক্যকাৰী।
2. নামাজ পৰিত্যাগ কৰাৰ পৰা কঠোৰভাৱে সতৰ্ক কৰা হৈছে।

(65093)

(147) – عن سالم بن أبي الجَعْدِ قال: قال رجل: ليتني صَلَّيتُ فاسترحْتُ، فكأنّهم عابُوا ذلك عليه، فقال: سمعتُ رسولَ الله صلى الله عليه وسلم يقول: «يا بلالُ، أَقِمِ الصَّلاةَ، أَرِحْنا بها». [صحيح] - [رواه أبو داود]

(147) – ছালিম বিন আবিল জাআদৰ পৰা বৰ্ণিত, এজনে ক'লে যে, হায়! মই যদি নামাজ পঢ়িলোঁহেঁতেন তেন্তে আৰাম অনুভৱ কৰিলোঁহেঁতেন। উপস্থিত লোকসকলে বিষয়টোক যেনিবা বেয়া বুলি ভাবিলে। তেতিয়া তেওঁ ক'লেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "হে বিলাল! নামাজৰ ইক্বামত দিয়া, আৰু ইয়াৰ দ্বাৰা আমাক আৰাম প্ৰদান কৰা।" [ছহীহ] - [(আবু দাঊদ)]

## ব্যাখ্যা:

চাহাবাসকলৰ মাজৰ কোনো এজন চাহাবীয়ে ক'লে যে, নামাজ পঢ়িলে কিজানি শান্তি অনুভৱ কৰিলোঁহেঁতেন। তেওঁৰ ওচৰে পাঁজৰে থকা লোকসকলে বিষয়টোক বেয়া অনুভৱ কৰিলে। তেতিয়া তেওঁ ক'লেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ হে বিলাল! আজান দিয়া আৰু নামাজৰ ইক্বামত দিয়া, যাতে আমি শান্তি অনুভৱ কৰিব পাৰোঁ। কাৰণ নামাজৰ দ্বাৰা আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা হয়, সেয়ে অন্তৰ আৰু ৰূহে আৰাম অনুভৱ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজৰ জৰিয়তে অন্তৰে প্ৰশান্তি লাভ কৰে, কাৰণ নামাজৰ দ্বাৰা আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা হয়।
2. সিহঁতৰ ধাৰণাক খণ্ডন কৰা, যিসকলে ইবাদতক বোজা বা কঠিন বুলি অনুভৱ কৰে।

3. নিজৰ ওপৰত থকা ওৱাজিবাত তথা অনিবাৰ্য্য দায়িত্বসমূহ যিয়ে পালন কৰে আৰু ইয়াৰ পৰা যেতিয়া তেওঁ দায়মুক্ত হৈ যায়, তেতিয়া তেওঁ শান্তি অনুভৱ কৰে।

(65095)

(148) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، إِذَا كَبَّرَ فِي الصَّلَاةِ، سَكَتَ هُنَيَّةً قَبْلَ أَنْ يَقْرَأَ، فَقُلْتُ: يَا رَسُولَ اللهِ بِأَبِي أَنْتَ وَأُمِّي أَرَأَيْتَ سُكُوتَكَ بَيْنَ التَّكْبِيرِ وَالْقِرَاءَةِ، مَا تَقُولُ؟ قَالَ «أَقُولُ: اللهُمَّ بَاعِدْ بَيْنِي وَبَيْنَ خَطَايَايَ كَمَا بَاعَدْتَ بَيْنَ الْمَشْرِقِ وَالْمَغْرِبِ، اللهُمَّ نَقِّنِي مِنْ خَطَايَايَ كَمَا يُنَقَّى الثَّوْبُ الْأَبْيَضُ مِنَ الدَّنَسِ، اللهُمَّ اغْسِلْنِي مِنْ خَطَايَايَ بِالثَّلْجِ وَالْمَاءِ وَالْبَرَدِ». [صحيح] - [متفق عليه]

(148) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাতৰ বাবে তাকবীৰ দিছিল, তেতিয়া তেখেতে কিৰাআত পাঠ কৰাৰ আগত কিছু সময় মৌন হৈ থাকিছিল। মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! মোৰ পিতৃ-মাতৃ আপোনাৰ প্ৰতি কুৰবান হওক, তাকবীৰ আৰু কিৰাআতৰ মাজত যিখিনি সময় আপুনি মৌন হৈ থাকে, সেইখিনি সময়ত আপুনি কি পাঠ কৰে? তেখেতে ক'লেঃ "মই এইটো পাঠ কৰোঁঃ আল্লাহুম্মা বায়িদ বাইনি অবাইনা খাত্বা-য়ায়া কামা বা-আত্তা বাইনাল মাশ্বৰিক্বি অল মাগৰিব। আল্লাহুম্মা নাক্বিনি মিন খাত্বা-য়ায়া কামা য়ুনাক্কাছ ছাউবুল আবয়াজু মিনাদ দানাছ। আল্লাহুম্মাগ ছিলনি মিন খাত্বা-য়ায়া বিছ ছালজি অল মা-য়ি অলবাৰাদ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাতৰ বাবে তাকবীৰ দিছিল, তেতিয়া তেখেতে ছুৰা আল-ফাতিহা পাঠ কৰাৰ আগত কিছু সময় মৌন হৈ থাকিছিল। সেইখিনি সময়ত তেখেতে কিছুমান দুআ পাঠ

কৰি চালাত আৰম্ভ কৰিছিল। এইখিনি সময়ত তেখেতে যিবোৰ দুআ পঢ়িছিল তাৰে অন্যতম হৈছেঃ "আল্লাহুম্মা বায়িদ বাইনি অবাইনা খাত্বা-য়ায়া কামা বা-আত্তা বাইনাল মাশ্বৰিক্বি অল মাগৰিব। আল্লাহুম্মা নাক্কিনি মিন খাত্বা-য়ায়া কামা য়ুনাক্কাছ ছাউবুল আবয়াজু মিনাদ দানাছ। আল্লাহুম্মাগ ছিলনি মিন খাত্বা-য়ায়া বিছ ছালজি অল মা-য়ি অলবাৰাদ।" তেখেতে সৰ্বশক্তিমান আল্লাহৰ ওচৰত এই বুলি দুআ কৰিছিল যে, মহান আল্লাহে যেন তেখেতৰ গুনাহ আৰু তেখেতৰ মাজত দূৰত্ব সৃষ্টি কৰি দিয়ে, যাতে তেখেত গুনাহত পতিত নহয়, ইমান দূৰত্ব হ'ব লাগে যাতে সাক্ষাৎ নহয়। যিদৰে পূব আৰু পশ্চিমৰ মাজত সাক্ষাৎ অসম্ভৱ। যদিও কেতিয়াবা গুনাহ হৈ যায় তেন্তে যাতে তেখেতক তাৰ পৰা পৰিষ্কাৰ কৰা হয়, যিদৰে বগা কাপোৰক ময়লাৰ পৰা পৰিষ্কাৰ কৰা হয়। তেওঁ যেন তেখেতৰ গুনাহসমূহক ধুই দিয়ে। আনকি গুনাহৰ উষ্ণতাক তেওঁ যেন পানী, বৰফ আৰু ঠাণ্ডা পানীৰে পৱিত্ৰ কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. উচ্চস্বৰে পঢ়া চালাত হ'লেও দুআ এ ইস্তিফতাহ (প্ৰাৰম্ভিক দুআ) মনে মনে পঢ়িব লাগে।

2. চাহাবায়ে কেৰাম ৰাদ্বিয়াল্লাহু আনহুম নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অৱস্থা আৰু গতি-বিধি সম্পৰ্কে জানিবলৈ অত্যন্ত আগ্ৰহী আছিল।

3. দুআয়ে ইস্তিফতাহ কেইবাটাও আছে। গতিকে এই ক্ষেত্ৰত উত্তম হৈছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত তথা প্ৰমাণিত সেই দুআবোৰ কেতিয়াবা ইটো আৰু কেতিয়াবা সিটো পাঠ কৰা উচিত।

(3104)

(149) – عَنِ ابْنِ عُمَرَ رضي الله عنهما: أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَانَ يَرْفَعُ يَدَيْهِ حَذْوَ مَنْكِبَيْهِ إِذَا افْتَتَحَ الصَّلاَةَ، وَإِذَا كَبَّرَ لِلرُّكُوعِ، وَإِذَا رَفَعَ رَأْسَهُ مِنَ الرُّكُوعِ، رَفَعَهُمَا كَذَلِكَ أَيْضًا، وَقَالَ: «سَمِعَ اللَّهُ لِمَنْ حَمِدَهُ، رَبَّنَا وَلَكَ الحَمْدُ»، وَكَانَ لاَ يَفْعَلُ ذَلِكَ فِي السُّجُودِ. [صحيح] - [متفق عليه]

(149) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাত আৰম্ভ কৰিছিল, তেতিয়া তেখেতে উভয় হাত কান্ধ পৰ্যন্ত উত্তোলন কৰিছিল। এইদৰে যেতিয়া ৰূকুৰ বাবে তাকবীৰ দিছিল আৰু ৰূকুৰ পৰা মূৰ তুলিছিল তেতিয়াও সেইদৰেই হাত উত্তোলন কৰিছিল। লগতে তেখেতে কৈছিলঃ "ছামিআল্লাহু লিমান হামিদাহ, ৰাব্বানা অলাকাল হাম্‌দ।" কিন্তু ছাজদাৰ সময়ত তেখেতে ৰাফউল য়াদাইন (হাত উত্তোলন) কৰা নাছিল। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চালাতৰ তিনিটা স্থানত হাত উত্তোলন কৰিছিল, কান্ধ পৰ্যন্ত অথবা কান্ধৰ ওপৰলৈকে। ঘাৰৰ কাষত থকা হাড় তথা বাহুৰ সংযোগস্থলক কান্ধ বোলে।

প্ৰথম স্থানঃ চালাতৰ আৰম্ভণিত তাকবীৰে তাহৰিমা কোৱাৰ সময়ত।

দ্বিতীয় স্থানঃ ৰূকুত যাবলৈ তাকবীৰ কোৱাৰ সময়ত।

তৃতীয় স্থানঃ ৰূকুৰ পৰা মূৰ উঠাওঁতে "ছামিআল্লাহু লিমান হামিদাহ ৰাব্বানা অলাকাল হাম্‌দ" কোৱাৰ সময়ত।

কিন্তু ছাজদাহ দিওঁতে অথবা ছাজদাৰ পৰা মূৰ উঠাওঁতে তেখেতে হাত উত্তোলন কৰা নাছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চালাতত ৰাফউল য়াদাইনৰ অন্যতম এটা হিকমত হৈছে, এইটো হৈছে চালাতৰ সৌন্দৰ্য্য আৰু মহান আল্লাহৰ মৰ্যাদাৰ নিদৰ্শন।

2. চতুৰ্থ আন এটা স্থানত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দুহাত উত্তোলন কৰা প্ৰমাণিত আছে। যেনে- আবু হুমাইদ আচ-ছায়িদীৰ সূত্ৰত আবু দাঊদে আৰু অন্যান্য মুহাদ্দিছসকলে বৰ্ণনা কৰিছে। সেই স্থানটো হৈছে, চাৰি ৰাকাত বা তিনি ৰাকাত বিশিষ্ট চালাতৰ প্ৰথম তাশ্বাহহুদৰ পৰা উঠি থিয় হোৱাৰ সময়ত।

3. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এইটোও প্ৰমাণিত যে, তেখেতে কাণ স্পৰ্শ নকৰাকৈ কাণৰ লতিলৈকে হাত উত্তোলন কৰিছিল। যেনে- বুখাৰী আৰু মুছলিমত মালিক ইবনুল হুৱাইৰিছৰ পৰা বৰ্ণিত আছে যে, "ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া তাকবীৰ দিছিল, তেতিয়া তেখেতে নিজৰ দুয়ো হাত কাণৰ লতি পৰ্যন্ত উত্তোলন কৰিছিল।"

4. "ছামিআল্লাহু লিমান হামিদাহ ৰাব্বানা অলাকাল হাম্‌দ" এই বাক্যটো কেৱল ইমাম আৰু অকলশৰীয়া নামাজীৰ বাবে নিৰ্দিষ্ট। আনহাতে মুক্তাদীয়ে কেৱল এইখিনি ক'লেই যথেষ্টঃ ৰাব্বানা অলাকাল হাম্‌দ।

5. ৰূকুৰ পিছত "ৰাব্বানা অলাকাল হাম্‌দ" পাঠ কৰাৰ চাৰিটা ধৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা সঠিক সূত্ৰত প্ৰমাণিত আছে। এইটো হৈছে তাৰেই এটা। গতিকে উত্তম হৈছে, কেতিয়াবা এইটো পাঠ কৰা আৰু কেতিয়াবা সেইটো পাঠ কৰা।

(3095)

(150) – عَنْ عُبَادَةَ بْنِ الصَّامِتِ رضي الله عنه أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لَا صَلَاةَ لِمَنْ لَمْ يَقْرَأْ بِفَاتِحَةِ الكِتَابِ». [صحيح] - [متفق عليه]

(150) – উবাদাহ বিন চামিত ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "সেই ব্যক্তিৰ নামাজ হোৱা নাই, যিয়ে নামাজত ছুৰা ফাতিহা পঢ়া নাই।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, নামাজত ছুৰা ফাতিহা নপঢ়াকৈ নামাজ শুদ্ধ নহয়। এইটো হৈছে নামাজৰ এটা ৰুকন, যিটো প্ৰত্যেক ৰাকাতেতে পাঠ কৰিব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ছুৰা ফাতিহা পাঠ কৰিবলৈ সক্ষম হোৱা সত্ত্বেও যিয়ে নামাজত ইয়াক পাঠ নকৰিব তাৰ নামাজ নহ'ব।
2. যি ৰাকাতত ছুৰা ফাতিহা পাঠ কৰা নাই, সেইটো বাতিল হ'ব। জানি বুজি হওক বা ভুলতে হওক। কাৰণ এইটো হৈছে ৰুকন। ৰুকন কেতিয়াও এৰা ধৰা নহয়।
3. মুক্তাদিয়ে যদি ইমামক ৰুকূ অৱস্থাত পায় তেন্তে ছুৰা ফাতিহা নপঢ়িলেও কোনো অসুবিধা নাই।

(5378)

(151) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه: أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ دَخَلَ المَسْجِدَ فَدَخَلَ رَجُلٌ، فَصَلَّى، فَسَلَّمَ عَلَى النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَرَدَّ وَقَالَ: «**ارْجِعْ فَصَلِّ، فَإِنَّكَ لَمْ تُصَلِّ**»، فَرَجَعَ يُصَلِّي كَمَا صَلَّى، ثُمَّ جَاءَ، فَسَلَّمَ عَلَى النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَقَالَ: «ارْجِعْ فَصَلِّ، فَإِنَّكَ لَمْ تُصَلِّ» ثَلاَثًا، فَقَالَ: وَالَّذِي بَعَثَكَ بِالحَقِّ مَا أُحْسِنُ غَيْرَهُ، فَعَلِّمْنِي، فَقَالَ: «**إِذَا قُمْتَ إِلَى الصَّلاَةِ فَكَبِّرْ، ثُمَّ اقْرَأْ مَا تَيَسَّرَ مَعَكَ مِنَ القُرْآنِ، ثُمَّ ارْكَعْ حَتَّى تَطْمَئِنَّ رَاكِعًا، ثُمَّ ارْفَعْ حَتَّى تَعْدِلَ قَائِمًا، ثُمَّ اسْجُدْ حَتَّى تَطْمَئِنَّ سَاجِدًا، ثُمَّ ارْفَعْ حَتَّى تَطْمَئِنَّ جَالِسًا، وَافْعَلْ ذَلِكَ فِي صَلاَتِكَ كُلِّهَا**». [صحيح] - [متفق عليه]

(151) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মছজিদত প্ৰৱেশ কৰিলে আৰু তেখেতৰ লগত আৰু এজন ব্যক্তিয়ে প্ৰৱেশ কৰিলে। সেই ব্যক্তিজনে নামাজ পঢ়ি আহি নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ছালাম কৰিলে। তেখেতে ছালামৰ উত্তৰ দি ক'লেঃ "যোৱা নামাজ পঢ়াগৈ, তোমাৰ নামাজ হোৱা নাই।" সেই ব্যক্তিজন উভতি গৈ পুনৰ আগৰ দৰে নামাজ পঢ়িলে। ইয়াৰ পিছত আহি নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ছালাম কৰিলে। তেখেতে আকৌ ক'লেঃ "যোৱা নামাজ পঢ়াগৈ, তোমাৰ নামাজ হোৱা নাই।" এনেকৈ তিনিবাৰ পুনৰাবৃত্তি হোৱাৰ পিছত, ব্যক্তিজনে ক'লেঃ সেই সত্ত্বাৰ শপত, যিয়ে আপোনাক সত্য সহকাৰে প্ৰেৰণ কৰিছে, মই ইয়াতকৈ আৰু অধিক সুন্দৰভাৱে পঢ়িব নোৱাৰোঁ। এতেকে আপুনিয়ে মোক শিকাই দিয়ক। তেতিয়া তেখেতে ক'লেঃ "যেতিয়া তুমি নামাজত থিয় হ'বা তেতিয়া তাকবীৰ দিবা। ইয়াৰ পিছত নিজৰ সাধ্যানুযায়ী কোৰআন তিলাৱত কৰিবা। ইয়াৰ পিছত ৰুকু কৰিবা আৰু ধীৰস্থিৰভাৱে ৰুকু কৰিবা। ইয়াৰ পিছত ৰুকুৰ পৰা মূৰ তুলি পৰিপূৰ্ণৰূপে পোনহৈ থিয় দিবা। তাৰ পিছত ছাজদাহ কৰিবা আৰু শান্ত হৈ ধীৰ স্থিৰভাৱে ছাজদাহ কৰিবা। তাৰ পিছত ছাজদাৰ পৰা মূৰ তুলি শান্তহৈ বহিবা। এইদৰে তুমি সম্পূৰ্ণ নামাজতে কৰিবা।" [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মছজিদত প্ৰৱেশ কৰিলে। তেখেতৰ পিছতে আৰু এজন লোক প্ৰৱেশ কৰিলে। সেই ব্যক্তিজনে লৰালৰিকৈ দুই ৰাকাত নামাজ পঢ়িলে। কিন্তু সেই ব্যক্তিজনে ৰূকু ছাজদা আৰু কিয়াম ধীৰস্থিৰে কৰা নাছিল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ব্যক্তিজনৰ নামাজ প্ৰত্যক্ষ কৰি আছিল। ব্যক্তিজনে নামাজ শেষ কৰি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল, তেখেত মছজিদতে বহি আছিল, আহি তেখেতক ছালাম কৰিলে আৰু তেখেতে ছালামৰ উত্তৰ দিলে, লগতে তাক ক'লেঃ তুমি উভতি যোৱা, পুনৰ নামাজ পঢ়াগৈ। কাৰণ তুমি নামাজ পঢ়া নাই। সি উভতি গৈ পুনৰ খৰখেদাকৈ নামাজ পঢ়িলে যিদৰে পূৰ্বে পঢ়িছিল। ইয়াৰ পিছত আকৌ ঘূৰি আহি নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ছালাম কৰিলে। তেখেতে তাক আকৌ ক'লেঃ তুমি উভতি যোৱা, নামাজ পঢ়াগৈ। কাৰণ তুমি নামাজ পঢ়া নাই। এনেকৈ তিনিবাৰ হোৱাৰ পিছত, ব্যক্তিজনে ক'লেঃ সেই সত্ত্বাৰ শপত, যিয়ে আপোনাক সত্য সহকাৰে প্ৰেৰণ কৰিছে, ইয়াতকৈ সুন্দৰভাৱে নামাজ পঢ়াটো মোৰ পক্ষে সম্ভৱ নহয়। গতিকে আপুনি মোক শিকাই দিয়ক। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে তাক ক'লেঃ যেতিয়া তুমি নামাজত থিয় হ'বা, তেতিয়া তাকবীৰে তাহৰীমা দি আল্লাহু আকবাৰ বুলি ক'বা। ইয়াৰ পিছত ছুৰা ফাতিহাৰ পিছত সাধ্যানুযায়ী কোৰআন তিলাৱত কৰিবা। ইয়াৰ পিছত ধীৰস্থিৰে ৰূকু কৰিবা, ৰূকুত পিঠি সমতল ৰাখিবা, হাতেৰে ভালকৈ আঁঠু খামুচি ধৰিবা। তাৰ পিছত ৰূকুৰ পৰা উঠি পোন হৈ থিয়া হ'বা, যাতে প্ৰতিটো হাড়ে নিজ নিজ স্থান গ্ৰহণ কৰে, আৰু তুমি শান্ত হৈ পোনহৈ থিয় হ'বা। ইয়াৰ পিছত ছাজদাহ কৰিবা ধীৰস্থিৰভাৱে। ছাজদাত যাতে তোমাৰ কপাল আৰু নাক ছাজদাৰ ঠাই স্পৰ্শ কৰে, এইদৰে তোমাৰ দুয়ো হাত, দুয়ো আঁঠু আৰু দুয়ো ভৰিৰ আঙুলিবোৰ মাটিত স্পৰ্শ কৰে। ইয়াৰ পিছত মূৰ তুলি দুই ছাজদাৰ মাজত শান্ত হৈ বহিবা। এইদৰে তুমি নামাজৰ প্ৰতিটো ৰাকাততে কৰিবা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এইবোৰ হৈছে নামাজৰ আৰকান। ভুলতে হওক বা নাজানি কোনো পধ্যেই এইবোৰ এৰিব নালাগে। কাৰণ তেখেতে সেই ব্যক্তিজনক পুনৰ নামাজ পঢ়িবলৈ কৈছিল। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কেৱল শিকি লোৱাকে যথেষ্ট বুলি গণ্য কৰা নাছিল, বৰং পুনৰ পঢ়িবলৈ কৈছিল।
2. নামাজৰ প্ৰতিটো ৰুকনতে ধীৰস্থিৰতা অনিবাৰ্য্য।
3. ইমাম নাৱাৱীয়ে কৈছেঃ ইয়াৰ দ্বাৰা বুজা যায় যে, নামাজৰ ওৱাজিবাতত ক্ৰুটি হ'লে নামাজ শুদ্ধ নহয়।
4. ইমাম নাৱাৱীয়ে কৈছেঃ ইয়াৰ দ্বাৰা এইটোও বুজা যায় যে, শিক্ষাৰ্থী আৰু অজ্ঞ লোকৰ সৈতে নম্ৰ ব্যৱহাৰ কৰিব লাগে আৰু তাক স্পষ্টৰূপে বিষয়টো বুজাই দিব লাগে। মুখ্য উদ্দেশ্যৰ সাৰমৰ্ম বুজাই দিব লাগে। তাৰ পৰিস্থিতি অনুসৰি কেৱল গুৰুত্বপূৰ্ণ বিষয়বোৰ জনাব লাগে। আঁতি-গুৰি মাৰি কোৱাৰ প্ৰয়োজন নাই, যিবোৰ সি মনত ৰাখিবও নোৱাৰিব আৰু পালন কৰিবও নোৱাৰিব।
5. ইমাম নাৱাৱীয়ে কৈছেঃ ইয়াত এই কথাও স্পষ্ট হয় যে, যদি মুফতীক এনেকুৱা কোনো বিষয়ে প্ৰশ্ন কৰা হয়, যিটোতকৈ অধিক গুৰুত্বপূৰ্ণ বেলেগ আৰু এটা বিষয় পৰিলক্ষিত হয়, যিটোৰ বিষয়ে প্ৰশ্ন কৰা হোৱা নাই, তেন্তে মুফতীয়ে সেই বিষয়টোও উল্লেখ কৰা উচিত। এইটো হৈছে সৎপৰামৰ্শৰ অন্তৰ্ভুক্ত, কোনো অপ্ৰয়োজনীয় কথা নহয়।
6. দোষ স্বীকাৰ কৰাৰ গুৰুত্ব। সেই ব্যক্তিজনে কৈছিলঃ "মই ইয়াতকৈ অধিক উত্তমৰূপে পঢ়িব নোৱাৰোঁ, গতিকে আপুনি মোক শিকাই দিয়ক।"

7. ইবনু হাজাৰে কৈছেঃ ইয়াত সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধ কৰা হৈছে, লগতে শিক্ষাৰ্থীয়ে শিক্ষকক শিকাই দিবলৈ অনুৰোধ কৰাৰ কথা উল্লেখ হৈছে।

8. সাক্ষাৎ হ'লে ছালাম কৰিব লাগে। ছালামৰ উত্তৰ প্ৰদান কৰা অনিবাৰ্য্য। আনকি বাৰে বাৰে লগ পালেও বাৰে বাৰে ছালাম কৰিব লাগে, যদিও ক্ষন্তেক সময়ৰ ভিতৰতে হওক। লগতে প্ৰত্যেক বাৰেই ছালামৰ উত্তৰ দিয়া ওৱাজিব।

(3185)

(152) – عن أَبِي هُرَيْرَةَ رضي الله عنه: أنه كَانَ يُكَبِّرُ فِي كُلِّ صَلَاةٍ مِنَ الْمَكْتُوبَةِ وَغَيْرِهَا، فِي رَمَضَانَ وَغَيْرِهِ، فَيُكَبِّرُ حِينَ يَقُومُ، ثُمَّ يُكَبِّرُ حِينَ يَرْكَعُ، ثُمَّ يَقُولُ: سَمِعَ اللهُ لِمَنْ حَمِدَهُ، ثُمَّ يَقُولُ: رَبَّنَا وَلَكَ الْحَمْدُ، قَبْلَ أَنْ يَسْجُدَ، ثُمَّ يَقُولُ: اللهُ أَكْبَرُ حِينَ يَهْوِي سَاجِدًا، ثُمَّ يُكَبِّرُ حِينَ يَرْفَعُ رَأْسَهُ مِنَ السُّجُودِ، ثُمَّ يُكَبِّرُ حِينَ يَسْجُدُ، ثُمَّ يُكَبِّرُ حِينَ يَرْفَعُ رَأْسَهُ مِنَ السُّجُودِ، ثُمَّ يُكَبِّرُ حِينَ يَقُومُ مِنَ الْجُلُوسِ فِي الِاثْنَتَيْنِ، وَيَفْعَلُ ذَلِكَ فِي كُلِّ رَكْعَةٍ، حَتَّى يَفْرُغَ مِنَ الصَّلَاةِ، ثُمَّ يَقُولُ حِينَ يَنْصَرِفُ: وَالَّذِي نَفْسِي بِيَدِهِ، إِنِّي لَأَقْرَبُكُمْ شَبَهًا بِصَلَاةِ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، إِنْ كَانَتْ هَذِهِ لَصَلَاتَهُ حَتَّى فَارَقَ الدُّنْيَا. [صحيح] - [متفق عليه]

(152) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰমাজান মাহৰ চালাত বা আন কোনো মাহৰ চালাত ফৰজ হওক বা বেলেগ কোনো চালাত, প্ৰত্যেক চালাততে তেওঁ তাকবীৰ দিছিল। প্ৰথমে থিয় হোৱাৰ সময়ত তাকবীৰ দিছিল। ইয়াৰ পিছত ৰুকু কৰাৰ সময়ত তাকবীৰ দিছিল। (আকৌ ৰুকুৰ পৰা উঠোঁতে) ছামি আল্লাহু লিমান হামিদাহ কৈছিল। ইয়াৰ পিছত ৰুকুত যোৱাৰ আগতেই ৰাব্বানা অলাকাল হাম্দ পাঠ কৰিছিল। ইয়াৰ পিছত আল্লাহু আকবাৰ কৈ ছাজদাহ কৰিছিল। আকৌ ছাজদাৰ পৰা উঠোঁতে আল্লাহু আকবাৰ কৈছিল। পুনৰ ছাজদাহ কৰোঁতে আল্লাহু আকবাৰ কৈছিল, আকৌ ছাজদাৰ পৰা উঠোঁতে আল্লাহু আকবাৰ কৈছিল। দুই ৰাকাত শেষ কৰি বৈঠকৰ পৰা তৃতীয় ৰাকাতৰ বাবে উঠিবলৈও আল্লাহু আকবাৰ কৈছিল। এইদৰেই তেওঁ চালাত শেষ নোহোৱালৈকে প্ৰত্যেক ৰাকাততে তাকবীৰ দিছিল। চালাত শেষ কৰি তেওঁ কৈছিলঃ সেই সত্ত্বাৰ শপত, যাৰ হাতত মোৰ প্ৰাণ আছে, তোমালোকতকৈ মোৰ চালাত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ চালাতৰ সৈতে অধিক সাদৃশ্যপূৰ্ণ। পৃথিৱীৰ পৰা বিদায় লোৱাৰ সময় পৰ্যন্ত এইটোৱে আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চালাতৰ পদ্ধতি। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চালাতৰ পদ্ধতিৰ এটা অংশ বৰ্ণনা কৰিছে। তেওঁ কৈছে যে, তেখেতে চালাতৰ বাবে থিয় হৈ প্ৰথমে তাকবীৰে তাহৰীমা দিছিল। ইয়াৰ পিছত ৰুকু কৰোঁতেও তাকবীৰ দিছিল, লগতে ছাজদাহ কৰোঁতে আৰু ছাজদাৰ পৰা উঠোঁতেও তাকবীৰ দিছিল। এইদৰে দ্বিতীয় ছাজদাহ দিয়াৰ সময়ত আৰু দ্বিতীয় ছাজদাৰ পৰা উঠোঁতেও তাকবীৰ দিছিল। এইদৰে তিনি বা চাৰি ৰাকাত বিশিষ্ট চালাতত প্ৰথম তাশ্বাহহুদৰ পৰা তৃতীয় ৰাকাতৰ বাবে উঠোঁতেও তাকবীৰ দিছিল। এইদৰেই তেখেতে প্ৰত্যেক ৰাকাততে তাকবীৰ দি চালাত সম্পন্ন কৰিছিল। তেখেতে ৰুকুৰ পৰা উঠোঁতে ছামি আল্লাহু লিমান হামিদাহ কৈছিল, লগতে থিয় হৈ থকা অৱস্থাতে কৈছিল, ৰাব্বানা লাকাল হাম্‌দ।

চালাতৰ পদ্ধতি উপস্থাপন কৰি আবু হুৰাইৰাই কৈছেঃ সেই সত্ত্বাৰ শপত, যাৰ হাতত মোৰ প্ৰাণ আছে, তোমালোকতকৈ মোৰ চালাত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ চালাতৰ সৈতে অধিক সাদৃশ্যপূৰ্ণ। পৃথিৱীৰ পৰা বিদায় লোৱাৰ সময় পৰ্যন্ত এইটোৱে আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চালাতৰ পদ্ধতি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কেৱল ৰুকুৰ পৰা উঠাৰ বাহিৰে চালাতৰ প্ৰত্যেক উঠা নমাৰ সময়তে তাকবীৰ দিব লাগে। ৰুকুৰ পৰা উঠোঁতে ক'ব লাগে, ছামি আল্লাহু লিমান হামিদাহ।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নত হিফাজত কৰাৰ ক্ষেত্ৰত লগতে তেখেতক অনুসৰণ কৰাৰ ক্ষেত্ৰত চাহাবাসকল খুবেই আগ্ৰহী আছিল।

(65098)

(153) – عن ابنِ عَبَّاسٍ رضي الله عنهما عن النبيِّ صلى الله عليه وسلم قال: «أُمِرْتُ أَنْ أَسْجُدَ عَلَى سَبْعَةِ أَعْظُمٍ: عَلَى الْجَبْهَةِ وَأَشَارَ بِيَدِهِ عَلَى أَنْفِهِ، وَالْيَدَيْنِ، وَالرُّكْبَتَيْنِ، وَأَطْرَافِ الْقَدَمَيْنِ، وَلَا نَكْفِتَ الثِّيَابَ وَالشَّعَرَ». [صحيح] - [متفق عليه]

(153) – আব্দুল্লাহ ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোক সাতডাল হাড়ৰ (অংগৰ) দ্বাৰা ছাজদাহ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কপাল আৰু তেখেতে হাতৰ দ্বাৰা ইংগিত কৰি নাক কপালৰ অন্তৰ্ভুক্ত বুলি কৈছিল। দুই হাত, দুই আঠু আৰু দুয়ো ভৰিৰ আঙুলিসমূহৰ ওপৰত। আমি চুলি আৰু কাপোৰ কোঁচাই লোৱা নাছিলোঁ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, মহান আল্লাহে তেখেতক শৰীৰৰ সাতটা অংগৰ ওপৰত ভৰ কৰি ছাজদাহ কৰিবলৈ আদেশ দিছে। সেই সাতটা অংগ হৈছেঃ

প্ৰথমঃ কপাল। নাক আৰু দুয়ো চকুৰ ওপৰত থকা প্ৰশস্ত অংশখিনিক কপাল বুলি কোৱা হয়। লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নাকৰ প্ৰতি ইংগিত কৰি বুজাইছে যে, নাক আৰু কপাল হৈছে সেই সাতটা অংগৰে এটা অংগ। তেখেতে গুৰুত্ব প্ৰদান কৰিছে যে, যাতে ছাজদাহকাৰীয়ে ছাজদাহ দিওঁতে মাটিত নাক স্পৰ্শ কৰে।

দ্বিতীয় আৰু তৃতীয় অংগ হৈছে, দুই হাত।

চতুৰ্থ আৰু পঞ্চম অংগ হৈছে, দুই আঠু।

ষষ্ঠ আৰু সপ্তম অংগ হৈছে, দুয়ো ভৰি।

এইদৰে আমাক নিৰ্দেশ দিছে যে, আমি যাতে চুলি বান্ধি নাৰাখোঁ। লগতে ছাজদাহ কৰাৰ সময়ত আমি যাতে কাপোৰ কোচাই নলওঁ, বৰং এৰি দিওঁ আৰু যিবোৰ অংগৰ ওপৰত ভৰ কৰি ছাজদাহ কৰিবলৈ কৈছে সেইবোৰৰ ওপৰত ছাজদাহ কৰোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজত সাতটা অংগৰ ওপৰত ভৰ কৰি ছাজদাহ কৰা অনিবাৰ্য।
2. নামাজত থকা অৱস্থাত চুলি আৰু কাপোৰ কানি কোঁচাই লোৱা অপছন্দনীয়।
3. মুচল্লীয়ে চালাতত ধীৰ স্থিৰতা বজায় ৰখা ওৱাজিব। শৰীৰৰ সাতটা অংগ মাটিত ৰাখি ধীৰ স্থিৰভাৱে চৰীয়তসন্মত দুআসমূহ পাঠ কৰা উচিত।
4. কেৱল পুৰুষসকলকহে চুলি বান্ধি ৰাখিবলৈ নিষেধ কৰা হৈছে, নাৰীসকলক নহয়, কাৰণ নাৰীসকলক নামাজত পৰ্দাৰ হুকুম দিয়া হৈছে।

(10925)

(154) – عَن أَبِي أُمَامَةَ قَالَ: حَدَّثَنِي عَمْرُو بْنُ عَبَسَةَ رضي الله عنه أَنَّهُ سَمِعَ النَّبِيَّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «أَقْرَبُ مَا يَكُونُ الرَّبُّ مِنَ العَبْدِ فِي جَوْفِ اللَّيْلِ الآخِرِ، فَإِنْ اسْتَطَعْتَ أَنْ تَكُونَ مِمَّنْ يَذْكُرُ اللَّهَ فِي تِلْكَ السَّاعَةِ فَكُنْ». [صحيح] - [رواه أبو داود والترمذي والنسائي]

(154) – আবু উমামাৰ পৰা বৰ্ণিত, তেওঁ কৈছে মোক আমৰ বিন আবাছা ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছ বৰ্ণনা কৰিছে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ "ৰাতিৰ শেষাংশত মহান আল্লাহ বান্দাৰ আটাইতকৈ নিকটৱৰ্তী হয়। এতেকে যদি সেই সময়ত তুমি আল্লাহক স্মৰণকাৰীসকলৰ অন্তৰ্ভুক্ত হ'ব পাৰা তেন্তে হোৱাৰ চেষ্টা কৰা।" [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহ ৰাতিৰ শেষ তৃতীয়াংশত বান্দাৰ একেবাৰে নিকটৱৰ্তী হয়।

গতিকে হে মুমিন ব্যক্তি! যদি তুমি তাওফীক পোৱা তথা সক্ষম হোৱা তেন্তে সেই ইবাদতকাৰী, জিকৰ-আজকাৰকাৰী আৰু তাওবাকাৰীসকলৰ অন্তৰ্ভুক্ত হোৱা, যিসকলে সেই সময়ত এইবোৰ ইবাদতত ব্যস্ত থাকে। কাৰণ এইটো খুবেই গুৰুত্বপূৰ্ণ সময়, ইয়াৰ সদ্ব্যৱহাৰ কৰা উচিত, তথা অধ্যৱসায় কৰা উচিত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰাতিৰ শেষ ভাগত জিকৰ-আজকাৰ কৰিবলৈ মুছলিমসকলক উৎসাহিত কৰা হৈছে।
2. জিকৰ-আজকাৰ, দুআ আৰু নামাজৰ ক্ষেত্ৰত, কিছুমান সময় আন কিছুমান সময়ৰ ওপৰত প্ৰাধান্যযোগ্য।
3. মাইৰাকে কৈছেঃ হাদীছৰ এই দুটা বাণীৰ মাজত পাৰ্থক্য হৈছে, য'ত কোৱা হৈছে, "মহান ৰব্ব ৰাতিৰ শেষাংশত বান্দাৰ নিকটৱৰ্তী হয়" ইয়াত এটা নিৰ্দিষ্ট সময়ক বুজোৱা হৈছে আৰু সেইটো হৈছে ৰাতিৰ মধ্য ভাগ। আনহাতে যিটো হাদীছত কোৱা হৈছে যে, "বান্দা মহান প্ৰতিপালকৰ নিকটৱৰ্তী হয় সেই সময়ত, যেতিয়া তেওঁ ছাজদাহ অৱস্থাত থাকে।" ইয়াত প্ৰতিপালকৰ নিকটৱৰ্তী হোৱাৰ অৱস্থা বৰ্ণিত হৈছে, সেইটো হৈছে ছাজদাহ অৱস্থা।

(3236)

(155) – عن جَرِيْر بنِ عبدِ الله رضي الله عنه قال: كُنَّا عِنْدَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَنَظَرَ إِلَى الْقَمَرِ لَيْلَةً -يَعْنِي الْبَدْرَ- فَقَالَ: «إِنَّكُمْ سَتَرَوْنَ رَبَّكُمْ كَمَا تَرَوْنَ هَذَا الْقَمَرَ، لَا تُضَامُونَ فِي رُؤْيَتِهِ، فَإِنِ اسْتَطَعْتُمْ أَنْ لَا تُغْلَبُوا عَلَى صَلَاةٍ قَبْلَ طُلُوعِ الشَّمْسِ وَقَبْلَ غُرُوبِهَا فَافْعَلُوا» ثُمَّ قَرَأَ: «{وَسَبِّحْ بِحَمْدِ رَبِّكَ قَبْلَ طُلُوعِ الشَّمْسِ وَقَبْلَ الْغُرُوبِ}» [صحيح] - [متفق عليه]

(155) – জাৰীৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত, তেওঁ কৈছেঃ এবাৰ আমি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত উপস্থিত আছিলোঁ, তেখেতে পূৰ্ণিমাৰ ৰাতি চন্দ্ৰৰ প্ৰতি লক্ষ্য কৰি ক'লে, "নিশ্চয় শীঘ্ৰেই তোমালোকে তোমালোকৰ প্ৰতিপালকক দেখিবলৈ পাবা, যিদৰে তোমালোকে এই চন্দ্ৰটোক দেখি আছা, তেওঁক দেখিবলৈ তোমালোকৰ কোনো ভীৰ কৰিবলগীয়া নহ'ব। এতেকে যদি তোমালোকে সূৰ্য উদয়ৰ পূৰ্বৰ চালাত (ফজৰ) আৰু সূৰ্য অস্ত যোৱাৰ পূৰ্বৰ (আচৰৰ) চালাত (চয়তানৰ পৰা) প্ৰভাৱমুক্ত হৈ পঢ়িব পাৰা তেন্তে সেইটোৱে চেষ্টা কৰা"। ইয়াৰ পিছত তেখেতে এই আয়াত তিলাৱত কৰিলে, অৰ্থঃ "আৰু তোমাৰ প্ৰতিপালকৰ প্ৰশংসাৰ সৈতে পৱিত্ৰতা আৰু মহিমা ঘোষণা কৰা সুৰ্যোদয় হোৱাৰ আগত আৰু সূৰ্যাস্ত যোৱাৰ আগত।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

এবাৰ ৰাতি চাহাবাসকল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰতে উপস্থিত আছিল, তেনেতে তেখেতে পূৰ্ণিমাৰ চন্দ্ৰৰ প্ৰতি লক্ষ্য কৰি ক'লেঃ নিশ্চয় মুমিনসকলে অচিৰেই নিজৰ বাস্তৱ চকুৰে প্ৰতিপালকক দেখিবলৈ পাব। তেওঁক দেখিবলৈ কোনো ভিৰ কৰিবলগীয়া নহ'ব, কোনো মেহনত বা কষ্ট কৰিবলগীয়াও নহ'ব। ইয়াৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে যিমান সম্ভৱ নিজৰ ব্যস্ততাক এৰি থৈ ফজৰ আৰু আচৰৰ চালাতৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিবা। সঠিক সময়ত নিয়মিতভাৱে জামাত সহকাৰে আদায় কৰাৰ চেষ্টা কৰিবা। কাৰণ এইটোৱে হৈছে (আখিৰাতত) আল্লাহক দৰ্শন

পোৱাৰ অন্যতম এটা উপায়। এইখিনি কথা কোৱাৰ পিছত তেখেতে এই আয়াতটো তিলাৱত কৰিলেঃ অৰ্থঃ আৰু তোমাৰ প্ৰতিপালকৰ প্ৰশংসাৰ সৈতে পৱিত্ৰতা আৰু মহিমা ঘোষণা কৰা সুৰ্যোদয় হোৱাৰ আগত আৰু সূৰ্যাস্ত যোৱাৰ আগত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুমিনসকলৰ বাবে এইটো এটা সুসংবাদ যে, তেওঁলোকে জান্নাতত আল্লাহক দৰ্শন কৰিব পাৰিব।
2. দাৱাতৰ অন্যতম উপায় হৈছেঃ তাগীদ কৰা, উৎসাহ প্ৰদান কৰা আৰু উদাহৰণৰ দ্বাৰা বুজাই দিয়া।

(5657)

(156) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه: أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَرَأَ فِي رَكْعَتَيِ الْفَجْرِ: {قُلْ يَا أَيُّهَا الْكَافِرُونَ}، وَ{قُلْ هُوَ اللهُ أَحَدٌ}. [صحيح] - [رواه مسلم]

(156) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ফজৰৰ দুই ৰাকাত ছুন্নত নামাজত (ক্বুল ইয়া আয়্যুহাল কাফিৰূন) আৰু (ক্বুল হুৱাল্লাহু আহাদ) পাঠ কৰিছিল। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ফজৰৰ দুই ৰাকাত ছুন্নত নামাজত ছুৰা ফাতিহাৰ পিছত প্ৰথম ৰাকাতত (ক্বুল ইয়া আয়্যুহাল কাফিৰূন) (ছুৰা কাফিৰূন) আৰু দ্বিতীয় ৰাকাতত (ক্বুল হুৱাল্লাহু আহাদ) (ছুৰা ইখলাচ) পাঠ কৰাটো পছন্দ কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ফজৰৰ ছুন্নতত ছুৰা ফাতিহাৰ পিছত এই দুটা ছুৰা পাঠ কৰা মুস্তাহাব।
2. এই ছুৰা দুটাক "ছুৰা আল-ইখলাচ" বুলি কোৱা হয়, কাৰণ ছুৰা আল-কাফিৰূনত সেই সকলোবোৰ বাতিল উপাস্যৰ পৰা সম্পৰ্কচ্ছেদৰ ঘোষণা কৰা হৈছে, যিবোৰক মুশ্বৰিকসকলে আল্লাহৰ বাহিৰে পূজা পাঠ কৰে, লগতে সিহঁতে আল্লাহৰ প্ৰকৃত উপাসক নহয়, সেয়ে সিহঁতৰ শ্বিৰ্কে সিহঁতৰ সকলো আমল ধ্বংস কৰিব। একমাত্ৰ আল্লাহেই হৈছে উপাসনাৰ যোগ্য। এইদৰে ছুৰা আল-ইখলাচত আল্লাহৰ তাওহীদ (একত্ববাদ) আৰু নিৰ্ভেজালভাৱে তেওঁৰ উপাসনাৰ বৰ্ণনা আছে, লগতে আল্লাহৰ চিফাত তথা গুণসমূহৰো বিৱৰণ দিয়া হৈছে।

(11256)

(157) – عن أَبِي مُوسَى الأَشْعَرِيِّ رضي الله عنه: أَنَّ رَسُولَ اللهِ صلى الله عليه وسلم قَالَ: «مَنْ صَلَّى الْبَرْدَيْنِ دَخَلَ الْجَنَّةَ» [صحيح] - [متفق عليه]

(157) – আবূ মুছা আল-আশ্ব'আৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "যিয়ে দুই শীতল নামাজ (ফজৰ আৰু আচৰ) আদায় কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই শীতল নামাজৰ প্ৰতি উৎসাহিত কৰিছে, অৰ্থাৎ ফজৰ আৰু আচৰৰ নামাজৰ প্ৰতি। লগতে সুসংবাদ দিছে যে, যিয়ে জামাত সহকাৰে উপযুক্ত সময়ত

নিয়মিতভাৱে এই দুটা নামাজ আদায় কৰিব, তেন্তে এই দুটা তেওঁৰ জান্নাত লাভ কৰাৰ কাৰণ হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত ফজৰ আৰু আচৰৰ নামাজ নিয়মিত আদায় কৰাৰ ফজীলত বৰ্ণিত হৈছে। কাৰণ ফজৰৰ নামাজ আদায় কৰা হয় সুখদায়ক টোপনিৰ সময়ত। আনহাতে আচৰৰ নামাজ পঢ়া হয় মানুহৰ ব্যস্ততাৰ সময়ত। গতিকে এই দুটা নামাজ নিয়মিতভাৱে সঠিক সময়ত যিয়ে আদায় কৰিব, তাৰ বাবে নিশ্চয় অন্যান্য নামাজ নিয়মিতভাৱে আদায় কৰাটো অতি সহজ।
2. ফজৰ আৰু আচৰৰ নামাজক দুই শীতল নামাজ বুলি এই কাৰণে কোৱা হৈছে, কাৰণ ফজৰৰ সময়ত ৰাতিৰ ঠাণ্ডা থাকে, আৰু আচৰৰ সময়ত দিনৰ ঠাণ্ডা, যদিও গৰম দিনতে নহওক কিয়, কাৰণ গৰম দিনত দুপৰীয়াৰ তুলনাত আচৰৰ সময়ত গৰমৰ পৰিমাণ কম থাকে। অথবা বেছি ব্যৱহাৰ হোৱাৰ কাৰণে একে নামেৰে নামকৰণ কৰা হৈছে, যেনে- সূৰ্য্য আৰু চন্দ্ৰক একেলগে আল-ক্বামাৰান বুলি কোৱা হয়।

(4198)

(158) – عن جُندب بن عبد الله القَسْرِي رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ صَلَّى صَلَاةَ الصُّبْحِ فَهُوَ فِي ذِمَّةِ اللهِ، فَلَا يَطْلُبَنَّكُمُ اللهُ مِنْ ذِمَّتِهِ بِشَيْءٍ، فَإِنَّهُ مَنْ يَطْلُبْهُ مِنْ ذِمَّتِهِ بِشَيْءٍ يُدْرِكْهُ، ثُمَّ يَكُبَّهُ عَلَى وَجْهِهِ فِي نَارِ جَهَنَّمَ». [صحيح] - [رواه مسلم]

(158) – জুনদুব বিন আব্দুল্লাহ আল-কাছৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি ব্যক্তিয়ে ফজৰৰ চালাত আদায় কৰে, তেওঁ আল্লাহৰ জিম্মাত থাকে। এতেকে (এনেকুৱা কাম কৰা যাতে) আল্লাহে তেওঁৰ জিম্মাত থকা অৱস্থাত কোনো বিষয় সম্পৰ্কে তোমাৰ বিপক্ষে বাদী নহয়। কাৰণ তেওঁ যাৰ বিপক্ষে নিজৰ দায়িত্বৰ কোনো বিষয়ে বাদী হয়, তাক (নিশ্চিতভাৱে) কৰায়ত্ত কৰিব। ইয়াৰ পিছত তাক নাক চোঁচৰাই জাহান্নামত নিক্ষেপ কৰিব।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, যি ব্যক্তিয়ে ফজৰৰ চালাত আদায় কৰে তেওঁ আল্লাহৰ হিফাজতত থাকে, তেওঁৰ জিম্মাত তথা তেওঁৰ সংৰক্ষণত থাকে। আল্লাহে তাক বিপদাপদৰ পৰা ৰক্ষা কৰে আৰু তাক সহায় কৰে।

ইয়াৰ পিছত নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে সাৱধান কৰিছে যে, ফজৰৰ চালাত ত্যাগ কৰি অথবা মুছল্লিৰ প্ৰতি সীমালংঘন কৰি নাইবা তাক লাঞ্ছিত কৰি যি ব্যক্তিয়ে আল্লাহৰ সৈতে কৰা প্ৰতিশ্ৰুতি ভংগ কৰে, সি দৰাচলতে নিৰাপত্তাৰ দেৱাল ভাঙি পেলায় আৰু সি কঠিন শাস্তিৰ যোগ্য হৈ পৰে। কাৰণ সি খৰ্ব কৰা অধিকাৰ সম্পৰ্কে আল্লাহে তাক সোধ-পোচ কৰিব। জানি থোৱা! আল্লাহে যাৰ বিপক্ষে বাদী হ'ব, তাক তেওঁ নিশ্চিতভাৱে জাহান্নামত নিক্ষেপ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ফজৰৰ চালাতৰ গুৰুত্ব আৰু ইয়াৰ ফজিলতৰ বৰ্ণনা।

2. যি ব্যক্তিয়ে ফজৰৰ চালাত আদায় কৰিছে, সেই ব্যক্তিক কোনো ধৰণৰ কষ্ট নিদিবলৈ কঠিন সতৰ্কবাণী দিয়া হৈছে।
3. যিসকলে আল্লাহৰ পূণ্যৱান বান্দাসকলক লাঞ্ছিত কৰে, আল্লাহে সিহঁতৰ পৰা প্ৰতিশোধ গ্ৰহণ কৰে।

(5435)

(159) – عن بريدة بن الحصيب رضي الله عنه أنه قال: بَكِّرُوا بِصَلَاةِ الْعَصْرِ، فَإِنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «مَنْ تَرَكَ صَلَاةَ الْعَصْرِ فَقَدْ حَبِطَ عَمَلُهُ». [صحيح] - [رواه البخاري]

(159) – বুৰাইদাহ ইবনুল হাচীব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আচৰৰ নামাজ সোনকালে পঢ়িবা, কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে আচৰৰ নামাজ পৰিত্যাগ কৰে, তাৰ যাৱতীয় আমল ব্যৰ্থ হৈ যায়।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জানি বুজি আচৰৰ নামাজক সঠিক সময়ৰ পৰা পলম কৰিবলৈ সতৰ্ক কৰিছে, লগতে কৈছে যে, যিয়ে এনেকুৱা কৰে তাৰ আমল ব্যৰ্থ হৈ যায় তথা বেকাৰ হৈ যায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আচৰৰ নামাজক আওৱাল ওৱাক্তত পঢ়িবলৈ উৎসাহিত কৰিছে, তথা সোনকালে পঢ়িবলৈ তাগীদ কৰিছে।
2. আচৰৰ নামাজ পৰিত্যাগকাৰী সম্পৰ্কে হাদীছটোত কঠোৰ সতৰ্কবাণী আহিছে। অন্যান্য নামাজ সময়ত নপঢ়াৰ গুনাহৰ তুলনাত আচৰৰ নামাজ সময়ত নপঢ়াৰ গুনাহ অধিক ডাঙৰ। কাৰণ এইটো হৈছে চালাতে উস্তা, মহান আল্লাহে কোৰআনত

বিশেষকৈ এই নামাজৰ হিফাজত কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ কৈছেঃ তোমালোকে ছালাতৰ প্ৰতি যত্নৱান হোৱা, বিশেষকৈ মধ্যৱৰ্তী (আচৰ) ছালাতৰ প্ৰতি, আৰু আল্লাহৰ বাবে বিনিতভাৱে থিয় হোৱা। (ছুৰা আল-বাক্বাৰাহঃ ১৩৮)

(6261)

(160) – عن أنس بن مالك رضي الله عنه عن النبي صلى الله عليه وسلم قال: «مَنْ نَسِيَ صَلَاةً فَلْيُصَلِّ إِذَا ذَكَرَهَا، لَا كَفَّارَةَ لَهَا إِلَّا ذَلِكَ: {وَأَقِمِ الصَّلَاةَ لِذِكْرِي} [طه: 14]». [صحيح] - [متفق عليه]

(160) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যদি কোনোবাই কোনো এটা নামাজ পঢ়িবলৈ পাহৰি যায়, তেন্তে যেতিয়াই মনত পৰিব তেতিয়াই পঢ়ি লব লাগিব। ইয়াৰ বাহিৰে সেই নামাজৰ আন কোনো কাফ্ফাৰা নাই।" (কিয়নো আল্লাহে কৈছে) "আৰু মোৰ স্মৰণাৰ্থে চালাত কায়েম কৰা"। (ছুৰা ত্বাহাঃ ১৪) [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, যদি কোনোবাই ফৰজ নামাজ পঢ়িবলৈ পাহৰি যায় আৰু ইপিনে নামাজৰ সময় পাৰ হৈ যায় তেন্তে সেই নামাজৰ কথা মনত পৰাৰ লগে লগে তেওঁ ততাতৈয়াকৈ সেই নামাজটো পঢ়ি লব লাগিব। মনত পৰাৰ পিছত এই নামাজ নপঢ়াকৈ ইয়াৰ কোনো কাফফাৰাহ নাই। পৱিত্ৰ কোৰআনত মহান আল্লাহে কৈছেঃ "আৰু মোৰ স্মৰণাৰ্থে তোমালোকে চালাত প্ৰতিষ্ঠা কৰা।" (ছুৰা ত্বাহাঃ ১৪)

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত নামাজৰ গুৰুত্ব বৰ্ণিত হৈছে, আৰু ইয়াৰ আদায় আৰু কাজা পালনত অৱহেলা কৰিবলৈ নিষেধ কৰা হৈছে।
2. উচিত কোনো কাৰণ নোহোৱাকৈ নিৰ্দিষ্ট সময়ৰ পৰা নামাজ পলম কৰা বৈধ নহয়।
3. পাহৰি যোৱা ব্যক্তিয়ে মনত পৰাৰ পিছত আৰু টোপনিত থকা ব্যক্তিয়ে সাৰ পোৱাৰ পিছত লগে লগে নামাজ পঢ়ি লোৱাটো বাধ্যতামূলক।
4. কাজা নামাজ পলম নকৰাকৈ পঢ়ি লোৱাটো বাধ্যতামূলক, যদিও নিষিদ্ধ সময়তে নহওক কিয়।

(65088)

(161) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِنَّ أَثْقَلَ صَلَاةٍ عَلَى الْمُنَافِقِينَ صَلَاةُ الْعِشَاءِ وَصَلَاةُ الْفَجْرِ، وَلَوْ يَعْلَمُونَ مَا فِيهِمَا لَأَتَوْهُمَا وَلَوْ حَبْوًا، وَلَقَدْ هَمَمْتُ أَنْ آمُرَ بِالصَّلَاةِ فَتُقَامَ، ثُمَّ آمُرَ رَجُلًا فَيُصَلِّيَ بِالنَّاسِ، ثُمَّ أَنْطَلِقَ مَعِي بِرِجَالٍ مَعَهُمْ حُزَمٌ مِنْ حَطَبٍ إِلَى قَوْمٍ لَا يَشْهَدُونَ الصَّلَاةَ، فَأُحَرِّقَ عَلَيْهِمْ بُيُوتَهُمْ بِالنَّارِ». [صحيح] - [متفق عليه]

(161) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মুনাফিকসকলৰ ওপৰত আটাইতকৈ কঠিন চালাত হৈছে, ঈশ্বা আৰু ফজৰৰ চালাত। সিহঁতে যদি এই দুই চালাতৰ ফজিলত সম্পৰ্কে জানিলেহেঁতেন তেনেহ'লে চুঁচৰি হ'লেও তাত উপস্থিত হ'লহেঁতেন। মোৰ এনেকুৱা লাগে যে, মই চালাত আদায় কৰাৰ আদেশ দিওঁ ফলত ইকামত দিয়া হওক, আৰু ইয়াৰ পিছত কাৰোবাক নামাজ পঢ়াবলৈ নিৰ্দেশ দিওঁ যেন তেওঁ মানুহকলৈ চালাত আদায় কৰে। আৰু মই এনেকুৱা কিছুমান মানুহক লগত লৈ যাম যিসকলৰ লগত থাকিব খৰিৰ বোজা, সেইসকল লোকৰ ঘৰলৈ যাম যিসকলে চালাতত উপস্থিত হোৱা নাই, ফলত সেই খৰিৰে সিহঁতৰ ঘৰত জুই লগাই দিম। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুনাফিকসকলৰ বিষয়ে সংবাদ দিছে যে, সিহঁতে নামাজত উপস্থিত হোৱাৰ ক্ষেত্ৰত অৱহেলা কৰে, বিশেষকৈ ঈশ্বা আৰু ফজৰৰ নামাজত। এই দুটা নামাজ জামাতৰ সৈতে পঢ়িলে যি ছোৱাব পোৱা যায় সেইটো যদি সিহঁতে জানিলেহেঁতেন তেন্তে কেঁচুৱাৰ দৰে হাত আৰু আঠুৰ সহায়ত চুঁচৰি হ'লেও আহিলহেঁতেন।

. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই প্ৰতিজ্ঞা লবলৈ মনস্থ কৰিছিল যে, তেখেতে ইমামৰ স্থানত কাৰোবাক নামাজ আৰম্ভ কৰিবলৈ দি তেখেতে সেইসকল লোকৰ ঘৰ জলাই দিবলৈ যাব, যিসকলে জামাআতত নামাজ পঢ়িবলৈ উপস্থিত হোৱা নাই। ইয়াৰ দ্বাৰা তেখেতে

এইটো স্পষ্ট কৰিব বিচাৰিছে যে, এইটো কিমান ভয়াৱহ গুনাহ। কিন্তু তেখেতে সেইটো কৰা নাছিল, কাৰণ ঘৰত মহিলা, নিৰ্দোষী শিশু আৰু উচিত কাৰণ থকা লোকসকলো থাকে, জামাতত উপস্থিত নহ'লে যিসকলৰ কোনো গুনাহ নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মছজিদত হোৱা জামাতৰ নামাজৰ পৰা পিছুৱাই থকাৰ ভয়াৱহতা।
2. মুনাফিকসকলে সিহঁতৰ ইবাদতৰ দ্বাৰা কেৱল লৌকিকতা আৰু প্ৰসিদ্ধতা কামনা কৰে। কাৰণ, সিহঁতে তেতিয়াই চালাতত উপস্থিত হয় যেতিয়া মানুহৰ সমাগম বেছি থাকে।
3. ঈশ্বা আৰু ফজৰৰ চালাত জামাতত আদায় কৰাৰ ছোৱাব অপৰিসীম। এই দুই চালাতত উপস্থিত হ'বলৈ চুঁচৰি হ'লেও যোৱা উচিত।
4. নিফাকৰ পৰা ৰক্ষা পাবলৈ ঈশ্বা আৰু ফজৰৰ নামাজক হিফাজত কৰা (নিয়মিতভাৱে পঢ়া) উচিত। কাৰণ এই দুই নামাজৰ পৰা পিছুৱাই থকাটো হৈছে মুনাফিকৰ বৈশিষ্ট্য।

(3366)

(162) – عَنِ ابْنِ أَبِي أَوْفَى رضي الله عنه قَالَ: كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ إِذَا رَفَعَ ظَهْرَهُ مِنَ الرُّكُوعِ قَالَ: «سَمِعَ اللهُ لِمَنْ حَمِدَهُ، اللَّهُمَّ رَبَّنَا لَكَ الْحَمْدُ، مِلْءَ السَّمَاوَاتِ وَمِلْءَ الْأَرْضِ وَمِلْءَ مَا شِئْتَ مِنْ شَيْءٍ بَعْدُ». [صحيح] - [رواه مسلم]

(162) – ইবনে আবি আওফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰুকুৰ পৰা উঠি পিঠি চিধা কৰি কৈছিলঃ "ছামি আল্লাহু লিমান হামিদাহ, আল্লাহুম্মা ৰাব্বানা লাকাল হাম্‌দ, মিলআচ ছামাৱাতি, অমিল আল আৰজি অমিলআ মা শ্বি'তা মিন শ্বাইয়িন বা'দ।" (অৰ্থঃ আল্লাহে প্ৰশংসাকাৰীৰ প্ৰশংসা শুনে। হে আল্লাহ আমাৰ প্ৰতিপালক, সকলো ধৰণৰ প্ৰশংসা একমাত্ৰ তোমাৰেই, যাৰ দ্বাৰা আকাশমণ্ডল আৰু পৃথিৱী পৰিপূৰ্ণ। ইয়াৰ বাহিৰেও তুমি যি যি ইচ্ছা কৰা সেইটোও পৰিপূৰ্ণ।) [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ৰুকুৰ পৰা উঠাৰ সময়ত কৈছিলঃ ছামি আল্লাহু লিমান হামিদাহ, অৰ্থাৎ যিয়ে আল্লাহৰ প্ৰশংসা কৰে আল্লাহে তাৰ কথাত সঁহাৰি দিয়ে, আৰু তাৰ সেই প্ৰশংসা কবূল কৰে লগতে ছোৱাব প্ৰদান কৰে। ইয়াৰ পিছত তেখেতে আল্লাহৰ প্ৰশংসা কৰি কৈছিলঃ "আল্লাহুম্মা ৰাব্বানা লাকাল হাম্‌দ, মিলআচ ছামাৱাতি, অমিল আল আৰজি অমিলআ মা শ্বি'তা মিন শ্বাইয়িন বা'দ।" এনেকুৱা প্ৰশংসা যি প্ৰশংসাই আকাশমণ্ডল আৰু পৃথিৱী তথা এই উভয়ৰ মধ্যৱৰ্তী ঠাইক পৰিপূৰ্ণ কৰে, ইয়াৰ বাহিৰেও আল্লাহে যিটোক পৰিপূৰ্ণ কৰিব বিচাৰে সেইটোকো পৰিপূৰ্ণ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুচল্লীয়ে ৰুকুৰ পৰা উঠি উক্ত দুআটো পাঠ কৰা মুস্তাহাব।

2. ৰুকুৰ পৰা উঠি পোন হৈ থিয় হ'ব লাগে। কাৰণ এই দুআটো শান্তভাৱে পোন হৈ থিয় নোহোৱাকৈ পঢ়া উচিত নহয়।

3. ফৰজ হওক বা নফল নামাজ প্ৰত্যেক নামাজতে এই দুআটো পাঠ কৰা উচিত।

(65101)

(163) – عن حُذَيْفَةَ رضي الله عنه: أَنَّ النَّبِيَّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ كَانَ يَقُولُ بَيْنَ السَّجْدَتَيْنِ: «رَبِّ اغْفِرْ لِي، رَبِّ اغْفِرْ لِي». [صحيح] - [رواه أبو داود والنسائي وابن ماجه وأحمد]

(163) – হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই ছাজদাৰ মাজত এই দুআটো পঢ়িছিলঃ "ৰাব্বিগফিৰ লী, ৰাব্বিগফিৰ লী।" [ছহীহ] - [(আবু দাঊদ, ইবনে মাজাহ, নাছায়ী, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই ছাজদাৰ মাজৰ বৈঠকত এই দুআটো বাৰে বাৰে পঢ়িছিল, "ৰাব্বিগফিৰ লী, ৰাব্বিগফিৰ লী।"

ৰাব্বিগফিৰ লীৰ অৰ্থ হৈছে, বান্দাই আল্লাহৰ ওচৰত নিজৰ গুনাহ মাৰ্জনাৰ আবেদন কৰা তথা দোষ-ত্ৰুটি গোপন ৰখাৰ প্ৰাৰ্থনা কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ফৰজ হওক বা নফল নামাজ, দুই ছাজদাৰ মাজত এই দুআ পাঠ কৰাটো চৰীয়ত অনুমোদিত।

2. ৰাব্বিগফিৰ লী, এবাৰ পাঠ কৰা ওৱাজিব, বাৰে বাৰে পাঠ কৰাটো মুস্তাহাব।

(65104)

(164) – عن ابن عباس رضي الله عنهما: كان النبي صلى الله عليه وسلم يقول بين السجدتين:
«اللَّهُمَّ اغْفِرْ لِي، وارْحَمْنِي، وعافِنِي، واهْدِنِي، وارزقْنِي». [حسن بشواهده] - [ رواه أبو داود والترمذي وابن ماجه وأحمد]

(164) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই ছাজদাৰ মাজত এই দুআ পাঠ কৰিছিল, আল্লাহুম্মাগ ফিৰলি, অৰহামনী, ওৱা আফিনী, অহদিনী, অৰঝুকনী। (হে আল্লাহ! মোক ক্ষমা কৰি দিয়া, মোৰ প্ৰতি দয়া কৰা, মোক (বেমাৰ-আজাৰৰ পৰা) ৰক্ষা কৰা, মোক হিদায়ত দিয়া আৰু মোক জীৱিকা প্ৰদান কৰা। [অন্যান্য হাদীছৰ সমৰ্থনত হাছান] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই ছাজদাৰ মাজত এই পাঁচটা বিষয়ত দুআ কৰিছিল, যিবোৰ বিষয় প্ৰতিজন মুছলিমৰ বাবে খুবেই গুৰুত্বপূৰ্ণ। এই দুআৰ মাজত পৃথিৱী আৰু আখিৰাত উভয়ৰে কল্যাণক সামৰি লোৱা হৈছে। যেনে- ক্ষমা প্ৰাৰ্থনা কৰা হৈছে, গুনাহ মাৰ্জনা কৰিবলৈ তথা আওকাণ কৰিবলৈ দুআ কৰা হৈছে, ৰহমত প্ৰদান কৰিবলৈ কোৱা হৈছে, লগতে বেমাৰ-আজাৰ সন্দেহ-সংশয় আৰু প্ৰবৃত্তিৰ কামনা-বাসনা আদিৰ পৰা ৰক্ষা কৰিবলৈ কোৱা হৈছে, এইদৰে সত্যৰ ওপৰত তথা হিদায়তৰ ওপৰত প্ৰতিষ্ঠিত ৰাখিবলৈ দুআ কৰা হৈছে। এইদৰে ঈমান, ইল্ম আৰু নেক আমলৰ তাওফীক কামনা কৰা হৈছে, লগতে আল্লাহৰ ওচৰত পৱিত্ৰ জীৱিকা বিচৰা হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দুই ছাজদাৰ মাজৰ বৈঠকত এই দুআটো পঢ়িব লাগে।

2. হাদীছটোত এই দুআসমূহৰ গুৰুত্ব বুজোৱা হৈছে, কাৰণ ইয়াৰ মাজত পৃথিৱী আৰু আখিৰাত উভয়ৰে কল্যাণক সামৰি লৈ দুআ কৰা হৈছে।

(10930)

(165) – عَنْ حِطَّانَ بْنِ عَبْدِ اللهِ الرَّقَاشِيِّ قَالَ: صَلَّيْتُ مَعَ أَبِي مُوسَى الْأَشْعَرِيِّ صَلَاةً، فَلَمَّا كَانَ عِنْدَ الْقَعْدَةِ قَالَ رَجُلٌ مِنَ الْقَوْمِ: أُقِرَّتِ الصَّلَاةُ بِالْبِرِّ وَالزَّكَاةِ، قَالَ: فَلَمَّا قَضَى أَبُو مُوسَى الصَّلَاةَ وَسَلَّمَ انْصَرَفَ فَقَالَ: أَيُّكُمُ الْقَائِلُ كَلِمَةَ كَذَا وَكَذَا؟ قَالَ: فَأَرَمَّ الْقَوْمُ، ثُمَّ قَالَ: أَيُّكُمُ الْقَائِلُ كَلِمَةَ كَذَا وَكَذَا؟ فَأَرَمَّ الْقَوْمُ، فَقَالَ: لَعَلَّكَ يَا حِطَّانُ قُلْتَهَا؟ قَالَ: مَا قُلْتُهَا، وَلَقَدْ رَهِبْتُ أَنْ تَبْكَعَنِي بِهَا، فَقَالَ رَجُلٌ مِنَ الْقَوْمِ: أَنَا قُلْتُهَا، وَلَمْ أُرِدْ بِهَا إِلَّا الْخَيْرَ، فَقَالَ أَبُو مُوسَى: أَمَا تَعْلَمُونَ كَيْفَ تَقُولُونَ فِي صَلَاتِكُمْ؟ إِنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ خَطَبَنَا فَبَيَّنَ لَنَا سُنَّتَنَا وَعَلَّمَنَا صَلَاتَنَا، فَقَالَ: «**إِذَا صَلَّيْتُمْ فَأَقِيمُوا صُفُوفَكُمْ، ثُمَّ لِيَؤُمَّكُمْ أَحَدُكُمْ فَإِذَا كَبَّرَ فَكَبِّرُوا، وَإِذْ قَالَ:** {**غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلا الضَّالِّينَ**} [الفاتحة: **7**]، **فَقُولُوا: آمِينَ، يُجِبْكُمُ اللهُ، فَإِذَا كَبَّرَ وَرَكَعَ فَكَبِّرُوا وَارْكَعُوا، فَإِنَّ الْإِمَامَ يَرْكَعُ قَبْلَكُمْ، وَيَرْفَعُ قَبْلَكُمْ**»، فَقَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**فَتِلْكَ بِتِلْكَ، وَإِذَا قَالَ: سَمِعَ اللهُ لِمَنْ حَمِدَهُ، فَقُولُوا: اللَّهُمَّ رَبَّنَا لَكَ الْحَمْدُ، يَسْمَعِ اللهُ لَكُمْ، فَإِنَّ اللهَ تَبَارَكَ وَتَعَالَى قَالَ عَلَى لِسَانِ نَبِيِّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: سَمِعَ اللهُ لِمَنْ حَمِدَهُ، وَإِذَا كَبَّرَ وَسَجَدَ فَكَبِّرُوا وَاسْجُدُوا، فَإِنَّ الْإِمَامَ يَسْجُدُ قَبْلَكُمْ وَيَرْفَعُ قَبْلَكُمْ**»، فَقَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**فَتِلْكَ بِتِلْكَ، وَإِذَا كَانَ عِنْدَ الْقَعْدَةِ فَلْيَكُنْ مِنْ أَوَّلِ قَوْلِ أَحَدِكُمْ: التَّحِيَّاتُ الطَّيِّبَاتُ الصَّلَوَاتُ لِلهِ، السَّلَامُ عَلَيْكَ أَيُّهَا النَّبِيُّ وَرَحْمَةُ اللهِ وَبَرَكَاتُهُ، السَّلَامُ عَلَيْنَا وَعَلَى عِبَادِ اللهِ الصَّالِحِينَ، أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ**». [صحيح] - [رواه مسلم]

(165) – হিত্তান বিন আব্দুল্লাহ আৰ-ৰাক্বাশ্বীৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এবাৰ আবু মুছা আল-আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৰ সৈতে নামাজ পঢ়িলোঁ। তেওঁ যেতিয়া তাশ্বাহহুদত বহিল, জামাআতত থকা কোনোবা এজনে ক'লে যে, নেকী আৰু জাকাতৰ সৈতে নামাজ ফৰজ কৰা হৈছে। বৰ্ণনাকাৰীয়ে কৈছেঃ আবু মুছাই নামাজ শেষ কৰি লোকসকলক উদ্দেশ্য কৰি সুধিলে, তোমালোকৰ মাজৰ কোনে এই কথা ক'লে? সকলোৱে নিৰৱ হৈ থাকিল, তেওঁ আকৌ সুধিলেঃ তোমালোকৰ মাজৰ কোনে এই কথা ক'লে? পুনৰ সকলোৱে নিৰৱ হৈ থাকিল। ইয়াৰ পিছত তেওঁ ক'লেঃ হে হিত্তান! সম্ভৱতঃ তুমিয়ে এই কথা কৈছা। হিত্তানে ক'লেঃ মই কোৱা নাই। কিন্তু তথাপিও মই ভয় কৰিছিলোঁ, আপুনি মোৰ ওপৰতে খং কৰিব নেকি। তেনেতে এজনে থিয় হৈ ক'লেঃ মই কৈছোঁ, মই ইয়াৰ দ্বাৰা কোনো বেয়া ভাৱ প্ৰকাশ কৰা নাছিলোঁ, কল্যাণহে কামনা কৰিছোঁ। তেতিয়া আবু মুছাই ক'লেঃ নামাজত কি ক'ব লাগে সেয়া তোমালোকে নাজানা নেকি? নিশ্চয় ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাৰ সন্মুখত ভাষণ প্ৰদান কৰি নিয়মকানূনসমূহ স্পষ্টভাৱে শিকাইছিল তথা নামাজৰ শিক্ষা দিছিল। তেখেতে কৈছিলঃ যেতিয়া তোমালোকে চালাত আদায় কৰিবা, তেতিয়া শাৰীবোৰ চিধা কৰি লবা। ইয়াৰ পিছত তোমালোকৰ মাজৰ পৰাই কোনোবাই ইমামতি কৰিবা। ইমামে যেতিয়া তাকবীৰ দিব তেতিয়া তোমালোকেও তাকবীৰ দিবা। আৰু যেতিয়া ইমামে {غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلا الضَّالِّينَ} [الفاتحة: 7] ক'ব, তেতিয়া তোমালোকে আমীন ক'বা। আল্লাহে তোমালোকৰ আহ্বানত সঁহাৰি দিব। যেতিয়া ইমামে তাকবীৰ দি ৰূকু কৰিব, তেতিয়া তোমালোকেও তাকবীৰ দি ৰূকু কৰিবা। কাৰণ ইমামে তোমালোকৰ আগত ৰূকুত যাব আৰু তোমালোকৰ আগতে ৰূকুৰ পৰা উঠিব। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ এইটো হৈছে সেইটোৰ বিনিময়ত, অৰ্থাৎ ইমামে আগত ৰূকুত গৈছে সেয়ে আগতে উঠিব। এইদৰে তেওঁ যেতিয়া ছামি আল্লাহু লিমান হামিদাহ ক'ব, তেতিয়া তোমালোকে ক'বাঃ আল্লাহুম্মা ৰাব্বানা লাকাল হাম্‌দ। আল্লাহে তোমালোকৰ কথা নিশ্চয় শুনিব।

কিয়নো মহান আল্লাহে তেওঁৰ নবীৰ মুখেৰে কোৱাইছে যে, আল্লাহে প্ৰশংসাকাৰীৰ প্ৰশংসা শুনে। ইয়াৰ পিছত ইমামে যেতিয়া তাকবীৰ কৈ ছাজদাহ কৰিব তেতিয়া তোমালোকেও তাকবীৰ পাঠ কৰি ছাজদাহ কৰিবা। লগতে শুনা, ইমামে তোমালোকৰ আগত ছাজদাত যাব আৰু তোমালোকৰ আগতে ছাজদাৰ পৰা উঠিব। কাৰণ তেওঁ আগত গৈছে সেয়ে আগতে উঠিব। এইদৰে তাশ্বাহহুদত প্ৰথমে তোমালোকে এইটো পাঠ কৰিবাঃ আত্তাহিয়্যাতু আত-তায়্যিবাতু আচ্ছালাৱাতু লিল্লাহ, আচ্ছালামু আলাইকা আয়্যুহান্নাবীয়্যু অৰাহমাতুল্লাহি অবাৰাকাতুহ। আচ্ছালামু আলাইনা ওৱা আলা ইবাদিল্লাহিচ চলিহীন। আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ, ওৱা আশ্বহাদু আন্না মুহাম্মাদান আব্দুহু ওৱা ৰাছুলুহ।
**[ছহীহ] - [(মুছলিম)]**

**ব্যাখ্যা:**

চাহাবী আবু মুছা আল-আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৱে এবাৰ নামাজ পঢ়াই আছিল, তাশ্বাহহুদত উপস্থিত হোৱাৰ পিছত কোনোবা এজনে পিছফালৰ পৰা ক'লেঃ কোৰআনত নামাজক নেকী আৰু জাকাতৰ সৈতে উল্লেখ কৰা হৈছে। নামাজ শেষ কৰি আবু মুছা ৰাদ্বিয়াল্লাহু আনহুৱে মুক্তাদীসকলৰ ফালে মুখ কৰি ক'লেঃ নামাজ পঢ়ি থকা অৱস্থাত তোমালোকৰ মাজৰ কোনে এই কথা ক'লে যে,কোৰআনত নামাজক নেকী আৰু জাকাতৰ সৈতে উল্লেখ কৰা হৈছে? সকলোৱে নিৰৱতা অৱলম্বন কৰিলে, কোনেও একো উত্তৰ নিদিলে। তেওঁ আকৌ সুধিলে, ইয়াৰ পিছতো কোনেও একো উত্তৰ নিদিলে। তেতিয়া আবু মুছা ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ সম্ভৱতঃ তুমি কৈছা, হে হিত্তান। কাৰণ হিত্তান সাহসী আছিল আৰু তেওঁৰ সৈতে সুসম্পৰ্ক আছিল, সেয়ে তেওঁক এইদৰে সুধিছিল, যাতে প্ৰকৃত ব্যক্তি ওলাই আহে। হিত্তানে বিষয়টোক অস্বীকাৰ কৰিলে। লগতে ক'লেঃ মই আশংকা কৰিছিলোঁ যে, মোকেই সন্দেহ কৰি আপুনি ককৰ্থনা কৰিব। ইতিমধ্যে এজন ব্যক্তি থিয় হৈ ক'লেঃ মই কৈছোঁ। ইয়াৰ দ্বাৰা কল্যাণৰ

বাহিৰে মোৰ আৰু বেলেগ কোনো উদ্দেশ্য নাছিল। ইয়াৰ পিছত আবু মুছাই তেওঁক শিকোৱাৰ উদ্দেশ্যে ক'লেঃ তুমি নাজানা নেকি নামাজত কি কি ক'ব লাগে? এই প্ৰশ্নৰ দ্বাৰা আবু মুছাই তেওঁক এক প্ৰকাৰ নিন্দা কৰিছে। ইয়াৰ পিছত আবু মুছাই ক'লে যে, এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ভাষণ দিছিল, য'ত তেখেতে তেওঁলোকক চৰীয়তৰ কিছুমান বিষয় শিকাইছিল আৰু নামাজৰ বিষয়বোৰ শিকাইছিল, তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছিলঃ

যেতিয়া তোমালোকে চালাত আদায় কৰিবা, তেতিয়া শাৰীবোৰ চিধা কৰি লবা আৰু পোন হৈ থিয় হ'বা। ইয়াৰ পিছত তোমালোকৰ মাজৰ পৰাই কোনোবাই ইমামতি কৰিবা। ইয়াৰ পিছত ইমামে যেতিয়া তাকবীৰে তাহৰিমাহ দিব তেতিয়া তোমালোকেও তাকবীৰ দিবা। আৰু যেতিয়া ইমামে ছুৰা ফাতিহাৰ শেষত এই আয়াত পঢ়িব {غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلا الضَّالِّينَ} [الفاتحة :7] ক'ব, তেতিয়া তোমালোকে আমীন ক'বা। যদি তোমালোকে এইটো কৰা তেন্তে আল্লাহে তোমালোকৰ দুআ কবূল কৰিব। এইদৰে যেতিয়া ইমামে তাকবীৰ দি ৰূকু কৰিব, তেতিয়া তোমালোকেও তাকবীৰ দি ৰূকু কৰিবা। কাৰণ ইমামে তোমালোকৰ আগত ৰূকুত কৰিব আৰু তোমালোকৰ আগতে ৰূকুৰ পৰা উঠিব, গতিকে তোমালোকে ইমামৰ আগত একো নকৰিবা। যিহেতু ইমামে আগত ৰূকু কৰিছে সেয়ে তেওঁ আগতে উঠিব আৰু তোমালোকে ইমামৰ পিছত ৰূকুত যাবা আৰু তেওঁৰ পিছত ৰূকুৰ পৰা উঠিবা, যাতে ৰূকুৰ পৰিমাণ সমান হয়। এইদৰে ইমামে যেতিয়া ছামি আল্লাহু লিমান হামিদাহ ক'ব, তেতিয়া তোমালোকে ক'বাঃ আল্লাহুম্মা ৰাব্বানা লাকাল হাম্‌দ। মুচল্লীসকলে যেতিয়া এইটো কয় তেতিয়া আল্লাহে তেওঁলোকৰ কথা নিশ্চয় শুনে। কিয়নো মহান আল্লাহে তেওঁৰ নবীৰ মুখেৰে কোৱাইছে যে, আল্লাহে প্ৰশংসাকাৰীৰ প্ৰশংসা শুনে। ইয়াৰ পিছত ইমামে যেতিয়া তাকবীৰ কৈ ছাজদাহ কৰিব তেতিয়া তোমালোকেও তাকবীৰ পাঠ কৰি ছাজদাহ কৰিবা। লগতে শুনা, ইমামে তোমালোকৰ আগত ছাজদাত যাব আৰু তোমালোকৰ আগতে ছাজদাৰ পৰা উঠিব।

কাৰণ তেওঁ আগত গৈছে সেয়ে আগতে উঠিব, যাতে ছাজদাৰ সময় একে পৰিমাণৰ হয়। এইদৰে তাশ্বাহহুদত প্ৰথমে তোমালোকে এইটো পাঠ কৰিবাঃ "আত্তাহিয়্যাতু আত-তায়্যিবাতু আচ্ছালাৱাতু লিল্লাহ" ৰাজত্ব, মহত্ব, অমৰত্ব একমাত্ৰ আল্লাহৰেই অধিকাৰ। এইদৰে পাঁচ ওৱাক্ত নামাজ একমাত্ৰ আল্লাহৰেই প্ৰাপ্য। "আচ্ছালামু আলাইকা আয়্যুহান্নাবীয়্যু অৰাহমাতুল্লাহি অবাৰাকাতুহ। আচ্ছালামু আলাইনা ওৱা আলা ইবাদিল্লাহিচ চলিহীন।" সকলো প্ৰকাৰ দোষ-ত্ৰুটি, বিপদ আপদ, ফিতনা ফাছাদৰ পৰা নিৰাপত্তা বিচাৰোঁ, এই শান্তি আৰু নিৰাপত্তা প্ৰথমে নবীৰ বাবে বিচৰা হৈছে, তাৰ পিছত নিজৰ বাবে আৰু তাৰ পিছত সকলো নেক বান্দাৰ বাবে, যিসকলে আল্লাহৰ হক আদায় কৰে আৰু বান্দাসকলৰ হকুকো আদায় কৰে। ইয়াৰ পিছত আমি সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ হৈছে তেওঁৰ বান্দা আৰু ৰাছুল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত তাশ্বাহহুদত পঢ়িবলগীয়া দুআটো উল্লেখ হৈছে।
2. নামাজৰ কৰণীয় আৰু পঢ়িবলগীয়া দুআ আটাইবোৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা প্ৰমাণিত হোৱাটো আৱশ্যক। কথাই হওক বা কৰ্ম, যিটো হাদীছৰ দ্বাৰা প্ৰমাণিত নহয় তেনেকুৱা কিবা যুক্ত কৰাটো কাৰো বাবেই বৈধ নহয়।
3. ইমামৰ আগত অথবা ইমামতকৈ বেছি পলম কৰা বৈধ নহয়। বৰং ইমামে যি যি কৰে, তাক অনুসৰণ কৰাটো হৈছে চৰীয়ত অনুমোদিত।
4. দ্বীন প্ৰচাৰ আৰু দ্বীনৰ বিধি-বিধান শিকোৱাৰ ক্ষেত্ৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লাম খুবেই আগ্ৰহী আছিল।
5. মুক্তাদীসকলৰ বাবে ইমাম হৈছে আদৰ্শ। গতিকে নামাজত কোনো কৰ্মই ইমামৰ আগত বা পলমকৈ নাইবা একেলগে কৰা বৈধ নহয়।

বৰং ছুন্নত হৈছে ইমামক অনুসৰণ কৰা, অৰ্থাৎ ইমামে কোনো এটা কাম কৰিছে বুলি নিশ্চিত হোৱাৰ পিছত লগে লগে মুক্তাদীসকলে সেইটো কৰা।

6. নামাজত থিয় হোৱাৰ সময়ত শাৰীবোৰ চিধা কৰিব লাগে।

(65097)

(166) – عَنِ ابْنَ مَسْعُودٍ رضي الله عنه قَالَ: عَلَّمَنِي رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، وَكَفِّي بَيْنَ كَفَّيْهِ، التَّشَهُّدَ، كَمَا يُعَلِّمُنِي السُّورَةَ مِنَ القُرْآنِ: «**التَّحِيَّاتُ لِلَّهِ، وَالصَّلَوَاتُ وَالطَّيِّبَاتُ، السَّلاَمُ عَلَيْكَ أَيُّهَا النَّبِيُّ وَرَحْمَةُ اللَّهِ وَبَرَكَاتُهُ، السَّلاَمُ عَلَيْنَا وَعَلَى عِبَادِ اللَّهِ الصَّالِحِينَ، أَشْهَدُ أَنْ لاَ إِلَهَ إِلَّا اللَّهُ، وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ**».

وفي لفظ لهما: «**إِنَّ اللهَ هُوَ السَّلَامُ، فَإِذَا قَعَدَ أَحَدُكُمْ فِي الصَّلَاةِ فَلْيَقُلْ: التَّحِيَّاتُ لِلَّهِ وَالصَّلَوَاتُ وَالطَّيِّبَاتُ السَّلَامُ عَلَيْكَ أَيُّهَا النَّبِيُّ وَرَحْمَةُ اللهِ وَبَرَكَاتُهُ، السَّلَامُ عَلَيْنَا وَعَلَى عِبَادِ اللهِ الصَّالِحِينَ، فَإِذَا قَالَهَا أَصَابَتْ كُلَّ عَبْدٍ لِلَّهِ صَالِحٍ فِي السَّمَاءِ وَالْأَرْضِ، أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ، وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، ثُمَّ يَتَخَيَّرُ مِنَ الْمَسْأَلَةِ مَا شَاءَ**». [صحيح] - [متفق عليه]

(166) – ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক সেইদৰেই তাশ্বাহহুদ শিকাইছে, যিদৰে তেখেতে মোক কোৰআনৰ ছুৰা শিকাইছিল। সেই সময়ত মোৰ হাত তেখেতৰ দুয়ো হাতৰ মাজত আছিল। (তাশ্বাহহুদৰ শব্দবোৰ হৈছেঃ)

«التَّحِيَّاتُ لِلَّهِ، وَالصَّلَوَاتُ وَالطَّيِّبَاتُ، السَّلاَمُ عَلَيْكَ أَيُّهَا النَّبِيُّ وَرَحْمَةُ اللهِ وَبَرَكَاتُهُ، السَّلاَمُ عَلَيْنَا وَعَلَى عِبَادِ اللَّهِ الصَّالِحِينَ، أَشْهَدُ أَنْ لاَ إِلَهَ إِلَّا اللَّهُ، وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ»

("আত্তাহিয়্যাতু লিল্লা-হি অচ্ছালাৱাতু অত-তায়্যিবাতু, আচ্ছালামু আলাইকা আইয়্যুহান নাবীয়্যু অৰাহমাতুল্লাহি অবাৰাকাতুহ, আচ্ছালামু আলাইনা ৱাআলা ইবাদিল্লাহিচ্ছলিহীন, আশ্বহাদু আন-লা ইলা-হা ইল্লাল্লাহু, ৱা আশ্বহাদু আন্না মুহাম্মাদান আব্দুহু অৰাছুলুহ।" বুখাৰী আৰু মুছলিমৰ আন এটা বৰ্ণনাত আছে যে, "নিশ্চয় আল্লাহেই হৈছে শান্তিৰ উৎস। সেয়ে যেতিয়া তোমালোকে তাশ্বাহহুদত বহিবা তেতিয়া এই দুআ পাঠ কৰিবাঃ

التَّحِيَّاتُ لِلَّهِ وَالصَّلَوَاتُ وَالطَّيِّبَاتُ السَّلَامُ عَلَيْكَ أَيُّهَا النَّبِيُّ وَرَحْمَةُ اللهِ وَبَرَكَاتُهُ، السَّلَامُ عَلَيْنَا، وَعَلَى عِبَادِ اللهِ الصَّالِحِينَ

("আত্তাহিয়্যাতু লিল্লা-হি অচ্ছালাৱাতু অত-তায়্যিবাতু, আচ্ছালামু আলাইকা আইয়্যুহান নাবীয়্যু অৰাহমাতুল্লাহি অবাৰাকাতুহ, আচ্ছালামু আলাইনা ৱাআলা ইবাদিল্লাহিচ্ছলিহীন,) যেতিয়া এই বাক্য ক'ব তেতিয়া ইয়াৰ ভিতৰত আকাশ আৰু পৃথিৱীৰ সকলো নেক বান্দাকেই অন্তৰ্ভুক্ত কৰা হ'ব। (ইয়াৰ পিছত ক'ব) أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ، وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ আশ্বহাদু আন-লা ইলা-হা ইল্লাল্লাহু, ৱা আশ্বহাদু আন্না মুহাম্মাদান আব্দুহু অৰাছুলুহ। ইয়াৰ পিছত তেওঁ নিজৰ ইচ্ছা মতে যি ইচ্ছা সেইটোৱে দুআ কৰিব পাৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত উল্লেখ হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইবনে মাছঊদক নামাজৰ তাশ্বাহহুদত পঢ়িবলগীয়া দুআটো

শিকাইছিল। তেতিয়া তেওঁৰ হাত তেখেতৰ হাতৰ ভিতৰত আছিল, যাতে তেওঁ পৰিপূৰ্ণৰূপে মনোযোগ দিয়ে। তেখেতে তেওঁক তাশ্বাহহুদ সিমানেই গুৰুত্ব সহকাৰে শিকাইছিল যিমান গুৰুত্ব সহকাৰে তেওঁক কোৰআনৰ ছুৰা শিকাইছিল। এই কথাটোৱে তাশ্বাহহুদৰ শব্দ আৰু অৰ্থৰ প্ৰতি থকা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ গুৰুত্বৰ প্ৰমাণ কৰে। তেখেতে কৈছেঃ "আত্তাহিয়্যাতু লিল্লাহি " অৰ্থাৎ সকলো প্ৰকাৰৰ সন্মানসূচক কথা হওক বা কৰ্ম, ইয়াৰ প্ৰাপ্য অধিকাৰ হৈছে একমাত্ৰ সৰ্বশক্তিমান আল্লাহৰ। "আচ্ছালাৱাত" অৰ্থাৎ সকলো প্ৰকাৰ নামাজ ফৰজ হওক বা নফল একমাত্ৰ আল্লাহৰেই প্ৰাপ্য। "আত-তায়্যিবাত" পৱিত্ৰতা আৰু স্বয়ংসম্পূৰ্ণতা প্ৰমাণ কৰিব পৰা সকলো কথা আৰু কৰ্ম তথা সকলো বৈশিষ্ট্য একমাত্ৰ আল্লাহৰেই প্ৰাপ্য। "আচ্ছালামু আলাইকা আয়্যুহান নাবীয়্যু অৰাহমাতুল্লাহি অবাৰাকাতুহ" এইটো হৈছে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাবে এটা দুআ, যাতে তেখেত সকলো প্ৰকাৰ বিপদ-আপদৰ পৰা তথা অপ্ৰিয় ঘটনাৰ পৰা সুৰক্ষিত থাকে, লগতে তেখেতৰ বাবে কল্যাণ বৃদ্ধি হয়। "আচ্ছালামু আলাইনা অ আলা ইবাদিল্লাহিচ্ছলিহীন" এইটো হৈছে নামাজীসকলৰ বাবে লগতে আকাশ আৰু পৃথিৱীত থকা সকলো নেক বান্দাৰ বাবে দুআ। "আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ" অৰ্থাৎ মই সম্পূৰ্ণ দৃঢ়তাৰ সৈতে এই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। "ওৱা আন্না মুহাম্মাদান আব্দুহু অৰাছুলুহ" লগতে মই সাক্ষ্য দিওঁ যে, তেখেত হৈছে আল্লাহৰ বান্দা আৰু অন্তিম ৰাছুল।

এই দুআটো পাঠ কৰাৰ পিছত নিজৰ ইচ্ছা মতে দুআ কৰিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উৎসাহিত কৰিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই দুআটো প্ৰত্যেক নামাজৰ শেষ ছাজদাৰ পিছত যিটো তাশ্বাহহুদৰ বৈঠক হয় সেইটোত পঢ়িব লাগে, লগতে তিনি আৰু

চাৰি ৰাকাত বিশিষ্ট নামাজত দুই ৰাকাতৰ পিছত যিটো বৈঠক হয় সেইটোতো পঢ়িব লাগে।

2. তাশ্বাহহুদৰ বৈঠকত "আত্তাহিয়্যাতু" পাঠ কৰা ওৱাজিব। নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা প্ৰমাণিত যিকোনো শব্দৰে তাশ্বাহহুদ পঢ়া জায়েজ।
3. গুনাহ নোহোৱা নিজৰ মনে বিচৰা যিকোনো দুআ নামাজৰ এই স্থানত কৰিব পাৰে।
4. দুআ কৰাৰ সময়ত প্ৰথমে নিজৰ বাবে দুআ কৰা মুস্তাহাব।

(3096)

(167) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ قَالَ: كَانَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَدْعُو وَيَقُولُ: «اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ عَذَابِ القَبْرِ، وَمِنْ عَذَابِ النَّارِ، وَمِنْ فِتْنَةِ المَحْيَا وَالمَمَاتِ، وَمِنْ فِتْنَةِ المَسِيحِ الدَّجَّالِ».

وفِي لَفْظٍ لِمُسْلِمٍ: «إِذَا فَرَغَ أَحَدُكُمْ مِنَ التَّشَهُّدِ الْآخِرِ، فَلْيَتَعَوَّذْ بِاللهِ مِنْ أَرْبَعٍ: مِنْ عَذَابِ جَهَنَّمَ، وَمِنْ عَذَابِ الْقَبْرِ، وَمِنْ فِتْنَةِ الْمَحْيَا وَالْمَمَاتِ، وَمِنْ شَرِّ الْمَسِيحِ الدَّجَّالِ». [صحيح] - [متفق عليه]

(167) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকৈ দুআ কৰি কৈছিলঃ " হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ কবৰৰ শাস্তিৰ পৰা, জাহান্নামৰ আজাবৰ পৰা, জীৱন আৰু মৰণৰ ফিতনাৰ পৰা, লগতে মছীহ দাজ্জালৰ ফিতনাৰ পৰা।" মুছলিমৰ এটা বৰ্ণনাত এইদৰে আছে যে, "যেতিয়া তোমালোকে শেষ তাশ্বাহহুদ সম্পন্ন কৰিবা, তেতিয়া চাৰিটা বস্তুৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিবা। জাহান্নামৰ শাস্তিৰ পৰা, কবৰৰ আজাবৰ পৰা, জীৱন-মৰণৰ ফিতনাৰ পৰা আৰু মছীহ দাজ্জালৰ অনিষ্টৰ পৰা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজত অন্তিম তাশ্বাহহুদৰ পিছত আৰু ছালাম ফিৰোৱাৰ আগত চাৰিটা বস্তুৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিছিল, লগতে তেখেতে আমাকো সেইবোৰৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰাৰ নিৰ্দেশ দিছে।

১) কবৰৰ শাস্তিৰ পৰা।

২) জাহান্নামৰ শাস্তিৰ পৰা, অৰ্থাৎ কিয়ামতৰ দিনা।

৩) জীৱনৰ ফিতনাৰ পৰা, যেনে- হাৰাম আশা-আকাংক্ষা আৰু পথভ্ৰষ্ট কৰিব পৰা সন্দেহৰ পৰা। মৃত্যুৰ ফিতনা যেনে- মৃত্যুৰ সময়ত ইছলামৰ পৰা তথা ছুন্নতৰ পৰা বিভ্ৰান্ত হোৱা, এইদৰে কবৰৰ ফিতনা যেনে- ফিৰিস্তাসকলৰ প্ৰশ্নৰ পৰা।

৪) মছীহ দাজ্জালৰ ফিতনাৰ পৰা, যাৰ আৱিৰ্ভাৱ শেষ জামানাত হ'ব। যাৰ দ্বাৰা আল্লাহে বান্দাসকলক পৰীক্ষা কৰিব। ইয়াত দাজ্জালৰ বিষয়টো বিশেষকৈ উল্লেখ কৰাৰ অৰ্থ হৈছে, ইয়াৰ ফিতনা বৰ ভয়ানক হ'ব, লগতে সি অধিকাংশ লোকক পথভ্ৰষ্ট কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এইটো হৈছে আশ্ৰয় প্ৰাৰ্থনামূলক এটা গুৰুত্বপূৰ্ণ দুআ। কাৰণ ইয়াৰ দ্বাৰা পৃথিৱী আৰু আখিৰাতৰ অনিষ্টৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰা হৈছে।
2. কবৰৰ শাস্তি প্ৰমাণিত আৰু এইটো সত্য।
3. ফিতনাৰ ভয়াৱহতা আৰু আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰাৰ গুৰুত্ব তথা নাজাতৰ দুআ কৰাৰ মহত্ব বুজোৱা হৈছে।
4. দাজ্জালৰ আৱিৰ্ভাৱ হোৱাটো নিশ্চিত আৰু এইটো হৈছে এটা মহা ফিতনা।
5. শেষ তাশ্বাহহুদৰ পিছত এই দুআটো পঢ়া মুস্তাহাব।
6. নেক কামৰ পিছত দুআ কৰা মুস্তাহাব।

(3103)

(168) – عَنْ مَعْدَانَ بْنِ أَبِي طَلْحَةَ الْيَعْمَرِيُّ قَالَ: لَقِيتُ ثَوْبَانَ مَوْلَى رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَقُلْتُ: أَخْبِرْنِي بِعَمَلٍ أَعْمَلُهُ يُدْخِلُنِي اللهُ بِهِ الْجَنَّةَ؟ أَوْ قَالَ قُلْتُ: بِأَحَبِّ الْأَعْمَالِ إِلَى اللهِ، فَسَكَتَ. ثُمَّ سَأَلْتُهُ فَسَكَتَ. ثُمَّ سَأَلْتُهُ الثَّالِثَةَ فَقَالَ: سَأَلْتُ عَنْ ذَلِكَ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَقَالَ: «**عَلَيْكَ بِكَثْرَةِ السُّجُودِ لِلَّهِ، فَإِنَّكَ لَا تَسْجُدُ لِلَّهِ سَجْدَةً، إِلَّا رَفَعَكَ اللهُ بِهَا دَرَجَةً، وَحَطَّ عَنْكَ بِهَا خَطِيئَةً**» قَالَ مَعْدَانُ: ثُمَّ لَقِيتُ أَبَا الدَّرْدَاءِ فَسَأَلْتُهُ فَقَالَ لِي: مِثْلَ مَا قَالَ لِي: ثَوْبَانُ. [صحيح] - [رواه مسلم]

(168) – মা'দান বিন আবি ত্বালহা আল-য়া'মাৰিৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ আযাদকৃত দাস ছাওবানৰ সৈতে সাক্ষাৎ কৰিলোঁ। মই ক'লোঁঃ মোক এনেকুৱা এটা আমল সম্পৰ্কে জনাওক, যিটো কৰিলে আল্লাহে মোক জান্নাতত প্ৰৱেশ কৰাব। অথবা তেওঁ কৈছিল যে, মই ক'লোঁঃ আল্লাহৰ দৃষ্টিত সৰ্বাধিক উত্তম আমল কোনটো? কিন্তু তেওঁ উত্তৰ নিদিলে। মই আকৌ সুধিলোঁ, তথাপিও তেওঁ একো নক'লে। ইয়াৰ পিছত মই তৃতীয়বাৰ সুধিলোঁ, তেতিয়া তেওঁ ক'লেঃ ময়ো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিছিলোঁ, তেখেতে কৈছিলঃ "তুমি আল্লাহক বেছি বেছি ছাজদাহ কৰা, কাৰণ তুমি কৰা প্ৰতিটো ছাজদাৰ বিনিময়ত আল্লাহে তোমাৰ মৰ্যাদাৰ এটা ধাপ উন্নীত কৰিব আৰু এটাকৈ গুনাহ মাৰ্জনা কৰিব।" মা'দানে কৈছেঃ ইয়াৰ পিছত মই আবু দাৰদাৰ সৈতে সাক্ষাৎ কৰিলোঁ, তেখেতকো সেই একেই প্ৰশ্ন কৰিলোঁ, আৰু তেখেতেও সেই একেই উত্তৰ দিলে যিটো ছাওবানে দিছিল। [ছহীহ] - [মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত বৰ্ণিত হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামক এনেকুৱা আমল সম্পৰ্কে প্ৰশ্ন কৰা হৈছিল, যিটো কৰিলে জান্নাতত প্ৰৱেশ কৰিব পৰা যাব। অথবা কোনটো আমলক আল্লাহে সৰ্বাধিক ভাল পায়?

তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰশ্নকাৰীক কৈছিলঃ বেছি বেছি ছাজদাহ কৰা অৰ্থাৎ নামাজ পঢ়া। কাৰণ আল্লাহৰ বাবে কৰা তোমাৰ প্ৰতিটো ছাজদাৰ বিনিময়ত তোমাৰ মৰ্যাদাৰ এটাকৈ ধাপ উন্নীত হ'ব আৰু তোমাৰ এটা এটাকৈ গুনাহ ক্ষমা কৰা হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত প্ৰতিজন মুছলিমকে ফৰজ আৰু নফল নামাজৰ ক্ষেত্ৰত আগ্ৰহী হ'বলৈ উৎসাহিত কৰা হৈছে। কাৰণ যিমান নামাজ পঢ়িব সিমানে ছাজদাহ কৰিব।
2. হাদীছটোত চাহাবাসকলৰ বোধ আৰু জ্ঞানৰ উমান পোৱা গৈছে। কাৰণ তেওঁলোকে জানিছিল যে, আল্লাহৰ ৰহমতৰ পিছত, আমল অবিহনে জান্নাত লাভ কৰাটো সম্ভৱ নহয়।
3. নামাজত কৰা ছাজদাহ হৈছে মৰ্যাদা উন্নীত হোৱাৰ আৰু গুনাহ ক্ষমা হোৱাৰ অন্যতম কাৰণ।

(3732)

(169) – عن عَائِشَةَ رضيَ الله عنها قالت: إِنِّي سمعْتُ رسولَ الله صلى الله عليه وسلم يقول:
«لَا صَلَاةَ بِحَضْرَةِ الطَّعَامِ، وَلَا هُوَ يُدَافِعُهُ الْأَخْبَثَانِ». [صحيح] - [رواه مسلم]

(169) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "আহাৰ উপস্থিত হোৱাৰ পিছত কোনো নামাজ পঢ়া উচিত নহয়, লগতে প্ৰস্ৰাৱ পায়খানাৰ চাপ সৃষ্টি হ'লেও কোনো নামাজ পঢ়া উচিত নহয়।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকুৱা আহাৰ উপস্থিত হোৱাৰ পিছত নামাজ পঢ়িবলৈ নিষেধ কৰিছে যি খাদ্যৰ প্ৰতি মুচল্লীৰ আগ্ৰহ অধিক, কাৰণ এনেকুৱা অৱস্থাত নামাজ আৰম্ভ কৰিলে মুচল্লীৰ মনত বাৰে বাৰে সেই খাদ্যৰ কথাই মনত পৰিব।

এইদৰে শৌচ-প্ৰস্ৰাৱৰ চাপ সৃষ্টি হ'লে সেই অৱস্থাতো নামাজ পঢ়িবলৈ নিষেধ কৰিছে, কাৰণ এনেকুৱা অৱস্থাত মুচল্লীয়ে নামাজতকৈ চাপ চম্ভালিবলৈহে বেছি মনোযোগ দিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুচল্লীয়ে নামাজ আৰম্ভ কৰাৰ আগতে সেই সকলো কামৰ পৰা মুক্ত হোৱা উচিত, যিবোৰ কামে তাক নামাজত অসুবিধা দিব।

(3088)

(170) – عن عُثْمَانَ بْنَ أَبِي الْعَاصِ رضي الله عنه: أنه أَتَى النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فَقَالَ: يَا رَسُولَ اللهِ، إِنَّ الشَّيْطَانَ قَدْ حَالَ بَيْنِي وَبَيْنَ صَلَاتِي وَقِرَاءَتِي يَلْبِسُهَا عَلَيَّ، فَقَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**ذَاكَ شَيْطَانٌ يُقَالُ لَهُ خِنْزَبٌ، فَإِذَا أَحْسَسْتَهُ فَتَعَوَّذْ بِاللهِ مِنْهُ، وَاتْفُلْ عَلَى يَسَارِكَ ثَلَاثًا**»، قَالَ: فَفَعَلْتُ ذَلِكَ فَأَذْهَبَهُ اللهُ عَنِّي. [صحيح] - [رواه مسلم]

(170) – উছমান ইবনে আবিল আচ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! চয়তানে মোৰ আৰু মোৰ নামাজ তথা কিৰাতৰ মাজত বাধা সৃষ্টি কৰে। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "এইটো হৈছে এক প্ৰকাৰ চয়তান, যাৰ নাম হৈছে খিনঝিব। যেতিয়া তুমি ইয়াৰ উপস্থিতি অনুভৱ কৰিবা, তেতিয়া তুমি (আউজুবিল্লাহ পঢ়ি) তাৰ অনিষ্টৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰি তিনিবাৰ তোমাৰ বাওঁফালে থু পেলাবা।" তেওঁ কৈছেঃ ইয়াৰ পিছত মই এইটো পদ্ধতি অৱলম্বন কৰিলোঁ, ফলত আল্লাহে ইয়াক মোৰ পৰা আঁতৰাই দিলে। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

উছমান ইবনে আবিল আচ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! নামাজত চয়তানে মোক তিলাৱত কৰাত বাধা সৃষ্টি কৰে, লগতে খুশ্বু খুজু অৱলম্বনতো বাধা দিয়ে, আনকি কিৰাত পঢ়াৰ সময়ত মোক সন্দেহত পেলায়। এই কথা শুনি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ সেইটো হৈছে চয়তান, যাৰ নাম হৈছে খিনঝিব। যেতিয়া তুমি এই চয়তানৰ উপস্থিতি অনুভৱ কৰিবা, তেতিয়া তুমি আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰিবা। লগতে অকণমান থু সহকাৰে তিনিবাৰ বাওঁফালে থু থু দিবা। উছমানে কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শিকোৱাই দিয়া এই পদ্ধতিটো অৱলম্বন কৰাত আল্লাহে মোৰ পৰা সেই চয়তানটোক আঁতৰাই দিলে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজত খুশ্‌বু খুজু অৱলম্বন কৰা আৰু অন্তৰ উপস্থিত ৰখাৰ গুৰুত্ব। কাৰণ চয়তান সদায় অসুবিধা আৰু সন্দেহ সৃষ্টি কৰাৰ চেষ্টা কৰে।
2. নামাজত চয়তানৰ কুমন্ত্ৰণা সৃষ্টি হ'লে আউজুবিল্লাহ পঢ়াৰ লগতে বাওঁফালে থু থু পেলোৱা মুস্তাহাব।
3. উক্ত হাদীছত এই কথাও বৰ্ণনা কৰা হৈছে যে, চাহাবাসকলে কিবা সমস্যাৰ সন্মুখীন হ'লে তৎক্ষণাত ইয়াৰ সমাধানৰ বাবে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ গৈছিল।
4. চাহাবাসকল জীৱিত অন্তৰৰ অধিকাৰী আছিল, সেয়ে তেওঁলোকে সদায় আখিৰাতক প্ৰাধান্য দিছিল।

(65105)

(171) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «أَسْوَأُ النَّاسِ سَرَقَةً الَّذِي يَسْرِقُ صَلَاتَهُ» قَالَ: وَكَيْفَ يَسْرِقُ صَلَاتَهُ؟ قال: «لَا يُتِمُّ رُكُوعَهَا، وَلَا سُجُودَهَا». [صحيح] - [رواه ابن حبان]

(171) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আটাইতকৈ নিকৃষ্ট চোৰ হৈছে সেইজন, যিয়ে নামাজ চুৰি কৰে।" তেওঁ সুধিলেঃ নামাজ আকৌ কেনেকৈ চুৰি কৰে? তেখেতে ক'লেঃ "যিয়ে নামাজৰ ৰুকু ছাজদাহ পৰিপূৰ্ণৰূপে নকৰে।" [ছহীহ] - [(ইবনে হিব্বান)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, আটাইতকৈ নিকৃষ্ট চোৰ হৈছে সেইজন, যিয়ে নামাজ চুৰি কৰে। কাৰণ কাৰোবাৰ সম্পদ চুৰি কৰিলে হয়তো পৃথিৱীত কিছু উপকৃত হ'ব পাৰিব

কিন্তু নামাজ চুৰি কৰা ব্যক্তিয়ে ক'তো উপকৃত হ'ব নোৱাৰে। কাৰণ সি ছোৱাব আৰু প্ৰতিদানৰ পৰা নিজকে বঞ্চিতহে কৰে। চাহাবাসকলে হাদীছটো শুনাৰ পিছত প্ৰশ্ন কৰিলেঃ হে আল্লাহৰ ৰাছুল! নামাজ আকৌ কেনেকৈ চুৰি কৰে? তেখেতে ক'লেঃ নামাজৰ ৰুকূ ছাজদাহ পৰিপূৰ্ণৰূপে নকৰাটোৱে হৈছে নামাজ চুৰি, যেনে- ৰুকূ ছাজদাত খৰধৰ কৰা, সম্পূৰ্ণৰূপে নকৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ধীৰ স্থিৰে খুশ্‌বু খুজুৰ সৈতে নামাজৰ প্ৰতিটো ৰুকন আদায় কৰা আৰু উত্তমৰূপে নামাজ পঢ়াৰ গুৰুত্ব।
2. ৰুকু ছাজদাহ পৰিপূৰ্ণৰূপে নকৰাক চুৰিৰ সৈতে তুলনা কৰা হৈছে, কাৰণ সি ইয়াৰ পৰা আঁতৰি গৈছে, লগতে এইটো যে, হাৰাম সেই বিষয়ে সতৰ্ক কৰা হৈছে।
3. নামাজত ৰুকু ছাজদাহ পৰিপূৰ্ণৰূপে আদায় কৰা আৰু এই ক্ষেত্ৰত মধ্যম পন্থা অৱলম্বন কৰা অনিবাৰ্য।

(65100)

(172) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «أَمَا يَخْشَى أَحَدُكُمْ - أَوْ: لاَ يَخْشَى أَحَدُكُمْ - إِذَا رَفَعَ رَأْسَهُ قَبْلَ الإِمَامِ، أَنْ يَجْعَلَ اللَّهُ رَأْسَهُ رَأْسَ حِمَارٍ، أَوْ يَجْعَلَ اللَّهُ صُورَتَهُ صُورَةَ حِمَارٍ». [صحيح] - [متفق عليه]

(172) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনোবাই যেতিয়া ইমামৰ আগত মূৰ তোলে, তেতিয়া সি ভয় নকৰে নেকি যে, আল্লাহে হয়তো তাৰ মূৰটো গাধৰ মূৰৰ দৰে কৰিব পাৰে অথবা তাৰ আকৃতি গাধৰ আকৃতিৰ দৰে কৰি দিব পাৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আাইহি অছাল্লামে সেইসকল লোকক কঠোৰ সতৰ্কবাণী দিছে, যিসকলে ইমামৰ আগত (ছাজদাৰ পৰা বা ৰূকুৰ পৰা) মূৰ তোলে। অৰ্থাৎ আল্লাহে তাৰ মূৰক গাধৰ মূৰৰ দৰে কৰি দিব পাৰে অথবা তাৰ আকৃতিক গাধৰ আকৃতিত ৰূপান্তৰিত কৰিব পাৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইমামৰ সৈতে মুক্তাদীসকলৰ চাৰিটা অৱস্থা হ'ব পাৰেঃ তাৰে তিনিটা অৱস্থাৰ পৰা নিষেধ কৰা হৈছে। যেনে- ইমামৰ আগত কোনো কাম কৰা, নাইবা ইমামৰ সৈতে লগে লগে কোনো কাম কৰা, অথবা ইমামতকৈ বহুত পিছত কৰা। সঠিক অৱস্থাটো হৈছে, ইমামৰ অনুসৰণ কৰা।
2. নামাজত মুক্তাদীসকলে ইমামৰ অনুসৰণ কৰা ওৱাজিব।
3. ইমামৰ আগত মূৰ তোলা লোকৰ মূৰ, গাধৰ মূৰলৈ পৰিবৰ্তন হোৱাটো নিশ্চিতভাৱে সম্ভৱ। এইটো হৈছে এক প্ৰকাৰ বিকৃতি।

(3086)

(173) – عَنْ أَبِي سَعِيدٍ الْخُدْرِيِّ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «إِذَا شَكَّ أَحَدُكُمْ فِي صَلَاتِهِ، فَلَمْ يَدْرِ كَمْ صَلَّى ثَلَاثًا أَمْ أَرْبَعًا، فَلْيَطْرَحِ الشَّكَّ، وَلْيَبْنِ عَلَى مَا اسْتَيْقَنَ، ثُمَّ يَسْجُدُ سَجْدَتَيْنِ قَبْلَ أَنْ يُسَلِّمَ، فَإِنْ كَانَ صَلَّى خَمْسًا شَفَعْنَ لَهُ صَلَاتَهُ، وَإِنْ كَانَ صَلَّى إِتْمَامًا لِأَرْبَعٍ كَانَتَا تَرْغِيمًا لِلشَّيْطَانِ». [صحيح] - [رواه مسلم]

(173) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কাৰোবাৰ যদি নামাজত সন্দেহ হয়, তেওঁ যদি থিৰাং কৰিব নোৱাৰে যে, কিমান ৰাকাত পঢ়িছে তিনি ৰাকাত নে চাৰি ৰাকাত? তেন্তে তেওঁ সন্দেহক পৰিহাৰ কৰি নিশ্চিত সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি নামাজ অব্যাহত ৰখা উচিত। ইয়াৰ পিছত ছালাম ফিৰোৱাৰ আগত দুটা ছাজদাহ কৰি লোৱা উচিত। যদি তেওঁ পাঁচ ৰাকাত পঢ়িছে তেন্তে এই ছাজদাই তেওঁৰ নামাজক যুগ্ম সংখ্যাত পৰিণত কৰাব। আনহাতে যদি চাৰি ৰাকাত সম্পূৰ্ণৰূপে পঢ়িছে তেন্তে এই ছাজদাহ হ'ব চয়তানক অপমানিত কৰাৰ কাৰণ।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, নামাজত মুচল্লীৰ যদি সন্দেহ হয়, অৰ্থাৎ তিনি ৰাকাত পঢ়িছে নে চাৰি ৰাকাত পঢ়িছে সেয়া যদি থিৰাং কৰিব নোৱাৰে তেন্তে সন্দেহ হোৱা সংখ্যাক বাদ দি নিশ্চিত সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি নামাজ সম্পূৰ্ণ কৰা উচিত। গতিকে এই ক্ষেত্ৰত তিনি ৰাকাত হৈছে নিশ্চিত সংখ্যা, ইয়াৰ পিছত চতুৰ্থ ৰাকাত পঢ়ি দুটা ছাজদাহ কৰি ছালাম ফিৰাব লাগিব।

আনহাতে সঁচাই যদি চাৰি ৰাকাত পঢ়িছে, তেন্তে অতিৰিক্ত পঢ়া ৰাকাতটো হ'ব পঞ্চম ৰাকাত, লগতে ছাজদায়ে ছাহু আন এটা ৰাকাত

হিচাপে গণ্য হ'ব। গতিকে এইটো যুগ্ম সংখ্যা হৈ যাব, অযুগ্ম নহয়। আনহাতে অতিৰিক্ত ৰাকাতটো যদি চতুৰ্থ ৰাকাত হয় তেন্তে এইটো কোনো কম বেছি নোহোৱাকে পৰিপূৰ্ণ সংখ্যা গণ্য হ'ব।

এই ক্ষেত্ৰত ছাজদায়ে ছাহু হ'ব চয়তানৰ লাঞ্ছনাৰ কাৰণ, আৰু তাৰ প্ৰতি এটা প্ৰত্যুত্তৰ যে, সি নিজৰ উদ্দেশ্যত সফল হ'ব পৰা নাই। কিয়নো সি তেওঁৰ চালাতক বিনষ্ট কৰিব বিচাৰিছিল, কিন্তু বান্দাই আল্লাহৰ আদেশ পালন কৰি ছাজদাহ কৰিছে, যিটো ছাজদাক ইবলিছে নসাৎ কৰিছিল, যেতিয়া আল্লাহে আদমক ছাজদাহ কৰিবলৈ নিৰ্দেশ দিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুচল্লীয়ে যদি নামাজত সন্দেহৰ বশৱৰ্তী হয় তথা দুটা বিষয়ত দ্বিধাগ্ৰস্ত হয়, তেন্তে সন্দেহ যুক্ত বিষয়টোক পৰিত্যাগ কৰি নিশ্চিত বিষয়টোক গ্ৰহণ কৰা উচিত। অৰ্থাৎ কম সংখ্যাক গ্ৰহণ কৰা উচিত। তেতিয়াহে তেওঁৰ চালাত সম্পূৰ্ণ হ'ব আৰু ছালাম ফিৰোৱাৰ আগত ছাজদায়ে ছাহু কৰি লোৱা উচিত।

2. এই ছাজদাহ দুটা হৈছে নামাজৰ ত্ৰুটি দূৰ কৰা আৰু চয়তানক তাৰ উদ্দেশ্য পূৰণৰ পৰা দূৰ কৰি লাঞ্ছিত অপমানিত কৰাৰ উপায়।

3. হাদীছটোত উল্লিখিত সন্দেহৰ দ্বাৰা দ্বিধাগ্ৰস্ত হোৱাক বুজোৱা হৈছে। এতেকে সন্দেহ যিফালে বেছি হ'ব সেইটোক পৰিত্যাগ কৰি আমল কৰা উচিত।

4. সন্দেহ তথা কুমন্ত্ৰণাৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আৰু চৰীয়তৰ নিৰ্দেশনা মতে আমল কৰিবলৈ উৎসাহিত কৰা হৈছে।

(11231)

(174) – عَنْ وَابِصَةَ رضي الله عنه: أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ رَأَى رَجُلًا صَلَّى وَحْدَهُ خَلْفَ الصَّفِّ، فَأَمَرَهُ أَنْ يُعِيدَ صَلَاتَهُ. [حسن] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(174) – ওৱাবিছা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এজন ব্যক্তিক জামাআতৰ শাৰীৰ পিছফালে অকলশৰীয়াকৈ থিয় হৈ নামাজ পঢ়া দেখি, তাক পুনৰ নামাজ পঢ়িবলৈ নিৰ্দেশ দিলে। [হাছান] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দেখিলে যে, এজন ব্যক্তি শাৰীৰ পিছফালে অকলশৰীয়াকৈ থিয় হৈ নামাজ পঢ়িছে। এই দেখি তেখেতে তাক নামাজ পুনৰ পঢ়িবলৈ নিৰ্দেশ দিলে। কাৰণ এনেকৈ নামাজ পঢ়িলে নামাজ শুদ্ধ নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জামাআতত নামাজ পঢ়াৰ ক্ষেত্ৰত আগভাগ ল'বলৈ উৎসাহিত কৰা হৈছে। লগতে শাৰীৰ পিছফালে অকলশৰীয়াকৈ থিয় হ'ব নালাগে, অন্যথা নামাজ বাতিল হ'ব।
2. ইবনু হাজাৰে কৈছেঃ যদি কোনোবাই শাৰীৰ পিছফালে অকলশৰীয়াকৈ থিয় হৈ নামাজত প্ৰৱেশ কৰিছে আৰু ৰূকুৰ পৰা উঠাৰ আগতে যদি শাৰীত প্ৰৱেশ কৰে তেন্তে তেওঁৰ বাবে সেই নামাজ পুনৰ পঢ়াৰ প্ৰয়োজন নাই। কিয়নো ইয়াৰ প্ৰমাণ আবূ বাকৰাৰ হাদীছত পোৱা যায়। আনহাতে ইয়াৰ বাহিৰে ওৱাবিছাৰ হাদীছটোৰ অৰ্থ ব্যাপক।

(11303)

(175) – عَنْ عَبْدِ اللَّهِ بنِ مسعُودٍ رَضِيَ اللَّهُ عَنْهُ قَالَ: ذُكِرَ عِنْدَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ رَجُلٌ نَامَ لَيْلَهُ حَتَّى أَصْبَحَ، قَالَ: «ذَاكَ رَجُلٌ بَالَ الشَّيْطَانُ فِي أُذُنَيْهِ، أَوْ قَالَ: فِي أُذُنِهِ». [صحيح] - [متفق عليه]

(175) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত এজন লোকৰ কথা উল্লেখ কৰা হ'ল যে, সি ৰাতি শুৱে একেবাৰে ৰাতিপুৱা উঠে। তেখেতে ক'লেঃ "সেই ব্যক্তিৰ দুয়ো কাণত অথবা কৈছিল, তাৰ কাণত চয়তানে প্ৰস্ৰাৱ কৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত এনেকুৱা এজন ব্যক্তি সম্পৰ্কে উল্লেখ কৰা হ'ল, যিয়ে ৰাতি শুৱে আৰু ৰাতিপুৱা সূৰ্য্য উদয় হোৱাৰ পিছত উঠে, ফজৰৰ ফৰজ নামাজ সময়মতে আদায় নকৰে। তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ সি হৈছে এনেকুৱা ব্যক্তি, যাৰ কাণত চয়তানে প্ৰস্ৰাৱ কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তাহাজ্জুদ এৰি দিয়াটো অপছন্দনীয়। এই অৱহেলা আহে চয়তানৰ কাৰণে।
2. চয়তানৰ পৰা সতৰ্ক কৰা হৈছে, যিয়ে মানুহৰ প্ৰতিটো পথতে বহি থাকে, যাতে মানুহক আল্লাহৰ আনুগত্যৰ পৰা বিৰত ৰাখিব পাৰে।
3. ইবনু হাজাৰে কৈছেঃ (ما قام إلى الصلاة) (সি নামাজ নপঢ়ে) ইয়াত কেৱল নামাজৰ কথা কোৱা হৈছে, কোনটো নামাজ সেয়া স্পষ্ট নহয়। ইয়াৰ দ্বাৰা তাহাজ্জুদো হ'ব পাৰে আৰু ফৰজ নামাজো হ'ব পাৰে।

4. ত্বীবি ৰাহিমাহুল্লাহে কৈছেঃ ইয়াত কাণক নিৰ্দিষ্ট কৰা হৈছে। যদিও গভীৰ টোপনিক বুজাবলৈ চকুৰ কথা উল্লেখ কৰাটো হৈছে বেছি উপযুক্ত। কিন্তু কাণৰ কথা এইকাৰণে উল্লেখ কৰা হৈছে, কিয়নো কাণ হৈছে সাৰ পোৱাৰ অন্যতম মাধ্যম। এইদৰে ইয়াত প্ৰস্ৰাৱৰ কথা এই কাৰণে কোৱা হৈছে, কিয়নো প্ৰস্ৰাৱ সহজে সিৰাই সিৰাই সোমাব পাৰে, যাৰ ফলত গোটেই শৰীৰত অলসতাৰ সৃষ্টি হয়।

(3714)

(176) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «خَيْرُ يَوْمٍ طَلَعَتْ عَلَيْهِ الشَّمْسُ يَوْمُ الْجُمُعَةِ، فِيهِ خُلِقَ آدَمُ، وَفِيهِ أُدْخِلَ الْجَنَّةَ، وَفِيهِ أُخْرِجَ مِنْهَا، وَلَا تَقُومُ السَّاعَةُ إِلَّا فِي يَوْمِ الْجُمُعَةِ». [صحيح] - [رواه مسلم]

(176) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সূৰ্য্য উদয় হোৱা দিনসমূহৰ মাজত উত্তম দিন হৈছে জুমুআৰ দিন। জুমুআৰ দিনাই আদমক সৃষ্টি কৰা হৈছে আৰু এই দিনাই তেওঁক জান্নাতত প্ৰৱেশ কৰোৱা হৈছিল, আৰু জুমুআৰ দিনাই তেওঁক তাৰ পৰা বহিষ্কাৰ কৰা হৈছে, আৰু জুমুআৰ দিনাই ক্বিয়ামত সংঘটিত হ'ব।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, সূৰ্য্য উদয় হোৱা দিনসমূহৰ ভিতৰত সৰ্বোত্তম দিন হৈছে জুমুআৰ দিন। ইয়াৰ বৈশিষ্ট্য হৈছে যে, এই দিনটোতে আল্লাহে আদম আলাইহিচ্ছালামক সৃষ্টি কৰিছে, আৰু এই দিনটোতে তেওঁক জান্নাতত প্ৰৱেশ কৰাইছে, লগতে এই দিনটোতে তেওঁক তাৰ পৰা বহিষ্কাৰ কৰিছে আৰু পৃথিৱীত নমাই দিছে। এইদৰে জুমুআৰ দিনাই কিয়ামত সংঘটিত হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সপ্তাহৰ অন্যান্য দিনতকৈ জুমুআৰ দিনৰ গুৰুত্ব অধিক।
2. জুমুআৰ দিনত নেক আমল বেছি বেছি কৰিবলৈ উৎসাহিত কৰা হৈছে। গতিকে এই দিৱসটোত আল্লাহৰ ৰহমত অৰ্জন কৰাৰ প্ৰস্তুতি লোৱা উচিত আৰু তেওঁৰ ক্ৰোধৰ পৰা ৰক্ষা পোৱাৰ উপায় অলম্বন কৰা উচিত।
3. হাদীছত বৰ্ণিত এইবোৰ হৈছে জুমুআৰ দিনৰ বৈশিষ্ট্য। কিছুমানে কৈছেঃ এইবোৰে জুমুআৰ দিৱসৰ ফজীলত বহন নকৰে, কাৰণ আদমক কৰা বহিষ্কাৰ আৰু কিয়ামত সংঘটিত হোৱা বিষয়বোৰ ফজীলতৰ অন্তৰ্ভুক্ত নহয়। আন কিছুমানে কৈছেঃ উল্লিখিত আটাইবোৰ হৈছে ফাজাঈল। আদম আলাইহিচ্ছালামৰ বহিষ্কাৰো হৈছে এটা ফজীলত, কাৰণ ইয়াৰ ফলতে তেওঁৰ সন্তানসকলৰ মাজৰ পৰা নবী, ৰাছুল আৰু পুণ্যৱান লোকসকল অস্তিত্বলৈ আহিছে। এইদৰে কিয়ামত সংঘটিত হোৱাটোও হৈছে এটা ফজীলত, কাৰণ ইয়াৰ ফলত পূণ্যৱান লোকসকলে সোনকালেই তেওঁলোকৰ প্ৰতিফল লাভ কৰিব আৰু আল্লাহে তেওঁলোকৰ বাবে যিবোৰ নিয়ামত প্ৰস্তুত কৰি ৰাখিছে সেইবোৰ অৰ্জন কৰিব।
4. এই হাদীছত বৰ্ণিত বৈশিষ্ট্যসমূহৰ উপৰিও জুমুআৰ দিনৰ আৰু কেইবাটাও বৈশিষ্ট্য আছে। যেনে- আদম আলাইহিচ্ছালামে এই দিৱসতে তাওবা কৰিছিল, এই দিৱসটোতে তেওঁ মৃত্যুবৰণ কৰিছিল। এই দিৱসটোত এনেকুৱা এটা সময় আছে, যিটো সময়ত বান্দাই যদি নামাজ পঢ়ি আল্লাহৰ ওচৰত দুআ কৰে তথা কিবা বিচাৰে তেন্তে আল্লাহে তাক সেইটো প্ৰদান কৰে।
5. বছৰৰ সৰ্বোত্তম দিন হৈছে আৰাফাৰ দিন। কিছুমানে কৈছেঃ কুৰবানীৰ দিন। সপ্তাহৰ ভিতৰত সৰ্বোত্তম দিন হৈছে জুমুআৰ দিন আৰু সৰ্বোত্তম ৰাতি হৈছে ক্বদৰৰ ৰাতি।

(3711)

(177) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «مَنِ اغْتَسَلَ يَوْمَ الجُمُعَةِ غُسْلَ الجَنَابَةِ ثُمَّ رَاحَ، فَكَأَنَّمَا قَرَّبَ بَدَنَةً، وَمَنْ رَاحَ فِي السَّاعَةِ الثَّانِيَةِ، فَكَأَنَّمَا قَرَّبَ بَقَرَةً، وَمَنْ رَاحَ فِي السَّاعَةِ الثَّالِثَةِ، فَكَأَنَّمَا قَرَّبَ كَبْشًا أَقْرَنَ، وَمَنْ رَاحَ فِي السَّاعَةِ الرَّابِعَةِ، فَكَأَنَّمَا قَرَّبَ دَجَاجَةً، وَمَنْ رَاحَ فِي السَّاعَةِ الخَامِسَةِ، فَكَأَنَّمَا قَرَّبَ بَيْضَةً، فَإِذَا خَرَجَ الإِمَامُ حَضَرَتِ المَلاَئِكَةُ يَسْتَمِعُونَ الذِّكْرَ». [صحيح] - [متفق عليه]

(177) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "জুমুআৰ দিনা যিয়ে জানাবতৰ (ফৰজ) গোছল কৰিব, আৰু প্ৰথম সময়ছোৱাতে মছজিদত যাব, তেওঁ দৰাচলতে এটা উট কুৰবানী কৰাৰ ছোৱাব অৰ্জন কৰিব। দ্বিতীয় সময়ছোৱাত যিয়ে আহিব, তেওঁ অৰ্জন কৰিব এটা গৰু কুৰবানী কৰাৰ ছোৱাব। তৃতীয় সময়ছোৱাত যিয়ে আহিব তেওঁ দুম্বা কুৰবানী কৰাৰ ছোৱাব পাব। চতুৰ্থ সময়ছোৱাত যিয়ে আহিব তেওঁ মুৰ্গী দান কৰাৰ ছোৱাব পাব। আনহাতে যিয়ে পঞ্চম সময়ছোৱাত আহিব তেওঁ কণী এটা দান কৰাৰ ছোৱাব অৰ্জন কৰিব। ইয়াৰ পিছত ইমাম যেতিয়া ওলাই আহে তেতিয়া ফিৰিস্তাসকলে (ৰেজিষ্টাৰ বন্ধ কৰি) মনোযোগ সহকাৰে খুতবা শ্ৰৱণ কৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমুআৰ দিনা সোনকালে যোৱাৰ ফজিলত উল্লেখ কৰিছে। সূৰ্য্য উদয় হোৱাৰ পৰা ইমাম নহালৈকে এই সময়খিনিত সোনকালে আহিব কোৱা হৈছে। এই সময়ছোৱাক পাঁচ ভাগত বিভক্ত কৰা হৈছে। সূৰ্য্য উদয় হোৱাৰ পৰা ইমাম মছজিদত প্ৰৱেশ কৰি খুতবাৰ বাবে মিম্বৰত আৰোহণ কৰালৈকে এই সময়ছোৱাক পাঁচ ভাগত বিভক্ত কৰা হৈছে।

প্ৰথমঃ যিয়ে ফৰজ গোছলৰ দৰে পৰিপূৰ্ণ গোছল কৰিব আৰু তাৰ পিছত সোনকালেই প্ৰথম সময়ছোৱাত মছজিদলৈ যাব, তেওঁ যেনিবা এটা উট চাদাক্বাহ কৰিলে।

দ্বিতীয়ঃ যিয়ে দ্বিতীয় সময়ছোৱাত যাব, তেওঁ যেনিবা এটা গৰু দান কৰিলে।

তৃতীয়ঃ তৃতীয় সময়ছোৱাত যিয়ে যাব তেওঁ যেনিবা শিং থকা পঠা ছাগলী এটা দান কৰিলে।

চতুৰ্থঃ যিয়ে চতুৰ্থ সময়ছোৱাত যাব, তেওঁ যেনিবা এটা মুৰ্গী দান কৰিলে।

পঞ্চমঃ যিয়ে পঞ্চম সময়ছোৱাত যাব, তেওঁ যেনিবা কণী এটা দান কৰিলে।

এতেকে যেতিয়া ইমাম খুতবাৰ বাবে ওলাই আহে, তেতিয়া দুৱাৰত বহি থকা ফিৰিস্তাসকলে যিসকলে ক্ৰমানুসাৰে মছজিদত প্ৰৱেশ কৰা লোকৰ নাম লিখি আছিল, তেওঁলোকে মনোযোগ সহকাৰে খুতবা শুনা আৰম্ভ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জুমুআৰ দিনা গোছল কৰিবলৈ উৎসাহিত কৰা হৈছে। অৰ্থাৎ জুমুআৰ নামাজৰ বাবে যোৱাৰ পূৰ্বে।
2. দিনৰ প্ৰথম ভাগতে জুমুআৰ উদ্দেশ্যে যোৱাৰ ফজিলত।
3. নেক আমলৰ ক্ষেত্ৰত আগভাগ ল'বলৈ উৎসাহিত কৰা হৈছে।
4. হাদীছটোৰ পৰা জানিলোঁ যে, ফিৰিস্তাসকল জুমুআৰ দিনা উপস্থিত হয় আৰু মনোযোগ সহকাৰে খুতবা শুনে।
5. ফিৰিস্তাসকল মছজিদৰ দুৱাৰত বহি থাকে, তেওঁলোকে জুমুআৰ নামাজৰ বাবে আগমনকাৰীসকলৰ ক্ৰমানুসাৰে নাম লিখে।

6. ইবনে ৰজব ৰাহিমাহুল্লাহে হাদীছৰ এই বাক্যটোৰ বিষয়ে কৈছে যে, (من اغتسل يوم الجمعة، ثم راح) ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে, জুমুআৰ দিনা গোছল কৰাটো মুস্তাহাব। দিনৰ প্ৰথম সময়ছোৱাৰ পৰা জুমুআৰ বাবে যোৱাৰ আগলৈকে গোছল কৰিলেই হ'ল।

(5393)

(178) – عن ثَوْبَانَ رضي الله عنه قال: كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ إِذَا انْصَرَفَ مِنْ صَلَاتِهِ اسْتَغْفَرَ ثَلَاثًا، وَقَالَ: «اللَّهُمَّ أَنْتَ السَّلَامُ، وَمِنْكَ السَّلَامُ، تَبَارَكْتَ ذَا الْجَلَالِ وَالْإِكْرَامِ»، قَالَ الْوَلِيدُ: فَقُلْتُ لِلْأَوْزَاعِيِّ: كَيْفَ الْاسْتِغْفَارُ؟ قَالَ: تَقُولُ: أَسْتَغْفِرُ اللهَ، أَسْتَغْفِرُ اللهَ. [صحيح] - [رواه مسلم]

(178) – ছাওবান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ শেষ কৰি তিনিবাৰকৈ ইস্তিগফাৰ পঢ়িছিল। ইয়াৰ পিছত কৈছিলঃ "আল্লা-হুম্মা আনতাছ ছালামু অমিনকাছ ছালাম, তাবাৰাকতা য়া যাল জালালি অল ইকৰাম।", অলীদে কৈছে যে, মই আওঝায়ী ৰাহিমাহুল্লাহক সুধিলোঁঃ ইস্তিগফাৰ কেনেকৈ কৰিব লাগে? তেখেতে ক'লেঃ এনেকৈ কোৱা "আস্তাগফিৰুল্লাহ, আস্তাগফিৰুল্লাহ"। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ শেষ কৰি এইদৰে কৈছিলঃ আস্তাগফিৰুল্লাহ, আস্তাগফিৰুল্লাহ, আস্তাগফিৰুল্লাহ।

ইয়াৰ পিছত মহান প্ৰতিপালকৰ এইদৰে গুণগান কৰিছিলঃ "আল্লা-হুম্মা আনতাছ ছালামু অমিনকাছ ছালাম, তাবাৰাকতা য়া যাল জালালি অল ইকৰাম।" অৰ্থাৎ মহান আল্লাহ সকলো ক্ষেত্ৰতে পূৰ্ণাংগ গুণৰ অধিকাৰী, তেওঁ সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ। দুনিয়া আৰু আখিৰাতৰ সকলো প্ৰকাৰ অনিষ্টতাৰ পৰা একমাত্ৰ আল্লাহৰ ওচৰতে নিৰাপত্তা তথা সুৰক্ষা প্ৰাৰ্থনা কৰিব লাগে, তেওঁৰ বাহিৰে আন কাৰো

ওচৰতেই নহয়। দুনিয়া আৰু আখিৰাত উভয় ঠাইতে তেওঁৰ কল্যাণ অগণন। তেৱেঁই অত্যন্ত মহান আৰু উপকাৰকাৰী।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজৰ পিছত ইস্তিগফাৰ পাঠ কৰা মুস্তাহাব, এইটো নিয়মিতভাৱে পাঠ কৰিব লাগে।
2. ইবাদতত হোৱা ক্ৰুটি আৰু অৱহেলা আদিৰ পৰিপূৰক হিচাপে ইস্তিগফাৰ কৰা তথা আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা মুস্তাহাব।

(10947)

(179) – عَنْ أَبِي الزُّبَيْرِ قَالَ: كَانَ ابْنُ الزُّبَيْرِ يَقُولُ فِي دُبُرِ كُلِّ صَلَاةٍ حِينَ يُسَلِّمُ: «لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ، لَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللهِ، لَا إِلَهَ إِلَّا اللهُ، وَلَا نَعْبُدُ إِلَّا إِيَّاهُ، لَهُ النِّعْمَةُ وَلَهُ الْفَضْلُ وَلَهُ الثَّنَاءُ الْحَسَنُ، لَا إِلَهَ إِلَّا اللهُ مُخْلِصِينَ لَهُ الدِّينَ وَلَوْ كَرِهَ الْكَافِرُونَ» وَقَالَ: «كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يُهَلِّلُ بِهِنَّ دُبُرَ كُلِّ صَلَاةٍ». [صحيح] - [رواه مسلم]

(179) – আবু জুবাইৰে কৈছেঃ আব্দুল্লাহ ইবনু জুবাইৰে প্ৰতিটো নামাজৰ ছালাম ফিৰোৱাৰ পাছত এই দুআ পাঠ কৰিছিল, “লা ইলাহা ইল্লাল্লা-হু অহদাহু লা শ্বাৰীকা লাহ, লাহুল মুলকু অলাহুল হামদু অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। লা হাউলা অলা ক্বুউওৱাতা ইল্লা বিল্লাহ। লা ইলা-হা ইল্লাল্লা-হু অলা না’বুদু ইল্লা ইয়্যা-হ, লাহুন্নি’মাতু অলাহুল ফাজলু অলাহুচ ছানা-উল হাছান, লা ইলা-হা ইল্লাল্লা-হু মুখলিছীনা লাহুদ্দীনা অলাউ কাৰিহাল কা-ফিৰূন।” (অৰ্থ: আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক তথা অদ্বিতীয়, তেওঁৰ কোনো অংশীদাৰ নাই। বিশ্বজগতৰ তেৱেঁই সাৰ্বভৌম অধিপতি। সকলো প্ৰশংসা একমাত্ৰ তেওঁৰেই, তেওঁ সকলো বস্তুৰ ওপৰত ক্ষমতাৱান। আল্লাহৰ সহায় অবিহনে পাপকৰ্মৰ পৰা বিৰত থকাৰ আৰু সৎকৰ্ম কৰাৰ কাৰো শক্তি নাই। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তেওঁৰ বাহিৰে আমি কাৰো ইবাদত নকৰোঁ, যাৱতীয় নি‘আমত একমাত্ৰ তেওঁৰেই, আৰু তেওঁৰেই যাৱতীয় অনুগ্ৰহ, লগতে সকলো প্ৰকাৰ সু-প্ৰশংসা একমাত্ৰ তেওঁৰেই। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নেই। আমি বিশুদ্ধচিত্তে তেওঁৰেই ইবাদত কৰোঁ, যদিও কাফিৰসকলে ইয়াক অপছন্দ নকৰক কিয়”। ইবনু জুবাইৰে কৈছে, “ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে উক্ত দুআটো প্ৰত্যেক চালাতৰ পাছত পাঠ কৰিছিল।” [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰতিটো ফৰজ নামাজৰ পিছতেই এই গুৰুত্বপূৰ্ণ দুআটোৰ জৰিয়তে আল্লাহৰ গুণগান কৰিছিল। ইয়াৰ অৰ্থ হৈছেঃ

"لا إله إلا الله" অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই।

"وحده لا شريك له" অৰ্থাৎ তেওঁ একক তথা অদ্বিতীয়, ইবাদত উপাসনা, ৰূবুবিয়্যত বা প্ৰভুত্ব, তেওঁৰ নাম আৰু গুণাৱলী আদিৰ ক্ষেত্ৰত তেওঁৰ কোনো অংশীদাৰ নাই।

"له الملك" অৰ্থাৎ সাধাৰণ ৰাজত্ব একমাত্ৰ তেওঁৰেই। আকাশমণ্ডল, পৃথিৱী আৰু এই দুয়োৰে মাজত থকা সকলো বস্তুৰ মালিক একমাত্ৰ তেৱেঁই।

"وله الحمد" অৰ্থাৎ তেওঁ পৰিপূৰ্ণতাৰ গুণেৰে গুণান্বিত। পৰিপূৰ্ণ মুহাব্বত আৰু সন্মান সহকাৰে তেওঁ চিৰ প্ৰশংসিত। সেয়ে সুখ দুখ সকলো সময়তে তেওঁৰ প্ৰশংসা কৰিব লাগে।

"وهو على كل شيء قدير" অৰ্থাৎ তেওঁ শক্তি-সামৰ্থ তথা সকলো প্ৰকাৰ ক্ষমতাৰ ফালেৰে স্বয়ংসম্পূৰ্ণ, তেওঁক কোনেও অপাৰগ কৰিব নোৱাৰে। এনেকুৱা কোনো কাম নাই যিটো তেওঁ কৰিব নোৱাৰে।

"لا حول ولا قوة إلا بالله" অৰ্থাৎ এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ ৰূপান্তৰিত হোৱাৰ আৰু গুনাহ এৰি আল্লাহৰ আনুগত্যৰ ফালে ধাৱিত হোৱাৰ শক্তি, আল্লাহে দিয়া তাওফীক অবিহনে কাৰো ওচৰত নাই। তেৱেঁই মহা ক্ষমতাৱান। সেয়ে তেৱেঁই প্ৰকৃত সহায়ক, গতিকে তেওঁৰ ওপৰতেই ভৰসা কৰা উচিত।

"لا إله إلا الله، ولا نعبد إلا إياه" অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু আমি কেৱল তেওঁৰেই উপাসনা কৰোঁ। এই কথা পুনৰ উল্লেখ কৰি উলুহিয়্যতৰ প্ৰতি গুৰুত্বাৰোপ কৰা হৈছে আৰু শ্বিৰ্কক নসাৎ কৰা হৈছে। অৰ্থাৎ তেওঁৰ বাহিৰে আন কোনেও ইবাদতৰ যোগ্য নহয়।

"له النعمة وله الفضل" অৰ্থাৎ তেৱেঁই সকলো প্ৰকাৰ নিয়ামতৰ সৃষ্টিকৰ্তা আৰু তেৱেঁই সেইবোৰৰ মালিক। তেওঁ বান্দাসকলৰ মাজৰ যাক ইচ্ছা কৰে তাক নিয়ামত প্ৰদান কৰে।

"وله الثناء الحسن" অৰ্থাৎ সৰ্বোচ্চ উৎকৃষ্ট প্ৰশংসা একমাত্ৰ তেওঁৰেই। সত্ত্বাগত, গুণগত, কৰ্মগত আৰু নিয়ামতৰ ক্ষেত্ৰতো, আনকি সকলো সময়তে আৰু সৰ্বাৱস্থাতে তেওঁ প্ৰশংসাৰ পাত্ৰ।

"لا إله إلا الله، مخلصين له الدين" অৰ্থাৎ আমি নিৰ্ভেজালভাৱে তেওঁৰেই ইবাদত কৰোঁ। আনহাতে লোকক দেখুৱাবলৈ বা মানুহৰ মাজত গৌৰৱ অৰ্জন কৰিবলৈ আমি আল্লাহৰ ইবাদত নকৰোঁ।

"ولو كره الكافرون" অৰ্থাৎ আমি সম্পূৰ্ণ দৃঢ়তাৰে আল্লাহক একক তথা অদ্বিতীয় বুলি বিশ্বাস কৰোঁ আৰু একমাত্ৰ তেওঁৰেই ইবাদত কৰোঁ। যদিও কাফিৰসকলে ইয়াক অপছন্দ নকৰক কিয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ফৰজ নামাজৰ পিছত এই দুআটো নিয়মিত পাঠ কৰা মুস্তাহাব।
2. মুছলিমসকলে নিজৰ ধৰ্মকলৈ গৌৰৱ কৰা উচিত আৰু ইয়াৰ প্ৰতিটো বিধান নিজৰ জীৱনত বাস্তৱায়িত কৰা উচিত। যদিও কাফিৰসকলে ইয়াক অপছন্দ নকৰক কিয়।
3. হাদীছত যদি (دُبر الصلاة) শব্দটো উল্লেখ থাকে আৰু সেইটো যদি জিকৰ-আজকাৰ হয় তেন্তে সেইটো ছালামৰ পিছত পঢ়িব লাগে আৰু যদি দুআ হয় তেন্তে ছালামৰ আগত পঢ়িব লাগিব।

(6203)

(180) – عَنْ وَرَّادٍ كَاتِبِ الْمُغِيرَةِ بْنِ شُعْبَةَ قَالَ: أَمْلَى عَلَيَّ الْمُغِيرَةُ بْنُ شُعْبَةَ فِي كِتَابٍ إِلَى مُعَاوِيَةَ: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَانَ يَقُولُ فِي دُبُرِ كُلِّ صَلَاةٍ مَكْتُوبَةٍ: «لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ، وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ، اللَّهُمَّ لَا مَانِعَ لِمَا أَعْطَيْتَ، وَلَا مُعْطِيَ لِمَا مَنَعْتَ، وَلَا يَنْفَعُ ذَا الْجَدِّ مِنْكَ الْجَدُّ». [صحيح] - [متفق عليه]

(180) – মুগীৰাহ বিন শ্‌বুবাৰ লেখক অৰ্ৰাদৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মুগীৰাহ বিন শ্‌বুবাই মোৰ দ্বাৰা মুআৱিয়ালৈ এখন পত্ৰ লিখোৱালে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক ফৰজ নামাজৰ পিছতে এই দুআ পঢ়িছিলঃ "লা ইলা-হা ইল্লাল্লাহ, অহদাহু লা শ্বাৰীকা লাহ, লাহুল মুলকু অলাহুল হাম্‌দ, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। আল্লাহুম্মা লা মা-নিআ লিমা আ'ত্বাইতা, অলা মু'ত্বিয়া লিমা মানা'তা, অলা য়ানফাউ যাল জাদ্দি মিনকাল জাদ্দ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক ফৰজ নামাজৰ পিছতে এই দুআটো পঢ়িছিলঃ* "লা ইলা-হা ইল্লাল্লাহ, অহদাহু লা শ্বাৰীকা লাহ, লাহুল মুলকু অলাহুল হাম্‌দ, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। আল্লাহুম্মা লা মা-নিআ লিমা আ'ত্বাইতা, অলা মু'ত্বিয়া লিমা মানা'তা, অলা য়ানফাউ যাল জাদ্দি মিনকাল জাদ্দ।"

অৰ্থাৎ মই কলিমা তাওহীদ স্বীকাৰ কৰি এই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, ইবাদতৰ যোগ্য একমাত্ৰ আল্লাহ তাআলা। সেয়ে মই তেওঁৰ বাহিৰে সকলোকে ইবাদতৰ উপযুক্ত হোৱাৰ পৰা অস্বীকাৰ কৰোঁ। গতিকে তেওঁৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। লগতে এই কথা স্বীকাৰ কৰোঁ যে, প্ৰকৃত তথা পূৰ্ণাংগ ৰাজত্বৰ অধিকাৰী একমাত্ৰ আল্লাহ তাআলা। আকাশমণ্ডল আৰু পৃথিৱীবাসীৰ সকলো প্ৰকাৰ প্ৰশংসাৰ অধিকাৰী একমাত্ৰ মহান আল্লাহ। তেওঁ সকলো বস্তুৰ ওপৰতে ক্ষমতাৱান। আল্লাহে প্ৰদান কৰা আৰু বঞ্চিত কৰা আদি ক্ষেত্ৰত তেওঁক বাধা দিব পৰা কোনো নাই। তেওঁৰ ওচৰত কোনো ধনী

ব্যক্তিৰ ধন সম্পদে একো উপকাৰ নকৰে। বৰং তেওঁৰ ওচৰত উপকাৰ সাধন কৰে কেৱলমাত্ৰ নেক আমলে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই দুআটো নামাজৰ পিছত পঢ়া মুস্তাহাব, য'ত তাওহীদৰ কথা আৰু আল্লাহৰ প্ৰশংসাক সামৰি লোৱা হৈছে।
2. ছুন্নতসমূহ পালন কৰা আৰু প্ৰচাৰ কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা উচিত।

(65102)

(181) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنْ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَنْ سَبَّحَ اللهَ فِي دُبُرِ كُلِّ صَلَاةٍ ثَلَاثًا وَثَلَاثِينَ، وَحَمِدَ اللهَ ثَلَاثًا وَثَلَاثِينَ، وَكَبَّرَ اللهَ ثَلَاثًا وَثَلَاثِينَ، فَتِلْكَ تِسْعَةٌ وَتِسْعُونَ، وَقَالَ: تَمَامَ الْمِائَةِ: لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ غُفِرَتْ خَطَايَاهُ وَإِنْ كَانَتْ مِثْلَ زَبَدِ الْبَحْرِ». [صحيح] - [رواه مسلم]

(181) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি ব্যক্তিয়ে প্ৰতিটো নামাজৰ পিছত ৩৩ বাৰ ছুবহানাল্লাহ পাঠ কৰিব, আৰু ৩৩ বাৰ আলহাম্‌দুলিল্লাহ পাঠ কৰিব আৰু ৩৩ বাৰ আল্লাহু আকবাৰ পাঠ কৰিব, এয়া মুঠ হৈছে ৯৯ বাৰ, এইদৰে এশ সম্পূৰ্ণ কৰিবলৈ যিয়ে পাঠ কৰিবঃ লা ইলা-হা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুল্‌কু অলাহুল হাম্‌দু, ওৱা হুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। অৰ্থঃ (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব একমাত্ৰ তেওঁৰেই, সকলো ধৰণৰ প্ৰশংসাও তেওঁৰেই, আৰু তেওঁ সকলো বস্তুৰ ওপৰতে ক্ষমতাৱান।) তেন্তে তাৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হ'ব, যদিও তাৰ গুনাহ সাগৰৰ ফেনৰ সমান হয়।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, যি ব্যক্তিয়ে ফৰজ নামাজৰ পিছত

৩৩ বাৰ ছুবহানাল্লাহ পাঠ কৰিব। অৰ্থাৎ আল্লাহক সকলো প্ৰকাৰৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ ঘোষণা কৰিব।

৩৩ বাৰ আলহাম্‌দুলিল্লাহ পাঠ কৰিব। অৰ্থাৎ মুহাব্বত আৰু সন্মান সহকাৰে আল্লাহৰ পূৰ্ণাংগ গুণাৱলীৰ প্ৰশংসা কৰিব।

এইদৰে ৩৩ বাৰ আল্লাহু আকবাৰ পাঠ কৰিব। অৰ্থাৎ এই কথা ঘোষণা কৰিব যে, আল্লাহ সকলোতকৈ মহান।

লগতে এশ সম্পূৰ্ণ কৰিবলৈ এই দুআ পাঠ কৰিব। লা ইলা-হা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুল্‌কু অলাহুল হাম্‌দু, ওৱা হুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। পৰিপূৰ্ণ ৰাজত্বৰ অধিকাৰী একমাত্ৰ তেৱেঁই। মুহাব্বত আৰু সন্মানসহ সকলো ধৰণৰ প্ৰশংসাও একমাত্ৰ তেওঁৰেই, তেওঁৰ বাহিৰে কোনেও ইয়াৰ যোগ্য নহয়। মহান তথা সৰ্বশক্তিমান সত্ত্বা সকলো বস্তুৰ ওপৰতে ক্ষমতাৱান। কোনেও তেওঁক অপাৰগ কৰিব নোৱাৰে।

যিয়ে এইটো পাঠ কৰিব, তাৰ গুনাহসমূহ মোচন কৰি দিয়া হ'ব আৰু তাক ক্ষমা কৰি দিয়া হ'ব। যদিও তাৰ গুনাহৰ পৰিমাণ সাগৰৰ ঢৌত ভাহি অহা ফেনৰ সমান হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ফৰজ নামাজৰ পিছত এই দুআ পাঠ কৰা মুস্তাহাব।
2. এই দুআটো হৈছে গুনাহ মাৰ্জনাৰ অন্যতম উপায়।
3. হাদীছটো আল্লাহৰ মহা অনুগ্ৰহ, তেওঁৰ ৰহমত আৰু মাগফিৰাতৰ প্ৰমাণ।
4. এই দুআটো হৈছে গুনাহ মোচনৰ অন্যতম উপায়। ইয়াৰ দ্বাৰা সৰু গুনাহ মোচন হোৱাৰ কথা কোৱা হৈছে। আনহাতে কবীৰাহ গুনাহ, তাওবা নকৰাকৈ মোচন নহয়।

(10948)

(182) – عَنْ أَبِي أُمَامَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَنْ قَرَأَ آيَةَ الْكُرْسِيِّ فِي دُبُرِ كُلِّ صَلَاةٍ مَكْتُوبَةٍ لَمْ يَمْنَعْهُ مِنْ دُخُولِ الْجَنَّةِ إِلَّا أَنْ يَمُوتَ». [صحيح] - [ رواه النسائي في الكبرى]

(182) – আবূ উমামাহ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "যি ব্যক্তিয়ে প্ৰত্যেক ফৰজ নামাজৰ পিছত আয়াতুল কুৰ্ছী পাঠ কৰিব, তাৰ জান্নাতত প্ৰৱেশৰ ক্ষেত্ৰত মৃত্যুৰ বাহিৰে আন কোনেও বাধা হ'ব নোৱাৰে।" [ছহীহ] - []

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যি ব্যক্তিয়ে প্ৰত্যেক ফৰজ নামাজৰ পিছত আয়াতুল কুৰ্ছী পাঠ কৰিব, তাৰ জান্নাতত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত মৃত্যুৰ বাহিৰে আন একো বাধা হ'ব নোৱাৰে। আয়াতুল কুৰ্ছী হৈছে ছুৰা বাক্বাৰাৰ এইটো আয়াত। মহান আল্লাহে কৈছেঃ আল্লা-হু লা ইলা-হা ইল্লা হুৱাল হাইয়ুল ক্বাইয়ূম, লা তা'খুজুহু ছিনাতুওঁ অলা নাওম। লাহু মা ফিছ ছামা-ৱাতি অমা ফিল আৰজি মানজাল লাজী য়াশ্বফাউ ইংদাহু ইল্লা বিইজনিহ। য়া'লামু মা বাইনা আইদীহিম অমা খালফাহুম অলা য়ুহীতূনা বিশ্বাইয়িম মিন ইলমিহি ইল্লা বিমা শ্বা-আ, অছিআ কুৰছিয়্যুহুচ ছামা-ৱাতি অল আৰজ, অলা য়া-ঊ দুহু হিফজুহুমা, অহুৱাল আলিয়্যুল আজীম।

অৰ্থঃ আল্লাহ, তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই। তেওঁ চিৰঞ্জীৱ, সকলো সত্তাৰ ধাৰক। তেওঁক কলাঘুমটিও স্পৰ্শ কৰিব নোৱাৰে আৰু টোপনিও নহয়। আকাশমণ্ডলত যি আছে আৰু পৃথিৱীত যি আছে সকলো তেওঁৰেই। তেওঁৰ অনুমতি নোহোৱাকৈ তেওঁৰ ওচৰত ছুপাৰিছ কৰিব পৰা কোন আছে? সিহঁতৰ সন্মুখত আৰু পিছত যি আছে সকলো তেওঁ জানে; আৰু যি তেওঁ ইচ্ছা কৰে তাৰ বাহিৰে তেওঁৰ জ্ঞানৰ একোৱেই সিহঁতে পৰিবেষ্টন কৰিব নোৱাৰে। তেওঁৰ কুৰছী আকাশমণ্ডল আৰু পৃথিৱীক পৰিব্যপ্ত কৰি আছে; আৰু এই দুটাৰ

ৰক্ষণাবেক্ষণ তেওঁৰ বাবে বোজা নহয়; আৰু তেওঁ সুউচ্চ, সুমহান। (ছুৰা আল-বাক্বাৰাহঃ ২৫৫)

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই মহান আয়াতটোৰ গুৰুত্ব বৰ্ণিত হৈছে। কাৰণ ইয়াৰ মাজত আছে আল্লাহৰ আচমায়ে হুছনা (সুন্দৰ নামসমূহ) আৰু সৰ্বোচ্চ গুণাৱলী।
2. প্ৰত্যেক ফৰজ নামাজৰ পিছত এই মহান আয়াতটো পাঠ কৰা মুস্তাহাব।
3. নেক আমল হৈছে জান্নাতত প্ৰৱেশৰ অন্যতম উপায়।

(10950)

(183) – عَنِ ابْنِ عُمَرَ رَضِيَ اللَّهُ عَنْهُمَا قَالَ: حَفِظْتُ مِنَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَشْرَ رَكَعَاتٍ: رَكْعَتَيْنِ قَبْلَ الظُّهْرِ، وَرَكْعَتَيْنِ بَعْدَهَا، وَرَكْعَتَيْنِ بَعْدَ المَغْرِبِ فِي بَيْتِهِ، وَرَكْعَتَيْنِ بَعْدَ العِشَاءِ فِي بَيْتِهِ، وَرَكْعَتَيْنِ قَبْلَ صَلاَةِ الصُّبْحِ، وَكَانَتْ سَاعَةً لاَ يُدْخَلُ عَلَى النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِيهَا، حَدَّثَتْنِي حَفْصَةُ أَنَّهُ كَانَ إِذَا أَذَّنَ المُؤَذِّنُ وَطَلَعَ الفَجْرُ صَلَّى رَكْعَتَيْنِ، وَفِي لَفْظٍ: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَانَ يُصَلِّي بَعْدَ الْجُمُعَةِ رَكْعَتَيْنِ. [صحيح] - [متفق عليه بجميع رواياته]

(183) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দহ ৰাকাত নামাজৰ বিষয়ে মোৰ স্মৃতিত সংৰক্ষণ কৰি ৰাখিছোঁ. দুই ৰাকাত জোহৰৰ পূৰ্বে আৰু দুই ৰাকাত জোহৰৰ পিছত, মাগৰিবৰ পিছত ঘৰত দুই ৰাকাত আৰু ঈশ্বাৰ পিছত ঘৰত দুই ৰাকাত, আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত, এইটো হৈছে এনেকুৱা সময় যিটো সময়ত তেখেতৰ ওচৰলৈ কোনো যোৱা নাছিল, কিন্তু মোক হাফচা (ৰাদ্বিয়াল্লাহু আনহাই) জনাইছে যে, ফজৰ উদয় হোৱাৰ পিছত মুআজ্জিনে যেতিয়া আজান দিছিল তেতিয়া তেখেতে দুই ৰাকাত নামাজ পঢ়িছিল। আন এটা বৰ্ণনাত আছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমুআৰ পিছত দুই ৰাকাত পঢ়িছিল। [ছহীহ] - [(ইয়াৰ সকলো ৰিৱায়াত মুত্তাফাক আলাইহ)]

## ব্যাখ্যা:

আব্দুল্লাহ ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাই বৰ্ণনা কৰিছে যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দহ ৰাকাত নফল নামাজৰ বিষয়ে সংৰক্ষণ কৰি ৰাখিছে, যিবোৰক ছুনান আৰ-ৰাৱাতিব বুলি কোৱা হয়। দুই ৰাকাত হৈছে জোহৰৰ আগত আৰু দুই ৰাকাত হৈছে জোহৰৰ পিছত। মাগৰিবৰ পিছত ঘৰত দুই ৰাকাত। ঈশ্বাৰ পিছত ঘৰত দুই ৰাকাত। ফজৰৰ পূৰ্বে দুই ৰাকাত। এয়া হৈছে সম্পূৰ্ণ দহ ৰাকাত। আনহাতে তেখেতে জুমুআৰ নামাজৰ পিছতো দুই ৰাকাতে পঢ়িছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই নফল নামাজবোৰ নিয়মিতভাৱে আদায় কৰাটো হৈছে পছন্দনীয় আমল।
2. ছুন্নত নামাজবোৰ ঘৰত আদায় কৰাটো হৈছে চৰীয়ত সন্মত।

(3062)

(184) – عن عائشة أُمِّ المُؤْمِنِينَ رضي الله عنها: أن النبي صلى الله عليه وسلم كان لا يَدع أربعا قَبل الظهر وركعتين قبل الغَدَاة. [صحيح] - [رواه البخاري]

(184) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত যে, "নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত কেতিয়াও এৰা নাছিল।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰত নিয়মিতভাৱে নফল আদায় কৰিছিল, সেইবোৰ কেতিয়াও এৰা নাছিল। তেখেতে জোহৰৰ পূৰ্বে দুই ছালামত চাৰি ৰাকাত আদায় কৰিছিল, আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত পঢ়িছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত নামাজ নিয়মিত আদায় কৰিব লাগে।
2. ছুন্নত নামাজবোৰ ঘৰত আদায় কৰা উত্তম। এইকাৰণেই আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই এই বিষয়টো ভালকৈ জানিছিল আৰু তেওঁ হাদীছটোত জনাইছে।

(11249)

(185) – عَنْ عَبْدِ اللهِ بْنِ مُغَفَّلٍ رضي الله عنه قَالَ: قَالَ النَّبِيُّ صلى الله عليه وسلم: «بَيْنَ كُلِّ أَذَانَيْنِ صَلَاةٌ، بَيْنَ كُلِّ أَذَانَيْنِ صَلَاةٌ» ثُمَّ قَالَ فِي الثَّالِثَةِ: «لِمَنْ شَاءَ». [صحيح] - [متفق عليه]

(185) – আব্দুল্লাহ বিন মুগাফ্ফল ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "প্ৰত্যেক দুটা আজানৰ মাজত আছে নামাজ, প্ৰত্যেক দুটা আজানৰ মাজত আছে নামাজ।" ইয়াৰ পিছত তৃতীয়বাৰত তেখেতে কৈছিলঃ "যাৰ ইচ্ছা সি পঢ়িব পাৰে।" [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা জনাইছে যে, প্ৰত্যেক আজান আৰু ইকামতৰ মাজত নফল নামাজ আছে। এই কথা তেখেতে তিনিবাৰ কৈছিল। তৃতীয়বাৰত তেখেতে কৈছিল, যিয়ে পঢ়িব বিচাৰে তেওঁ পঢ়িব পাৰে, এইটো মুস্তাহাব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আজান আৰু ইকামতৰ মাজত নামাজ পঢ়া মুস্তাহাব।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এইটো এটা নীতি আছিল যে, তেখেতে গুৰুত্বপূৰ্ণ কথাক পুনৰাবৃত্তি কৰিছিল। যাতে শ্ৰোতাই শুনা পায় আৰু ইয়াৰ গুৰুত্ব বুজি পায়।
3. দুই আজানৰ দ্বাৰা আজান আৰু ইকামতক বুজোৱা হৈছে। আৰবী ভাষাত অধিক ব্যৱহাৰ হোৱা কোনো বিষয়ক এনেকৈয়ে বুজোৱা হয়। উদাহৰণস্বৰূপে সূৰ্য্য আৰু চন্দ্ৰক বুজাবলৈ কোৱা হয় কামাৰাইন। এইদৰে ওমৰাইন বুলি আবু বকৰ আৰু ওমৰক বুজোৱা হয়।

4. আজান হৈছে সময় হোৱাৰ জাননী। আনহাতে ইকামত হৈছে নামাজ আৰম্ভ হোৱাৰ জাননী।

(65479)

(186) – عَنْ أَبِي قَتَادَةَ السَّلَمِيِّ رضي الله عنه أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِذَا دَخَلَ أَحَدُكُمُ الْمَسْجِدَ فَلْيَرْكَعْ رَكْعَتَيْنِ قَبْلَ أَنْ يَجْلِسَ». [صحيح] - [متفق عليه]

(186) – আবু ক্বাতাদাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যেতিয়া তোমালোকৰ মাজৰ কোনোবাই মছজিদত প্ৰৱেশ কৰে, তেতিয়া তেওঁ বহাৰ আগতে দুই ৰাকাত নামাজ পঢ়ি লোৱা উচিত। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

আপুনি মছজিদলৈ যি সময়তে আৰু যি উদ্দেশ্যেই নাহক কিয়, বহাৰ আগত দুই ৰাকাত নামাজ পঢ়িবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উৎসাহিত কৰিছে। সেই দুই ৰাকাত নামাজকে তাহয়াতুল মাছজিদ বোলে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মছজিদত বহাৰ আগত দুই ৰাকাত তাহয়াতুল মাছজিদ পঢ়া মুস্তাহাব।
2. এইটো কেৱল সেই ব্যক্তিৰ বাবে যিয়ে মছজিদত বহিব বিচাৰে। আনহাতে যদি কোনোবাই মছজিদত প্ৰৱেশ কৰি নবহাকৈ ওলাই আহে তেন্তে ইয়াৰ প্ৰয়োজন নাই।

3. এইদৰে যেতিয়া কোনো মুচল্লীয়ে এনেকুৱা অৱস্থাত মছজিদত প্ৰৱেশ কৰে যেতিয়া জামাতত নামাজ হৈ আছে, তেতিয়াও এই দুই ৰাকাত পঢ়াৰ প্ৰয়োজন নাই।

(65091)

(187) – عن أبي هُرَيرةَ رضي الله عنه أنَّ رسول الله صلى الله عليه وسلمَ قال: «إذا قُلْتَ لِصَاحِبِكَ: أَنْصِتْ، يومَ الجمعةِ، والإمامُ يَخْطُبُ، فَقَدْ لَغَوْتَ». [صحيح] - [متفق عليه]

(187) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ জুমু'আৰ দিনা ইমামে খুতবা দিয়াৰ সময়ত, যদি তুমি তোমাৰ সঙ্গীক চুপ থাকিবলৈও কোৱা তেন্তে তুমিও অনৰ্থক কাম কৰিলা। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে খুতবাত উপস্থিত হোৱা লোকসকলে অৱলম্বন কৰিবলগীয়া নিয়ম-নীতি উল্লেখ কৰিছে। ইমামে খুতবা দিয়াৰ সময়ত কথা ক'ব নালাগে, যাতে ইমামে দিয়া উপদেশ ভালকৈ বুজিব পাৰে। সেয়ে ইমামে খুতবা দিয়াৰ সময়ত যদি কোনোবাই কাৰোবাক কয় যে, "কথা নক'বা, খুতবা শুনা", এইখিনি কথা ক'লেও সি জুমুআৰ নামাজৰ ফজিলতৰ পৰা বঞ্চিত হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. খুতবা শুনাৰ সময়ত কথা কোৱা হাৰাম। হাঁচিৰ উত্তৰ দিয়াই হওক বা ছালামৰ উত্তৰ দিয়া, নাইবা অসৎকৰ্মৰ পৰা নিষেধ কৰাই হওক।
2. কেৱল সেই ব্যক্তি ইয়াৰ অন্তৰ্ভুক্ত নহয়, যিয়ে ইমামক সম্বোধন কৰিব অথবা ইমামে যাক সম্বোধন কৰিব।
3. প্ৰয়োজনত দুই খুতবাৰ মাজত কথা কোৱা বৈধ।

4. খুতবাৰ সময়ত যদি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নাম উচ্চাৰণ হয় তেন্তে তেতিয়া মনে মনে দৰূদ পাঠ কৰা উচিত, এইদৰে ইমামে দুআ কৰিলে সেই দুআত আমিন কোৱা উচিত।

(3107)

(188) – عن عمران بن حصين رضي الله عنه قال: كَانَتْ بِي بَوَاسِيرُ، فَسَأَلْتُ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَنِ الصَّلَاةِ، فَقَالَ: «صَلِّ قَائِمًا، فَإِنْ لَمْ تَسْتَطِعْ فَقَاعِدًا، فَإِنْ لَمْ تَسْتَطِعْ فَعَلَى جَنْبٍ». [صحيح] - [رواه البخاري]

(188) – ইমৰাণ বিন হুচাইন ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মোৰ কেচুমূৰীয়া বেমাৰ আছিল। সেয়ে মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক নামাজ পঢ়া সম্পৰ্কে সুধিলোঁ। তেখেতে ক'লেঃ থিয় হৈ চালাত আদায় কৰা, যদি নোৱাৰা তেন্তে বহি আদায় কৰা, যদি বহিও নোৱাৰা তেন্তে কাতি হৈ শুই শুই আদায় কৰা। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, নামাজ মূলতে থিয় হৈ পঢ়িব লাগে, কিন্তু অক্ষমতা অৱস্থাতহে বহি পঢ়িব পাৰে। যদি বহি পঢ়িবলৈও সক্ষম নহয় তেন্তে তেওঁ কাতি হৈ শুই নামাজ পঢ়িব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হুঁচ বা চেতনা থকালৈকে নামাজ মাফ নহয়। কিন্তু এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ ৰূপান্তৰিত হৈ নামাজ পঢ়াৰ বিষয়টো সক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে।
2. ইছলাম হৈছে এটা সহজ তথা সৰল ধৰ্ম, ইয়াত সক্ষমতা অনুযায়ী ইবাদতকো সহজ কৰা হৈছে।

(10951)

(189) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللهُ عَنْهُ: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «**صَلَاةٌ فِي مَسْجِدِي هَذَا خَيْرٌ مِنْ أَلْفِ صَلَاةٍ فِيمَا سِوَاهُ إِلَّا الْمَسْجِدَ الْحَرَامَ**». [صحيح] - [متفق عليه]

(189) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মছজিদে হাৰামৰ বাহিৰে অন্যান্য মছজিদৰ তুলনাত মোৰ এই মছজিদত নামাজ পঢ়াটো এহেজাৰ গুণ উত্তম। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, মছজিদে নবৱীত এক ওৱাক্ত নামাজ পঢ়াটো অন্যান্য মছজিদত এহেজাৰ নামাজ পঢ়াতকৈও উত্তম, কেৱল মক্কাত অৱস্থিত মছজিদে হাৰামৰ বাহিৰে। কাৰণ মছজিদে নবৱীতকৈ তাত নামাজ পঢ়া অধিক উত্তম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মছজিদে হাৰাম আৰু মছজিদে নবৱীত অধিক গুণ বৃদ্ধিকৈ ছোৱাব প্ৰদান কৰা হয়।
2. অন্যান্য মছজিদৰ তুলনাত মছজিদে হাৰামৰ নামাজৰ ছোৱাব এক লাখ নামাজতকৈ উত্তম।

(65090)

(190) – عَنْ مَحْمُودِ بْنِ لَبِيدٍ رضي الله عنه: أَنَّ عُثْمَانَ بْنَ عَفَّانَ أَرَادَ بِنَاءَ الْمَسْجِدِ فَكَرِهَ النَّاسُ ذَلِكَ، وَأَحَبُّوا أَنْ يَدَعَهُ عَلَى هَيْئَتِهِ، فَقَالَ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «مَنْ بَنَى مَسْجِدًا لِلهِ بَنَى اللهُ لَهُ فِي الْجَنَّةِ مِثْلَهُ». [صحيح] - [متفق عليه]

(190) – মাহমূদ বিন লাবীদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, উছমান ৰাদ্বিয়াল্লাহু আনহুৱে মছজিদ পুনৰ্ণিমান কৰিব বিচৰাত মানুহে বিষয়টোক অপছন্দ কৰিলে, আৰু তেওঁলোকে পছন্দ কৰিলে যে, মছজিদ আগৰ অৱস্থাতে থাকক। তেতিয়া তেওঁ ক'লেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "যিয়ে আল্লাহৰ সন্তুষ্টি অৰ্জনৰ উদ্দেশ্যে মছজিদ নিৰ্মাণ কৰে, আল্লাহে তাৰ বাবে জান্নাতত অনুৰূপ এখন ঘৰ নিৰ্মাণ কৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

উছমান বিন আফ্ফান ৰাদ্বিয়াল্লাহু আনহুৱে মছজিদে নবৱীক আগতকৈ সুন্দৰ ৰূপত পুনৰ্নিৰ্মাণ কৰিববৈলে মনস্থ কৰিলে, কিন্তু বিষয়টোক মানুহে অপছন্দ কৰিলে। কাৰণ ইয়াৰ ফলত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বনোৱা পূৰ্বৰ ধৰণটো পৰিবৰ্তন হ'ব। পূৰ্বে ইটাৰে নিৰ্মিত আছিল আৰু চাদ বনোৱা আছিল খেজুৰৰ ঠাৰীৰে। কিন্তু উছমান ৰাদ্বিয়াল্লাহু আনহুৱে শিল আৰু প্লাষ্টাৰেৰে নিৰ্মাণ কৰিব বিচাৰিছিল। এই প্ৰেক্ষাপটত উছমান ৰাদ্বিয়াল্লাহু আনহুৱে ক'লে যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ লোকক দেখুৱাবলৈ বা গৌৰৱান্বিত নোহোৱাকৈ যিয়ে আল্লাহৰ সন্তুষ্টি কামনা কৰি মছজিদ নিৰ্মাণ কৰিব, ইয়াৰ বিনিময়ত আল্লাহে তাক সেই অনুপাতেই প্ৰতিদান প্ৰদান কৰিব, অৰ্থাৎ আল্লাহে তাৰ বাবে অনুৰূপ এখন ঘৰ জান্নাতত নিৰ্মাণ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মছজিদ নিৰ্মাণ কৰিবলৈ উৎসাহিত কৰা হৈছে আৰু ইয়াৰ ফজিলত বৰ্ণিত হৈছে।
2. মছজিদ প্ৰসাৰিত কৰা তথা পুনৰ্নিৰ্মাণ কৰা আদি মছজিদ নিৰ্মাণৰেই অন্তৰ্ভুক্ত।
3. সকলো কামতে ইখলাচ অৱলম্বন কৰাৰ গুৰুত্ব।

(65089)

(191) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَا مِنْ صَاحِبِ ذَهَبٍ وَلَا فِضَّةٍ، لَا يُؤَدِّي مِنْهَا حَقَّهَا، إِلَّا إِذَا كَانَ يَوْمُ الْقِيَامَةِ، صُفِّحَتْ لَهُ صَفَائِحُ مِنْ نَارٍ، فَأُحْمِيَ عَلَيْهَا فِي نَارِ جَهَنَّمَ، فَيُكْوَى بِهَا جَنْبُهُ وَجَبِينُهُ وَظَهْرُهُ، كُلَّمَا بَرَدَتْ أُعِيدَتْ لَهُ، فِي يَوْمٍ كَانَ مِقْدَارُهُ خَمْسِينَ أَلْفَ سَنَةٍ، حَتَّى يُقْضَى بَيْنَ الْعِبَادِ، فَيَرَى سَبِيلَهُ، إِمَّا إِلَى الْجَنَّةِ، وَإِمَّا إِلَى النَّارِ»

قِيلَ: يَا رَسُولَ اللهِ، فَالْإِبِلُ؟ قَالَ: «وَلَا صَاحِبُ إِبِلٍ لَا يُؤَدِّي مِنْهَا حَقَّهَا، وَمِنْ حَقِّهَا حَلَبُهَا يَوْمَ وِرْدِهَا، إِلَّا إِذَا كَانَ يَوْمُ الْقِيَامَةِ، بُطِحَ لَهَا بِقَاعٍ قَرْقَرٍ، أَوْفَرَ مَا كَانَتْ، لَا يَفْقِدُ مِنْهَا فَصِيلًا وَاحِدًا، تَطَؤُهُ بِأَخْفَافِهَا وَتَعَضُّهُ بِأَفْوَاهِهَا، كُلَّمَا مَرَّ عَلَيْهِ أُولَاهَا رُدَّ عَلَيْهِ أُخْرَاهَا، فِي يَوْمٍ كَانَ مِقْدَارُهُ خَمْسِينَ أَلْفَ سَنَةٍ، حَتَّى يُقْضَى بَيْنَ الْعِبَادِ، فَيَرَى سَبِيلَهُ إِمَّا إِلَى الْجَنَّةِ، وَإِمَّا إِلَى النَّارِ»

قِيلَ: يَا رَسُولَ اللهِ، فَالْبَقَرُ وَالْغَنَمُ؟ قَالَ: «وَلَا صَاحِبُ بَقَرٍ، وَلَا غَنَمٍ، لَا يُؤَدِّي مِنْهَا حَقَّهَا، إِلَّا إِذَا كَانَ يَوْمُ الْقِيَامَةِ بُطِحَ لَهَا بِقَاعٍ قَرْقَرٍ، لَا يَفْقِدُ مِنْهَا شَيْئًا، لَيْسَ فِيهَا عَقْصَاءُ، وَلَا جَلْحَاءُ، وَلَا عَضْبَاءُ تَنْطَحُهُ بِقُرُونِهَا وَتَطَؤُهُ بِأَظْلَافِهَا، كُلَّمَا مَرَّ عَلَيْهِ أُولَاهَا رُدَّ عَلَيْهِ أُخْرَاهَا، فِي يَوْمٍ كَانَ مِقْدَارُهُ خَمْسِينَ أَلْفَ سَنَةٍ، حَتَّى يُقْضَى بَيْنَ الْعِبَادِ، فَيَرَى سَبِيلَهُ إِمَّا إِلَى الْجَنَّةِ، وَإِمَّا إِلَى النَّارِ»

قِيلَ: يَا رَسُولَ اللهِ، فَالْخَيْلُ؟ قَالَ: «الْخَيْلُ ثَلَاثَةٌ: هِيَ لِرَجُلٍ وِزْرٌ، وَهِيَ لِرَجُلٍ سِتْرٌ، وَهِيَ لِرَجُلٍ أَجْرٌ، فَأَمَّا الَّتِي هِيَ لَهُ وِزْرٌ، فَرَجُلٌ رَبَطَهَا رِيَاءً وَفَخْرًا وَنِوَاءً عَلَى أَهْلِ الْإِسْلَامِ، فَهِيَ لَهُ وِزْرٌ، وَأَمَّا الَّتِي هِيَ لَهُ سِتْرٌ، فَرَجُلٌ رَبَطَهَا فِي سَبِيلِ اللهِ، ثُمَّ لَمْ يَنْسَ حَقَّ اللهِ فِي ظُهُورِهَا وَلَا رِقَابِهَا، فَهِيَ لَهُ سِتْرٌ وَأَمَّا الَّتِي هِيَ لَهُ أَجْرٌ، فَرَجُلٌ رَبَطَهَا فِي سَبِيلِ اللهِ لِأَهْلِ الْإِسْلَامِ، فِي مَرْجٍ وَرَوْضَةٍ، فَمَا أَكَلَتْ مِنْ ذَلِكَ الْمَرْجِ، أَوِ الرَّوْضَةِ مِنْ شَيْءٍ، إِلَّا كُتِبَ لَهُ، عَدَدَ مَا أَكَلَتْ حَسَنَاتٌ، وَكُتِبَ لَهُ، عَدَدَ أَرْوَاثِهَا وَأَبْوَالِهَا، حَسَنَاتٌ، وَلَا تَقْطَعُ طِوَلَهَا فَاسْتَنَّتْ شَرَفًا، أَوْ شَرَفَيْنِ، إِلَّا كَتَبَ اللهُ لَهُ عَدَدَ آثَارِهَا وَأَرْوَاثِهَا حَسَنَاتٍ، وَلَا مَرَّ بِهَا صَاحِبُهَا عَلَى نَهْرٍ، فَشَرِبَتْ مِنْهُ وَلَا يُرِيدُ أَنْ يَسْقِيَهَا، إِلَّا كَتَبَ اللهُ لَهُ، عَدَدَ مَا شَرِبَتْ، حَسَنَاتٍ»

قِيلَ: يَا رَسُولَ اللهِ، فَالْحُمُرُ؟ قَالَ: «مَا أُنْزِلَ عَلَيَّ فِي الْحُمُرِ شَيْءٌ، إِلَّا هَذِهِ الْآيَةَ الْفَاذَّةُ الْجَامِعَةُ»: {فَمَنْ يَعْمَلْ مِثْقَالَ ذَرَّةٍ خَيْرًا يَرَهُ، وَمَنْ يَعْمَلْ مِثْقَالَ ذَرَّةٍ شَرًّا يَرَهُ} [الزلزلة: 8]. [صحيح] - [متفق عليه]

(191) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ সোণ-ৰূপৰ অধিকাৰী ব্যক্তি, যিয়ে (নিচাব হোৱাৰ পিছতো) ইয়াৰ হক (জাকাত) আদায় নকৰে, ক্বিয়ামতৰ দিনা তাৰ এই সম্পদক জাহান্নামৰ জুইত উত্তপ্ত কৰি অগ্নিৰ পাত বনোৱা হ'ব। লগতে সেইবোৰক জাহান্নামৰ জুইত অধিক উত্তপ্ত কৰা হ'ব, আৰু সেইবোৰৰ দ্বাৰা তাৰ কাষত, কপালত আৰু পিঠিত দাগ দিয়া হ'ব। যেতিয়া সেইটো শীতল হ'ব তেতিয়াই পুনৰ উত্তপ্ত কৰা হ'ব। এই শাস্তি বিহা হ'ব এনেকুৱা এটা দিৱসত যাৰ পৰিমাণ হ'ব পঞ্চাছ হাজাৰ বছৰৰ সমান। এই শাস্তি মানুহৰ মাজত ফয়চালা সম্পন্ন নোহোৱা পৰ্যন্ত চলি থাকিব। অৱশেষত ফয়চালা হোৱাৰ পিছত সিহঁতৰ মাজৰ কিছুমানে জান্নাতলৈ যাব আৰু কিছুমান যাব জাহান্নামত। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত সম্পদৰ কেইটামান প্ৰকাৰ উল্লেখ কৰিছে, লগতে যিসকলে এইবোৰৰ জাকাত আদায় নকৰে, কিয়ামতৰ দিনা সিহঁতে কি প্ৰতিদান পাব সেয়া উল্লেখ কৰিছে। যেনে-

প্ৰথমঃ সোণ-ৰূপ আৰু ইয়াৰ সমপৰ্যায়ৰ সম্পদ লগতে বাণিজ্যিক পণ্য। অৰ্থাৎ নিচাব পৰিমাণৰ সম্পদ যিটোৰ জাকাত আদায় কৰা নাই। কিয়ামতৰ দিনা সেইবোৰ সম্পদৰ দ্বাৰা লোৰ পাতৰ দৰে চেপেটা পাত বনাই সেইবোৰক জাহান্নামৰ জুইত উত্তপ্ত কৰা হ'ব, আৰু সেইবোৰেৰে সম্পদৰ গৰাকীক শাস্তি বিহা হ'ব। সেইবোৰৰ দ্বাৰা তাৰ পাৰ্শ্বদেশত কপালত আৰু পিঠিত দাগ দিয়া হ'ব। যেতিয়াই ঠাণ্ডা হ'ব তেতিয়াই পুনৰ উত্তপ্ত কৰা হ'ব। এই শাস্তি কিয়ামতৰ গোটেই দিৱসত হৈ থাকিব, যিটো দিৱসৰ পৰিমাণ হৈছে পঞ্চাছ হাজাৰ বছৰৰ সমান। অৱশেষত আল্লাহে সৃষ্টিসকলৰ মাজত বিচাৰ কাৰ্য্য সম্পন্ন কৰিব আৰু জান্নাতীসকলে জান্নাতত আৰু জাহান্নামীসকলে জাহান্নামত প্ৰৱেশ কৰিব।

দ্বিতীয়ঃ উটৰ গৰাকী যিয়ে সেইবোৰৰ ফৰজ জাকাত আদায় নকৰে। লগতে গাখীৰ খিৰোৱাৰ সময়ত উপস্থিত হোৱা ফকীৰ মিছনক গাখীৰ প্ৰদান নকৰে। কিয়ামতৰ দিনা এইবোৰ উটক মোটা তাজা তথা শকত অৱস্থাত আৰু সংখ্যা বৃদ্ধিকৈ উপস্থিত কৰা হ'ব আৰু উটৰ গৰাকীক এটা সমতল ভূমিত শোৱাই দিয়া হ'ব। এই উটবোৰে তাৰ ওপৰেৰে গচকি পাৰ হ'ব আৰু তাক কামুৰিব। যেতিয়া শেষৰ উটটো পাৰ হ'ব, পুনৰ প্ৰথমৰ পৰা আৰম্ভ হ'ব। সম্পূৰ্ণ কিয়ামত দিৱসত এই শাস্তি চলিয়ে থাকিব, যেতিয়ালৈকে বান্দাসকলৰ মাজত আল্লাহে বিচাৰ কাৰ্য্য সম্পন্ন নকৰিব, কিয়ামত দিৱসৰ পৰিমাণ হৈছে পঞ্চাছ হাজাৰ বছৰৰ সমান। ইয়াৰ পিছত জান্নাতীসকলে জান্নাতত যাব আৰু জাহান্নামীসকলে জাহান্নামত যাব।

তৃতীয়ঃ গৰু ছাগলী -ভেৰা দুম্বা- আদিৰ গৰাকী, যিয়ে এইবোৰৰ ফৰজ জাকাত আদায় নকৰে। কিয়ামতৰ দিনা সেইবোৰক পৰিপূৰ্ণ সংখ্যাত অনা হ'ব, এটাও কম নাথাকিব। সেইদিনা এইবোৰৰ গৰাকীক এটা সমতল ভূমিত শোৱাই দিয়া হ'ব। লগতে সেই গৰু ছাগলীবোৰৰ কোনো এটাৰো শিং ভঙা নাথাকিব আৰু বেকাও নাথাকিব, লগতে শিং নথকা এটাও নাথাকিব। বৰং সেইবোৰ থাকিব পূৰ্ণাংগ বৈশিষ্ট্যত। সেইবোৰে নিজৰ মালিকক শিঙেৰে গতিয়াব আৰু ভৰিৰে মোহাৰিব। যেতিয়াই সেইবোৰৰ শেষৰটো পাৰ হ'ব তেতিয়াই প্ৰথমৰ পৰা আকৌ আৰম্ভ হ'ব। সম্পূৰ্ণ কিয়ামত দিৱসত এই শাস্তি চলিয়ে থাকিব, যেতিয়ালৈকে বান্দাসকলৰ মাজত আল্লাহে বিচাৰ কাৰ্য্য সম্পন্ন নকৰিব, কিয়ামত দিৱসৰ পৰিমাণ হৈছে পঞ্চাছ হাজাৰ বছৰৰ সমান। ইয়াৰ পিছত জান্নাতীসকলে জান্নাতত যাব আৰু জাহান্নামীসকলে জাহান্নামত যাব।

চতুৰ্থঃ ঘোঁৰাৰ মালিক হৈছে তিনি প্ৰকাৰৰঃ

প্ৰথমঃ যিয়ে মানুহক দেখুৱাবলৈ, অহংকাৰ কৰিবলৈ আৰু মুছলিমসকলৰ বিৰুদ্ধে ব্যৱহাৰ কৰিবলৈ ঘোঁৰা পোহে, এইবোৰ হ'ব তাৰ বাবে বোজা তথা গুনাহৰ কাৰণ।

দ্বিতীয়ঃ যিয়ে আল্লাহৰ পথত যুদ্ধ কৰিবলৈ ঘোঁৰা পোহে, আৰু তাৰ সৈতে ভাল আচৰণ কৰে, লগতে তাৰ যাৱতীয় ভৰণ-পোষণ উত্তমৰূপে পালন কৰে, তাৰ বাবে এই ঘোঁৰা হ'ব পৰ্দাস্বৰূপ।

তৃতীয়ঃ যি ব্যক্তিয়ে মুছলিমসকলক সহায় কৰিবলৈ তথা আল্লাহৰ পথত জিহাদ কৰিবলৈ ঘোঁৰা পোহে, তাৰ বাবে এইটো ছোৱাবৰ কাৰণ হ'ব। তাৰ এই ঘোঁৰা কোনো চাৰণ ভূমি বা বাগানত লালন-পালন কৰে অথবা ইয়াৰ খাদ্য পানীৰ বাবে যি যোগান ধৰে, সেই খাদ্য অনুযায়ী তাৰ বাবে ছোৱাব লিপিবদ্ধ কৰা হয়। আনকি ইয়াৰ গোবৰ আৰু প্ৰস্ৰাৱৰ বিপৰীতেও ছোৱাব প্ৰদান কৰা হয়। এইদৰে যদি সেই ঘোঁৰাৰ ৰছী ছিঙি এটা বা দুটা টিলা বগাই যায়, তেন্তে তাৰ পদচিহ্ন অনুযায়ী আৰু তাৰ গোবৰ অনুযায়ী ছোৱাব প্ৰদান কৰা হয়। এইদৰে মালিকে যদি সেই ঘোঁৰাটোক কোনো নদীৰ তীৰত লৈ যায় আৰু সেই ঘোঁৰাটোৱে যদি তাৰ পৰা পানী খায়, যদিও পানী তাক মালিকে খাবলৈ অনা নাছিল, তথাপিও সেই পানীৰ পৰিমাণ অনুযায়ী ঘোঁৰাৰ মালিকক ছোৱাব প্ৰদান কৰা হয়।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামক গাধ সম্পৰ্কে প্ৰশ্ন কৰা হ'ল যে, গাধৰ বিষয়টোও ঘোঁৰাৰ দৰেই নেকি?

তেতিয়া তেখেতে ক'লেঃ এই বিষয়ে বিশেষ কোনো বিধান অৱতীৰ্ণ হোৱা নাই, কিন্তু সকলো প্ৰকাৰ নেক কৰ্ম আৰু পাপ কৰ্ম এই ব্যাপক অৰ্থবোধক আয়াতটোৰ অন্তৰ্ভুক্ত। য'ত মহান আল্লাহে কৈছেঃ "এতেকে যিয়ে অণু পৰিমাণ সৎকৰ্ম কৰিছে সেয়া সি দেখিবলৈ পাব, আৰু যিয়ে অণু পৰিমাণ অসৎকৰ্ম কৰিছে সেয়াও সি দেখিবলৈ পাব।" (ছুৰা ঝালঝালাহঃ ৭-৮) এতেকে যিয়ে ছোৱাবৰ আশাৰে গাধ পুহিব তথা তাৰ সৈতে ভাল আচৰণ কৰিব তেন্তে তেওঁ ছোৱাব লাভ কৰিব। আনহাতে যদি বেয়া নিয়্যতেৰে গাধ পোহে, তথা তাৰ দ্বাৰা যদি পাপকৰ্ম কৰে তেন্তে এইটো শাস্তিৰ কাৰণ হ'ব। গতিকে এই আয়াতটোত সকলো কৰ্মকে সামৰি লোৱা হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জাকাত আদায় কৰা ওৱাজিব। জাকাত আদায় নকৰা ব্যক্তিক কঠোৰ সতৰ্কবাণী দিয়া হৈছে।
2. অৱহেলা কৰি জাকাত আদায় নকৰা ব্যক্তি, কাফিৰ হিচাপে গণ্য নহ'ব। কিন্তু বিষয়টোক কঠোৰভাৱে নিষেধ কৰা হৈছে।
3. মানুহে প্ৰত্যেক সেই ইবাদতৰ সৰু বৰ সকলো ক্ষেত্ৰতে ছোৱাব লাভ কৰে, যিটোৰ মূল উদ্দেশ্য হৈছে আনুগত্য, যদিও তেওঁ সৰু সুৰা বিষয়বোৰৰ ক্ষেত্ৰত সুকীয়াকৈ নিয়্যত কৰা নাই।
4. জাকাতৰ বাহিৰেও সম্পদত বেলেগ বেলেগ অধিকাৰ থাকে।
5. যেনে- উটৰ গাখীৰ খিৰোৱাৰ সময়ত যদি ফকিৰ মিছকিন উপস্থিত থাকে তেন্তে সিহঁতক কিছু পৰিমাণে দান কৰা। যাতে অভাৱীসকলে সহজে নিজৰ ঘৰলৈ উভতি যাব পাৰে। ইবনে বাত্তালে কৈছেঃ সম্পদত দুই প্ৰকাৰৰ হক থাকে, এটা হৈছে ফৰজে আঈন, আনটো ফৰজ নহয়। এতেকে গাখীৰ দান কৰাটো হৈছে উত্তম চৰিত্ৰৰ পৰিচয়।
6. উট গৰু ছাগলী আদিৰ আৰু এটা ওৱাজিব হক হৈছে এই যে, এইবোৰৰ মতাবোৰক বেলেগৰ বাবে উপলব্ধ কৰা, যদি কোনোবাই ইয়াৰ প্ৰয়োজনবোধ কৰে।
7. গাধকে আদি কৰি প্ৰত্যেক জীৱ জন্তু যিটোৰ বিষয়ে বিশেষ কোনো বিধান উল্লেখ নাই, সেই সকলোবোৰ হৈছে এই আয়াতৰ অন্তৰ্ভুক্ত। "এতেকে যিয়ে অণু পৰিমাণ সৎকৰ্ম কৰিছে সেয়া সি দেখিবলৈ পাব, আৰু যিয়ে অণু পৰিমাণ অসৎকৰ্ম কৰিছে সেয়াও সি দেখিবলৈ পাব।"

8. আয়াতটোত সৰুতকৈ সৰু কল্যাণকৰ কামৰ প্ৰতি উৎসাহিত কৰা হৈছে। আনহাতে সৰুতকৈ সৰু গুনাহৰ পৰা বিৰত থাকিবলৈ সতৰ্ক কৰা হৈছে।

(6611)

(192) – عن أبي هريرة رضي الله عنه عن رسول الله صلى الله عليه وسلم قال: «مَا نَقَصَتْ صَدَقَةٌ مِنْ مَالٍ، وَمَا زَادَ اللهُ عَبْدًا بِعَفْوٍ إِلَّا عِزًّا، وَمَا تَوَاضَعَ أَحَدٌ لِلهِ إِلَّا رَفَعَهُ اللهُ». [صحيح] - [رواه مسلم]

(192) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ চাদাক্বাই কেতিয়াও সম্পদ হ্ৰাস নকৰে আৰু যি ব্যক্তিয়ে ক্ষমা কৰে, আল্লাহে তাৰ সন্মান বৃদ্ধি কৰি দিয়ে। এইদৰে যি ব্যক্তিয়ে আল্লাহৰ (সন্তুষ্টি অৰ্জনৰ) বাবে বিনয়ী হ'ব, আল্লাহে তাক উচ্চ মৰ্যাদালৈ উন্নীত কৰিব। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, চাদাক্বাৰ ফলত কেতিয়াও সম্পদ হ্ৰাস নহয়; বৰং ইয়াৰ দ্বাৰা বিপদ-আপদ দূৰ হয়। লগতে আল্লাহে ইয়াৰ মাধ্যমত ব্যক্তিক অপৰিসীম কল্যাণ দান কৰে। ফলত তাৰ সম্পদ বৃদ্ধিহে হয়, হ্ৰাস নহয়।

প্ৰতিশোধ লোৱাৰ সামৰ্থ থকা সত্ত্বেও অথবা ব্যক্তিক জবাবদিহি কৰাৰ ক্ষমতা থকা সত্ত্বেও যি ব্যক্তিয়ে কাৰোবাক ক্ষমা কৰি দিয়ে, আল্লাহে তাৰ শক্তি আৰু মৰ্যাদা বৃদ্ধি কৰি দিয়ে।

আৰু কাৰোবাক ভয় নকৰাকৈ অথবা কাৰোবাক তোষামোদ নকৰাকৈ বা কাৰোবাৰ পৰা উপকাৰ লাভৰ প্ৰত্যাশা নকৰাকৈ কোনোবাই যদি আল্লাহৰ সন্তুষ্টি অৰ্জনৰ বাবে বিনীত হয়, তেন্তে আল্লাহে তাৰ সন্মান আৰু মৰ্যাদা বৃদ্ধি কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলামী চৰীয়ত পালন কৰাৰ মাজতেই আছে কল্যাণ তথা সফলতা। কিছুমান কাম কিছুমান লোকৰ দৃষ্টিত অপছন্দ হ'লেও দৰাচলতে সেইটো কল্যাণকৰ।

(5512)

(193) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «قَالَ اللَّهُ: أَنْفِقْ يَا ابْنَ آدَمَ أُنْفِقْ عَلَيْكَ». [صحيح] - [متفق عليه]

(193) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মহান আল্লাহে কৈছেঃ "হে আদম সন্তান! ব্যয় কৰা, তেতিয়াহে তোমাৰ ওপৰত ব্যয় কৰা হ'ব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, মহান আল্লাহে কৈছেঃ হে আদম সন্তান! তোমালোকে ওৱাজিব আৰু মুস্তাহাব আদি শিতানত ব্যয় কৰা, মই তোমালোকক ইয়াৰ প্ৰতিদান হিচাপে তোমালোকৰ জীৱিকাত বৰকত দান কৰিম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত চাদাক্বাহ তথা আল্লাহৰ পথত ব্যয় কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. পূণ্যৰ কামত ব্যয় কৰাটো জীৱিকাত বৰকত লাভ কৰাৰ অন্যতম এটা ডাঙৰ কাৰণ। আল্লাহে ইয়াৰ বিনিময়ত বান্দাক প্ৰতিদান দান কৰে।

3. এই হাদীছটো হৈছে সেইবোৰ হাদীছৰ অন্তৰ্ভুক্ত, যিবোৰ হাদীছ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্বয়ং আল্লাহৰ পৰা বৰ্ণনা কৰিছে। এনেকুৱা হাদীছক হাদীছে কুদছী বা হাদীছে ইলাহী বুলি কোৱা হয়। এইবোৰ হাদীছৰ শব্দ আৰু অৰ্থ দুয়োটাই আল্লাহৰ পৰা বৰ্ণিত। কিন্তু এইবোৰৰ মাজত কোৰআনৰ কোনো বৈশিষ্ট্য নাই, যেনে- কোৰআন তিলাৱত কৰিলে ছোৱাব পোৱা যায়, কোৰআন পঢ়িবলৈ পৱিত্ৰতা লাগে, কোৰআনৰ আয়াতৰ দ্বাৰা প্ৰত্যাহ্বান জনোৱা হৈছে আৰু কোৰআনৰ মাজত অলৌকিকতা আছে।

(5805)

(194) – عن أبي مسعود رضي الله عنه عن النبي صلى الله عليه وسلم قال: «إِذَا أَنْفَقَ الرَّجُلُ عَلَى أَهْلِهِ يَحْتَسِبُهَا فَهُوَ لَهُ صَدَقَةٌ». [صحيح] - [متفق عليه]

(194) – আবু মাছঊদ ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি ব্যক্তিয়ে ছোৱাব লাভৰ নিয়্যতেৰে নিজৰ পৰিয়ালৰ ওপৰত ব্যয় কৰে, তেওঁ চাদাক্বাৰ ছোৱাব পায়।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যেতিয়া কোনো ব্যক্তিয়ে নিজৰ পৰিয়ালৰ লোকসকলৰ ওপৰত ব্যয় কৰে যেনে- স্ত্ৰী, মাতা-পিতা, সন্তান-সন্ততি আদিৰ ওপৰত, যিসকলৰ ওপৰত ব্যয় কৰাটো তাৰ কৰ্তব্য, যদি সি আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিবলৈ তথা ছোৱাব অৰ্জনৰ নিয়্যতেৰে কৰে তেন্তে সি নিশ্চয় চাদাক্বা কৰাৰ ছোৱাব লাভ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পৰিয়ালৰ ওপৰত ব্যয় কৰিলেও ছোৱাব পোৱা যায়।

2. মুমিন ব্যক্তিয়ে নিজৰ প্ৰতিটো কাম আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিবলৈ তথা আল্লাহৰ ওচৰত থকা ছোৱাব অৰ্জন কৰিবলৈহে কৰে।
3. পৰিয়ালৰ ওপৰত ব্যয় কৰাকে আদি কৰি প্ৰতিটো নেক কৰ্ম কৰাৰ সময়ত সঠিক নিয়্যত পোষণ কৰা জৰুৰী।

(6460)

(195) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ رَسُولَ اللهِ صلى الله عليه وسلم قَالَ: «إِذَا مَاتَ الْإِنْسَانُ انْقَطَعَ عَنْهُ عَمَلُهُ إِلَّا مِنْ ثَلَاثَةٍ: إِلَّا مِنْ صَدَقَةٍ جَارِيَةٍ، أَوْ عِلْمٍ يُنْتَفَعُ بِهِ، أَوْ وَلَدٍ صَالِحٍ يَدْعُو لَهُ».

[صحيح] - [رواه مسلم]

(195) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যেতিয়া কোনো মানুহ মৃত্যুবৰণ কৰে, তেতিয়া তাৰ আমলৰ দুৱাৰ বন্ধ হৈ যায়, কেৱল তিনিটা উপায়ৰ বাহিৰেঃ চাদাক্বাহ জাৰিয়াহ, এনেকুৱা বিদ্যা যিটোৰ দ্বাৰা মানুহে উপকৃত হয়, আৰু এনেকুৱা নেক সন্তান যিয়ে তাৰ বাবে দুআ কৰে।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মানুহৰ মৃত্যুৰ লগে লগে তাৰ আমলৰ দুৱাৰসমূহ বন্ধ হৈ যায়, কেৱল তিনিটা উপায়ৰ বাহিৰে মৃত্যুৰ পিছত নেকী অৰ্জন কৰাৰ আন কোনো উপায় নাথাকে। সেয়া হৈছেঃ

প্ৰথমঃ এনেকুৱা চাদাক্বাহ যিটোৰ ছোৱাব নিৰৱচ্ছিন্ন, যেনে- কোনো বস্তু ওৱাকফ কৰা, মছজিদ নিৰ্মাণ কৰা, কুঁৱা বা দমকল আদিৰ দ্বাৰা পানীৰ ব্যৱস্থা কৰা ইত্যাদি।

দ্বিতীয়ঃ এনেকুৱা উত্তম জ্ঞান যিটোৰ দ্বাৰা মানুহে উপকৃত হয়। যেনে- উপকাৰী জ্ঞান সম্বলিত কিতাপ সংকলন কৰা, কাৰোবাক জ্ঞান

শিক্ষা দিয়া, সেই ব্যক্তি তেওঁৰ মৃত্যুৰ পিছত সেই জ্ঞান প্ৰচাৰ-প্ৰসাৰ কৰে।

তৃতীয়ঃ নেক মুমিন সন্তান যিয়ে পিতৃ-মাতৃৰ বাবে দুআ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বিশেষজ্ঞ উলামাসকল এই কথাত একমত যে, মৃত্যুৰ পিছত মানুহে যিবোৰ উপায়ে ছোৱাব লাভ কৰে, তাৰে অন্যতম হৈছে, চাদাক্বাহ জাৰিয়াহ, আৰু এনেকুৱা উপকাৰী জ্ঞান যাৰ দ্বাৰা মানুহে উপকৃত হয়, লগতে আন এটা হৈছে দুআ। অন্যান্য হাদীছত হজ্জৰ কথাও উল্লেখ হৈছে।
2. হাদীছত এই তিনিটা বিষয়ক নিৰ্দিষ্ট কৰাৰ কাৰণ হৈছে, এই তিনিটা হৈছে কল্যাণৰ মূল। এইকাৰণেই জ্ঞানী তথা গুণসম্পন্ন মানুহে নিজৰ পিছতো এইবোৰক সংৰক্ষণ কৰি ৰাখিব বিচাৰে।
3. প্ৰত্যেক উপকাৰী ইল্মৰ দ্বাৰাই ছোৱাব অৰ্জন হয়, কিন্তু বিশেষকৈ শ্বাৰয়ী ইল্ম আৰু ইয়াৰ সমৰ্থনকাৰী বিজ্ঞানৰ গুৰুত্ব আৰু স্থান হৈছে আটাইতকৈ ওপৰত।
4. উক্ত বিষয় তিনিটাৰ ভিতৰত জ্ঞান হৈছে আটাইতকৈ উপকাৰী; কাৰণ মানুহে শিকা জ্ঞানে তাক উপকৃত কৰে, আৰু এই জ্ঞানৰ দ্বাৰাই চৰীয়ত সুৰক্ষিত থাকে। জ্ঞানে ব্যক্তিগত বিকাশ আৰু আধ্যাত্মিক উন্নতিৰ লগতে সামগ্ৰিকভাৱে সমাজৰ উন্নতিত অৰিহণা যোগায়। কাৰণ এই জ্ঞান আপোনাৰ জীৱনকালত মানুহে শিকে আৰু আপোনাৰ মৃত্যুৰ পিছতো সেয়া বিদ্যমান থাকে।
5. নেক সন্তান লালন-পালন কৰিবলৈ উৎসাহিত কৰা হৈছে। কাৰণ এনেকুৱা সন্তানেই পিতৃ-মাতৃক আখিৰাতত উপকৃত কৰে। এওঁলোকৰ দুআৰ জৰিয়তে তেওঁলোক উপকৃত হয়।

6. পিতৃ-মাতৃৰ মৃত্যুৰ পিছতো তেওঁলোকৰ সৈতে এহছান কৰিবলৈ উৎসাহিত কৰা হৈছে। এইটোও হৈছে এক প্ৰকাৰ নেকী, ইয়াৰ ফলতো সন্তানে উপকৃত হ'ব।
7. দুআৰ দ্বাৰা মৃত ব্যক্তি উপকৃত হয়, যদিও দুআকাৰী তেওঁৰ সন্তান হওক বা নহওক। কিন্তু হাদীছটোত সন্তানৰ কথা এইকাৰণে নিৰ্দিষ্ট কৰা হৈছে, কাৰণ অন্য ব্যক্তিৰ তুলনাত সন্তানে মৃত্যুবৰণ নকৰালৈকে দুআ কৰিব।

(65566)

(196) – عَنْ مَالِكِ بْنِ أَوْسِ بْنِ الْحَدَثَانِ أَنَّهُ قَالَ: أَقْبَلْتُ أَقُولُ مَنْ يَصْطَرِفُ الدَّرَاهِمَ؟ فَقَالَ طَلْحَةُ بْنُ عُبَيْدِ اللهِ وَهُوَ عِنْدَ عُمَرَ بْنِ الْخَطَّابِ رضي الله عنهما: أَرِنَا ذَهَبَكَ، ثُمَّ ائْتِنَا، إِذَا جَاءَ خَادِمُنَا، نُعْطِكَ وَرِقَكَ، فَقَالَ عُمَرُ بْنُ الْخَطَّابِ: كَلَّا، وَاللهِ لَتُعْطِيَنَّهُ وَرِقَهُ، أَوْ لَتَرُدَّنَّ إِلَيْهِ ذَهَبَهُ، فَإِنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «الْوَرِقُ بِالذَّهَبِ رِبًا، إِلَّا هَاءَ وَهَاءَ، وَالْبُرُّ بِالْبُرِّ رِبًا، إِلَّا هَاءَ وَهَاءَ، وَالشَّعِيرُ بِالشَّعِيرِ رِبًا، إِلَّا هَاءَ وَهَاءَ، وَالتَّمْرُ بِالتَّمْرِ رِبًا، إِلَّا هَاءَ وَهَاءَ». [صحيح] - [متفق عليه]

(196) – মালিক বিন আওছ বিন হাদাছানৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এই কথা কৈ কৈ গৈ আছিলোঁ যে, দিৰহাম বিনিময় কৰিব পৰা কোনোবা আছেনে? তেতিয়া ত্বলহা বিন উবাইদুল্লাহে ক'লে, তেওঁ সেই সময়ত ওমৰ ইবনুল খাত্তাবৰ ওচৰত বহি আছিল। তোমাৰ সোণখিনি আমাক দেখুৱাচোন, আৰু তুমি পিছত আহিবা, যেতিয়া আমাৰ দাস আহি পাব তেতিয়া তোমাক দিবলগীয়া ৰূপৰ মুদ্ৰাখিনি প্ৰদান কৰিম। এই কথা শুনি ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ নহয়, এইটো হ'ব নোৱাৰে, আল্লাহৰ শপত! হয় তুমি এতিয়াই তাক ৰূপৰ মুদ্ৰা প্ৰদান কৰা, নহয় তাৰ সোণ তাক ঘূৰাই দিয়া। কাৰণ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সোণৰ বিনিময়ত ৰূপৰ মুদ্ৰা হাতে হাতে লগে লগে আদান-প্ৰদান নহ'লে সুত হ'ব, ঘেঁহুৰ বিনিময়ত ঘেঁহু লগে লগে আদান প্ৰদান নহ'লে সুতৰ অন্তৰ্ভুক্ত, যৱৰ বিনিময়ত যৱ হাতে হাতে আদান-প্ৰদান নহ'লে সুত হ'ব, এইদৰে খেজুৰৰ বিনিময়ত খেজুৰ লগে লগে আদান-প্ৰদান নহ'লে সুত হ'ব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

তাবেয়ী মালিক বিন আনাছে জনাইছে যে, তেওঁৰ ওচৰত কেইটামান স্বৰ্ণমুদ্ৰা আছিল, যিবোৰ তেওঁ ৰৌপ্যমুদ্ৰাৰ জৰিয়তে বিনিময় কৰিব বিচাৰিছিল। ত্বলহা বিন উবাইদুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৱে তেওঁক ক'লেঃ তোমাৰ স্বৰ্ণমুদ্ৰাখিনি আমাক দেখুৱাচোন। ইয়াৰ পিছত তেওঁ ক্ৰয় কৰিবলৈ সন্মতি দিয়াৰ পিছত ক'লে যে, তুমি পিছত আহি তোমাৰ

ৰৌপ্যমুদ্ৰা লৈ যাবা, যেতিয়া আমাৰ খাদিম আহি পাব। সেই বৈঠকত ওমৰ ৰাদ্বিয়াল্লাহু আনহু উপস্থিত আছিল। তেখেতে এই ধৰণৰ লেনদেন দেখি বাধা প্ৰদান কৰিলে আৰু আল্লাহৰ শপত খাই ত্বলহাক কলে যে, তুমি এতিয়াই ৰৌপ্যমুদ্ৰা দিয়াৰ ব্যৱস্থা কৰা, অন্যথা তেওঁৰ স্বৰ্ণমুদ্ৰা ঘূৰাই দিয়া। ইয়াৰ কাৰণ উল্লেখ কৰি কলে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে স্বৰ্ণৰ বিনিময়ত ৰূপৰ লেনদেন অথবা ৰূপৰ বিনিময়ত স্বৰ্ণৰ লেনদেনৰ ক্ষেত্ৰত লগে লগে আদান-প্ৰদান কৰিবলৈ নিৰ্দেশ দিছে। অন্যাথা এইটো সুতত পৰিণত হব যিটোক হাৰাম কৰা হৈছে। গতিকে ইটো হাতেৰে লোৱা আৰু সিটো হাতেৰে প্ৰদান নকৰাকৈ তথা লগে লগে আদান-প্ৰদান নকৰাকৈ সোণ-ৰূপৰ বিনিময় বা ক্ৰয়-বিক্ৰয় বৈধ নহয়। এইদৰে ঘেঁহু, যৱ, খেজুৰ আদিৰ ক্ষেত্ৰতো একে শ্ৰেণীৰ, একেই পৰিমাণৰ, সমান ওজনৰ, লগে লগে বিনিময় কৰিব লাগিব। এইবোৰ পলমকৈ বিনিময় কৰা বৈধ নহয়। আয়ত্তত নোলোৱাকৈ পৃথক হোৱাও বৈধ নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটোত পাঁচ প্ৰকাৰৰ বস্তুৰ কথা উল্লেখ হৈছে। সোণ, ৰূপ, ঘেঁহু, যৱ আৰু খেজুৰ। যদি এইবোৰ বস্তু একে জাতীয় বস্তুৰে ক্ৰয়-বিক্ৰয় কৰা হয় তেন্তে লেনদেনৰ বাবে দুটা চৰ্ত জৰুৰী। চুক্তিৰ বৈঠকতে লেনদেন সম্পন্ন কৰিব লাগিব। দ্বিতীয় চৰ্ত হৈছে, সমান পৰিমাণৰ বস্তু লেনদেন কৰিব লাগিব। অন্যথা এইটো ৰিবাল ফজল বা অতিৰিক্ত সুতত পৰিণত হ'ব। আনহাতে যদি দুয়োটা বেলেগ বস্তু হয়, যেনে- ৰূপৰ বিনিময়ত ঘেঁহু, তেন্তে ইয়াৰ বাবে এটাই চৰ্ত, সেইটো হৈছে চুক্তিৰ বৈঠকতে মূল্য গ্ৰহণ কৰিব লাগিব, নহ'লে সেইটো ৰিবান নাছীআহ বা বিলম্বিত সুতত পৰিণত হ'ব।
2. চুক্তিৰ বৈঠক বুলি ক্ৰয়-বিক্ৰয় চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ সময়ক বুজোৱা হৈছে। সেয়া বহি থকাৰ সময়তে হওক বা গৈ থকাৰ সময়ত নাইবা বাহনত থকাৰ সময়ত। পৃথক হোৱাৰ দ্বাৰা

সাধাৰণতে মানুহে যিটোক পৃথক বুলি গণ্য কৰে সেইটোকে বুজোৱা হৈছে।

3. হাদীছটোত যিটো নিষেধ কৰা হৈছে তাৰ ভিতৰত সকলো প্ৰকাৰ সোণ আৰু ৰূপকে সামৰি লোৱা হৈছে, সেয়া ঢালাইকৃত হওক বা বেলেগ কোনো ৰূপত।

4. সোণ-ৰূপৰ নিয়ম নীতিয়ে বৰ্তমান সময়ৰ কাৰেন্সীৰ ওপৰত প্ৰযোজ্য। গতিকে যদি আপুনি কোনো দেশৰ কাৰেন্সীৰ লগত বেলেগ কোনো কাৰেন্সী আদান প্ৰদান কৰে, উদাহৰণস্বৰূপে ৰিয়ালৰ সৈতে টকাৰ লেনদেন, তেন্তে ক্ৰয়-বিক্ৰয়ৰ বৈঠকতে দুয়ো পক্ষই আদান-প্ৰদান কৰিব লাগিব, অন্যথা সেইটো বৈধ নহ'ব, আৰু সুতত পৰিণত হ'ব, যিটোক হাৰাম কৰা হৈছে।

5. সুত হ'ব পৰা লেনদেন বৈধ নহয়। যদিও দুয়ো পক্ষৰ সন্মতিত হয়। কিয়নো ইছলামে মানুহৰ আৰু সমাজ ব্যৱস্থাৰ অধিকাৰ সুৰক্ষিত কৰিছে। যদিও সিহঁতে সেইটোক অৱজ্ঞা কৰে।

6. সক্ষম অনুযায়ী বেয়া কৰ্মক নসাৎ কৰা আৰু বাধা দিয়া জৰুৰী।

7. বেয়া কৰ্মক নসাৎ কৰাৰ সময়ত প্ৰমাণ উল্লেখ কৰিব লাগে। যিদৰে ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৰিছিল।

(5889)

(197) – عَنِ ابْنِ عُمَرَ رَضِيَ اللَّهُ عَنْهُمَا قَالَ: فَرَضَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ زَكَاةَ الفِطْرِ صَاعًا مِنْ تَمْرٍ، أَوْ صَاعًا مِنْ شَعِيرٍ، عَلَى العَبْدِ وَالحُرِّ، وَالذَّكَرِ وَالأُنْثَى، وَالصَّغِيرِ وَالكَبِيرِ مِنَ المُسْلِمِينَ، وَأَمَرَ بِهَا أَنْ تُؤَدَّى قَبْلَ خُرُوجِ النَّاسِ إِلَى الصَّلاَةِ. [صحيح] - [متفق عليه]

(197) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ফিতৰা হিচাপে এক ছা পৰিমাণ খেজুৰ অথবা এক ছা যৱ, প্ৰতিজন স্বাধীন আৰু পৰাধীন, পুৰুষ আৰু নাৰী, আনকি সৰু বৰ সকলো মুছলিমৰ ওপৰতে অনিবাৰ্য্য কৰিছে। লগতে তেখেতে নিৰ্দেশ দিছে যে, ঈদৰ নামাজৰ পূৰ্বেই যাতে এইটো আদায় দিয়া হয়। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজানৰ শেষত ফিতৰা আদায় কৰাটো অনিবাৰ্য্য কৰিছে। ইয়াৰ পৰিমাণ হৈছে এক ছা, অৰ্থাৎ চাৰি মুদ্দ। মুদ্দ কোৱা হয়ঃ এজন মধ্যম পৰ্যায়ৰ সাধাৰণ লোকৰ দুয়ো হাত একেলগ কৰি পোৱা আয়তনক। এই ফিতৰা আদায় কৰিব লাগে প্ৰতিজন মুছলিমৰ ফালৰ পৰা, স্বাধীন হওক বা পৰাধীন, পুৰুষ হওক বা নাৰী, সৰু হওক বা ডাঙৰ। নিজৰ আৰু পৰিয়ালৰ বাবে এদিন আৰু এক ৰাতি অতিবাহিত কৰিব পৰা খাদ্যৰ অতিৰিক্ত থাকিলেই সেই ব্যক্তিয়ে ফিতৰা আদায় কৰিব লাগে। মানুহে ঈদৰ নামাজৰ বাবে ওলাই যোৱাৰ পূৰ্বেই এই ফিতৰা আদায় দিব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰমাজানৰ শেষত ফিতৰা আদায় কৰাটো অনিবাৰ্য্য প্ৰতিজন মুছলিম ব্যক্তিৰ ফালৰ পৰা, সৰু হওক বা ডাঙৰ, দাস হওক বা স্বাধীন ব্যক্তি। এয়া আদায় কৰিব পৰিয়ালৰ মুৰব্বীয়ে আৰু দাসৰ মালিকে। প্ৰত্যেক দায়িত্বশীল ব্যক্তিয়ে নিজৰ ল'ৰা ছোৱালী তথা

পৰিয়ালৰ ফালৰ পৰা আৰু প্ৰত্যেক সেই ব্যক্তিৰ ফালৰ পৰা আদায় কৰিব যাৰ ভৰণ-পোষণৰ দায়িত্ব তাৰ ওপৰত আছে।

2. গৰ্ভত থকা সন্তানৰ ফালৰ পৰা ফিতৰা আদায় কৰাটো ওৱাজিব নহয়, বৰং মুস্তাহাব।

3. ফিতৰাৰ বৰ্ণনা দিয়া হৈছে যে, মানুহৰ সাধাৰণ খাদ্যৰ দ্বাৰা এইটো আদায় দিব লাগে।

4. ঈদৰ নামাজৰ আগতে ফিতৰা আদায় কৰা ওৱাজিব। ঈদৰ দিনা ৰাতিপুৱা আদায় কৰাটো বেছি উত্তম। আনহাতে ঈদৰ এদিন অথবা দুদিন আগত আদায় কৰিলেও কোনো অসুবিধা নাই।

(4520)

(198) – عَنْ عَبْدُ اللَّهِ بْنُ سَلَامٍ رضي الله عنه قَالَ: لَمَّا قَدِمَ النَّبِيُّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ الْمَدِينَةَ انْجَفَلَ النَّاسُ قِبَلَهُ، وَقِيلَ: قَدِمَ رَسُولُ اللَّهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ، قَدِمَ رَسُولُ اللَّهِ، قَدِمَ رَسُولُ اللَّهِ، ثَلَاثًا، فَجِئْتُ فِي النَّاسِ لِأَنْظُرَ، فَلَمَّا تَبَيَّنْتُ وَجْهَهُ، عَرَفْتُ أَنَّ وَجْهَهُ لَيْسَ بِوَجْهِ كَذَّابٍ، فَكَانَ أَوَّلُ شَيْءٍ سَمِعْتُهُ تَكَلَّمَ بِهِ أَنْ قَالَ: «يَا أَيُّهَا النَّاسُ، أَفْشُوا السَّلَامَ، وَأَطْعِمُوا الطَّعَامَ، وَصِلُوا الْأَرْحَامَ، وَصَلُّوا بِاللَّيْلِ وَالنَّاسُ نِيَامٌ، تَدْخُلُوا الْجَنَّةَ بِسَلَامٍ». [صحيح] - [رواه الترمذي وابن ماجه وأحمد]

(198) – আব্দুল্লাহ বিন ছালাম ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লাম যেতিয়া মদীনালৈ আহিল, তেতিয়া মানুহে তেখেতৰ ফালে ঢাপলি মেলিলে। তেওঁলোকে কৈ আছিলঃ আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লাম আহিছে, আল্লাহৰ ৰাছুল আহিছে, আল্লাহৰ ৰাছুল আহিছে, তিনিবাৰ। ময়ো দেখিবলৈ মানুহৰ সৈতে তাত গৈ উপস্থিত হ'লোঁ। যেতিয়া মই তেখেতৰ মুখমণ্ডল ভালকৈ চালোঁ, তেতিয়া মই নিশ্চিত হ'লোঁ যে, এইটো কোনো মিছলীয়াৰ মুখমণ্ডল হ'ব নোৱাৰে। সেই সময়ত তেখেতৰ পৰা মই প্ৰথমে যিটো কথা শুনিছিলোঁ, সেয়া আছিল এইটোঃ "হে মানৱজাতি! তোমালোকে ছালাম প্ৰচাৰ কৰা, মানুহক আহাৰ কৰোৱা আৰু আত্মীয়তাৰ বন্ধন অটুট ৰখা। ৰাতিত যেতিয়া সকলোৱে টোপনিত যায় তেতিয়া উঠি চালাত আদায় কৰা। (এনেকুৱা কৰিলে) সহজে জান্নাতত প্ৰৱেশ কৰিব পাৰিবা।" [ছহীহ] - [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম যেতিয়া মদীনালৈ আগমন কৰিলে, তেখেতক দেখি মানুহে তেখেতৰ ফালে দৌৰি আহিল, তাৰে মাজৰ এজন আছিল আব্দুল্লাহ বিন ছালাম। তেওঁ আছিল এজন ইয়াহুদী পণ্ডিত। তেওঁ যেতিয়া তেখেতক দেখিছিল তেতিয়া তেওঁ নিশ্চিত হৈছিল যে, তেখেতৰ মুখমণ্ডল কোনো মিছলীয়াৰ মুখমণ্ডল নহয়। কাৰণ তেখেতৰ মুখমণ্ডলৰ পৰা জ্যোতি, সৌন্দৰ্য্য আৰু সততা প্ৰকাশ

পাইছিল। তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা সৰ্বপ্ৰথম যিটো কথা শুনিছিল, য'ত তেখেতে মানুহক এনেকুৱা কাম কৰিবলৈ উৎসাহিত কৰিছিল, যিবোৰ কাম জান্নাতত প্ৰৱেশৰ কাৰণ হ'ব। সেয়া হৈছেঃ

প্ৰথমঃ বেছি বেছি ছালাম প্ৰচাৰ কৰা। চিনাকি হওক বা অচিনাকি সকলোকে ছালাম দিয়া।

দ্বিতীয়ঃ দান খয়ৰাতৰ জৰিয়তে হওক বা হাদিয়া অথবা নিমন্ত্ৰণ আদিৰ মাধ্যমতে হওক মানুহক আহাৰ কৰোৱা।

তৃতীয়ঃ মাকৰ ফালৰ পৰাই হওক বা পিতৃৰ ফালৰ পৰা, সকলো প্ৰকাৰ আত্মীয়তাৰ সম্পৰ্ক অটুট ৰখা।

চতুৰ্থঃ ৰাতিত মানুহে টোপনি যোৱাৰ পিছত, নফল চালাত বা তাহাজ্জুদ আদায় কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুছলিমসকলৰ মাজত ছালাম প্ৰচাৰ কৰাটো মুস্তাহাব। আনহাতে অমুছলিমক প্ৰথমে ছালাম দিয়া উচিত নহয়। যদি সিহঁতে ছালাম কৰি কয়ঃ আচ্ছালামু আলাইকুম, তেন্তে ইয়াৰ উত্তৰত কেৱল এইখিনি ক'ব লাগেঃ ওৱা আলাইকুম।

(5520)

(199) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «أَيُّهَا النَّاسُ، إِنَّ اللهَ طَيِّبٌ لَا يَقْبَلُ إِلَّا طَيِّبًا، وَإِنَّ اللهَ أَمَرَ الْمُؤْمِنِينَ بِمَا أَمَرَ بِهِ الْمُرْسَلِينَ، فَقَالَ: {يَا أَيُّهَا الرُّسُلُ كُلُوا مِنَ الطَّيِّبَاتِ وَاعْمَلُوا صَالِحًا، إِنِّي بِمَا تَعْمَلُونَ عَلِيمٌ} [المؤمنون: 51] وَقَالَ: {يَا أَيُّهَا الَّذِينَ آمَنُوا كُلُوا مِنْ طَيِّبَاتِ مَا رَزَقْنَاكُمْ} [البقرة: 172] ثُمَّ ذَكَرَ الرَّجُلَ يُطِيلُ السَّفَرَ أَشْعَثَ أَغْبَرَ، يَمُدُّ يَدَيْهِ إِلَى السَّمَاءِ: يَا رَبِّ، يَا رَبِّ، وَمَطْعَمُهُ حَرَامٌ، وَمَشْرَبُهُ حَرَامٌ، وَمَلْبَسُهُ حَرَامٌ، وَغُذِيَ بِالْحَرَامِ، فَأَنَّى يُسْتَجَابُ لِذَلِكَ؟». [صحيح] - [رواه مسلم]

(199) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহ তা'আলা পাক-পৱিত্ৰ, সেয়ে তেওঁ কেৱল পৱিত্ৰ বস্তুহে কবূল কৰে। আল্লাহ তা'আলাই মুমিনসকলক কেৱল সেই কাম কৰাৰ হুকুম দিছে যিটো কৰাৰ হুকুম তেওঁ ৰাছুলসকলক দিছিল। এতেকে আল্লাহ তা'আলাই কৈছে: (হে ৰাছুলসকল! পৱিত্ৰ বস্তু আহাৰ কৰা আৰু নেক আমল কৰা।) আল্লাহ তা'আলাই আৰু কৈছে: (হে মুমিনসকল! আমি তোমালোকক যি পৱিত্ৰ জীৱিকা দান কৰিছোঁ তাৰ পৰা আহাৰ কৰা।) ইয়াৰ পিছত তেখেতে (ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে) এনে এজন ব্যক্তিৰ কথা উল্লেখ কৰিলে যিজন ব্যক্তি দীৰ্ঘ ছফৰত ওলাইছে, আৰু যাৰ চুলিবোৰ অপৰিপাটি তথা ফণিওৱা নাই, লগতে তাৰ কাপোৰ ধূলি বালিৰে ময়লা হৈছে। এনে অৱস্থাত সি নিজৰ দুহাত আকাশৰ ফালে দাঙি এইদৰে দুআ কৰিবলৈ ধৰে আৰু কয়: হে মোৰ ৰব্ব! হে মোৰ ৰব্ব! অথচ তাৰ খাদ্য হাৰাম, তাৰ পানীয় হাৰাম, তাৰ পোছাক হাৰাম, সি হাৰামভাৱে লালিত-পালিত হৈছে; সেই ব্যক্তিৰ দুআ কেনেকৈ কবূল হ'ব!? [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহ পৱিত্ৰ, তেওঁ সকলো দোষ-ক্ৰটিৰ পৰা পাক তথা সকলো ফালৰ পৰা পূৰ্ণাংগৰ বিশেষণেৰে বিশেষিত। সেয়ে তেওঁ কেৱল সেইবোৰ কথা

কৰ্ম আৰু আক্বীদাহে গ্ৰহণ কৰে যিটো পৱিত্ৰ। যিটো নিৰ্ভেজালভাৱে আল্লাহৰ বাবে কৰা হয় আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পদ্ধতি মুতাবিক কৰা হয়। ইয়াৰ বাহিৰে বেলেগ কোনো উপায়েই আল্লাহৰ নৈকট্য অৱলম্বন কৰা সম্ভৱ নহয়। মুমিন আমল সৎ হোৱাৰ আন এটা ডাঙৰ উৎস হৈছে হালাল তথা পৱিত্ৰ বস্তু ভক্ষণ কৰা। ইয়াৰ ফলত আমল পৱিত্ৰ হয়। এই কাৰণেই মহান আল্লাহে মুমিনসকলকো সেই নিৰ্দেশ দিছে যিটো নিৰ্দেশ তেওঁ ৰাছুলসকলক প্ৰদান কৰিছিল যে, হালাল খাদ্য ভক্ষণ কৰা আৰু নেক আমল কৰা। তেওঁ কৈছেঃ "হে ৰাছুলসকল! তোমালোকে পৱিত্ৰ বস্তুৰ পৰা খাদ্য গ্ৰহণ কৰা আৰু সৎকৰ্ম কৰা; নিশ্চয় তোমালোকে যি কৰা সেই সম্পৰ্কে আমি সবিশেষ অৱগত"। (ছুৰা আল-মুমিনূনঃ ৫১) তেওঁ আৰু কৈছেঃ "হে ঈমান্দাৰসকল! তোমালোকক আমি যিবোৰ জীৱিকা প্ৰদান কৰিছোঁ তাৰ পৰা তোমালোকে পৱিত্ৰ বস্তুবোৰ ভক্ষণ কৰা"। (ছুৰা আল-বাক্বাৰাহঃ ১৭২)

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাৰাম খাদ্যৰ পৰা সতৰ্ক কৰিছে, ইয়াৰ ফলত আমল বিনষ্ট হয় তথা আমল কবূল নহয়, যদিও বাহ্যিকভাৱে উপায় অৱলম্বন কৰা হয়।

প্ৰথমঃ কোনো সৎকৰ্ম কৰিবলৈ দূৰৱৰ্তী ভ্ৰমণ কৰে, যেনে- হজ্জ কৰিবলৈ, জিহাদ কৰিবলৈ অথবা আত্মীয়তাৰ বন্ধন ৰক্ষা কৰিবলৈ।

দ্বিতীয়ঃ চুলিবোৰ অপৰিপাটি হৈ থকা, চুলি নফণিওৱাৰ কাৰণে। ৰং পৰিবৰ্তন হৈ যোৱা, পৰিধান কৰা কাপোৰত ময়লা আৱৰ্জনা লগা আৰু অসহায় অৱস্থাত থকা।

তৃতীয়ঃ দুআ কৰিবলৈ দুয়ো হাত আকাশৰ পিনে উঠায়।

চতুৰ্থঃ আল্লাহৰ নামেৰে অছিলা মাগি কান্দি কান্দি দুআ কৰি কয়, হে মোৰ ৰব্ব, হে মোৰ ৰব্ব!

এই সকলোবোৰ উপায় অৱলম্বন কৰাৰ পিছতো তাৰ দুআ কবুল নহয়। কাৰণ তাৰ খাদ্য, পানীয় আৰু পৰিধান হৈছে হাৰাম, তাৰ

জীৱিকাই হাৰাম। গতিকে এইবোৰ থকা অৱস্থাত তাৰ দুআ কবূল হোৱাটো অসম্ভৱ, আৰু কেনেকৈ বা কবূল হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মহান আল্লাহ সত্তাগতভাৱে, বৈশিষ্ট্যগতভাৱে, লগতে কৰ্ম আৰু বিধান প্ৰণয়নৰ ক্ষেত্ৰত স্বয়ংসম্পূৰ্ণ তথা পৰিপূৰ্ণতাৰ অধিকাৰী।
2. ইখলাচৰ সৈতে তথা নিৰ্ভেজালভাৱে একমাত্ৰ আল্লাহৰ উদ্দেশ্যে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দেখুৱাই দিয়া পদ্ধতি মোতাবিক আমল কৰিবলৈ নিৰ্দেশ দিছে।
3. যিবোৰ কৰ্মই উৎসাহিত কৰে, তেনেকুৱা কৰ্মক আমলত পৰিণত কৰা। যেনে- নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় মহান আল্লাহে ৰাছুলসকলক যি নিৰ্দেশ দিছে, সেইটোৱে মুমিনসকলকো নিৰ্দেশ দিছে। এতেকে মুমিনে যেতিয়া জানিব যে, এইটো ৰাছুলসকলক দিয়া নিৰ্দেশ, তেতিয়া লগে লগে সেইটোক আমলত পৰিণত কৰা উচিত।
4. হাৰাম খাদ্য হৈছে দুআ কবুল নোহোৱাৰ অন্যতম এটা কাৰণ।
5. পাঁচটা বস্তু হৈছে দুআ কবুল হোৱাৰ অন্যতম উপায়। ১) দূৰৱৰ্তী ভ্ৰমণত বিনয়ী অৱস্থাত কৰা দুআ হৈছে দুআ কবুল হোৱাৰ অন্যতম এটা ডাঙৰ উপায়। ২) অসহায় অৱস্থাত দুআ কৰা। ৩) আকাশৰ পিনে হাত তুলি দুআ কৰা। ৪) আল্লাহৰ প্ৰভুত্ব স্বীকাৰ কৰি তেওঁক মাতি কান্দি কান্দি দুআ কৰা। বিচৰা বস্তু পোৱাৰ তথা দুআ কবুল হোৱাৰ এইটোও এটা অন্যতম উপায়। ৫) পৱিত্ৰ তথা হালাল খাদ্যদ্ৰব্য ভক্ষণ কৰা।
6. পৱিত্ৰ তথা হালাল খাদ্য হৈছে সৎকৰ্মৰ অন্যতম সহায়ক।
7. ক্বাজী ৰাহিমাহুল্লাহে কৈছেঃ পৱিত্ৰ হৈছে অপৱিত্ৰৰ পৰিপন্থী। গতিকে এইটো যদি মহান আল্লাহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয় তেন্তে

ইয়াৰ দ্বাৰা বুজোৱা হয় যে, তেওঁ সকলো প্ৰকাৰ অসম্পূৰ্ণতাৰ পৰা সুৰক্ষিত আৰু সকলো প্ৰকাৰ দোষ-ক্ৰুটিৰ পৰা পৱিত্ৰ। যেতিয়া এইটো বান্দাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়, তেতিয়া ইয়াৰ অৰ্থ হয় যে, তেওঁ বেয়া আচৰণ আৰু বেয়া কৰ্মৰ পৰা আঁতৰত তথা ভাল গুণেৰে সুসজ্জিত। যেতিয়া এইটো সম্পদৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়, তেতিয়া ইয়াৰ দ্বাৰা বুজোৱা হয় যে, এইটো হালাল আৰু উত্তম সম্পদ।

(4316)

(200) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ أَنْظَرَ مُعْسِرًا، أَوْ وَضَعَ لَهُ، أَظَلَّهُ اللهُ يَوْمَ الْقِيَامَةِ تَحْتَ ظِلِّ عَرْشِهِ يَوْمَ لَا ظِلَّ إِلَّا ظِلُّهُ». [صحيح] - [رواه الترمذي وأحمد]

(200) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “ঋণ পৰিশোধ কৰিবলৈ অক্ষম ব্যক্তিক (তাৰ সচ্ছলতা ঘূৰি নহালৈকে) যিয়ে অৱকাশ দিব অথবা তাক ক্ষমা কৰি দিব, আল্লাহে সেই ব্যক্তিক কিয়ামতৰ দিনা আৰশ্বৰ ছাঁৰ তলত স্থান দিব, যিদিনা সেই ছাঁৰ বাহিৰে আন কোনো ছাঁ নাথাকিব।” [ছহীহ] - [(তিৰমিজী, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে ঋণগ্ৰস্থ ব্যক্তিক ঋণ পৰিশোধ কৰিবলৈ অৱকাশ দিব অথবা তাৰ ঋণ মাফ কৰি দিব, তেন্তে তাৰ প্ৰতিদান হ'ব এই যে, কিয়ামতৰ দিনা আল্লাহে তাক আৰচৰ ছাঁৰ তলত স্থান দিব, যিদিনা সূৰ্য্য মানুহৰ মূৰৰ নিচেই কাষত থাকিব আৰু উষ্ণতা খুবেই বেছি থাকিব। আল্লাহে যাক ছাঁ প্ৰদান কৰিব, তাৰ বাহিৰে আন কোনেও ছাঁ নাপাব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ বান্দাসকলৰ প্ৰতি সহানুভূতি দেখুৱাৰ গুৰুত্ব, আৰু এইটো হৈছে কিয়ামত দিৱসৰ ভয়াৱহতাৰ পৰা পৰিত্ৰাণ পোৱাৰ অন্যতম এটা উপায়।
2. কৰ্ম অনুযায়ী বিনিময় প্ৰদান কৰা হয়।

(4186)

(201) – عن جابر رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «رَحِمَ اللَّهُ رَجُلًا سَمْحًا إِذَا بَاعَ، وَإِذَا اشْتَرَى، وَإِذَا اقْتَضَى». [صحيح] - [رواه البخاري]

(201) – জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহে সেই ব্যক্তিৰ প্ৰতি ৰহমত বৰ্ষণ কৰক, যিয়ে নম্ৰতাৰ সৈতে ক্ৰয়-বিক্ৰয় কৰে আৰু ঋণ ঘূৰাই লোৱাৰ ক্ষেত্ৰত অৱকাশ দিয়ে। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেই ব্যক্তিৰ বাবে ৰহমতৰ দুআ কৰিছে যিয়ে কিনা বেচাত উদাৰতা, নম্ৰতা আৰু ভদ্ৰতা অৱলম্বন কৰে। বস্তুৰ দামকলৈ কিনোতাৰ প্ৰতি কোনো কঠোৰতা অৱলম্বন নকৰে, লগতে উত্তম ব্যৱহাৰ কৰে। কিনোতায়ো নম্ৰতা, ভদ্ৰতা আৰু উদাৰতাৰ পৰিচয় দিয়ে,  উচিত মূল্যতকৈ কম কৰাৰ চেষ্টা নকৰে। এইদৰে সেই ব্যক্তিৰ বাবেও ৰহমতৰ দুআ কৰিছে, যিয়ে ঋণ ঘূৰাই লোৱাৰ ক্ষেত্ৰত নম্ৰতা, ভদ্ৰতা আৰু উদাৰতাৰ পৰিচয় দিয়ে। অভাৱী ঋণগ্ৰস্ত ব্যক্তিৰ প্ৰতি হেঁচা প্ৰয়োগ নকৰে, বৰং নম্ৰতাৰে শালীন বাক্যৰে ঋণ ঘূৰাই বিচাৰে আৰু কঠিন অৱস্থাত থকা ব্যক্তিক অৱকাশ দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চৰীয়তৰ উদ্দেশ্য হৈছে মানুহৰ মাজত থকা সুসম্পৰ্কক সুৰক্ষিত ৰখা।
2. মানুহৰ লগত লেনদেন আৰু কিনা বেচা আদিৰ ক্ষেত্ৰত উত্তম চৰিত্ৰ অৱলম্বন কৰিবলৈ উৎসাহিত কৰা হৈছে।

(3716)

(202) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «**كان رجلٌ يُدَايِنُ الناسَ، فكان يقول لفتاه: إذا أتيتَ مُعسِرًا فتجاوز عنه، لعل اللهَ يَتجاوزُ عنا، فلقي اللهَ فتجاوز عنه**». [صحيح] - [متفق عليه]

(202) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ (প্ৰাচীনকালত) এজন ব্যক্তিয়ে মানুহক ঋণ প্ৰদান কৰিছিল আৰু তাৰ কৰ্মচাৰীক আদেশ দিছিলি যে, ‘যেতিয়া তুমি ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ কোনো ঋণগ্ৰহীতাৰ ওচৰলৈ যাবা, তেতিয়া তাক ক্ষমা কৰি দিবা। হয়তো (ইয়াৰ প্ৰতিদানত) আল্লাহে আমাক ক্ষমা কৰি দিব। এতেকে তেওঁ যেতিয়া মৃত্যুবৰণ কৰি আল্লাহক সাক্ষাৎ কৰিলে, তেতিয়া আল্লাহে তেওঁক ক্ষমা কৰি দিলে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এজন ব্যক্তিৰ বিষয়ে উল্লেখ কৰিছে, যিয়ে মানুহক ঋণ দিছিল অথবা বয়-বস্তু বাকী দিছিল। তেওঁ নিজৰ সেই কৰ্মচাৰীক নিৰ্দেশ দিছিল, যিয়ে মানুহৰ পৰা ঋণ ঘূৰাই অনা কৰ্মত নিয়োজিত আছিলঃ যেতিয়া তুমি কোনো এনেকুৱা ঋণগ্ৰহীতাৰ ওচৰলৈ যাবা যিয়ে ঋণ পৰিশোধ কৰিবলৈ সক্ষম নহয়, তেন্তে তাক আওকাণ কৰিবা। অৰ্থাৎ হয় তাক অৱকাশ দিবা, নাইবা তাক ঋণ

পৰিশোধ কৰিবলৈ বাধ্য নকৰাবা। অথবা সেইখিনি লৈ লবা, যিখিনি দিবলৈ সি সক্ষম। এইটো তেওঁ এই কাৰণে কৰিবলৈ কৈছিল যে, হয়তো আল্লাহে ইয়াৰ ফলত তাক ক্ষমা কৰিব। অৱশেষত সেই ব্যক্তি যেতিয়া মৃত্যুবৰণ কৰিলে, আল্লাহে তাক ক্ষমা কৰি দিলে আৰু তাৰ সকলো গুনাহ মাৰ্জনা কৰিলে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহৰ লগত সদাচৰণ কৰা, সিহঁতক ক্ষমা কৰা, সিহঁতৰ মাজৰ অভাৱী দৰিদ্ৰসকলৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰা আদি হৈছে কিয়ামতৰ দিনা মুক্তি লাভ কৰাৰ অন্যতম কাৰণ।
2. সকলো সৃষ্টিৰ সৈতে সদাচৰণ কৰা, আল্লাহৰ বাবে ইখলাচ অৱলম্বন কৰা আৰু তেওঁৰ ওচৰত ৰহমত আশা কৰা আদি হৈছে গুনাহ মাফ হোৱাৰ অন্যতম কাৰণ।

(3753)

(203) – عن خَولة الأنصاريةِ رضي الله عنها قالت: سمعت النبي صلى الله عليه وسلم يقول:

«إِنَّ رِجَالًا يَتَخَوَّضُونَ فِي مَالِ اللهِ بِغَيْرِ حَقٍّ، فَلَهُمُ النَّارُ يَوْمَ الْقِيَامَةِ». [صحيح] - [رواه البخاري]

(203) – খাওলাহ আল-আনচাৰিয়্যাহ ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছে মই শুনিছোঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "নিশ্চয় কিছুমান মানুহে আল্লাহৰ সম্পদ অন্যায়ভাৱে ভক্ষণ কৰে। কিয়ামতৰ দিনা সিহঁতৰ বাবে নিৰ্ধাৰিত আছে জাহান্নামৰ জুই।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত মুছলিমসকলৰ সম্পদ অন্যায়ভাৱে ভক্ষণ কৰা আৰু অন্যায়ভাৱে গ্ৰহণ কৰা সম্পৰ্কে উল্লেখ কৰিছে। এইটো অন্যায়ভাৱে সম্পদ জমা কৰা আৰু অসৎ

পথেৰে উপাৰ্জন কৰা তথা অনুচিত ঠাইত ব্যয় কৰা ইত্যাদি সকলো ক্ষেত্ৰতে ব্যাপক অৰ্থত ব্যৱহৃত হৈছে। লগতে এতীমৰ সম্পদ ভক্ষণ কৰা, ওৱাকফকৃত সম্পদ ভক্ষণ কৰা, আমানত ওভোতাই দিবলৈ অস্বীকাৰ কৰা, তথা জনসাধাৰণৰ সম্পদ অন্যায়ভাৱে গ্ৰাস কৰা ইত্যাদি সকলো বিষয় এই হাদীছৰ অন্তৰ্ভুক্ত।

এইবোৰ উল্লেখ কৰাৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কিয়ামতৰ দিনা সিহঁতৰ পৰিণাম হ'ব জাহান্নাম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহৰ ওচৰত যিবোৰ সম্পদ আছে সেইবোৰ মূলতে আল্লাহৰেই সম্পদ। আল্লাহে সিহঁতক প্ৰতিনিধি বনাইছে, সিহঁতে যেন উক্ত সম্পদ চৰীয়তসন্মত উপায়েৰে ব্যয় কৰে আৰু অন্যায়ভাৱে ব্যয় কৰাৰ পৰা বিৰত থাকে। ইয়াৰ ভিতৰত সাধাৰণ মানুহ আৰু শাসক সকলোৱে অন্তৰ্ভুক্ত।
2. ৰাজহুৱা সম্পদৰ বিষয়ে ইছলামী চৰীয়তে অধিক কঠোৰতা অৱলম্বন কৰিছে। সিহঁতৰ মাজৰ যিয়েই ইয়াৰ দায়িত্ব গ্ৰহণ কৰিব, কিয়ামতৰ দিনা তাক এইবোৰ সম্পদৰ সংৰক্ষণ আৰু ব্যয় সম্পৰ্কে জবাবদিহি কৰা হ'ব।
3. যিসকলে নিজৰ বা আনৰ কোনো সম্পদ অন্যায়ভাৱে অৰ্জন কৰে বা ব্যয় কৰে সিহঁতেও এই সতৰ্কবাণীৰ অন্তৰ্ভুক্ত।

(5331)

(204) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «قَالَ اللَّهُ: كُلُّ عَمَلِ ابْنِ آدَمَ لَهُ، إِلَّا الصِّيَامَ، فَإِنَّهُ لِي وَأَنَا أَجْزِي بِهِ، وَالصِّيَامُ جُنَّةٌ، وَإِذَا كَانَ يَوْمُ صَوْمِ أَحَدِكُمْ فَلاَ يَرْفُثْ وَلاَ يَصْخَبْ، فَإِنْ سَابَّهُ أَحَدٌ أَوْ قَاتَلَهُ، فَلْيَقُلْ إِنِّي امْرُؤٌ صَائِمٌ، وَالَّذِي نَفْسُ مُحَمَّدٍ بِيَدِهِ، لَخُلُوفُ فَمِ الصَّائِمِ أَطْيَبُ عِنْدَ اللَّهِ مِنْ رِيحِ المِسْكِ، لِلصَّائِمِ فَرْحَتَانِ يَفْرَحُهُمَا: إِذَا أَفْطَرَ فَرِحَ، وَإِذَا لَقِيَ رَبَّهُ فَرِحَ بِصَوْمِهِ». [صحيح] - [متفق عليه]

(204) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মহান আল্লাহে কৈছেঃ আদম সন্তানৰ প্ৰতিটো আমল হৈছে তাৰ নিজৰ বাবে, কিন্তু ৰোজাৰ বাহিৰে। কাৰণ ৰোজা হৈছে মোৰ বাবে, ইয়াৰ প্ৰতিদান মই নিজে প্ৰদান কৰিম। ৰোজা হৈছে ঢালস্বৰূপ। এতেকে তোমালোকৰ মাজৰ কোনোবাই ৰোজা ৰাখিলে, সি যেন বেয়া ভাষা নকয় আৰু হৈ-হাল্লা নকৰে। কোনোবাই যদি তাক গালি পাৰে অথবা তাৰ লগত কাজিয়া কৰে তেন্তে সি যেন কয়, মই ৰোজা ৰাখিছোঁ। শপত সেই মহান সত্তাৰ, যাৰ হাতত মুহাম্মদৰ প্ৰাণ আছে! ৰোজাদাৰ ব্যক্তিৰ মুখৰ গোন্ধ আল্লাহৰ ওচৰত মৃগনাভিৰ সুগন্ধিতকৈও উৎকৃষ্ট। ৰোজাদাৰ ব্যক্তিৰ বাবে আছে দুটা আনন্দৰ সময়, যেতিয়া তেওঁ আনন্দিত হয়। ১- যেতিয়া ইফতাৰ কৰে তেতিয়া আনন্দিত হয়। ২- আৰু যেতিয়া নিজ প্ৰতিপালকৰ সৈতে সাক্ষাৎ কৰিব, তেতিয়া তেওঁ নিজৰ ৰোজাকলৈ আনন্দিত হ'ব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহে হাদীছে কুদছীত কৈছে যে,

আদম সন্তানৰ প্ৰতিটো আমলৰ ছোৱাব দহৰ পৰা সাত শ গুণ পৰ্যন্ত বৃদ্ধি হয়, কেৱল ৰোজাৰ বাহিৰে। কাৰণ এইটো হৈছে মোৰ বাবে, ইয়াত ৰিয়াৰ কোনো অৱকাশ নাথাকে। গতিকে ইয়াৰ প্ৰতিদান মই নিজৰ

ইচ্ছানুযায়ী প্ৰদান কৰিম, ইয়াৰ ছোৱাবৰ পৰিমাণ সম্পৰ্কে আৰু ইয়াৰ বৃদ্ধি সম্পৰ্কে কেৱল ময়ে জানো।

ইয়াৰ পিছত কৈছেঃ (والصيام جُنّة) অৰ্থাৎ ৰোজা হৈছে জাহান্নামৰ পৰা পৰ্দা, দুৰ্গ তথা ঢালস্বৰূপ। কাৰণ ইয়াৰ দ্বাৰা প্ৰবৃত্তিৰ কামনা-বাসনা দমন হয় আৰু গুনাহত লিপ্ত হোৱাৰ পৰা ৰক্ষা পোৱা যায়। কিয়নো জাহান্নামক প্ৰবৃত্তিৰ চাহিদাৰে আবৃত কৰি ৰখা হৈছে।

(فإذا كان يوم صوم أحدكم فلا يرفث) অৰ্থাৎ তোমালোকৰ মাজৰ যদি কোনোবাই ৰোজা ৰাখে, তেওঁ যেন অশ্লীল ভাষা নকয় আৰু যৌন মিলন তথা ইয়াৰ প্ৰাৰম্ভিক কৰ্মবোৰত যাতে লিপ্ত নহয়।

(ولا يَصخب) অৰ্থাৎ কাজিয়া ফাছাদ যাতে নকৰে আৰু হুলস্থুল নকৰে।

(فإنْ سابّه أحد أو قاتله) অৰ্থাৎ ৰমাজান মাহত বা ৰোজা ৰখা অৱস্থাত যদি কোনোবাই গালি দিয়ে অথবা কাজিয়া কৰে, তেন্তে ক'ব লাগে যে, মই ৰোজা আছোঁ। ইয়াৰ ফলত হয়তো সি বিৰত থাকিব। ইয়াৰ পিছতো যদি সি আক্ৰমণ কৰে তেন্তে কম ক্ষতিকৰ পদ্ধতিৰে কেৱল নিজক ৰক্ষা কৰিব লাগে।

ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে সেই মহান সত্তাৰ শপত খাই ক'লে, যাৰ হাতত তেখেতৰ প্ৰাণ আছে যে, ৰোজাৰ ফলত ৰোজাদাৰৰ মুখৰ পৰা যি গোন্ধ ওলায়, কিয়ামতৰ দিনা আল্লাহৰ ওচৰত এই গোন্ধ মৃগনাভিৰ সুগন্ধিতকৈও উৎকৃষ্ট হিচাপে পৰিগণিত হ'ব। জুমুআ আৰু বৈঠকসমূহত সুগন্ধি ব্যৱহাৰ কৰি যোৱাৰ বাবে যি ছোৱাব পোৱা যায়, তাতকৈও অধিক ছোৱাব প্ৰদান কৰিব।

দুটা সময়ত ৰোজাদাৰ ব্যক্তি অত্যন্ত আনন্দিত হয়। ভোক পিয়াহ সহ্য কৰি ইফতাৰৰ সময় যেতিয়া কাষ চাপি আহে, যি সময়ত খোৱাৰ অনুমতি দিয়া হৈছে, তেতিয়া ৰোজাদাৰ ব্যক্তি আনন্দিত হয়। কাৰণ তাৰ ৰোজা পৰিপূৰ্ণ হয়, ইবাদত সম্পন্ন হয়, তথা আল্লাহৰ ফালৰ পৰা ৰহমত আৰু আগন্তুক ৰোজাৰ সহায় বিচাৰি এই আনন্দ লাভ কৰে।

এইদৰে যেতিয়া আল্লাহৰ সৈতে সাক্ষাৎ কৰিব তেতিয়াও আনন্দিত হ'ব, কাৰণ তেতিয়া এই ৰোজাৰ প্ৰতিদান তথা ছোৱাব লাভ কৰি আনন্দিত হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰোজাৰ ফজিলত। ৰোজাই ৰোজাদাৰক পৃথিৱীত প্ৰবৃত্তিৰ কামনা-বাসনাৰ পৰা বিৰত ৰাখে আৰু আখিৰাতত জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰে।
2. ৰোজাৰ অন্যতম এটা পালনীয় নীতি হৈছে যে, ৰোজা অৱস্থাত বেয়া কথা, অশ্লীল ভাষা আৰু অলাগতিয়াল আলোচনাৰ পৰা আঁতৰি থকা। মানুহৰ নিৰ্যাতনত ধৈৰ্য্য ধৰা, কোনোবাই বেয়া আচৰণ কৰিলে ধৈৰ্য্য আৰু এহছানৰ সৈতে সমাধান কৰা।
3. ৰোজাদাৰ হওক অথবা কোনো ইবাদতকাৰী, যদি ইবাদত সম্পূৰ্ণ হোৱাৰ পিছত আনন্দিত হয়, তেন্তে ইয়াৰ ফলত আখিৰাতত তাৰ কোনো ছোৱাব হ্ৰাস কৰা নহ'ব।
4. পূৰ্ণাংগ আনন্দ লাভ কৰিব আল্লাহৰ সৈতে সাক্ষাতৰ সময়ত। যেতিয়া আল্লাহে ধৈৰ্য্য ধাৰণকাৰীসকলক আৰু ৰোজাদাৰসকলক পৰিপূৰ্ণৰূপে অগণন ছোৱাব প্ৰদান কৰিব।
5. কাৰণবশতঃ তথা প্ৰয়োজনত মানুহক নিজৰ ইবাদত সম্পৰ্কে অৱগত কৰোৱাটো কোনো ৰিয়া নহয়। যেনে- হাদীছটোত কোৱা হৈছে (মেই ৰোজা অৱস্থাত আছোঁ)।
6. পূৰ্ণাংগ ৰোজাদাৰ হৈছে সেই ব্যক্তি, ৰোজা অৱস্থাত যাৰ অংগ-প্ৰত্যংগ গুনাহৰ পৰা বিৰত থাকে, যাৰ জিভা মিছা কথা, অশ্লীল ভাষা, মিছা সাক্ষ্যৰ পৰা বিৰত থাকে, আৰু যাৰ পেট পানাহাৰৰ পৰা বিৰত থাকে।

7. ৰোজাৰ অৱস্থাত কাজিয়া-পেচাল, চিঞৰ-বাখৰ, হৈ-হাল্লা কৰিবলৈ গুৰুত্ব সহকাৰে নিষেধ কৰা হৈছে। অন্যথা ৰোজাৰ বাহিৰে অন্যান্য অৱস্থাতো এইবোৰ কৰাটো নিষেধ।
8. এই হাদীছটো হৈছে সেইবোৰ হাদীছৰ অন্তৰ্ভুক্ত, যিবোৰ হাদীছ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্বয়ং আল্লাহৰ পৰা বৰ্ণনা কৰিছে। এনেকুৱা হাদীছক হাদীছে কুদছী বা হাদীছে ইলাহী বুলি কোৱা হয়। এইবোৰ হাদীছৰ শব্দ আৰু অৰ্থ দুয়োটাই আল্লাহৰ পৰা বৰ্ণিত। কিন্তু এইবোৰৰ মাজত কোৰআনৰ কোনো বৈশিষ্ট্য নাই, যেনে- কোৰআন তিলাৱত কৰিলে ছোৱাব পোৱা যায়, কোৰআন পঢ়িবলৈ পৱিত্ৰতা লাগে, এইদৰে কোৰআনৰ আয়াতৰ দ্বাৰা প্ৰত্যাহ্বান জনোৱা হৈছে আৰু কোৰআনৰ মাজত আছে অলৌকিকতা।

(3546)

(205) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ صَامَ رَمَضَانَ إِيمَانًا وَاحْتِسَابًا غُفِرَ لَهُ مَا تَقَدَّمَ مِنْ ذَنْبِهِ» [صحيح] - [متفق عليه]

(205) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে ঈমানৰ সৈতে ছোৱাবৰ আশাত ৰমাজান মাহৰ চওম পালন কৰে, সেই ব্যক্তিৰ অতীতৰ গুনাহসমূহ মাফ কৰি দিয়া হয়। [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে আল্লাহৰ প্ৰতি ঈমান পোষণ কৰি ৰমাজান মাহৰ ৰোজা পালন কৰিব আৰু ইয়াক ফৰজ বুলি বিশ্বাস কৰিব, লগতে আল্লাহে ৰোজাদাৰসকলৰ বাবে যি ছোৱাব আৰু প্ৰতিদান প্ৰস্তুত কৰি ৰাখিছে তাৰ প্ৰতি বিশ্বাস কৰিব, এইবোৰ যদি তেওঁ নাম অৰ্জন কৰিবলৈ আৰু মানুহক দেখুৱাৰ উদ্দেশ্যে

নকৰে অৰ্থাৎ কেৱল আল্লাহৰ সন্তুষ্টি অৰ্জনৰ উদ্দেশ্যে কৰে তেন্তে তাৰ পূৰ্বৱৰ্তী সকলো গুনাহ মাফ কৰি দিয়া হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰমাজান মাহৰ ৰোজা আৰু অন্যান্য নেক আমলৰ ক্ষেত্ৰত ইখলাচ অৱলম্বন কৰাৰ গুৰুত্ব।

(4196)

(206) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللهُ عَنْهُ أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، قَالَ: «إِذَا جَاءَ رَمَضَانُ فُتِّحَتْ أَبْوَابُ الْجَنَّةِ، وَغُلِّقَتْ أَبْوَابُ النَّارِ، وَصُفِّدَتِ الشَّيَاطِينُ». [صحيح] - [متفق عليه]

(206) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ৰমাজান অহাৰ লগে লগে জান্নাতৰ দুৱাৰসমূহ খুলি দিয়া হয়, আৰু জাহান্নামৰ দুৱাৰসমূহ বন্ধ কৰি দিয়া হয়, আৰু চয়তানবোৰক শিকলিবদ্ধ কৰা হয়।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, ৰমাজান মাহ আৰম্ভ হোৱাৰ লগে লগে তিনিটা বিষয় সংঘটিত হয়। প্ৰথমঃ জান্নাতৰ দুৱাৰসমূহ খুলি দিয়া হয়, কোনো দুৱাৰেই বন্ধ নাথাকে। দ্বিতীয়ঃ জাহান্নামৰ দুৱাৰসমূহ বন্ধ কৰি দিয়া হয়, কোনো দুৱাৰেই খোলা নাথাকে। তৃতীয়ঃ চয়তান আৰু স্বৈৰাচাৰী জিনবোৰক শিকলিৰে বান্ধি থোৱা হয়। সিহঁতক এৰি দিয়া নহয়, যিদৰে ৰমাজানৰ বাহিৰত সিহঁতক এৰি থৈ দিয়া হয়। এইবোৰ সংঘটিত হয় কেৱল এই মাহৰ সন্মানৰ কাৰণে। লগতে আমলকাৰীসকলক উৎসাহিত কৰাৰ কাৰণে। যাতে বেছি বেছি নেক কাম কৰিব পাৰে, নামাজ, চাদাক্বাহ, জিকৰ-আজকাৰ

আৰু কোৰআন তিলাৱত আদি কৰিব পাৰে। এইদৰে গুনাহ আৰু পাপকৰ্মৰ পৰা বিৰত থাকিব পাৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰমাজান মাহৰ ফজীলত।
2. ৰোজাদাৰসকলক সুসংবাদ দিয়া হৈছে যে, এইটো হৈছে বৰকতময় মাহ, তথা কল্যাণ আৰু ইবাদতৰ ঋতু।
3. ৰমাজানত চয়তানক শিকলিবদ্ধ কৰি চৰীয়তৰ অধীনস্থ ব্যক্তিসকলক এই ইংগিত দিয়া হৈছে যে, ওজৰ-আপত্তিৰ কোনো সুযোগ নাই। তথা এক প্ৰকাৰ ঘোষণা কৰা হৈছে যে, চয়তানক আৱদ্ধ কৰি ৰখা হৈছে, গতিকে ইবাদতৰ পৰা আঁতৰি থকাৰ কোনো বাহনা নচলিব, লগতে গুনাহ কৰাৰো কোনো বাহনা নচলিব।
4. কুৰতুবীয়ে কৈছেঃ যদি এই প্ৰশ্ন কৰা হয় যে, ৰমাজান মাহতো আমি পাপকৰ্ম আৰু অসৎ কাম কৰা দেখিবলৈ পাওঁ কিয়, যদি সঁচাই এই সময়ছোৱাত চয়তানক শিকলিবদ্ধ কৰি থোৱা হয়, তেন্তে এইবোৰ সংঘটিত হ'ব নালাগিছিল? তেন্তে ইয়াৰ উত্তৰ হ'ব: পাপকৰ্ম কেৱল সেইসকল ৰোজাদাৰৰ বাবে হ্ৰাস হয়, যিসকলে ৰোজাৰ সকলো চৰ্ত পূৰণ কৰে আৰু সঠিক নিয়ম-নীতি মতে ৰোজা পালন কৰে। অথবা ইয়াৰ উত্তৰ এইটোও হ'ব পাৰে যে, কেৱল কিছুমান চয়তানকহে শিকলিবদ্ধ কৰা হয়, বিশেষকৈ স্বৈৰাচাৰী ডাঙৰ চয়তানক (মাৰাদাক) শিকলিবদ্ধ কৰি থোৱা হয়, সকলো চয়তানক নহয়, এই কথা কেইবাটাও বৰ্ণনাত উল্লেখ হৈছে। ইয়াৰ উত্তৰ এইটোও হ'ব পাৰে যে, ৰমাজানত পাপকৰ্ম তথা অসৎ কৰ্মবোৰ অন্যান্য মাহৰ তুলনাত কম হয়, এইটো এটা বাস্তৱ সত্য। এনেকুৱা কেতিয়াও নহয় যে, সকলো চয়তানক আৱদ্ধ কৰিলেই পাপকৰ্ম তথা গুনাহ একেবাৰে নাইকিয়া হৈ যাব, কিয়নো ইয়াৰ

মূল কাৰণ কেৱল চয়তানেই নহয়, অন্তৰৰ কুঃপৰিকল্পনা, বেয়া অভ্যাস আৰু মানুহৰ মাজত থকা চয়তানবোৰো হৈছে এইবোৰৰ অন্যতম এটা কাৰণ।

(10107)

(207) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللهُ عَنْهُ قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَنْ نَسِيَ وَهُوَ صَائِمٌ، فَأَكَلَ أَوْ شَرِبَ، فَلْيُتِمَّ صَوْمَهُ، فَإِنَّمَا أَطْعَمَهُ اللهُ وَسَقَاهُ». [صحيح] - [متفق عليه]

(207) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে ৰোজা অৱস্থাত ভুলবশতঃ কিবা খাইছে অথবা সেৱন কৰিছে, সি ৰোজা পূৰ্ণ কৰা উচিত। কাৰণ আল্লাহেই তাক খুৱাইছে আৰু পান কৰোৱাইছে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, যদি কোনো ব্যক্তিয়ে ৰোজা অৱস্থাত ফৰজ ৰোজা হওক বা নফল ৰোজা, ভুলতে কিবা খায় বা পান কৰে তেন্তে তাৰ সেই ৰোজা ভংগ নহ'ব বৰং সি সেই ৰোজাটো পূৰ্ণ কৰা উচিত। কিয়নো সি ইচ্ছাকৃতভাৱে ভংগ কৰা নাই। এইটো হৈছে এনেকুৱা এটা জীৱিকা, যিটো আল্লাহে বান্দাৰ বাবে যোগান ধৰিছে তথা তাক খুৱাইছে আৰু পান কৰোৱাইছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ভুলতে তথা পাহৰি ৰোজা অৱস্থাত কিবা খালে ৰোজা ভংগ নহয়।
2. ভুলতে অথবা পাহৰি কিবা খালে বা পান কৰিলে গুনাহ নহয়। কাৰণ এইটো তাৰ অধীনত নহয়।

3. মহান আল্লাহ বান্দাসকলৰ প্ৰতি অত্যন্ত দয়ালু পৰম করুণাশীল। তেওঁ সিহঁতৰ পথ সহজ কৰি দিয়ে আৰু বিপদ-আপদ তথা কঠিনতা দূৰ কৰে।
4. ৰোজা ভংগ হ'বলগীয়া বস্তুৰ দ্বাৰা ৰোজাদাৰৰ ৰোজা তেতিয়াহে ভংগ হয় যেতিয়া এই তিনিটা চৰ্তৰ যিকোনো এটা তাত পোৱা যায়। ১- জানি বুজি ৰোজা ভংগ হ'বলগীয়া বস্তু ব্যৱহাৰ কৰা। যদি অজ্ঞতাবশতঃ হয় তেন্তে ৰোজা ভংগ নহ'ব। ২- ইচ্ছাকৃতভাৱে ৰোজা ভংগ হ'বলগীয়া বস্তু ব্যৱহাৰ কৰা, কিন্তু যদি পাহৰি কৰে তেন্তে ৰোজা শুদ্ধ হ'ব আৰু ইয়াৰ কাজা কৰিব নালাগে। ৩- যদি স্বেচ্ছাই কৰে, তেন্তে ৰোজা ভংগ হ'ব, জোৰজবৰদস্তি কৰিলে ৰোজা ভংগ নহ'ব, কাৰণ এইটো হৈছে তাৰ সাধ্যাতীত।

(4525)

(208) – عَنْ عَائِشَةَ أُمِّ المُؤْمنِينَ رَضِيَ اللَّهُ عَنْهَا زَوْجِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَانَ يَعْتَكِفُ العَشْرَ الأَوَاخِرَ مِنْ رَمَضَانَ، حَتَّى تَوَفَّاهُ اللَّهُ، ثُمَّ اعْتَكَفَ أَزْوَاجُهُ مِنْ بَعْدِهِ. [صحيح] - [متفق عليه]

(208) – নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰী উম্মুল মু'মিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মৃত্যু পৰ্যন্ত ৰমাজান মাহৰ শেষ দহকত এতিকাফ কৰিছিল। তেখেতৰ মৃত্যুৰ পিছতো তেখেতৰ স্ত্ৰীসকলে এতিকাফ কৰিছিল। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজান মাহৰ শেষ দহকত জৰুৰীভাৱে এতিকাফ পালন কৰিছিল। লাইলাতুল ক্বদৰ অনুসন্ধান কৰাৰ উদ্দেশ্যে।

এইটো তেখেতে প্ৰত্যেক বছৰে পালন কৰিছিল তেখেতৰ মৃত্যু পৰ্যন্ত। আনকি তেখেতৰ মৃত্যুৰ পিছতো তেখেতৰ স্ত্ৰীসকলে নিয়মিতভাৱে এতিকাফ কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এতিকাফ মছজিদত কৰিব লাগে। আনকি চৰীয়তৰ নিয়ম নীতি অনুসৰণ কৰি নাৰীসকলেও মছজিদতেই এতিকাফ কৰিব লাগিব। কিন্তু চৰ্ত হৈছে ফিতনা হোৱাৰ যাতে কোনো আশংকা নাথাকে।
2. ৰমাজানৰ শেষ দহকত এতিকাফ কৰিবলৈ গুৰুত্ব প্ৰদান কৰা হৈছে। কিয়নো এই সময়ছোৱাতে তেখেতে এতিকাফ কৰিছিল।
3. এতিকাফ হৈছে এটা ধাৰাবাহিক ছুন্নত, যিটো ৰহিত হোৱা নাই। কিয়নো তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছত তেখেতৰ স্ত্ৰীসকলেও এতিকাফ কৰিছিল।

(4495)

(209) – عَنْ عَائِشَةَ أُمِّ المؤْمِنِينَ رَضِيَ اللهُ عَنْهَا: كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَجْتَهِدُ فِي الْعَشْرِ الْأَوَاخِرِ مَا لَا يَجْتَهِدُ فِي غَيْرِهِ. [صحيح] - [رواه مسلم]

(209) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজান মাহৰ শেষ দহকত যি পৰিমাণ পৰিশ্ৰম কৰিছিল, সেই পৰিমাণ পৰিশ্ৰম বেলেগ দিনত কৰা নাছিল। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

ৰমাজানৰ শেষ দহকত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইবাদত আনুগত্যৰ জৰিয়তে অত্যন্ত পৰিশ্ৰম কৰিছিল। তেখেতে বিভিন্ন প্ৰকাৰৰ কল্যাণকৰ কাম, বিভিন্ন ধৰণৰ সৎকৰ্ম আৰু ইবাদত অন্যান্য

দিনৰ তুলনাত বেছি বেছি কৰিছিল। কাৰণ এই ৰাতি কেইটা খুবেই ফজীলতপূৰ্ণ, লগতে লাইলাতুল ক্বদৰ সন্ধানৰ আশাত এনেকুৰা নেক কাম বেছি কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সাধাৰণতে গোটেই ৰমাজান মাহত বেছি বেছি নেক কৰ্ম কৰিবলৈ উৎসাহিত কৰা হৈছে, কিন্তু বিশেষকৈ ৰমাজানৰ শেষ দহকত অধিক কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. ৰমাজানৰ শেষ দহক আৰম্ভ হয় একৈশ ৰমাজানৰ ৰাতিৰ পৰা ৰমাজানৰ শেষলৈকে।
3. নেক কৰ্মৰ জৰিয়তে ফজীলতপূৰ্ণ সময়ৰ সদ্ব্যৱহাৰ কৰা মুস্তাহাব তথা পছন্দনীয়।

(3755)

(210) – عَنْ عَائِشَةَ أُمِّ المُؤْمِنِينَ رَضِيَ اللهُ عَنْهَا قَالَتْ: كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ إِذَا دَخَلَ الْعَشْرُ أَحْيَا اللَّيْلَ، وَأَيْقَظَ أَهْلَهُ، وَجَدَّ وَشَدَّ الْمِئْزَرَ. [صحيح] - [متفق عليه]

(210) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰমাজান মাহৰ শেষ দশক যেতিয়া আৰম্ভ হৈছিল তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নিজেও ৰাতি জাগৰণ কৰিছিল আৰু তেখেতৰ পৰিয়ালকো সজাগ ৰাখিছিল, তেখেতে কঠোৰ পৰিশ্ৰম কৰিছিল তথা কঁকালৰ কাপোৰ মজবুতকৈ বান্ধি লৈছিল। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

ৰমাজান মাহৰ শেষ দশক আৰম্ভ হোৱাৰ লগে লগে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে গোটেই ৰাতি বিভিন্ন ধৰণৰ ইবাদত কৰি পাৰ

কৰিছিল। আনকি নামাজৰ বাবে তেখেতৰ পৰিয়ালবৰ্গকো সজাগ কৰিছিল। সাধাৰণতে কৰা ইবাদতকৈ আৰু অধিক ইবাদত কৰিবলৈ তেখেতে কঠোৰ পৰিশ্ৰম কৰিছিল। স্ত্ৰীসকলৰ পৰা দূৰত্ব অৱলম্বন কৰি ইবাদতৰ বাবে অধিক সময় উলিয়াইছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ফজীলতপূৰ্ণ সময়খিনিক নেক আমলৰ জৰিয়তে সদ্ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. ইমাম নাৱাৱীয়ে কৈছেঃ এই হাদীছটোৰ দ্বাৰা প্ৰমাণিত হয় যে, ৰমাজান মাহৰ শেষ দশকত বেছি বেছি ইবাদত কৰাটো মুস্তাহাব। লগতে ইবাদত কৰি ৰাতি জাগৰণ কৰাটো পছন্দনীয়।
3. বান্দাই নিজৰ পৰিয়ালবৰ্গকো ইবাদতৰ নিৰ্দেশ দিয়াৰ ক্ষেত্ৰত আগ্ৰহী হোৱা উচিত। লগতে এই ক্ষেত্ৰত ধৈৰ্য্য ধাৰণ কৰা উচিত।
4. কল্যাণকৰ কামৰ বাবে দৃঢ় সংকল্প আৰু ধৈৰ্য্যৰ প্ৰয়োজন।
5. ইমাম নাৱাৱীয়ে কৈছেঃ (شدّ المِئزر) হাদীছৰ এই শব্দটোৰ অৰ্থৰ ক্ষেত্ৰত উলামাসকলৰ মাজত মতানৈক্য আছে। কিছুমানে কৈছেঃ ইয়াৰ অৰ্থ হৈছে ইবাদতৰ ক্ষেত্ৰত অধিক পৰিশ্ৰম কৰা, অৰ্থাৎ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সাধাৰণতে কৰা পৰিশ্ৰমতকৈ অধিক পৰিশ্ৰম কৰিছিল। ইয়াৰ আন এটা অৰ্থ হৈছে, ইবাদতৰ বাবে কঁকাল বান্ধি লোৱা আৰু সম্পূৰ্ণৰূপে ইবাদতত মনোযোগ দিয়া। যেনে- কোৱা হয় যে, মই এইটো কামত কঁকাল বান্ধি নামিছোঁ। এইদৰে কিছুমানে কৈছে যে, এইটো হৈছে এটা ৰূপক শব্দ, যাৰ দ্বাৰা নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্ত্ৰীসকলৰ পৰা দূৰত্ব অৱলম্বন কৰি ইবাদতত মচগুল হোৱাৰ প্ৰতি ইংগিত কৰিছে।

(4944)

(211) – عَنْ أَبِي سَعِيدٍ الْخُدْرِيِّ رَضِيَ اللهُ عَنْهُ قَالَ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «مَنْ صَامَ يَوْمًا فِي سَبِيلِ اللهِ بَاعَدَ اللهُ وَجْهَهُ عَنِ النَّارِ سَبْعِينَ خَرِيفًا». [صحيح] - [متفق عليه]

(211) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে আল্লাহৰ পথত (অৰ্থাৎ জিহাদৰ অৱস্থাত) এদিনো ৰোজা পালন কৰে, আল্লাহে তাৰ মুখমণ্ডলক জাহান্নামৰ পৰা সত্তৰ বছৰৰ দূৰত্বত আঁতৰাই ৰাখে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিয়ে জিহাদৰ ময়দানত এদিনো ৰোজা পালন কৰিব, আৰু কোৱা হৈছে যে, নিষ্ঠা সহকাৰে আল্লাহৰ উদ্দেশ্যে ছোৱাবৰ আশাত ৰোজা ৰাখিব, তেন্তে আল্লাহে নিজ অনুগ্ৰহত সেই ব্যক্তিৰ আৰু জাহান্নামৰ মাজত সত্তৰ বছৰৰ দূৰত্ব সৃষ্টি কৰি দিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইমাম নাৱাৱীয়ে কৈছেঃ হাদীছটোত জিহাদৰ ময়দানত ৰোজা ৰখাৰ ফজীলত বৰ্ণিত হৈছে। এইটো সেই ব্যক্তিৰ বাবে প্ৰযোজ্য, ৰোজা ৰাখিলে যুদ্ধৰ ময়দানত যাৰ কোনো অসুবিধা নহয়। কোনো অধিকাৰ খৰ্ব নহয়, লগতে যুদ্ধ আৰু অন্যান্য অভিযানত কোনো ব্যাঘাত নঘটে।
2. নফল ৰোজা ৰাখিবলৈ উৎসাহিত কৰা হৈছে।
3. ইখলাচ আৰু আল্লাহৰ সন্তুষ্টি অৰ্জনৰ আশা পোষণ কৰা অনিবাৰ্য। মানুহক দেখুৱাবলৈ অথবা নিজকে প্ৰকাশ কৰিবলৈ নাইবা বেলেগ কোনো উদ্দেশ্যত ৰোজা ৰখা উচিত নহয়।

4. ছিন্ধীয়ে কৈছেঃ (যিয়ে আল্লাহৰ পথত ৰোজা ৰাখিব) ইয়াৰ দ্বাৰা হয়তো সঠিক নিয়্যত পোষণ কৰাৰ কথা বুজোৱা হৈছে। অথবা এইটোও হ'ব পাৰে যে, ইয়াৰ দ্বাৰা যুদ্ধ অৱস্থাত ৰোজা ৰখাৰ কথা কোৱা হৈছে। দ্বিতীয় অৰ্থটোৱে সাধাৰণতে বুজায়।
5. ইবনু হাজাৰে হাদীছটোত থকা (سبعين خريفًا সত্তৰটা শৰৎকাল) বাক্যটোৰ বিষয়ে কৈছেঃ আৰবীত খাৰীফ কোৱা হয় বছৰৰ এটা নিৰ্দিষ্ট সময়ক, যিটোক অসমীয়াত আমি শৰৎ ঋতু বুলি জানো। ইয়াত সত্তৰটা শৰৎকাল বোলোঁতে সত্তৰ বছৰ বুজোৱা হৈছে। অন্যান্য ঋতু যেনে - গ্ৰীষ্ম, শীত, বসন্ত- আদিৰ তুলনাত শৰৎ ঋতু উল্লেখ কৰাৰ কাৰণ হৈছে, এই ঋতুটো হৈছে আটাইতকৈ সমৃদ্ধ ঋতু। যিহেতু এই সময়ছোৱাতে শস্যাদি আৰু ফলমূল চপোৱা হয়।

(4436)

(212) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ قَالَ: أَوْصَانِي خَلِيلِي صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ بِثَلَاثٍ: صِيَامِ ثَلَاثَةِ أَيَّامٍ مِنْ كُلِّ شَهْرٍ، وَرَكْعَتَيِ الضُّحَى، وَأَنْ أُوتِرَ قَبْلَ أَنْ أَنَامَ. [صحيح] - [متفق عليه]

(212) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ "মোক মোৰ অন্তৰঙ্গ বন্ধুৱে (অৰ্থাৎ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে) তিনিটা বিষয়ৰ উপদেশ দিছে। প্ৰত্যেক মাহত তিনিটা ৰোজা ৰাখিবলৈ, চাস্তৰ সময়ত দুই ৰাকাত নামাজ পঢ়িবলৈ, আৰু মই যেন টোপনি যোৱাৰ আগত ৱিতিৰ পঢ়ি শুবলৈ যাওঁ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে, তেওঁৰ অন্তৰঙ্গ প্ৰিয় বন্ধুৱে তেওঁক তিনিটা উপদেশ দিছে যে,

১) প্ৰত্যেক মাহত তিনিটা ৰোজা ৰাখিবা।

২) দৈনিক চাস্তৰ সময়ত দুই ৰাকাত নামাজ পঢ়িবা।

৩) ৰাতি শুবলৈ যোৱাৰ আগত ৱিতিৰ পঢ়ি ল'বা। এইটো হৈছে সেই ব্যক্তিৰ বাবে যিয়ে শেষ ৰাতি উঠিব নোৱাৰিব বুলি আশংকা কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বিভিন্ন চাহাবাক বিভিন্ন উপদেশ দিছিল। তেখেতে চাহাবাসকলৰ অৱস্থা অনুসৰি যাৰ বাবে যিটো উপযুক্ত তাক সেইটো উপদেশ দিছিল। এতেকে শক্তিশালী ব্যক্তিৰ বাবে জিহাদ উপযুক্ত, ইবাদতকাৰীৰ বাবে ইবাদত উপযুক্ত আৰু আলিমৰ বাবে ইল্ম উপযুক্ত। এইদৰে উপদেশ দিছিল।
2. ইবনে হাজাৰ আছক্বালানী ৰাহিমাহুল্লাহে হাদীছটোৰ এই বাক্য সম্পৰ্কে কৈছে, প্ৰত্যেক মাহত তিনিটা ৰোজা ৰাখিবা, ইয়াৰ দ্বাৰা বুজোৱা হৈছে আয়্যামে বীজৰ ৰোজা। সেয়া হৈছেঃ হিজৰী মাহৰ তেৰ, চৈধ্য আৰু পোন্ধৰ তাৰিখে ৰোজা পালন কৰা।
3. ইবনু হাজাৰ আছক্বালানী ৰাহিমাহুল্লাহে কৈছেঃ ৰাতি টোপনি যোৱাৰ আগত  ৱিতিৰ পঢ়ি লোৱাটো মুস্তাহাব। এইটো হৈছে সেই ব্যক্তিৰ বাবে যাৰ ফজৰৰ আগত উঠাৰ কোনো নিশ্চয়তা নাই।
4. এই তিনিটা আমলৰ গুৰুত্ব। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেইবাজনো চাহাবাক এই উপদেশ দিছিল।
5. ইবনু দাক্বীক্বুল ঈদে হাদীছটোৰ এই বাক্য প্ৰসংগত কৈছে (وركعتي الضحى) সম্ভৱতঃ তেখেতে নূন্যতম ৰাকাত সংখ্যা উল্লেখ কৰি ইয়াৰ গুৰুত্ব বুজাইছে। এইটোৱে প্ৰমাণ কৰে যে, চালাতুজ দ্বুহা পঢ়াটো মুস্তাহাব, যদিও দুই ৰাকাতে নহওক কিয়।
6. চালাতুজ দ্বুহাৰ সময়ঃ সূৰ্য উদয় হোৱাৰ পোন্ধৰ মিনিট পিছৰ পৰা আৰম্ভ কৰি জোহৰৰ দহ মিনিট আগলৈকে এই সময় থাকে। ইয়াৰ ৰাকাত সংখ্যা নূন্যতম দুই ৰাকাত। সৰ্বাধিকৰ ক্ষেত্ৰত

মতানৈক্য আছে, কিছুমানে কৈছেঃ আঠ ৰাকাত, আৰু আন কিছুমানে কৈছে, ইয়াৰ কোনো নিৰ্দিষ্ট সংখ্যা নাই।

7. ৱিতিৰৰ সময়ঃ ঈশ্বাৰ পিছৰ পৰা ফজৰ সময় আৰম্ভ নোহোৱালৈকে। নূন্যতম ৰাকাত সংখ্যা হৈছে এক ৰাকাত, সৰ্বাধিক ৰাকাত সংখ্যা হৈছে এঘাৰ ৰাকাত।

(4538)

(213) – عن أَنَسِ بْنِ مَالِكٍ رَضِيَ اللَّهُ عَنْهُ قَالَ: قَالَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «تَسَحَّرُوا، فَإِنَّ فِي السَّحُورِ بَرَكَةً». [صحيح] - [متفق عليه]

(213) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "তোমালোকে ছাহৰী খোৱা, কাৰণ ছাহৰীত বৰকত আছে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত ছাহৰী খাবলৈ উৎসাহিত কৰিছে। ৰাতিৰ শেষ ভাগত ফজৰৰ আজানৰ পূৰ্বে ৰোজা ৰাখিবলৈ খোৱা আহাৰক ছাহৰী বোলে। কিয়নো ইয়াত বৰকত আছে তথা বহুতো কল্যাণ আছে আৰু আজৰ অ ছাৱাব আছে, সেইকাৰণে তেখেতে ইয়াৰ প্ৰতি উৎসাহিত কৰিছে। লগতে ৰাতিৰ শেষ ভাগত দুআ কৰাৰ আৰু ৰোজাৰ বাবে শক্তি আহৰণ কৰাৰ, সক্ৰিয়তা লাভ কৰাৰ আৰু কষ্ট লাঘৱ কৰাৰ এইটো হৈছে এটা অন্যতম উপায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ছাহৰী খোৱা আৰু চৰীয়তি বিধানবোৰক আমলত পৰিণত কৰা উত্তম।

2. ইবনে হাজাৰে তেওঁৰ 'ফাতহুল বাৰী' গ্ৰন্থত কৈছে: ছাহৰীৰ বৰকত কেইবাটাও উপায়েৰে অৰ্জন হয়। যেনে- ইয়াৰ ফলত ছুন্নতৰ অনুসৰণ হয়, আহলে কিতাবৰ বিৰোধিতা হয়, ইবাদত কৰিবলৈ শক্তি অৰ্জন হয়, কৰ্ম চাঞ্চল্য বৃদ্ধি হয়, ভোকৰ তাড়নাত উপন্ন হোৱা বেয়া স্বভাৱ প্ৰতিৰোধ হয়, দান-খয়ৰাত কৰাৰ সুযোগ লাভ হয়, অথবা একেলগে বহি খোৱাৰ সুযোগ লাভ হয়, বৰকতময় সময়ত জিকৰ-আজকাৰ আৰু দুআ কৰাৰ সুযোগ পোৱা যায়, এইদৰে যিয়ে টোপনি যোৱাৰ আগত ৰোজাৰ নিয়্যত কৰিবলৈ পাহৰি গৈছে, ছাহৰী খাবলৈ উঠিলে নিয়্যত কৰাৰ সুযোগ লাভ হয়।
3. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সৰ্বোত্তম পদ্ধতিৰে শিকাইছিল, সেয়ে তেখেতে ইয়াত বিধান বৰ্ণনাৰ লগতে ইয়াৰ হিকমত তথা ৰহস্যও বৰ্ণনা কৰিছে। যাতে অন্তৰ প্ৰশস্ত হয় আৰু চৰীয়তৰ উচ্চ মৰ্যাদা বুজিব পৰা যায়।
4. ইবনে হাজাৰে কৈছেঃ খাদ্য দ্ৰব্য আৰু পানীয় বস্তুৰ পৰা কিছু পৰিমাণে খালেই ছাহৰী হৈ যায়।

(4498)

(214) – عَنْ أَبِي عُبَيْدٍ، مَوْلَى ابْنِ أَزْهَرَ، قَالَ: شَهِدْتُ العِيدَ مَعَ عُمَرَ بْنِ الخَطَّابِ رَضِيَ اللَّهُ عَنْهُ، فَقَالَ: هَذَانِ يَوْمَانِ نَهَى رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَنْ صِيَامِهِمَا: يَوْمُ فِطْرِكُمْ مِنْ صِيَامِكُمْ، وَاليَوْمُ الآخَرُ تَأْكُلُونَ فِيهِ مِنْ نُسُكِكُمْ. [صحيح] - [متفق عليه]

(214) – ইবনে আঝহাৰৰ আজাদকৃত দাস আবু উবাইদে বৰ্ণনা কৰিছে, তেওঁ কৈছেঃ মই এবাৰ ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ সৈতে ঈদগাহত উপস্থিত হ'লোঁ, তেতিয়া তেখেতে (লোকসকলক সম্বোধন কৰি) ক'লেঃ এই দুই (ঈদৰ) দিনত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰোজা ৰাখিবলৈ নিষেধ কৰিছে। এটা হৈছে (ৰমাজানৰ) ৰোজাৰ পিছত ঈদুল ফিতৰৰ দিন, আৰু আনটো হৈছে (ঈদুল আজহাৰ দিন) যিদিনা তোমালোকে কুৰবানীৰ মাংস ভক্ষণ কৰা। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঈদুল ফিতৰ আৰু ঈদুল আজহাৰ দিনা ৰোজা ৰাখিবলৈ নিষেধ কৰিছে। কাৰণ ঈদুল ফিতৰ হৈছে গোটেই ৰমাজান মাহ ৰোজা ৰখাৰ পিছত খোৱা বোৱাৰ দিন। এইদৰে ঈদুল আজহা হৈছে কুৰবানীৰ মাংস খোৱাৰ দিন।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দুই ঈদ অৰ্থাৎ ঈদুল ফিতৰ আৰু ঈদুল আজহা, লগতে আয়্যামে তাশ্বৰীকৰ দিনবোৰত ৰোজা ৰখা হাৰাম। কাৰণ এই দিন কেইটাও ঈদুল আজহাৰ সৈতেই জৰিত। কিন্তু হজ্জৰ সময়ত যিয়ে কুৰবানী দিব পৰা নাই, সেই ব্যক্তিয়ে আয়্যামে তাশ্বৰীকৰ এই দিন কেইটাত ৰোজা ৰাখিব পাৰে।
2. ইবনে হাজাৰে কৈছেঃ কোৱা হৈছে যে, এই দুটা দিৱসৰ কথা উল্লেখ কৰি ইয়াৰ ওপৰত গুৰুত্ব দিয়া হৈছে যে, এই দুটা দিৱসত ৰোজা

নৰখাটো ওৱাজিব। যাতে ৰোজাৰ ধাৰাবাহিকতাৰ পৰা পৃথক হ'ব পৰা যায়, এইটো প্ৰকাশ কৰিবলৈ যে, ৰোজা সমাপ্ত হৈছে। এইদৰে দ্বিতীয় দিৱসটো হৈছে কুৰবানীৰ জৰিয়তে আল্লাহৰ নৈকট্য অৱলম্বন কৰাৰ দিন, এতেকে সেইদিনা যাতে সেই মাংস ভক্ষণ কৰা হয়।

3. খতীবে নিজৰ ভাষণত সাম্প্ৰতিক বিষয় আৰু সেই সময়ৰ সৈতে জৰিত উৎসৱ সম্পৰ্কে উল্লেখ কৰা উচিত।
4. কুৰবানীৰ মাংস ভক্ষণ কৰাটো চৰীয়ত সন্মত।

(4527)

(215) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ يَقُمْ لَيْلَةَ الْقَدْرِ إِيمَانًا وَاحْتِسَابًا غُفِرَ لَهُ مَا تَقَدَّمَ مِنْ ذَنْبِهِ» [صحيح] - [متفق عليه]

(215) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে ঈমানৰ সৈতে ছোৱাবৰ আশাত লাইলাতুল কদৰত কিয়াম (অৰ্থাৎ চালাত আদায়) কৰিব, সেই ব্যক্তিৰ অতীতৰ গুনাহসমূহ মাফ কৰি দিয়া হয়। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজান মাহৰ শেষ দহ দিনত হ'বলগীয়া লাইলাতুল কদৰৰ গুৰুত্ব উল্লেখ কৰিছে যে, যিয়ে ইয়াৰ প্ৰতি ঈমান পোষণ কৰি আৰু ইয়াৰ ফজিলতক বিশ্বাস কৰি এই ৰাতিত নামাজ পঢ়িব, দুআ কৰিব আৰু কোৰআন তিলাৱত কৰিব, লগতে জিকৰ-আজকাৰ কৰিব আৰু আল্লাহৰ ওচৰত ইয়াৰ ছোৱাব কামনা কৰিব, যদি এইবোৰ তেওঁ নাম অৰ্জন কৰিবলৈ অথবা লোকক

দেখুৱাবলৈ নকৰে তেন্তে তেওঁৰ পূৰ্বৱৰ্তী সকলো গুনাহ ক্ষমা কৰি দিয়া হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত কদৰৰ ৰাতিৰ ফজিলত বৰ্ণিত হৈছে আৰু সেই ৰাতি কিয়াম কৰাৰ (অৰ্থাৎ চালাত আদায় কৰাৰ) প্ৰতি উৎসাহ দিয়া হৈছে।
2. সঠিক নিয়্যত অবিহনে নেক আমল গ্ৰহণযোগ্য নহয়।
3. এইটো আল্লাহৰ অনুগ্ৰহ আৰু দয়া যে, যি ব্যক্তিয়ে ঈমানৰ সৈতে ছোৱাবৰ আশাত লাইলাতুল কদৰত কিয়াম (অৰ্থাৎ চালাত আদায়) কৰিব, সেই ব্যক্তিৰ অতীতৰ গুনাহসমূহ মাফ কৰি দিয়া হয়।

(4202)

(216) – عن أبي هريرة رضي الله عنه قال: سمعت النبي صلى الله عليه وسلم يقول: «مَنْ حَجَّ لِلهِ فَلَمْ يَرْفُثْ وَلَمْ يَفْسُقْ رَجَعَ كَيَوْمِ وَلَدَتْهُ أُمُّهُ». [صحيح] - [متفق عليه]

(216) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে হজ্জ পালন কৰিলে আৰু (সেই হজ্জ কৰাৰ সময়ত) কোনো ধৰণৰ অশ্লীল কৰ্ম কৰা নাই আৰু পাপকৰ্মও কৰা নাই, এনেকুৱা ব্যক্তি ঠিক সেইদিনৰ দৰে (নিষ্পাপ হৈ) ঘৰলৈ উভতিব, যিদিনা তাৰ মাকে তাক প্ৰসৱ কৰিছিল। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, যি ব্যক্তিয়ে আল্লাহৰ বাবে হজ্জ পালন কৰিছে, আৰু সেই হজ্জত কোনো ধৰণৰ অশ্লীল কামত লিপ্ত হোৱা নাই, হাদীছটোত (الرفث) শব্দৰ দ্বাৰা

সহবাস কৰা বুজাইছে, যাৰ আৰম্ভণি হৈছে চুমা দিয়া, আলিংগন কৰা আদি, এই শব্দটোৰ দ্বাৰা অন্যান্য অশ্লীলতাকো বুজোৱা হয়; আৰু সেই হজ্জত তেওঁ কোনো পাপকৰ্মও কৰা নাই। পাপকৰ্মৰ দ্বাৰা ইহৰাম অৱস্থাত নকৰিবলগীয়া কামসমূহক বুজোৱা হৈছে। তেন্তে সেই ব্যক্তি নিষ্পাপ হৈ ঘৰলৈ উভতিব। যিদৰে সদ্যহতে ভূমিষ্ঠ হোৱা শিশু এটি নিষ্পাপ হৈ জন্ম গ্ৰহণ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পাপকৰ্ম যদিও সকলো অৱস্থাতেই নিষিদ্ধ; তথাপিও বিশেষভাৱে হজ্জৰ বিধি-বিধানসমূহ পালনৰ সন্মানাৰ্থে ইয়াৰ নিষিদ্ধতা আৰু অধিক গুৰুতৰ হৈ পৰে।
2. মানুহে সাধাৰণতে মাতৃ গৰ্ভৰ পৰা নিষ্পাপ তথা গুনাহ নথকা অৱস্থাত জন্মগ্ৰহণ কৰে। সি আনৰ (অৰ্থাৎ পিতা-মাতাৰ) গুনাহ বহন নকৰে।

(2758)

(217) – عَنْ عَبْدِ اللهِ بْنِ عُمَرَ رَضِيَ اللهُ عَنْهُمَا: أَنَّ تَلْبِيَةَ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «لَبَّيْكَ اللهُمَّ، لَبَّيْكَ، لَبَّيْكَ لَا شَرِيكَ لَكَ لَبَّيْكَ، إِنَّ الْحَمْدَ وَالنِّعْمَةَ لَكَ وَالْمُلْكَ لَا شَرِيكَ لَكَ» قَالَ: وَكَانَ عَبْدُ اللهِ بْنُ عُمَرَ رَضِيَ اللهُ عَنْهُمَا يَزِيدُ فِيهَا: لَبَّيْكَ لَبَّيْكَ، وَسَعْدَيْكَ، وَالْخَيْرُ بِيَدَيْكَ، لَبَّيْكَ وَالرَّغْبَاءُ إِلَيْكَ وَالْعَمَلُ. [صحيح] - [متفق عليه]

(217) – **আব্দুল্লাহ ইবনে ওমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এইদৰে তালবীয়াহ পাঠ কৰিছিল। "লাব্বাইক আল্লাহুম্মা লাব্বাইক, লাব্বাইকা লা শ্বাৰীকা লাকা লাব্বাইক, ইন্নাল হামদা অন নি'মাতা লাকা অলমুল্ক, লা শ্বাৰীকা লাক।" বৰ্ণনাকাৰীয়ে কৈছেঃ আব্দুল্লাহ বিন ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাই ইয়াতকৈ অতিৰিক্ত আৰু কৈছিলঃ লাব্বাইক লাব্বাইক, অছাদাইক, অলখাইৰু বিয়াদাইক, লাব্বাইক অৰ ৰাগবা ইলাইকা অল আমাল।** [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হজ্জ আৰু ওমৰাত প্ৰৱেশ কৰি এইদৰে তালবীয়া পাঠ কৰিছিল। (لبيك اللهم لبيك) অৰ্থাৎ মই উপস্থিত হৈছোঁ হে আল্লাহ! মই উপস্থিত হৈছোঁ। ইখলাচ, তাওহীদ আৰু হজ্জৰ যি আহ্বান তুমি কৰিছা, সেই আহ্বানত মই সঁহাৰি দিছোঁ। (لبيك لا شريك لك لبيك) অৰ্থাৎ মই উপস্থিত হৈছোঁ, তুমিয়ে একমাত্ৰ ইবাদতৰ যোগ্য, তোমাৰ ৰুবুবিয়্যত (প্ৰভুত্বত), উলুহিয়্যত (ইবাদতত) আৰু আছমা (নাম) অছিফাতত (গুণাৱলীত) কোনো অংশীদাৰ নাই। (إن الحمد) প্ৰশংসা কেৱল তোমাৰেই। (والنعمة) নিয়ামত অনুগ্ৰহ আদি একমাত্ৰ তুমিয়ে প্ৰদান কৰা। (لك) তুমি যিদৰে বিচৰা সেইদৰে ব্যয় কৰা। (والملك) এইদৰে সাৰ্বভৌমত্বও একমাত্ৰ তোমাৰেই। (لا شريك لك) এই সকলোবোৰ একমাত্ৰ তোমাৰেই, তোমাৰ কোনো অংশীদাৰ নাই। ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাই অতিৰিক্ত আৰু কৈছিলঃ (لبيك لبيك وسعديك) অৰ্থাৎ হে আল্লাহ! তুমি মোক সুখ শান্তিৰ পিছত সুখ শান্তি দান কৰা। (والخير بيديك) সকলো

প্ৰকাৰ কল্যাণ তোমাৰেই হাতত। (لبيك والرغباء إليك) আশা ভৰসা একমাত্ৰ তোমাৰ ওপৰতেই। (والعمل) ইবাদতৰ হকদাৰ একমাত্ৰ তুমিয়েই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হজ্জ আৰু ওমৰাত তালবীয়াহ পাঠ কৰিবলৈ অত্যাধিক গুৰুত্ব দিয়া হৈছে। কাৰণ এইটো হৈছে হজ্জ আৰু ওমৰাৰ এটা বিশেষ প্ৰতীক। যিদৰে তাকবীৰ হৈছে নামাজৰ প্ৰতীক।
2. ইবনুল মুনীৰে কৈছেঃ তালবীয়া পাঠত এই কথাৰ ইংগিত পোৱা যায় যে, ইয়াৰ দ্বাৰা আল্লাহে বান্দাসকলক সন্মানিত কৰিছে, কাৰণ হজ্জ ওমৰাহ পালনকাৰী হৈছে তেওঁৰ ঘৰৰ অতিথি। তেওঁৰ নিমন্ত্ৰণতে ইয়ালৈ অহাটো তেওঁলোকৰ বাবে সম্ভৱ হৈছে।
3. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যিটো তালবিয়া পাঠ কৰিছিল সেইটো পাঠ কৰা বেছি উত্তম, ইয়াৰ উপৰিও কিবা পাঠ কৰাত কোনো আপত্তি নাই, কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই ক্ষেত্ৰতো সন্মতি প্ৰদান কৰিছে। ইবনে হাজাৰে কৈছে: এইটো আটাইতকৈ ন্যায়সংগত মত যে, মাৰফু হিচাপে বৰ্ণিত তালবিয়া পৃথককৈ পঢ়াটোৱে উত্তম। আনহাতে যদি কিবা মাওকুফ (চাহাবাৰ আমল বা কথা) অথবা নিজৰ ফালৰ পৰা আন কোনো দুআ পঢ়িব খোজে, যিটো এই সময়ৰ বাবে উপযুক্ত, সেয়া পৃথকভাৱে পঢ়িব লাগে, যাতে মাৰফু বৰ্ণনাৰ সৈতে মিশ্ৰণ নহয়। এইটো হৈছে তাশ্বাহহুদত পাঠ কৰা দুআৰ দৰে। কাৰণ এই ক্ষেত্ৰত তেখেতে কৈছে: তাশ্বাহহুদৰ দুআসমূহ পাঠ কৰাৰ পিছত তুমি নিজৰ ফালৰ পৰা যি ইচ্ছা সেয়া প্ৰাৰ্থনা কৰিব পাৰা, আৰু তেওঁৰ ওচৰত বিচাৰিব পাৰা।
4. তালবিয়া উচ্চস্বৰে পাঠ কৰা মুস্তাহাব। এইটো কেৱল পুৰুষসকলৰ বাবে। আনহাতে নাৰীসকলে নিম্নস্বৰে পাঠ কৰিব, যাতে ফিতনাৰ আশংকা নাথাকে।

(218) – عن ابن عباس رضي الله عنهما قال: قال رسول الله صلى الله عليه وسلم: «**ما مِنْ أيَّامٍ العمَلُ الصَّالِحُ فيها أحبُّ إلى اللهِ مِن هذه الأيام**» يعني أيامَ العشر، قالوا: يا رسُولَ الله، ولا الجهادُ في سبيلِ الله؟ قال: «**ولا الجهادُ في سبيلِ الله، إلا رجلٌ خَرَجَ بنفسِه ومالِه فلم يَرْجِعْ من ذلك بشيءٍ**». [صحيح] - [رواه البخاري وأبو داود، واللفظ له]

(218) – ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আল্লাহৰ ওচৰত অন্যান্য দিনৰ তুলনাত এই দহ দিনৰ নেক আমল অধিক প্ৰিয়।" অৰ্থাৎ জুলহিজ্জা মাহৰ প্ৰথম দহ দিনৰ নেক আমল। চাহাবাসকলে সুধিলেঃ হে আল্লাহৰ ৰাছুল! আল্লাহৰ পথত যুদ্ধ কৰাও ইয়াতকৈ উত্তম নহয় নেকি? তেখেতে ক'লেঃ "আল্লাহৰ পথত যুদ্ধ কৰাও ইয়াতকৈ উত্তম নহয়। কিন্তু যদি কোনোবাই সশৰীৰে নিজৰ ধন-সম্পদ লৈ যুদ্ধ ক্ষেত্ৰলৈ ওলায় যায় আৰু একোৱেই যদি উভতি নাহে তেন্তে তাৰ বিষয়টো সুকীয়া।" [ছহীহ] - [(বুখাৰী, আবু দাঊদ, শব্দবোৰ আবু দাঊদৰ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, বছৰৰ অন্যান্য দিনৰ তুলনাত জুলহিজ্জা মাহৰ প্ৰথম দহ দিনৰ নেক আমল আটাইতকৈ উত্তম।

এই কথা শুনি চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলে যে, বছৰৰ অন্যান্য দিনত কৰা জিহাদ বেছি উত্তম নে এই দহ দিনত কৰা নেক আমল বেছি উত্তম? তেওঁলোকে প্ৰশ্নটো এই কাৰণে কৰিছিল যে, তেওঁলোকে জিহাদক আটাইতকৈ উত্তম আমল বুলি গণ্য কৰিছিল।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উত্তৰত ক'লে যে, অন্যান্য দিনত জিহাদ কৰাতকৈও এই দহ দিনৰ আমল অধিক উত্তম। কিন্তু যদি

কোনোবাই সশৰীৰে নিজৰ ধন-সম্পদলৈ যুদ্ধ ক্ষেত্ৰলৈ ওলাই যায় আৰু যুদ্ধত সকলো সম্পদ ব্যয় কৰি নিজে শ্বহীদ হৈ যায় তেন্তে তাৰ বিষয়টো সুকীয়া। এতেকে কেৱল এই আমলটোৱে হৈছে এই দহ দিনত কৰা আমলতকৈ উত্তম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত জুলহিজ্জা মাহৰ প্ৰথম দহ দিনত কৰা আমলৰ গুৰুত্ব বৰ্ণিত হৈছে। গতিকে প্ৰতিজন মুছলিমৰ কৰ্তব্য হৈছে এই দিন কেইটাৰ সদ্ব্যৱহাৰ কৰা আৰু ইয়াত বেছি বেছি নেক কৰ্ম কৰা। যেনে- আল্লাহৰ জিকৰ-আজকাৰ কৰা, কোৰআন তিলাৱত কৰা, তাকবীৰ কোৱা (অৰ্থাৎ আল্লাহু আকবাৰ কোৱা) তাহলীল পাঠ কৰা (অৰ্থাৎ ছুবহানাল্লাহ পাঠ কৰা) আৰু তাহমীদ পাঠ কৰা (অৰ্থাৎ আল্লাহৰ প্ৰশংসা কৰা), চালাত আদায় কৰা, চাদাক্বাহ কৰা, ৰোজা ৰখা, আনকি সকলো প্ৰকাৰ নেক কৰ্ম কৰা।

(6255)

(219) – عن أنس رضي الله عنه أن النبي صلى الله عليه وسلم قال: «جَاهِدُوا المشركين بأموالكم وأنفسكم وألسنتكم». [صحيح] - [رواه أبو داود والنسائي وأحمد]

(219) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "নিজৰ ধন-সম্পদ, প্ৰাণ আৰু জিভাৰ দ্বাৰা মুশ্বৰিকসকলৰ সৈতে সংগ্ৰাম কৰা।" [ছহীহ] - []

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কাফিৰ মুশ্বৰিকৰ সৈতে সক্ষম অনুযায়ী সৰ্বতো প্ৰকাৰে সংগ্ৰাম কৰিবলৈ নিৰ্দেশ দিছে। যাতে আল্লাহৰ কলিমা সৰ্বোচ্চ থাকে। ইয়াৰ বাবে কৰিবলগীয়া কেইটামান কাম যেনে-

প্ৰথমঃ যুদ্ধত নিজৰ সম্পদ ব্যয় কৰা। যেনে- মুজাহিদৰ ভৰণ-পোষণ আৰু অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰাত ব্যয় কৰা।

দ্বিতীয়ঃ নিজে যুদ্ধত অংশ গ্ৰহণ কৰা, সিহঁতৰ মুখামুখী মুকাবিলা কৰা আৰু প্ৰতিৰক্ষা কৰা।

তৃতীয়ঃ সিহঁতক মৌখিকভাৱে দ্বীনৰ প্ৰতি আহ্বান কৰা, সিহঁতৰ ওপৰত প্ৰমাণ সাব্যস্ত কৰা, সিহঁতৰ ভুল ধাৰণাৰ খণ্ডন কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ধন-সম্পদ, প্ৰাণ আৰু জিভাৰ দ্বাৰা সিহঁতৰ সৈতে জিহাদ কৰিবলৈ উৎসাহিত কৰা হৈছে। প্ৰত্যেকেই নিজৰ সক্ষম অনুযায়ী দায়িত্ব পালন কৰিব লাগে। কেৱল যুদ্ধ ক্ষেত্ৰত শত্ৰুৰ মুকাবিলা কৰাকে জিহাদ বুলি কোৱা নহয়।
2. জিহাদৰ এই নিৰ্দেশ হৈছে ওৱাজিব। কেতিয়াবা প্ৰত্যেকৰে ওপৰত ফৰজ হৈ পৰে, আকৌ কেতিয়াবা কিছুমানে কৰিলেই যথেষ্ট হয়।
3. মহান আল্লাহে কেইবাটাও ক্ষেত্ৰত জিহাদৰ নিৰ্দেশ দিছে। ১- শ্বিৰ্ক আৰু মুশ্বৰিকৰ বিৰোধ কৰিবলৈ সংগ্ৰাম কৰা, কিয়নো আল্লাহে কেতিয়াও শ্বিৰ্ক গ্ৰহণ নকৰে। ২- আল্লাহৰ প্ৰতি আহ্বানৰ ক্ষেত্ৰত সন্মুখীন হোৱা বাধাক আঁতৰ কৰিবলৈ সংগ্ৰাম কৰা। ৩- আক্বীদাক সুৰক্ষিত কৰা, আৰু ইয়াৰ পৰিপন্থী বিষয়বোৰক আঁতৰ কৰিবলৈ সংগ্ৰাম কৰা। ৪- মুছলিমসকলক ৰক্ষা কৰিবলৈ, তেওঁলোকৰ দেশ, সা-সম্পত্তি আদি সুৰক্ষিত কৰিবলৈ প্ৰতিৰক্ষা কৰা আৰু সংগ্ৰাম কৰা।

(64597)

(220) – عَنْ أَبِي الحَوْرَاءِ السَّعْدِيِّ قَالَ: قُلْتُ لِلْحَسَنِ بْنِ عَلِيٍّ رضي الله عنهما: مَا حَفِظْتَ مِنْ رَسُولِ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ؟ قَالَ: حَفِظْتُ مِنْ رَسُولِ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «دَعْ مَا يَرِيبُكَ إِلَى مَا لاَ يَرِيبُكَ، فَإِنَّ الصِّدْقَ طُمَأْنِينَةٌ، وَإِنَّ الكَذِبَ رِيبَةٌ». [صحيح] - [رواه الترمذي والنسائي وأحمد]

(220) – আবুল হাওৰা আচ-ছা'দীয়ে কৈছেঃ মই হাছান বিন আলী ৰাদ্বিয়াল্লাহু আনহুমাক সুধিলোঁঃ আপুনি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা একো মুখস্থ কৰা নাইনে? তেওঁ ক'লেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এইটো হাদীছ মুখস্থ কৰিছোঁ। "সন্দেহযুক্ত বিষয় পৰিত্যাগ কৰি যিটোত সন্দেহ নাই সেইটো গ্ৰহণ কৰা। কাৰণ সত্যই হৈছে শান্তি তথা স্বস্তি, আনহাতে মিছা হৈছে সন্দেহ তথা সংশয়।" [ছহীহ] - []

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক এনেকুৱা কথা আৰু কৰ্ম পৰিত্যাগ কৰিবলৈ নিৰ্দেশ দিছে যিটোৰ ক্ষেত্ৰত সন্দেহ তথা সংশয় আছে যে, এইটো নিষিদ্ধ হয় নে নহয়, তথা এইটো হাৰাম নে হালাল। পক্ষান্তৰে সেইটো গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে যিটো নিশ্চিতভাৱে হালাল তথা পছন্দনীয়। কাৰণ ইয়াৰ দ্বাৰা অন্তৰে প্ৰশান্তি লাভ কৰে, পক্ষান্তৰে সন্দেহযুক্ত বিষয়ত অন্তৰ অস্বস্তিত থাকে তথা দ্বিধাগ্ৰস্ত হৈ থাকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুছলিমসকলে সন্দেহযুক্ত বস্তু পৰিত্যাগ কৰি, নিশ্চিত য়াকীন থকা বস্তুবোৰক মজবুতভাৱে ধাৰণ কৰা জৰুৰী। লগতে এইটো হ'ব লাগে দ্বীনি জ্ঞানৰ জৰিয়তে।
2. সন্দেহযুক্ত বিষয়ত পতিত হোৱাৰ পৰা নিষেধ কৰা হৈছে।

3. যদি আপুনি সুখ শান্তি বিচাৰে তেন্তে সন্দেহযুক্ত বিষয়বোৰ পৰিত্যাগ কৰক আৰু সেইবোৰৰ পৰা আঁতৰি থাকক।
4. বান্দাসকলৰ ওপৰত মহান আল্লাহৰ এইটো এটা মহা অনুগ্ৰহ যে, তেওঁ সিহঁতক সেইবোৰ কৰ্মৰ নিৰ্দেশ দিছে যাৰ ভিতৰত তেওঁলোকৰ আন্তৰিক শান্তি আছে আৰু মানসিক সুখ আছে, লগতে তেওঁ সেইবোৰৰ পৰা নিষেধ কৰিছে, যিবোৰত সিহঁতৰ বাবে আছে মানসিক অশান্তি আৰু অস্থিৰতা।

(4564)

(221) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِنَّ اللَّهَ تَجَاوَزَ عَنْ أُمَّتِي مَا حَدَّثَتْ بِهِ أَنْفُسَهَا، مَا لَمْ تَعْمَلْ أَوْ تَتَكَلَّمْ». [صحيح] - [متفق عليه]

(221) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মহান আল্লাহে মোৰ উম্মতৰ সেইসমূহ বিষয় ক্ষমা কৰি দিছে, যিবোৰ তেওঁলোকৰ অন্তৰত উদয় হয়, যেতিয়ালৈকে সেইটো কাৰ্যত পৰিণত নহয় অথবা মুখেৰে প্ৰকাশ নকৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মুছলিম ব্যক্তিৰ অন্তৰত এনেকুৱা কোনো কথা উদয় হ'লে যিটো কৰিলে পাপ হয়, সেইটো নকৰালৈকে তথা মুখেৰে উচ্চাৰণ নকৰালৈকে সেইটোক পাপ হিচাপে গণ্য কৰা নহয়। তেনেকুৱা বিষয়ক আল্লাহে ক্ষমা কৰি দিছে। উম্মতে মুহাম্মদীৰ অন্তৰত উদয় হোৱা তথা মনত কল্পনা কৰা বিষয়ক ক্ষমা কৰিছে, যেতিয়ালৈকে সেই বিষয়ে দৃঢ় সংকল্প নলয়, যদি আন্তৰিকভাৱে দৃঢ় সংকল্প লয় বা অন্তৰত দৃঢ় হৈ যায়, যেনে- অহংকাৰ কৰা, গৌৰৱ কৰা, নিফাক পোষণ কৰা, অথবা যেতিয়ালৈকে অন্তৰত

উদয় হোৱা বিষয়টো আমলত পৰিণত নকৰে বা মুখেৰে উচ্চাৰণ নকৰে, যদি তেনেকুৱা কৰে তেন্তে সেই বিষয়ে জবাবদিহি কৰা হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মহান আল্লাহে অন্তৰৰ চিন্তা-চৰ্চা আৰু মনত উদয় হোৱা কল্পনামূলক গুনাহক ক্ষমা কৰি দিছে, যিবোৰ বিষয় মানুহে অন্তৰত নিজে নিজেই কল্পনা কৰে।
2. এতেকে যদি কোনোবাই অন্তৰত তালাক দিয়াৰ কল্পনা কৰে, কিন্তু মুখেৰে প্ৰকাশ কৰা নাই তেন্তে যেতিয়ালৈকে মুখেৰে উচ্চাৰণ নকৰিব বা লিখা নহ'ব তেতিয়ালৈকে সেইটোক তালাক বুলি গণ্য কৰা নহ'ব।
3. অন্তৰত উদয় হোৱা বিষয় সম্পৰ্কে মানুহক জবাবদিহি কৰা নহ'ব, যদিও বিষয়টো যিমানেই ডাঙৰ নহওক কিয়। যেতিয়ালৈকে বিষয়টো অন্তৰত দৃঢ়ভাৱে অৱস্থান নকৰিব অথবা আমলত পৰিণত নহ'ব আৰু মুখেৰে উচ্চাৰণ নকৰিব।
4. অন্যান্য উম্মতৰ তুলনাত উম্মতে মুহাম্মদীক এইটো বিশেষ মৰ্যাদা প্ৰদান কৰা হৈছে যে, তেওঁলোকৰ অন্তৰত উদয় হোৱা বিষয় সম্পৰ্কে তেওঁলোকক জবাবদিহি কৰা নহ'ব।

(58144)

(222) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِنَّ اللهَ لَا يَنْظُرُ إِلَى صُوَرِكُمْ وَأَمْوَالِكُمْ، وَلَكِنْ يَنْظُرُ إِلَى قُلُوبِكُمْ وَأَعْمَالِكُمْ». [صحيح] - [رواه مسلم]

(222) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় আল্লাহে তোমালোকৰ আকাৰ-আকৃতিৰ প্ৰতি নাচায়, বৰং তোমালোকৰ অন্তৰ আৰু আমলৰ প্ৰতিহে চায়। [ছহীহ] - [মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, মহান আল্লাহে বান্দাসকলৰ শৰীৰ আৰু আকাৰ-আকৃতিৰ প্ৰতি গুৰুত্ব নিদিয়ে, সুন্দৰ নে কুৎসিত? সৰু নে ডাঙৰ? সুস্থ নে বেমাৰী? সিহঁতৰ ধন-সম্পদৰ প্ৰতিও গুৰুত্ব নিদিয়ে যে, সম্পদৰ পৰিমাণ কম আছিল নে বেছি আছিল? মহান আল্লাহে তেওঁৰ বান্দাসকলক এইবোৰ দুনিয়াবী বিষয়ত কম বেছি সম্পৰ্কে জবাবদিহি নকৰিব। বৰং সিহঁতৰ অন্তৰত থকা তাক্বৱা, য়াক্বীন, বিশ্বস্ততা আৰু ইখলাচ অনুযায়ীহে ফয়চালা কৰিব। অথবা সিহঁতৰ উদ্দেশ্যক প্ৰাধান্য দিব, কি উদ্দেশ্যত কৰ্মটো কৰিছিল, মানুহক দেখুৱাবলৈ নে গৌৰৱ অৰ্জন কৰিবলৈ। এইদৰে সিহঁতৰ আমলৰ প্ৰতিও তেওঁ গুৰুত্ব দিব, সঠিকভাৱে আমল কৰিছিল নে ভুল পদ্ধতিত কৰিছিল। সেইমতে তেওঁ সিহঁতক ছোৱাব প্ৰদান কৰিব তথা প্ৰতিদান দিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গতিকে আমি অন্তৰক সংশোধনৰ প্ৰতি গুৰুত্ব দিয়া উচিত, আৰু প্ৰতিটো বেয়া অভ্যাসৰ পৰা ইয়াক পৰিস্কাৰ কৰা উচিত।
2. ইখলাচৰ জৰিয়তে অন্তৰক সংশোধন কৰিব লাগে আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অনুসৰণৰ জৰিয়তে আমল

সংশোধন কৰিব লাগে। এই দুটাকেই মহান আল্লাহে গুৰুত্ব দিয়ে তথা বিবেচনাযোগ্য বুলি গ্ৰহণ কৰে।

3. নিজৰ ধন-সম্পদ, সৌন্দৰ্য, শাৰীৰিক গঠন আৰু পাৰ্থিৱ জীৱনৰ কোনো বস্তুৱেই যেন মানুহক প্ৰৱঞ্চিত কৰিব নোৱাৰে।
4. আভ্যন্তৰীণ দিশক সংশোধন নকৰাকৈ বাহ্যিক দিশৰ ওপৰত নিৰ্ভৰ কৰাৰ পৰা সতৰ্ক কৰা হৈছে।

(4555)

(223) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قال: قال رَسُولُ الله صلى الله عليه وسلم: «إِنَّ اللهَ يَغَارُ، وَإِنَّ الْمُؤْمِنَ يَغَارُ، وَغَيْرَةُ اللهِ أَنْ يَأْتِيَ الْمُؤْمِنُ مَا حَرَّمَ عَلَيْهِ». [صحيح] - [متفق عليه]

(223) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “নিশ্চয় মহান আল্লাহে আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে, আৰু মুমিনেও আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে। আল্লাহৰ আত্মমৰ্যাদাত তেতিয়া আঘাত হয়, যেতিয়া কোনো মুমিন ব্যক্তিয়ে হাৰাম কামত লিপ্ত হয়।” [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহেও আত্মসন্মানবোধ প্ৰকাশ কৰে, খং কৰে আৰু অপছন্দ কৰে। যিদৰে মুমিনসকলে আত্মসন্মানবোধ প্ৰকাশ কৰে, খং কৰে আৰু অপছন্দ কৰে। আল্লাহৰ আত্মসন্মানত আঘাত লাগে তেতিয়া যেতিয়া কোনো মুমিন ব্যক্তিয়ে আল্লাহে হাৰাম কৰা কামত লিপ্ত হয়। যেনে- ব্যভিচাৰ, সমকামিতা, চুৰি, মাদকদ্ৰব্য সেৱন আদি অশ্লীলতাত যেতিয়া লিপ্ত হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা আল্লাহৰ ক্ৰোধ আৰু তেওঁৰ শাস্তিৰ পৰা সাৱধান কৰা হৈছে। আল্লাহে নিৰ্ধাৰণ কৰা সীমা উলংঘা কৰিলে তেওঁৰ ক্ৰোধ আৰু শাস্তিৰ সন্মুখীন হ'বলগীয়া হয়।

(3354)

(224) – عن أبي هريرة رضي الله عنه عن النبي صلى الله عليه وسلم قال: «اجْتَنِبُوا السَّبْعَ الْمُوبِقَاتِ»، قَالُوا: يَا رَسُولَ اللهِ وَمَا هُنَّ؟ قَالَ: «الشِّرْكُ بِاللهِ، وَالسِّحْرُ، وَقَتْلُ النَّفْسِ الَّتِي حَرَّمَ اللهُ إِلَّا بِالْحَقِّ، وَأَكْلُ الرِّبَا، وَأَكْلُ مَالِ الْيَتِيمِ، وَالتَّوَلِّي يَوْمَ الزَّحْفِ، وَقَذْفُ الْمُحْصَنَاتِ الْمُؤْمِنَاتِ الْغَافِلَاتِ». [صحيح] - [متفق عليه]

(224) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে সাতটা ধ্বংসকাৰী বিষয়ৰ পৰা আঁতৰত থাকিবা"। তেওঁলোকে ক'লেঃ "হে আল্লাহৰ ৰাছুল! সেইবোৰ কি কি"? তেখেতে ক'লেঃ "আল্লাহৰ লগত শ্বিৰ্ক কৰা, যাদু কৰা, নিৰ্দোষী লোকক হত্যা কৰা যিটোক আল্লাহে হাৰাম কৰিছে, সুত খোৱা, অনাথৰ সম্পদ আত্মসাৎ কৰা, যুদ্ধ ক্ষেত্ৰৰ পৰা পলায়ন কৰা, সতী-সাধ্বী বিশ্বাসী সহজ-সৰল নাৰীৰ প্ৰতি অপবাদ দিয়া"। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ উম্মতক সাতটা ধ্বংসকাৰী পাপ কৰ্মৰ পৰা দূৰত থাকিবলৈ নিৰ্দেশ দিছে। যেতিয়া তেখেতক সোধা হ'ল যে, সেইবোৰ কি কি? তেতিয়া তেখেতে ক'লে যে সেইবোৰ হৈছে যেনেঃ

প্ৰথমঃ আল্লাহৰ সৈতে শ্বিৰ্ক কৰা, যি উপায়ে নহওক কিয়, কাৰোবাক আল্লাহৰ সমকক্ষ নিৰ্ধাৰণ কৰা তথা কাৰোবাক তেওঁৰ সমান

বুলি গণ্য কৰা, অথবা যিকোনো প্ৰকাৰৰ ইবাদত আল্লাহৰ বাহিৰে আন কাৰোবাৰ বাবে কৰা। তেখেতে প্ৰথমেই শ্বিৰ্কৰ কথাটো এইকাৰণে উল্লেখ কৰিছে যে, শ্বিৰ্ক হৈছে আটাইতকৈ ডাঙৰ গুনাহ।

দ্বিতীয়ঃ যাদু কৰা। যাদু হৈছে গাঁঠি, জৰাফুঁকা, বিভিন্ন জীৱ-জন্তুৰ হাড় আৰু ধুঁৱা আদিৰ সমষ্টিৰে কৰা এক প্ৰকাৰ মন্ত্ৰ। যিয়ে যাদুকৃত ব্যক্তিৰ শৰীৰত প্ৰভাৱ পেলায়, ফলত সি মৃত্যুবৰণ কৰে অথবা অসুস্থ হৈ পৰে, নাইবা ইয়াৰ দ্বাৰা স্বামী স্ত্ৰীৰ মাজত বিচ্ছেদ ঘটাবলৈ ব্যৱহাৰ কৰা হয়। এইটো হৈছে চয়তানৰ কৰ্ম। অধিকাংশ ক্ষেত্ৰতে যাদুকাৰীয়ে শ্বিৰ্কৰ আশ্ৰয় লয় আৰু দুষ্ট আত্মাৰ সহায় বিচাৰি সেইবোৰে পছন্দ কৰা বস্তুৰ জৰিয়তে সিহঁতক ভোগ দিয়ে।

তৃতীয়ঃ কোনো ব্যক্তি বা কোনো প্ৰাণীক হত্যা কৰা, যাক হত্যা কৰিবলৈ আল্লাহে হাৰাম কৰিছে। কিন্তু বিচাৰপতিয়ে চৰীয়তৰ বিধান অনুযায়ী দিয়া ফয়চালা অনুসাৰে মৃত্যুদণ্ড প্ৰদান কৰাটো সুকীয়া বিষয়।

চতুৰ্থঃ সুত গ্ৰহণ কৰা, ভক্ষণ কৰাৰ মাধ্যমত হওক অথবা আন কোনো উপায়েৰে স্বাৰ্থ অৰ্জন কৰাৰ মাধ্যমতেই হওক।

পঞ্চমঃ পিতা-মাতা মৃত্যুবৰণ কৰা অনাথ শিশু তথা অপ্ৰাপ্তবয়স্ক শিশুৰ ধন-সম্পদ আত্মসাৎ কৰা।

ষষ্ঠঃ কাফিৰসকলৰ সৈতে চলি থকা যুদ্ধৰ সময়ত যুদ্ধ ক্ষেত্ৰৰ পৰা পলায়ন কৰা।

সপ্তমঃ সহজ-সৰল সতী-সাধ্বী পৱিত্ৰ নাৰীৰ প্ৰতি ব্যভিচাৰৰ অপবাদ জাপি দিয়া। অনুৰূপ পুৰুষৰ ক্ষেত্ৰতো।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কাবীৰাহ গুনাহৰ সংখ্যা কেৱল এই সাতটাতেই সীমাবদ্ধ নহয়, এই সাতটাক নিৰ্দিষ্ট কৰাৰ উদ্দেশ্য হৈছে এইবোৰ অধিক বিধ্বংসী, তথা অধিক বিপজ্জনক গুনাহ।

2. উপযুক্ত কাৰণতহে কোনো ব্যক্তিক হত্যা কৰা বৈধ, যেনে- কিচাচ (হত্যাৰ পৰিবৰ্তে হত্যা) মুৰতাদ হ'লে, অথবা কোনো বিবাহিত

ব্যক্তিয়ে ব্যভিচাৰ কৰিলে। এইবোৰ কেৱল চৰীয়তৰ বিচাৰপতিয়েহে কাৰ্যকৰী কৰিব পাৰে।

(3331)

(225) – عن أبي بكرة رضي الله عنه قال: قال النبي صلى الله عليه وسلم: «أَلَا أُنَبِّئُكُمْ بِأَكْبَرِ الْكَبَائِرِ؟» ثَلَاثًا، قَالُوا: بَلَى يَا رَسُولَ اللهِ، قَالَ: «الْإِشْرَاكُ بِاللهِ، وَعُقُوقُ الْوَالِدَيْنِ» وَجَلَسَ وَكَانَ مُتَّكِئًا، فَقَالَ: «أَلَا وَقَوْلُ الزُّورِ»، قَالَ: فَمَا زَالَ يُكَرِّرُهَا حَتَّى قُلْنَا: لَيْتَهُ سَكَتَ. [صحيح] - [متفق عليه]

(225) – আবু বাকৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “মই তোমালোকক আটাইতকৈ ডাঙৰ (কবীৰাহ) গুনাহ সম্পৰ্কে সংবাদ নিদিমনে?” এই কথা তেখেতে তিনিবাৰ ক'লে। চাহাবাসকলে ক'লেঃ নিশ্চয় দিয়ক, হে আল্লাহৰ ৰাছুল। তেখেতে ক'লেঃ সেয়া হৈছে, “আল্লাহৰ সৈতে শ্বিৰ্ক কৰা আৰু পিতৃ-মাতৃৰ অবাধ্য হোৱা", তেখেত আউজি বহি আছিল, ইয়াৰ পিছত পোন হৈ বহি ক'লে, "সাৱধান! মিছা কথা কোৱা আৰু মিছা সাক্ষ্য দিয়াও কবীৰাহ গুনাহ।” তেখেতে এই কথাষাৰ বাৰে বাৰে কৈ আছিল। অৱশেষত আমি মনে মনে ক'বলৈ বাধ্য হ'লোঁ যে, তেখেত যদি চুপ হ'লহেঁতেন। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক মহা কাবীৰাহ গুনাহ সম্পৰ্কে কৈ এই তিনিটা কথা উল্লেখ কৰিছেঃ

১. আল্লাহৰ সৈতে শ্বিৰ্ক কৰাঃ অৰ্থাৎ ইবাদতৰ যিমান প্ৰকাৰ আছে সেইবোৰৰ যিকোনো এটা প্ৰকাৰক আল্লাহৰ বাহিৰে আনৰ বাবে কৰা, অথবা আল্লাহৰ বাহিৰে কোনো সত্তাক আল্লাহৰ উলুহিয়্যত, ৰুবুবিয়্যত, আছমা অচিফাত আদিৰ ক্ষেত্ৰত সমতুল্য বুলি জ্ঞান কৰা।

২. পিতৃ-মাতৃৰ অবাধ্য হোৱাঃ অৰ্থাৎ পিতৃ-মাতৃক কোনো ধৰণৰ কষ্ট দিয়া, কথাৰ দ্বাৰাই হওক বা কৰ্মৰ দ্বাৰা। এইদৰে তেওঁলোকৰ সৈতে সদ্ব্যৱহাৰ নকৰা আদি ইয়াৰ অন্তৰ্ভুক্ত।

৩. মিছা কথা কোৱা আৰু মিছা সাক্ষ্য দিয়াঃ অৰ্থাৎ যিকোনো প্ৰকাৰৰ মিছা কথা আৰু মিছা কৰ্ম যাৰ দ্বাৰা কাৰোবাৰ সন্মান হানি কৰা হয় বা কাৰোবাৰ সম্পদ গ্ৰাস কৰা হয়।

মিছা কথা অতিকৈ জঘন্য আৰু সমাজত ইয়াৰ খুবেই বেয়া প্ৰভাৱ পৰে, সেইকাৰণেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ পৰা বাৰে বাৰে সতৰ্ক কৰিছে। অৱশেষত চাহাবাসকলে মনে মনে তেখেতৰ মৌনতা কামনা কৰিছিল, কাৰণ তেখেতৰ প্ৰতি তেওঁলোকৰ পূতৌ জন্মিছিল, এইকাৰণে যে, এনেকুৱা ঘৃণনীয় বিষয় এটাই তেখেতক আমনি কৰি আছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আটাইতকৈ মহাপাপ হৈছে, আল্লাহৰ সৈতে শ্বিৰ্ক কৰা বা অংশীদাৰ স্থাপন কৰা। কিয়নো, তেওঁ শ্বিৰ্ক গুনাহক সকলো কবীৰা গুনাহৰ ওপৰত স্থান দিছে আৰু ইয়াক আটাইতকৈ ডাঙৰ গুনাহ হিচাপে গণ্য কৰিছে। ইয়াৰ সপক্ষে দলিল হৈছে আল্লাহ তা'আলাৰ এই বাণী, {إن الله لا يَغْفِرُ أن يشرَكَ به وَيَغْفِرُ مَا دونَ ذلِكَ لِمَنْ يشَاء}. "নিশ্চয় আল্লাহে তেওঁৰ সৈতে কৰা শ্বিৰ্ক গুনাহক ক্ষমা নকৰে। ইয়াৰ বাহিৰে অন্যান্য গুনাহৰ ক্ষেত্ৰত তেওঁ যাক ইচ্ছা কৰিব ক্ষমা কৰিব।"

2. পিতা-মাতাৰ অধিকাৰৰ গুৰুত্ব। কিয়নো, আল্লাহে তেওঁৰ অধিকাৰৰ সৈতে পিতা-মাতাৰ অধিকাৰক সংযুক্ত কৰিছে।

3. গুনাহক দুই ভাগত বিভক্ত কৰিছে, চাগীৰাহ (সৰু) আৰু কাবীৰাহ (ডাঙৰ) গুনাহ। সেইবোৰ গুনাহক কাবীৰাহ গুনাহ বোলে, যিবোৰ গুনাহৰ বাবে পৃথিৱীতে শাস্তি নিৰ্ধাৰিত আছে, যেনে- সীমালংঘন

আৰু অভিশাপ (كالحدود واللعن), অথবা আখিৰাতত শাস্তি হ'ব বুলি সকীয়াই দিয়া হৈছে, যেনে- জাহান্নামত প্ৰৱেশ কৰিব বুলি কোৱা হৈছে। কাবীৰাহ গুনাহৰো স্তৰ আছে, কিছুমান গুনাহ আন কিছুমানতকৈ অধিক কঠোৰ। কাবীৰাহ গুনাহৰ বাহিৰে সকলো গুনাহেই হৈছে চাগীৰাহ গুনাহ।

(2941)

(226) – عن عبد الله بن عمرو بن العاص رضي الله عنهما عن النبي صلى الله عليه وسلم قال: «الْكَبَائِرُ: الْإِشْرَاكُ بِاللَّهِ، وَعُقُوقُ الْوَالِدَيْنِ، وَقَتْلُ النَّفْسِ، وَالْيَمِينُ الْغَمُوسُ». [صحيح] - [رواه البخاري]

(226) – আব্দুল্লাহ বিন আমৰ ইবনুল আচ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ কাবীৰাহ গোনাহ হৈছে: আল্লাহৰ সৈতে শ্বিৰ্ক কৰা, পিতা-মাতাৰ সৈতে অবাধ্যাচৰণ কৰা, কাৰোবাক হত্যা কৰা আৰু মিছা শপত খোৱা। [ছহীহ] - [(বুখাৰী)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেইটিমান গুনাহৰ কথা উল্লেখ কৰিছে, যিবোৰক কবীৰাহ গুনাহ বুলি কোৱা হয়। কাৰণ এনেকুৱা গুনাহকাৰীৰ বিষয়ে দুনিয়া আৰু আখিৰাতত কঠোৰ শাস্তিৰ সতৰ্কবাণী দিয়া হৈছে।

তাৰে প্ৰথমটো হৈছে "আল্লাহৰ সৈতে শ্বিৰ্ক কৰা"। অৰ্থাৎ যিকোনো প্ৰকাৰৰ ইবাদত আল্লাহৰ বাহিৰে আন কাৰো বাবে কৰা, আৰু আল্লাহৰ বিশেষত্বৰ সৈতে আন কাৰোবাক সমতুল্য কৰা, উলুহিয়্যাততে হওক বা ৰুবুবিয়্যতত নাইবা আচমা অচিফাতত।

দ্বিতীয়টো হৈছে, "পিতৃ-মাতৃৰ সৈতে অবাধ্য আচৰণ কৰা"। অৰ্থাৎ, পিতৃ-মাতৃৰ সৈতে বা তেওঁলোকৰ যিকোনো এজনৰ সৈতে এনেকুৱা

কোনো আচৰণ কৰা যিটোৱে তেওঁলোকক কষ্ট দিয়ে। এইদৰে তেওঁলোকৰ অধিকাৰ আদায় নকৰাটোও অবাধ্য আচৰণৰ অন্তৰ্ভুক্ত।

তৃতীয়টো হৈছে, "কাৰোবাক হত্যা কৰা"। উচিত কাৰণ নোহোৱাকৈ, অৰ্থাৎ অন্যায়ভাৱে বা সীমালংঘন কৰি।

চতুৰ্থটো হৈছে, মিছা শপত খোৱা। অৰ্থাৎ জানি বুজি মিছা শপত খোৱা। আৰবীত ইয়াক য়ামীনে গামূছ বোলে। গামূছ শব্দৰ অৰ্থ হৈছে ডুবি যোৱা। এই নাম দিয়াৰ কাৰণ হৈছে, মিছা শপত খোৱা ব্যক্তি পাপকৰ্মত অথবা জাহান্নামৰ জুইত ডুবি যাব, কাৰণ সি জানি বুজি মিছা শপত খাইছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জানি বুজি মিছা শপত খোৱাৰ কোনো কাফ্‌ফাৰা নাই। কাৰণ ই অতি ভয়ানক অপৰাধ। কিন্তু যদি আন্তৰিকতাৰে নিষ্ঠা সহকাৰে তাওবা কৰে তেন্তে সেইটো সুকীয়া বিষয়।

2. কাবীৰাহ গুনাহ বৰ্ণনাৰ ক্ষেত্ৰত কেৱল এই চাৰিটাৰ কথা উল্লেখ কৰাৰ কাৰণ হৈছে, ইয়াৰ গুনাহ অতি ভয়াৱহ। ইয়াৰ দ্বাৰা কাবীৰাহ গুনাহক সীমাবদ্ধ কৰা হোৱা নাই।

3. গুনাহক দুই ভাগত বিভক্ত কৰিছে, চাগীৰাহ (সৰু) আৰু কাবীৰাহ (ডাঙৰ) গুনাহ। সেইবোৰ গুনাহক কাবীৰাহ গুনাহ বোলে, যিবোৰ গুনাহৰ বাবে পৃথিৱীতে শাস্তি নিৰ্ধাৰিত আছে, যেনে- সীমালংঘন আৰু অভিশাপ (كالحدود واللعن), অথবা আখিৰাতত শাস্তি হব বুলি সকীয়াই দিয়া হৈছে, যেনে- জাহান্নামত প্ৰৱেশ কৰিব বুলি কোৱা হৈছে। কাবীৰাহ গুনাহৰো স্তৰ আছে, কিছুমান গুনাহ আন কিছুমানতকৈ অধিক কঠোৰ। কাবীৰাহ গুনাহৰ বাহিৰে সকলো গুনাহেই হৈছে চাগীৰাহ গুনাহ।

(3044)

(227) – عَنْ عَبْدِ اللهِ بنِ مَسْعُودٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «أَوَّلُ مَا يُقْضَى بَيْنَ النَّاسِ يَوْمَ الْقِيَامَةِ فِي الدِّمَاءِ». [صحيح] - [متفق عليه]

(227) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "কিয়ামতৰ দিনা সৰ্বপ্ৰথম মানুহৰ মাজত সিহঁতৰ ৰক্তপাত সম্পৰ্কে বিচাৰ ফয়চালা কৰা হ'ব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, মানুহৰ মাজত হোৱা অন্যায়-অত্যাচাৰৰ মীমাংসাৰ ক্ষেত্ৰত কিয়ামতৰ দিনা সৰ্বপ্ৰথম ৰক্তপাত সম্পৰ্কীয় বিচাৰ হ'ব। যেনে- হত্যা আৰু আঘাত সম্পৰ্কীয় বিচাৰ আদি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইয়াৰ দ্বাৰা ৰক্তপাত সম্পৰ্কীয় বিষয়টোক অধিক গুৰুত্ব বুজোৱা হৈছে। কাৰণ যিটো বেছি গুৰুত্বপূৰ্ণ সেইটোৰ দ্বাৰা আৰম্ভ কৰাটোৱে হৈছে নীতি।
2. ক্ষতিৰ দিশ বিবেচনা কৰি গুনাহৰ পৰিমাণ বৃদ্ধি হয়। আনহাতে নিৰীহ প্ৰাণ হত্যা কৰাটো হৈছে অন্যতম ডাঙৰ ক্ষতি। সেয়ে এইটো হৈছে মহাপাপ। আটাইতকৈ ডাঙৰ মহাপাপ হৈছে আল্লাহৰ সৈতে কুফৰী কৰা আৰু শ্বিৰ্ক কৰা।

(2962)

(228) – عن عبد الله بن عمرو رضي الله عنهما عن النبي صلى الله عليه وسلم قال: «مَنْ قَتَلَ مُعَاهَدًا لَمْ يَرَحْ رَائِحَةَ الْجَنَّةِ، وَإِنَّ رِيحَهَا تُوجَدُ مِنْ مَسِيرَةِ أَرْبَعِينَ عَامًا». [صحيح] - [رواه البخاري]

(228) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে কোনো চুক্তিবদ্ধ ব্যক্তিক হত্যা কৰিব, সি জান্নাতৰ ঘ্ৰাণো নাপাব। অথচ ইয়াৰ ঘ্ৰাণ চল্লিশ বছৰ দূৰত্বৰ পৰা পোৱা যায়।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা কঠোৰ সতৰ্কবাণী দিছে যে, যিয়ে কোনো চুক্তিবদ্ধ ব্যক্তিক হত্যা কৰিব, সি জান্নাতৰ ঘ্ৰাণো নাপাব, অথচ জান্নাতৰ সুগন্ধি চল্লিশ বছৰ দূৰত্বৰ পৰাও পোৱা যায়। চুক্তিবদ্ধ ব্যক্তিৰ দ্বাৰা সেই অমুছলিম ব্যক্তিক বুজোৱা হৈছে, যিয়ে নিৰাপত্তাৰ চুক্তিৰ অধীনত মুছলিম দেশত বাস কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নিৰাপত্তাধীন জিম্মী প্ৰতিশ্ৰুতিবদ্ধ অমুছলিম ব্যক্তিক হত্যা কৰা হাৰাম, তথা এইটো হৈছে কাবীৰাহ গুনাহ বা মহাপাপ।
2. চুক্তিবদ্ধঃ এনেকুৱা অমুছলিম ব্যক্তি যাক এই চৰ্তত মুছলিম দেশত বসবাস কৰাৰ অনুমতি প্ৰদান কৰা হৈছে যে, সি মুছলিমসকলৰ লগত যুদ্ধ নকৰিব আৰু মুছলিমসকলেও তাৰ লগত যুদ্ধ নকৰিব। আনহাতে জিম্মী হৈছে সেই ব্যক্তি যিয়ে কৰ প্ৰদান কৰি মুছলিম দেশৰ নাগৰিক হৈছে। আনহাতে মুস্তা'মান হৈছে সেই ব্যক্তি, যিয়ে এটা নিৰ্দিষ্ট সময়ৰ বাবে নিৰাপত্তাৰ প্ৰতিশ্ৰুতি গ্ৰহণ কৰি মুছলিম দেশত প্ৰৱেশ কৰিছে।
3. অমুছলিমৰ সৈতে প্ৰতিশ্ৰুতি ভংগৰ পৰা সতৰ্ক কৰা হৈছে।

(64637)

(229) – عن جُبَير بن مُطْعِم رضي الله عنه أنه سمع النبي صلى الله عليه وسلم يقول: «لَا يَدْخُلُ الْجَنَّةَ قَاطِعُ رَحِمٍ». [صحيح] - [متفق عليه]

(229) – জুবাইৰ বিন মুতয়িম ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ "আত্মীয়তাৰ সম্পৰ্ক বিচ্ছিন্নকাৰী জান্নাতত প্ৰৱেশ নকৰিব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে জনাইছে যে, যি ব্যক্তিয়ে আত্মীয়-স্বজনৰ প্ৰাপ্ত অধিকাৰ আদায় নকৰে আৰু সিহঁতক কষ্ট দিয়াৰ মাধ্যমত আত্মীয়তাৰ সম্পৰ্ক ছিন্ন কৰে সি জান্নাতত প্ৰৱেশৰ উপযুক্ত নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আত্মীয়তাৰ সম্পৰ্ক বিচ্ছিন্ন কৰাটো হৈছে অন্যতম এটা কবীৰাহ গুনাহ।
2. প্ৰচলিত নিয়ম অনুযায়ী আত্মীয়তাৰ সম্পৰ্ক ৰক্ষা কৰিব লাগে। গতিকে স্থান, কাল আৰু ব্যক্তিভেদে ইয়াৰ ধৰণো বেলেগ বেলেগ হ'ব।
3. সাক্ষাৎ, দান-খয়ৰাত, সদ্ব্যৱহাৰ আদিৰ দ্বাৰা আত্মীয়তাৰ সম্পৰ্ক ৰক্ষা কৰিব লাগে, অসুস্থ হ'লে সেৱা কৰিব লাগে, লগতে সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধ কৰাৰ মাধ্যমতো আত্মীয়তাৰ সম্পৰ্ক বজাই ৰাখিব লাগে।
4. আত্মীয়তাৰ সম্পৰ্ক যিমানেই ওচৰৰ হ'ব, সেই অনুপাতেই সম্পৰ্ক ছিন্ন কৰাৰ গুনাহো অধিক হ'ব।

(5367)

(230) – عن أنس بن مالك رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «مَنْ أَحَبَّ أَنْ يُبْسَطَ لَهُ فِي رِزْقِهِ، وَيُنْسَأَ لَهُ فِي أَثَرِهِ، فَلْيَصِلْ رَحِمَهُ». [صحيح] - [متفق عليه]

(230) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: “যি ব্যক্তিয়ে এইটো কামনা কৰে যে, তাৰ জীৱিকা প্ৰশস্ত হওক আৰু তাৰ আয়ু বৃদ্ধি হওক, তেওঁ যেন আত্মীয়তাৰ সম্পৰ্ক অক্ষুণ্ণ ৰাখে।” [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে আত্মীয়তাৰ সম্পৰ্ক ৰক্ষা কৰিবলৈ সাক্ষাৎ, শাৰীৰিক আৰু আৰ্থিক সহায়-সহযোগিতা আৰু সন্মান কৰিবলৈ উৎসাহিত কৰিছে। লগতে এইটো উল্লেখ কৰিছে যে, ইয়াৰ ফলত জীৱিকা প্ৰশস্ত হয় আৰু আয়ু বৃদ্ধি হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আত্মীয় বোলোঁতে পিতৃ-মাতৃৰ ফালৰ পৰা নিকটাত্মীয়সকলক বুজোৱা হৈছে। আত্মীয়তাৰ সম্পৰ্ক যিমান ওচৰৰ হ'ব, তেওঁলোকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাটোও সিমানেই অগ্ৰাধিকাৰ পাব।
2. কৰ্ম অনুযায়ী প্ৰতিফল প্ৰদান কৰা হয়। গতিকে যি ব্যক্তিয়ে আত্মীয়সকলৰ সৈতে সদ্ব্যৱহাৰ আৰু অনুগ্ৰহ কৰাৰ মাধ্যমত তেওঁলোকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিব, আল্লাহেও সেই ব্যক্তিৰ আয়ু আৰু জীৱিকা বৃদ্ধি কৰিব।
3. আত্মীয়তাৰ সম্পৰ্ক ৰক্ষা কৰাটো হৈছে জীৱিকা বৃদ্ধি তথা প্ৰশস্ত হোৱা আৰু দীৰ্ঘায়ু লাভ কৰাৰ অন্যতম কাৰণ। যদিও জীৱিকা আৰু বয়স আল্লাহৰ ফালৰ পৰা নিৰ্ধাৰিত, কিন্তু তথাপিও তেওঁ

কেতিয়াবা কেতিয়াবা জীৱিকা আৰু বয়সত বৰকত দান কৰে। ফলত তেওঁ উক্ত নিৰ্ধাৰিত বয়সত ইমান বেছি উপকাৰী কৰ্ম কৰে যিটো অন্যান্য লোকৰ দ্বাৰা সম্ভৱ নহয়। কিছুমানে কৈছে যে, আয়ু আৰু জীৱিকা সঁচাকৈয়ে বৃদ্ধি হয়। আল্লাহেই সৰ্বজ্ঞ।

(5372)

(231) – عن عبد الله بن عمرو رضي الله عنهما عن النبي صلى الله عليه وسلم قال: «لَيْسَ الْوَاصِلُ بِالْمُكَافِئِ، وَلَكِنِ الْوَاصِلُ الَّذِي إِذَا قُطِعَتْ رَحِمُهُ وَصَلَهَا». [صحيح] - [رواه البخاري]

(231) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ সেই ব্যক্তি আত্মীয়তাৰ বন্ধন ৰক্ষাকাৰী নহয়, যিয়ে ইয়াৰ বিনিময়ত প্ৰতিদান বিচাৰে, বৰং আত্মীয়তাৰ অধিকাৰ ৰক্ষাকাৰী হৈছে সেই ব্যক্তি, যিয়ে আত্মীয়তাৰ সম্পৰ্ক ছিন্ন হোৱাৰ পিছতো আত্মীয়তা বজাই ৰাখে। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আত্মীয়তাৰ সম্পৰ্ক বজাই ৰখাৰ ক্ষেত্ৰত আদৰ্শ ব্যক্তি সেইজন নহয়, যিয়ে উপকাৰৰ প্ৰতিদান কামনা কৰে। বৰং আদৰ্শ ব্যক্তি হৈছে সেইজন, যিয়ে বিপৰীত ফালৰ পৰা আত্মীয়তাৰ সম্পৰ্ক ছিন্ন হোৱাৰ পিছতো সেই সম্পৰ্কক অটুট ৰখাৰ চেষ্টা কৰে। আনকি তেওঁৰ সৈতে বেয়া ব্যৱহাৰ কৰাৰ পিছতো তেওঁ সদ্ব্যৱহাৰ কৰাৰ যত্ন কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চৰীয়তৰ দৃষ্টিত নিৰ্ভৰযোগ্য আত্মীয়তাৰ সম্পৰ্ক হৈছে, বিচ্ছিন্ন কৰাজনৰ সৈতে সম্পৰ্ক স্থাপন কৰা, অন্যায়-অত্যাচাৰকাৰীক ক্ষমা কৰি দিয়া, বঞ্চিত কৰাজনক প্ৰদান কৰা। আনহাতে

সেইটোক আত্মীয়তাৰ সম্পৰ্ক বজাই ৰখা বুলি গণ্য কৰা নহয়, য'ত প্ৰতিদানৰ আশা কৰা হয়।

2. আত্মীয়তাৰ সম্পৰ্ক হৈছে, সাধ্যানুসাৰে ধন-সম্পদৰ দ্বাৰা উপকাৰ কৰা, দুআ কৰা, সৎকৰ্মৰ আদেশ দিয়া আৰু অসৎকৰ্মৰ পৰা বিৰত ৰখা, লগতে সাধ্যানুসাৰে বিভিন্ন সমস্যাৰ সমাধান কৰা।

(3854)

(232) – عَنْ بَهْزِ بْنِ حَكِيمٍ عَنْ أَبِيهِ عَنْ جَدِّهِ قَالَ: قُلْتُ يَا رَسُولَ اللَّهِ: مَنْ أَبَرُّ؟ قَالَ: «أُمَّكَ، ثُمَّ أُمَّكَ، ثُمَّ أُمَّكَ، ثُمَّ أَبَاكَ، ثُمَّ الْأَقْرَبَ فَالْأَقْرَبَ». [حسن] - [رواه أبو داود والترمذي وأحمد]

(232) – বাহঝ ইবনে হাকীমে নিজৰ পিতৃৰ পৰা আৰু তেওঁ তেওঁৰ পিতামহৰ পৰা বৰ্ণনা কৰিছে, তেওঁ কৈছেঃ মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! (সবাতোকৈ বেছি) সদ্ব্যৱহাৰ কাৰ সৈতে কৰিম? তেখেতে ক'লেঃ "তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ পিতৃৰ সৈতে। ইয়াৰ পিছত শ্ৰেণীবদ্ধভাৱে যিজন তোমাৰ বেছি নিকটাত্মীয়।" [হাছান] - [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্ট কৰিছে যে, মানুহৰ মাজত সবাতোকৈ অধিক যাৰ সৈতে সদাচৰণ কৰিব লাগে, সদ্ব্যৱহাৰ কৰিব লাগে, উত্তম সংগ দিব লাগে তথা যাৰ প্ৰতি অধিক সহানুভূতি থাকিব লাগে আৰু সুসম্পৰ্ক বজাই ৰাখিব লাগে, তেওঁ হৈছে মাক। তেখেতে মাকৰ অধিকাৰৰ গুৰুত্ব বুজাবলৈ তিনিবাৰকৈ উল্লেখ কৰি গুৰুত্বাৰোপ কৰিছে। যাতে অন্যান্য লোকৰ তুলনাত মাকৰ গুৰুত্ব স্পষ্ট হয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেই ব্যক্তিৰ কথা উল্লেখ কৰিছে, যিজন পৰৱৰ্তী পৰ্যায়ত সদ্ব্যৱহাৰ পোৱাৰ উপযুক্ত।

তেওঁ হৈছে পিতা। ইয়াৰ পিছত পৰ্যায়ক্ৰমে নিজৰ বংশৰ মাজত যিজন বেছি নিকটৱৰ্তী আত্মীয়। আত্মীয়তাৰ ক্ষেত্ৰত যিয়ে যিমান নিকটৱৰ্তী হ'ব, তেওঁ সিমানেই অগ্ৰাধিকাৰ লাভ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত সৰ্বপ্ৰথম মাকৰ কথা উল্লেখ কৰা হৈছে। তাৰ পিছত পিতা। ইয়াৰ পিছত পৰ্যায়ক্ৰমে নিকটাত্মীয়ক স্থান দিয়া হৈছে।
2. হাদীছটোত পিতৃ-মাতৃৰ মৰ্যাদা বৰ্ণিত হৈছে, বিশেষকৈ মাকৰ।
3. হাদীছটোত মাকৰ কথা তিনিবাৰকৈ কোৱা হৈছে। সন্তান-সন্ততিৰ ওপৰত মাকৰ মহা অধিকাৰ আছে। কাৰণ মাকে বহু কষ্ট সহ্য কৰে, গৰ্ভত ধাৰণ কৰে, প্ৰসৱ কৰে, আকৌ পিয়াহ খুউৱায়, চোৱাচিতাকে আদি কৰি মাকে বহুতো কাম অকলশৰীয়াকৈ কৰিব লাগে। ইয়াৰ পিছতহে লালন পালনত পিতাই অংশ লয়।

(58188)

(233) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «أَتَدْرُونَ مَا الْغِيبَةُ؟»، قَالُوا: اللهُ وَرَسُولُهُ أَعْلَمُ، قَالَ: «ذِكْرُكَ أَخَاكَ بِمَا يَكْرَهُ»، قِيلَ: أَفَرَأَيْتَ إِنْ كَانَ فِي أَخِي مَا أَقُولُ؟ قَالَ: «إِنْ كَانَ فِيهِ مَا تَقُولُ فَقَدِ اغْتَبْتَهُ، وَإِنْ لَمْ يَكُنْ فِيهِ فَقَدْ بَهَتَّهُ». [صحيح] - [رواه مسلم]

(233) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “তোমালোকে জানানে, গীবত কি?” চাহাবাসকলে ক'লে, আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেখেতে ক'লে:“ (গীবত হৈছে) তুমি তোমাৰ ভাতৃৰ বিষয়ে এনেকুৱা কোনো বিষয় আলোচনা কৰা, যিটোক সি অপছন্দ কৰে।” প্ৰশ্ন কৰা হ'ল, মই আলোচনা কৰা বিষয়টো যদি সঁচাকৈয়ে তাৰ মাজত থাকে (তথাপিও সেইটো গীবত হ'বনে)? উত্তৰত তেখেতে ক'লে: “তুমি তাৰ বিষয়ে যি আলোচনা কৰিছা সেইটো যদি তাৰ মাজত থাকে তেনেহ'লে তুমি তাৰ গীবত কৰিলা। আনহাতে যদি সেইটো তাৰ মাজত নাথাকে তেনেহ'লে তুমি তাৰ প্ৰতি অপবাদ আৰোপ কৰিলা।” [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত হাৰাম গীবতৰ বাস্তৱতা তথা ধৰণ বৰ্ণনা কৰিছে। সেইটো হৈছে: কোনো অনুপস্থিত মুছলিম ব্যক্তিৰ বিষয়ে এনেকুৱা কোনো কথা আলোচনা কৰা যিটোক তেওঁ অপছন্দ কৰে। সেই দোষটো তাৰ দৈহিক হওক বা চাৰিত্ৰিক। উদাহৰণস্বৰূপে: অন্ধ, প্ৰতাৰক, মিছলীয়া ইত্যাদি বেয়া দোষ। যদিও সেইবোৰ দোষ তাৰ মাজত থাকে।

আনহাতে যদি সেই দোষ তাৰ মাজত নাথাকে, তেন্তে এইটো হ'ব নিকৃষ্ট স্তৰৰ এটা গীবত, যিটোক বুহতান তথা অপবাদ বুলি কোৱা হয়। অৰ্থাৎ কোনো ব্যক্তিক এনেকুৱা দোষেৰে দোষাৰোপ কৰা যিটো তাৰ ভিতৰত নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম শিক্ষাদানৰ পদ্ধতি প্ৰস্ফুটিত হৈছে। কাৰণ তেখেতে ইয়াত প্ৰশ্ন-উত্তৰৰ মাধ্যমত বিষয়টো সুন্দৰকৈ বুজাই দিছে।
2. হাদীছটোৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে কৰা চাহাবাসকলৰ উত্তম শিষ্টাচাৰৰ প্ৰমাণ বহন কৰে। কাৰণ তেওঁলোকে তেখেতৰ প্ৰশ্নৰ উত্তৰত কৈছিল, আল্লাহ আৰু তেওঁৰ ৰাছুলেহে বিষয়টো ভালকৈ জানে।
3. কোনো নজনা বিষয়ত প্ৰশ্নৰ সন্মুখীন হ'লে এই বুলি কোৱা উচিত যে, আল্লাহেই সৰ্বজ্ঞ, তেৱেঁই ভাল জানে।
4. ইছলামী চৰীয়তে সমাজত মানুহৰ অধিকাৰ আৰু ভাতৃত্ববোধ হিফাজতৰ মাধ্যমত তেওঁলোকৰ অধিকাৰ সংৰক্ষণ কৰিছে।
5. গীবত কৰা হাৰাম; কিন্তু যদি কোনো সময়ত মানুহৰ ব্যাপক কল্যাণৰ বিষয় জড়িত থাকে তেন্তে সেইটো সুকীয়া বিষয়। উদাহৰণস্বৰূপে অন্যায়-অত্যাচাৰ প্ৰতিৰোধ কৰাৰ স্বাৰ্থত কাৰো গীবত কৰা, অৰ্থাৎ এনে কোনো ব্যক্তিৰ ওচৰত কাৰো গীবত কৰা, যিয়ে সেই ব্যক্তিৰ পৰা তাৰ অধিকাৰ আদায় কৰি দিবলৈ সক্ষম। গতিকে সি ক'ব পাৰে যে, অমুক ব্যক্তিয়ে মোৰ প্ৰতি অন্যায় কৰিছে অথবা মোৰ সৈতে এনেকুৱা আচৰণ কৰিছে। এই ধৰণৰ গীবতৰ আন এটা উদাহৰণ হৈছে: বিবাহ অথবা অংশীদাৰী ব্যৱসায় বা প্ৰতিৱেশী ইত্যাদিৰ বিষয়ে কোনো ব্যক্তিৰ সৈতে পৰামৰ্শ কৰা আৰু সেই ক্ষেত্ৰত তাৰ দোষ-ত্ৰুটি উল্লেখ কৰা।

(5326)

(234) – عن ابن عمر رضي الله عنهما قال: قال رسول الله صلى الله عليه وسلم: «**كل مُسْكِرٍ خَمْرٌ، وكل مُسْكِرٍ حرام، ومن شرِب الخمر في الدنيا فمات وهو يُدْمِنُهَا لَمْ يَتُبْ، لَمْ يَشْرَبْهَا في الآخرة**». [صحيح] - [رواه مسلم وأخرج البخاري الجملة الأخيرة منه]

(234) – ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "প্ৰতিটো নিচা জাতীয় বস্তুৱে হৈছে মাদকদ্ৰব্যৰ অন্তৰ্ভুক্ত, আৰু প্ৰতিটো নিচা জাতীয় বস্তুৱে হাৰাম। যিয়ে পাৰ্থিৱ জীৱনত মাদক দ্ৰব্য সেৱন কৰিব আৰু এই ক্ষেত্ৰক অভ্যস্ত হৈ তাওবা নকৰাকৈ মৃত্যুবৰণ কৰিব, আখিৰাতত সি শ্বাৰাব সেৱনৰ পৰা বঞ্চিত হ'ব।" [ছহীহ] - []

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, যি বস্তুৱে মানুহৰ বিবেক নাইকিয়া কৰে, তথা যিটো খালে মতলীয়া হৈ পৰে, সেইটোৱে হৈছে মাদক দ্ৰব্য তথা নিচা জাতীয় বস্তু, সেয়া পানীয় হওক বা খোৱা বস্তু অথবা শুঙিব পৰা কোনো বস্তু নাইবা শৰীৰত লব পৰা কোনো ইনজেকচন। বিবেক নাইকিয়া কৰা প্ৰতিটো নিচা জাতীয় বস্তুকে আল্লাহে হাৰাম কৰিছে তথা ইয়াৰ পৰা নিষেধ কৰিছে। পৰিমাণত কম হওক বা বেছি। এতেকে যিয়ে কোনো প্ৰকাৰ নিচা জাতীয় দ্ৰব্য সেৱনত আসক্ত হৈ তাওবা নকৰাকৈ মৃত্যুবৰণ কৰিব, সি আল্লাহৰ শাস্তিৰ সন্মুখীন হ'ব, তথা জান্নাতী সুৰা সেৱনৰ পৰা বঞ্চিত হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নিচা থকাৰ কাৰণে মাদক দ্ৰব্যক হাৰাম কৰা হৈছে। সেয়ে প্ৰতিটো নিচা জাতীয় বস্তুৱে হৈছে হাৰাম।
2. মহান আল্লাহে মাদক দ্ৰব্য হাৰাম কৰিছে। কাৰণ ইয়াৰ ভিতৰত আছে বহু ক্ষতি আৰু বৃহৎ অপকাৰ।

3. জান্নাতৰ সুৰাত আছে পূৰ্ণাংগ তৃপ্তি, তথা এইটো হৈছে পৰিপূৰ্ণ নিয়ামত।
4. পাৰ্থিৱ জীৱনত যিয়ে নিজকে মাদক দ্ৰৱ্য সেৱনৰ পৰা আঁতৰাই ৰাখিব নোৱাৰিব, আল্লাহে তাক জান্নাতী সুৰা সেৱনৰ পৰা বঞ্চিত কৰিব। গতিকে প্ৰতিদান কৰ্ম অনুযায়ীহে দিয়া হয়।
5. মৃত্যুৰ পূৰ্বে গুনাহৰ পৰা সোনকালে তাওবা কৰিবলৈ উৎসাহিত কৰা হৈছে।

(58259)

(235) – عن أبي هريرة رضي الله عنه قال: لَعَنَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ الرَّاشِيَ وَالْمُرْتَشِيَ فِي الْحُكْمِ. [صحيح] - [رواه الترمذي وأحمد]

(235) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেখেতে কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে উৎকোচ প্ৰদানকাৰী আৰু উৎকোচ গ্ৰহণকাৰী উভয়কে অভিশাপ কৰিছে। [ছহীহ] - [(তিৰমিজী, আহমদ)]

## ব্যাখ্যা:

উৎকোচ প্ৰদানকাৰী আৰু উৎকোচ গ্ৰহণকাৰী উভয়কে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বদ্দুআ কৰিছে, আৰু আল্লাহৰ ৰহমতৰ পৰা আঁতৰি থকাৰ অভিশাপ কৰিছে।

উদাহৰণস্বৰূপে বিচাৰ প্ৰক্ৰিয়াত বিচাৰকক এই উদ্দেশ্যে উৎকোচ প্ৰদান কৰা, যাতে ফয়চালা উৎকোচ প্ৰদানকাৰীৰ পক্ষত হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. উৎকোচ দিয়া, লোৱা, মধ্যস্থতা কৰা আৰু এই ক্ষেত্ৰত সহায় কৰা হাৰাম। কাৰণ ইয়াৰ দ্বাৰা বাতিলক সহায় কৰা হয়।

2. উৎকোচ হৈছে কাবীৰাহ গুনাহ তথা মহাপাপ। কাৰণ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে উৎকোচ প্ৰদানকাৰী আৰু উৎকোচ গ্ৰহণকাৰী উভয়কে অভিশাপ কৰিছে।
3. বিশেষকৈ বিচাৰ মীমাংসাত উৎকোচ দিয়াটো হৈছে ডাঙৰ অপৰাধ তথা মহাপাপ। কাৰণ ইয়াৰ দ্বাৰা অন্যায় কৰা হয় আৰু আল্লাহে অৱতীৰ্ণ নকৰা বিধান অনুযায়ী ফয়চালা কৰা হয়।

(64689)

(236) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**لَا تَحَاسَدُوا، وَلَا تَنَاجَشُوا، وَلَا تَبَاغَضُوا، وَلَا تَدَابَرُوا، وَلَا يَبِعْ بَعْضُكُمْ عَلَى بَيْعِ بَعْضٍ، وَكُونُوا عِبَادَ اللهِ إِخْوَانًا الْمُسْلِمُ أَخُو الْمُسْلِمِ، لَا يَظْلِمُهُ وَلَا يَخْذُلُهُ، وَلَا يَحْقِرُهُ التَّقْوَى هَاهُنَا**» وَيُشِيرُ إِلَى صَدْرِهِ ثَلَاثَ مَرَّاتٍ «**بِحَسْبِ امْرِئٍ مِنَ الشَّرِّ أَنْ يَحْقِرَ أَخَاهُ الْمُسْلِمَ، كُلُّ الْمُسْلِمِ عَلَى الْمُسْلِمِ حَرَامٌ، دَمُهُ، وَمَالُهُ، وَعِرْضُهُ**».
[صحيح] - [رواه مسلم]

(236) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে পৰস্পৰে হিংসা নকৰিবা, ইজনে সিজনৰ বাবে দালালি কৰি দাম বৃদ্ধি নকৰিবা, পৰস্পৰে বিদ্বেষ পোষণ নকৰিবা, এজনে আনজনৰ পৰা সম্পৰ্কচ্ছেদ নকৰিবা, এজনে ক্ৰয় কৰাৰ ওপৰত আন জনে ক্ৰয় নকৰিবা। হে আল্লাহৰ বান্দাসকল! পৰস্পৰে ভাতৃ হৈ যোৱা। এজন মুছলিম হৈছে আন এজন মুছলিমৰ ভাতৃ, সি যেন তাৰ ওপৰত যুলুম নকৰে আৰু তাক সঙ্গীহীন আৰু সহায়হীনভাৱে এৰি নিদিয়ে, আৰু যেন তাক অপমান অপদস্থ নকৰে। তাক্বৱা হৈছে- ইয়াত"। তেখেতে নিজৰ বুকুৰ ফালে তিনিবাৰ ইঙ্গিত কৰিলে। "কোনো মানুহক অনিষ্ট কৰিবলৈ এইখিনিয়ে যথেষ্ট যে, সি তাৰ মুছলিম ভাতৃক নিম্ন আৰু হীন বুলি ভাবে। প্ৰতিজন মুছলিমৰে তেজ, সম্পদ আৰু মান-সন্মান অন্যান্য মুছলিমৰ ওপৰত হাৰাম।"
[ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উপদেশ দি কৈছে যে, এজন মুছলিমে আন এজন মুছলিম ভাতৃৰ বাবে কল্যাণ কামনা কৰা উচিত। লগতে তেখেতে কিছুমান অনিবাৰ্য দায়িত্ব আৰু নিয়ম-নীতি উল্লেখ কৰিছে। যেনে- প্ৰথম উপদেশঃ ঈৰ্ষা নকৰিবা, অৰ্থাৎ পৰস্পৰে পৰস্পৰৰ নিয়ামত নিঃশেষ (ধ্বংস) হোৱাটো কামনা নকৰিবা। দ্বিতীয়ঃ দালালি নকৰিবা, অৰ্থাৎ কাৰোবাৰ সম্পদ বিক্ৰীৰ ক্ষেত্ৰত দাম বৃদ্ধি কৰিবলৈ মিছা পৰিৱেশ সৃষ্টি কৰা, যাৰ উদ্দেশ্য হৈছে একমাত্ৰ বিক্ৰেতাৰ

উপকাৰ কৰা আৰু ক্ৰেতাৰ ক্ষতি কৰা। তৃতীয়ঃ বিদ্বেষ নকৰিবা, অৰ্থাৎ ক্ষতি কৰাৰ ইচ্ছা নকৰিবা। বিদ্বেষ হৈছে মুহাব্বতৰ পৰিপন্থী। কিন্তু আল্লাহৰ বাবে কাৰো সৈতে বিদ্বেষ পোষণ কৰাত কোনো অসুবিধা নাই। বৰং এইটো হৈছে অনিবাৰ্য্য। চতুৰ্থঃ মুখ ঘূৰাই নল'বা, অৰ্থাৎ কোনোৱে যেন নিজৰ ভাতৃৰ পৰা মুখ ঘূৰাই নলয় আৰু পিঠি নিদিয়ে, তথা সম্পৰ্ক বিচ্ছিন্ন নকৰে। পঞ্চমঃ কোনোবাই বিক্ৰী কৰাৰ ওপৰত বিক্ৰী নকৰিবা। উদাহৰণস্বৰূপেঃ ক্ৰেতাই কোনো বস্তু কিনাৰ পিছত, বেলেগ কোনোবাই এই কথা কোৱা উচিত নহয় যে, মোৰ ওচৰতো এনেকুৱা বস্তু আছে, অথবা ইয়াতকৈ কম দামত দিব পাৰিম, নাইবা ইয়াতকৈ ভাল বস্তু এই দামত দিম। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা গাম্ভীৰ্য্যপূৰ্ণ উপদেশ দিছে। তেখেতে কৈছেঃ তোমালোকে এই নিষেধকৃত বিষয়বোৰ পৰিত্যাগ কৰি ইজনে সিজনৰ ভাতৃৰ দৰে হৈ যোৱা, লগতে মুহাব্বত, নম্ৰতা, মমতা, দয়া, আৰু ভাল কামত সহযোগিতাকে আদি কৰি, পৰিষ্কাৰ হৃদয়েৰে সকলো অৱস্থাতে ইজনে সিজনক ভাল পৰামৰ্শ দিয়া। এই ভাতৃত্ববোধৰ দাবী হৈছেঃ কোনো মুছলিম ভাতৃৰ প্ৰতি অন্যায়-অত্যাচাৰ নকৰা। লগতে কোনো মুছলিম ভাতৃক অসহায় অৱস্থাত নিৰ্যাতিত হ'বলৈ এৰি দিয়াও উচিত নহয়। বিশেষকৈ এনেকুৱা অৱস্থাত, যেতিয়া তাক সহায় কৰিবলৈ সক্ষম তথা অন্যায় প্ৰতিৰোধ কৰিবলৈ সক্ষম। এইদৰে তাক অপমান কৰা উচিত নহয়, হেও প্ৰতিপন্ন কৰাও উচিত নহয়, এইবোৰে অন্তৰত অহংকাৰ সৃষ্টি কৰে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তিনিবাৰ কৈছে যে, তাক্বৱা হৈছে অন্তৰত। যাৰ অন্তৰত আল্লাহৰ তাক্বৱা আছে, তেওঁ সদায় সদ্ব্যৱহাৰ কৰে, আল্লাহক ভয় কৰে, আৰু তেওঁক সদায় উপস্থিত থকা বুলি ভাবে। তেওঁ কেতিয়াও কোনো মুছলিমক হেও প্ৰতিপন্ন নকৰে। নিকৃষ্ট চৰিত্ৰ আৰু বেয়া স্বভাৱৰ বৈশিষ্ট্য হৈছে মুছলিম ভাতৃক হেও প্ৰতিপন্ন কৰা। অন্তৰত অহংকাৰ থাকিলে এনেকুৱা স্বভাৱৰ বহিঃপ্ৰকাশ ঘটে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে গুৰুত্ব সহকাৰে এই কথা জনাইছে যে, প্ৰতিজন মুছলিমৰ তেজ অন্যান্য মুছলিমৰ

ওপৰত হাৰাম। উদাহৰণস্বৰূপে কাৰোবাক হত্যা কৰা, অথবা আঘাত কৰা বা আক্ৰমণ কৰা আদি। এইদৰে তাৰ সম্পদকো সুৰক্ষিত কৰা হৈছে, অৰ্থাৎ অন্যায়ভাৱে ভক্ষণ কৰা হাৰাম। এইদৰে তাৰ মান-সন্মান সুৰক্ষিত কৰা হৈছে, সেয়ে- তাক আৰু তাৰ বংশক অপমান কৰাও উচিত নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ঈমানী ভাতৃত্ববোধৰ ক্ষেত্ৰত ইয়াৰ সকলো প্ৰয়োজনীয় বিষয়ৰ নিৰ্দেশ দিয়া হৈছে, আৰু প্ৰত্যেক সেইবোৰ কথা আৰু কৰ্মৰ পৰা নিষেধ কৰা হৈছে যিবোৰ ইয়াৰ পৰিপন্থী।
2. অন্তৰত থকা আল্লাহৰ জ্ঞান, তেওঁৰ ভয়, তেওঁৰ নিৰীক্ষণ আদি হৈছে তাক্বৱাৰ ভেটি। এই তাক্বৱাৰ ফলতেই নেক আমল কৰাটো সহজ হৈ পৰে।
3. বাহ্যিক বিভ্ৰান্তি হৈছে অন্তৰত থকা তাক্বৱাৰ দুৰ্বলতাৰ পৰিচয়।
4. কথা অথবা কৰ্মৰ দ্বাৰাই হওক, সকলো প্ৰকাৰে মুছলিমক অনিষ্ট কৰাৰ পৰা নিষেধ কৰা হৈছে।
5. কোনোবাই কোনো মুছলিমৰ সমতুল্য হোৱাৰ কামনা কৰাটো কোনো ঈৰ্ষা নহয়। ইয়াক আৰবীত গিবতাহ বোলে। এইটো বৈধ, কাৰণ কল্যাণৰ ক্ষেত্ৰত প্ৰতিযোগিতা কৰিব পাৰি। কিন্তু যদি সি আনৰ ক্ষতি বিচাৰি সেইটো কামনা কৰে তেন্তে সেইটো হ'ব হাছাদ বা ঈৰ্ষা।
6. মানুহে স্বভাৱগতভাৱে এইটো কামনা কৰে যে, কোনোৱে যেন তেওঁক পিছ পেলাই আগবাঢ়ি যাব নোৱাৰে। কিন্তু যদি সি আনৰ ক্ষতি কামনা কৰি নিজৰ উন্নতি বিচাৰে তেন্তে এইটো হৈছে নিকৃষ্ট হাছাদ। আনহাতে যদি আনৰ ক্ষতি নিবিচাৰি নিজৰ উন্নতি কামনা

কৰি প্ৰতিযোগিতা কৰে তেন্তে এইটো হৈছে গিবতাহ, এইটো জায়েজ।

7. মুছলিমে নিজৰ ভায়েকৰ বিক্ৰীৰ ওপৰত বিক্ৰী কৰাটো উচিত নহয়। উদাহৰণস্বৰূপে যদি তেওঁ ক্ৰেতাক কয় যে তেওঁক প্ৰতাৰণা কৰা হৈছে, তেন্তে এইটো হৈছে সদুপদেশৰ অন্তৰ্ভুক্ত। কিন্তু যদি তেওঁৰ উদ্দেশ্য ক্ৰেতাক পৰামৰ্শ দিয়া নহয়, বৰং বিক্ৰেতাৰ ক্ষতি কৰাৰ উদ্দেশ্যে হয়, তেন্তে এইটো নিষেধ কৰা হৈছে। কাৰণ আমল নিৰ্ভৰ কৰে নিয়্যতৰ ওপৰত।

8. যদি ক্ৰেতা আৰু বিক্ৰেতাই কোনো সিদ্ধান্তত উপনীত হোৱা নাই আৰু দামো নিৰ্ধাৰণ কৰা নাই তেন্তে তেনে ক্ষেত্ৰত বেলেগ কোনোবাই কৰা দৰদামক তেওঁৰ ভাতৃৰ দৰদামৰ বিৰুদ্ধে কৰা দৰদাম বুলি গণ্য কৰা নহ'ব।

9. হাদীছটোত যিটো বিদ্বেষৰ পৰা নিষেধ কৰা হৈছে, আল্লাহৰ বাবে কাৰোবাৰ প্ৰতি শত্ৰুতা পোষণ কৰাটো সেই বিদ্বেষৰ অন্তৰ্ভুক্ত নহয়। কাৰণ এইটো হৈছে ওৱাজিব তথা ঈমানৰ এটা অন্যতম মজবুত বন্ধন।

(4706)

(237) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنِ النَّبِيِّ صلى الله عليه وسلم قَالَ: «إِيَّاكُمْ وَالظَّنَّ؛ فَإِنَّ الظَّنَّ أَكْذَبُ الْحَدِيثِ، وَلَا تَحَسَّسُوا، وَلَا تَجَسَّسُوا، وَلَا تَحَاسَدُوا، وَلَا تَدَابَرُوا، وَلَا تَبَاغَضُوا، وَكُونُوا عِبَادَ اللهِ إِخْوَانًا». [صحيح] - [متفق عليه]

(237) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে বেয়া ধাৰণা কৰাৰ পৰা বিৰত থকা, কাৰণ বেয়া ধাৰণা হৈছে আটাইতকৈ ডাঙৰ মিছা কথা। কাৰো দোষ অনুসন্ধান নকৰিবা আৰু কাৰো ত্ৰুটি অনুসন্ধান কৰিবলৈ গুপ্তচৰগিৰি নকৰিবা, পৰস্পৰে হিংসা নকৰিবা, সম্পৰ্কচ্ছেদ নকৰিবা, ইজনে সিজনৰ প্ৰতি বিদ্বেষ পোষণ নকৰিবা, বৰং তোমালোক আটায়ে আল্লাহৰ বান্দা হিচাপে ভাতৃবন্ধত আৱদ্ধ হৈ যোৱা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকুৱা কিছুমান কৰ্মৰ পৰা নিষেধ কৰিছে তথা সতৰ্ক কৰিছে, যিবোৰৰ দ্বাৰা মুছলিমসকলৰ মাজত বিভাজন আৰু শত্ৰুতাৰ সৃষ্টি হয়। উদাহৰণস্বৰূপেঃ

(الظن) অৰ্থাৎ প্ৰমাণ নোহোৱাকৈ অন্তৰত কাৰো বিষয়ে বেয়া ধাৰণা পোষণ কৰা। এইটোক আটাইতকৈ ডাঙৰ মিছা কথা বুলি আখ্যা দিয়া হৈছে।

(التَّحَسُّس) অৰ্থাৎ শ্ৰৱণশক্তি বা দৃষ্টিশক্তিৰ দ্বাৰা কাৰো দোষ-ত্ৰুটি অনুসন্ধান কৰা।

(التَّجَسُّس) অৰ্থাৎ মানুহৰ গোপন তথ্য খুচৰি ফুৰা, বিশেষকৈ এই শব্দটো ব্যৱহাৰ হয় বেয়া দিশ খুচৰি ফুৰাৰ ক্ষেত্ৰত।

(الحسد) অৰ্থাৎ কাৰোবাৰ উন্নতিক অপছন্দ কৰা।

(التدابر) অৰ্থাৎ ইজনে সিজনৰ লগত সম্পৰ্কচ্ছেদ কৰা, সাক্ষাৎ নকৰা আৰু ছালাম নিদিয়া।

(التباغض) অৰ্থাৎ ইজনে সিজনৰ প্ৰতি বিদ্বেষ পোষণ কৰা আৰু ঘৃণা কৰা। এক কথাত আনক কষ্ট দিয়া, সাক্ষাৎ হ'লে ভ্ৰু কোঁচাই লোৱা আদি।

ইয়াৰ পিছত তেখেতে এনেকুৱা এটা ব্যাপক বাক্য কৈছে, যি বাক্যই মুছলিমসকলৰ মাজত থকা পৰস্পৰ সম্পৰ্কক মজবুত কৰিব। তেখেতে কৈছে (হে আল্লাহৰ বান্দাসকল! তোমালোকে ইজনে সিজনৰ সৈতে ভাতৃত্ববন্ধনত আৱদ্ধ হৈ যোৱা) ভাতৃত্ববোধ হৈছে এনেকুৱা এটা বান্ধোন যাৰ যোগেদি মানুহৰ মাজত সুস্থ সম্পৰ্ক গঢ়ি উঠে আৰু সিহঁতৰ মাজত মুহাব্বত আৰু ঘনিষ্টতা বৃদ্ধি পায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আভাস পোৱা ব্যক্তিৰ প্ৰতি বেয়া ধাৰণা পোষণ কৰাটো কোনো দোষণীয় বিষয় নহয়, কিন্তু তথাপিও মুমিনসকলে সচেতন আৰু বিচক্ষণতাৰ পৰিচয় দিয়া উচিত; যাতে চৰিত্ৰহীন, ফাছিক মানুহে তেওঁলোকৰ লগত প্ৰতাৰণা কৰিব নোৱাৰে।

2. ইয়াৰ উদ্দেশ্য হৈছে, সেইসমূহ অপবাদৰ পৰা সতৰ্ক কৰা যিটো অন্তৰত গাঁথি পৰে, আৰু তাৰ প্ৰতি ধাৰাবাহিকভাৱে বেয়া ধাৰণা থাকি যায়। কিন্তু যিবোৰ ধাৰণা অন্তৰত উদ্ভৱ হোৱাৰ পিছত বেছি সময় নাথাকে সেইবোৰ দোষণীয় নহয়।

3. মুছলিম সমাজৰ ব্যক্তিবৰ্গৰ মাজত বিভাজন সৃষ্টি কৰিব পৰা সকলো প্ৰকাৰ মাধ্যমকে হাৰাম কৰা হৈছে। উদাহৰণস্বৰূপেঃ দোষ-ত্ৰুটি অনুসন্ধান কৰা, হিংসা বিদ্বেষ আদি পোষণ কৰা, ইয়াৰ বাহিৰেও অন্যান্য সকলো মাধ্যম।

4. মুছলিমৰ যিকোনো বিষয়তে এজন ভাই হিচাপে হিতাকাংক্ষী আৰু ঘনিষ্টতাৰ দিশ অৱলম্বন কৰিবলৈ উপদেশ দিয়া হৈছে।

(5332)

(238) – عن حذيفة رضي الله عنه قال: سمعت النبي صلى الله عليه وسلم يقول: «لَا يَدْخُلُ الْجَنَّةَ قَتَّاتٌ». [صحيح] - [متفق عليه]

(238) – হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ চোগলখোৰ (ইজনৰ কথা সিজনক লগোৱা) ব্যক্তি জান্নাতত প্ৰৱেশ নকৰিব। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত উল্লেখ কৰিছে যে, আৰবী শব্দ নাম্মাম (চোগলখোৰ বা খলুৱা) ব্যক্তি হৈছে সেইজন, যিয়ে মানুহৰ মাজত ফিতনা ফাছাদ সৃষ্টি কৰিবলৈ ইজনৰ কথা সিজনক লগাই ফুৰে, সেই ব্যক্তি হৈছে শাস্তিৰ যোগ্য, সি জান্নাতত প্ৰৱেশ নকৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চোগলখোৰী বা খলুৱাগিৰি হৈছে কবীৰাহ গুনাহ।
2. ইজনৰ কথা সিজনক লগাই ফুৰা নিষিদ্ধ। কিয়নো ইয়াৰ ফলত ব্যক্তি জীৱনত আৰু সমাজত ফিতনা সৃষ্টি হয় তথা অনিষ্ট সাধন হয়।

(5368)

(239) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: سَمِعْتُ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «**كُلُّ أُمَّتِي مُعَافًى إِلَّا المُجَاهِرِينَ، وَإِنَّ مِنَ المُجَاهَرَةِ أَنْ يَعْمَلَ الرَّجُلُ بِاللَّيْلِ عَمَلًا، ثُمَّ يُصْبِحَ وَقَدْ سَتَرَهُ اللَّهُ عَلَيْهِ، فَيَقُولَ: يَا فُلَانُ، عَمِلْتُ البَارِحَةَ كَذَا وَكَذَا، وَقَدْ بَاتَ يَسْتُرُهُ رَبُّهُ، وَيُصْبِحُ يَكْشِفُ سِتْرَ اللَّهِ عَنْهُ**». [صحيح] - [متفق عليه]

(239) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "মোৰ উম্মতৰ প্ৰতিজন ব্যক্তিয়ে ক্ষমা পাব, কেৱল গুনাহ প্ৰকাশকাৰী ব্যক্তিসকলৰ বাহিৰে। গুনাহ প্ৰকাশ কৰা অৰ্থাৎ কোনো ব্যক্তিয়ে ৰাতিত কোনো এটা গুনাহৰ কাম কৰে, যিটোক আল্লাহে গোপন কৰি ৰাখে, কিন্তু সি ৰাতিপুৱা মানুহৰ মাজত গাই ফুৰে যে, হে অমুক! মই যোৱা ৰাতি এই এই কাম কৰিছোঁ। অথচ সি ৰাতিত যিটো পাপ কৰ্ম কৰিছে, সেইটোক আল্লাহে গোপন কৰি ৰাখিছিল। কিন্তু সি ৰাতিপুৱা উঠি আল্লাহে আঁৰি থোৱা পৰ্দাক উন্মুক্ত কৰি দিয়ে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, গুনাহগাৰ মুছলিম ব্যক্তিক আল্লাহে ক্ষমা কৰি দিব বুলি আশা কৰিব পাৰি, কিন্তু যিয়ে গুনাহ কৰাৰ পিছত গৌৰৱ কৰি সেইটো গাই ফুৰে, সেই ব্যক্তি ক্ষমাৰ যোগ্য নহয়। কিয়নো সি ৰাতিৰ অন্ধকাৰত কিবা এটা গুনাহ কৰিছে যিটোক আল্লাহে গোপন কৰি ৰাখিছে, কিন্তু ৰাতিপুৱা উঠি বেলেগক কৈ ফুৰে যে, মই যোৱা ৰাতি এই এই গুনাহ কৰিছোঁ। ৰাতিত কৰা যি গুনাহটো আল্লাহে গোপন ৰাখিছিল, পুৱাই উঠি সি আল্লাহৰ সেই পৰ্দাক আৱৰণমুক্ত কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গুনাহ কৰাৰ পিছত সেই গুনাহ গাই ফুৰাক নিন্দা কৰা হৈছে। অথচ আল্লাহে এইটোক গোপন ৰাখিছিল।
2. গুনাহৰ কথা প্ৰকাশ কৰা কাৰ্যই মুমিনসকলৰ মাজত অশ্লীলতা বিস্তাৰ কৰে।
3. যিয়ে আল্লাহৰ ওৱাস্তে কোনো গুনাহ এই পৃথিৱীত গোপন ৰাখিব, আখিৰাতত আল্লাহে তাৰ গুনাহ গোপন ৰাখিব। বান্দাসকলৰ প্ৰতি এইটো হৈছে আল্লাহৰ অসীম ৰহমত।
4. যিয়ে কোনো গুনাহ কৰি পেলাইছে, সি সেইটো নিজৰ মনতে গোপন ৰাখিব লাগে আৰু আল্লাহৰ ওচৰত তাওবা কৰিব লাগে।
5. গুনাহ কৰি সেই গুনাহ প্ৰকাশ কৰাৰ ভয়াৱহতা, কাৰণ গুনাহ প্ৰকাশ কৰাৰ ফলত গুনাহকাৰীয়ে ক্ষমাৰ যোগ্যতা হেৰুৱাই পেলায়।

(3756)

(240) – عَنِ ابْنِ عُمَرَ رضي الله عنهما: أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ خَطَبَ النَّاسَ يَوْمَ فَتْحِ مَكَّةَ، فَقَالَ: «يَا أَيُّهَا النَّاسُ، إِنَّ اللهَ قَدْ أَذْهَبَ عَنْكُمْ عُبِّيَّةَ الْجَاهِلِيَّةِ وَتَعَاظُمَهَا بِآبَائِهَا، فَالنَّاسُ رَجُلَانِ: بَرٌّ تَقِيٌّ كَرِيمٌ عَلَى اللهِ، وَفَاجِرٌ شَقِيٌّ هَيِّنٌ عَلَى اللهِ، وَالنَّاسُ بَنُو آدَمَ، وَخَلَقَ اللهُ آدَمَ مِنْ تُرَابٍ، قَالَ اللهُ: {يَا أَيُّهَا النَّاسُ إِنَّا خَلَقْنَاكُمْ مِنْ ذَكَرٍ وَأُنْثَى وَجَعَلْنَاكُمْ شُعُوبًا وَقَبَائِلَ لِتَعَارَفُوا إِنَّ أَكْرَمَكُمْ عِنْدَ اللهِ أَتْقَاكُمْ إِنَّ اللهَ عَلِيمٌ خَبِيرٌ} [الحجرات: **13**]». [صحيح] - [رواه الترمذي وابن حبان]

(240) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মক্কা বিজয়ৰ দিনা মানুহৰ সন্মুখত ভাষণ প্ৰদান কৰি কৈছিলঃ হে মানৱজাতি! আল্লাহে তোমালোকৰ পৰা জাহিলী যুগৰ দম্ভ আৰু অহংকাৰ তথা পূৰ্বপুৰুষৰ প্ৰতি থকা গৌৰৱ আদিৰ কুঃসংস্কাৰ নিঃশেষ কৰিছে। এতেকে মানৱ এতিয়া দুই ভাগত বিভক্তঃ এক শ্ৰেণীৰ মানুহ পূণ্যৱান, পৰহেজগাৰ, তেওঁলোক হৈছে আল্লাহৰ ওচৰত প্ৰিয় তথা সন্মানিত। আনহাতে আনটো শ্ৰেণীৰ মানুহ হৈছে পাপিষ্ঠ, দুৰ্ভগীয়া, সিহঁত আল্লাহৰ ওচৰত অত্যন্ত নিকৃষ্ট তথা ঘৃণীত আৰু তুচ্ছ। সকলো মানুহেই আদম সন্তান। আল্লাহে আদম আলাইহিচ্ছালামক মাটিৰে সৃষ্টি কৰিছিল। যেনে আল্লাহ তাআলাই কৈছেঃ হে মানৱ সম্প্ৰদায়! নিশ্চয় আমি তোমালোকক এজন পুৰুষ আৰু এজনী নাৰীৰ পৰা সৃষ্টি কৰিছোঁ, আৰু তোমালোকক বিভক্ত কৰিছোঁ বিভিন্ন জাতি আৰু গোত্ৰত, যাতে তোমালোকে এজনে আনজনৰ লগত পৰিচিত হ'ব পাৰা। আল্লাহৰ ওচৰত তোমালোকৰ মাজৰ কেৱল সেই ব্যক্তিয়েই বেছি মৰ্যাদাশীল, যিজন তোমালোকৰ মাজত বেছি তাক্বৱা সম্পন্ন। নিশ্চয় আল্লাহ সৰ্বজ্ঞ, সম্যক অৱহিত। (ছুৰা হুজুৰাতঃ ১৩) [ছহীহ] - [(তিৰমিজী, ইবনে হিব্বান)]

## ব্যাখ্যা:

হাদীছটোত কোৱা হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মক্কা বিজয়ৰ দিনা লোকসকলক সম্বোধন কৰি কৈছিল যে, হে মানৱজাতি!

আল্লাহে তোমালোকৰ পৰা জাহেলী যুগৰ গৌৰৱ অহংকাৰ আৰু পিতৃপুৰুষকলৈ কৰা দম্ভ আদিক আঁতৰাই দিছে। এতিয়া মানুহ কেৱল দুই ভাগত বিভক্তঃ

একশ্ৰেণী হৈছে মুমিন, মুত্তাক্বী, পৰহেজগাৰ, আল্লাহৰ আনুগত্যশীল বান্দা। এনেকুৱা ব্যক্তি আল্লাহৰ ওচৰত সন্মানীয়। যদিও মানুহৰ দৃষ্টিত তেওঁ উচ্চস্তৰৰ তথা উচ্চ বংশৰ নহয়।

দ্বিতীয়টো হৈছে কাফিৰ, পাপিষ্ঠ তথা দুৰ্ভগীয়া। এনেকুৱা ব্যক্তি আল্লাহৰ দৃষ্টিত অত্যন্ত নিকৃষ্ট, ইয়াৰ কোনো তুলনা নহয়, যদিও সি উচ্চ মৰ্যাদা সম্পন্ন নহওক কিয় আৰু ক্ষমতাশীল নহওক কিয়।

সকলো মানুহেই আদম সন্তান, আৰু আদমক আল্লাহে মাটিৰে সৃষ্টি কৰিছে। গতিকে যাৰ মূল হৈছে মাটি, সি অহংকাৰ কৰাটো শোভা নাপায়। সৰ্বশক্তিমান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ হে মানৱ সম্প্ৰদায়! নিশ্চয় আমি তোমালোকক এজন পুৰুষ আৰু এজনী নাৰীৰ পৰা সৃষ্টি কৰিছোঁ, আৰু তোমালোকক বিভক্ত কৰিছোঁ বিভিন্ন জাতি আৰু গোত্ৰত, যাতে তোমালোকে এজনে আনজনৰ লগত পৰিচিত হ'ব পাৰা। আল্লাহৰ ওচৰত তোমালোকৰ মাজৰ কেৱল সেই ব্যক্তিয়েই বেছি মৰ্যাদাশীল, যিজন তোমালোকৰ মাজত বেছি তাক্বৱা সম্পন্ন। নিশ্চয় আল্লাহ সৰ্বজ্ঞ, সম্যক অৱহিত। (ছুৰা হুজুৰাতঃ ১৩)

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মান-মৰ্যাদা আৰু উচ্চ বংশকলৈ অহংকাৰ কৰা নিষেধ।

(65074)

(241) – عن عائشة رضي الله عنها عن النبي صلى الله عليه وسلم قال: «إِنَّ أَبْغَضَ الرِّجَالِ إِلَى اللهِ الْأَلَدُّ الْخَصِمُ». [صحيح] - [متفق عليه]

(241) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহৰ ওচৰত আটাইতকৈ ঘৃণনীয় ব্যক্তি হৈছে সেইজন, যিজন কলহপ্ৰিয়। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, মহান আল্লাহৰ দৃষ্টিত অত্যন্ত কলহপ্ৰিয় ব্যক্তি হৈছে খুবেই অপছন্দনীয়, যি ব্যক্তিয়ে সত্যক আঁকোৱালি লব নিবিচাৰে; বৰং অযথা তৰ্ক-বিতৰ্কৰ দ্বাৰা প্ৰতিবাদ কৰিবলৈ চেষ্টা কৰে অথবা সত্যৰ পক্ষত বিতৰ্ক কৰে কিন্তু অপ্ৰয়োজনীয় বিতৰ্ক কৰে; আৰু অতিৰিক্ত বিতৰ্ক কৰাৰ কাৰণে ন্যায়ৰ পৰা আঁতৰি যায় তথা ইল্ম বা জ্ঞান নোহোৱাকৈ বিতৰ্ক কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নিৰ্যাতিত ব্যক্তিয়ে আদালতত গৈ চৰীয়ত মুতাবিক নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে যুঁজ দিয়াটো নিন্দনীয়-বিতৰ্কৰ অন্তৰ্ভুক্ত নহয়।
2. তৰ্ক-বিতৰ্ক, বাদ-বিবাদ আদি হৈছে জিভাই কঢ়িয়াই অনা বিপদ। যিটোৱে মুছলিমসকলৰ মাজত বিভাজন আৰু সম্পৰ্ক বিচ্ছিন্ন কৰে।
3. সত্যৰ পক্ষত আৰু উত্তম পদ্ধতিৰে কৰা তৰ্ক-বিতৰ্ক হৈছে প্ৰশংসনীয়। আনহাতে সত্যক প্ৰত্যাখ্যান কৰিবলৈ বা বাতিলক প্ৰতিষ্ঠা কৰিবলৈ কৰা তৰ্ক-বিতৰ্ক হৈছে নিন্দনীয়। লগতে দলীল প্ৰমাণ নোহোৱাকৈ কৰা তৰ্ক-বিতৰ্কও হৈছে নিন্দনীয়।

(5474)

(242) – عن أبي بَكرة رضي الله عنه قال: سمعت رسول الله صلى الله عليه وسلم يقول: «إِذَا الْتَقَى الْمُسْلِمَانِ بِسَيْفَيْهِمَا فَالْقَاتِلُ وَالْمَقْتُولُ فِي النَّارِ»، فَقُلْتُ: يَا رَسُولَ اللهِ هَذَا الْقَاتِلُ، فَمَا بَالُ الْمَقْتُولِ؟ قَالَ: «إِنَّهُ كَانَ حَرِيصًا عَلَى قَتْلِ صَاحِبِهِ». [صحيح] - [متفق عليه]

(242) – আবু বাকৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "যেতিয়া কোনো দুজন মুছলিম ব্যক্তি তৰোৱাল লৈ ইজনে সিজনৰ মুখামুখী হয়, তেতিয়া (জানি থবা) হত্যাকাৰী আৰু নিহত উভয় ব্যক্তিয়েই হৈছে জাহান্নামী।" মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! হত্যাকাৰী জাহান্নামত যাব (এইটো বাৰু বুজিলোঁ) কিন্তু নিহত ব্যক্তি কিয় জাহান্নামত যাব? তেখেতে ক'লেঃ "কাৰণ সিও প্ৰতিপক্ষক হত্যা কৰিবলৈ ইচ্ছুক আছিল।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যেতিয়া দুজন মুছলিম ব্যক্তিয়ে ইজনে সিজনক তৰোৱালেৰে হত্যা কৰিবলৈ মুখামুখী হয়, তেতিয়া হত্যাকাৰী এই কাৰণে জাহান্নামত যাব যে, সি হত্যা কৰিছে। কিন্তু নিহত ব্যক্তিও জাহান্নামত যোৱা কথাটো চাহাবাসকলৰ বোধগম্য নোহোৱাত তেওঁলোকে প্ৰশ্ন কৰিলে, নিহত ব্যক্তি কেনেকৈ জাহান্নামত যাব? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাই দিলে যে, সিও প্ৰতিপক্ষক হত্যা কৰিবলৈ সিমানেই আগ্ৰহী আছিল, হত্যাকাৰীয়ে আগতে পদক্ষেপ লোৱাৰ কাৰণেহে সি হত্যা কৰিব পৰা নাছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যিয়ে অন্তৰেৰে গুনাহৰ নিয়্যত কৰিছে আৰু সেইটো প্ৰতিফলিত কৰিবলৈও উপায় অৱলম্বন কৰিছে তেন্তে সি শাস্তিৰ উপযুক্ত।

2. মুছলিমসকলক পৰস্পৰে কাজিয়া কৰিবলৈ কঠোৰভাৱে নিষেধ কৰিছে আৰু জাহান্নামৰ সতৰ্কবাণী প্ৰদান কৰিছে।
3. সত্য প্ৰতিষ্ঠা কৰিবলৈ মুছলিমসকলৰ মাজত হোৱা যুদ্ধ ইয়াৰ অন্তৰ্ভুক্ত নহয়, যেনে- বিদ্ৰোহীসকলৰ সৈতে কৰা যুদ্ধ আৰু বিপৰ্যয় সৃষ্টিকাৰীসকলৰ সৈতে কৰা যুদ্ধ।
4. কেৱল কাবীৰাহ গুনাহ কৰিলেই কোনো এজন ব্যক্তি কাফিৰ বুলি গণ্য নহয়, কিয়নো হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পৰস্পৰে যুদ্ধ কৰা দুয়োজন ব্যক্তিকেই মুছলিম বুলি উল্লেখ কৰিছে।
5. যি অস্ত্ৰৰ জৰিয়তেই দুজন মুছলিম ব্যক্তি মুখামুখী নহওক কিয়, ইজনে সিজনক হত্যা কৰিলে উভয়েই জাহান্নামী হ'ব। হাদীছত তৰোৱালৰ কথাটো কেৱল উদাহৰণ দিয়াৰ উদ্দেশ্যেহে উল্লেখ হৈছে।

(4304)

(243) – عن أبي موسى الأشعري رضي الله عنه عن النبي صلى الله عليه وسلم قال: «مَنْ حَمَلَ عَلَيْنَا السِّلَاحَ فَلَيْسَ مِنَّا». [صحيح] - [متفق عليه]

(243) – আবু মুছা আশ্বআৰী ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়ে আমাৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰে, সি আমাৰ অন্তৰ্ভুক্ত নহয়। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুছলিমসকলক ভয় দেখুৱাবলৈ বা তেওঁলোকৰ সম্পদ আদি লুটপাত কৰিবলৈ তেওঁলোকৰ ওপৰত অস্ত্ৰ ধাৰণ কৰাৰ পৰা সতৰ্ক কৰিছে। যিয়ে অন্যায়ভাৱে এইটো

কৰিব, সি মহা অপৰাধ কৰিব, লগতে সি এই কাবীৰাহ গুনাহৰ চিকাৰ হৈ  কঠোৰ শাস্তিৰ সন্মুখীন হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এজন মুছলিমক আন এজন মুছলিমৰ সৈতে যুদ্ধত লিপ্ত হোৱাৰ পৰা কঠোৰভাৱে সতৰ্ক কৰা হৈছে।
2. মুছলিমসকলৰ ওপৰত অস্ত্ৰ ধাৰণ কৰা আৰু তেওঁলোকক হত্যা কৰি বিপৰ্যয় সৃষ্টি কৰাটো হৈছে আটাইতকৈ মহা অনৈতিক কৰ্ম তথা মহা বিপৰ্যয়।
3. ন্যায়ভাৱে হত্যা কৰা, যেনে- বিদ্ৰোহকাৰী তথা বিপৰ্যয় সৃষ্টিকাৰীক হত্যা কৰাটো উক্ত সতৰ্কবাণীৰ অন্তৰ্ভুক্ত নহয়।
4. অস্ত্ৰ আদিৰে মুছলিমসকলক ভয় দেখুৱাটোও হাৰাম, যদিও ধেমালিৰ ছলেৰেই নহওক কিয়।

(2997)

(244) – عن عائشة رضي الله عنها قالت: قال النبي صلى الله عليه وسلم: «لَا تَسُبُّوا الْأَمْوَاتَ، فَإِنَّهُمْ قَدْ أَفْضَوْا إِلَى مَا قَدَّمُوا». [صحيح] - [رواه البخاري]

(244) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে মৃত লোকসকলক গালি নাপাৰিবা; কাৰণ সিহঁতে নিজৰ কৰ্মফলৰ ওচৰলৈ গৈ উপনীত হৈছে। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই হাদীছটোত স্পষ্ট কৰিছে যে, মৃত লোকসকলক গালি দিয়া আৰু তেওঁলোকৰ সন্মানহানী কৰা হাৰাম। এনেকুৱা কৰ্ম হৈছে বেয়া চৰিত্ৰৰ পৰিচয়। কাৰণ তেওঁলোকে সেই ঠাইত

গৈ উপনীত হৈছে, যি স্থানলৈ তেওঁলোকে ইতিপূৰ্বে নিজৰ ভাল-বেয়া আমল প্ৰেৰণ কৰিছিল। আনহাতে এইবোৰ গালি-শপনি সিহঁতৰ ওচৰলৈ গৈ নাপায়; বৰং এইবোৰৰ দ্বাৰা কেৱল জীৱিত মানুহকহে কষ্ট দিয়া হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৱে প্ৰমাণ কৰে যে, মৃত ব্যক্তিক গালি-শপনি পাৰা হাৰাম।
2. জীৱিতসকলৰ কল্যাণৰ কাৰণেই মৃতসকলক গালি-শপনি পাৰাৰ পৰা বিৰত থকাৰ নিৰ্দেশ দিয়া হৈছে, যাতে কলহ-বিবাদ আৰু ঘৃণা আদিৰ পৰা সমাজ সুৰক্ষিত থাকে।
3. মৃত লোকসকলক গালি-শপনি পাৰিবলৈ নিষেধ কৰাৰ আন এটা হিকমত হৈছে এই যে, সিহঁতে যি আমল কৰিছে, তাৰ প্ৰতিফল পাবলৈ সিহঁতে ইতিমধ্যে তাত গৈ উপস্থিত হৈছে। গতিকে এতিয়া সিহঁতক গালি পাৰি একো লাভ নাই; বৰং এতিয়া গালি পাৰিলে মৃত ব্যক্তিৰ জীৱিত আত্মীয়সকলেহে কষ্ট পাব।
4. যিটো কথাত মানুহৰ কোনো উপকাৰ নাই, তেনেকুৱা কথা কোৱাটো মানুহৰ বাবে উচিত নহয়।

(5364)

(245) – عن أبي أيوب الأنصاري رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «لَا يَحِلُّ لِرَجُلٍ أَنْ يَهْجُرَ أَخَاهُ فَوْقَ ثَلَاثِ لَيَالٍ، يَلْتَقِيَانِ، فَيُعْرِضُ هَذَا وَيُعْرِضُ هَذَا، وَخَيْرُهُمَا الَّذِي يَبْدَأُ بِالسَّلَامِ». [صحيح] - [متفق عليه]

(245) – আবু আইয়্যুব আল-আনচাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ কোনো মুছলিমৰ বাবে বৈধ নহয় তাৰ ভাইৰ লগত তিনি দিনতকৈ অধিক সময় এনেকুৱাকৈ কথা-বতৰা বন্ধ ৰখা যে, পৰস্পৰৰ সাক্ষাৎ হ'লে, এজনে ইফালে মুখ ঘূৰাই লয় আৰু আনজনে সিফালে মুখ ঘূৰাই লয়। সিহঁত দুজনৰ মাজত উত্তম হৈছে সেইজন ব্যক্তি, যিয়ে প্ৰথমে ছালাম কৰিব। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছত এজন মুছলিম ভাতৃক আন এজন মুছলিম ভাতৃৰ সৈতে তিনি দিনতকৈ অধিক সময় এনেকৈ সম্পৰ্ক ছিন্ন ৰাখিবলৈ নিষেধ কৰিছে যে, দুজনে কেতিয়াবা সাক্ষাৎ হ'লে ইজনে সিজনক ছালাম নকৰে আৰু কথাও নকয়।

এই দুয়োজনৰ মাজত উত্তম ব্যক্তি হৈছে সেইজন, যিয়ে মীমাংসাত আহিবলৈ চেষ্টা কৰিব তথা যিয়ে প্ৰথমে ছালাম কৰিব। এই সম্পৰ্কচ্ছেদৰ দ্বাৰা পাৰস্পৰিক সম্পৰ্কক বুজোৱা হৈছে। পক্ষান্তৰে আল্লাহৰ অধিকাৰ খৰ্ব কৰাৰ কাৰণে যদি কোনোবাই সম্পৰ্ক ছিন্ন কৰি আঁতৰি থাকে তেন্তে সেইটোৰ বাবে কোনো সময় নিৰ্দিষ্ট নাই, যেনে- পাপকৰ্মত লিপ্ত থকাৰ কাৰণে, বিদ‘আতী হোৱাৰ কাৰণে বা অসৎ সংগ গ্ৰহণ কৰাৰ কাৰণে যদি কোনোবাই সম্পৰ্কচ্ছেদ কৰি আঁতৰি থাকে তেন্তে ইয়াৰ বাবে কোনো সময় নিৰ্ধাৰিত নাই; বৰং এইবোৰৰ পৰা সম্পৰ্ক ছিন্ন ৰখাটো হৈছে বিশেষ কোনো কাৰণ আৰু উদ্দেশ্যৰ সৈতে জড়িত, যেতিয়াই সেই কাৰণ দূৰ হ'ব তেতিয়াই সম্পৰ্ক পুনৰ বাহাল হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহৰ স্বাভাৱিক প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি তিনিদিন বা তাতকৈ কম সময়ৰ বাবে সম্পৰ্ক ছিন্ন ৰখাটোক বৈধ ঘোষণা কৰা হৈছে। তিনিদিন পৰ্যন্ত সম্পৰ্ক ছিন্ন ৰখাটো হৈছে ক্ষমাযোগ্য, যাতে এই সময়সীমাৰ ভিতৰতে উক্ত কাৰণ দূৰ হয় আৰু সম্পৰ্ক বাহাল হৈ যায়।
2. ছালামৰ গুৰুত্ব। ছালামে মানুহৰ মনৰ কলুষতা দূৰ কৰি দিয়ে আৰু এইটো হৈছে মুহাব্বতৰ প্ৰতীক।
3. মুছলিমৰ মাজৰ ভাতৃত্ববোধ আৰু মৰম চেনেহ বৃদ্ধি কৰিবলৈ ইছলাম সদায় তৎপৰ।

(5365)

(246) – عن سهل بن سعد رضي الله عنه عن رسول الله صلى الله عليه وسلم قال: «مَنْ يَضْمَنْ لِي مَا بَيْنَ لَحْيَيْهِ وَمَا بَيْنَ رِجْلَيْهِ أَضْمَنْ لَهُ الْجَنَّةَ». [صحيح] - [رواه البخاري]

(246) – ছাহল বিন ছাআদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়ে মোক মুখৰ দুই পাৰিৰ মাজত থকা জিভাৰ আৰু দুই ভৰিৰ মাজত থকা লজ্জাস্থান সুৰক্ষিত ৰখাৰ নিশ্চয়তা প্ৰদান কৰিব, তাক মই জান্নাতৰ নিশ্চয়তা প্ৰদান কৰিম। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যদি এজন মুছলিমে এই দুটা বস্তুক সুৰক্ষিত ৰাখে তেন্তে তেওঁ জান্নাতত প্ৰৱেশ কৰিব।

প্ৰথমটো হৈছে, এনেকুৱা কথাৰ পৰা জিভাক সুৰক্ষিত ৰখা, যি কথা ক'লে আল্লাহ অসন্তুষ্ট হয়।

দ্বিতীয়টো হৈছে, অশ্লীলতাত লিপ্ত হোৱাৰ পৰা লজ্জাস্থানক সুৰক্ষিত ৰখা।

কাৰণ এই দুটা অংগৰ জৰিয়তেই অধিক গুনাহ সংঘটিত হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জিভা আৰু লজ্জাস্থানক হিফাজত কৰাটো হৈছে জান্নাতত প্ৰৱেশ কৰাৰ উপায়।
2. জিভা আৰু লজ্জাস্থানক নিৰ্দিষ্ট কৰাৰ কাৰণ হৈছে, দুনিয়া আৰু আখিৰাতত এই দুটাই হৈছে মানুহৰ বিপদৰ আটাইতকৈ ডাঙৰ উৎস।

(3475)

(247) – عَنْ أَبِي سَعِيدٍ الخُدْرِيَّ رَضِيَ اللَّهُ عَنْهُ -وَكَانَ غَزَا مَعَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ ثِنْتَيْ عَشْرَةَ غَزْوَةً- قَالَ: سَمِعْتُ أَرْبَعًا مِنَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَأَعْجَبْنَنِي، قَالَ: «لاَ تُسَافِرِ المَرْأَةُ مَسِيرَةَ يَوْمَيْنِ إِلَّا وَمَعَهَا زَوْجُهَا أَوْ ذُو مَحْرَمٍ، وَلاَ صَوْمَ فِي يَوْمَيْنِ: الفِطْرِ وَالأَضْحَى، وَلاَ صَلاَةَ بَعْدَ الصُّبْحِ حَتَّى تَطْلُعَ الشَّمْسُ، وَلاَ بَعْدَ العَصْرِ حَتَّى تَغْرُبَ، وَلاَ تُشَدُّ الرِّحَالُ إِلَّا إِلَى ثَلاَثَةِ مَسَاجِدَ: مَسْجِدِ الحَرَامِ، وَمَسْجِدِ الأَقْصَى، وَمَسْجِدِي هَذَا». [صحيح] - [متفق عليه]

(247) – আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে ১২টা যুদ্ধত চামিল হৈছিল, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা চাৰিটা কথা শুনিছোঁ, যিবোৰ মোৰ বহুত পছন্দ হৈছে। তেখেতে কৈছেঃ "স্বামী অথবা মাহৰাম (যাৰ লগত বিবাহ নিষিদ্ধ) অবিহনে কোনো নাৰীয়ে যেন দুদিনৰ দূৰত্বৰ ভ্ৰমণ নকৰে। ঈদুল ফিতৰ আৰু ঈদুল আজহাৰ দিনা কোনো ৰোজা নাই। এইদৰে ফজৰৰ পিছত সূৰ্যোদয় নোহোৱালৈকে আৰু আচৰৰ পিছত সূৰ্যাস্ত নোহোৱালৈকে কোনো নফল নামাজ নাই। এইদৰে তিনিটা মছজিদৰ বাহিৰে বেলেগ কোনো মছজিদলৈ ভ্ৰমণ কৰা উচিত নহয়। সেয়া হৈছেঃ মছজিদে হাৰাম, মছজিদে আকচা আৰু মোৰ এই মছজিদ (অৰ্থাৎ  মছজিদে নবৱী)।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাৰিটা বিষয়ৰ পৰা নিষেধ কৰিছেঃ

প্ৰথমঃ স্বামী বা কোনো মাহৰাম ব্যক্তি লগত নোহোৱাকৈ নাৰীসকলক দুদিনৰ দূৰত্বৰ ভ্ৰমণ কৰিবলৈ নিষেধ কৰিছে। মাহৰাম কোৱা হয় এনেকুৱা নিকটাত্মীয় ব্যক্তিক যাৰ সৈতে বিবাহ স্থায়ীভাৱে নিষিদ্ধ। যেনে- পুত্ৰ, পিতা, ভতিজা, ভাগিন, খুৰা, মোমাই আদি।

দ্বিতীয়ঃ ঈদুল ফিতৰ আৰু ঈদুল আজহাৰ দিনা ৰোজা ৰাখিবলৈ নিষেধ কৰিছে। মান্নতৰ ৰোজাই হওক বা নফল ৰোজা নাইবা কাফফাৰাৰ ৰোজা।

তৃতীয়ঃ আচৰৰ পিছত সূৰ্যাস্ত নোযোৱালৈকে আৰু ফজৰৰ পিছত সূৰ্যোদয় নোহোৱালৈকে নফল নামাজ পঢ়িবলৈ নিষেধ কৰিছে।

চতুৰ্থঃ তিনিটা মছজিদৰ বাহিৰে বেলেগ কোনো ঠাইতে নামাজ পঢ়াৰ উদ্দেশ্যে ভ্ৰমণ কৰা উচিত নহয়, এই বুলি যে সেই ঠাইৰ কিবা বিশেষ ফজিলত আছে বা তাত গ'লে বেছি ছোৱাব পোৱা যাব। গতিকে কেৱল এই তিনিটা মছজিদত নামাজ পঢ়িলেহে অধিক ছোৱাব পোৱা যায়, সেয়া হৈছেঃ মছজিদে হাৰাম, মছজিদে নবৱী আৰু মছজিদে আকচা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মাহৰাম অবিহনে নাৰীয়ে ভ্ৰমণ কৰা বৈধ নহয়।
2. ভ্ৰমণৰ ক্ষেত্ৰত এজনী নাৰী আন এজনী নাৰীৰ বাবে মাহৰাম নহয়। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াত "স্বামী অথবা মাহৰাম" থাকিব লাগিব বুলি উল্লেখ কৰিছে।
3. ভ্ৰমণ হিচাপে জনাজাত কোনো ভ্ৰমণেই নাৰীয়ে স্বামী অথবা মাহৰাম নোহোৱাকৈ কৰিব নোৱাৰিব। এই হাদীছটো প্ৰশ্নকাৰীৰ অৱস্থা আৰু তেওঁৰ পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি কৈছে।
4. নাৰীৰ মাহৰাম হৈছে তাইৰ স্বামী, অথবা এনেকুৱা নিকটাত্মীয় ব্যক্তি যাৰ সৈতে স্থায়ীভাৱে বিবাহ নিষিদ্ধ। যেনে- পিতা, পুত্ৰ, খুৰা-বৰতা, মোমাই, দুগ্ধপানৰ ফালৰ পৰা পিতৃ, খুৰা, এইদৰে শশুৰ। মাহৰাম মুছলিম হ'ব লাগিব, প্ৰাপ্তবয়স্ক আৰু বিশ্বস্ত হ'ব লাগিব। মাহৰাম লগত থকা উদ্দেশ্য হৈছে নাৰীৰ যাৱতীয় দিশৰ সুৰক্ষা সুনিশ্চিত কৰা।

5. ইছলামী চৰীয়তে নাৰীসকলৰ হিফাজত সুৰক্ষাৰ প্ৰতি বিশেষ মনোযোগ দিছে।
6. ফজৰ আৰু আচৰৰ পিছত কোনো ধৰণৰ নফল নামাজ পঢ়াই উচিত নহয়। কিন্তু ফৰজ নামাজৰ কাজা আদায় কৰা আৰু কোনো কাৰণবিশিষ্ট্য নামাজ পঢ়াৰ বিষয়টো সুকীয়া, যেনে তাহয়াতুল মাছজিদ ইত্যাদি।
7. সূৰ্যোদয় হোৱাৰ সময়ত বা উদয় হোৱাৰ পিছত লগে লগে নামাজ পঢ়া নিষিদ্ধ। বৰং এক বৰ্শা পৰিমাণ ওপৰলৈ উঠাৰ পিছতহে পঢ়িব লাগে। অৰ্থাৎ দহ, পোন্ধৰ মিনিটমান পিছত।
8. আচৰৰ সময় সূৰ্যাস্ত পৰ্যন্ত থাকে।
9. তিনিখন মছজিদলৈ ছোৱাবৰ নিয়্যতেৰে ভ্ৰমণ কৰা বৈধ।
10. এই তিনিখন মছজিদৰ ফজিলত অন্যান্য মছজিদতকৈ পৃথক।
11. কবৰ জিয়াৰতৰ উদ্দেশ্যে ভ্ৰমণ কৰা বৈধ নহয়, যদিও নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰেই নহওক কিয়। মদীনাত অৱস্থান কৰা ব্যক্তিয়ে জিয়াৰত কৰিবলৈ যেতিয়াই তেতিয়াই যাব পাৰে, অথবা বেলেগ কোনো বৈধ কামত গৈ জিয়াৰত কৰি আহিব পাৰে তাত কোনো বাধা নাই।

(10603)

(248) – عن أسامة بن زيد رضي الله عنهما عن النبي صلى الله عليه وسلم قال: «مَا تَرَكْتُ بَعْدِي فِتْنَةً أَضَرَّ عَلَى الرِّجَالِ مِنَ النِّسَاءِ». [صحيح] - [متفق عليه]

(248) – উছামাহ বিন ঝায়েদ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মোৰ মৃত্যুৰ পিছত পুৰুষসকলৰ ওপৰত আটাইতকৈ ডাঙৰ ক্ষতিকাৰক ফিতনা হ’ব নাৰী জাতি। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, তেখেতৰ মৃত্যুৰ পিছত পুৰুষসকলৰ বাবে আটাইতকৈ ডাঙৰ পৰীক্ষা হ'ব নাৰী সমাজ। কাৰণ নাৰী স্ত্ৰী হ'লে তাইৰ অনুসৰণত সি চৰীয়তৰ বিৰোধিতাও কৰিব পাৰে। আনহাতে যদি অপৰিচিত হয় তেন্তে তাইৰ অবাধ মিশ্ৰিত বিচৰণে সমাজত বিশৃংখলা সৃষ্টি কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. গতিকে মুছলিমসকলে নাৰীসকলৰ ফিতনাৰ পৰা সতৰ্ক থকা উচিত। লগতে প্ৰত্যেক ফিতনাৰ দুৱাৰ বন্ধ কৰি দিব লাগে।
2. সেয়ে মুমিনসকলে আল্লাহৰ ৰচীক মজবুতভাৱে ধাৰণ কৰা উচিত। লগতে ফিতনাৰ পৰা নিজকে ৰক্ষা কৰি আল্লাহৰ প্ৰতি ধাৱিত হোৱা উচিত।

(5830)

(249) – عَن عَبْدِ اللَّهِ بنِ مَسْعُودٍ رَضِيَ اللَّهُ عَنْهُ قَالَ: كُنَّا مَعَ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، فَقَالَ: «مَنِ اسْتَطَاعَ البَاءَةَ فَلْيَتَزَوَّجْ، فَإِنَّهُ أَغَضُّ لِلْبَصَرِ، وَأَحْصَنُ لِلْفَرْجِ، وَمَنْ لَمْ يَسْتَطِعْ فَعَلَيْهِ بِالصَّوْمِ، فَإِنَّهُ لَهُ وِجَاءٌ». [صحيح] - [متفق عليه]

(249) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আমি এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ লগত আছিলোঁ, তেতিয়া তেখেতে কৈছিলঃ বিবাহ কৰিবলৈ যাৰ সামৰ্থ আছে, তেওঁ বিবাহ কৰি লোৱা উচিত। কাৰণ বিবাহে দৃষ্টি সংযত ৰাখে আৰু লজ্জাস্থান সুৰক্ষিত ৰাখে। আনহাতে যাৰ সামৰ্থ নাই তেওঁ ৰোজা পালন কৰা উচিত। কাৰণ ৰোজাই প্ৰবৃত্তিৰ কামনা-বাসনাক প্ৰতিৰোধ কৰে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেই ব্যক্তিক বিবাহৰ প্ৰতি উৎসাহিত কৰিছে, বিবাহ কৰিবলৈ যাৰ শাৰীৰিক আৰু আৰ্থিক সামৰ্থ আছে। কাৰণ দৃষ্টিক হাৰামৰ পৰা সুৰক্ষিত ৰাখিবলৈ আৰু লজ্জাস্থানক হিফাজত কৰিবলৈ এইটো হৈছে  এটা অন্যতম উপায়। লগতে অশ্লীলতাত লিপ্ত হোৱাৰ পৰা ই বিৰত ৰাখে। আনহাতে যাৰ শাৰীৰিক সক্ষমতা আছে কিন্তু আৰ্থিক সক্ষমতা নাই তেনেকুৱা ব্যক্তিয়ে ৰোজা ৰখা উচিত। কাৰণ ইয়াৰ ফলত প্ৰবৃত্তিৰ কামনা-বাসনা বিচ্ছিন্ন হয় আৰু বীৰ্য্যৰ অনিষ্টতা দূৰ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অশ্লীলতা তথা পাপকৰ্মৰ পৰা ৰক্ষা কৰিবলৈ ইছলাম সদায় তৎপৰ।
2. বিবাহ কৰিবলৈ যাৰ আৰ্থিক সামৰ্থ নাই, তাক ৰোজা ৰাখিবলৈ উৎসাহিত কৰিছে। কাৰণ ইয়াৰ ফলত কামনা-বাসনা হ্ৰাস পায়।

3. ৰোজাক বন্ধ্যাকৰণৰ সৈতে সাদৃশ্য দিয়াৰ কাৰণ হৈছে, বন্ধ্যাকৰণত অণ্ডকোষক চেপেটা কৰি নিষ্ক্ৰিয় কৰি দিয়া হয়। ফলত যৌনশক্তি নাইকিয়া হৈ যায়। এইদৰে ৰোজা ৰাখিলে যৌনমিলনৰ চাহিদা সম্বৰণ হয়।

(5863)

(250) – عَنْ أَبِي سَعِيدٍ الْخُدْرِيِّ رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِنَّ الدُّنْيَا حُلْوَةٌ خَضِرَةٌ، وَإِنَّ اللهَ مُسْتَخْلِفُكُمْ فِيهَا، فَيَنْظُرُ كَيْفَ تَعْمَلُونَ، فَاتَّقُوا الدُّنْيَا وَاتَّقُوا النِّسَاءَ، فَإِنَّ أَوَّلَ فِتْنَةِ بَنِي إِسْرَائِيلَ كَانَتْ فِي النِّسَاءِ». [صحيح] - [رواه مسلم]

(250) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "নিশ্চয় পৃথিৱী হৈছে সুমধুৰ সেউজ-শ্যামল। এই কথাও নিশ্চিত যে, আল্লাহে তোমালোককে ইয়াৰ উত্তৰাধিকাৰী বনাইছে, যাতে তেওঁ তোমালোকক চাব পাৰে যে, তোমালোকে কেনেকুৱা আমল কৰা। গতিকে পাৰ্থিৱ বিষয় সম্পৰ্কে সতৰ্ক থাকিবা আৰু নাৰীৰ পৰাও সতৰ্ক থাকিবা। কিয়নো বনী ইছৰাঈলৰ প্ৰথম ফিতনা আছিল নাৰীৰ ফিতনা।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, পৃথিৱীৰ সোৱাদ হৈছে মিঠা, দেখাত হৈছে সেউজ-শ্যামল। ফলত মানুহে ইয়াৰ মোহত পৰি প্ৰৱঞ্চনাৰ চিকাৰ হয় আৰু ইয়াত ইমানেই নিমগ্ন হৈ পৰে যে, ইয়াকেই নিজৰ সমগ্ৰ মনোযোগৰ কেন্দ্ৰবিন্দু বনাই লয়। অথচ আল্লাহে এই পৃথিৱীত আমাৰ মাজৰ কিছুমানক আন কিছুমানৰ উত্তৰাধিকাৰী বনাইছে, যাতে তেওঁ এইটো নিৰীক্ষা কৰিব পাৰে যে, আমি কেনেকুৱা আমল কৰোঁ। অৰ্থাৎ আমি তেওঁৰ আনুগত্য কৰোঁ নে অবাধ্যতা কৰোঁ। ইয়াৰ পিছত তেখেতে কৈছেঃ তোমালোকে সতৰ্ক

থাকিবা, পৃথিৱীৰ সা-সামগ্ৰী আৰু ইয়াৰ মনোমোহা সৌন্দৰ্য্যই যাতে তোমালোকক প্ৰৱঞ্চনা কৰিব নোৱাৰে। অন্যথা ই তোমালোকক আল্লাহৰ আদেশ পালনত বাধা প্ৰদান কৰিব আৰু তেওঁৰ নিষেধকৃত বিষয়সমূহত লিপ্ত হ'বলৈ উৎসাহিত কৰিব। পৃথিৱীৰ যিবোৰ ফিতনাৰ পৰা সকলোতকৈ বেছি সতৰ্ক থকা জৰুৰী, তাৰে আটাইতকৈ ডাঙৰ ফিতনাটো হৈছে নাৰীৰ ফিতনা। কাৰণ বনী ইছৰাঈলৰ প্ৰথম ফিতনাটোৱে আছিল নাৰীৰ ফিতনা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তাক্বৱাৰ পথত পৰিচালিত হ'বলৈ উৎসাহিত কৰা হৈছে। লগতে পৃথিৱীৰ আকৰ্ষণ আৰু ইয়াৰ সৌন্দৰ্য্যৰ প্ৰতি নিমগ্ন হোৱাৰ পৰা সতৰ্ক কৰা হৈছে।
2. বিশেষকৈ নাৰীৰ ফিতনাৰ পৰা সতৰ্ক কৰা হৈছে। উদাহৰণস্বৰূপে গাইৰ মাহৰাম নাৰীৰ প্ৰতি দৃষ্টিপাত কৰা আৰু সিহঁতৰ সৈতে মিশ্ৰিত পৰিৱেশত বা নিৰ্জনতাত সময় কটাবলৈ সতৰ্ক কৰা হৈছে।
3. নাৰীৰ ফিতনা হৈছে পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফিতনা।
4. পূৰ্বৱৰ্তী উম্মতসমূহৰ পৰা আমি শিক্ষা লোৱা উচিত। কাৰণ বনী ইছৰাঈলৰ সৈতে যি যি সংঘটিত হৈছে সেয়া আনৰ সৈতেও হ'ব পাৰে।
5. নাৰীৰ ফিতনাৰ বিভিন্ন ৰূপ হ'ব পাৰে। যেনে- স্ত্ৰী হ'লে কেতিয়াবা কেতিয়াবা স্বামীক ইমান পৰিমাণ ধন ব্যয় কৰাবলৈ বাধ্য কৰে যিমান ব্যয় কৰাৰ সামৰ্থ স্বামীৰ নাই। যাৰ ফলত সি ধৰ্মীয় কামত সময় উলিয়াব নোৱাৰে আৰু সম্পদ উপাৰ্জনৰ তাড়নাত সদায় ব্যস্ত থাকে। আনহাতে অপৰিচিত নাৰীৰ ফিতনা হৈছে, পুৰুষসকলক নিজৰ প্ৰতি আকৃষ্ট কৰিবলৈ সৌন্দৰ্য্য অৱলম্বন কৰি বেপৰ্দা হৈ ঘৰৰ পৰা ওলোৱা আৰু মিশ্ৰিত পৰিৱেশত ঘূৰা-ফুৰা কৰা। ইয়াৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ ব্যভিচাৰৰ দুৱাৰ উন্মুক্ত হয়।

গতিকে নাৰীৰ ফিতনাৰ পৰা সুৰক্ষিত থাকিবলৈ মুমিন বান্দাই আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰা উচিত।

(3053)

(251) – عَنْ مُعَاوِيَةَ الْقُشَيْرِيِّ رضي الله عنه قَالَ: قُلْتُ: يَا رَسُولَ اللَّهِ، مَا حَقُّ زَوْجَةِ أَحَدِنَا عَلَيْهِ؟، قَالَ: «أَنْ تُطْعِمَهَا إِذَا طَعِمْتَ، وَتَكْسُوَهَا إِذَا اكْتَسَيْتَ، أَوِ اكْتَسَبْتَ، وَلَا تَضْرِبِ الْوَجْهَ، وَلَا تُقَبِّحْ، وَلَا تَهْجُرْ إِلَّا فِي الْبَيْتِ» [حسن] - [رواه أبو داود وابن ماجه وأحمد]

(251) – মুআৱিয়া আল-কুশ্বাইৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ক'লোঁ, হে আল্লাহৰ ৰাছুল! আমাৰ ওপৰত আমাৰ স্ত্ৰীসকলৰ প্ৰাপ্য (অধিকাৰ) কি? তেখেতে ক'লেঃ "যেতিয়া তুমি আহাৰ কৰিবা, তেতিয়া তাইকো আহাৰ কৰাবা। এইদৰে যেতিয়া তুমি পৰিধান কৰিবা অথবা উপাৰ্জন কৰিবা তেতিয়া তাইকো পৰিধান কৰাবা। মুখমণ্ডলত নামাৰিবা, বেয়া ভাষাৰে গালি নাপাৰিবা, পৃথক ৰাখিবলগীয়া হ'লে ঘৰতে পৃথক ৰাখিবা।" [হাছান] - [(আবু দাঊদ,ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

স্বামীৰ ওপৰত থকা স্ত্ৰীৰ হক সম্পৰ্কে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰাত, তেখেতে কেইবাটাও বিষয় উল্লেখ কৰিছে। যেনে-

প্ৰথমঃ তাইক এৰি কেৱল নিজে ভাল ভাল খাদ্য খাব নালাগে, বৰং তাইকো খোৱাব লাগে।

দ্বিতীয়ঃ ভাল কাপোৰ কানি কেৱল নিজে পিন্ধিলেই নহ'ব, বৰং তাইকো ভাল কাপোৰ পিন্ধাব লাগিব, যদি উপাৰ্জন থাকে তথা সক্ষম হয়।

তৃতীয়ঃ অপ্ৰয়োজনীয় মাৰধৰ কৰিব নালাগে। যদি শাসনমূলক মাৰিবলগীয়া হয় অথবা কোনো ফৰজ ত্যাগ কৰাৰ কাৰণে শাস্তি বিহিব

লগা হয় তেন্তে লঘু শাস্তি বিহিব লাগে, যাতে গুৰুতৰ আঘাতপ্ৰাপ্ত নহয়। এইদৰে মুখমণ্ডলত মাৰিব নালাগে। কাৰণ মুখমণ্ডল হৈছে উৎকৃষ্ট তথা প্ৰকাশ্য অংগ। লগতে ইয়াত আছে কিছুমান গুৰুত্বপূৰ্ণ আৰু কোমল অংগ।

চতুৰ্থঃ বেয়া ভাষাৰে গালি শপনি পাৰিব নালাগে। অথবা বদ্দুআ দিব নালাগে। এইদৰে শৰীৰৰ কোনো অংগকলৈ ভেঙুচালি কৰিব নালাগে। কাৰণ আল্লাহেই মানুহৰ মুখমণ্ডল আৰু শৰীৰৰ আকৃতি প্ৰদান কৰিছে। তেওঁৰ প্ৰতিটো সৃষ্টিয়েই সৰ্বোত্তম। এতেকে তেওঁৰ সৃষ্টিক ভেঙুচালি কৰা মানে আল্লাহক ভেঙুচালি কৰা বুজায়। (এনেকুৱা আচৰণৰ পৰা আমি আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ।)

পঞ্চমঃ পৃথক কৰিবলগীয়া হ'লে কেৱল বিছনা পৃথক কৰি দিবা। বেলেগ ঘৰলৈ স্থানান্তৰ নকৰিবা। এইটো সাধাৰণতে তেতিয়া হয় যেতিয়া স্বামী স্ত্ৰীৰ মাজত সৰু সুৰা বিবাদ হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চাহাবাসকলে নিজৰ ওপৰত থকা বেলেগৰ অধিকাৰ সম্পৰ্কে জানিবলৈ খুবেই আগ্ৰহী আছিল, লগতে আনৰ ওপৰত থকা নিজৰ হক সম্পৰ্কে জানিবলৈও আগ্ৰহী আছিল।
2. স্ত্ৰীৰ ভৰণ-পোষণ, বাসস্থান, থকা-খোৱা আদি স্বামীৰ ওপৰত অনিবাৰ্য্য।
3. শাৰীৰিক মানসিক সকলো প্ৰকাৰ বেয়া আচৰণৰ পৰা নিষেধ কৰা হৈছে।
4. মানসিক নিৰ্যাতনৰ অন্যতম এটা প্ৰকাৰ হৈছে এইদৰে কোৱা যে, তুমি হৈছা নিকৃষ্ট গোত্ৰৰ মানুহ, অথবা তোমাৰ বংশ হৈছে বেয়া বংশ ইত্যাদি ধৰণৰ কথা।

(58093)

(252) – عَنْ أَبِي سَعِيدٍ الخُدْرِيِّ رضي الله عنه قَالَ: خَرَجَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فِي أَضْحَى أَوْ فِطْرٍ إِلَى المُصَلَّى، فَمَرَّ عَلَى النِّسَاءِ، فَقَالَ: «يَا مَعْشَرَ النِّسَاءِ، تَصَدَّقْنَ، فَإِنِّي أُرِيتُكُنَّ أَكْثَرَ أَهْلِ النَّارِ» فَقُلْنَ: وَبِمَ يَا رَسُولَ اللَّهِ؟ قَالَ: «تُكْثِرْنَ اللَّعْنَ، وَتَكْفُرْنَ العَشِيرَ، مَا رَأَيْتُ مِنْ نَاقِصَاتِ عَقْلٍ وَدِينٍ أَذْهَبَ لِلُبِّ الرَّجُلِ الحَازِمِ مِنْ إِحْدَاكُنَّ»، قُلْنَ: وَمَا نُقْصَانُ دِينِنَا وَعَقْلِنَا يَا رَسُولَ اللَّهِ؟ قَالَ: «أَلَيْسَ شَهَادَةُ المَرْأَةِ مِثْلَ نِصْفِ شَهَادَةِ الرَّجُلِ» قُلْنَ: بَلَى، قَالَ: «فَذَلِكِ مِنْ نُقْصَانِ عَقْلِهَا، أَلَيْسَ إِذَا حَاضَتْ لَمْ تُصَلِّ وَلَمْ تَصُمْ» قُلْنَ: بَلَى، قَالَ: «فَذَلِكِ مِنْ نُقْصَانِ دِينِهَا». [صحيح] - [متفق عليه]

(252) – আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এবাৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম ঈদুল আজহা অথবা ঈদুল ফিতৰত ঈদগাহলৈ আহিল। তাত তেখেতে নাৰীসকলৰ ওচৰলৈ গৈ ক'লেঃ "হে নাৰী সমাজ! তোমালোকে বেছি বেছি চাদাক্বাহ কৰা। কাৰণ জাহান্নামৰ অধিবাসীসকলৰ মাজত মই তোমালোকৰ সংখ্যা অধিক দেখিছোঁ।" তেতিয়া তেওঁলোকে সুধিলে, হে আল্লাহৰ ৰাছুল! ইয়াৰ কাৰণ কি? তেখেতে ক'লেঃ "কাৰণ তোমালোকে অভিশাপ বেছি দিয়া আৰু স্বামীৰ অকৃতজ্ঞ হোৱা। বুদ্ধি আৰু দ্বীনৰ ক্ষেত্ৰত ত্ৰুটি থকা সত্ত্বেও এজন সদায় সতৰ্ক থকা ব্যক্তিৰ বুদ্ধি হৰণৰ ক্ষেত্ৰত তোমালোকতকৈ পাৰদৰ্শী মই আন কাকো দেখা নাই।" তেওঁলোকে সুধিলেঃ হে আল্লাহৰ ৰাছুল! বুদ্ধি আৰু দ্বীনৰ ক্ষেত্ৰত আমাৰ কি ত্ৰুটি আছে? তেখেতে ক'লেঃ "এজনী নাৰীৰ সাক্ষ্য এজন পুৰুষৰ সাক্ষ্যৰ তুলনাত অৰ্দ্ধেক নহয়নে?" তেওঁলোকে ক'লেঃ হয়, নিশ্চয়। তেখেতে ক'লেঃ "এইটো হৈছে বুদ্ধিৰ ত্ৰুটি। এইদৰে যেতিয়া কোনো নাৰী হায়েজ অৱস্থাত উপনীত হয়, তেতিয়া নামাজ ৰোজাৰ পৰা বিৰত নাথাকেনে?" তেওঁলোকে ক'লেঃ হয়, নিশ্চয়। "এইটো হৈছে তাইৰ দ্বীনৰ ত্ৰুটি।" [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঈদৰ দিনা ঈদগাহলৈ ওলাই আহিল। তেখেতে নাৰীসকলক পৃথককৈ ভাষণ দিব বুলি আগতীয়াকৈ কথা দিছিল। সেয়ে তেখেতে সেইদিনা সেইটো পূৰণ কৰিছিল। তেখেতে তেওঁলোকক নছীহত কৰি কৈছিলঃ হে নাৰী সমাজ! তোমালোকে বেছি বেছি চাদাক্বাহ কৰা আৰু অধিক পৰিমাণে ক্ষমা প্ৰাৰ্থনা কৰা। কাৰণ এইটো হৈছে গুনাহ মাফ হোৱাৰ অন্যতম এটা ডাঙৰ উপায়। কাৰণ মই ইছৰাৰ ৰাতি জাহান্নামত আটাইতকৈ বেছি নাৰীসকলক দেখিছোঁ।

নাৰীসকলৰ মাজৰ পৰা এজনী বুদ্ধিমান নাৰীয়ে সুধিলেঃ হে আল্লাহৰ ৰাছুল! জাহান্নামত আমাৰ সংখ্যা (নাৰীসকলৰ সংখ্যা)অধিক হোৱাৰ কাৰণ কি?

তেখেতে ক'লেঃ এয়া কেইবাটাও কাৰণত হ'ব, যেনে- তোমালোকে গালি শপনি বেছি পাৰা আৰু অভিশাপ বেছি দিয়া। এইদৰে স্বামীৰ অধিকাৰ নসাৎ কৰা আৰু অকৃতজ্ঞ হোৱা। ইয়াৰ পিছত তেখেতে সিহঁতৰ আৰু এটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰি কৈছেঃ তোমালোকৰ দ্বীন আৰু বিবেক বুদ্ধিত ত্ৰুটি থকা সত্ত্বেও, কোনো এজন বুদ্ধিমান বিবেক সম্পন্ন তথা সদায় সতৰ্ক থকা লোকৰ বুদ্ধি হৰণৰ ক্ষেত্ৰত তোমালোকতকৈ অধিক চতুৰ মই আন কাকো দেখা নাই।

প্ৰশ্ন কৰিলেঃ হে আল্লাহৰ ৰাছুল! দ্বীন আৰু বিবেক বুদ্ধিৰ ক্ষেত্ৰত কি ত্ৰুটি আছে আমাৰ?

তেখেতে কলেঃ যিহেতু দুজনী নাৰীৰ সাক্ষ্য হৈছে এজন পুৰুষৰ সাক্ষ্যৰ সমান। সেয়ে এইটো হৈছে বিবেক বুদ্ধিৰ ত্ৰুটি। দ্বীনৰ ক্ষেত্ৰত ত্ৰুটিৰ অৰ্থ হৈছে নেক কৰ্মৰ হ্ৰাস। কাৰণ মহিলাসকলে কিছুমান দিন আৰু ৰাতি এনেদৰে পাৰ কৰে যেতিয়া তেওঁলোকে ঋতুস্ৰাৱৰ কাৰণে নামাজ নপঢ়ে আৰু ৰমাজান মাহত ৰোজা ৰাখিব নোৱাৰে। এইটোৱে হৈছে দ্বীনৰ ক্ষেত্ৰত ত্ৰুটি। কিন্তু ইয়াৰ বাবে তেওঁলোকক দোষাৰোপ কৰা নহ'ব তথা জবাবদিহি কৰা নহ'ব, কাৰণ এইটো হৈছে তেওঁলোকৰ প্ৰাকৃতিক এটা বিষয়। উদাহৰণস্বৰূপে যিদৰে ধনৰ প্ৰতি মানুহৰ মোহ থাকে, আৰু সিহঁতে নিজৰ কাম দ্ৰুত সম্পন্ন হোৱাটো বিচাৰে, লগতে

সিহঁতৰ মাজত অজ্ঞতা থাকে... আৰু এনে ধৰণৰ অন্যান্য বিষয়। কিন্তু ইয়াত সতৰ্ক কৰা হৈছে, যাতে ইয়াৰ ফলত কোনো ফিতনা (ধাৰ্মিক পৰীক্ষা) নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মহিলাসকলে ঈদগাহত যোৱাটো পছন্দনীয় তথা সিহঁতক পৃথককৈ ভাষণ দিয়াও মুস্তাহাব।
2. স্বামীৰ অকৃতজ্ঞ হোৱা আৰু অধিক অভিশাপ দিয়াটো হৈছে কাবীৰাহ গুনাহ। কিয়নো ইয়াৰ ফলত যিহেতু জাহান্নামৰ শাস্তিৰ কথা কোৱা হৈছে, সেয়ে এনেকুৱা গুনাহ কাবীৰাহ গুনাহ হোৱাৰ প্ৰতি ইংগিত কৰে।
3. ইয়াত ঈমান বৃদ্ধি আৰু হ্ৰাসৰ বৰ্ণনা হৈছে। যিয়ে যিমান ইবাদত কৰিব তাৰ ঈমান আৰু দ্বীনি তৎপৰতা সিমানে বাঢ়িব। যিয়ে ইবাদত কম কৰিব তাৰ দ্বীন হ্ৰাস পাব।
4. ইমাম নাৱাৱীয়ে কৈছে: বুদ্ধি বাঢ়ে আৰু কমে, ঠিক সেইদৰে ইমানো বাঢ়ে আৰু হ্ৰাস হয়। মহিলাসকলৰ ক্ৰুটিৰ বিষয়টো উল্লেখ কৰি তেওঁলোকক দোষী সাব্যস্ত কৰা হোৱা নাই, কাৰণ এইটো তেওঁলোকৰ প্ৰাকৃতিক গঠনৰ কাৰণে হয়। বৰং এইটো উল্লেখ কৰাৰ উদ্দেশ্য হৈছে, এই ক্ষেত্ৰত তেওঁলোকক সজাগ কৰি ৰখা, যাতে তেওঁলোকৰ পৰা কোনো ফিতনা নহয়। সেয়েহে শাস্তি সেই ক্ষেত্ৰত আৰোপ কৰা হৈছে, য'ত কুফৰ আৰু অন্যান্য পাপকৰ্ম হয়, তেওঁলোকৰ প্ৰাকৃতিক ক্ৰুটিৰ কাৰণে শাস্তি ঘোষণা কৰা হোৱা নাই। দ্বীনি ক্ষেত্ৰত ক্ৰুটি কেৱল এইখিনি বিষয়তে সীমাবদ্ধ নহয়, যাৰ দ্বাৰা পাপ হয়, বৰং ইয়াৰ বাহিৰেও বহুতো দিশ আছে।
5. ইয়াৰ পৰা এইটো বুজা যায় যে, যদি কোনো ছাত্ৰই কোনো কথা বুজি নাপায়, তেন্তে শিক্ষকক প্ৰশ্ন কৰিব লাগে আৰু সেই বিষয়ে চৰ্চা কৰিব লাগে।

6. ইয়াত এই বিষয়টোও স্পষ্ট হ'ল যে, নাৰীসকলৰ সাক্ষ্য হৈছে পুৰুষৰ সাক্ষ্যৰ অৰ্দ্ধেক। কাৰণ সিহঁতৰ আয়ত্ত্ব ক্ষমতা কম।

7. "বুদ্ধি আৰু দ্বীনৰ ক্ষেত্ৰত ত্ৰুটি থকা সত্ত্বেও এজন সদায় সতৰ্ক থকা ব্যক্তিৰ বুদ্ধি হৰণৰ ক্ষেত্ৰত তোমালোকতকৈ পাৰদৰ্শী মই আন কাকো দেখা নাই।" ইবনে হাজাৰে হাদীছৰ এই বাক্যটোৰ বিষয়ে কৈছেঃ এনেকুৱা লাগে যেনিবা এইটো সেইবোৰ কাৰণসমূহৰ অন্যতম, যিবোৰ কাৰণত সিহঁতৰ সংখ্যা জাহান্নামত বেছি হ'ব। কিয়নো যদি সিহঁতে এজন বুদ্ধিমান পুৰুষৰ বিবেকক ইমান তললৈ নমাই আনিব পাৰে যে, যাৰ ফলত সি এনেকুৱা কাম কৰি বহে বা এনেকুৱা কথা কয়, যিটো সি কৰিব বা ক'ব নালাগিছিল। যদি সি এনেকুৱা কাম কৰি বহে, তেন্তে সেই গুনাহত সেই নাৰীও চামিল হয়, ফলত তাইৰ গুনাহ বৃদ্ধি হয়।

8. হায়েজ অৱস্থাত আৰু এইদৰে নিফাছ অৱস্থাত নাৰীসকলে নামাজ ৰোজা কৰা হাৰাম। কিন্তু পৱিত্ৰ হোৱাৰ পিছত কেৱল ৰোজা কাজা পালন কৰিব লাগিব।

9. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কোনো ধৰণৰ ভৰ্ৎসনা আৰু কঠোৰতা অৱলম্বন নকৰাকৈ নাৰীসকলৰ প্ৰশ্নৰ সুন্দৰকৈ উত্তৰ প্ৰদান কৰিছিল।

10. ইবনু হাজাৰে কৈছেঃ চাদাক্বাহৰ ফলত শাস্তি দূৰ হয়। আনকি ইয়াৰ ফলত বান্দাসকলৰ গুনাহ মোচন হয়।

11. ইমাম নাৱাৱীয়ে কৈছেঃ নাৰীসকলৰ দ্বীনি ক্ষেত্ৰত ত্ৰুটিৰ কাৰণ হৈছে, সিহঁতে হায়েজৰ সময়ছোৱাত নামাজ ৰোজা কৰিব নোৱাৰে। সেয়ে, যিয়ে যিমান বেছি ইবাদত কৰে তাৰ ঈমান আৰু দ্বীন সিমানেই বৃদ্ধি পায়। যাৰ ইবাদত কম হয়, তাৰ দ্বীন হ্ৰাস হয়। দ্বীনি ক্ষেত্ৰত ত্ৰুটি কেতিয়াবা এনেকুৱা কাৰণত হয়, যিটো গুনাহৰ কাৰণ হয়। যেনে- কোনো উপযুক্ত কাৰণ নোহোৱাকৈ নামাজ

ৰোজা তথা ইবাদত ত্যাগ কৰা। আকৌ কেতিয়াবা গুনাহ নহয়, যেনে- কাৰণ নোহোৱাকৈ জুমাত অংশ গ্ৰহণ নকৰা অথবা যুদ্ধত চামিল নোহোৱা। আকৌ কেতিয়াবা ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে, যেনে- হায়েজ অৱস্থা নামাজ ৰোজা ত্যাগ কৰা।

(10011)

(253) – عَنْ عُقْبَةَ بْنِ عَامِرٍ رضي الله عنه أَنَّ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «**إِيَّاكُمْ وَالدُّخُولَ عَلَى النِّسَاءِ**» فَقَالَ رَجُلٌ مِنَ الأَنْصَارِ: يَا رَسُولَ اللَّهِ، أَفَرَأَيْتَ الحَمْوَ؟ قَالَ: «**الحَمْوُ المَوْتُ**».

[صحيح] - [متفق عليه]

(253) – উক্কবাহ বিন আমিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে নাৰীসকলৰ ওচৰলৈ যোৱাৰ পৰা বিৰত থাকা।" এজন আনচাৰী ব্যক্তিয়ে সুধিলে, হে আল্লাহৰ ৰাছুল! দেৱৰ সম্পৰ্কে আপোনাৰ অভিমত কি? তেখেতে ক'লেঃ "দেৱৰ হৈছে মৃত্যু সমতুল্য"। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

গাইৰ মাহৰাম (এনেকুৱা নাৰী যাৰ সৈতে বিবাহ বৈধ) নাৰীৰ সৈতে মিশ্ৰিত পৰিৱেশত থাকিবলৈ অথবা একত্ৰিত হ'বলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সতৰ্ক কৰিছে। তেখেতে কৈছেঃ তোমালোকে নাৰীসকলৰ কাষত যোৱাৰ পৰা বিৰত থাকা, এইদৰে নাৰীসকলেও যাতে তোমালোকৰ কাষ চাপিব নোৱাৰে।

তেতিয়া এজন আনচাৰী ব্যক্তিয়ে সুধিলেঃ স্বামীৰ আত্মীয় সম্পৰ্কে আপোনাৰ অভিমত কি? যেনে- স্বামীৰ ভাই, ভতিজা, খুৰা, খুৰাৰ ল'ৰা, ভাগিন আদি, যিসকলৰ সৈতে বিবাহ বৈধ, যদিও সিহঁত বিবাহিত নহয়?

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তাক এনেকৈ ভয় কৰা যেনেকৈ মৃত্যুক ভয় কৰা হয়।কাৰণ দেৱৰৰ সৈতে নিৰ্জনতাই

ফিতনা তথা ধৰ্মীয় ধ্বংসৰ প্ৰতি লৈ যায়। স্বামীৰ পিতা আৰু পুত্ৰৰ বাহিৰে অন্যান্য আত্মীয় পৰ পুৰুষতকৈও অধিক পৰ্দাযোগ্য। কিয়নো পৰ পুৰুষৰ তুলনাত স্বামীৰ আত্মীয়ৰ সৈতে নিৰ্জনতা খুবেই স্বাভাৱিক। সেয়ে অন্য ব্যক্তিৰ তুলনাত ইহঁতৰ পৰা অনিষ্ট সাধন হোৱাৰ আশংকা বেছি। কাৰণ কোনো বাধা নোহোৱাকৈ স্বাভাৱিকতে ইহঁতৰ সৈতে নিৰ্জনতা সম্ভৱ। কিছুমান ক্ষেত্ৰত ইহঁতৰ পৰা পৰ্দাও অসম্ভৱ হয়। সেয়ে সাধাৰণতে এই ক্ষেত্ৰত নৰম পন্থা অৱলম্বন কৰা দেখা যায়, আৰু দেৱৰে নবৌৰ সৈতে মিশ্ৰিত পৰিৱেশত থকা পৰিলক্ষিত হয়। অনিষ্ট আৰু ক্ষতিৰ দিশ বিবেচনা কৰিলে এইটো হৈছে মৃত্যু সমতুল্য। পক্ষান্তৰে পৰপুৰুষৰ ক্ষেত্ৰত এই আশংকা নাথাকে, কাৰণ তাৰ পৰা আঁতৰি থাকিবলৈ সতৰ্ক কৰা হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অশ্লীলতাৰ দুৱাৰ বন্ধ কৰিবলৈ গাইৰ মাহৰামৰ সৈতে নিৰ্জনতা নিষিদ্ধ ঘোষণা কৰা হৈছে।
2. স্বামীৰ ভাতৃ আৰু আত্মীয়কে আদি কৰি সকলো গাইৰ মাহৰামৰ ক্ষেত্ৰতে বিষয়টো ব্যাপকভাৱে প্ৰযোজ্য। পুৰুষৰ প্ৰৱেশ যাতে নিৰ্জনতাত নহয় এইটোৰ প্ৰতি গুৰুত্ব দিয়াটো বাঞ্ছনীয়।
3. সাধাৰণতে ভুল হ'ব পৰা স্থানৰ পৰা আঁতৰি থকা উচিত, যাতে অনিষ্ট সাধন নহয়।
4. নাৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ ভাষা বিশেষজ্ঞসকল এই ক্ষেত্ৰত একমত যে, আৰবী ভাষাত (الأَحْمَاء) কোৱা হয় স্বামীৰ আত্মীয়ক, যেনে- পিতৃ, খুৰা, ভাই, ভতিজা, কাজিন আদি। পক্ষান্তৰে (الأَخْتَان) কোৱা হয় স্ত্ৰীৰ আত্মীয়ক, শহুৰ গোষ্ঠী এই দুটা শ্ৰেণীৰে অন্তৰ্ভুক্ত।
5. দেৱৰক মৃত্যুৰ সৈতে তুলনা কৰা হৈছে। ইবনু হাজাৰ ৰাহিমাহুল্লাহে কৈছেঃ আৰবীয়ানসকলে অপছন্দনীয় বস্তুক মৃত্যুৰ সৈতে তুলনা কৰে। ইয়াত তুলনা কৰাৰ কাৰণ হৈছে যে, এইটো

ধৰ্মীয় ক্ষেত্ৰত মৃত্যুৰ সমতুল্য, যদি পাপকৰ্মত লিপ্ত হয়। কাৰণ বিবাহিত কোনোবাই এনেকুৱা অশ্লীলতাত লিপ্ত হ'লে তাইৰ শাস্তি হৈছে মৃত্যুদণ্ড। লগতে এনেকুৱা বিষয়ত স্বামী স্ত্ৰীৰ মাজত বিচ্ছেদ ঘটে, তথা স্বামীয়ে আত্ম মৰ্যাদা ৰক্ষা কৰিবলৈ স্ত্ৰীক তালাক দিয়ে।

(5888)

(254) – عن أبي موسى رضي الله عنه أن النبي صلى الله عليه وسلم قال: «لا نِكَاحَ إِلَّا بِوَلِيٍّ».
[صحيح] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(254) – আবু মুছা ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ অভিভাৱক অবিহনে বিবাহ নহয়। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, অলী (অভিভাৱক) নোহোৱাকৈ নাৰীৰ বিবাহ শুদ্ধ নহয়, অলী হৈছে সেই ব্যক্তি, যাৰ হাতত নিকাহৰ বৈঠক অনুষ্ঠিত কৰাৰ অধিকাৰ আছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বিবাহ শুদ্ধ হ'বলৈ অলী থকাটো বিবাহৰ চৰ্ত। যদি অলী নোহোৱাকৈ বিবাহ হয়, অথবা কোনো নাৰীয়ে যদি নিজেই বিয়া পাতি লয় তেন্তে সেই বিবাহ শুদ্ধ নহ'ব।
2. অভিভাৱক হৈছে নাৰীৰ আটাইতকৈ নিকটাত্মীয় পুৰুষ। এতেকে নিকটাত্মীয় পুৰুষ থকা অৱস্থাত দূৰাত্মীয় অভিভাৱকে তাইক বিবাহ দিব নোৱাৰে।
3. অলী হ'বলৈ চৰ্ত হৈছেঃ প্ৰাপ্তবয়স্ক হ'ব লাগিব, পুৰুষ হ'ব লাগিব, বিবাহৰ ভাল বেয়া দিশবোৰ বিবেচনা কৰিব পৰা হ'ব লাগিব, অলী আৰু মাওলাৰ ধৰ্ম একে হ'ব লাগিব। এইবোৰ বৈশিষ্ট্য যদি নাথাকে

তেন্তে তেওঁ বিবাহৰ বৈঠক অনুষ্ঠিত কৰিবলৈ অলী হোৱাৰ যোগ্য নহয়।

(58066)

(255) – عَنْ عَائِشَةَ أُمِّ الْمُؤْمِنِينَ رَضِي اللهُ عنْها قَالَتْ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «أَيُّمَا امْرَأَةٍ نَكَحَتْ بِغَيْرِ إِذْنِ مَوَالِيهَا، فَنِكَاحُهَا بَاطِلٌ -ثَلَاثَ مَرَّاتٍ- فَإِنْ دَخَلَ بِهَا فَالْمَهْرُ لَهَا بِمَا أَصَابَ مِنْهَا، فَإِنْ تَشَاجَرُوا فَالسُّلْطَانُ وَلِيُّ مَنْ لَا وَلِيَّ لَهُ». [صحيح] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(255) – উম্মুল মু'মিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি নাৰীয়ে অলীৰ অনুমতি নোহোৱাকৈ বিবাহ পাশত আৱদ্ধ হয়, তাইৰ নিকাহ বাতিল। -এই কথা তেখেতে তিনিবাৰ কৈছে- যদি এই অৱস্থাত পুৰুষজনে সহবাস কৰে তেন্তে ইয়াৰ ফলত তাইক মোহৰ অৰ্পণ কৰিব লাগিব। কিন্তু যদি অলীসকলৰ মাজত পৰস্পৰ বিবাদ হয় তেন্তে এই ক্ষেত্ৰত যাৰ কোনো অলী নাই, তাৰ অলী হ'ব প্ৰশাসন।" [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কঠোৰভাৱে নিষেধ কৰিছে যে, অলীৰ অনুমতি নোহোৱাকৈ কোনো নাৰীয়েই যেন বিবাহ নকৰে। এনে কৰিলে সেই নিকাহ বাতিল বুলি গণ্য হ'ব। তেখেতে এই কথা তিনিবাৰ কৈছিল, যাতে এইটো নহয়।

এতেকে অলীৰ অনুমতি নোহোৱাকৈ যাৰ সৈতে বিবাহ কৰিছে, সেই পুৰুষজনে যদি তাইৰ সৈতে সহবাস কৰে তেন্তে ইয়াৰ ফলত তাইক সম্পূৰ্ণ মোহৰ আদায় দিব লাগিব।

যদি নিকাহৰ ক্ষেত্ৰত অভিভাৱকৰ মাজত অলী সম্পৰ্কীয় বিষয়ত বিবাদ হয় আৰু তেওঁলোকৰ পৰ্যায় যদি একেই হয়, তেন্তে সেই ক্ষেত্ৰত

অভিভাৱকৰ অধিকাৰ পাব সেই ব্যক্তি, যিয়ে সৰ্বপ্ৰথম এই দায়িত্ব গ্ৰহণ কৰিছিল, কিন্তু তেওঁ নাৰীৰ মংগল কামনা কৰা হ'ব লাগিব আৰু তেওঁৰ উদ্দেশ্যে ভাল হ'ব লাগিব। আনহাতে যদি অভিভাৱকে বিবাহত অমান্তি হয়, তেন্তে এই ক্ষেত্ৰত তাইৰ কোনো অলী নাই বুলি গণ্য কৰা হ'ব। তেনে ক্ষেত্ৰত প্ৰশাসন বা তেওঁৰ প্ৰতিনিধি, যেনে- কাজী আদিয়ে হ'ব তাইৰ অলী। পক্ষান্তৰে যদি অলী বা অভিভাৱক উপস্থিত থাকে, তেনে ক্ষেত্ৰত প্ৰশাসনৰ হস্তক্ষেপ কৰাৰ কোনো অধিকাৰ নাথাকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নিকাহ সঠিক হ'বলৈ অলীৰ অনুমোদন চৰ্ত। ইবনুল মুনজিৰে উল্লেখ কৰিছে যে, এই ক্ষেত্ৰত কোনো চাহাবাৰে দ্বিমত নাছিল।
2. বাতিল নিকাহৰ ক্ষেত্ৰতো নাৰীয়ে মোহৰ লাভ কৰিব। যদি সহবাস হয়।
3. যি নাৰীৰ কোনো অলী নাই, তাইৰ অলী হ'ব প্ৰশাসন। সেয়া সঁচাকৈয়ে অলী নাথাকক অথবা বিবাহত অমান্তি হোৱাৰ কাৰণে নাথাকক।
4. প্ৰশাসন তেতিয়াহে অলীৰ অধিকাৰ লাভ কৰিব যেতিয়া অলী নাথাকিব। অলী নাথাকিলে অথবা কাৰণবশতঃ উপস্থিত নাথাকিলে কাজীয়ে প্ৰতিনিধিত্ব কৰিব। কিয়নো এইবোৰ ক্ষেত্ৰত তেৱেঁই প্ৰতিনিধিত্ব কৰে।
5. নাৰীৰ নিকাহত অভিভাৱকৰ ভূমিকাৰ অৰ্থ এইটো নহয় যে, মহিলাৰ কোনো অধিকাৰ নাই। প্ৰকৃততে তাইৰো অধিকাৰ আছে। কিয়নো নাৰীৰ সন্মতি অবিহনে অভিভাৱকে তাইক বিবাহ দিব নোৱাৰে।
6. সঠিক নিকাহৰ চৰ্তসমূহ হৈছেঃ ১- দৰা কইনাৰ নিৰ্বাচন, ইংগিততে হওক বা নাম কাঢ়ি হওক অথবা গুণাৱলী বৰ্ণনা কৰি হওক। ২-

ইজনে সিজনক পছন্দ কৰা। ৩- অলীয়ে নাৰীৰ হৈ বিবাহ বৈঠকত বচন দিয়া। ৪- নিকাহৰ বৈঠকত সাক্ষী উপস্থিত থকা।

7. বিবাহ দিবলৈ অলী হোৱাৰ যোগ্যতা লাভ কৰাৰ চৰ্ত হৈছেঃ ১- বিবেক সম্পন্ন হ'ব লাগিব। ২- পুৰুষ হ'ব লাগিব। ৩- প্ৰাপ্তবয়স্ক হ'ব লাগিব, অৰ্থাৎ নূন্যতম পোন্ধৰ বছৰ হ'ব লাগিব নাইবা স্বপ্নদোষৰ মাধ্যমত প্ৰাপ্তবয়স্ক প্ৰমাণিত হ'ব লাগিব। ৪- একেই দ্বীনৰ অধিকাৰী হ'ব লাগিব। কিয়নো কোনো কাফিৰ অলীয়ে মুছলিম নাৰীক বিবাহ দিব নোৱাৰে। এইদৰে কোনো মুছলিম অলীয়েও কোনো কাফিৰ অথবা কাফিৰাক বিয়া দিব নোৱাৰে। ৫- এনেকুৱা ব্যক্তি হ'ব লাগিব যিয়ে প্ৰকাশ্য পাপকৰ্মৰ পৰা বিৰত থাকে, এইটো এইকাৰণে আৱশ্যক যে, যাতে সি নাৰীৰ কল্যাণ আৰু বিবাহৰ ক্ষেত্ৰত উচিত নিৰ্ণয় ল'ব পাৰে। ৬- অলী জ্ঞানবোধ সম্পন্ন আৰু দায়িত্বশীল হ'ব লাগিব। যাতে সম মৰ্যাদা নিৰ্বাচন কৰাৰ দক্ষতা থাকে, লগতে নিকাহৰ উপকাৰিতা আৰু ইয়াৰ পৰিস্থিতি সম্পৰ্কে সম্যক জ্ঞান থাকে।

8. ফুকাহাসকলৰ মতে, নাৰীৰ বিবাহৰ ক্ষেত্ৰত অলীসকলৰ এটা শৃংখলা থাকে, যিটোক আওকাণ কৰিব নালাগে। যদি কোনো নিকটৱৰ্তী অলী অনুপস্থিত থাকে অথবা আৱশ্যকীয় কোনো চৰ্ত পূৰণ নহয় তেনে ক্ষেত্ৰৰ বিষয়টো সুকীয়া। নাৰীৰ প্ৰথম অলী হৈছে তাইৰ পিতা, ইয়াৰ পিছত হৈছে তাইৰ পিতৃয়ে নিযুক্ত কৰা অভিভাৱক, তাৰ পাছত হৈছে পিতামহ (পিতৃৰ দিশৰ পৰা, যিমান ওপৰলৈ হওক), তাৰ পাছত হৈছে তাইৰ পুত্ৰ, তাৰ পাছত পুত্ৰৰ পুত্ৰ (যিমান তলৰ দিশত যায়), তাৰ পাছত তাইৰ ভাতৃসকল, পিতৃ-মাতৃ উভয়ৰ দিশৰ পৰা, তাৰ পাছত হৈছে পিতৃৰ দিশৰ পৰা সহোদৰ ভাই, তাৰ পাছত হৈছে ভতিজাসকল, তাৰ পাছত হৈছে খুৰা আৰু মামাসকল, ইয়াৰ পিছত হৈছে পিতৃৰ ফালৰ পৰা খুৰাসকল, তাৰ পাছত তেওঁলোকৰ পুত্ৰসকল, ইয়াৰ পিছত হৈছে আত্মীয়তাৰ ক্ষেত্ৰত যিজন বেছি নিকটৱৰ্তী, যিদৰে উত্তৰাধিকাৰী

হোৱাৰ ক্ষেত্ৰত নিকটতম সম্পৰ্ক পৰীক্ষা কৰা হয়। ইয়াৰ পিছতো যদি কাৰো অলী নাথাকে, তেনে ক্ষেত্ৰত মুছলিম শাসক বা তেওঁৰ প্ৰতিনিধি, যেনে- কাজী (বিচাৰপতি) হ'ব সেই নাৰীৰ অলী।

(58067)

(256) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَلْعُون مَنْ أَتَى امرأته في دُبُرِها». [حسن] - [رواه أبو داود والنسائي في الكبرى وأحمد]

(256) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "অভিশপ্ত সেই ব্যক্তি, যিয়ে স্ত্ৰীৰ মলদ্বাৰেৰে যৌন কামনা পূৰণ কৰে।" [হাছান] - [(আবু দাঊদ, নাছায়ী ফিল কুবৰা আৰু আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত সতৰ্কবাণী দিছে যে, স্বামীয়ে যেন স্ত্ৰীৰ মলদ্বাৰেৰে যৌন মিলন নকৰে। কাৰণ এইটো হৈছে আল্লাহৰ ৰহমতৰ পৰা বিতাৰিত হোৱাৰ আৰু অভিশপ্ত হোৱাৰ কাৰণ। তথা এইটো হৈছে এটা মহাপাপ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. স্ত্ৰীৰ মলদ্বাৰত যৌন মিলন কৰা হাৰাম।
2. মলদ্বাৰৰ পৰিবৰ্তে স্ত্ৰীৰ শৰীৰৰ যিকোনো অংগৰ দ্বাৰা উপকৃত হোৱাত কোনো বাধা নাই।
3. মুছলিমসকলে স্ত্ৰীৰ সন্মুখৰ লজ্জাস্থানতহে যৌন সম্ভোগ কৰে, যিদৰে আল্লাহে নিৰ্দেশ দিছে। মলদ্বাৰত যৌন মিলন কৰাটো হৈছে স্বাভাৱিক ৰুচিৰ অভাৱ তথা বিকৃত মানসিকতাৰ পৰিচয়, লগতে

বংশৰ বিপৰ্যয়। এইদৰে এইটো হৈছে সুস্থ মানসিকতাৰ পৰিপন্থী বিষয়। ইয়াৰ বাহিৰেও ইয়াত আছে স্বামী স্ত্ৰীৰ বাবে বহু ক্ষতি।

(58090)

(257) – عن عقبة بن عامر رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «أَحَقُّ الشُّرُوطِ أَنْ تُوفُوا بِهِ مَا اسْتَحْلَلْتُمْ بِهِ الْفُرُوجَ». [صحيح] - [متفق عليه]

(257) – উক্ববাহ বিন আমিৰ আল-জুহানী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ পূৰণ কৰিবলগীয়া চৰ্তসমূহৰ মাজত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ চৰ্তটো হৈছে সেই চৰ্ত, যি চৰ্তৰ দ্বাৰা তোমালোকে নিজৰ স্ত্ৰীৰ লজ্জাস্থানক হালাল কৰি লৈছা। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্টভাৱে উল্লেখ কৰিছে যে, পূৰণ কৰিবলগীয়া চৰ্তসমূহৰ মাজত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ চৰ্তটো হৈছে বিবাহৰ সময়ত স্ত্ৰীৰ লজ্জাস্থান হালাল কৰিবলৈ যি চৰ্ত বান্ধি দিছিল সেইটো পূৰণ কৰা। অৰ্থাৎ বিবাহৰ সময়ত স্ত্ৰীৰ ফালৰ পৰা স্বামীক দিয়া যিকোনো বৈধ চৰ্ত ইয়াৰ অন্তৰ্ভুক্ত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. স্বামী স্ত্ৰীৰ ফালৰ পৰা ইজনে সিজনক দিয়া চৰ্তসমূহ পূৰণ কৰা অনিবাৰ্য। কিন্তু এনেকুৱা চৰ্ত গ্ৰহণযোগ্য নহয় যি চৰ্তৰ দ্বাৰা হাৰামক হালাল আৰু হালালক হাৰাম কৰা হয়।
2. অন্যান্য চৰ্তৰ তুলনাত বিবাহৰ সময়ত দিয়া চৰ্ত অধিক গুৰুত্বপূৰ্ণ। কাৰণ এই চৰ্তৰ দ্বাৰা স্ত্ৰীৰ লজ্জাস্থান হালাল কৰা হয়।

3. ইছলামত বিবাহৰ গুৰুত্ব। সেই কাৰণেই বিবাহৰ চৰ্তক অধিক গুৰুত্ব দিয়া হৈছে।

(6021)

(258) – عن عبد الله بن عمرو رضي الله عنهما أن رسول الله صلى الله عليه وسلم قال: «الدُّنْيَا مَتَاعٌ، وَخَيْرُ مَتَاعِ الدُّنْيَا الْمَرْأَةُ الصَّالِحَةُ». [صحيح] - [رواه مسلم]

(258) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ পৃথিৱী হৈছে উপভোগৰ উপকৰণ (ভোগ সামগ্ৰী), আৰু পৃথিৱীৰ আটাইতকৈ উত্তম উপভোগ্য উপকৰণটো হৈছে পূণ্যৱতী নাৰী। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, পৃথিৱীত থকা প্ৰতিটো বস্তুৱে হৈছে উপভোগ কৰিব পৰা সামগ্ৰী, আৰু এই সকলোবোৰ হৈছে ক্ষন্তেকীয়া উপভোগ্য সামগ্ৰী। ইয়াৰ মাজত সৰ্বোত্তম উপকৃত হ'ব পৰা সামগ্ৰীটো হৈছে পূণ্যৱতী স্ত্ৰী, যি স্ত্ৰীৰ প্ৰতি স্বামীয়ে দৃষ্টিপাত কৰিলে আনন্দিত হয় আৰু যদি স্বামীয়ে কোনো আদেশ দিয়ে লগে লগে পালন কৰে, লগতে স্বামীৰ অনুপস্থিতিত নিজকে আৰু স্বামীৰ সম্পদক সুৰক্ষিত ৰাখে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহে বান্দাৰ বাবে হালাল কৰা পৃথিৱীৰ প্ৰতিটো পৱিত্ৰ বস্তুকে অপচয় আৰু অহংকাৰ নকৰাকৈ উপভোগ কৰা বৈধ।
2. পূণ্যৱতী স্ত্ৰী গ্ৰহণ কৰিববলৈ উৎসাহ প্ৰদান কৰা হৈছে। কিয়নো তেনেকুৱা স্ত্ৰীয়ে স্বামীক আল্লাহৰ ইবাদত কৰাত সহযোগিতা কৰে।

3. পৃথিৱীত উপভোগ কৰিবলগীয়া উত্তম সম্পদ হৈছে যিটোৰ দ্বাৰা আল্লাহৰ আনুগত্য কৰা হয় অথবা যিটোৱে আল্লাহৰ আনুগত্যত সহায় কৰে।

(5794)

(259) – عَنْ جَرِيرِ بْنِ عَبْدِ اللهِ رَضِيَ اللهُ عنه قَالَ: سَأَلْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَنْ نَظَرِ الْفُجَاءَةِ فَأَمَرَنِي أَنْ أَصْرِفَ بَصَرِي. [صحيح] - [رواه مسلم]

(259) – জাৰীৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক (নাৰীৰ প্ৰতি) হঠাতে হোৱা দৃষ্টিপাত সম্পৰ্কে সুধিলোঁ, তেখেত মোক নিৰ্দেশ দিলে যে, লগে লগে দৃষ্টি ওভোতাই ল'বা। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

জাৰীৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক গায়েৰ মাহৰাম নাৰীৰ প্ৰতি অনিচ্ছাকৃতভাৱে হঠাতে পৰা দৃষ্টিপাত সম্পৰ্কে সুধিলে, তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক নিৰ্দেশ দিলে যে, লগে লগে বেলেগ ফালে মুখ ঘূৰাই ল'বা, ইয়াৰ ফলত কোনো গুনাহ নহ'ব।

**হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:**

1. দৃষ্টি সংযত ৰাখিবলৈ উৎসাহিত কৰা হৈছে।
2. যিটোৰ প্ৰতি দৃষ্টিপাত কৰা হাৰাম, তেনেকুৱা বস্তুৰ প্ৰতি যদি অনিচ্ছাকৃতভাৱে আকস্মিক দৃষ্টি পৰে তেন্তে সেই দৃষ্টি অব্যাহত ৰখাৰ পৰা সতৰ্ক কৰা হৈছে।
3. নাৰীসকলৰ প্ৰতি দৃষ্টিপাত কৰাটো যে হাৰাম এই বিষয়টো চাহাবাসকলৰ ওচৰতো এটা পৰিচিত বিষয় আছিল। ইয়াৰ প্ৰমাণ

জাৰীৰ ৰাদ্বিয়াল্লাহু আনহুৰ এই হাদীছ যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক আকস্মিক নাৰী ওপৰত পৰা দৃষ্টি সম্পৰ্কে সুধিছিল যে, অনিচ্ছাকৃতভাৱে কোনো নাৰীৰ প্ৰতি দৃষ্টি পৰিলে তাৰ বিধান কি?

4. ইয়াত বান্দাসকলৰ স্বাৰ্থত চৰীয়তে অত্যন্ত গুৰুত্ব দিছে। এতেকে নাৰীসকলৰ প্ৰতি দৃষ্টিপাত কৰিবলৈ হাৰাম কৰিছে, কাৰণ ইয়াৰ ভিতৰত দ্বিনী আৰু দুনিয়াৱী ক্ষতি আছে।
5. চাহাবাসকলে যেতিয়াই কোনো কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছিল তেতিয়াই তেওঁলোকে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ তাৰ সমাধান বিচাৰি গৈছিল। এইদৰে সাধাৰণ লোকেও উলামাসকলৰ প্ৰতি প্ৰত্যাৱৰ্তন কৰা উচিত যেতিয়া কোনো এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হয়।

(8902)

(260) – عَنْ أَنَسٍ رَضِيَ اللهُ عنهُ قَالَ: ضَحَّى النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ بِكَبْشَيْنِ أَمْلَحَيْنِ أَقْرَنَيْنِ، ذَبَحَهُمَا بِيَدِهِ، وَسَمَّى وَكَبَّرَ، وَوَضَعَ رِجْلَهُ عَلَى صِفَاحِهِمَا. [صحيح] - [متفق عليه]

(260) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শিং থকা ক'লা-বগা দুটা দুম্বা(১) কুৰবানী কৰিছিল। নিজ হাতে দুয়োটা কুৰবানী কৰিছিল। বিছমিল্লাহি আল্লাহু আকবাৰ বুলি কৈ তেখেতে নিজৰ ভৰি সেই দুটাৰ ঘাৰৰ ওপৰত ৰাখিছিল। [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

**ব্যাখ্যা:**

আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত কৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঈদুল আজহাৰ দিনা নিজ হাতেৰে শিং থকা ক'লা বগা মিশ্ৰিত দুটা মতা ভেড়া কুৰবানী কৰিছিল। জবেহ কৰাৰ সময়ত

তেখেতে নিজৰ ভৰি জন্তুটোৰ কান্ধত ৰাখি বিছমিল্লাহি আল্লাহু আকবাৰ বুলি কৈ জবেহ কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কুৰবানী কৰাটো চৰীয়ত সন্মত। এইক্ষেত্ৰত গোটেই মুছলিম বিশ্ব একমত।
2. উত্তম হৈছে কুৰবানীৰ জন্তু এনেকুৱা হোৱা উচিত, যেনেকুৱা ধৰণৰ কুৰবানী নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৰিছিল। মোটা-তাজা, দেখাত ধুনীয়া, উত্তম মাংসবিশিষ্ট হোৱা উচিত।
3. ইমাম নাৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ নিজৰ কুৰবানী নিজ হাতেৰে কৰা মুস্তাহাব। জবেহ কৰিবলৈ প্ৰতিনিধি নিযুক্ত কৰিব নালাগে, কিন্তু যদি কোনো অসুবিধা থাকে তেন্তে বিষয়টো সুকীয়া। কিন্তু সেই সময়ত তেওঁ নিজে তাত উপস্থিত থকাটো মুস্তাহাব। যদি কোনো মুছলিম ব্যক্তিয়ে তেওঁৰ প্ৰতিনিধিত্ব কৰে তেন্তে এই ক্ষেত্ৰত কোনো মতানৈক্য নাই।
4. ইবনু হাজাৰ ৰাহিমাহুল্লাহে কৈছেঃ জবেহ কৰাৰ সময়ত বিছমিল্লাহৰ সৈতে আল্লাহু আকবাৰ বুলি কোৱাটো মুস্তাহাব। এইদৰে জবেহ কৰিবলৈ লোৱা জন্তুৰ ঘাৰত সোঁ ভৰি ৰাখি হেঁচি ধৰাটোও মুস্তাহাব। বাওঁফালে মুখ কৰি শুওৱাৰ ক্ষেত্ৰত সকলোৰে একমত, যাতে জবেহকাৰীয়ে নিজৰ সোঁ ভৰি জন্তুটোৰ ঘাৰত ৰাখি সোঁ হাতেৰে ছুৰী ধৰিব পাৰে আৰু বাওঁ হাতেৰে মূৰটো ধৰি জবেহ কৰিব পাৰে।
5. কুৰবানীৰ জন্তুৰ শিং থকাটো মুস্তাহাব, শিং নাথাকিলেও কোনো অসুবিধা নাই।

(2971)

(261) – عَنْ أبي سَعيدٍ الخُدريَّ رضي الله عنه قال: قال رسولُ الله صلَّى الله عليه وسلم: «إِزْرَةُ المُسْلِمِ إلى نصفِ السَّاق، وَلَا حَرَجَ -أو لا جُنَاحَ- فيما بينَهُ وبينَ الكعبينِ، وما كان أسفلَ منَ الكعبين فهو في النار، مَن جرَّ إزارَهُ بطرًا لم يَنْظُرِ اللهُ إليه». [صحيح] - [رواه أبو داود وابن ماجه وأحمد]

(261) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মুছলিমৰ লুংগী বা পৰিধানকৃত কাপোৰ ভৰিৰ কলাফুললৈকে থাকিব লাগে। এইদৰে সৰুগাঁঠিলৈকে পৰিধান কৰিলেও কোনো অসুবিধা নাই বা কোনো গুনাহ নহয়। কিন্তু সৰুগাঁঠিৰ তলত পিন্ধিলে সেইটো জাহান্নামত যাব। যিয়ে অহংকাৰ কৰি নিজৰ পৰিধানকৃত কাপোৰ চোঁচৰাই পিন্ধে, তাৰ প্ৰতি আল্লাহে অকণো ভ্ৰূক্ষেপ নকৰিব।" [ছহীহ] - [(আবু দাঊদ,ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্ট কৰিছে যে, মুছলিম পুৰুষে শৰীৰৰ তলভাগত পৰিধান কৰা কাপোৰৰ অৱস্থা হৈছে তিনিটাঃ প্ৰথমঃ মুস্তাহাব তথা পছন্দনীয় হৈছে কলাফুল পৰ্যন্ত পৰিধান কৰা। দ্বিতীয়ঃ অপছন্দ নোহোৱাকৈ বৈধ, সেয়া হৈছে ভৰিৰ সৰু গাঁঠিৰ ওপৰলৈকে পৰিধান কৰা। আৰবী ভাষাত ভৰিৰ পতাৰ সৈতে কলাফুলক সংযুক্ত কৰা গাঁঠিক (الكعب) বোলে, যিটো ভৰিৰ পতাৰ সোঁফালে ওলাই থাকে। তৃতীয়ঃ হাৰাম। ভৰিৰ সৰু গাঁঠিৰ তলত কাপোৰ পিন্ধা হাৰাম, লগতে জুইয়ে স্পৰ্শ কৰাৰ আশংকা আছে। আনহাতে যদি অহংকাৰ কৰি আৰু আনন্দিত হৈ তথা অবাধ্যতা কৰি পিন্ধে তেন্তে আল্লাহে তাৰ প্ৰতি ৰহমতৰ দৃষ্টিপাত নকৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই বৈশিষ্ট্য আৰু সতৰ্কবাণী কেৱল পুৰুষসকলৰ বাবে নিৰ্দিষ্ট। নাৰীসকল ইয়াৰ পৰা ব্যতিক্ৰম। কাৰণ সিহঁতক গোটেই শৰীৰ ঢাকি ৰখাৰ নিৰ্দেশ দিয়া হৈছে।
2. তলত পৰিধান কৰা প্ৰতিটো কাপোৰেই ইঝাৰৰ অন্তৰ্ভুক্ত। পেণ্ট, লুংগী, পায়জামা আদি। এই সকলোবোৰ উক্ত হাদীছটোত উল্লিখিত চৰীয়তি বিধানৰ অন্তৰ্ভুক্ত।

(4964)

(262) – عَن عَبْدِ الرَّحْمَنِ بْنِ أَبِي لَيْلَى أَنَّهُمْ كَانُوا عِنْدَ حُذَيْفَةَ، فَاسْتَسْقَى فَسَقَاهُ مَجُوسِيٌّ، فَلَمَّا وَضَعَ القَدَحَ فِي يَدِهِ رَمَاهُ بِهِ، وَقَالَ: لَوْلاَ أَنِّي نَهَيْتُهُ غَيْرَ مَرَّةٍ وَلاَ مَرَّتَيْنِ -كَأَنَّهُ يَقُولُ: لَمْ أَفْعَلْ هَذَا-، وَلَكِنِّي سَمِعْتُ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «لاَ تَلْبَسُوا الحَرِيرَ وَلاَ الدِّيبَاجَ، وَلاَ تَشْرَبُوا فِي آنِيَةِ الذَّهَبِ وَالفِضَّةِ، وَلاَ تَأْكُلُوا فِي صِحَافِهَا، فَإِنَّهَا لَهُمْ فِي الدُّنْيَا وَلَنَا فِي الآخِرَةِ». [صحيح] - [متفق عليه]

(262) – আব্দুৰ ৰহমান ইবনু আবি লাইলাৰ পৰা বৰ্ণিত, তেওঁ কৈছে যে, তেওঁলোক এবাৰ হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৰ ওচৰত আছিল, সেই সময়ত হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৱে পানী বিচৰাত এজন অগ্নিপূজকে তেখেতক (ৰূপেৰে নিৰ্মিত পিয়লাত) পানী আনি দিলে, সেই অগ্নিপূজকে যেতিয়া পিয়লাটো আনি তেখেতৰ হাতত দিলে, তেখেতে সেইটোক লগে লগে দলিয়াই দিলে, আৰু ক'লেঃ মই যদি এওঁক এবাৰ বা দুবাৰতকৈ অধিকবাৰ নিষেধ নকৰিলোঁহেঁতেন তথাপিও বিষয়টো বেলেগ আছিল, অৰ্থাৎ তেখেতে যেনিবা এইটো ক'ব বিচাৰিছে যে, তেন্তে মই এইটো নকৰিলোঁহেঁতেন। কিন্তু মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ, তেখেতে কৈছেঃ "তোমালোকে মিহি অথবা মোটা ৰেচমী কাপোৰ পৰিধান নকৰিবা। এইদৰে সোণেৰে নিৰ্মিত বা ৰূপেৰে নিৰ্মিত পাত্ৰত পানী নাখাবা, আৰু এইবোৰেৰে নিৰ্মিত থালত আহাৰো নকৰিবা। কাৰণ পৃথিৱীত এইবোৰ হৈছে সিহঁতৰ বাবে, আৰু আখিৰাতত হৈছে আমাৰ বাবে"। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পুৰুষসকলক সকলো প্ৰকাৰৰ ৰেচমী কাপোৰ পৰিধান কৰিবলৈ নিষেধ কৰিছে। আনহাতে নাৰী-পুৰুষ উভয়কে সোণ-ৰূপেৰে নিৰ্মিত পানপাত্ৰ অথবা বাচন-বৰ্তনত পানাহাৰ কৰিবলৈ নিষেধ কৰিছে। তেখেতে এই কথাও জনাইছে যে, কিয়ামতৰ দিনা এইটো মুমিনসকলৰ বাবে নিৰ্দিষ্ট থাকিব, কাৰণ পৃথিৱীত তেওঁলোকে আল্লাহৰ আনুগত্যৰ কাৰণে ইয়াৰ পৰা বিৰত আছিল।

পক্ষান্তৰে আখিৰাতত কাফিৰসকলক ইয়াৰ ব্যৱহাৰৰ অনুমতি দিয়া নহ'ব। কিয়নো সিহঁতে পৃথিৱীত নিজৰ জীৱনকালতেই ইয়াক ব্যৱহাৰ কৰি আহিছে আৰু সিহঁতে আল্লাহৰ আদেশ উলংঘা কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পুৰুষসকলৰ বাবে সকলো প্ৰকাৰ (মিহি হওক বা মোটা) ৰেচমী কাপোৰ পৰিধান কৰা হাৰাম। তথাপিও যিসকলে ইয়াক ব্যৱহাৰ কৰিব, সিহঁতক কঠোৰ সতৰ্কবাণী প্ৰদান কৰিছে।
2. নাৰীসকলৰ বাবে মোটা হওক বা মিহি সকলো প্ৰকাৰ ৰেচমী কাপোৰ পৰিধান কৰা বৈধ।
3. নাৰী-পুৰুষ উভয়ৰে বাবে সোণ-ৰূপেৰে নিৰ্মিত বাচন-বৰ্তন তথা এইবোৰেৰে নিৰ্মিত যিকোনো পাত্ৰত পানাহাৰ কৰা হাৰাম।
4. হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৱে কঠোৰভাৱে প্ৰত্যাখ্যান কৰাৰ কাৰণ আছিল, তেখেতে তাক সোণ-ৰূপেৰে নিৰ্মিত পাত্ৰ ব্যৱহাৰ কৰিবলৈ একাধিকবাৰ নিষেধ কৰিছিল, কিন্তু তথাপিও সি ইয়াৰ পৰা বিৰত নাছিল। (সেইকাৰণে তেওঁ পাত্ৰটো দলিয়াই পেলাইছিল)

(2985)

(263) – عن علي رضي الله عنه عن النبي صلى الله عليه وسلم قال: «رُفِعَ الْقَلَمُ عن ثلاثة: عن النائم حتى يَسْتَيْقِظَ، وعن الصبي حتى يَحْتَلِمَ، وعن المجنون حتى يَعْقِلَ». [صحيح] - [رواه أبو داود والترمذي والنسائي في الكبرى وابن ماجه وأحمد]

(263) – আলী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তিনি প্ৰকাৰ লোকৰ পৰা কলম উঠাই লোৱা হৈছেঃ ১) টোপনিত থকা ব্যক্তি, যেতিয়ালৈকে সাৰ নাপায়। ২) শিশু, যেতিয়ালৈকে সি প্ৰাপ্তবয়স্কত উপনীত নহয়। ৩) উন্মাদ ব্যক্তি, যেতিয়ালৈকে বোধশক্তি ঘূৰাই নাপায়। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী ফিল কুবৰা, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, এই তিনি প্ৰকাৰ লোকৰ বাহিৰে বাকী সকলোৱে চৰীয়তৰ বিধানসমূহ পালন কৰিবলৈ দায়বদ্ধ।

শিশু, ডাঙৰ নোহোৱালৈকে তথা প্ৰাপ্তবয়স্ক নোহোৱালৈকে (চৰীয়তি বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়)।

বিবেকহীন পাগল ব্যক্তি, যেতিয়ালৈকে তাৰ বিবেক ঘূৰি নাহিব। ( তেতিয়ালৈকে চৰীয়তি বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়)।

টোপনিত থকা ব্যক্তি, যেতিয়ালৈকে সাৰ নাপায় (তেতিয়ালৈকে চৰীয়তি বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়)।

এইসকল লোক চৰীয়তৰ বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়। এনেকুৱা লোকে কৰা গুনাহ লিপিবদ্ধ কৰা নহয়। কিন্তু টোপনিত থকা আৰু পাগল ব্যক্তিৰ বাহিৰে শিশুৰ কল্যাণকৰ কাম লিপিবদ্ধ কৰা হয়। উক্ত দুই শ্ৰেণীৰ লোকৰ ইবাদত এইকাৰণে গ্ৰহণযোগ্য নহয় কাৰণ সিহঁতৰ উপলব্ধি কৰিব পৰা শক্তি নাথাকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহৰ যোগ্যতাৰ অভাৱ কেতিয়াবা টোপনিৰ ফলত হয়, যাৰ ফলত তেওঁ নিজৰ কৰ্তব্য পালনৰ বাবে সজাগ হোৱাৰ পৰা বঞ্চিত হয়। অথবা কেতিয়াবা কম বয়সৰ কাৰণেও যোগ্যতাৰ অভাৱ হয়। এইদৰে কেতিয়াবা উন্মাদনাৰ কাৰণেও যোগ্যতা হেৰুৱায়, যাৰ বাবে তেওঁৰ মানসিক কাৰ্য্যকলাপত ব্যাঘাত জন্মে। অথবা এই ধৰণৰ বেলেগ কোনো অৱস্থা, যেনে নিচাগ্ৰস্ত অৱস্থা। এতেকে যিয়ে পাৰ্থক্য আৰু সঠিক কল্পনাৰ ক্ষমতা হেৰুৱাই পেলায়, তেওঁ এই তিনিটা কাৰণৰ যিকোনো এটা কাৰণত যোগ্যতাৰ পৰা বঞ্চিত হয়। মহান আল্লাহে ন্যায়, প্ৰজ্ঞা আৰু তেওঁৰ উদাৰতা কাৰণে এনেকুৱা ব্যক্তিৰ দ্বাৰা হোৱা সীমালংঘন বা দোষ-ত্ৰুটিৰ বাবে তাক জগৰীয়া নকৰে।
2. এনেকুৱা লোকৰ গুনাহ লিপিবদ্ধ কৰা নহয়। আনকি দুনিয়াৱী ক্ষেত্ৰতো কিছুমান বিষয়ত সিহঁতৰ ওপৰত নিয়ম-নীতি প্ৰযোজ্য নহয়। উদাহৰণস্বৰূপে যদি কোনো পগলা ব্যক্তিয়ে কাৰোবাক হত্যা কৰে, তেন্তে তেওঁৰ ওপৰত কোনো কিচাচ (প্ৰতিশোধ) লোৱা নহ'ব, আৰু কোনো কাফ্‌ফাৰাও নাই, কিন্তু তেওঁৰ আত্মীয়সকলে ৰক্তপণ আদায় দিব লাগিব।
3. প্ৰাপ্তবয়স্ক হোৱাৰ তিনিটা চিহ্ন আছেঃ বীৰ্যপাত হোৱা বা স্বপ্নদোষ হোৱা, অথবা নাভীৰ তলত নোম গজা, নাইবা পোন্ধৰ বছৰ বয়সত উপনীত হোৱা। আনহাতে নাৰীসকলৰ চতুৰ্থ আলামত হৈছে ঋতুস্ৰাৱ হোৱা।
4. ছুবকী ৰাহিমাহুল্লাহে কৈছেঃ আৰবী ভাষাত (الصبي) কোৱা হয়, শিশুক। শিশু যেতিয়া মাকৰ পেটত থাকে তেতিয়া জানীন বুলি কোৱা হয়। ভূমিষ্ঠ হোৱাৰ পিছত (الصبي) বুলি কোৱা হয়, মাকৰ গাখীৰ এৰাৰ পিছৰ পৰা সাত বছৰ বয়সলৈকে (الغلام) বোলে। দহ বছৰ বয়সলৈকে (يافِع) বোলে, পোন্ধৰ বছৰ বয়সলৈকে (حزور)

বোলে। ছুয়ুতী ৰাহিমাহুল্লাহৰ মতে এই সকলো অৱস্থাতে তাক ছাবী বা শিশু হিচাপে গণ্য কৰা হয়।

(58148)

(264) – عن ابن عمر رضي الله عنهما: أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ نَهَى عَنِ الْقَزَعِ.
[صحيح] - [متفق عليه]

(264) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত মূৰৰ কিছু অংশৰ চুলি মুণ্ডন কৰি আন কিছু অংশৰ চুলি ৰাখিবলৈ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

মূৰৰ কিছু অংশৰ চুলি মুণ্ডন কৰি আন কিছু অংশৰ চুলি এৰি দিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে।

এই নিষেধাজ্ঞা সকলোৰে বাবে প্ৰযোজ্য, সৰু হওক বা ডাঙৰ। আনহাতে নাৰীসকলৰ মূৰৰ চুলি খুৰোৱা উচিত নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলামী চৰীয়তে মানুহৰ বাহ্যিক আকাৰ-আকৃতিৰ প্ৰতিও গুৰুত্ব দিয়ে।

(8914)

(265) – عَن أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ:
«الْحَلِفُ مَنْفَقَةٌ لِلسِّلْعَةِ، مَمْحَقَةٌ لِلرِّبْحِ». [صحيح] - [متفق عليه]

(265) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "শপতৰ জৰিয়তে ব্যৱসায়িক পণ্য নিশ্চয় বিক্ৰী হয়, কিন্তু ইয়াৰ ফলত বৰকত শেষ হৈ যায়।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শপত খাবলৈ তথা শপত খাই ক্ৰয়-বিক্ৰয় কৰিবলৈ নিষেধ কৰিছে, যদিও ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত তেওঁ সত্যবাদী হয়। তেখেতে এই কথাও জনাইছে যে, এইটো হয়তো পণ্য বিক্ৰী কৰাৰ এটা মাধ্যম হ'ব পাৰে কিন্তু ইয়াৰ ফলত লাভাংশৰ বৰকত নাইকিয়া হৈ যায়। আল্লাহে তাৰ এই সম্পদ বিভিন্ন প্ৰকাৰে ধ্বংস কৰি দিয়ে, হয়তো চুৰি হয়, নাইবা জুই লাগে, অথবা বানপানীত ভাহি যায় নাইবা লুণ্ঠন হয় অথবা অন্য কোনো কাৰণত ধ্বংস হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ নামৰ শপত খোৱাৰ গুৰুত্ব। তথাপিও কেৱল প্ৰয়োজনতহে খাব লাগে।
2. হাৰাম উপাৰ্জন যিমানেই নহওক কিয়, তাত কোনো বৰকত নাথাকে তথা কল্যাণ নাথাকে।
3. ক্বাৰী ৰাহিমাহুল্লাহে কৈছেঃ অসৎ পন্থাৰে উপাৰ্জন কৰা ধনৰ বৰকত নাথাকে। হয়তো সেই সম্পদ ধ্বংস হয়, নাইবা এনেকুৱা কামত ব্যয় হয় যিটোৰ দ্বাৰা পৃথিৱীতো কোনো উপকাৰ নহয় আৰু আখিৰাততো কোনো ছোৱাব পোৱা নাযায়। এইদৰে যিটো সম্পদ তাৰ ওচৰত অৱশিষ্ট থাকে, তাৰ দ্বাৰা উপকৃত হোৱাৰ পৰাও বঞ্চিত

হয়, নাইবা সেই সম্পত্তি এনেকুৱা ব্যক্তিয়ে উত্তৰাধিকাৰীসূত্ৰে লাভ কৰে যাক সি ভাল নাপায়।

4. ইমাম নাৱাৱীয়ে কৈছেঃ হাদীছটোত অধিক শপত খাবলৈ নিষেধ কৰা হৈছে। কাৰণ অপ্ৰয়োজনীয় শপত খোৱা অপছন্দনীয়। লগতে শপত খাই ক্ৰয়-বিক্ৰয় কৰিবলৈ নিষেধ কৰা হৈছে, কাৰণ শপতৰ দ্বাৰা ক্ৰেতাক প্ৰতাৰণা কৰাৰ থল থাকে।

5. অধিক শপত খোৱাটো হৈছে ঈমানী দুৰ্বলতাৰ পৰিচয় তথা আক্বীদা তাওহীদৰ ক্ষেত্ৰত ত্ৰুটিৰ পৰিচয়। কিয়নো অধিক শপত খালে দুটা বস্তু পৰিলক্ষিত হয়ঃ ১- মানুহে ইয়াৰ প্ৰতি অসাৱধান হৈ পৰে আৰু ইয়াৰ প্ৰতি গুৰুত্ব নিদিয়ে। ২- সি মিছা কথা ক'বলৈ আৰম্ভ কৰে। কাৰণ যিয়ে বেছি শপত খায়, সি বেছি মিছা কথা কয়। সেয়ে বেছি শপত খাব নালাগে। এইকাৰণেই মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ "তোমালোকে নিজৰ শপত ৰক্ষা কৰিবা।" (ছুৰা আল-মায়িদাহঃ ৮৯)

(5936)

(266) – عن ابن عمر رضي الله عنهما عن النبي صلى الله عليه وسلم قال: «أَحْفُوا الشَّوَارِبَ وَأَعْفُوا اللِّحَى». [صحيح] - [متفق عليه]

(266) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে মোচ চুটি কৰা আৰু দাড়ি দীঘল কৰা।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোচ কাটিবলৈ নিৰ্দেশ দিছে তথা দীঘল কৰিবলৈ নিষেধ কৰিছে। আনকি বেছিকৈ চুটি কৰিব লাগে।

পক্ষান্তৰে দাড়িক এৰি দিবলৈ দিছে, যাতে দীঘল হৈয়ে থাকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দাড়ি খুৰোৱা হাৰাম।

(3279)

(267) – عَن أَبِي سَعِيدٍ الْخُدْرِيِّ رضي الله عنه أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لَا يَنْظُرُ الرَّجُلُ إِلَى عَوْرَةِ الرَّجُلِ، وَلَا الْمَرْأَةُ إِلَى عَوْرَةِ الْمَرْأَةِ، وَلَا يُفْضِي الرَّجُلُ إِلَى الرَّجُلِ فِي ثَوْبٍ وَاحِدٍ، وَلَا تُفْضِي الْمَرْأَةُ إِلَى الْمَرْأَةِ فِي الثَّوْبِ الْوَاحِدِ». [صحيح] - [رواه مسلم]

(267) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "কোনো পুৰুষে আন কোনো পুৰুষৰ লজ্জাস্থান দেখা উচিত নহয়। এইদৰে কোনো নাৰীয়েও আন কোনো নাৰীৰ লজ্জাস্থান দেখা উচিত নহয়। কোনো পুৰুষে আন কোনো পুৰুষৰ লগত একে কাপোৰ মেৰিয়াই পিন্ধা উচিত নহয়। এইদৰে কোনো নাৰীয়েও আন কোনো নাৰীৰ সৈতে এখন কাপোৰ মেৰিয়াই পিন্ধা উচিত নহয়।" [ছহীহ] - [মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত পুৰুষে পুৰুষৰ লজ্জাস্থান দেখিবলৈ নিষেধ কৰিছে। এইদৰে নাৰীকো নাৰীৰ লজ্জাস্থান দেখিবলৈ নিষেধ কৰা হৈছে।

আওৰাহ প্ৰত্যেক সেই অংগক কোৱা হয়, যিটো প্ৰকাশ পালে মানুহে লাজ পায়। পুৰুষৰ আওৰাহ হৈছে নাভীৰ পৰা আঠুলৈকে। পৰপুৰুষৰ সন্মুখত নাৰীৰ গোটেই শৰীৰ হৈছে আওৰাহ। আনহাতে কোনো নাৰীৰ সন্মুখত আৰু মাহৰাম পুৰুষৰ সন্মুখত নাৰীয়ে নিজৰ শৰীৰৰ সেইখিনি অংশ প্ৰকাশ কৰিব পাৰে যিখিনি অংশ সাধাৰণতে ঘৰত কাম কৰোঁতে প্ৰকাশ পায়।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কোনো পুৰুষক আন কোনো পুৰুষৰ সৈতে একেখন কাপোৰ মেৰিয়াই পিন্ধিবলৈ নিষেধ কৰিছে, অথবা এখন চাদৰ বা কম্বলৰ তলত নগ্ন অৱস্থাত শুৱলৈ নিষেধ কৰিছে। এইদৰে নাৰীসকলকো কোনো নাৰীৰ সৈতে একেখন কাপোৰ মেৰিয়াই পিন্ধিবলৈ নিষেধ কৰিছে। অথবা কোনো চাদৰ বা কম্বলৰ তলত নগ্ন হৈ দুজনী নাৰী একেলগে শুবলৈ নিষেধ কৰিছে। কাৰণ এনেকুৱা কৰিলে ইজনে সিজনৰ আওৰাহ স্পৰ্শ হোৱাটো নিশ্চিত। আনহাতে যিদৰে বেলেগৰ আওৰাৰ পিনে দৃষ্টিপাত কৰা নিষিদ্ধ, সেইদৰে স্পৰ্শ কৰাও নিষিদ্ধ। বৰং তাতকৈও অধিক কঠোৰভাৱে নিষিদ্ধ। কাৰণ ইয়াত ডাঙৰ ক্ষতি হোৱাৰ সম্ভাৱনা অধিক।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. স্বামী-স্ত্ৰীৰ আওৰাৰ বাহিৰে বেলেগৰ আওৰাৰ (লজ্জাস্থানৰ) প্ৰতি দৃষ্টিপাত কৰা নিষিদ্ধ।
2. ইছলামে সুস্থ আৰু পৱিত্ৰ সমাজ গঢ়াৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰিছে, লগতে অশ্লীলতাৰ সকলো দুৱাৰ বন্ধ কৰি দিছে।
3. প্ৰয়োজনত কামভাৱ নোহোৱাকৈ আওৰাৰ প্ৰতি দৃষ্টিপাত কৰা বৈধ, যেনে- চিকিৎসাৰ ক্ষেত্ৰত।
4. মুছলিমসকলক নিজৰ আওৰাহ ঢাকি ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে, আৰু আনৰ আওৰাহৰ পৰা দৃষ্টি সংযত ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।
5. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পুৰুষক পুৰুষৰ সৈতে আৰু নাৰীক নাৰীৰ সৈতে উল্লেখ কৰিছে। কাৰণ এই অৱস্থাক মানুহে নিচেই সাধাৰণ বুলি গণ্য কৰি বেলেগৰ সন্মুখত নিজৰ আওৰাহ উন্মুক্ত কৰে আৰু দৃষ্টিপাত কৰে।

(8904)

(268) – عن عبد الله بن عمرو رضي الله عنهما قال: لَمْ يَكُنِ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ فَاحِشًا وَلَا مُتَفَحِّشًا، وَكَانَ يَقُولُ: «إِنَّ مِنْ خِيَارِكُمْ أَحْسَنَكُمْ أَخْلَاقًا». [صحيح] - [متفق عليه]

(268) – আব্দুল্লাহ ইবনে আমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াও অশ্লীল নাছিল আৰু অশ্লীল কথা আৰু কৰ্মও কৰা নাছিল। তেওঁ কৈছেঃ "নিশ্চয় তোমালোকৰ মাজত উত্তম হৈছে সেইজন, যিজন উত্তম চৰিত্ৰৰ অধিকাৰী।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াও অশ্লীল কথা কোৱা নাছিল অথবা কেতিয়াও অশ্লীল কৰ্ম কৰা নাছিল। তেখেতে ইচ্ছাকৃতভাৱে বা অনিচ্ছাকৃতভাৱেও কৰা নাছিল। আনকি তেখেত সুউচ্চ মহান চৰিত্ৰৰ অধিকাৰী আছিল।

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহৰ দৃষ্টিত তোমালোকৰ মাজত উত্তম হৈছে সেইজন ব্যক্তি, যিজন উত্তম চৰিত্ৰৰ অধিকাৰী। উত্তম চৰিত্ৰ হৈছে, সৎকৰ্ম কৰা, হাঁহিমুখে মানুহৰ সৈতে সাক্ষাৎ কৰা, কাকো কষ্ট নিদিয়া, মানুহে দিয়া কষ্টত ধৈৰ্য্য ধাৰণ কৰা, লগতে মানুহৰ সৈতে সদাচৰণ কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. অশ্লীলতা বৰ্জন কৰাটো মুমিনৰ বাবে অনিবাৰ্য, যেনে- বেয়া কৰ্ম তথা বেয়া কথা আদি পৰিহাৰ কৰা।
2. এইটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পূৰ্ণাংগ সচ্চৰিত্ৰৱান হোৱাৰ প্ৰমাণ যে, তেখেতে উত্তম কথা আৰু নেক আমলৰ বাহিৰে আন একো কৰা নাছিল।

3. উত্তম চৰিত্ৰ হৈছে মুমিনসকলৰ বাবে প্ৰতিযোগিতাৰ বিষয়। যিয়ে এই ক্ষেত্ৰত অগ্ৰগামী হ'ব তেৱেঁই হ'ব উত্তম মুমিন তথা পৰিপূৰ্ণ ঈমান্দাৰ।

(5803)

(269) – عن عائشة رضي الله عنها قالت: سمعت رسول الله صلى الله عليه وسلم يقول: «إِنَّ الْمُؤْمِنَ لَيُدرِكُ بِحُسْنِ خُلُقِهِ دَرَجَةَ الصَّائِمِ القَائِمِ». [صحيح بشواهده] - [رواه أبو داود وأحمد]

(269) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ নিশ্চয় মুমিন ব্যক্তিয়ে নিজৰ সদাচৰণৰ বাবে চওম পালনকাৰী আৰু চালাত আদায়কাৰী ব্যক্তিৰ দৰে মৰ্যাদা লাভ কৰে। [অন্যান্য হাদীছৰ সমৰ্থনত ছহীহ] - [(আবু দাঊদ, আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, সৎচৰিত্ৰই মানুহক গোটেই দিন ৰোজা ৰখাৰ আৰু ওৰে ৰাতি নামাজ পঢ়াৰ মৰ্যাদালৈ উন্নীত কৰে। সৎচৰিত্ৰৰ দ্বাৰা বুজোৱা হৈছেঃ সৎকৰ্ম কৰা, উত্তম কথা কোৱা, হাঁহিমুখে মানুহৰ লগত সাক্ষাৎ কৰা, কাকো কষ্ট নিদিয়া, আনে দিয়া কষ্টত ধৈৰ্য্য ধাৰণ কৰা আদি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলামে পূৰ্ণাংগৰূপে সৎচৰিত্ৰ অৱলম্বনত অতিকৈ গুৰুত্ব প্ৰদান কৰিছে।
2. উত্তম চৰিত্ৰই ছোৱাব তথা প্ৰতিদান বৃদ্ধি কৰে, আনকি উত্তম চৰিত্ৰ অৱলম্বন কৰা ব্যক্তিয়ে চওম পালনকাৰীৰ মৰ্যাদালৈ উন্নীত হয়, যিয়ে ধৰাবাহিকভাৱে চওম পালন কৰে, লগতে সেই তাহাজ্জুদ আদায়কাৰীৰ মৰ্যাদালৈ উন্নীত হয় যিয়ে ক্লান্ত নহয়।

3. দিনটো ৰোজা ৰখা আৰু ৰাতিত তাহাজ্জুদ আদায় কৰা এই দুটা হৈছে অত্যন্ত কষ্টকৰ আমল, কিন্তু উত্তম চৰিত্ৰৱান ব্যক্তিয়ে উত্তম আচৰণ কৰিবলৈ নিজৰ মনৰ সৈতে সংগ্ৰাম কৰিব লাগে, সেয়ে তেওঁ এই মৰ্যাদালৈ উন্নীত হয়।

(5799)

(270) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «أَكْمَلُ الْمُؤْمِنِينَ إِيمَانًا أَحْسَنُهُمْ خُلُقًا، وَخَيْرُكُمْ خَيْرُكُمْ لِنِسَائِهِمْ». [حسن] - [رواه أبو داود والترمذي وأحمد]

(270) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ঈমানৰ ফালেৰে পৰিপূৰ্ণ মুমিন হৈছে সেই ব্যক্তি, যিজন সিহঁতৰ মাজত উত্তম চৰিত্ৰৰ অধিকাৰী। তোমালোকৰ মাজত সৰ্বোত্তম হৈছে সেই ব্যক্তি, যিজন নিজৰ স্ত্ৰীৰ ওচৰত উত্তম। [হাছান] - [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, পৰিপূৰ্ণ মুমিন হৈছে সেই ব্যক্তি, যিজন সচ্চৰিত্ৰৰ অধিকাৰী। অৰ্থাৎ যিয়ে হাঁহিমুখে সাক্ষাৎ কৰে, সৎকৰ্ম কৰে, উত্তম কথা কয় আৰু মানুহক কষ্ট নিদিয়ে।

লগতে উত্তম মুমিন হৈছে সেইজন, যিজন নিজৰ স্ত্ৰীৰ ওচৰত উত্তম। অৰ্থাৎ যিয়ে নিজৰ স্ত্ৰীৰ সৈতে ভাল ব্যৱহাৰ কৰে, লগতে নিজৰ জীয়াৰি, বাই-ভনী আৰু আত্মীয় নাৰীৰ সৈতে ভাল ব্যৱহাৰ কৰে। কাৰণ তেওঁলোক হৈছে সদাচৰণ পোৱাৰ অধিক যোগ্য।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. উত্তম চৰিত্ৰৰ গুৰুত্ব, কাৰণ এইটো হৈছে ঈমানৰ অংশ।

2. আমলো হৈছে ঈমানৰ অংশ। ঈমান বৃদ্ধিও হয় আৰু হ্ৰাসো হয়।
3. ইছলামে নাৰীসকলক মৰ্যাদা প্ৰদান কৰিছে আৰু তেওঁলোকৰ প্ৰতি সদাচৰণ কৰিবলৈ উৎসাহিত কৰিছে।

(5792)

(271) – عن أبي هريرة رضي الله عنه قال: سُئِلَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَنْ أَكْثَرِ مَا يُدْخِلُ النَّاسَ الْجَنَّةَ، فَقَالَ: «تَقْوَى اللهِ وَحُسْنُ الْخُلُقِ»، وَسُئِلَ عَنْ أَكْثَرِ مَا يُدْخِلُ النَّاسَ النَّارَ فَقَالَ: «الْفَمُ وَالْفَرْجُ». [حسن صحيح] - [رواه الترمذي وابن ماجه وأحمد]

(271) – **আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামক প্ৰশ্ন কৰা হ'ল যে, কোনটো আমলৰ কাৰণে অধিক মানুহে জান্নাতত প্ৰৱেশ কৰিব? তেখেতে ক'লে: "আল্লাহৰ তাক্বৱা আৰু উত্তম চৰিত্ৰৰ কাৰণে।" লগতে প্ৰশ্ন কৰা হ'ল যে, কোনটো কৰ্মৰ কাৰণে অধিক মানুহে জাহান্নামত প্ৰৱেশ কৰিব? তেখেতে ক'লে: "মুখ আৰু লজ্জাস্থানৰ কাৰণে।"** [হাছান ছহীহ] - [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, যিবোৰ কাৰণত মানুহে জান্নাতত প্ৰৱেশ কৰিব তাৰে মাজৰ সৰ্বাধিক ডাঙৰ দুটা কাৰণ হৈছে:

আল্লাহৰ তাক্বৱা আৰু উত্তম চৰিত্ৰ।

আল্লাহৰ তাক্বৱা অৱলম্বনৰ অৰ্থ হৈছে, নিজৰ আৰু আল্লাহৰ শাস্তিৰ মাজত এটা ব্যৱধান সৃষ্টি কৰা। এই ব্যৱধান সৃষ্টি কৰিবলৈ হ'লে আল্লাহৰ আদেশ পালন কৰিব লাগিব আৰু তেওঁৰ নিষেধকৃত বস্তুবোৰৰ পৰা বিৰত থাকিব লাগিব।

আৰু উত্তম চৰিত্ৰৰ দ্বাৰা বুজোৱা হৈছে যেনে- হাঁহিমুখে সাক্ষাৎ কৰা, আনৰ উপকাৰ কৰা, কাকো কষ্ট নিদিয়া আদি।

আনহাতে জাহান্নামত যোৱাৰ কাৰণসমূহৰ মাজত অন্যতম ডাঙৰ দুটা কাৰণ হৈছেঃ

জিভা আৰু লজ্জাস্থান।

জিভাৰ দ্বাৰা হোৱা গুনাহসমূহ হৈছে যেনে- মিছা কথা কোৱা, গীবত কৰা বা আনৰ সমালোচনা কৰা, চোগলী কৰা বা খলুৱাগিৰি কৰা ইত্যাদি।

লজ্জাস্থানৰ দ্বাৰা হোৱা গুনাহসমূহ যেনে- ব্যভিচাৰ কৰা, সমকামিতা ইত্যাদি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জান্নাতত যোৱাৰ কিছুমান কাৰণ হৈছে আল্লাহৰ সৈতে জড়িত, উদাহৰণস্বৰূপে আল্লাহৰ তাক্বৱা অৱলম্বন কৰা। আনহাতে কিছুমান কাৰণ হৈছে মানুহৰ সৈতে সম্পৃক্ত যেনে- মানুহৰ সৈতে সদাচৰণ কৰা তথা উত্তম চৰিত্ৰ অৱলম্বন কৰা।
2. মানুহৰ বাবে জিভাৰ ফিতনা অতিকৈ মাৰাত্মক। এইটো জাহান্নামত যোৱাৰ অন্যতম কাৰণ।
3. মানুহৰ বাবে প্ৰবৃত্তিৰ কামনা-বাসনা আৰু অশ্লীলতাৰ ভয়াৱহতাও মাৰাত্মক। জাহান্নামত প্ৰৱেশ কৰাৰ এইটোৱে হৈছে অন্যতম এটা ডাঙৰ কাৰণ।

(5476)

(272) – عن أنس بن مالك رضي الله عنه قال: كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ أَحْسَنَ النَّاسِ خُلُقًا. [صحيح] - [متفق عليه]

(272) – আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল সকলোতকৈ উত্তম চৰিত্ৰৰ অধিকাৰী। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম পূৰ্ণাংগ উত্তম চৰিত্ৰৰ অধিকাৰী আছিল। তেখেত সকলো প্ৰকাৰ উৎকৃষ্ট গুণ আৰু সৌন্দৰ্য্যতাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰপ্ৰাপ্ত আছিল। যেনে- উত্তম কথা কোৱাৰ ক্ষেত্ৰত, সৎকৰ্ম কৰাৰ ক্ষেত্ৰত, হাঁহিমুখে সাক্ষাৎ কৰাৰ ক্ষেত্ৰত, মানুহক কষ্ট নিদিয়াৰ ক্ষেত্ৰত, আৰু মানুহে দিয়া কষ্টত ধৈৰ্য্য ধাৰণৰ ক্ষেত্ৰত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লাম পূৰ্ণাংগৰূপে উৎকৃষ্ট চৰিত্ৰৰ অধিকাৰী আছিল।
2. উত্তম চৰিত্ৰৰ ক্ষেত্ৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল পূৰ্ণাংগ আদৰ্শৱান ব্যক্তি।
3. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম চৰিত্ৰৰ পৰা আদৰ্শ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হৈছে।

(6180)

(273) – قال سعد بن هشام بن عامر -عندما دخل على عائشة رضي الله عنها-: يَا أُمَّ الْمُؤْمِنِينَ، أَنْبِئِينِي عَنْ خُلُقِ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، قَالَتْ: أَلَسْتَ تَقْرَأُ الْقُرْآنَ؟ قُلْتُ: بَلَى، قَالَتْ: فَإِنَّ خُلُقَ نَبِيِّ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَانَ الْقُرْآنَ. [صحيح] - [رواه مسلم في جملة حديثٍ طويلٍ]

(273) – ছাআদ বিন হিশ্বাম বিন আমিৰ যেতিয়া আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ ওচৰলৈ গৈছিল, তেতিয়া তেওঁ তেখেতক সুধিছিলঃ হে মুমিনসকলৰ মাতৃ! আপুনি মোক ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ সম্পৰ্কে কওকচোন। এই কথা শুনি তেখেতে ক'লেঃ তুমি কোৰআন পঢ়া নাইনে? মই ক'লোঁ, হয় নিশ্চয় পঢ়োঁ। তেখেতে ক'লেঃ কোৰআনখনেই আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ। [ছহীহ] - [(মুছলিমে বৰ্ণনা কৰা এটা দীঘল হাদীছৰ কিয়দাংশ)]

## ব্যাখ্যা:

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক যেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ সম্পৰ্কে সোধা হৈছিল, তেতিয়া তেখেতে গভীৰ অৰ্থপূৰ্ণ শব্দৰে উত্তৰ দিছিল আৰু প্ৰশ্নকৰ্তাক কোৰআনৰ কথা কৈছিল, যিখন কিতাব সকলো প্ৰকাৰ পূৰ্ণাংগ গুণেৰে গুণান্বিত। তেখেতে উত্তৰ প্ৰদান কৰি কৈছিল যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল কোৰআনৰ চৰিত্ৰৰে চৰিত্ৰৱান। অৰ্থাৎ কোৰআনত যি যি নিৰ্দেশ আহিছে সেইটো তেখেতে পালন কৰিছিল, আৰু কোৰআনত যিটোৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে, সেইটোক তেখেতে পৰিত্যাগ কৰিছিল। এইদৰে তেখেতৰ চৰিত্ৰৰ সাৰাংশ হৈছে এই যে, তেখেতে কোৰআনক আমলত পৰিণত কৰিছিল, কোৰআনে বান্ধি দিয়া সীমা কেতিয়াও উলংঘা কৰা নাছিল, কোৰআনত বৰ্ণিত শিষ্টাচাৰসমূহ বাস্তৱায়ন কৰিছিল, লগতে কোৰআনত বৰ্ণিত উদাহৰণসমূহ আৰু ঘটনাৱলীৰ পৰা শিক্ষা লৈছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শৰে আদৰ্শিত হৈ কোৰআনৰ নৈতিক শিক্ষাৰ প্ৰতি আমল কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰক প্ৰশংসা কৰা হৈছে, আৰু এই কথা কোৱা হৈছে যে, কোৰআনেই আছিল তেখেতৰ চৰিত্ৰৰ মূল উৎস।
3. কোৰআনেই হৈছে সকলো প্ৰকাৰ উত্তম চৰিত্ৰৰ মূল উৎস।
4. ইছলামত চৰিত্ৰৰ দ্বাৰা মূলতে দ্বীনৰ সকলো বিষয়কে সামৰি লোৱা হৈছে, যেনে- নিৰ্দেশসমূহ পালন কৰা আৰু নিষেধকৃত বিষয়বোৰৰ পৰা বিৰত থকা আদি।

(8265)

(274) – عَنْ عَائِشَةَ أُمِّ المُؤمنينَ رضي الله عنها قَالَتْ: كَانَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يُعْجِبُهُ التَّيَمُّنُ، فِي تَنَعُّلِهِ، وَتَرَجُّلِهِ، وَطُهُورِهِ، وَفِي شَأْنِهِ كُلِّهِ. [صحيح] - [متفق عليه]

(274) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জোতা পিন্ধাৰ ক্ষেত্ৰত, চুলি ফণিওৱাৰ ক্ষেত্ৰত, পৱিত্ৰতা অৰ্জনৰ ক্ষেত্ৰত, আনকি তেখেতে সকলো (ভাল কামৰ) ক্ষেত্ৰতে সোঁফালৰ পৰা আৰম্ভ কৰাটোক পছন্দ কৰিছিল। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সন্মানযোগ্য তথা সকলো প্ৰকাৰ ভাল কাম সোঁফালেৰে আৰম্ভ কৰাটোক পছন্দ কৰিছিল তথা সোঁ হাতক প্ৰাধান্য দিছিল। গতিকে জোতা পিন্ধাৰ ক্ষেত্ৰত প্ৰথমে সোঁ ভৰিত পিন্ধিব

লাগে, এইদৰে চুলি আৰু দাড়ি ফণিওৱাৰ ক্ষেত্ৰত আৰু তেল আদি দিয়াৰ ক্ষেত্ৰতো সোঁফালৰ পৰা আৰম্ভ কৰিব লাগে, এইদৰে অজু কৰাৰ সময়ত বাওঁ ভৰি আৰু বাওঁ হাতৰ আগত সোঁ ভৰি ধুব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ এইটো চৰীয়তৰ এটা অন্যতম প্ৰসিদ্ধ নিয়ম যে, সন্মানীয় তথা উত্তম সকলো প্ৰকাৰ কাম যেনে- কাপোৰ পৰিধান কৰা, পেণ্ট বা পায়জামা পৰিধান কৰা, মোজা পৰিধান কৰা, মছজিদত প্ৰৱেশ কৰা, মিছৱাক কৰা, কাজল দিয়া, নখ কটা, মোচ কটা, মূৰৰ চুলি ফণিওৱা, কাষলতিৰ নোম পৰিষ্কাৰ কৰা, মূৰ খোৰোৱা, নামাজত ছালাম ফিৰোৱা, পৱিত্ৰতা অৰ্জন কৰিবলৈ শৰীৰৰ অংগ ধোৱা, শৌচালয়ৰ পৰা ওলোৱা, পানাহাৰ কৰা, মুচাফাহা কৰা, হাজৰে আছৱাদ স্পৰ্শ কৰা ইত্যাদি সকলো উত্তম কামতে সোঁফালৰ পৰা আৰম্ভ কৰা মুস্তাহাব তথা পছন্দনীয়। পক্ষান্তৰে ইয়াৰ বিপৰীত ক্ষেত্ৰত যেনে- শৌচালয়ত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত, মছজিদৰ পৰা বাহিৰ হোৱাৰ ক্ষেত্ৰত, শৌচ-প্ৰস্ৰাৱৰ পিছত পানী ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত, কাপোৰ খোলাৰ ক্ষেত্ৰত, মোজা আদি খোলাৰ ক্ষেত্ৰত বাওঁ ফালেৰে আৰম্ভ কৰা মুস্তাহাব তথা পছন্দনীয়। ইয়াৰ কাৰণ হৈছে সোঁ হাত আৰু সোঁফাল হৈছে সন্মানীয়।
2. হাদীছৰ শব্দ "يعجبه التيمن" অৰ্থাৎ তেখেতে সোঁফালক পছন্দ কৰিছিল। অৰ্থাৎ সোঁ হাতেৰে আৰু সোঁ ভৰিৰে কাম আৰম্ভ কৰিছিল আৰু সোঁফালেৰে আৰম্ভ কৰিছিল, লগতে সোঁহাতেৰে দিয়া লোৱা কৰিছিল।
3. নৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ অজুৰ কেইটামান অংগ ধোৱাৰ ক্ষেত্ৰত সোঁফাল পছন্দনীয় বুলি কোনো কথা নাই। যেনে- দুই কাণ, দুই হাতৰ পতা, দুই গাল আদি, বৰং এইবোৰ এবাৰতেই ধুব লাগে।

যদি কোনোবাই অক্ষম হয়, যেনে- কোনো হাত কটা ব্যক্তি আদি, তেন্তে সোঁফালেৰে আৰম্ভ কৰা উচিত।

(3018)

(275) – عن شداد بن أوس رضي الله عنه قال: ثِنْتَانِ حَفِظْتُهُمَا عَنْ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِنَّ اللهَ كَتَبَ الْإِحْسَانَ عَلَى كُلِّ شَيْءٍ، فَإِذَا قَتَلْتُمْ فَأَحْسِنُوا الْقِتْلَةَ، وَإِذَا ذَبَحْتُمْ فَأَحْسِنُوا الذَّبْحَ، وَلْيُحِدَّ أَحَدُكُمْ شَفْرَتَهُ، فَلْيُرِحْ ذَبِيحَتَهُ». [صحيح] - [رواه مسلم]

(275) – শ্বাদ্দাদ বিন আউছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দুটা বস্তু আয়ত্ত কৰি ৰাখিছোঁ, তেখেতে কৈছেঃ নিশ্চয় আল্লাহে প্ৰত্যেক বিষয়তে (তোমালোকৰ ওপৰত) ইহছান তথা সদাচৰণ কৰাটো অত্যাৱশ্যক কৰিছে। গতিকে তোমালোকে যেতিয়া হত্যা কৰিবা তেতিয়া উত্তমভাৱে হত্যা কৰিবা, আৰু যেতিয়া জবেহ কৰিবা তেতিয়া উত্তমভাৱে জবেহ কৰিবা। জবেহ কৰিবলৈ লোৱা অস্ত্ৰটো তোমালোকে চোকা কৰি লবা। যাতে জবেহ কৰিবলগীয়া জন্তুৱে অধিক কষ্ট নাপায়। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহে আমাৰ ওপৰত প্ৰতিটো বস্তুৰ প্ৰতি ইহছান কৰিবলৈ অনিবাৰ্য কৰিছে। ইহছান হৈছেঃ এই কথা মনত ৰখা যে, আল্লাহে আমাক চাই আছে। এই কথাটো প্ৰত্যেক ক্ষেত্ৰতে মনত ৰাখিব লাগিব, ইবাদতৰ ক্ষেত্ৰতেই হওক, কোনো কল্যাণকৰ কাম কৰাৰ ক্ষেত্ৰতেই হওক বা সৃষ্টিক বিপদৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰতেই হওক। এইদৰে হত্যা আৰু জবেহ কৰাৰ ক্ষেত্ৰতো মনত ৰখা উচিত যে, আল্লাহে আমাক চাই আছে।

কিচাচ বা মৃত্যুদণ্ড প্ৰদান কৰাৰ সময়তো এই কথা মনত ৰাখিব লাগিব, যাতে এই শাস্তি সহজে আৰু দ্ৰুততাৰে বিহা হয়, দণ্ডপ্ৰাপ্ত ব্যক্তিয়ে যাতে অধিক কষ্ট অনুভৱ কৰিব নোৱাৰে।

জবেহ কৰাৰ সময়ত ইহছান কৰাৰ অৰ্থ হৈছেঃ জবেহ কৰিবলৈ লোৱা অস্ত্ৰটো চোকা হ'ব লাগিব, লগতে এই কথা মনত ৰাখিব লাগিব যে, জবেহ কৰিবলগীয়া জন্তুৰ সন্মুখত যাতে ছুৰি চোকা কৰা নহয়। লগতে অন্যান্য জন্তুৰ সন্মুখতো যাতে জবেহ কৰা নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সৃষ্টিৰ প্ৰতি সৰ্বশক্তিমান আল্লাহৰ কৃপা আৰু দয়া।
2. চৰীয়তে নিৰ্ধাৰণ কৰা পদ্ধতিৰে উত্তমভাৱে হত্যা কৰা তথা জবেহ কৰা।
3. চৰীয়তৰ পৰিপূৰ্ণতা আৰু পৰিপক্কতা এই যে, ইয়াৰ ভিতৰত যাৱতীয় কল্যাণ অন্তৰ্ভুক্ত আছে। তাৰেই এটা উদাহৰণ হৈছে, জন্তুৰ প্ৰতিও দয়া কৰা আৰু সেইবোৰৰ প্ৰতি সদয় হোৱা।
4. (যুুদ্ধ ক্ষেত্ৰতে হওক বা মৃত্যুদণ্ড প্ৰদানৰ পিছতে হওক) হত্যাৰ পিছত মানুহৰ কোনো অংগক বিকৃত কৰিবলৈ নিষেধ কৰা হৈছে।
5. জীৱ-জন্তুক যিকোনো প্ৰকাৰৰ শাস্তি বিহা হাৰাম।

(4319)

(276) – عن عبد الله بن عمرو رضي الله عنهما قال: قال رسول الله صلى الله عليه وسلم: «إِنَّ الْمُقْسِطِينَ عِنْدَ اللهِ عَلَى مَنَابِرَ مِنْ نُورٍ، عَنْ يَمِينِ الرَّحْمَنِ عَزَّ وَجَلَّ، وَكِلْتَا يَدَيْهِ يَمِينٌ، الَّذِينَ يَعْدِلُونَ فِي حُكْمِهِمْ وَأَهْلِيهِمْ وَمَا وَلُوا». [صحيح] - [رواه مسلم]

(276) – আব্দুল্লাহ ইবনু আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় ইনচাফকাৰীসকল আল্লাহৰ ওচৰত নূৰৰ মিম্বৰৰ ওপৰত থাকিব। সৰ্বশক্তিমান দয়াময় আল্লাহৰ সোঁফালে অৱস্থান কৰিব। আল্লাহৰ দুয়ো হাতেই হৈছে সোঁ হাত। যিসকলে নিজৰ পৰিয়াল আৰু অধীনস্থ লোকসকলৰ মাজত ন্যায় তথা ইনচাফ আৰু সততাৰ সৈতে শাসনকাৰ্য পৰিচালনা কৰিছিল। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিসকলে মানুহৰ মাজত অৰ্থাৎ নিজৰ অধীনস্থ লোকসকল আৰু পৰিয়ালবৰ্গৰ মাজত ন্যায়নীতিৰে ফয়চালা কৰে, তেওঁলোকে কিয়ামতৰ দিনা সসন্মানে  সুউচ্চ আসনত বহিব, যি আসনসমূহ নূৰৰ দ্বাৰা নিৰ্মিত। এই আসনবোৰ অসীম দয়ালু মহান আল্লাহৰ সোঁফালে থাকিব। মহান আল্লাহৰ দুয়ো হাতেই হৈছে সোঁ হাত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইনচাফ বা ন্যায়পৰায়ণতাৰ গুৰুত্ব আৰু তাৰ প্ৰতি উৎসাহ প্ৰদান কৰা হৈছে।
2. এই ইনচাফে  ব্যাপক অৰ্থ বহন কৰে, ইয়াৰ মাজত সকলো ৰাষ্ট্ৰি আৰু মানুহৰ মাজত কৰা সকলো প্ৰকাৰ ন্যায় ফয়চালাক সামৰি লোৱা হৈছে, আনকি স্ত্ৰীসকলৰ মাজত আৰু সন্তান-সন্ততিসকলৰ মাজত কৰা ন্যায়ও ইয়াৰেই অন্তৰ্ভুক্ত।

3. কিয়ামতৰ দিনা ইনচাফকাৰীসকলে পাবলগীয়া মৰ্যাদাৰ বৰ্ণনা।
4. কিয়ামতৰ দিনা ঈমান্দাৰসকলৰ আমল অনুযায়ী তেওঁলোকৰ মৰ্যাদা ভিন ভিন হ'ব।
5. উৎসাহ প্ৰদানৰ পদ্ধতি হৈছে দাৱাতৰ এটা অন্যতম পদ্ধতি, যিয়ে মানুহক আনুগত্য কৰিবলৈ উৎসাহ প্ৰদান কৰে।

(4935)

(277) – عن أبي سعيد الخدري رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «لَا ضَرَرَ وَلَا ضِرَارَ، مَنْ ضَارَّ ضَرَّهُ اللَّهُ، وَمَنْ شَاقَّ شَقَّ اللَّهُ عَلَيْهِ». [صحيح بشواهده] - [رواه الدارقطني]

(277) – আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ (আৰম্ভণিতো) ক্ষতি কৰা উচিত নহয় আৰু প্ৰতিশোধ লোৱাৰ ক্ষেত্ৰতো ক্ষতি কৰা উচিত নহয়। যিয়ে আনক ক্ষতি কৰিব, আল্লাহে তাক ক্ষতি কৰিব। এইদৰে যিয়ে আনক কষ্ট দিব, আল্লাহেও তাক কষ্ট দিব। [অন্যান্য হাদীছৰ সমৰ্থনত ছহীহ] - [(দাৰু কুতনী)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্ট কৰিছে যে, নিজকে আৰু আনকো সৰ্বতো প্ৰকাৰে ক্ষয়-ক্ষতিৰ পৰা ৰক্ষা কৰা উচিত। সেয়ে নিজকে বা আন কাৰোবাক কোনো পথেৰেই ক্ষতি কৰা উচিত নহয়।

এইদৰে ক্ষতিৰ জৰিয়তে ক্ষতিৰ প্ৰতিশোধ লোৱাও উচিত নহয়। কাৰণ ক্ষতিৰ জৰিয়তে কেতিয়াও ক্ষতিক দূৰ কৰিব নোৱাৰি। কিচাচৰ বিষয়টো সুকীয়া, কিয়নো সেইটো ন্যায়ভিত্তিক কৰা হয়।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা সতৰ্কবাণী প্ৰদান কৰিছে যে, যিয়ে মানুহক ক্ষতি কৰিব সি নিজেই ক্ষতিগ্ৰস্ত হ'ব আৰু যিয়ে আনক কষ্ট দিব, সি নিজেই কষ্ট পাব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সমপৰিমাণতকৈ অধিক প্ৰতিশোধ লোৱা নিষিদ্ধ।
2. আল্লাহে তেওঁৰ বান্দাসকলক এনেকুৱা কোনো আদেশ প্ৰদান কৰা নাই যিটো সিহঁতৰ বাবে ক্ষতিকাৰক।
3. আৰম্ভণিত ক্ষতি কৰা নাইবা প্ৰতিশোধ লওঁতে ক্ষতি কৰা উভয়কে হাৰাম কৰা হৈছে। কথাৰ জৰিয়তেই হওক বা কৰ্মৰ জৰিয়তে নাইবা কোনো বস্তু পৰিত্যাগ কৰাৰ মাধ্যমতে হওক।
4. কৰ্ম অনুসৰি প্ৰতিফল দিয়া হয়। এতেকে যিয়ে আনক ক্ষতি কৰিব, আল্লাহেও তাক ক্ষতি কৰিব, আৰু যিয়ে আনক কষ্ট দিব, আল্লাহেও তাক কষ্ট দিব।
5. এই হাদীছটোক চৰীয়'আতৰ নীতিসমূহৰ এটা অন্যতম নীতি হিচাপে গণ্য কৰা হয়। সেয়া হৈছে এই যে, চৰীয়তে আৰম্ভণিত কৰা ক্ষতিক কেতিয়াও সমৰ্থন নকৰে। এইদৰে প্ৰতিশোধ গ্ৰহণ কৰাৰ ক্ষেত্ৰত অধিক ক্ষতি কৰাকো নিন্দা কৰে।

(4711)

(278) – عَنْ أَبِي مُوسَى رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِنَّمَا مَثَلُ الْجَلِيسِ الصَّالِحِ وَالْجَلِيسِ السَّوْءِ كَحَامِلِ الْمِسْكِ وَنَافِخِ الْكِيرِ، فَحَامِلُ الْمِسْكِ: إِمَّا أَنْ يُحْذِيَكَ، وَإِمَّا أَنْ تَبْتَاعَ مِنْهُ، وَإِمَّا أَنْ تَجِدَ مِنْهُ رِيحًا طَيِّبَةً، وَنَافِخُ الْكِيرِ: إِمَّا أَنْ يُحْرِقَ ثِيَابَكَ، وَإِمَّا أَنْ تَجِدَ رِيحًا خَبِيثَةً». [صحيح] - [متفق عليه]

(278) – আবু মুছা ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সৎ সঙ্গী আৰু অসৎ সঙ্গীৰ উদাহৰণ হৈছে আতৰ বিক্ৰেতা আৰু ভাটিত ফুঁ দিয়া কমাৰৰ দৰে। সুগন্ধি বিক্ৰেতাই হয়তো আপোনাক আতৰ উপহাৰ হিচাপে দিব, নহ'লে আপুনি তাৰ পৰা কিনি ল'ব, নাইবা আপুনি তাৰ ওচৰত থাকিলে ভাল সুগন্ধি পাই থাকিব। আনহাতে ভাটিত ফুঁ দিয়া কমাৰৰ ওচৰত বহিলে হয়তো ফিৰিঙতিয়ে আপোনাৰ কাপোৰ পুৰি দিব নাইবা আপুনি বেয়া গোন্ধ পাই থাকিব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত দুই ধৰণৰ ব্যক্তিৰ উদাহৰণ দাঙি ধৰিছেঃ

প্ৰথম প্ৰকাৰঃ এনেকুৱা নেক সঙ্গী বা বন্ধু যিয়ে আল্লাহৰ ফালে পথ দেখুৱায়, আৰু যিটো কৰিলে আল্লাহ সন্তুষ্ট হয়। লগতে নেক কামত সহায় কৰে। ইয়াৰ উদাহৰণ হৈছে, আতৰ বিক্ৰেতাৰ দৰে। আতৰ বিক্ৰেতাৰ সৈতে যদি আপুনি বহে, হয়তো তেওঁ আপোনাক আতৰ উপহাৰ দিব, অথবা আপুনি তেওঁৰ পৰা কিনি ল'ব, নাইবা আপুনি তেওঁৰ সৈতে থাকিলে সুগন্ধি পাই থাকিব।

দ্বিতীয় প্ৰকাৰ হৈছে বেয়া বন্ধু বা বেয়া সংগী: যিয়ে আল্লাহৰ পথৰ পৰা বিৰত ৰাখে, আৰু অসৎকৰ্মত সহযোগ কৰে, লগতে সদায় বেয়া কৰ্মত লিপ্ত থাকে। এনেকুৱা অসৎ চৰিত্ৰ লোকৰ সৈতে থাকিলে নিন্দিত হ'ব লাগিব, অন্যথা নিজেও এটা সময়ত বেয়া কামত লিপ্ত হ'ব। ইয়াৰ উদাহৰণ হৈছে কমাৰৰ দৰে, যিয়ে কমাৰ শালত সদায় জুই ফুঁৱাই থাকে,

ফলত যিয়ে তাৰ সৈতে বহিব, হয়তো ফিৰিঙতিয়ে তাৰ কাপোৰ পুৰিব, অথবা সি বেয়া গোন্ধ পায়ে থাকিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. শ্ৰোতাক সহজে বুজাবলৈ উদাহৰণ দাঙি ধৰা বৈধ।
2. আনুগত্যশীল নেক লোকৰ সৈতে উঠা বহা কৰিবলৈ উৎসাহিত কৰা হৈছে। আনহাতে অসৎ চৰিত্ৰ তথা দুষ্ট লোকৰ সংগ ত্যাগ কৰিবলৈ উপদেশ দিয়া হৈছে।

(3127)

(279) – عن أبي هريرة رضي الله عنه: أَنَّ رَجُلًا قَالَ لِلنَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: أَوْصِنِي، قَالَ: «لَا تَغْضَبْ» فَرَدَّدَ مِرَارًا قَالَ: «لَا تَغْضَبْ». [صحيح] - [رواه البخاري]

(279) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ক'লে, মোক উপদেশ দিয়ক। তেখেতে ক'লে, "তুমি খং নকৰিবা।" ব্যক্তিজনে কেইবাবাৰো একেই প্ৰশ্ন কৰিলে। তেখেতও প্ৰত্যেকবাৰেই এই কথাকেই ক'লে যে, তুমি খং নকৰিবা। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

কোনো এজন চাহাবীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত আহি উপদেশ বিচাৰিলে। তেখেতে তেওঁক নিৰ্দেশ দিলে যে, তুমি খং নকৰিবা। অৰ্থাৎ তুমি এনেকুৱা বিষয়ৰ পৰা আঁতৰি থাকিবা যিবোৰে তোমাক খং কৰিবলৈ বাধ্য কৰায়, লগতে কেতিয়াবা খং উঠিলেও তাক নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰিবা। খঙৰ বশৱৰ্তী হৈ যাতে হত্যা, মাৰপিট নাইবা গালি শপনি আদি নকৰা।

ব্যক্তিজনে বাৰে বাৰে উপদেশ বিচাৰি আছিল, তেখেতে তেওঁক ইয়াৰ বাহিৰে বেলেগ আন কোনো উপদেশ দিয়া নাছিল যে, তুমি খং নকৰিবা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ক্ৰোধৰ পৰা বিৰত থকা উচিত। কিয়নো ক্ৰোধ হৈছে সকলো অনিষ্ঠতাৰ মূল আৰু ইয়াক বৰ্জন কৰাটো হৈছে সকলো কল্যাণৰ মূল।
2. আল্লাহৰ উদ্দেশ্যে কাৰোবাৰ প্ৰতি খং কৰা আৰু কোনো হাৰাম কাম বা চৰীয়ত বিৰোধী কাম দেখি খং উঠা দুয়োটাই প্ৰশংসনীয়।
3. প্ৰয়োজনত কোনো কথা বাৰে বাৰে কোৱা বৈধ, যাতে শ্ৰৱণকাৰীয়ে মনোযোগ দিয়ে আৰু তাৰ প্ৰতি গুৰুত্ব দিয়ে।
4. আলিমৰ ওচৰত উপদেশ বিচৰাৰ ফজিলত।

(4709)

(280) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «لَيْسَ الشَّدِيدُ بِالصُّرَعَةِ، إِنَّمَا الشَّدِيدُ الَّذِي يَمْلِكُ نَفْسَهُ عِنْدَ الْغَضَبِ». [صحيح] - [متفق عليه]

(280) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “প্ৰকৃত বীৰ সেইজন নহয়, যিয়ে কাৰোবাক কুস্তিত পৰাজিত কৰে; বৰং প্ৰকৃত বীৰ হৈছে সেইজন, যিয়ে ক্ৰোধৰ সময়ত নিজকে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম “ [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে হাদীছটোত স্পষ্ট কৰিছে যে, শাৰীৰিক শক্তিয়েই প্ৰকৃত শক্তি নহয় অথবা কুস্তিত কাৰোবাক পৰাজিত

কৰাটোৱে শক্তিশালী হোৱাৰ পৰিচয় নহয়; বৰং প্ৰকৃত শক্তিশালী হৈছে সেইজন, যিয়ে ক্ৰোধৰ সময়ত নিজকে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম। কিয়নো ইয়াৰ দ্বাৰা তেওঁ নিজৰ নফছক নিয়ন্ত্ৰণ কৰিব পাৰে বুলি প্ৰমাণ পোৱা যায় আৰু চয়তানক পৰাজিত কৰাৰো প্ৰমাণ পোৱা যায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত ক্ৰোধৰ সময়ত ধৈৰ্য্য আৰু আত্মনিয়ন্ত্ৰণৰ গুৰুত্ব বৰ্ণিত হৈছে। এইটো হৈছে সৎকৰ্মৰ অন্তৰ্ভুক্ত, যিটোৰ প্ৰতি ইছলামে উৎসাহিত কৰিছে।
2. ক্ৰোধৰ সময়ত আত্মনিয়ন্ত্ৰণ কৰাটো জিহাদৰ ময়দানত শত্ৰুৰ সৈতে মোকাবিলা কৰাতকৈও কঠিন।
3. ইছলামে অজ্ঞতা যুগৰ শক্তিশালীৰ পৰিভাষাটোক উত্তম চৰিত্ৰৰ দ্বাৰা পৰিবৰ্তন কৰিছে। গতিকে আটাইতকৈ শক্তিশালী ব্যক্তি হৈছে সেইজন, যিয়ে নিজৰ নফছক নিয়ন্ত্ৰণ কৰিব পাৰে।
4. ক্ৰোধৰ পৰা বিৰত থকা বাঞ্চনীয়। কিয়নো ক্ৰোধৰ কাৰণে ব্যক্তি আৰু সমাজ জীৱনত নানা ধৰণৰ ক্ষতি হয়।

(5351)

(281) – عَنْ عَبْدِ اللَّهِ بْنِ عَمْرٍو رضي الله عنهما قال: قال رَسولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ:
«أَرْبَعٌ مَنْ كُنَّ فِيهِ كَانَ مُنَافِقًا خَالِصًا، وَمَنْ كَانَتْ فِيهِ خَلَّةٌ مِنْهُنَّ كَانَتْ فِيهِ خَلَّةٌ مِنْ نِفَاقٍ حَتَّى يَدَعَهَا: إِذَا حَدَّثَ كَذَبَ، وَإِذَا عَاهَدَ غَدَرَ، وَإِذَا وَعَدَ أَخْلَفَ، وَإِذَا خَاصَمَ فَجَرَ». [صحيح] - [متفق عليه]

(281) – আব্দুল্লাহ ইবনু আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "চাৰিটা দোষ যাৰ ভিতৰত আছে, সি হৈছে প্ৰকৃত মুনাফিক। যাৰ মাজত এই চাৰিটা দোষৰ যিকোনো এটা আছে, সি সেইটো পৰিত্যাগ নকৰালৈকে তাৰ ভিতৰত মুনাফিকৰ এটা স্বভাৱ থাকি যায়। (সেই দোষ চাৰিটা হৈছে) যেতিয়া সি কথা কয়, মিছা মাতে, আৰু যেতিয়া সন্ধি বা চুক্তি কৰে তেতিয়া সেয়া অমান্য কৰে, এইদৰে যেতিয়া প্ৰতিশ্ৰুতি দিয়ে তেতিয়া ভঙ্গ কৰে, লগতে কাজিয়া লাগিলে গালি শপনি পাৰে।" [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই হাদীছটোত সতৰ্ক কৰিছে যে, যদি চাৰিটা দোষ কোনো মুছলিমৰ ভিতৰত পোৱা যায়, তেন্তে ইয়াৰ কাৰণে সি মুনাফিকৰ দৰে গণ্য হয়। কিন্তু এই দোষবোৰে যদি তাক বেছি প্ৰভাৱিত কৰে তেতিয়াহে সি ইয়াৰ অন্তৰ্ভুক্ত হ'ব, অন্যথা কেতিয়াবা কেতিয়াবা এনেকুৱা দোষ হ'লে সেইটো ইয়াৰ অন্তৰ্ভুক্ত নহয়। সেই দোষবোৰ হৈছেঃ

প্ৰথমঃ জানি বুজি মিছা কথা কোৱা, সত্য কথা নোকোৱা।

দ্বিতীয়ঃ যেতিয়া কোনো চুক্তি কৰে তেতিয়া সেইটো পূৰা নকৰে, বিশ্বাসঘাতকতা কৰে।

তৃতীয়ঃ যেতিয়া কোনো প্ৰতিশ্ৰুতি দিয়ে, তেতিয়া সেইটো পালন নকৰে, বৰং ভংগ কৰে।

চতুৰ্থঃ যেতিয়া কাৰোবাৰ লগত তৰ্কত লিপ্ত হয় বা কাজিয়া কৰে তেতিয়া গালি শপনি পাৰিবলৈ ধৰে, আৰু সত্যৰ পৰা আঁতৰি যায়। আনকি প্ৰতিপক্ষক পৰাজিত কৰিবলৈ বাতিলৰ সহায় লয়, লগতে অসত্য আৰু মিছা কথা কয়।

নিফাক হৈছে, ভিতৰত এটা আৰু বাহিৰত এটা প্ৰকাশ কৰা, এইবোৰ বৈশিষ্ট্য থকা লোকৰ ক্ষেত্ৰতো এইটো অৰ্থই প্ৰযোজ্য, কাৰণ সি কথা কোৱাৰ ক্ষেত্ৰত, প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত, আমানতৰ ক্ষেত্ৰত আৰু মানুহৰ লগত কৰা চুক্তিৰ ক্ষেত্ৰত এইটোৱে কৰে। আনহাতে ইছলামত মুনাফিক কোৱা হয় সেই ব্যক্তিক, যিয়ে অন্তৰত কুফৰী গোপন ৰাখে আৰু নিজকে মুছলিম বুলি পৰিচয় দিয়ে। এতেকে এনেকুৱা বৈশিষ্ট্যবোৰ যদি কোনো এটা বৈশিষ্ট্য কাৰো ভিতৰত থাকে তেন্তে সেইটো নিফাকৰ বৈশিষ্ট্য থকা বুলি বিবেচিত হ'ব, যেতিয়ালৈকে সি সেইটো পৰিত্যাগ নকৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুনাফিকৰ কেইটামান আলামত বৰ্ণনা কৰা হৈছে, মানুহক সতৰ্ক কৰিবলৈ তথা ভয় দেখুৱাবলৈ, যাতে সিহঁতে ইয়াত পতিত নহয়।
2. হাদীছটোৰ সাৰাংশ হৈছে এই যে, এইবোৰ হৈছে মুনাফিকৰ বৈশিষ্ট্য। এনেকুৱা বৈশিষ্ট্যৰ অধিকাৰী ব্যক্তি হৈছে মুনাফিক সদৃশ আৰু সি সিহঁতৰ চৰিত্ৰৰ অনুসৰণ কৰে। কাৰণ ইছলামত প্ৰকৃত মুনাফিক হৈছে সেইজন, যিয়ে ইছলাম প্ৰকাশ কৰি অন্তৰত কুফৰী গোপন ৰাখে। কিছুমানে কৈছেঃ সেই ব্যক্তিকো ইয়াৰ অন্তৰ্ভুক্ত কৰা হয়, যিয়ে এইবোৰ বৈশিষ্ট্যৰ দ্বাৰা অভ্যস্থ হৈ পৰিছে, তথা এনেকুৱা ক্ষেত্ৰত অৱহেলা কৰে আৰু বিষয়টোক লঘু বুলি গণ্য কৰে। যিয়ে এনেকুৱা ধাৰণা পোষণ কৰে, সি দৰাচলতে বেয়া আক্বীদাৰ অধিকাৰী।

3. গাজ্জালীয়ে কৈছেঃ মূল ধৰ্ম তিনিটা বিষয়ত সীমাবদ্ধ। কথা, কৰ্ম আৰু নিয়্যত। সেয়ে বেয়া কথা অৰ্থাৎ মিছা কথাৰ পৰা, বেয়া কৰ্ম অৰ্থাৎ বিশ্বাসঘাতকতাৰ পৰা আৰু বেয়া নিয়্যত অৰ্থাৎ প্ৰতিশ্ৰুতি ভংগৰ পৰা সতৰ্ক কৰা হৈছে। কিন্তু যদি তেওঁ প্ৰতিশ্ৰুতি পালনত দৃঢ়প্ৰতিজ্ঞ আছিল, তাৰ পিছত কিবা বাধাৰ সন্মুখীন হোৱাৰ বাবে অথবা কোনো বিশেষ মতামত প্ৰকাশ হোৱাৰ বাবে প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাই, তেন্তে সেইটো নিফাকৰ বৈশিষ্ট্য বুলি গণ্য নহ'ব।

4. নিফাক দুই প্ৰকাৰঃ আক্বীদাগত নিফাক, ইয়াৰ ফলত ঈমানৰ পৰা বহিষ্কাৰ হৈ যায়। সেয়া হৈছে, নিজকে মুছলিম বুলি পৰিচয় দিয়া আৰু অন্তৰত কুফৰী গোপন ৰখা। দ্বিতীয়টো হৈছে, আমলী নিফাকঃ এইটো হৈছে মুনাফিকসকলৰ চৰিত্ৰৰ সৈতে দিয়া সাদৃশ্যমূলক নিফাক। ইয়াৰ ফলত বান্দা ঈমানৰ পৰা বহিষ্কৃত নহয়। বৰং এইটো হৈছে এটা ডাঙৰ গুনাহ বা মহাপাপ।

5. ইবনু হাজাৰে কৈছেঃ উলামসকল এই কথাত একমত যে, যদি কোনো ব্যক্তি অন্তৰেৰে ঈমান পোষণ কৰে, আৰু মুখেৰে স্বীকৃতি দিয়ে, লগতে তেওঁ যদি এনেকুৱা বৈশিষ্ট্যৰো অধিকাৰী হয় তেন্তে তাৰ ওপৰত কুফৰীৰ বিধান প্ৰয়োগ কৰা নহ'ব, আৰু তেওঁক চিৰস্থায়ীভাৱে জাহান্নামত নিক্ষিপ্ত হ'বলগীয়া মুনাফিক বুলিও গণ্য কৰা নহ'ব।

6. নাৱাৱীয়ে কৈছেঃ উলামাসকলৰ এটা গোষ্ঠিয়ে কৈছে, ইয়াৰ দ্বাৰা সেইসকল মুনাফিকক বুজোৱা হৈছে যিসকল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত আছিল, সিহঁতে নিজকে মুমিন বুলি প্ৰকাশ কৰিছিল কিন্তু সেয়া আছিল মিছা কথা। সিহঁতক ধৰ্মীয় আমানত দিয়া হৈছিল কিন্তু সিহঁতে বিশ্বাসঘাতকতা কৰিছিল, দ্বিনী ক্ষেত্ৰত সিহঁতে প্ৰতিশ্ৰুতি দিয়াৰ পিছত সেয়া ভংগ কৰিছিল। তৰ্ক বিতৰ্কত সিহঁতে অভদ্ৰ ভাষা ব্যৱহাৰ কৰিছিল।

(65124)

(282) – عَنْ عَبْدِ اللهِ بْنِ مَسْعُودٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ:
«لَيْسَ الْمُؤْمِنُ بِالطَّعَّانِ وَلاَ اللَّعَّانِ وَلاَ الفَاحِشِ وَلاَ البَذِيءِ». [صحيح] - [رواه الترمذي]

(282) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মুমিন কেতিয়াও পৰনিন্দাকাৰী, অভিশাপকাৰী নহয়, লগতে অভদ্ৰ ভাষা প্ৰয়োগকাৰী আৰু অসংযতও নহয়।" [ছহীহ] - [(তিৰমিজী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, প্ৰকৃত মুমিনৰ স্বভাৱ এইটো কেতিয়াও হ'ব নোৱাৰে যে, তেওঁ মানুহৰ দোষ-ক্ৰটি গাই ফুৰিব বা পৰনিন্দা কৰিব, লগতে মুমিন কেতিয়াও অভিশাপকাৰী হ'ব নোৱাৰে তথা অশ্লীলতা, বেয়া ভাষা বা অভদ্ৰ ভাষা ব্যৱহাৰকাৰী হ'ব নোৱাৰে, যাৰ কোনো লাজ চৰম নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাৰাম কৰ্মত লিপ্ত হোৱা অথবা ওৱাজিব পৰিত্যাগ কৰাক চৰীয়তি বিধানে ঈমান নথকা বুলি উল্লেখ কৰিছে।
2. অংগ-প্ৰত্যংগৰ সংৰক্ষণ আৰু এইবোৰক ক্ষতিৰ পৰা ৰক্ষা কৰিবলৈ উৎসাহিত কৰা হৈছে। বিশেষকৈ জিভাক।
3. ছিন্ধিয়ে কৈছেঃ হাদীছটোত (الطعّان، واللعّان অধিক পৰনিন্দাকাৰী আৰু অধিক অভিশাপকাৰী) শব্দ ব্যৱহাৰ হৈছে, ই প্ৰমাণ কৰে যে, যিসকল লোক ইয়াৰ যোগ্য সিহঁতৰ বিষয়েও সমালোচনা কৰা তথা নিন্দা কৰাটোও মুমিনৰ পক্ষে উচিত নহয়।

(65869)

(283) – عن عبد الله بن عمر رضي الله عنهما قال: سَمِعَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ رَجُلًا يَعِظُ أَخَاهُ فِي الْحَيَاءِ، فَقَالَ: «الْحَيَاءُ مِنَ الْإِيمَانِ». [صحيح] - [متفق عليه]

(283) – আব্দুল্লাহ ইবনে ওমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ কোনো এজন ব্যক্তিয়ে তাৰ ভায়েকক লজ্জা সম্পৰ্কে উপদেশ দি আছিল, (অৰ্থাৎ তাক বেছি লাজ কৰিবলৈ নিষেধ কৰি আছিল) এই কথা শুনা পাই নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে ক'লে: "লজ্জা হৈছে ঈমানৰ অংগ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

কোনো এজন ব্যক্তিয়ে তাৰ ভাতৃক অধিক লজ্জা পৰিহাৰ কৰিবলৈ উপদেশ দি আছিল। এই কথা শুনা পাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক ক'লে, লজ্জা হৈছে ঈমান অংগ। লজ্জাই মানুহৰ কাৰণে কল্যাণ কঢ়িয়াই আনে।

লজ্জাশীলতা হৈছে এটা উত্তম চৰিত্ৰ, যিয়ে ভাল কাম কৰিবলৈ আৰু বেয়া কাম পৰিহাৰ কৰিবলৈ উৎসাহিত কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যি লজ্জাই মানুহক ভাল কাম কৰিবলৈ বাধা দিয়ে, সেইটো দৰাচলতে হায়া নহয়; বৰং সেইটো হৈছে লাজুকতা, অসহায়ত্ব, ভীৰুতা আৰু কাপুৰুষতা।

2. হায়া বা লজ্জা হৈছে মহান আল্লাহৰ পৰা লাভ কৰা এটা বিশেষ গুণ, যিটো তেওঁৰ আদেশ পালনৰ মাধ্যমত আৰু তেওঁৰ নিষেধকৃত বস্তুৰ পৰা বিৰত থকাৰ মাধ্যমত অৰ্জন হয়।

3. সৃষ্টিৰ প্ৰতি হায়া কৰাৰ অৰ্থ হৈছে তেওঁলোকক সন্মান কৰা, আৰু তেওঁলোকৰ মৰ্যাদা অনুযায়ী তেওঁলোকক মূল্যায়ন কৰা, লগতে সচৰাচৰ যিটো কৰ্ম বেয়া বুলি পৰিচিত সেইটোক বৰ্জন কৰা।

(5478)

(284) – عن المِقدام بن معدي كرب رضي الله عنه عن النبي صلى الله عليه وسلم قال: «إِذَا أَحَبَّ الرَّجُلُ أَخَاهُ فَلْيُخْبِرْهُ أَنَّهُ يُحِبُّهُ». [صحيح] - [ رواه أبو داود والترمذي والنسائي في السنن الكبرى وأحمد]

(284) – মিক্বদাদ বিন মাদি কাৰিব ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰি কৈছেঃ যেতিয়া কোনো ব্যক্তিয়ে তাৰ কোনো ভাতৃক ভালপায়, তেতিয়া সি তাক বিষয়টো জনাই দিয়া উচিত যে, সি তাক ভাল পায়। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী ছুনান আল-কুবৰা আৰু আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা উপায় বৰ্ণনা কৰিছে যিটোৰ দ্বাৰা মুমিনসকলৰ মাজৰ সম্পৰ্ক শক্তিশালী হয় আৰু তেওঁলোকৰ মাজত মুহাব্বত প্ৰসাৰিত হয়। সেই উপায়টো হৈছে, যদি কোনো ব্যক্তিয়ে কাৰোবাক ভালপায় তেন্তে তেওঁ সেই কথাটো তাক জনাই দিয়া উচিত যে, তেওঁ তাক ভালপায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নিৰ্ভেজালভাৱে একমাত্ৰ আল্লাহৰ উদ্দেশ্যে মুহাব্বত কৰা উচিত, পাৰ্থিৱ কোনো স্বাৰ্থ অৰ্জনৰ উদ্দেশ্যে মুহাব্বত কৰা উচিত নহয়।
2. মাহবুবক আল্লাহৰ উদ্দেশ্যে কৰা মুহাব্বতৰ কথা জনাই দিয়াটো মুস্তাহাব, যাতে মুহাব্বত তথা আন্তৰিকতা আৰু অধিক বৃদ্ধি পায়।
3. মুমিনসকলৰ মাজত মুহাব্বত প্ৰসাৰিত হ'লে ঈমানী ভাতৃত্ববোধ শক্তিশালী হয়, লগতে অনৈক্য আৰু বিভাজনৰ পৰা সমাজ সুৰক্ষিত থাকে।

(3017)

(285) – عن جابر بن عبد الله رضي الله عنهما عن النبي صلى الله عليه وسلم قال: «كُلُّ مَعْرُوفٍ صَدَقَةٌ». [صحيح] - [رواه البخاري من حديث جابر، ورواه مسلم من حديث حذيفة]

(285) – জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ সকলো সৎকৰ্মই হৈছে চাদাক্বাহ। [ছহীহ] - [(বুখাৰীয়ে বৰ্ণনা কৰিছে জাবিৰৰ হাদীছ, আৰু মুছলিমে বৰ্ণনা কৰিছে হুজাইফাৰ হাদীছ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে জনাইছে যে, প্ৰতিটো সৎকৰ্ম যিটোৰ দ্বাৰা আনৰ উপকাৰ হয়, সেয়া কথা হওক বা কৰ্ম, সেইটোৱে হৈছে চাদাক্বাহ। ইয়াৰ ফলত কৰ্তাই ছোৱাব তথা প্ৰতিদান লাভ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহে নিজৰ সম্পদৰ পৰা যি দান কৰে কেৱল সেইটোৰ মাজতে চাদাক্বাহ সীমাবদ্ধ নহয়; বৰং প্ৰতিটো কল্যাণকৰ কৰ্মই হৈছে চাদাক্বাহ, যিটো মানুহে কথা আৰু কৰ্মৰ দ্বাৰা সম্পাদন কৰে তথা যিটোৰ দ্বাৰা আনৰ উপকাৰ হয়।
2. এই হাদীছটোত সৎকৰ্ম কৰিবলৈ আৰু আনৰ উপকাৰ হোৱা কৰ্ম কৰিবলৈ উৎসাহ দিয়া হৈছে।
3. কোনো সৎকৰ্মকেই তুচ্ছ জ্ঞান কৰা উচিত নহয়, সেইটো যিমানেই সৰু নহওক কিয়।

(5346)

(286) – عَنْ أَبِي هُرَيْرَةَ رَضِيَ اللَّهُ عَنْهُ قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**كُلُّ سُلاَمَى مِنَ النَّاسِ عَلَيْهِ صَدَقَةٌ، كُلَّ يَوْمٍ تَطْلُعُ فِيهِ الشَّمْسُ يَعْدِلُ بَيْنَ الِاثْنَيْنِ صَدَقَةٌ، وَيُعِينُ الرَّجُلَ عَلَى دَابَّتِهِ فَيَحْمِلُ عَلَيْهَا أَوْ يَرْفَعُ عَلَيْهَا مَتَاعَهُ صَدَقَةٌ، وَالْكَلِمَةُ الطَّيِّبَةُ صَدَقَةٌ، وَكُلُّ خُطْوَةٍ يَخْطُوهَا إِلَى الصَّلاَةِ صَدَقَةٌ، وَيُمِيطُ الأَذَى عَنِ الطَّرِيقِ صَدَقَةٌ**». [صحيح] - [متفق عليه]

(286) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মানুহৰ প্ৰতিটো গাঁঠিৰ বিপৰীতে চাদাক্বাহ আছে। সূৰ্য্য উদয় হোৱা প্ৰতিটো দিনতে দুজন লোকৰ মাজত সুবিচাৰ কৰাটোও হৈছে চাদাক্বাহ। কাৰোবাক বাহনত আৰোহণ কৰিবলৈ সহায় কৰা অথবা বয়-বস্তু উঠাই দিয়াটোও হৈছে চাদাক্বাহ। উত্তম কথা কোৱাটোও হৈছে চাদাক্বাহ। নামাজৰ বাবে দিয়া প্ৰতিটো খোজ হৈছে চাদাক্বাহ। পথৰ পৰা কষ্টদায়ক বস্তু আঁতৰাই দিয়াটোও হৈছে চাদাক্বাহ।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, চৰীয়তৰ অধীনস্থ প্ৰতিজন মুছলিমৰ ওপৰতে দৈনিক নিজৰ প্ৰতিটো গাঁঠিৰ বিপৰীতে চাদাক্বাহ কৰা উচিত। এইটো মহান আল্লাহে কৃতজ্ঞতা প্ৰকাশৰ উদ্দেশ্যে পালন কৰিবলৈ বিধিবদ্ধ কৰিছে, যাতে বান্দা সুস্থ থাকে। কাৰণ তেওঁৱেঁই এইবোৰ গাঁঠি বনাইছে, যাৰ দ্বাৰা বান্দাই নিজৰ সুবিধামতে ধৰিব পাৰে আৰু প্ৰসাৰিত কৰিব পাৰে। এই চাদাক্বাহ সকলো প্ৰকাৰ নেক আমলৰ জৰিয়তে কৰিব পাৰি, কেৱল ধন-সম্পদৰ মাজতেই সীমাবদ্ধ নহয়। যেনে- দুজন বিবদমান লোকৰ মাজত মীমাংসা কৰি দিয়াটোও হৈছে চাদাক্বাহ। বাহনত আৰোহণ কৰিব নোৱাৰা ব্যক্তিক আৰোহণ কৰাত সহায় কৰা অথবা বাহনত বয়-বস্তু উঠাই দিয়াত সহায় কৰাটোও হৈছে চাদাক্বাহ, উত্তম কথা যেনে- জিকৰ-আজকাৰ, দুআ, ছালাম আদিও হৈছে চাদাক্বাহ। নামাজৰ বাবে

খোজকাঢ়ি যোৱা প্ৰতিটো পদক্ষেপ হৈছে চাদাক্বাহ। ৰাস্তাৰ পৰা কষ্টদায়ক বস্তু আঁতৰাই দিয়াটোও হৈছে চাদাক্বাহ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানৱ শৰীৰৰ প্ৰতিটো গাঁঠি আল্লাহৰ নিয়ামতসমূহৰ মাজৰ এটা মহান নিয়ামত। গতিকে প্ৰতিটো গাঁঠিৰ বিপৰীতে বান্দাই চাদাক্বাহ কৰা উচিত। যাতে বান্দাই এই নিয়ামতৰ কৃতজ্ঞতা আদায় কৰিব পাৰে।
2. দৈনিক এই কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ উৎসাহিত কৰা হৈছে। যাতে এই নিয়ামত অব্যাহত থাকে।
3. দৈনিক নফল ইবাদত আৰু দান-খয়ৰাত কৰিবলৈ উৎসাহিত কৰা হৈছে।
4. মানুহৰ মাজত মীমাংসা কৰি দিয়াৰ গুৰুত্ব।
5. ইজনে সিজনক সহায়-সহযোগ কৰিবলৈ উৎসাহিত কৰা হৈছে। কাৰণ সহায়-সহযোগ কৰাটোও হৈছে চাদাক্বাহ।
6. মছজিদ আবাদ কৰা, তথা জামাতত চামিল হ'বলৈ খোজকাঢ়ি যাবলৈ উৎসাহিত কৰা হৈছে।
7. মুছলিমসকলক কষ্ট দিব পৰা বা ক্ষতি কৰিব পৰা সকলো প্ৰকাৰ বস্তু পথৰ পৰা আঁতৰাই দিয়াটো জৰুৰী।

(4568)

(287) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «مَنْ نَفَّسَ عَنْ مُؤْمِنٍ كُرْبَةً مِنْ كُرَبِ الدُّنْيَا نَفَّسَ اللهُ عَنْهُ كُرْبَةً مِنْ كُرَبِ يَوْمِ الْقِيَامَةِ، وَمَنْ يَسَّرَ عَلَى مُعْسِرٍ يَسَّرَ اللهُ عَلَيْهِ فِي الدُّنْيَا وَالْآخِرَةِ، وَمَنْ سَتَرَ مُسْلِمًا سَتَرَهُ اللهُ فِي الدُّنْيَا وَالْآخِرَةِ، وَاللهُ فِي عَوْنِ الْعَبْدِ مَا كَانَ الْعَبْدُ فِي عَوْنِ أَخِيهِ، وَمَنْ سَلَكَ طَرِيقًا يَلْتَمِسُ فِيهِ عِلْمًا سَهَّلَ اللهُ لَهُ بِهِ طَرِيقًا إِلَى الْجَنَّةِ، وَمَا اجْتَمَعَ قَوْمٌ فِي بَيْتٍ مِنْ بُيُوتِ اللهِ يَتْلُونَ كِتَابَ اللهِ وَيَتَدَارَسُونَهُ بَيْنَهُمْ إِلَّا نَزَلَتْ عَلَيْهِمِ السَّكِينَةُ، وَغَشِيَتْهُمُ الرَّحْمَةُ، وَحَفَّتْهُمُ الْمَلَائِكَةُ، وَذَكَرَهُمُ اللهُ فِيمَنْ عِنْدَهُ، وَمَنْ بَطَّأَ بِهِ عَمَلُهُ لَمْ يُسْرِعْ بِهِ نَسَبُهُ». [صحيح] - [رواه مسلم]

(287) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে পৃথিৱীত কোনো এজন মুমিনৰ দুখ কষ্ট দূৰ কৰি দিব, আল্লাহে কিয়ামতৰ দিনা তাৰ দুখ কষ্ট দূৰ কৰি দিব। এইদৰে যিয়ে কোনো বিপদগ্ৰস্ত ব্যক্তিৰ বিপদ দূৰ কৰিব, আল্লাহে পৃথিৱী আৰু আখিৰাতত তাৰ বিপদ দূৰ কৰি দিব। যিয়ে কোনো মুছলিমৰ দোষ-ত্ৰুটি গোপন কৰিব, আল্লাহে পৃথিৱী আৰু আখিৰাতত তাৰ দোষ-ত্ৰুটি গোপন কৰিব। বান্দাই যেতিয়ালৈকে নিজৰ ভাতৃক সহায় কৰি থাকে, আল্লাহে তেতিয়ালৈকে তাক সহায় কৰি থাকে। যি ব্যক্তিয়ে জ্ঞান লাভৰ বাবে কোনো পথ গ্ৰহণ কৰে, ফলত আল্লাহে তাৰ বাবে জান্নাতৰ পথ সহজ কৰি দিব। যিসকল লোকে আল্লাহৰ ঘৰসমূহৰ মাজৰ কোনো এটা ঘৰত (অৰ্থাৎ মছজিদত) সমবেত হয়, আৰু কোৰআন তিলাৱত কৰে, সকলোৱে মিলিত হৈ ইয়াৰ শিক্ষা লয় আৰু শিক্ষা দিয়ে, তেওঁলোকৰ ওপৰত অৱশ্যে প্ৰশান্তি অৱতীৰ্ণ হয়, ৰহমতে তেওঁলোকক ঢাকি লয়, ফিৰিস্তাসকলে তেওঁলোকক আগুৰি থাকে আৰু আল্লাহে তেওঁলোকৰ কথা এনেকুৱা বৈঠকত উল্লেখ কৰে, যিসকল তেওঁৰ ওচৰত উপস্থিত আছে। যি ব্যক্তিয়ে তাৰ আমলৰ কাৰণে পিছুৱাই যাব, তাৰ বংশ পৰিচয়ে তাক আগুৱাই লৈ যাব নোৱাৰিব।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, আল্লাহৰ ওচৰত মুছলিম ব্যক্তিক সেই শ্ৰেণীৰেই প্ৰতিদান দিয়া হ'ব, যি ধৰণৰ ব্যৱহাৰ তেওঁ অন্যান্য মুছলিমসকলৰ সৈতে কৰিছিল। এতেকে যিয়ে কোনো মুমিন ব্যক্তিৰ পৰা কোনো দুখ-কষ্ট তথা সংকট নিৰসন কৰিব, মহান আল্লাহে তাক কিয়ামত দিৱসৰ বিপদৰ পৰা ৰক্ষা কৰি প্ৰতিদান দিব। যিয়ে কঠিন পৰিস্থিতিৰ সন্মুখীন হোৱা ব্যক্তিক অৱকাশ দিয়ে তথা সহায়ৰ হাত আগবঢ়ায় আৰু তাক বিপদৰ পৰা উদ্ধাৰ কৰে, আল্লাহে পৃথিৱী আৰু আখিৰাতত সেই ব্যক্তিৰ যাৱতীয় কৰ্ম সহজ কৰি দিব। এইদৰে যিয়ে কোনো মুছলিমৰ দোষ-ত্ৰুটি গোপন কৰে, অৰ্থাৎ এনেকুৱা ভুল-ত্ৰুটি যিটো প্ৰকাশ পালে তেওঁ লজ্জিত হ'ব তথা অপমানিত হ'ব, তেনেকুৱা বিষয় গোপন কৰে তেন্তে আল্লাহে পৃথিৱী আৰু আখিৰাতত সেই ব্যক্তিৰ দোষ-ত্ৰুটি গোপন ৰাখিব। মহান আল্লাহে সদায় সেই বান্দাক সহায়-সহযোগিতা কৰে, যেতিয়ালৈকে বান্দাই নিজৰ মুছলিম ভাতৃক দ্বীন আৰু দুনিয়াৰ কল্যাণৰ ক্ষেত্ৰত সহায়-সহযোগিতা কৰে। এই সহায় দুআৰ জৰিয়তেও হ'ব পাৰে, শাৰীৰিক আৰু আৰ্থিকভাৱেও হ'ব পাৰে। এইদৰে যিয়ে একমাত্ৰ আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে দ্বীনি ইল্ম শিকিবলৈ খোজ দিয়ে, আল্লাহে তাৰ বাবে জান্নাতৰ পথ সহজ কৰি দিয়ে। এইদৰে আল্লাহৰ কোনো ঘৰত যেতিয়া কিছুমান ব্যক্তি একত্ৰিত হৈ আল্লাহৰ কিতাব তিলাৱত কৰে আৰু পৰস্পৰে চৰ্চা কৰে। ফলত আল্লাহৰ ফালৰ পৰা তেওঁলোকৰ ওপৰত শান্তি অৱতীৰ্ণ হয় আৰু আল্লাহৰ ৰহমতে তেওঁলোকক ঢাকি ৰাখে। ফিৰিস্তাসকলে তেওঁলোকক আগুৰি ধৰে। মহান আল্লাহে সেইসকল লোকৰ প্ৰশংসা কৰে তেওঁৰ নৈকট্যপ্ৰাপ্ত ফিৰিস্তাসকলৰ সন্মুখত। সৰ্বোচ্চ সেই বৈঠকত তেওঁলোকৰ বিষয়ে উল্লেখ হোৱাটোৱে হৈছে তেওঁলোকৰ মৰ্যাদাৰ বাবে যথেষ্ট। এইদৰে যাৰ আমলত ত্ৰুটি আছে, সি আনৰ মৰ্যাদাৰ দুহাই দি কেতিয়াও তেওঁলোকৰ সমপৰ্যায়ত উপনীত হ'ব নোৱাৰিব। গতিকে আমলত অৱহেলা কৰি নিজৰ বংশ আৰু পিতৃ পুৰুষৰ মৰ্যাদাৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইবনু দাক্বীক্বুল ঈদে কৈছেঃ এইটো এটা মহান হাদীছ। ইয়াত বিভিন্ন জ্ঞান, নিয়ম-নীতি আৰু বৈশিষ্ট্য একত্ৰিত কৰা হৈছে। ইয়াত মুছলিমসকলৰ প্ৰয়োজন পূৰণৰ গুৰুত্ব আৰু সক্ষম অনুযায়ী তেওঁলোকক উপকাৰ কৰাৰ ফজীলত বৰ্ণিত হৈছে। সেয়া হওক, জ্ঞান, ধন-সম্পদ, সহায়-সহযোগিতা, অথবা কল্যাণৰ দিশ-নিৰ্দেশনা নাইবা কোনো সৎ পৰামৰ্শ অথবা অন্য কিবা।
2. কঠিন পৰিস্থিতিৰ সন্মুখীন হোৱা ব্যক্তিক অৱকাশ দিবলৈ উৎসাহিত কৰা হৈছে।
3. মুছলিম ব্যক্তিক সহায় কৰিবলৈ উৎসাহিত কৰা হৈছে। মহান আল্লাহে সহায়কাৰীক সেই অনুপাতেই সহায় কৰে, যিদৰে তেওঁ নিজৰ ভাতৃক সহায় কৰে।
4. মুছলিমৰ দোষ-ত্ৰুটি গোপন কৰাৰ এটা অৰ্থ এইটোও যে, তেওঁলোকৰ গোপনীয়তা অনুসন্ধান নকৰা। কিছুমান ছালাফৰ পৰা বৰ্ণিত আছে যে, মই এনেকুৱা কিছুমান লোকক পাইছোঁ, যিসকলৰ কোনো দোষ-ত্ৰুটি নাছিল। কিন্তু যেতিয়া তেওঁলোকে মানুহৰ দোষ-ত্ৰুটি উল্লেখ কৰা আৰম্ভ কৰিলে, তেতিয়া মানুহেও তেওঁলোকৰ দোষ-ত্ৰুটি ৰাজহুৱা কৰিলে। পক্ষান্তৰে কিছুমান লোকক পাইছোঁ, যিসকলৰ দোষ-ত্ৰুটি আছিল, কিন্তু তেওঁলোকে কেতিয়াও মানুহৰ দোষ-ত্ৰুটি গাই ফুৰা নাছিল, ফলত তেওঁলোকৰ দোষ-ত্ৰুটিও ৰাজহুৱা হোৱা নাছিল।
5. মানুহৰ দোষ-ত্ৰুটি লুকুৱাই ৰখাৰ অৰ্থ এইটো নহয় যে, দোষ-ত্ৰুটি সংশোধন নকৰাকৈ এনেই এৰি দিব লাগে। বৰং ইয়াক সংশোধন কৰি লুকুৱাই ৰাখিব লাগে। এইটো সেইসকল লোকৰ বাবে, যিসকল লোক দুৰ্নীতি আৰু অত্যাচাৰত লিপ্ত নহয়। কিন্তু যিসকলে অন্যায়-অত্যাচাৰ তথা দুৰ্নীতিত লিপ্ত, সিহঁতৰ দোষ-ত্ৰুটি লুকুৱাই ৰখা

উচিত নহয়, বৰং সিহঁতৰ বিষয়টো কৰ্তৃত্ব থকা লোকসকলৰ ওচৰলৈ লৈ যোৱা উচিত, যিসকল এই ক্ষেত্ৰত দায়িত্বশীল। কাৰণ সিহঁতৰ বিষয়টো লুকুৱাই ৰাখিলে সিহঁতৰ দুৰ্নীতি বৃদ্ধি পাব, আৰু মানুহৰ অধিক ক্ষতি কৰিব পাৰে, লগতে অন্যান্য দুষ্ট তথা স্বৈৰাচাৰীসকলেও উৎসাহ পাব।

6. জ্ঞান অৰ্জন কৰিবলৈ আৰু কোৰআন তিলাৱত আৰু ইয়াৰ চৰ্চা কৰিবলৈ উৎসাহিত কৰা হৈছে।

7. ইমাম নাৱাৱীয়ে কৈছেঃ হাদীছটোত মছজিদত বহি কোৰআন তিলাৱত কৰাৰ ফজীলত বৰ্ণিত হৈছে। এইদৰে মছজিদৰ বাহিৰেও এই ফজীলত লাভৰ বাবে মাদ্ৰাছা, দ্বীনি বৈঠক বা আন কোনো অনুৰূপ ঠাইত একেলগে পাঠ কৰাটোও ইয়াৰ অন্তৰ্ভুক্ত।

8. মহান আল্লাহে আমল অনুসৰি প্ৰতিদান দিয়ে, বংশৰ ওপৰত ভিত্তি কৰি নহয়।

(4801)

(288) – عَنْ أَبِي بَرْزَةَ الأَسْلَمِيِّ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «لَا تَزُولُ قَدَمَا عَبْدٍ يَوْمَ القِيَامَةِ حَتَّى يُسْأَلَ عَنْ عُمُرِهِ فِيمَا أَفْنَاهُ، وَعَنْ عِلْمِهِ فِيمَ فَعَلَ، وَعَنْ مَالِهِ مِنْ أَيْنَ اكْتَسَبَهُ وَفِيمَ أَنْفَقَهُ، وَعَنْ جِسْمِهِ فِيمَ أَبْلَاهُ». [صحيح] - [رواه الترمذي]

(288) – আবূ বাৰঝাহ আল-আছলামী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "ক্বিয়ামতৰ দিনা বান্দাৰ ভৰি তেতিয়ালৈকে আগবাঢ়িব নোৱাৰিব যেতিয়ালৈকে তাক এই কেইটা প্ৰশ্ন কৰা নহ'ব। তাৰ আয়ুস সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক ক'ত ব্যয় কৰিছে। তাৰ জ্ঞান সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক ক'ত ব্যৱহাৰ কৰিছে, তাৰ ধন-সম্পদ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি এইবোৰ কেনেকৈ উপাৰ্জন কৰিছিল আৰু ক'ত ব্যয় কৰিছিল, লগতে তাৰ শৰীৰ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক কেনেকৈ কামত লগাইছে।" [ছহীহ] - [(তিৰমিজী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কিয়ামতৰ দিনা হিচাপ নিকাচৰ ঠাইৰ পৰা জান্নাত অথবা জাহান্নামৰ পিনে কোনেও আগবাঢ়িব নোৱাৰিব, যেতিয়ালৈকে তাক এই কেইটা প্ৰশ্ন কৰা নহ'বঃ

প্ৰথমঃ তাৰ আয়ুস সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি এই আয়ুস ক'ত পাৰ কৰিছে, কি কামত ব্যৱহাৰ কৰিছে?

দ্বিতীয়ঃ তাৰ ইল্ম বা জ্ঞান সম্পৰ্কে প্ৰশ্ন কৰা হ'ব যে, সি আল্লাহৰ উদ্দেশ্যে ইল্ম অৰ্জন কৰিছিলনে? আৰু সেই ইল্ম মুতাবিক আমল কৰিছিলনে? লগতে মানুহক সেই জ্ঞান পৌঁচাই দিছিলনে?

তৃতীয়ঃ তাৰ ধন-সম্পদ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, কেনেকৈ উপাৰ্জন কৰিছিল, হালাল পথেৰে নে হাৰাম পথেৰে? আৰু ক'ত ব্যয় কৰিছিল? আল্লাহৰ সন্তুষ্টিমূলক শিতানত নে ক্ৰোধান্বিত কৰিব পৰা শিতানত?

চতুৰ্থঃ তাৰ শৰীৰ, শক্তি, সুস্থতা আৰু যৌৱন সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সেয়া কি কামত ব্যৱহাৰ কৰিছিল?

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জীৱনটোক সদ্ব্যৱহাৰ কৰিবলৈ তথা আল্লাহৰ সন্তুষ্টিমূলক কামত ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. বান্দাসকলৰ ওপৰত আল্লাহৰ অসংখ্য নিয়ামত আছে, আৰু সেইবোৰ নিয়ামত সম্পৰ্কে তাক সোধ-পোচ কৰা হ'ব। গতিকে তাৰ উচিত সেইবোৰ নিয়ামত আল্লাহৰ সন্তুষ্টিমূলক কামত ব্যৱহাৰ কৰা।

(4950)

(289) – عَنْ أَبِي هُرَيْرَةَ قَالَ: قَالَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «السَّاعِي عَلَى الأَرْمَلَةِ وَالمِسْكِينِ، كَالْمُجَاهِدِ فِي سَبِيلِ اللَّهِ، أَوِ القَائِمِ اللَّيْلَ الصَّائِمِ النَّهَارَ». [صحيح] - [متفق عليه]

(289) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "বিধৱা আৰু দুখীয়াৰ বাবে খাদ্য যোগান ধৰিবলৈ চেষ্টা কৰা ব্যক্তি হৈছে আল্লাহৰ পথত জিহাদ কৰা ব্যক্তিৰ দৰে, অথবা ৰাতিত চালাত আদায় কৰা আৰু দিনত চিয়াম পালন কৰা ব্যক্তিৰ দৰে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

উক্ত হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে বিধৱা নাৰী অৰ্থাৎ এনেকুৱা নাৰী যাৰ স্বামী মৃত্যুবৰণ কৰিছে, যাৰ পৰিয়াল চলাবলৈ কোনো নাই, তেনেকুৱা নাৰীক সহায়-সহযোগিতা কৰিব, লগতে অসহায় দৰিদ্ৰ লোকৰ কল্যাণৰ হকে কাম কৰিব আৰু আল্লাহৰ ওচৰত ছোৱাব কামনা কৰিব, সেই ব্যক্তিয়ে আল্লাহৰ পথত যুদ্ধ

কৰাৰ দৰে ছোৱাব অৰ্জন কৰিব, অথবা ৰাতি ক্লান্ত নোহোৱাকৈ তাহাজ্জুদ পঢ়াৰ দৰে আৰু দিনত ৰোজা পালন কৰা ব্যক্তিৰ দৰে ছোৱাব লাভ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বিপদ-আপদত দূৰ্বলসকলক সহায় কৰিবলৈ আৰু সিহঁতৰ অভাৱ-অনাটনত সিহঁতৰ চাহিদা পূৰণ কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. প্ৰতিটো নেক আমলেই হৈছে ইবাদতৰ অন্তৰ্ভুক্ত। এতেকে বিধৱা আৰু দুখীয়া দৰিদ্ৰক সহায় কৰাটোও হৈছে এক প্ৰকাৰ ইবাদত।
3. ইবনে হুবাইৰাহ ৰাহিমাহুল্লাহে কৈছে যে, ইয়াৰ অৰ্থ হৈছে আল্লাহে তাক ৰোজাদাৰ, তাহাজ্জুদগুজাৰ আৰু মুজাহিদৰ ছোৱাব একেলগে দান কৰিব। কাৰণ সি বিধৱাক সহায় কৰিছে আৰু এইদৰে অভাৱ-অনাটনত থকা মিছকিনলৈ সহায়ৰ হাত আগবঢ়াইছে, তথা নিজৰ অতিৰিক্ত সম্পদৰ পৰা সিহঁতৰ ওপৰত ব্যয় কৰিছে। গতিকে এইটো হৈছে ৰোজা, তাহাজ্জুদ আৰু জিহাদৰ সমান।

(3135)

(290) – عن أبي هريرة رضي الله عنه عن رسول الله صلى الله عليه وسلم قال: «مَنْ كَانَ يُؤْمِنُ بِاللهِ وَالْيَوْمِ الْآخِرِ فَلْيَقُلْ خَيْرًا أَوْ لِيَصْمُتْ، وَمَنْ كَانَ يُؤْمِنُ بِاللهِ وَالْيَوْمِ الْآخِرِ فَلْيُكْرِمْ جَارَهُ، وَمَنْ كَانَ يُؤْمِنُ بِاللهِ وَالْيَوْمِ الْآخِرِ فَلْيُكْرِمْ ضَيْفَهُ». [صحيح] - [متفق عليه]

(290) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে আল্লাহৰ প্ৰতি আৰু আখিৰাতৰ প্ৰতি ঈমান পোষণ কৰে, তাৰ বাবে উচিত সি যেন উত্তম কথা কয়, নহ'লে মৌনতা অৱলম্বন কৰে, আৰু যি ব্যক্তিয়ে আল্লাহ আৰু আখিৰাতৰ প্ৰতি ঈমান পোষণ কৰে, তাৰ বাবে উচিত সি যেন নিজৰ প্ৰতিৱেশীক সন্মান কৰে, এইদৰে যি ব্যক্তিয়ে আল্লাহ আৰু আখিৰাতৰ প্ৰতি ঈমান পোষণ কৰে, তাৰ উচিত সি যেন তাৰ অতিথিক সন্মান কৰে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই হাদীছটোত উল্লেখ কৰিছে যে, আল্লাহ আৰু শেষ দিৱসৰ প্ৰতি ঈমান পোষণকাৰী মুমিন বান্দা, যিয়ে বিশ্বাস কৰে যে, তাৰ প্ৰত্যাৱৰ্তন আল্লাহৰ ওচৰত হোৱাটো নিশ্চিত আৰু তেৱেঁই তাৰ সকলো কৰ্মৰ প্ৰতিদান দিব, তাৰ এই ঈমানে তাক নিম্নলিখিত কামবোৰ কৰিবলৈ উৎসাহিত কৰে:

প্ৰথমঃ উত্তম কথা কোৱা, যেনে- তাছবীহ তাহলীল পাঠ কৰা, সৎকৰ্মৰ আদেশ দিয়া আৰু অসৎকৰ্মৰ পৰা মানুহক বিৰত ৰখা, মানুহৰ মাজত সংস্কাৰমূলক কাম কৰা। যদি সি এইবোৰ কৰিব নোৱাৰে তেন্তে সি মৌনতা অৱলম্বন কৰা উচিত, লগতে চেষ্টা কৰা উচিত তাৰ দ্বাৰা যেন আনৰ ক্ষতি নহয়, লগতে সি নিজৰ জিভাৰ হিফাজত কৰা উচিত।

দ্বিতীয়ঃ প্ৰতিৱেশীক সন্মান কৰা। অৰ্থাৎ সিহঁতৰ সৈতে সদ্ব্যৱহাৰ কৰা আৰু সিহঁতক কোনো ধৰণৰ কষ্ট নিদিয়া।

তৃতীয়ঃ সাক্ষাতৰ বাবে অহা অতিথিসকলক সন্মান কৰা, উত্তম কথা কোৱা আৰু আহাৰ কৰোৱা ইত্যাদিৰ মাধ্যমত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ প্ৰতি আৰু শেষ দিৱসৰ প্ৰতি ঈমানেই হৈছে সকলো কল্যাণৰ মূল। ই মানুহক ভাল কাম কৰিবলৈ উৎসাহিত কৰে।
2. জিভাৰ দ্বাৰা হোৱা ভুল-ত্ৰুটিৰ পৰা সতৰ্ক কৰা হৈছে।
3. ইছলাম ধৰ্ম হৈছে মুহাব্বত আৰু সন্মানৰ ধৰ্ম।
4. উক্ত বৈশিষ্ট্যসমূহ ঈমানৰ শাখা-প্ৰশাখা আৰু প্ৰশংসনীয় শিষ্টাচাৰৰ অন্তৰ্ভুক্ত।
5. অলাগতীয়াল তথা অধিক কথা কোৱা প্ৰৱণতাই বেছিভাগ ক্ষেত্ৰতে অপছন্দনীয় তথা হাৰাম কৰ্মৰ প্ৰতি ধাৱিত কৰে। সেয়ে কল্যাণকৰ কথাৰ বাহিৰে মৌন হৈ থকাটোৱে নিৰাপদ।

(5437)

(291) – عن أبي ذر رضي الله عنه قال: قال لي النبي صلى الله عليه وسلم: «لَا تَحْقِرَنَّ مِنَ الْمَعْرُوفِ شَيْئًا، وَلَوْ أَنْ تَلْقَى أَخَاكَ بِوَجْهٍ طَلْقٍ». [صحيح] - [رواه مسلم]

(291) – আবু জৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোক উদ্দেশ্যি কৈছিলঃ কোনো সৎকৰ্মকেই তুমি তুচ্ছ জ্ঞান নকৰিবা। যদিও সেইটো তোমাৰ (মুছলিম) ভাতৃৰ সৈতে হাঁহিমুখে সাক্ষাৎ কৰাই নহওক কিয়। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে সৎকৰ্ম কৰিবলৈ উৎসাহিত কৰিছে। যিকোনো সৎকৰ্মকে তুচ্ছ জ্ঞান কৰা উচিত নহয়;

সেয়া পৰিমাণত যিমানেই কম নহওক কিয় বা যিমানেই সৰু নহওক কিয়। আনকি সাক্ষাতৰ সময়ত হাঁহিমুখে সাক্ষাৎ কৰাটোও হৈছে এক প্ৰকাৰ সৎকৰ্ম। গতিকে প্ৰতিজন মুছলিমে এনেকুৱা সৰু-সুৰা সৎকৰ্মৰ বিষয়ে যত্নশীল হোৱা উচিত; কাৰণ ইয়াৰ দ্বাৰা মুছলিম ভাতৃৰ সৈতে ঘনিষ্ঠতা বৃদ্ধি হয় আৰু সাক্ষাতত আনন্দৰ বহি:প্ৰকাশ ঘটে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুমিনসকলৰ মাজত পৰস্পৰ ভালপোৱা আৰু সাক্ষাতৰ সময়ত হাঁহিমুখে দেখা কৰা আৰু আনন্দিত হোৱাৰ গুৰুত্ব।
2. চৰীয়তৰ পৰিপূৰ্ণতা আৰু ব্যাপকতাৰ প্ৰমাণ। এই চৰীয়তে প্ৰত্যেক সেই বিষয়ক অন্তৰ্ভুক্ত কৰিছে যিটোৰ মাজত মুছলিমসকলৰ কল্যাণ আৰু ঐক্য নিহিত আছে।
3. সৎকৰ্মৰ প্ৰতি উৎসাহিত কৰা হৈছে, যদিও সেয়া পৰিমাণত কম হয়।
4. কোনো মুছলিম ব্যক্তিৰ সৈতে সাক্ষাৎ কৰাৰ সময়ত আনন্দ প্ৰকাশ কৰা মুস্তাহাব, কাৰণ ইয়াৰ দ্বাৰা তেওঁলোকৰ মাজত আন্তৰিকতা আৰু ভালপোৱা প্ৰকাশ পায়।

(5348)

(292) – عَنْ عَبْدِ اللهِ بنِ مَسعُودٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «عَلَيْكُمْ بِالصِّدْقِ، فَإِنَّ الصِّدْقَ يَهْدِي إِلَى الْبِرِّ، وَإِنَّ الْبِرَّ يَهْدِي إِلَى الْجَنَّةِ، وَمَا يَزَالُ الرَّجُلُ يَصْدُقُ وَيَتَحَرَّى الصِّدْقَ حَتَّى يُكْتَبَ عِنْدَ اللهِ صِدِّيقًا، وَإِيَّاكُمْ وَالْكَذِبَ، فَإِنَّ الْكَذِبَ يَهْدِي إِلَى الْفُجُورِ، وَإِنَّ الْفُجُورَ يَهْدِي إِلَى النَّارِ، وَمَا يَزَالُ الرَّجُلُ يَكْذِبُ وَيَتَحَرَّى الْكَذِبَ حَتَّى يُكْتَبَ عِنْدَ اللهِ كَذَّابًا». [صحيح] - [متفق عليه]

(292) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে সত্যক অনিবাৰ্যৰূপে অৱলম্বন কৰা, কাৰণ সত্যই নেকীৰ পথ দেখুৱায়, আৰু নেকীয়ে জান্নাতৰ পথত পৰিচালিত কৰে। মানুহে যেতিয়া সদায় সত্য কথা কয় আৰু সত্যৰ সন্ধানত থাকে, তেতিয়া আল্লাহৰ ওচৰত তাক সত্যবাদী বুলি লিপিবদ্ধ কৰা হয়। এইদৰে তোমালোকে মিছা কথাৰ পৰা বিৰত থাকা, কাৰণ মিছা কথাই মানুহক পাপকৰ্মৰ পথ দেখুৱায়, আৰু পাপকৰ্মই মানুহক জাহান্নামত লৈ যায়। মানুহে যেতিয়া সদায় মিছা কথা কয় আৰু মিছাৰ সন্ধানত থাকে, অৱশেষত আল্লাহৰ ওচৰত তাক মিছলীয়া বুলি লিপিবদ্ধ কৰা হয়।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সত্য কথা ক'বলৈ নিৰ্দেশ দিছে। লগতে জনাইছে যে, ইয়াক মজবুতভাৱে অৱলম্বন কৰিলে ই নেক আমলৰ পথত পৰিচালিত কৰে। এইদৰে নিয়মিত নেক আমল কৰিলে বান্দাৰ বাবে জান্নাতৰ পথ সুগম হয়। লগতে প্ৰকাশ্য-অপ্ৰকাশ্য সকলো অৱস্থাতে সত্যক আঁকোৱালি ল'লে বান্দাক সত্যবাদী বুলি নামকৰণ কৰা হয়। এইটো হৈছে সত্যতাৰ উচ্চ শৃংগ। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অসত্য কথা তথা মিছা কথাৰ পৰা সতৰ্ক কৰিছে। কাৰণ এনেকুৱা আচৰণে মানুহক সৎপথৰ পৰা আঁতৰাই গুনাহ আৰু পাপকৰ্মৰ পথত পৰিচালিত কৰে। ইয়াৰ পিছত জাহান্নামত লৈ যায়।

এইদৰে বান্দা যেতিয়া সদায় মিছা কথাত অভ্যস্ত হৈ পৰে তেতিয়া আল্লাহৰ ওচৰত তাক মিছলীয়া বুলি নামকৰণ কৰা হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহঃ

1. সত্যবাদিতা হৈছে এটা উৎকৃষ্ট শিষ্টাচাৰ। এইটো অৰ্জন কৰিবলৈ অত্যন্ত কষ্ট আৰু মেহনতৰ প্ৰয়োজন হয়। বান্দাই যেতিয়া সদায় সত্য কথা কয় আৰু সত্যৰ সন্ধানত থাকে, অৱশেষত তেওঁ সততাত অভ্যস্ত হৈ পৰে আৰু তেওঁৰ স্বভাৱত পৰিণত হয়, তেতিয়া আল্লাহৰ ওচৰত তাক সত্যবাদী পুণ্যৱান হিচাপে নামকৰণ কৰা হয়।
2. মিছা কথা হৈছে এটা নিকৃষ্ট আচৰণ, দীৰ্ঘদিনীয়া অভ্যাস আৰু কথা আৰু কৰ্মৰ অধ্যৱসায়ৰ জৰিয়তে এই আচৰণ স্বভাৱত পৰিণত হয়। অৱশেষত এই চৰিত্ৰত অভ্যস্ত হৈ পৰে। ইয়াৰ পিছত আল্লাহৰ ওচৰত তাক মিছলীয়া বুলি নামকৰণ কৰা হয়।
3. সততাৰ জৰিয়তে ইয়াত সত্য কথাক বুজোৱা হৈছে, এইটো হৈছে মিছা কথাৰ পৰিপন্থী। নিয়্যতৰ ক্ষেত্ৰত সততা হৈছে ইখলাচ। সংকল্পৰ ক্ষেত্ৰত সততা হৈছে কল্যাণকৰ কামৰ নিয়্যত কৰা, এইদৰে কৰ্মৰ ক্ষেত্ৰতো সততা আছে, ইয়াৰ নূন্যতম স্তৰ হৈছে, বাহ্যিক আৰু আভ্যন্তৰীণ উভয় অৱস্থাকে একেই ৰখা। এইদৰে ভয়-ভীতি আৰু আশাৰ ক্ষেত্ৰতো সততা থাকিব লাগে। যিয়ে এইবোৰ শিষ্টাচাৰ অৱলম্বন কৰিব, তেওঁ সত্যবাদী হিচাপে বিবেচিত হ'ব।

(5504)

(293) – عن جرير بن عبد الله رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ لَا يَرْحَمِ النَّاسَ لَا يَرْحَمْهُ اللهُ عَزَّ وَجَلَّ». [صحيح] - [متفق عليه]

(293) – জাৰীৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে মানুহৰ প্ৰতি দয়া নকৰে, সৰ্বশক্তিমান আল্লাহেও তাৰ প্ৰতি দয়া নকৰে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, যিয়ে মানুহৰ প্ৰতি দয়া নকৰে, মহান আল্লাহেও তাৰ প্ৰতি দয়া নকৰে। গতিকে সৃষ্টিক মুহাব্বত কৰাটো হৈছে মহান আল্লাহৰ পৰা ৰহমত লাভ কৰাৰ অন্যতম ডাঙৰ উপায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সকলো মাখলুকৰ প্ৰতিয়ে দয়া দৃষ্টি পোষণ কৰাটো হৈছে বাঞ্চনীয়। কিন্তু ইয়াত মানুহৰ কথাটো অধিক গুৰুত্ব বুজাবলৈ উল্লেখ কৰা হৈছে।
2. আল্লাহ অত্যন্ত দয়ালু, তেওঁ অনুগ্ৰহশীল বান্দাসকলৰ প্ৰতি ৰহম কৰে। কাৰণ তেওঁ সমজাতীয় কৰ্মৰ দ্বাৰাই প্ৰতিফল দিয়ে।
3. মানুহৰ প্ৰতি দয়া কৰা মানে সিহঁতক উপকাৰ কৰা, আৰু ক্ষতিৰ পৰা ৰক্ষা কৰা, লগতে সিহঁতৰ সৈতে সদাচৰণ কৰা।

(5439)

(294) – عن عبد الله بن عمرو رضي الله عنهما أن النبي صلى الله عليه وسلم قال: «الرَّاحِمُونَ يَرْحَمُهُمُ الرَّحمنُ، ارحَمُوا أهلَ الأرضِ يَرْحَمْكُم مَن في السّماء». [صحيح] - [ رواه أبو داود والترمذي وأحمد]

(294) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ দয়াশীলসকলৰ ওপৰত করুণাময় আল্লাহে দয়া কৰে। তোমালোকে পৃথিৱীবাসীসকলৰ ওপৰত দয়া কৰা, তেতিয়াহে সেই সত্ত্বাই তোমালোকৰ ওপৰত দয়া কৰিব যিজন আকাশত আছে। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, যিসকল লোকে আনৰ প্ৰতি দয়া কৰে, তেওঁলোকৰ প্ৰতি দয়াময় আল্লাহে দয়া কৰে, যাৰ দয়া সকলো বস্তুকে আবৰি আছে। এইটোৱে উপযুক্ত প্ৰতিফল।

ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে পৃথিৱীৰ বুকুত থকা সকলোৰে প্ৰতি দয়া কৰিবলৈ নিৰ্দেশ দিছে, সেয়া মানৱ হওক বা জীৱ-জন্তু অথবা চৰাই-চিৰিকটি বা অন্য কোনো বস্তু, লগতে তেখেতে কৈছে- ইয়াৰ বিনিময়ত আকাশৰ ওপৰত থকা মহান আল্লাহে তোমালোকৰ প্ৰতি ৰহম কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলাম ধৰ্ম হৈছে দয়াৰ ধৰ্ম। ই পৰিপূৰ্ণৰূপে আল্লাহৰ আনুগত্য আৰু সৃষ্টিৰ প্ৰতি দয়া কৰাৰ ওপৰত প্ৰতিষ্ঠিত।
2. সৰ্বশক্তিমান আল্লাহ দয়াৰ বিশেষণেৰে বিশেষিত। মহান আল্লাহৰ দুটা বৈশিষ্ট্যগত নাম হৈছে আৰ-ৰাহমান আৰু আৰ-ৰাহীম। যাৰ ফালৰ পৰা বান্দাসকলক ৰহম কৰা হয়।

3. আমল অনুসাৰেই প্ৰতিদান দিয়া হয়। সেয়ে দয়াকাৰীসকলৰ ওপৰত আল্লাহে দয়া কৰে।

(8289)

(295) – عَنْ عَبْدِ اللَّهِ بْنِ عَمْرٍو رَضِيَ اللَّهُ عَنْهُمَا عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «المُسْلِمُ مَنْ سَلِمَ المُسْلِمُونَ مِنْ لِسَانِهِ وَيَدِهِ، وَالمُهَاجِرُ مَنْ هَجَرَ مَا نَهَى اللَّهُ عَنْهُ». [صحيح] - [متفق عليه]

(295) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "প্ৰকৃত মুছলিম হৈছে সেইজন, যাৰ হাত আৰু জিভাৰ দ্বাৰা অন্যান্য মুছলমানসকল সুৰক্ষিত থাকে। এইদৰে প্ৰকৃত মুহাজিৰ হৈছে সেইজন, যিয়ে আল্লাহৰ নিষেধকৃত বস্তুৰ পৰা বিৰত থাকে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, প্ৰকৃত মুছলিম হৈছে সেইজন, যিয়ে কাকো গালি নাপাৰে, অভিশাপ নকৰে আৰু কাৰো সমালোচনা নকৰে, আনকি জিভাৰ দ্বাৰা কাকো কোনো ধৰণৰ কষ্ট নিদিয়ে। এইদৰে হাতৰ দ্বাৰাও কাৰো প্ৰতি অন্যায়-অত্যাচাৰ নকৰে, তথা বিনা কাৰণত কাৰো সম্পদ অন্যায়ভাৱে নলয়, বা এনেকুৱা ধৰণৰ কোনো কাম নকৰে। এইদৰে প্ৰকৃত মুহাজিৰ হৈছে সেইজন, যিয়ে আল্লাহে হাৰাম কৰা বস্তুৰ পৰা বা কৰ্মৰ পৰা বিৰত থাকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আৰ্থিকভাৱে হওক বা নৈতিকভাৱে আনক কষ্ট দিয়া কৰ্মৰ পৰা বিৰত থকাৰ মাধ্যমতহে প্ৰকৃত মুছলিম হোৱা সম্ভৱ।
2. হাদীছটোত কেৱল হাত আৰু জিভাৰ কথা উল্লেখ কৰাৰ কাৰণ হৈছে, এই দুটাৰ দ্বাৰাই অধিকাংশ গুনাহ সংঘটিত হয়।

3. হাদীছটোৰ দ্বাৰা গুনাহ পৰিত্যাগ কৰিবলৈ আৰু আল্লাহৰ বিধান মতে আমল কৰিবলৈ উৎসাহিত কৰা হৈছে।
4. উত্তম মুছলিম হৈছে সেইজন, যিয়ে আল্লাহৰ অধিকাৰ আৰু মুছলিমসকলৰ অধিকাৰ সুচাৰুৰূপে পালন কৰে।
5. অন্যায়-অত্যাচাৰ কথাৰ দ্বাৰাও হ'ব পাৰে আৰু কৰ্মৰ দ্বাৰাও হ'ব পাৰে।
6. পৰিপূৰ্ণ হিজৰত হৈছে আল্লাহে হাৰাম কৰা বস্তুৰ পৰা হিজৰত কৰা।

(10101)

(296) – عن أبي هريرة رضي الله عنه قال: سمعت رسول الله صلى الله عليه وسلم يقول: «حَقُّ الْمُسْلِمِ عَلَى الْمُسْلِمِ خَمْسٌ: رَدُّ السَّلَامِ، وَعِيَادَةُ الْمَرِيضِ، وَاتِّبَاعُ الْجَنَائِزِ، وَإِجَابَةُ الدَّعْوَةِ، وَتَشْمِيتُ الْعَاطِسِ». [صحيح] - [متفق عليه]

(296) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ এজন মুছলিমৰ ওপৰত আন এজন মুছলিমৰ আছে পাঁচটা অধিকাৰ: ছালামৰ উত্তৰ দিয়া, বেমাৰীক শুশ্ৰূষা কৰা, জানাযাৰ অনুসৰণ কৰা, নিমন্ত্ৰণ গ্ৰহণ কৰা আৰু হাঁচি দিয়া ব্যক্তিৰ উত্তৰ দিয়া। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত এজন মুছলিমৰ ওপৰত থকা আন এজন মুছলিমৰ কিছুমান অধিকাৰৰ বিষয়ে উল্লেখ কৰিছে। তাৰে প্ৰথম অধিকাৰটো ছালাম দিয়া ব্যক্তিৰ ছালামৰ উত্তৰ দিয়া।

দ্বিতীয় অধিকাৰটো হৈছে, বেমাৰীক শুশ্ৰূষা কৰা আৰু সাক্ষাৎ কৰা।

তৃতীয় অধিকাৰটো হৈছে, ঘৰৰ পৰা জানাজা পঢ়াৰ স্থানলৈকে অনুসৰণ কৰা আৰু জানাজা পঢ়াৰ পিছত কবৰস্থানলৈকে যোৱা আৰু দাফন কাৰ্যত চামিল হোৱা।

চতুৰ্থ অধিকাৰটো হৈছে, যদি কোনোবাই অলীমা আদিৰ নিমন্ত্ৰণ কৰে তেন্তে সেই নিমন্ত্ৰণ গ্ৰহণ কৰা।

পঞ্চম অধিকাৰটো হৈছে, হাঁচি কৰা ব্যক্তিয়ে যদি আলহাম্‌দুলিল্লাহ কয় তেন্তে তাৰ উত্তৰত ক'ব য়াৰহামুকাল্লাহ। ইয়াৰ পিছত হাঁচিকাৰীয়ে আকৌ ক'ব, য়াহদিকুমুল্লাহু ৱা ইউচলিহু বা-লাকুম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুছলিমসকলৰ মাজত মুহাব্বত আৰু ভাতৃত্ববোধৰ বন্ধন মজবুত কৰাৰ ক্ষেত্ৰত ইছলামৰ মহানুভৱতা।

(3706)

(297) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «لَا تَدْخُلُونَ الْجَنَّةَ حَتَّى تُؤْمِنُوا، وَلَا تُؤْمِنُوا حَتَّى تَحَابُّوا، أَوَلَا أَدُلُّكُمْ عَلَى شَيْءٍ إِذَا فَعَلْتُمُوهُ تَحَابَبْتُمْ؟ أَفْشُوا السَّلَامَ بَيْنَكُمْ». [صحيح] - [رواه مسلم]

(297) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মুমিন নোহোৱাকৈ তোমালোকৰ মাজৰ কোনেও জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব, আৰু তোমালোকে প্ৰকৃত মুমিন হ'ব নোৱাৰিবা যেতিয়ালৈকে তোমালোকে ইজনে সিজনক মুহাব্বত নকৰিবা। মই তোমালোকক সেই বিষয়টো জনাই নিদিমনে, যিটো কৰিলে তোমালোকৰ পৰস্পৰৰ মাজত মুহাব্বত সৃষ্টি হ'ব? সেইটো হৈছেঃ তোমালোকে পৰস্পৰে ছালাম আদান প্ৰদান কৰা। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, জান্নাতত কেৱল মুমিন ব্যক্তিসকলেহে প্ৰৱেশ কৰিব পাৰিব। ইপিনে ঈমান পৰিপূৰ্ণ হ'বলৈ আৰু মুছলিম সমাজৰ সংশোধনৰ বাবে পৰস্পৰে মুহাব্বত ৰখাটো অনিবাৰ্য। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুহাব্বত প্ৰসাৰিত কৰিবলৈ এটা উত্তম উপায় দেখুৱাইছে। সেইটো হৈছে মুছলিমসকলৰ মাজত ছালাম প্ৰচাৰ কৰা, যিটোক আল্লাহে তেওঁৰ বান্দাসকলৰ বাবে অভিবাদন হিচাপে নিৰ্ধাৰণ কৰিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জান্নাতত প্ৰৱেশ কৰিবলৈ হ'লে ঈমান অনিবাৰ্য।
2. পৰিপূৰ্ণ ঈমানৰ অন্যতম এটা পৰিচয় হৈছে এই যে, মুছলিমে নিজৰ ভাতৃৰ বাবে সেইটোৱে পছন্দ কৰা যিটো সি নিজৰ বাবে পছন্দ কৰে।

3. ছালাম প্ৰচাৰ কৰা আৰু মুছলিমসকলক ছালাম দিয়া মুস্তাহাব। কাৰণ ইয়াৰ দ্বাৰা মানুহৰ মাজত শান্তি বিস্তাৰ কৰে।
4. ছালাম কেৱল মুছলমানকহে দিব লাগে। সেইকাৰণে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত "بينكم" (তোমালোকৰ মাজত) শব্দ ব্যৱহাৰ কৰিছে।
5. ছালাম আদান-প্ৰদানৰ ফলত সম্পৰ্ক ছিন্ন, কথা-বতৰা বৰ্জন আৰু বিদ্বেষ আদি নিঃশেষ হৈ যায়।
6. মুছলিমসকলৰ মাজত মুহাব্বতৰ গুৰুত্ব, আনকি ইয়াক ঈমানৰ পৰিপূৰ্ণতাৰ সৈতে সম্পৃক্ত কৰা হৈছে।
7. আন এটা হাদীছত আহিছে যে, ছালামৰ সম্পূৰ্ণ বাক্য হৈছে (আচ্ছালামু আলাইকুম অৰাহমাতুল্লাহি অবাৰাকাতুহ), আনহাতে কেৱল (আচ্ছালামু আলাইকুম) ক'লেও যথেষ্ট হ'ব।

(3361)

(298) – عَنْ عَبْدِ اللَّهِ بْنِ عَمْرٍو رَضِيَ اللَّهُ عَنْهُمَا: أَنَّ رَجُلًا سَأَلَ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: أَيُّ الإِسْلاَمِ خَيْرٌ؟ قَالَ: «**تُطْعِمُ الطَّعَامَ، وَتَقْرَأُ السَّلاَمَ عَلَى مَنْ عَرَفْتَ وَمَنْ لَمْ تَعْرِفْ**». [صحيح] - [متفق عليه]

(298) – আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, কোনো এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলে, ইছলামৰ কোনটো আমল সৰ্বোতকৈ উত্তম? তেখেতে ক'লেঃ "আনক খাদ্য খোওৱা, পৰিচিত অপৰিচিত সকলোকে ছালাম দিয়া।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰা হ'ল যে, ইছলামৰ কোন কেইটা বৈশিষ্ট্য আটাইতকৈ উত্তম? তেতিয়া তেখেতে দুটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিলেঃ

প্ৰথমঃ দুখীয়া দৰিদ্ৰক আহাৰ কৰাব লাগে, সিহঁতক চাদাক্বাহ কৰাই হওক বা উপহাৰ দিয়াই হওক নাইবা নিমন্ত্ৰণৰ জৰিয়তে মাতি আনি আপ্যায়ন কৰাই হওক, যিকোনো প্ৰকাৰে সিহঁতক সহায় কৰা। বিশেষকৈ দুৰ্ভিক্ষৰ সময়ত বা বস্তু বাহিনীৰ মূল্যবৃদ্ধিৰ সময়ত।

দ্বিতীয়টো হৈছে, প্ৰতিজন মুছলিমকে ছালাম দিয়া, পৰিচিত হওক বা অপৰিচিত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. চাহাবাসকল সেইবোৰ গুণ শিকিবলৈ খুবেই আগ্ৰহী আছিল যিবোৰ গুণৰ দ্বাৰা পৃথিৱী আৰু আখিৰাতত উপকাৰ হয়।
2. ছালাম প্ৰদান কৰা আৰু আনক খাদ্য খুওৱা গুণটো হৈছে ইছলামৰ অন্যতম উত্তম আমল। ইছলামত ইয়াক বহুত গুৰুত্ব দিয়া হৈছে, কাৰণ এইটো সকলো সময়তে প্ৰয়োজন।

3. এই দুয়োটা বৈশিষ্ট্যৰ ভিতৰত কথা আৰু কৰ্মৰ দ্বাৰা কৰা উপকাৰ অন্তৰ্ভুক্ত হৈ আছে। এইটোৱে হৈছে পূৰ্ণাংগ এহছান।
4. এইবোৰ হৈছে মুছলিমসকলৰ মাজৰ পৰস্পৰ ব্যৱহাৰিক সম্পৰ্কীয় বৈশিষ্ট্য। ইয়াৰ বাহিৰেও বান্দা আৰু তাৰ প্ৰতিপালকৰ সৈতে সম্পৰ্কীয় বহুতো বৈশিষ্ট্য আছে।
5. ছালাম কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱাৰ বিষয়টো কেৱল মুছলিমসকলৰ মাজতে নিৰ্দিষ্ট। গতিকে অমুছলিমসকলক প্ৰথমে ছালাম কৰা উচিত নহয়।

(5808)

(299) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «أَلَا أَدُلُّكُمْ عَلَى مَا يَمْحُو اللهُ بِهِ الْخَطَايَا، وَيَرْفَعُ بِهِ الدَّرَجَاتِ؟» قَالُوا بَلَى يَا رَسُولَ اللهِ قَالَ: «إِسْبَاغُ الْوُضُوءِ عَلَى الْمَكَارِهِ، وَكَثْرَةُ الْخُطَا إِلَى الْمَسَاجِدِ، وَانْتِظَارُ الصَّلَاةِ بَعْدَ الصَّلَاةِ، فَذَلِكُمُ الرِّبَاطُ». [صحيح] - [رواه مسلم]

(299) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মই তোমালোকক এনেকুৱা বিষয়ৰ সংবাদ নিদিমনে, যাৰ দ্বাৰা আল্লাহে গুনাহ মোচন কৰে আৰু মৰ্যাদা উন্নীত কৰে?" তেওঁলোকে ক'লে নিশ্চয় জনাওক হে আল্লাহৰ ৰাছুল। তেখেতে ক'লেঃ "অনিচ্ছা সত্ত্বেও ভালকৈ ঘঁহি ঘঁহি অজু কৰা, মছজিদলৈ যাওঁতে অধিক খোজ দিয়া, এটা নামাজৰ পিছত আন এটা নামাজৰ বাবে অপেক্ষা কৰা। এইটোৱে হৈছে ৰিবাত (অৰ্থাৎ প্ৰতিৰক্ষা বাহিনীৰ দৰে কৰ্ম)" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক সুধিলে যে, তোমালোকে বিচৰানে যে, মই তোমালোকক এনেকুৱা আমলৰ সংবাদ

দিওঁ, যি আমল হৈছে আমলনামাৰ পৰা গুনাহ মোচনৰ কাৰণ, আৰু জান্নাতত উচ্চ মৰ্যাদা অৰ্জন কৰাৰ উপায়?

চাহাবাসকলে ক'লেঃ হয় আমি এইটো বিচাৰোঁ। তেখেতে ক'লেঃ

প্ৰথমঃ কষ্টকৰ হোৱা সত্ত্বেও পৰিপূৰ্ণৰূপে অজু কৰা, যেনে- শীতকালত, অথবা পানী কম থকাৰ সময়ত, নাইবা শৰীৰত কোনো বিষ-বেদনা থকাৰ সময়ত, নাইবা গৰম পানীৰে অজু কৰোঁতে।

দ্বিতীয়ঃ অধিক খোজ দিয়া, অৰ্থাৎ ঘৰৰ পৰা মছজিদৰ দূৰত্ব বেছি হোৱা সত্ত্বেও খোজকাঢ়ি যোৱা।

তৃতীয়ঃ নামাজৰ বাবে অপেক্ষা কৰা, আৰু ইয়াৰ বাবে অন্তৰক ওলোমাই ৰখা (অৰ্থাৎ সদায় প্ৰস্তুত হৈ থকা)। জামাআতৰ বাবে মছজিদত বহি অপেক্ষা কৰা। এটা নামাজ পঢ়াৰ পিছত আনটো নামাজৰ বাবে অপেক্ষা কৰা।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, এইটোৱে হৈছে প্ৰকৃত প্ৰতিৰক্ষামূলক কাম। কাৰণ তেওঁ চয়তানক নিজৰ নফছৰ ওপৰত প্ৰভাৱ পেলাবলৈ সকলো দুৱাৰ বন্ধ কৰিছে। নিজৰ প্ৰবৃত্তিক দমন কৰিছে। কুমন্ত্ৰণা গ্ৰহণৰ পৰা নিজকে ৰক্ষা কৰিছে। ফলত আল্লাহৰ দলে চয়তানৰ সেনা বাহিনীক পৰাস্ত কৰিছে। এইটোৱে হৈছে মহা জিহাদ। ফলত এইটো হৈছে শত্ৰুৰ বিপক্ষে প্ৰতিৰক্ষাত নিয়োজিত সেনাবাহিনীৰ কৰ্মৰ দৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মছজিদত জামাআতৰ সৈতে নামাজ পঢ়াৰ গুৰুত্ব। নিয়মিতভাৱে চালাত আদায় কৰা আৰু অৱহেলাৰ পৰা বিৰত থকা।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম উপস্থাপন। তেখেতে চাহাবাসকলক মহা ছোৱাবৰ বিষয়ে শিকাবলৈ প্ৰশ্নাকাৰে উত্থাপন কৰি তেওঁলোকক উৎসাহিত কৰিছিল। এইটো হৈছে শিকোৱাৰ অন্যতম এটা পদ্ধতি।

3. প্ৰশ্নোত্তৰ আকাৰে কোনো বিষয় উত্থাপন কৰাৰ এটা উপকাৰ হৈছে এই যে, বিষয়টো প্ৰথমে উহ্য ৰাখি পিছত ব্যাখ্যা কৰাৰ ফলত বিষয়টো গভীৰভাৱে হৃদয়ংগম হয়।
4. নৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ এইটোৱে হৈছে সেই ৰিবাত (পহৰা), যিটোৰ প্ৰতি উৎসাহিত কৰা হৈছে। ৰিবাতৰ মূল হৈছে, কোনো বস্তুক আৱদ্ধ কৰি ৰখা। সেয়ে ইয়াত ৰিবাত ব্যৱহাৰ কৰা হৈছে, কাৰণ তেওঁ নিজকে আনুগত্যৰ নিমিত্তে আৱদ্ধ কৰিছে। আনকি এইটোও কোৱা হৈছে যে, এইটোৱে হৈছে সৰ্বোত্তম ৰিবাত। যিদৰে নফছৰ লগত কৰা সংগ্ৰামক জিহাদ বুলি কোৱা হৈছে। এইটোও হ'ব পাৰে যে, এই ৰিবাত হৈছে সহজ তথা সকলোৰে বাবে সম্ভৱ। অৰ্থাৎ এইটোও হৈছে এটা ৰিবাতৰ প্ৰকাৰ।
5. ৰিবাত শব্দটো বাৰে বাৰে ব্যৱহাৰ কৰিছোঁ, লগতে (ال) সৈতে নিৰ্দিষ্ট কৰা হৈছে। ইয়াৰ দ্বাৰা এইবোৰ আমলৰ মৰ্যাদাৰ প্ৰতি ইংগিত কৰা হৈছে।

(3574)

(300) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «الْمُؤْمِنُ الْقَوِيُّ، خَيْرٌ وَأَحَبُّ إِلَى اللهِ مِنَ الْمُؤْمِنِ الضَّعِيفِ، وَفِي كُلٍّ خَيْرٌ، احْرِصْ عَلَى مَا يَنْفَعُكَ، وَاسْتَعِنْ بِاللهِ وَلَا تَعْجَزْ، وَإِنْ أَصَابَكَ شَيْءٌ، فَلَا تَقُلْ لَوْ أَنِّي فَعَلْتُ كَانَ كَذَا وَكَذَا، وَلَكِنْ قُلْ قَدَرُ اللهِ وَمَا شَاءَ فَعَلَ، فَإِنَّ (لَوْ) تَفْتَحُ عَمَلَ الشَّيْطَانِ». [صحيح] - [رواه مسلم]

(300) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "দুৰ্বল মুমিনতকৈ শক্তিশালী মুমিন উত্তম তথা আল্লাহৰ দৃষ্টিত পছন্দনীয়। যদিও কল্যাণ প্ৰত্যেকৰে মাজত আছে। গতিকে যিটো তোমাৰ কাৰণে উপকাৰী সেইটোৰ আশা কৰিবা। আল্লাহৰ ওচৰত সহায় প্ৰাৰ্থনা কৰা, মনোবল নেহেৰুৱাবা। এইদৰে যদি তোমাৰ ওপৰত কোনো বিপদ আহে তেন্তে এইটো নক'বা যে, যদি মই এইটো কৰিলোহেঁতেন তেন্তে এইটো নহ'লহেঁতেন। বৰং তুমি কোৱা, قَدَرُ اللهِ وَمَا شَاءَ فَعَلَ এইটো হৈছে আল্লাহে নিৰ্ধাৰণ কৰা ভাগ্য, তেওঁ যিটো বিচাৰে সেইটোৱে কৰে। কাৰণ (যদি) শব্দটোৱে চয়তানৰ দুৱাৰ খুলি দিয়ে।" [ছহীহ] - [মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, প্ৰতিজন মুমিনৰ মাজতেই কল্যাণ আছে। কিন্তু ঈমান, প্ৰতিজ্ঞা, ধন-সম্পদ আদি শক্তিৰ ক্ষেত্ৰত দুৰ্বল মুমিনতকৈ শক্তিশালী মুমিন আল্লাহৰ দৃষ্টিত অধিক পছন্দনীয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুমিনসকলক আল্লাহৰ ওপৰত ভৰসা কৰিবলৈ, তেওঁৰ সহায় বিচাৰিবলৈ আৰু তেওঁৰ ওপৰত তাৱাক্কুল কৰি দুনিয়া আৰু আখিৰাতত উপকাৰ হ'ব পৰা বিষয়ৰ উপায় অৱলম্বন কৰিবলৈ উপদেশ দিছে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুনিয়া আৰু আখিৰাতৰ উপকাৰী বিষয়ত অৱহেলা কৰিবলৈ, সেইবোৰ পালনত গধূৰ অনুভৱ কৰিবলৈ তথা অক্ষমতা প্ৰকাশ কৰিবলৈ নিষেধ কৰিছে। কাৰণ আমল কৰাৰ ক্ষেত্ৰত মুমিনে যদি সাধ্য অনুযায়ী চেষ্টা কৰে আৰু পৰ্যাপ্ত

উপায় অৱলম্বন কৰে, আল্লাহৰ ওচৰত কল্যাণ বিচাৰি সহায় প্ৰাৰ্থনা কৰে, তেন্তে তাৰ ওপৰত আৰু কোনো অভিযোগ নাথাকে, সেই বিষয়টো আল্লাহৰ ওপৰত অৰ্পন কৰা হয়। জানি থোৱা উচিত যে, আল্লাহে যিটো নিৰ্ধাৰণ কৰে সেইটোৱে কল্যাণ। ইয়াৰ পিছতো যদি কোনো বিপদৰ সন্মুখীন হ'বলগীয়া হয় তেন্তে এইটো কোৱা উচিত নহয় যে, "মই যদি এইটো কৰিলোহেঁতেন তেন্তে এইটো হ'লহেঁতেন।" কাৰণ "যদি" শব্দটোৱে চয়তানৰ দুৱাৰ খুলি দিয়ে, ইয়াৰ দ্বাৰা ভাগ্যত অভিযোগ কৰাৰ দুঃসাহস কৰে, আৰু যিটো পোৱা নাই সেইটোৰ বাবে অধিক অনুতাপ হয়। বৰং ইয়াৰ বিপৰীতে ভাগ্যৰ ওপৰত সন্তুষ্ট হৈ এইদৰে ক'ব লাগেঃ "قَدر الله، وما شاء فعل" এইটো হৈছে আল্লাহে নিৰ্ধাৰণ কৰা ভাগ্য, তেওঁ যিটো বিচাৰে সেইটোৱে কৰে। গতিকে যিটোৱে সংঘটিত হয় সেইটো আল্লাহৰ ইচ্ছা মুতাবিকে হয়। কাৰণ তেওঁ সেইটোৱে কৰে যিটো তেওঁ বিচাৰে। তেওঁৰ সিদ্ধান্তক কোনেও প্ৰতিৰোধ কৰিব নোৱাৰে আৰু তেওঁৰ ফয়চালাৰ ওপৰত কোনো মন্তব্যকাৰী নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহৰ ঈমানত তাৰতম্য আছে।
2. আমলৰ ক্ষেত্ৰত শক্তিশালী হোৱাটো পছন্দনীয়। কাৰণ শক্তি সামৰ্থৰ দ্বাৰা যি উপকাৰ লাভ হয়, দুৰ্বলতাৰ দ্বাৰা সেইটো নহয়।
3. মানুহে সদায় উপকাৰী বিষয়ত আগ্ৰহী হোৱা উচিত, পক্ষান্তৰে অপকাৰী তথা অপ্ৰয়োজনীয় বিষয়বোৰ পৰিত্যাগ কৰা উচিত।
4. মুমিনে প্ৰতিটো কামতে আল্লাহৰ সহায় প্ৰাৰ্থনা কৰিব লাগে, কেৱল নিজৰ ওপৰত ভৰসা কৰা উচিত নহয়।
5. হাদীছটোৰ দ্বাৰা তাক্বদীৰ সাব্যস্ত হৈছে, আৰু তাক্বদীৰ কেতিয়াও উপায় অৱলম্বন কৰা তথা কল্যাণৰ বাবে চেষ্টা কৰাৰ পৰিপন্থী নহয়।

6. বিপদ-আপদৰ সময়ত খঙতে হওক বা পৰিতাপ কৰিয়ে হওক "যদি" শব্দ ব্যৱহাৰ কৰিবলৈ নিষেধ কৰা হৈছে। লগতে তাক্বদীৰ আৰু আল্লাহৰ সিদ্ধান্তৰ ওপৰত অভিযোগ কৰিবলৈ হাৰাম কৰা হৈছে।

(5493)

(301) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**قَارِبُوا وَسَدِّدُوا، وَاعْلَمُوا أَنَّهُ لَنْ يَنْجُوَ أَحَدٌ مِنْكُمْ بِعَمَلِهِ**» قَالُوا: يَا رَسُولَ اللهِ وَلَا أَنْتَ؟ قَالَ: «**وَلَا أَنَا، إِلَّا أَنْ يَتَغَمَّدَنِيَ اللهُ بِرَحْمَةٍ مِنْهُ وَفَضْلٍ**». [صحيح] - [متفق عليه]

(301) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে সঠিকভাৱে নিষ্ঠা সহকাৰে কাম কৰি নৈকট্য অৱলম্বন কৰা, জানি থোৱা, তোমালোকৰ কোনো আমলেই তোমালোকক জান্নাতত প্ৰৱেশ কৰাব নোৱাৰিব।" চাহাবাসকলে সুধিলে, হে আল্লাহৰ ৰাছুল! আপোনাকো নহয়? তেখেতে ক'লেঃ "হয়, মোকো নহয়, কিন্তু মোক আল্লাহৰ ৰহমত আৰু অনুগ্ৰহই ঢাকি ৰাখিছে।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক নিষ্ঠা সহকাৰে আমল কৰিবলৈ উৎসাহিত কৰিছে। লগতে সক্ষম অনুযায়ী আল্লাহৰ তাক্বৱা অৱলম্বন কৰিবলৈ উৎসাহিত কৰিছে। যাতে এই ক্ষেত্ৰত কোনো ধৰণৰ সীমালংঘন নকৰে আৰু অৱহেলাও নকৰে। তথা তেওঁলোকে যেন ইখলাচৰ সৈতে ছুন্নত অনুসৰি সঠিক আমল কৰাৰ চেষ্টা কৰে, যাতে তেওঁলোকৰ আমল কবূল হয় আৰু ইয়াৰ ফলত তেওঁলোকৰ ওপৰত ৰহমত অৱতীৰ্ণ হয়।

ইয়াৰ পিছত তেখেতে জনাইছে যে, কেৱল আমলে তোমালোকৰ মাজৰ কাকো ৰক্ষা কৰিব নোৱাৰিব, যদি আল্লাহৰ ৰহমত নাথাকে।

তেওঁলোকে সুধিলেঃ হে আল্লাহৰ ৰাছুল! আপোনাৰ আমলেও আপোনাক ৰক্ষা কৰিব নোৱাৰিবনে?

তেখেতে ক'লেঃ হয়, মোকো নোৱাৰিব। কিন্তু আল্লাহে মোক তেওঁৰ ৰহমত আৰু অনুগ্ৰহৰ দ্বাৰা আবৃত কৰি ৰাখিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইমাম নাৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ (سدِّدوا وقاربوا) সঠিক পথ কামনা কৰা আৰু নিষ্ঠা সহকাৰে আমল কৰা। যদি অপাৰগ হোৱা তেন্তে নিকটৱৰ্তী হোৱাৰ চেষ্টা কৰা। (والسداد) কোৱা হয়, সঠিক বিষয়ক। অৰ্থাৎ যিটো চৰম পন্থাও নহয় আৰু নৰম পন্থাও নহয়, বৰং মধ্যম পন্থা। গতিকে সীমালংঘন নকৰিবা আৰু অৱহেলাও নকৰিবা।

2. ইবনু বাজ ৰাহিমাহুল্লাহে কৈছেঃ নেক আমল হৈছে জান্নাতত প্ৰৱেশৰ অন্যতম এটা কাৰণ। যিদৰে বেয়া আমল হৈছে জাহান্নামত প্ৰৱেশৰ অন্যতম এটা কাৰণ। হাদীছটোত এই কথা স্পষ্ট কৰা হৈছে যে, অকল আমলৰ দ্বাৰা জান্নাতত প্ৰৱেশ কৰা নাযাব, বৰং আল্লাহৰ ৰহমত, দয়া আৰু ক্ষমা অত্যন্ত জৰুৰী। সেয়ে তেওঁলোকে আমলৰ কাৰণে প্ৰৱেশ কৰিব যদিও ইয়াত থাকিব আল্লাহৰ ৰহমত, দয়া, ক্ষমা তথা মাগফিৰাত।

3. বান্দাই নিজৰ ভাল কৰ্মকলৈ কেতিয়াও গৌৰৱ কৰিব নালাগে তথা এই ক্ষেত্ৰত প্ৰতাৰিত হ'ব নালাগে। কাৰণ বান্দাৰ আমলতকৈ আল্লাহৰ অধিকাৰ অধিক ডাঙৰ। সেয়ে বান্দাই ভয়-ভীতি আৰু আশাৰ সৈতে আমল কৰিব লাগে।

4. বান্দাৰ আমলতকৈ মহান আল্লাহৰ ৰহমত আৰু তেওঁৰ অনুগ্ৰহ বান্দাসকলৰ প্ৰতি অধিক প্ৰশস্ত।

5. নেক আমল হৈছে জান্নাতত প্ৰৱেশ কৰাৰ আৰু সফলতা লাভৰ অন্যতম কাৰণ। এইটো অৰ্জন হয় আল্লাহৰ ৰহমত আৰু তেওঁৰ অনুগ্ৰহৰ ফলত।

6. কিৰমানী ৰাহিমাহুল্লাহে কৈছেঃ "আল্লাহৰ ৰহমত অবিহনে কোনেও জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব। ইয়াত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ কথাও কোৱা হৈছে, যিহেতু তেখেতে জান্নাত লাভ কৰাটো নিশ্চিত, তথাপিও তেখেতে আল্লাহৰ ৰহমত অবিহনে জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব। তেনে ক্ষেত্ৰত বেলেগৰ বিষয়টো জলজল পটপট।"

7. নাৱাৱী ৰাহিমাহুল্লাহে পৱিত্ৰ কোৰআনৰ এই আয়াতৰ অৰ্থত কৈছেঃ ﴿ادْخُلُوا الْجَنَّةَ بِمَا كُنْتُمْ تَعْمَلُونَ﴾ [النحل :32]، ﴿وَتِلْكَ الْجَنَّةُ الَّتِي أُورِثْتُمُوهَا بِمَا كُنْتُمْ تَعْمَلُونَ﴾ [الزخرف :72] (তোমালোকে যি কৰিছিলা তাৰ বিনিময়ত জান্নাতত প্ৰৱেশ কৰা'।) [আন-নাহলঃ ৩২] (এইটোৱেই হৈছে জান্নাত, তোমালোকক যিটোৰ অধিকাৰী কৰা হৈছে, কাৰণ তোমালোকে আমল কৰিছিলা।) [আঝ-ঝুখৰূফঃ ৭২] এনেকুৱা অৰ্থৰ আয়াতবোৰে প্ৰমাণ কৰে যে, আমলৰ ফলতেই মানুহে জান্নাতত প্ৰৱেশ কৰিব। হাদীছ আৰু আয়াতৰ মাজত কোনো মতবিৰোধ নাই। বৰং আয়াতৰ অৰ্থ হৈছে যে, আমলৰ কাৰণে জান্নাতত প্ৰৱেশ কৰিব, কিন্তু আমল কৰাৰ তাওফীক, ইখলাচৰ বাবে হিদায়তকে আদি কৰি সেই আমল কবূল হয় আল্লাহৰ ৰহমত আৰু তেওঁৰ অনুগ্ৰহত। গতিকে এইটোৱে প্ৰমাণ কৰে যে, অকল আমলৰ ফলতে জান্নাত লাভ কৰিব নোৱাৰি। হাদীছটোৰ তাৎপৰ্য্য এইটোৱেই। এই কথাক এইদৰেও ক'ব পাৰি যে, মানুহে আমলৰ ফলতেই জান্নাত লাভ কৰিব, আৰু এইটো হ'ব আল্লাহৰ ৰহমতত।

8. ইবনুল জাওঝী ৰাহিমাহুল্লাহে কৈছেঃ ইয়াৰ চাৰি ধৰণে উত্তৰ দিব পাৰি। ১- আমলৰ তাওফীক প্ৰাপ্ত হয় আল্লাহৰ ৰহমতত। যদি আল্লাহৰ ৰহমত নাথাকিলহেঁতেন তেন্তে ঈমানো অৰ্জন

নহ'লহেঁতেন আৰু সেই আনুগত্য কৰাৰ তাওফীকো নহ'লহেঁতেন যাৰ দ্বাৰা মুক্তি লাভ হয়। ২- দাসৰ দ্বাৰা অৰ্জিত সকলো লাভ মালিকৰ হয়, সেয়ে দাসৰ সকলো কৰ্ম হৈছে মালিকৰ হক। মালিকে তাক যিমানেই পুৰষ্কৃত নকৰক কিয়, সেয়া হৈছে মালিকৰ কৃপাহে। ৩- কিছুমান হাদীছত আহিছে যে, মানুহে আল্লাহৰ ৰহমততহে জান্নাতত প্ৰৱেশ কৰিব, আৰু নিজৰ আমল অনুসৰি জান্নাতত মৰ্যাদা লাভ কৰিব। ৪- নেক কৰ্ম কৰা হয় এটা সীমিত সময়ত। পক্ষান্তৰে জান্নাতৰ পুৰষ্কাৰ হৈছে চিৰস্থায়ী। সেয়ে এই সীমিত সময়ৰ আমলৰ দ্বাৰা চিৰস্থায়ী পুৰষ্কাৰ লাভ কৰাটো অসম্ভৱ, সেয়ে কেৱল আল্লাহৰ ৰহমত আৰু তেওঁৰ অনুগ্ৰহতহে এইটো লাভ কৰিব পাৰি।

9. ৰাফেয়ীয়ে কৈছেঃ আমলকাৰীয়ে কেতিয়াও নিজৰ আমলৰ ওপৰত ভৰসা কৰি মুক্তিৰ আশা আৰু মৰ্যাদা কামনা কৰা উচিত নহয়। কাৰণ সি আল্লাহৰ তাওফীকতহে আমল কৰিব পাৰিছে, আৰু আল্লাহৰ সুৰক্ষা বেষ্টনীৰ কাৰণেহে গুনাহৰ পৰা বিৰত হ'ব পাৰিছে। এই সকলোবোৰ হৈছে আল্লাহৰ ৰহমতত আৰু তেওঁৰ অনুগ্ৰহত।

(3469)

(302) – عن ابن عمر رضي الله عنهما قال: قال رسول الله صلى الله عليه وسلم: «مَا زَالَ يُوصِينِي جِبْرِيلُ بِالْجَارِ، حَتَّى ظَنَنْتُ أَنَّهُ سَيُوَرِّثُهُ». [صحيح] - [متفق عليه]

(302) – ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "জিব্ৰীলে মোক সদায় প্ৰতিৱেশীৰ বিষয়ে উপদেশ দিছিল। এটা সময়ত মই ধাৰণা কৰিলোঁ যে, তেওঁ হয়তো প্ৰতিৱেশীক মোৰ উত্তৰাধিকাৰী বনাই দিব।" [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, জিব্ৰীল আলাইহিচ্ছালামে তেখেতক সদায় প্ৰতিৱেশীৰ প্ৰতি মনোযোগ দিবলৈ নিৰ্দেশ দিছিল, প্ৰতিৱেশী মুছলিম হওক বা অমুছলিম, আত্মীয় হওক বা অনাত্মীয়, সকলো প্ৰকাৰৰ প্ৰতিৱেশীৰ অধিকাৰ সুৰক্ষিত ৰাখিবলৈ উপদেশ দিছিল আৰু কোনো প্ৰকাৰ কষ্ট দিবলৈ নিষেধ কৰিছিল। লগতে তেওঁলোকৰ সৈতে সদ্ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিছিল আৰু সিহঁতে দিয়া কষ্টত ধৈৰ্য্য ধাৰণ কৰিবলৈ কৈছিল। জিব্ৰীলৰ ফালৰ পৰা প্ৰতিৱেশীৰ বিষয়ে বাৰে বাৰে এনেকুৱা উপদেশ পোৱাৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে অনুভৱ কৰিছিল যে, শীঘ্ৰেই হয়তো জিব্ৰীলে প্ৰতিৱেশীক ওৱাৰিছ বনোৱাৰ বিষয়ে কোনো অহী লৈ অৱতৰণ কৰিব, যাৰ ফলত মৃত্যুৰ পিছত প্ৰতিৱেশীয়েও ওৱাৰিছ হোৱাৰ অধিকাৰ লাভ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. প্ৰতিৱেশীৰ অধিকাৰৰ গুৰুত্ব আৰু সেয়া পালন কৰা অনিবাৰ্য।
2. প্ৰতিৱেশীৰ অধিকাৰকলৈ গুৰুত্ব সহকাৰে উপদেশ দিয়াৰ উদ্দেশ্য হৈছে, তাৰ প্ৰতি সদাচৰণ কৰা, মুহাব্বত কৰা আৰু তাক সন্মান কৰা, বিপদ-আপদত সহায় কৰা, অসুস্থ হ'লে খা-খবৰ লোৱা, তাৰ

আনন্দত শুভেচ্ছা জ্ঞাপন কৰা, আৰু শোকৰ সময়ত সমবেদনা জ্ঞাপন কৰা প্ৰতিজন প্ৰতিৱেশীৰে কৰ্তব্য।

3. প্ৰতিৱেশী যিমানেই ওচৰৰ হ'ব, তাৰ অধিকাৰ সিমানেই গুৰুত্বপূৰ্ণ।
4. চৰীয়তৰ পৰিপূৰ্ণতাৰ প্ৰমাণ, কাৰণ ইয়াৰ ভিতৰত আছে সমাজ সংস্কাৰৰ যাৱতীয় বিষয়, প্ৰতিৱেশীৰ সৈতে সদ্ব্যৱহাৰ কৰা আৰু সিহঁতক ক্ষয়-ক্ষতিৰ পৰা ৰক্ষা কৰা আদি সকলো বিষয়।

(4965)

(303) – عن أبي الدرداء رضي الله عنه عن النبي صلى الله عليه وسلم قال: «مَنْ رَدَّ عَنْ عِرْضِ أَخِيهِ رَدَّ اللهُ عَنْ وَجْهِهِ النَّارَ يَوْمَ الْقِيَامَةِ». [صحيح] - [رواه الترمذي وأحمد]

(303) – আবু দাৰদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে তাৰ কোনো ভাতৃৰ মান-সন্মানত আহিবলগীয়া আঘাত প্ৰতিৰোধ কৰিব, কিয়ামতৰ দিনা আল্লাহে সেই ব্যক্তিৰ মুখমণ্ডল (জাহান্নামৰ) জুইৰ পৰা ৰক্ষা কৰিব। [ছহীহ] - [(তিৰমিজী, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে এই হাদীছটোত সংবাদ দিছে যে, যি ব্যক্তিয়ে তাৰ মুছলিম ভাতৃৰ অনুপস্থিতিত তাৰ বিৰুদ্ধে হোৱা গীবতৰ প্ৰতিবাদ কৰিব, গীবতকাৰীক কোনো ধৰণৰ কষ্ট নিদিয়াকৈ তাৰ প্ৰতিৰোধ কৰিব, কিয়ামতৰ দিনা আল্লাহে তাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুছলিমসকলৰ সন্মানহানী হ'ব পৰা কথা-বতৰাৰ পৰা নিষেধ কৰা হৈছে।
2. আমল অনুযায়ী ছোৱাব প্ৰদান কৰা হয়। যি ব্যক্তিয়ে তাৰ ভাতৃৰ সন্মান ৰক্ষা কৰিব, আল্লাহে সেই ব্যক্তিক জাহান্নামৰ পৰা ৰক্ষা কৰিব।
3. ইছলাম হৈছে তাৰ অনুসাৰীসকলৰ মাজত ভাতৃত্ববোধ আৰু সহায়-সহযোগিতা কৰাৰ ধৰ্ম।

(5514)

(304) – عَنْ أَنَسٍ رَضِيَ اللَّهُ عَنْهُ عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قالَ: «لاَ يُؤْمِنُ أَحَدُكُمْ، حَتَّى يُحِبَّ لِأَخِيهِ مَا يُحِبُّ لِنَفْسِهِ». [صحيح] - [متفق عليه]

(304) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনেও তেতিয়ালৈকে প্ৰকৃত মুমিন হ'ব নোৱাৰে, যেতিয়ালৈকে সি নিজৰ বাবে যিটো পছন্দ কৰে, সেইটো তাৰ ভাতৃৰ বাবে পছন্দ নকৰিব।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, কোনো এজন মুছলিমেই তেতিয়ালৈকে পৰিপূৰ্ণ ঈমান লাভ কৰিব নোৱাৰে, যেতিয়ালৈকে তেওঁ নিজৰ বাবে যিটো পছন্দ কৰে সেইটো তেওঁৰ মুছলিম ভাতৃৰ বাবে পছন্দ নকৰিব, আনুগত্যৰ ক্ষেত্ৰতে হওক বা দ্বিনী আৰু দুনিয়াৱী যিকোনো কল্যাণৰ ক্ষেত্ৰতে হওক। লগতে তেওঁ নিজৰ বাবে যিটো অপছন্দ কৰে, সেইটো আনৰ বাবে যেতিয়ালৈকে অপছন্দ নকৰিব। গতিকে তেওঁ নিজৰ মুছলিম ভাতৃৰ মাজত কোনো

দ্বিনী ত্ৰুটি দেখিলে, সেইটো সংশোধন কৰিবলৈ চেষ্টা কৰা উচিত। আনহাতে কোনো কল্যাণ দেখিলে, সেই ক্ষেত্ৰত সহায়-সহযোগিতা কৰা উচিত। লগতে দ্বিনী আৰু দুনিয়াৱী ক্ষেত্ৰত সৎ পৰামৰ্শ দিয়া উচিত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মানুহে নিজৰ বাবে যিটো পছন্দ কৰে, সেইটো আনৰ বাবেও পছন্দ কৰা অনিবাৰ্য। কাৰণ যিয়ে নিজৰ বাবে যিটো পছন্দ কৰে সেইটো আনৰ বাবে পছন্দ নকৰিলে ঈমান পৰিপূৰ্ণ নহয় বুলি হাদীছটোত উল্লেখ হৈছে। গতিকে এইটো অনিবাৰ্য হোৱাৰ প্ৰমাণ বহন কৰে।
2. বংশীয় ভাতৃত্বতকৈ দ্বীনি ভাতৃত্ববোধ প্ৰাধান্যযোগ্য। ইয়াৰ অধিকাৰ বেছি গুৰুত্বপূৰ্ণ।
3. এই মুহাব্বতৰ পৰিপন্থী সকলো কথা আৰু কৰ্ম, যেনে- প্ৰৱঞ্চনা, সমালোচনা, হিংসা, শত্ৰুতা, প্ৰাণৰ প্ৰতি, ধন-সম্পদৰ প্ৰতি আৰু মান-মৰ্যাদাৰ প্ৰতি অন্যায়-অত্যাচাৰ কৰা হাৰাম।
4. কিছুমান শব্দ ব্যৱহাৰ হয় কৰ্মৰ প্ৰতি উৎসাহিত কৰিবলৈ, যেনে- হাদীছটোত ব্যৱহাৰ হৈছে "নিজৰ ভাতৃ"।
5. কিৰমানী ৰাহিমাহুল্লাহে কৈছেঃ এইটোও ঈমানৰ অন্তৰ্ভুক্ত যে, নিজৰ বাবে যিটো অপছন্দনীয় সেইটো আনৰ বাবেও অপছন্দ কৰিব লাগে। যদিও হাদীছটোত উল্লেখ নাই, কিন্তু পছন্দৰ বিপৰীত অৰ্থ হৈছে অপছন্দ। গতিকে এই হাদীছটোৱে ইয়াৰ প্ৰমাণৰ বাবে যথেষ্ট।

(4717)

(305) – عن عائشة رضي الله عنها زوج النبي صلى الله عليه وسلم عن النبي صلى الله عليه وسلم قال: «إِنَّ الرِّفْقَ لَا يَكُونُ فِي شَيْءٍ إِلَّا زَانَهُ، وَلَا يُنْزَعُ مِنْ شَيْءٍ إِلَّا شَانَهُ». [صحيح] - [رواه مسلم]

(305) – নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্রী আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় নম্র ব্যৱহাৰে যিকোনো বিষয়কে সৌন্দৰ্যময় কৰি তোলে, আৰু যিটো বিষয়ত কোমলতা বা নম্রতা নাথাকে সেইটো কলুষিত হৈ পৰে। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, কথা বা কৰ্ম আদিৰ ক্ষেত্ৰত নম্রতা, কোমলতা অৱলম্বন কৰিলে তথা অৱকাশ দিলে সেই কৰ্মটোত সৌন্দৰ্য আৰু পৰিপূৰ্ণতা বৃদ্ধি পায়। আনকি নম্রতা অৱলম্বনকাৰীয়ে নিজৰ উদ্দেশ্য পূৰণ কৰিব পাৰে।

আনহাতে নম্রতা আৰু কোমলতা নাথাকিলে বিষয়টো কলুষিত হৈ পৰে, ফলত কঠোৰতা অৱলম্বনকাৰী ব্যক্তিয়ে নিজৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰে। যদিও পূৰণ কৰে, তেন্তে বহুত কষ্টৰ পিছতহে পূৰণ কৰিব পাৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নম্রতা, ভদ্ৰতা অৱলম্বন কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. নম্রতাই মানুহক সৌন্দৰ্য্যমণ্ডিত কৰে, কাৰণ নম্রতা হৈছে দ্বীন আৰু দুনিয়াৰ সকলো প্ৰকাৰ কল্যাণ আহৰণ কৰাৰ উপায়।

(5796)

(306) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «إِنَّ الدِّينَ يُسْرٌ، وَلَنْ يُشَادَّ الدِّينَ أَحَدٌ إِلَّا غَلَبَهُ، فَسَدِّدُوا وَقَارِبُوا، وَأَبْشِرُوا، وَاسْتَعِينُوا بِالْغَدْوَةِ وَالرَّوْحَةِ وَشَيْءٍ مِنَ الدُّلْجَةِ». [صحيح] - [رواه البخاري]

(306) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "নিশ্চয় দ্বীন হৈছে সহজ-সৰল। দ্বীনি বিষয়ত যিয়েই উগ্ৰতা প্ৰদৰ্শন কৰে সি পৰাজিত হয়। এতেকে তোমালোকে মধ্যম পন্থা অৱলম্বন কৰা, আৰু মধ্যম পন্থাৰ নিকটৱৰ্তী থাকিবা, লগতে ছোৱাবৰ আশা পোষণ কৰিবা, আৰু পুৱা-গধূলি তথা ৰাতিৰ কিছু অংশত (ইবাদতৰ জৰিয়তে) সহায় প্ৰাৰ্থনা কৰা।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, দ্বিনে ইছলাম সকলো ক্ষেত্ৰতে সহজ-সৰল। অপাৰগতাৰ সময়ত তথা প্ৰয়োজনতো ইয়াৰ বিধানবোৰ অত্যন্ত সহজ-সৰল। কাৰণ নম্ৰতা বা সৰলতাক পৰিহাৰ কৰি ধৰ্মীয় কামৰ গভীৰতালৈ সোমাই গ'লে অপাৰগতাই দেখা দিয়ে, অথবা কামটো সম্পূৰ্ণৰূপে বা আংশিকৰূপে বন্ধ হৈ পৰে। . ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সীমালংঘনক পৰিহাৰ কৰি মধ্যম পন্থা অৱলম্বন কৰিবলৈ উৎসাহিত কৰিছে। গতিকে বান্দাক যিটো নিৰ্দেশ দিয়া হৈছে সেইক্ষেত্ৰত অৱহেলা কৰা উচিত নহয়। আনহাতে যিটো কৰিবলৈ সি সক্ষম নহয় তেনেকুৱা কাম জোৰজবৰদস্তি কৰাৰো প্ৰয়োজন নাই। এতেকে যদি সি কামটো পৰিপূৰ্ণৰূপে কৰিব নোৱাৰে তেন্তে যিমানখিনি সম্ভৱ সেইখিনি পালন কৰা উচিত।

এইদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ধাৰাবাহিক নিয়মিতভাৱে পালন কৰা আমলৰ ছোৱাবৰ সুসংবাদ দিছে, যদিও সেয়া পৰিমাণত কম হয় আৰু সম্পূৰ্ণৰূপে আদায় কৰিবলৈও অক্ষম হয়। কিয়নো

অপাৰগতা যিহেতু নিজৰ ফালৰ পৰা নহয়, সেয়ে ছোৱাবো হ্ৰাস কৰা নহয়।

যিহেতু পৃথিৱীৰ জীৱন হৈছে এটা ভ্ৰমণৰ দৰে, ইয়াৰ গন্তব্য স্থান হৈছে আখিৰাত। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ধাৰাবাহিক নিয়মিত ইবাদতৰ জৰিয়তে তিনিটা সক্ৰিয় সময়ত সহায় প্ৰাৰ্থনা কৰাৰ নিৰ্দেশ দিছে।

১- আল-গাদৱাহঃ অৰ্থাৎ দিনৰ প্ৰথম ভাগত। এইটো হৈছে ফজৰৰ পিছৰ পৰা সূৰ্য্য উদয় হোৱাৰ আগমূহুৰ্তলৈকে।

২- আৰ-ৰাওহাঃ অৰ্থাৎ দুপুৰীয়া সূৰ্য্য ঢাল খোৱাৰ পিছত।

৩- আদ-দুলজাহঃ গোটেই ৰাতি অথবা ৰাতিৰ কিছু অংশত। কাৰণ দিনৰ আমলতকৈ ৰাতিৰ আমল অধিক কষ্টকৰ, সেয়ে ৰাতিৰ কিছু অংশত ইবাদত কৰাৰ কথা কৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইছলামী চৰীয়ত অত্যন্ত সহজ-সৰল আৰু সহনশীল। এইটো চৰমপন্থা আৰু নৰমপন্থাৰ মাজত অৱস্থিত এটা মধ্যমপন্থা।
2. বান্দাই সাধ্যানুসৰি নিৰ্দেশসমূহ পালন কৰিব লাগে। কোনো ধৰণৰ অৱহেলা নকৰাকৈ আৰু কঠোৰতা অৱলম্বন নকৰাকৈ।
3. বান্দাই ইবাদতৰ বাবে সক্ৰিয় সময়ক চয়ন কৰা উচিত। বিশেষকৈ এই তিনিটা সময়ক, এই সময়ছোৱাত ইবাদত কৰিবলৈ শৰীৰ অধিক উপযোগী হৈ থাকে।
4. ইবনে হাজাৰ আছক্বালানীয়ে কৈছেঃ এনেকুৱা লাগে যেনিবা তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কোনো ভ্ৰমণকাৰীক তাৰ গন্তব্যস্থল দেখুৱাইছে। এই তিনিওটা সময় ভ্ৰমণকাৰীৰ বাবে উপযুক্ত সময়। সেয়ে তেখেতে এই তিনিটা সক্ৰিয় সময়ৰ প্ৰতি ইংগিত কৰিছে। কিয়নো ভ্ৰমণকাৰীয়ে যদি দিনে ৰাতি ভ্ৰমণৰত অৱস্থাত থাকে তেন্তে সি অপাৰগ হৈ পৰিব। আনহাতে সি যদি এই

সক্ৰিয় সময়ত ভ্ৰমণ কৰে তেন্তে কোনো ধৰণৰ কষ্ট নোহোৱাকৈ কুশলে ভ্ৰমণ কৰিব পাৰিব।

5. ইবনু হাজাৰ ৰাহিমাহুল্লাহে কৈছেঃ এই হাদীছটোত চৰীয়তে দিয়া অব্যাহতি গ্ৰহণ কৰিবলৈ ইংগিত কৰা হৈছে। কিয়নো য'ত চৰীয়তে বিকল্প সুবিধা দিছে, সেইটো গ্ৰহণ নকৰি মূল বিধান অৱলম্বন কৰাটো হৈছে একপ্ৰকাৰ সীমালংঘন। উদাহৰণস্বৰূপে পানী ব্যৱহাৰ কৰিব নোৱাৰা ব্যক্তিক তায়াম্মুম কৰাৰ সুবিধা প্ৰদান কৰিছে, কাৰণ পানী ব্যৱহাৰ কৰিলে ক্ষতি হোৱাৰ আশংকা আছে, তথাপিও যদি তায়াম্মুম নকৰে তেন্তে এইটো হৈছে সীমালংঘন।

6. ইবনুল মুনজিৰে কৈছেঃ এই হাদীছটো হৈছে নুবুওৱতৰ এটা অন্যতম প্ৰতীক। আমিও দেখিছোঁ আৰু আমাৰ পূৰ্বে অতিবাহিত সকলো লোকেই দেখিছে যে, যিয়েই ধৰ্মীয় ক্ষেত্ৰত কঠোৰতা অৱলম্বন কৰিছে তথা সীমালংঘন কৰিছে সিয়েই পৰাজিত হৈছে। কিন্তু ইয়াৰ দ্বাৰা পৰিপূৰ্ণৰূপে ইবাদত কৰিবলৈ নিষেধ কৰা হোৱা নাই, কাৰণ এইটো হৈছে এটা প্ৰশংসাযোগ্য কাম। বৰং সীমালংঘনৰ পৰা নিষেধ কৰা হৈছে, এইদৰে উত্তম পথ এৰি নিজকে কষ্টত ৰাখিবলৈ নিষেধ কৰা হৈছে, এইদৰে ফৰজ নামাজত অৱহেলা কৰিবলৈ নিষেধ কৰা হৈছে, যেনে- গোটেই ৰাতি তাহাজ্জুদত ব্যস্ত থাকি ফজৰৰ সময়ত টোপনি যোৱা। অথবা ফৰজ নামাজৰ সময় গুচি যোৱাৰ পিছত তথা সূৰ্য্য উদয় হোৱাৰ পিছত ফজৰৰ নামাজ আদায় কৰা।

(5795)

(307) – عن أنس بن مالك رضي الله عنه عن النبي صلى الله عليه وسلم قال: «**يَسِّرُوا وَلَا تُعَسِّرُوا، وَبَشِّرُوا وَلَا تُنَفِّرُوا**». [صحيح] - [متفق عليه]

(307) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে (দ্বীনৰ বিষয়ে) সহজ পন্থা অৱলম্বন কৰা, কঠোৰ পন্থা অৱলম্বন নকৰিবা, মানুহক সুসংবাদ দিয়া, সিহঁতক আঁতৰাই নিদিবা। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মানুহৰ প্ৰতি সহজ পন্থা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিছিল, আৰু সিহঁতৰ প্ৰতি কঠোৰতা অৱলম্বন কৰিবলৈ নিষেধ কৰিছিল। দ্বীনি হওক বা দুনিয়াৱী উভয় ক্ষেত্ৰতে তেখেতৰ এই নিৰ্দেশনা আছিল। এইটো হ'ব লাগিব আল্লাহে বৈধ কৰা চৰীয়ত মুতাবিক।

লগতে তেখেতে মানুহক কল্যাণৰ প্ৰতি আহ্বান কৰিবলৈ উৎসাহিত কৰিছে আৰু চৰীয়তৰ পৰা বিতাৰিত কৰিবলৈ নিষেধ কৰিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুমিনৰ কৰ্তব্য হৈছে আল্লাহৰ বাবে মানুহক ভাল পোৱা, আৰু সিহঁতক কল্যাণৰ প্ৰতি উৎসাহিত কৰা।
2. আল্লাহৰ ফালে আহ্বানকাৰীৰ বাবে উচিত, হিকমত সহকাৰে মানুহৰ ওচৰলৈ ইছলাম প্ৰচাৰ কৰা।
3. সুসংবাদে আনন্দৰ জন্ম দিয়ে তথা দাৱাত প্ৰচাৰ কৰা ব্যক্তিয়ে মানুহৰ ওচৰত যি উপস্থাপন কৰে সেইটো গ্ৰহণ কৰাৰ পৰিৱেশ তৈয়াৰ কৰে আৰু প্ৰশান্তিৰ উদ্ভৱ হয়।
4. পক্ষান্তৰে কঠোৰতাই মানুহক আঁতৰাই দিয়ে তথা দূৰ কৰি দিয়ে আৰু সংশয় সৃষ্টি কৰে।

5. বান্দাসকলৰ প্ৰতি আল্লাহৰ ৰহমত অসীম, তেওঁ সিহঁতৰ বাবে সহজ চৰীয়ত আৰু সহনীয় দ্বীন পছন্দ কৰিছে।
6. সহজ কৰাৰ দ্বাৰা সেইটোকে বুজোৱা হৈছে, যিটো চৰীয়তৰ অনূকুল।

(5866)

(308) – عن أنس رضي الله عنه قال: كُنَّا عِنْدَ عُمَرَ فَقَالَ: «نُهِينَا عَنِ التَّكَلُّفِ». [صحيح] - [رواه البخاري]

(308) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ আমি ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ ওচৰত বহি আছিলোঁ, তেনেতে তেখেতে ক'লেঃ আমাক তাকাল্লুফ কৰিবলৈ অৰ্থাৎ প্ৰয়োজন নোহোৱাকৈ নিজকে কষ্ট দিবলৈ নিষেধ কৰিছে। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত কৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক এনেকুৱা কোনো কাম কৰিবলৈ তথা এনেকুৱা কোনো কথা ক'বলৈ নিষেধ কৰিছে, যাৰ বাবে অপ্ৰয়োজনীভাৱে কষ্ট কৰিব লাগে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটোত যি তাকাল্লুফৰ পৰা নিষেধ কৰা হৈছে, সেইটো হৈছে যেনে- অধিক প্ৰশ্ন কৰা, অথবা এনেকুৱা কোনো কাম কৰা যিটোৰ বিষয়ে কোনো জ্ঞান নাই, অথবা কোনো কামক এনেকৈ কঠিন বনাই লোৱা,য'ত আল্লাহে প্ৰশস্ততা ৰাখিছে।

2. প্ৰতিজন মুছলিমে নিজৰ মাজত উদাৰতা ৰাখিব লাগে, লগতে খোৱা-বোৱা, কথা-বতৰা আৰু অন্যান্য বিষয়ত অনাৱশ্যক কষ্টৰ পৰা বিৰত থাকিব লাগে।
3. ইছলাম হৈছে এটা সৰল তথা সহজ ধৰ্ম।

(8945)

(309) – عن ابن عمر رضي الله عنهما أن رسول الله صلى الله عليه وسلم قال: «إِذَا أَكَلَ أَحَدُكُمْ فَلْيَأْكُلْ بِيَمِينِهِ، وَإِذَا شَرِبَ فَلْيَشْرَبْ بِيَمِينِهِ، فَإِنَّ الشَّيْطَانَ يَأْكُلُ بِشِمَالِهِ، وَيَشْرَبُ بِشِمَالِهِ». [صحيح] - [رواه مسلم]

(309) – ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনোবাই যেতিয়া আহাৰ কৰে তেতিয়া তেওঁ সোঁহাতেৰে খোৱা উচিত, আৰু কিবা সেৱন কৰিলে সোঁহাতেৰে সেৱন কৰা উচিত। কাৰণ চয়তানে নিজৰ বাওঁ হাতেৰে খায় আৰু সেৱন কৰে।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিৰ্দেশ দিছে যে, মুছলিম ব্যক্তিয়ে সোঁহাতেৰে পানাহাৰ কৰিব লাগে আৰু তেখেতে বাওঁ হাতেৰে পানাহাৰ কৰিবলৈ নিষেধ কৰিছে। কাৰণ চয়তানে বাওঁহাতেৰে পানাহাৰ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বাওঁহাতেৰে পানাহাৰ কৰি চয়তানৰ সাদৃশ্যতা অৱলম্বন কৰিবলৈ নিষেধ কৰা হৈছে।

(58122)

(310) – عن عُمر بن أبي سلمة رضي الله عنه قال: كُنْتُ غُلَامًا فِي حَجْرِ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، وَكَانَتْ يَدِي تَطِيشُ فِي الصَّحْفَةِ، فَقَالَ لِي رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**يَا غُلَامُ، سَمِّ اللهَ، وَكُلْ بِيَمِينِكَ، وَكُلْ مِمَّا يَلِيكَ**» فَمَا زَالَتْ تِلْكَ طِعْمَتِي بَعْدُ. [صحيح] - [متفق عليه]

(310) – ওমৰ বিন আবু ছালামাহ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ মই বালক অৱস্থাত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ তত্ত্বাৱধানত আছিলোঁ। খোৱাৰ সময়ত মোৰ হাত প্লেটৰ মাজত দৌৰি ফুৰিছিল, অৰ্থাৎ মই কেতিয়াবা প্লেটৰ ইফালৰ পৰা কিবা লৈছিলোঁ আকৌ কেতিয়াবা সিফালৰ পৰা লৈ খাইছিলোঁ। এই দেখি তেখেতে মোক ক'লেঃ "হে বালক! প্ৰথমে বিছমিল্লাহ কোৱা, আৰু সোঁ হাতেৰে খোৱা, লগতে নিজৰ ওচৰৰ পৰা খোৱা।" ইয়াৰ পিছৰ পৰা এইটোৱে আছিল মোৰ খোৱাৰ পদ্ধতি। [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম}]

## ব্যাখ্যা:

ওমৰ ইবনু আবু ছালামাহ আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰী উম্মে ছালামাহ ৰাদ্বিয়াল্লাহু আনহাৰ পুত্ৰ। তেওঁৰ ভৰণ-পোষণৰ দায়িত্ব আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অধীনত। তেওঁ হাদীছটোত জনাইছে যে, তেওঁ যেতিয়া সৰু আছিল তেতিয়া খোৱাৰ সময়ত হাত প্লেটৰ ইফালে সিফালে ঘূৰাইছিল, কেতিয়াবা ইফালৰ পৰা লৈ খাইছিল আকৌ কেতিয়াবা সিফালৰ পৰা লৈ খাইছিল। এই দেখি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক খোৱাৰ তিনিটা নিয়ম শিকাই দিছিল।

প্ৰথটো হৈছেঃ খোৱা আৰম্ভ কৰাৰ আগত "বিছমিল্লাহ" বুলি কোৱা।

দ্বিতীয়টো হৈছে, সোঁহাতেৰে খোৱা।

তৃতীয়টো হৈছে, নিজৰ কাষৰ পৰা তথা এফালৰ পৰা খাদ্য তুলি খোৱা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পানাহাৰৰ আদাবসমূহৰ অন্যতম এটা আদব হৈছে, পানাহাৰৰ পূৰ্বে বিছমিল্লাহ কোৱা।
2. শিশুসকলক নিয়ম-কানুন শিকোৱা উচিত। বিশেষকৈ অধীনস্থ শিশুসকলক।
3. শিশুসকলক নিয়ম-নীতি শিকোৱাৰ ক্ষেত্ৰত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লাম অত্যন্ত দয়ালু আৰু অতি প্ৰশস্ত হৃদয়ৱান ব্যক্তি আছিল।
4. খোৱা-বোৱাৰ অন্যতম এটা নীতি হৈছে নিজৰ ওচৰৰ পৰা খোৱা, কিন্তু যদি প্লেট বা টেবুলত বিভিন্ন পদৰ খাদ্য থাকে তেন্তে সেইবোৰ লোৱাত কোনো অসুবিধা নাই।
5. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শিকোৱা নিয়ম-নীতিবোৰ চাহাবাসকলে গুৰুত্ব সহকাৰে পালন কৰিছিল। এইটো বুজা গ'ল ওমৰৰ এই কথাৰ দ্বাৰা, তেওঁ কৈছেঃ ইয়াৰ পিছৰ পৰা এইটোৱে আছিল মোৰ খোৱাৰ পদ্ধতি।

(58120)

(311) – عن أنس بن مالك رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِنَّ اللهَ لَيَرْضَى عَنِ الْعَبْدِ أَنْ يَأْكُلَ الْأَكْلَةَ فَيَحْمَدَهُ عَلَيْهَا، أَوْ يَشْرَبَ الشَّرْبَةَ فَيَحْمَدَهُ عَلَيْهَا». [صحيح] - [رواه مسلم]

(311) – আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: নিশ্চয় আল্লাহে সেই বান্দাৰ প্ৰতি সন্তুষ্ট হয়, যিয়ে কিবা খোৱাৰ পাছত আল্লাহৰ প্ৰশংসা কৰি আল-হাম্‌দুলিল্লাহ কয় আৰু কিবা সেৱন কৰিলেও আল্লাহৰ প্ৰশংসা কৰি আলহাম্‌দুলিল্লাহ কয়। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, বান্দাই যেতিয়া আল্লাহৰ অনুগ্ৰহ আৰু নিয়ামত উপভোগ কৰাৰ পিছত আল্লাহৰ প্ৰশংসা কৰে তেতিয়া আল্লাহ সন্তুষ্ট হয়। যেনে- আহাৰ কৰাৰ পিছত আলহাম্‌দুলিল্লাহ কয় আৰু কিবা সেৱন কৰাৰ পিছতো আলহামদুলিল্লাহ কয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহ অত্যন্ত দয়ালু তাৰেই প্ৰমাণ। কাৰণ তেৱেঁই জীৱিকা প্ৰদান কৰি ধন্য কৰিছে আৰু ইয়াৰ প্ৰশংসা কৰিলে তেওঁ সন্তুষ্টও হয়।
2. সৰু সুৰা কামৰ জৰিয়তেও আল্লাহৰ সন্তুষ্টি লাভ কৰিব পাৰি। যেনে- পানাহাৰ কৰাৰ পিছত আল্লাহৰ চুকৰিয়া আদায় কৰা।
3. পানাহাৰ কৰাৰ এইটো এটা অন্যতম নীতি যে, খোৱা-বোৱা কৰাৰ পিছত আলহাম্‌দুলিল্লাহ বুলি কৈ আল্লাহৰ প্ৰশংসা কৰিব লাগে।

(5798)

(312) – عَنْ سَلَمَةَ بْنِ الْأَكْوَعِ رضي الله عنه: أَنَّ رَجُلًا أَكَلَ عِنْدَ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ بِشِمَالِهِ، فَقَالَ: «**كُلْ بِيَمِينِكَ**»، قَالَ: لَا أَسْتَطِيعُ، قَالَ: «**لَا اسْتَطَعْتَ**»، مَا مَنَعَهُ إِلَّا الْكِبْرُ، قَالَ: فَمَا رَفَعَهَا إِلَى فِيهِ. [صحيح] - [رواه مسلم]

(312) – ছালামাহ ইবনুল আকৱা -ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, কোনো এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত বাওঁ হাতেৰে খানা খোৱাত তেখেতে তাক ক'লেঃ "সোঁ হাতেৰে খোৱা।" সি উত্তৰত ক'লেঃ মই খাব নোৱাৰোঁ। তেখেতে ক'লেঃ "তই যেন খাবও নোৱাৰ'।" কাৰণ সি অহংকাৰ কৰি তেখেতৰ নিৰ্দেশ অমান্য কৰিছিল। (বৰ্ণনাকাৰীয়ে) কৈছেঃ ইয়াৰ পিছৰ পৰা সি কেতিয়াও নিজৰ সোঁ হাত মুখৰ ওচৰলৈকে আনিব পৰা নাছিল। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এজন ব্যক্তিক বাওঁ হাতেৰে খানা খোৱা দেখি তাক সোঁ হাতেৰে খাবলৈ নিৰ্দেশ দিলে, কিন্তু সি অহংকাৰ কৰি মিছাতে ক'লে যে, সি সোঁ হাতেৰে খাব নোৱাৰে। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক বদ্দুআ দি ক'লে, সি যেন সোঁ হাতেৰে কেতিয়াও খাব নোৱাৰে। ফলত আল্লাহেও নবীৰ দুআ কবূল কৰিলে আৰু সেই ব্যক্তিৰ হাত অক্ষম কৰি দিলে। এতেকে ইয়াৰ পিছত সি কেতিয়াও আৰু খোৱা বোৱা কৰিবলৈ নিজৰ সোঁ হাত মুখৰ ওচৰলৈকে লব পৰা নাছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সোঁ হাতেৰে খোৱা ওৱাজিব আৰু বাওঁ হাতেৰে খোৱা হাৰাম।
2. চৰীয়তি বিধান পালনৰ ক্ষেত্ৰত অহংকাৰ কৰিলে, বান্দা শাস্তি পোৱাৰ যোগ্য হৈ যায়।

3. মহান আল্লাহে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক দিয়া সন্মানসমূহৰ ভিতৰত অন্যতম এটা সন্মান হৈছে এই যে, তেওঁ নবীৰ দুআ কবূল কৰিছিল।
4. সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধ সদায় কৰিব লাগে, আনকি খোৱা-বোৱাৰ সময়তো।

(3372)

(313) – عَنْ جَابِرِ بْنِ عَبْدِ اللَّهِ رضي الله عنهما أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «مَنْ أَكَلَ ثُومًا أَوْ بَصَلًا، فَلْيَعْتَزِلْنَا -أَوْ قَالَ: فَلْيَعْتَزِلْ- مَسْجِدَنَا، وَلْيَقْعُدْ فِي بَيْتِهِ»، وَأَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ أُتِيَ بِقِدْرٍ فِيهِ خَضِرَاتٌ مِنْ بُقُولٍ، فَوَجَدَ لَهَا رِيحًا، فَسَأَلَ فَأُخْبِرَ بِمَا فِيهَا مِنَ البُقُولِ، فَقَالَ قَرِّبُوهَا إِلَى بَعْضِ أَصْحَابِهِ كَانَ مَعَهُ، فَلَمَّا رَآهُ كَرِهَ أَكْلَهَا، قَالَ: «كُلْ فَإِنِّي أُنَاجِي مَنْ لَا تُنَاجِي».

ولِمُسْلِمٍ عَنْ جَابِرِ بْنِ عَبْدِ اللهِ، عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «مَنْ أَكَلَ مِنْ هَذِهِ الْبَقْلَةِ، الثُّومِ – وقَالَ مَرَّةً: مَنْ أَكَلَ الْبَصَلَ وَالثُّومَ وَالْكُرَّاثَ فَلَا يَقْرَبَنَّ مَسْجِدَنَا، فَإِنَّ الْمَلَائِكَةَ تَتَأَذَّى مِمَّا يَتَأَذَّى مِنْهُ بَنُو آدَمَ». [صحيح] - [متفق عليه]

(313) – জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে (কেঁচা) নহৰু অথবা (কেঁচা) পিঁয়াজ খাইছে, সি যেন আমাৰ পৰা আঁতৰি থাকে, - অথবা তেখেতে কৈছিলঃ আমাৰ মছজিদৰ পৰা যেন আঁতৰি থাকে আৰু নিজৰ ঘৰতে যেন অৱস্থান কৰে।" নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ শাক-পাচলিৰে ভৰা এটা পাত্ৰ অনা হ'ল, তেখেতে তাত কিবা গোন্ধ অনুভৱ কৰিলে আৰু সেই বিষয়ে প্ৰশ্ন কৰিলে, ফলত তাত থকা শাক-পাচলি সম্পৰ্কে তেখেতক জনোৱা হ'ল। তেতিয়া তেখেতে তেখেতৰ সৈতে অৱস্থান কৰা কোনো এজন চাহাবীক সেইখিনি দিবলৈ ক'লে, সেই চাহাবীজনে যেতিয়া দেখিলে, তেতিয়া তেৱোঁ সেইটো খাবলৈ অপছন্দ কৰিলে। তেতিয়া তেখেতে ক'লেঃ "তুমি খোৱা, কাৰণ মই যাৰ সৈতে কথা পাতোঁ তুমি তাৰ সৈতে কথা নোকোৱা।" [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অচাল্লামে হাদীছটোত (কেঁচা) নহৰু আৰু পিঁয়াজ খাই মছজিদত আহিবলৈ নিষেধ কৰিছে। যাতে জামাআতৰ সৈতে নামাজ পঢ়িবলৈ অহা লোকে কষ্ট নাপায়। এই নিষেধাজ্ঞা কেৱল মছজিদত অহাৰ ক্ষেত্ৰতহে, খোৱাৰ ক্ষেত্ৰত নহয়। কাৰণ এই দুয়োবিধ

খাদ্য বৈধ। এবাৰ তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ চালাদৰ পাত্ৰ অনা হ'ল, য'ত কেঁচা শাক-পাচলি আছিল। যেতিয়া তেখেতে তাত কিবা গোন্ধ অনুভৱ কৰিলে তেতিয়া তেখেতে সেইটো খাবলৈ অস্বীকাৰ কৰিলে আৰু সেই পাত্ৰটো চাহাবাসকলৰ ওচৰলৈ পঠিয়াই দিলে। তেখেতৰ অনুসৰণ কৰি চাহাবীজনেও খাবলৈ অপছন্দ কৰিলে। এই দেখি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ খোৱা। মই এই কাৰণে খোৱা নাই, কাৰণ মই অহী লৈ অহা ফিৰিস্তাৰ সৈতে কথা পাতোঁ।

লগতে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, বেয়া গোন্ধৰ পৰা যিদৰে মানুহে কষ্ট পায় সেইদৰে ফিৰিস্তাসকলেও কষ্ট পায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পিঁয়াজ নহৰু আৰু লীক, এই জাতীয় উদ্ভিদ খাই মছজিদত আহিবলৈ নিষেধ কৰা হৈছে।
2. ইয়াৰ ভিতৰত প্ৰত্যেক সেই দুৰ্গন্ধযুক্ত বস্তু অন্তৰ্ভুক্ত, যাৰ দ্বাৰা মুচল্লিৰ কষ্ট হয়। উদাহৰণস্বৰূপে বিড়ি, চিগাৰেট, ধঁপাত আদিৰ গোন্ধ।
3. নিষেধৰ মূল কাৰণ হৈছে বেয়া গোন্ধ। ৰান্ধিলে অথবা বেলেগ কোনো উপায়ে যদি এই গোন্ধ দূৰ হয়, তেন্তে কোনো অসুবিধা নাই।
4. মছজিদত নামাজৰ বাবে অহা ব্যক্তিৰ বাবে এইবোৰ খোৱা অপছন্দনীয়। কিন্তু যদি কোনোবাই জামাআতত চামিল হোৱাৰ পৰা বিৰত থকাৰ কূটকৌশলেৰে এইটো খায় তেন্তে সেয়া হ'ব হাৰাম।
5. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নহৰু খাবলৈ অস্বীকাৰ কৰাৰ অৰ্থ এইটো নহয় যে, এইটো হাৰাম। বৰং তেখেতে জিব্ৰীলৰ সৈতে কথা পাতে কাৰণে খোৱা নাছিল।

6. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম শিকন পদ্ধতি। তেখেতে বিধান বৰ্ণনা কৰাৰ লগতে কাৰণো উল্লেখ কৰিছে। যাতে সম্বোধনকৃত ব্যক্তিয়ে ৰহস্য সম্পৰ্কে জানি সন্তুষ্ট হয়।

7. ক্বাজী ৰাহিমাহুল্লাহে কৈছেঃ উমালাসকলে মছজিদৰ বাহিৰে অন্যান্য নামাজৰ ঠাইকো ইয়াৰ অন্তৰ্ভুক্ত কৰিছে, উদাহৰণস্বৰূপে ঈদৰ নামাজ, জানাযাৰ নামাজ আদি। এইদৰে ইল্ম অৰ্জনৰ বৈঠক, সভাস্থল আৰু নিমন্ত্ৰণৰ বৈঠক আদিও ইয়াৰ অন্তৰ্ভুক্ত। কিন্তু হাট-বজাৰ বা এইধৰণৰ আন কোনো ঠাই ইয়াৰ অন্তৰ্ভুক্ত নহয়।

8. উলামাসকলে কৈছেঃ এই হাদীছটোৱে প্ৰমাণ কৰে যে, কেঁচা নহৰু আদি খাই মছজিদত প্ৰৱেশ কৰা নিষেধ, যদিও মছজিদ খালী থাকে। কাৰণ মছজিদত ফিৰিস্তা থাকে। হাদীছটোৰ ব্যাপক অৰ্থ এইটোৱে বুজায়।

(4850)

(314) – عَنْ سَهْلِ بْنِ مُعَاذِ بْنِ أَنَسٍ عَنْ أَبِيهِ قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «مَنْ أَكَلَ طَعَامًا فَقَالَ: الحَمْدُ لِلَّهِ الَّذِي أَطْعَمَنِي هَذَا وَرَزَقَنِيهِ مِنْ غَيْرِ حَوْلٍ مِنِّي وَلاَ قُوَّةٍ، غُفِرَ لَهُ مَا تَقَدَّمَ مِنْ ذَنْبِهِ». [حسن] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(314) – ছাহল বিন মুআজ বিন আনাছে তেওঁৰ পিতৃৰ পৰা বৰ্ণনা কৰি কৈছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়ে পানাহাৰ কৰাৰ পিছত এই দুআ পাঠ কৰিবঃ (الحَمْدُ لِلَّهِ الَّذِي أَطْعَمَنِي هَذَا وَرَزَقَنِيهِ مِنْ غَيْرِ حَوْلٍ مِنِّي وَلاَ قُوَّةٍ) উচ্চাৰণঃ "আলহাম্‌দুলিল্লাহিল লাজী আত্বআমানী হাজা, অৰাঝাকানীহি মিন গাইৰি হাওলিম মিন্নি অলা কুওৱাহ।" অৰ্থঃ "সকলো ধৰণৰ প্ৰশংসা আল্লাহৰ বাবে, যিয়ে মোক এই আহাৰ কৰালে তথা মোক জীৱিকা প্ৰদান কৰিলে। অথচ এই ক্ষেত্ৰত মোৰ কোনো শক্তি সামৰ্থ নাছিল।" সেই ব্যক্তিৰ অতীতৰ সকলো গুনাহ ক্ষমা কৰি দিয়া হয়। [হাছান] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পানাহাৰ কৰাৰ পিছত আল্লাহৰ প্ৰশংসা কৰিবলৈ উৎসাহিত কৰিছে। মহান আল্লাহৰ সহায়-সহযোগিতা অবিহনে এই আহাৰ প্ৰস্তুত কৰা আৰু ভক্ষণ কৰাৰ মোৰ কোনো শক্তি সামৰ্থ নাছিল। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সুসংবাদ দিছে যে, যিয়ে এই দুআটো পাঠ কৰিব তেওঁ আল্লাহৰ মাগফিৰাত তথা ক্ষমাৰ পাত্ৰ হ'ব। তেওঁৰ অতীতৰ সকলো সৰু গুনাহ ক্ষমা কৰি দিয়া হ'ব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পানাহাৰ কৰি আল্লাহৰ প্ৰশংসা কৰা মুস্তাহাব।

2. হাদীছটোত আল্লাহৰ মহান অনুগ্ৰহৰ কথা বৰ্ণিত হৈছে। তেৱেঁই বান্দাক জীৱিকা দান কৰে আৰু জীৱিকাৰ সকলো উপায় সহজ কৰি দিয়ে, লগতে ইয়াৰ দ্বাৰা বান্দাৰ গুনাহো ক্ষমা কৰি দিয়ে।
3. বান্দাৰ সকলো বিষয় আল্লাহৰ ফালৰ পৰা নিৰ্ধাৰিত। বান্দাই নিজৰ শক্তি সামৰ্থৰ দ্বাৰা একো কৰিব নোৱাৰে। বান্দাক কেৱল কাৰণ অনুসৰি কাম কৰিববলৈ নিৰ্দেশ দিয়া হৈছে।

(5431)

(315) – عن أبي هريرة رضي الله عنه قال: كان رسولُ الله صلى الله عليه وسلم إذا عَطَس وضَعَ يَدَه -أو ثوبَهُ- على فيهِ، وخَفَضَ -أو غضَّ- بها صوتَهُ. [صحيح] - [ رواه أبو داود والترمذي وأحمد]

(315) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া হাঁচি কৰিছিল, তেতিয়া তেখেতে মুখত, হাত অথবা কাপোৰ ৰাখিছিল আৰু শব্দ কম কৰাৰ বা লাঘৱ কৰাৰ চেষ্টা কৰিছিল। [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

## ব্যাখ্যা:

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া হাঁচি কৰিছিলঃ

প্ৰথমঃ হাত অথবা কাপোৰ নিজৰ মুখৰ ওপৰত ৰাখিছিল। যাতে মুখৰ পৰা অথবা নাকৰ পৰা ওলোৱা কোনো বস্তুৱে ওচৰত থকা লোকক কষ্ট নিদিয়ে।

দ্বিতীয়ঃ শব্দ লাঘৱ কৰাৰ চেষ্টা কৰিছিল, যাতে উচ্চ নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৰা হাঁচিৰ নিয়ম-নীতি বৰ্ণিত হৈছে। গতিকে ইয়াৰ অনুসৰণ কৰা উচিত।

2. হাঁচি কৰাৰ সময়ত মুখত আৰু নাকত কাপোৰ অথবা ৰুমাল ৰখা মুস্তাহাব। যাতে মুখ বা নাকৰ পৰা ওলোৱা কোনো বস্তুৱে ওচৰৰ লোকক কষ্ট নিদিয়ে।
3. হাঁচি কৰাৰ সময়ত শব্দ লাঘৱ কৰিব লাগে। এইটো হৈছে পূর্ণাংগ আদব তথা উত্তম চৰিত্র।

(3317)

(316) – عَنِ ابْنِ عَبَّاسٍ رضي الله عنهما قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «إِنَّ اللَّهَ يُحِبُّ أَنْ تُؤْتَى رُخَصُهُ، كَمَا يُحِبُّ أَنْ تُؤْتَى عَزَائِمُهُ». [صحيح] - [رواه ابن حبان]

(316) – আব্দুল্লাহ ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ বর্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় আল্লাহে (বান্দাসকলক) অৱকাশ দি ভাল পায়, ঠিক সেইদৰে (বান্দাসকলে) তেওঁৰ আদেশসমূহ পালন কৰক এইটোও তেওঁ ভাল পায়। [ছহীহ] - [(ইবনে হিব্বান)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহে (বান্দাসকলক) চৰীয়তৰ বিধি-বিধানত অৱকাশ দি ভাল পায়। যেনে- বিভিন্ন ইবাদতৰ বিধি-বিধান লাঘৱ কৰা, এইদৰে উচিত কাৰণ থকা অৱস্থাত দায়বদ্ধ লোকৰ পৰা বিধান লাঘৱ কৰা যেনে- ভ্ৰমণ অৱস্থাত চালাত কচৰ কৰা তথা দুই নামাজ একেলগে পঢ়াৰ সুবিধা প্ৰদান কৰা। এইদৰে আল্লাহে বান্দাসকলক বাধ্যতামূলক তথা ওৱাজিব আমল প্ৰদান কৰিও ভাল পায়। কিয়নো আল্লাহে অৱকাশমূলক আৰু বাধ্যতামূলক দুয়ো ধৰণৰ আমলৰ নির্দেশ দিছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বান্দাসকলৰ প্ৰতি এইটো আল্লাহৰ কৰুণা, তেওঁ এইটো ভাল পায় যে, বান্দাসকলে সেইবোৰ বিধানক আমলত পৰিণত কৰক যিবোৰ তেওঁ চৰীয়তত অৱকাশ দি থৈছে।
2. এই চৰীয়তটো হৈছে পূৰ্ণাংগ চৰীয়ত। লগতে এই চৰীয়তত মুছলিমসকলৰ পৰা আল্লাহে সকলো কষ্টদায়ক আমল লাঘৱ কৰিছে।

(65017)

(317) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ يُرِدِ اللَّهُ بِهِ خَيْرًا يُصِبْ مِنْهُ». [صحيح] - [رواه البخاري]

(317) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহে যাৰ মঙ্গল বিচাৰে, তাক তেওঁ দুখ-কষ্টত পেলায়। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা উল্লেখ কৰিছে যে, আল্লাহে তেওঁৰ মুমিন বান্দাসকলৰ মাজৰ পৰা যাৰ কল্যাণ বিচাৰে তাক তেওঁ বিভিন্ন ধৰণে পৰীক্ষা কৰে, বেমাৰ আজাৰ, ধন-সম্পদৰ ক্ষতি অথবা পৰিয়ালৰ ফালৰ পৰা কষ্ট প্ৰদান কৰি পৰীক্ষা কৰে, যাতে মুমিন ব্যক্তিয়ে আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰি দুআ কৰে আৰু গুনাহ মাৰ্জনাৰ কাৰণে লগতে মৰ্যাদা উন্নীত হোৱাৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুমিন ব্যক্তিক বিভিন্ন প্ৰকাৰৰ বিপদ আপদৰ দ্বাৰা পৰীক্ষা কৰা হয়।
2. বিপদ-আপদে কেতিয়াবা এইটো ইংগিত কৰে যে সেই বান্দাজনক আল্লাহে ভাল পায়, তেতিয়া বান্দাৰ মৰ্যাদা বৃদ্ধি কৰা হয় আৰু তাৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হয়।
3. বিপদ-আপদৰ সময়ত অধৈৰ্য্য হ'বলৈ নিষেধ কৰা হৈছে আৰু ধৈৰ্য্য ধাৰণ কৰিবলৈ উৎসাহিত কৰা হৈছে।

(4204)

(318) – عَنْ أَبِي سَعِيدٍ الْخُدْرِيِّ وَعَنْ أَبِي هُرَيْرَةَ رضي الله عنهما عَنِ النَّبِيِّ صلى الله عليه وسلم قَالَ: «مَا يُصِيبُ الْمُسْلِمَ مِنْ نَصَبٍ وَلَا وَصَبٍ وَلَا هَمٍّ وَلَا حُزْنٍ وَلَا أَذًى وَلَا غَمٍّ حَتَّى الشَّوْكَةِ يُشَاكُهَا إِلَّا كَفَّرَ اللَّهُ بِهَا مِنْ خَطَايَاهُ». [صحيح] - [متفق عليه]

(318) – আবু ছাঈদ খুদৰী আৰু আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুমাই বৰ্ণনা কৰিছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মুছলিম ব্যক্তিৰ ওপৰত যিবোৰ যাতনা, ৰোগ-ব্যাধি, উদ্বেগ-উৎকণ্ঠা, দুশ্চিন্তা, কষ্ট তথা বিপদ-আপদ আপতিত হয়, আনকি শৰীৰত যদি এটা কাইটো বিন্ধে, তেন্তে ইয়াৰ ফলত আল্লাহে তাৰ গুনাহ ক্ষমা কৰি দিয়ে। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, মুছলিমে যি বেমাৰতে আক্ৰান্ত হয়, যি দুশ্চিন্তা বিষন্নতা আদিয়ে আগুৰি ধৰে নাইবা বিপদ-আপদ, ভয়-ভীতি আৰু ভোকত কষ্ট পায়, আনকি যদি এটা কাইট বিন্ধাৰ ফলতো দুখ পায় তথাপিও ইয়াৰ

বিনিময়ত আল্লাহে তাৰ গুনাহ ক্ষমা কৰি দিয়ে তথা তাৰ পাপ মোচন কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত মুমিন বান্দাসকলৰ ওপৰত থকা আল্লাহৰ ৰহমত আৰু অনুগ্ৰহৰ বিষয়টো উল্লেখ কৰা হৈছে যে, আল্লাহে তেওঁলোকৰ সৰু কষ্টৰ বিনিময়তো গুনাহ ক্ষমা কৰি দিয়ে।
2. গতিকে মুছলিমে প্ৰতিটো ক্ষেত্ৰতে আল্লাহৰ ওচৰত ছোৱাব কামনা কৰা উচিত। লগতে প্ৰত্যেক সৰু বৰ কষ্টতে ধৈৰ্য্য ধাৰণ কৰা উচিত, যাতে তেওঁৰ মৰ্যাদা উন্নীত হয় আৰু পাপ মোচন হয়।

(3701)

(319) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «مَا يَزَالُ البَلاَءُ بِالمُؤْمِنِ وَالمُؤْمِنَةِ فِي نَفْسِهِ وَوَلَدِهِ وَمَالِهِ حَتَّى يَلْقَى اللَّهَ وَمَا عَلَيْهِ خَطِيئَةٌ». [حسن] - [رواه الترمذي وأحمد]

(319) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মুমিন পুৰুষ আৰু মুমিনা নাৰী, নিজৰ ক্ষেত্ৰত, তেওঁৰ সন্তান-সন্ততিৰ ক্ষেত্ৰত আৰু ধন-সম্পদৰ ক্ষেত্ৰত সদায় পৰীক্ষাৰ সন্মুখীন হৈ থাকে। যাতে তেওঁ গুনাহমুক্ত হৈ আল্লাহৰ সৈতে সাক্ষাৎ কৰিব পাৰে।" [হাছান] - [(তিৰমিজী, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, বিপদ-আপদ তথা পৰীক্ষা কেতিয়াও মুমিন মুমিনাৰ লগ নেৰে, নিজৰ স্বাস্থ্যৰ ক্ষেত্ৰতে হওক বা সন্তান-সন্ততিৰ বেমাৰ-আজাৰে হওক নাইবা মৃত্যু অথবা অবাধ্যতা আদিয়ে হওক। এইদৰে ধন-সম্পদৰ ক্ষেত্ৰত, যেনে-

অভাৱ-অনাটন, ব্যৱসায়ত লোকচান, সা-সম্পত্তিৰ চুৰি, জীৱিকাৰ সংকীৰ্ণতা আদি। এইবোৰ কষ্টৰ দ্বাৰা আল্লাহে বান্দাৰ গুনাহ ক্ষমা কৰে। অৱশেত তেওঁ আল্লাহৰ ওচৰত এনেকুৱা অৱস্থাত গৈ উপস্থিত হয় যে, তেওঁ কৰা সকলো গুনাহ মোচন হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুমিন বান্দাসকলৰ প্ৰতি মহান আল্লাহৰ এইটো এটা মহা অনুগ্ৰহ যে, তেওঁ বান্দাসকলৰ দুনিয়াৱী বিপদ-আপদ তথা কষ্টৰ দ্বাৰা তেওঁলোকৰ গুনাহ ক্ষমা কৰে।
2. ঈমানৰ চৰ্তৰ সৈতে কেৱল বিপদ-আপদৰ দ্বাৰাই গুনাহ মোচন হয়। যদিহে বান্দাই ধৈৰ্য্য ধাৰণ কৰে আৰু প্ৰতিদানৰ প্ৰতি অসন্তুষ্ট নহয়।
3. সকলো ক্ষেত্ৰতে ধৈৰ্য্য ধাৰণ কৰিবলৈ উৎসাহিত কৰা হৈছে। বিষয়টো পছন্দনীয় হওক বা অপছন্দনীয়। আল্লাহে ওৱাজিব কৰা বিষয় পালনত ধৈৰ্য্য ধৰিব লাগে, এইদৰে আল্লাহে হাৰাম কৰা বিষয়ৰ পৰা বিৰত থকাৰ ক্ষেত্ৰতো ধৈৰ্য্য ধাৰণ কৰিব লাগে। লগতে আল্লাহৰ ওচৰত ছোৱাব কামনা কৰিব লাগে আৰু তেওঁৰ শাস্তিক ভয় কৰিব লাগে।
4. হাদীছটোত "মুমিন আৰু মুমিনা" উভয় শব্দ ব্যৱহাৰ কৰি গুৰুত্ব প্ৰদান কৰা হৈছে, যদিও কেৱল মুমিন শব্দ ব্যৱহাৰ কৰিলেই যথেষ্ট আছিল। কিন্তু গুৰুত্ব বুজাবলৈ নাৰী পুৰুষ উভয়ৰ বাবে শব্দ ব্যৱহাৰ কৰিছে। গতিকে নাৰীৰ ওপৰত অহা বিপদ-আপদেও তেওঁলোকৰ গুনাহ মোচন কৰে।
5. যিটো বস্তুৱে সময়ে সময়ে অহা বান্দাৰ মুচিবতক সহজ কৰি তোলে, সেয়া হৈছে এইবোৰ মুচিবতৰ বিনিময়ত পাবলগীয়া ছোৱাব।

(3159)

(320) – عَنْ صُهَيْبٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «**عَجَبًا لِأَمْرِ الْمُؤْمِنِ، إِنَّ أَمْرَهُ كُلَّهُ خَيْرٌ، وَلَيْسَ ذَاكَ لِأَحَدٍ إِلَّا لِلْمُؤْمِنِ، إِنْ أَصَابَتْهُ سَرَّاءُ شَكَرَ، فَكَانَ خَيْرًا لَهُ، وَإِنْ أَصَابَتْهُ ضَرَّاءُ صَبَرَ، فَكَانَ خَيْرًا لَهُ**». [صحيح] - [رواه مسلم]

(320) – ছুহাইব ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: মুমিনৰ অৱস্থা বৰ অদ্‌ভুত। নিশ্চয় মুমিনৰ প্ৰতিটো কামেই হৈছে কল্যাণকৰ। মুমিনৰ বাহিৰে আন কাৰো বাবে এই কল্যাণৰ ব্যৱস্থা নাই। মুমিন ব্যক্তি সুখী হ'লে (আল্লাহৰ) কৃতজ্ঞতা প্ৰকাশ কৰে, এইটো তেওঁৰ বাবে কল্যাণকৰ। আনহাতে দুখ-কষ্টত আক্ৰান্ত হ'লে ধৈৰ্য্য ধাৰণ কৰে, এইটোও তেওঁৰ বাবে কল্যাণকৰ। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুমিনৰ অৱস্থাকলৈ সৎ উদ্দেশ্যে আশ্চৰ্য্য প্ৰকাশ কৰিছে। কাৰণ মুমিনৰ প্ৰতিটো অৱস্থাই হৈছে কল্যাণকৰ, আৰু এই সুবিধা মুমিনৰ বাহিৰে আন কাৰো নাই। মুমিনে যদি আনন্দ লাভ কৰে তেন্তে আল্লাহৰ কৃতজ্ঞতা প্ৰকাশ কৰে। ফলত তেওঁ ইয়াৰ প্ৰতিদান লাভ কৰে। আনহাতে মুমিনক যদি কোনো বিপদ-আপদে স্পৰ্শ কৰে, তেন্তে ইয়াৰ বিনিময়ত তেওঁ আল্লাহৰ ওচৰত ছোৱাব কামনা কৰে। ইয়াৰ ফলত তেওঁ ধৈৰ্য্য আৰু ছোৱাব লাভ কৰে। গতিকে সকলো অৱস্থাতে তেওঁ ছোৱাব লাভ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত আনন্দদায়ক সময়ত কৃতজ্ঞতা প্ৰকাশ কৰাৰ আৰু বিপদ-আপদত ধৈৰ্য্য ধাৰণ কৰাৰ ফজিলত বৰ্ণিত হৈছে। যিয়ে ইয়াৰ প্ৰতি আমল কৰিব, তেওঁ উভয় জগততে কল্যাণ লাভ কৰিব। আনহাতে যিয়ে নিয়ামতৰ বাবে কৃতজ্ঞতা প্ৰকাশ নকৰে, আৰু

বিপদ-আপদত ধৈৰ্য্য ধাৰণ নকৰে, সি ছোৱাবৰ পৰা বঞ্চিত হয় আৰু ক্ষতিৰ সন্মুখীন হয়।

2. ঈমানৰ ফজিলত। কাৰণ কেৱল মুমিনসকলেই সকলো অৱস্থাতে ছোৱাব অৰ্জন কৰে।
3. আনন্দদায়ক সময়ত কৃতজ্ঞতা প্ৰকাশ কৰা, আৰু বিপদ-আপদত ধৈৰ্য্য ধাৰণ কৰাটো হৈছে মুমিনসকলৰ বৈশিষ্ট্য।
4. আল্লাহে নিৰ্ধাৰণ কৰা তাক্বদীৰ তথা ভাগ্যৰ প্ৰতি ঈমানে মুমিনক সকলো অৱস্থাতে তেওঁৰ পূৰ্ণ সন্তুষ্টি অৰ্জন কৰিবলৈ উৎসাহিত কৰে। পক্ষান্তৰে ঈমান পোষণ নকৰা ব্যক্তি সদায় আল্লাহৰ ক্ৰোধৰ মাজত থাকে। এতেকে আল্লাহৰ ফালৰ পৰা তেওঁ কোনো নিয়ামত অৰ্জন কৰিলে আল্লাহৰ আনুগত্যৰ পৰা অমনোযোগী হৈ যায়, আনকি তেওঁৰ অবাধ্যতাত লিপ্ত হয়।

(3298)

(321) – عن أبي موسى الأشعري رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «إِذَا مَرِضَ الْعَبْدُ أَوْ سَافَرَ كُتِبَ لَهُ مِثْلُ مَا كَانَ يَعْمَلُ مُقِيمًا صَحِيحًا». [صحيح] - [رواه البخاري]

(321) – আবূ মুছা আল-আশ্বআৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: যেতিয়া বান্দা অসুস্থ হয় অথবা ভ্ৰমণত থাকে, তেতিয়া তাৰ বাবে সেই আমলৰ দৰেই (ছোৱাব) লিখা হয়, যিদৰে তেওঁ মুকীম অৱস্থাত সুস্থ শৰীৰে আমল কৰিছিল। [ছহীহ] - [বুখাৰী]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ ফজল আৰু তেওঁৰ ৰহমতৰ বিষয়ে জনাইছে। এজন মুছলিম ব্যক্তিয়ে সুস্থ থকা অৱস্থাত স্ব-স্থানত সাধাৰণতে যিবোৰ নেক আমল কৰে, কিন্তু বেমাৰ

আজাৰৰ ফলত যদি সেইবোৰ আমল কৰিব নোৱাৰে অথবা ভ্ৰমণত যোৱাৰ কাৰণে যদি সেইবোৰ আমল কৰাত অসুবিধা হয় নাইবা আন কোনো কাৰণত কৰিব নোৱাৰে তেন্তে আল্লাহে তাক সেইবোৰ কৰ্মৰ পৰিপূৰ্ণ ছোৱাব প্ৰদান কৰে, যিদৰে সুস্থ থকা অৱস্থাত বা নিজৰ ঠাইত থকা অৱস্থাত তেওঁ কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বান্দাসকলৰ প্ৰতি থকা আল্লাহৰ অসীম অনুগ্ৰহৰ বৰ্ণনা পোৱা গ'ল।
2. সুস্থ অৱস্থাক আৰু অৱসৰ সময়ক সদ্ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা হৈছে, লগতে অধিক নেক আমল কৰিবলৈ উৎসাহিত কৰা হৈছে।

(3553)

(322) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه أَنَّ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «بَادِرُوا بِالْأَعْمَالِ فِتَنًا كَقِطَعِ اللَّيْلِ الْمُظْلِمِ، يُصْبِحُ الرَّجُلُ مُؤْمِنًا وَيُمْسِي كَافِرًا، أَوْ يُمْسِي مُؤْمِنًا وَيُصْبِحُ كَافِرًا، يَبِيعُ دِينَهُ بِعَرَضٍ مِنَ الدُّنْيَا». [صحيح] - [رواه مسلم]

(322) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সৎকৰ্ম যিমান পাৰা সোনকালে কৰা, কাৰণ ফিতনা অন্ধকাৰ ৰাতিৰ টুকুৰাৰ দৰে ঘন সন্নিৱিষ্ট হৈ আহি আছে। পুৱাৰ ভাগত যদি কোনোবাই ঈমান পোষণ কৰে, সন্ধিয়া নহওঁতেই সি কাফিৰত পৰিণত হ'ব। অথবা যদি কোনোবাই সন্ধিয়াৰ ভাগত ঈমান পোষণ কৰে তেন্তে ৰাতিপুৱা নহওঁতেই সি কাফিৰ হৈ যাব। পৃথিৱীৰ তুচ্ছ সামগ্ৰীৰ কাৰণে সি নিজৰ ঈমান বিক্ৰী কৰিব।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুমিন ব্যক্তিক বেছি বেছি নেক আমল সোনকালে কৰিবলৈ উৎসাহিত কৰিছে, সেই ফিতনা অহাৰ আগতেই যি ফিতনাই মানুহক সন্দেহ সংশয়ত লিপ্ত ৰাখিব, তথা সৎকৰ্মৰ পৰা বাধা দিব। সেই ফিতনা অন্ধকাৰ ৰাতিৰ দৰে ঘন সন্নিৱিষ্ট হৈ আহিব। সেই সময়ত সত্য মিছাৰ সৈতে মিশ্ৰিত হ'ব, ফলত মানুহৰ বাবে পাৰ্থক্য কৰাটো কঠিন হৈ পৰিব। পৰিস্থিতি ইমান কঠিন হ'ব যে, যদি কোনোবাই পুৱাৰ ভাগত ঈমান পোষণ কৰে তেন্তে সন্ধিয়া নহওঁতেই সি আকৌ কাফিৰ হৈ যাব। এইদৰে যদি কোনোবাই সন্ধিয়াৰ ভাগত ঈমান পোষণ কৰে তেন্তে ৰাতিপুৱা নহওঁতেই পুনৰ কাফিৰ অৱস্থালৈ ঘূৰি যাব। সি পাৰ্থিৱ জীৱনৰ ধ্বংসশীল সম্পদৰ কাৰণে নিজৰ ঈমান ত্যাগ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দ্বীনক মজবুতভাৱে ধাৰণ কৰা অনিবাৰ্য। লগতে কোনো বাধা বিঘিনি সৃষ্টি হোৱাৰ আগতে নেক আমল সোনকালে কৰাটো অনিবাৰ্য।
2. হাদীছটোৰ দ্বাৰা ইংগিত কৰা হৈছে যে, শেষ জামানাত বিভ্ৰান্তিকৰ ফিতনা ধাৰাবাহিকভাৱে আহি থাকিব, যেতিয়াই এটা ফিতনাৰ অৱসান ঘটিব, তেতিয়াই আনটো ফিতনাই মূৰ দাঙিব।
3. ধৰ্মীয় ক্ষেত্ৰত মানুহ যেতিয়া দুৰ্বল হৈ পৰিব, তেতিয়া মানুহে পাৰ্থিৱ সম্পদ বা এনেকুৱা অন্য বস্তুৰ লোভত নিজৰ দ্বীন ত্যাগ কৰিব, এইটোৱে হ'ব তাৰ বিভ্ৰান্ত হোৱাৰ কাৰণ।
4. এই হাদীছটোৱে প্ৰমাণ কৰে যে, ফিতনাৰ পৰা ৰক্ষা পোৱাৰ অন্যতম উপায় হৈছে নেক আমল কৰা।
5. ফিতনা হৈছে দুই প্ৰকাৰঃ এটা হৈছে সংশয়মূলক ফিতনা, ইয়াৰ প্ৰতিকাৰ হৈছে ইল্ম বা জ্ঞান। আনটো ফিতনা হৈছে প্ৰবৃত্তিৰ চাহিদামূলক ফিতনা, ইয়াৰ প্ৰতিকাৰ হৈছে ঈমান আৰু ধৈৰ্য্য।
6. হাদীছটোৱে ইংগিত কৰিছে যে, যিয়ে আমলত অৱহেলা কৰে, সি সোনকালে ফিতনাত পতিত হ'ব, আনহাতে যিয়ে বেছি বেছি নেক আমল কৰে, তাক প্ৰতাৰিত কৰা সহজ নহয়, বৰং তেওঁ আৰু বেছিহে নেক আমল কৰিব।

(3138)

(323) – عن معاوية رضي الله عنه قال: سمعت النبي صلى الله عليه وسلم يقول: «مَنْ يُرِدِ اللَّهُ بِهِ خَيْرًا يُفَقِّهْهُ فِي الدِّينِ، وَإِنَّمَا أَنَا قَاسِمٌ، وَاللَّهُ يُعْطِي، وَلَنْ تَزَالَ هَذِهِ الْأُمَّةُ قَائِمَةً عَلَى أَمْرِ اللَّهِ، لَا يَضُرُّهُمْ مَنْ خَالَفَهُمْ، حَتَّى يَأْتِيَ أَمْرُ اللَّهِ». [صحيح] - [متفق عليه]

(323) – মুআৱিয়া ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ আল্লাহে যাৰ মঙ্গল বিচাৰে, তাক তেওঁ দ্বীনৰ জ্ঞান (ইল্ম) দান কৰে। মই কেৱল বিতৰণকাৰীহে মাত্ৰ, আল্লাহেই(জ্ঞান) দাতা। কিয়ামত পৰ্যন্ত এই উম্মত সদায় আল্লাহৰ হুকুমৰ ওপৰত প্ৰতিষ্ঠিত থাকিব, বিৰোধকাৰীসকলে তেওঁলোকৰ কোনো ক্ষতি কৰিব নোৱাৰিব। [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, আল্লাহে যাৰ মঙ্গল বিচাৰে, তেওঁ তাক দ্বীন বুজিবলৈ তাওফীক দান কৰে। আনহাতে নবী চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ পৰা লাভ কৰা ইল্ম বণ্টনকাৰী। কাৰণ প্ৰকৃত দানকাৰী হৈছে মহান আল্লাহ। ইয়াৰ বাহিৰে সকলোবোৰ হৈছে এক প্ৰকাৰ মাধ্যমহে, আল্লাহৰ অনুমতি অবিহনে একো উপকাৰ কৰিব নোৱাৰে। লগতে হাদীছটোত তেখেতে এই কথা স্পষ্ট কৰিছে যে, এই উম্মত কিয়ামত পৰ্যন্ত আল্লাহৰ নিৰ্দেশৰ ওপৰত প্ৰতিষ্ঠিত থাকিব, তেওঁলোকৰ বিৰোধীসকলৰ বিৰোধিতাই তেওঁলোকক কোনো ক্ষতি কৰিব নোৱাৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত দ্বীনি জ্ঞানৰ গুৰুত্ব তথা ফজিলত বৰ্ণিত হৈছে আৰু দ্বীনি জ্ঞান অৰ্জন কৰিবলৈ উৎসাহিত কৰা হৈছে।

2. সত্যৰ ওপৰত প্ৰতিষ্ঠিত থাকিবলৈ এই উম্মতৰ অংশ হোৱাটো বাঞ্চনীয়, এতেকে যদি কোনো ফিৰ্কাই সত্যৰ পৰা আঁতৰি যায় তেন্তে বেলেগ কোনো ফিৰ্কাই সত্যক আঁকোৱালি লব।
3. গভীৰ দ্বীনি জ্ঞান অৰ্জনে প্ৰমাণ কৰে যে, আল্লাহে সেই বান্দাৰ মঙ্গল কামনা কৰে।
4. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ ইচ্ছা আৰু নিৰ্দেশ মৰ্মে চৰীয়তৰ জ্ঞান দান কৰিছিল, তেওঁ মনে সজা একো কোৱা নাছিল।

(5518)

(324) – عَنْ عَبْدِ اللهِ بْنِ مَسْعُودٍ رضي الله عنه قَالَ: سَمِعْتُ النَّبِيَّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «نَضَّرَ اللَّهُ امْرَأً سَمِعَ مِنَّا شَيْئًا فَبَلَّغَهُ كَمَا سَمِعَ، فَرُبَّ مُبَلِّغٍ أَوْعَى مِنْ سَامِعٍ». [صحيح] - [رواه الترمذي وابن ماجه وأحمد]

(324) – আব্দুল্লাহ ইবনে মাছ'ঊদ ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছে: "আল্লাহে সেই ব্যক্তিক চিৰ উজ্জ্বল কৰি ৰাখক, যিয়ে মোৰ পৰা কোনো বিষয় শুনে, আৰু সেইটো সেইদৰেই বেলেগক বৰ্ণনা কৰে যিদৰে তেওঁ শুনিছে। কিয়নো যিসকলক পৌঁচাই দিয়া হ'ব তেওঁলোকৰ মাজৰ কিছুমান লোক এনেকুৱা আছে, যিয়ে শ্ৰৱণকাৰীতকৈও অধিক ভালকৈ মুখস্থ ৰাখিব পাৰে।" [ছহীহ] - [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুআ কৰিছে, সেই ব্যক্তিৰ মুখমণ্ডল আল্লাহে উজ্জ্বল, জ্যোতিৰ্ময় কৰি ৰাখক, তথা পাৰ্থিৱ জীৱনত সতেজ কৰি ৰাখক, লগতে আল্লাহে তেওঁক জান্নাতৰ উজ্জলতা আৰু

ইয়াৰ নিয়ামত দান কৰক আৰু আখিৰাততো উজ্জল কৰি ৰাখক, যিয়ে তেখেতৰ পৰা হাদীছ শ্ৰৱণ কৰে আৰু ভালকৈ মুখস্থ কৰি ৰাখে, যাতে বেলেগক পৌঁচাই দিব পাৰে। কিয়নো কেতিয়াবা যাক হাদীছ পৌঁচাই দিয়া হয়, তেওঁ হাদীছ শ্ৰৱণকাৰীতকৈও অধিক উত্তমৰূপে হাদীছৰ মূল তত্ব বুজিব  পাৰে। এতেকে প্ৰথমজনে মুখস্থ ৰখা আৰু পৌঁচাই দিয়াত উত্তম আৰু দ্বিতীয়জন হৈছে বোধশক্তি আৰু মূল তত্ব আহৰণত উত্তম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছ মুখস্থ ৰাখিবলৈ আৰু মানুহৰ মাজত হাদীছৰ প্ৰচাৰ-প্ৰসাৰ কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. আহলে হাদীছৰ ফজীলত আৰু হাদীছ অন্বেষণকাৰীৰ মৰ্যাদা বৰ্ণিত হৈছে।
3. উলামাসকলৰ ফজীলত বৰ্ণিত হৈছে, যিসকলে পুঙ্খানুপুঙ্খভাৱে বুজি হাদীছৰ পৰা মছলা-মাছাঈলৰ সমাধান উলিয়ায়।
4. চাহাবাসকলৰ ফজীলত বৰ্ণিত হৈছে, কাৰণ তেওঁলোকেই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা হাদীছ শুনি আমালৈ বৰ্ণনা কৰিছে।
5. মুনাৱী ৰাহিমাহুল্লাহে কৈছেঃ হাদীছ বৰ্ণনা কৰিবলৈ ফাকীহ হোৱাটো চৰ্ত নহয়। মুখস্থ ৰখাটোহে চৰ্ত। পক্ষান্তৰে ফাকীহ হ'বলৈ ভালকৈ বুজিব লাগিব আৰু চিন্তা গৱেষণা কৰিব পৰা হ'ব লাগিব।
6. যিয়েই হাদীছৰ জ্ঞান আহৰণ কৰে, তথা হাদীছ অনুসন্ধান কৰে তেওঁ এই হাদীছটোত কৰা দুআৰ অন্তৰ্ভুক্ত।
7. মুহাদ্দিছীনসকলৰ দৃষ্টিত হিফজ হৈছে দুই প্ৰকাৰঃ এটা হৈছে মুখস্থ কৰি ৰখা, আৰু আনটো হৈছে কিতাপ বা বহীত লিপিবদ্ধ কৰি ৰখা। উভয় প্ৰকাৰেই হাদীছটোত কৰা দুআৰ অন্তৰ্ভুক্ত।

8. মানুহৰ বোধ শক্তি ভিন ভিন। কেতিয়াবা বৰ্ণনাকাৰীতকৈ শ্ৰৱণকাৰীয়ে ভালকৈ সংৰক্ষণ কৰিব পাৰে। এইদৰে যিয়ে ইল্ম বহন কৰে কেতিয়াবা তেওঁ নিজেই ভালকৈ বুজি নাপায়।

(6820)

(325) – عَنْ جَابِرِ بْنِ عَبْدِ اللَّهِ رضي الله عنهما أَنَّ النَّبِيَّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ قَالَ: «لَا تَعَلَّمُوا الْعِلْمَ لِتُبَاهُوا بِهِ الْعُلَمَاءَ، وَلَا لِتُمَارُوا بِهِ السُّفَهَاءَ، وَلَا تَخَيَّرُوا بِهِ الْمَجَالِسَ، فَمَنْ فَعَلَ ذَلِكَ، فَالنَّارُ النَّارُ». [صحيح] - [رواه ابن ماجه]

(325) – জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে আলিমসকলৰ ওপৰত বাহাদুৰি দেখুৱাবলৈ, নিৰ্বোধসকলৰ সৈতে বিতৰ্ক কৰিবলৈ আৰু জনসভাত নিজকে ডাঙৰ বুলি প্ৰকাশ কৰিবলৈ ধৰ্মীয় জ্ঞান অৰ্জন নকৰিবা। যিয়ে এনেকুৱা কৰিব তাৰ বাবে আছে অগ্নি আৰু অগ্নি। [ছহীহ] - [(ইবনে মাজাহ)]

**ব্যাখ্যা:**

আলিমসকলৰ ওপৰত অহংকাৰ কৰাৰ উদ্দেশ্য জ্ঞান অৰ্জন কৰিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সতৰ্ক কৰিছে। এইটো প্ৰকাশ কৰিবলৈ যে, ময়ো আপোনালোকৰ দৰেই এজন জ্ঞানী। অথবা এই উদ্দেশ্যে জ্ঞান অৰ্জন কৰা যে, যাতে নিৰ্বোধ অশিক্ষিত দুৰ্বল বিবেক থকা লোকৰ সৈতে বিতৰ্ক কৰি জিকিব পাৰে। নাইবা এই উদ্দেশ্যে জ্ঞান অৰ্জন কৰা যে, ইয়াৰ দ্বাৰা জনসভাত প্ৰাধান্য লাভ কৰিব তথা অন্যান্য লোকক পিচ পেলাব। যি ব্যক্তিয়ে এই উদ্দেশ্যত জ্ঞান অৰ্জন কৰিব, সি জাহান্নামী হ'ব। কাৰণ সি লোকক দেখুৱাবলৈ আমল কৰিছে, তাৰ আমলত ইখলাচ নাই, সি আল্লাহৰ সন্তুষ্টি লাভৰ উদ্দেশ্যে জ্ঞান অৰ্জন কৰা নাই।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যি ব্যক্তিয়ে গৌৰৱ অৰ্জন কৰিবলৈ নাইবা বিতৰ্ক কৰিবলৈ অথবা নিজকে ডাঙৰ বুলি প্ৰকাশ কৰিবলৈ জ্ঞান অৰ্জন কৰে, সেই ব্যক্তিক জাহান্নামৰ সতৰ্কবাণী দিয়া হৈছে।
2. ছাত্ৰ আৰু শিক্ষক উভয়ৰ বাবেই নিৰ্ভেজাল তথা সঠিক নিয়্যত পোষণ কৰা খুবেই গুৰুত্বপূৰ্ণ।
3. নিয়্যতেই হৈছে আমলৰ মূল ভিত্তি, নিয়্যত অনুপাতেই আমলৰ প্ৰতিদান দিয়া হ'ব।

(65047)

(326) – عن عثمان رضي الله عنه عن النبي صلى الله عليه وسلم قال: «خَيْرُكُمْ مَنْ تَعَلَّمَ الْقُرْآنَ وَعَلَّمَهُ». [صحيح] - [رواه البخاري]

(326) – উচমান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজত সৰ্বশ্ৰেষ্ঠ হৈছে সেইজন ব্যক্তি, যিয়ে নিজে কোৰআন শিকে আৰু আনকো শিকায়।" [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহৰ দৃষ্টিত উৎকৃষ্ট মুছলিম হৈছে সেইজন, যিয়ে কোৰআন শিকে তথা তিলাৱত কৰে, মুখস্থ কৰে, তাফছীৰ তথা অৰ্থ বুজিবলৈ যত্ন কৰে, এইদৰে যিয়ে আমল কৰাৰ লগতে কোৰআনৰ জ্ঞান আনকো শিকায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কোৰআনৰ মৰ্যাদাৰ বৰ্ণনা, কাৰণ এইখন হৈছে সৰ্বোৎকৃষ্ট বাণী তথা মহান আল্লাহৰ বাণী।

2. উৎকৃষ্ট শিক্ষাৰ্থী হৈছে সেইজন, যিয়ে নিজে শিকাৰ পিছত আনকো শিকায়, শিক্ষাক নিজৰ মাজতেই সীমাবদ্ধ কৰি নাৰাখে।
3. কোৰআন শিকা আৰু শিক্ষা দিয়াৰ মাজত তিলাৱত কৰা অৰ্থ বুজা আৰু বিধান গ্ৰহণ কৰা আদি সকলো বিষয় অন্তৰ্ভুক্ত।

(5913)

(327) – عَنْ أَبِي عَبْدِ الرَّحْمَنِ السُّلَمِي رحمه الله قَالَ: حَدَّثَنَا مَنْ كَانَ يُقْرِئُنَا مِنْ أَصْحَابِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ أَنَّهُمْ كَانُوا يَقْتَرِئُونَ مِنْ رَسُولِ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ عَشْرَ آيَاتٍ، فَلَا يَأْخُذُونَ فِي الْعَشْرِ الْأُخْرَى حَتَّى يَعْلَمُوا مَا فِي هَذِهِ مِنَ الْعِلْمِ وَالْعَمَلِ، قَالُوا: فَعَلِمْنَا الْعِلْمَ وَالْعَمَلَ.
[حسن] - [رواه أحمد]

(327) – আবু আব্দুৰ ৰহমান আচ-ছুলামী ৰাহিমাহুল্লাহে কৈছেঃ চাহাবাসকলৰ মাজৰ যিসকলে আমাক শিকাইছে তেওঁলোকে বৰ্ণনা কৰিছে যে, তেওঁলোকে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দহটাকৈ আয়াত শিকিছিল, আৰু এই দহটা আয়াতৰ পৰা শিকিবলগীয়া জ্ঞানখিনি আহৰণ নকৰালৈকে তথা ইয়াৰ প্ৰতি আমল নকৰালৈকে আন দহটা আয়াত পাঠ হিচাপে লোৱা নাছিল। তেওঁলোকে কৈছেঃ আমি জ্ঞান আৰু আমল একেলগে শিকিছিলোঁ। [হাছান] - [(আহমদ)]

**ব্যাখ্যা:**

চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা কোৰআনৰ দহটাকৈ আয়াত শিকিছিল, আৰু তেওঁলোকে পৰৱৰ্তী আয়াতলৈ তেতিয়ালৈকে আগবঢ়া নাছিল যেতিয়ালৈকে তেওঁলোকে সেই দহটা আয়াতৰ পৰা শিকিবলগীয়া জ্ঞানখিনি আহৰণ কৰা নাছিল তথা তাৰ প্ৰতি আমল কৰা নাছিল। এতেকে তেওঁলোকে ইল্ম আৰু আমল একেলগে শিকিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত চাহাবাসকলৰ ফজিলত বৰ্ণিত হৈছে, লগতে কোৰআন শিকাৰ প্ৰতি থকা তেওঁলোকৰ আগ্ৰহৰ বিষয়টো উল্লেখ হৈছে।
2. কোৰআন শিকাৰ মূল উদ্দেশ্য হৈছে, জ্ঞান অৰ্জন কৰা আৰু সেইমতে আমল কৰা। কেৱল তিলাৱত কৰা আৰু মুখস্থ কৰাটোৱে ইয়াৰ উদ্দেশ্য হ'ব নালাগে।
3. কথা আৰু কৰ্মৰ আগত জ্ঞান অৰ্জন কৰা জৰুৰী।

(65058)

(328) – عن عبد الله بن مسعود رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «مَنْ قَرَأَ حَرْفًا مِنْ كِتَابِ اللهِ فَلَهُ بِهِ حَسَنَةٌ، وَالْحَسَنَةُ بِعَشْرِ أَمْثَالِهَا، لَا أَقُولُ {الم} حَرْفٌ، وَلَكِنْ {أَلِفٌ} حَرْفٌ، وَ{لَامٌ} حَرْفٌ، وَ{مِيمٌ} حَرْفٌ». [حسن] - [رواه الترمذي]

(328) – আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহৰ কিতাবৰ পৰা যিয়ে এটা হৰফ (আখৰ) পাঠ কৰিব, ইয়াৰ ফলত তেওঁ এটা ছোৱাব পাব। লগতে প্ৰতিটো ছোৱাব দহগুণ বৃদ্ধিকৈ প্ৰদান কৰা হ'ব। মই এইটো নকওঁ যে, আলিফ, লাম, মীম হৈছে এটা হৰফ। বৰং আলিফ হৈছে এটা হৰফ, লাম হৈছে এটা হৰফ আৰু মীম হৈছে এটা হৰফ। [হাছান] - [(তিৰমিজী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যেতিয়া কোনো মুছলিম ব্যক্তিয়ে আল্লাহৰ কিতাবৰ কোনো এটা আখৰ তিলাৱত কৰে, তেতিয়া তেওঁ প্ৰতিটো আখৰৰ বিনিময়ত এটাকৈ নেকী লাভ কৰে, আৰু তেওঁৰ সেই নেকীটোক দহগুণ বৃদ্ধিকৈ প্ৰদান কৰা হয়।

ইয়াৰ পিছত তেখেতে কৈছেঃ (মই এইটো নকওঁ যে, আলিফ, লাম, মীম হৈছে এটা হৰফ। বৰং আলিফ হৈছে এটা হৰফ, লাম হৈছে এটা হৰফ আৰু মীম হৈছে এটা হৰফ।) ফলত তিনিটা নেকী ত্ৰিছটা নেকীত পৰিণত হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. বেছি বেছি কোৰআন তিলাৱত কৰিবলৈ উৎসাহিত কৰা হৈছে।
2. কোৰআন তিলাৱতকাৰী ব্যক্তিয়ে প্ৰতিটো আখৰৰ বিনিময়ত এটাকৈ ছোৱাব লাভ কৰে, আৰু সেই ছোৱাবক দহগুণ বৃদ্ধি কৰি প্ৰদান কৰা হয়।
3. হাদীছটো আল্লাহৰ ৰহমত আৰু দয়াৰ প্ৰমাণ যে, তেওঁ বান্দাসকলক তেওঁৰ অনুগ্ৰহত ছোৱাব বৃদ্ধিকৈ প্ৰদান কৰে।
4. অন্যান্য বাণীৰ তুলনাত কোৰআনৰ ফজিলত বৰ্ণিত হৈছে, কাৰণ ইয়াৰ তিলাৱত হৈছে ইবাদত, লগতে এইখন হৈছে আল্লাহৰ কালাম।

(6275)

(329) – عن عبد الله بن عمرو رضي الله عنهما قال: قال رسول الله صلى الله عليه وسلم:
«يقالُ لصاحبِ القرآن: اقرَأ وارتَقِ، ورتِّل كما كُنْتَ ترتِّل في الدُنيا، فإن منزِلَكَ عندَ آخرِ آية تقرؤها». [حسن] - [رواه أبو داود والترمذي والنسائي في الكبرى وأحمد]

(329) – আব্দুল্লাহ ইবনু আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ কোৰআন কণ্ঠস্থ ৰখা ব্যক্তিক কোৱা হ'ব, পঢ়া আৰু আৰোহণ কৰা, সেইদৰে ধীৰস্থিৰে তিলাৱত কৰা, যিদৰে তুমি পৃথিৱীত তিলাৱত কৰিছিলা। য'ত তুমি শেষ আয়াত তিলাৱত কৰিবা সেইটোৱে হ'ব তোমাৰ ঠিকনা। [হাছান] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী ফিল কুবৰা, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, যিয়ে কোৰআন মতে আমল কৰিছিল, কোৰআন কণ্ঠস্থ কৰিছিল আৰু দিনে নিশাই তিলাৱত কৰিছিল, সেই ব্যক্তি যেতিয়া জান্নাতত প্ৰৱেশ কৰিব তেতিয়া তাক কোৱা হ'বঃ কোৰআন তিলাৱত কৰা আৰু সেই অনুপাতে জান্নাতত ওপৰলৈ আৰোহণ কৰা, সেইদৰেই ধীৰস্থিৰে সুমধুৰ কণ্ঠত তিলাৱত কৰা যিদৰে পৃথিৱীত কৰিছিলা। জানি থোৱা, তোমাৰ ঠিকনা সেইটোৱে হ'ব, য'ত তুমি শেষ আয়াত তিলাৱত কৰিবা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আমলৰ পৰিমাণ আৰু ধৰণ অনুপাতেই প্ৰতিদান দিয়া হ'ব।
2. কোৰআন তিলাৱত কৰা, কণ্ঠস্থ কৰা, হিফজ কৰা, গৱেষণা কৰা আৰু সেইমতে আমল কৰিবলৈ উৎসাহিত কৰা হৈছে।
3. জান্নাতত অসংখ্য শ্ৰেণী তথা ধাপ আছে। কোৰআনৰ অধিকাৰীসকলে তাৰে উচ্চ শ্ৰেণী লাভ কৰিব।

(65054)

(330) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «أَيُحِبُّ أَحَدُكُمْ إِذَا رَجَعَ إِلَى أَهْلِهِ أَنْ يَجِدَ فِيهِ ثَلَاثَ خَلِفَاتٍ عِظَامٍ سِمَانٍ؟» قُلْنَا: نَعَمْ. قَالَ: «فَثَلَاثُ آيَاتٍ يَقْرَأُ بِهِنَّ أَحَدُكُمْ فِي صَلَاتِهِ خَيْرٌ لَهُ مِنْ ثَلَاثِ خَلِفَاتٍ عِظَامٍ سِمَانٍ». [صحيح] - [رواه مسلم]

(330) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকৰ কোনোবাই এইটো বিচৰানে যে, সি নিজ ঘৰলৈ উভতি গৈ ঘৰত তিনিটা ডাঙৰ ডাঙৰ গৰ্ভৱতী উট দেখিবলৈ পাওক? আমি ক'লোঁঃ হয় (নিশ্চয় বিচাৰোঁ)। তেখেতে ক'লেঃ শুনা! নামাজত তিনিটা আয়াত তিলাৱত কৰাটো হৈছে তিনিটা ডাঙৰ ডাঙৰ শকত গৰ্ভৱতী উট পোৱাতকৈও উত্তম। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, নামাজত তিনিটা আয়াত তিলাৱত কৰাৰ ছোৱাব হৈছে, কোনোবাই নিজৰ ঘৰত তিনিটা ডাঙৰ ডাঙৰ শকত উট পোৱাতকৈও উত্তম।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নামাজত কোৰআন তিলাৱত কৰাৰ গুৰুত্ব বৰ্ণনা কৰা হৈছে।
2. নেক আমল হৈছে পাৰ্থিৱ জীৱনৰ ধ্বংসশীল সামগ্ৰীতকৈ শ্ৰেষ্ঠ তথা চিৰস্থায়ী নিয়ামত।
3. এই ফজিলতটো কেৱল তিনিটা আয়াতৰ সৈতেই সীমাবদ্ধ নহয়, বৰং মুছল্লিয়ে যিমান আয়াত তিলাৱত কৰিব সেই অনুপাতেই তাৰ ছোৱাব বৃদ্ধি পাব।

(65053)

(331) – عن أبي موسى الأشعري رضي الله عنه عن النبي صلى الله عليه وسلم قال: «**تَعَاهَدُوا هَذَا الْقُرْآنَ، فَوَالَّذِي نَفْسُ مُحَمَّدٍ بِيَدِهِ لَهُوَ أَشَدُّ تَفَلُّتًا مِنَ الْإِبِلِ فِي عُقُلِهَا**». [صحيح] - [متفق عليه]

(331) – আবু মুছা আশ্বআৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "এই কোৰআনৰ প্ৰতি যত্ন লোৱা তথা সদায় তিলাৱত কৰা। সেই মহান সত্তাৰ শপত, যাৰ হাতত মুহাম্মদৰ জীৱন আছে, উট যেনেকৈ ৰছীৰ পৰা অতৰ্কিতে ওলাই যায়, তাতকৈও অধিক অতৰ্কিতে [স্মৃতিৰ পৰা] কোৰআন ওলাই যায়।" [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কোৰআনৰ প্ৰতি যত্ন লবলৈ নিৰ্দেশ দিছে তথা নিয়মিত তিলাৱত কৰিবলৈ উপদেশ দিছে, যাতে মুখস্থ কৰাৰ পিছত পাহৰি নাযায়। লগতে তেখেতে শপত খাই বিষয়টোৰ গুৰুত্ব বুজাইছে যে, ৰচীৰে বান্ধি থোৱা উট যেনেকৈ অতৰ্কিতে পলায়ন কৰে, ঠিক সেইদৰে যদি কোৰআন সদায় তিলাৱত কৰা নহয় তেন্তে তাতকৈও অধিক দ্ৰুত গতিৰে কোৰআন অন্তৰৰ পৰা গুচি যায়। যদি মানুহে নিয়মিত তিলাৱত কৰে তেন্তে ভালকৈ মুখস্থ থাকে আৰু যদি তিলাৱত কৰা বাদ দিয়ে তেন্তে স্মৃতিৰ পৰা হেৰাই যায়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. কোৰআনৰ হাফিজে যদি বাৰে বাৰে নিয়মিত কোৰআন তিলাৱত কৰে তেন্তে সঠিকভাৱে মুখস্থ থাকিব, অন্যথা পাহৰি যোৱাটো নিশ্চিত।
2. নিয়মিত কোৰআন তিলাৱত কৰাৰ অন্যতম উপকাৰ হৈছে, ছোৱাব তথা নেকী পোৱা যায়, আৰু কিয়ামতৰ দিনা উচ্চ মৰ্যাদা লাভ হ'ব।

(332) – عن أبي هريرة رضي الله عنه: أن رسول الله صلى الله عليه وسلم قال: «لَا تَجْعَلُوا بُيُوتَكُمْ مَقَابِرَ، إِنَّ الشَّيْطَانَ يَنْفِرُ مِنَ الْبَيْتِ الَّذِي تُقْرَأُ فِيهِ سُورَةُ الْبَقَرَةِ». [صحيح] - [رواه مسلم]

(332) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে নিজৰ ঘৰখনক কবৰস্থানত পৰিণত নকৰিবা। নিশ্চয় চয়তান সেই ঘৰৰ পৰা পলায়ন কৰে, যি ঘৰত ছুৰা আল-বাক্বাৰাহ তিলাৱত কৰা হয়।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰক নামাজ আদিৰ পৰা খালি ৰাখিবলৈ নিষেধ কৰিছে, যাতে ঘৰখন কবৰস্থানত পৰিণত নহয়, কাৰণ কবৰস্থানতহে নামাজ পঢ়া নহয়।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, চয়তান প্ৰত্যেক সেই ঘৰৰ পৰা পলায়ন কৰে, যি ঘৰত ছুৰা আল-বাক্বাৰাহ তিলাৱত কৰা হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ঘৰত বেছি বেছি ইবাদত কৰা আৰু নফল চালাত আদায় কৰা মুস্তাহাব।
2. কবৰস্থানত নামাজ পঢ়া বৈধ নহয়, কাৰণ এইটো হৈছে শ্বিৰ্কৰ এটা মাধ্যম, লগতে এইটো হৈছে কবৰস্থ ব্যক্তিৰ ক্ষেত্ৰত এক প্ৰকাৰ সীমালংঘন। কিন্তু জানাজা পঢ়াৰ বিষয়টো সুকীয়া।
3. কবৰস্থানত যে নামাজ পঢ়া বৈধ নহয় এই কথাটো চাহাবাসকলে ভালকৈয়ে জানিছিল, সেইকাৰণে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক কবৰস্থানৰ কথা উল্লেখ কৰি বুজাইছে যে,

তোমালোকে ঘৰত নামাজ নপঢ়ি ঘৰখনক কবৰস্থানত পৰিণত নকৰিবা।

(6208)

(333) – عَنْ أُبَيِّ بْنِ كَعْبٍ رضي الله عنه قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «يَا أَبَا الْمُنْذِرِ، أَتَدْرِي أَيُّ آيَةٍ مِنْ كِتَابِ اللهِ مَعَكَ أَعْظَمُ؟» قَالَ: قُلْتُ: اللهُ وَرَسُولُهُ أَعْلَمُ. قَالَ: «يَا أَبَا الْمُنْذِرِ، أَتَدْرِي أَيُّ آيَةٍ مِنْ كِتَابِ اللهِ مَعَكَ أَعْظَمُ؟» قَالَ: قُلْتُ: {اللهُ لا إِلَهَ إِلا هُوَ الْحَيُّ الْقَيُّومُ} [البقرة: 255]. قَالَ: فَضَرَبَ فِي صَدْرِي، وَقَالَ: «وَاللهِ لِيَهْنِكَ الْعِلْمُ، أَبَا الْمُنْذِرِ». [صحيح] - [رواه مسلم]

(333) – উবাই বিন কাআব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ হে আবুল মুনজিৰ, আল্লাহৰ কিতাবৰ কোনটো আয়াত তোমাৰ ওচৰত আটাইতকৈ মহান? আবুল মুনজিৰে কৈছেঃ মই ক'লোঁ, আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেখেতে আকৌ ক'লেঃ হে আবুল মুনজিৰ, আল্লাহৰ কিতাবৰ কোনটো আয়াত তোমাৰ ওচৰত আটাইতকৈ মহান? তেতিয়া মই ক'লোঁঃ {اللهُ لا إِلَهَ إِلا هُوَ الْحَيُّ الْقَيُّومُ} (এই আয়াতটো মোৰ ওচৰত বেছি গুৰুত্বপূৰ্ণ) এই কথা শুনি তেখেতে মোৰ বুকুত হাতেৰে থপথপাই ক'লেঃ হে আবুল মুনজিৰ! তোমাৰ জ্ঞানক উষ্ণ আদৰণি জনাইছোঁ। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উবাই ইবনে কাআবক কোৰআনৰ আটাইতকৈ মহান আয়াতটো সম্পৰ্কে প্ৰশ্ন কৰিলে, ফলত তেওঁ উত্তৰ দিয়াত দ্বিধাবোধ অনুভৱ কৰিলে, ইয়াৰ পিছত আকৌ সোধাত তেওঁ ক'লে যে, সেইটো হৈছে আয়াতুল কুৰ্ছী। {اللهُ لا إِلَهَ إِلا هُوَ الْحَيُّ الْقَيُّومُ}। উত্তৰ শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক সমৰ্থন কৰিলে, লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ বুকু থপথপাই

ইংগিত কৰিলে যে, তোমাৰ এই বুকুখন জ্ঞান আৰু হিকমতৰ দ্বাৰা পৰিপূৰ্ণ হওক, লগতে তেওঁৰ কাৰণে দুআও কৰিলে যে, এই জ্ঞানে যেন তেওঁৰ বাবে সুখ কঢ়িয়াই আনে আৰু তেওঁৰ সকলো কাম সহজ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত উবাই ইবনে কাআব ৰাদ্বিয়াল্লাহু আনহুৰ গুৰুত্বপূৰ্ণ দিশ উল্লেখ হৈছে।
2. আয়াতুল কুৰ্ছী হৈছে পৱিত্ৰ কোৰআনৰ আটাইতকৈ মহান আয়াত। সেয়ে এই আয়াতটো মুখস্থ কৰা উচিত, ইয়াৰ অৰ্থৰ প্ৰতি মনোযোগ দিয়া উচিত আৰু সেইমতে আমল কৰা উচিত।

(65059)

(334) – عن أبي مسعود رضي الله عنه قال: قال النبي صلى الله عليه وسلم: «مَنْ قَرَأَ بِالْآيَتَيْنِ مِنْ آخِرِ سُورَةِ الْبَقَرَةِ فِي لَيْلَةٍ كَفَتَاهُ». [صحيح] - [متفق عليه]

(334) – আবু মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে ছুৰা বাক্বাৰাৰ শেষৰ আয়াত দুটা ৰাতিত তিলাৱত কৰিব, সেই ব্যক্তিৰ (নিৰাপত্তাৰ) বাবে এই দুটা আয়াতেই যথেষ্ট হ'ব। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যি ব্যক্তিয়ে ছুৰা বাক্বাৰাৰ শেষৰ দুই আয়াত ৰাতিত তিলাৱত কৰিব তাক আল্লাহে সকলো ধৰণৰ অনিষ্টৰ পৰা ৰক্ষা কৰিব। কিছুমানে কৈছেঃ তেওঁ তাহাজ্জুদ পঢ়াৰ ছোৱাব লাভ কৰিব, আৰু আন কিছুমানে কৈছেঃ দুআ দুৰূদ পঢ়াৰ ছোৱাব লাভ কৰিব, আকৌ আন কিছুমানে কৈছেঃ তাহাজ্জুদত নূন্যতম এই দুটা আয়াত পঢ়িলেই যথেষ্ট। ইয়াৰ বাহিৰেও

বেলেগ বেলেগ কথা কোৱা হৈছে। এই বিষয়ে উত্থাপিত প্ৰায়বোৰ কথাই হাদীছৰ শব্দৰ ভাৱাৰ্থৰ সৈতে মিল আছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত ছুৰা বাক্বাৰাৰ শেষ দুই আয়াতৰ গুৰুত্ব বৰ্ণিত হৈছে। সেই আয়াত দুটা হৈছেঃ আ-মানাৰ ৰাছুলুৰ ----- পৰা আৰম্ভ কৰি ছুৰাৰ শেষলৈকে)
2. ছুৰা বাক্বাৰাৰ শেষৰ দুই আয়াত ৰাতিত পঢ়িলে মানুহে বিভিন্ন ধৰণৰ অনিষ্টতা আৰু চয়তানৰ পৰা সুৰক্ষিত থাকে।
3. সূৰ্য অস্ত যোৱাৰ লগে লগে ৰাতি আৰম্ভ হয় আৰু ফজৰ উদয় হোৱাৰ লগে লগে ৰাতি শেষ হয়।

(6274)

(335) – عن أبي الدرداء رضي الله عنه أن النبي صلى الله عليه وسلم قال: «مَنْ حَفِظَ عَشْرَ آيَاتٍ مِنْ أَوَّلِ سُورَةِ الكَهْفِ، عُصِمَ مِنَ الدَّجَّالِ». وفي رواية: «مِنْ آخِرِ سُورَةِ الكَهْفِ». [صحيح] - [رواه مسلم]

(335) – আবু দাৰদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে ছুৰা আল-কাহাফৰ প্ৰথম দহ আয়াত মুখস্থ কৰিব, তেওঁক দাজ্জালৰ (ফিতনাৰ) পৰা ৰক্ষা কৰা হ'ব।" আন এটা বৰ্ণনাত আছে যে, "যিয়ে ছুৰা কাহাফৰ শেষৰ দহ আয়াত মুখস্থ কৰিব।" [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিয়ে ছুৰা কাহাফৰ প্ৰথম দহ আয়াত মুখস্থ কৰি কণ্ঠস্থ ৰাখিব, আল্লাহে তাক মছীহুদ দাজ্জালৰ ফিতনাৰ পৰা ৰক্ষা কৰিব। দাজ্জাল অন্তিম জামানাত

ওলাব আৰু সি নিজকে উপাস্য বুলি দাবী কৰিব। দাজ্জালৰ ফিতনা হৈছে পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফিতনা, এনেকুৱা ডাঙৰ ফিতনা যে, আদমৰ সৃষ্টিৰ পৰা কিয়ামত পৰ্যন্ত তেনেকুৱা ফিতনাৰ আৱিৰ্ভাৱ হোৱা নাই। আল্লাহে তাক এনেকুৱা কিছুমান আচৰিত শক্তি দিব, যাৰ দ্বাৰা সি মানুহক ফিতনাত পতিত কৰিব। এতেকে ছুৰা কাহাফৰ আৰম্ভণিত এনেকুৱা আশ্চৰ্যকৰ নিদৰ্শনৰ কথা উল্লেখ কৰা হৈছে, যিবোৰ দাজ্জালৰ ফিতনাতকৈও আশ্চৰ্যকৰ। গতিকে যিয়ে এইবোৰকলৈ চিন্তা চৰ্চা কৰিব তেওঁ কেতিয়াও দাজ্জালৰ ফিতনাত পতিত নহ'ব। আন এটা বৰ্ণনাত আছে যে, এই ছুৰাৰ শেষৰ দহ আয়াত। অৰ্থাৎ এই আয়াতৰ পৰা {أفحسب الذين كفروا أن يتخذوا...}. শেষলৈকে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোত ছুৰা কাহাফৰ ফজীলত বৰ্ণিত হৈছে। ছুৰা কাহাফৰ প্ৰথম দহ আয়াত অথবা শেষৰ দহ আয়াত মুখস্থ থাকিলে দাজ্জালৰ ফিতনাৰ পৰা ৰক্ষা কৰা হ'ব।
2. দাজ্জালৰ বিষয়ে সংবাদ দিয়া হৈছে, লগতে ইয়াৰ পৰা সুৰক্ষিত থকাৰ বৰ্ণনা দিয়া হৈছে।
3. সম্পূৰ্ণ ছুৰা কাহাফ মুখস্থ কৰিবলৈ উৎসাহিত কৰা হৈছে। এইটো কৰিব নোৱাৰিলে নূন্যতম প্ৰথম অথবা শেষৰ দহ আয়াত মুখস্থ ৰাখিব লাগে।
4. কুৰতুবী ৰাহিমাহুল্লাহে ইয়াৰ কাৰণ সম্পৰ্কে কৈছেঃ কোৱা হৈছে যে, কিয়নো আচহাবে কাহাফৰ ঘটনাত বিভিন্ন অলৌকিকতা আৰু নিদৰ্শন আছে। যিয়ে এইবোৰ মনোযোগ সহকাৰে অনুধাৱন কৰিব তেওঁ কেতিয়াও দাজ্জালৰ বিষয়টোক ডাঙৰ বুলি নাভাবিব আৰু তাক দেখি ভয়ো নকৰিব। ফলত তেওঁ দাজ্জালৰ ফিতনাৰ পৰা ৰক্ষা পাব। আন এটা কাৰণ উল্লেখ কৰি কোৱা হৈছে যে, যিহেতু মহান আল্লাহে এই ছুৰাৰ প্ৰথমতে কৈছেঃ (لينذر بأسًا شديدًا من لدنه

অৰ্থঃ তেওঁৰ কঠিন শাস্তি সম্পৰ্কে সতৰ্ক কৰাৰ বাবে।) এই আয়াতৰ সৈতে দাজ্জালৰ বিষয়টোৰ সম্পৰ্ক আছে, যিহেতু দাজ্জালে নিজকে উপাস্য দাবী কৰিব আৰু তাৰ ফিতনাটো হৈছে অতি ভয়াৱহ ফিতনা। এইকাৰণেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দাজ্জালৰ ফিতনাক ভয়াৱহ ফিতনা বুলি কৈছে আৰু ইয়াৰ পৰা ৰক্ষা পোৱাৰ বাবে দুআ কৰিছিল। গতিকে যিয়ে আল্লাহৰ শাস্তিক ভয় কৰিব, তেওঁ কেতিয়াও দাজ্জালৰ ফিতনাত ভৰি নিদিব। এতেকে হাদীছটোৰ অৰ্থ হৈছে এই যে, যিয়ে এই আয়াতবোৰ পাঠ কৰিব আৰু ইয়াকলৈ গভীৰ চিন্তা চৰ্চা কৰিব আৰু ইয়াৰ সঠিক অৰ্থ গ্ৰহণ কৰিব, আৰু সতৰ্ক থাকিব, তেওঁ নিশ্চিতভাৱে এই ফিতনাৰ পৰা ৰক্ষা পাব।

(6265)

(336) – عن النعمان بن بَشِير رضي الله عنه قال: سمعت النبيَّ صلى الله عليه وسلم يقول: «الدُّعَاءُ هُوَ الْعِبَادَةُ»، ثُمَّ قَرَأَ: «{وَقَالَ رَبُّكُمُ ادْعُونِي أَسْتَجِبْ لَكُمْ إِنَّ الَّذِينَ يَسْتَكْبِرُونَ عَنْ عِبَادَتِي سَيَدْخُلُونَ جَهَنَّمَ دَاخِرِينَ} [غافر: 60]». [صحيح] - [رواه أبو داود والترمذي وابن ماجه وأحمد]

(336) – **নুমান বিন বাশ্বীৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ “দু’আই হৈছে ইবাদত।” ইয়াৰ পিছত তেখেতে এই আয়াত তিলাৱত কৰিলে: {وَقَالَ رَبُّكُمُ ادْعُونِي أَسْتَجِبْ لَكُمْ إِنَّ الَّذِينَ يَسْتَكْبِرُونَ عَنْ عِبَادَتِي سَيَدْخُلُونَ جَهَنَّمَ دَاخِرِينَ} [غافر: 60]». “আৰু তোমালোকৰ প্ৰতিপালকে কৈছে, ‘তোমালোকে কেৱল মোৰ ওচৰতেই দুআ কৰা, মই তোমালোকৰ দুআ কবুল কৰিম। নিশ্চয় যিসকলে অহংকাৰ কৰি মোৰ ইবাদতৰ পৰা বিমুখ হয়, সিহঁত অচিৰেই লাঞ্ছিত হৈ জাহান্নামত প্ৰৱেশ কৰিব’।” [ছুৰা গাফিৰ, আয়াত: ৬০]** [ছহীহ] - [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, দু‘আই হৈছে ইবাদত। গতিকে সকলো ক্ষেত্ৰতে ইখলাচ অৱলম্বন কৰা অনিবাৰ্য। সহায়-সহযোগিতা কামনা কৰি দুআ কৰাৰ ক্ষেত্ৰতে হওক, যেনে আল্লাহৰ ওচৰত উপকাৰী কোনো বস্তু বিচৰা, দুনিয়া আৰু আখিৰাতৰ অকল্যাণৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰা আদি। অথবা ইবাদতৰ উদ্দেশ্যে কৰা দু‘আই হওক, প্ৰত্যেক সেই কৰ্ম ইয়াৰ অন্তৰ্ভুক্ত যিটোক আল্লাহে ভালপায় তথা পছন্দ কৰে, সেয়া প্ৰকাশ্য হওক বা অপ্ৰকাশ্য, কথা হওক বা কৰ্ম, অন্তৰৰ ইবাদত হওক বা শাৰীৰিক ইবাদত নাইবা আৰ্থিক ইবাদত ইত্যাদি।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ সপক্ষে এই দলীল উত্থাপন কৰিছে, মহান আল্লাহে কৈছেঃ "তোমালোকে কেৱল মোৰ ওচৰতেই দুআ কৰা, মই তোমালোকৰ দুআ কবুল কৰিম। নিশ্চয়

যিসকলে অহংকাৰ কৰি মোৰ ইবাদতৰ পৰা বিমুখ হয়, সিহঁত অচিৰেই লাঞ্ছিত হৈ জাহান্নামত প্ৰৱেশ কৰিব।"

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দুআ হৈছে ইবাদতৰ মূল। গতিকে আল্লাহৰ বাহিৰে আন কাৰো ওচৰত দুআ কৰা বৈধ নহয়।
2. ইবাদতৰ বাস্তৱিকতা দু'আৰ ভিতৰতেই নিহিত, কাৰণ ইয়াৰ দ্বাৰা মহান আল্লাহৰ ক্ষমতা আৰু অমুখাপেক্ষীতাক স্বীকাৰ কৰা হয়, লগতে এই কথা স্বীকাৰ কৰা হয় যে, বান্দা সদায় আল্লাহৰ মুখাপেক্ষী।
3. অহংকাৰ কৰি আল্লাহৰ ইবাদত পৰিত্যাগ কৰা আৰু তেওঁৰ ওচৰত কৰিবলগীয়া দু'আ বৰ্জন কৰাৰ বিষয়ে কঠোৰ সতৰ্কবাণী দিয়া হৈছে যে, নিশ্চয় যিসকলে অহংকাৰ কৰি আল্লাহৰ ইবাদতৰ পৰা বিমুখ হ'ব, সিহঁত অচিৰেই লাঞ্ছিত অৱস্থাত জাহান্নামত প্ৰৱেশ কৰিব।

(5496)

(337) – عن عائشة رضي الله عنها قالت: كَانَ النَّبِيُّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَذْكُرُ اللهَ عَلَى كُلِّ أَحْيَانِهِ. [صحيح] - [رواه مسلم]

(337) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে সদায় আল্লাহক স্মৰণ (তথা আল্লাহৰ গুণগান) কৰিছিল। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লাম আল্লাহৰ গুণগান কৰাৰ ক্ষেত্ৰত খুবেই

আগ্ৰহী আছিল, তেখেতে সকলো ক্ষেত্ৰতে আনকি সকলো সময়তে সকলো অৱস্থাতে আল্লাহক স্মৰণ কৰিছিল আৰু তেওঁৰ গুণগান কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ গুণগান কৰিবলৈ সৰু ডাঙৰ কোনো নাপাকীৰ পৰা পৱিত্ৰ হোৱাটো চৰ্ত নহয়।
2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিয়মিতভাৱে আল্লাহক স্মৰণ কৰি জিকৰ-আজকাৰ কৰিছিল।
3. নবী চাল্লাল্লাহু আলাইহি অছাল্লামক অনুসৰণ কৰি সকলো সময়তে আল্লাহক স্মৰণ কৰিবলৈ তথা তেওঁৰ জিকৰ-আজকাৰ কৰিবলৈ হাদীছটোৰ দ্বাৰা উৎসাহিত কৰা হৈছে। কেৱল সেইসমূহ অৱস্থাৰ বাহিৰে যিসমূহ অৱস্থাত আল্লাহৰ জিকৰ-আজকাৰ কৰিবলৈ নিষেধ কৰা হৈছে, যেনে- প্ৰস্ৰাৱ-পায়খানা কৰাৰ সময়ত।

(8402)

(338) – عن أبي هريرة رضي الله عنه عن النبي صلى الله عليه وسلم قال: «لَيْسَ شَيْءٌ أَكْرَمَ عَلَى اللهِ تَعَالَى مِنَ الدُّعَاءِ». [حسن] - [رواه الترمذي وابن ماجه وأحمد]

(338) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মহান আল্লাহৰ ওচৰত দুআতকৈ অধিক সন্মানিত বস্তু আন একো নাই। [হাছান] - [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত বৰ্ণনা কৰিছে যে, আল্লাহ তা‘আলাৰ দৃষ্টিত দু‘আতকৈ অধিক সন্মানিত কোনো ইবাদত

নাই। কিয়নো দু'আত আছে আল্লাহৰ অমুখাপেক্ষিতাৰ স্বীকৃতি আৰু বান্দাৰ অক্ষমতা আৰু তেওঁৰ প্ৰতি বান্দাৰ মুখাপেক্ষিতাৰ স্বীকাৰোক্তি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই হাদীছটোত দু'আৰ ফজীলত বৰ্ণিত হৈছে। এতেকে যি ব্যক্তিয়ে আল্লাহৰ ওচৰত দু'আ কৰে, তেওঁ দৰাচলতে আল্লাহক মহান বুলি জ্ঞান কৰে আৰু তেওঁক সন্মান কৰে আৰু তেওঁ এই স্বীকৃতি দিয়ে যে, মহান আল্লাহ হৈছে অভাৱমুক্ত, অমুখাপেক্ষী; কাৰণ ফকীৰ বা দৰিদ্ৰৰ ওচৰত কোনেও একো নুখুঁজে। লগতে তেওঁ হৈছে সৰ্বশ্ৰোতা; কাৰণ বধিৰৰ ওচৰত কোনেও প্ৰাৰ্থনা নকৰে। তেওঁ অত্যন্ত দানশীল; কাৰণ কৃপণৰ ওচৰত সহায় সাধাৰণতে সহায় বিচৰা নহয়। তেওঁ অত্যন্ত দয়ালু; কাৰণ কঠোৰ হৃদয়ৰ অধিকাৰীৰ ওচৰত মানুহে একো নিবিচাৰে। তেওঁ সক্ষম; কিয়নো অক্ষম ব্যক্তিৰ ওচৰত মানুহে দু'আ নকৰে। তেওঁ অত্যন্ত নিকটৱৰ্তী; কিয়নো দূৰৱৰ্তী সত্ত্বাই শুনা নাপায়, ইত্যাদি মহান আৰু সুন্দৰ গুণাৱলীসমূহ আল্লাহৰ বাবে সাব্যস্ত কৰে।

(5509)

(339) – عَنْ أَبِي سَعِيدٍ رضي الله عنه أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ قَالَ: «**مَا مِنْ مُسْلِمٍ يَدْعُو بِدَعْوَةٍ لَيْسَ فِيهَا إِثْمٌ، وَلَا قَطِيعَةُ رَحِمٍ، إِلَّا أَعْطَاهُ اللهُ بِهَا إِحْدَى ثَلَاثٍ: إِمَّا أَنْ تُعَجَّلَ لَهُ دَعْوَتُهُ، وَإِمَّا أَنْ يَدَّخِرَهَا لَهُ فِي الْآخِرَةِ، وَإِمَّا أَنْ يَصْرِفَ عَنْهُ مِنَ السُّوءِ مِثْلَهَا**» قَالُوا: إِذَنْ نُكْثِرُ، قَالَ: «**اللهُ أَكْثَرُ**». [صحيح] - [رواه أحمد]

(339) – আবু ছাঈদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যেতিয়াই কোনো মুছলিমে কোনো দুআ কৰে, যদি সেই দুআটোত কোনো গুনাহ নাথাকে, অথবা সেইটো আত্মীয়তাৰ বন্ধন ছিন্ন কৰাৰ বাবে নহয়, তেন্তে আল্লাহে সেই দুআৰ বিনিময়ত তাক এই তিনিটা বিষয়ৰ যিকোনো এটা প্ৰদান কৰে। ১- হয়তো লগে লগে তাৰ দুআ কবূল কৰে, ২- নাইবা আখিৰাতৰ বাবে সেইটো জমা কৰি ৰাখে, ৩- অথবা সেই পৰিমাণ কোনো বিপদ-আপদ দূৰ কৰি দিয়ে।" চাহাবাসকলে ক'লেঃ তেনেহ'লে আমি আৰু বেছি পৰিমাণে কৰিম। তেতিয়া তেখেতে ক'লেঃ "তেন্তে আল্লাহেও অধিক প্ৰদান কৰিব।" [ছহীহ] - [(আহমদ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মুছলিমে যেতিয়া আল্লাহৰ ওচৰত দুআ কৰে, সেই দুআ যদি কোনো গুনাহ কৰাৰ উদ্দেশ্যে নহয়, উদাহৰণস্বৰূপে অমুক গুনাহটো যাতে সহজে কৰিব পাৰে অথবা এই অন্যায়মূলক কামটো যাতে সহজতে হয়, এনেকুৱা উদ্দেশ্য যদি নাথাকে। এইদৰে আত্মীয়ৰ সৈতে সম্পৰ্ক ছিন্ন কৰাৰ উদ্দেশ্যে যাতে নহয়, যেনে- সন্তান-সন্ততি আৰু আত্মীয়ৰ বিৰুদ্ধে বদ্দুআ কৰা, তেন্তে সেই দুআটো এই তিনিটা পৰ্যায়ৰ যিকোনো এটা পৰ্যায়ত থাকিব। হয়তো তাৰ দুআ লগে লগে কবূল কৰি, তাক লগে লগে প্ৰতিদান দিয়া হয়। নাইবা আল্লাহে কিয়ামতৰ দিনা তাৰ মৰ্যাদা উন্নীত কৰিবলৈ, অথবা তাৰ প্ৰতি দয়া কৰি তাৰ গুনাহসমূহ ক্ষমা

কৰিবলৈ সেই দুআৰ ছোৱাব জমা কৰি ৰাখে। অথবা সেই দুআৰ অনুপাতে এই পৃথিৱীতেই তাৰ পৰা কোনো বিপদ-আপদ দূৰ কৰি দিয়ে। তেতিয়া চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ক'লেঃ তেন্তে এই ফজীলত পাবলৈ আমি বেছি বেছি দুআ কৰা উচিত? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তোমালোকে বিচৰাতকৈও অধিক প্ৰতিদান আল্লাহৰ ওচৰত আছে। তেওঁৰ দান কেতিয়াও শেষ নহয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মুছলিমৰ দুআ কেতিয়াও ব্যৰ্থ নহয়, কিন্তু নিয়ম-নীতি আৰু চৰ্ত সাপেক্ষে। সেয়ে বান্দাই বেছি বেছি দুআ কৰা উচিত আৰু কবূল হোৱাকলৈ খৰখেদা কৰা উচিত নহয়।
2. দুআৰ উত্তৰ কেৱল দুআ কৰা বিষয়ৰ প্ৰাপ্তিৰ সৈতেই সীমিত নহয়। বৰং ইয়াৰ ফলত তাৰ গুনাহো ক্ষমা হ'ব পাৰে অথবা আখিৰাতৰ বাবে জমা কৰি ৰখা হ'ব পাৰে।
3. ইবনে বাজ ৰাহিমাহুল্লাহে কৈছেঃ কাকূতি-মিনতি কৰা, আল্লাহৰ প্ৰতি ভাল ধাৰণা পোষণ কৰা, নিৰাশ নোহোৱা আদি হৈছে দুআ কবূল হোৱাৰ অন্যতম উপায়। সেয়ে দুআ কৰাৰ সময়ত কাকূতি-মিনতি কৰি দুআ কৰিব লাগে, আৰু আল্লাহৰ প্ৰতি ভাল ধাৰণা পোষণ কৰিব লাগে। লগতে এই কথা মনত ৰখা উচিত যে, মহান আল্লাহ সৰ্বশক্তিমান, সৰ্বজ্ঞ। তেওঁ কেতিয়াবা নিজৰ হিকমত অনুযায়ী সোনকালেই প্ৰতিদান দিয়ে, আকৌ কেতিয়াবা হিকমত অনুযায়ী বিলম্বিত কৰে। লগতে তেওঁ প্ৰাৰ্থীয়ে বিচৰাতকৈও উত্তম প্ৰতিদান প্ৰদান কৰে।

(5100)

(340) – عَنْ عُبَادَةَ بْنِ الصَّامِتِ رَضِيَ اللهُ عنهُ أَنَّ رَسُولَ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ قَالَ: «فِي الجَنَّةِ مِائَةُ دَرَجَةٍ مَا بَيْنَ كُلِّ دَرَجَتَيْنِ كَمَا بَيْنَ السَّمَاءِ وَالأَرْضِ، وَالْفِرْدَوْسُ أَعْلاَهَا دَرَجَةً وَمِنْهَا تُفَجَّرُ أَنْهَارُ الجَنَّةِ الأَرْبَعَةُ، وَمِنْ فَوْقِهَا يَكُونُ العَرْشُ، فَإِذَا سَأَلْتُمُ اللَّهَ فَسَلُوهُ الفِرْدَوْسَ». [صحيح] - [رواه الترمذي]

(340) – উবাদাহ বিন চামিত ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "জান্নাতৰ এশটা স্তৰ আছে, প্ৰতিটো স্তৰৰ মাজৰ দূৰত্ব হৈছে আকাশ আৰু পৃথিৱীৰ মাজৰ দূৰত্বৰ সমান। ফিৰদাউছ হৈছে ইয়াৰ সৰ্বোচ্চ স্তৰ। ইয়াৰ পৰাই জান্নাতৰ চাৰিটা নদী প্ৰবাহিত হয়। ইয়াৰ ওপৰতে আৰচ অৱস্থিত। এতেকে তোমালোকে যেতিয়া আল্লাহৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰিবা, তেতিয়া ফিৰদাউচ বিচাৰিবা।" [ছহীহ] - [(তিৰমিজী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, জান্নাতৰ এশটা স্তৰ আছে, প্ৰতিটো স্তৰৰ মাজৰ দূৰত্ব হৈছে আকাশ আৰু পৃথিৱীৰ মাজৰ দূৰত্বৰ সমান। এইবোৰ জান্নাতৰ মাজত সৰ্বোচ্চ জান্নাত হৈছে ফিৰদাউছ। ইয়াৰ পৰাই জান্নাতৰ চাৰিটা নদী প্ৰবাহিত হয়। ফিৰদাউছৰ ওপৰতে আছে আৰচ। এতেকে তোমালোকে যেতিয়া আল্লাহৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰিবা, তেতিয়া ফিৰদাউছ বিচাৰিবা। কাৰণ ফিৰদাউছ হৈছে সৰ্বোচ্চ জান্নাত।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জান্নাতীসকলৰ ঈমান আৰু আমলে চলেহ অনুপাতে তেওঁলোকৰ মৰ্যাদা আৰু স্তৰ বেলেগ বেলেগ হ'ব।
2. আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰাৰ সময়ত, জান্নাতৰ সৰ্বোচ্চ স্তৰ ফিৰদাউছ প্ৰাৰ্থনা কৰিবলৈ উৎসাহিত কৰা হৈছে।

3. ফিৰদাউছ হৈছে জান্নাতৰ সৰ্বোচ্চ আৰু সৰ্বোৎকৃষ্ট স্তৰ।
4. মুছলিমৰ আশা-আকাংক্ষা সুউচ্চ হোৱা উচিত। লগতে আল্লাহৰ ওচৰত সৰ্বোচ্চ আৰু সৰ্বোৎকৃষ্ট স্তৰ কামনা কৰা উচিত আৰু এই ক্ষেত্ৰত চেষ্টা কৰা উচিত।
5. জান্নাতত চাৰিটা নদী আছে, নিৰ্মল পানীৰ, গাখীৰৰ, সুৰাৰ আৰু মৌৰ। এই কথা পৱিত্ৰ কোৰআনত উল্লেখ আছে, মহান আল্লাহে কৈছেঃ মুত্তাক্বীসকলক যি জান্নাতৰ প্ৰতিশ্ৰুতি দিয়া হৈছে তাৰ দৃষ্টান্ত হৈছে এনেকুৱা, তাত আছে নিৰ্মল পানীৰ নিজৰাসমূহ, আৰু আছে গাখীৰৰ নদীসমূহ যাৰ সোৱাদ অপৰিৱৰ্তনীয়, লগতে সেৱনকাৰীসকলৰ বাবে আছে সুস্বাদু সুৰাৰ নহৰসমূহ, আৰু আছে পৰিশোধিত মৌজোলৰ নদীসমূহ। (ছুৰা মুহাম্মদঃ ১৫)

(65188)

(341) – عَنْ أَنَسٍ رضي الله عنه قَالَ: كَانَ رَسُولُ اللهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ يُكْثِرُ أَنْ يَقُولَ: «يَا مُقَلِّبَ القُلُوبِ ثَبِّتْ قَلْبِي عَلَى دِينِكَ»، فَقُلْتُ: يَا رَسُولَ اللهِ، آمَنَّا بِكَ وَبِمَا جِئْتَ بِهِ فَهَلْ تَخَافُ عَلَيْنَا؟ قَالَ: «نَعَمْ، إِنَّ القُلُوبَ بَيْنَ أُصْبُعَيْنِ مِنْ أَصَابِعِ اللهِ يُقَلِّبُهَا كَيْفَ يَشَاءُ». [صحيح] - [رواه الترمذي وأحمد]

(341) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে বেছিভাগ সময়তে এই দুআ পাঠ কৰিছিল, (يَا مُقَلِّبَ الْقُلُوبِ ثَبِّتْ قَلْبِي عَلَى دِينِكَ) "হে অন্তৰ পৰিবৰ্তনকাৰী! তোমাৰ দ্বীনৰ ওপৰত মোৰ অন্তৰ দৃঢ় ৰাখিবা।" এই দেখি মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! আমি আপোনাৰ ওপৰত আৰু আপুনি লৈ অহা চৰীয়তৰ ওপৰত ঈমান আনিছোঁ, তথাপিও আমাকলৈ আপোনাৰ ভয় আছে নেকি? তেখেতে ক'লেঃ "হয়। নিশ্চয় অন্তৰসমূহ আল্লাহৰ আঙুলিসমূহৰ মাজৰ দুটা আঙুলিৰ মাজত থাকে, তেওঁ যিদৰে ইচ্ছা কৰে সেইদৰেই পৰিবৰ্তন কৰে।" [ছহীহ] - [(তিৰমিজী, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বেছিভাগ সময়তে আল্লাহৰ ওচৰত এই দুআ কৰিছিল যে, আল্লাহে যেন তেখেতক দ্বীনৰ ওপৰত আৰু তেওঁৰ আনুগত্যৰ ওপৰত প্ৰতিষ্ঠিত ৰাখে, লগতে পথভ্ৰষ্টতা আৰু বক্ৰতাৰ পৰা দূৰৈত ৰাখে। আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে আশ্চৰ্য প্ৰকাশ কৰিলে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এইটো ইমান কিয় পাঠ কৰে। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক জনালে যে, অন্তৰসমূহ আল্লাহৰ আঙুলিসমূহৰ মাজৰ দুটা আঙুলিৰ মাজত থাকে, তেওঁ যিদৰে ইচ্ছা কৰে সেইদৰেই পৰিবৰ্তন কৰে। অন্তৰ হৈছে ঈমান আৰু কুফৰীৰ প্লেটফৰ্ম। অধিক পৰিবৰ্তন হোৱাৰ কাৰণেই আৰবী ভাষাত ইয়াক (القلب) ক্বাল্ব নামেৰে নামকৰণ কৰা হৈছে। আনকি ই কোনো পাত্ৰত উতলি থকা গলিত বস্তুতকৈ বেছি পৰিবৰ্তনশীল। সেয়ে আল্লাহে যাক ইচ্ছা কৰে তাৰ অন্তৰ হিদায়তৰ ওপৰত প্ৰতিষ্ঠিত ৰাখে

আৰু দ্বীনৰ ওপৰত অটল ৰাখে। আনহাতে আল্লাহে যাক ইচ্ছা কৰে তাৰ অন্তৰ হিদায়তৰ পৰা বক্ৰতা আৰু পথভ্ৰষ্টতাৰ পিনে পৰিবৰ্তন কৰি দিয়ে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লাম তেখেতৰ প্ৰতিপালকৰ প্ৰতি অত্যন্ত বিনয়ী আছিল। লগতে তেখেতে উম্মতক এনেকৈ দুআ কৰিবলৈ নিৰ্দেশনা দিছে।
2. দ্বীনৰ ওপৰত অটল তথা প্ৰতিষ্ঠিত থকাৰ গুৰুত্ব, শেষ পৰিণাম হৈছে মূল বিষয়।
3. আল্লাহে প্ৰতিষ্ঠিত নকৰাকৈ বান্দাই এক পলৰ কাৰণেও ইছলামৰ ওপৰত প্ৰতিষ্ঠিত থাকিব নোৱাৰে।
4. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শ অৱলম্বন কৰি এই দুআটো বেছি বেছি পাঠ কৰিবলৈ উৎসাহিত কৰা হৈছে।
5. ইছলামৰ ওপৰত প্ৰতিষ্ঠিত থকাটো হৈছে এটা ডাঙৰ নিয়ামত, যাৰ বাবে বান্দাই সদায় প্ৰচেষ্টা কৰা উচিত আৰু মহান আল্লাহৰ চুকৰিয়া আদায় কৰা উচিত।

(3142)

(342) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه قَالَ: كَانَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «اللهُمَّ أَصْلِحْ لِي دِينِي الَّذِي هُوَ عِصْمَةُ أَمْرِي، وَأَصْلِحْ لِي دُنْيَايَ الَّتِي فِيهَا مَعَاشِي، وَأَصْلِحْ لِي آخِرَتِي الَّتِي فِيهَا مَعَادِي، وَاجْعَلِ الْحَيَاةَ زِيَادَةً لِي فِي كُلِّ خَيْرٍ، وَاجْعَلِ الْمَوْتَ رَاحَةً لِي مِنْ كُلِّ شَرٍّ». [صحيح] - [رواه مسلم]

(342) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এইদৰে পাঠ কৰিছিলঃ উচ্চাৰণঃ আল্লাহুম্মা আচলিহ লী দ্বীনি আল্লাজী হুৱা ইচমাতু আমৰী। ওৱা আচলিহ লী দুনিয়ায়া আল্লাতী ফীহা মাআশ্বী। ওৱা আচলিহ লী আখিৰাতী আল্লাতী ফীহা মাআদী। অজআলিল হায়াতা ঝিয়াদাতান লী ফী কুল্লি খাইৰ। অজআলিল মাওতা ৰা-হাতান লী মিন কুল্লি শ্বাৰ্ৰ। অৰ্থঃ “হে আল্লাহ! তুমি মোৰ দ্বীনক সংশোধন কৰি দিয়া, এই দ্বীনেই হৈছে মোৰ নিৰাপত্তা; তুমি মোৰ দুনিয়া সংশোধন কৰি দিয়া, য'ত আছে মোৰ জীৱন-জীৱিকা, আৰু মোৰ পৰকালক সংশোধন কৰি দিয়া, য’ত মই উভতি যাব লাগিব। তুমি প্ৰতিটো কল্যাণৰ বাবে মোৰ আয়ু বঢ়াই দিয়া আৰু প্ৰতিটো পাপ বা অকল্যাণৰ পৰা ৰক্ষা কৰি তুমি মোৰ মৃত্যুক আনন্দদায়ক বনাই দিয়া।” [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকুৱা এটা দুআ কৰিছে য'ত তেখেতে উৎকৃষ্ট চৰিত্ৰৰ সকলো মূল তত্বক একত্ৰিত কৰিছে যিবোৰ সম্পূৰ্ণ কৰিবলৈ তেখেতক প্ৰেৰণ কৰা হৈছে। এই দুআত দ্বীন, দুনিয়া আৰু আখিৰাতৰ কল্যাণ নিহিত হৈ আছে। এই সংক্ষিপ্ত বাক্যত এই তিনিওটা বিষয়ক সামৰি লোৱা হৈছে। তেখেতে প্ৰথমে দ্বীনি ক্ষেত্ৰত সংশোধনৰ কথাৰে আৰম্ভ কৰিছে, কাৰণ ইয়াৰ দ্বাৰাই বাকী দুয়োটাৰ সংশোধন হয়। তেখেতে কৈছেঃ

(اللهم أصلح لي ديني) অৰ্থাৎ হে আল্লাহ! তুমি মোক পৰিপূৰ্ণৰূপে দ্বীন পালনৰ তাওফীক দিয়া।

(الذي هو عصمة أمري) এই দ্বীনটোৱে হৈছে মোৰ সকলো কৰ্মৰ নিৰাপত্তা। যদি মোৰ ধৰ্মীয় অনুভূতি বিনষ্ট হয় তেন্তে সকলো কৰ্ম বিনষ্ট হ'ব। তেনে অৱস্থাত মই ক্ষতিগ্ৰস্ত হ'ম। কাৰণ দ্বীনি ক্ষেত্ৰত সংশোধন তেতিয়ালৈকে হ'ব নোৱাৰে যেতিয়ালৈকে দুনিয়াৱী ক্ষেত্ৰত সংশোধন নহয়। সেয়ে তেখেতে কৈছেঃ

(وأصلح لي دنياي) অৰ্থাৎ মোৰ দুনিয়াৱী সকলো দিশ সংশোধন কৰি দিয়া, মোক সুস্থতা প্ৰদান কৰা, নিৰাপত্তা, জীৱিকা, নেক স্ত্ৰী, পুণ্যৱান সন্তান-সন্ততি, আৰু ইয়াৰ বাবে যি যি প্ৰয়োজন সেইবোৰ মোক দান কৰা, যাতে হালাল হয়, তোমাৰ আনুগত্য কৰাত সহায়ক হয়। ইয়াৰ পিছত তেখেতে এই সংশোধনৰ কাৰণ উল্লেখ কৰি কৈছেঃ

(التي فيها معاشي) কাৰণ ইয়াৰ ভিতৰতে আছে মোৰ জীৱিকাৰ স্থান, আৰু মোৰ কটাবলগীয়া জীৱন।

(وأصلح لي آخرتي التي فيها معادي) আৰু মোৰ আখিৰাতৰ যাৱতীয় বিষয় সংশোধন কৰি দিয়া, যাতে মই তোমাৰ ওচৰলৈ প্ৰত্যাৱৰ্তন কৰি সাক্ষাৎ লাভ কৰিব পাৰোঁ। এইটো সম্ভৱ হ'ব সৎকৰ্মৰ জৰিয়তে, আৰু আল্লাহে বান্দাক প্ৰদান কৰা ইবাদতৰ তাওফীক আৰু ইখলাচ তথা উত্তম সমাপ্তিৰ জৰিয়তে।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আখিৰাতৰ পূৰ্বে দুনিয়াৰ কথা উল্লেখ কৰিছে। গতিকে ইয়াৰ দ্বাৰা এইটো বুজায় যে, আখিৰাতৰ আগত পৃথিৱীৰ জীৱন সংশোধন হোৱাটো জৰুৰী। এতেকে যিয়ে আল্লাহে বিচৰা অনুযায়ী পৃথিৱীত প্ৰতিষ্ঠিত হ'ব, আল্লাহে আখিৰাতত তাক প্ৰতিষ্ঠিত কৰিব আৰু সুখী জীৱন প্ৰদান কৰিব।

(واجعل الحياة) মোৰ গোটেই জীৱন এনেকুৱা বনাই দিয়া (زيادة لي في كل خير) যাতে মই নেক আমল বেছি বেছি কৰিব পাৰোঁ, আৰু ফিতনা-ফাছাদ, বিপদ-আপদ, অৱহেলা আৰু বিভিন্ন মুচিবতৰ আগতে মোক সোনকালে মৃত্যু প্ৰদান কৰা, যাতে মই পাৰ্থিৱ দুখ-কষ্ট আৰু দুশ্চিন্তাৰ পৰা ৰক্ষা পাই সুখ লাভ কৰিব পাৰোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দ্বীন হৈছে সবাতোকৈ গুৰুত্বপূৰ্ণ, সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুআৰ আৰম্ভণিত ইয়াৰ কথা উল্লেখ কৰিছে।
2. দ্বীন হৈছে মানুহৰ সুৰক্ষা কবচ, ইয়াৰ দ্বাৰাই মানুহে সকলো প্ৰকাৰ অনিষ্টতাৰ পৰা সুৰক্ষিত থাকে।
3. দ্বীন আৰু আখিৰাতৰ কাৰণেই দুনিয়াৱী ক্ষেত্ৰত সংশোধনৰ বাবে দুআ কৰিব লাগে।
4. দ্বীনি ক্ষেত্ৰত ফিতনাৰ আশংকা কৰি মৃত্যু কামনা কৰাটো কোনো দোষণীয় নহয়। অথবা আল্লাহৰ ওচৰত শ্বহীদি মৃত্যু কামনা কৰাটোও দোষণীয় নহয়।

(5482)

(343) – عَنِ ابنِ عُمَرَ رضي الله عنهما قَالَ: لَمْ يَكُنْ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَدَعُ هَؤُلَاءِ الدَّعَوَاتِ، حِينَ يُمْسِي وَحِينَ يُصْبِحُ: «اللَّهُمَّ إِنِّي أَسْأَلُكَ الْعَافِيَةَ فِي الدُّنْيَا وَالْآخِرَةِ، اللَّهُمَّ إِنِّي أَسْأَلُكَ الْعَفْوَ وَالْعَافِيَةَ فِي دِينِي وَدُنْيَايَ وَأَهْلِي وَمَالِي، اللَّهُمَّ اسْتُرْ عَوْرَتِي -أَو: عَوْرَاتِي- وَآمِنْ رَوْعَاتِي، اللَّهُمَّ احْفَظْنِي مِنْ بَيْنِ يَدَيَّ، وَمِنْ خَلْفِي، وَعَنْ يَمِينِي، وَعَنْ شِمَالِي، وَمِنْ فَوْقِي، وَأَعُوذُ بِعَظَمَتِكَ أَنْ أُغْتَالَ مِنْ تَحْتِي». [صحيح] - [رواه أبو داود والنسائي وابن ماجه وأحمد]

(343) – ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াও পুৱা গধূলি এই দুআটো পাঠ নকৰাকৈ থকা নাছিল। উচ্চাৰণঃ "আল্লা-হুম্মা ইন্নি আছআলুকাল আ-ফিয়াহ ফিদ দুনিয়া অল আ-খিৰাহ, আল্লা-হুম্মা ইন্নি আছআলুকাল আফৱা অল আ-ফিয়া ফী দ্বীনি, অদুনিয়ায়ী, অ আহলি, অ মা-লী, আল্লা-হুম্মাছ তুৰ আউৰা-তি, ৱা আ-মিন ৰাউআ-তি, আল্লা-হুম্মাহফিজনি মিন বাইনা য়াদায়্যা, অমিন খালফি, ৱা আন য়ামীনি, অ আন শ্বিমা-লি, অমিন ফাউকি, অ আউজু বিআজমাতিকা আন উগতা-লা মিন তাহতি"। অৰ্থ: হে আল্লাহ! মই তোমাৰ ওচৰত দুনিয়া আৰু আখিৰাতত নিৰাপত্তা বিচাৰোঁ। হে আল্লাহ! মই মোৰ দ্বীন, মোৰ দুনিয়া, মোৰ পৰিয়াল আৰু মোৰ সম্পদৰ বাবে তোমাৰ ওচৰত ক্ষমা বিচাৰোঁ আৰু নিৰাপদ কামনা কৰোঁ। হে আল্লাহ! মোৰ পৰ্দা কৰা অংগসমূহৰ ওপৰত পৰ্দা কৰি দিয়া। মোৰ ভয়-ভীতি দূৰ কৰি শান্তি বিৰাজ কৰা। হে আল্লাহ! মোৰ সন্মুখৰ পৰা, মোৰ পিছফালৰ পৰা মোৰ সোঁফালৰ পৰা, মোৰ বাওঁফালৰ পৰা আৰু মোৰ ওপৰৰ পৰা মোক সুৰক্ষা প্ৰদান কৰা। আকস্মিক তলৰ পৰা ধ্বংস হোৱাৰ পৰাও মই তোমাৰ আশ্ৰয় বিচাৰোঁ। [ছহীহ] - [(আবু দাঊদ, ইবনে মাজাহ, নাছায়ী, আহমদ)]

## ব্যাখ্যা:

পুৱা গধূলি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কেইটা দুআ নপঢ়াকৈ কেতিয়াও থকা নাছিলঃ

(اللهم إني أسألُكَ العافيةَ) অৰ্থাৎ হে আল্লাহ! তুমি মোক দুনিয়াৱী সকলো বিপদ-আপদ, বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰা, নিকটৱৰ্তী আৰু দূৰৱৰ্তী দুনিয়াতে হওক বা আখিৰাতত সকলো প্ৰকাৰ ফিতনাৰ পৰা মোক ৰক্ষা কৰা।

(اللهمَّ إني أسألُكَ العفو) অৰ্থাৎ হে আল্লাহ! মই তোমাৰ ওচৰত সকলো প্ৰকাৰৰ গুনাহ আৰু সীমালংঘনৰ বাবে ক্ষমা বিচাৰোঁ। (والعافيةَ) তুমি মোক সকলো প্ৰকাৰ দোষ-ক্ৰুটিৰ পৰা ৰক্ষা কৰা। (في دِيني) দ্বীনি ক্ষেত্ৰত শ্বিৰ্ক বিদআতৰ পৰা আৰু বিভিন্ন প্ৰকাৰৰ গুনাহৰ পৰা। (ودنياي) দুনিয়াৱী ক্ষেত্ৰত সকলো প্ৰকাৰ বিপদ আপদ আৰু অনিষ্টৰ পৰা। (وأهلِي) আৰু মোৰ স্ত্ৰী, সন্তান-সন্ততি আৰু আত্মীয়ৰ অনিষ্টৰ পৰা। (ومالي) লগতে মোৰ ধন-সম্পদ আৰু কৰ্মৰ অনিষ্টৰ পৰা।

(اللهم استرْ عَوراتي) অৰ্থাৎ হে আল্লাহ! মোৰ ভিতৰত থকা দোষ-ক্ৰুটি, ভুল-ভ্ৰান্তিক ঢাকি দিয়া আৰু মোৰ গুনাহ ক্ষমা কৰি দিয়া। (وآمِن رَوْعاتي) লগতে মোৰ ভয়-ভীতি দূৰ কৰি নিৰাপত্তা প্ৰদান কৰা।

(اللهم احفظْني) অৰ্থাৎ হে আল্লাহ! মোক বিপদ-আপদ, সংকট আদিৰ পৰা ৰক্ষা কৰা। (من بين يديَّ ومِن خلفي، وعن يميني وعن شمالي، ومن فوقي) সকলো দিশৰ পৰা মোক সুৰক্ষা প্ৰদান কৰা। সন্মুখৰ পৰা পিছফালৰ পৰা, সোঁফালৰ পৰা বাওঁফালৰ পৰা আৰু ওপৰৰ পৰা অহা বিপদৰ পৰা ৰক্ষা কৰা, কাৰণ আপদ-বিপদ এইবোৰ দিশৰ পৰাই আহে।

(وأعوذُ بعظمتك أن أُغْتَالَ) অৰ্থাৎ মই তোমাৰ মহান সত্তাৰ অছিলাৰে তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, তুমি মোক আকস্মিক (من تحتي) মোৰ তলৰ পৰা অহা ধ্বংসৰ পৰা ৰক্ষা কৰা, যেনে-ভূমিস্খলন আদি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ অনুসৰণ কৰি এইবোৰ দুআ নিয়মিত পাঠ কৰিব লাগে।

2. মানুহক যিদৰে আল্লাহৰ ওচৰত দ্বীনি ক্ষেত্ৰত নিৰাপত্তা বিচাৰি দুআ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে, ঠিক সেইদৰে দুনিয়াৱী ক্ষেত্ৰতো সুৰক্ষা বিচাৰি দুআ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

3. ত্বীবি ৰাহিমাহুল্লাহে কৈছেঃ সচৰাচৰ ছয়টা দিশৰ পৰাই বিপদ আহে, কিন্তু ইয়াত তল দিশক পৃথকভাৱে উল্লেখ কৰি দুআ কৰা হৈছে, কাৰণ তলৰ পৰা অহা বিপদ আটাইতকৈ সাংঘাতিক।

4. পুৱাৰ ভাগত জিকৰ-আজকাৰ পাঠ কৰা উত্তম। ফজৰৰ পৰা সূৰ্যোদয় হোৱাৰ আগমূহুৰ্তলৈকে তথা দিনৰ প্ৰথম ভাগত। এইদৰে আচৰৰ পিছৰ পৰা সূৰ্য্য অস্ত যোৱাৰ আগমূহুৰ্তলৈকে। কিন্তু যদি কোনোবাই ইয়াৰ পিছত পঢ়ে, অৰ্থাৎ পুৱাৰ ভাগত সূৰ্য্য উদয় হোৱাৰ পিছত পঢ়ে, অথবা জোহৰৰ পিছত পঢ়ে, নাইবা মাগৰিবৰ পিছত পঢ়ে তথাপিও কোনো অসুবিধা নাই। এইবোৰ সময়তো পঢ়িব পাৰি।

5. যিটো দুআ পঢ়াৰ কোনো নিৰ্দিষ্ট সময় আছে, সেইটো সেই সময়তে পঢ়িব লাগিব, যেনে- ছুৰা আল-বাক্বাৰাৰ শেষৰ দুই আয়াত ৰাতিত পঢ়িব লাগে বুলি নিৰ্দিষ্ট আছে, গতিকে এয়া ৰাতিতে পঢ়িব লাগিব, সূৰ্য্য অস্ত যোৱাৰ পিছত।

(5485)

(344) – عَنْ عَائِشَةَ أُمِّ المُؤْمِنِينَ رضي الله عنها أَنَّ رَسُولَ اللَّهِ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ عَلَّمَهَا هَذَا الدُّعَاءَ: «**اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنَ الْخَيْرِ كُلِّهِ، عَاجِلِهِ وَآجِلِهِ، مَا عَلِمْتُ مِنْهُ وَمَا لَمْ أَعْلَمْ، وَأَعُوذُ بِكَ مِنَ الشَّرِّ كُلِّهِ، عَاجِلِهِ وَآجِلِهِ، مَا عَلِمْتُ مِنْهُ وَمَا لَمْ أَعْلَمْ، اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنْ خَيْرِ مَا سَأَلَكَ عَبْدُكَ وَنَبِيُّكَ، وَأَعُوذُ بِكَ مِنْ شَرِّ مَا عَاذَ بِهِ عَبْدُكَ وَنَبِيُّكَ، اللَّهُمَّ إِنِّي أَسْأَلُكَ الْجَنَّةَ، وَمَا قَرَّبَ إِلَيْهَا مِنْ قَوْلٍ أَوْ عَمَلٍ، وَأَعُوذُ بِكَ مِنَ النَّارِ، وَمَا قَرَّبَ إِلَيْهَا مِنْ قَوْلٍ أَوْ عَمَلٍ، وَأَسْأَلُكَ أَنْ تَجْعَلَ كُلَّ قَضَاءٍ قَضَيْتَهُ لِي خَيْرًا**». [صحيح] - [رواه ابن ماجه وأحمد]

(344) – উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক এই দুআটো শিকাইছিল। উচ্চাৰণঃ "আল্লাহুম্মা ইন্নি আছ্আলুকা মিনাল খাইৰে কুল্লিহ, আ'-জিলিহি ওৱা আ-জিলিহ, মা আলিমতু মিনহু অমা লাম আ'লাম। ওৱা আউজুবিকা মিনাশ্ব শ্বাৰ্ৰি কুল্লিহ, আ'-জিলিহি ওৱা আ-জিলিহ, মা আলিমতু মিনহু অমা লাম আ'লাম। আল্লাহুম্মা ইন্নি আছআলুকা মিন খাইৰি মা ছাআলাকা আব্দুকা অনাবিয়্যুক। ওৱা আউজুবিকা মিন শ্বাৰ্ৰি মা আ-জা বিহি আব্দুকা অনাবিয়্যুক। আল্লাহুম্মা ইন্নি আছআলুকাল জান্নাহ, অমা ক্বাৰ্ৰাবা ইলাইহা মিন ক্বাউলিন আও আমালিন। ওৱা আউজুবিকা মিনান না-ৰ, অমা ক্বাৰ্ৰাবা ইলাইহা মিন ক্বাউলিন আও আমালিন। ওৱা আছআলুকা আন তাজআলা কুল্লা ক্বাজায়িন ক্বাজাইতাহু লি খাইৰা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত ইহকাল আৰু পৰকালৰ সকলো প্ৰকাৰ কল্যাণ কামনা কৰোঁ, যিটো মই জানো আৰু যিটো মই নাজানো। এইদৰে মই জনা আৰু নজনা ইহকাল আৰু পৰকালৰ সকলো প্ৰকাৰ অনিষ্টৰ পৰাও তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰত্যেক সেই কল্যাণ কামনা কৰোঁ, যিটো তোমাৰ বান্দা তথা নবীয়ে তোমাৰ ওচৰত প্ৰাৰ্থনা কৰিছে। লগতে মই প্ৰত্যেক সেই অনিষ্টৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ, যিটোৰ পৰা তোমাৰ বান্দা তথা নবীয়ে আশ্ৰয় প্ৰাৰ্থনা কৰিছে। হে আল্লাহ! মই তোমাৰ পৰা জান্নাত কামনা কৰোঁ। লগতে প্ৰত্যেক এনেকুৱা কথা আৰু কৰ্মৰ তাওফীক প্ৰাৰ্থনা কৰোঁ, যিয়ে ইয়াৰ নিকটৱৰ্তী কৰি দিয়ে। এইদৰে মই জাহান্নামৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, লগতে প্ৰত্যেক সেই কথা আৰু কৰ্মৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ যিয়ে ইয়াৰ নিকটৱৰ্তী কৰি দিয়ে। লগতে মই কামনা কৰোঁ, তুমি মোৰ বিষয়ে লোৱা প্ৰতিটো সিদ্ধান্তই যেন মোৰ কাৰণে কল্যাণকৰ হয়। [ছহীহ] - []

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক এটা গভীৰ অৰ্থপূৰ্ণ দুআ শিকাইছিল, য'ত চাৰিটা বিষয়ে দুআ কৰা হৈছেঃ

প্ৰথমঃ ব্যাপক দুআ, য'ত প্ৰতিটো কল্যাণকে সামৰি দুআ কৰা হৈছে। (اللهم إني أسألك من الخير كله) হে আল্লাহ! মই তোমাৰ ওচৰত সকলো প্ৰকাৰ কল্যাণ প্ৰাৰ্থনা কৰোঁ। (عاجله) যিটো কল্যাণ মই সোনকালে পাম। (وآجله) যিটো কল্যাণ মই বহুত পিছত পাম। (ما عَلِمتُ منه) যিটো সম্পৰ্কে মই জানো। (وما لم أعلم) আৰু যিটো সম্পৰ্কে মই নাজানো, একমাত্ৰ তুমিহে জানা। ইয়াত বিষয়টো সেই সত্তাৰ ওচৰত সমৰ্পণ কৰা হৈছে, যিজন সৰ্বজ্ঞ, সকলো বিষয়ে অৱগত, সূক্ষ্মদৰ্শী। কাৰণ তেওঁৱেই মুছলিমৰ বাবে উত্তম তথা উৎকৃষ্ট বিষয় নিৰ্বাচন কৰে। ইয়াৰ পিছত কৈছে, (وأعوذ) অৰ্থাৎ মই আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, (بك من الشر كله عاجله وآجله، ما علمت منه وما لم أعلم) তোমাৰ ওচৰত সকলো প্ৰকাৰ অনিষ্টৰ পৰা, যিটো মই জানো আৰু যিটো মই নাজানো, নিকটৱৰ্তী হওক বা দূৰৱৰ্তী।

দ্বিতীয় দুআঃ এইটো হৈছে মুছলিমৰ বাবে এক প্ৰকাৰ সুৰক্ষা, যাতে দুআ কৰোঁতে সীমালংঘন নকৰে। (اللهم إني أسألك) মই তোমাৰ পৰা বিচাৰোঁ, (من خير ما سألك عبدك ونبيك) প্ৰত্যেক সেই কল্যাণ যিটো তোমাৰ বান্দা তথা নবীয়ে বিচাৰিছে। (وأعوذ بك من شر ما عاذ به عبدك ونبيك ) লগতে তোমাৰ বান্দা আৰু নবীয়ে যি যি অনিষ্টৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰিছে, ময়ো সেইবোৰৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ। এইটো হৈছে এটা দুআ তথা আবেদন যে, আল্লাহে যেন প্ৰাৰ্থনাকাৰীকো সেইটো প্ৰদান কৰে যিটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰাৰ্থনা কৰি বিচাৰিছিল। যাতে তেখেতে বিচৰা বস্তুতকৈ বেছি একো বিচৰা নহয়।

তৃতীয় দুআঃ জান্নাতত প্ৰৱেশ আৰু জাহান্নামৰ পৰা দূৰৈত থকাৰ আবেদন। এইটোৱে হৈছে প্ৰতিজন মুছলিমৰ লক্ষ্য আৰু আমলৰ উদ্দেশ্য। সেয়ে কোৱা হৈছে, (اللهم إني أسألك الجنة) হে আল্লাহ! মই তোমাৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰোঁ। (وما قرّب إليها من قول أو عمل) আৰু তুমি সন্তুষ্ট

হোৱা কথা আৰু কৰ্ম কৰাৰ তাওফীক প্ৰদান কৰা। (وأعوذ بك من النار) আৰু মই জাহান্নামৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ, (وما قرّب إليها من قول أو عمل) আৰু প্ৰত্যেক সেই কথা আৰু কৰ্মৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ, যিটোৰ দ্বাৰা তুমি অসন্তুষ্ট হোৱা।

চতুৰ্থ দুআঃ ইয়াত আল্লাহৰ সিদ্ধান্তৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি দুআ কৰা হৈছে। (وأسألك أن تجعل كل قضاء قضيتَه لي خيرًا) হে আল্লাহ! তুমি মোৰ বিষয়ে কৰা প্ৰতিটো সিদ্ধান্ত যাতে মোৰ কাৰণে কল্যাণকৰ হয় সেইটো বিচাৰোঁ। এইটো হৈছে আল্লাহে নিৰ্ধাৰণ কৰা তাক্বদীৰৰ প্ৰতি সন্তুষ্টি প্ৰকাশৰ দুআ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. দ্বীনি আৰু দুনিয়াৱী ক্ষেত্ৰত উপকাৰী বিষয়বোৰ মানুহে নিজৰ পৰিয়ালবৰ্গকো শিকাব লাগে। যিদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক শিকাইছিল।

2. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা প্ৰমাণিত দুআবোৰ মুছলিমসকলে মুখস্থ কৰি ৰখা উচিত। কাৰণ সেইবোৰ হৈছে গভীৰ অৰ্থপূৰ্ণ।

3. এই হাদীছটোৰ বিষয়ে উলামাসকলে কৈছেঃ অনিষ্টৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰাৰ ক্ষেত্ৰত আৰু কল্যাণ প্ৰাৰ্থনাৰ ক্ষেত্ৰত এইটো হৈছে এটা জামে হাদীছ। এইটো হৈছে সেইবোৰ বাক্যৰ অন্তৰ্ভুক্ত, যিবোৰক জাৱামেউল কালিম (কেম শব্দত অধিক অৰ্থ প্ৰকাশ কৰিব পৰা বাক্য) বুলি কোৱা হৈছে, যিটো বিশেষকৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰদান কৰা হৈছিল।

4. আল্লাহৰ ৰহমতৰ পিছত, সৎকৰ্ম আৰু সৎ কথা হৈছে জান্নাতত প্ৰৱেশৰ অন্যতম উপায়।

(5487)

(345) – عَنْ عَبْدِ اللَّهِ بْنِ عَمْرِو بْنِ الْعَاصِ رضي الله عنهما قَالَ: قَالَ رَسُولُ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «إِنَّ الْإِيمَانَ لَيَخْلَقُ فِي جَوْفِ أَحَدِكُمْ كَمَا يَخْلَقُ الثَّوْبُ الْخَلِقُ، فَاسْأَلُوا اللَّهَ أَنْ يُجَدِّدَ الْإِيمَانَ فِي قُلُوبِكُمْ». [صحيح] - [رواه الحاكم والطبراني]

(345) – আব্দুল্লাহ ইবনু আমৰ ইবনিল আচ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় তোমালোকৰ ভিতৰত থকা ঈমানো ক্ষয় হয়, যিদৰে তোমালোকে পৰিধান কৰা কাপোৰ ক্ষয় হয়। গতিকে তোমালোকে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা, তেওঁ যেন তোমালোকৰ অন্তৰত থকা ঈমানক নবীকৰণ কৰি দিয়ে। [ছহীহ] - [(হাকিম, তাবৰাণী)]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মুছলিমৰ অন্তৰত থকা ঈমানো পুৰণি হয় তথা দুৰ্বল হয়, যিদৰে এটা নতুন কাপোৰ দীৰ্ঘ দিন ব্যৱহাৰ কৰিলে দুৰ্বল হৈ পৰে। ইয়াৰ অন্যতম কাৰণ হৈছে ইবাদতত অৱহেলা কৰা, পাপকৰ্মত লিপ্ত হোৱা আৰু প্ৰবৃত্তিৰ চাহিদাৰ ফালে মোহিত হৈ থকা। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দিশ-নিৰ্দেশনা দি কৈছে, আমি যেন আমাৰ ঈমান নবীকৰণ কৰিবলৈ আল্লাহৰ ওচৰত দুআ কৰোঁ, ফৰজ বিধানবোৰ পালন কৰোঁ, লগতে বেছি বেছি জিকৰ-আজকাৰ আৰু ইস্তিগফাৰ পাঠ কৰোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ঈমান নবীকৰণ কৰিবলৈ আৰু ঈমানৰ ওপৰত অটল থাকিবলৈ উক্ত হাদীছটোত আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ উৎসাহিত কৰা হৈছে।

2. স্বীকাৰোক্তি, আমল আৰু বিশ্বাস, এই তিনিটাৰ সমষ্টিয়ে হৈছে ঈমান। সৎকৰ্ম কৰিলে ঈমান বৃদ্ধি হয় আৰু পাপকৰ্ম কৰিলে ঈমান হ্ৰাস হয়।

(65020)

(346) – عَنِ الْعَبَّاسِ بْنِ عَبْدِ الْمُطَّلِبِ رضي الله عنه أَنَّهُ سَمِعَ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، يَقُولُ: «ذَاقَ طَعْمَ الْإِيمَانِ مَنْ رَضِيَ بِاللهِ رَبًّا، وَبِالْإِسْلَامِ دِينًا، وَبِمُحَمَّدٍ رَسُولًا». [صحيح] - [رواه مسلم]

(346) – আব্বাছ বিন আব্দুল মুত্তালিব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ সেই ব্যক্তিয়ে ঈমানৰ সোৱাদ লাভ কৰিছে, যিয়ে (আন্তৰিকতাৰে) আল্লাহক ৰব্ব হিচাপে, ইছলামক দ্বীন হিচাপে আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে মানি লৈ সন্তুষ্ট হৈছে। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে সততাৰ সৈতে ঈমান পোষণ কৰিছে, তথা এই ক্ষেত্ৰত যাৰ অন্তৰ সন্তুষ্ট হৈছে, তেওঁ নিশ্চয় নিজৰ অন্তৰত প্ৰশস্ততা অনুভৱ কৰিব, আৰু আনন্দ অনুভৱ কৰিব, লগতে আল্লাহৰ নৈকট্যৰ মিঠা সোৱাদ অনুভৱ কৰিব, যদি তেওঁ এই তিনিটা ক্ষেত্ৰত সন্তুষ্ট হয়ঃ

প্ৰথমঃ যদি আল্লাহক ৰব্ব হিচাপে পাই সন্তুষ্ট হৈছে, আৰু সেয়া হৈছে আল্লাহৰ ফালৰ পৰা পোৱা নিয়ামতেৰে তেওঁৰ অন্তৰ যাতে পৰিপূৰ্ণ হয়, মহান প্ৰতিপালকৰ ইচ্ছা অনুসৰি জীৱিকা আৰু পৰিস্থিতিৰ বিতৰণৰ ক্ষেত্ৰত তেওঁৰ হৃদয়ত যাতে কোনো আপত্তি নাথাকে। লগতে আল্লাহৰ বাহিৰে আন কোনো প্ৰতিপালক সন্ধান নকৰে।

দ্বিতীয়ঃ যদি ইছলামক দ্বীন হিচাপে পাই সন্তুষ্ট হৈছে। অৰ্থাৎ যিয়ে ইছলামৰ দায়িত্ব আৰু কৰ্তব্য আন্তৰিকতাৰে পালন কৰে, লগতে ইছলামৰ বাহিৰে আন কোনো পথ অনুসন্ধান নকৰে।

তৃতীয়ঃ যদি মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে পাই সন্তুষ্ট হৈছে। অৰ্থাৎ যিয়ে কোনো ধৰণৰ সন্দেহ সংশয় নকৰাকৈ ৰাছুলে লৈ অহা প্ৰতিটো বিধান আন্তৰিকতাৰে মানি লৈছে তথা যিয়ে ৰাছুলৰ পথৰ বাহিৰে আন কোনো পথ অৱলম্বন নকৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ঈমানৰ এটা মিঠা সোৱাদ আছে, এই সোৱাদ কেৱল অন্তৰে অনুভৱ কৰে। যিদৰে খাদ্য আৰু পানীয়ৰ সোৱাদ জিভাৰে অনুভৱ কৰা হয়।

2. শৰীৰ যেনেকৈ সুস্থ থাকিলে খাদ্য আৰু পানীয়ৰ সোৱাদ বুজি পায়, ঠিক সেইদৰে অন্তৰ যদি বিভ্ৰান্তকৰ প্ৰবৃত্তি আৰু হাৰাম কামনা-বাসনাৰ পৰা সুৰক্ষিত থাকে তেন্তে ঈমানৰ সোৱাদ অনুভৱ কৰে। যেতিয়া অন্তৰ এইবোৰ ব্যাধিৰ দ্বাৰা অসুস্থ হয় তেতিয়া ঈমানৰ সোৱাদ গম নাপায়। বৰং সেইবোৰ কামনা-বাসনা আৰু গুনাহক হালাল বুলি ভাবে যিবোৰ তাৰ ধ্বংস কাৰণ হ'ব।

3. যদি কোনো ব্যক্তিয়ে কোনো বিষয়ত সন্তুষ্ট হয় আৰু ভাল অনুভৱ কৰে তেন্তে তেওঁৰ বাবে সেই কামটো সহজ হৈ যায়, আৰু তেওঁৰ বাবে একো কঠিন নহয়, আৰু তেওঁ কৰা কমত সুখ অনুভৱ কৰে, আন্তৰিকভাৱে শান্তি লাভ কৰে। ঠিক সেইদৰে মুমিনৰ অন্তৰত যেতিয়া ঈমান প্ৰৱেশ কৰে, তেতিয়া তেওঁৰ বাবে আনুগত্যমূলক কাম সহজ হৈ যায়, আৰু অন্তৰে সোৱাদ অনুভৱ কৰে, লগতে এই পথত হোৱা কষ্ট কঠিন অনুভৱ নহয়।

4. ইবনুল কায়্যিমে কৈছেঃ এই হাদীছত মহান আল্লাহৰ ৰুবুবিয়্যত আৰু উলুহিয়্যতৰ প্ৰতি সন্তুষ্টি অন্তৰ্ভুক্ত আছে, লগতে তেওঁৰ

ৰাছুলৰ প্ৰতি সন্তুষ্টি আৰু তেওঁৰ আনুগত্যকো সামৰি লোৱা হৈছে, এইদৰে দ্বীনৰ প্ৰতি আত্মসমৰ্পন কৰাও ইয়াৰ অন্তৰ্ভুক্ত।

(65116)

(347) – عَنْ مُعَاذِ بْنِ جَبَلٍ رضي الله عنه: أَنَّ رَسُولَ صَلَّى عَلَيْهِ وَسَلَّمَ أَخَذَ بِيَدِهِ، وَقَالَ: «يَا مُعَاذُ، وَاللَّهِ إِنِّي لَأُحِبُّكَ»، فَقَالَ: «أُوصِيكَ يَا مُعَاذُ لَا تَدَعَنَّ فِي دُبُرِ كُلِّ صَلَاةٍ تَقُولُ: اللَّهُمَّ أَعِنِّي عَلَى ذِكْرِكَ وَشُكْرِكَ وَحُسْنِ عِبَادَتِكَ». [صحيح] - [رواه أبو داود والنسائي وأحمد]

(347) – মুআজ বিন জাবাল ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ হাতত ধৰি ক'লেঃ হে মুআজ! আল্লাহৰ শপত, মই তোমাক অত্যন্ত ভালপাওঁ। ইয়াৰ পিছত তেখেতে ক'লেঃ হে মুআজ! মই তোমাক এটা উপদেশ দিওঁ, তুমি এইটো প্ৰত্যেক নামাজৰ পিছত কেতিয়াও ক'বলৈ নাপাহৰিবা, এইদৰে ক'বাঃ "আল্লাহুম্মা আ-ইন্নী আলা জিকৰিকা, অশ্‌বুকৰিকা, অহুছনি ইবাদাতিক।" [ছহীহ] - []

## ব্যাখ্যা:

হাদীছটোত উল্লেখ হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুআজ ৰাদ্বিয়াল্লাহু আনহুৰ হাতত ধৰি তেওঁক কৈছিলঃ আল্লাহৰ শপত, মই তোমাক বহুত ভালপাওঁ। মই তোমাক এটা উপদেশ দিওঁ, তুমি এই দুআটো প্ৰত্যেক নামাজৰ পিছত পাঠ কৰিবা, কেতিয়াও নেৰিবাঃ (আল্লাহুম্মা আ-ইন্নী আলা জিকৰিকা) অৰ্থাৎ হে আল্লাহ! প্ৰত্যেক নেক কথা আৰু নেক কৰ্মৰ জৰিয়তে তোমাক স্মৰণ কৰিবলৈ মোক সহায় কৰা। (অশ্‌বুকৰিকা) অৰ্থাৎ তুমি প্ৰদান কৰা সকলো নিয়ামতৰ চুকৰিয়া আদায় কৰিবলৈ সহায় কৰা। (অহুছনি ইবাদাতিক) অৰ্থাৎ ইখলাচ আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পদ্ধতি মুতাবিক সুন্দৰভাৱে ইবাদত কৰিবলৈ সহায় কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ ওৱাস্তে কাৰোবাক ভাল পালে সেইটো তাক জনাই দিয়া মুস্তাহাব।
2. ফৰজ হওক বা নফল, প্ৰত্যেক নামাজৰ পিছতে এই দুআ পাঠ কৰা মুস্তাহাব।
3. এই সৰু দুআটোৰ ভিতৰত দুনিয়া আৰু আখিৰাতত পাবলগীয়া বহুতো প্ৰয়োজনীয় উদ্দেশ্যক সামৰি লৈছে।
4. আল্লাহৰ ওৱাস্তে কৰা মুহাব্বতৰ অন্যতম এটা উপকাৰিতা হৈছে, ইজনে সিজনক সত্যৰ উপদেশ দিয়া, সৎ পৰামৰ্শ দিয়া, নেকী তথা তাক্বৱাৰ ক্ষেত্ৰত সহায় কৰা।
5. ত্বীবী ৰাহিমাহুল্লাহে কৈছেঃ জিকৰ-আজকাৰ হৈছে অন্তৰ প্ৰশস্ত হোৱাৰ অন্যতম উপায়। তেওঁৰ চুকৰিয়া আদায় কৰাটো হৈছে, নিয়ামত লাভ কৰাৰ অন্যতম উপায়। এইদৰে সুন্দৰ ইবাদত কৰাটো হৈছে, সেইবোৰ বস্তুৰ পৰা আঁতৰি থকাৰ উপায়, যিবোৰে মানুহক আল্লাহৰ পৰা অমনোযোগী কৰি ৰাখে।

(3518)

(348) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «أَقْرَبُ مَا يَكُونُ الْعَبْدُ مِنْ رَبِّهِ وَهُوَ سَاجِدٌ، فَأَكْثِرُوا الدُّعَاءَ». [صحيح] - [رواه مسلم]

(348) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ছাজদাহ অৱস্থাত বান্দা প্ৰতিপালকৰ আটাইতকৈ নিকটৱৰ্তী থাকে। গতিকে সেই সময়ত তোমালোকে বেছি বেছি দুআ কৰিবা। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে এই হাদীছটোত বৰ্ণনা কৰিছে যে, ছাজদাৰস্থাত বান্দা নিজ প্ৰতিপালকৰ আটাইতকৈ নিকটৱৰ্তী থাকে। কিয়নো মুছল্লীয়ে নিজৰ সৰ্বাতোকৈ সন্মানিত অংগসমূহ ছাজদাহ অৱস্থাত মাটিত ৰাখি মহান আল্লাহৰ ওচৰত অনুনয়-বিনয় কৰে তথা আনুগত্য প্ৰকাশ কৰে।

সেইকাৰণে নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে ছাজদাহ অৱস্থাত অধিক দু'আ কৰিবলৈ নিৰ্দেশ দিছে। যাতে কথা আৰু কৰ্ম উভয়ৰ মাধ্যমেৰে মহান আল্লাহৰ ওচৰত বিনয় আৰু নম্ৰতা প্ৰকাশ হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আনুগত্যই বান্দাক মহান আল্লাহৰ অধিক নিকটৱৰ্তী কৰি দিয়ে।
2. ছাজদাহ অৱস্থাত বেছি বেছি দুআ কৰা মুস্তাহাব, কাৰণ এইটো হৈছে দুআ কবূল হোৱাৰ ঠাই।

(5382)

(349) – عَنْ أَنَسٍ رضي الله عنه قَالَ: كَانَ أَكْثَرُ دُعَاءِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «اللَّهُمَّ رَبَّنَا آتِنَا فِي الدُّنْيَا حَسَنَةً، وَفِي الآخِرَةِ حَسَنَةً، وَقِنَا عَذَابَ النَّارِ». [صحيح] - [متفق عليه]

(349) – আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বেছি বেছি এই দুআ পাঠ কৰিছিলঃ "ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাহ, অফিল আ-খিৰাতি হাছানাহ, অক্বিনা আজাবান না-ৰ।" অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ দিয়া আৰু আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা’। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই গুৰুত্বপূৰ্ণ দুআটো বেছি বেছি পাঠ কৰিছিলঃ "ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাহ, অফিল আ-খিৰাতি হাছানাহ, অক্বিনা আজাবান না-ৰ।"

হে আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ দিয়া লগতে আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা পাৰ্থিৱ কল্যাণৰ ভিতৰত আছে যেনে, হালাল তথা উত্তম পৱিত্ৰ জীৱিকা, পূণ্যৱতী স্ত্ৰী, চকু শীতল কৰিব পৰা সন্তান, ক্লান্তিৰ পৰা বিশ্ৰাম, উপকাৰী জ্ঞান, নেক আমল ইত্যাদি ধৰণৰ মন পছন্দ বৈধ প্ৰয়োজনীয় বস্তু আদি। আনহাতে আখিৰাতৰ কল্যাণ যেনে- কবৰ আৰু জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা পোৱা, আল্লাহৰ সন্তুষ্টি লাভ কৰা, চিৰস্থায়ী নিয়ামত লাভ কৰা, লগতে কৰুণাময় মহান আল্লাহৰ সান্নিধ্য লাভ কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শ অনুকৰণ কৰি গুৰুত্বপূৰ্ণ দুআ পাঠ কৰা মুস্তাহাব।

2. এনেকুৱা দুআ পাঠ কৰিব লাগে য'ত পৃথিৱী আৰু আখিৰাত উভয়ৰে কল্যাণক সামৰি লোৱা হৈছে।

(5502)

(350) – عَنْ أَبِي الدَّرْدَاءِ رضي الله عنه قَالَ: قَالَ النَّبِيُّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ: «أَلاَ أُنَبِّئُكُمْ بِخَيْرِ أَعْمَالِكُمْ، وَأَزْكَاهَا عِنْدَ مَلِيكِكُمْ، وَأَرْفَعِهَا فِي دَرَجَاتِكُمْ وَخَيْرٌ لَكُمْ مِنْ إِنْفَاقِ الذَّهَبِ وَالوَرِقِ، وَخَيْرٌ لَكُمْ مِنْ أَنْ تَلْقَوْا عَدُوَّكُمْ فَتَضْرِبُوا أَعْنَاقَهُمْ وَيَضْرِبُوا أَعْنَاقَكُمْ؟» قَالُوا: بَلَى. قَالَ: «ذِكْرُ اللَّهِ تَعَالَى». [صحيح] - [رواه الترمذي وابن ماجه وأحمد]

(350) – আবু দাৰদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মই তোমালোকক তোমালোকৰ সকলো আমলতকৈ উত্তম এটা আমল সম্পৰ্কে সংবাদ নিদিমনে, যিটো তোমালোকৰ প্ৰতিপালকৰ ওচৰত অতিকৈ পৱিত্ৰ আৰু তোমালোকৰ মৰ্যাদা উন্নীত কৰিব। এনেকুৱা আমল যিটো সোণ-ৰূপ দান কৰাতকৈও উত্তম আৰু সেই যুদ্ধতকৈও উত্তম যি যুদ্ধত তোমালোকে শত্ৰুসকলক হত্যা কৰা আৰু সিহঁতে তোমালোকক শ্বহীদ কৰে?" চাহাবাসকলে ক'লেঃ নিশ্চয় জনাওক। তেখেতে ক'লেঃ সেয়া হৈছে, "মহান আল্লাহক স্মৰণ কৰা (অৰ্থাৎ জিকৰ-আজকাৰ কৰা)।" [ছহীহ] - [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক সুধিলেঃ .

তোমালোকে বিচৰানে যে, মই তোমালোকক এনেকুৱা আমল সম্পৰ্কে সংবাদ দিওঁ তথা এনেকুৱা এটা বিষয় শিকাওঁ, যিটো তোমালোকৰ সকলো আমলতকৈ উত্তম, তথা তোমালোকৰ মালিক সৰ্বশক্তিমান আল্লাহৰ দৃষ্টিত অত্যন্ত মৰ্যাদাৱান, অতি উত্তম তথা অতি পৱিত্ৰ? .

লগতে যি আমলে জান্নাতত তোমালোকৰ মৰ্যাদা উন্নীত কৰিব?

যিটো তোমালোকৰ বাবে সোণ-ৰূপ চাদাক্বাহ কৰাতকৈও উত্তম?

আনকি যুদ্ধক্ষেত্ৰত শত্ৰুসকলৰ মুখামুখী হোৱাতকৈও উত্তম, য'ত তোমালোকে শত্ৰুপক্ষক আঘাত কৰা আৰু সিহঁতে তোমালোকক আঘাত কৰে।

চাহাবাসকলে ক'লেঃ হয় আমি এইটো বিচাৰোঁ।

তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ সকলো সময়তে আৰু সকলো অৱস্থাতে আল্লাহৰ জিকৰ-আজকাৰ কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. প্ৰকাশ্য আৰু অপ্ৰকাশ্যভাৱে সদায় আল্লাহৰ জিকৰ-আজকাৰ কৰাটো হৈছে নৈকট্য লাভ কৰাৰ ডাঙৰ উপায়। এইটো আল্লাহৰ ওচৰত বৰ উপকাৰী।

2. সকলো প্ৰকাৰ আমলৰ মূল উদ্দেশ্য হৈছে আল্লাহৰ জিকৰ-আজকাৰ। যেনে- মহান আল্লাহে কৈছেঃ (وَأَقِمِ الصَّلَاةَ لِذِكْرِي) আৰু মোৰ স্মৰণাৰ্থে ছালাত কায়েম কৰা। এইদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তাৱাফ, চাফা আৰু মাৰৱাৰ মাজত ছাঈ, জামাৰাতত শিলগুটি দলিওৱা আদিৰ উদ্দেশ্য হৈছে আল্লাহৰ জিকৰ-আজকাৰ প্ৰতিষ্ঠা কৰা। (হাদীছটো আবু দাঊদ আৰু তিৰমিজীত আছে)

3. ঈঝ বিন আব্দুচ্ছালামে তেওঁৰ কাৱাঈদ গ্ৰন্থত কৈছেঃ এই হাদীছটোৱে প্ৰমাণ কৰে যে, সকলো প্ৰকাৰ ইবাদততে কষ্ট অনুযায়ী ছোৱাব প্ৰদান কৰা নহয়, বৰং আল্লাহে কেতিয়াবা সৰু সৰু আমলৰ বিনিময়তো ডাঙৰ ছোৱাব প্ৰদান কৰে। গতিকে ছোৱাব প্ৰদান কৰা হয় আমলৰ মৰ্যাদা অনুসৰি।

4. মুনাৱী ৰাহিমাহুল্লাহে ফাইজুল ক্বাদীৰ গ্ৰন্থত কৈছেঃ এই হাদীছটোৱে প্ৰমাণ কৰে যে, ইয়াৰ দ্বাৰা যিসকলক সম্বোধন কৰা হৈছে তেওঁলোকৰ বাবে জিকৰ-আজকাৰ অতিকৈ গুৰুত্বপূৰ্ণ। যদি

ইয়াৰ দ্বাৰা কোনো বাহাদুৰ ব্যক্তিক সম্বোধন কৰা হয়, যাৰ দ্বাৰা যুদ্ধত ইছলামৰ উপকাৰ হয়, তেন্তে তাক এই আমলৰ সৈতে জিহাদ অব্যাহত ৰাখিবলৈ কোৱা হ'ব। অথবা যদি কোনো ঐশ্বৰ্যশীল ব্যক্তিক সম্বোধন কৰা হয়, যাৰ সম্পদৰ দ্বাৰা দৰিদ্ৰ দুখীয়াই উপকৃত হয় তেন্তে তাক এই আমলৰ সৈতে চাদাক্বাহ অব্যাহত ৰাখিবলৈ কোৱা হ'ব। এইদৰে হজ্জৰ বাবে সক্ষম ব্যক্তিক হজ্জ কৰিবলৈ কোৱা হ'ব আৰু পিতৃ-মাতৃ থকা ব্যক্তিক তেওঁলোকৰ সৈতে সদ্ব্যৱহাৰ কৰিবলৈ কোৱা হ'ব। ইয়াৰ দ্বাৰা তেওঁ এইবোৰ কামত তাওফীক্ব অৰ্জন কৰিব।

5. পৰিপূৰ্ণ জিকৰ হৈছে সেইটো, যিটো আন্তৰিকভাৱে চিন্তা-চৰ্চাৰ লগতে মৌখিকভাৱে উচ্চাৰণ কৰা হয়। ইয়াৰ পিছত হৈছে সেইটো যিটো কেৱল আন্তৰিকভাৱে চিন্তা-চৰ্চা কৰা হয়। ইয়াৰ পিছত সেইটো যিটো কেৱল মৌখিকভাৱে উচ্চাৰণ কৰা হয়। প্ৰতিটোতে ইন শ্বা আল্লাহ ছোৱাব পোৱা যাব।

6. প্ৰতিজন মুছলিমে অৱস্থাৰ সৈতে জড়িত দুআসমূহ নিয়মিত পাঠ কৰা উচিত। উদাহৰণস্বৰূপে- পুৱা গধূলিৰ দুআসমূহ। মছজিদত, ঘৰত আৰু শৌচালয় আদিত প্ৰৱেশ কৰাৰ দুআ, আৰু এইবোৰৰ পৰা ওলোৱাৰ দুআ। ইয়াৰ ফলত বান্দাক সেইসকল লোকৰ অন্তৰ্ভুক্ত কৰা হ'ব, যিসকলে আল্লাহক বেছি বেছি স্মৰণ কৰে।

(3575)

(351) – عَنْ مُعَاذِ بْنِ جَبَلٍ رضي الله عنه قَالَ: كُنْتُ مَعَ النَّبِيِّ صَلَّى اللَّهُ عَلَيْهِ وَسَلَّمَ فِي سَفَرٍ، فَأَصْبَحْتُ يَوْمًا قَرِيبًا مِنْهُ وَنَحْنُ نَسِيرُ، فَقُلْتُ: يَا رَسُولَ اللهِ أَخْبِرْنِي بِعَمَلٍ يُدْخِلُنِي الجَنَّةَ وَيُبَاعِدُنِي عَنِ النَّارِ، قَالَ: «لَقَدْ سَأَلْتَنِي عَنْ عَظِيمٍ، وَإِنَّهُ لَيَسِيرٌ عَلَى مَنْ يَسَّرَهُ اللَّهُ عَلَيْهِ، تَعْبُدُ اللَّهَ وَلاَ تُشْرِكْ بِهِ شَيْئًا، وَتُقِيمُ الصَّلاَةَ، وَتُؤْتِي الزَّكَاةَ، وَتَصُومُ رَمَضَانَ، وَتَحُجُّ البَيْتَ» ثُمَّ قَالَ: «أَلاَ أَدُلُّكَ عَلَى أَبْوَابِ الخَيْرِ: الصَّوْمُ جُنَّةٌ، وَالصَّدَقَةُ تُطْفِئُ الخَطِيئَةَ كَمَا يُطْفِئُ الْمَاءُ النَّارَ، وَصَلاَةُ الرَّجُلِ مِنْ جَوْفِ اللَّيْلِ» قَالَ: ثُمَّ تَلاَ: «{تَتَجَافَى جُنُوبُهُمْ عَنِ الْمَضَاجِعِ}، حَتَّى بَلَغَ {يَعْمَلُونَ}» ثُمَّ قَالَ: «أَلاَ أُخْبِرُكَ بِرَأْسِ الأَمْرِ كُلِّهِ وَعَمُودِهِ، وَذِرْوَةِ سَنَامِهِ؟» قُلْتُ: بَلَى يَا رَسُولَ اللهِ، قَالَ: «رَأْسُ الأَمْرِ الإِسْلاَمُ، وَعَمُودُهُ الصَّلاَةُ، وَذِرْوَةُ سَنَامِهِ الجِهَادُ» ثُمَّ قَالَ: «أَلاَ أُخْبِرُكَ بِمَلاَكِ ذَلِكَ كُلِّهِ؟» قُلْتُ: بَلَى يَا نَبِيَّ اللهِ، فَأَخَذَ بِلِسَانِهِ قَالَ: «كُفَّ عَلَيْكَ هَذَا» فَقُلْتُ: يَا نَبِيَّ اللهِ، وَإِنَّا لَمُؤَاخَذُونَ بِمَا نَتَكَلَّمُ بِهِ؟ فَقَالَ: «ثَكِلَتْكَ أُمُّكَ يَا مُعَاذُ، وَهَلْ يَكُبُّ النَّاسَ فِي النَّارِ عَلَى وُجُوهِهِمْ أَوْ عَلَى مَنَاخِرِهِمْ إِلاَّ حَصَائِدُ أَلْسِنَتِهِمْ».

[صحيح بمجموع طرقه] - [رواه الترمذي وابن ماجه وأحمد]

(351) – মুআজ বিন জাবাল ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নিবেদন কৰিলোঁ: হে আল্লাহৰ ৰাছুল! মোক এনেকুৱা কাম সম্পৰ্কে অৱগত কৰক, যিটোৱে মোক জান্নাতত লৈ যাব আৰু জাহান্নামৰ পৰা আঁতৰত ৰাখিব। তেখেতে ক'লে: তুমি এটা বৃহৎ বিষয়ে প্ৰশ্ন কৰিছা। এইটো তাৰ বাবে অতি সহজ, যাৰ বাবে আল্লাহে সহজ কৰি দিয়ে। তোমালোকে আল্লাহৰ ইবাদত কৰা, তেওঁৰ লগত আনক অংশীদাৰ নকৰিবা, ছালাত প্ৰতিষ্ঠা কৰা, যাকাত প্ৰদান কৰা, ৰমজানৰ ছওম পালন কৰা আৰু (কা'বা) ঘৰৰ হজ্জ কৰা। তাৰ পিছত তেখেতে ক'লে: মই তোমালোকক কল্যাণৰ দুৱাৰ নেদেখুৱামনে? ছওম হৈছে ঢাল, ছাদাকাই গুনাহক নিঃশেষ কৰি দিয়ে, যেনেকৈ পানীয়ে জুইক নুমাই দিয়ে; লগতে মানুহৰ গভীৰ ৰাতিত ছালাত আদায় কৰাও ইয়াৰেই অন্তৰ্ভুক্ত। তাৰ পিছত তেখেতে এই আয়াত তিলাৱত কৰিলে: تتجافي جنوبهم عن المضاجع পৰা يعلمون লৈকে। অৰ্থ: তেওঁলোকৰ শৰীৰ বিছনাৰ পৰা পৃথক থাকে। তেওঁলোকে ভয় আৰু আশাৰে নিজ প্ৰতিপালকক আহ্বান কৰে আৰু আমি তেওঁলোকক যি জীৱিকা দান কৰিছোঁ তাৰ পৰা তেওঁলোকে ব্যয় কৰে। এতেকে কোনোৱেই নাজানে তেওঁলোকৰ বাবে চকু জুৰ পেলোৱা কি লুকুৱাই ৰখা হৈছে, তেওঁলোকৰ কৃতকৰ্মৰ পুৰস্কাৰ স্বৰূপে! [ছুৰা আচ-ছাজদাহ: ১৬-১৭] তেখেতে আকৌ ক'লে: মই তোমাক কৰ্মৰ মূল আৰু ইয়াৰ স্তম্ভ লগতে ইয়াৰ সৰ্বোচ্চ শিখৰ সম্পৰ্কে নজনামনে? মই নিবেদন কৰিলোঁ: হে আল্লাহৰ ৰাছুল! অৱশ্যে জনাওক। তেখেতে ক'লে: কৰ্মৰ মূল হৈছে ইছলাম, ইয়াৰ স্তম্ভ হৈছে ছালাত আৰু ইয়াৰ সৰ্বোচ্চ শিখৰ হৈছে জিহাদ। তাৰ পিছত তেখেতে ক'লে: মই তোমাক এইবোৰ আয়ত্তত ৰখাৰ উপায় নকমনে? মই নিবেদন কৰিলোঁ: হে আল্লাহৰ ৰাছুল! অৱশ্যে কওক। তেখেতে নিজৰ জিভাক ধৰি ক'লে: ইয়াক সংযত ৰাখিবা। মই সুধিলোঁ: হে আল্লাহৰ নবী! আমি যি কওঁ তাৰ হিচাপ হ'ব নেকি? তেখেতে ক'লে: তোমাৰ মাকে তোমাক হেৰুৱাওক, হে মু'আজ! জিভাৰ উৎপন্ন ফচলৰ বাহিৰে আন কিবা এনেকুৱা আছে নেকি যিটোৱে

মানুহক মুখ চুঁচৰি জাহান্নামৰ জুইত নিক্ষেপ কৰে? [সকলো তথ্যসূত্ৰ অনুযায়ী ছহীহ] - [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

**ব্যাখ্যা:**

মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ এবাৰ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে এটা ভ্ৰমণত আছিলোঁ, এদিনাখন পুৱাৰ ভাগত আমি গৈ থকা অৱস্থাতে মই তেখেতৰ ওচৰলৈ আহি সুধিলোঁ, হে আল্লাহৰ ৰাছুল! মোক এনেকুৱা এটা আমল শিকাই দিয়ক, যিটো কৰিলে মই জান্নাতত প্ৰৱেশ কৰিব পাৰিম, আৰু জাহান্নামৰ পৰা ৰক্ষা পাম। তেখেতে ক'লেঃ তুমি মোক এনেকুৱা এটা ডাঙৰ আমল সম্পৰ্কে সুধিছা, যিটো কৰা নফচৰ বাবে বৰ কঠিন। কিন্তু আল্লাহে যাৰ বাবে সহজ কৰি দিয়ে, তাৰ বাবে সহজ। ইছলামৰ বাধ্যতামূলক ফৰজবোৰ পালন কৰা।

প্ৰথমঃ একমাত্ৰ আল্লাহৰ ইবাদত কৰা, তেওঁৰ সৈতে আন কাকো অংশীদাৰ স্থাপন নকৰিবা।

দ্বিতীয়ঃ দিনে ৰাতি পাঁচ ওৱাক্ত ফৰজ নামাজ প্ৰতিষ্ঠা কৰা। যেনে- ফজৰ, জোহৰ, আচৰ, মাগৰিব আৰু ঈশ্বা। ইয়াৰ চৰ্তসমূহ, ৰুকনসমূহ আৰু ওৱাজিবাত সহকাৰে আদায় কৰা।

তৃতীয়ঃ ফৰজ জাকাত প্ৰদান কৰা। এইটো হৈছে আৰ্থিক ওৱাজিব ইবাদত, চৰীয়তে নিৰ্ধাৰণ কৰা এটা নিৰ্দিষ্ট পৰিমাণত উপনীত হ'লে সেই সম্পদৰ পৰা এটা নিৰ্দিষ্ট পৰিমাণৰ ধন হিতাধিকাৰীসকলক প্ৰদান কৰিব লাগে।

চতুৰ্থঃ ৰমাজান মাহৰ ৰোজা ৰখা। অৰ্থাৎ আল্লাহৰ ইবাদতৰ নিয়্যতেৰে ফজৰ উদয় হোৱাৰ পিছৰ পৰা সূৰ্য অস্ত যোৱালৈকে পানাহাৰ আদি ৰোজা ভংগকাৰী বিষয়ৰ পৰা বিৰত থকা।

পঞ্চমঃ সৰ্বশক্তিমান আল্লাহৰ ইবাদত কৰিবলৈ, হজ্জৰ যাৱতীয় বিধান পালন কৰাৰ উদ্দেশ্যে মক্কালৈ গমন কৰা।

ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ মই তোমাক এনেকুৱা পথৰ সন্ধান নিদিমনে? যিটো কল্যাণৰ দুৱাৰ খুলি দিব, সেয়া হৈছে, ফৰজৰ লগতে নফলসমূহ পালন কৰা।

প্ৰথমঃ নফল ৰোজা ৰখা। এইটো হৈছে গুনাহত লিপ্ত হোৱাৰ পৰা বাধা প্ৰদানকাৰী প্ৰাচীৰ। ইয়াৰ ফলত প্ৰবৃত্তিৰ কামনা-বাসনা দমন হয়। প্ৰতিৰোধ শক্তি বৃদ্ধি পায়।

দ্বিতীয়ঃ নফল চাদাক্বাহ কৰা। ইয়াৰ ফলত গুনাহ মোচন হয় আৰু ইয়াৰ প্ৰভাৱ দূৰ হয়।

তৃতীয়ঃ ৰাতিৰ শেষ তৃতীয়াংশত তাহাজ্জুদ আদায় কৰা। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই আয়াত তিলাৱত কৰিলেঃ {تتجافى جنوبهم} তেওঁলোকে নিজৰ শৰীৰক আঁতৰত ৰাখে। {عن المضاجع} বিছনাৰ পৰা। {يدعون ربهم} তেওঁলোকৰ প্ৰতিপালকৰ ওচৰত প্ৰাৰ্থনা কৰে, নামাজ, জিকৰ-আজকাৰ, তিলাৱত আৰু দুআৰ জৰিয়তে। {خوفا وطمعا ومما رزقناهم ينفقون، فلا تعلم نفس ما أخفي لهم من قرة أعين} ভয় আৰু আশাৰ সৈতে নিজ প্ৰতিপালকক আহ্বান কৰে আৰু আমি তেওঁলোকক যি জীৱিকা দান কৰিছোঁ তাৰ পৰা তেওঁলোকে দান কৰে। এতেকে কোনোৱেই নাজানে তেওঁলোকৰ বাবে চকু জুৰ পেলোৱা কি (প্ৰতিদান) লুকুৱাই ৰখা হৈছে! অৰ্থাৎ জান্নাত কি কি নিয়ামত ৰখা হৈছে। {جزاء بما كانوا يعملون} এইবোৰ হৈছে তেওঁলোকৰ আমলৰ প্ৰতিফল।

ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ মই তোমাক দ্বীনৰ মূল বিষয় সম্পৰ্কে অৱগত কৰামনে? আৰু সেই খুঁটা সম্পৰ্কে যিটোৰ ওপৰত ই নিৰ্ভৰ কৰে? তথা ইয়াৰ উচ্চ শৃংগ সম্পৰ্কে?

মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ নিশ্চয়, হে আল্লাহৰ ৰাছুল।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ ইছলামৰ মূল বিষয় হৈছে শ্বাহাদাতাইন (দুটা সাক্ষ্য)। এই দুটাই হৈছে মানুহৰ ধৰ্মৰ মূল। ইয়াৰ খুঁটা হৈছেঃ নামাজ। নামাজ অবিহনে কোনেও মুছলিম হ'ব নোৱাৰে। যিদৰে খুঁটা নোহোৱাকৈ ঘৰ টিকি থাকিব নোৱাৰে। এতেকে যিয়ে নামাজ পঢ়ে তেওঁ নিজৰ দ্বীন শক্তিশালী কৰে আৰু সুউচ্চ কৰে। এইদৰে ধৰ্মৰ উচ্চ

শৃংগ হৈছে জিহাদ। আল্লাহৰ কলিমা সুউচ্চ ৰাখিবলৈ ধৰ্মৰ শত্ৰুসকলৰ সৈতে সৰ্বতো প্ৰকাৰে সংগ্ৰাম কৰা।

ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মই তোমাক উপৰোক্ত বিধানবোৰ মজবুতকৈ আয়ত্তত ৰখাৰ উপায় দিমনে? ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে জিভাক ধৰি ক'লে, ইয়াক নিয়ন্ত্ৰণত ৰাখিবা, অলাগতিয়াল অপ্ৰয়োজনীয় কোনো কথা নক'বা। মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ আমি কোৱা প্ৰতিটো কথাৰেই মহান আল্লাহে হিচাপ-নিকাচ ল'ব নেকি তথা শাস্তি বিহিব নেকি?

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তোমাৰ মাকে তোমাক হেৰুৱাওক। এইটো কোনো বদ্দুআ নহয়। দৰাচলতে এইটো হৈছে আৰবীয়ানসকলৰ এটা বাকধাৰা, কোনো এটা গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে অৱগত কৰাবলৈ তেওঁলোকে এনেকুৱা প্ৰবাদ বাক্য ব্যৱহাৰ কৰে। ইয়াৰ পিছত তেখেতে কৈছেঃ তুমি নাজানানে যে, জিভাৰ ফচলৰ কাৰণেই মানুহক নাক চুঁচৰাই জাহান্নামত নিক্ষেপ কৰা হ'ব, কুফৰী কৰাৰ কাৰণে, অপবাদ, গালি শপনি, গীবত তথা সমালোচনা, চুগলি আৰু মিছা অভিযোগৰ কাৰণে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. জ্ঞান অৰ্জনৰ প্ৰতি চাহাবাসকল খুবেই আগ্ৰহী আছিল। সেইকাৰণে তেওঁলোকে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক বেছি বেছি প্ৰশ্ন কৰিছিল।
2. চাহাবাসকলে এই কথা ভালদৰেই জানিছিল যে, আমলেই হৈছে জান্নাতত প্ৰৱেশৰ কাৰণ।
3. মুআজ ৰাদ্বিয়াল্লাহু আনহুৱে কৰা প্ৰশ্নটো আছিল এটা মহান প্ৰশ্ন। কাৰণ প্ৰকৃততে এইটোৱে হৈছে অস্তিত্ব আৰু জীৱনৰ মূল ৰহস্য। এই পৃথিৱীত থকা প্ৰতিজন আদম সন্তান আৰু জিনৰ শেষ ঠিকনা

হৈছে জান্নাত অথবা জাহান্নাম। এতেকে সেই কাৰণে এই প্ৰশ্নটো অধিক গুৰুত্বপূৰ্ণ হৈ পৰে।

4. ইছলামৰ আৰকানসমূহৰ ওপৰত আমল কৰিলেহে জান্নাতত প্ৰৱেশ কৰা সম্ভৱ। সেয়া হৈছেঃ তাওহীদ, চালাত, যাকাত, চিয়াম আৰু হজ্জ।

5. দ্বীনৰ সৰ্বোচ্চ শিখৰ, তথা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে আল্লাহক একক বুলি স্বীকাৰ কৰা, একমাত্ৰ তেওঁৰেই ইবাদত কৰা আৰু তেওঁৰ সৈতে আন কাকো অংশীদাৰ স্থাপন নকৰা।

6. বান্দাসকলৰ প্ৰতি মহান আল্লাহৰ অনুগ্ৰহ যে, তেওঁ বান্দাসকলৰ বাবে কল্যাণৰ দুৱাৰসমূহ খুলি দিয়ে। যাতে তেওঁলোকৰ ছোৱাব বৃদ্ধি হয় আৰু গুনাহ মোচন হয়।

7. ফৰজসমূহ আদায় কৰাৰ লগতে নফল আদায়ৰ জৰিয়তে আল্লাহৰ নৈকট্য লাভ কৰাৰ ফজীলত।

8. নামাজ হৈছে ইছলামৰ সেই খুঁটিৰ দৰে, যিটোৰ ওপৰত গোটেই তম্বু নিৰ্ভৰ কৰে। যিদৰে তম্বুৰ খুঁটি পৰি গ'লে তম্বু পৰি যায়, ঠিক সেইদৰে নামাজ এৰিলেও ইছলাম গুচি যায়।

9. দ্বীনি ক্ষেত্ৰত ক্ষতি কৰিব পৰা বিষয়ৰ পৰা জিভাক সুৰক্ষিত ৰখা অনিবাৰ্য।

10. জিভাক নিয়ন্ত্ৰণত ৰখাটো হৈছে সকলো প্ৰকাৰ কল্যাণৰ মূল।

(4303)

(352) – عَنْ عَائِشَةَ رضي الله عنها: أَنَّ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ كَانَ إِذَا أَوَى إِلَى فِرَاشِهِ كُلَّ لَيْلَةٍ جَمَعَ كَفَّيْهِ، ثُمَّ نَفَثَ فِيهِمَا فَقَرَأَ فِيهِمَا: {قُلْ هُوَ اللهُ أَحَدٌ}، وَ{قُلْ أَعُوذُ بِرَبِّ الْفَلَقِ}، وَ{قُلْ أَعُوذُ بِرَبِّ النَّاسِ}، ثُمَّ يَمْسَحُ بِهِمَا مَا اسْتَطَاعَ مِنْ جَسَدِهِ، يَبْدَأُ بِهِمَا عَلَى رَأْسِهِ وَوَجْهِهِ وَمَا أَقْبَلَ مِنْ جَسَدِهِ، يَفْعَلُ ذَلِكَ ثَلَاثَ مَرَّاتٍ. [صحيح] - [رواه البخاري]

(352) – আয়িশ্বাহ ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিতঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰতি ৰাতি টোপনি যোৱাৰ আগত বিছনাত আহি ছুৰা ইখলাচ, ছুৰা ফালাক্ব আৰু ছুৰা নাছ পাঠ কৰি দুয়ো হাত একেলগ কৰি তাত ফুঁ দি শৰীৰৰ যিমান দূৰ সম্ভৱ মছেহ কৰিছিল, মূৰৰ পৰা আৰম্ভ কৰি মুখমণ্ডল আৰু শৰীৰৰ সন্মুখ ভাগত স্পৰ্শ কৰিছিল। এইটো তেখেতে তিনিবাৰ কৰিছিল। [ছহীহ] - [(বুখাৰী)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এইটো নিয়ম আছিল যে, তেখেতে শুবলৈ যেতিয়া বিছনাত আহিছিল তেতিয়া তেখেতে ছুৰা ইখলাচ, ছুৰা ফালাক্ব আৰু ছুৰা নাছ পাঠ কৰি দুয়ো হাত দুআ কৰাৰ নিচিনাকৈ একত্ৰিত কৰি তাত অকণ থু থু দিয়াৰ নিচিনাকৈ ফুঁ দিছিল, আৰু তাৰ পিছত দুয়োখন হাতেৰে যিমান দূৰ সম্ভৱ মছেহ কৰিছিল। মূৰৰ পৰা আৰম্ভ কৰিছিল, মুখমণ্ডলকে আদি কৰি বিশেষকৈ শৰীৰৰ সন্মুখ ভাগত স্পৰ্শ কৰিছিল। এইটো তেখেতে তিনিবাৰ কৰিছিল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. টোপনি যোৱাৰ আগত ছুৰা ইখলাচ, ছুৰা ফালাক্ব আৰু ছুৰা নাছ পাঠ কৰি হাতত ফুঁ দি শৰীৰ মছেহ কৰা মুস্তাহাব।

(65060)

(353) – عَنْ شَدَّادِ بْنِ أَوْسٍ رَضِيَ اللَّهُ عَنْهُ عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «سَيِّدُ الِاسْتِغْفَارِ أَنْ تَقُولَ: اللَّهُمَّ أَنْتَ رَبِّي لاَ إِلَهَ إِلَّا أَنْتَ، خَلَقْتَنِي وَأَنَا عَبْدُكَ، وَأَنَا عَلَى عَهْدِكَ وَوَعْدِكَ مَا اسْتَطَعْتُ، أَعُوذُ بِكَ مِنْ شَرِّ مَا صَنَعْتُ، أَبُوءُ لَكَ بِنِعْمَتِكَ عَلَيَّ، وَأَبُوءُ لَكَ بِذَنْبِي فَاغْفِرْ لِي، فَإِنَّهُ لاَ يَغْفِرُ الذُّنُوبَ إِلَّا أَنْتَ» قَالَ: «وَمَنْ قَالَهَا مِنَ النَّهَارِ مُوقِنًا بِهَا، فَمَاتَ مِنْ يَوْمِهِ قَبْلَ أَنْ يُمْسِيَ، فَهُوَ مِنْ أَهْلِ الجَنَّةِ، وَمَنْ قَالَهَا مِنَ اللَّيْلِ وَهُوَ مُوقِنٌ بِهَا، فَمَاتَ قَبْلَ أَنْ يُصْبِحَ، فَهُوَ مِنْ أَهْلِ الجَنَّةِ». [صحيح] - [رواه البخاري]

(353) – শ্বাদ্দাদ বিন আউছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ছাইয়্যেদুল ইস্তিগফাৰ হৈছে, এইদৰে কোৱাঃ "আল্লাহুম্মা আনতা ৰাব্বী লা ইলাহা ইল্লা আনতা, খালাকতানী ওৱা আনা আব্দুক, ওৱা আনা আলা আহদিক, ওৱা অ'দিকা মাস্তা'ত্বতু, আউজুবিকা মিন শ্বাৰ্ৰি মা চানা'তু, আবুউ লাকা বিনি'মাতিকা আলাইয়্যা, ৱা আবুউ লাকা বিজাম্বী ফাগফিৰলী, ফা ইন্নাহু লা য়াগফিৰুজ্জুনূবা ইল্লা আনতা।" তেওঁ কৈছেঃ "যিয়ে ইয়াৰ প্ৰতি বিশ্বাস কৰি দিনত এইটো পাঠ কৰিব, সন্ধিয়া হোৱাৰ আগতেই যদি সি মৃত্যুবৰণ কৰে, তেন্তে সি হ'ব জান্নাতৰ অধিবাসী। আনহাতে যদি ইয়াৰ ওপৰত বিশ্বাস কৰি ৰাতিত পাঠ কৰে তেন্তে প্ৰভাত হোৱাৰ আগতে যদি সি মৃত্যুবৰণ কৰে তেন্তে সি জান্নাতৰ অধিবাসী।" [ছহীহ] - [(বুখাৰী)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, ইস্তিগফাৰৰ কেইবাটাও বাক্য আছে, তাৰে উত্তম আৰু মহান বাক্য হৈছে, এইদৰে কোৱাঃ আল্লা-হুম্মা আনতা ৰাব্বী, লা ইলা-হা ইল্লা আনতা, খালাকতানী ৱা আনা আব্দুকা, ৱা আনা আলা আহদিকা, ৱা ৱা'দিকা মাচ-তাত্বা'তু। আউজুবিকা মিন শ্বাৰ্ৰি মা চানা'তু। আবুওলাকা বিনি'মাতিকা আলাইয়্যা, ৱা আবুও বিজাম্বী, ফাগফিৰলী, ফা ইন্নাহু লা য়াগফিৰুজ জুনূবা ইল্লা আনতা।

(হে আল্লাহ! তুমিয়েই মোৰ ৰব্ব। তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তুমিয়েই মোক সৃষ্টি কৰিছা, মই তোমাৰ বান্দা। মই তোমাৰ প্ৰতিশ্ৰুতিৰ ওপৰত সাধ্যানুসাৰে প্ৰতিষ্ঠিত। মই যি কৰিছোঁ তাৰ অন্যায়ৰ পৰা মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ। তুমি মোক যি নিয়ামত প্ৰদান কৰিছা তাৰ বাবে মই তোমাৰ ওচৰত কৃতজ্ঞ। মই মোৰ গুনাহ কবুল কৰিছোঁ। গতিকে তুমি মোক ক্ষমা কৰি দিয়া, কাৰণ নিশ্চিতভাৱে তোমাৰ বাহিৰে আন কোনেও গুনাহ ক্ষমা কৰিব নোৱাৰে।) ইয়াত বান্দাই প্ৰথমে আল্লাহৰ তাওহীদৰ স্বীকৃতি দিছে যে, আল্লাহেই তাৰ সৃষ্টিকৰ্তা, তেৱেঁই তাৰ উপাস্য, যাৰ কোনো অংশীদাৰ নাই, আৰু সি আল্লাহৰ প্ৰতি ঈমান আনিবলৈ আৰু সক্ষম অনুযায়ী তেওঁৰ আনুগত্য কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ। কাৰণ বান্দা যিমানেই ইবাদতগুজাৰ নহওক কিয়, সি কেতিয়াও আল্লাহৰ যাৱতীয় আদেশ সম্পূৰ্ণৰূপে পালন কৰিবলৈ সক্ষম নহয়, আনকি নিয়ামত অনুপাতে কৃতজ্ঞতা জনোৱাৰো ক্ষমতা নাই। সেয়ে বান্দাই আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰা উচিত, আৰু তেওঁৰ ৰচীক মজবুতভাৱে ধাৰণ কৰা উচিত, কাৰণ তেৱেঁই বান্দাক যাৱতীয় অনিষ্টৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম। লগতে বান্দাই এই দুআটোত নিজৰ ওপৰত থকা নিয়ামতসমূহক স্ব-ইচ্ছাই স্বীকাৰ কৰিছে, লগতে নিজৰ গুনাহসমূহো স্বীকাৰ কৰিছে তথা মানি লৈছে। আল্লাহৰ ওচৰত এই আশ্ৰয় প্ৰাৰ্থনাৰ পিছত দুআ কৰা হৈছে যে, তেওঁ যেন তাক ক্ষমা কৰি দিয়ে আৰু অন্যান্য গুনাহসমূহক পৰ্দা কৰি ৰাখে, লগতে তেওঁৰ দয়া আৰু কৰুণাৰে সেইবোৰ মাৰ্জনা কৰে। কাৰণ তেওঁৰ বাহিৰে আন কোনেও গুনাহ ক্ষমা কৰিব নোৱাৰে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, এইটো হৈছে পুৱা গধূলি পঢ়িবলগীয়া এটা দুআ। যদি কোনোবাই এই দুআটোৰ অৰ্থ অনুসৰি ঈমান পোষণ কৰি পুৱাৰ ভাগত পাঠ কৰে আৰু সন্ধিয়া হোৱাৰ আগতে যদি মৃত্যুবৰণ কৰে তেন্তে সি জান্নাতত প্ৰৱেশ কৰিব। আনহাতে যিয়ে সন্ধিয়াৰ সময়ত পাঠ কৰিব, অৰ্থাৎ সূৰ্যাস্ত যোৱাৰ পিছৰ পৰা ফজৰৰ আগলৈকে

যিকোনো সময়ত, সি যদি প্ৰভাত হোৱাৰ আগতে মৃত্যুবৰণ কৰে তেন্তে সি জান্নাতত প্ৰৱেশ কৰিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ইস্তিগফাৰৰ বাক্যবোৰ বিভিন্ন ধৰণৰ আছে, তাৰে কিছুমান বাক্য আন কিছুমানতকৈ উত্তম।
2. বান্দাই এই দুআটোৰ দ্বাৰা আল্লাহৰ ওচৰত দুআ কৰা উচিত, কাৰণ এইটো হৈছে ছায়্যেদুল ইস্তিগফাৰ, অৰ্থাৎ প্ৰাধান্যতম ইস্তিগফাৰৰ দুআ।

(5503)

(354) – عَنْ أَبِي هُرَيْرَةَ رضي الله عنه عَنِ النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: أَنَّهُ كَانَ يَقُولُ إِذَا أَصْبَحَ: «اللهُمَّ بِكَ أَصْبَحْنَا، وَبِكَ أَمْسَيْنَا، وَبِكَ نَحْيَا، وَبِكَ نَمُوتُ، وَإِلَيْكَ النُّشُورُ» وَإِذَا أَمْسَى قَالَ: «بِكَ أَمْسَيْنَا، وَبِكَ أَصْبَحْنَا، وَبِكَ نَحْيَا، وَبِكَ نَمُوتُ، وَإِلَيْكَ النُّشُورُ» قَالَ: وَمَرَّةً أُخْرَى: «وَإِلَيْكَ الْمَصِيرُ». [حسن] - [رواه أبو داود والترمذي والنسائي في الكبرى وابن ماجه]

(354) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তেখেতে পুৱাৰ ভাগত এনেকৈ কৈছিল। উচ্চাৰণঃ "আল্লা-হুম্মা বিকা আছবাহনা, অবিকা আমছাইনা, অবিকা নাহয়া, অবিকা নামূতু, অ ইলাইকান নুশ্‌বু-ৰ"। অৰ্থ: হে আল্লাহ! তোমাৰ নামতে আমি প্ৰভাত কৰিলোঁ আৰু তোমাৰ নামতে আমি ৰাতিত প্ৰৱেশ কৰিছোঁ আৰু তোমাৰ নামতে আমি জীৱিত হওঁ আৰু তোমাৰ নামতে আমি মৃত্যুবৰণ কৰোঁ আৰু তোমাৰ ফালেই আমি উভতি যাম।
আৰু সন্ধিয়াৰ ভাগত এনেকৈ কৈছিল। উচ্চাৰণঃ "আল্লা-হুম্মা বিকা আমছাইনা, অবিকা আচবাহনা, অবিকা নাহয়া, অবিকা নামূতু, অ ইলাইকাল মাচীৰ"।
অৰ্থ: হে আল্লাহ! আমি তোমাৰ নামতে সন্ধিয়াত উপনীত হৈছোঁ আৰু তোমাৰ নামতে আমি প্ৰভাত কৰিছোঁ আৰু তোমাৰ নামতে আমি জীৱিত হওঁ আৰু তোমাৰ নামতে আমি মৃত্যুবৰণ কৰোঁ আৰু তোমাৰ ওচৰলৈকেই আমাৰ শেষ ঠিকনা। [হাছান] - []

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পুৱাৰ ভাগত, অৰ্থাৎ ফজৰৰ পিছত দিনৰ প্ৰথম সময়ছোৱাত এই দুআটো পাঠ কৰিছিলঃ

(اللَّهُمَّ بِكَ أَصْبَحْنَا) হে আল্লাহ! তোমাৰ হিফাজতৰ ভিতৰত থাকি, তোমাৰ নিয়ামতেৰে আগুৰি থাকি, তোমাৰ স্মৰণত ব্যস্ত হৈ, তোমাৰ নামৰ সহায় বিচাৰি, তোমাৰ তাওফীকেৰে, তোমাৰ ক্ষমতা আৰু শক্তি-সামৰ্থৰে গতি কৰি পুৱাৰ ভাগত উপনীত হ'লোঁ। (وَبِكَ أَمْسَيْنَا، وَبِكَ نَحْيَا،

(وَبِكَ نَمُوتُ) অৰ্থাৎ পূৰ্বৱৰ্তী শব্দসমূহৰ দৰেই, কিন্তু সন্ধিয়াৰ সময়ত এইদৰে কোৱা হয়ঃ হে আল্লাহ! আমি তোমাৰ অধীনতে সন্ধিয়াত উপনীত হ'লোঁ, তোমাৰ জীৱন দানকাৰী নামেৰে মই জীৱিত হওঁ আৰু তোমাৰ মৃত্যু প্ৰদানকাৰী নামেৰে আমি মৃত্যুবৰণ কৰোঁ। (وَإِلَيْكَ النُّشُورُ) আৰু মৃত্যুৰ পিছত তোমাৰ ওচৰতে পুনৰুত্থিত হৈ যাব লাগিব। মৃত্যুৰ পিছত পুনৰুত্থিত, একত্ৰিত হোৱাৰ পিছত বিচ্ছেদ, সকলো সময়তে আৰু সকলো পৰিস্থিতিতে এইটো আমাৰ অৱস্থা, ইয়াৰ পৰা আমি পৃথক হ'বও নোৱাৰোঁ আৰু এৰিবও নোৱাৰোঁ।

আচৰৰ পিছত সন্ধিয়াত উপনীত হোৱাৰ সময়ত এনেকৈ ক'ব লাগেঃ ("আল্লা-হুম্মা বিকা আমছাইনা, অবিকা আচবাহনা, অবিকা নাহয়া, অবিকা নামূতু, অ ইলাইকাল মাচীৰ"।) পৃথিৱীৰ প্ৰত্যাৱৰ্তনো তোমাৰ ওচৰতেই আৰু আখিৰাতৰ প্ৰত্যাৱৰ্তনো তোমাৰ ওচৰতেই, তুমিয়েই মোক জীৱন দান কৰা আৰু তুমিয়েই মোক মৃত্যু প্ৰদান কৰা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহঃ

1. নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অনুসৰণ কৰি এই দুআ পুৱা গধূলি পাঠ কৰাটো মুস্তাহাব।
2. সকলো সময়তে আৰু সকলো অৱস্থাতে বান্দা নিজ প্ৰতিপালকৰ মুখাপেক্ষী।
3. পুৱাৰ ভাগত জিকৰ-আজকাৰ পাঠ কৰা উত্তম। ফজৰৰ পৰা সূৰ্যোদয় হোৱাৰ আগমূহুৰ্তলৈকে তথা দিনৰ প্ৰথম ভাগত। এইদৰে আচৰৰ পিছৰ পৰা সূৰ্য্য অস্ত যোৱাৰ আগমূহুৰ্তলৈকে। কিন্তু যদি কোনোবাই ইয়াৰ পিছত পঢ়ে, অৰ্থাৎ পুৱাৰ ভাগত সূৰ্য্য উদয় হোৱাৰ পিছত পঢ়ে, অথবা জোহৰৰ পিছত পঢ়ে, নাইবা মাগৰিবৰ পিছত পঢ়ে তথাপিও কোনো অসুবিধা নাই। এইবোৰ সময়তো পঢ়িব পাৰি।

4. পুৱাৰ ভাগত "وإليك النُّشور" (পুনৰুত্থিত হৈ তোমাৰ ফালেই উভতি যাম) এই কথা কোৱাৰ অৰ্থ হৈছে, পুনৰুত্থান আৰু মৃত্যুৰ পিছত কিয়ামতৰ দিনা হ'বলগীয়া ডাঙৰ পুনৰুত্থানক স্মৰণ কৰা। যিহেতু টোপনিৰ পৰা উঠি এটা নতুন জীৱন আৰু এটা নতুন দিন লাভ কৰা হয়, য'ত প্ৰাণ ওভতাই দিয়া হয়, আৰু মানুহে বিভিন্ন কামত ওলাই পৰে, আৰু এনেকুৱা এটা দিনত ভৰি দিয়ে যিটোক আল্লাহে সৃষ্টি কৰিছে, যাতে মানুহৰ বাবে এইটো এটা সাক্ষী হ'ব পাৰে। লগতে ইয়াৰ সময় আৰু প্ৰতিটো ক্ষণ হৈছে আমাৰ আমলৰ বাবে একো একোটা ধন-ভাণ্ডাৰ।
5. সন্ধিয়াৰ সময়ত "وإليك المصير" কোৱাৰ অৰ্থ হৈছে, এই সময়ত মানুহে কৰ্মক্ষেত্ৰৰ পৰা নিজৰ ঘৰলৈ উভতি আহে, গোটেই দিনটোৰ পৰিশ্ৰমৰ পিছত বিশ্ৰাম লয়। সেয়ে এইটোৱে তাক আল্লাহৰ ওচৰলৈ হ'বলগীয়া প্ৰত্যাৱৰ্তনৰ কথা স্মৰণ কৰায়, লগতে আখিৰাতত পাবলগীয়া পৰিণামৰ কথা মনত পেলাই দিয়ে।

(5490)

(355) – عَنْ أَبَانَ بْنِ عُثْمَانَ قَالَ: سَمِعْتُ عُثْمَانَ ابْنِ عَفَّانَ رضي الله عنه يَقُولُ: سَمِعْتُ رَسُولَ اللَّهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «**مَنْ قَالَ بِسْمِ اللَّهِ الَّذِي لَا يَضُرُّ مَعَ اسْمِهِ شَيْءٌ، فِي الْأَرْضِ، وَلَا فِي السَّمَاءِ، وَهُوَ السَّمِيعُ الْعَلِيمُ، ثَلَاثَ مَرَّاتٍ، لَمْ تُصِبْهُ فَجْأَةُ بَلَاءٍ، حَتَّى يُصْبِحَ، وَمَنْ قَالَهَا حِينَ يُصْبِحُ ثَلَاثُ مَرَّاتٍ، لَمْ تُصِبْهُ فَجْأَةُ بَلَاءٍ حَتَّى يُمْسِيَ**»، قَالَ: فَأَصَابَ أَبَانَ بْنَ عُثْمَانَ الْفَالِجُ، فَجَعَلَ الرَّجُلُ الَّذِي سَمِعَ مِنْهُ الْحَدِيثَ يَنْظُرُ إِلَيْهِ، فَقَالَ لَهُ: مَا لَكَ تَنْظُرُ إِلَيَّ؟ فَوَاللَّهِ مَا كَذَبْتُ عَلَى عُثْمَانَ، وَلَا كَذَبَ عُثْمَانُ عَلَى النَّبِيِّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ، وَلَكِنَّ الْيَوْمَ الَّذِي أَصَابَنِي فِيهِ مَا أَصَابَنِي غَضِبْتُ فَنَسِيتُ أَنْ أَقُولَهَا. [صحيح] - [رواه أبو داود والترمذي وابن ماجه والنسائي في الكبرى وأحمد]

(355) – আবান বিন উছমানে কৈছে, মই উছমান বিন আফ্‌ফান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা শুনিছোঁ, তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "যিয়ে সন্ধিয়াৰ ভাগত তিনিবাৰ এই দুআ পাঠ কৰিবঃ বিছমিল্লাহিল লাজী লা য়াজুৰ্ৰু মাআছমিহি শ্বাইয়ুন ফিল আৰজি অলা ফিচ্ছামা, অহুৱাচ ছামীউল আলীম। তাক প্ৰভাত পৰ্যন্ত কোনো আকস্মিক বিপদে স্পৰ্শ নকৰিব। এইদৰে যিয়ে পুৱাৰ ভাগত তিনিবাৰ পাঠ কৰিব, তাক সন্ধিয়ালৈকে কোনো আকস্মিক বিপদে স্পৰ্শ নকৰিব।" বৰ্ণনাকাৰীয়ে কৈছেঃ আবান বিন উছমানৰ পক্ষাঘাত (paralysis) হোৱাত, তেওঁৰ পৰা হাদীছ শ্ৰৱণ কৰা ব্যক্তিজনে তেওঁৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই আছিল। তেতিয়া আবানে তেওঁক ক'লেঃ তোমাৰ কি হৈছে, তুমি কিয় এনেকৈ মোৰ ফালে চাই আছা? শুনা! আল্লাহৰ শপত, মই উছমানৰ প্ৰতি মিছা আৰোপ কৰা নাই, আৰু উছমানেও নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি মিছা আৰোপ কৰা নাই। কিন্তু যিদিনা মই পক্ষাঘাতগ্ৰস্ত হৈছোঁ, সেইদিনা মই ক্ৰোধৰ বশৱৰ্তী হৈ এই দুআটো পাঠ কৰিবলৈ পাহৰি গৈছিলোঁ। [ছহীহ] - []

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কৈছে যে, যিয়ে দৈনিক ফজৰৰ পিছত আৰু দৈনিক সূৰ্য্য অস্ত যোৱাৰ পিছত এই

দুআটো তিনিবাৰ পাঠ কৰিবঃ এই দুআটোৰ ভাৱাৰ্থ হৈছে, আৰম্ভ কৰিছোঁ মহান আল্লাহৰ নামত, যাৰ নামৰ বৰকতত পৃথিৱী আৰু আকাশমণ্ডলৰ কোনো ক্ষতিকাৰক বস্তুৱেই একো ক্ষতি কৰিব নোৱাৰে। সেয়া যিমান ডাঙৰে নহওক কিয়। ভূগৰ্ভৰ পৰা ওলোৱা হওক বা আকাশৰ পৰা অৱতীৰ্ণ হোৱা। সৰ্বশক্তিমান আল্লাহ আমাৰ কথা শ্ৰৱণকাৰী আৰু আমাৰ অৱস্থা সম্পৰ্কে সম্যক অৱগত।

. যিয়ে সন্ধিয়াৰ ভাগত পঢ়িব, প্ৰভাতলৈকে তাক কোনো আকস্মিক বিপদে স্পৰ্শ নকৰিব। এইদৰে যিয়ে পুৱাৰ ভাগত পঢ়িব, তাক সন্ধিয়ালৈকে কোনো বিপদ-আপদে আকস্মিকভাৱে স্পৰ্শ নকৰিব।

কিন্তু এই হাদীছৰ ৰাৱীক ফালিজে আক্ৰমণ কৰিছিল, (অৰ্থাৎ তেওঁ পক্ষাঘাতগ্ৰস্ত হৈছিল)। এই বেমাৰত শৰীৰৰ এটা ছাইড বিকল হৈ পৰে। এই দেখি তেওঁৰ পৰা হাদীছ শ্ৰৱণ কৰা ব্যক্তিজনে তেওঁৰ ফালে আশ্চৰ্য হৈ চাই আছিল। তেতিয়া তেওঁ ব্যক্তিজনক ক'লেঃ তুমি এনেকৈ কিয় মোৰ ফালে চাই আছা? বিশ্বাস কৰা, আল্লাহৰ শপত! মই উছমানৰ প্ৰতি মিছা আৰোপ কৰা নাই আৰু উছমানেও নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি মিছা আৰোপ কৰা নাই। কিন্তু যিদিনা মই পক্ষাঘাত গ্ৰস্ত হৈছোঁ, সেইদিনা দৰাচলতে মই খঙত আছিলোঁ। সেয়ে এই দুআটো পঢ়িবলৈ পাহৰি গৈছিলোঁ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পুৱা-গধূলি এই দুআটো পাঠ কৰা মুস্তাহাব। যাতে আল্লাহৰ ইচ্ছাত আকস্মিক বিপদ-আপদ তথা মুচিবতৰ পৰা সুৰক্ষিত থাকিব পৰা যায়।
2. পূৰ্বৱৰ্তী ছালাফসকলে আল্লাহৰ ওপৰত পূৰ্ণ য়াকীন পোষণ কৰিছিল তথা নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দিয়া সংবাদক মনে প্ৰাণে বিশ্বাস কৰিছিল।

3. পুৱা-গধূলি নিয়মিত জিকৰ-আজকাৰ পাঠ কৰাৰ অন্যতম এটা উপকাৰ হৈছে এই যে, ইয়াৰ ফলত মুছলিম ব্যক্তি অৱহেলা অমনোযোগিতাৰ পৰা আঁতৰি থাকে, লগতে সদায় এই কথা মনত থাকে যে, সি হৈছে আল্লাহৰ এজন বান্দা।
4. জিকৰ-আজকাৰকাৰীৰ ঈমান, বিনম্ৰতা, য়াকীন আৰু ইখলাচ যি অনুপাতে থাকে, সেই অনুপাতেই জিকৰ-আজকাৰৰ প্ৰভাৱ পৰে।

(6093)

(356) – عَن عبدِ اللهِ بن خُبَيب رضي الله عنه أنه قال: خَرَجْنَا فِي لَيْلَةٍ مَطِيرَةٍ وَظُلْمَةٍ شَدِيدَةٍ، نَطْلُبُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ؛ يُصَلِّي لَنَا، قَالَ: فَأَدْرَكْتُهُ، فَقَالَ: «قُلْ»، فَلَمْ أَقُلْ شَيْئًا، ثُمَّ قَالَ: «قُلْ»، فَلَمْ أَقُلْ شَيْئًا، قَالَ: «قُلْ»، فَقُلْتُ: مَا أَقُولُ؟ قَالَ: «{قُلْ هُوَ اللهُ أَحَدٌ} وَالْمُعَوِّذَتَيْنِ حِينَ تُمْسِي وَتُصْبِحُ ثَلَاثَ مَرَّاتٍ، تَكْفِيكَ مِنْ كُلِّ شَيْءٍ». [صحيح] - [رواه أبو داود والترمذي والنسائي]

(356) – আব্দুল্লাহ বিন খুবাইব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এবাৰ আমি বৰষুণৰ ৰাতি গভীৰ অন্ধকাৰত আমাৰ বাবে দুআ কৰাৰ উদ্দেশ্যে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক বিচাৰি ওলালোঁ। অৱশেষত তেখেতক বিচাৰি পালোঁ। তেখেতে ক'লেঃ 'কোৱা', মই একো নক'লোঁ। তেখেতে আকৌ ক'লেঃ 'কোৱা', মই একো নক'লোঁ। তেখেতে পুনৰ ক'লেঃ 'কোৱা', তেতিয়া মই ক'লোঁ, কি কম? তেখেতে ক'লেঃ "{কুল হুৱাল্লাহু আহাদ}, আৰু ছুৰা ফালাক আৰু নাছ পুৱা গধূলি তিনিবাৰকৈ পঢ়িবা। সকলো ক্ষেত্ৰতে এইটো তোমাৰ বাবে যথেষ্ট হ'ব।"
[ছহীহ] - [(আবু দাঊদ, তিৰমিজী, নাছায়ী)]

**ব্যাখ্যা:**

সন্মানীয় চাহাবী আব্দুল্লাহ বিন খুবাইব ৰাদ্বিয়াল্লাহুৱে জনাইছে যে, তেওঁলোকে এবাৰ ধাৰাসাৰ বৰষুণৰ ৰাতি গভীৰ অন্ধকাৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামক বিচাৰি গৈছিল, যাতে তেখেতে

তেওঁলোকৰ বাবে দুআ কৰি দিয়ে, অৱশেষত তেওঁলোকে তেখেতক বিচাৰি পাইছিল। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক কৈছিলঃ "কোৱা" অৰ্থাৎ পঢ়া, কিন্তু তেওঁ একো নপঢ়িলে। এই কথাষাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পুনৰ ক'লেঃ তেতিয়া আব্দুল্লাহে ক'লেঃ হে আল্লাহৰ ৰাছুল! মই কি পঢ়িম? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ ছুৰা ইখলাচ (ক্বুল হুৱাল্লাহু আহাদ) আৰু মাওউজাতাইন (ক্বুল আউজু বিৰাব্বিল ফালাক্ব আৰু ক্বুল আউজু বিৰাব্বিন্নাছ) পুৱা গধূলি তিনিবাৰকৈ পাঠ কৰা। ইয়াৰ ফলত সকলো প্ৰকাৰৰ অনিষ্টৰ পৰা ৰক্ষা পাবা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. পুৱা গধূলি ছুৰা ইখলাচ, ছুৰা ফালাক আৰু ছুৰা নাছ পাঠ কৰা মুস্তাহাব। এইটো হৈছে সকলো প্ৰকাৰ অনিষ্টৰ পৰা ৰক্ষা পোৱাৰ উপায়।
2. হাদীছটোত ছুৰা ইখলাচ, ছুৰা ফালাক্ব আৰু নাছ পাঠ কৰাৰ ফজিলত বৰ্ণিত হৈছে।

(6082)

(357) – عَنْ عَائِشَةَ رضي الله عنها قَالَتْ: فَقَدْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ لَيْلَةً مِنَ الْفِرَاشِ فَالْتَمَسْتُهُ فَوَقَعَتْ يَدِي عَلَى بَطْنِ قَدَمَيْهِ وَهُوَ فِي الْمَسْجِدِ وَهُمَا مَنْصُوبَتَانِ، وَهُوَ يَقُولُ: «اللهُمَّ أَعُوذُ بِرِضَاكَ مِنْ سَخَطِكَ، وَبِمُعَافَاتِكَ مِنْ عُقُوبَتِكَ، وَأَعُوذُ بِكَ مِنْكَ لَا أُحْصِي ثَنَاءً عَلَيْكَ أَنْتَ كَمَا أَثْنَيْتَ عَلَى نَفْسِكَ». [صحيح] - [رواه مسلم]

(357) – আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এবাৰ ৰাতিত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক বিছনাত নাপালোঁ। মই তেখেতক বিচাৰিবলৈ ধৰিলোঁ, হঠাৎ মোৰ হাতে তেখেতৰ দুয়ো ভৰিৰ তালুত স্পৰ্শ কৰিলে। তেখেত ছাজদাহ অৱস্থাত আছিল আৰু তেখেতৰ দুয়ো ভৰিৰ পতা থিয় কৰোৱা আছিল। লগতে তেখেতে এই দুআ পাঠ কৰি আছিলঃ "আল্লাহুম্মা আউজু বিৰিজাকা মিন ছাখাতিক। অবিমুআ-ফাতিকা মিন উকুবাতিক। ওৱা আউজু বিকা মিনকা লা উহচী ছানা-আন আলাইকা, আনতা কামা আছনাইতা আলা নাফছিক।" অৰ্থঃ হে আল্লাহ! মই তোমাৰ অসন্তুষ্টিৰ পৰা তোমাৰ সন্তুষ্টিৰ আশ্ৰয় বিচাৰোঁ। তোমাৰ শাস্তিৰ পৰা তোমাৰ শান্তি আৰু স্বস্তিৰ আশ্ৰয় বিচাৰোঁ। মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। তোমাৰ প্ৰশংসা হিচাপ কৰাটো মোৰ পক্ষে সম্ভৱ নহয়। তুমি সেইদৰেই প্ৰশংসাৰ যোগ্য যিদৰে তুমি তোমাৰ নিজৰ প্ৰশংসা কৰিছা। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কাষতে শুই আছিলোঁ, ৰাতিৰ ভাগতে হঠাৎ তেখেতক অনুপস্থিত পালোঁ। সেয়ে মই হাতেৰে তেখেতক বিচাৰি আছিলোঁ হুজৰাৰ যিখিনি ঠাইত তেখেতে নামাজ পঢ়ে। অৱশেষত মই তেখেতক বিচাৰি পালোঁ, তেখেত ছাজদাহ অৱস্থাত আছিল আৰু তেখেতৰ দুয়ো ভৰিৰ পতা থিয় অৱস্থাত আছিল। লগতে তেখেতে এই দুআ পাঠ কৰি আছিলঃ

মই মোৰ প্ৰতি আৰু মোৰ উম্মতৰ প্ৰতি তোমাৰ অসন্তুষ্টিৰ পৰা তোমাৰ সন্তুষ্টিৰ আশ্ৰয় বিচাৰোঁ। লগতে তোমাৰ শাস্তিৰ পৰা তোমাৰ অগণন শান্তি আৰু স্বস্তিৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ তোমাৰ সুন্দৰ সুন্দৰ নামৰ জৰিয়তে আৰু বিশেষণৰ জৰিয়তে, তোমাৰ বাহিৰে আন কোনো আশ্ৰয়দাতা নাই। মহান আল্লাহৰ বাহিৰে আন কোনেও আশ্ৰয় দিব নোৱাৰে, সেয়ে তেওঁৰ ওচৰতেই আশ্ৰয় প্ৰাৰ্থনা কৰিব লাগে। মই কেতিয়াও তোমাৰ প্ৰশংসা কৰি শেষ কৰিব নোৱাৰিম, আৰু তোমাৰ নিয়ামত তথা অনুগ্ৰহো গণনা কৰি শেষ কৰিব নোৱাৰিম, যদিও মই যিমানেই চেষ্টা নকৰোঁ কিয়। তুমি নিজে তোমাৰ নিজৰ বাবে যিদৰে প্ৰশংসা কৰিছা, সেইটোৱে তোমাৰ বাবে উপযুক্ত, কোনেও তোমাৰ প্ৰশংসাৰ হক আদায় কৰিব নোৱাৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এইবোৰ দুআ ছাজদাত পাঠ কৰা মুস্তাহাব।
2. মীৰাকে কৈছেঃ নাছায়ীৰ এটা বৰ্ণনাত আছে যে, তেখেতে এই দুআটো নামাজৰ পৰা ফাৰিগ হৈ বিছনাত শুই পৰিছিল।
3. মহান আল্লাহৰ চিফাতৰ জৰিয়তে তেওঁৰ প্ৰশংসা কৰা আৰু কোৰআন হাদীছৰ দ্বাৰা প্ৰমাণিত নামেৰে দুআ কৰা মুস্তাহাব।
4. ৰুকু আৰু ছাজদাত সৃষ্টিকৰ্তাৰ মহত্ব বৰ্ণনা কৰা হয়।
5. মহান আল্লাহৰ চিফাতৰ জৰিয়তে আশ্ৰয় প্ৰাৰ্থনা কৰা বৈধ। যিদৰে তেওঁৰ সত্ত্বাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰা হয়।
6. খাত্তাবী ৰাহিমাহুল্লাহে কৈছেঃ এই কথাটোৰ এটা সুক্ষ্ম অৰ্থ আছে। ইয়াত আল্লাহৰ ওচৰত এই বুলি দুআ কৰা হৈছে যে, তেওঁ যেন তেওঁৰ সন্তুষ্টিৰ দ্বাৰা তেওঁৰ অসন্তুষ্টিৰ পৰা ৰক্ষা কৰে। এইদৰে তেওঁৰ ক্ষমাৰ জৰিয়তে যেন তেওঁৰ শাস্তিৰ পৰা ৰক্ষা কৰে। সন্তুষ্টি আৰু অসন্তুষ্টি হৈছে এটা আনটোৰ বিপৰীত। এইদৰে ক্ষমা আৰু

শাস্তিও হৈছে এটা আনটোৰ বিপৰীত। এতেকে যেতিয়া সেই সত্ত্বাৰ কথা উল্লেখ কৰা হৈছে, যাৰ কোনো প্ৰতিদ্বন্দীয়ে নাই, অৰ্থাৎ আল্লাহৰ নাম, সেয়ে কেৱল তেওঁৰ ওচৰতেই আশ্ৰয় প্ৰাৰ্থনা কৰা হৈছে। ইয়াৰ দ্বাৰা এইটো বুজায় যে, তেওঁৰ ইবাদত পালনত হোৱা ক্ৰুটিবোৰ যেন তেওঁ ক্ষমা কৰি দিয়ে। লগতে যিদৰে তেওঁৰ প্ৰশংসা কৰিব লাগে সেইটো সেইদৰে পালন কৰিব নোৱাৰাৰ অপাৰগতা স্বীকাৰ কৰি কোৱা হৈছে যে, মই কদাপিও তোমাৰ পৰিপূৰ্ণ প্ৰশংসা কৰিব নোৱাৰোঁ।

(3566)

(358) – عن سَمُرَة بن جندبٍ رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «أَحَبُّ الْكَلَامِ إِلَى اللهِ أَرْبَعٌ: سُبْحَانَ اللهِ، وَالْحَمْدُ لِلهِ، وَلَا إِلَهَ إِلَّا اللهُ، وَاللهُ أَكْبَرُ، لَا يَضُرُّكَ بِأَيِّهِنَّ بَدَأْتَ».
[صحيح] - [رواه مسلم]

(358) – ছামুৰা বিন জুনদুব ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "আল্লাহৰ ওচৰত আটাইতকৈ প্ৰিয় বাক্য হৈছে চাৰিটা: سُبْحَانَ اللَّهِ (আল্লাহ মহা পৱিত্ৰ), وَالْحَمْدُ لِلَّهِ (যাৱতীয় প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে) وَلاَ إِلَهَ إِلاَّ اللَّهُ (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই) আৰু اللَّهُ أَكْبَرُ (আল্লাহ সৰ্বশ্ৰেষ্ঠ)। এই চাৰিটা বাক্যৰ যিকোনো এটা বাক্যৰে আৰম্ভ কৰাত কোনো অসুবিধা নাই।" [ছহীহ] - [মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে আল্লাহৰ প্ৰিয় চাৰিটা বাক্য সম্পৰ্কে উল্লেখ কৰিছেঃ

ছুবহানাল্লাহ (سُبْحَانَ اللَّهِ): অৰ্থাৎ মহান আল্লাহ সকলো দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ।

আলহাম্‌দুলিল্লাহ (وَالْحَمْدُ لِلَّهِ): সকলো ধৰণৰ প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে। অৰ্থাৎ পৰিপূৰ্ণ মুহাব্বত আৰু মহত্ব সহকাৰে আল্লাহৰ গুণগাণ কৰা।

লা ইলা-হা ইল্লাল্লাহ (وَلاَ إِلَهَ إِلاَّ اللَّهُ): অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই।

আল্লাহু আকবাৰ (اللَّهُ أَكْبَرُ): অৰ্থাৎ আল্লাহ সৰ্বশ্ৰেষ্ঠ, সৰ্বশক্তিমান, সৰ্বাতোকৈ মহান।

এইবোৰ বাক্যৰ ফজীলত আৰু ছোৱাব অৰ্জনৰ বাবে ধাৰাবাহিকতা বজাই ৰখাৰ কোনো প্ৰয়োজন নাই, যিকোনো এটাৰ জৰিয়তে আৰম্ভ কৰিব পাৰি।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহঃ

1. ইছলামী চৰীয়ত হৈছে অত্যন্ত সহজ সৰল, সেইকাৰণেই এই চাৰিটা বাক্য পাঠ কৰাৰ ক্ষেত্ৰত কোৱা হৈছে যে, যিকোনো বাক্যৰ জৰিয়তে আৰম্ভ কৰিলেই ইয়াৰ ছোৱাব অৰ্জন হ'ব, ধাৰাবাহিকতাৰ কোনো প্ৰয়োজন নাই।

(5475)

(359) – عن أبي أيوب رضي الله عنه عن النبي صلى الله عليه وسلم قال: «مَنْ قَالَ: لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ، عَشْرَ مِرَارٍ كَانَ كَمَنْ أَعْتَقَ أَرْبَعَةَ أَنْفُسٍ مِنْ وَلَدِ إِسْمَاعِيلَ». [صحيح] - [متفق عليه]

(359) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে ‘লা ইলাহা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুলকু অলাহুল হাম্‌দু, অহুৱা ‘আলা কুল্লি শ্বাইয়িন ক্বাদীৰ’ (অৰ্থ: আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক আৰু অদ্বিতীয়, তেওঁৰ কোনো অংশীদাৰ নাই, ৰাজত্ব তেওঁৰেই, প্ৰশংসাও তেওঁৰেই, তেওঁ সকলো বস্তুৰ ওপৰত ক্ষমতাৱান) দৈনিক দশবাৰ পাঠ কৰিব, সেই ব্যক্তিয়ে ইছমা‘ঈলৰ বংশধৰসকলৰ চাৰিজন দাস মুক্ত কৰাৰ সমান ছোৱাব লাভ কৰিব। [ছহীহ] - [মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যি ব্যক্তিয়ে এই দুআ পাঠ কৰিবঃ "লা ইলাহা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুলকু অলাহুল হাম্‌দু, অহুৱা ‘আলা কুল্লি শ্বাইয়িন ক্বাদীৰ"। অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক তথা অদ্বিতীয়, তেওঁৰ কোনো অংশীদাৰ নাই। সমগ্ৰ বিশ্বজগতৰ পৰিপূৰ্ণ ক্ষমতা একমাত্ৰ তেওঁৰেই, সন্মান আৰু মুহাব্বতৰ সৈতে তেৱেঁই একমাত্ৰ প্ৰশংসাৰ যোগ্য। তেওঁ মহা ক্ষমতাৱান, তেওঁক কোনেও অপাৰগ কৰিব নোৱাৰে। যি ব্যক্তিয়ে এই মহান দুআটো দৈনিক দহবাৰ পঢ়িব, তেওঁ ইছমাঈল আলাইহিচ্ছালামৰ বংশধৰসকলৰ চাৰিজন দাস স্বাধীন কৰাৰ ছোৱাব লাভ কৰিব। ইছমাঈল আলাইহিচ্ছালামৰ বংশক নিৰ্দিষ্ট কৰাৰ অৰ্থ হৈছে, অন্যান্য বংশতকৈ এই বংশটো অত্যন্ত মৰ্যাদাশীল।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. এই দুআটো অধিক গুৰুত্বপূৰ্ণ হোৱাৰ অন্যতম এটা কাৰণ হৈছে, ইয়াৰ মাজত আল্লাহৰ একত্ববাদৰ কথা উল্লেখ হৈছে, লগতে তেওঁক ৰাজত্ব, প্ৰশংসা আৰু পূৰ্ণ ক্ষমতাৰ অধিকাৰী বুলি স্বীকাৰ কৰা হৈছে।
2. একেলেঠাৰীয়ে পঢ়ক বা বিভিন্ন সময়ত পঢ়ক, ছোৱাব সমানেই লাভ কৰিব।

(5517)

(360) – عن أبي هريرة رضي الله عنه عن النبي صلى الله عليه وسلم قال: «كَلِمَتَانِ خَفِيفَتَانِ عَلَى اللِّسَانِ، ثَقِيلَتَانِ فِي الْمِيزَانِ، حَبِيبَتَانِ إِلَى الرَّحْمَنِ: سُبْحَانَ اللهِ الْعَظِيمِ، سُبْحَانَ اللهِ وَبِحَمْدِهِ».

[صحيح] - [متفق عليه]

(360) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “দুটা বাক্য দয়াময় আল্লাহৰ খুবেই প্ৰিয়, সেই দুটা উচ্চাৰণ কৰিবলৈও খুবেই সহজ, তুলাচনীত হ'ব অতি গধূৰ।সেয়া হৈছে: سُبْحَانَ اللَّهِ وَبِحَمْدِهِ سُبْحَانَ اللَّهِ الْعَظِيمِ ছুবহা-নাল্লাহি অবিহামদিহি, ছুবাহা-নাল্লাহিল আজীম। (মহান আল্লাহ অতি পৱিত্ৰ, প্ৰশংসা একমাত্ৰ তেওঁৰেই। আল্লাহ অতি পৱিত্ৰ, তেওঁ অত্যন্ত মহান।।”

[ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে দুটা বাক্য সম্পৰ্কে জনাইছে যে, মানুহে সকলো সময়তে সেই দুটা বাক্যক খুব সহজে উচ্চাৰণ কৰিব পাৰে, আৰু মীজানত সেই দুটা বাক্যৰ ছোৱাব অত্যন্ত গধূৰ হ'ব, আমাৰ দয়াময় প্ৰতিপালক মহান আল্লাহে সেই বাক্য দুটাক খুবেই পছন্দ কৰে।

سُبْحَانَ اللَّهِ وَبِحَمْدِهِ سُبْحَانَ اللَّهِ الْعَظِيمِ ছুবহা-নাল্লাহি অবিহামদিহি, ছুবাহা-নাল্লাহিল আজীম। এই বাক্য দুটা অতি প্ৰিয় হোৱাৰ কাৰণ হৈছে, ইয়াৰ ভিতৰত মহান আল্লাহৰ পূৰ্ণাংগ গুণাৱলী আৰু মহত্বৰ কথা উল্লেখ আছে, আৰু তেখেতক সকলো প্ৰকাৰ দোষ-ক্ৰুটিৰ পৰা পৱিত্ৰ ঘোষণা কৰা হৈছে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. সৰ্বোত্তম দুআ হৈছে সেইটো, যিটো দুআত আল্লাহক সকলো প্ৰকাৰ দোষ-ক্ৰুটিৰ পৰা পৱিত্ৰ ঘোষণা কৰা হৈছে আৰু তেওঁৰ প্ৰশংসা কৰা হৈছে।
2. বান্দাৰ প্ৰতি আল্লাহৰ অপৰিসীম ৰহমতৰ বৰ্ণনা, কাৰণ তেওঁ সামান্য আমলৰ প্ৰতিদানো অধিক বৃদ্ধিকৈ প্ৰদান কৰে।

(5507)

(361) – عن أبي هريرة رضي الله عنه أن رسول الله صلى الله عليه وسلم قال: «مَنْ قَالَ: سُبْحَانَ اللهِ وَبِحَمْدِهِ، فِي يَوْمٍ مِائَةَ مَرَّةٍ، حُطَّتْ خَطَايَاهُ وَإِنْ كَانَتْ مِثْلَ زَبَدِ الْبَحْرِ». [صحيح] - [متفق عليه]

(361) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যি ব্যক্তিয়ে দিনে এশ বাৰ ‘ছুবহানাল্লাহি অবিহামদিহি’ (অৰ্থ: মই আল্লাহ তা‘আলাৰ প্ৰশংসা সহকাৰে তেওঁৰ পৱিত্ৰতা ঘোষণা কৰিছোঁ) পাঠ কৰিব, তাৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হ’ব, যদিও তাৰ গুনাহৰ পৰিমাণ সাগৰৰ ফেনৰ সমান হয়। [ছহীহ] - [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

## ব্যাখ্যা:

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যি ব্যক্তিয়ে দিনে এশ বাৰ ‘ছুবহানাল্লাহি অবিহামদিহি’ (অৰ্থ: মই আল্লাহ

তা'আলাৰ প্ৰশংসা সহকাৰে তেওঁৰ পৱিত্ৰতা ঘোষণা কৰিছোঁ) পাঠ কৰিব, তাৰ গুনাহসমূহ মচি দিয়া হ'ব আৰু ক্ষমা কৰি দিয়া হ'ব। যদিও তাৰ গুনাহৰ পৰিমাণ সাগৰৰ তৰঙ্গত ভাঁহি থকা ফেনৰ সমান হয়।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. যিয়ে একেলেঠাৰিয়ে পাঠ কৰিছে আৰু যিয়ে বিভিন্ন সময়ত পাঠ কৰিছে উভয়েই এই ছোৱাব লাভ কৰিব।
2. তাছবীহ হৈছে আল্লাহক সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ ঘোষণা কৰা, আৰু হাম্‌দ হৈছে মুহাব্বত আৰু সন্মান সহকাৰে তেওঁক পূৰ্ণাংগ গুণাৱলীৰে বিশেষিত কৰা।
3. হাদীছটোত সৰু গুনাহ ক্ষমা হোৱাৰ কথা বুজোৱা হৈছে। আনহাতে কবীৰাহ গুনাহৰ বাবে তাওবা জৰুৰী।

(5516)

(362) – عن أبي مالكٍ الأشعريِّ رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «الطُّهُورُ شَطْرُ الْإِيمَانِ، وَالْحَمْدُ لِلهِ تَمْلَأُ الْمِيزَانَ، وَسُبْحَانَ اللهِ وَالْحَمْدُ لِلهِ تَمْلَآنِ -أَوْ تَمْلَأُ- مَا بَيْنَ السَّمَاوَاتِ وَالْأَرْضِ، وَالصَّلَاةُ نُورٌ، وَالصَّدَقَةُ بُرْهَانٌ، وَالصَّبْرُ ضِيَاءٌ، وَالْقُرْآنُ حُجَّةٌ لَكَ أَوْ عَلَيْكَ، كُلُّ النَّاسِ يَغْدُو، فَبَايِعٌ نَفْسَهُ فَمُعْتِقُهَا أَوْ مُوبِقُهَا». [صحيح] - [رواه مسلم]

(362) – আবূ মালিক আল-আশ্ব'আৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: “পৱিত্ৰতা হৈছে ঈমানৰ অৰ্দ্ধেক। “الحمد لله” আলহাম্‌দুলিল্লাহে মিজানক পৰিপূৰ্ণ কৰিব আৰু “سبحان الله و الحمد لله” ছুবহা-নাল্লাহ অলহাম্‌দুলিল্লাহ শব্দটো অথবা শব্দদ্বয়ে- আকাশ আৰু পৃথিৱীৰ মধ্যৱৰ্তী স্থানক পৰিপূৰ্ণ কৰিব। চালাত হৈছে নূৰ, আৰু চাদাকাহ হৈছে দলীল। ধৈৰ্য্য হৈছে জ্যোতি বা পোহৰ, আৰু "কোৰআন' তোমাৰ পক্ষে অথবা বিপক্ষে প্ৰমাণ হিচাপে থিয় দিব। প্ৰতিজন মানুহেই প্ৰভাত কৰে, ফলত সি হয়তো নিজকে বিক্ৰী কৰি (জাহান্নামৰ পৰা) মুক্তি লাভ কৰে নাইবা ধ্বংসৰ পথত খোজ দি নিজকে ধ্বংস কৰে।” [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, অজু গোছল আদি হৈছে প্ৰকাশ্য তাহাৰত বা পৱিত্ৰতা, আৰু এইটো হৈছে চালাতৰ চৰ্ত। এইদৰে তেখেতে কৈছে, আলহাম্‌দুলিল্লাহে মিজানক পৰিপূৰ্ণ কৰে, অৰ্থাৎ মহান আল্লাহক প্ৰশংসা কৰা আৰু তেওঁক পূৰ্ণাংগ বিশেষণেৰে বিশেষিত কৰা আদি কৰ্মক কিয়ামতৰ দিনা যেতিয়া ওজন কৰা হ'ব তেতিয়া ই আমলৰ পাল্লাক পৰিপূৰ্ণ তথা গধূৰ কৰিব। ছুবহানাল্লাহ আৰু আলহাম্‌দুলিল্লাহ’ অৰ্থাৎ আল্লাহক সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰতা ঘোষণা কৰা আৰু মুহাব্বত আৰু সন্মান সহকাৰে তেওঁক পূৰ্ণাংগ বিশেষণেৰে বিশেষিত কৰা, যিটো তেওঁৰ বাবে প্ৰযোজ্য, এই কৰ্মই আকাশ আৰু পৃথিৱীৰ মধ্যৱৰ্তী ঠাইক পূৰ্ণ কৰি দিব। এইদৰে চালাত হৈছে বান্দাৰ বাবে নূৰ, এই নূৰ প্ৰকাশ পাব তেওঁৰ অন্তৰত, তেওঁৰ

মুখমণ্ডলত, তেওঁৰ কবৰত আৰু হাশ্বৰত। চাদাক্বাহ হৈছে বুৰহান বা দলীল। অৰ্থাৎ মুমিনৰ প্ৰকৃত ঈমানৰ প্ৰমাণ। পক্ষান্তৰে মুনাফিকৰ বাবে এইটো প্ৰমাণ নহয়, কাৰণ মুনাফিকে ইয়াৰ পৰা বিৰত থাকে আৰু আখিৰাতক বিশ্বাস নকৰে। আৰু ধৈৰ্য্য হৈছে পোহৰ। অৰ্থাৎ ক্ৰোধ আৰু বিপদ-আপদত নিজৰ নফছক সংযত ৰখা। পোহৰৰ সৈতে উষ্ণতা আৰু জ্বলাব পৰা শক্তি থাকে। যেনে- সূৰ্য্যৰ পোহৰ। কিয়নো এইটো কঠিন আৰু ইয়াৰ বাবে প্ৰবৃত্তিৰ চাহিদাৰ বিপক্ষে যুঁজ দিব লাগে, সেইকাৰণে ধৈৰ্য্য ধাৰণ কৰা ব্যক্তিয়ে সদায় আলোৰ পথত হিদায়ত প্ৰাপ্ত হৈ সঠিক পথত অবিচল থাকে। ইয়াৰ বাবে আল্লাহৰ আনুগত্যত আৰু তেওঁৰ অবাধ্যতাৰ পৰা ধৈৰ্য্য ধাৰণ কৰিব লাগিব, লগতে পাৰ্থিৱ জীৱনৰ বিভিন্ন দুখ-কষ্ট আৰু বিপদ-আপদত ধৈৰ্য্য ধৰিব লাগিব। এইদৰে কোৰআন তোমাৰ সপক্ষে প্ৰমাণ হৈ থিয় দিব, যদি তুমি ইয়াক তিলাৱত কৰা আৰু সেইমতে আমল কৰা। অথবা তোমাৰ বিপক্ষে প্ৰমাণ হ'ব, যদি তুমি ইয়াৰ প্ৰতি আমল পৰিত্যাগ কৰা আৰু তিলাৱত নকৰা। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, প্ৰতিজন মানুহে জীৱনত চেষ্টা সাধনা কৰে, আৰু টোপনিৰ পৰা উঠি বিভিন্ন কৰ্মৰ বাবে ঘৰৰ পৰা ওলাই যায়। সিহঁতৰ মাজৰ কিছুমানে সঠিকভাৱে আল্লাহৰ আনুগত্য কৰে আৰু নিজকে জাহান্নামৰ পৰা মুক্ত কৰে, আনহাতে কিছুমানে তেওঁৰ পথৰ পৰা আঁতৰি যায় আৰু গুনাহত লিপ্ত হয়, ফলত সি ধ্বংস হৈ জাহান্নামত প্ৰৱেশ কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. তাহাৰত বা পৱিত্ৰতা হৈছে দুই প্ৰকাৰঃ প্ৰকাশ্য তাহাৰত, এই পৱিত্ৰতা অৰ্জন হয় অজু আৰু গোছলৰ দ্বাৰা, আৰু দ্বিতীয়টো হৈছে আভ্যন্তৰীণ তাহাৰত, এইটো অৰ্জন হয় তাওহীদ, ঈমান আৰু নেক আমলৰ দ্বাৰা।
2. নিয়মিত নামাজ পঢ়াৰ গুৰুত্ব। কিয়নো নামাজ হৈছে বান্দাৰ বাবে পৃথিৱী আৰু আখিৰাতৰ জ্যোতি।

3. চাদাক্বা হৈছে প্ৰকৃত ঈমানৰ প্ৰমাণ।
4. কোৰআনৰ প্ৰতি আমল কৰা আৰু ইয়াক সত্য বুলি ঈমান পোষণ কৰাৰ গুৰুত্ব, যাতে ই তোমাৰ সপক্ষে প্ৰমাণ হয়, বিপক্ষে নহয়।
5. নফছক যদি তুমি নেক আমলত ব্যস্ত কৰি নৰখা তেন্তে সি তোমাক বেয়া কামত বা গুনাহৰ কামত ব্যস্ত কৰি ৰাখিব।
6. প্ৰতিজন মানুহেই আমল কৰে, কিছুমানে নেক আমল কৰি নিজকে মুক্ত কৰায় আৰু কিছুমানে বেয়া কামত লিপ্ত হৈ নিজকে ধ্বংস কৰে।
7. ধৈৰ্য্যৰ বাবে সহিষ্ণুতা আৰু আত্ম সমালোচনাৰ প্ৰয়োজন, এইটো অতি কঠিন বিষয়।

(65004)

(363) – عن أبي هريرة رضي الله عنه قال: قال رسول الله صلى الله عليه وسلم: «لَأَنْ أَقُولَ: سُبْحَانَ اللهِ، وَالْحَمْدُ لِلهِ، وَلَا إِلَهَ إِلَّا اللهُ، وَاللهُ أَكْبَرُ، أَحَبُّ إِلَيَّ مِمَّا طَلَعَتْ عَلَيْهِ الشَّمْسُ». [صحيح] - [رواه مسلم]

(363) – আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ছুবহা-নাল্লাহ, অলহাম্‌দুলিল্লাহ, অলা ইলা-হা ইল্লাল্লাহ, অল্লাহু আকবাৰ পাঠ কৰাটো মোৰ ওচৰত সেইবোৰ বস্তুতকৈও অধিক পছন্দনীয়, যিবোৰ বস্তুৰ ওপৰত সূৰ্য্য উদয় হয়। [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, এই গুৰুত্বপূৰ্ণ বাক্য কেইটাৰ জৰিয়তে আল্লাহক স্মৰণ কৰাটো দুনিয়া আৰু

ইয়াৰ ভিতৰত থকা সকলো বস্তুতকৈ উত্তম। সেই শব্দ কেইটা আৰু তাৰ ভাৱাৰ্থ হৈছে যেনে-

"ছুবহা-নাল্লাহ": অৰ্থাৎ মহান আল্লাহ সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ।

আলহাম্‌দুলিল্লাহঃ অৰ্থাৎ সন্মান আৰু মুহাব্বত সহকাৰে পূৰ্ণাংগ গুণাৱলী আৰু সকলো প্ৰকাৰ প্ৰশংসাৰ অধিকাৰী একমাত্ৰ মহান আল্লাহ।

"লা ইলাহা ইল্লাল্লাহঃ" অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই।

"আল্লাহু আকবাৰঃ" অৰ্থাৎ আল্লাহ সকলোতকৈ মহান, সৰ্বোচ্চ।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আল্লাহৰ জিকৰ-আজকাৰ কৰিবলৈ উৎসাহিত কৰা হৈছে। এইটো তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ দৃষ্টিত পৃথিৱীৰ সকলো বস্তুতকৈ পছন্দনীয়।
2. বেছি বেছি জিকৰ-আজকাৰ কৰিবলৈ উৎসাহিত কৰা হৈছে। কাৰণ ইয়াত ছোৱাব আৰু প্ৰতিদানৰ মাত্ৰা অধিক।
3. পাৰ্থিৱ ভোগ-সামগ্ৰী অতি তুচ্ছ, আৰু ইয়াৰ চাহিদা ধ্বংসশীল তথা ক্ষণস্থায়ী।

(6211)

(364) – عن جابر رضي الله عنه قال: سمعت رسول الله صلى الله عليه وسلم يقول: «أَفْضَلُ الذِّكْرِ: لَا إِلَهَ إِلَّا اللهُ، وَأَفْضَلُ الدُّعَاءِ: الْحَمْدُ لِلهِ». [حسن] - [ رواه الترمذي والنسائي في الكبرى وابن ماجه]

(364) – জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আটাইতকৈ উত্তম জিকৰ হৈছে লা ইলা-হা ইল্লাল্লাহ, আৰু আটাইতকৈ উত্তম দুআ হৈছে আলহাম্‌দুলিল্লাহ। [হাছান] - [(তিৰমিজী, নাছায়ী ফিল কুবৰা, ইবনে মাজাহ)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আটাইতকৈ উত্তম জিকৰ হৈছে লা ইলা-হা ইল্লাল্লাহ, ইয়াৰ অৰ্থ হৈছে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। এইদৰে আটাইতকৈ উত্তম দুআ হৈছে আলহাম্‌দুলিল্লাহ। অৰ্থাৎ এই কথা স্বীকাৰ কৰা যে, আল্লাহেই হৈছে নিয়ামত প্ৰদানকাৰী। সেয়ে তেৱেঁই হৈছে পূৰ্ণাংগ গুণাৱলী আৰু প্ৰশংসাৰ অধিকাৰী।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. হাদীছটোৰ দ্বাৰা কলিমা তাওহীদ বেছি বেছি পাঠ কৰিবলৈ উৎসাহিত কৰা হৈছে, লগতে আলহামদুলিল্লাহ তথা আল্লাহৰ প্ৰশংসাৰ জৰিয়তে দুআ কৰিবলৈ উৎসাহিত কৰা হৈছে।

(3567)

(365) – عن خَوْلَةَ بِنْتَ حَكِيمٍ السُّلَمِيَّةَ قَالتْ: سَمِعْتُ رَسُولَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «مَنْ نَزَلَ مَنْزِلًا ثُمَّ قَالَ: أَعُوذُ بِكَلِمَاتِ اللهِ التَّامَّاتِ مِنْ شَرِّ مَا خَلَقَ، لَمْ يَضُرَّهُ شَيْءٌ حَتَّى يَرْتَحِلَ مِنْ مَنْزِلِهِ ذَلِكَ». [صحيح] - [رواه مسلم]

(365) – খাওলা বিন্তে হাকীম আচ-ছুলামিয়্যাহ ৰাদ্বিয়াল্লাহু আনহাই কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "যি ব্যক্তিয়ে কোনোবা এখন ঠাইত থাকিবলৈ অৱতৰণ কৰে আৰু এই দুআ পাঠ কৰে (أعوذ بكلمات الله التَّامَّات من شرِّ ما خلَق) "আউজু বিকালিমাতিল্লাহিত তা-ম্মা-তি মিন শ্বাৰ্ৰি মা খালাক্ব"। সেই ব্যক্তি যেতিয়ালৈকে সেই ঠাই ত্যাগ কৰি গুচি নাযাব তেতিয়ালৈকে একোৱেই তেওঁক ক্ষতি কৰিব নোৱাৰিব।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত তেওঁৰ উম্মতক উপকাৰী আশ্ৰয় প্ৰাৰ্থনাৰ প্ৰতি দিশ নিৰ্দেশনা দিছে। কোনো নতুন ঠাইলৈ ভ্ৰমণত গ'লে বা বিনোদনৰ উদ্দেশ্যে ক'ৰবাত ফুৰিবলৈ গ'লে নাইবা বেলেগ কোনো কাৰণত গ'লে তাত যিমান প্ৰকাৰ অনিষ্ট হোৱাৰ আশংকা থাকে ইয়াৰ দ্বাৰা সেই সকলোবোৰ প্ৰতিহত হয়। অৰ্থাৎ আল্লাহৰ এই পূৰ্ণাংগ বাণীৰ সহায়ত তেওঁৰ ফজল ও বৰকতত তেওঁৰ ওচৰত সুৰক্ষা বিচৰা হৈছে, আৰু সকলো প্ৰকাৰ ক্ষয়-ক্ষতিৰ পৰা নিৰাপত্তা কামনা কৰা হৈছে। আনকি ক্ষতি কৰিব পৰা সকলো সৃষ্টিৰ ক্ষতিৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰা হৈছে। গতিকে এই দুআ পাঠ কৰাৰ পিছত সেই ব্যক্তি যেতিয়ালৈকে সেই ঠাইত অৱস্থান কৰিব তেতিয়া তেওঁ সকলো প্ৰকাৰ ক্ষতিকাৰক বস্তুৰ পৰা নিৰাপদ থাকিব।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. আশ্ৰয় প্ৰাৰ্থনা কৰাটোও হৈছে এটা ইবাদত। কিন্তু এই আশ্ৰয় প্ৰাৰ্থনা একমাত্ৰ আল্লাহৰ ওচৰত কৰিব লাগিব, আৰু তেওঁৰ নাম আৰু গুণাৱলীৰ দ্বাৰা কৰিব লাগিব।
2. আল্লাহৰ বাণীৰ সহায়ত আশ্ৰয় প্ৰাৰ্থনা কৰিব পাৰি। কাৰণ এইটোও আল্লাহৰেই এটা চিফাত বা গুণ। আনহাতে তেওঁৰ বাহিৰে আন কোনো মখলুকৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰাটো হৈছে শ্বিৰ্ক।
3. হাদীছটোত এই দুআৰ ফজিলত আৰু বৰকত বৰ্ণিত হৈছে।
4. জিকৰ-আজকাৰ বা দুআ পাঠ কৰাটো হৈছে অনিষ্টৰ পৰা সুৰক্ষিত থকাৰ অন্যতম এটা উপায়।
5. হাদীছটোৰ দ্বাৰা আল্লাহৰ বাহিৰে আনৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰা বিষয়টোক খণ্ডন কৰা হৈছে, যেনে- জিন, যাদুকৰ আৰু অন্যান্য পাপিষ্ঠ লোকৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰা।
6. ভ্ৰমণতে হওক বা আন কোনো নতুন ঠাইতে হওক অৱস্থান কৰাৰ সময়ত এই দুআ পাঠ কৰা উচিত।

(5932)

(366) – عَنْ أَبِي حُمَيْدٍ أَوْ عَنْ أَبِي أُسَيْدٍ قَالَ: قَالَ رَسُولُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ: «إِذَا دَخَلَ أَحَدُكُمُ الْمَسْجِدَ فَلْيَقُلِ: اللَّهُمَّ افْتَحْ لِي أَبْوَابَ رَحْمَتِكَ، وَإِذَا خَرَجَ فَلْيَقُلِ: اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنْ فَضْلِكَ». [صحيح] - [رواه مسلم]

(366) – আবু হুমাইদ অথবা আবু উছাইদৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকৰ মাজৰ কোনোবাই যেতিয়া মছজিদত প্ৰৱেশ কৰে তেতিয়া তেওঁ এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মাফ তাহলী আবৱাবা ৰাহমাতিক", (অৰ্থঃ হে আল্লাহ! মোৰ বাবে তোমাৰ ৰহমতৰ দুৱাৰসমূহ খুলি দিয়া), আৰু ওলোৱাৰ সময়ত এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মা ইন্নি আছআলুকা মিন ফাজলিক", (অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ কামনা কৰোঁ)। [ছহীহ] - [(মুছলিম)]

## ব্যাখ্যা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ উম্মতীসকলক নিৰ্দেশনা দি কৈছে যে, মছজিদত প্ৰৱেশ কৰাৰ সময়ত এই দুআ পাঠ কৰা উচিত। ("আল্লাহুম্মাফ তাহলী আবৱাবা ৰাহমাতিক") অৰ্থাৎ আল্লাহৰ ওচৰত এই দুআ কৰা উচিত যে, যাতে আল্লাহে তাৰ বাবে ৰহমতৰ যাৱতীয় উপায় সহজ কৰি দিয়ে। আনহাতে ওলোৱাৰ সময়ত এই দুআ কোৱা উচিতঃ ("আল্লাহুম্মা ইন্নি আছআলুকা মিন ফাজলিক") অৰ্থাৎ আল্লাহৰ ওচৰত এই দুআ কৰা উচিত যাতে আল্লাহে আৰু অধিক হালাল জীৱিকা প্ৰদান কৰি এহছান কৰে।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. মছজিদত প্ৰৱেশ কৰাৰ সময়ত আৰু ওলোৱাৰ সময়ত এই দুআ পাঠ কৰা মুস্তাহাব।

2. প্ৰৱেশৰ সময়ত ৰহমত আৰু ওলোৱাৰ সময়ত অনুগ্ৰহ কামনা এই কাৰণে কৰা হৈছে যে, ভিতৰত আল্লাহৰ নৈকট্য আৰু তেওঁৰ জান্নাত সম্পৰ্কীয় বিষয়তে ব্যস্ত থকা হয়, গতিকে ইয়াত ৰহমত বিচৰাটোৱে অধিক উপযুক্ত। আনহাতে ওলোৱাৰ পিছত পাৰ্থিৱ বিষয়ত মেহনত কৰা হয় তথা আল্লাহৰ ফজল আৰু জীৱিকা সন্ধান কৰে, সেয়ে ইয়াত আল্লাহৰ ফজল তথা অনুগ্ৰহ কামনা কৰা উচিত।
3. এইবোৰ দুআ মছজিদত প্ৰৱেশ কৰাৰ সময়ত আৰু ওলোৱাৰ সময়ত পঢ়িব লাগে।

(65092)

(367) – عَنْ جَابِرِ بْنِ عَبْدِ اللهِ رضي الله عنهما أَنَّهُ سَمِعَ النَّبِيَّ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ يَقُولُ: «إِذَا دَخَلَ الرَّجُلُ بَيْتَهُ، فَذَكَرَ اللهَ عِنْدَ دُخُولِهِ وَعِنْدَ طَعَامِهِ، قَالَ الشَّيْطَانُ: لَا مَبِيتَ لَكُمْ، وَلَا عَشَاءَ، وَإِذَا دَخَلَ، فَلَمْ يَذْكُرِ اللهَ عِنْدَ دُخُولِهِ، قَالَ الشَّيْطَانُ: أَدْرَكْتُمُ الْمَبِيتَ، وَإِذَا لَمْ يَذْكُرِ اللهَ عِنْدَ طَعَامِهِ، قَالَ: أَدْرَكْتُمُ الْمَبِيتَ وَالْعَشَاءَ». [صحيح] - [رواه مسلم]

(367) – জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ দ্বাৰা বৰ্ণিত যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ “যেতিয়া কোনো মানুহে নিজৰ ঘৰত প্ৰৱেশ কৰে, লগতে প্ৰৱেশ কৰাৰ সময়ত আৰু খোৱাৰ সময়ত আল্লাহৰ নাম লয়, তেতিয়া চয়তানে (তাৰ সহযোগীসকলক) কয়: ইয়াত তোমালোকৰ বাবে ৰাতি কটোৱাৰ কোনো ঠাই নাই আৰু ৰাতিৰ আহাৰ গ্ৰহণৰ বাবেও কোনো উপায় নাই। আনহাতে ঘৰত প্ৰৱেশ কৰাৰ সময়ত যদি কোনোবাই আল্লাহৰ নাম নলয়, তেতিয়া চয়তানে কয়: তোমালোকে ৰাতি কটাবলৈ ঠাই পাই গ'লা আৰু যদি আহাৰ কৰাৰ সময়ত আল্লাহৰ নাম নলয় তেতিয়া কয়: তোমালোকে ৰাতি কটাবলৈও ঠাই পালা আৰু আহাৰ কৰাৰো সুযোগ লাভ কৰিলা।" [ছহীহ] - [(মুছলিম)]

**ব্যাখ্যা:**

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিৰ্দেশ দিছে যে, ঘৰত প্ৰৱেশ কৰাৰ সময়ত আৰু আহাৰ কৰাৰ সময়ত আল্লাহৰ নাম লব লাগে। অৰ্থাৎ বিছমিল্লাহ বুলি কৈ ঘৰত প্ৰৱেশ কৰিব লাগে তথা পানাহাৰ আৰম্ভ কৰিব লাগে। তেতিয়া চয়তানে তাৰ সহযোগীসকলক কয়ঃ এই ঘৰত তোমালোকৰ ৰাতি যাপন কৰাৰ কোনো সুযোগ নাই আৰু পানাহাৰৰো কোনো সুযোগ নাই। কাৰণ ঘৰৰ গৰাকীয়ে আল্লাহৰ নাম লৈ ঘৰখনক সুৰক্ষিত কৰিছে। আনহাতে যদি কোনোবাই ঘৰত প্ৰৱেশ কৰাৰ সময়ত আল্লাহৰ নাম নলয় আৰু আহাৰ কৰাৰ সময়তো যদি আল্লাহৰ নাম নলয়, তেতিয়া চয়তানে তাৰ সহযোগীসকলক কয়ঃ

তোমালোকে ৰাতি থকাৰ ঠাই পাই গ'লা, আৰু এই ঘৰখনত পানাহাৰ কৰাৰো সুবিধা পালা।

## হাদীছৰ পৰা সংগৃহীত উপকাৰিতাসমূহ:

1. ঘৰত প্ৰৱেশ কৰাৰ সময়ত আৰু পানাহাৰ কৰাৰ সময়ত আল্লাহৰ নাম লোৱা মুস্তাহাব। কাৰণ যদি আল্লাহৰ নাম লোৱা নহয় তেন্তে চয়তানে সেই ঘৰত ৰাতি অতিবাহিত কৰে আৰু পানাহাৰো কৰে।
2. চয়তানে সদায় আদম সন্তানৰ আমলৰ প্ৰতি খাপ পাতি ৰৈ থাকে। আনকি সকলো কামতে চকু ৰাখে, যেতিয়াই বান্দা আল্লাহৰ স্মৰণৰ পৰা অমনোযোগী হয় তেতিয়াই সেই কামত চয়তানে হস্তক্ষেপ কৰে।
3. জিকৰ-আজকাৰে চয়তানক বিতাৰিত কৰে।
4. প্ৰতিটো চয়তানৰে অনুসাৰী আছে তথা সহযোগী আছে, যিসকলে তাৰ কথামতে চলে আৰু তাৰ নিৰ্দেশনা পালন কৰে।

(3037)

**Table of Contents**


**ভূমিকা** .......... 1

সকলো কামৰ ফলাফল নিৰ্ভৰ কৰে নিয়্যতৰ ওপৰত, আৰু প্ৰত্যেক ব্যক্তিয়ে সেইটোৱেই পায়, যিটো সি নিয়্যত কৰিছে। .......... 3

“যিয়ে আমাৰ চৰীয়তত এনেকুৱা কোনো নীতি প্ৰৱৰ্তন কৰিছে যিটো ইয়াৰ ভিতৰত নাই সেইটো অগ্ৰহণযোগ্য। .......... 5

“ইছলাম হৈছে- তুমি এই সাক্ষ্য দিয়া যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই আৰু মুহাম্মদ (চাল্লাল্লাহু ‘আলাইহি অছাল্লাম) হৈছে আল্লাহৰ ৰাছুল, ছালাত প্ৰতিষ্ঠা কৰা, যাকাত আদায় কৰা, ৰমজান মাহৰ চওম পালন কৰা আৰু যদি সামৰ্থ থাকে তেন্তে আল্লাহৰ ঘৰৰ হজ্জ কৰা।” .......... 7

ইছলামৰ ভিত্তি পাঁচটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত। .......... 13

বান্দাৰ ওপৰত আল্লাহৰ প্ৰাপ্য হৈছে, সিহঁতে যেন একমাত্ৰ তেওঁৰেই ইবাদত কৰে, তেওঁৰ সৈতে যেন আন কাকো অংশীদাৰ স্থাপন নকৰে। আনহাতে আল্লাহৰ ওচৰত বান্দাৰ প্ৰাপ্য হৈছে, তেওঁ যেন সেই ব্যক্তিক শাস্তি প্ৰদান নকৰে যিয়ে তেওঁৰ সৈতে আন কাকো অংশীদাৰ স্থাপন কৰা নাই। .......... 15

যিয়ে সঁচা অৰ্থত আন্তৰিকতাৰে এই কথাৰ সাক্ষ্য দিছে যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল, আল্লাহে তাক জাহান্নামৰ বাবে হাৰাম কৰি দিছে। .......... 18

যি ব্যক্তিয়ে লা ইলাহা ইল্লাল্লাহৰ স্বীকৃতি দিছে, লগতে আল্লাহৰ বাহিৰে যিবোৰৰ ইবাদত কৰা হয়, সেই সকলোবোৰক অস্বীকাৰ কৰিছে, সেই ব্যক্তিৰ ধন-সম্পদ আৰু তেজ আদি নিৰাপদ আৰু তাৰ হিচাপ-নিকাচ হৈছে আল্লাহৰ জিম্মাত। .......... 21

যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক নকৰাকৈ মৃত্যুবৰণ কৰিছে তেওঁ জান্নাতত প্ৰৱেশ কৰিব আৰু যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰি মৃত্যুবৰণ কৰিছে, সি জাহান্নামত প্ৰৱেশ কৰিব। .......... 23

যিয়ে এই অৱস্থাত মৃত্যুবৰণ কৰিব যে, সি আল্লাহৰ বাহিৰে আনক তেওঁৰ সমকক্ষ স্থিৰ কৰি আহ্বান কৰি আছিল, তেন্তে সি জাহান্নামত প্ৰৱেশ কৰিব। .......... 25

শুনা! তুমি আহলে কিতাবসকলৰ ওচৰলৈ অৰ্থাৎ ইয়াহুদী আৰু খৃষ্টানসকলৰ ওচৰলৈ গৈ আছা। গতিকে তুমি সিহঁতৰ ওচৰলৈ যোৱাৰ পিছত সিহঁতক প্ৰথমে এই কথাৰ সাক্ষ্য প্ৰদান কৰিবলৈ আহ্বান কৰিবা যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ প্ৰেৰিত ৰাছুল। .......... 27

কিয়ামতৰ দিনা মোৰ ছুপাৰিছ পোৱাৰ সৌভাগ্য সেই ব্যক্তিয়ে লাভ কৰিব, যিয়ে নিষ্ঠা সহকাৰে আন্তৰিকতাৰে লা ইলাহা ইল্লাল্লাহক স্বীকাৰ কৰিব। .......... 30

ঈমানৰ সত্তৰতকৈও অধিক অথবা ষাঠিতকৈও অধিক শাখা-প্ৰশাখা আছে। তাৰে ভিতৰত সৰ্বশ্ৰেষ্ঠ শাখাটো হৈছে লা ইলা-হা ইল্লাল্লাহ কোৱা, আৰু সৰ্বনিম্ন শাখাটো হৈছে পথৰ পৰা কষ্টদায়ক বস্তু আঁতৰাই দিয়া। ........ 32

মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলোঁ, আল্লাহৰ দৃষ্টিত কোনটো গুনাহ আটাইতকৈ ডাঙৰ? তেখেতে ক’লেঃ “আল্লাহৰ সৈতে অংশীদাৰ স্থাপন কৰা; অথচ তেৱেঁই তোমাক সৃষ্টি কৰিছে। ........ 34

মই সকলো অংশীদাৰৰ অংশীদাৰিত্ব [শ্বিৰ্ক]ৰ পৰা মুক্ত। যদি কোনোবাই এনেকুৱা কোনো আমল কৰে য'ত সি মোৰ সৈতে আন কাৰোবাক অংশীদাৰ কৰিছে, তেনেহ'লে মই তাক আৰু তাৰ শ্বিৰ্কক বৰ্জন কৰোঁ। ........ 36

মোৰ উম্মতৰ প্ৰতিজন ব্যক্তিয়ে জান্নাতত প্ৰৱেশ কৰিব, কেৱল সেই ব্যক্তিৰ বাহিৰে যিয়ে অস্বীকাৰ কৰিব ........ 37

তোমালোকে মোৰ প্ৰশংসাত সীমালংঘন নকৰিবা, যিদৰে খৃষ্টানসকলে ঈছা ইবনে মৰিয়ম সম্পৰ্কে সীমালংঘন কৰিছিল। মই হৈছোঁ আল্লাহৰ বান্দা। গতিকে তোমালোকে মোক আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল বুলিহে কোৱা। ........ 38

তোমালোকৰ মাজৰ কোনেও তেতিয়ালৈকে প্ৰকৃত মুমিন হ’ব নোৱাৰিব যেতিয়ালৈকে তাৰ ওচৰত মই তাৰ সন্তান, তাৰ পিতা আৰু সকলো মানুহতকৈ অধিক প্ৰিয়পাত্ৰ নহওঁ। ........ 40

মই তোমালোকক যিটো বিষয় বৰ্ণনা নকৰাকৈ এৰি দিছোঁ, তেনেকুৱা বিষয়ৰ ক্ষেত্ৰত তোমালোকে মোকো এৰি দিয়া (অযথা প্ৰশ্ন নকৰিবা)। কাৰণ তোমালোকৰ পূৰ্ববৰ্তীসকলে অযথা প্ৰশ্ন আৰু তেওঁলোকৰ নবীসকলৰ সৈতে মতভেদ কৰাৰ কাৰণে ধ্বংস হৈছে। ........ 41

মোৰ ফালৰ পৰা পৌঁচাই দিয়া, সেয়া যদি এটা আয়াতো হয়, আৰু বনী ইছ্ৰাঈলৰ পৰা বৰ্ণনা কৰা, ইয়াত কোনো দোষ নাই; কিন্তু যি ব্যক্তিয়ে ইচ্ছাকৃতভাৱে মোৰ বিষয়ে মিছা কথা ক’ব, সি যেনিবা জাহান্নামকেই নিজৰ ঠিকনা নিৰ্ধাৰিত কৰি ল’লে। ........ 44

“সাৱধান! অনতিপলমে এনেকুৱা সময় আহিব যে, এজন ব্যাক্তিয়ে নিজৰ আসনত আউজি বহি থকা অৱস্থাত তাৰ ওচৰলৈ যেতিয়া কোনো হাদীছ গৈ পাব, তেতিয়া সি ক'ব: আমাৰ আৰু তোমালোকৰ মাজত আল্লাহৰ কিতাব আছে ........ 46

ইয়াহুদী, খৃষ্টানসকলৰ ওপৰত আল্লাহৰ অভিসম্পাত হওক, সিহঁতে নিজৰ নবীসকলৰ কবৰসমূহক উপাসনালয়ত পৰিণত কৰিছে। ........ 48

হে আল্লাহ! মোৰ কবৰক তুমি মূৰ্তিত পৰিণত নকৰিবা। ........ 50

তোমালোকে নিজৰ ঘৰবোৰক কবৰস্থানত পৰিণত নকৰিবা আৰু মোৰ কবৰকো মেলাৰ স্থল নবনাবা। তোমালোকে মোৰ ওপৰত দুৰূদ পাঠ কৰা। তোমালোকে য’তেই নাথাকা কিয় তোমালোকৰ দুৰূদ মোৰ ওচৰলৈ পৌঁচাই দিয়া হয়। ........................................ 51

“সিহঁত হৈছে এনেকুৱা এটা জাতি, সিহঁতৰ মাজৰ কোনোবা এজন পূণ্যৱান বান্দা অথবা পূণ্যৱান ব্যক্তি মৃত্যুবৰণ কৰিলে সিহঁতে তেওঁৰ কবৰৰ ওপৰত মছজিদ (ইবাদতৰ স্থান) নিৰ্মাণ কৰিছিল ........................................ 53

“তোমালোকৰ মাজৰ কাৰোবাক খলীল হিচাপে গ্ৰহণ কৰাৰ পৰা মই আল্লাহৰ ওচৰত সম্পূৰ্ণৰূপে মুক্ত ঘোষণা কৰিলোঁ। কিয়নো আল্লাহ তাআলাই মোক খলীল হিচাপে গ্ৰহণ কৰিছে। যিদৰে তেওঁ ইব্ৰাহীম আলাইহিচ্ছালামক খলীল হিচাপে গ্ৰহণ কৰিছিল। ......... 55

মই তোমাক সেই অভিযানলৈ নপঠিয়ামনে, যি অভিযানলৈ স্বয়ং নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোক প্ৰেৰণ কৰিছিল? তেখেতে মোক আদেশ দিছিল যে, তুমি য'তে কোনো প্ৰতিমা দেখিবা সেইটোক নিঃশেষ কৰিবা, আৰু য'তেই কোনো ওখ কবৰ দেখা পাবা, সেইটোক সমতল ভূমিত পৰিণত কৰিবা। ........................................ 57

(পশু-পক্ষীক) অশুভ বুলি বিশ্বাস কৰা শ্বিৰ্ক। (পশু-পক্ষীক) অশুভ বুলি বিশ্বাস কৰা শ্বিৰ্ক। (পশু-পক্ষীক) অশুভ বুলি বিশ্বাস কৰা শ্বিৰ্ক। তিনিবাৰ কৈছে।" সাধাৰণতে আমাৰ মাজৰ প্ৰত্যেকৰে অন্তৰত অশুভ লক্ষণৰ ধাৰণা আহে, কিন্তু আল্লাহে তেওঁৰ ওপৰত কৰা ভৰসাৰ দ্বাৰা ইয়াক দূৰ কৰি দিয়ে। ........................................ 58

সেই ব্যক্তি আমাৰ উম্মতৰ অন্তৰ্ভুক্ত নহয়, যিয়ে কু-লক্ষণ বিশ্বাস কৰে বা যাৰ বাবে কু-লক্ষণ গ্ৰহণ কৰা হয় অথবা যিয়ে ভৱিষ্যত গণনা কৰে বা যাৰ বাবে গণনা কৰা হয় অথবা যিয়ে যাদু কৰে বা যাৰ হৈ যাদু কৰা হয়, ........................................ 60

সংক্ৰামক কোনো বেমাৰ নাই, কোনো বস্তুক অশুভ বুলি ভবাও ঠিক নহয়। ফা'ল হৈছে মোৰ প্ৰিয়।" বৰ্ণনাকাৰীয়ে কৈছে, প্ৰশ্ন কৰা হ'লঃ ফা'ল কি? তেখেতে ক'লেঃ "উত্তম অৰ্থবোধক কথা। ........................................ 62

তোমালোকে জানানে তোমালোকৰ প্ৰতিপালকে কি কৈছে? তেওঁলোকে ক'লেঃ আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালকৈ জানে। তেখেতে ক'লেঃ (আল্লাহে কৈছে) "মোৰ কিছুমান বান্দাই মুমিন হৈ আৰু কিছুমান বান্দাই কাফিৰ হৈ প্ৰভাত কৰিছে। ........................................ 64

যিয়ে তাবিজ পিন্ধে সি শ্বিৰ্ক কৰে। ........................................ 67

মন্ত্ৰ, তাৱিজ-কবজ, মন্ত্ৰ পঢ়ি গাঁঠি লগোৱা সূতা আদি সকলো হৈছে শ্বিৰ্কৰ অন্তৰ্ভুক্ত। . 68

যি ব্যক্তিয়ে গণকৰ ওচৰলৈ গৈ তাক কিবাকিবি সোধে আৰু সেই গণকৰ কথাক বিশ্বাস কৰে। চল্লিশ দিনলৈ সেই ব্যক্তিৰ চালাত (নামাজ) কবুল নহয়। ........................................ 70

যি ব্যক্তিয়ে আল্লাহৰ বাহিৰে আনৰ নামত শপত কৰিছে, সি দৰাচলতে কুফৰী কৰিছে অথবা শ্বিৰ্ক কৰিছে। ........ 72

যিয়ে আমানতৰ শপত খায় সি আমাৰ (উম্মতৰ) অন্তৰ্ভুক্ত নহয়। ........ 73

আল্লাহৰ শপত! -ইন শ্বা আল্লাহ- মই যেতিয়া কোনো বিষয়ত শপত খাওঁ, কিন্তু যদি ইয়াৰ বিপৰীত বিষয়টোত মঙ্গল দেখা পাওঁ, তেতিয়া মই শপতৰ কাফফাৰা আদায় কৰি দিওঁ, লগতে যিটো কল্যাণকৰ সেইটোৱে বাস্তৱায়িত কৰোঁ। ........ 75

তোমালোকে এনেকৈ নক'বা যে, 'আল্লাহে যি বিচাৰে আৰু অমুকে যি বিচাৰে'; বৰং এনেকৈ কোৱা, 'আল্লাহে যি বিচাৰিছে তাৰ পিছত অমুকে যি বিচাৰিছে'। ........ 77

“মই তেমালোকৰ ওপৰত যিটো বিষয়ক আটাইতকৈ বেছি ভয় কৰোঁ সেইটো হৈছে সৰু শ্বিৰ্ক।" উপস্থিত লোকসকলে ক'লেঃ হে আল্লাহৰ ৰাছুল! সৰু শ্বিৰ্ক আকৌ কি? তেখেতে ক'লেঃ "সেইটো হৈছে ৰিয়া ........ 79

কোনেও যেন কাকো ফাছিক্ব বুলি গালি নিদিয়ে অথবা কুফৰৰ অপবাদ নিদিয়ে। কাৰণ এই বৈশিষ্ট্য যদি তাৰ ভিতৰত নাথাকে তেন্তে সেই অপবাদ দিয়া ব্যক্তিলৈ সেইটো উভতি আহে। ........ 80

মানুহৰ মাজত পোৱা দুটা বস্তু কুফৰ হিচাপে বিবেচিতঃ বংশীয় ক্ষেত্ৰত কটাক্ষ কৰা, আৰু মৃত ব্যক্তিকলৈ বিলাপ কৰা। ........ 82

কবৰৰ ওপৰত নবহিবা আৰু কবৰৰ ফালে মুখ কৰি নামাজ নপঢ়িবা। ........ 83

(ৰহমতৰ) ফিৰিস্তা সেই ঘৰত প্ৰৱেশ নকৰে, যি ঘৰত কুকুৰ আৰু (জীৱ-জন্তুৰ) ছবি আছে। ........ 84

(ৰহমতৰ) ফিৰিস্তাহ সেই ভ্ৰমণকাৰী দলৰ সৈতে নাথাকে যিসকলৰ লগত কুকুৰ আৰু ঘণ্টা থাকে। ........ 86

চয়তান তোমালোকৰ ওচৰলৈ আহি কুমন্ত্ৰণা দি কয় যে, এইটো কোনে সৃষ্টি কৰিছে? সেইটো কোনে সৃষ্টি কৰিছে? অৱশেষত কয় যে, তোমাৰ প্ৰতিপালকক কোনে সৃষ্টি কৰিছে? যদি এনেকুৱা কোনো কথা কাৰো মনত উদ্ভৱ হয় তেন্তে সি আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰা উচিত, আৰু এনেকুৱা চিন্তাৰ পৰা বিৰত থকা উচিত। ........ 87

যিয়ে মোৰ অলীৰ সৈতে শত্ৰুতা পোষণ কৰিব, মই তাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছোঁ। মোৰ বান্দাই মোৰ নৈকট্য লাভ কৰিবলৈ যি যি কৰে, তাৰ ভিতৰত আটাইতকৈ মোৰ প্ৰিয় কামবোৰ হৈছে সেইবোৰ, যিবোৰ মই তাৰ ওপৰত ফৰজ কৰিছোঁ। ........ 89

মই তোমালোকক আল্লাহৰ তাক্বৱা অৱলম্বন কৰিবলৈ আৰু (নেতৃবৃন্দৰ) কথা শুনিবলৈ আৰু মানিবলৈ উপদেশ দিলোঁ, যদিও তেওঁ (সেই নেতা) হাবশ্বী ক্ৰীতদাসে নহওক কিয়। মোৰ (মৃত্যুৰ) পিছত তোমালোকে অত্যন্ত মতভেদ দেখিবলৈ পাবা। গতিকে সেই সময়ত

তোমালোকে মোৰ ছুন্নতক আৰু মোৰ খুলাফায়ে ৰাশ্বিদীনৰ ছুন্নতক মজবুতভাৱে ধাৰণ কৰি তাৰ ওপৰত অবিচল থাকিবা। ........ 92

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, “যি ব্যক্তি আনুগত্যৰ পৰা ওলাই গৈছে আৰু জামাতৰ পৰা বিচ্ছিন্ন হৈ মৃত্যুবৰণ কৰিছে, সি প্ৰকৃততে জাহিলি অৱস্থাত মৃত্যুবৰণ কৰিছে। ........ 95

“যিজন বান্দাক আল্লাহে জন সাধাৰণৰ ওপৰত কৰ্তৃত্ব অৰ্পন কৰে; কিন্তু সি মৃত্যুৰ সময়ত প্ৰজাৰ প্ৰতি প্ৰতাৰণা কৰা অৱস্থাত মৃত্যুবৰণ কৰে, তেনেকুৱা ব্যক্তিৰ বাবে আল্লাহে জান্নাত হাৰাম কৰি দিছে। ........ 97

“অদূৰ ভৱিষ্যতত তোমালোকৰ ওপৰত এনেকুৱা শাসকবৃন্দ নিয়োগ কৰা হ’ব, যিসকলৰ (কিছুমান কাম) তোমালোকে ভাল দেখিবলৈ পাবা আৰু (কিছুমান কাম) গৰ্হিত দেখিবলৈ পাবা। এতেকে যিয়ে (সিহঁতৰ গৰ্হিত কৰ্মক) ঘৃণা কৰিব, তেওঁ দায়মুক্ত হৈ যাব, আৰু যিয়ে আপত্তি তথা প্ৰতিবাদ জনাব, সেই ব্যক্তিও পৰিত্ৰাণ পাই যাব। কিন্তু যিয়ে (এইবোৰ কৰ্মত) সন্মত হ’ব আৰু সিহঁতক অনুসৰণ কৰিব (সি ধ্বংস হৈ যাব)। ........ 99

অনাগত সময়ত প্ৰাধান্য দিয়াৰ ক্ষেত্ৰত অন্যায় কৰা হ'ব আৰু এনেকুৱা কিছুমান বিষয় সন্মুখলৈ আহিব যিবোৰক তোমালোকে অপছন্দ কৰিবা।" তেওঁলোকে ক'লেঃ হে আল্লাহৰ ৰাছুল! তেনেকুৱা পৰিস্থিতি সম্পৰ্কে আপুনি আমাক কি উপদেশ দিয়ে? তেখেতে ক'লেঃ "তোমালোকে নিজৰ দায়িত্ব পালন কৰিবা আৰু নিজৰ অধিকাৰ আল্লাহৰ ওচৰত বিচাৰিবা। ........ 101

তোমালোকৰ প্ৰত্যেকেই দায়িত্বশীল। গতিকে প্ৰত্যেককে তাৰ অধীনস্থ লোকসকলৰ বিষয়ে প্ৰশ্ন কৰা হ'ব। ........ 103

“হে আল্লাহ! মোৰ উম্মতৰ যি ব্যক্তিয়ে কোনো ধৰণৰ কৰ্তৃত্ব লাভ কৰাৰ পিছত মানুহৰ প্ৰতি ৰূঢ় আচৰণ কৰিব, তুমিও তাৰ প্ৰতি ৰূঢ় আচৰণ কৰিবা। আনহাতে মোৰ উম্মতৰ যি ব্যক্তিয়ে কোনো দায়িত্ব লাভ কৰাৰ পিছত মানুহৰ সৈতে নম্ৰ আচৰণ কৰিব, তুমিও তাৰ প্ৰতি নম্ৰতা দেখুৱাবা আৰু সদয় হ'বা।” ........ 105

দ্বীন হৈছে শুভ কামনাৰ নাম। ........ 106

যদি তুমি এনেকুৱা কোনো লোকক দেখা পোৱা যিয়ে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে, তেন্তে জানি লবা, সিহঁতৰ কথাই এই আয়াতত কোৱা হৈছে, সিহঁতৰ পৰা সতৰ্ক থাকিবা। ........ 109

“তোমালোকৰ মাজৰ যিয়ে কোনো অন্যায় দেখা পাইছে, সি যেন নিজৰ হাতৰ দ্বাৰা সেইটোক পৰিবৰ্তন কৰে, যদি এইটো কৰিব নোৱাৰে তেন্তে জিভাৰ দ্বাৰা অৰ্থাৎ মৌখিকভাৱে যেন বাধা দিয়ে, আৰু যদি সি এইটোও কৰিব নোৱাৰে তেন্তে সি অন্তৰৰ

দ্বাৰা ইয়াক পৰিবৰ্তন (কৰাৰ পৰিকল্পনা) কৰা উচিত। এইটো হৈছে ঈমানৰ সৰ্বনিম্ন স্তৰ।” ........ 113

আল্লাহে নিৰ্ধাৰণ কৰা সীমাৰেখাৰ ভিতৰত অৱস্থানকাৰী (অৰ্থাৎ সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধকাৰী) আৰু তেওঁৰ সীমাৰেখা উলংঘাকাৰী (অৰ্থাৎ সৎকৰ্মৰ আদেশ নিদিয়া আৰু অসৎকৰ্মৰ পৰা বাধা নিদিয়া) ব্যক্তিৰ উদাহৰণ হৈছে সেইসকল লোকৰ দৰে যিসকলে এখন (দুইমহলীয়া) জাহাজত উঠিলে, আসন নিৰ্বাচন কৰিবলৈ সিহঁতে লটাৰি কৰিলে। ফলত কিছুমানে ওপৰত ঠাই পালে আৰু কিছুমানে তলত।.... 115

“যিয়ে কোনো হিদায়তৰ প্ৰতি আহ্বান কৰিব, তেওঁ সেই ব্যক্তিৰ সমানেই ছোৱাব পাব, যিয়ে ইয়াৰ ওপৰত আমল কৰিব। ইয়াৰ ফলত সিহঁতৰ কোনো ছোৱাব হ্ৰাস নহ'ব।.... 118

যিয়ে কল্যাণৰ কামত কাৰোবাক পথ দেখুৱায়, তেওঁ সিমানেই ছোৱাব লাভ কৰিব, যিমানখিনি ছোৱাব আমলকাৰীয়ে পাব........ 120

আল্লাহৰ শপত! তোমাৰ দ্বাৰা এজন লোকেও যদি ঈমান পোষণ কৰে তেন্তে সেয়া তোমাৰ বাবে ৰঙা উটতকৈও উত্তম। ........ 122

যি ব্যক্তিয়ে বেলেগ কোনো সম্প্ৰদায়ৰ সাদৃশ্য গ্ৰহণ কৰিব, সি সিহঁতৰেই অন্তৰ্ভুক্ত বুলি গণ্য হ’ব। ........ 126

মানুহে নিজৰ বন্ধুৰ পথ অনুকৰণ কৰে। গতিকে তোমালোকৰ মাজৰ প্ৰত্যেকেই মনোযোগ দিয়া উচিত যে, সি কাক বন্ধুৰূপে গ্ৰহণ কৰিছে।........ 127

মোৰ উম্মতৰ এটা দল সদায় বিজয়ী থাকিব, অৱশেষত আল্লাহৰ নিৰ্দেশ (কিয়ামত) আহি পৰিব আৰু তেওঁলোক বিজয়ী অৱস্থাতে থাকিব।........ 128

(মহান আল্লাহে) এই দ্বীনক প্ৰত্যেক সেই স্থানলৈ পৌঁচাই দিব, য'ত য'ত দিন আৰু ৰাতি হয়। মহান আল্লাহে কেচা পকা সকলো ঘৰতে এই দ্বীন প্ৰৱেশ কৰাব।........ 130

ইছলাম আৰম্ভণিত অপৰিচিত আছিল। অচিৰেই পুনৰ সেই অপৰিচিত অৱস্থালৈ উভতি যাব। এতেকে সেই অপৰিচিত অৱস্থাত যিসকলে ইছলামৰ ওপৰত অটল থাকিব, তেওঁলোকৰ বাবে আছে সুসংবাদ।........ 132

“সেই সত্ত্বাৰ শপত, যাৰ হাতত মুহাম্মদৰ জীৱন আছে, এই উম্মতৰ যি ব্যক্তিয়েই মোৰ বিষয়ে শুনিব সি ইয়াহুদী হওক অথবা খ্ৰীষ্টান, মোৰ আগমনৰ সংবাদ পোৱাৰ পিছতো যদি সি সেইবোৰ বিষয়ৰ প্ৰতি ঈমান পোষণ নকৰাকৈ মৃত্যুবৰণ কৰে যিবোৰ বিষয় প্ৰদান কৰি মোক প্ৰেৰণ কৰা হৈছে তেন্তে সি নিশ্চিতভাৱে জাহান্নামী হ'ব।” ........ 133

হে মানৱজাতি! ধৰ্মীয় ক্ষেত্ৰত সীমালংঘনৰ পৰা বিৰত থাকিবা, কাৰণ তোমালোকৰ পূৰ্বে যিসকল লোক অতিবাহিত হৈছে, সিহঁত ধৰ্মীয় ক্ষেত্ৰত সীমালংঘন কৰাৰ ফলতেই ধ্বংস হৈছে। ........ 135

সীমালংঘনকাৰীসকল ধ্বংস হওক। ........ 136

ইয়াহুদী হৈছে সেইসকল লোক, যিসকলৰ ওপৰত আল্লাহৰ ক্ৰোধ তথা প্ৰকোপ অৱতীৰ্ণ হৈছে, আৰু খ্ৰীষ্টানসকল হৈছে পথভ্ৰষ্ট। ........ 137

আল্লাহে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰাৰ পঞ্চাচ হাজাৰ বছৰ আগতেই সকলো সৃষ্টিৰ ভাগ্য লিখিছে ........ 138

তেওঁ কৈছে আমাক ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামে হাদীছ বৰ্ণনা কৰিছে— যিজন সত্যবাদী আৰু যাৰ কথাক সত্য বুলি মানি লোৱা হয়— তেখেতে আমাক কৈছে: মাতৃগৰ্ভত তোমালোকৰ সৃষ্টি চল্লিশ দিন আৰু চল্লিশ ৰাতিলৈকে শুক্ৰৰূপে জমা হোৱাৰ মাধ্যমত আৰম্ভ হয় ........ 140

জান্নাত হৈছে তোমালোকৰ জুতাৰ ফিতাতকৈও অধিক নিকটৱৰ্তী আৰু জাহান্নামো সিমানেই নিকটৱৰ্তী। ........ 143

জাহান্নাম হৈছে প্ৰবৃত্তিৰে পৰিবেষ্টিত, আৰু জান্নাত হৈছে দুখ-কষ্টৰে পৰিবেষ্টিত। ...... 144

আল্লাহে যেতিয়া জান্নাত আৰু জাহান্নাম সৃষ্টি কৰিলে তেতিয়া তেওঁ জিব্ৰীল আলাইহিচ্ছালামক ........ 146

তোমালোকৰ জুই জাহান্নামৰ জুইৰ তুলনাত সত্তৰ ভাগৰ এভাগহে মাত্ৰ। ........ 150

আল্লাহে পৃথিৱীক নিজৰ মুঠিৰ ভিতৰত লব আৰু আকাশমণ্ডলক নিজৰ সোঁ হাতত মেৰিয়াই লৈ ক'বঃ ময়েই ৰাজাধিৰাজ। পৃথিৱীৰ শাসকসকল ক'ত? ........ 151

কিয়ামতৰ দিনা সিহঁতে কঠিন শাস্তি ভোগ কৰিব, যিসকলে আল্লাহৰ সৃষ্টিৰ সাদৃশ্য প্ৰদৰ্শনত লিপ্ত হয়। ........ 152

সেই সত্ত্বাৰ শপত, যাৰ হাতত মোৰ প্ৰাণ আছে। অচিৰেই তোমালোকৰ মাজলৈ (ঈছা) ইবনে মৰিয়ম ন্যায়পৰায়ণ শাসক হিচাপে অৱতৰণ কৰিব। তেওঁ আহি ক্ৰচ ভাঙি পেলাব, গাহৰি বধ কৰিব, কৰ নিঃশেষ কৰিব। সম্পদৰ প্ৰাচুৰ্যতা ইমান বাঢ়িব যে, কোনেও সেয়া গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰিব। ........ 154

আপুনি লা ইলা-হা ইল্লাল্লাহৰ স্বীকাৰোক্তি দিয়ক, ক্বিয়ামতৰ দিনা মই আপোনাৰ সপক্ষে ইয়াৰ সাক্ষী দিম ........ 156

মোৰ  হাউজৰ দৈৰ্ঘ্য এমাহ সময় অতিক্ৰমৰ সমান। ইয়াৰ পানী গাখীৰতকৈও বগা, আৰু ইয়াৰ সুগন্ধি  মুশ্বকতকৈও উত্তম ........ 158

ক্বিয়ামতৰ দিনা মৃত্যুক ধূসৰ বা ধোঁৱা বৰণীয়া এটা ভেড়াৰ আকৃতিত অনা হ'ব। ........ 160

তোমালোকে যদি যথাযথভাৱে আল্লাহ তা'আলাৰ ওপৰত তাৱাক্কুল কৰা তেন্তে তেওঁ তোমালোকক তেনেকৈয়ে জীৱিকা দান কৰিব যিদৰে চৰাই-চিৰিকটিক জীৱিকা দিয়ে।

চৰাই-চিৰিকটিয়ে পুৱাৰ ভাগত খালী পেটত ওলাই যায় আৰু গধূলি উদৰ ভৰাই উভতি আহে।........................................................................................................ 163

এনেকুৱা দুটা নিয়ামত আছে, যি দুটা নিয়ামত সম্পৰ্কে বহুত মানুহেই অমনোযোগী হৈ আছে, (সেই নিয়ামত দুটা হৈছে) সুস্থতা আৰু অৱসৰ সময়। ................................... 164

আৰোহণকাৰী ব্যক্তিয়ে খোজকাঢ়ি যোৱা ব্যক্তিক, আৰু খোজকাঢ়ি যোৱা ব্যক্তিয়ে বহি থকা ব্যক্তিক আৰু কম সংখ্যকে বেছি সংখ্যকক ছালাম দিব। ................................. 167

“হে মোৰ বান্দাসকল! মই মোৰ ওপৰত অন্যায়-অত্যাচাৰক হাৰাম কৰি লৈছোঁ, আৰু তোমালোকৰ মাজতো ইয়াক হাৰাম কৰিছোঁ। গতিকে তোমালোকেও ইজনে সিজনক অন্যায় নকৰিবা।........................................................................................ 169

তোমালোকে অন্যায়-অত্যাচাৰৰ পৰা বিৰত থাকা, কাৰণ কিয়ামতৰ দিনা অন্যায়-অত্যাচাৰ গভীৰ অন্ধকাৰৰূপে আগমন কৰিব। লগতে তোমালোকে কৃপণতা পৰিত্যাগ কৰা, কাৰণ কৃপণতাই তোমালোকৰ পূৰ্বৱৰ্তীসকলক ধ্বংস কৰিছে। ......................... 173

নিশ্চয় আল্লাহে অন্যায়-অত্যাচাৰীক অৱকাশ দিয়ে। কিন্তু যেতিয়া কৰায়ত্ত কৰে তেতিয়া কোনো সুযোগ নিদিয়ে।........................................................................................ 175

“নিশ্চয় আল্লাহে পাপ-পুণ্য লিপিবদ্ধ কৰি ৰাখিছে। ইয়াৰ পিছত তেওঁ ইয়াৰ ব্যাখ্যাও কৰি দিছে। যি ব্যক্তিয়ে কোনো নেকী কৰাৰ সংকল্প কৰিছে; কিন্তু সেইটোক কৰ্মত বাস্তৱায়িত কৰিব পৰা নাই, মহান আল্লাহে তাৰ বাবে (কেৱল নিয়ত কৰাৰ বিনিময়তে) এটি সম্পূৰ্ণ নেকী লিখি দিয়ে, আৰু যদি সি সেই সংকল্পটোক কৰ্মত পৰিণত কৰে, তেনেহ'লে আল্লাহে ইয়াৰ বিনিময়ত তাক দহৰ পৰা সাতশ গুণ পৰ্যন্ত; আনকি তাতকৈও অধিক গুণ বেছি নেকী লিখি দিয়ে। আনহাতে যদি কোনোবাই কোনো এটা পাপ কৰ্ম কৰাৰ সংকল্প কৰে; আৰু যদি সি সেইটোক কৰ্মত পৰিণত নকৰে, তেনেহ'লে আল্লাহে তাৰ বাবে এটা পূৰ্ণ নেকী লিখি দিয়ে। আনহাতে যদি সি সংকল্প কৰাৰ পিছত সেইটোক কৰ্মত পৰিণত কৰে, তেনেহ'লে আল্লাহে ইয়াৰ ফলত কেৱলমাত্ৰ এটাই পাপ লিপিবদ্ধ কৰে।” ........................................................................................................ 177

যিয়ে ইছলামত (প্ৰৱেশ কৰি) সৎকৰ্ম কৰিছে, অজ্ঞতা যুগত কৰা কৰ্ম সম্পৰ্কে তাক জবাবদিহি কৰা নহ'ব। আনহাতে যিয়ে ইছলামত (প্ৰৱেশ কৰি) অপকৰ্মত লিপ্ত হৈছে, তাক পূৰ্বৰ আৰু পৰৱৰ্তী সকলো গুনাহ সম্পৰ্কে জবাবদিহি কৰা হ'ব”। ................... 179

আপুনি যিবোৰ কথা কয় আৰু যিটোৰ প্ৰতি আপুনি আহ্বান কৰে সেইটো খুবেই উত্তম। গতিকে আপুনি যদি আমাক জনালেহেঁতেন যে, আমি যিবোৰ কৰ্ম কৰিছোঁ ইয়াৰ কিবা কাফ্‌ফাৰাহ বা প্ৰায়শ্চিত্য আছেনে?............................................................ 181

তুমি সেইবোৰ ভাল কাম কৰাৰ কাৰণেই ইছলাম গ্ৰহণ কৰিব পাৰিছা। (তুমি সেইবোৰ কামৰ ছোৱাব নিশ্চয় পাবা।)........................................................................ 183

আল্লাহে মুমিন বান্দাসকলৰ প্ৰতি এটা ছোৱাবকলৈও অন্যায় নকৰিব। বৰং তেওঁ ইয়াৰ বিনিময় পৃথিৱীতো দান কৰিব আৰু আখিৰাততো প্ৰদান কৰিব। ............................ 184

হে আদম সন্তান! যেতিয়াই তুমি মোক আহ্বান কৰিবা তথা মোৰ প্ৰতি আশা ৰাখিবা, তেতিয়াই মই তোমাক ক্ষমা কৰি দিম, তোমাৰ অৱস্থা যিটোৱে নহওক কিয়, সেইটোৰ প্ৰতি মই ভ্ৰূক্ষেপ নকৰোঁ। ............................ 185

বান্দাই যেতিয়া কোনো গুনাহ কৰাৰ পিছত কয়, হে আল্লাহ! মোৰ গুনাহ ক্ষমা কৰি দিয়া। ............................ 188

যদি কোনো ব্যক্তিয়ে গুনাহ কৰাৰ পিছত পৱিত্ৰতা অৰ্জন কৰি নামাজ আদায় কৰে আৰু তাৰ পিছত আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে, তেন্তে আল্লাহে তাক ক্ষমা কৰি দিয়ে। ............................ 191

সৰ্বশক্তিমান আল্লাহে ৰাতিত হাত প্ৰসাৰিত কৰে, যাতে দিনত গুনাহ কৰা ব্যক্তিসকলে ৰাতিত তাওবা কৰে। এইদৰে তেওঁ দিনত হাত প্ৰসাৰিত কৰে, যাতে ৰাতিত গুনাহ কৰা ব্যক্তিসকলে দিনত তাওবা কৰে। এই ধাৰাবাহিকতা তেতিয়ালৈকে চলিব, যেতিয়ালৈকে সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নহ'ব। ............................ 193

ৰাতিৰ শেষ তৃতীয়াংশ বাকী থাকোঁতে দৈনিক ৰাতি আমাৰ বৰকতময় মহান প্ৰতিপালকে পৃথিৱীৰ আকাশত অৱতৰণ কৰি কয় ............................ 195

“হালাল স্পষ্ট আৰু হাৰামো স্পষ্ট ............................ 197

মোৰ চাহাবাসকলক গালি নিদিবা। তোমালোকৰ মাজৰ যদি কোনোবাই উহুদ পৰ্বতৰ সমান সোণ দান কৰে, তথাপিও তেওঁলোকে দান কৰা এক মুদ অথবা আধা মুদৰো সমান হ'ব নোৱাৰে। ............................ 199

হে বালক! মই তোমাক কেইটিমান কথা শিকাম- আল্লাহৰ বিধি-বিধানবোৰ সংৰক্ষণ কৰিবা, তেনেহ’লে তেওঁ তোমাক ৰক্ষা কৰিব; আল্লাহক স্মৰণ কৰিবা, ফলত তেওঁক তোমাৰ সন্মুখতে পাবা। যেতিয়া কিবা বিচাৰিবা, তেতিয়া আল্লাহৰ ওচৰতেই বিচাৰিবা; যেতিয়া সহায় প্ৰাৰ্থনা বিচাৰিবা, তেতিয়া আল্লাহৰ ওচৰতেই সহায় বিচাৰিবা। ............................ 200

মোক ইছলামৰ এনেকুৱা এটা কথা শিকাই দিয়ক যিটো কথা মই যাতে আন কাকো সুধিবলগীয়া নহয়। তেখেতে ক'লেঃ "কোৱাঃ মই আল্লাহৰ ওপৰত ঈমান আনিলোঁ, তাৰ পিছত ইয়াৰ ওপৰতে প্ৰতিষ্ঠিত থাকিবা। ............................ 202

পাৰস্পৰিক সম্প্ৰীতি, দয়াদ্ৰতা আৰু সহমৰ্মিতাৰ ফালেৰে মুমিনসকলৰ উদাহৰণ হৈছে এটা শৰীৰৰ দৰে। শৰীৰৰ কোনো এটা অংগ যেতিয়া অসুস্থ হয়, তেতিয়া গোটেই শৰীৰ জ্বৰত কম্পমান হৈ অনিদ্ৰাত ভোগে। ............................ 204

যিয়ে উত্তমৰূপে ভালকৈ অজু কৰে, তাৰ শৰীৰৰ পৰা পাপ সৰি পৰে। আনকি আঙুলিৰ নখৰ তলৰ পৰাও ওলাই আহে। ........ 205

সাগৰৰ পানী পৱিত্ৰ আৰু ইয়াৰ মৃত প্ৰাণী হালাল। ........ 206

যদি পানীৰ পৰিমাণ দুই কুল্লাহ হয় তেন্তে সেই পানী নাপাক নহয়। ........ 208

যেতিয়া তোমালোকে প্ৰস্ৰাৱ-পায়খানা কৰিবা, তেতিয়া তোমালোকে কিবলামুখী নহ'বা আৰু কিবলাৰ ফালে পিঠিও নিদিবা। বৰং তোমালোকে পূৱ বা পশ্চিমফালে মুখ কৰি প্ৰস্ৰাৱ-পায়খানা কৰিবা। ........ 209

তোমালোকৰ মাজৰ কোনোবাই যেতিয়া প্ৰস্ৰাৱ কৰে, তেতিয়া তেওঁ যাতে সোঁহাতেৰে নিজৰ পুৰুষাংগ ধৰি নাথাকে। এইদৰে শৌচালয়ত যাতে সোঁহাতেৰে ময়লা পৰিষ্কাৰ নকৰে, আৰু পানী খোৱাৰ সময়ত যাতে পিয়লাৰ ভিতৰত উশাহ-নিশাহ নলয়। ........ 210

তোমালোকৰ মাজৰ কোনোবাই যেতিয়া টোপনিৰ পৰা উঠে, তেতিয়া তেওঁ যেন তিনিবাৰ নিজৰ নাকত পানী সোমোৱাই দি নাক পৰিষ্কাৰ কৰে। কাৰণ চয়তানে তাৰ নাকৰ ভিতৰত ৰাতি অতিবাহিত কৰে। ........ 211

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এক ছা'ৰ পৰা পাঁচ মুদ পৰ্যন্ত পানীৰে গোছল কৰিছিল আৰু তেখেতে অজু কৰিছিল এক মুদ পানীৰে। ........ 213

যদি বায়ু ওলায়, অজু নকৰালৈকে আল্লাহে তোমালোকৰ কাৰো চালাত কবূল নকৰে। 214

এজনে অজু কৰিলে আৰু ভৰিত নখৰ সমান ঠাই নোধোৱাকৈ এৰিলে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেয়া দেখি ক'লেঃ "উভতি যোৱা আৰু ভালকৈ অজু কৰি আহা।" তাৰ পিছত সেই ব্যক্তিজন উভতি গ'ল আৰু (ভালকৈ অজু কৰি) আহি নামাজ পঢ়িলে। ........ 216

সৰ্বনাশ! তোমালোকে পৰিপূৰ্ণৰূপে অজু কৰা, ভৰিৰ গোৰোহা (নিজিকা)ৰ কাৰণেও জাহান্নামৰ শাস্তি আছে। ........ 218

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক নামাজৰ সময়তে অজু কৰিছিল। ........ 220

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অজু কৰাৰ সময়ত (অজুৰ অংগবোৰ) এবাৰ এবাৰকৈ ধুইছিল। ........ 221

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অজু কৰাৰ সময়ত (অজুৰ অংগবোৰ) দুবাৰ দুবাৰকৈ ধুইছিল। ........ 222

“যি ব্যক্তিয়ে মোৰ এই উযুৰ দৰে উযু কৰিব, আৰু তাৰ পিছত দুই ৰাক‘আত চালাত আদায় কৰিব, য’ত তেওঁ পৃথিৱীৰ প্ৰতি কোনো ধৰণৰ মনোযোগ নিদিব, তাৰ পূৰ্বৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হ’ব”। ........ 223

তোমালোকৰ মাজৰ কোনোবাই যেতিয়া অজু কৰিবা তেতিয়া সি যেন নাকত পানী দি নাক চাফা কৰি লয়। এইদৰে যিয়ে ইস্তিনজাৰ বাবে ঢিলা কলুষ ব্যৱহাৰ কৰিব সি যেন বিযোৰ সংখ্যক ঢিলা কলুষ ব্যৱহাৰ কৰে। ........ 226

এই দুয়োখন কবৰৰ অধিবাসীৰ শাস্তি হৈ আছে। সেইটোও কোনো ডাঙৰ গুনাহৰ কাৰণে নহয়। এজনে প্ৰস্ৰাৱৰ ছিটাৰ পৰা নিজকে পৱিত্ৰ ৰখা নাছিল আৰু আনজনে খলুৱাগিৰি (চুগলখুৰী) কৰি ফুৰিছিল। ........ 228

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰস্ৰাৱ পায়খানা কৰিবলৈ যোৱাৰ সময়ত এই দুআ পাঠ কৰিছিলঃ (اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الخُبُثِ وَالخَبَائِثِ) আল্লাহুম্মা ইন্নী আউজুবিকা মিনাল খুবছি অল-খাবাইছ। অৰ্থাৎ "হে আল্লাহ! মই দুষ্ট পুৰুষ জিন আৰু অনিষ্টকাৰী নাৰী জিনৰ পৰা তোমাৰ আশ্ৰয় বিচাৰিছোঁ। ........ 230

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া শৌচালয়ৰ পৰা ওলাইছিল তেতিয়া কৈছিলঃ "গুফৰানাকা"। (হে আল্লাহ! মই তোমাৰ ওচৰত ক্ষমা বিচাৰোঁ)। ........ 231

মিছ্ওৱাক কৰাটো হৈছে মুখৰ পৱিত্ৰতা আৰু প্ৰতিপালকৰ সন্তুষ্টি লাভৰ উপায়। ...... 232

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া ৰাতিত (তাহাজ্জুদৰ বাবে) উঠিছিল, তেতিয়া তেখেতে মিছৱাকেৰে মুখ চাফ কৰিছিল। ........ 233

যদি মুমিনসকলৰ ওপৰত - অথবা মোৰ উম্মতৰ ওপৰত- কষ্টকৰ নহ'লহেঁতেন তেন্তে মই তেওঁলোকক প্ৰত্যেক নামাজৰ সময়তে মিছৱাক কৰাৰ নিৰ্দেশ দিলোঁহেঁতেন। .... 234

প্ৰতিজন মুছলিমৰ ওপৰতে সপ্তাহত নূন্যতম এদিন গোছল কৰা অনিবাৰ্য, সেই গোছলত মূৰ আৰু শৰীৰ ধুই লব লাগিব। ........ 235

ফিতৰাত (অৰ্থাৎ মানুহৰ জন্মগত স্বভাৱ) হৈছে পাঁচটা: খাতনা কৰা; লজ্জাস্থানৰ নোম কাটি পৰিস্কাৰ কৰা; মোচ বা গোঁফ চুটি কৰা, নখ কটা; কাষলতিৰ নোম উঘালি পেলোৱা। ........ 237

প্ৰাক-বীৰ্যপাত তৰল পদাৰ্থ সঘনাই নিৰ্গত হোৱা বেমাৰত মই আক্ৰান্ত আছিলোঁ। মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ জোঁৱাই হোৱাৰ কাৰণে বিষয়টো সম্পৰ্কে তেখেতক সুধিবলৈ লাজ কৰিছিলোঁ। সেয়ে মই মিক্বদাদ ইবনুল আছৱাদক এই বিষয়ে সুধিবলৈ ক'লোঁ, তেওঁ সোধাত তেখেতে ক'লেঃ "এনেকুৱা ব্যক্তিয়ে নিজৰ লজ্জাস্থান ধুই লব আৰু অজু কৰিব লাগিব। ........ 238

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া জানাবাতৰ (ফৰজ) গোছল কৰিছিল, তেতিয়া তেখেতে প্ৰথমে ভালকৈ দুয়োখন হাত ধুইছিল। তাৰ পিছত নামাজৰ অজুৰ দৰে অজু কৰিছিল। তাৰ পিছত গোছল কৰিছিল। ........ 240

তুমি কেৱল নিজৰ দুই হাতেৰে এনেকৈ কৰিলেই যথেষ্ট আছিল।" তেখেতে দেখুৱাই দিবলৈ নিজৰ দুয়ো হাত মাটিত এবাৰ স্পৰ্শ কৰিলে, তাৰ পিছত ইটো হাতেৰে সিটো হাতৰ পৃষ্ঠভাগ মছেহ কৰিলে আৰু মুখমণ্ডল মছেহ কৰিলে। ....................................... 242

ৰ'বা, মই এই দুখন অজু কৰি পিন্ধিছোঁ। ....................................... 244

এইটো এটা সিৰাৰ তেজ। কেৱল সেই পৰিমাণ দিন নামাজ ত্যাগ কৰিবা যিমান পৰিমাণ দিন ইতিপূৰ্বে তোমাৰ হায়েজ হৈছিল। সেই কেইদিন পাৰ হোৱাৰ পিছত গোছল কৰিবা আৰু নামাজ পঢ়িবা। ....................................... 246

যেতিয়া তোমালোকৰ মাজৰ কোনোবাই পেটৰ মাজত কিবা অনুভৱ কৰে, ইয়াৰ পিছত তাৰ মনত সন্দেহ হয় যে, কিবা ওলালেই নেকি। তেনেকুৱা ব্যক্তিয়ে কেতিয়াও মছজিদ ত্যাগ কৰা উচিত নহয়, যেতিয়ালৈকে সি কোনো শব্দ নুশুনিব অথবা গোন্ধ নাপাব। .. 248

তোমালোকৰ পাত্ৰৰ পৰা যদি কুকুৰে সেৱন কৰে তেন্তে সেই পাত্ৰটো সাতবাৰ ধুই ল'বা। ....................................... 249

যেতিয়া মুআজ্জিনে কয়ঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, তেতিয়া তোমালোকেও কোৱাঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ। ....................................... 251

তোমালোকে যেতিয়া মুআজ্জিনক আজান দিওঁতে শুনিবা, তেতিয়া মুআজ্জিনে যি যি কয় তোমালোকেও তাকেই ক'বা। ইয়াৰ পিছত মোৰ ওপৰত দৰূদ পাঠ কৰিবা। ........ 253

যিয়ে মুআজ্জিনৰ আজান শুনি এই দুআটো পাঠ কৰে, তাৰ গুনাহ খাতা মাফ কৰি দিয়া হয়। أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، رَضِيتُ بِاللهِ رَبًّا وَبِمُحَمَّدٍ رَسُولًا، وَبِالْإِسْلَامِ دِينًا অৰ্থঃ মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই, আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল। মই সন্তুষ্ট হৈছোঁ আল্লাহক ৰব্ব হিচাপে পাই আৰু মুহাম্মদক নবী হিচাপে পাই, লগতে ইছলামক দ্বীন হিচাপে পাই। ..................... 255

আজান শুনাৰ পিছত যিয়ে এই দুআ পাঠ কৰিবঃ اللَّهُمَّ رَبَّ هَذِهِ الدَّعْوَةِ التَّامَّةِ، وَالصَّلاَةِ القَائِمَةِ، آتِ مُحَمَّدًا الوَسِيلَةَ وَالفَضِيلَةَ، وَابْعَثْهُ مَقَامًا مَحْمُودًا الَّذِي وَعَدْتَهُ আল্লাহুম্মা ৰাব্বা হা-জিহিদ দা'ৱাতিত তা-ম্মাহ, অচ্ছালাতিল ক্বা-য়িমাহ, আ-তি মুহাম্মাদানিল অচীলাতা অল ফাজীলাহ। অবআছহু মাক্বা-মাম মাহমূদানিল লাজী ওৱা আত্তাহ। কিয়ামতৰ দিনা তাৰ বাবে মোৰ শ্বাফাআত ওৱাজিব হৈ পৰে। ....................................... 257

আজান আৰু ইক্বামতৰ মাজত কৰা দুআ প্ৰত্যাখ্যান কৰা নহয়। ....................................... 259

''তুমি আজান শুনা পোৱানে?'' তেওঁ ক'লে, 'হয়, শুনা পাওঁ।' তেখেতে ক'লে, ''তেনেহ'লে তুমি সঁহাৰি দিয়া।'' [অৰ্থাৎ মছজিদলৈ আহি চালাত আদায় কৰা।] ......... 261

কোৱাচোন! তোমালোকৰ কাৰোবাৰ ঘৰৰ সন্মুখত যদি এখন নদী থাকে আৰু সি যদি তাত দৈনিক পাঁচবাৰ গোছল কৰে, তেন্তে তাৰ শৰীৰত কোনো ময়লা থাকিবনে?....... 262

আল্লাহৰ দৃষ্টিত আটাইতকৈ পছন্দনীয় আমল কোনটো? তেখেতে ক'লেঃ "সময়মতে নামাজ আদায় কৰা।" তেওঁ ক'লেঃ ইয়াৰ পিছত কোনটো? তেখেতে ক'লেঃ "পিতৃ-মাতৃৰ সৈতে সদ্ব্যৱহাৰ কৰা।" তেওঁ ক'লেঃ তাৰ পিছত কোনটো? তেখেতে ক'লেঃ "আল্লাহৰ পথত জিহাদ কৰা।........ 264

যিজন মুছলিমে ফৰজ নামাজৰ সময় হ'লে উত্তমভাৱে অজু কৰে, বিনয় আৰু ভয় সহকাৰে ৰুকূ কৰি চালাত আদায় কৰে, তাৰ এই আমল পূৰ্বৱৰ্তী গুনাহৰ কাফফাৰা হৈ যায়। যেতিয়ালৈকে সি কোনো কাবীৰাহ গুনাহ নকৰে। এইটো সদায় এনেকৈয়ে চলে। ........ 265

পাঁচ ওৱাক্ত চালাত, এটা জুমু'আৰ পৰা আনটো জুমু'আ তথা এটা ৰামাজানৰ পৰা আনটো ৰামাজান, ইয়াৰ দ্বাৰা সেইবোৰ গুনাহৰ কাফফাৰা হয়, যিবোৰ ইয়াৰ মধ্যৱৰ্তী সময়ত হৈ থাকে, যদিহে কবীৰাহ গুনাহৰ পৰা বিৰত থকা হয়।........ 267

নামাজ আদায় কৰিবা আৰু তোমালোকৰ অধিকাৰভুক্ত দাস-দাসীৰ সৈতে সদ্ব্যৱহাৰ কৰিবা। ........ 268

তোমালোকৰ সন্তানসকলৰ বয়স সাত বছৰ হ'লে সিহঁতক নামাজৰ শিক্ষা দিয়া, আৰু দহ বছৰ বয়সতো নামাজ নপঢ়িলে সিহঁতক প্ৰহাৰ কৰা। লগতে বিছনা পৃথক কৰি দিয়া। ........ 270

মহান আল্লাহে কৈছেঃ মই মোৰ আৰু মোৰ বান্দাৰ মাজত নামাজক দুই ভাগত ভাগ কৰি দিছোঁ। মোৰ বান্দাক সেইটোৱে প্ৰদান কৰিছোঁ যিটো সি বিচাৰে। ........ 272

আমাৰ (মুছলিম) আৰু সিহঁতৰ (অমুছলিমৰ) মাজত (মুক্তিৰ) যি প্ৰতিশ্ৰুতি আছে, সেয়া হৈছে চালাত। এতেকে যিয়ে ইয়াক পৰিত্যাগ কৰে, সি কুফৰী কৰে।........ 275

বান্দা আৰু শ্বিৰ্ক তথা কুফৰৰ মাজত পাৰ্থক্য হৈছে চালাত পৰিত্যাগ কৰা। ........ 276

হে বিলাল! নামাজৰ ইক্বামত দিয়া, আৰু ইয়াৰ দ্বাৰা আমাক আৰাম প্ৰদান কৰা। ...... 277

আল্লাহুম্মা বায়িদ বাইনি অবাইনা খাত্বা-য়ায়া কামা বা-আত্তা বাইনাল মাশ্বৰিক্বি অল মাগৰিব। ........ 278

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাত আৰম্ভ কৰিছিল, তেতিয়া তেখেতে উভয় হাত কান্ধ পৰ্যন্ত উত্তোলন কৰিছিল। ........ 280

সেই ব্যক্তিৰ নামাজ হোৱা নাই, যিয়ে নামাজত ছুৰা ফাতিহা পঢ়া নাই। ........ 282

যোৱা নামাজ পঢ়াগৈ, তোমাৰ নামাজ হোৱা নাই।........ 283

সেই সত্ত্বাৰ শপত, যাৰ হাতত মোৰ প্ৰাণ আছে, তোমালোকতকৈ মোৰ চালাত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ চালাতৰ সৈতে অধিক সাদৃশ্যপূৰ্ণ। পৃথিৱীৰ পৰা বিদায় লোৱাৰ সময় পৰ্যন্ত এইটোৱে আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চালাতৰ পদ্ধতি।...... 287

মোক সাতডাল হাড়ৰ (অংগৰ) দ্বাৰা ছাজদাহ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।...... 289

ৰাতিৰ শেষাংশত মহান আল্লাহ বান্দাৰ আটাইতকৈ নিকটৱৰ্তী হয়।...... 290

নিশ্চয় শীঘ্ৰেই তোমালোকে তোমালোকৰ প্ৰতিপালকক দেখিবলৈ পাবা, যিদৰে তোমালোকে এই চন্দ্ৰটোক দেখি আছা, তেওঁক দেখিবলৈ তোমালোকৰ কোনো ভীৰ কৰিবলগীয়া নহ'ব।...... 292

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ফজৰৰ দুই ৰাকাত ছুন্নত নামাজত (ক্বুল ইয়া আয়্যুহাল কাফিৰূন) আৰু (ক্বুল হুৱাল্লাহু আহাদ) পাঠ কৰিছিল।...... 293

যিয়ে দুই শীতল নামাজ (ফজৰ আৰু আচৰ) আদায় কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।...... 294

“যি ব্যক্তিয়ে ফজৰৰ চালাত আদায় কৰে, তেওঁ আল্লাহৰ জিম্মাত থাকে...... 296

"যিয়ে আচৰৰ নামাজ পৰিত্যাগ কৰে, তাৰ যাৱতীয় আমল ব্যৰ্থ হৈ যায়।...... 297

যদি কোনোবাই কোনো এটা নামাজ পঢ়িবলৈ পাহৰি যায়, তেন্তে যেতিয়াই মনত পৰিব তেতিয়াই পঢ়ি লব লাগিব। ইয়াৰ বাহিৰে সেই নামাজৰ আন কোনো কাফ্ফাৰা নাই।. 298

মুনাফিকসকলৰ ওপৰত আটাইতকৈ কঠিন চালাত হৈছে, ঈশ্বা আৰু ফজৰৰ চালাত। সিহঁতে যদি এই দুই চালাতৰ ফজিলত সম্পৰ্কে জানিলেহেঁতেন তেনেহ'লে চুঁচৰি হ'লেও তাত উপস্থিত হ'লহেঁতেন।...... 300

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰুকুৰ পৰা উঠি পিঠি চিধা কৰি কৈছিলঃ "ছামি আল্লাহু লিমান হামিদাহ,...... 302

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই ছাজদাৰ মাজত এই দুআটো পঢ়িছিলঃ "ৰাব্বিগফিৰ লী, ৰাব্বিগফিৰ লী।...... 303

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই ছাজদাৰ মাজত এই দুআ পাঠ কৰিছিল, আল্লাহুম্মাগ ফিৰলি, অৰহামনী, ওৱা আফিনী, অহদিনী, অৰঝুকনী। (হে আল্লাহ! মোক ক্ষমা কৰি দিয়া, মোৰ প্ৰতি দয়া কৰা, মোক (বেমাৰ-আজাৰৰ পৰা) ৰক্ষা কৰা, মোক হিদায়ত দিয়া আৰু মোক জীৱিকা প্ৰদান কৰা।...... 304

যেতিয়া তোমালোকে চালাত আদায় কৰিবা, তেতিয়া শাৰীবোৰ চিধা কৰি লবা। ইয়াৰ পিছত তোমালোকৰ মাজৰ পৰাই কোনোবাই ইমামতি কৰিবা। ইমামে যেতিয়া তাকবীৰ দিব তেতিয়া তোমালোকেও তাকবীৰ দিবা।........................................................306

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক সেইদৰেই তাশ্বাহহুদ শিকাইছে, যিদৰে তেখেতে মোক কোৰআনৰ ছুৰা শিকাইছিল। সেই সময়ত মোৰ হাত তেখেতৰ দুয়ো হাতৰ মাজত আছিল।..........................................................................................312

হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ কবৰৰ শাস্তিৰ পৰা, জাহান্নামৰ আজাবৰ পৰা, জীৱন আৰু মৰণৰ ফিতনাৰ পৰা, লগতে মছীহ দাজ্জালৰ ফিতনাৰ পৰা.................316

"তুমি আল্লাহক বেছি বেছি ছাজদাহ কৰা, কাৰণ তুমি কৰা প্ৰতিটো ছাজদাৰ বিনিময়ত আল্লাহে তোমাৰ মৰ্যাদাৰ এটা ধাপ উন্নীত কৰিব আৰু এটাকৈ গুনাহ মাৰ্জনা কৰিব। 318

আহাৰ উপস্থিত হোৱাৰ পিছত কোনো নামাজ পঢ়া উচিত নহয়, লগতে প্ৰস্ৰাৱ পায়খানাৰ চাপ সৃষ্টি হ'লেও কোনো নামাজ পঢ়া উচিত নহয়।..................................320

এইটো হৈছে এক প্ৰকাৰ চয়তান, যাৰ নাম হৈছে খিনঝিব। যেতিয়া তুমি ইয়াৰ উপস্থিতি অনুভৱ কৰিবা, তেতিয়া তুমি (আউজুবিল্লাহ পঢ়ি) তাৰ অনিষ্টৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰি তিনিবাৰ তোমাৰ বাওঁফালে থু পেলাবা।....................................321

আটাইতকৈ নিকৃষ্ট চোৰ হৈছে সেইজন, যিয়ে নামাজ চুৰি কৰে।" তেওঁ সুধিলেঃ নামাজ আকৌ কেনেকৈ চুৰি কৰে? তেখেতে ক'লেঃ "যিয়ে নামাজৰ ৰুকু ছাজদাহ পৰিপূৰ্ণৰূপে নকৰে। ......................................................................................................322

তোমালোকৰ মাজৰ কোনোবাই যেতিয়া ইমামৰ আগত মূৰ তোলে, তেতিয়া সি ভয় নকৰে নেকি যে, আল্লাহে হয়তো তাৰ মূৰটো গাধৰ মূৰৰ দৰে কৰিব পাৰে অথবা তাৰ আকৃতি গাধৰ আকৃতিৰ দৰে কৰি দিব পাৰে।........................................................324

তোমালোকৰ মাজৰ কাৰোবাৰ যদি নামাজত সন্দেহ হয়, তেওঁ যদি থিৰাং কৰিব নোৱাৰে যে, কিমান ৰাকাত পঢ়িছে তিনি ৰাকাত নে চাৰি ৰাকাত? তেন্তে তেওঁ সন্দেহক পৰিহাৰ কৰি নিশ্চিত সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি নামাজ অব্যাহত ৰখা উচিত। ইয়াৰ পিছত ছালাম ফিৰোৱাৰ আগত দুটা ছাজদাহ কৰি লোৱা উচিত।.......................................325

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এজন ব্যক্তিক জামাআতৰ শাৰীৰ পিছফালে অকলশৰীয়াকৈ থিয় হৈ নামাজ পঢ়া দেখি, তাক পুনৰ নামাজ পঢ়িবলৈ নিৰ্দেশ দিলে। ..........................................................................................................................327

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত এজন লোকৰ কথা উল্লেখ কৰা হ'ল যে, সি ৰাতি শুৱে একেবাৰে ৰাতিপুৱা উঠে। তেখেতে ক'লেঃ "সেই ব্যক্তিৰ দুয়ো কাণত অথবা কৈছিল, তাৰ কাণত চয়তানে প্ৰস্ৰাৱ কৰে। ..............................................................328

সূৰ্য্য উদয় হোৱা দিনসমূহৰ মাজত উত্তম দিন হৈছে জুমুআৰ দিন। ......................... 329

জুমুআৰ দিনা যিয়ে জানাবতৰ (ফৰজ) গোছল কৰিব, আৰু প্ৰথম সময়ছোৱাতে মছজিদত যাব, তেওঁ দৰাচলতে এটা উট কুৰবানী কৰাৰ ছোৱাব অৰ্জন কৰিব। ......... 331

আল্লা-হুম্মা আনতাছ ছালামু অমিনকাছ ছালাম, তাবাৰাকতা য়া যাল জালালি অল ইকৰাম। ......................................................................................... 333

“ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে উক্ত দুআটো প্ৰত্যেক চালাতৰ পাছত পাঠ কৰিছিল।” ......................................................................................... 335

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক ফৰজ নামাজৰ পিছতে এই দুআ পঢ়িছিলঃ ......................................................................................... 338

যি ব্যক্তিয়ে প্ৰতিটো নামাজৰ পিছত ৩৩ বাৰ ছুবহানাল্লাহ পাঠ কৰিব, আৰু ৩৩ বাৰ আলহাম্‌দুলিল্লাহ পাঠ কৰিব আৰু ৩৩ বাৰ আল্লাহু আকবাৰ পাঠ কৰিব, এয়া মুঠ হৈছে ৯৯ বাৰ, এইদৰে এশ সম্পূৰ্ণ কৰিবলৈ যিয়ে পাঠ কৰিবঃ লা ইলা-হা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুল্‌কু অলাহুল হাম্‌দু, ওৱা হুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। অৰ্থঃ (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব একমাত্ৰ তেওঁৰেই, সকলো ধৰণৰ প্ৰশংসাও তেওঁৰেই, আৰু তেওঁ সকলো বস্তুৰ ওপৰতে ক্ষমতাৱান।) তেন্তে তাৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হ'ব, যদিও তাৰ গুনাহ সাগৰৰ ফেনৰ সমান হয়। ......................................................................................... 340

যি ব্যক্তিয়ে প্ৰত্যেক ফৰজ নামাজৰ পিছত আয়াতুল কুৰ্ছী পাঠ কৰিব, তাৰ জান্নাতত প্ৰৱেশৰ ক্ষেত্ৰত মৃত্যুৰ বাহিৰে আন কোনেও বাধা হ'ব নোৱাৰে। .............................. 342

মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দহ ৰাকাত নামাজৰ বিষয়ে মোৰ স্মৃতিত সংৰক্ষণ কৰি ৰাখিছোঁ ......................................................................................... 344

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত কেতিয়াও এৰা নাছিল। ......................................................................................... 345

প্ৰত্যেক দুটা আজানৰ মাজত আছে নামাজ, প্ৰত্যেক দুটা আজানৰ মাজত আছে নামাজ।" ইয়াৰ পিছত তৃতীয়বাৰত তেখেতে কৈছিলঃ "যাৰ ইচ্ছা সি পঢ়িব পাৰে। ...... 346

যেতিয়া তোমালোকৰ মাজৰ কোনোবাই মছজিদত প্ৰৱেশ কৰে, তেতিয়া তেওঁ বহাৰ আগতে দুই ৰাকাত নামাজ পঢ়ি লোৱা উচিত। ......................................................... 347

জুমু'আৰ দিনা ইমামে খুতবা দিয়াৰ সময়ত, যদি তুমি তোমাৰ সঙ্গীক চুপ থাকিবলৈও কোৱা তেন্তে তুমিও অনৰ্থক কাম কৰিলা। ......................................................... 348

থিয় হৈ চালাত আদায় কৰা, যদি নোৱাৰা তেন্তে বহি আদায় কৰা, যদি বহিও নোৱাৰা তেন্তে কাতি হৈ শুই শুই আদায় কৰা। ......................................................... 349

মছজিদে হাৰামৰ বাহিৰে অন্যান্য মছজিদৰ তুলনাত মোৰ এই মছজিদত নামাজ পঢ়াটো এহেজাৰ গুণ উত্তম।............ 350

যিয়ে আল্লাহৰ সন্তুষ্টি অৰ্জনৰ উদ্দেশ্যে মছজিদ নিৰ্মাণ কৰে, আল্লাহে তাৰ বাবে জান্নাতত অনুৰূপ এখন ঘৰ নিৰ্মাণ কৰে।............ 351

সোণ-ৰূপৰ অধিকাৰী ব্যক্তি, যিয়ে (নিচাব হোৱাৰ পিছতো) ইয়াৰ হক (জাকাত) আদায় নকৰে, ক্বিয়ামতৰ দিনা তাৰ এই সম্পদক জাহান্নামৰ জুইত উত্তপ্ত কৰি অগ্নিৰ পাত বনোৱা হ'ব।............ 353

চাদাক্বাই কেতিয়াও সম্পদ হ্ৰাস নকৰে আৰু যি ব্যক্তিয়ে ক্ষমা কৰে, আল্লাহে তাৰ সন্মান বৃদ্ধি কৰি দিয়ে। এইদৰে যি ব্যক্তিয়ে আল্লাহৰ (সন্তুষ্টি অৰ্জনৰ) বাবে বিনয়ী হ'ব, আল্লাহে তাক উচ্চ মৰ্যাদালৈ উন্নীত কৰিব।............ 358

মহান আল্লাহে কৈছেঃ "হে আদম সন্তান! ব্যয় কৰা, তেতিয়াহে তোমাৰ ওপৰত ব্যয় কৰা হ'ব।............ 359

যি ব্যক্তিয়ে ছোৱাব লাভৰ নিয়্যতেৰে নিজৰ পৰিয়ালৰ ওপৰত ব্যয় কৰে, তেওঁ চাদাক্বাৰ ছোৱাব পায়।............ 360

যেতিয়া কোনো মানুহ মৃত্যুবৰণ কৰে, তেতিয়া তাৰ আমলৰ দুৱাৰ বন্ধ হৈ যায়, কেৱল তিনিটা উপায়ৰ বাহিৰেঃ চাদাক্বাহ জাৰিয়াহ, এনেকুৱা বিদ্যা যিটোৰ দ্বাৰা মানুহে উপকৃত হয়, আৰু এনেকুৱা নেক সন্তান যিয়ে তাৰ বাবে দুআ কৰে।............ 361

সোণৰ বিনিময়ত ৰূপৰ মুদ্ৰা হাতে হাতে লগে লগে আদান-প্ৰদান নহ'লে সুত হ'ব, ঘেঁহুৰ বিনিময়ত ঘেঁহু লগে লগে আদান প্ৰদান নহ'লে সুতৰ অন্তৰ্ভুক্ত, যৱৰ বিনিময়ত যৱ হাতে হাতে আদান-প্ৰদান নহ'লে সুত হ'ব, এইদৰে খেজুৰৰ বিনিময়ত খেজুৰ লগে লগে আদান-প্ৰদান নহ'লে সুত হ'ব।............ 364

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ফিতৰা হিচাপে এক ছা পৰিমাণ খেজুৰ অথবা এক ছা যৱ, প্ৰতিজন স্বাধীন আৰু পৰাধীন, পুৰুষ আৰু নাৰী, আনকি সৰু বৰ সকলো মুছলিমৰ ওপৰতে অনিবাৰ্য্য কৰিছে। লগতে তেখেতে নিৰ্দেশ দিছে যে, ঈদৰ নামাজৰ পূৰ্বেই যাতে এইটো আদায় দিয়া হয়।............ 367

হে মানৱজাতি! তোমালোকে ছালাম প্ৰচাৰ কৰা, মানুহক আহাৰ কৰোৱা আৰু আত্মীয়তাৰ বন্ধন অটুট ৰখা। ৰাতিত যেতিয়া সকলোৱে টোপনিত যায় তেতিয়া উঠি চালাত আদায় কৰা। (এনেকুৱা কৰিলে) সহজে জান্নাতত প্ৰৱেশ কৰিব পাৰিবা।............ 369

আল্লাহ তা'আলা পাক-পৱিত্ৰ, সেয়ে তেওঁ কেৱল পৱিত্ৰ বস্তুহে কবূল কৰে। আল্লাহ তা'আলাই মুমিনসকলক কেৱল সেই কাম কৰাৰ হুকুম দিছে যিটো কৰাৰ হুকুম তেওঁ ৰাছুলসকলক দিছিল।............ 371

“ঋণ পৰিশোধ কৰিবলৈ অক্ষম ব্যক্তিক (তাৰ সচ্ছলতা ঘূৰি নহালৈকে) যিয়ে অৱকাশ দিব অথবা তাক ক্ষমা কৰি দিব, আল্লাহে সেই ব্যক্তিক কিয়ামতৰ দিনা আৰশ্বৰ ছাঁৰ তলত স্থান দিব, যিদিনা সেই ছাঁৰ বাহিৰে আন কোনো ছাঁ নাথাকিব।” ........................ 374

আল্লাহে সেই ব্যক্তিৰ প্ৰতি ৰহমত বৰ্ষণ কৰক, যিয়ে নম্ৰতাৰ সৈতে ক্ৰয়-বিক্ৰয় কৰে আৰু ঋণ ঘূৰাই লোৱাৰ ক্ষেত্ৰত অৱকাশ দিয়ে। ........................ 375

(প্ৰাচীনকালত) এজন ব্যক্তিয়ে মানুহক ঋণ প্ৰদান কৰিছিল আৰু তাৰ কৰ্মচাৰীক আদেশ দিছিলি যে, ‘যেতিয়া তুমি ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ কোনো ঋণগ্ৰহীতাৰ ওচৰলৈ যাবা, তেতিয়া তাক ক্ষমা কৰি দিবা। হয়তো (ইয়াৰ প্ৰতিদানত) আল্লাহে আমাক ক্ষমা কৰি দিব। ........................ 376

নিশ্চয় কিছুমান মানুহে আল্লাহৰ সম্পদ অন্যায়ভাৱে ভক্ষণ কৰে। কিয়ামতৰ দিনা সিহঁতৰ বাবে নিৰ্ধাৰিত আছে জাহান্নামৰ জুই। ........................ 377

মহান আল্লাহে কৈছেঃ আদম সন্তানৰ প্ৰতিটো আমল হৈছে তাৰ নিজৰ বাবে, কিন্তু ৰোজাৰ বাহিৰে। কাৰণ ৰোজা হৈছে মোৰ বাবে, ইয়াৰ প্ৰতিদান মই নিজে প্ৰদান কৰিম। ........................ 379

যি ব্যক্তিয়ে ঈমানৰ সৈতে ছোৱাবৰ আশাত ৰমাজান মাহৰ চওম পালন কৰে, সেই ব্যক্তিৰ অতীতৰ গুনাহসমূহ মাফ কৰি দিয়া হয়। ........................ 382

ৰমাজান অহাৰ লগে লগে জান্নাতৰ দুৱাৰসমূহ খুলি দিয়া হয়, আৰু জাহান্নামৰ দুৱাৰসমূহ বন্ধ কৰি দিয়া হয়, আৰু চয়তানবোৰক শিকলিবদ্ধ কৰা হয়। ........................ 383

যিয়ে ৰোজা অৱস্থাত ভুলবশতঃ কিবা খাইছে অথবা সেৱন কৰিছে, সি ৰোজা পূৰ্ণ কৰা উচিত। কাৰণ আল্লাহেই তাক খুৱাইছে আৰু পান কৰোৱাইছে। ........................ 385

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মৃত্যু পৰ্যন্ত ৰমাজান মাহৰ শেষ দহকত এতিকাফ কৰিছিল। তেখেতৰ মৃত্যুৰ পিছতো তেখেতৰ স্ত্ৰীসকলে এতিকাফ কৰিছিল। ........................ 386

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজান মাহৰ শেষ দহকত যি পৰিমাণ পৰিশ্ৰম কৰিছিল, সেই পৰিমাণ পৰিশ্ৰম বেলেগ দিনত কৰা নাছিল। ........................ 387

ৰমাজান মাহৰ শেষ দশক যেতিয়া আৰম্ভ হৈছিল তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নিজেও ৰাতি জাগৰণ কৰিছিল আৰু তেখেতৰ পৰিয়ালকো সজাগ ৰাখিছিল, তেখেতে কঠোৰ পৰিশ্ৰম কৰিছিল তথা কঁকালৰ কাপোৰ মজবুতকৈ বান্ধি লৈছিল। .. 388

যিয়ে আল্লাহৰ পথত (অৰ্থাৎ জিহাদৰ অৱস্থাত) এদিনো ৰোজা পালন কৰে, আল্লাহে তাৰ মুখমণ্ডলক জাহান্নামৰ পৰা সত্তৰ বছৰৰ দূৰত্বত আঁতৰাই ৰাখে। ........................ 390

মোক মোৰ অন্তৰঙ্গ বন্ধুৱে (অৰ্থাৎ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে) তিনিটা বিষয়ৰ উপদেশ দিছে। প্ৰত্যেক মাহত তিনিটা ৰোজা ৰাখিবলৈ, চাস্তৰ সময়ত দুই ৰাকাত নামাজ পঢ়িবলৈ, আৰু মই যেন টোপনি যোৱাৰ আগত ৱিতিৰ পঢ়ি শুবলৈ যাওঁ। ................. 391

তোমালোকে ছাহৰী খোৱা, কাৰণ ছাহৰীত বৰকত আছে। ....................................... 393

মই এবাৰ ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ সৈতে ঈদগাহত উপস্থিত হ'লোঁ, তেতিয়া তেখেতে (লোকসকলক সম্বোধন কৰি) ক'লেঃ এই দুই (ঈদৰ) দিনত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰোজা ৰাখিবলৈ নিষেধ কৰিছে। এটা হৈছে (ৰমাজানৰ) ৰোজাৰ পিছত ঈদুল ফিতৰৰ দিন, আৰু আনটো হৈছে (ঈদুল আজহাৰ দিন) যিদিনা তোমালোকে কুৰবানীৰ মাংস ভক্ষণ কৰা। ........................................................................................................ 395

যি ব্যক্তিয়ে ঈমানৰ সৈতে ছোৱাবৰ আশাত লাইলাতুল কদৰত কিয়াম (অৰ্থাৎ চালাত আদায়) কৰিব, সেই ব্যক্তিৰ অতীতৰ গুনাহসমূহ মাফ কৰি দিয়া হয়।....................... 396

যি ব্যক্তিয়ে হজ্জ পালন কৰিলে আৰু (সেই হজ্জ কৰাৰ সময়ত) কোনো ধৰণৰ অশ্লীল কৰ্ম কৰা নাই আৰু পাপকৰ্মও কৰা নাই, এনেকুৱা ব্যক্তি ঠিক সেইদিনৰ দৰে (নিষ্পাপ হৈ) ঘৰলৈ উভতিব, যিদিনা তাৰ মাকে তাক প্ৰসৱ কৰিছিল। .................................... 397

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এইদৰে তালবীয়াহ পাঠ কৰিছিল। "লাব্বাইক আল্লাহুম্মা লাব্বাইক, লাব্বাইকা লা শ্বাৰীকা লাকা লাব্বাইক, ইন্নাল হামদা অন নি'মাতা লাকা অলমুল্ক, লা শ্বাৰীকা লাক।.......................................................................... 399

আল্লাহৰ ওচৰত অন্যান্য দিনৰ তুলনাত এই দহ দিনৰ নেক আমল অধিক প্ৰিয়।" অৰ্থাৎ জুলহিজ্জা মাহৰ প্ৰথম দহ দিনৰ নেক আমল।...................................................... 401

নিজৰ ধন-সম্পদ, প্ৰাণ আৰু জিভাৰ দ্বাৰা মুশ্বৰিকসকলৰ সৈতে সংগ্ৰাম কৰা। ........ 402

সন্দেহযুক্ত বিষয় পৰিত্যাগ কৰি যিটোত সন্দেহ নাই সেইটো গ্ৰহণ কৰা। কাৰণ সত্যই হৈছে শান্তি তথা স্বস্তি, আনহাতে মিছা হৈছে সন্দেহ তথা সংশয়। ............................ 404

মহান আল্লাহে মোৰ উম্মতৰ সেইসমূহ বিষয় ক্ষমা কৰি দিছে, যিবোৰ তেওঁলোকৰ অন্তৰত উদয় হয়, যেতিয়ালৈকে সেইটো কাৰ্যত পৰিণত নহয় অথবা মুখেৰে প্ৰকাশ নকৰে। ....................................................................................................................... 405

নিশ্চয় আল্লাহে তোমালোকৰ আকাৰ-আকৃতিৰ প্ৰতি নাচায়, বৰং তোমালোকৰ অন্তৰ আৰু আমলৰ প্ৰতিহে চায়।................................................................................... 407

“নিশ্চয় মহান আল্লাহে আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে, আৰু মুমিনেও আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে। আল্লাহৰ আত্মমৰ্যাদাত তেতিয়া আঘাত হয়, যেতিয়া কোনো মুমিন ব্যক্তিয়ে হাৰাম কামত লিপ্ত হয়।”........................................................................ 408

তোমালোকে সাতটা ধ্বংসকাৰী বিষয়ৰ পৰা আঁতৰত থাকিবা.................................. 409

“মই তোমালোকক আটাইতকৈ ডাঙৰ (কবীৰাহ) গুনাহ সম্পৰ্কে সংবাদ নিদিমনে?..411

কাবীৰাহ গোনাহ হৈছে: আল্লাহৰ সৈতে শ্বিৰ্ক কৰা, পিতা-মাতাৰ সৈতে অবাধ্যাচৰণ কৰা, কাৰোবাক হত্যা কৰা আৰু মিছা শপত খোৱা।........................................................413

কিয়ামতৰ দিনা সৰ্বপ্ৰথম মানুহৰ মাজত সিহঁতৰ ৰক্তপাত সম্পৰ্কে বিচাৰ ফয়চালা কৰা হ'ব।.........................................................................................................................415

যিয়ে কোনো চুক্তিবদ্ধ ব্যক্তিক হত্যা কৰিব, সি জান্নাতৰ ঘ্ৰাণো নাপাব। অথচ ইয়াৰ ঘ্ৰাণ চল্লিশ বছৰ দূৰত্বৰ পৰা পোৱা যায়।.........................................................................416

“আত্মীয়তাৰ সম্পৰ্ক বিচ্ছিন্নকাৰী জান্নাতত প্ৰৱেশ নকৰিব।” ..................................417

“যি ব্যক্তিয়ে এইটো কামনা কৰে যে, তাৰ জীৱিকা প্ৰশস্ত হওক আৰু তাৰ আয়ু বৃদ্ধি হওক, তেওঁ যেন আত্মীয়তাৰ সম্পৰ্ক অক্ষুন্ন ৰাখে।”................................................418

সেই ব্যক্তি আত্মীয়তাৰ বন্ধন ৰক্ষাকাৰী নহয়, যিয়ে ইয়াৰ বিনিময়ত প্ৰতিদান বিচাৰে, বৰং আত্মীয়তাৰ অধিকাৰ ৰক্ষাকাৰী হৈছে সেই ব্যক্তি, যিয়ে আত্মীয়তাৰ সম্পৰ্ক ছিন্ন হোৱাৰ পিছতো আত্মীয়তা বজাই ৰাখে।....................................................................419

মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! (সবাতোকৈ বেছি) সদ্ব্যৱহাৰ কাৰ সৈতে কৰিম? তেখেতে ক'লেঃ "তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ পিতৃৰ সৈতে। ইয়াৰ পিছত শ্ৰেণীবদ্ধভাৱে যিজন তোমাৰ বেছি নিকটাত্মীয়।...........................................................................420

“তোমালোকে জানানে, গীবত কি?” চাহাবাসকলে ক'লে, আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেখেতে ক'লে:“ (গীবত হৈছে) তুমি তোমাৰ ভাতৃৰ বিষয়ে এনেকুৱা কোনো বিষয় আলোচনা কৰা, যিটোক সি অপছন্দ কৰে.........................................422

প্ৰতিটো নিচা জাতীয় বস্তুৱে হৈছে মাদকদ্ৰব্যৰ অন্তৰ্ভুক্ত, আৰু প্ৰতিটো নিচা জাতীয় বস্তুৱে হাৰাম। যিয়ে পাৰ্থিৱ জীৱনত মাদক দ্ৰব্য সেৱন কৰিব আৰু এই ক্ষেত্ৰক অভ্যস্ত হৈ তাওবা নকৰাকৈ মৃত্যুবৰণ কৰিব, আখিৰাতত সি শ্বাৰাব সেৱনৰ পৰা বঞ্চিত হ'ব। 424

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে উৎকোচ প্ৰদানকাৰী আৰু উৎকোচ গ্ৰহণকাৰী উভয়কে অভিশাপ কৰিছে।...............................................................................425

তোমালোকে পৰস্পৰে হিংসা নকৰিবা, ইজনে সিজনৰ বাবে দালালি কৰি দাম বৃদ্ধি নকৰিবা, পৰস্পৰে বিদ্বেষ পোষণ নকৰিবা, এজনে আনজনৰ পৰা সম্পৰ্কচ্ছেদ নকৰিবা, এজনে ক্ৰয় কৰাৰ ওপৰত আন জনে ক্ৰয় নকৰিবা। হে আল্লাহৰ বান্দাসকল! পৰস্পৰে ভাতৃ হৈ যোৱা। ...........................................................................................427

“তোমালোকে বেয়া ধাৰণা কৰাৰ পৰা বিৰত থকা, কাৰণ বেয়া ধাৰণা হৈছে আটাইতকৈ ডাঙৰ মিছা কথা। ..................................................................................................431

চোগলখোৰ (ইজনৰ কথা সিজনক লগোৱা) ব্যক্তি জান্নাতত প্ৰৱেশ নকৰিব। ............ 433

মোৰ উম্মতৰ প্ৰতিজন ব্যক্তিয়ে ক্ষমা পাব, কেৱল গুনাহ প্ৰকাশকাৰী ব্যক্তিসকলৰ বাহিৰে। ........................................................................................................ 434

হে মানৱজাতি! আল্লাহে তোমালোকৰ পৰা জাহিলী যুগৰ দম্ভ আৰু অহংকাৰ তথা পূৰ্বপুৰুষৰ প্ৰতি থকা গৌৰৱ আদিৰ কুঃসংস্কাৰ নিঃশেষ কৰিছে।............................ 436

আল্লাহৰ ওচৰত আটাইতকৈ ঘৃণনীয় ব্যক্তি হৈছে সেইজন, যিজন কলহপ্ৰিয়।........... 438

যেতিয়া কোনো দুজন মুছলিম ব্যক্তি তৰোৱাল লৈ ইজনে সিজনৰ মুখামুখী হয়, তেতিয়া (জানি থবা) হত্যাকাৰী আৰু নিহত উভয় ব্যক্তিয়েই হৈছে জাহান্নামী।........................ 439

যিয়ে আমাৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰে, সি আমাৰ অন্তৰ্ভুক্ত নহয়। ............................ 440

তোমালোকে মৃত লোকসকলক গালি নাপাৰিবা; কাৰণ সিহঁতে নিজৰ কৰ্মফলৰ ওচৰলৈ গৈ উপনীত হৈছে। .............................................................................................. 441

কোনো মুছলিমৰ বাবে বৈধ নহয় তাৰ ভাইৰ লগত তিনি দিনতকৈ অধিক সময় এনেকুৱাকৈ কথা-বতৰা বন্ধ ৰখা যে, পৰস্পৰৰ সাক্ষাৎ হ'লে, এজনে ইফালে মুখ ঘূৰাই লয় আৰু আনজনে সিফালে মুখ ঘূৰাই লয়। সিহঁত দুজনৰ মাজত উত্তম হৈছে সেইজন ব্যক্তি, যিয়ে প্ৰথমে ছালাম কৰিব। ........................................................................ 443

যিয়ে মোক মুখৰ দুই পাৰিৰ মাজত থকা জিভাৰ আৰু দুই ভৰিৰ মাজত থকা লজ্জাস্থান সুৰক্ষিত ৰখাৰ নিশ্চয়তা প্ৰদান কৰিব, তাক মই জান্নাতৰ নিশ্চয়তা প্ৰদান কৰিম। .... 444

স্বামী অথবা মাহৰাম (যাৰ লগত বিবাহ নিষিদ্ধ) অবিহনে কোনো নাৰীয়ে যেন দুদিনৰ দূৰত্বৰ ভ্ৰমণ নকৰে। ................................................................................... 446

মোৰ মৃত্যুৰ পিছত পুৰুষসকলৰ ওপৰত আটাইতকৈ ডাঙৰ ক্ষতিকাৰক ফিতনা হ'ব নাৰী জাতি। ........................................................................................................ 449

বিবাহ কৰিবলৈ যাৰ সামৰ্থ আছে, তেওঁ বিবাহ কৰি লোৱা উচিত। কাৰণ বিবাহে দৃষ্টি সংযত ৰাখে আৰু লজ্জাস্থান সুৰক্ষিত ৰাখে। আনহাতে যাৰ সামৰ্থ নাই তেওঁ ৰোজা পালন কৰা উচিত। কাৰণ ৰোজাই প্ৰবৃত্তিৰ কামনা-বাসনাক প্ৰতিৰোধ কৰে।............. 450

নিশ্চয় পৃথিৱী হৈছে সুমধুৰ সেউজ-শ্যামল। এই কথাও নিশ্চিত যে, আল্লাহে তোমালোকক ইয়াৰ উত্তৰাধিকাৰী বনাইছে, যাতে তেওঁ তোমালোকক চাব পাৰে যে, তোমালোকে কেনেকুৱা আমল কৰা। গতিকে পাৰ্থিৱ বিষয় সম্পৰ্কে সতৰ্ক থাকিবা আৰু নাৰীৰ পৰাও সতৰ্ক থাকিবা। .................................................................... 451

মই ক'লোঁ, হে আল্লাহৰ ৰাছুল! আমাৰ ওপৰত আমাৰ স্ত্ৰীসকলৰ প্ৰাপ্য (অধিকাৰ) কি? তেখেতে ক'লেঃ "যেতিয়া তুমি আহাৰ কৰিবা, তেতিয়া তাইকো আহাৰ কৰাবা। এইদৰে

যেতিয়া তুমি পৰিধান কৰিবা অথবা উপাৰ্জন কৰিবা তেতিয়া তাইকো পৰিধান কৰাবা। মুখমণ্ডলত নামাৰিবা, বেয়া ভাষাৰে গালি নাপাৰিবা, পৃথক ৰাখিবলগীয়া হ'লে ঘৰতে পৃথক ৰাখিবা। ........ 453

হে নাৰী সমাজ! তোমালোকে বেছি বেছি চাদাক্বাহ কৰা। কাৰণ জাহান্নামৰ অধিবাসীসকলৰ মাজত মই তোমালোকৰ সংখ্যা অধিক দেখিছোঁ।" তেতিয়া তেওঁলোকে সুধিলে, হে আল্লাহৰ ৰাছুল! ইয়াৰ কাৰণ কি? তেখেতে ক'লেঃ "কাৰণ তোমালোকে অভিশাপ বেছি দিয়া আৰু স্বামীৰ অকৃতজ্ঞ হোৱা। বুদ্ধি আৰু দ্বীনৰ ক্ষেত্ৰত ত্ৰুটি থকা সত্বেও এজন সদায় সতৰ্ক থকা ব্যক্তিৰ বুদ্ধি হৰণৰ ক্ষেত্ৰত তোমালোকতকৈ পাৰদৰ্শী মই আন কাকো দেখা নাই। ........ 455

তোমালোকে নাৰীসকলৰ ওচৰলৈ যোৱাৰ পৰা বিৰত থাকা।" এজন আনচাৰী ব্যক্তিয়ে সুধিলে, হে আল্লাহৰ ৰাছুল! দেৱৰ সম্পৰ্কে আপোনাৰ অভিমত কি? তেখেতে ক'লেঃ "দেৱৰ হৈছে মৃত্যু সমতুল্য"। ........ 459

অভিভাৱক অবিহনে বিবাহ নহয়। ........ 461

যি নাৰীয়ে অলীৰ অনুমতি নোহোৱাকৈ বিবাহ পাশত আৱদ্ধ হয়, তাইৰ নিকাহ বাতিল। - এই কথা তেখেতে তিনিবাৰ কৈছে- যদি এই অৱস্থাত পুৰুষজনে সহবাস কৰে তেন্তে ইয়াৰ ফলত তাইক মোহৰ অৰ্পণ কৰিব লাগিব। কিন্তু যদি অলীসকলৰ মাজত পৰস্পৰ বিবাদ হয় তেন্তে এই ক্ষেত্ৰত যাৰ কোনো অলী নাই, তাৰ অলী হ'ব প্ৰশাসন। ........ 462

অভিশপ্ত সেই ব্যক্তি, যিয়ে স্ত্ৰীৰ মলদ্বাৰেৰে যৌন কামনা পূৰণ কৰে। ........ 465

পূৰণ কৰিবলগীয়া চৰ্তসমূহৰ মাজত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ চৰ্তটো হৈছে সেই চৰ্ত, যি চৰ্তৰ দ্বাৰা তোমালোকে নিজৰ স্ত্ৰীৰ লজ্জাস্থানক হালাল কৰি লৈছা। ........ 466

পৃথিৱী হৈছে উপভোগৰ উপকৰণ (ভোগ সামগ্ৰী), আৰু পৃথিৱীৰ আটাইতকৈ উত্তম উপভোগ্য উপকৰণটো হৈছে পূণ্যৱতী নাৰী। ........ 467

মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক (নাৰীৰ প্ৰতি) হঠাতে হোৱা দৃষ্টিপাত সম্পৰ্কে সুধিলোঁ, তেখেত মোক নিৰ্দেশ দিলে যে, লগে লগে দৃষ্টি ওভোতাই ল'বা। ...... 468

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শিং থকা ক'লা-বগা দুটা দুম্বা(১) কুৰবানী কৰিছিল। নিজ হাতে দুয়োটা কুৰবানী কৰিছিল। বিছমিল্লাহি আল্লাহু আকবাৰ বুলি কৈ তেখেতে নিজৰ ভৰি সেই দুটাৰ ঘাৰৰ ওপৰত ৰাখিছিল। ........ 469

মুছলিমৰ লুংগী বা পৰিধানকৃত কাপোৰ ভৰিৰ কলাফুললৈকে থাকিব লাগে। এইদৰে সৰুগাঁঠিলৈকে পৰিধান কৰিলেও কোনো অসুবিধা নাই বা কোনো গুনাহ নহয়। কিন্তু সৰুগাঁঠিৰ তলত পিন্ধিলে সেইটো জাহান্নামত যাব। যিয়ে অহংকাৰ কৰি নিজৰ পৰিধানকৃত কাপোৰ চোঁচৰাই পিন্ধে, তাৰ প্ৰতি আল্লাহে অকণো ভ্ৰূক্ষেপ নকৰিব। ... 471

তোমালোকে মিহি অথবা মোটা ৰেচমী কাপোৰ পৰিধান নকৰিবা। এইদৰে সোণেৰে নির্মিত বা ৰূপেৰে নির্মিত পাত্ৰত পানী নাখাবা, আৰু এইবোৰেৰে নির্মিত থালত আহাৰো নকৰিবা। কাৰণ পৃথিৱীত এইবোৰ হৈছে সিহঁতৰ বাবে, আৰু আখিৰাতত হৈছে আমাৰ বাবে"।........................................................................................................473

তিনি প্ৰকাৰ লোকৰ পৰা কলম উঠাই লোৱা হৈছেঃ ১) টোপনিত থকা ব্যক্তি, যেতিয়ালৈকে সাৰ নাপায়। ২) শিশু, যেতিয়ালৈকে সি প্ৰাপ্তবয়স্কত উপনীত নহয়। ৩) উন্মাদ ব্যক্তি, যেতিয়ালৈকে বোধশক্তি ঘূৰাই নাপায়।................................................475

মূৰৰ কিছু অংশৰ চুলি মুণ্ডন কৰি আন কিছু অংশৰ চুলি ৰাখিবলৈ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে।........................................................................477

শপতৰ জৰিয়তে ব্যৱসায়িক পণ্য নিশ্চয় বিক্ৰী হয়, কিন্তু ইয়াৰ ফলত বৰকত শেষ হৈ যায়। ........................................................................................................478

তোমালোকে মোচ চুটি কৰা আৰু দাড়ি দীঘল কৰা। ................................................479

কোনো পুৰুষে আন কোনো পুৰুষৰ লজ্জাস্থান দেখা উচিত নহয়। এইদৰে কোনো নাৰীয়েও আন কোনো নাৰীৰ লজ্জাস্থান দেখা উচিত নহয়।.....................................480

নিশ্চয় তোমালোকৰ মাজত উত্তম হৈছে সেইজন, যিজন উত্তম চৰিত্ৰৰ অধিকাৰী।..482

নিশ্চয় মুমিন ব্যক্তিয়ে নিজৰ সদাচৰণৰ বাবে চওম পালনকাৰী আৰু চালাত আদায়কাৰী ব্যক্তিৰ দৰে মৰ্যাদা লাভ কৰে। ..............................................................................483

ঈমানৰ ফালেৰে পৰিপূর্ণ মুমিন হৈছে সেই ব্যক্তি, যিজন সিহঁতৰ মাজত উত্তম চৰিত্ৰৰ অধিকাৰী। তোমালোকৰ মাজত সৰ্বোত্তম হৈছে সেই ব্যক্তি, যিজন নিজৰ স্ত্ৰীৰ ওচৰত উত্তম।........................................................................................................484

ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামক প্ৰশ্ন কৰা হ'ল যে, কোনটো আমলৰ কাৰণে অধিক মানুহে জান্নাতত প্ৰৱেশ কৰিব? তেখেতে ক'লে: “আল্লাহৰ তাক্বৱা আৰু উত্তম চৰিত্ৰৰ কাৰণে ..........................................................................................485

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল সকলোতকৈ উত্তম চৰিত্ৰৰ অধিকাৰী। ........................................................................................................487

কোৰআনখনেই আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ।..........................488

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জোতা পিন্ধাৰ ক্ষেত্ৰত, চুলি ফণিওৱাৰ ক্ষেত্ৰত, পৱিত্ৰতা অৰ্জনৰ ক্ষেত্ৰত, আনকি তেখেতে সকলো (ভাল কামৰ) ক্ষেত্ৰতে সোঁফালৰ পৰা আৰম্ভ কৰাটোক পছন্দ কৰিছিল। ...................................................................489

নিশ্চয় আল্লাহে প্ৰত্যেক বিষয়তে (তোমালোকৰ ওপৰত) ইহছান তথা সদাচৰণ কৰাটো অত্যাৱশ্যক কৰিছে।..............................................................................491

নিশ্চয় ইনচাফকাৰীসকল আল্লাহৰ ওচৰত নূৰৰ মিম্বৰৰ ওপৰত থাকিব। সৰ্বশক্তিমান দয়াময় আল্লাহৰ সোঁফালে অৱস্থান কৰিব। আল্লাহৰ দুয়ো হাতেই হৈছে সোঁ হাত।..... 493

(আৰম্ভণিতো) ক্ষতি কৰা উচিত নহয় আৰু প্ৰতিশোধ লোৱাৰ ক্ষেত্ৰতো ক্ষতি কৰা উচিত নহয়। যিয়ে আনক ক্ষতি কৰিব, আল্লাহে তাক ক্ষতি কৰিব। এইদৰে যিয়ে আনক কষ্ট দিব, আল্লাহেও তাক কষ্ট দিব। ........................................................................ 494

সৎ সঙ্গী আৰু অসৎ সঙ্গীৰ উদাহৰণ হৈছে আতৰ বিক্ৰেতা আৰু ভাটিত ফুঁ দিয়া কমাৰৰ দৰে। ........................................................................ 496

তুমি খং নকৰিবা।........................................................................ 497

“প্ৰকৃত বীৰ সেইজন নহয়, যিয়ে কাৰোবাক কুস্তিত পৰাজিত কৰে; বৰং প্ৰকৃত বীৰ হৈছে সেইজন, যিয়ে ক্ৰোধৰ সময়ত নিজকে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম “ ............................ 498

চাৰিটা দোষ যাৰ ভিতৰত আছে, সি হৈছে প্ৰকৃত মুনাফিক। যাৰ মাজত এই চাৰিটা দোষৰ যিকোনো এটা আছে, সি সেইটো পৰিত্যাগ নকৰালৈকে তাৰ ভিতৰত মুনাফিকৰ এটা স্বভাৱ থাকি যায়। (সেই দোষ চাৰিটা হৈছে) যেতিয়া সি কথা কয়, মিছা মাতে, আৰু যেতিয়া সন্ধি বা চুক্তি কৰে তেতিয়া সেয়া অমান্য কৰে, এইদৰে যেতিয়া প্ৰতিশ্ৰুতি দিয়ে তেতিয়া ভঙ্গ কৰে, লগতে কাজিয়া লাগিলে গালি শপনি পাৰে। ................................ 500

মুমিন কেতিয়াও পৰনিন্দাকাৰী, অভিশাপকাৰী নহয়, লগতে অভদ্ৰ ভাষা প্ৰয়োগকাৰী আৰু অসংযতও নহয়।........................................................................ 503

লজ্জা হৈছে ঈমানৰ অংগ........................................................................ 504

যেতিয়া কোনো ব্যক্তিয়ে তাৰ কোনো ভাতৃক ভালপায়, তেতিয়া সি তাক বিষয়টো জনাই দিয়া উচিত যে, সি তাক ভাল পায়।........................................................................ 505

সকলো সৎকৰ্মই হৈছে চাদাক্বাহ। ........................................................................ 506

মানুহৰ প্ৰতিটো গাঁঠিৰ বিপৰীতে চাদাক্বাহ আছে। ................................................ 507

যিয়ে পৃথিৱীত কোনো এজন মুমিনৰ দুখ কষ্ট দূৰ কৰি দিব, আল্লাহে কিয়ামতৰ দিনা তাৰ দুখ কষ্ট দূৰ কৰি দিব।........................................................................ 509

ক্বিয়ামতৰ দিনা বান্দাৰ ভৰি তেতিয়ালৈকে আগবাঢ়িব নোৱাৰিব যেতিয়ালৈকে তাক এই কেইটা প্ৰশ্ন কৰা নহ'ব। তাৰ আয়ুস সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক ক'ত ব্যয় কৰিছে। তাৰ জ্ঞান সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক ক'ত ব্যৱহাৰ কৰিছে, তাৰ ধন-সম্পদ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি এইবোৰ কেনেকৈ উপাৰ্জন কৰিছিল আৰু ক'ত ব্যয় কৰিছিল, লগতে তাৰ শৰীৰ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক কেনেকৈ কামত লগাইছে।......... 513

বিধৱা আৰু দুখীয়াৰ বাবে খাদ্য যোগান ধৰিবলৈ চেষ্টা কৰা ব্যক্তি হৈছে আল্লাহৰ পথত জিহাদ কৰা ব্যক্তিৰ দৰে, অথবা ৰাতিত চালাত আদায় কৰা আৰু দিনত চিয়াম পালন কৰা ব্যক্তিৰ দৰে। ........ 514

যি ব্যক্তিয়ে আল্লাহৰ প্ৰতি আৰু আখিৰাতৰ প্ৰতি ঈমান পোষণ কৰে, তাৰ বাবে উচিত সি যেন উত্তম কথা কয়, নহ'লে মৌনতা অৱলম্বন কৰে ........ 516

কোনো সৎকৰ্মকেই তুমি তুচ্ছ জ্ঞান নকৰিবা। যদিও সেইটো তোমাৰ (মুছলিম) ভাতৃৰ সৈতে হাঁহিমুখে সাক্ষাৎ কৰাই নহওক কিয়। ........ 517

তোমালোকে সত্যক অনিবাৰ্যৰূপে অৱলম্বন কৰা, কাৰণ সত্যই নেকীৰ পথ দেখুৱায়, আৰু নেকীয়ে জান্নাতৰ পথত পৰিচালিত কৰে। ........ 519

যি ব্যক্তিয়ে মানুহৰ প্ৰতি দয়া নকৰে, সৰ্বশক্তিমান আল্লাহেও তাৰ প্ৰতি দয়া নকৰে। .. 521

দয়াশীলসকলৰ ওপৰত কৰুণাময় আল্লাহে দয়া কৰে। তোমালোকে পৃথিৱীবাসীসকলৰ ওপৰত দয়া কৰা, তেতিয়াহে সেই সত্ত্বাই তোমালোকৰ ওপৰত দয়া কৰিব যিজন আকাশত আছে। ........ 522

প্ৰকৃত মুছলিম হৈছে সেইজন, যাৰ হাত আৰু জিভাৰ দ্বাৰা অন্যান্য মুছলমানসকল সুৰক্ষিত থাকে। এইদৰে প্ৰকৃত মুহাজিৰ হৈছে সেইজন, যিয়ে আল্লাহৰ নিষেধকৃত বস্তুৰ পৰা বিৰত থাকে। ........ 523

এজন মুছলিমৰ ওপৰত আন এজন মুছলিমৰ আছে পাঁচটা অধিকাৰ: ছালামৰ উত্তৰ দিয়া, বেমাৰীক শুশ্ৰূষা কৰা, জানাযাৰ অনুসৰণ কৰা, নিমন্ত্ৰণ গ্ৰহণ কৰা আৰু হাঁচি দিয়া ব্যক্তিৰ উত্তৰ দিয়া। ........ 524

মুমিন নোহোৱাকৈ তোমালোকৰ মাজৰ কোনেও জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব, আৰু তোমালোকে প্ৰকৃত মুমিন হ'ব নোৱাৰিবা যেতিয়ালৈকে তোমালোকে ইজনে সিজনক মুহাব্বত নকৰিবা। মই তোমালোকক সেই বিষয়টো জনাই নিদিমনে, যিটো কৰিলে তোমালোকৰ পৰস্পৰৰ মাজত মুহাব্বত সৃষ্টি হ'ব? সেইটো হৈছেঃ তোমালোকে পৰস্পৰে ছালাম আদান প্ৰদান কৰা। ........ 526

কোনো এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলে, ইছলামৰ কোনটো আমল সৰ্বাতোকৈ উত্তম? তেখেতে ক'লেঃ "আনক খাদ্য খোওৱা, পৰিচিত অপৰিচিত সকলোকে ছালাম দিয়া। ........ 528

মই তোমালোকক এনেকুৱা বিষয়ৰ সংবাদ নিদিমনে, যাৰ দ্বাৰা আল্লাহে গুনাহ মোচন কৰে আৰু মৰ্যাদা উন্নীত কৰে? ........ 529

দুৰ্বল মুমিনতকৈ শক্তিশালী মুমিন উত্তম তথা আল্লাহৰ দৃষ্টিত পছন্দনীয়। যদিও কল্যাণ প্ৰত্যেকৰে মাজত আছে। ........ 532

তোমালোকে সঠিকভাৱে নিষ্ঠা সহকাৰে কাম কৰি নৈকট্য অৱলম্বন কৰা, জানি থোৱা, তোমালোকৰ কোনো আমলেই তোমালোকক জান্নাতত প্ৰৱেশ কৰাব নোৱাৰিব।" চাহাবাসকলে সুধিলে, হে আল্লাহৰ ৰাছুল! আপোনাকো নহয়? তেখেতে ক'লেঃ "হয়, মোকো নহয়, কিন্তু মোক আল্লাহৰ ৰহমত আৰু অনুগ্ৰহই ঢাকি ৰাখিছে।.................534

জিব্ৰীলে মোক সদায় প্ৰতিৱেশীৰ বিষয়ে উপদেশ দিছিল। এটা সময়ত মই ধাৰণা কৰিলোঁ যে, তেওঁ হয়তো প্ৰতিৱেশীক মোৰ উত্তৰাধিকাৰী বনাই দিব। ....................................538

যি ব্যক্তিয়ে তাৰ কোনো ভাতৃৰ মান-সন্মানত আহিবলগীয়া আঘাত প্ৰতিৰোধ কৰিব, কিয়ামতৰ দিনা আল্লাহে সেই ব্যক্তিৰ মুখমণ্ডল (জাহান্নামৰ) জুইৰ পৰা ৰক্ষা কৰিব। 539

তোমালোকৰ মাজৰ কোনেও তেতিয়ালৈকে প্ৰকৃত মুমিন হ'ব নোৱাৰে, যেতিয়ালৈকে সি নিজৰ বাবে যিটো পছন্দ কৰে, সেইটো তাৰ ভাতৃৰ বাবে পছন্দ নকৰিব। ..................540

নিশ্চয় নম্ৰ ব্যৱহাৰে যিকোনো বিষয়কে সৌন্দৰ্যময় কৰি তোলে, আৰু যিটো বিষয়ত কোমলতা বা নম্ৰতা নাথাকে সেইটো কলুষিত হৈ পৰে।............................................542

নিশ্চয় দ্বীন হৈছে সহজ-সৰল। দ্বীনি বিষয়ত যিয়েই উগ্ৰতা প্ৰদৰ্শন কৰে সি পৰাজিত হয়। এতেকে তোমালোকে মধ্যম পন্থা অৱলম্বন কৰা, আৰু মধ্যম পন্থাৰ নিকটৱৰ্তী থাকিবা........................................................................................................543

তোমালোকে (দ্বীনৰ বিষয়ে) সহজ পন্থা অৱলম্বন কৰা, কঠোৰ পন্থা অৱলম্বন নকৰিবা, মানুহক সুসংবাদ দিয়া, সিহঁতক আঁতৰাই নিদিবা। ..................................................546

আমি ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ ওচৰত বহি আছিলোঁ, তেনেতে তেখেতে ক'লেঃ আমাক তাকাল্লুফ কৰিবলৈ অৰ্থাৎ প্ৰয়োজন নোহোৱাকৈ নিজকে কষ্ট দিবলৈ নিষেধ কৰিছে। ..........................................................................................................................547

তোমালোকৰ মাজৰ কোনোবাই যেতিয়া আহাৰ কৰে তেতিয়া তেওঁ সোঁহাতেৰে খোৱা উচিত, আৰু কিবা সেৱন কৰিলে সোঁহাতেৰে সেৱন কৰা উচিত। কাৰণ চয়তানে নিজৰ বাওঁ হাতেৰে খায় আৰু সেৱন কৰে।..........................................................................548

হে বালক! প্ৰথমে বিছমিল্লাহ কোৱা, আৰু সোঁ হাতেৰে খোৱা, লগতে নিজৰ ওচৰৰ পৰা খোৱা।.........................................................................................................549

নিশ্চয় আল্লাহে সেই বান্দাৰ প্ৰতি সন্তুষ্ট হয়, যিয়ে কিবা খোৱাৰ পাছত আল্লাহৰ প্ৰশংসা কৰি আল-হাম্‌দুলিল্লাহ কয় আৰু কিবা সেৱন কৰিলেও আল্লাহৰ প্ৰশংসা কৰি আলহাম্‌দুলিল্লাহ কয়।............................................................................................551

কোনো এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত বাওঁ হাতেৰে খানা খোৱাত তেখেতে তাক ক'লেঃ "সোঁ হাতেৰে খোৱা।" সি উত্তৰত ক'লেঃ মই খাব নোৱাৰোঁ। তেখেতে ক'লেঃ "তই যেন খাবও নোৱাৰ'।...............................................552

যিয়ে (কেঁচা) নহৰু অথবা (কেঁচা) পিঁয়াজ খাইছে, সি যেন আমাৰ পৰা আঁতৰি থাকে, - অথবা তেখেতে কৈছিলঃ আমাৰ মছজিদৰ পৰা যেন আঁতৰি থাকে আৰু নিজৰ ঘৰতে যেন অৱস্থান কৰে। ...... 554

যিয়ে পানাহাৰ কৰাৰ পিছত এই দুআ পাঠ কৰিবঃ (الحَمْدُ لِلَّهِ الَّذِي أَطْعَمَنِي هَذَا وَرَزَقَنِيهِ مِنْ غَيْرِ حَوْلٍ مِنِّي وَلاَ قُوَّةٍ) উচ্চাৰণঃ "আলহাম্‌দুলিল্লাহিল লাজী আত্বআমানী হাজা, অৰাঝাকানীহি মিন গাইৰি হাওলিম মিন্নি অলা কুওৱাহ।" অৰ্থঃ "সকলো ধৰণৰ প্ৰশংসা আল্লাহৰ বাবে, যিয়ে মোক এই আহাৰ কৰালে তথা মোক জীৱিকা প্ৰদান কৰিলে। অথচ এই ক্ষেত্ৰত মোৰ কোনো শক্তি সামৰ্থ নাছিল।" সেই ব্যক্তিৰ অতীতৰ সকলো গুনাহ ক্ষমা কৰি দিয়া হয়। ...... 557

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া হাঁচি কৰিছিল, তেতিয়া তেখেতে মুখত, হাত অথবা কাপোৰ ৰাখিছিল আৰু শব্দ কম কৰাৰ বা লাঘৱ কৰাৰ চেষ্টা কৰিছিল। ...... 558

নিশ্চয় আল্লাহে (বান্দাসকলক) অৱকাশ দি ভাল পায়, ঠিক সেইদৰে (বান্দাসকলে) তেওঁৰ আদেশসমূহ পালন কৰক এইটোও তেওঁ ভাল পায়। ...... 559

আল্লাহে যাৰ মঙ্গল বিচাৰে, তাক তেওঁ দুখ-কষ্টত পেলায়। ...... 560

মুছলিম ব্যক্তিৰ ওপৰত যিবোৰ যাতনা, ৰোগ-ব্যাধি, উদ্বেগ-উৎকন্ঠা, দুশ্চিন্তা, কষ্ট তথা বিপদ-আপদ আপতিত হয়, আনকি শৰীৰত যদি এটা কাইটো বিন্ধে, তেন্তে ইয়াৰ ফলত আল্লাহে তাৰ গুনাহ ক্ষমা কৰি দিয়ে। ...... 561

মুমিন পুৰুষ আৰু মুমিনা নাৰী, নিজৰ ক্ষেত্ৰত, তেওঁৰ সন্তান-সন্ততিৰ ক্ষেত্ৰত আৰু ধন-সম্পদৰ ক্ষেত্ৰত সদায় পৰীক্ষাৰ সন্মুখীন হৈ থাকে। যাতে তেওঁ গুনাহমুক্ত হৈ আল্লাহৰ সৈতে সাক্ষাৎ কৰিব পাৰে। ...... 562

মুমিনৰ অৱস্থা বৰ অদ্‌ভুত। নিশ্চয় মুমিনৰ প্ৰতিটো কামেই হৈছে কল্যাণকৰ। মুমিনৰ বাহিৰে আন কাৰো বাবে এই কল্যাণৰ ব্যৱস্থা নাই। ...... 564

যেতিয়া বান্দা অসুস্থ হয় অথবা ভ্ৰমণত থাকে, তেতিয়া তাৰ বাবে সেই আমলৰ দৰেই (ছোৱাব) লিখা হয়, যিদৰে তেওঁ মুকীম অৱস্থাত সুস্থ শৰীৰে আমল কৰিছিল। ...... 565

সৎকৰ্ম যিমান পাৰা সোনকালে কৰা, কাৰণ ফিতনা অন্ধকাৰ ৰাতিৰ টুকুৰাৰ দৰে ঘন সন্নিৱিষ্ট হৈ আহি আছে। ...... 567

আল্লাহে যাৰ মঙ্গল বিচাৰে, তাক তেওঁ দ্বীনৰ জ্ঞান (ইল্ম) দান কৰে। ...... 569

আল্লাহে সেই ব্যক্তিক চিৰ উজ্জল কৰি ৰাখক, যিয়ে মোৰ পৰা কোনো বিষয় শুনে, আৰু সেইটো সেইদৰেই বেলেগক বৰ্ণনা কৰে যিদৰে তেওঁ শুনিছে। কিয়নো যিসকলক পৌঁচাই দিয়া হ'ব তেওঁলোকৰ মাজৰ কিছুমান লোক এনেকুৱা আছে, যিয়ে শ্ৰৱণকাৰীতকৈও অধিক ভালকৈ মুখস্থ ৰাখিব পাৰে। ...... 570

তোমালোকে আলিমসকলৰ ওপৰত বাহাদুৰি দেখুৱাবলৈ, নিৰ্বোধসকলৰ সৈতে বিতৰ্ক কৰিবলৈ......572

তোমালোকৰ মাজত সৰ্বশ্ৰেষ্ঠ হৈছে সেইজন ব্যক্তি, যিয়ে নিজে কোৰআন শিকে আৰু আনকো শিকায়।......573

ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দহটাকৈ আয়াত শিকিছিল, আৰু এই দহটা আয়াতৰ পৰা শিকিবলগীয়া জ্ঞানখিনি আহৰণ নকৰালৈকে তথা ইয়াৰ প্ৰতি আমল নকৰালৈকে আন দহটা আয়াত পাঠ হিচাপে লোৱা নাছিল।......574

আল্লাহৰ কিতাবৰ পৰা যিয়ে এটা হৰফ (আখৰ) পাঠ কৰিব, ইয়াৰ ফলত তেওঁ এটা ছোৱাব পাব। লগতে প্ৰতিটো ছোৱাব দহগুণ বৃদ্ধিকৈ প্ৰদান কৰা হ'ব।......575

কোৰআন কণ্ঠস্থ ৰখা ব্যক্তিক কোৱা হ'ব, পঢ়া আৰু আৰোহণ কৰা, সেইদৰে ধীৰস্থিৰে তিলাৱত কৰা, যিদৰে তুমি পৃথিৱীত তিলাৱত কৰিছিলা। য'ত তুমি শেষ আয়াত তিলাৱত কৰিবা সেইটোৱে হ'ব তোমাৰ ঠিকনা।......577

তোমালোকৰ কোনোবাই এইটো বিচৰানে যে, সি নিজ ঘৰলৈ উভতি গৈ ঘৰত তিনিটা ডাঙৰ ডাঙৰ গৰ্ভৱতী উট দেখিবলৈ পাওক?......578

এই কোৰআনৰ প্ৰতি যত্ন লোৱা তথা সদায় তিলাৱত কৰা। সেই মহান সত্তাৰ শপত, যাৰ হাতত মুহাম্মদৰ জীৱন আছে, উট যেনেকৈ ৰছীৰ পৰা অতৰ্কিতে ওলাই যায়, তাতকৈও অধিক অতৰ্কিতে [স্মৃতিৰ পৰা] কোৰআন ওলাই যায়।......579

তোমালোকে নিজৰ ঘৰখনক কবৰস্থানত পৰিণত নকৰিবা। নিশ্চয় চয়তান সেই ঘৰৰ পৰা পলায়ন কৰে, যি ঘৰত ছুৰা আল-বাক্বাৰাহ তিলাৱত কৰা হয়।......580

হে আবুল মুনজিৰ, আল্লাহৰ কিতাবৰ কোনটো আয়াত তোমাৰ ওচৰত আটাইতকৈ মহান? তেতিয়া মই ক'লোঁঃ {اللهُ لا إِلَهَ إِلا هُوَ الْحَيُّ الْقَيُّومُ} (এই আয়াতটো মোৰ ওচৰত বেছি গুৰুত্বপূৰ্ণ) এই কথা শুনি তেখেতে মোৰ বুকুত হাতেৰে থপথপাই ক'লেঃ হে আবুল মুনজিৰ! তোমাৰ জ্ঞানক উষ্ণ আদৰণি জনাইছোঁ।......581

যি ব্যক্তিয়ে ছুৰা বাক্বাৰাৰ শেষৰ আয়াত দুটা ৰাতিত তিলাৱত কৰিব, সেই ব্যক্তিৰ (নিৰাপত্তাৰ) বাবে এই দুটা আয়াতেই যথেষ্ট হ’ব।......582

যিয়ে ছুৰা আল-কাহাফৰ প্ৰথম দহ আয়াত মুখস্থ কৰিব, তেওঁক দাজ্জালৰ (ফিতনাৰ) পৰা ৰক্ষা কৰা হ'ব।" আন এটা বৰ্ণনাত আছে যে, "যিয়ে ছুৰা কাহাফৰ শেষৰ দহ আয়াত মুখস্থ কৰিব।......583

“দু’আই হৈছে ইবাদত......586

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে সদায় আল্লাহক স্মৰণ (তথা আল্লাহৰ গুণগান) কৰিছিল।......587

মহান আল্লাহৰ ওচৰত দুআতকৈ অধিক সন্মানিত বস্তু আন একো নাই। .................. 588

যেতিয়াই কোনো মুছলিমে কোনো দুআ কৰে, যদি সেই দুআটোত কোনো গুনাহ নাথাকে, অথবা সেইটো আত্মীয়তাৰ বন্ধন ছিন্ন কৰাৰ বাবে নহয়, তেন্তে আল্লাহে সেই দুআৰ বিনিময়ত তাক এই তিনিটা বিষয়ৰ যিকোনো এটা প্ৰদান কৰে। ১- হয়তো লগে লগে তাৰ দুআ কবূল কৰে, ২- নাইবা আখিৰাতৰ বাবে সেইটো জমা কৰি ৰাখে, ৩- অথবা সেই পৰিমাণ কোনো বিপদ-আপদ দূৰ কৰি দিয়ে।" চাহাবাসকলে ক'লেঃ তেনেহ'লে আমি আৰু বেছি পৰিমাণে কৰিম। তেতিয়া তেখেতে ক'লেঃ "তেন্তে আল্লাহেও অধিক প্ৰদান কৰিব। .................................................................................... 590

এতেকে তোমালোকে যেতিয়া আল্লাহৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰিবা, তেতিয়া ফিৰদাউচ বিচাৰিবা। .................................................................................... 592

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে বেছিভাগ সময়তে এই দুআ পাঠ কৰিছিল, (يَا مُقَلِّبَ الْقُلُوبِ ثَبِّتْ قَلْبِي عَلَى دِينِكَ) "হে অন্তৰ পৰিবৰ্তনকাৰী! তোমাৰ দ্বীনৰ ওপৰত মোৰ অন্তৰ দৃঢ় ৰাখিবা। .................................................................................... 594

হে আল্লাহ! তুমি মোৰ দ্বীনক সংশোধন কৰি দিয়া, এই দ্বীনেই হৈছে মোৰ নিৰাপত্তা; . 596

আল্লা-হুম্মা ইন্নি আছআলুকাল আ-ফিয়াহ ফিদ দুনিয়া অল আ-খিৰাহ...................... 599

উচ্চাৰণঃ "আল্লাহুম্মা ইন্নি আছআলুকা মিনাল খাইৰে কুল্লিহ, আ'-জিলিহি ওৱা আ-জিলিহ, মা আলিমতু মিনহু অমা লাম আ'লাম। ওৱা আউজুবিকা মিনাশ্ব শ্বাৰ্ৰি কুল্লিহ, আ'-জিলিহি ওৱা আ-জিলিহ, মা আলিমতু মিনহু অমা লাম আ'লাম। ....................... 602

নিশ্চয় তোমালোকৰ ভিতৰত থকা ঈমানো ক্ষয় হয়, যিদৰে তোমালোকে পৰিধান কৰা কাপোৰ ক্ষয় হয়। গতিকে তোমালোকে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা, তেওঁ যেন তোমালোকৰ অন্তৰত থকা ঈমানক নবীকৰণ কৰি দিয়ে। ...................................... 606

সেই ব্যক্তিয়ে ঈমানৰ সোৱাদ লাভ কৰিছে, যিয়ে (আন্তৰিকতাৰে) আল্লাহক ৰব্ব হিচাপে, ইছলামক দ্বীন হিচাপে আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে মানি লৈ সন্তুষ্ট হৈছে। .................................................................................... 607

তুমি এইটো প্ৰত্যেক নামাজৰ পিছত কেতিয়াও ক'বলৈ নাপাহৰিবা, এইদৰে ক'বাঃ "আল্লাহুম্মা আ-ইন্নী আলা জিকৰিকা, অশ্‌বুকৰিকা, অহুছনি ইবাদাতিক। ................ 609

ছাজদাহ অৱস্থাত বান্দা প্ৰতিপালকৰ আটাইতকৈ নিকটৱৰ্তী থাকে। গতিকে সেই সময়ত তোমালোকে বেছি বেছি দুআ কৰিবা। ........................................................ 611

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বেছি বেছি এই দুআ পাঠ কৰিছিলঃ "ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাহ, অফিল আ-খিৰাতি হাছানাহ, অক্বিনা আজাবান না-ৰ।" অৰ্থঃ 'হে

আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ দিয়া আৰু আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা’।........................................... 612

মই তোমালোকক তোমালোকৰ সকলো আমলতকৈ উত্তম এটা আমল সম্পৰ্কে সংবাদ নিদিমনে, যিটো তোমালোকৰ প্ৰতিপালকৰ ওচৰত অতিকৈ পৱিত্ৰ আৰু তোমালোকৰ মৰ্যাদা উন্নীত কৰিব।..................................................................................... 613

তুমি এটা বৃহৎ বিষয়ে প্ৰশ্ন কৰিছা। এইটো তাৰ বাবে অতি সহজ, যাৰ বাবে আল্লাহে সহজ কৰি দিয়ে।..................................................................................... 616

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰতি ৰাতি টোপনি যোৱাৰ আগত বিছনাত আহি ছুৰা ইখলাচ, ছুৰা ফালাক্ব আৰু ছুৰা নাছ ........................................................... 622

ছাইয়্যেদুল ইস্তিগফাৰ হৈছে.......................................................................... 623

আল্লা-হুম্মা বিকা আছবাহনা, অবিকা আমছাইনা, অবিকা নাহয়া, অবিকা নামূতু, অ ইলাইকান নুশ্‌বু-ৰ”।...................................................................................... 626

যিয়ে সন্ধিয়াৰ ভাগত তিনিবাৰ এই দুআ পাঠ কৰিবঃ বিছমিল্লাহিল লাজী লা য়াজুৰ্ৰু মাআছমিহি শ্বাইয়ুন ফিল আৰজি অলা ফিচ্ছামা, অহুৱাচ ছামীউল আলীম। তাক প্ৰভাত পৰ্যন্ত কোনো আকস্মিক বিপদে স্পৰ্শ নকৰিব। ........................................................ 629

{কুল হুৱাল্লাহু আহাদ}, আৰু ছুৰা ফালাক আৰু নাছ পুৱা গধূলি তিনিবাৰকৈ পঢ়িবা। সকলো ক্ষেত্ৰতে এইটো তোমাৰ বাবে যথেষ্ট হ'ব। ................................................... 631

আল্লাহুম্মা আউজু বিৰিজাকা মিন ছাখাতিক। অবিমুআ-ফাতিকা মিন উকুবাতিক। ওৱা আউজু বিকা মিনকা লা উহচী ছানা-আন আলাইকা, আনতা কামা আছনাইতা আলা নাফছিক। .................................................................................................. 633

“আল্লাহৰ ওচৰত আটাইতকৈ প্ৰিয় বাক্য হৈছে চাৰিটা: سُبْحَانَ اللَّهِ (আল্লাহ মহা পৱিত্ৰ), وَالْحَمْدُ لِلَّهِ (যাৱতীয় প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে) وَلاَ إِلَهَ إِلاَّ اللَّهُ (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই) আৰু اللَّهُ أَكْبَرُ (আল্লাহ সৰ্বশ্ৰেষ্ঠ)। এই চাৰিটা বাক্যৰ যিকোনো এটা বাক্যৰে আৰম্ভ কৰাত কোনো অসুবিধা নাই।” .................................................. 635

যি ব্যক্তিয়ে ‘লা ইলাহা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুলকু অলাহুল হাম্‌দু, অহুৱা ‘আলা কুল্লি শ্বাইয়িন ক্বাদীৰ’ (অৰ্থ: আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক আৰু অদ্বিতীয়, তেওঁৰ কোনো অংশীদাৰ নাই, ৰাজত্ব তেওঁৰেই, প্ৰশংসাও তেওঁৰেই, তেওঁ সকলো বস্তুৰ ওপৰত ক্ষমতাৱান) দৈনিক দশবাৰ পাঠ কৰিব............ 637

“দুটা বাক্য দয়াময় আল্লাহৰ খুবেই প্ৰিয়, সেই দুটা উচ্চাৰণ কৰিবলৈও খুবেই সহজ, তুলাচনীত হ'ব অতি গধূৰ .......................................................................... 638

যি ব্যক্তিয়ে দিনে এশ বাৰ 'ছুবহানাল্লাহি অবিহামদিহি' (অৰ্থ: মই আল্লাহ তা'আলাৰ প্ৰশংসা সহকাৰে তেওঁৰ পৱিত্ৰতা ঘোষণা কৰিছোঁ) পাঠ কৰিব, তাৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হ'ব, যদিও তাৰ গুনাহৰ পৰিমাণ সাগৰৰ ফেনৰ সমান হয়। ...................... 639

"পৱিত্ৰতা হৈছে ঈমানৰ অৰ্দ্ধেক। "الحمد لله" আলহাম্‌দুলিল্লাহে মিজানক পৰিপূৰ্ণ কৰিব আৰু "سبحان الله والحمد لله" ছুবহা-নাল্লাহ অলহাম্‌দুলিল্লাহ শব্দটো অথবা শব্দদ্বয়ে- আকাশ আৰু পৃথিৱীৰ মধ্যৱৰ্তী স্থানক পৰিপূৰ্ণ কৰিব.............................................. 641

ছুবহা-নাল্লাহ, অলহাম্‌দুলিল্লাহ, অলা ইলা-হা ইল্লাল্লাহ, অল্লাহু আকবাৰ পাঠ কৰাটো মোৰ ওচৰত সেইবোৰ বস্তুতকৈও অধিক পছন্দনীয়, যিবোৰ বস্তুৰ ওপৰত সূৰ্য্য উদয় হয়। ........................................................................................................................ 643

আটাইতকৈ উত্তম জিকৰ হৈছে লা ইলা-হা ইল্লাল্লাহ, আৰু আটাইতকৈ উত্তম দুআ হৈছে আলহাম্‌দুলিল্লাহ। .......................................................................................... 645

যি ব্যক্তিয়ে কোনোবা এখন ঠাইত থাকিবলৈ অৱতৰণ কৰে আৰু এই দুআ পাঠ কৰে (أعوذ بكلمات الله التَّامَّات من شرِّ ما خلَق) "আউজু বিকালিমাতিল্লাহিত তা-ম্মা-তি মিন শ্বাৰ্ৰি মা খালাক্ব"। সেই ব্যক্তি যেতিয়ালৈকে সেই ঠাই ত্যাগ কৰি গুচি নাযাব তেতিয়ালৈকে একোৱেই তেওঁক ক্ষতি কৰিব নোৱাৰিব।.................................................................. 646

তোমালোকৰ মাজৰ কোনোবাই যেতিয়া মছজিদত প্ৰৱেশ কৰে তেতিয়া তেওঁ এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মাফ তাহলী আবৱাবা ৰাহমাতিক", (অৰ্থঃ হে আল্লাহ! মোৰ বাবে তোমাৰ ৰহমতৰ দুৱাৰসমূহ খুলি দিয়া), আৰু ওলোৱাৰ সময়ত এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মা ইন্নি আছআলুকা মিন ফাজলিক", (অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ কামনা কৰোঁ)। ........................................................................... 648

"যেতিয়া কোনো মানুহে নিজৰ ঘৰত প্ৰৱেশ কৰে, লগতে প্ৰৱেশ কৰাৰ সময়ত আৰু খোৱাৰ সময়ত আল্লাহৰ নাম লয়, তেতিয়া চয়তানে (তাৰ সহযোগীসকলক) কয়: ইয়াত তোমালোকৰ বাবে ৰাতি কটোৱাৰ কোনো ঠাই নাই আৰু ৰাতিৰ আহাৰ গ্ৰহণৰ বাবেও কোনো উপায় নাই........................................................................................................ 650

## সংক্ষিপ্ত পৰিচিতি

ইছলামী চৰীয়তৰ দ্বিতীয় মহা উৎস হৈছে হাদীছে নবৱী। মহান আল্লাহে কৈছেঃ আৰু তেওঁ মনে সজা কথা নকয়। এয়া হৈছে এক প্ৰকাৰ অহী, যিটো তেওঁৰ প্ৰতি অহীৰূপে প্ৰেৰণ কৰা হয়।

(ছুৰা আন-নাজমঃ ৩-৪)

হাদীছ বিশ্বকোষৰ পৰা নিৰ্বাচিত হাদীছৰ এই গ্ৰন্থখনত কেৱল জামে হাদীছসমূহকহে একত্ৰিত কৰা হৈছে। যিবোৰ এজন মুছলিমৰ দ্বিনী আৰু দুনিয়াৱী ক্ষেত্ৰত সদায় প্ৰয়োজন হয়। সেয়ে ইয়াত হাদীছৰ সৈতে তাৰ অৰ্থ, ব্যাখ্যা আৰু স্পষ্ট বিৱৰণ দাঙি ধৰা হৈছে, লগতে হাদীছৰ পৰা সংগৃহীত কিছুমান উপকাৰী তথ্য উল্লেখ কৰা হৈছে। এইদৰে এই গ্ৰন্থখনক বিশ্বৰ প্ৰায় সকলো জীৱিত ভাষাতে অনুবাদ কৰা হৈছে, যাতে ব্যাপকভাৱে সকলোৱে ইয়াৰ দ্বাৰা উপকৃত হ'ব পাৰে, আৰু যাতে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছ গোটেই মানৱজাতিৰ ভাষাত সহজলভ্য কৰিব পৰা যায়।

As380